একশখন মহৎ গ্রন্থ

॥ সম্পাদনা ॥

কনকসেন ডেকা

A Collection of 100 great books edited by Kanaksen Deka and published By N.K.Bharali on behalf of Dispur Print House, Guwahati. Price Rs.120

এশখন মহৎ গ্ৰন্থ
প্ৰকাশক : নিৰোদ কুমাৰ ভৰালী
দিছপুৰ প্ৰিন্ট হাউচ
দিছপুৰ : গুৱহাটী

*

১ম প্ৰকাশ :
২৯ নৱেম্বৰ, ১৯৯৩
২য় প্ৰকাশ :
তিনি জানুৱাৰী, ১৯৯৪
৩য় প্ৰকাশ :
পাঁচ মে', ১৯৯৪
৪ৰ্থ প্ৰকাশ :
পাঁচ ডিচেম্বৰ ১৯৯৪

*

বেটুপাত — মদন চন্দ্ৰ লহকৰ
মূল্য - এশ বিশ টকা

*

মুদ্ৰক :
ৰাম প্ৰসাদ
দিছপুৰ প্ৰিন্ট হাউচ
দিছপুৰ : গুৱাহাটী

*

পৰিৱেশক
দিছপুৰ প্ৰিন্ট হাউচ
দিছপুৰ : গুৱাহাটী-৬

*

চন্দ্ৰ প্ৰকাশ
পাণবজাৰ : গুৱাহাটী-১

সহধৰ্মিণী ভানুশ্ৰীৰ হাতত

হৃদতাৰে

A book is a garden, an orchard, a storehouse, a party, a company by the way, a counsellor, a multitude of counsellors.

— H. W. Beecher

ভূমিকা

‘এশখন মহৎ গ্ৰন্থ’— নামটোৱেই সম্পূৰ্ণ পৰিচয় দাঙি ধৰিছে। গতিকে ভূমিকাৰ প্ৰয়োজন ক’ত? তথাপিও মাত্ৰ এষাৰ কথা জনাবৰ উদ্দেশ্যেই এই ভূমিকাৰ অৱতাৰণা কৰা হৈছে। আমি ইয়াত সন্নিবিষ্ট কৰিবলৈ লোৱা বহু গ্ৰন্থৰেই প্ৰতিখনৰ কলেৱৰ এই সংকলনটোতকৈও বৃহৎ। সেই ধৰণৰ বৃহৎ কলেৱৰৰ গ্ৰন্থ একোখনিক ৫/৬ পৃষ্ঠাত পিঞ্জৰাবদ্ধ কৰাটো কিমান দুৰূহ কাম তাক অনুমান কৰাটোও সহজ নহয়। তাকেই কৰিবলৈ যাওঁতে মূল পুথিৰ সৈতে পৰিচয় থকাসকলৰ ভিতৰৰেই কাৰোবাৰ মনঃপূত নহ’বও পাৰে। ক’ৰবাত ভুল-ক্ৰটি বৈ যোৱাটোও অস্বাভাৱিক নহয়। এনেবোৰ ক্ষেত্ৰত সুচিন্তিত পৰামৰ্শ পালে পৰৱৰ্তী মুদ্ৰণত উন্নত কৰাৰ পথ মুকলি ৰখা হ’ল।

তদুপৰি বিভিন্ন ভাষাৰ অসংখ্য গ্ৰন্থৰ মাজৰ পৰা এশখন নিৰ্বাচন কৰাটোও সহজ কাম নহয়। এই ক্ষেত্ৰতো বহুলাংশে আমাৰ পক্ষে ইংৰাজী ভাষাৰ অনুৰূপ পুথিৰ সাহায্য লোৱাত বাহিৰে গত্যন্তৰ নাথাকিল। আমি এই ছেগতে সংশ্লিষ্ট সকলো মূল লেখক আৰু সংকলকৰ ওচৰত ঋণী স্বীকাৰ কৰিছো।

এই সংকলনটি যুগুতাই উলিওৱাত আগবঢ়োৱা সহায়ৰ বাবে শ্ৰীদিনেশ গোস্বামীক ধন্যবাদ জনালোঁ। ড: কিৰণ চন্দ্ৰ শৰ্মা, কুমুদ চন্দ্ৰ ডেকা, জ্যোৎস্না দত্ত চৌধুৰী আৰু ফণীধৰ পাঠকে আগবঢ়োৱা সহায়ৰ বাবেও শলাগ ল’লোঁ।

শেষত এই সংকলন প্ৰকাশত প্ৰত্যক্ষ বা পৰোক্ষভাৱে সহায় আগবঢ়োৱা জ্ঞাত, অজ্ঞাত সকলোৰে প্ৰতি কৃতজ্ঞতা জনালোঁ।

দিছপুৰ : গুৱাহাটী

২১ নভেম্বৰ, ১৯৯৩

কেইটামান অভিমত

শ্ৰীকনকসেন ডেকাদেৱৰ সম্পাদনাত পৃথিৱীৰ বৃহৎ গ্ৰন্থবিলাক অধ্যয়ন কৰি “এশখন মহৎ গ্ৰন্থ” নাম দি পুথি বিলাকৰ পৰিচয় লেখি উলিয়াইছে। গ্ৰন্থখন সৰ্বতোপ্ৰকাৰে মনোৰম হৈছে। এশখন কিতাপৰ বিষয়ে লেখা গ্ৰন্থখনত কিতাপবিলাকৰ পৰিচয়ৰ পৰিসৰ সৰু হ'ব লগা হৈছে; কিন্তু পাঠকসকলে মনীষীসকলৰ লেখাৰ মৰ্ম হেৰুৱাই পেলাব লগীয়া হোৱা নাই। মূল পুথিখনৰ আস্বাদ পাঠকে চমুকৈ পাব। বিশেষকৈ মূল গ্ৰন্থৰ সাৰাংশ অলপ কথাতে সামৰা হৈছে।

গ্ৰন্থখনিৰ ভাষা উজ্জ্বল। অৰ ভবিষ্যতে পাঠকে মূল গ্ৰন্থৰ তৃপ্তি সহজে পাব। এই পুথিখন সম্পাদনা কৰি উলিওৱা বাবে অসমীয়া গ্ৰন্থপ্ৰেমীসকল নিশ্চয় শ্ৰীডেকাৰ ওচৰত কৃতজ্ঞ থাকিব। গ্ৰন্থখনত যদিও পৃথিৱীৰ ডাঙৰ ডাঙৰ দেশবোৰৰ বিশেষকৈ ঐতিহ্যমূলক বৃহৎ গ্ৰন্থৰ আখ্যান আদি সঙ্কলন কৰা হৈছে, এই সকলোবিলাকৰ মূলৰ সৌন্দৰ্য হেৰাই যোৱা নাই। গ্ৰন্থখন পঢ়ি থাকোঁতে শ্ৰীডেকাৰ পৰা এনে গ্ৰন্থ আৰু পাবলৈ হাবিয়াস হয়।

ড: মহেশ্বৰ নেওগ

* * * *

শ্ৰীকনকসেন ডেকা ‘অগ্ৰদূত’ৰ নিচিনা এখন কাকত সম্পাদনা কৰাকে লৈ নানা কামত ব্যস্ত থকাৰ মাজতো, ‘এশখন মহৎ গ্ৰন্থ’ৰ দৰে এখন কিতাপ যুগুত কৰি উলিয়াই প্ৰকাশ কৰাটো নিশ্চয় সৰ্বজনৰ পৰা বিশেষভাৱে শলাগ পাবলগীয়া কাম হৈছে। মোৰ ফালৰ পৰা ইয়াৰ কাৰণে, মই শ্ৰীডেকাক অভিনন্দন জনাও।

বিশ্ব সাহিত্যত উচ্চ স্থান পোৱা এশখন কিতাপ বাছি উলিয়াবলৈকে তেখেতে যিধৰণে মনোনিবেশ কৰিবলগীয়া হৈছে, সিও এটা বিচক্ষণতাৰ পৰিচায়ক।

শ্ৰীডেকাই বাছি লোৱা এশখন কিতাপৰ সম্পৰ্কে, থুলমূল ধাৰণা হ'ব পৰাকৈ, প্ৰতিখনৰে যি একোটা টোকা দিছে— প্ৰতিখনৰে লিখকৰ আৰু কিতাপখনৰ বিষয়বস্তু সম্পৰ্কে, সি বৰ উপযোগী হৈছে। সীমিতভাৱে এটা ক্ষেত্ৰত, ই ‘এনচাইক্লোপেডীয়া’ৰ কামৰ দৰে হৈছে।

বিভিন্ন যুগৰ বিশ্ব সাহিত্যৰ অপাৰ সমুদ্ৰত পাৰি দিবলৈ চেষ্টা কৰাসকলক থুলমূলভাৱে হ'লেও, এনে গ্ৰন্থই নিশ্চয় প্ৰেৰণা যোগাব। মোৰ আশা আৰু বিশ্বাস যে অধ্যয়নৰ ক্ষেত্ৰ সুপ্ৰসাৰিত কৰাত, তেখেতৰ এনে কামে সুবিধা দিব।

বিজয় চন্দ্ৰ ভাগৱতী

* * * *

প্ৰীতি ভাজনেষু শ্ৰীযুত ডেকা

“এশখন মহৎ গ্ৰন্থ” কিতাপখনে একপ্ৰকাৰে অগ্ৰদূতৰ আমেই কৰিছে। হাবিজাবি বাট উলিওৱাটোৱেই ‘পায়োনিয়াৰ’ সকলৰ কাম। সেইবাট প্ৰথমতে অলপ খলা বমা হ'ব পাৰে— কিন্তু বাট কটাৰ কামৰ মূল্য সমাজে দিবই লাগিব। তেনে কেতিয়া বাজবাট সাজিব পাৰে সমাজ—

কি বোলে ? আমাৰ ভাষাত এনে ধৰণৰ প্ৰসংগ গ্ৰন্থ নথকাৰ বাবে আমাৰ ছাত্ৰ-ছাত্ৰী আৰু সাধাৰণ পাঠক গ্ৰন্থজগতৰ কিছু প্ৰাথমিক জ্ঞানৰ পৰা বঞ্চিত হৈ থাকে। আপোনাৰ এই প্ৰচেষ্টাই তেনে এটি অভাৱ গুচালে। পৃথিৱীৰ বিভিন্ন ভাষাৰ ইমানবোৰ মহৎ গ্ৰন্থ আছে যে তাৰ পৰা এশখন কিতাপ বাছি উলিওৱাটো বৰ সহজ নহয়। বাছি উলিয়ালেও সেই গ্ৰন্থ পঢ়া অসমীয়া 'পাঠক-লেখক' বিচাৰি পোৱাটো অভাৱেই টান। গতিকে এনে কামত ইংৰাজী, হিন্দী, বঙলা আদি অন্যৰ প্ৰসঙ্গকোষ আদিৰ সহায় ল'বলগীয়া হয়। এইবোৰৰ সীমাবদ্ধতা সত্বেও আপুনি কিতাপখন সম্পাদনা আৰু প্ৰকাশ কৰাটো এটা মহৎ প্ৰচেষ্টা হিচাপে স্বীকৃত হ'ব।

সহায় লোৱা গ্ৰন্থবিলাকৰ এখন গ্ৰন্থপঞ্জীও সন্নিবিষ্ট কৰিলে ভাল হয়। বিভিন্ন লেখকে লেখা বাবেই ৰচনা সমূহৰ ৰূপকল্পত (format) কিছু হীন দেটি ঘটিছে যেন লাগে। কোনো কোনো গ্ৰন্থৰ পৰিচয় দিওঁতে লেখকৰো চমু পৰিচয় দিয়া কামটো বৰ ভাল হৈছে; সম্ভৱপৰ আটাইখিনি কিতাপৰ চিনাকিতে সেইটো থকা হ'লে আৰু বেছি ভাল আছিল। এজন গ্ৰন্থকাৰ নথকা কিতাপৰ ক্ষেত্ৰত কিতাপখন কি পৰিবেশত ৰচিত হ'ল- সেইটো জনাব পাৰি, যি কামটো আপুনি বাইবেলৰ ক্ষেত্ৰত কৰিছে।

আপুনি প্ৰাচীন আৰু নতুন দুয়ো ধৰণৰ গ্ৰন্থকেই আপোনাৰ কিতাপৰ অন্তৰ্ভুক্ত কৰিছে। মহত্বৰ কোনো যুগ নাই, সেইবাবেই সেইবোৰ মহৎ। তথাপি কালক্ৰমণিকা (Chronology) ৰক্ষা কৰি সজোৱা হ'লে আৰু বেছি ভাল হ'লহেঁতেন।

হেঁতেনৰ কথা এৰোঁ! আপুনি যি কামটো কৰিলে তাৰ বাবে আপোনাক অভিনন্দন জনাওঁ। পৰৱৰ্তী সংস্কৰণ কৰিলে বা এই কামত আৰু আগবাঢ়োতে মই কোৱা কথাখিনি স্মৰণ কৰিলে ভাল পাম।

এখন ভাল কিতাপ সংকলন কৰা বাবে আপোনাক আকৌ ধন্যবাদ জনাইছো।

প্ৰীতিৰে

ইতি

নগেন্দ্ৰকান্ত বৰুৱা

* * * *

কনকসেন ডেকাই সম্পাদনা কৰা 'এশখন মহৎ গ্ৰন্থ' অলপতে মোৰ হাতত পৰিল। গ্ৰন্থ নিৰ্বাচন মোৰ বোধেৰে যথোচিত হৈছে। অৱশ্যে পৃথিৱীৰ সকলো ভাষাৰ সমস্ত মূল গ্ৰন্থ পঢ়ি মহৎ গ্ৰন্থৰ নিৰ্বাচন কৰাটো কাৰো কাৰণে সম্ভৱ নহয়। গতিকে ইংৰাজী বা তেনে সচৰাচৰ আমাৰ অঞ্চলত চলা ভাষাৰ সহায় ল'বই লাগিব। সম্পাদকে ইংৰাজী গ্ৰন্থৰ সহায় লোৱা বুলি ভূমিকাত স্বীকাৰ কৰিছে অৱশ্যে। তথাপি ইংৰাজী ভাষাৰো মূল আৰু অনূদিত আটাইবোৰ গ্ৰন্থ ৰহচি মাৰি পঢ়ি মহৎ গ্ৰন্থবোৰ বাছি উলিওৱাটো আমাৰ বোধেৰে অসম্ভৱ কথা। এইক্ষেত্ৰতো বিভিন্ন বিদগ্ধজনৰ অভিমতৰ ওপৰত নিৰ্ভৰ নকৰি উপায় নাই। কনকসেন ডেকাই ইমান সময় সাপেক্ষ আৰু কষ্টসাধ্য কাম এটা যে সমাধা কৰিলে সেইটোৱেই বহুত। কিন্তু মই কিতাপখনৰ কেইটামান নিবন্ধ পঢ়ি বি বুজিলো, অসমীয়া ৰচনা যথোচিত অৰ্থবহ আৰু পৰিমাৰ্জিত হৈছে। শব্দচয়ন সঠিক আৰু সংযত হৈছে। গোটেই কিতাপখন সম্বন্ধে নিশ্চয় ইয়াৰ দ্বাৰাই এটা সম্যক ধাৰণা কৰি ল'ব পৰা হ'ব, যিহেতু একেগৰাকী ব্যক্তিয়েই (অৰ্থাৎ কনকসেন ডেকাই অকলেই) কিতাপখন সম্পাদনা কৰিছে।

কিতাপখনত আলোচিত একাধিক কিতাপ মই ইংৰাজী ভাষাত পঢ়িছো। মূল লেখক প্ৰায়বোৰৰে

সতে পৰিচিত। এগৰাকীৰ নামৰ কথা অৱশ্যে কিতাপখনত দেখিহে মনলৈ আহিছে। থুচিডাইডেছৰ কথা কৈছো। সুদীৰ্ঘ ২৭ বছৰ ধৰি চলা (৪৩১-৪০৪ খৃ:পূ:) যুদ্ধখনৰ ইতিহাস ইমান প্ৰাঞ্জল বৰ্ণনাৰে আজোকৈও বেছি ইমান বিশ্বাসযোগ্য বিশ্লেষণেৰে থুচিডাইডেছে লিপিবদ্ধ কৰিছিল যে ভাবিলে আচৰিত লাগে। এটিকাৰ কৃষকসকল কিদৰে স্পাৰ্টানসকলৰ আক্ৰমণত গৃহচ্যুত হৈ চহৰবাসী হ'বলৈ বাধ্য হৈছিল, কিদৰে মানুহৰ পিছত মানুহ ধৰি প্লেগ মহামাৰীয়ে ভয়ানক সংহাৰী ৰূপ ধৰিছিল, তেওঁ নিজেও প্লেগত ভুগিছিল বাবে প্লেগে ৰোগীৰ দেহমন দুয়োটাকে কিদৰে হীনবল, বিতৃষ্ণা-বিকাৰেৰে ভাৰাক্ৰান্ত কৰি তোলে— অবো জীৱন্ত বৰ্ণনা থুচিডাইডেছে লিখি থৈ গৈছে। (সেইবাৰৰ প্লেগতে পেৰিক্লিছৰ মৃত্যু হৈছিল) তেওঁ ধনী সম্ভ্ৰান্ত এথেনিয়ান পৰিয়ালৰ সন্তান আছিল। সেই যুদ্ধৰ বছৰকেইটাত এথেনিয়ানসকলৰ মানসিক অৱস্থাৰ ইমান নিবিড় আৰু জীৱন্ত বৰ্ণনা থুচিডাইডেছেহে দিব পাৰিছে। সেইবাবেই Concentrated power আৰু Profound Comprehension of thingsৰ দিশৰ পৰা গ্ৰীক সাহিত্যৰ মাত্ৰ দুগৰাকী ব্যক্তি— এছিলাছ আৰু হোমাৰহে থুচিডাইডেছৰ সমকক্ষ বুলি কোনো কোনোৱে অভিমত প্ৰকাশ কৰিছে।

কিতাপখনত এনে এখন প্ৰাচীন বিখ্যাত গ্ৰন্থৰ সংযোজন আমাৰ কোৰাণ, গীতা, মহাভাৰত আদিৰ লগত কৰাটো মোৰ বোধেৰে প্ৰশংসনীয় হৈছে।

শিক্ষা-বিশেষজ্ঞসকলে স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকলৰ কাৰণে কিমানপ্ৰকাৰে কিতাপখন ল'ব পৰা হয় নেকি বিবেচনা কৰি চালে ভাল হয়। এই সম্বন্ধে মোৰ বিশেষ জ্ঞান আছে বুলি নাভাবো (যদিও মই বহুদিন মাইনৰ আৰু হাইস্কুলত শিক্ষকতা কৰিছিলো: তেইনো দিনসা গজ।) মোৰ হ'লে কিতাপখন উপযুক্ত আৰু শিক্ষাৰ্থীৰ বিশেষ উপকাৰত আহিব বুলি ধাৰণা হয়। ইমান মূল্যবান আৰু দৰকাৰী কিতাপখন সম্পাদনা কৰি উলিওৱাৰ কাৰণে সম্পাদক কনকসেন ডেকাৰ মই অকুণ্ঠ শলাগ লৈছো।

মেদিনীমোহন চৌধুৰী

* * * *

বিশ্বৰ বিভিন্ন ভাষাৰ শ্ৰেষ্ঠ গ্ৰন্থৰ অনুবাদো অসমীয়াত তাকৰ। আতোকৈ তাকৰ নিৰ্দেশ বা ৰেফাৰেন্স গ্ৰন্থৰ। সেই দিশৰ পৰা কনকসেন ডেকা সম্পাদিত 'এশখন মহৎ গ্ৰন্থ'ই অসমীয়া ভাষাত এটা ডাঙৰ অভাৱ পূৰণ কৰিলে।

সম্পাদক কনকসেন ডেকাই গ্ৰন্থখনিৰ ভূমিকাতে কৈছে যে, এই এশখন গ্ৰন্থ বিভিন্ন ভাষাৰ পৰা নিৰ্বাচন কৰোতে তেওঁ অনুৰূপ ইংৰাজী গ্ৰন্থৰ সহায় লৈছে। ইংৰাজীত এনেকুৱা নিৰ্বাচিত গ্ৰন্থ, কিতাপ আৰু লেখক উভয়ৰে যথেষ্ট আছে যদিও, প্ৰতিখন গ্ৰন্থ পঢ়ি নতুনকৈ টোকা লিখাৰ কষ্টসাধ্য কামটো কৰিবলৈ লগা যথেষ্ট সময় ব্যয়ৰ আজি প্ৰয়োজন আছে বোলোতো অকল হ'ব। এই গ্ৰন্থই অসমীয়া পাঠকক বিশ্বৰ সাহিত্যৰ এশগৰাকীৰ সৃষ্টিৰ চিনাকি দিব আৰু তাৰে বহুতে মূল গ্ৰন্থ কোনখন নিজ ৰুচিমতে পঢ়িবলৈ ভাল পাব, সহজে বাছি ল'ব পাৰিব। বিশেষকৈ ছাত্ৰসমাজ উপকৃত হ'ব। এনেকুৱা সংকলনেৰে অসমীয়া ভাষাৰ এটা ডাঙৰ অভাৱ পূৰোৱাৰ এই প্ৰচেষ্টাৰ অধিক সুফল আমি শ্ৰীডেকাৰ পৰা আশা কৰো।

পদ্ম বৰকটকী

* * * *

ইংৰাজী ভাষাত সমগ্ৰ বিশ্বৰ পাঠকৰ কাৰণে প্ৰকাশ কৰাৰ ক্ষেত্ৰত বিয়াসপিনি সা-সুবিধা তথা

সময়-সহযোগ সম্ভৱ হয়, সেয়া অসমীয়া ভাষাৰ গ্ৰন্থৰ ক্ষেত্ৰত কল্পনাই কৰিব নোৱাৰি। তথাপিও 'এশখন মহৎ গ্ৰন্থ' শ্ৰীডেকাদেৱে অসমীয়া ভাষাত প্ৰকাশ কৰি উলিয়াব পৰাৰ কাৰণে তেওঁৰ প্ৰতি পাঠক সমাজ নিশ্চয় কৃতজ্ঞ। এনে ধৰণৰ গ্ৰন্থ আমাৰ ভাষা-সাহিত্যলৈ অমূল্য অৱদান।

অতি সংক্ষেপতে শ্ৰীডেকাই বিভিন্ন মহৎ গ্ৰন্থৰ সৈতে পাঠকক পৰিচয় কৰি দিবলৈ আশানুৰূপ সক্ষম হৈছে। কোনো ক্ষেত্ৰতে তেওঁ পাঠকক প্ৰকৃত তথ্যৰ পৰা বঞ্চিত কৰাৰ কোনোধৰণে প্ৰয়াস কৰা নাই। যিহেতু অসমীয়া ভাষাত এনে ধৰণৰ গ্ৰন্থ এয়ে প্ৰথম সেয়ে পাঠক সমাজে শ্ৰীডেকাৰ প্ৰচেষ্টাক নিশ্চয় প্ৰশংসা কৰিব। ইতিমধ্যে একাধিক সংস্কৰণ প্ৰকাশ পোৱা কথাই গ্ৰন্থখনৰ প্ৰতি থকা পাঠকৰ আগ্ৰহৰ পৰিচায়ক।

বিশ্বৰ বিভিন্ন মহৎ গ্ৰন্থৰ বিষয়ে এনেদৰে কম কথাৰে নিজৰ ভাষাত পঢ়িব পোৱাৰ কাৰণে অসমীয়া পাঠক সমাজে শ্ৰীডেকাৰ শলাগ নলৈ নোৱাৰে। এনে ধৰণৰ গ্ৰন্থই সমাজৰ কোনো শ্ৰেণীৰ তথা বয়সৰ পাঠককে কোনো ধৰণেৰে অপকাৰ নকৰে। বৰং সকলো পাঠকৰে এই গ্ৰন্থই জ্ঞানৰ পৰিধি বঢ়োৱাৰ ক্ষেত্ৰত যথেষ্ট সহায়ক হ'ব। অসমীয়া ভাষাত এনে ধৰণৰ গ্ৰন্থ প্ৰকাশ কৰাৰ কাৰণে শ্ৰীডেকা সকলোৰে ধন্যবাদৰ পাত্ৰ।

ডঃ ক্ষীৰেণ ৰায়

* * * *

সূচীপত্ৰ

১। হোমাৰৰ ইলিয়াড ☐ ১
২। হেৰোড'টাছৰ বুৰঞ্জী ☐ ৮
৩। থুচিডাইডিছৰ পেলোপোনেছিয়ান যুদ্ধৰ ইতিহাস ☐ ১৩
৪। প্লেটোৰ ডায়লগছ ☐ ২০
৫। এৰিষ্টটলৰ এথিকছ ☐ ২৪
৬। ভাৰ্জিলৰ ইনিড ☐ ২৮
৭। প্লুটাৰ্কৰ জীৱনীমালা ☐ ৩২
৮। ৰামায়ণ ☐ ৩৪
৯। বাইবেল ☐ ৪০
১০। কোৰান ☐ ৪৬
১১। ডাণ্টেৰ দ্য ডিভাইন কমেডি ☐ ৫২
১২। মহাভাৰত ☐ ৫৮
১৩। বেদৰ পৰিচয় ☐ ৬৬
১৪। ছাৰ টমাছ মুৰৰ ইউটোপিয়া ☐ ৭০
১৫। শ্ৰীমদ্ভাগৱত গীতা ☐ ৭৭
১৬। মেকিয়াভেলিৰ দ্য প্ৰিন্স ☐ ৮১
১৭। ফ্ৰাচোৱা ৰাবেলাৰ গাৰগাণ্টুৱা আৰু পেণ্টাগ্ৰুৱেল ☐ ৮৭
১৮। মিগুৱেল দ্য চাৰ্ভেণ্টিছৰ ডন কুইকছোট ☐ ৯১
১৯। লা ৰচফুক'ৰ মেক্সিমছ ☐ ৯৭
২০। জন মিল্টনৰ পেৰেডাইজ লষ্ট ☐ ১০১
২১। জন বানিয়ানৰ পিলগ্ৰিমছ প্ৰগ্ৰেছ ☐ ১০৪
২২। এহেজাৰ নিশাৰ সাধু ☐ ১১১
২৩। ডেনিয়েল ডিফ'ৰ ৰবিনছন ক্ৰুছো ☐ ১১৪
২৪। জনাথন ছুইফটৰ গালিভাৰৰ ভ্ৰমণ কাহিনী ☐ ১১৭
২৫। জাঁ-জাক ৰুছোৰ সামাজিক চুক্তি ☐ ১২১
২৬। ভলটেয়াৰৰ চতুৰ্দশ লুইৰ যুগ ☐ ১২৭
২৭। অলিভাৰ গোল্ডস্মিথৰ দি ভাইকাৰ অৱ ৱেকফিল্ড ☐ ১৩০
২৮। জেমছ বছৱেলৰ ছেমুৱেল জনছনৰ জীৱনী ☐ ১৩৪
২৯। জেন অষ্টেনৰ প্ৰাইড এণ্ড প্ৰিজুডিছ ☐ ১৩৭
৩০। টমাছ কাৰ্লাইলৰ ফ্ৰেন্স ৰিভলিউচন ☐ ১৪১
৩১। লৰ্ড মেকলেৰ দ্য হিষ্ট্ৰী অৱ ইংলেণ্ড ☐ ১৪৬

৩২। স্তাঁদালৰ স্কাৰলেট এণ্ড ব্লেক □ ১৫১
৩৩। ছেমুৱেল পিপছৰ দিনপঞ্জী □ ১৫৬
৩৪। ইমানুৱেল কাণ্টৰ ক্রিটিক অৱ পিওৰ ৰিজন □ ১৬২
৩৫। গিবনৰ ৰোম সাম্রাজ্যৰ পতন □ ১৬৫
৩৬। আলেকজেণ্ডাৰ ডুমাৰ থ্রি মাস্কেটিয়াৰছ □ ১৬৯
৩৭। বালজাকৰ বুঢ়া গোৰিঅ □ ১৭৪
৩৮। চার্লট ব্রণ্টিৰ জেন আয়াৰ □ ১৮০
৩৯। উইলিয়াম মেক্‌পিচ থেকাৰেৰ ভেনিটি ফেয়াৰ □ ১৮৪
৪০। মালথাছৰ এছে অন দ্য প্রিন্সিপল অৱ পপুলেছন □ ১৮৯
৪১। কার্লমার্ক্সৰ ডাছ কেপিটেল □ ১৯২
৪২। গুস্তাভ ফ্লবেয়াৰ'ৰ মেডাম বভাৰি □ ১৯৮
৪৩। এমিলি ব্রণ্টিৰ ৱাদাৰিং হাইটছ □ ২০২
৪৪। নেথেনিয়েল হথর্নৰ দি স্কাৰলেট লেটাৰ □ ২০৭
৪৫। ভিক্টৰ হিউগ'ৰ নতাৰ দাম দা পাৰী □ ২১১
৪৬। চার্লছ ডিকেন্সৰ ডেভিদ কপাৰফিল্ড □ ২১৯
৪৭। গি দ্য মোপাছাঁৰ পিয়েৰ এট্ জাঁ □ ২২৫
৪৮। জন ষ্টুৱার্ট মিলৰ অন লিবার্টি □ ২৩১
৪৯। ইভান টুর্গেনিভৰ পিতা-পুত্ৰ □ ২৩৬
৫০। লিয় টলষ্টয়ৰ যুদ্ধ আৰু শান্তি □ ২৪৪
৫১। ফিওডৰ ডষ্টয়েভ্‌স্কিৰ কাৰামাজভ ভ্ৰাতৃবৃন্দ □ ২৫১
৫২। ছাৰ জেমছ জর্জ ফ্রেচাৰৰ দি গোল্ডেন বাও □ ২৫৮
৫৩। আৰ ডি ব্লেকমোৰৰ লর্নাডুন □ ২৬৪
৫৪। নিকোলাছ গোগলৰ ডেড ছ'লছ □ ২৬৭
৫৫। জর্জ বোৰোৰ লাভেনগ্রো □ ২৭৪
৫৬। ছিগমাণ্ড ফ্রয়েডৰ সপোনৰ বিশ্লেষণ □ ২৭৮
৫৭। এন্টনি ট্রলপৰ বাৰচেষ্টাৰ টাৱাৰছ □ ২৮৪
৫৮। জর্জ এলিয়টৰ মিল অন দি ফ্লছ □ ২৯০
৫৯। আনাতোল ফ্রাঁচৰ দেৱদূতৰ বিদ্ৰোহ □ ২৯৩
৬০। এৰিখ মাৰিয়া ৰেমার্কৰ অল কোৱায়েট অন দি ৱেষ্টার্ণ ফ্রন্ট □ ২৯৭
৬১। লৰেন্স ডুৰেলৰ দি আলেকজেণ্ড্ৰিয়া কোৱাৰ্টেট □ ৩০২
৬২। জর্জ অৰৱেলৰ ১৯৮৪ □ ৩০৬
৬৩। জিয়ফ্রি চচাৰৰ দি কেন্টাৰবেৰি টেলছ □ ৩১৩
৬৪। মেৰী শেলীৰ ফ্রাঙ্কেনষ্টাইন □ ৩১৯
৬৫। টমাছ মানৰ দি মেজিক মাউন্টেইন □ ৩২৫
৬৬। জুল ভার্ণেৰ আশী দিনত পৃথিৱী ভ্ৰমণ □ ৩৩১
৬৭। স্কট ফিটজাৰেল্ডৰ দি গ্রেট গেট্‌ছবি □ ৩৩৬
৬৮। থিয়োডৰ ড্রেইজাৰৰ এন এমেৰিকান ট্রেজেডি □ ৩৪০

৬৯। জন ষ্টেইনবেকৰ দি গ্ৰেপছ অব ৰথ ☐ ৩৪৬
৭০। বৰিছ পাষ্টেৰনাকৰ ডাক্তৰ জিভাগো ☐ ৩৫৩
৭১। গ্ৰাহাম গ্ৰীনৰ ব্ৰাইটৰ ৰক ☐ ৩৬১
৭২। আৰ্নেষ্ট হেমিংৱেৰ এ ফেয়াৰৱেল টু আৰ্মছ ☐ ৩৬৫
৭৩। মাৰ্ক টোৱেইনৰ এডভেঞ্চাৰ্ছ অৱ টম ছয়াৰ ☐ ৩৬৯
৭৪। ছমাৰছেট মমৰ কেক্‌ছ এণ্ড এল ☐ ৩৭৩
৭৫। জে,এল আক বাৰবাৰা হামন্দৰ দি টাউন লেবাৰাৰ ☐ ৩৭৭
৭৬। ডি এইছ লৰেন্সৰ ছন্স এণ্ড লাভাৰ্ছ ☐ ৩৮১
৭৭। মতেঁইৰ ৰচনাৱলী ☐ ৩৮৫
৭৮। জন গেলছৱাৰ্থিৰ দি ফোৰছাইট ছাগা ☐ ৩৮৮
৭৯। উইলিয়াম ফকনাৰৰ দি ছাউণ্ড এণ্ড দি ফিউৰি ☐ ৩৯১
৮০। ফ্ৰাঁচোৱা মৰিয়াকৰ দ্য নট অৱ ভাইপাৰ্ছ ☐ ৩৯৫
৮১। টি-ই-লৰেন্সৰ দি ছেভেন পিলাৰ্ছ অব উইজডম ☐ ৩৯৯
৮২। ৰুডিয়াৰ্ড কিপলিঙৰ কিম ☐ ৪০৬
৮৩। চাৰ্লছ ৰীডৰ দি ক্লইষ্টাৰ এণ্ড দি হাৰ্থ ☐ ৪১০
৮৪। ভাৰ্জিনিয়া উল্‌ফৰ টু দি লাইট হাউছ ☐ ৪১৪
৮৫। এইছ-জি ৱেলছৰ দি হিষ্ট্ৰি অব মিষ্টাৰ পলি ☐ ৪১৮
৮৬। এলডুছ হাক্সলিৰ ব্ৰেভ নিউ ৱৰ্লড ☐ ৪২১
৮৭। লুই কেৰলৰ অদ্ভুত দেশত এলিচৰ অভিযান ☐ ৪২৫
৮৮। টমাছ হাৰ্ডিৰ টেছ অৱ দি ডাৰবাৰভিলিছ ☐ ৪২৯
৮৯। চি-পি স্নোৰ দি মাষ্টাৰছ ☐ ৪৩৩
৯০। আঁদ্ৰে জিদৰ ইফ্ ইট ডাই ☐ ৪৩৭
৯১। ছাৰ উইনষ্টন চাৰ্চিলৰ মাই আৰ্লি লাইফ ☐ ৪৪১
৯২। মাৰ্চেল প্ৰাউস্তৰ অতীতৰ সোঁৱৰণী ☐ ৪৪৫
৯৩। যোছেফ কনৰাডৰ টাইফুন ☐ ৪৪৮
৯৪। থৰ হেয়াৰডালৰ কন্‌টিকি অভিযান ☐ ৪৫২
৯৫। ছাৰ ৱাল্টাৰ স্কটৰ আইভানহো ☐ ৪৫৬
৯৬। আঁদ্ৰে মৰোৰ এৰিয়েল ☐ ৪৬০
৯৭। জেমছ জায়েছৰ ইউলিছিছ ☐ ৪৬৪
৯৮। হেনৰি ফিল্‌ডিঙৰ টম জ'নছ ☐ ৪৬৮
৯৯। চাৰ্লছ ডাৰউইনৰ অৰিজিন অৱ স্পেছিচ ☐ ৪৭২
১০০। হাৰমান মেলভিলৰ মবিডিক ☐ ৪৭৬

হোমাৰৰ ইলিয়াড

(১)

ইলিয়াড আৰু ওডিছি দুখন প্ৰাচীন গ্ৰীক মহাকাব্যৰ ৰচয়িতা কোন সেই সম্বন্ধে শতিকাৰ পাছত শতিকা ধৰি পণ্ডিত সকলৰ মাজত তৰ্ক-বিতৰ্ক চলি আহিছে যদিও আধুনিক পণ্ডিতসকলে এই ঐক্যমতত উপনীত হৈছে যে গ্ৰীচদেশত পূৰ্বাকালৰ পৰা চাৰণসকলে গোৱা কাহিনী সমূহ একত্ৰিত কৰি প্ৰতিভাৰ অনন্য সন্তান হোমাৰে খ্ৰীষ্টপূৰ্ব অষ্টম-নৱম শতিকা মানত মহাকাব্য দুখন সংকলিত কৰে। ইলিয়াড আৰু ওডিছিৰ পৰাই ক্ৰমাৎ ইউৰোপীয় সাহিত্যৰ সূচনা হয়।

অতি প্ৰাচীন কালত গ্ৰীচদেশত যিটো ঘটনাই তীব্ৰ আলোড়নৰ সৃষ্টি কৰিছিল, সেয়া আছিল আকিয়ান গোষ্ঠীৰ গ্ৰীকসকলৰ দ্বাৰা ট্ৰয় ৰাজ্য অৱৰোধ। লোকবিশ্বাস অনুসৰি আকিয়ান গ্ৰীকসকলৰ হাতত ট্ৰয়ৰ পতন ঘটিছিল খ্ৰীষ্টপূৰ্ব ১১৮৪ চনত। ইয়াৰ প্ৰায় এক শতিকাৰ পিছত উত্তৰ ইউৰোপৰ পৰা টৌৰ পাছত টৌৰ দৰে অহা আক্ৰমণকাৰীৰ দলে (এওঁলোকক 'ডোৰিয়ান বোলা হৈছিল) ভূ-মধ্যসাগৰৰ পাৰত অৱস্থিত গ্ৰীচ ভূ-মণ্ডলত ওলট-পালট ঘটালে। সেই আক্ৰমণৰ সমুখত তিষ্ঠিব নোৱাৰি আকিয়ান গ্ৰীকসকল ইজিয়ান সাগৰৰ চৌদিশে থকা অঞ্চলে ভাগি গ'ল আৰু আয়োনিয়া অঞ্চলত তেওঁলোকে নতুন বসতি স্থাপন কৰিলে। স্থানচ্যুত হ'লেও আকিয়ানসকলে তেওঁলোকৰ পুৰণি জীৱন-ধাৰা আৰু সাংস্কৃতিক ঐতিহ্য পাহৰি পেলোৱা নাছিল। ক্ৰমাৎ তেওঁলোকে থলুৱা অধিবাসীসকলৰ সংমিশ্ৰণত এটা নতুন সভ্যতা গঢ়ি তোলে আৰু নগৰ-ৰাষ্ট্ৰ (City-states) ৰ পত্তন ঘটায়। আগতে আকিয়ান সকল আছিল এজন মুখীয়াল নেতাৰ অধীনত প্ৰায় ৰাজকীয় শাসন ব্যৱস্থাত। কিন্তু নগৰ-ৰাষ্ট্ৰবোৰ গঢ়ি উঠাত অভিজাত গোষ্ঠীসকলেই প্ৰাধান্য লাভ কৰিলে।

শাসক শ্ৰেণীৰ মাজত উদ্ভৱ হোৱা এই পৰিবৰ্তনৰ মাজত নিহিত আছিল অন্তৰ্দ্বন্দ্বৰ বীজ। ফলত তেওঁলোকে নিৰানন্দ বৰ্তমানৰ পৰিবৰ্তে অতীতৰ সোণালী যুগৰ স্মৃতি ৰোমন্থন কৰিবলৈ ভাল পাইছিল। এই ভাল পোৱাৰ

ফলশ্ৰুতিতেই সৃষ্টি হৈছিল ইলিয়াড আৰু ওডিছি মহাকাব্য দুখন। জনসাধাৰণে তেওঁলোকৰ কিম্বদন্তীৰ বীৰসকলৰ শৌৰ্য্য-বীৰ্য্যৰ কাহিনী শুনিবলৈ আগ্ৰহান্বিত আছিল। বীৰসকলৰ বীৰত্বময় গাথা চাৰণগায়ক সকলৰ মুখে মুখে পুৰুষানুক্ৰমে ৰাগৰি আহিছিল। প্ৰধানকৈ দুটা বিষয়বস্তুৱে জনসাধাৰণৰ মন বিশেষকৈ আকৰ্ষণ কৰিছিল : (১) ট্ৰয় অৱৰোধ- য'ত আৰ্কিয়ান গ্ৰীকসকলৰ পূৰ্বপুৰুষসকলে অসীম বীৰত্ব আৰু পৰাক্ৰম দেখুৱাইছিল আৰু (২) আক্ৰমণকাৰী ডোৰিয়ানসকলৰ হেঁচাত পূৰ্ব-পুৰুষসকলে গ্ৰহণ কৰিবলৈ বাধ্য হোৱা ভ্ৰাম্যমান জীৱনত ঘটা ৰোমাঞ্চকৰ কাহিনীসমূহ। চাৰণ গায়কসকলে বিক্ষিপ্তভাবে এই দুটা বিষয় বস্তু সম্বলিত কাহিনী-গীত জনসমাজত গাই ফুৰিছিল। ক্ৰমাৎ গীতবোৰে এটা পৰম্পৰাৰ সৃষ্টি কৰিলে আৰু অৱশেষত ঐতিহাসিক বিষয়বস্তুৰ সৈতে কল্পনাৰ সংমিশ্ৰণ ঘটাই হোমাৰে এইবোৰক মহাকাব্যিক ৰূপ দিলে।

'ইলিয়াড'শব্দটোৰ অৰ্থ হ'ল "ইলিয়ন সম্পৰ্কে কবিতা।' ট্ৰয়ৰ ৰাজধানী আছিল ইলিয়ন। ইলিয়াডত বৰ্ণনা কৰা হৈছে আকিয়ান সকলৰ সৰ্বশ্ৰেষ্ঠ যোদ্ধা একিলিছৰ বীৰত্ব গাথা। কাব্যখনৰ আৰম্ভণিতে আছে একিলিছ আৰু আকিয়ান সৈন্যদলৰ প্ৰধান সেনাপতি আগামেমননৰ মাজত বন্দিনী নাৰীসকলৰ সন্দৰ্ভত বিবাদ। আগামেমননৰ ভ্ৰাতৃ মেনেলাউছৰ পত্নী হেলেনক ট্ৰোজান-ৰাজ প্ৰায়ামৰ পুত্ৰ পেৰিছে অপহৰণ কৰাত হেলেনক উদ্ধাৰ কৰিবলৈ আকিয়ান সৈন্য বাহিনীয়ে নবছৰ কাল ধৰি ইলিয়ন অৱৰোধ কৰি আছিল।

সেই সময়তে আগামেমননে এপোলোৰ পুৰোহিত ক্ৰাইছিছৰ জীয়েকক মুকলি কৰি দিবলৈ অস্বীকাৰ কৰাত ক্ৰাইছিছে গ্ৰীকসকলৰ ওপৰত মহামাৰী জাপি দিবলৈ এপোলোক প্ৰাৰ্থনা কৰে। এপোলোই তেওঁৰ পুৰোহিতৰ প্ৰাৰ্থনা মঞ্জুৰ কৰিলে। এই পৰিস্থিতিত একিলিছে এখন সভা আহ্বান কৰিলে আৰু সেই সভাত এজন গণকে ঘোষণা কৰিলে যে আগামেমননে ক্ৰাইছিছৰ জীয়েকক মুকলি কৰি দিব লাগিব আৰু এপোলোক পূজা কৰিব লাগিব। অনিচ্ছাসত্বেও আগামেমননে এই কথা মানি ল'লে যদিও, একিলিছৰ ৰক্ষিতা ব্ৰিছেইছ বোলা দাসীজনীক বলপূৰ্বক লৈ গ'ল। ইয়াতে অসন্তুষ্ট হৈ একিলিছে ট্ৰোজানসকলৰ বিৰুদ্ধে যুদ্ধ কৰি থাকিবলৈ অস্বীকাৰ কৰি তেওঁৰ মাতৃ থেটিছৰ জৰিয়তে

দেৱৰাজ জিউছক প্ৰতিশোধ ল'বলৈ গোহাৰি জনালে। ইলিয়াডৰ প্ৰথম পৰ্বৰ সাৰাংশ এইখিনিয়েই।

আগামেমননে সপোনত দেখিলে যে পিছৰ বাৰৰ আক্ৰমণত তেওঁ ট্ৰয় দখল কৰিলে। এই সপোনৰ কথা তেওঁ সেনাধ্যক্ষসকলৰ আগত ব্যক্ত কৰি সৈন্যসকলৰ উদ্যম পৰীক্ষা কৰিবলৈ ক'লে যে তেওঁলোকে হয় ট্ৰয় আক্ৰমণ কৰক, নহয় ঘৰলৈ উভতি যাওক। সৈন্যসকলে আক্ৰমণৰ পৰিবৰ্তে গৃহ-প্ৰত্যাবৰ্তনৰ হকে মত প্ৰকাশ কৰাত আগামেমনন বিবুধিত পৰিল। প্ৰকৃততে আগামেমননে দেখা সপোনটো আছিল জিউছৰ কৌশল মাত্ৰ আৰু ইয়াৰ জৰিয়তে দেৱৰাজে আগামেমননক নিজৰ সীমাবদ্ধ সামৰ্থ্যৰ কথাহে সোঁৱৰাই দিলে। আকিয়ান সৈন্যদলৰ মাজত আগামেমননৰ কথাই সৃষ্টি কৰা শৃংখলাহীনতা ওডিছিয়াছে কৌশলেৰে আঁতৰাব লগা হ'ল (দ্বিতীয় পৰ্ব)। এই পৰ্বত গ্ৰীক আৰু ট্ৰোজান সৈন্য দলৰ বিস্তৃত বিৱৰণ দিয়া হৈছে।

তৃতীয় পৰ্বত দুয়োপক্ষৰ সৈন্য পৰস্পৰৰ মুখামুখী হৈছে যদিও ট্ৰোজানপক্ষৰ পেৰিছ আৰু হেক্টৰৰ এটা প্ৰস্তাৱৰ কাৰণে যুদ্ধ স্থগিত ৰখা হৈছে। প্ৰস্তাৱটো এয়ে যে পেৰিছ আৰু মেনেলাউছে দ্বৈত দ্বন্দ্বযুদ্ধৰ জৰিয়তে হেলেন সম্পৰ্কীয় বিষয়টো নিষ্পত্তি কৰক; যদি পেৰিছ জিকে তেন্তে তেওঁ হেলেনক ৰাখিব আৰু গ্ৰীকসকল নিজ দেশলৈ ঘূৰি যাব; আনহাতে যদি মেনেলাউছ জিকে তেন্তে হেলেনক সকলো সা-সম্পত্তিৰ সৈতে গ্ৰীকসকলে ঘূৰাই পাব আৰু উভয় পক্ষৰ মাজত শান্তি প্ৰতিষ্ঠা হ'ব। প্ৰস্তাৱ অনুসৰি হোৱা দ্বন্দ্বযুদ্ধত মেনেলাউছৰ হাতত পেৰিছ পৰাজিত হ'ল যদিও, প্ৰেমৰ দেৱী আফ্ৰোদাইটে পেৰিছক উদ্ধাৰ কৰি ট্ৰয়লৈ নিৰাপদে ওভতাই নিলে।

দ্বন্দ্বযুদ্ধৰ সন্দৰ্ভত হোৱা যুদ্ধবিৰতিৰ ওৰ পৰিল (চতুৰ্থ-পৰ্ব)। আগামেমননে তেওঁৰ সৈন্যবাহিনী পুনৰ্গঠিত কৰাৰ সময়ত ডায়োমিডিছ নামৰ গ্ৰীক বীৰজনৰ সৈতে কাজিয়াত লিপ্ত হ'ল। ট্ৰোজানসকলৰ লগত হোৱা যুদ্ধত ডায়োমিডিছে আনকি দেৱী আফ্ৰোডাইট আৰু দেৱতা আৰিছকো ঘপেষ্ট সেকা দিছিল (পঞ্চম পৰ্ব)। ট্ৰোজান বীৰ হেক্টৰে তেওঁৰ মাতৃ হেকুবাৰ জৰিয়তে ট্ৰোজানসকলক সহায় কৰিবলৈ দেৱী এথেনাক গোহাৰি জনালে (ষষ্ঠ পৰ্ব)। হেক্টৰে ইলিয়নত হেলেনক লগ ধৰি যুদ্ধৰ বাবে সাজু হ'বলৈ পেৰিছলৈ বাৰ্তা পঠালে। তাৰ পিছত তেওঁ পত্নী এণ্ড্ৰোমেকি আৰু পুত্ৰ আষ্টিয়ানাক্স ক'লে

যে পৃথিৱীত তেওঁৰ সবহ দিন নাই। সপ্তম পৰ্বত হেক্টৰ আৰু পেৰিছ যুদ্ধক্ষেত্ৰত অৱতীৰ্ণ হৈছে। হেক্টৰে গ্ৰীকসকললৈ এই প্ৰত্যাহ্বান জনাইছে যে তেওঁলোকে এজন এজনকৈ তেওঁৰ সৈতে যুদ্ধ কৰক। পোনতে গ্ৰীকপক্ষৰ আজাক্সে হেক্টৰৰ সৈতে অকলে যুদ্ধ কৰিছে যদিও কাৰো জয়-পৰাজয় নহ'ল। ইয়াৰ পিছত আকৌ যুদ্ধবিৰতি হ'ল। এইবাৰৰ যুদ্ধবিৰতিৰ সময়ত ট্ৰোজানসকলে প্ৰস্তাৱ দিলে যে হেলেনক পেৰিছে ৰাখক, কিন্তু হেলেনৰ সা-সম্পত্তি গ্ৰীকসকলক ওভতাই দিয়া হ'ব। গ্ৰীকপক্ষই ঘৃণাৰে ট্ৰোজানপক্ষৰ এই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিলে।

দেৱৰাজ জিউছে ট্ৰোজানসকলৰ পক্ষ অৱলম্বন কৰি আন দেৱতা সকলক যুদ্ধত অংশগ্ৰহণ কৰিবলৈ নিষেধ কৰিলে। (অষ্টম পৰ্ব)। গোটেই দিনটো যুদ্ধ কৰাৰ পিছত গ্ৰীকসকল নিজৰ শিবিৰলৈ গ'ল। গ্ৰীকসকলৰ প্ৰধান সেনাপতি আগামেমনন হতাশাগ্ৰস্ত। নেষ্টৰৰ পৰামৰ্শ ক্ৰমে তেওঁ যুদ্ধৰ পৰা বিৰত হৈ থকা বীৰ একিলিছৰ মন ঘূৰাবলৈ আজাকছ আৰু ওডিছিয়াছক পঠিয়ালে। একিলিছৰ ৰক্ষিতা ব্ৰিছেইছক ঘূৰাই দিয়াৰ উপৰিও নিজৰ এজনী জীয়েকক একিলিছলৈ বিয়া দিয়াৰ প্ৰস্তাৱ দি আগামেমননে বীৰশ্ৰেষ্ঠ একিলিছৰ সৈতে পুনৰ বন্ধুত্ব স্থাপন কৰি তেওঁক যুদ্ধত অংশ লবলৈ আহ্বান জনালে। কিন্তু একিলিছে এই প্ৰস্তাৱ ঘৃণাৰে প্ৰত্যাখ্যান কৰিলে (নৱম পৰ্ব)।

চিন্তাক্লিষ্ট প্ৰধান সেনাপতি আগামেমননে পৰামৰ্শ লবলৈ গ্ৰীকপক্ষৰ জ্ঞানী গুণী সকলৰ সৈতে বৈঠকত বহিল। জ্ঞানী নেষ্টৰে ট্ৰোজানসকলৰ শক্তি সামৰ্থ্যৰ বুজ লবলৈ দুজন চৰ ট্ৰোজান শিবিৰলৈ পঠিয়াবলৈ পৰামৰ্শ দিলে। ডায়োমিডিছ আৰু ওডিছিয়াছে এই বিপদ সংকুল ভূমিকাত নামিল। তেওঁলোকে এজন ট্ৰোজান চৰক কবায়ত্ব কৰি জানিব পাৰিলে যে ট্ৰোজানসকলে থিবছৰ পৰা নতুন নতুন সমৰ উপকৰণ পাইছে। ডায়োমিডিছ আৰু ওডিছিয়াছে ৰাতিৰ এন্ধাৰৰ সুযোগ লৈ ট্ৰোজান শিবিৰ আক্ৰমণ কৰি অস্ত্ৰভাণ্ডাৰ ধ্বংস কৰি গ্ৰীক শিবিৰলৈ ঘূৰি আহিল (দশম পৰ্ব)।

পিছদিনা ৰাতিপুৱা গ্ৰীক সৈন্য আগবাঢ়িল। ট্ৰোজানসকলে যুদ্ধ আৰম্ভ কৰিলে। আগামেমনন, ডায়োমিডিছ, ওডিছিয়াছ আহত হোৱাত গ্ৰীক সকলে নিজ শিবিৰলৈ পশ্চাদপসৰণ কৰিলে। ট্ৰোজানপক্ষৰ হাতত গ্ৰীকপক্ষৰ হাতত এনে লাটিঘাটি হোৱা দেখি একিলিছ ব্যথিত হ'ল। তেওঁ গ্ৰীকপক্ষৰ ক্ষয়ক্ষতিৰ

যুদ্ধ লবলৈ তেওঁৰ ঘনিষ্ঠ বন্ধু পেট্ৰোক্লাছক নেতৃত্বৰ ওচৰলৈ পঠিয়ালে। নেষ্টৰে পেট্ৰোক্লাছৰ জৰিয়তে একিলিছলৈ অনুৰোধ জনালে যাতে তেওঁ আগামেমননৰ সৈতে থকা বিবাদৰ কথা পাহৰি গৈ যুদ্ধত অংশ গ্ৰহণ কৰে আৰু নিজৰ সৈন্য পঠিয়ায়। নিজে যুদ্ধ নকৰিলেও অন্ততঃ তেওঁ যেন যুদ্ধৰ সাজেৰে ৰণথলীত উপস্থিত হয়, যাতে ট্ৰোজানসকলে একিলিছ পুনৰ যুদ্ধত অৱতীৰ্ণ হোৱা বুলি ভাবে। (একাদশ পৰ্ব)।

ইতিমধ্যে ট্ৰোজানসকলে গ্ৰীক শিবিৰ আক্ৰমণ কৰিলে আৰু ট্ৰোজান মহাবীৰ হেক্টৰে গ্ৰীকসকলৰ প্ৰথম প্ৰতিৰক্ষা বেহু ভেদ কৰি তেওঁলোকক স্থলভাগ এৰি সাগৰত থকা জাহাজত আশ্ৰয় লবলৈ বাধ্য কৰায়। অৱশ্যে আজাকছে অসীম সাহসেৰে যুঁজি হেক্টৰৰ গতিৰোধ কৰে (দ্বাদশ-ত্ৰয়োদশ পৰ্ব)। ইড পৰ্বতৰ ওপৰৰ পৰা যুদ্ধৰ গতিবিধি লক্ষ্য কৰি থকা দেৱৰাজ জিউছক পত্নী হেৰাই নিদ্ৰাজালেৰে সম্মোহিত কৰাত ট্ৰোজানপক্ষই দৈৱ সমৰ্থন নোপোৱাত গ্ৰীকসকলে তেওঁলোকক খেদি পঠাবলৈ সক্ষম হ'ল (চতুৰ্দশ পৰ্ব)। আজাকছৰ আঘাতত হেক্টৰ সংজ্ঞাহীন হৈ পৰি যোৱাৰ মুহূৰ্তত জিউছ সাৰ পাই উঠিল আৰু লগে লগে হেক্টৰক সঞ্জীৱিত কৰিবলৈ দেৱবৈদ্য এপোলোক আদেশ দিলে। হেক্টৰৰ নেতৃত্বত ট্ৰোজানসকলে গ্ৰীক সকলক পুনৰ থলভাগৰ পৰা জাহাজলৈ খেদি পঠিয়ালে (পঞ্চদশ পৰ্ব)। গ্ৰীকসকল চৰম বিপৰ্যয়ৰ সন্মুখীন হোৱাৰ মুহূৰ্তত পেট্ৰোক্লাছে কৌশলেৰে একিলিছৰ কৰচ আৰু অস্ত্ৰ-শস্ত্ৰ হস্তগত কৰি সেই কৰচ পিন্ধি অস্ত্ৰ-শস্ত্ৰেৰে ট্ৰোজানসকলক বাধা দিলে। ট্ৰোজানসকল পিছ হুঁহকি যোৱাত পেট্ৰোক্লাছে আগপিছ নুগুণি একেবাৰে ট্ৰোজান শিবিৰৰ ভিতৰত প্ৰৱেশ কৰিলেগৈ। কিন্তু স্বয়ং এপোলো দেৱতাই পেট্ৰোক্লাছক বাধা দিলে। ট্ৰোজান বীৰ হেক্টৰে আগবাঢ়ি পেট্ৰোক্লাছক বধ কৰি তেওঁ পিন্ধি থকা একিলিছৰ কৰচ খুলি লৈ নিজে পিন্ধি ল'লে। গ্ৰীক সৈন্যই পেট্ৰোক্লাছৰ মৃতদেহটো কোনোমতে উদ্ধাৰ কৰি নিজৰ শিবিৰলৈ ঘূৰিল। ইলিয়াডৰ ষোড়শ আৰু সপ্তদশ পৰ্বত দুয়োটা যুঁজাৰু পক্ষৰ জয়-পৰাজয়ৰ কাহিনী বৰ্ণনা কৰা হৈছে। প্ৰিয়বন্ধু পেট্ৰোক্লাছৰ মৃত্যুত একিলিছ মৰ্মাহত হ'ল; তেওঁক সান্ত্বনা দিলেহি মাতৃ থেটিছে। একিলিছৰ যুদ্ধ স্পৃহা পুনৰ জাগি উঠিল (অষ্টাদশ পৰ্ব)।

একিলিছ সমুখ সমৰত এইবাৰ অৱতীৰ্ণ হ'ল। তেওঁৰ ৰণ ধ্বনিয়ে

ট্ৰোজান সৈন্যসকলৰ মাজত আতংকৰ সৃষ্টি কৰিলে। আনহাতে ট্ৰোজান বীৰ হেক্টৰ যুদ্ধৰ কাৰণে ব্যগ্ৰ হ'ল, তেওঁ যুদ্ধত জপিয়াই পৰিবলৈ সাজু হ'ল। ইতিমধ্যে একিলিছৰ মাতৃ থেটিছে দেৱকাৰিকৰ হেফাইষ্টচ (ভলকান)ৰ হতুৱাই একিলিছৰ বাবে নতুন ঢাল, কবচ আৰু অস্ত্ৰ-শস্ত্ৰ নিৰ্মাণ কৰোৱালে। পিছদিনা ওডিছিয়াছৰ মধ্যস্থতাত একিলিছ আৰু আগামেমননৰ মাজৰ পুৰণি বিবাদৰ সমিলমিল হ'ল। তাৰ পিছত একিলিছ ৰণসজ্জাৰে সজ্জিত হ'ল (ঊনবিংশ পৰ্ব)।

গ্ৰীক আৰু ট্ৰোজান দুয়োপক্ষৰ সমৰ-প্ৰস্তুতিয়ে শীৰ্ষবিন্দু চুলেগৈ। দেৱৰাজ জিউছে সকলো দেৱতাৰে এখন বৈঠক পাতি যাৰ যি পক্ষক সমৰ্থন কৰিবলৈ ইচ্ছা সেই পক্ষক সমৰ্থন কৰিবলৈ দেৱতাসকলক অনুমতি দিলে। দেৱতাসকলৰ হস্তক্ষেপে যুদ্ধক্ষেত্ৰত বেমেজালিৰ সৃষ্টি কৰিলে যদিও একিলিছৰ আক্ৰমণৰ সমুখত ট্ৰোজানসকল তিষ্ঠি থকা টান হৈ পৰিল (বিংশ পৰ্ব)। ট্ৰোজানসকলে পৃষ্ঠভংগ দিলে, ট্ৰোজান সকলৰ সৈন্যৰ মৃতদেহেৰে জান্‌থছ নৈৰ পাৰ উপচি পৰিল। পৰস্পৰ বিৰোধী পক্ষ অৱলম্বনকাৰী দেৱতাসকলৰ মাজতো যুদ্ধ লাগিল (একবিংশ পৰ্ব)। একিলিছ ট্ৰয় অভিমুখে গ'ল।নগৰ—প্ৰাচীৰৰ বাহিৰত ৰৈ থকা হেক্টৰক দেখি তেওঁ আক্ৰমণ আৰম্ভ কৰিলে। যুদ্ধত একিলিছৰ হাতত হেক্টৰ গুৰুতৰভাৱে আহত হ'ল। মৃত্যু অৱশ্যম্ভাৱী বুলি জানি হেক্টৰে অনুৰোধ কৰিলে যাতে মৃতদেহটো ট্ৰোজান ৰাজপিতৃ প্ৰায়ামৰ ওচৰলৈ পঠিয়াই দিয়া হয়। কিন্তু একিলিছে এই অনুৰোধ প্ৰত্যাখ্যান কৰি হেক্টৰৰ মৃতদেহটো ৰথৰ পিছফালে বান্ধি ট্ৰোজানসকলৰ চকুৰ আগেৰে ৰথ চলাই দিলে (দ্বাবিংশ পৰ্ব)।

ইলিয়াডৰ ত্ৰয়োবিংশ পৰ্বত যুদ্ধত নিহত গ্ৰীকপক্ষৰ বীৰসকলক সমাধিস্থ কৰাৰ কাহিনী বৰ্ণনা কৰা হৈছে। নিহত ট্ৰোজানবীৰ হেক্টৰৰ মৃতদেহটো এবাৰ দিন ধৰি পেট্ৰোক্লাছৰ সমাধিৰ চৌদিশে চোঁচোৰাই ফুৰোৱা হ'ল। হেক্টৰৰ পিতৃ প্ৰায়ামে প্ৰতিদিনে ৰাতিবেলা গ্ৰীক শিবিৰলৈ গৈ পুত্ৰৰ মৃতদেহটো ঘূৰাই দিয়াৰ বাবে কৰা অনুৰোধ একিলিছে প্ৰত্যাখ্যান কৰিলে।

অৱশেষত দেৱতাসকলে পৰিস্থিতিত হস্তক্ষেপ কৰিলে। একিলিছে বৃদ্ধ প্ৰায়ামৰ অনুৰোধ ৰক্ষা কৰি মৃতদেহটো ওভতাই দিলে। হেক্টৰক সমাধিস্থ কৰাৰ লগে লগে ইলিয়াড মহাকাব্যটো ওৰ পৰিছে।

ইলিয়াডৰ প্ৰধান পৰ্ব কেইটা হ'ল—প্ৰথম,নৱম, ষোড়শ আৰু দ্বাবিংশ পৰ্ব। প্ৰথমোক্ত পৰ্ব তিনিটাত বীৰ আৰু মানুহ ৰূপে কৰা একিলিছৰ চৰিত্ৰ অংকন হৈছে। শেষোক্ত পৰ্বত হেক্টৰৰ করুণ পৰিণতি বৰ্ণোৱা হৈছে। মহাকাব্যখনৰ চৰিত্ৰসমূহক ৰক্ত মাংসৰ মানুহ হিচাপেই উত্থাপন কৰা হৈছে, ৰোমাণ্টিক নায়কৰ ৰূপ দিয়া হোৱা নাই। আনকি যি হেলেনৰ চৰিত্ৰই পৰৱৰ্তী যুগৰ ইউৰোপীয় সাহিত্যত যৌনগন্ধী ৰূপ পাইছিল, হোমাৰৰ মহাকাব্যত সেই চৰিত্ৰত যৌন আবেদন নাই বুলিবই পাৰি।

পণ্ডিতসকলৰ মতে অনাড়ম্বৰ অথচ নিটোল ভাষা, কাহিনীৰ জীৱন্ত বৰ্ণনা আৰু ৰচনা শৈলীৰ মহত্বই হ'ল ইলিয়াড মহাকাব্যৰ শ্ৰেষ্ঠ সম্পদ।

হেৰ’ড’টাছৰ বুৰঞ্জী

(২)

বুৰঞ্জীৰ জনক বুলি এজন লোক মানৱ-সভ্যতাৰ বুৰঞ্জীত সম্মানিত, তেওঁ আছিল এজন গ্ৰীক আৰু তেওঁৰ নাম হ’ল হেৰ’ড’টাছ। গ্ৰীক হলেও তেওঁৰ জন্ম গ্ৰীচৰ মূল ভূখণ্ডত হোৱা নাছিল। এছিয়া মাইনৰ নামে জনাজাত অঞ্চলৰ এখন গ্ৰীক উপনিবেশৰ হেলিকাৰ্নাছাছ নামৰ নগৰত খ্ৰীষ্টপূৰ্ব ৪৯০ৰ পৰা ৪৮০ৰ ভিতৰত তেওঁ জন্মগ্ৰহণ কৰিছিল। এই সময়ছোৱাত পাৰ্ছিয়ানসকলে গ্ৰীচৰ মূল ভূখণ্ডত দুবাৰ আক্ৰমণ চলাইছিল। হেৰ’ডটাছৰ বুৰঞ্জীত এই সময়ৰ ঘটনাৱলীয়েই বিধৃত হৈছে।

হেৰ’ডটাছৰ আগতেও গ্ৰীচত বুৰঞ্জী লেখক আছিল। কিন্তু তেওঁলোকে বাস্তৱৰ অনুসন্ধান নকৰি প্ৰচলিত জনপ্ৰিয় কাহিনীবোৰৰ ভিত্তিতহে বুৰঞ্জী ৰচনা কৰিছিল। হেৰ’ডটাছৰ ‘বুৰঞ্জী’ আছিল বাস্তৱানুগ। গ্ৰন্থৰ আৰম্ভণিতে গ্ৰন্থকাৰে কৈছে যে গ্ৰীক আৰু বৰ্বৰ (বৰ্বৰ শব্দৰ অৰ্থ হ’ল অনাগ্ৰীক) সকলৰ গুৰুত্বপূৰ্ণ কাহিনী যাতে মানুহে পাহৰি নেপেলায়, এই উদ্দেশ্যেই ‘বুৰঞ্জী’ ৰচনা কৰা হৈছে। তাৰ পিছত এছিয়া মাইনৰৰ মধ্য অঞ্চলৰ লিডিয়াত ৰাজতন্ত্ৰ প্ৰতিষ্ঠা আৰু পাৰ্ছ্যা সম্ৰাট চাইৰাছৰ দ্বাৰা এই ৰাজতন্ত্ৰৰ উচ্ছেদৰ কথা দীঘলীয়াকৈ দিয়া হৈছে। পাৰ্ছিয়ানসকলৰ দ্বাৰা গ্ৰীক উপনিৱেশসমূহ অধিকাৰ আৰু অৱশেষত যুদ্ধত চাইৰাছৰ মৃত্যুৰ ঘটনাও এই অংশত লিপিবদ্ধ কৰা হৈছে।

বুৰঞ্জীমূলক ঘটনাৰ সৈতে সামঞ্জস্য ৰাখি হেৰ’ড’টাছেকিছুমান মনোমোহা কাহিনীও অন্তৰ্ভুক্ত কৰিছে। কিন্তু কাহিনীবোৰতকৈ বিভিন্ন জাতি-উপজাতিৰ আচাৰ-ব্যৱহাৰ আৰু ৰীতি-নীতি সম্পৰ্কে যিবোৰ কথা তেওঁ কাহিনীবোৰৰ মাজেৰে প্ৰকাশ কৰিছে, সেইবোৰহে বুৰঞ্জীৰ দৃষ্টিকোণৰ পৰা বেছি মূল্যবান।

লিডিয়াৰ অধিবাসী সকলৰ বিষয়েহেৰ’ড’টাছেকৈছে যে লিডিয়ান সকলৰ ৰীতি-নীতি গ্ৰীকসকলৰ দৰেই, কিন্তু তেওঁলোকে কন্যা-সন্তানসকলক গণিকা হিচাপে গঢ়ি তোলে। লিডিয়ানসকলেই পোনতে সোণ আৰু ৰূপৰ মুদ্ৰা তৈয়াৰ

কৰিছিল আৰু তেওঁলোক আছিল বেপাৰী। তেওঁলোকে পাশাখেলকে আদি কৰি ভালেমান খেল আৱিষ্কাৰ কৰিছিল।

পাৰ্ছিয়ানসকলৰ বিষয়ে তেওঁ কৈছে যে তেওঁলোকে গ্ৰীকসকলৰ দৰেকৈ দেৱতাৰ মূৰ্তি, বেদী আৰু মন্দিৰ নেসাজে; ওখ পৰ্বতৰ ওপৰত ভগৱানৰ নামত বলি দিয়ে। মানুহে ভোজভাত খাই জন্মদিন পালন কৰে। খোৱা-বোৱাত তেওঁলোক নিয়মীয়া, খাদ্যও অনাড়ম্বৰ ধৰণৰ। কিন্তু তেওঁলোক মদ খোৱাত অতিকৈ অভ্যস্ত। মদপান কৰাৰ সময়ত দিয়া প্ৰতিশ্ৰুতি পালন কৰিবলৈ তেওঁলোক বাধ্য নহয়। তেওঁলোকে যিমান ইচ্ছা সিমান স্ত্ৰী গ্ৰহণ কৰিব পাৰে। তদুপৰি সামৰ্থ্য অনুযায়ী উপপত্নীও ৰাখে। বৃহৎ পৰিয়াল তেওঁলোকৰ কাৰণে গৰ্বৰ বিষয়। সন্তানসকলৰ শিক্ষাৰ বাবে পাৰ্ছিয়ানসকলে যথেষ্ট যত্ন লয়। তেওঁলোকৰ আচাৰ-ব্যৱহাৰ সৰল আৰু পোনপটীয়া, মিছা কথা কোৱা তেওঁলোকৰ স্বভাৱ-বিৰুদ্ধ। তেওঁলোকে বিদেশীৰ সংগুণবোৰ আহৰণ কৰিবলৈ কেতিয়াও পৰাংমুখ নহয়।

হেৰ'ড'টাছে ভ্ৰমণ কৰা নগৰবোৰৰ ভিতৰত আটাইতকৈ উল্লেখযোগ্য নগৰখন আছিল বেবিলন। বেবিলনৰ গ্ৰামাঞ্চলৰ মাটি আছিল অতি সাৰুৱা। তাৰ অধিবাসী সকলে দীঘল কুৰ্ত্তা পিন্ধিছিল, চুলি-চুটিকৈ কাটিছিল আৰু শৰীৰত সুগন্ধি দ্ৰব্য সানিছিল। প্ৰত্যেক মানুহৰেই একোটা পৰিচয়সূচক চিহ্ন আছিল। প্ৰত্যেকৰে হাতত আছিল একোডাল লাঠি আৰু লাঠিৰ মূৰত আপেল, গোলাপ, ঈগল প্ৰভৃতিৰ মূৰ্তি লগোৱা আছিল। বেবিলনৰ সামাজিক জীৱনৰ এটা মাত্ৰ কলংক হেৰ'ড'টাছৰ চকুত পৰিছিল। তাৰ তিৰোতাসকলে অন্ততঃ এবাৰ প্ৰেমৰ দেৱী মাইলিটাৰ মন্দিৰ মেৰামতিৰ কামত শ্ৰমদান কৰিব লাগিছিল আৰু তেতিয়া গণিকা ৰূপে নিজৰ দেহদান কৰিব লাগিছিল। মন্দিৰত দেহদান কৰাৰ সময়ত তেওঁলোকে পাইছিল ৰূপৰ মুদ্ৰা। এই প্ৰথা আছিল বাধ্যতামূলক। হেৰ'ড'টাছে ইজিপ্তৰ পুংখানুপুংখ বৰ্ণনা তেওঁৰ 'যুৰন্নীত' লিপিবদ্ধ কৰিছে। ইজিপ্তৰ জলবায়ু/ উত্তম, নীলনদী-উপত্যকাৰ জলবায়ু সৰ্বোত্তম। এই নদী ইজিপ্ত আৰু তাৰ অধিবাসী সকলৰ কাৰণে জীৱন-প্ৰবাহৰ নিচিনা। ইজিপ্তবাসী সকলৰ সৃজনী প্ৰতিভাক হেৰ'ড'টাছে উচ্চ প্ৰশংসা কৰিছে। তেওঁলোকে পঞ্জিকা উদ্ভাৱন কৰিছিল আৰু দেৱতাসকলৰ নামকৰণ কৰিছিল। গ্ৰীক দেৱতাসকলৰ নামৰ উৎসও আছিল ইজিপ্তৰ এই নামকৰণ। ইজিপ্তবাসী সকলে পশু-পক্ষীৰ

পূজা কৰিছিল, দৰৱৰ প্ৰলেপ দি মৃতদেহ সংৰক্ষণ কৰিছিল। মৰুভূমিৰ বুকুত কিদৰে তেওঁলোকে পিৰামিডবোৰ সাজিছিল, তাৰ বৰ্ণনাও হেৰ'ড'টাছে বিশদভাৱে দি গৈছে। আন দেশৰ প্ৰথাৰ সৈতে নিমিলা কেতবোৰ প্ৰথাবো উল্লেখ কৰিছে। উদাহৰণ স্বৰূপে,— ইজিপ্তৰ মতা মানুহে মূৰেৰে বোজা বয়, তিৰোতাসকলে বয় কান্ধেৰে; তিৰোতাসকলে বেহা-বেপাৰ কৰে, পুৰুষসকলে ঘৰতে থাকি তাঁতশাল চলায়। ইজিপ্তৰ লিখন-পদ্ধতি সোঁফালৰ পৰা বাওঁ ফাললৈ যোৱা। তেওঁলোকৰ লিপিও দুবিধ-এবিধ লিপি ধৰ্মীয় কথা লিখাত আৰু আনবিধ বৈষয়িক কথা লিখাত ব্যৱহৃত হয়। ইজিপ্তবাসী সকলে কুকুৰ আৰু মেকুৰী পুহিছিল। পোহনীয়া কুকুৰ মেকুৰী মৰিলে আনুষ্ঠানিক ভাবে সমাধিস্থ কৰিছিল।

হেৰ'ড'টাছৰ 'বুৰঞ্জী'ৰ মূল বিষয়বস্তু হ'ল পাৰ্ছিয়ানসকলৰ দ্বাৰা গ্ৰীচ আক্ৰমণ। কেম্বিছিচ যেতিয়া পাৰস্যৰ ৰজা আছিল তেতিয়াই পাৰ্ছিয়ানসকলে গ্ৰীচ ভূ খণ্ডৰ কেতবোৰ অঞ্চল দখল কৰে।কেম্বিছিচৰ পৰৱৰ্তী ৰজা ডেৰিয়াছে সাম্ৰাজ্যবাদী আগ্ৰাসন নীতি শক্তিশালী কৰি তোলে। স্কাইথিয়ান, লিডিয়ান আৰু গ্ৰীক নগৰবোৰৰ বিৰুদ্ধে ডেৰিয়াছে চলোৱা অভিযানৰ বিশদ বৰ্ণনা হেৰ'ড'টাছে লিপিবদ্ধ কৰিছে। বিশাল পদাতিক আৰু নৌবাহিনী লৈ সাগৰ অতিক্ৰম কৰি ডেৰিয়াছে ইউৰোপত অভিযান চলাই থ্ৰেচ আৰু মেচিডোনিযা অধিকাৰ কৰে। মাৰাথনৰ উপত্যকাত গ্ৰীক সেনাপতি মিলটিয়াডিছৰ নেতৃত্বত দহ হেজাৰ এথেন্সিয়ানে তুমুল যুদ্ধ কৰি পাৰ্ছিয়ান সকলক সম্পূৰ্ণৰূপে পৰাস্ত কৰে।হেৰ'ড'টাছে যুদ্ধৰ বৰ্ণনা দি লিখিছে: 'বিজয়ী' সকলে পলাতক পাৰ্ছিয়ান সকলক খেদি খেদি হত্যা কৰে আৰু সাগৰৰ পাৰত থকা তেওঁলোকৰ জাহাজবোৰো আক্ৰমণ কৰে।' এইদৰেই খ্ৰীষ্টপূৰ্ব ৪ ০ত পৃথিৱীত সংঘটিত এক যুগান্তকাৰী যুদ্ধৰ ওৰ পৰে— যুগান্তকাৰী এইবাবে যে যদি মাৰাথনৰ যুদ্ধত পাৰ্ছিয়ানসকল বিজয়ী হ'লহেঁতেন, তেন্তে গ্ৰীচত গণতান্ত্ৰিক ৰাজনীতিৰ প্ৰতিষ্ঠা তথা স্বাধীন চিন্তাৰ বিকাশত বাধাৰ সৃষ্টি হ'লহেঁতেন। মাৰাথনৰ যুদ্ধত পৰাজিত হোৱাৰ পিছত ডেৰিয়াছে পুনৰ গ্ৰীচ আক্ৰমণৰ যো-জা কৰিছিল যদিও সেই সময়ত তেওঁৰ মৃত্যু হোৱাত সেয়া ফলৱত নহ'ল। ডেৰিয়াছৰ পিছত তেওঁৰ পুত্ৰ জেৰেক্সেছ পাৰস্যৰ সিংহাসনত বহিয়েই পুনৰ গ্ৰীচ আক্ৰমণৰ আঁচনি কৰি নিজেই সৈন্যবাহিনী পৰিচালনাৰ ভাৰ লয়।হেৰ'ড'টাছে লেখিছে

যে জেৰক্সেহে দাৰ্দানেলিছত ১৭ লাখ সৈন্যৰ এক বিৰাট বাহিনীৰ কোঠ স্থাপন কৰি নিজে নেতৃত্ব দি ইউৰোপৰ ভূ-খণ্ডত অৱতৰণ কৰিলে।

পাৰস্যৰ সৈন্য বাহিনীত নানা জাতিৰ লোক আছিল। হেৰ'ড'টাছে লেখিছে যে পাৰ্ছিয়ান, মিডিচিয়ান, আচিৰিয়ান, বেকট্ৰিয়ান, স্কাইথিয়ান, কাস্পিয়ান, আৰব, ইথিওপিয়ান, লিবিয়ান আদি জাতিৰ লোকেৰে গঠিত বিৰাট সৈন্য বাহিনীটোৱে সাতদিন সাতৰাতি ধৰি অকণো জিৰণি নোলোৱাকৈ যাত্ৰা আৰম্ভ কৰিছিল। আক্ৰমণকাৰীহঁতে থ্ৰেচ আৰু মেচিডোনিয়া অধিকাৰ কৰি গ্ৰীচত উপস্থিত হ'ল। তাত থকাৰ সময়ত এদিন জেৰক্সেহে বাতৰি পালে যে এদল স্পাৰ্টান গ্ৰীকে থাৰ্মপিলিগিৰি সংকট অধিকাৰ কৰি আছে। 'জেৰ'ক্সেহে গ্ৰীক সৈন্য-সংখ্যাৰ বুজ লবলৈ এজন চৰ পঠিয়ালে। চৰজনে গৈ দেখা পালে যে গড়ৰ বাহিৰত স্পাৰ্টান সৈন্যসকলৰ কিছুমান থিয় হৈ আছে, কিছুমানে কুচকাৱাজ কৰিছে আৰু কিছুমানে মূৰ ফণিয়াই আছে।' চৰৰ মুখে এই বাতৰি পাই জেৰেক্সেহ আচৰিত হ'ল। গ্ৰীক-সৈন্যৰ সংখ্যা আছিল মাত্ৰ ছহেজাৰ। চাৰিলাখ সৈন্যেৰে জেৰক্সেহে থাৰ্মপিলি আক্ৰমণ কৰিলে। মহান স্পাৰ্টান বীৰ লিওনিডাচৰ নেতৃত্বত গ্ৰীকসকলে তুমুল যুদ্ধ কৰি প্ৰাণ হেৰুৱালে।

পাৰ্ছিয়ান সকলে প্ৰায় সমগ্ৰ গ্ৰীচকে অধিকাৰ কৰিলে। এথেন্স নগৰীৰ প্ৰাসাদবোৰ জ্বলাই দিয়া হ'ল। কিন্তু তেতিয়াও গ্ৰীক-নৌবাহিনী আছিল অক্ষত আৰু শক্তিশালী। থেমিষ্টক্লিচৰ নেতৃত্বত গ্ৰীক নৌ-বাহিনীয়ে পাৰস্যৰ নৌ-বাহিনীক সম্পূৰ্ণৰূপে ধ্বংস কৰিলে (খ্ৰীষ্ট পূৰ্ব ৪৮০)। 'পাৰ্ছিয়ান সকলে পুনৰ নৌ যুদ্ধ আৰম্ভ কৰাৰ আশংকাত গ্ৰীক নৌ-বাহিনী সষ্টম হৈ ৰ'ল; কিন্তু জেৰ'ক্সেহে যুদ্ধৰ দায়িত্ব সেনাপতি সকলৰ হাতত এৰি দি নিজে এছিয়ালৈ ঘূৰি গ'ল।'

হেৰ'ড'টাছে লেখিছে যে কেইবছৰমানৰ ভিতৰতে গ্ৰীক বাহিনীয়ে পাৰ্ছিয়ান সকলক সম্পূৰ্ণৰূপে পৰাস্ত কৰিলে। বিৰাট পাৰ্ছিয়ান সৈন্য বাহিনীৰ অৱশিষ্ট হিচাপে এটা ক্ষুদ্ৰ সৈন্য দলহে নিজ দেশলৈ ঘূৰি যাবলৈ সমৰ্থ হ'ল। গ্ৰীকসকলে ইউৰোপত থকা পাৰ্ছিয়ান সকলৰ শেষ ঘাটি ছেষ্টচ দখল কৰিলে। হেৰ'ড'টাছে অতি গাম্ভীৰ্যপূৰ্ণ ভাষাত গ্ৰীকসকলৰ স্বদেশ প্ৰেমৰ কথা বৰ্ণনা কৰিছে।

মহাযুদ্ধৰ ঘটনাৱলীয়ে যুৰঞ্জীবিদসকলক প্ৰচুৰ সমল যোগায়। হেৰ'ড'টাহে তেওঁৰ স্মৰণ কালত সংঘটিত গ্ৰীচ পাৰস্যৰ যুদ্ধৰ বিশদ আৰু জীৱন্ত বিৱৰণ তেওঁৰ 'যুৰঞ্জী'ত লেখি থৈ গৈছে। প্ৰকৃত যুৰঞ্জীবিদ সকলৰ দৰে হেৰ'ড'টাহে কেৱল জাতি সমূহৰ মাজৰ সংঘৰ্ষ, সাম্ৰাজ্য সমূহৰ মাজৰ দ্বন্দ্ব প্ৰতিদ্বন্দ্বী শাসন-পদ্ধতি সভ্যতা সংস্কৃতিৰ অবিয়াঅবিৰ কাহিনী বৰ্ণনা কৰিয়েই ক্ষান্ত হোৱা নাই। তেওঁ 'যুৰঞ্জী'ৰ জৰিয়তে মানৱ-জাতিক এই শিক্ষাকে দিছে যে সাম্ৰাজ্যবাদী আগ্ৰাসন কেতিয়াও চিৰস্থায়ী হ'ব নোৱাৰে। এক চিৰন্তন নৈতিক শক্তিয়ে মানৱ জাতিক পৰিচালিত কৰিছে। যিসকল মদগৰ্বী ব্যক্তিয়ে ক্ষমতাৰ ক্ষণস্থায়ী কুহকৰ আকৰ্ষণত সেই নৈতিক শক্তিক অমান্য কৰি মানুহৰ শান্তি বিঘ্নিত কৰে, সেইসকলে অৱশেষত জেৰেক্সেৰে দৰেই চৰম পৰাজয়ৰ গ্লানি ভোগ কৰিবলগীয়া হয়।

থুচিডাইডিছৰ পেলোপোনেছিয়ান যুদ্ধৰ ইতিহাস

(৩)

হেৰড'টাছক যদি ইতিহাসৰ জনক আখ্যা দিয়া হয় তেন্তে 'সমীক্ষামূলক' ইতিহাসৰ জন্মদাতাৰ সম্মান থুচিডাইডিছৰ প্ৰাপ্য। গ্ৰীচদেশৰ এথেন্সত খ্ৰীষ্টপূৰ্ব ৪৭০-৪৬০ৰ কালছোৱাত তেওঁ জন্মগ্ৰহণ কৰিছিল। থুচিডাইডিছ যিটো শতিকাত জন্মিছিল, সেই শতিকাটো গ্ৰীক-সাহিত্য, শিল্প-কলাৰ স্বৰ্ণযুগ বুলি চিহ্নিত। এস্কিলাছ, ছোফোক্লিছ, ইউৰিপাইডিছ, এৰিষ্টফেনিছ, হেৰড'টাছ, ছক্ৰেটিছ আদি মনীষীৰ জন্ম হৈছিল এই শতিকাত। আশ্চৰ্যৰ বিষয় এয়ে যে থুচিডাইডিছৰ অমৰ কীৰ্ত্তি 'পেলোপোনেছিয়ান যুদ্ধৰ ইতিহাসৰ' কোনো ঠাইতে তেওঁৰ এই বিখ্যাত সমসাময়িক ব্যক্তিসকলৰ উল্লেখ নাই। তেওঁৰ এই অখণ্ড মনোযোগ আকৰ্ষণ কৰিছিল ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাষ্ট্ৰবোৰৰ মাজত চলা যুদ্ধ-বিগ্ৰহে। এই ৰাষ্ট্ৰবোৰৰ উত্থান-পতনৰ কাহিনী লিপিবদ্ধ কৰা কামতেই তেওঁ তেওঁৰ সমস্ত মন-প্ৰাণ সঁপি দিছিল।

ঐতিহাসিক হিচাপে থুচিডাইডিছৰ মহত্ত্ব নিহিত আছে লিখনিৰ প্ৰকাশভংগী আৰু ঘটনা পাৰম্পৰ্য্যৰ দক্ষতাপূৰ্ণ বৰ্ণনাত। 'পেলোপোনেছিয়ান যুদ্ধৰ ইতিহাস' গ্ৰন্থৰ প্ৰসাদ-গুণে পঢ়োতাজনৰ মনত এনে এক বাতাবৰণৰ সৃষ্টি কৰে যেন তেওঁ নিজেই সুদূৰ অতীতৰ সেই যুদ্ধ বিগ্ৰহবোৰ সন্মুখত জীৱন্ত ৰূপত প্ৰত্যক্ষ কৰিছে আৰু নিজেই ঘটনাৰাজিৰ সৈতে জড়িত হৈ পৰিছে। এনেকুৱাই আছিল থুচিডাইডিছৰ প্ৰতিভা। দৰাচলতে, যি সংঘাতময় ৰাষ্ট্ৰীয় ঘটনা তেওঁৰ জীৱনকালত ঘটিছিল তাৰ নাটকীয় বৰ্ণনা সন্নিবিষ্ট কৰি থুচিডাইডিছে সমসাময়িক ইতিহাসৰ বিষয়বস্তুক মহত্ত্ব দান কৰিছিল।

থুচিডাইডিছৰ বয়স যেতিয়া ত্ৰিশৰ পৰ্য্যায়ত তেতিয়া ৪৩১ খ্ৰীষ্ট পূৰ্বত, পেলোপোনেছিয়ান যুদ্ধ আৰম্ভ হৈছিল। যুদ্ধ হৈছিল এথেন্সৰ মিত্ৰপক্ষ আৰু স্পাৰ্টাৰ মিত্ৰপক্ষৰ মাজত। এই যুদ্ধ চলিছিল সাতাইশ বছৰ ধৰি। যুদ্ধৰ দ্বিতীয় বছৰত এথেন্সত মহামাৰী ৰূপত সন্নিপাত যোগে দেখা দিছিল আৰু এই

ৰোগত বহু লোকৰ মৃত্যু হৈছিল। থুচিডাইডিছো ৰোগাক্রান্ত হৈছিল। তেওঁ সম্পূর্ণ ৰোগমুক্ত হোৱাৰ পিছত খ্রীষ্টপূর্ব ৪২০ তেওঁক এথেনীয় নৌবাহিনীৰ এটা শাখাৰ অধিনায়ক নিযুক্ত কৰা হৈছিল। কিন্তু নৌবাহিনীৰ অধিনায়ক হিচাপে তেওঁ কৃতিত্বৰ পৰিচয় দিব নোৱাৰিলে। স্পার্টান সকলৰ হাতত তেওঁৰ নৌবাহিনীটোৱে পৰাজয় বৰণ কৰাত কর্তৃপক্ষই তেওঁক আদালতৰ কাঠগড়াত থিয় কৰায়। বিচাৰত তেওঁক নির্বাসন দণ্ড দিয়া হয়। এই দণ্ডৰ মেয়াদ যুদ্ধত এথেন্সৰ চূড়ান্ত পর্যায় হৈ শান্তিচুক্তি হোৱাৰ সময়লৈ (খৃষ্টপূর্ব ৪০৪) আছিল।

নির্বাসনৰ সময়ছোৱাত থুচিডাইডিছে যুদ্ধৰত দেশবোৰত ভ্রমণ কৰি তেওঁৰ ইতিহাসৰ সমল গোটাইছিল। ইতিহাসখন আঠোটা সুবৃহৎ খণ্ডত বিভক্ত। পেলোপোনেছিয়ান যুদ্ধ শেষ হ'বলৈ ছয় সাত বছৰমান বাকী থকা সময়ত ৪১১ খ্রীষ্টপূর্বত গ্রন্থখন হঠাতে সমাপ্ত হোৱাৰলৈ চাই পণ্ডিতসকলে থিৰাং কৰিছে যে সেই সময়তে আকস্মিকভাবে থুচিডাইডিছৰ মৃত্যু হৈছিল। এই গ্রন্থখনৰ বিশেষত্ব এই যে ই কেৱল যুদ্ধৰ বিৱৰণীয়েই নহয়; ই সমসাময়িক যুগৰ ৰাজনৈতিক চিন্তা-ভাৱনাৰ এখন সুস্পষ্ট দলিলো। গণতন্ত্র আৰু সাম্রাজ্যবাদৰ গুণাগুণ সম্পর্কে সেই সময়ৰ নেতৃবৃন্দৰ চিন্তাধাৰাৰ লগতে 'পেলোপোনেছিয়ান যুদ্ধৰ ইতিহাস'ত সকলো যুগৰ বাবে প্রযোজ্য কেতবোৰ প্রশ্নৰ ওপৰতো আলোকপাত কৰা হৈছে। সেই প্রশ্নবোৰ হৈছে: যুদ্ধক সমর্থন কৰিব পাৰিনে? বিনাচৰ্ত্তে আত্মসমর্পণতকৈ চৰ্ত সাপেক্ষে শান্তি বেছি গ্রহণযোগ্যনে? গণতন্ত্রত স্বেচ্ছামূলক সামৰিক সেৱা আৰু বাধ্যতামূলক সামৰিক সেৱাৰ ভিতৰত কোনটো বেছি মংগলজনক? থুচিডাইডিছৰ লেখনিৰ বিশেষত্ব এইখিনিতেই যে প্রশ্নবোৰৰ ওপৰত নিজৰ ৰবীয়াকৈ মন্তব্য নিদি তেওঁৰ ঘটনাক্রমৰ উপস্থাপনৰ মাজেদিয়েই সেইবোৰৰ উত্তৰ পৰিষ্কাৰ কৰি দিছে।

থুচিডাইডিছৰ পূর্বসূৰী ঐতিহাসিক হেৰড'টাছৰ বুৰঞ্জীত এথেন্স আৰু স্পার্টাই কিদৰে যুগ্মভাৱে আক্রমণকাৰী পাৰ্ছিয়ান সকলক পৰাস্ত কৰি ৪৮০ খ্রীষ্টপূর্বত আক্রমণকাৰীক চূড়ান্তভাৱে বহিষ্কাৰ কৰিছিল তাৰ বিৱৰণ আছে। এই যুদ্ধ সমাপ্তিৰ পিছত স্পার্টাই এথেন্সৰ সৈতে থকা মিত্রতা ছিন্ন কৰি নিজৰ নিজৰ শক্তি বৃদ্ধি কৰাত মনোনিৱেশ কৰিছিল। এথেন্সে গ্রীচৰ মূল ভূ-খণ্ডত ক্রমে এখন সাম্রাজ্য গঢ়ি তোলে আৰু এই সাম্রাজ্য গ্রীচৰ অন্যান্য

ৰাজ্যৰ কাৰণে ভয়ৰ কাৰণ হৈ উঠে। এথেন্স আৰু স্পাৰ্টাৰ মাজত সম্পাদিত ত্ৰিশ বছৰীয়া শান্তি চুক্তিয়ে সাময়িকভাৱে সেই ভয় আঁতৰ কৰে। এথেন্সে এই চুক্তিৰ পিছত মূল ভূ-খণ্ডতকৈ ভূমধ্যসাগৰৰ দ্বীপ আৰু উপকূলীয়া নগৰ বোৰত নিজৰ প্ৰভাৱ বিস্তাৰত মনোযোগ দিয়ে। প্ৰতিৰক্ষাৰ উদ্দেশ্যে এথেন্সে কেতবোৰ গ্ৰীক ৰাজ্যৰ সৈতে মিতিৰালি কৰিলে। এই মিত্ৰতা 'ডেলিয়ান লীগ' নামেৰে পৰিচিত হ'ল। এই 'লীগ'ৰ জৰিয়তে এথেন্সৰ ক্ষমতা বৃদ্ধি হোৱাত স্বাভাৱিকভাৱে কৰিন্থকে আদি কৰি পেলোপোনেছিয়ান ৰাজ্য হিচাপে জনাজাত দেশবোৰ শংকিত হৈ স্পাৰ্টাৰ নেতৃত্বত পেলোপোনেছিয়ান মিত্ৰশক্তি নামেৰে প্ৰতিদ্বন্দ্বী মিত্ৰতা গঢ়ি তোলে। এই মিত্ৰশক্তিয়ে ৪৩১ খ্ৰীষ্টপূৰ্বত এথেন্সৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে। এইদৰেই আৰম্ভ হয় পেলোপোনেছিয়ান যুদ্ধ।

পেলোপোনেছিয়ান যুদ্ধ সংঘটিত কৰাৰ গুৰিত আছিল কৰিন্থ। এথেন্সৰ বিৰুদ্ধে যুদ্ধৰ বাবে কৰিন্থে স্পাৰ্টালৈ যিটো প্ৰতিনিধি দল পঠিয়াইছিল সেই প্ৰতিনিধি দলৰ মুখেৰে থুচিডাইড্‌ছে স্পাৰ্টাৰ আৰু এথেন্সৰ নীতি আৰু মনোভাৱ ব্যাখ্যা কৰিছে এইদৰে:

'এথেনিয়ানসকল নব্যবাদী, তেওঁলোকৰ চিন্তা আৰু কাৰ্য সম্পাদনৰ মাজত আছে ক্ষিপ্ৰতা, আপোনালোক (স্পাৰ্টানসকল) সংৰক্ষণবাদী, আপোনালোকৰ আবিষ্কাৰৰ স্পৃহা নাই; যিখিনি নকৰিলে নহয় সেইখিনিহে আপোনালোকে কৰে; তাতকৈ বেছি একোকে নকৰে। আনহাতে এথেনিয়ানসকল দু:সাহসী; তেওঁলোকে নিজৰ ক্ষমতাই কুলোৱাতকৈয়ো বেছি দূৰলৈ যাব খোজে আৰু বিপদৰ সমুখতো আশাবাদী। আপোনালোক নিজৰ শক্তি সম্বন্ধেই সন্দিহান; কিবা এটা কৰিলেই বিপদ ঘটিব বুলি ভাবি লয়। তেওঁলোক ক্ষিপ্ৰ, আপোনালোক লেহেম। তেওঁলোকে দেশ এৰি বিদেশলৈ যায়, আপোনালোকৰ থকাখিনিৰো হানি হ'ব। তেওঁলোকে কৃতকাৰ্যতাক দুগুণ উৎসাহেৰে আগুৱাই নিছে, পৰাজিত হ'লেও লাহে লাহে পশ্চাদপসৰণ কৰে, দেশৰ কাৰণে জীৱন বিসৰ্জন দিবলৈ কেৰেপ নকৰে। তেওঁলোকে নিজেও জীৱনত শান্তি নিবিচাৰে আৰু আনকো শান্তিত থাকিবলৈ নিদিয়ে। এনেকুৱাই তেওঁলোকৰ নীতি।

আপোনালোকৰ প্ৰতিদ্বন্দ্বী এথেন্সৰ বিশেষত্ব এনেকুৱা হোৱা সত্বেও আপোনালোক নিশ্চেষ্ট। নিজৰ শক্তি যথাযথভাৱে প্ৰয়োগ কৰি শান্তিৰক্ষা কৰাটোৱেই যথেষ্ট নহয়, বৰং আনে যাতে অনিষ্ট কৰিব নোৱাৰে সেইটো স্পষ্ট কৰি ঘোষণা কৰিব পৰা শক্তিয়েহে শান্তি বৰ্তাই ৰাখে। আপোনালোকৰ পন্থা পুৰণি কলীয়া। শিল্পকলাত যেনেকৈ নতুনত্বৰ আদৰ, ৰাজনীতিতো তেনেকৈ নতুনত্বৰ আৱশ্যক। শান্তিৰ সময়ত ৰক্ষণশীল আৰু চিৰাচৰিত নীতি ভাল. কিন্তু নতুন পৰিস্থিতিত নতুন নীতি প্ৰয়োগ কৰিব লাগিব। নতুন নতুন অভিজ্ঞতাৰে এথেন্স আপোনালোকতকৈ বহুদূৰ আগবাঢ়ি গৈছে।

থুচিডাইডিছে অৱশ্যে এথেন্সক সাম্ৰাজ্যবাদী বুলি গৰিহণা কৰা নাই। তেওঁ কৈছে যে, এথেন্সে অধীনস্থ ৰাজ্যবোৰৰ ওপৰত উৎপীড়ন চলোৱা নাই আৰু সেইবোৰৰ স্বাধীন প্ৰশাসনৰ ওপৰতো হস্তক্ষেপ কৰা নাই। আশ্চৰ্যৰ কথা যে দুহেজাৰ বছৰ আগৰ পেলোপোনেছিয়ান যুদ্ধ যিবোৰ কাৰণত হৈছিল কুৰি শতিকাত হোৱা যুদ্ধৰ কাৰণো প্ৰায় একে ধৰণৰেই। এথেন্স আৰু স্পাৰ্টা কোনেও যুদ্ধ বিচৰা নাছিল। বাণিজ্য ক্ষেত্ৰত এথেন্সৰ প্ৰতিদ্বন্দ্বী কৰিন্থে অনুভৱ কৰিছিল যে ভূমধ্যসাগৰীয় অঞ্চলত এথেন্সৰ সম্প্ৰসাৰণে কৰিন্থৰ বাণিজ্যিক স্বাৰ্থত আঘাত কৰিছে। সেইকাৰণেই কৰিন্থে স্পাৰ্টাক এথেন্সৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ উত্তেজিত কৰিছিল।

থুচিডাইডিছে যুদ্ধৰ কাৰিকৰী দিশবোৰো আলোচনা কৰিছে যদিও, আধুনিক পাঠকৰ বাবে সেইবোৰ বিশেষ গুৰুত্বপূৰ্ণ নহয়। যুদ্ধৰত দেশবোৰৰ নেতাসকলৰ মনোভাৱ আৰু উদ্দেশ্য ব্যাখ্যা কৰি তেওঁ যি বক্তব্য লিপিবদ্ধ কৰিছে, সিহে আধুনিক মানসৰ বাবে আকৰ্ষণীয়। দৰাচলতে থুচিডাইডিছে এঠাইত কৈছে যে যুদ্ধৰ সময়ত উদ্ভৱ হোৱা মানসিকতা অধ্যয়ন কৰাই হ'ল তেওঁৰ 'ইতিহাস' ৰচনাৰ অন্যতম উদ্দেশ্য। যুদ্ধত নিহত সকলক ৰাজহুৱাভাৱে সমাধিস্থ কৰিবলৈ পতা প্ৰথমটো অনুষ্ঠানত পেৰিক্লিছে এথেনিয়ান সকলৰ আগত দিয়া সমাধি বক্তৃতাৰ জৰিয়তে তেওঁ তাৰ শীৰ্ষতম নিদৰ্শন এৰি গৈছে।

সেইদিনাৰ পৰা সেই অনুষ্ঠানলৈ এথেন্সৰ সকলো অধিবাসী আহিছিল। নিহত সকলৰ শবদেহ তিনিদিন ধৰি মঞ্চৰ ওপৰত ৰখা হৈছিল, যাতে এথেনীয় সকলে নিহত যোদ্ধা সকলৰ প্ৰতি শ্ৰদ্ধা তৰ্পণ কৰিব পাৰে। তৃতীয় দিনা

শবদেহবোৰ সমাধিস্থ কৰাৰ পিছত পেৰিক্লিছে বক্তৃতা প্ৰসংগত উদাৰনৈতিক গণতন্ত্ৰৰ আদৰ্শৰ বিষয়ে এইদৰে কৈছিল:

'আমাৰ সংবিধানক গণতন্ত্ৰ আখ্যা দিয়া হৈছে এইবাবেই যে ই সংখ্যালঘিষ্ঠৰ হাতত নাই— আছে সংখ্যাগৰিষ্ঠৰ হাতত। আমাৰ আইন সকলোৰে বাবে সমানে প্ৰযোজ্য। কোনো গোষ্ঠীগত কাৰণত নহয়, উৎকৃষ্টতাৰ কাৰণেহে আমাৰ ৰাইজে প্ৰতিক্ষেত্ৰতে প্ৰতিভাসম্পন্ন লোকক সন্মান জনায়। ৰাজহুৱা জীৱনত আমি যেনেকৈ মুক্ত অধিকাৰৰ পক্ষপাতী— যাতে দৈনন্দিন আদান-প্ৰদানৰ ক্ষেত্ৰত নাগৰিক সকলৰ সু-সম্পৰ্ক বৰ্তি থাকিব পাৰে। ব্যক্তিগতভাৱে নিজৰ ইচ্ছানুসৰি জীৱন-যাপন কৰাৰ ক্ষেত্ৰত আমি কাৰো ওপৰত হস্তক্ষেপ নকৰো। ব্যক্তিগত আদান-প্ৰদানৰ ক্ষেত্ৰত আমি স্বাধীন আৰু বন্ধুসুলভ, আমাৰ ৰাজহুৱা কাম-কাজ আইনৰ দ্বাৰা নিয়ন্ত্ৰিত। আমাৰ অলিখিত বিধিব্যৱস্থা সমূহ যিসকলে উলংঘা কৰে, তেওঁলোক গৰিহণাৰ পাত্ৰ।'

পেৰিক্লিছে স্বদেশপ্ৰেম সম্পৰ্কে কৈছিল:

আপোনালোকে এথেন্সৰ মহত্বৰ প্ৰতি দৃষ্টিপাত কৰক, এথেন্সৰ প্ৰতি প্ৰেম ভাব ৰাখক। মনত ৰাখিব— এথেন্সৰ মহত্ব আনিছে সাহসী আৰু কৰ্তব্যনিষ্ঠ লোকসকলে। এথেন্সৰ মংগলৰ বাবে তেওঁলোকে নিজৰ জীৱন বলিদান দিছে আৰু সেয়ে তেওঁলোকে অৰ্জন কৰিছে অমৰ কীৰ্ত্তি। তেওঁলোকৰ নশ্বৰ দেহ সমাধিস্থ হৈছে শ্ৰেষ্ঠতম সমাধিত। সেই সমাধি হ'ল দেশবাসীৰ মন। দেশবাসীৰ মনত তেওঁলোকৰ স্মৃতি সদায় জাগৰূক হৈ থাকিব আৰু অনুপ্ৰেৰণা যোগাব। সমগ্ৰ পৃথিৱীখনেই মহৎলোকৰ সমাধিভূমি। তেওঁলোকৰ কীৰ্ত্তি কেৱল স্বদেশৰ মাটিতেই খোদিত হৈ থকা নাই, সি সুদূৰ প্ৰসাৰী। কোনো দৃশ্যমান প্ৰতীক অবিহনেই সেই কীৰ্ত্তি মানুহৰ জীৱনৰ সৈতে পৰম্পৰাগতভাৱে জড়িত হৈ ৰয়।'

সৰ্বকালৰ অন্যতম গণতান্ত্ৰিক নায়ক হিচাপে স্বীকৃত পেৰিক্লিছেও ৰাজহুৱা মতামতৰ চঞ্চলতাৰ অভিজ্ঞতা লাভ কৰিছিল। এহাতে মহামাৰী আৰু আনহাতে যুদ্ধত জৰ্জৰিত এথেনিয়ানসকলে যুদ্ধৰ প্ৰথমছোৱাত পৰাজিত হোৱাৰ খণ্ডত পেৰিক্লিছক দোষী সাব্যস্ত কৰি গুৰুতৰ অৰ্থদণ্ডেৰে দণ্ডিত কৰে। মহামাৰীৰ কবলত পেৰিক্লিছৰ দুয়োজন পুত্ৰৰ মৃত্যু হয়। তেওঁৰ মৃত্যুৰ পিছতহে

এথেন্সবাসীয়ে তেওঁৰ নীতিৰ যথাৰ্থতা উপলব্ধি কৰিব পাৰিছিল। থুচিডাইডিছে লেখিছে: 'নিজৰ মৰ্যাদা, দক্ষতা আৰু সততাৰ দ্বাৰা পেৰিক্লিছে জনসাধাৰণৰ ওপৰত একক প্ৰভাৱ বিস্তাৰ কৰিছিল, তেওঁলোকৰ দ্বাৰা পৰিচালিত হোৱাৰ পৰিবৰ্তে তেওঁলোকক পৰিচালনা কৰিছিল। তেওঁ অন্যায় উপায়েৰে কেতিয়াও ক্ষমতা লাভ কৰিবলৈ বিচৰা নাছিল, জনসাধাৰণক তোষামোদো নকৰিছিল; বৰং তেওঁ অৱস্থা বিশেষে জনসাধাৰণক শুদ্ধ পথলৈ আনিবলৈ তেওঁলোকৰ বিৰোধিতাহে কৰিছিল। জনসাধাৰণ অনাহকতে গৰ্বী হৈ উঠিলে তেওঁ যিদৰে তেওঁলোকৰ গৰ্ব-চূৰ্ণ কৰিব পাৰিছিল, সেইদৰে তেওঁলোক হতাশ হলে তেওঁলোকক পুনৰ অনুপ্ৰাণিতো কৰিব পাৰিছিল। কিন্তু তেওঁৰ পৰৱৰ্তী নেতাসকল আছিল বেলেগ প্ৰকৃতিৰ। তেওঁলোক আছিল সমপৰ্যায়ৰ আৰু সেয়ে পৰস্পৰে পৰস্পৰৰ সৈতে শ্ৰেষ্ঠতৰ মৰ্যাদা লাভৰ বাবে প্ৰতিদ্বন্দ্বিতাত নামিছিল। সংখ্যাগৰিষ্ঠৰ খাম খেয়ালি মতামতত হয়ভৰ দি তেওঁলোকে প্ৰশাসন চলোৱা কাৰণে নানা ধৰণৰ মাৰাত্মক ভুল কৰিছিল।'

পেৰিক্লিছ আছিল অভিজাত বংশৰ, তেওঁ আছিল দাৰ্শনিক আৰু বৈজ্ঞানিক সকলৰ বন্ধু। তেওঁৰ পৰৱৰ্তী নেতাসকল বিভিন্ন বংশোদ্ভূৱ। এজন আছিল সূতা ব্যৱসায়ী, আন এজন ভেৰাবেপাৰী। তৃতীয়জনৰ নাম আছিল ক্লিয়ন, যিজন আছিল চামৰা-ব্যৱসায়ী। তেওঁ সৎ আছিল যদিও অশিক্ষিত আদৰ্শৰহিত আৰু মদগৰ্বী আছিল। তেওঁৰ দিনত এথেনিয়ান সাম্ৰাজ্যবাদৰ আচৰণ পাশবিক হৈ উঠিছিল।

পেলোপোনেছিয়ান যুদ্ধৰ দশম বছৰত এমফিপোলিছৰ যুদ্ধত ক্লিয়ন আৰু শ্ৰেষ্ঠ স্পাৰ্টান সেনাপতি ব্ৰেছিডাছৰ মৃত্যু হোৱাত স্পাৰ্টা আৰু এথেন্সৰ মাজত এটা শান্তি চুক্তি হয়। এই চুক্তিৰ মতে উভয় পক্ষই যুদ্ধত হেৰোৱা ঠাইবোৰ ঘূৰাই পালে। চুক্তিৰ পিছতহে এথেন্স আৰু স্পাৰ্টাৰ মাজত পঞ্চাশ বছৰীয়া মিত্ৰতা স্বাক্ষৰিত হয়। কিন্তু ই শান্তি নানিলে। স্পাৰ্টাৰ মিত্ৰসকলে অনুভৱ কৰিলে যে চুক্তিৰ দ্বাৰা প্ৰকৃততে তেওঁলোক প্ৰতাৰিতহে হ'ল— বিশেষকৈ কৰিন্থ আৰু গোৱেচিয়াই চুক্তি মানিবলৈ অস্বীকাৰ কৰিলে। এই সময়ছোৱাত স্পাৰ্টা আৰু এথেন্স উভয়ৰে মিত্ৰপক্ষ সমূহৰ মাজত ভালেমান অদল-বদল হয়। আলচিবিয়াডিছৰ নেতৃত্বত এথেন্সে নতুনকৈ মিত্ৰপক্ষ গঢ়ি ৪১৮ খ্ৰীষ্টপূৰ্বত পুনৰ স্পাৰ্টাৰ সৈতে যুদ্ধ আৰম্ভ কৰিলে। অৱশেষত এই যুদ্ধত এথেন্স

সম্পূৰ্ণৰূপে পৰাজিত হৈছিলগৈ।

'ইতিহাসৰ ষষ্ঠ আৰু সপ্তমখণ্ডত প্ৰধানত চিচিলিত এথেন্সে চলোৱা দুৰ্যোগপূৰ্ণ অভিযানৰ কাহিনী বৰ্ণোৱা হৈছে। স্বদেশত ৰাজনীতিক সকলে আৰু বিদেশত সেনাপতি সকলে অনুসৰণ কৰা ভুল নীতিৰ ফলত কেনেকৈ এথেন্স বিপৰ্যয়ৰ সন্মুখীন হ'বলগা হৈছিল অতি কৃতিত্বৰে থুচিডাইডিছে তাৰ বৰ্ণনা কৰিছে। চিৰাকিউজৰ যুদ্ধত এথেনীয়ান সৈন্য বিধ্বস্ত হ'ল আৰু তাৰ পিছৰ পৰা এথেন্সে নৌ যুদ্ধত প্ৰাধান্য হেৰুৱালে। এথেন্সৰ মিত্ৰসকলো ক্ৰমান্বয়ে আঁতৰি গ'ল, পাৰস্যই স্পাৰ্টাৰ পক্ষাৱলম্বন কৰিলে। তথাপি এথেন্সে যুদ্ধ চলাই থাকিল। নৌ সেনাপতিসকলৰ ভ্ৰান্ত কৌশলৰ বাবে এথেনীয়ান নৌবাহিনী সম্পূৰ্ণৰূপে ধ্বংস হ'ল। দাৰ্দানেলিছ প্ৰণালী অৱৰোধ কৰি স্পাৰ্টাই এথেন্সৰ পথৰুদ্ধ কৰি অৱশেষত ৪০ খ্ৰীষ্টপূৰ্বত এথেন্সে যুদ্ধত পৰাজয় স্বীকাৰ কৰিবলৈ বাধ্য হ'ল।

থুচিডাইডিছৰ ইতিহাসে পেলোপোনেছিয়ান যুদ্ধ কাহিনী ৪১১ খ্ৰীষ্টপূৰ্বলৈকে সামৰিছে। এই সময়তে হঠাৎ তেওঁৰ মৃত্যু হোৱাত গ্ৰন্থখন অসমাপ্ত হৈ ৰয়। কিন্তু থুচিডাইডিছে ২৪০০ বছৰ আগতে ঐতিহাসিক গৱেষণাৰ নীতি সম্পৰ্কে যি কথা কৈছিল সি আজিও প্ৰণিধানযোগ্য। তেওঁ কৈছিল:

"বেছিভাগ লোকে ঐতিহ্যবাহী ঘটনাৱলীৰ বিচাৰ বিশ্লেষণ নকৰাকৈয়ে গ্ৰহণ কৰে। সত্যানুসন্ধানৰ বাবে পৰিশ্ৰম নকৰাকৈ তেওঁলোকে হাতত পোৱাখিনিয়েই ব্যৱহাৰ কৰে।"

ঐতিহাসিকে কবিৰ অতিশয়োক্তি বা মানুহৰ মনত আনন্দ দিবলৈ কাহিনীকাৰে ৰচনা কৰা গল্পৰ দ্বাৰা বিভ্ৰান্ত হ'ব নালাগিব।

যুগৰ পৰা যুগান্তৰলৈ গৈ এইবোৰ কেৱল ৰোমাঞ্চকৰ কাহিনীত পৰ্যবেসিত হয়। ঐতিহাসিকে প্ৰাপ্য সাক্ষ্যৰ ওপৰত ভিত্তি কৰিহে সকলো বিবেচনা কৰিব।

মই যুদ্ধৰ ঘটনাৱলী নিজৰ প্ৰত্যক্ষ অভিজ্ঞতাৰ ভিত্তিত লিপিৱদ্ধ কৰিছো। পৰোক্ষভাৱে প্ৰাপ্ত কথাবোৰ যথাযথ পৰীক্ষা-নিৰীক্ষাৰ পিছতহে গ্ৰহণ কৰিছো।

'মোৰ ইতিহাসখন চিৰস্থায়ী বস্তু, ক্ষণিকৰ বাবে প্ৰদৰ্শন কৰা সামগ্ৰী নহয়।'

প্লেটোৰ ডায়লগছ্

(৪)

পাশ্চাত্য দর্শনৰ পিতৃ পুৰুষ প্লেটোই প্ৰায়েই কৈছিল যে তিনিটা কথাৰ ওপৰত তেওঁ ঈশ্বৰৰ ওচৰত কৃতজ্ঞ। সেই তিনিটা হ'ল: প্ৰথম, তেওঁ স্বাধীন হৈ জন্ম লৈছে, দাস হিচাপে নহয়; দ্বিতীয়, তেওঁ গ্ৰীক, বৰ্বৰ নহয়; তৃতীয়, তেওঁ ছক্ৰেটিছৰ সমকালীন, প্লেটো অকল স্বাধীনেই নাছিল, তেওঁ আছিল অভিজাত বংশৰ।

কবি আৰু বুদ্ধিজীৱী প্লেটো ডেকাকালত এজন যোদ্ধা আছিল বুলি কথিত আছে। তেওঁ হেনো সৈনিক হিচাপেও কিছুদিন কাম কৰিছিল। তেওঁৰ সময়ত জ্ঞান চৰ্চাৰ লগে লগে শৰীৰ চৰ্চাও শিক্ষাৰ অংগ আছিল। দাৰ্শনিক সকল কেৱল নিজানত অধ্যয়নতেই ব্যস্ত নাছিল, জীৱনৰ বিভিন্ন ক্ষেত্ৰতো তেওঁলোকৰ অভিজ্ঞতা আছিল।

প্লেটোৰ সমগ্ৰ দৰ্শন ডায়'ল'গ অৰ্থাৎ কথোপকথন ৰূপত প্ৰকাশ পাইছিল। দৈনন্দিন জীৱনেই আছিল তেওঁৰ দৰ্শনৰ উৎস আৰু কেইকাৰণে ইয়াৰ আকৰ্ষণো আছিল গভীৰ। ছক্ৰেটিছৰ সৈতে সাক্ষাৎ হোৱাৰ পিছত প্লেটোই নিজৰ কবিতাবোৰ পুৰি পেলাইছিল। তেওঁৰ 'ৰিপাব্লিক' শীৰ্ষক গ্ৰন্থত প্লেটোই কবি সকলৰ ওপৰত কঠোৰ মন্তব্য কৰিছিল। সেই সময়ত এথেন্সত উদয় হোৱা ছফিষ্ট দাৰ্শনিক সকলে মানুহক সকলো কথা পৰীক্ষা-নিৰীক্ষা কৰি চাই গ্ৰহণ কৰাৰ বাবে যি শিক্ষা পাইছিল, প্লেটোৱে তাৰো বিৰোধিতা কৰিছিল।

প্লেটোৱে ইচ্ছা কৰাহেঁতেন ৰাজনীতিত যোগ দিব পাৰিলেহেঁতেন। কিন্তু ছক্ৰেটিছৰ সৈতে তেওঁৰ বন্ধুত্ব আৰু এথেন্স কৰ্তৃপক্ষৰ দ্বাৰা বিষপানৰ জৰিয়তে ছক্ৰেটিছক মৃত্যুদণ্ড দানে তেওঁক এথেনীয় গণতন্ত্ৰৰ প্ৰতি বিৰূপ কৰি তোলে। এথেন্সত থাকিও তেওঁ আধ্যাত্মিকভাৱে নিৰ্বাসিত জীৱন-যাপন কৰিছিল। ছক্ৰেটিছৰ মৃত্যুৰ পিছত তেওঁ কিছুদিনৰ বাবে এথেন্স ত্যাগ কৰি মেগাৰত আছিলগৈ।

প্লেটোৰ তুলনাত ছক্ৰেটিছেই আছিল বিপৰীত ধৰ্মী। তেওঁ আছিল জনতাৰ মানুহ। প্ৰশ্ন আৰু উত্তৰৰ জৰিয়তে তেওঁ জনসাধাৰণক শিক্ষা দিছিল। ছক্ৰেটিছৰ সকল নৈতিক শিক্ষাকে প্লেটোৱে তেওঁৰ নিজৰ ভাবাবে ৰূপায়িত কৰিছিল। লগে লগে তেওঁ চিন্তা-জগতত নিজৰ যুক্তিমত্তাৰ প্ৰয়োগেৰে আলোড়ন তুলিছিল।

ছক্ৰেটিছ আৰু প্লেটোৰ সময়ত গ্ৰীচদেশত স্বৰ্ণযুগ চলিছিল। কিন্তু ৰাজনৈতিক ক্ষেত্ৰত এথেন্স ক্ৰমে অৱনতিৰ ফালে আগবাঢ়িছিল। ৪৮০ খ্ৰীষ্টপূৰ্বত গ্ৰীচে পাৰছিয়ান সকলক পৰাজয় কৰাৰ পিছত এথেন্সত স্বৰ্ণযুগৰ সূচনা হৈছিল। নৌবলত বলীয়ান এথেন্সে সাম্ৰাজ্য প্ৰতিষ্ঠা কৰিছিল আৰু ৪৬৬ খ্ৰীষ্টপূৰ্বৰ পৰা ৪২৮ খ্ৰীষ্টপূৰ্বলৈ পেৰিক্লিছৰ শাসনৰ কালছোৱাত এথেনীয় গণতন্ত্ৰই উচ্চ শিখৰত আৰোহণ কৰিছিল। এস্কাইলাছ, ছ' ফক্লিছ আৰু ইউৰিপিডিছৰ দৰে মহান নাট্যকাৰে এথেন্সৰ গৌৰৱ বঢ়াইছিল। ইতিহাসৰ সমল বিচাৰি হেৰড'টাছ আহিছিল। এথেন্সলৈ, এনাক্সাগোৰাছে বৈজ্ঞানিক জ্যোতিৰ্বিদ্যাৰ সূচনা কৰিছিল—

পেৰিক্লিছৰ মৃত্যুৰ আগতে এথেন্স আৰু স্পাৰ্টাৰ মাজত যি যুদ্ধ (পেলোপোনেছিয়ান যুদ্ধ) আৰম্ভ হৈছিল, সি এথেন্সলৈ আনিছিল বিপৰ্যয়। ৪০৫ খ্ৰীষ্টপূৰ্বত প্লেটোৰ বয়স যি সময়ত ২৫ বছৰ, সেই সময়ত স্পাৰ্টানসকলৰ হাতত এথেন্সৰ অৱশিষ্ট নৌ-বাহিনী ধ্বংস প্ৰাপ্ত হয়। ৰাজনৈতিক ক্ষেত্ৰত অৱনতি হোৱা সত্বেও এথেন্সে কম সময়ৰ ভিতৰতে নাগৰিক অৰ্থনীতি পুনৰুদ্ধাৰ কৰিবলৈ সমৰ্থ হয়। পুনৰ শীঘ্ৰে এথেন্স গ্ৰীক সভ্যতা সংস্কৃতিৰ কেন্দ্ৰ হৈ উঠে।

ছক্ৰেটিছক দিয়া মৃত্যু-দণ্ডই প্লেটো আৰু তেওঁৰ সহযোগী দাৰ্শনিক জেন'ফ'নৰ মন স্পাৰ্টাৰ প্ৰতি ঢাল খুৱায়। কাৰণ স্পাৰ্টা আছিল ৰাজনৈতিক অনৈক্য আৰু মানসিক অৰাজকতাৰ পৰা মুক্ত শক্তিশালী ৰাষ্ট্ৰ। প্লেটোৰ অন্যতম ডায়'ল'গ 'ৰিপাব্লিক'ত আদৰ্শ ৰাষ্ট্ৰ হিচাপে স্পাৰ্টাকে মডেল ৰূপে লোৱা হৈছিল। প্লেটোৰ আদৰ্শ ৰিপাব্লিকত নাগৰিকৰ বৈষয়িক উন্নতিত গুৰুত্ব দিয়া হোৱা নাই, বৰং পৱিত্ৰতা আৰু উচ্চকাংক্ষা বিলোপৰ জৰিয়তে লাভ কৰা উন্নতিতহে জোৰ দিয়া হৈছে। তেওঁৰ ৰিপাব্লিক কমিউনিজমৰ আদৰ্শবাদী আৰু

অভিজাত শ্ৰেণীৰূপে— য'ত শাসনকৰ্তাসকল হ'ব দাৰ্শনিক আৰু য'ত নাৰী পুৰুষ উভয়েই আইনৰ চকুত সমান। উভয়ে একে শিক্ষাৰ অধিকাৰী। কবি আৰু কল্পনা প্ৰৱণ ভাবুকসকল সেই ৰিপাব্লিকৰ পৰা নিৰ্বাসিত। ৰিপাব্লিক প্ৰভৃত মনৰ ওপৰত সৰ্বাধিক গুৰুত্ব দি কোৱা হৈছে— একমাত্ৰ চিন্তা শক্তিৰ দ্বাৰা সামাজিক আৰু ৰাজনৈতিক ৰোগসমূহ আৰোগ্য কৰিব পৰা যায়। গণতন্ত্ৰৰ অপব্যৱহাৰে অত্যাচাৰী প্ৰশাসন আৰু একনায়কত্বৰ জন্ম দিয়ে বুলিও প্লেটোই মন্তব্য কৰিছে।

ডায়'ল'গ সমূহৰ ৰচনা ৰীতি প্ৰায় একে ধৰণৰ— প্ৰশ্নোত্তৰৰ ৰীতিত এইবোৰ ৰচিত। কোনো এটা বিষয় লৈ আলোচনাৰ পাতনি মেলা হয় আৰু বিভিন্ন চৰিত্ৰই ইয়াত অংশগ্ৰহণ কৰে। প্ৰধান ভূমিকাত থাকে ছক্ৰেটিছ আৰু তেওঁৰ সিদ্ধান্তই চূড়ান্ত। কেতবোৰ ডায়'ল'গ কোনো সিদ্ধান্তত উপনীত নোহোৱাকৈ সমাপ্ত হৈছে। উদাহৰণ স্বৰূপে,'ল কিছ' শীৰ্ষক ডায়'ল'গত ছক্ৰেটিছে এজন সেনাপতি, এজন সাধাৰণ সৈন্য আৰু এজন নাগৰিকৰ সৈতে সাহস সম্পৰ্কে কৰা আলোচনাত সাহস মনৰ প্ৰচেষ্টা নে জৈৱিক অনুভূতি সেই সম্বন্ধে চূড়ান্ত মতামত প্ৰকাশ কৰা নাই। 'লাইছিছ' শীৰ্ষক ডায়'ল'গত বিদ্যালয়ৰ পৰা অহা দুজন ল'ৰাৰ সৈতে ছক্ৰেটিছে বন্ধুতা সম্পৰ্কে, পিতৃ-মাতৃ আৰু ল'ৰা-ছোৱালীৰ প্ৰতি তেওঁলোকৰ ব্যৱহাৰ তথা কৰ্তৃত্ব সম্পৰ্কে আলোচনা কৰিছে। কিন্তু বন্ধুত্ব কি, সেই বিষয়ে তেওঁলোক সিদ্ধান্তত উপনীত হ'ব পৰা নাই। প্ৰ'টাগোৰাছ নামৰ এজন বুদ্ধিশ্ৰেষ্ঠ ছফিষ্টৰ নামেৰে নামকৰণ কৰা 'প্ৰটাগোৰাছ' শীৰ্ষক ডায়'ল'গত ছক্ৰেটিছ আৰু 'প্ৰ'টাগোৰাছ'ক জ্ঞানৰ প্ৰকৃতি সম্পৰ্কে তৰ্ক-বিতৰ্ক কৰি দেখুওৱা হৈছে। ইয়াত প্ৰ'টাগোৰাছ যে এজন ভণ্ড পণ্ডিত, সেইটো উদঙাই দিয়া হৈছে। 'ফিড্ৰাছ' শীৰ্ষক ডায়'ল'গত ছক্ৰেটিছ আৰু তেওঁৰ বন্ধু ফিড্ৰাছে তেওঁৰ সৌন্দৰ্য সম্পৰ্কে আলোচনা কৰিছে। ইয়াত প্ৰেম-সম্বন্ধে প্লেটোৰ ভাবনা প্ৰকাশ কৰা হৈছে ছক্ৰেটিছৰ কথাৰ মাজেৰে। ছক্ৰেটিছে ফিড্ৰাছৰ প্ৰশ্নৰ উত্তৰত কৈছে যে প্ৰেম হ'ল আত্মাৰ এটা অৱস্থা। ই হ'ল এহাতে পৰম সৌন্দৰ্যৰ অনুভূতি আৰু আনহাতে মানৱীয় অভীপ্সা। প্ৰেমে মানুহক সত্য আৰু জ্ঞানৰ অভিমুখে চালিত কৰে। সেয়ে ই সকলো অনুভূতিতকৈ শ্ৰেষ্ঠ।

ধ্ৰুপদী সাহিত্যৰ বিখ্যাত পণ্ডিত আৰু প্লেটোৰ গ্ৰন্থ সমূহৰ অনুবাদক জোৱেটে কৈছে: 'খৃষ্টীয়ান চিন্তা-ভাৱনাক সামৰি আটাইবোৰ চিন্তা-ভাৱনাৰ বীজ প্লেটোৰ ৰচনাত নিহিত আছে।' প্লেটোৰ ওপৰত ভিত্তি কৰি বহু মিষ্টিক (ৰহস্যবাদী) আৰু আধ্যাত্মিক দৰ্শনৰ উদ্ভৱ হৈছে। প্লেটোই তেওঁৰ যুগৰ বিভিন্ন দাৰ্শনিক ধাৰণাসমূহৰ মাজত সমন্বয় কৰি প্ৰথমবাৰৰ কাৰণে কেতবোৰ সূত্ৰ প্ৰতিষ্ঠা কৰে। মূলত: তেওঁৰ দৰ্শন নৈতিক দৰ্শন এই কাৰণেই যে তেওঁৰ মতে পূৰ্ণতা প্ৰাপ্তিৰ বাবে মানুহৰ জন্ম আৰু এই জগততে মানুহে কম-বেছি পৰিমাণে সেই পূৰ্ণতাৰ চকা-মকা আভাস এটাহে পায় আৰু সেইবাবে সদায় জীৱনত কিবা এটাৰ অনুভৱ কৰে। যদি মানুহে তেওঁৰ জীৱন-বৃত্তৰ কালছোৱাত পূৰ্ণতা লাভৰ চেষ্টা অব্যাহত ৰাখে, তেনেহ'লেহে তেওঁ সম্পূৰ্ণ সুখ অনুভৱ কৰিব। প্লেটোৰ মতে পূৰ্ণতা লাভ কৰিবলৈ শিকাৰ বাহিৰে মানুহৰ অধিকতৰ দায়িত্বৰ কাম নাই; পূৰ্ণতাৰ সন্ধান তেওঁৰ প্ৰকৃতিত নিহিত আছে, ই এটা নৈতিক আৱশ্যকতা মাত্ৰ নহয়, ই মানৱ প্ৰকৃতিৰ সুস্থ আৰু সামঞ্জস্যপূৰ্ণ বিকাশৰ বাবে প্ৰয়োজনীয়। সুস্থ আৰু সুন্দৰ হোৱা বাবেই 'সৎ' সৎ। ন্যায় সৎ, কাৰণ অন্যায় অসংলগ্ন, অসামঞ্জস্য আৰু কদাকাৰ।

ঐক্যৰ ধাৰণা প্ৰতিষ্ঠা কৰা বাবেই দাৰ্শনিক সকলৰ মাজত প্লেটোই মৰ্যাদাৰ আসন পাইছে। তেওঁ বিশ্বাস কৰিছিল যে সত্য আৰু সৌন্দৰ্যৰ মাজত থকা ঐক্যৰ এই ধাৰণাৰ কাৰণেই সাহিত্য, সংগীত কাব্য শিল্প-কলা, ভাস্কৰ্য, ৰাজনীতি আৰু অন্যান্য সকলো ব্যৱহাৰিক কলা নৈতিক দৰ্শনৰ বশৱৰ্তী হোৱা উচিত বুলি প্লেটোৱে বিবেচনা কৰিছিল। প্লেটোৰ দৰ্শনৰ ভিত্তি হ'ল মানুহ আৰু আত্মা সম্পৰ্কে বৌদ্ধিক দৃষ্টিভংগী মানৱ প্ৰকৃতি আৰু আত্মাৰ সন্দৰ্ভত সূক্ষ্ম, পুংখানুপুংখ অনুসন্ধানৰ বাবেই প্লেটোৰ ডায়'ল'গসমূহ মানৱ সভ্যতাৰ বুৰঞ্জীত অবিস্মৰণীয় হৈ আছে।

এৰিষ্টটলৰ এথিকচ্

(৫)

প্ৰাচীন জগতৰ যিসকল শ্ৰেষ্ঠ গ্ৰন্থকাৰৰ গ্ৰন্থ আমি উত্তৰাধিকাৰী হিচাপে পাইছোঁ, সেই সকলৰ ভিতৰত এৰিষ্টটলেই আটাইতকৈ গুৰুত্বপূৰ্ণ। যশৰ দিশৰ পৰা যদিও প্লেটোৰ স্থান আগশাৰীত, তথাপি তেওঁ বহুসময়ত আছিল আদৰ্শবাদী। আনহাতে এৰিষ্টটলৰ সম্পৰ্ক আছিল নিবিড়ভাবে জগতৰ সৈতে গাঁথা। তত্ত্বতকৈ তথ্যৰ প্ৰতি তেওঁৰ আকৰ্ষণ আছিল সবল আৰু সেয়ে পৰীক্ষা-নিৰীক্ষাৰ কামত তেওঁৰ অনীহা নাছিল। প্লেটোৰ দৰে তেওঁৰ বাবেও যদিও জগতখন ৰহস্যময় আছিল, তথাপি এই ৰহস্যৰ মাজত তেওঁ আবিষ্কাৰ কৰিছিল এক প্ৰত্যাহ্বান। তেওঁৰ মানসিক পৰিধি আছিল বিশাল। তৰ্কবিজ্ঞান আৰু দৰ্শন, প্ৰাকৃতিক ইতিহাস আৰু ভূগোল, মনোবিজ্ঞান আৰু শৰীৰবিজ্ঞান, পদাৰ্থবিজ্ঞান আৰু জ্যোতিৰ্বিজ্ঞান, ৰাজনীতি আৰু নীতিশাস্ত্ৰ— এই আটাইবোৰ বিষয়ৰ ওপৰতে এৰিষ্টটলৰ দখল আছিল। তেওঁ লেখা ভালেমান গ্ৰন্থ কালৰ বুকুত হেৰাই গৈছে। আধুনিক বৈজ্ঞানিক আবিষ্কাৰে তেওঁৰ বহুতো ধাৰণা ভুল বুলি প্ৰমাণ কৰিছে। কিন্তু এটা বিষয়ৰ ওপৰত তেওঁ লেখি যোৱা কথাবোৰ আজিও আলোচনাৰ সামগ্ৰী হৈ আছে। সেই বিষয়টো হ'ল এথিক্‌ছ বা নীতিশাস্ত্ৰ।

এৰিষ্টটল গ্ৰীক আছিল যদিও, ছক্ৰেটিছ আৰু প্লেটোৰ দৰে এথেন্সৰ অধিবাসী নাছিল। মেচিডোনীয়া ৰাজ্যৰ সমীপৱৰ্তী ষ্টেগিৰা নামৰ সৰু এখন গ্ৰীক উপনিবেশত ৩৮৪ খ্ৰীষ্টপূৰ্বত তেওঁৰ জন্ম হৈছিল। তেওঁৰ দেউতাক আছিল মেচিডোনিয়া ৰজাৰ বৈদ্য। পিতৃ বিয়োগৰ পিছত ১৭ বছৰ বয়সীয়া এৰিষ্টটল এথেন্সলৈ গৈ প্লেটোৰ বিখ্যাত একাডেমীত ভৰ্তি হয়। প্লেটোৰ লগত কুৰিবছৰ কটোৱাৰ পিছত যেতিয়া গুৰুৰ মৃত্যু হ'ল, তেতিয়া তেওঁ গ্ৰীচৰ কে'বাখনো নগৰত অধ্যাপনাৰ কাম কৰে। ৩৪৩ খ্ৰীষ্টপূৰ্বত মেচিডনৰ ৰজা ফিলিপৰ আমন্ত্ৰণত ৰাজকুমাৰ আলেকজেণ্ডাৰৰ গৃহ-শিক্ষকৰূপে তালৈ যায়।

ফিলিপ আৰু তেওঁৰ পুত্ৰ আলেকজেণ্ডাৰে এৰিষ্টটলক অত্যন্ত শ্ৰদ্ধা কৰিছিল। আলেকজেণ্ডাৰে এছিয়া অভিযানত যাত্ৰা কৰাত তেওঁ পুনৰ এথেন্সলৈ ঘূৰি যায় আৰু তাত লাইচিয়াম নামে প্ৰখ্যাত দৰ্শনৰ বিদ্যালয় এখন স্থাপন কৰে। আলেকজেণ্ডাৰৰ মৃত্যুৰ পিছত ৰাজকীয় পৃষ্ঠপোষকতা হেৰুৱাত তেওঁ কৃষ্ণসাগৰৰ পাৰৰ চালছিছ্ নামৰ ঠাইলৈ যায় আৰু তাতেই ৩২২ খ্ৰীষ্টপূৰ্বত তেওঁৰ মৃত্যু হয়।

যদিও এৰিষ্টটলৰ সময়ৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু ধৰ্মীয় পৰিবেশৰ সৈতে আজিৰ জগতৰ মিল নাই, তথাপি নীতিশাস্ত্ৰৰ আলোচ্য বিষয়বস্তু সংজীৱন সম্পৰ্কে যিবোৰ সমস্যাৰ তেওঁ সন্মুখীন হৈছিল সেইবোৰ সমস্যা আজিও বৰ্তমান। সেই কাৰণেই এৰিষ্টটলৰ 'এথিক্ছ'ৰ আবেদন আজিৰ জগতৰ বাবেও প্ৰায় সমানেই প্ৰযোজ্য। নিকোমেচিয়ান এথিকছ আৰু ইউডেমিয়ান এথিক্ছ শীৰ্ষক দুখন ৰচনাৰ সমাবেশত এথিকছখন সম্পূৰ্ণ। এৰিষ্টটলৰ উপপত্নীৰ গৰ্ভজাত পুত্ৰ নিকোমেকাছে প্ৰথমখন আৰু এৰিষ্টটলৰ শিষ্য ইউডেমাছে দ্বিতীয়খন সম্পাদনা কৰি উলিয়াইছিল বাবেই ৰচনা দুখন সেই সেই নামেৰে আখ্যায়িত।

এৰিষ্টটলে তেওঁৰ সকলো ৰচনাতে বিষয় বস্তুসমূহ উদ্দেশ্য বা লক্ষ্যৰ দৃষ্টিভংগী চকুৰ আগত ৰাখি ব্যাখ্যা কৰিছিল। সেই কাৰণে তেওঁক উদ্দেশ্যবাদী বা লক্ষ্যবাদী (Teleogist) আখ্যা দিয়া হয়। নিকোমেচিয়ান এথিকছৰ প্ৰথমতে কোৱা কথাখিনিয়েই ইয়াৰ সাক্ষ্য বহন কৰে :

প্ৰত্যেক কলাই আৰু প্ৰত্যেক বিজ্ঞানে আৰু সেইদৰে প্ৰত্যেক কৰ্মই আৰু প্ৰত্যেক নৈতিক বিচাৰেই কিবা নহয় কিবা 'সৎ' লক্ষ্য হিচাপে গ্ৰহণ কৰে। সেই 'সৎ' কি, সেইটো নিৰ্ভৰ কৰে সংশ্লিষ্ট বিষয়টোৰ ওপৰত। কিছুমান কাম কৰা হয় ফলাফলৰ প্ৰতি লক্ষ্য ৰাখি, আনহাতে কিছুমান কাম কামৰ বাবেই কৰা হয়। কিন্তু সকলোবে অন্তৰালত এনে এটা চালিকা শক্তি থাকিব লাগিব যাক 'মুখ্যসৎ' বুলিব পৰা যাব।

এই সৎ দৰাচলতে কি? ইয়াৰ আন এটা নাম সুখ। ইউডাইমনিয়া (eudaimonia) এই গ্ৰীক শব্দটোক 'সুখ' বুলি অনুবাদ কৰিব পাৰি যদিও, ই সম্পূৰ্ণ অৰ্থ প্ৰকাশ নকৰে; মংগল বা সৰ্বোদয় বুলিলেহে শব্দটোৰ অৰ্থৰ

কিছু কাৰ চপা যায়। সি যি কি নহওক, এৰিষ্টটলে কৈছে যে ভালদৰে জীৱন-নিৰ্বাহ কৰা আৰু ভালদৰে কৰ্ম কৰাকে মানুহে সাধাৰণতে সুখী হোৱা বুলি গণ্য কৰে। কিন্তু এই সুখৰ সন্দৰ্ভত মানুহৰ মত বিভিন্ন। কিছুমানে কয় যে ভৌতিক আৰু চাক্ষুস বস্তুৰ সমাবেশেই সুখ— যেনে ইন্দ্ৰিয়ৰ তৃপ্তি, ধন-সম্পত্তি বা মান-সন্মান। আকৌ বিভিন্ন পৰিস্থিতিত একেজন লোকেই একো একোটা বস্তুক সুখ বুলি ভাবে, যেনে— ৰোগ হ'লে স্বাস্থ্য, দুখীয়া অৱস্থাত পৰিলে ধন-সম্পত্তি। এনে বিভিন্ন মতৰ মাজত সুখক মুখ্য সৎ বোলাটোএটা সাধাৰণ সত্যহে মাথোন। আচলতে সুখ বা মুখ্য সতৰ প্ৰকৃত প্ৰকৃতি জানিব পাৰিব লাগিব। মানুহৰ কৰ্মৰ স্বৰূপ আৱিষ্কাৰৰ ওপৰতেই এই জনাটো নিৰ্ভৰ কৰিছে। জীয়াই থকাটোৱেই মানুহৰ একমাত্ৰ লক্ষ্য বা উদ্দেশ্য নহয়; কাৰণ উদ্ভিদো জীয়াই থাকে। কেৱল ইন্দ্ৰিয়ানুভূতিপূৰ্ণ জীৱনো মানুহৰ লক্ষ্য বা উদ্দেশ্য নহয়; কাৰণ ঘোঁৰা, বলদ আৰু অন্যান্য জন্তুৱেও তেনে জীৱন-যাপন কৰে। মানুহৰ অস্তিত্ব যুক্তি বা বিবেচনাৰ ওপৰত নিৰ্ভৰশীল; যুক্তি বা বিবেচনা শক্তিয়েই মানুহক আন জীৱৰ পৰা পৃথক অস্তিত্ব দান কৰিছে। গতিকে এৰিষ্টটলৰ মতে মানুহৰ সুখ নিহিত আছে উৎকৰ্ষতা লাভৰ কাৰণে কৰা আত্মিক প্ৰচেষ্টাত। এই উৎকৰ্ষতা লাভ কৰিব পাৰি মধ্যপন্থা অৱলম্বন কৰি। এৰিষ্টটলৰ দৰ্শনৰ আটাইতকৈ বিখ্যাত বৈশিষ্ট্য হ'ল 'মধ্যপন্থাৰ নীতি'। এই সূত্ৰ অনুসৰি সাহস হ'ল মৰসাহস আৰু ভীৰুতাৰ মধ্যপন্থা, আত্মসংযম হ'ল উশৃঙ্খলতা আৰু সন্ন্যাসৰ মধ্যপন্থা, উদাৰ নৈতিকতা হ'ল অমিতব্যয়িতা আৰু কৃপণালিৰ মধ্যপন্থা, নম্ৰতা হ'ল উন্মত্ততা আৰু নীচতাৰ মধ্যপন্থা, বন্ধুত্ব হ'ল তোষামোদ আৰু কলহৰ মধ্যপন্থা ইত্যাদি ইত্যাদি।

সৎগুণৰ প্ৰকৃতি সম্বন্ধেও এৰিষ্টটলেও এথিকছত আলোচনা কৰিছে। উদাহৰণ স্বৰূপে, সাহসৰ সন্দৰ্ভত-এজন মানুহৰ প্ৰকৃত সাহস থাকিব পাৰে, কিন্তু তেওঁৰ লগে লগে ভয়ো থাকে। সেই ভয় অপমান বা অৱমাননাৰ প্ৰতি থকা ভয়। কিন্তু তেওঁৰ দৰিদ্ৰতা, ৰোগ আনকি মৃত্যুলৈ ভয় থকা অনুচিত। দৰিদ্ৰতাৰ দংশন বা প্ৰেমৰ যন্ত্ৰণাৰ হাত সাৰিবলৈ মৃত্যুবৰণ কৰাটো সাহসী মানুহৰ কাম নহয়, ভীৰুৰ কাম। আত্ম-সংযমৰ সন্দৰ্ভত প্ৰকৃত আত্মসংযমীয় খোৱা, পিয়া, যৌন সং-সৰ্গ আদি কাম যুক্তি প্ৰয়োগৰ জৰিয়তে নিয়মীয়া কৰি ৰাখে।

এবিষ্টটলে কৈছে যে সৎ জীৱন সম্পৰ্কে আলোচনা কৰাই যথেষ্ট নহয়। প্ৰকৃততে সৎ-জীৱন যাপন কৰিবলৈ অনুশীলন কৰাটোহে আৱশ্যকীয়। যিজন সৎ হ'ব, তেওঁ লালিত-পালিতো হ'ব লাগিব সৎ-ধৰণে, সৎ প্ৰতিষ্ঠানৰ অধীনত জীৱন-যাপনো কৰিব লাগিব। আন ভাষাত ক'বলৈ গ'লে নীতিজ্ঞানক নাগৰিক জ্ঞান বা ৰাজনীতিৰ পৰা পৃথককৈ বিচাৰ কৰিব নোৱাৰি। সেয়ে এৰিষ্টটলৰ এথিকছৰ লগত তেওঁৰ 'পলিটিকছ্' অঙ্গাঙ্গীভাৱে জড়িত হৈ আছে।

ভাৰ্জিলৰ ইনিড

(৬)

ৰোমৰ ধ্ৰুপদী যুগৰ জাতীয় মহাকাব্য ‘ইনিড’ মহাকবি ভাৰ্জিলৰ মৃত্যুৰ পিছত (খ্ৰীষ্টপূৰ্ব ১৯) সম্ৰাট আগষ্টাছৰ নিৰ্দেশত স্বীকৃত হয়। ভাৰ্জিল অতি লাজুক প্ৰকৃতিৰ মানুহ, তেওঁ গ্ৰাম্যজীৱনৰ ওপৰত ভালেমান কবিতা ৰচনা কৰিছিল। এনে এজন মানুহে যে বীৰৰসৰ এখন কাব্য ৰচনা কৰিব পাৰিলে সেয়া সঁচাকৈয়ে বিস্ময়ৰ কথা।

ভাৰ্জিলৰ সম্পূৰ্ণ নামটো পাব্লিয়াছ ভাৰ্জিলিয়াছ মেৰো। ৭০ খ্ৰীষ্টপূৰ্বৰ ১৫ অক্টোবৰত ৰোমৰ মান্টুৱা নগৰত তেওঁৰ জন্ম হৈছিল। তেওঁৰ পঢ়াশলীয়া জীৱন সেই- ৰোমত সংঘটিত গৃহ যুদ্ধৰ বাবে ব্যাহত হৈছিল- বিশেষকৈ চিজাৰ আৰু পম্পে, অক্টোভিয়ান আৰু এন্টনিৰ মাজত হোৱা সংঘৰ্ষৰ বাবে। অৱশেষত যেতিয়া অক্টোভিয়ান বিজয়ী হৈ ৰোমৰ অবিসম্বাদী প্ৰভু হ'ল তেতিয়া দায়িত্বৰ পৰা অব্যাহতি পোৱা সৈন্যসকলক স্থাপন কৰিবলৈ তেওঁ ভালেমান অঞ্চলৰ মাটি বাজেয়াপ্ত কৰিলে। ভাৰ্জিলৰ মাটিও বাজেয়াপ্ত হ'ল। যিজন সৈন্যৰ ভাগত সেই মাটি পৰিল সি কবিক আসুৰিকভাবে বিতাড়িত কৰিলে।

কলা-সাহিত্যৰ পৃষ্ঠপোষক মিছিনাছ নামৰ এজন সম্ভ্ৰান্ত ব্যক্তিৰ হস্তক্ষেপত কবিয়ে তেওঁৰ পৈতৃক সম্পত্তি ঘূৰাই পালে। অক্টোভিয়ানে সম্ৰাট আগষ্টাছ নাম গ্ৰহণ কৰি সিদ্ধান্ত কৰিলে যে ৰোমৰ বাবে হোমাৰৰ সমপৰ্যায়ৰ এখন বীৰৰসপূৰ্ণ জাতীয় মহাকাব্যৰ প্ৰয়োজন। ৰোমৰ কবিসকলৰ মাজত এই মৰ্মে ঘোষণা কৰা হ'ল। ৰোমত এনে কাব্য ৰচনা কৰিব পৰা কবি এজনেই আছিল—আৰু তেঁৱেই হ'ল ভাৰ্জিল। ভাৰ্জিলে জীৱনৰ শেষ এঘাৰ বছৰ এই কাব্য ৰচনাত অতিবাহিত কৰে। কিন্তু কাব্যখন সম্পূৰ্ণৰূপে পৰিমাৰ্জনা কৰিবলৈ নৌপাওঁতেই তেওঁৰ মৃত্যু হয়। এনে অপৰিমাৰ্জিত ৰচনা এৰি যোৱাতকৈ তাৰ বিলোপেই শ্ৰেয় বুলি বিবেচনা কৰি মৃত্যুশয্যাত থাকোঁতে ভাৰ্জিলে কাব্যখন পুৰি পেলাবলৈ কৈ গৈছিল।

সি যি কি নহওক, বিশ্ব সাহিত্যৰ ইতিহাসত হোমাৰৰ পিছতে ভাৰ্জিলেই একমাত্ৰ কবি যিজন মাত্ৰ এখন কাব্যৰ বাবে মহাকবি সুলভ মৰ্যাদাৰে দেশ-কালৰ সীমা অতিক্ৰম কৰি প্ৰতিষ্ঠিত হৈ আছে। ভাৰ্জিলৰ অকাল মৃত্যুৰ কাৰণে কাব্যখন অসম্পূৰ্ণ হৈ থাকিলেও ইয়াৰ পটভূমিৰ অনন্যসাধাৰণ বিশালতা আৰু বৈচিত্ৰ্য, এটা সমগ্ৰ জাতিৰ সুদীৰ্ঘকালীন জীৱন সংগ্ৰাম আৰু আশা-আকাংক্ষাৰ প্ৰকাশ, নায়কসহ কেইটামান চৰিত্ৰৰ সুবিশাল ব্যক্তিত্বৰ মহিমা, ঘৃণা, প্ৰেম, লোভ, ঔদাৰ্য, মহত্ব, নীচতা প্ৰভৃতি মানৱ চৰিত্ৰৰ মৌলিক দোষ আৰু গুণবোৰৰ শৈল্পিক বিন্যাস ইত্যাদি বৈশিষ্ট্যৰে 'ইনিড' সমৃদ্ধ। অথচ আশ্চৰ্যৰ কথা এই যে অসাধাৰণ কাব্যগুণেৰে মণ্ডিত হৈও কাব্যখনে মূল ভাব-কল্পনাৰ মৌলিকতা দাবী কৰিব নোৱাৰে। এই কাব্যৰ ভাব-কল্পনা আৰু কথা-বস্তুৰ বহুখিনি হোমাৰৰ ইলিয়াডৰ পৰা গৃহীত। অৱশ্যে কেৱল ভাব-কল্পনাৰ মৌলিকতাৰ দ্বাৰা কোনো কাব্যৰ শ্ৰেষ্ঠত্ব বিচাৰ নহয় আৰু মৌলিকতাৰ অভাৱে 'ইনিড'ৰ ৰস হানি ঘটোৱা নাই। তদুপৰি আখ্যান বস্তুৰ ক্ষেত্ৰত হোমাৰৰ মহাকাব্যদ্বয়ৰ সৈতে 'ইনিড'ৰ যথেষ্ট পাৰ্থক্যও আছে। হোমাৰৰ ইলিয়াড য'ত শেষ হৈছে তাৰ পৰাই আৰম্ভ হৈছে ইনিডৰ অখ্যানবস্তু। গ্ৰীক সকলৰ দ্বাৰা ট্ৰয় ৰাজপ্ৰাসাদ বিধ্বস্ত আৰু ট্ৰয়দুৰ্গ তথা নগৰী সম্পূৰ্ণভাবে ভস্মীভূত হোৱাৰ ঠিক পিছতেই এংকিচেছৰ পুত্ৰ ট্ৰয়বীৰ ইনিছে বৃদ্ধ পিতৃ, পুত্ৰ এছকানিয়াছ, কিছুমান গৃহ দেৱতাৰ বিগ্ৰহ আৰু এমুঠিমান বিশ্বস্ত অনুচৰক লগত লৈ সমুদ্ৰত জাহাজ পাৰি দিলে। ট্ৰয়ৰ বহুতো উদ্বাস্তু নৰ-নাৰীও তেওঁৰ সংগী হ'ল। এয়েই আছিল নিয়তিৰ বিধান আৰু ইনিছৰ দেৱী-মাতা ভেনাছৰ মাধ্যমেৰে এই সন্দৰ্ভত এক চূড়ান্ত দৈৱ-নিৰ্দেশ নামি আহিছিল। 'ইনিড' কথাটোৰ শব্দগত অৰ্থ হ'ল— 'ইনিছ'ৰ গুণ-গান। নিয়তিৰ বিধানত তথা দৈৱ নিৰ্দেশত ৰাজ্য হেৰুৱা গৃহহীন ইনিছে অজান অকূল সমুদ্ৰ পাৰ হৈ সুদূৰ ইটালিৰ অন্তৰ্গত লাটিয়াম নগৰীত এখন নতুন ৰাজ্য প্ৰতিষ্ঠা কৰিব লাগিব আৰু তাত উপস্থিত হোৱাৰ লগে লগে তেওঁ এক ৰক্তক্ষয়ী বাধাৰ সন্মুখীন হ'ব লাগিব। এই মহান উদ্দেশ্য সাধনৰ বাবে ইনিছে ক্ৰমাগত যিবোৰ প্ৰাকৃতিক আৰু মানৱিক বাধা-বিপত্তি অতিক্ৰম কৰিবলগীয়া হৈছে, তাত তেওঁ যি অতি মানৱিক শক্তি, সাহস আৰু পুৰুষাকাৰৰ পৰিচয় দিবলগীয়া হয়,

অকেই ভাৰ্জিলে ইনিড কাব্যৰ আখ্যানবস্তুৰূপে লৈছে।

'ইনিড'ৰ আটাইতকৈ লক্ষ্যণীয় বিষয় হ'ল দৈৱ আৰু পুৰুষাকাৰৰ দ্বন্দ্ব। হোমাৰীয় তথ্য গ্ৰীক নিয়তিবাদৰ দ্বাৰা ভাৰ্জিল প্ৰভাবান্বিত হৈছিল। এই নিয়তিবাদৰ অৰ্থ হ'ল— মানুহৰ সমগ্ৰ জীৱন কালৰ সমস্ত কৰ্ম আৰু চিন্তা দৈৱবাণী এক বৃহত্তৰ শক্তিৰ দ্বাৰা নিয়ন্ত্ৰিত। কিন্তু এই সঞ্চালিকা দৈৱশক্তি কেতিয়াও অবিমিশ্ৰ নহয়, সেই শক্তি অবিমিশ্ৰভাৱে অনুকূল বা প্ৰতিকূল নোহোৱা কাৰণেই মানুহৰ জীৱনপথৰ ৰেখা সকলো সময়তে সৰল আৰু বাধাহীন হৈ নাথাকে। ইনিছৰ জীৱনত তেওঁৰ দেৱীমাতা ভেনাছ আৰু দেৱসম্ৰাজ্ঞী জুনোই দুটা বিৰুদ্ধী দৈৱশক্তিৰূপে ইনিছক কেন্দ্ৰ কৰি যি প্ৰতিদ্বন্দ্বিতা চলায় সেয়ে তেওঁৰ জীৱনক অবিৰাম জটিল কৰি ৰাখে। কিন্তু দৈৱ প্ৰতিকূলতা সত্বেও ইনিছে অপৰাজেয় পৌৰুষ আৰু অতুলনীয় বীৰত্বৰে নিজৰ লক্ষ্য সাধনৰ বাবে সংগ্ৰাম কৰি অৱশেষত জয়ী হয়। মানুহৰ অপৰিসীম শক্তিৰ গুণগানেই আছিল ভাৰ্জিলৰ ইনিড কাব্যৰ উদ্দেশ্য। ইনিছৰ মুখেৰে তেওঁ কোৱাইছে : 'হে মোৰ সহকৰ্মীসকল, আমি বিপদত অনভ্যস্ত নহওঁ। ইয়াতকৈও কত বৃহত্তৰ আপদ-বিপদ আমি সহ্য কৰিছোঁ ! গতিকে ভয় আঁতৰাই সাহস অৱলম্বন কৰাঁ। অজস্ৰ বিপৰ্যয় ভৰা পথেৰে নিশ্চিত প্ৰায় মৃত্যুৰ কৰালগ্ৰাসক একলীয়া কৰি থৈ সুদূৰ লাটিয়াম অভিমুখে আমি যাত্ৰা আৰম্ভ কৰিছো— য'ত আমি পাম এক নিৰ্জন শান্তিৰ আবাস, য'ত মৃত ট্ৰয়ৰ দেহভষ্মৰ পৰা উদ্ভূত হ'ব নতুন ৰাজ্য। গতিকে এক বৃহত্তৰ সুখৰ আশাৰে অনুপ্ৰাণিত হৈ তোমালোকে দুখ-কষ্ট সহ্য কৰি যোৱা।' সহকৰ্মীসকলৰ প্ৰতি ইনিছৰ এই উদ্দীপনাময় বাণী সমগ্ৰভাৱে সকলো দেশৰ সকলো কালৰ মানুহৰ বাবেই প্ৰযোজ্য।

ভাৰ্জিলৰ কবি-প্ৰতিভাৰ আটাইতকৈ উল্লেখযোগ্য বৈশিষ্ট্য হ'ল এইযে তেওঁ হোমাৰৰ দৰে ব্যাপকভাৱে উপমা আৰু অলংকাৰ প্ৰয়োগ কৰি কাব্যত ব্যৱহৃত শব্দ আৰু অৰ্থৰ গৌৰৱ বৃদ্ধি কৰে। ভাৰ্জিলৰ কবি প্ৰতিভাৰ আন এটা অভ্ৰান্ত পৰিচয় হ'ল এই যে তেওঁৰ মৃত্যুৰ বহুকাল পিছত ডাণ্টেৰ দৰে এজন বিশ্ব-বিশ্ৰুত কবিয়ে তেওঁৰ 'ডিভাইন-কমেডি' ৰচনাৰ প্ৰেৰণা বহুলাংশে পাইছিল ইনিডত বৰ্ণিত স্বৰ্গ-নৰকৰ বৰ্ণনাৰ পৰা। ডাণ্টেই এই কথা স্বীকাৰ কৰি থৈছে যে তেওঁ যেতিয়া নৰক পৰিদৰ্শনৰ ইচ্ছা প্ৰকাশ কৰিলে তেতিয়া

কবি ভাৰ্জিলেই তেওঁক পথ দেখুৱাই নিয়ে। কুবি শতিকাত জৰ্জ বাৰ্ণাৰ্ড শ্বই 'আৰ্মছ এণ্ড দিমেন ' নামৰ যি বিখ্যাত নাটকখন ৰচনা কৰে, তাৰ নামকৰণ কৰে ভাৰ্জিলৰ ইনিডৰ প্ৰথম শাৰীৰ কেইটামান শব্দ লৈ উত্তৰসূৰী সকলৰ ওপৰত ভাৰ্জিলৰ এই যুগোত্তীৰ্ণ প্ৰভাৱে নিঃসন্দেহে কবি হিছাপে তেওঁৰ প্ৰতিভাক দিছে এক কালজয়ী মহত্ত্বৰ গৌৰৱ।

প্লুটাৰ্কৰ জীৱনীমালা

(৭)

চেক্সপীয়েৰকে আদি কৰি ভালেমান নাট্যকাৰে যিজনৰ লিখনিৰ পৰা সমল আহৰণ কৰি ৰোমানকৰ ঐতিহাসিক নাটকসমূহ ৰচনা কৰিছিল, সেইজন লেখক প্লুটাৰ্কৰ জীৱন কিন্তু আছিল বৈচিত্ৰ্যহীন। গ্ৰীচদেশৰ ৰোৱেচিয়া ৰাজ্যৰ চিৰোনিয়া নামৰ এখন সৰু চহৰতে ৪৬ খ্ৰীষ্টাব্দত তেওঁৰ জন্ম হৈছিল আৰু তাতেই তেওঁৰ জীৱনৰ সৰহভাগ কাল ব্ৰতী হয়। সেই চহৰত তেওঁ এজন বিচাৰক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁ শিক্ষাগ্ৰহণ কৰিছিল এথেন্সত এমোনিয়াছ নামৰ এজন অধ্যাপকৰ অধীনত। এবাৰ তেওঁ ইজিপ্তত ভ্ৰমণ কৰিছিল আৰু আন এবাৰ তেওঁ চৰকাৰী কামৰ সম্পৰ্কত ৰোমলৈ গৈছিল। ঘৈণীয়েক আৰু পাঁচোটা ল'ৰা-ছোৱালীৰ সৈতে তেওঁ গাঁৱলীয়া ডাঙৰীয়া হিচাপে সুখেৰেই জীৱন-যাপন কৰিছিল।

জুলিয়াছ চিজাৰৰ মৃত্যুৰ পাছত ৰোমত আৰম্ভ হোৱা গৃহযুদ্ধৰ অন্তত অক্টোভিয়াছ চিজাৰে আগষ্টাছ নামলৈ ৰাজপাটত বহি সমগ্ৰ ৰোমান সাম্ৰাজ্যত শান্তি স্থাপন কৰিবলৈ সক্ষম হয়। এই সাম্ৰাজ্য পাৰস্যকে ধৰি মধ্যপ্ৰাচ্যৰ পৰা স্পেনলৈ আৰু উত্তৰে ডানিয়ুব নৈ অঞ্চলৰ পৰা ফ্ৰান্সলৈ বিস্তৃত আছিল। ৰোমান সাম্ৰাজ্যৰ অধীনত গ্ৰীচতো শান্তি-বিৰাজ কৰিছিল। জাতিত গ্ৰীক হ'লেও প্লুটাৰ্কে নিজকে ৰোমান সাম্ৰাজ্যৰ নাগৰিক বুলি গৰ্ব অনুভৱ কৰিছিল। ৰাজনীতি আৰু সমাজ সম্পৰ্কে তেওঁৰ দৃষ্টিভংগী আছিল আশাবাদী। গ্ৰীক নগৰ-ৰাষ্ট্ৰসমূহৰ মাজত জাগি উঠা সংঘৰ্ষৰ ফলতেই যে গ্ৰীচৰ অধ:পতন ঘটিছিল সেই কথা উপলব্ধি কৰি প্লুটাৰ্কে তেওঁৰ ফেলমিনিয়াছৰ জীৱনী প্ৰসংগত লেখিছিল এইদৰে : 'মাৰাথন ছালামিছ, প্লাটিয়া, থাম'পিলি আৰু ইউৰিমেডন ৰ বাদে গ্ৰীচে আন সকলোবোৰ যুঁজবাগৰ নিজৰ বিৰুদ্ধেই কৰিছিল, যাৰ ফলত গ্ৰীচ নিজে নিজেই দাসত্বৰ বান্ধোনেৰে বান্ধ খাবলগীয়া হ'ল। গ্ৰীচৰ বীৰপুৰুষসকলৰ উচ্চাকাংক্ষাজনিত দোষৰ বাবেই গ্ৰীচ অধ:পতনৰ বাটেৰে যাবলগীয়া হ'ল।' তৎসত্ত্বেও প্লুটাৰ্কে অনুভৱ কৰিছিল যে গ্ৰীচৰ ওপৰত ৰোম-

আধিপত্য গ্ৰীচৰ বাবে দুৰ্ভাগ্যৰ কথা নাছিল। এখন সুস্থ সবল সাম্ৰাজ্যৰ অংশ হিচাপে থকাটো গ্ৰীচৰ বাবে মংগলজনকেই হৈছিল। ৰোমৰ শাসকশ্ৰেণীয়ে গ্ৰীক ভাষা-সংস্কৃতিক শ্ৰদ্ধা কৰিছিল আৰু গ্ৰীকসকল ৰোমান সাম্ৰাজ্যত প্ৰথম শ্ৰেণীৰ নাগৰিক হিচাপে গণ্য হৈছিল।

প্লুটাৰ্কে তেওঁৰ জীৱনীমালাত গ্ৰীক আৰু ৰোমান বীৰপুৰুষ সকলৰ চৰিত্ৰ অংকনৰ জৰিয়তে এই কথাকে দেখুৱাব বিচাৰিছিল যে দুয়োটা জাতিৰ নেতাসকলৰ জীৱনৰ পৰিবেশ প্ৰায় একে ধৰণৰেই আছিল। ঐতিহাসিক জীৱনীকাৰ হিচাপে তেওঁ কোনোধৰণৰ তৰ্ক-বিতৰ্কৰ মাজলৈ নগৈ প্ৰাচীন কালৰ গৌৰৱময় কাহিনী লিপিবদ্ধ কৰাতেই সন্তুষ্ট আছিল। গ্ৰীক আৰু ৰোমান বুৰঞ্জীৰ কিম্বদন্তীৰ থিছিয়াচ আৰু ৰোমুলাছৰ যুগৰ পৰা নিজৰ যুগলৈ বিয়পি থকা এক বিশাল সময় বৃত্তৰ কাহিনী তেওঁ 'জীৱনীমালা'ৰ জৰিয়তে দাঙি ধৰিছিল। বহুক্ষেত্ৰত তেওঁ পুৰাণৰ কাহিনীবোৰকো ঐতিহাসিক ঘটনা ৰূপে বৰ্ণনা কৰিছিল।

'জীৱনীমালা'ত অন্তৰ্ভুক্ত অসংখ্য জীৱনীৰ ভিতৰত জুলিয়াছ চিজাৰ, মাৰ্ক এণ্টনি, এলচিবিয়াডিছ, পেৰিক্লিছ আৰু নিছিয়াছৰ জীৱনীয়ে আটাইতকৈ চিত্তাকৰ্ষক বুলি বেছিভাগ সমালোচকেই মত প্ৰকাশ কৰিছে। লেখক হিচাপে প্লুটাৰ্ক আছিল পুংখানুপুংখ বৰ্ণনা-শক্তিৰ অধিকাৰী। তদুপৰি সাধাৰণ কথাকো কল্পনাৰ ৰহণ সানি জীৱন্তৰূপে দাঙি ধৰাত তেওঁ সিদ্ধহস্ত আছিল। কোনো কোনো পণ্ডিতৰ মতে, ইতিহাস সম্পৰ্কে প্লুটাৰ্কৰ দৃষ্টিভংগী আছিল নীতিবাগীশৰ দৃষ্টিভংগী। তেওঁ জীৱনীমালাৰ চৰিত্ৰসমূহৰ গুণ আৰু দোষ উভয়ৰে তুলনামূলক আলোচনা উপস্থাপন কৰিছে। কবি বা শিল্পীৰ জীৱনীতকৈ কৰ্মবীৰ সকলৰ জীৱনীয়ে মানুহক অধিক অনুপ্ৰেৰণা যোগায় বুলি প্লুটাৰ্কে বিশ্বাস কৰিছিল।

মানুহে নিজৰ চেষ্টাৰ জৰিয়তে সৰ্বসাধাৰণৰ স্তৰ অতিক্ৰম কৰি কেনেকৈ নিজকে মহত্ত্বৰ শিখৰলৈ উন্নীত কৰিব পাৰে, তাৰ নিদৰ্শনেই প্লুটাৰ্কৰ 'জীৱনীমালা'ৰ জৰিয়তে পৰিস্ফুট হৈছে। পৰৱৰ্তী ঐতিহাসিকসকলে তেওঁৰ গ্ৰন্থৰ পৰা ইতিহাসৰ ভালেমান সমল বুটলি লৈছিল। প্ৰকৃতাৰ্থত প্লুটাৰ্ক যদিও এজন ইতিহাসবিদ নাছিল, তথাপি তেওঁ মানৱ চৰিত্ৰৰ ৰূপকাৰ হিচাপে প্ৰাচীন জগতৰ এক ৰোমাঞ্চকৰ ছবি এৰি থৈ গৈছে।

ৰামায়ণ

(৮)

আদিকাব্য নামেৰে অভিহিত ৰামায়ণ ৰচনা কৰে মহাকবি বাল্মিকীয়ে। ৰামায়ণত এফালে বিলাস বৈভৱৰ স্বৰ্ণলঙ্কা আৰু আনফালে অযোধ্যাৰ ত্যাগ আৰু দানৰ কাৰ্যাৱলী প্ৰকাশ পাইছে। এই দুয়োটা পৰস্পৰ বিৰোধী ভাৱ আৰু শক্তিৰ মাজৰ সংঘৰ্ষ আৰু শেষত ত্যাগ, সংযম আদি সংগুণৰ অধিকাৰী অযোধ্যাপতি ৰামৰ জয় আৰু গৌৰৱ ঘোষিত হৈছে। প্ৰাচীণ ভাৰতবৰ্ষই সত্যত ভোগতকৈ ত্যাগকহে অধিক মূল্য দিছিল। এই ত্যাগ দেখা যায় পিতৃসত্য পালনৰ বাবে ৰামৰ বনগমণত, প্ৰজাৰঞ্জনৰ কাৰণে পতিব্ৰতা পত্নী ত্যাগত, জ্যেষ্ঠভ্ৰাতৃৰ বনবাসত পিতৃদত্ত ৰাজ্য গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰি ১৪ বছৰ জটাবল্কল ধাৰণ কৰি অযোধ্যাৰ বাহিৰত ৰামৰ পাদুকাযুৰি সেৱা কৰি ৰামৰেই প্ৰতিনিধি স্বৰূপে ভৰতৰ ৰাজ্যপালনত, স্বেচ্ছাই অগ্ৰজৰ প্ৰতি থকা ভক্তিভাৱৰ হেতুকে লক্ষ্মণৰ ৰামৰ অনুগমণত আৰু বাৰেপতি সীতাই স্বামীৰ প্ৰতি দেখুৱাই অহা আনুগত্যত সেই কাৰণেই কবিয়ে ৰামৰ মুখেদি সত্যৰক্ষাৰ মহত্ত্ব প্ৰকাশ কৰি কোৱাইছে: "হে পিতৃ, মই ৰাজ্য পাবলৈ ইচ্ছা নকৰোঁ, সুখ নিবিচাৰোঁ, এই পৃথিৱীৰ সকলো কাম্য বস্তু, আনকি স্বৰ্গ-লাভ কৰিবলৈ বা জীয়াই থাকিবলৈকো ইচ্ছা নকৰোঁ। মই বিচাৰো কেৱল সত্যৰক্ষা কৰাটোহে, অসত্যক গ্ৰহণ কৰাটো মই আপোনাৰ পৰা কামনা নকৰো।" (অযোধ্যাকাণ্ড, ৭২ শসৰ্গ) লোকাপবাদৰ পৰা ৰক্ষা পাবলৈ সীতাক সতী বুলি জানিও দুবাৰো কঠোৰ ভাৱে পৰীক্ষা কৰা হৈছে। দুয়োবাৰ একেটা শপতকে গ্ৰহণ কৰি পৰীক্ষাত উত্তীৰ্ণ হৈছে। প্ৰথমবাৰ অগ্নি পৰীক্ষাত সীতাই কৈছে,- "যদি কৰ্ম, মন আৰু কথাৰে ধৰ্মজ্ঞ ৰাঘৱৰ পৰা আঁতৰি যোৱা নাই তেন্তে হে অগ্নিদেৱ মোক ৰক্ষা কৰিবা।" অগ্নিয়ে সীতাক ৰক্ষা কৰিছে। দ্বিতীয়বাৰ অযোধ্যাৰ ৰাজসভাত অপবাদৰ অভিযোগৰ পৰা মুক্ত হ'বলৈ সীতাক ৰামে সতীত্বৰ প্ৰমাণ দিবলৈ কয়, তেতিয়া সীতাই তেওঁ যদি সতী হৈ আছে তেন্তে ধৰিত্ৰীৰ বুকুত স্থান দিবলৈ অনুৰোধ কৰে। ধৰিত্ৰীয়ে সীতাৰ সতীত্বৰ প্ৰমাণ পাই গৰ্ভত স্থান দিয়ে। এইদৰেই ৰাম, লক্ষ্মণ, ভৰত, দশৰথ আদিৰ চৰিত্ৰই প্ৰতিকূল

অৱস্থাতো সত্যৰ প্ৰতি থকা আগ্ৰহৰ দিশটো সোঁৱৰাই দিয়ে। ইয়াৰ বিপৰীতে ৰাৱণ আৰু তেওঁৰ সহযোগীসকলে প্ৰদৰ্শন কৰা আসুৰিক চৰিত্ৰ দাঙি ধৰা হয় আৰু দুয়োটাৰ দ্বন্দ্বৰ মাজত সত্যৰ জয় প্ৰতিভাত হয় :

ৰামায়নৰ কাহিনীভাগ এনেধৰণৰ:

অযোধ্যাৰ নৃপতি দশৰথৰ কৌশল্যা, কৈকেয়ী আৰু সুমিত্ৰা নামৰ তিনিগৰাকী পত্নী আছিল; কিন্তু তেওঁলোক আটাইকেইগৰাকী আছিল সন্তানহীনা। ৰজা দশৰথে সন্তান পোৱাৰ মানসেৰে ঋষি ঋষ্যশৃঙ্গক আনি যজ্ঞ কৰাত কৌশল্যাৰ ৰাম, কৈকেয়ীৰ ভৰত আৰু সুমিত্ৰাৰ লক্ষ্মণ আৰু শত্ৰুঘ্ন নামেৰে চাৰিজন পুত্ৰৰ জন্ম হয়। কালক্ৰমত চাৰিওজন পুত্ৰই ধৰ্মৰ পৰা যুদ্ধলৈকে আটাইবোৰ বিদ্যাতে পাৰ্গত হৈ উঠে। এবাৰ ঋষি বিশ্বামিত্ৰই সিদ্ধাশ্ৰমত এক যজ্ঞৰ আয়োজন কৰে আৰু সেই যজ্ঞ ৰাক্ষসৰ উৎপাতৰ পৰা ৰক্ষা কৰাৰ বাবে ৰাম আৰু লক্ষ্মণক অযোধ্যাৰ পৰা লৈ যায়। সিদ্ধাশ্ৰমলৈ যোৱাৰ বাটত ৰামে সকলোৰে ত্ৰাসৰ কাৰণ হৈ পৰা তাড়কা ৰাক্ষসীক বধ কৰে। সিদ্ধাশ্ৰমত উপস্থিত হৈ ৰামে ৰাক্ষসবোৰক খেদি যজ্ঞ ৰক্ষা কৰাত সন্তুষ্ট হয় আৰু জনক ৰজাৰ ৰাজ্য মিথিলালৈ দুই ভাতৃক লৈ যায়।

মিথিলাৰ ৰজা জনক ৰজাই পণ কৰিছিল যে তেওঁৰ ৰাজসভাত থকা প্ৰকাণ্ড হৰধনুখন যিজনে ভংগ কৰিব পাৰিব, সেইজনেই ৰাজকন্যা সীতাৰ পাণিগ্ৰহণৰ বাবে উপযুক্ত হ'ব। ইতিমধ্যে অসংখ্য ৰজা-মহাৰজাই হৰধনু ভংগৰ চেষ্টাত বিফল হৈছিল। ৰামে বিশ্বামিত্ৰৰ নিৰ্দেশ অনুসৰি হৰধনুত গুণ লগাব খোজোতেই ধনুখন ভাগি যোৱাত জনক ৰজাই আনন্দ মনেৰে বিবাহোৎসৱৰ আয়োজন কৰে আৰু ৰজা দশৰথক মিথিলালৈ নিমন্ত্ৰণ কৰে। যথাসময়ত জনক ৰজাই আন দুজন পুত্ৰ ভৰত আৰু শত্ৰুঘ্নক লৈ মিথিলাত উপস্থিত হয়। ৰাম-সীতাৰ বিবাহৰ উপৰিও জনকে তেওঁৰ আন এগৰাকী কন্যা উৰ্মিলাক লক্ষ্মণলৈ আৰু তেওঁৰ ভাতৃ কুশধ্বজৰ কন্যাদ্বয় মাণ্ডৱী আৰু শ্ৰুতকীৰ্তিক ক্ৰমে ভৰত আৰু শত্ৰুঘ্নলৈ বিয়া দিয়ে।

দশৰথ ৰজাই বৰপুত্ৰ ৰামক যুৱৰাজ পাতিবলৈ অভিষেক আয়োজন আৰম্ভ কৰাৰ সময়তহে বিঘিনিয়ে দেখা দিলে। কৈকেয়ীৰ দাসী মন্থৰাই কৈকেয়ীক কুমন্ত্ৰণা দিলে যে ৰামৰ সলনি ভৰতহে যুৱৰাজ হ'ব লাগে। বহুদিনৰ আগতে

মাজুৰাণী কৈকেয়ীৰ ওপৰত সন্তুষ্ট হৈ দশৰথে তেওঁক দুবাৰ দুটা বৰ দিব খুজিছিল। মন্থৰাৰ মন্ত্ৰণামতেই সেই বৰ তেওঁ ভৱিষ্যতলৈ লব বুলি সাঁচি থৈছিল। এতিয়া এটা বৰৰ দ্বাৰা ভৰতক যুৱৰাজ পাতিবলৈ আৰু আনটো বৰৰ দ্বাৰা ৰামক চৈধ্য বছৰ নিৰ্বাসন দিয়াৰ প্ৰাৰ্থনাৰে দশৰথৰ বৰ দুটা খুজিবলৈ কৈকেয়ীক মন্থৰাই উচটাই দিলে। প্ৰথমতে কৈকেয়ীয়ে তেনে কাম কৰিবলৈ নিবিচাৰিলেও পিছত মন্থৰাৰ উচটনিত ভোল গৈ, মন্থৰাৰ নিৰ্দেশমতেই দশৰথৰ ওচৰত বৰ ভিক্ষা কৰে। কৈকেয়ীৰ প্ৰাৰ্থনা শুনি দশৰথ মূৰ্চ্ছা যোৱাৰ উপক্ৰম হ'ল; কিন্তু কৈকেয়ীৰ মুখত সকলো শুনি পিতৃৰ বচন ৰক্ষা কৰিবলৈ ৰাম আনন্দমনে বনবাসলৈ যাবলৈ সাজু হ'ল। তেওঁৰ লগত ওলাল ভাতৃ লক্ষ্মণ আৰু অৰ্ধাংগীনি সীতা। ৰাম বনবাসলৈ যোৱাৰ চাৰিদিনৰ পিছতে পুত্ৰশোকত দশৰথৰ মৃত্যু হয়। এই ঘটনাক্ৰমৰ কালছোৱাত ভৰত আৰু শত্ৰুঘ্ন মোমায়েকৰ ঘৰত আছিল। দশৰথৰ মৃত্যুত সিংহাসন শূন্য হোৱাত ভৰত আৰু শত্ৰুঘ্নক অযোধ্যালৈ ঘূৰাই অনা হ'ল। বেজাৰে আৱৰি থকা অযোধ্যাত উপস্থিত হৈ ভৰতে সকলো জানিব পাৰি মাকক ভৰ্ৎসনা কৰে আৰু ককায়েক ৰামক ঘূৰাই আনিবলৈ চিত্ৰকূটলৈ যাত্ৰা কৰে। চিত্ৰকূট বনত ৰামক লগ ধৰি অযোধ্যালৈ ঘূৰাই নিবলৈ অশেষ কাকূতি মিনতি কৰা সত্ত্বেও ভৰত বিফল হ'ল আৰু শেষত ৰামৰ খৰমযোৰকে খুজি লৈ আহে। মনৰ দুখতে ভৰতে অযোধ্যাত প্ৰবেশ নকৰি নন্দীগ্ৰাম নামৰ গাঁও এখনত ৰামৰ খৰমযোৰ সিংহাসনত থাপি ৰাজ্য শাসন কৰিবলৈ লয়।

ইয়াৰ পিছত ৰাম, লক্ষ্মণ আৰু সীতাই চিত্ৰকূট বন এৰি দণ্ডকাৰণ্যত প্ৰৱেশ কৰে আৰু তাৰ পিছত তেওঁলোকে পঞ্চবটীত সোমায়। পঞ্চবটী বনতেই লক্ষ্মণে ৰাৱণৰ ভনীয়েক শূৰ্পণখাৰ নাক-কাণ কটাত, ভনীয়েকৰ অপমানৰ শোতক ভুলিবলৈ সীতাহৰণৰ উদ্দেশ্যে ৰাৱণ পঞ্চবটীলৈ আহে। সীতাক প্ৰলোভিত কৰিবলৈ ৰাৱণে মাৰীচক স্বৰ্ণমৃগৰ ৰূপ ধাৰণ কৰিবলৈ নিৰ্দেশ দিয়ে। সীতা স্বৰ্ণমৃগৰ ৰূপত মুগ্ধ হৈ ৰামক ধৰি আনিবলৈ অনুনয় কৰিবলৈ লোৱাত ৰাম মৃগৰূপী মাৰীচক খেদি বহুদূৰ পায়। ৰাম ঘূৰি নহাত চিন্তিত হৈ সীতাই জোৰকৈ লক্ষ্মণক বিচাৰি যাবলৈ কয়। অৱশেষত বাধ্য হৈ লক্ষ্মণ ওলাই গ'ল যদিও তিনিডাল ৰেখা আঁকি সীতাক সেই ৰেখাৰ বাহিৰলৈ নাহিবলৈ দঢ়াই দঢ়াই কৈ যোৱা সত্ত্বেও সীতাই ভিক্ষাৰীৰূপী ৰাৱণৰ ছলনাত সীমাৰেখাৰ

বাহিৰলৈ অহাত ৰাৱণে নিজৰূপ ধাৰণ কৰি বলপ্ৰয়োগ কৰি পুষ্পক ৰথত তুলি লংকালৈ লৈ যায়। বৃদ্ধ জটায়ু পক্ষীয়ে ৰাৱণক বাধা দিয়ে যদিও ৰাৱণৰ আঘাতত আহত হৈ মাটিত পৰি থাকে। এইফালে মাৰীচক বধ কৰি উভতি আহোঁতে ৰামে বাটতে লক্ষ্মণক লগ পায় আৰু দুই ভাতৃয়ে পৰ্ণকুটীৰলৈ গৈ সীতাক দেখা নাপাই উৎকণ্ঠিত হৈ বিচাৰিবলৈ ধৰে। এনেদৰে বিচাৰি থাকোঁতে আহত হৈ পৰি থকা জটায়ুক লগ পায় আৰু জটায়ুৱে সকলো সংবাদ দিয়েই নিজে মৃত্যুমুখত পৰে। পত্নী বিচ্ছেদত বিহ্বল হৈ পৰা ৰামে ভাতৃ লক্ষ্মণৰ প্ৰবোধ বাক্যত শান্ত হৈ সীতা উদ্ধাৰ অভিযান আৰম্ভ কৰে।

ইয়াৰ পিছতে হনুমানৰ যোগেৰে সুগ্ৰীৱৰ লগত ৰামৰ পৰিচয় ঘটে। সুগ্ৰীৱে তেওঁৰ অগ্ৰজ কিষ্কিন্ধাৰ ৰজা বালীয়ে কিদৰে অন্যায় সাধন কৰিছে, সকলো বৰ্ণনা কৰে আৰু ৰামে যদি বালীক বধ কৰাত সুগ্ৰীৱক সহায় কৰে, তেন্তে তেৰোঁ ৰামক সীতা উদ্ধাৰত সহায় কৰিব বুলি কথা দিয়ে। ৰামে বালীক বধ কৰি সুগ্ৰীৱক কিষ্কিন্ধাৰ ৰজা পাতে আৰু আগৰ চুক্তি অনুসৰি সৈন্য সামন্ত লৈ লংকাক উদ্দেশ্য কৰি সাগৰ তীৰলৈ যাত্ৰা কৰিলে।

সাগৰতীৰত উপস্থিত হৈ ৰামে সীতাৰ অন্বেষণত হনুমানক লংকালৈ পঠাই দিলে। হনুমানে বিচাৰি বিচাৰি ৰাৱণৰ অশোকবনত বিষণ্ণবদনা সীতাক দেখা পায়। সেই সময়ত ৰাৱণে নানান প্ৰলোভনেৰে সীতাৰ মন জয় কৰাৰ চেষ্টা কৰি আছিল; কিন্তু দৃঢ়মনা সীতা অচল অটল হৈ থকাত ৰাৱণ বাধ্য হৈ উভতি যায়। সীতাক পহৰা দিয়া ৰাক্ষসীবোৰৰ টোপনি অহাত হনুমানে সন্তৰ্পণে সীতাক নিজৰ পৰিচয় দিয়ে আৰু প্ৰমাণ হিচাপে লৈ যোৱা ৰামৰ আঙঠিটো দেখুৱায়। হনুমানে অচিৰেই সীতাক উদ্ধাৰ কৰা হ'ব বুলি আশ্বাস দিয়ে আৰু সীতাৰ অভিজ্ঞান স্বৰূপ চূড়ামণি লৈ সাগৰ পাৰ হৈ কিষ্কিন্ধালৈ উভতি আহি অপেক্ষাৰত ৰামক চূড়ামণিসহ সীতাৰ সংবাদ দিয়ে।

হনুমানৰ পৰা সীতাৰ সংবাদ পোৱাৰ পিছত ৰামে বান্দৰ সৈন্য সহ লংকা আক্ৰমণৰ প্ৰস্তুতি চলায়। ইপিনে ৰাৱণৰ ভায়েক বিভীষণে সীতা হৰণৰ প্ৰতিবাদ কৰি ৰামৰ সহধৰ্মীণিক পুনৰ সসন্মানে ঘূৰাই পঠোৱাৰ ব্যৱস্থা কৰিবলৈ ৰাৱণক অনুৰোধ জনায়; কিন্তু বিভীষণৰ পৰামৰ্শ মানি লোৱাৰ সলনি ক্ৰোধান্বিত ৰাৱণে বিভীষণক ৰাজসভাৰ পৰা খেদি দিয়াত তেওঁ ৰামৰ আশ্ৰয় লয়হি।

তাৰ পিছত ৰামে সাগৰদেৱতাৰ পৰামৰ্শমতে নলৰ হতুৱাই সাগৰত শিলৰ সাঁকো সাজি, সাগৰ পাৰ হৈ লংকাত প্ৰৱেশ কৰে। ৰাম-ৰাৱণৰ যুদ্ধ আৰম্ভ হোৱাৰ পিছত লংকাৰ পৰাক্ৰমী বীৰসকল এজন এজনকৈ নিহত হ'ব ধৰিলে। ৰাৱণৰ বীৰ পুত্ৰ ইন্দ্ৰজিতে বাণ নিক্ষেপ কৰি ৰাম আৰু লক্ষ্মণ দুয়োকো নাগপাশত বন্দী কৰে; কিন্তু গৰুড়ৰ আগমনত আতংকিত হৈ নাগবোৰ পলোৱাত তেওঁলোক নাগপাশৰ পৰা মুক্ত হয়। ইন্দ্ৰজিতে কে'বাবাৰো মায়াযুদ্ধৰ সহায়ত ৰাম, লক্ষ্মণৰ প্ৰাণ লোৱাৰ চেষ্টা কৰি ব্যৰ্থ হয় আৰু শেষত যজ্ঞভূমিত যজ্ঞ সম্পূৰ্ণ নৌহওঁতেই ৰামে আক্ৰমণ কৰাত ৰাৱণপুত্ৰ নিহত হয়। প্ৰিয়পুত্ৰ ইন্দ্ৰজিতৰ মৃত্যুত ৰাৱণ শোকত ভাগি পৰে আৰু প্ৰতিশোধৰ তাড়ণাত উন্মত্ত হৈ যুদ্ধক্ষেত্ৰলৈ গৈ শক্তিশেল নিক্ষেপ কৰি লক্ষ্মণক সাংঘাতিকভাবে আহত কৰে। অচেতন লক্ষ্মণৰ চেতনা ঘূৰাই আনিবলৈ সুষেণ বৈদ্যই হিমালয়ৰ গন্ধমাদন চূড়াৰ পৰা বিশেষ ঔষধ এবিধ বিচাৰি আনিবলৈ হনুমানক নিৰ্দেশ দিয়ে; কিন্তু হনুমানে ঔষধবিধ চিনি নোপোৱা বাবে গোটেই গন্ধমাদন চূড়াটোকে দাঙি আনে আৰু বৈদ্যই তাৰ পৰা ঔষধ বিচাৰি উলিয়াই লক্ষ্মণক সুস্থ কৰি তোলে। ইয়াৰ পিছত ৰাৱণে মহাপৰাক্ৰমেৰে যুদ্ধ কৰি শেষত ৰামৰ হাতত নিহত হয়। ৰাৱণৰ মৃত্যুৰ পিছত ৰামে বিভীষণক লংকাৰ ৰাজ সিংহাসনত বহুৱায় আৰু সীতাক অশোকবনৰ পৰা মুক্ত কৰি আনে।

সীতাক উদ্ধাৰ কৰি অনাৰ পিছত ইমানদিন ৰাক্ষসৰ হাতত বন্দী হৈ থকা সীতাৰ সতীত্ব সম্পৰ্কে তেওঁৰ সন্দেহ হোৱা বুলি কয়। ৰামৰ সন্দেহৰ অৱসান ঘটাবলৈ সীতাই তেওঁক অগ্নিপৰীক্ষা কৰাবলৈ কয় আৰু সেই অগ্নি পৰীক্ষাত সীতা পৱিত্ৰ প্ৰমাণিত হয়। ইয়াৰ পিছত আটায়ে অযোধ্যালৈ প্ৰত্যাৱৰ্তন কৰে। ৰাম, সীতা, লক্ষ্মণক ঘূৰাই পোৱাত অযোধ্যাবাসী আনন্দত মতলীয়া হয় আৰু অভিষেক উদ্‌যাপন কৰি ৰামক ৰাজসিংহাসনত বহুৱায়।

এনেদৰে সুখে সন্তোষে কিছুদিন ৰাজত্ব কৰাৰ পিছত এদিন ৰামৰ কাণত পৰিল যে সীতাৰ সতীত্ব সম্পৰ্কে প্ৰজাৰ মাজত নানা ধৰণৰ গুজৱ ওলাইছে। প্ৰজাক সন্তুষ্ট কৰিবলৈ ৰামে সীতাক বনত এৰি আহিবলৈ লক্ষ্মণক নিৰ্দেশ দিয়ে। সীতাক বনত এৰি থৈ আহিবলৈ বাধ্য হয়। বনৰ মাজত ৰোদনৰতা নি:সংগ সীতাক বাল্মিকীয়ে নিজৰ আশ্ৰমত আশ্ৰয় দিয়ে আৰু সেই আশ্ৰমতে

লৱ আৰু কুশ নামৰ দুটা যঁজা সন্তানৰ জন্ম হয়। ইয়াৰ কেইবছৰমানৰ পিছত ৰামে আয়োজন কৰা অশ্বমেধ যজ্ঞত লৱ-কুশই গীত গাই সকলোকে মুগ্ধ কৰে। লৱ-কুশক সোধপোচ কৰাত তেওঁলোক যে সীতাৰ সন্তান সেয়া ওলাই পৰে আৰু তেতিয়া ৰামে সীতাক ঘূৰাই আনিবলৈ ব্যাকুল হৈ পৰে। বাল্মিকীৰ সৈতে সীতা ৰাজসভাত উপস্থিত হোৱাত, ৰামে পুনৰবাৰ সীতাক পবিত্ৰ হৈ থকা বুলি শপত লবলৈ দিলে। বাৰে বাৰে সীতাৰ সতীত্ব সম্পৰ্কে সন্দেহ কৰাৰ দুখত সীতাই ঘোষণা কৰিলে যে যদি তেওঁ ৰামৰ বাহিৰে আন কাকো অন্তৰত ঠাই দিয়া নাই, তেতিয়াহলে আই বসুমতীয়ে ফাঁট মেলি তেওঁক আশ্ৰয় দিব। সীতাৰ ঘোষণাৰ লগে লগে বসুমতীয়ে ফাঁট মেলিলে আৰু সীতাক লৈ পাতাললৈ প্ৰস্থান কৰিলে। ইয়াৰ পাছত ঘটনাৰ পাকচক্ৰত ৰামে প্ৰাণপ্ৰতিম ভাতৃ লক্ষ্মণকো ত্যাগ কৰিবলগা হয়। সীতা আৰু লক্ষ্মণ অবিহনে ৰামৰ পৃথিৱীত থকাৰ মন নোহোৱা হ'ল। তেওঁ পুত্ৰ আৰু ভতিজা সকলৰ মাজত ৰাজ্য ভাগ কৰি দি ভৰত আৰু শত্ৰুঘ্নক লৈ স্বৰ্গগামী হয়।

বাইবেল

(১)

পৃথিবীৰ ভিতৰত আটাইতকৈ বেছি প্ৰচলিত গ্ৰন্থখন হ'ল বাইবেল। অ'ল্ড টেষ্টামেণ্ট (পুৰণি বিধান) আৰু নিউ টেষ্টামেণ্ট (নতুন বিধান) দুয়োটা খণ্ডক একেলগে বাইবেল বোলা হয়। 'বাইবেল' শব্দটোৰ অৰ্থ হ'ল (The books)। অ'ল্ড টেষ্টামেণ্টত খ্ৰীষ্টান সম্পৰ্ক নিউ টেষ্টামেণ্টতকৈ ক্ষীণ। বাইবেল কেৱল ধৰ্ম-গ্ৰন্থই নহয়, ইয়াৰ সাহিত্যিক আৰু ঐতিহাসিক মূল্যও অপৰিসীম।

অ'ল্ড টেষ্টামেণ্টখন এখন একক গ্ৰন্থ নহয়, ই বিভিন্ন যুগত লেখা পুৰাণ আৰু ঐতিহাসিক কাহিনীক বিভিন্ন ইহুদী পণ্ডিত আৰু পুৰোহিত্‌ সকলে কৰা সংকলন। এই কাহিনীবোৰৰ মাজেৰে ইহুদী জাতিৰ চাৰিত্ৰিক বৈশিষ্ট্য, মানসিক উৎকৰ্ষতা আৰু কবিত্ব শক্তি পৰিস্ফুট হৈছে। তদুপৰি অ'ল্ড টেষ্টামেণ্টৰ প্ৰফেটসকলৰ কাৰ্যকলাপৰ মাজেৰে ন্যায়ৰ যি বাণী প্ৰকাশ পাইছে সি চিৰকালৰ বাবে প্ৰেৰণাৰ উৎস স্বৰূপ। যেতিয়াই কোনো ক্ষমতাত থকা ব্যক্তিয়ে আন ব্যক্তিৰ ওপৰত অন্যায় অবিচাৰ কৰিছে বা যেতিয়া কোনো সমাজ দুৰ্নীতি গ্ৰস্ত হৈছে তেতিয়াই প্ৰফেট সকলে সেই ব্যক্তি বা সমাজক সতৰ্কবাণী শুনাইছে, গৰিহণা দিছে, সমস্ত সমাজ-ব্যৱস্থাক প্ৰত্যাহ্বান জনাইছে। প্ৰাচীন কোনো ধৰ্মগ্ৰন্থতে প্ৰফেট সকলৰ দৰে বিপ্লৱী চৰিত্ৰ দেখিবলৈ পোৱা নাযায়।

প্ৰাচীন কালত ৰাজনৈতিক প্ৰভাৱৰ দিশৰ পৰা হিব্ৰু বা ইহুদীসকল বিশেষ গুৰুত্বপূৰ্ণ জাতি নাছিল। খ্ৰীষ্টপূৰ্ব প্ৰায় ১৯০০ চনত মেছোপটেমিয়াৰ উৰ অঞ্চলৰ পৰা আব্ৰাহাম নামৰ এজন নেতাৰ নেতৃত্বত ছেমিটিক জাতিৰ এটা ক্ষুদ্ৰ গোষ্ঠী কানান বা পেলেষ্টাইনলৈ আহিছিল। বাইবেলৰ পৰা জনা যায় যে কানানত এবাৰ ভীষণ দুৰ্ভিক্ষ হোৱাত আব্ৰাহামৰ বংশধৰ সকলে ক্ৰমে ইজিপ্তলৈ প্ৰব্ৰজন কৰে। প্ৰথম পৰ্যায়ত ইজিপ্তত হিব্ৰুসকলে ইজিপ্ত ৰজাৰ পৰা সমাদৰ পাইছিল যদিও দ্বিতীয় ৰামেছিছ ৰজা হোৱাত তেওঁলোকক দাসত পৰিণত কৰা হ'ল। প্ৰায় ১৪০০/১৩০০ খ্ৰীষ্টপূৰ্বত মোজেছৰ নেতৃত্বত

ইহুদীসকলে ইজিপ্তৰ পৰা পলায়ন কৰি পুনৰ কানানলৈ আহে। কানানত প্ৰতিষ্ঠা লাভ কৰিবলৈ তেওঁলোকে অহৰহ সংগ্ৰাম কৰিবলগীয়া হৈছিল। কানানত তেওঁলোকৰ নেতা প্ৰথমে আছিল মোজেছ। পিছত তেওঁলোক শাসিত হৈছিল যছুৱা আদি প্ৰফেট আৰু দলপতিসকলৰ দ্বাৰা। ফিলিষ্টাইনসকলৰ সৈতে অনৱৰত সংঘৰ্ষত লিপ্ত হ'বলগীয়া হোৱাত তেওঁলোকে ছলক প্ৰথম ৰজা হিচাপে নিৰ্বাচিত কৰে।

অ'ল্ড টেষ্টামেন্টত ভালেমান অলৌকিক কাহিনী থকা কাৰণে খৃষ্টানসকলে ইয়াক বহুদিনলৈ ৰৰবেছি গুৰুত্ব দিয়া নাছিল যদিও পিছত পণ্ডিতসকলে বেবিলন আৰু এচিৰিয়াত পোৱা শিলালিপিৰ পাঠোদ্ধাৰ কৰাত প্ৰমাণিত হৈছে যে এই গ্ৰন্থৰ বহুলাংশে ঐতিহাসিক সত্যৰ ওপৰত প্ৰতিষ্ঠিত। যোৱা পঞ্চাছ বছৰত মধ্য প্ৰাচ্য আৰু ইজিপ্তত আবিষ্কৃত তথ্যপাতিৰ পৰা এই কথা দৃঢ়ভাৱে স্বীকৃত হৈছে।

ৰজা ছোলোমোনৰ ৰাজত্ব কালত নানান সমৃদ্ধিশালী হৈ উঠিছিল। ৯২২ খ্ৰীষ্টপূৰ্বত তেওঁৰ মৃত্যুৰ পিছত ৰাজ্যখন দুখণ্ডত ভাগ হয়। উত্তৰৰ অংশৰ নাম হয় ইজৰাইল আৰু দক্ষিণৰ অংশৰ নাম হয় জুডা। এই সময়তে বাইবেলৰ কাহিনীবোৰ পুৰোহিত পণ্ডিত সকলৰ দ্বাৰা সংকলিত হ'ব ধৰে আৰু খ্ৰীষ্টপূৰ্ব পঞ্চম শতিকাত ই পূৰ্ণাংগ ৰূপ পায়।

খ্ৰীষ্টপূৰ্ব ৭২১ত এছিৰীয়সকলে ইজৰাইল দখল কৰে। তাৰ প্ৰায় ১৪০ বছৰ পিছত এছিৰীয় সাম্ৰাজ্যৰ পতন হোৱাত বেবিলনৰ দ্বাৰা জুডা অধিকৃত হয়। জেৰুজালেম ধ্বংস হয়। বেবিলনৰ আধিপত্য পাৰ্ছিয়ান সকলে ওফৰাই দিয়ে আৰু সম্ৰাট চাইৰাছে ইহুদীসকলক জেৰুজালেমলৈ উভতি যোৱাৰ অনুমতি দিয়ে। খ্ৰীষ্টপূৰ্ব ৩৩৪ত আলেকজেণ্ডাৰ ডি-গ্ৰেটে ইজৰাইল জয় কৰে। তেওঁৰ মৃত্যুৰ পিছত সেনাপতিসকলে ৰাজ্য ভোগ কৰে, যদিও প্ৰায় ৬৫ খ্ৰীষ্টপূৰ্বলৈ ইহুদীসকলে স্বাধীনতা ভোগ কৰিছিল। কিন্তু এই সময়তে সিংহাসনৰ অধিকাৰ লৈ গৃহযুদ্ধ হোৱাত ৰোমানসকলে হস্তক্ষেপ কৰে। ইহুদীসকলে ৰোমান হস্তক্ষেপৰ বিৰুদ্ধে কেবাবাৰো বিদ্ৰোহ কৰে। খ্ৰীষ্টাব্দ ৭০ত হোৱা শেষতম বিদ্ৰোহত ৰোমানসকলে জেৰুজালেমৰ ইহুদী দেৱমন্দিৰ ধ্বংস কৰে আৰু ইহুদীসকলক দেশান্তৰ কৰে। তেতিয়াৰ পৰা ১৯৪৮ চনলৈ ইহুদীসকলৰ নিজা ৰাষ্ট্ৰ নাছিল। পৃথিৱীৰ নানা দেশত তেওঁলোক সিঁচৰিত হৈ থাকিবলগীয়া হৈছিল।

১৯৪৮ চনত ইজৰাইল ৰাষ্ট্ৰ গঠন হোৱাত ইহুদীসকলে পুনৰ নিজৰ বুলিবলৈ এখন দেশ পালে।

অ'ল্ড টেষ্টামেণ্টত খ্ৰীষ্টধৰ্মৰ পূৰ্বাভাস আছে আৰু সেইকাৰণেই নিউ টেষ্টামেণ্টৰ সৈতে ইও খ্ৰীষ্টানসকলৰ অৱশ্য পাঠ্যগ্ৰন্থ হোৱাত ইয়াৰ বহুল প্ৰচলন ঘটে। অন্যথায় অ'ল্ড টেষ্টামেণ্টে বিশেষ গুৰুত্ব নাপালেহেঁতেন। তদুপৰি অন্যান্য ধৰ্মগ্ৰন্থতকৈ অ'ল্ড টেষ্টামেণ্টৰ বিশেষত্ব ইয়াতেই যে ই হ'ল ঈশ্বৰে মানুহৰ সৈতে কৰা এখন চুক্তি। ইহুদীসকলৰ আদি পুৰুষ আব্ৰাহামৰ সৈতে ঈশ্বৰে নতুন দেশ আৰু উজ্বল ভৱিষ্যত দান কৰাৰ চুক্তি কৰিছিল আৰু তাৰ বিনিময়ত ইহুদীসকলৰ পৰা তেওঁ নিৰ্দেশ কৰা নীতি মানি চলাৰ প্ৰতিশ্ৰুতি লৈছিল। অ'ল্ড টেষ্টামেণ্টৰ পুৰোহিত, শাসক, প্ৰফেট, বীৰ আৰু জনসাধাৰণে সেই চুক্তিৰ যি ব্যাখ্যা নানা সময়ত কৰিছিল, সেই ব্যাখ্যা সমূহেই দৰাচলতে গ্ৰন্থখনৰ মূল কথা। অ'ল্ড টেষ্টামেণ্টত কোৱা হৈছে যে ঈশ্বৰ এজনেই আৰু তেওঁ হ'ল ন্যায়বিচাৰৰ ঈশ্বৰ। জেহোভা বা ঈশ্বৰ কেৱল ইহুদী সকলৰ বাবে নহয়, সকলো মানুহৰ কাৰণেই। কেৱল বাহ্যিক পূজা-সেৱা, বলি বিধানে ঈশ্বৰক সন্তুষ্ট নকৰে- যদিহে লগতে প্ৰকৃত ভক্তি ভাব নাথাকে। অ'ল্ড টেষ্টামেণ্ট হ'ল ঈশ্বৰৰ সৈতে মানুহৰ সম্পৰ্ক, ব্যাখ্যাকাৰী গ্ৰন্থ। ঈশ্বৰে নিৰ্দেশ কৰা শান্তিৰ পথেৰে নগৈ যুঁজ বাগৰৰ পথ লোৱাক গৰিহণা দি প্ৰফেটসকলে বাৰে বাৰে সকীয়াই দিছে এইদৰে: ঈশ্বৰে জাতিসমূহৰ বিচাৰ কৰি তেওঁলোকক সতৰ্কবাণী শুনাব। জাতিসমূহে তেওঁলোকৰ তৰোৱাল পিটি নাঙলৰ ফাল কৰিব; জাতিয়ে জাতিৰ বিৰুদ্ধে অস্ত্ৰ নুতুলিব। তেওঁলোকে ভৱিষ্যতে কেতিয়াও যুদ্ধবিদ্যা নিশিকিব।

নিউ টেষ্টামেণ্ট

খ্ৰীষ্টান ধৰ্ম প্ৰতিষ্ঠা হোৱাৰ পিছত বহু বছৰলৈ এই ধৰ্মৰ কোনো সুকীয়া ধৰ্মগ্ৰন্থ নাছিল। আদিতে যিহেতু এই ধৰ্ম ইহুদীসকলৰে এটা উপধৰ্মৰূপে পৰিচিত আছিল, সেয়ে তেওঁলোকৰ ধৰ্মগ্ৰন্থকে খ্ৰীষ্টানসকলেও মানি চলিছিল। যীশুৰ সমসাময়িক খ্ৰীষ্টানসকলে সুকীয়া ধৰ্মগ্ৰন্থৰ আৱশ্যকতাও বৰকৈ অনুভৱ কৰা নাছিল এইবাবেই যে তেওঁলোকে বিশ্বাস কৰিছিল যীশু শীঘ্ৰেই স্বৰ্গৰ পৰা

নামি আহিব আৰু পৃথিৱীত সুখ-শান্তিৰ এক নবযুগ, প্ৰৱৰ্তন কৰিব।

কিন্তু যীশুৰ দ্বিতীয় আবিৰ্ভাৱৰ আশা কৰা মতে সোনকালে নঘটিল। আনহাতে খ্ৰীষ্টধৰ্মাৱলম্বী লোকৰ সংখ্যা ক্ৰমাৎ বাঢ়িবলৈ ধৰিলে। এই পিছৰ প্ৰজন্মৰ লোকসকলৰ যীশুৰ সৈতে সাক্ষাৎ বিনিময় হোৱা নাছিল, তদুপৰি যীশুৰ সমসাময়িক প্ৰধান শিষ্যসকলৰ সৈতেও নতুন খ্ৰীষ্টধৰ্মীসকলৰ সৈতে যোগাযোগ নাছিল। সেই কাৰণেই খ্ৰীষ্টধৰ্মৰ নীতি-নিয়ম সম্পৰ্কে কৰ্তৃত্বশীল আধাৰৰ আৱশ্যকতা অনুভূত হ'বলৈ ধৰিলে। যীশুৰ মৃত্যুৰ কিছুমান বছৰৰ পিছত প্ৰধান শিষ্যসকলৰ দ্বাৰা যীশুৰ জীৱন, কাৰ্যাৱলী আৰু ধৰ্মমত সম্পৰ্কীয় ভালেমান বিৱৰণী লিখিত হ'ল। বিভিন্ন জনৰ দ্বাৰা বিভিন্ন প্ৰেক্ষাপটত বিভিন্ন দৃষ্টি-ভংগীৰ পৰা লেখি উলিওৱা এই বিৱৰণী সমূহ কালক্ৰমত পৰিমাৰ্জিত আৰু সম্পাদিত হৈ 'নিউ টেষ্টামেন্ট' ৰূপে সংকলিত হ'ল। টেষ্টামেন্ট শব্দটোৰ অৰ্থ হ'ল চুক্তি বা বিধান। ঈশ্বৰ আৰু মানুহৰ মাজত যি.....সম্পৰ্ক বিদ্যমান তাকেই বাইবেলত চুক্তি বা বিধান বোলা হৈছে। যীশুৰ জন্ম, মৃত্যু আৰু পুনৰুত্থানৰ ঘটনাই নতুন বিধানৰ আৱশ্যকতা উপস্থিত কৰালে। খ্ৰীষ্টীয় ধৰ্ম-বিশ্বাসত পুৰণি আৰু নতুন দুয়োখন বিধানৰ গুৰুত্ব আছে। নতুন বিধানক পুৰণি বিধানৰ চৰম পৰিণতি আৰু শীৰ্ষবিন্দু হিছাপে জ্ঞান কৰা হয়। দুয়োখন বিধানক একেলগে 'বাইবেল' বোলা হয়।

ধৰ্মতত্ত্বৰ দিশৰ পৰা অধিক মূল্যবান হ'লেও নিউ টেষ্টামেন আকাৰত অ'ল্ড টেষ্টামেন্টতকৈ সৰু। ই সাতাইশখন গ্ৰন্থৰ সংকলন। এইবোৰ লিখিত হৈছিল গ্ৰীক ভাষাত। কিন্তু এই গ্ৰীক প্লেটো এৰিষ্টট'ল আদিৰ দৰে উচ্চমানৰ সাহিত্যিক গ্ৰীক নাছিল, আছিল সাধাৰণ মানুহে কোৱা সহজ গ্ৰীক। পেলেষ্টাইনৰ ইহুদীসকলে কোৱা আৰামাইক ভাষাৰ সৈতে এই গ্ৰীক ভাষাৰ সংমিশ্ৰণ ঘটিছিল।

সংকলিত গ্ৰন্থবোৰ বৰ্তমান যি ক্ৰম অনুসৰি নিউ টেষ্টামেন্টত পোৱা যায়, সেই ক্ৰম অনুসৰি আদিতে লেখা হোৱা নাছিল। প্ৰথমে লেখা হৈছিল চেণ্টপলৰ 'এপিষ্টল' (Epistle) বা চিঠি সমূহ, তাৰ পিছত ক্ৰমে চেণ্টপিটাৰ, চেণ্টজন আৰু চেণ্ট জুডৰ 'এপিষ্টল' সমূহ। এওঁলোক আছিল খ্ৰীষ্টান ধৰ্মৰ আদি প্ৰচাৰক বা মিছনেৰী। পলে ৪৬ বা ৪৭ খ্ৰীষ্টাব্দত তেওঁৰ মিছনেৰী কৰ্ম আৰম্ভ কৰে আৰু ইয়াৰ চাৰি-পাঁচ বছৰমানৰ পিছত মুখেৰে প্ৰচাৰ কৰা

কথাবোৰ চিঠিৰ আকাৰত লিপিবদ্ধ কৰে। সেইসময়ত এছিয়া মাইনৰ, গ্ৰীচ, ৰোম আদিত নব দীক্ষিত খ্ৰীষ্টানসকলৰ সৰু সৰু গোষ্ঠী কিছুমান গঠিত হৈছিল। এইসকল যাতে ভণ্ড প্ৰচাৰকৰ দ্বাৰা প্ৰভাবিত নহয়, সেই উদ্দেশ্যেই খ্ৰীষ্টধৰ্মৰ মূল কথাবোৰ চেন্ট পলে চিঠিৰ আকাৰত লেখি পঠিয়াইছিল। সেইদৰে আন আন আদি প্ৰচাৰক (এওঁলোক 'এপছল বা অৱতাৰ নামে জনাজাত) কেইজনেও চিঠি লেখি খ্ৰীষ্টধৰ্মৰ বাণীবোৰ লিপিবদ্ধ কৰিছিল। গোষ্ঠীসমূহে চিঠিবোৰ পোৱাৰ পিছত নিজৰ মাজত পঢ়িছিল, ব্যাখ্যা কৰিছিল আৰু তাৰ প্ৰতিলিপি প্ৰস্তুত কৰি ওচৰ-চুবুৰীয়া অঞ্চলবোৰত প্ৰচাৰ কৰিছিল।

'এপিছিল'বোৰ প্ৰচাৰিত হোৱাৰ লগে লগে যীশুৰ জীৱন শিক্ষা, মৃত্যু আৰু পুনৰুত্থানৰ কাহিনী সম্বলিত চাৰিখন গ্ৰন্থ (গছপেল) ৰচিত হৈছিল। যীশুৱে নিজে একো লেখি থৈ যোৱা নাছিল। তেওঁৰ প্ৰত্যক্ষ শিষ্যসকলেও বহুদিনলৈ লেখাৰ প্ৰয়োজনীয়তা অনুভৱ কৰা নাছিল। কিন্তু দিন যোৱাৰ লগে লগে প্ৰভুৰ জীৱন-কথা, তেওঁৰ কাৰ্যাৱলী আৰু শিক্ষা সম্পৰ্কীয় কৰ্তৃত্বশীল বিৱৰণ আৱশ্যক হৈ উঠিল। পণ্ডিত সকলৰ মতে প্ৰায় ৫০ খ্ৰীষ্টাব্দত পেলেষ্টাইনত পোন-প্ৰথমে যীশু-জীৱনী সম্পৰ্কীয় দলিল প্ৰকাশিত হয়। পিছত মাৰ্কলিখিত সু-সমাচাৰ (গছপেল) ৬৫-৭৫ খ্ৰীষ্টাব্দৰ ভিতৰত প্ৰকাশ পায়। লুক আৰু মেথিউ লিখিত সু-সমাচাৰ প্ৰকাশ পায় ক্ৰমে ৮০-৮৫ আৰু ৮৫-৯০ খ্ৰীষ্টাব্দৰ ভিতৰত। এই তিনিখন গছপেলৰ তুলনাত চেন্টজনৰ গছপেলখন কিছু বেলেগ। চাৰিখন গছপেলৰ উপৰিও 'অৱতাৰ সকলৰ কাৰ্যাৱলী' (acts of the Apostles) চেন্টলুকৰ দ্বাৰা লিখিত হয় বুলি কথিত আছে। ইয়াৰ প্ৰকাশ কাল ৮৫ খ্ৰীষ্টাব্দ।

নিউ টেষ্টামেণ্টৰ শেষ গ্ৰন্থখন হ'ল 'মহাপুৰুষ চেন্টজনৰ গোপন বাৰ্তা প্ৰকাশ(The Revelation of St. John the Divine)। ইয়াত প্ৰধানত: ৰোমান সাম্ৰাজ্যৰ পতন সম্বন্ধে ভৱিষ্যতবাণী কৰা হৈছে। অত্যাচাৰী ৰোমান সম্ৰাট নিৰো অথবা ডমিচিয়ানৰ ৰাজত্বকালত ক্ৰমে ৬৫ অথবা ৯৫ খ্ৰীষ্টাব্দত ই লিখিত হয়।

যীশুৰ জীৱন-কথা আৰু শিক্ষা লৈ বৰ্তমানে নিউ টেষ্টামেণ্টত পোৱা গছপেল চাৰিখনৰ উপৰিও ভালেমান গ্ৰন্থ লেখা হৈছিল যদিও, সেইবোৰ

প্ৰক্ষিপ্ত বুলি গণ্য কৰি চতুৰ্থ শতিকাত হিপ্পো আৰু কাৰ্থেজত অনুষ্ঠিত ধৰ্ম-মহাসভাত চেণ্ট জেৰোম আৰু চেণ্ট আগাষ্টাইনৰ নেতৃত্বত নিউ টেষ্টামেণ্টক স্থায়ী ৰূপ দিয়া হয়।

নিউ টেষ্টামেণ্টক একাধাৰে ইতিহাস আৰু ধৰ্মগ্ৰন্থ হিচাপে গণ্য কৰা হয়।

কোৰান

(১০)

যেতিয়া মক্কাবাসীসকলে মহম্মদক তেওঁৰ ঈশ্বৰ-প্ৰদত্ত ক্ষমতা প্ৰমাণ কৰাৰ কাৰণে অলৌকিক কাৰ্য প্ৰদৰ্শনৰ বাবে প্ৰত্যাহ্বান জনাইছিল, তেতিয়া তেওঁ এখন এনেকুৱা গ্ৰন্থৰ কথা কৈছিল যিখনে তেওঁৰ তত্বাৱধানত ৰূপ পৰিগ্ৰহণ কৰিব ধৰিছিল। তেওঁ কৈছিল যে অতি গম্ভীৰ আৰু মহত্বপূৰ্ণ ভাষাত ৰচিত হ'ব ধৰা সেই গ্ৰন্থ মানুহৰ সৃষ্টি নহয়। তেওঁ সেইখন লেখা নাই, কাৰণ তেওঁ নিজেই অশিক্ষিত, অনাখৰী। গতিকে সেই গ্ৰন্থখনেই হ'ব অলৌকিকৰো অলৌকিক বস্তু বেহেস্তৰ (স্বৰ্গ) পৰা পোনে পোনে নামি অহা ঈশ্বৰ-প্ৰদত্ত গ্ৰন্থ- য'ত আল্লাৰ বাণী লিপিবদ্ধ থাকিব।

এই গ্ৰন্থখনেই হ'ল কোৰান। যদিও ইয়াক সাধাৰণতে কোৰান বুলিয়েই কয়, প্ৰকৃত উচ্চাৰণ হ'ব লাগে 'কুৰান'। আৰবী ভাষাত ইয়াৰ অৰ্থ হ'ল, অধ্যয়ন বা বক্তৃতা বা আবৃত্তি বা অধ্যয়ন কৰিবলগীয়া গ্ৰন্থ। তেৰটা শতাব্দী ধৰি এই গ্ৰন্থখন পৃথিৱীৰ এটা মহৎ ধৰ্মৰ একমাত্ৰ ধৰ্মগ্ৰন্থ ৰূপে পৰিগণিত হৈ আহিছে। পয়গম্বৰ মহম্মদৰ নামৰ সৈতে বজিতা খুৱাই এই ধৰ্মক মহম্মদীয় বোলা হয় যদিও পয়গম্বৰে নিজে তেওঁ প্ৰচাৰ কৰা ধৰ্মক 'ইছলাম' বুলি কৈছিল। 'ইছলাম' শব্দৰ অৰ্থ হ'ল ঈশ্বৰ বা আল্লাৰ ইচ্ছাৰ ওচৰত আত্মদান বা আত্মসমৰ্পণ কৰা কাৰ্য।

ইছলাম ধৰ্মৰ লোক পৃথিৱীৰ প্ৰায় সকলো ঠাইতে আছে যদিও এছিয়া আৰু আফ্ৰিকাতহে তেওঁলোকৰ সংখ্যাধিক্য। তেওঁলোকক মহম্মেদান বোলা হয়। কিন্তু তেওঁলোকে নিজে 'মোছলেম' বা 'মুছলিম' বুলিহে পৰিচয় দিয়ে। এই শব্দটো আহিছে মূল 'ইছলাম' শব্দৰ পৰা আৰু ইয়াৰ অৰ্থ হ'ল বিশ্বাসী বা আল্লাত আত্মসমৰ্পণকাৰী। মুছলিম সকলে মহম্মদক উপাসনা নকৰে যদিও তেওঁক আল্লাৰ শেষপ্ৰেৰিত দূত হিচাপে অত্যন্ত উচ্চ আৰু শ্ৰদ্ধাৰ আসন দিয়ে। তেওঁলোকে বিশ্বাস কৰে যে আল্লাই তেওঁৰ বাণী প্ৰচাৰৰ বাবে মহম্মদক

বিশেষভাবে পৃথিৱীলৈ পঠিয়াইছিল। ইছলাম ধৰ্মৰ মৌলিক বিশ্বাস হ'ল এয়ে যে আল্লাৰ বাহিৰে আন ভগৱান নাই আৰু মহম্মদ আল্লাৰ দূত বা প্ৰফেট পয়গম্বৰ (ৰচুল)।

বহুতেই কোৰাণখন মহম্মদে লেখা বুলি ভুলকৈ ভাবে। মুছলিমসকলৰ মতে এনেদৰে ভবাটো কেৱল ভুলেই নহয়, পাপো। তেওঁলোকৰ মানত কোৰাণৰ সৃষ্টিকৰ্তা হ'ল আল্লা স্বয়ং। এই গ্ৰন্থ সৃষ্টিৰ আদিৰে পৰা স্বৰ্গত আল্লাৰ ওচৰত থকা এখন বিশাল টেবুলত থৈ দিয়া আছিল। ইয়াৰে কাগজত লেখা আৰু সোণ-ৰূপ খটোৱা এটা প্ৰতিলিপি দেৱদূত জিব্ৰাইলে বছৰত একোবাৰকৈ মহম্মদক দেখুৱাইছিলহি, কিন্তু পয়গম্বৰৰ ধৰ্মপ্ৰচাৰৰ শেষ বছৰটোত দুবাৰ দেখুৱাইছিল। দেৱদূত জিব্ৰাইলে মাজে-সময়ে কোৰাণখন মহম্মদক পঢ়ুৱাই শুনাইছিল। মহম্মদে তেওঁৰ স্মৃতিৰ পৰা অনুলেখকসকলক কোৰাণৰ শ্লোকবোৰ কৈ গৈছিল আৰু তেওঁলোকে সেইবোৰ যথাযথভাবে লিপিবদ্ধ কৰিছিল।

মহম্মদে কোৰাণক অলৌকিক আখ্যা দিছিল। ধৰ্মীয় দৃষ্টিকোণৰ কথা এৰিও, যি সময়ত আৰবী ভাষা একেবাৰে প্ৰাথমিক স্তৰত আছিল সেইসময়ত বিশুদ্ধ ধ্ৰুপদী আৰবীত কোৰাণৰ আবিৰ্ভাব দৰাচলতে এক আশ্চৰ্যজনক ঘটনা বুলিয়েই ক'ব লাগিব। য'তেই ইছলামধৰ্মী লোক আছে তাতেই কোৰাণ ধৰ্ম, শিক্ষা, আইন আৰু ৰাজনৈতিক ব্যৱস্থাৰ আধাৰ স্বৰূপ হৈ আছিছে। দৈনন্দিন জীৱনৰ প্ৰতিটো পৰ্যায়তে কোৰাণক নিৰ্ভৰযোগ্য আৰু কৰ্তৃত্বশীল প্ৰদৰ্শক হিছাপে মুছলমানসকলে জ্ঞান কৰে।

কোৰাণ আয়তনৰ বৃহৎ নহয়। ইয়াত ৭৭,৬৩৯ টা শব্দ আছে। সৰ্বমুঠ আখৰৰ সংখ্যা ৩,২৩,০১৫ টা। কোৰাণখন কেইবাটাও অধ্যায়ত বিভক্ত। অধ্যায়বোৰক 'ছুৰা' বোলা হয়। মুঠ 'ছুৰাৰ' সংখ্যা ১১৪ টা। কোৰাণৰ আৰম্ভণিৰ অধ্যায়টো চুটি। মাত্ৰ ছটা শাৰীত সম্পূৰ্ণ। ই হ'ল আল্লাৰ প্ৰাৰ্থনা-মন্ত্ৰ। পৃথিৱীৰ গোড়া মুছলমানসকলে দিনটোত কেইবাবাৰো এই প্ৰাৰ্থনা আওঁৰায়। এই অধ্যায়টোক বোলা হয় 'ফাটিহা' অৰ্থাৎ ভূমিকা বা আৰম্ভণি। অসমীয়াত অনুবাদ কৰিলে 'ফাটিহা' এনেকুৱা হয়।

'সকলো পৃথিৱীৰ গৰাকী আল্লাক প্ৰশংসা কৰো! সহানুভূতিশীল আৰু

ক্ষমাশীল! শেষ বিচাৰৰ ৰজা! আমি কেৱল তোমাক উপাসনা কৰোঁ আৰু তোমাৰ পৰাই সহায় বিচাৰোঁ। আমাক সৎ পথেৰে পৰিচালিত কৰা, তুমি যিসকলৰ প্ৰতি প্ৰসন্ন সেই সকলৰ পথেৰে, তুমি যি সকলৰ প্ৰতি বিৰূপ সেইসকলৰ পথেৰে নহয়, যি সকল বিভ্ৰান্ত সেই সকলৰ পথেৰে নহয়।'

কোৰানত আৰম্ভণি আৰু সমাপ্তি হৈছে এই মূলকথাখিনিৰে। কোৰানত এনে এটা পৃষ্ঠা নাই য'ত আল্লাৰ গৌৰৱ, মহত্ব, দয়াশীলতা আৰু জগতে আল্লাৰ ৰুদ্ৰমূৰ্ত্তিৰ কথা উল্লেখ কৰা হোৱা নাই। দ্বিতীয় অধ্যায়ত কোৱা হৈছে:

'আল্লা! জীৱন্ত আৰু অনন্ত আল্লাৰ বাহিৰে আন ঈশ্বৰ নাই। তেওঁ নিদ্ৰাহীন। স্বৰ্গ আৰু বিশ্বৰ সকলোৰে গৰাকী তেওঁ। তেওঁৰ অনুমতি বিনে কোনেও একো কৰিব নোৱাৰে। তেওঁ অতীত আৰু ভৱিষ্যৎ সকলো জানে। তেওঁৰ ইচ্ছা অবিহনে মানুহে একো নাজানে। স্বৰ্গ আৰু মৰ্ত্যত তেওঁৰ সিংহাসন বিস্তৃত। মহিমান্বিত গৌৰৱান্বিত আল্লাৰ বাবে স্বৰ্গ মৰ্ত্ত্যৰ সংৰক্ষণ কোনো কথাই নহয়।" -

১১২ নং অধ্যায়টো আটাইতকৈ চুটি। তাত কোৱা হৈছে : কোৱা- আল্লা এক আৰু অনন্ত।

তেওঁ জন্ম নিদিয়ে, তেওঁকো কোনেও জন্ম দিয়া নাই। তেওঁৰ নিচিনা আন কোনো নাই।

৪নং অধ্যায়ত কোৱা হৈছে : হে প্ৰকৃত বিশ্বাসীসকল, আল্লা আৰু তেওঁৰ ৰচুলৰ ওপৰত, তেওঁ ৰচুললৈ পঠোৱা শাস্ত্ৰ আৰু আগতে পঠোৱা শাস্ত্ৰসমূহৰ ওপৰত বিশ্বাস ৰাখা। যিজনে আল্লা, তেওঁৰ দেৱদূতসকল, তেওঁৰ শাস্ত্ৰসমূহ তেওঁৰ ৰচুলসকল আৰু শেষ দিনৰ (কেয়ামত) ওপৰত বিশ্বাসহীন জন সত্য পথৰ পৰা বহুদূৰত অৱস্থিত।' এই কথা আৰু অন্যান্য ভালেমান কথাৰ পৰা বুজিব পাৰি যে মহম্মদে নতুন ধৰ্ম প্ৰচাৰ কৰা বুলি ভবা নাছিল, বৰং ধৰ্মৰ বিশুদ্ধতা স্থাপন কৰিবলৈ আল্লাই তেওঁক পঠিয়াইছিল। আদাম, আব্ৰাহাম আৰু অন্যান্য পয়গম্বৰ সকলৰ আগত আল্লাই প্ৰকৃত ধৰ্মৰ ৰহস্য উন্মোচন কৰিছিল, কিন্তু কালক্ৰমত সেই ধৰ্মৰ গ্লানি হোৱাত আল্লাই ধৰ্ম পুনৰ প্ৰতিষ্ঠাৰ বাবে মহম্মদক প্ৰেৰণ কৰিছিল।

কোৰানত আঠাইশ গৰাকী পয়গম্বৰৰ নাম উল্লেখ কৰা হৈছে। ইয়াৰ

ওঠৰ গৰাকী অ'ল্ড টেষ্টামেন্টৰ পৰা আৰু তিনিগৰাকী নিউ টেষ্টামেন্টৰ পৰা অনা। বাকী সাত গৰাকীৰ শেষতম আৰু মহত্তম গৰাকী হ'ল মহম্মদ স্বয়ং। কোৰাণ হ'ল আল্লাই মহম্মদলৈ পঠোৱা শাস্ত্ৰ। আগৰ শাস্ত্ৰ-সমূহ হ'ল অ'ল্ড টেষ্টামেন্ট, ডেভিদৰ প্ৰাৰ্থনা, সংগীতসমূহ আৰু নিউ টেষ্টামেন্ট। এই আটাইবোৰ ভগৱানৰ বাণীৰ অংশ। কোৰাণ হ'ল ভগৱানৰ সম্পূৰ্ণ সত্য প্ৰকাশক শাস্ত্ৰ। এই কথা সহজেই অনুমেয় যে বাইবেল সম্পৰ্কে মহম্মদে বহুখিনি জানিছিল। কোৰাণত দেৱদূত বৃন্দৰ কথা প্ৰায়েই উল্লেখিত হৈছে। তেওঁলোক বেহেস্তৰ (স্বৰ্গৰ) বাসিন্দা, তেওঁলোকে আল্লাৰ সিংহাসন বহন কৰে তেওঁক অহৰহ উপাসনা কৰে, তেওঁৰ দূত হিচাপে মাজে মাজে পৃথিৱীলৈ নামি আহে। দেৱদূত সকলৰ ভিতৰত বিখ্যাত হ'ল জিব্ৰাইল। মহম্মদৰ ওচৰলৈ কোৰাণ বহন কৰি অনাৰ দায়িত্ব তেওঁৰ ওপৰতে অৰ্পিত হৈছিল।

কোৰাণৰ আন এটা গুৰুত্বপূৰ্ণ বিষয়বস্তু হ'ল বিচাৰ-দিৱস (কেয়ামতৰ বিচাৰ) আৰু তাৰ পৰৱৰ্তী কাল। এই সম্পৰ্কে কেতবোৰ কথা তলত দিয়া ধৰণৰ :

'যেতিয়া বেলিক আঁতৰাই নিয়া হ'ব, তৰাবোৰ খহি পৰিব, পৰ্বতবোৰ নাইকিয়া হ'ব, দহমহীয়া গৰ্ভৱতী উটবোৰক অৱহেলা কৰা হ'ব, বনৰীয়া জন্তুবোৰ একগোট হ'ব, সাগৰবোৰ উতলিবলৈ ধৰিব, আত্মাক আকৌ দেহৰ সৈতে সংযোজিত কৰা হ'ব, জীয়াই জীয়াই কবৰস্থ কৰা কন্যা সন্তানসকলক কি দোষৰ বাবে মৰা হৈছিল সোধা হ'ব, বহীবোৰ খোলা হ'ব, স্বৰ্গ আঁতৰাই দিয়া হ'ব, নৰকত সাংঘাতিক অগ্নি জ্বলিব, স্বৰ্গ ওচৰলৈ নামি আহিব, তেতিয়া প্ৰতিটো আত্মাই নিজৰ কৃত-কৰ্ম সম্পৰ্কে জানিবলৈ পাব।'

(৮১ নং অধ্যায়)।

প্ৰত্যেকজন মানুহৰ ভাগ্য আমি তেওঁৰ ডিঙিত আঁৰি থৈছো। পুনৰুত্থানৰ দিনত প্ৰত্যেকজনকে নিজৰ নিজৰ কামৰ হিচাপ ৰাখি থোৱা বহী একোখন দিয়া হ'ব। বহীবোৰ মেলিবলৈ কোৱা হ'ব। দেৱদূতসকলে প্ৰত্যেকজনকে ক'ব তোমাৰ বহীখন পঢ়ি চোঁৱা, তোমাৰ নিজৰ আত্মাই আজি তোমাৰ হিচাপ ৰক্ষক। (১৭নং অধ্যায়)।

'বিচাৰ আসনৰ সমুখত থিয় হোৱা সকলক সোঁহাত (সোঁহাতে থকাসকল

কিমান যে সুখী হ'ব!) আৰু বাওঁহাতে (বাওঁহাতে থকাসকল কিমান যে দুৰ্ভগীয়া হ'ব)। প্ৰথম ভাগত থকাসকল আল্লাৰ ওচৰ চাপিব। তেওঁলোক আনন্দৰ বাগিচাত থাকিব। সোণ আৰু মূল্যবান পাথৰ খোদিত পালেঙত তেওঁলোক শুব, কিছুমান ডেকাই তেওঁলোকৰ পৰিচৰ্যা কৰিব, সুৰা সৰবাহ কৰিব, সেই সুৰাপানৰ ফলত তেওঁলোকৰ মূৰ নিবিষাব আৰু চেতনাও ৰহিত নহ'ব। সুন্দৰী যুৱতীসকলে তেওঁলোকক সংগদান কৰিব। সঁচাকৈয়ে আমি বিশেষ সৃষ্টি প্ৰকৰণেৰে যুৱতীসকলক সৃষ্টি কৰিছোঁ।

তেওঁলোক কুমাৰী, তেওঁলোকৰ বয়স গিৰিয়েক সকলৰ সৈতে একে, সোঁহাতৰ সকলৰ বাবে আনন্দৰ নগৰী তেওঁলোক। কিন্তু বাওঁহাতৰ সকলৰ নগৰীসকল থাকিব জ্বলি থকা জুই আৰু উতলি থকা পানীৰ মাজত, ক'লা ধোৱাঁৰ আৱৰণৰ তলত, শীতলো নহয় আনন্দদায়কো নহয়। কাৰণ তেওঁলোকে পাৰ্থিব জীৱনতে জীৱনৰ আনন্দ পাইছে আৰু ঘৃণনীয় বেয়া কাম কৰিছে (অধ্যায় নং ৫৬)।

কোৰাণ যাইকে ধৰ্মতত্ত্ব সম্পৰ্কীয় গ্ৰন্থ যদিও ইয়াত প্ৰাৰ্থনা,দান, উপবাস আৰু জীৱনত এবাৰ মক্কালৈ যোৱাৰ গুৰুত্ব আদি ইছলামৰ বিশেষত্ব সমূহো সন্নিবিষ্ট কৰা হৈছে। কিন্তু কোৰাণৰ অধ্যায়বোৰ প্ৰণালীবদ্ধভাৱে ৰচিত হোৱা নাই। কাৰণ যেতিয়া পয়গম্বৰে সম্মোহিত অৱস্থাত ছুৰাবোৰ উচ্চাৰণ কৰিছিল, তেতিয়া অনুলেখকসকলে যিয়ে যেনেকৈ পাৰে তেনেকৈ লিপিৱদ্ধ কৰি গৈছিল। পয়গম্বৰৰ জীৱনকালত এইবোৰ সু-সংবদ্ধভাৱে সংৰক্ষণ কৰাৰ প্ৰয়োজনীয়তাও অনুভূত হোৱা নাছিল। তেওঁৰ মৃত্যুৰ পাছতহে ছুৰাবোৰ একেলগে থূপ খুউৱা হৈছিল। মহম্মদে নিজে একো লেখি থৈ যোৱা নাছিল। মহম্মদৰ অব্যৱহিত পিছৰ মুছলিম নেতা তথা মহম্মদৰ বন্ধু আবু বকৰে মহম্মদৰ সচিবজনক ছুৰাবোৰ সংকলন কৰাৰ নিৰ্দেশ দিয়ে। লিখিত ছুৰাবোৰৰ লগতে বিশ্বাসীসকলৰ স্মৃতিৰ পৰাও কেতবোৰ ছুৰা উদ্ধাৰ কৰি গ্ৰন্থৰ ৰূপ দিয়া হয়।

মহম্মদৰ মৃত্যুৰ প্ৰায় কুৰি বছৰৰ পিছত ৬৫০ খ্ৰীষ্টাব্দমানত এটা নতুন, মান বিশিষ্ট সংস্কৰণত কোৰাণ লেখি উলিওৱা হৈছিল। ইয়াৰ তিনিটা প্ৰতিলিপি

তৈয়াৰ কৰি ডামাস্কাছ, বছৰা আৰু কুফালৈ পঠিওৱা হৈছিল। এই তিনিখন নগৰ মুছলিম সাম্ৰাজ্যৰ গুৰুত্বপূৰ্ণ নগৰ আছিল। মূল প্ৰতিলিপিৰ কোৰাণখন মহম্মদক কবৰ দিয়া মদিনাৰ মছজিদত ৰখা হৈছিল। এই চাৰিখন প্ৰতিলিপিৰ পৰা নকল কৰি বহুতো সংৰক্ষণ তৈয়াৰ কৰা হৈছিল। সন্দেহ নাই যে আল্লাৰ পয়গম্বৰ মহম্মদে উচ্চাৰণ কৰা কথাবোৰ কোৰাণত হুবহু লিপিবদ্ধ হৈ আছে।

ডাণ্টেৰ ডি, ডিভাইন কমেডি

(১১)

মধ্যযুগৰ ইউৰোপীয় সাহিত্যৰ শ্ৰেষ্ঠতম তথা উজ্বল সৃষ্টি হ'ল ডাণ্টে আলি ঘিয়েৰিৰ 'ডিভাইন কমেডি।' ৰোমান সাম্ৰাজ্যৰ পতনৰ পৰা ত্ৰয়োদশ শতাব্দীৰ শেষলৈ বিস্তৃত এহেজাৰ বছৰৰ কালছোৱাত যিবোৰ মহৎ চিন্তা প্ৰস্ফুটিত হৈছিল ডিভাইন কমেডিৰ মাজেৰে সেইবোৰে জীৱন্ত ৰূপত নতুন গতিশক্তি লাভ কৰিলে। সাহিত্য-জগতত নতুন প্ৰাণসঞ্চাৰকাৰী সকলৰ ভিতৰত ডাণ্টে আৰু শ্বেক্সপীয়েৰৰ আসন সৰ্বাগ্ৰত। শ্বেক্সপীয়েৰৰ জন্ম সম্পৰ্কে এই তথ্য আজিও অজ্ঞাত। কিন্তু সৌভাগ্যৰ কথা যে ডাণ্টেৰ জীৱন সবিশেষ অজ্ঞাত নহয়। তেওঁ জগতৰ এটা প্ৰায় অলৌকিক আৰু অতীৱ চিত্তাকৰ্ষক প্ৰেমকাহিনীৰ নায়কো।

ইটালীৰ ফ্লোৰেন্সৰ এটা প্ৰাচীন মৰ্যাদা-সম্পন্ন কিন্তু দৰিদ্ৰ পৰিয়ালত ১২৬৫ চনত ডাণ্টেই জন্মগ্ৰহণ কৰিছিল। ১২৮৯ চনত....কেম্পে লডিনোৰ যুদ্ধত তেওঁ ফ্লেৰেন্সৰ অশ্বাৰোহী-বাহিনীৰ সৈন্য হিচাপে সেৱা আগবঢ়াই ১২৯৫ চনৰ পৰা ৰাজনৈতিক কাৰ্যকলাপত অংশ লবলৈ ধৰিলে। ১৩০০ চনত দুমাহৰ কাৰণে তেওঁ ফ্লোৰেন্স টাইন গণৰাজ্যৰ মুখ্য দণ্ডাধীশালয়ৰ এজন সদস্য হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল।

এই সময়ছোৱাত ফ্লোৰেন্স ৰাজনৈতিক দলাদলিত জৰ্জৰিত হৈছিল। ডাণ্টেই সাংবিধানিক দলত যোগ দিয়ে। এই দলে ফ্লোৰেন্সৰ আভ্যন্তৰীণ বিষয়ত পোপৰ হস্তক্ষেপৰ বিৰোধিতা কৰিছিল। ১৩০১ চনত তেওঁ আন দুজনৰ সৈতে এটা প্ৰতিনিধি দল লৈ পোপ অষ্টম ব'নিফেচৰ ওচৰলৈ গৈছিল। প্ৰতিনিধি দলটোৰ উদ্দেশ্য আছিল টাস্কেনিলৈ যাতে ভেল'ৰ চাৰ্লছক(Charles of valois) শান্তিৰক্ষক হিচাপে পঠোৱা নহয়, তাৰ বাবে পোপক অনুৰোধ কৰা। কিন্তু ডাণ্টেৰ অনুপস্থিতিত চাৰ্লছে ফ্লোৰেন্সত প্ৰৱেশ কৰিলে আৰু ডাণ্টেৰ দলক বে-আইনী ঘোষণা কৰিলে। ডাণ্টেক কেতবোৰ মিছা অভিযোগত

অভিযুক্ত কৰা হ'ল। ১৩০২ চনৰ ২৭ জানুৱাৰীৰ দিনা এক আদেশ যোগে তেওঁক গুৰুতৰ অৰ্থদণ্ড আৰু দুবছৰৰ বাবে নিৰ্বাসন দণ্ড দিয়াৰ লগতে যাবজ্জীৱন চৰকাৰী কামৰ বাবে অনুপযুক্ত বুলি ঘোষণা কৰা হ'ল।[1]সেই বছৰৰে ১০ মাৰ্চত জাৰী কৰা আন এক আদেশত কোৱা হ'ল যে যদি ডান্টে শাসনাধিষ্ঠিত দলৰ কৰায়ত্ত হয় তেন্তে তেওঁক জীয়াই জীয়াই পুৰি মৰা হ'ব।

প্ৰথমে ডান্টেই তেওঁৰ দলৰ সদস্যসকলৰ সৈতে লগ হৈ বলপূৰ্বক ফ্লোৰেন্সত প্ৰবেশ কৰাৰ চেষ্টা চলাইছিল যদিও, শেষত সেই চেষ্টা ত্যাগ কৰি লগৰীয়া সকলক এৰি এজন তীৰ্থযাত্ৰী তথা ভিক্ষুকৰ ৰূপত উত্তৰ-মধ্য ইটালীত ভ্ৰমণ কৰে। পিছৰ আঠোটা বছৰত তেওঁ লেটিন ভাষাত কেইখনো ৰচনা লেখি উলিয়ায়।

১৩১০ চনত লাক্সেমবুৰ্গৰ হেনৰি (Henry of Luxem bawrg)পবিত্ৰ ৰোমান সাম্ৰাজ্যৰ সম্ৰাট নিৰ্বাচিত হোৱাত ডান্টেই পুনৰ সক্ৰিয় ৰাজনীতিত যোগ দিয়ে। কিন্তু দুবছৰৰ পিছত হেনৰিৰ মৃত্যু হোৱাত ডান্টে নিৰাশ হ'বলগীয়া হয়। ১৩১৫ চনত যদিও এটা সাৰ্বজনীন আদেশৰ জৰিয়তে সকলো নিৰ্বাসিত ব্যক্তিক ক্ষমাদান কৰা হয় তথাপি ডান্টেই ফ্লোৰেন্সলৈ উভতি যাবলৈ অস্বীকাৰ কৰিলে। ফ্লোৰেন্সলৈ উভতি যাবলৈ পোৱা চৰকাৰী নিৰ্দেশ প্ৰত্যাখ্যান কৰা বাবে ডান্টেৰ ওপৰত পুনৰ মৃত্যুদণ্ড ঘোষণা কৰা হয়। তেতিয়াৰ পৰা ডান্টেই নিৰ্বাসিতৰ জীৱন-যাপন কৰে।

১২৯২ চনত 'ভিটানুওভা' (নৱ-জীৱন) নামৰ কাব্য সংকলনৰ জৰিয়তে ডান্টেই কবি হিছাপে খ্যাতি লাভ কৰিছিল। 'নৱ জীৱনত' কেতবোৰ গীতি-কবিতা সংকলিত হৈছিল। এইবোৰৰ জৰিয়তে বিয়েট্ৰিছৰ প্ৰতি থকা তেওঁৰ প্ৰেমৰ কাহিনী প্ৰকাশ কৰিছিল। নিৰ্বাসিত-জীৱনৰ শেষ পৰ্যায়ত তেওঁ 'ডিভাইন কমেডি' কাব্য লেখিবলৈ আৰম্ভ কৰে আৰু ১৩২১ চনত মৃত্যুৰ মাত্ৰ কেইমাহমান আগতে কাব্যখন সম্পূৰ্ণ কৰে।

ডান্টেৰ বয়স যেতিয়া ন বছৰ, তেতিয়া তেওঁ প্ৰথমে বিয়েট্ৰিছক লগ পায়। বিয়েট্ৰিছৰ বয়সো ডান্টেৰ সমানেই আছিল। তেওঁলোকে কথা-বতৰা পতা নাছিল যদিও, ডান্টেই কৈছে, "তেতিয়াৰ পৰা মোৰ আত্মা কেৱল প্ৰেমেৰেই পৰিচালিত হৈছিল।" ন বছৰৰ পিছত কবিয়ে পুনৰ বিয়েট্ৰিছক এবাৰ লগ পাইছিল। বিয়েট্ৰিছে শুভ্ৰ পোছাক পিন্ধিছিল আৰু তেওঁৰ লগত

দুজনী বয়স্যা তিৰোতা আছিল। তেওঁলোকে ফ্লোৰেন্সৰ আৰ্নিবাটত ফুৰি থাকোঁতে ডান্টেই বিয়েট্ৰিছক দেখা পাইছিল। তেতিয়াও তেওঁলোকে কথা বতৰা পতা নাছিল; "কিন্তু মই য'ত লাজকুৰীয়া ভাবে থিয় হৈ আছিলো সেইফালে দৃষ্টিপাত কৰি বিয়েট্ৰিছে সৌজন্য সহকাৰে মোক নমস্কাৰ জনালে আৰু তেওঁৰ সেই কামৰ মাজত মই সুখৰ সৰ্বোচ্চ সীমা দেখিবলৈ পালোঁ।" ইয়াৰ পিছত ডান্টেই জীৱন কালত আৰু মাত্ৰ এবাৰহে বিয়েট্ৰিছক দেখা পাইছিল।

বিয়েট্ৰিছৰ প্ৰকৃত নাম আছিল বিচেপোৰ্টিনাৰি। তেওঁ আছিল বিবাহিতা আৰু পয়ত্ৰিশ বছৰ বয়সত তেওঁৰ মৃত্যু হৈছিল। তেওঁৰ মৃত্যুৰ বাতৰি পাই ডান্টেই লেখিছিল: 'যেতিয়া মই মোৰ আত্মাৰ প্ৰথম আনন্দৰ মূৰ্ত্তিক হেৰুৱালো, তেতিয়া মোৰ হৃদয় যি বিষাদেৰে থকা সৰকা হ'ল তাৰ কোনো সান্ত্বনা নাছিল।'

বিয়েট্ৰিছৰ মৃত্যুৰ দুবছৰৰ পিছত 'ভিটানুওভা' প্ৰকাশিত হয়। সেই বছৰতে তেওঁ বিয়েট্ৰিছৰ প্ৰতি তেওঁৰ প্ৰেমৰ গভীৰ অনুভূতি কেতবোৰ লিৰিকত প্ৰকাশ কৰে। তেওঁ গেমা ডোনাটি নামৰ ফ্লোৰেন্সৰ এগৰাকী সম্ভ্ৰান্ত বংশীয় গাভৰুক বিয়া কৰায়। ডান্টে দম্পতীৰ দুটি পুত্ৰ আৰু দুটি কন্যা সন্তান জন্মিছিল।

১২৯২ চনৰ পৰা ডিভাইন কমেডি লেখাৰ মাজৰ কালছোৱাত ৰাজনৈতিক কাৰণত ডান্টেই একোকে লেখিব পৰা নাছিল। ৰাজনৈতিক ক্ষেত্ৰত বিশেষ একো কৰিব নোৱাৰিব বুলি অৱশেষত তেওঁৰ উপলব্ধি হোৱাত পুনৰ তেওঁ কাব্য-সাধনাত মনোনিবেশ কৰে।

ডিভাইন কমেডিত স্বৰ্গ, নৰক আৰু শোধনাগাৰ(Pnrgatory)ৰ বৰ্ণনা আছে। আক্ষৰিক অৰ্থত বিচাৰ কৰিলে এই কাব্যক মৃত্যুৰ পিছত মানুহৰ আত্মাৰ অৱস্থা সম্পৰ্কে এটা দিব্যদৃষ্টি বুলি আখ্যা দিব পাৰি। কিন্তু দৰাচলতে ইয়াতকৈও বেছি গভীৰ তাৎপৰ্যপূৰ্ণ কাব্য। ই হ'ল মানুহৰ বাবে আধ্যাত্মিক জ্যোতি লাভ আৰু এই জ্যোতি লাভৰ ক্ষেত্ৰত উপযুক্ত পথ-প্ৰদৰ্শকৰ আৱশ্যকতা সম্পৰ্কে এক ৰূপক।

গভীৰ অৰণ্যৰ মাজত পথ হেৰুৱা কবিয়ে বিখ্যাত প্ৰাচীন ৰোমান কবি ভাৰ্জিলক লগ পালে। ভাৰ্জিলৰ 'ইনিড' কাব্যত মৃত্যুৰ পিছত মানুহৰ অৱস্থা

সম্পৰ্কে বৰ্ণনা আছে। ভাৰ্জিলে কবিক নৰকৰ শাস্তিৰ দৃশ্য দেখুৱাবলৈ প্ৰতিশ্ৰুতি দি তেওঁক নৰকৰ দুৱাৰ-মুখলৈ বাট দেখুৱায় নিলে। নৰকৰ দুৱাৰ মুখত লেখা আছে: 'ইয়াত প্ৰৱেশকাৰী সকল, তোমালোকে সকলো আশা পৰিত্যাগ কৰা।'

নৰকত প্ৰৱেশ কৰাৰ পিছত তেওঁলোকে প্ৰথম কোঠালিটো পালে। এই কোঠালিত স্বাৰ্থপৰ আৰু এলেহুৱা লোকসকলৰ আত্মাক বৰল আৰু কোদোৱে খেদি খেদি কামুৰি থকা কৰিয়ে দেখিবলৈ পালে। আত্মাবোৰে এখন উৰি থকা পতাকাৰ চৌদিশে দৌৰি ফুৰিছে।

এই কোঠালি এৰাৰ পিছত ভাৰ্জিল আৰু ডান্টেই দুখৰ নদী 'আচেৰণ'ৰ পাৰত উপস্থিত হ'ল। ইয়াৰ ঘাটত নৰকৰ ভয়ংকৰ বৃদ্ধ ঘাটে চেৰোণে আত্মাবোৰক নাৱেৰে পাৰ কৰি আছে। নৈৰ আনটো পাৰত আত্মাবোৰে নৰকৰ প্ৰথম বৃত্তৰ ভিতৰত প্ৰৱেশ কৰা তেওঁলোকে দেখিবলৈ পালে। এই প্ৰথম বৃত্তত তেওঁলোকে প্ৰাচীন কালৰ মহৎ ব্যক্তি কিছুমানৰ আত্মাক দেখিবলৈ পালে। সেই সকলৰ ভিতৰত আছিল হৰেছ, অভিড আৰু হোমাৰৰ লেখীয়া মহান ধ্ৰুপদী কবিসকল। তেওঁলোকে ডান্টেক সম্ভাষণ জনালে কাৰণ ডান্টে তেওঁলোকৰ দৰেই এজন আছিল।

ভাৰ্জিলে পিছত ডান্টেক নৰকৰ দ্বিতীয় বৃত্তলৈ নিলে। এই বৃত্তৰ প্ৰৱেশ পথত পহৰা দিয়ে মিনছ নামৰ ভয়ংকৰ কুকুৰ এটাই। ইয়াত প্ৰাচীন যুগৰ প্ৰেমিক-প্ৰেমিকা সকলক এটা প্ৰচণ্ড ধুমুহাৰ আলোড়নৰ দ্বাৰা শাস্তি দিয়া হৈছে। এই প্ৰেমিক-প্ৰেমিকাসকলৰ আছিল পাশবিক যৌনস্পৃহা। এওঁবিলাকৰ ভিতৰত আছিল ছেমিৰামিছ আৰু ক্লিওপেট্ৰা, হেলেন আৰু পেৰিছ, ট্ৰিষ্টান আৰু আইছোডল, ৰিমিনিৰ ফ্ৰান্সেস্কা আৰু তাইৰ প্ৰেমিক পাওলো। ফ্ৰান্সেস্কা আৰু পাওলোক অবৈধ মিলনৰ সময়ত ফ্ৰান্সেস্কাৰ গিৰিয়েক খোৰা জনে হত্যা কৰিছিল। তেওঁলোকৰ এই কাহিনীয়ে ডান্টেৰ হৃদয় বিশাদেৰে আৱৰিলে। সমগ্ৰ ডিভাইন কমেডিৰ শ্ৰেষ্ঠ কাব্যাংশৰ ভিতৰত ফ্ৰান্সেস্কা-পাওলোৰ কাহিনীও অন্যতম।

নৰকৰ তৃতীয় বৃত্তত ডান্টেই লোভীসকলৰ আত্মাবোৰ শিল-বৰষুণৰ মাজত পৰি থকা দেখিবলৈ পালে। চেৰবেৰাছ নামৰ ভয়ংকৰ কুকুৰ এটাই তাত ভুকি আছে। চতুৰ্থ বৃত্তত অপব্যয়ী আৰু কৃপণ সকলক কিছুমান ডাঙৰ ডাঙৰ পাথৰ বহন কৰি থকা কৰিয়ে দেখিবলৈ পালে।

তাৰ পিছত ভাৰ্জিল আৰু ডাণ্টেই ষ্টিক্স নামৰ বোকাবে ভৰা পিতনিত খঙাল আৰু গোমোঠা মুখৰ সকলৰ আত্মাক যুঁজ কৰি থকা দেখিলে। এই ঠাই এৰি তেওঁলোক এটা ওখ গম্বুজত উপস্থিত হ'ল। সেই গম্বুজৰ পৰা দুৰ্বিধ বশ্মি বিকীৰণ হৈছে।

ফ্লেগিয়াছ নামৰ ঘাটজনে তেওঁলোকক এটা হ্ৰদ পাৰ কৰাই দিলে। হ্ৰদৰ সিপাৰে থকা চয়তানৰ নগৰী 'দিছ'ৰ প্ৰৱেশ-দ্বাৰ' পহৰা দি আছিল এদল ভূতে। দেৱদূত এজন আহি ভূতবিলাকক খেদি দি ভাৰ্জিল আৰু ডাণ্টেৰ যাত্ৰাপথ মুকলি কৰি দিলে। পাথৰৰ মাজত থকা সুৰুঙাবে চয়তানৰ নগৰীৰ পৰা নিষ্ক্ৰান্ত হৈ তেওঁলোক এখন তেজৰ নদী পালেহি। তাত অত্যাচাৰী ব্যক্তিসকল থিয় হৈ আছে আৰু চিৰণ নামৰ চেণ্টৰ (আধা ঘোঁৰা আধা মানুহ মূৰ্ত্তিৰ কাল্পনিক প্ৰাণী) জনৰ নেতৃত্বত এদল চেণ্টৰে সেই সকলৰ গালৈ কাঁড় নিক্ষেপ কৰিছে। কিছুদূৰ যোৱাৰ পিছত কৰিদুজনে আত্মহত্যাকাৰী ব্যক্তিসকলক চাপৰ চাপৰ গছৰ ৰূপ ধৰি থকা দেখিলে। এই গছৰ হাবিখনৰ সিপাৰত আছে জুই জ্বলি থকা বালিময় এটুকুৰা ঠাই য'ত উন্মত্ত ব্যক্তিসকলৰ আত্মাবোৰৰ ওপৰত অগ্নিৰ বৰষুণ হৈ আছে।

তেজৰ নদীৰ পাৰে পাৰে গৈ দুই কবিয়ে জলপ্ৰপাত এটা বৈ থকা দেখিবলৈ পালে। ভাৰ্জিলে জলপ্ৰপাতত ডাণ্টেৰ কোমৰ-বন্ধনীখন পেলাই দিয়াত গেৰিয়ন নামৰ দৈত্য এটা তেওঁলোকৰ ওচৰলৈ সাঁতুৰি আহিল। তেওঁলোক দৈত্যটোৰ পিঠিত উঠাত দৈত্যাই তেওঁলোকক ধৰ্ষণকাৰী, তোষামোদকাৰী আৰু ভণ্ড ভৱিষ্যত-বক্তা সকলক বিভিন্ন শাস্তি দিয়াৰ ঠাই অষ্টম বৃত্তত প্ৰৱেশ কৰালে। এই বৃত্তত ভণ্ড, ডকাইত, কু-পৰামৰ্শ দাতা আৰু বিচ্ছিন্নতাবাদী সকলো আছিল।

নৱম বৃত্তত ভাৰ্জিল আৰু ডাণ্টেই মেঘ-গৰ্জনৰ দৰে শব্দ কৰি থকা এটা বিৰাট শিঙাৰ ধ্বনি শুনিবলৈ পালে। সেই বৃত্তৰ তলীত তিনিটা দৈত্য থিয় হৈ আছে। এণ্টিয়াছ নামৰ দৈত্যজনে কবি দুজনক তললৈ লৈ গ'ল। তাত চিৰস্থায়ী বৰফেৰে পূৰ্ণ হৈ থকা সাগৰ এখনত কিছুমান পাপীক ৰখা হৈছিল। তাৰ পৰা তেওঁলোক গৈ বিশ্বাসঘাতক সকলক ৰখা জুডেকচা নামৰ নৰকৰ একেবাৰে তলৰ প্ৰদেশ পালে। সেই ঠাইৰ সোঁ মাজত চয়তানে পাপীসকলক চোবাই চোবাই পেলাইছে। চয়তানৰ কাষেৰে পাৰ হৈ তেওঁলোক

এটা দীঘলীয়া ঠেক পথেৰে যাব ধৰিলে যি পথৰ অন্তত তেওঁলোকে স্বৰ্গৰ অনিন্দ্যসুন্দৰ আলোক দেখিবলৈ পালে।

অৱশেষত তেওঁলোক শোধনাগাৰৰ পাহাৰ (Hill of pnrgatory) পালেহি। শোধনাগাৰৰ অৱস্থান মুকলি ঠাইত। শোধনাগাৰ পাহাৰৰ চাৰিওফালে সাতোটা বৃত্ত আছে। সাতোটা সাংঘাতিক পাপৰ বাবে এই সাতোটা বৃত্ত। শোধনাগাৰ পাহাৰ পাৰ হৈ ভাৰ্জিল আৰু ডাণ্টেই পাৰ্থিৱ স্বৰ্গত Earthly paradisc) প্ৰবেশ কৰিলে। তাত তেওঁলোকে এটা ৰহস্যময় সমদল দেখিবলৈ পালে। সমদলটো গীৰ্জাৰ জয়যাত্ৰাৰ প্ৰতীক। সমদলটোৰ শেষত এগৰাকী দেৱদূত পৰিবেষ্টিত হৈ এখন ৰথত আছিল বিয়েট্ৰিছ।'ৰঙা, বগা আৰু সেউজীয়া বৰ্ণৰ পোছাক আৰু জ্ঞান তথা শান্তিৰ প্ৰতীক স্বৰূপ অলিভপাতৰ মালাৰে শোভিত হৈ বিয়েট্ৰিছ বহি আছিল। বিয়েট্ৰিছৰ আবিৰ্ভাৱৰ লগে লগে ভাৰ্জিল অদৃশ্য হ'ল।

ডিভাইন কমেডিৰ তৃতীয় খণ্ডটোৰ শীৰ্ষক 'স্বৰ্গ। এই খণ্ডত বিয়েট্ৰিছেই ডাণ্টেক পথ দেখুৱাই ভগবানৰ বাসস্থান স্বৰ্গলৈ লৈ যোৱাৰ বৰ্ণনা আছে। স্বৰ্গৰ আঠোটা স্তৰৰ শেষত আছে স্বৰ্গীয় প্ৰেমৰ অনন্ত শান্ত সমুদ্ৰ। এই সমুদ্ৰৰ মাজত ভগবানৰ আশীৰ্বাদ প্ৰাপ্ত সন্ত আৰু দেৱদূত সকলৰ বাসস্থান।

ডিভাইন কমেডিৰ প্ৰাচীন ব্যাখ্যা কৰ্তাসকলে ডাণ্টেৰ ধৰ্মতত্ত্ব, আধ্যাত্মিকতা, ৰূপক আদিৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিছিল।

তেওঁলোকে ডাণ্টেক খাইকৈ কবি হিছাপে নাচাই চাইছিল ৰহস্যময় ঐন্দ্ৰজালিক হিছাপে। বিয়েট্ৰিছকো বিভিন্নজনে বিভিন্ন বিষয়ৰ প্ৰতীক ৰূপে ব্যাখ্যা কৰিছিল। এচামৰ মতে বিয়েট্ৰিছ হ'ল গীৰ্জাৰ প্ৰতীক, আন এচামৰ মতে তেওঁ ভগবদ্ প্ৰেমৰ প্ৰতীক।

আধুনিক ব্যাখ্যা কৰ্তাসকলৰ দৃষ্টিত ডিভাইন কমেডি হ'ল মধ্যযুগীয় চিন্তা-ধাৰা আৰু আধুনিক চিন্তাধাৰাৰ সংযোগ ঘটোৱা সেতু। সততাৰ সৈতে নৈতিকতাৰহে সম্বন্ধ আছে, ধৰ্ম বিশ্বাসৰ সম্বন্ধ নাই- এই ধাৰণা ডিভাইন কমেডিৰ জৰিয়তে ডাণ্টেই উপস্থাপন কৰিছে। এই ধাৰণাই ইউৰোপীয় মানৱতাবাদৰ ভিত্তিস্বৰূপ। সৰ্বোপৰি এই কাব্য হ'ল আনন্দ আৰু বিষাদৰ নতুন যাত্ৰা স্পৰ্শকাৰী কাব্য। সাহিত্যজগতত একক নক্ষত্ৰৰূপে ডিভাইন কমেডি বিৰাজমান।

মহাভাৰত

(১২)

মহাভাৰত বিশ্বৰ এখন অমূল্য মহৎ গ্ৰন্থ। এই মহাকাব্যত এনে এটি দিশ বাদ পৰা নাই, যিটো মানৱ চৰিত্ৰত আছে। মহাভাৰত একেধাৰে ইতিহাস, পুৰাণ, আখ্যান, কাব্য, নীতিশাস্ত্ৰ, ধৰ্মশাস্ত্ৰ, অৰ্থশাস্ত্ৰ, কামশাস্ত্ৰ আৰু মোক্ষশাস্ত্ৰ। এই মহাকাব্যখন ব্যাসদেৱে ৰচনা কৰা বুলি কোৱা হৈছে যদিও দৰাচলতে ই বিতৰ্ক মুক্ত নহয়, কাৰণ পণ্ডিত সকলৰ মতে এই মহাকাব্যখন সম্পূৰ্ণ হওঁতে আঠশ বছৰ লগা বুলি অনুমান কৰা হৈছে। বেদ বিভাগ কৰি শৃংখলাবদ্ধ কৰিছিল কাৰণে এচামে ব্যাস বুলি কয় যদিও ব্যাস শব্দটো নাম বাচক নহয়; কিন্তু সি যি কি নহওক মহৰ্ষি কৃষ্ণ দ্বৈপায়ন ব্যাসে মহাভাৰত ৰচনা কৰা বুলি মহাকাব্যখনত উল্লেখ আছে।

আজিৰ পৰা কে'বা হেজাৰ বছৰৰ আগতে হস্তিনাপুৰৰ কুৰু ৰাজবংশৰ সিংহাসনক লৈ এই মহাকাব্যৰ সৃষ্টি হয়। হস্তিনাপুৰৰ ৰজা শান্তনু। তেওঁৰ দুই পত্নী গংগা আৰু সত্যৱতী। গংগাৰ পুত্ৰ দেৱব্ৰত আৰু সত্যৱতীৰ দুই পুত্ৰ চিত্ৰাংগদ আৰু বিচিত্ৰবীৰ্য। ৰজা শান্তনুৰ মৃত্যুৰ পিছত তেওঁৰ বৰপুত্ৰ দেৱব্ৰত হস্তিনাপুৰৰ ৰাজ সিংহাষনত বহিব লাগিছিল যদিও বিচিত্ৰবীৰ্যহে বহিল, কাৰণ দেৱব্ৰতে ইতিমধ্যে পিতৃ শান্তনুৰ আশা পূৰণৰ অৰ্থে সত্যবতীৰ ওচৰত সিংহাসনত নবহে বুলি প্ৰতিজ্ঞা কৰি থৈছিল। দেৱব্ৰতৰ পিছত চিত্ৰাংগদ ৰজা হ'ব লাগিছিল যদিও তেওঁৰো এখন যুদ্ধত অকাল মৃত্যু হয়। সেয়েহে হস্তিনাপুৰৰ ৰাজসিংহাসনত বিচিত্ৰবীৰ্যই আৰোহণ কৰে; কিন্তু তেৰোঁ হস্তিনাপুৰ বেছিদিন শাসন কৰিব নাপালে। তেওঁৰো অকাল মৃত্যু হয়। বিচিত্ৰবীৰ্যৰ দুই পুত্ৰ ধৃতৰাষ্ট্ৰ আৰু পাণ্ডু। ধৃতৰাষ্ট্ৰ জন্মান্ধ হোৱা বাবে তেওঁৰ ভাতৃ ৰাজসিংহাষনত উঠে। ধৃতৰাষ্ট্ৰৰ একশজন পুত্ৰ আৰু এজনী কন্যাৰ জন্ম হয়— দুৰ্যোধন, দুঃশাসন আদি আৰু পাণ্ডুৰ পাঁচজন— যুধিষ্ঠিৰ, ভীম, অৰ্জুন, নকুল আৰু সহদেৱ। অৱশ্যে পাণ্ডুৰ এই পাঁচ পুত্ৰ তেওঁৰ ঔৰষত জন্ম গ্ৰহণ কৰা নাছিল। শাপগ্ৰস্ত

পাণ্ডুৰ সন্তান জন্ম দিয়াৰ ক্ষমতা নথকাৰ কাৰণে দুই পত্নী কুন্তী আৰু মাদ্ৰী সহ অৰণ্যবাসী হয় আৰু দেৱতাৰ বীৰ্যধাৰণ কৰি কুন্তীৰ গৰ্ভত যুধিষ্ঠিৰ, ভীম, অৰ্জুন আৰু মাদ্ৰীৰ গৰ্ভত নকুল আৰু সহদেৱৰ জন্ম হয়। এদিন মাদ্ৰীক অৰণ্যত স্নান কৰি থকা দেখা পাই পাণ্ডু কামাসক্ত হৈ উঠে আৰু তেওঁক আলিঙ্গণ কৰিবলৈ যোৱাত পূৰ্বৰ অভিশাপ মতে পাণ্ডুৰ মৃত্যু হয়। ইয়াতে বিচলিত হৈ মাদ্ৰী পাণ্ডুৰ সৈতে সহগামী হয়। ইয়াৰ পিছত কুন্তী পাঁচ পুত্ৰক লগত লৈ অৰণ্যৰ পৰা ৰাজধানীলৈ উভতি আহে।

পাণ্ডুৰ মৃত্যুৰ পিছত দেৱব্ৰত (ভীষ্ম)ৰ উপদেশ মতে ধৃতৰাষ্ট্ৰই হস্তিনাপুৰ শাসন কৰিবলৈ ধৰে আৰু ভীষ্মই ধৃতৰাষ্ট্ৰৰ এশ পুতেক আৰু পাণ্ডুৰ পাঁচ পুতেকক গুৰু দ্ৰোণাচাৰ্যৰ ওচৰত শিক্ষা লাভৰ বাবে ৰাখে। গুৰু দ্ৰোণাচাৰ্যৰ তত্ত্বাৱধানত ক্ৰমে যুধিষ্ঠিৰে ৰথ যুদ্ধত আৰু দুৰ্যোধন, ভীমে গদা যুদ্ধত আৰু অৰ্জুনে সকলো যুদ্ধতে সমানে পাকৈত হৈ উঠিল। আন আন ৰাজপুত্ৰ সকলো কম-বেছি পৰিমাণে যুদ্ধ বিদ্যাত পাৰ্গত হয়। কৌৰৱ— পাণ্ডৱৰ ভিতৰত যুধিষ্ঠিৰে সকলোতকৈ ডাঙৰ আছিল কাৰণে তেওঁকে হস্তিনাপুৰৰ যুৱৰাজ পদত অধিষ্ঠিত কৰিলে; কিন্তু এই কাৰ্যত দুৰ্যোধন সন্তুষ্ট হ'ব পৰা নাছিল, কিয়নো ধৃতৰাষ্ট্ৰৰ পিছত তেওঁহে হস্তিনাপুৰৰ উত্তৰাধিকাৰী হিচাপে যুৱৰাজ পদত অধিষ্ঠিত হ'ব লাগে।

হস্তিনাপুৰত যুধিষ্ঠিৰৰ লগতে চাৰি ভায়েকৰ নাম যশ আৰু শৌৰ্য-বীৰ্য চাৰিওফালে বিয়পি পৰিব ধৰিলে। ইয়াতেই দুৰ্যোধন আৰু দুঃশাসন অসন্তুষ্ট হৈ পৰিল আৰু তেওঁলোকক কেনেকৈ হস্তিনাপুৰৰ পৰা আঁতৰ কৰিব পাৰি পাঙিবলৈ ধৰিলে। তেওঁলোকৰ এই কামত সহযোগ কৰিলে মোমায়েক শকুনিয়ে। কৌৰৱপক্ষৰ মোমায়েক যদিও শকুনি, তেওঁ কৌৰৱৰ ধ্বংসহে কামনা কৰিছিল, কিয়নো শকুনিৰ ৯৯ জন ভাতৃক দুৰ্যোধন আৰু দুঃশাসনে হত্যা কৰিছিল। ভাতৃ শোকত যদিও শকুনিৰ হৃদয়ে কান্দি আছিল তথাপি তেওঁ প্ৰৱল-প্ৰতাপী ভাগিনহঁতৰ ওপৰত কোনো ধৰণৰ শাস্তিমূলক ব্যৱস্থা ল'ব পৰা নাছিল। এতিয়া কৌৰৱৰ এই চিন্তাৰ তেওঁ সুযোগ ল'লে। এই সময়তে অধিৰথ নামে সূতৰ পুত্ৰ বুলি পৰিচিত, পৰশুৰামৰ পৰা অস্ত্ৰ শিক্ষা লাভ কৰা কৰ্ণ দুৰ্যোধনৰ লগ লাগে আৰু দুয়ো বন্ধুত্বৰ দোলত বান্ধ খায়। অৱশ্যে কৰ্ণই সদায় দুৰ্যোধনক ভাল পৰামৰ্শহে দি আহিছিল; কিন্তু সূত পুত্ৰ

বুলি অৱহেলা নকৰি সকলোতে সমান মৰ্যাদা দিয়া বাবে কৰ্ণই দুৰ্যোধনৰ সকলো কথাতে ইচ্ছাৰ বিৰুদ্ধে হয়ভৰ দি থাকিব লগা হৈছিল। সেইবাবে তেওঁ যুধিষ্ঠিৰক আঁতৰ কৰি দুৰ্যোধনক হস্তিনাপুৰৰ যুৱৰাজ পদত অধিষ্ঠিত কৰিব পাৰে সেইবিষয়ে এদিন শকুনি আৰু দুৰ্যোধনৰ সৈতে আলোচনাত মিলিত হ'ল। আলোচনাৰ অন্ততঃ শকুনিয়ে পৰামৰ্শ দিলে। বাৰণাৱত এটা লাৰ প্ৰাসাদ সাজিলে আৰু তাতেই পাণ্ডৱসকলক ফুচুলাই মাতি নি থাকিবলৈ দিলে। এদিন সুবিধা বুজি দুৰ্যোধনৰ মন্ত্ৰীয়ে ঘৰটোত জুই লগাই দিলে; কিন্তু ইয়াৰ আগতে খুড়াক বিদুৰৰ পৰা সম্ভেদ পাই পাণ্ডৱসকল ঘৰটোৰ পৰা সুৰঙ্গ কাটি পলাই সাৰি বনত আশ্ৰয় লয়। অৱশ্যে পাণ্ডৱসকল জুইত পুৰি মৰিল বুলি দুৰ্যোধনে স্বস্তিৰ নিঃশ্বাস কাঢ়িলে।

পাণ্ডৱসকলে আশ্ৰয় লৈ থকা সময়ত পাঞ্চালৰ ৰজা দ্ৰুপদৰ কন্যা দ্ৰৌপদীৰ ৰাজ সয়ম্বৰ পতা হয়। ৰজা দ্ৰুপদৰ পণ আছিল যে মাছ এটা তলৰ পানীৰ পৰা তাৰ প্ৰতিবিম্ব চাই যিয়ে চকু ফুটাব পাৰিব তেওঁৰ হাততেই দ্ৰৌপদীক অৰ্পণ কৰা হ'ব। এই পণৰ কথা জানিব পাৰি দেশ-বিদেশৰ বহুত ৰজা-মহাৰজা, ৰাজকোঁৱৰ আহি সয়ম্বৰ ভৰি পৰিল। এই সয়ম্বৰত পাণ্ডৱ উপস্থিত হ'ল আৰু অৱশেষত অৰ্জুনে মাছৰ চকু ফুটাই দ্ৰৌপদীক লাভ কৰিলে কিন্তু মাক কুন্তীৰ কথা পেলাব নোৱাৰি পাঁচ পাণ্ডৱে দ্ৰৌপদীক পত্নী ৰূপে গ্ৰহণ কৰে। দ্ৰৌপদীক পাঁচ পাণ্ডৱে পত্নীৰূপে গ্ৰহণ কৰি তেওঁলোকে পাঞ্চালৰাজৰ আশ্ৰয়ত থাকিবলৈ ল'লে। কিন্তু পাণ্ডৱসকল জীয়াই থকা কথাটো জানিব পাৰি ভীষ্ম আৰু ধৃতৰাষ্ট্ৰই তেওঁলোকক মাতি আনি ইন্দ্ৰপ্ৰস্থ নামেৰে এখন নগৰ নিৰ্মাণ কৰে আৰু কুৰু ৰাজ্য দুভাগত ভগাই এভাগত যুধিষ্ঠিৰক ৰজা পাতি ইন্দ্ৰপ্ৰস্থত ৰাজধানী পাতি দিয়ে। এইবাৰ যুধিষ্ঠিৰে ৰজা হৈ অৰ্জুনৰ সখা কৃষ্ণ আৰু নাৰদৰ কথা মতে এক ৰাজসূয় যজ্ঞ পাতি সকলো ৰজাক পৰাজিত কৰি ৰাজচক্ৰৱৰ্তী হয়।

যুধিষ্ঠিৰৰ এই প্ৰতাপত দুৰ্যোধন ঈৰ্ষান্বিত হৈ উঠে। কেনেকৈ তেওঁৰ এই প্ৰতাপ নিঃশেষ কৰিব পাৰি তাৰেই চিন্তাত মগ্ন হ'ল। দুৰ্যোধনৰ এই কামত সহায় কৰিলে শকুনিয়ে। শকুনিয়ে ভালদৰে বুজি উঠিছিল যে পাণ্ডৱৰ হতুৱাই কৌৰৱক শেষ কৰিব নোৱাৰিলে আন কোনো শক্তি নাই, যিয়ে

কৌৰৱ কুল ধ্বংস কৰিব পাৰিব। সেয়ে দুৰ্যোধনক মন্ত্ৰ দিলে যে যদি পাণ্ডৱক পাশাখেল খেলি হেৰুৱা নাযায় তেন্তে পাণ্ডৱে এইবাৰ কৌৰৱৰ কঠিয়া মাৰিহে এৰিব, কিয়নো ভীম আৰু অৰ্জুনে লাব ঘৰত জুই লগাই পুৰি মাৰিব খোজা কথা কেতিয়াও পাহৰি নাযায়।

মোমায়েক শকুনিৰ এই বুজনিত দুৰ্যোধন পতিয়ন গ'ল আৰু ধৃতৰাষ্ট্ৰক দুয়ো গৈ কথাটো জনালে। দুৰ্বল মনৰ ৰজা ধৃতৰাষ্ট্ৰই শকুনিৰ এই কথাত ভয় খালে আৰু কৌৰৱ-পাণ্ডৱৰ মাজত পাশাখেল খেলিবলৈ অনুমতি দিলে।

দুৰ্যোধন আৰু শকুনিয়ে ততালিকে পাশাখেলৰ আয়োজন কৰিলে। এই খেলৰ গুটি শকুনিয়ে মৃত ভাতৃৰ হাড়েৰে নিজে তৈয়াৰ কৰিলে। কৌৰৱৰ এই পাশাখেলৰ আহ্বানত সৰল মনৰ ধাৰ্মিক ৰাজ চক্ৰৱৰ্তী ৰজা যুধিষ্ঠিৰে একো নভবাকৈ সন্মতি দিলে। যথা সময়ত পাশাখেল আৰম্ভ হ'ল কিন্তু ভাগ্যৰ কি বিৰম্বনা! যুধিষ্ঠিৰে শকুনিৰ কূট কৌশল একো বুজি নাপালে। এবিধ এবিধকৈ খেলত পণ কৰি যুধিষ্ঠিৰে ৰাজ্য চাৰি ভাই আৰু শেষত দ্ৰৌপদীকো হেৰুৱালে। ৰাজ্য জুৰি হাঁহাকাৰ লাগিল।

পাশাখেলৰ এই বিজয়ত দুৰ্যোধন, দুঃশাসন আৰু শকুনি আনন্দত মতলীয়া হৈ পৰিল। দুৰ্যোধনে অন্তেষপুৰৰ পৰা দ্ৰৌপদীক ততালিকে আনি দিবলৈ দুঃশাসনক আদেশ দিলে। সেই আদেশ পোৱা মাত্ৰকে দুঃশাসনে দ্ৰৌপদীক লৈ আহিল আৰু কৌৰৱৰ ৰাজসভাতে দ্ৰৌপদীৰ গাৰ কাপোৰ খুলিবলৈ ধৰিলে; কিন্তু কৃষ্ণ ভক্ত দ্ৰৌপদীক এই বিপদত তেওঁ ৰক্ষা কৰিলে। দুঃশাসনে যিমানেই দ্ৰৌপদীৰ বস্ত্ৰ হৰণ কৰিবলৈ ধৰিলে সিমানে কৃষ্ণই দ্ৰৌপদীৰ গাত কাপোৰ মেৰিয়াই দিবলৈ ধৰিলে। অৱশেষত দুঃশাসন ভাগৰি পৰিল। কপালৰ পৰা তেওঁৰ ঘাম নিগৰিবলৈ ধৰিলে। আচৰিত কথা, কৌৰৱৰ ৰাজসভাত তেতিয়া পিতামহ ভীষ্ম, গুৰু দ্ৰোণাচাৰ্য, কৰ্ণ, ধৃতৰাষ্ট্ৰ, বিদুৰ সকলো উপবিষ্ট আছিল আৰু সকলোৱে নিৰৱ দৰ্শক হৈ কেৱল সেই দৃশ্য চাই আছিল। অৱশেষত পাশা খেলৰ পণ অনুযায়ী পাণ্ডৱে মাক কুন্তীক বিদুৰৰ ঘৰত থৈ দ্ৰৌপদীৰ সৈতে বাৰ বছৰ বনবাস আৰু এক বছৰ অজ্ঞাত বাস খাটিবলৈ বনলৈ গ'ল। পাণ্ডৱৰ এই দুঃসংবাদ কৃষ্ণই আগতে জানিব পৰা নাছিল। পাণ্ডৱসকলে বনবাসলৈ গৈ থাকোঁতে শ্ৰীকৃষ্ণই এই সংবাদ পায় আৰু ততালিকে পাণ্ডৱক সাক্ষাৎ কৰাৰ বাবে লৰৰি আহে।

শ্ৰীকৃষ্ণক এনেকৈ দেখা পাই দ্ৰৌপদীয়ে বিলাপ কৰিবলৈ ধৰিলে। তেওঁ কৃষ্ণৰ আগত ধৰ্মৰাজ যুধিষ্ঠিৰক তিৰস্কাৰ কৰাৰ লগতে ভীমৰ গদা আৰু অৰ্জুনৰ গাণ্ডীৱকো ধিক্কাৰ দিলে। শেষত শ্ৰীকৃষ্ণই সকলোকে এই বুলি শান্ত্বনা দিলে যে দুষ্টক দমন কৰি সোনকালে ধৰ্ম ৰাজ্য স্থাপন কৰা হ'ব। কৃষ্ণই আৰু এইটোও ক'লে যে তেওঁ এই কথা আগতীয়াকৈ জানিব পাৰিলে এই খেল বন্ধ কৰিব পাৰিলেহেঁতেন। কিন্তু অদৃষ্টৰ সকলো লিখন মূৰ পাতি লৈ পাণ্ডৱসকলে দ্ৰৌপদীৰে সৈতে বনত বাস কৰিবলৈ ধৰিলে। বনত থাকোঁতে অৰ্জুনে কিৰাতবেশী শিৱক যুদ্ধত সন্তুষ্ট কৰি পাশুপাত অস্ত্ৰ লাভ কৰে আৰু ভীমে বকাসুৰৰ ভায়েক কিৰ্মীৰক বধ কৰে। অৰ্জুনে চিত্ৰৰথ গন্ধৰ্বৰ ওচৰত নৃত্যগীত শিকে আৰু পাঁচ বছৰৰ মূৰত আহি পাণ্ডৱক লগ ধৰে। এইদৰে বহুত ঘাট-প্ৰতিঘাটৰ মাজেদি পাণ্ডৱে বনত কে'বাবছৰো অতিক্ৰম কৰিলে। এবাৰ দুৰ্যোধনৰ প্ৰৰোচনাত পৰি ধৃতৰাষ্ট্ৰৰ জোঁৱায়েক জয়দ্ৰথে দ্ৰৌপদীক অপহৰণ কৰি নিবলৈ ধৰোতে ভীমে জয়দ্ৰথক এশিকনি দি পঠায়।

এবাৰ পাণ্ডৱসকলক হেয় প্ৰতিপন্ন কৰি কৌৰৱে নিজৰ আত্ম মহিমা প্ৰচাৰ কৰাৰ অৰ্থে তেওঁলোকৰ বনত বথা গৰুৰ খুটি পৰিদৰ্শন কৰাৰ চলেৰে সসৈন্যে কৌৰৱসকল পাণ্ডৱ থকা বনত উপস্থিত হয়; কিন্তু গন্ধৰ্বসকলৰ দ্বাৰা আক্ৰান্ত হয় আৰু চিত্ৰৰথ গন্ধৰ্বই কৰ্ণ, দুঃশাসন আদি বীৰক পৰাজয় কৰি দুৰ্যোধনক বান্ধি লৈ যায়। তেতিয়া কৌৰৱ পত্নীসকলে পাণ্ডৱৰ সহায় খোজাত যুধিষ্ঠিৰৰ কথামতে অৰ্জুনে চিত্ৰৰথক পৰাজয় কৰি দুৰ্যোধনক মুকলি কৰি আনে। ইয়াতে লাজ পাই দুৰ্যোধনে আত্মহত্যা কৰাৰ চেষ্টা কৰিছিল; কিন্তু কৰ্ণৰ বুজনিত তেওঁ পতিয়ন গৈ সেই পথ ত্যাগ কৰিলে। ইয়াৰ পিছত পাণ্ডৱসকলে কাম্যক বন এৰি দ্বৈত বনত আশ্ৰয় লয়।

এই বনতে পাণ্ডৱসকলৰ বাৰ বছৰ বনবাস শেষ হয়। ইয়াৰ পিছত এবছৰ অজ্ঞাতবাস আৰম্ভ হয়। পাণ্ডৱসকলে ছদ্মবেশ ধৰি বেলেগ বেলেগ নাম লৈ মৎস্য দেশৰ ৰজা বিৰাটৰ ৰাজসভাত উপস্থিত হয়। যুধিষ্ঠিৰে কংক নাম নাম লৈ পাশাখেলত পটু বুলি পৰিচয় দি বিৰাট ৰজাৰ সভাসদ হয়। ভীমে বল্লভ নিয়াত পাৰ্গত বুলি সুপকাৰ হয়। অৰ্জুনে উৰ্বশীৰ শাপত এবছৰ নপুংসক হৈ নাচ-গান শিকোৱাত পাৰদৰ্শী বুলি বৃহন্নলা নাম লৈ ৰাজ কন্যা

উত্তৰাৰ শিক্ষক হয়। নকুলে অশ্বপ্ৰশিক্ষণত পাৰ্গত আৰু সহদেৱে গোপালনত বিশেষজ্ঞ বুলি বিৰাট ৰাজহাউলীত আশ্ৰয় লয়। দ্ৰৌপদীয়ে সৈৰিন্ধ্ৰী ৰূপত ৰাণী সুদেষ্ণাৰ লিগিৰীৰ বাব লয়। ইয়াত থাকোঁতে দ্ৰৌপদী বিৰাট ৰজাৰ সেনাপতি কীচকৰ দৃষ্টিত পৰে আৰু কাম প্ৰবৃত্তিৰ বশৱৰ্তী হৈ দ্ৰৌপদীক অপমান কৰে। ভীমে পাঞ্চালীৰ মুখে এই কথা জানিব পাৰি কীচকক বধ কৰে।

বিৰাট ৰজাৰ আশ্ৰয়ত থাকোঁতে পাণ্ডৱৰ এবছৰ অজ্ঞাত বাস শেষ হয় আৰু পূৰ্বৰ কথামতে পাণ্ডৱে প্ৰথমতে পুৰোহিত ধৌম্যক অৰ্দ্ধৰাজ্য বিচাৰি ধৃতাৰাষ্ট্ৰৰ ওচৰলৈ পঠায়; কিন্তু দুৰ্যোধনৰ হাতৰ পুতুলা ধৃতাৰাষ্ট্ৰই একো সমাধানৰ পথ দাঙি ধৰিব নোৱাৰিলে। সেয়ে দ্বিতীয়বাৰৰ বাবে ধৃতাৰাষ্ট্ৰই কৃষ্ণক কৌৰৱৰ ৰাজসভালৈ মাতি আনিলে; কিন্তু কৃষ্ণ, পিতামহ ভীষ্ম, দ্ৰোণাচাৰ্য আৰু বিদুৰৰ কোনো কথাতে দাম্ভিক দুৰ্যোধন সন্মত নহ'ল। আনকি গান্ধাৰীৰ অশেষ কাকুতিকো উপেক্ষা কৰি দুৰ্যোধনে ঘোষণা কৰিলে- বিনাযুদ্ধে পাণ্ডৱক বেজীৰ আগৰ মাটিৰ সমানো দিয়া নহয়। পাঁচ ভাইৰ কাৰণে পাঁচখন গাঁও বিচৰা কৃষ্ণৰ কথাও উপেক্ষিত হ'ল দুৰ্যোধনৰ সন্মুখত। যুদ্ধ অনিবাৰ্য হৈ উঠিল। দুয়োপক্ষ যুদ্ধৰ বাবে সাজু হৈ উঠিল। কৌৰৱে এঘাৰ অক্ষৌহিনী আৰু পাণ্ডৱে সাত অক্ষৌহিনী সৈন্য গোটাই যুদ্ধৰ বাবে প্ৰস্তুত হ'ল। এই যুদ্ধত ভাৰতৰ কোনো এজন ৰজাই বাদ নপৰিল। প্ৰত্যেকেই হয় কৌৰৱৰ লগত নহয় পাণ্ডৱ পক্ষত যোগ দিলে। প্ৰাগজ্যোতিষৰ ৰজা বীৰ ভগদত্তই কৌৰৱপক্ষত যোগ দিলে। শ্ৰীকৃষ্ণ পাণ্ডৱপক্ষত থাকিল। অৱশ্যে তেওঁ যুদ্ধ নকৰি অৰ্জুনৰ ৰথৰ সাৰথি হৈ থাকিল।

দুয়োপক্ষৰ সমৰ সজ্জা প্ৰস্তুত হ'ল। যুদ্ধৰ আৰম্ভণিত ৰাজমাতা গান্ধাৰীৰ ওচৰত দুৰ্যোধন আৰু যুধিষ্ঠিৰে আশীৰ্বাদ বিচাৰিলে। গান্ধাৰীয়ে "সত্যৰ জয় হ'ব" বুলি দুয়োকো আশীৰ্বাদ দিলে।

প্ৰথম দিনাৰ যুদ্ধত কৌৰৱ পক্ষৰ সেনাপতি হ'ল পিতামহ ভীষ্ম। যুদ্ধৰ এই বাতৰি ধৃতৰাষ্ট্ৰক দি থাকিবলৈ সঞ্জয়ক নিযুক্তি কৰে। পিতামহ ভীষ্মই দহ দিন কৌৰৱ পক্ষৰ সেনাপতি হৈ পাণ্ডৱৰ সৈন্যৰ মাজত আতংকৰ সৃষ্টি কৰি কৌৰৱৰ জয় সুনিশ্চিত কৰি তোলে। তেতিয়া কৃষ্ণৰ কথামতে অৰ্জুনে

তেওঁক কেনেকৈ বধ কৰিব পাৰি সুধিবলৈ গ'ল। ভীষ্মই অৰ্জুনক ক'লে যে, তেওঁৰ ৰথৰ সন্মুখত শিখণ্ডী থাকিলে যুদ্ধ নকৰে। সেই সুযোগতে অৰ্জুনে তেওঁক বধ কৰিব পাৰিব। অৰ্জুনে ভীষ্মৰ পৰা সেই উপদেশ লৈ আহি পিছদিনা শিখণ্ডীক ৰথৰ সাৰথি কৰি ভীষ্মৰ সৈতে মুখামুখি হ'ল আৰু ভীষ্মক উপৰ্যুপৰি শৰৰ আঘাতেৰে ধৰাশায়ী কৰি পেলালে। পিতামহ ভীষ্মৰ যিহেতু ইচ্ছা মৃত্যু ও, সেয়ে তেওঁ ৰণক্ষেত্ৰত নমৰি শৰশয্যাত পৰিল।

ভীষ্মৰ পিছত কৌৰৱৰ সেনাপতি হয় গুৰু দ্ৰোণাচাৰ্য তেওঁ পাঁচ দিন যুদ্ধ কৰি পাণ্ডৱপক্ষক ব্যতিব্যস্ত কৰি তোলে। তৃতীয় দিনা সপ্তৰথীয়ে অৰ্জুনৰ ষোল্ল বছৰীয়া পুত্ৰক বেৰি ধৰি বধ কৰে। অৱশেষত ধৃষ্টদ্যুম্নই দ্ৰোণাচাৰ্যক কৌশলেৰে বধ কৰে। এই যুদ্ধত ভীমৰ পুতেক ঘটোৎকচে ৰাক্ষসী মায়াৰে কৌৰৱৰ সৈন্যৰ মাজত এক আতংকৰ সৃষ্টি কৰে। কোনো প্ৰকাৰে ঘটোৎকচক বধ কৰিব নোৱাৰি দুৰ্যোধনে ৰণক্ষেত্ৰত কৰ্ণৰ পৰামৰ্শ বিচাৰে। তেতিয়া কৰ্ণই দুৰ্যোধনৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰি অৰ্জুনক বধ কৰিবলৈ থোৱা ইন্দ্ৰ দত্ত একাঘ্নী অস্ত্ৰেৰে ঘটোৎকচক বধ কৰে।

দ্ৰোণাচাৰ্যৰ মৃত্যুৰ পিছত সূত পুত্ৰ খ্যাত কুন্তীৰ পুত্ৰ মহাবীৰ কৰ্ণ কৌৰৱৰ সেনাপতি হয়। অৰ্জুন আৰু কৰ্ণৰ তুমুল যুদ্ধত কৰ্ণ নিপাত হয়। সেনাপতি হৈ থাকোঁতে ভীমৰ হাতত দু:শাসন বধ হয়। পূৰ্বৰ প্ৰতিজ্ঞামতে ভীমে দু:শাসনক বধ কৰি ৰক্তপাণ কৰে।

কৰ্ণৰ পাছত শল্য সেনাপতি হয়, যুদ্ধৰ অষ্টাদশ দিনত। সেই দিনৰ যুদ্ধত সহদেৱে শকুনিক যুদ্ধত বধ কৰে। যুধিষ্ঠিৰে পৰাক্ৰম প্ৰদৰ্শন কৰি অৱশেষত মদ্ৰৰাজ শল্যক বধ কৰে। কৌৰৱৰ এঘাৰ অক্ষৌহিনী সৈন্যৰ কেইজনমানৰ বাহিৰে সকলো নিহত হয়। বাকী থাকিল দুৰ্যোধন, অশ্বত্থামা, কৃপাচাৰ্য আৰু কৃতবৰ্মা। দুৰ্যোধনে ভয়ত পলাই গৈ দ্বৈপায়ণ হ্ৰদত আশ্ৰয় লয়। তাতে পাণ্ডৱে কৃষ্ণৰ সৈতে বিচাৰি গৈ দুৰ্যোধনক পায় আৰু যুদ্ধৰ বাবে প্ৰত্যাহ্বান জনায়। তেতিয়া দুৰ্যোধনে হ্ৰদৰ পৰা উঠি আহি ভীমক গদা যুদ্ধৰ বাবে বাচি লয়। দুয়োৰে মাজত তুমুল গদা যুদ্ধৰ অন্তত: ভীমে অন্যায় ভাৱে দুৰ্যোধনক উৰুত কোবাই বগৰাই দিয়ে। ইয়াতে যুধিষ্ঠিৰে ভীমক তিৰস্কাৰ কৰি দুৰ্যোধনক সন্মান জনাবলৈ পৰামৰ্শ দিয়ে। দুৰ্যোধন তাতে পৰি থাকিল। ইতিমধ্যে অশ্বত্থমাই মধ্যৰাতি পাণ্ডৱ শিবিৰত প্ৰৱেশ কৰি শুই থকা ধৃষ্টদ্যুম্ন,

শিখণ্ডী আৰু পাণ্ডৱৰ পাঁচ পুত্ৰক গোপনে হত্যা কৰি আহি কৰঙ ভাঙি পৰি থকা দুৰ্যোধনক জনায়। এই সংবাদ পাই পৰম শান্তিত দুৰ্যোধনে শেষ নিশ্বাস ত্যাগ কৰে। এই সংবাদ পাণ্ডৱ শিবিৰত বিয়পি পৰাৰ লগে লগে দ্ৰৌপদী শোকত ভাঙি পৰে আৰু অশ্বত্থামাৰ হত্যা কৰিব নোৱৰালৈকে ভীমে আহাৰ গ্ৰহণ নকৰাৰ প্ৰতিজ্ঞা কৰিলে। ইয়াৰ পিছত ভীমে অশ্বত্থামাক বিচাৰি আনি বধ কৰে।

এইদৰেই ওঠৰ দিনৰ যুদ্ধৰ পিছত কুৰুক্ষেত্ৰ ৰণ সমাপ্ত হয় আৰু কৌৰৱকুল সমূলঞ্চে ধ্বংস হয়। এই শতপুত্ৰৰ মৃত্যুৰ সংবাদে ধৃতৰাষ্ট্ৰ আৰু গান্ধাৰীক শোকে ম্ৰিয়মান কৰি তুলিলে। পুত্ৰ শোকত অস্থিৰ হৈ গান্ধাৰীয়ে কৃষ্ণকে ইয়াৰ বাবে দায়ী কৰি যদু বংশও আত্মকলহত ধ্বংস হ'ব বুলি অভিশাপ দিয়ে। তাৰ পিছত যুধিষ্ঠিৰৰ নিৰ্দেশত মৃতসকলৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। সেই প্ৰসংগত কুন্তীয়ে কৰ্ণও যে তেওঁৰে পুত্ৰ সেই কথা প্ৰকাশ কৰে আৰু কৰ্ণৰ প্ৰতি তৰ্পণ দিয়ে।

আত্মীয়সকলক যুদ্ধত বধ কৰি যুধিষ্ঠিৰে মনত অকনো শান্তি পোৱা নাছিল। সেয়ে তেওঁ শৰশয্যাত পৰি থকা পিতামহ ভীষ্মৰ ওচৰলৈ সান্ত্বনা বিচাৰি যায়। ভীষ্মই যুধিষ্ঠিৰক প্ৰথমে ৰাজধৰ্ম আৰু বিভিন্ন বিষয়ৰ পৰামৰ্শ দি যুধিষ্ঠিৰৰ অশান্ত মন শান্ত কৰি তোলে। ইতিমধ্যে পিতামহ ভীষ্মই শেষ নিশ্বাস ত্যাগ কৰে।

কুৰুক্ষেত্ৰ যুদ্ধৰ পিছত যুধিষ্ঠিৰ চক্ৰৱৰ্তী ৰজা হয় আৰু ইন্দ্ৰপ্ৰস্থত ধৃতৰাষ্ট্ৰ, গান্ধাৰী আৰু বিদুৰক সন্মানপূৰ্বক ভৰণ-পোষণ দি ৰাখিলে। এইদৰে পোন্ধৰ বছৰ পাণ্ডৱৰ লগত থাকি ধৃতৰাষ্ট্ৰ, গান্ধাৰী, বিদুৰ, সঞ্জয় আৰু কুন্তীয়ে বানপ্ৰস্থ অৱলম্বন কৰি বনত আশ্ৰয় লয়। বনত বিদুৰৰ মৃত্যু হয়। ধৃতৰাষ্ট্ৰ, গান্ধাৰী আৰু কুন্তীক বনজুয়ে গ্ৰাস কৰে। সঞ্জয়ে হিমালয়লৈ প্ৰস্থান কৰে।

ইয়াৰ পিছত এদিন বনত ব্যাধৰ হাতত কৃষ্ণৰ মৃত্যু হোৱাত যুধিষ্ঠিৰে নাতিয়েক পৰীক্ষিতক ৰজা পাতি চাৰি ভায়েক আৰু দ্ৰৌপদীক লগত লৈ হিমালয়লৈ গৈ স্বৰ্গত আৰোহণ কৰিব খোজোঁতে যুধিষ্ঠিৰৰ বাহিৰে সকলোটিৰে বাটত মৃত্যু হ'ল। কেৱল যুধিষ্ঠিৰেহে স্বৰ্গত আৰোহণ কৰিলেগৈ। এইদৰেই সামৰণি পৰে মহাকাব্য মহাভাৰতৰ।

বেদৰ পৰিচয়

(১৩)

বেদৰ অৰ্থ জ্ঞান; অৰ্থাৎ যি পুথি পঢ়িলে মানুহে ইহকাল আৰু পৰকালৰ জ্ঞান লাভ কৰে তাকেই বেদ কোৱা হয়। বেদ চাৰিখন— ঋগ্বেদ, যজুৰ্বেদ, সামবেদ, অথৰ্ব বেদ। বেদ শব্দৰ কেইটামান প্ৰতি শব্দ আছে, যেনে— শ্ৰুতি, ত্ৰয়ীবিদ্যা বা ত্ৰয়ী, আগম, ছন্দম্ প্ৰভৃতি। ঋগ্বেদ, সামবেদ আৰু যজুৰ্বেদ— এই তিনি বেদ একেলগে ত্ৰয়ী কোৱা হয়। সেইমতে অথৰ্ব বেদ ত্ৰয়ী বিদ্যাৰ অন্তৰ্ভুক্ত নহয়। ড: যোগীৰাজ বসুৰ মতে, "অথৰ্ব বেদত অথৰ্বন নামৰ ঋষি আৰু পুৰোহিতৰ উল্লেখ আছে। এই অথৰ্বন পুৰোহিতেই পাৰ্চী সকলৰ ধৰ্ম গ্ৰন্থ জন্দ আৱস্তাত 'অথ্ৰবন্' নামে অভিহিত হৈছিল। আৰ্য গোষ্ঠীৰ ভাৰতীয় আৰু ইৰানীয় শাখাই যেতিয়া সপ্ত সিন্ধু ৰাজিত সুবাস্ত নায়ৰ জনপদৰ সৰস্বতী উপত্যকাত একেলগে বাস কৰিছিল সেই প্ৰাক্ ঐতিহাসিক যুগতে অথৰ্বন পুৰোহিতৰ আবিৰ্ভাব হৈছিল।"

প্ৰতিখন বেদ মন্ত্ৰ, ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদত বিভক্ত। ঋগ্বেদক সবাতোকৈ পুৰণি আখ্যা দিয়া হয়। ঋগ্বেদৰ অৰ্থ মন্ত্ৰ, আৰু 'বেদ' মানে জ্ঞান। এই মন্ত্ৰ বিলাক ছন্দোবদ্ধ। এইবিলাকৰ উচ্চাৰণো হ'ব লাগে নিয়ম অনুসাৰে। সেইবাবে মুখে মুখে চলি অহা বেদৰ স্তোত্ৰ সমূহৰ হেজাৰ হেজাৰ বছৰৰ পিছতো এধানো হ্ৰণ-ভগন হোৱা নাই। অশুদ্ধ উচ্চাৰণেৰে বেদ পাঠ কৰাটো মহাপাপ। ঋগ্বেদৰ পিছতেই সামবেদ আৰু যজুৰ্বেদৰ সৃষ্টি হয়। সামবেদৰ অৰ্থ গীত, অৰ্থাৎ স্তুতি গীত। এই সাম গীত ব্ৰাহ্মণ পুৰোহিত সকলে যজ্ঞস্থলীত বিধি মতে গায়। যজুৰ্বেদত যজ্ঞৰ নীতি-নিয়ম আছে আৰু অথৰ্ব বেদত ৰোগ নিৰাময়ৰ মন্ত্ৰ আৰু বিধিৰ উল্লেখ আছে। যজুৰ্বেদৰ দুটা ভাগ— শুক্ল আৰু কৃষ্ণ। বেদৰ মন্ত্ৰ সমূহৰ একেলগে অন্য নাম সংহিতা। বেদক শ্ৰুতি বা বাক বুলিও এই কাৰণেই কোৱা হয় যে বেদসমূহ লিপিবদ্ধ হোৱা নাছিল। সেইবোৰ মুখে মুখেহে চলি আহিছিল— ব্ৰাহ্মণ সকলৰ মুখে মুখে বংশানুক্ৰমে বাগৰি অহা হেতুকেই ত্ৰয়ী, শ্ৰুতি বা বাক কোৱা হয়। পণ্ডিত সকলৰ মতে ইউৰোপীয়ানসকল ভাৰতলৈ অহাৰ আগলৈকে বেদ লিপিবদ্ধ অৱস্থাত পোৱা নগৈছিল।

ঋগ্বেদৰ ঋক বা স্তোত্ৰ সংখ্যা ১০৫৫২টা। সামবেদৰ ঋক সংখ্যা ১৮২০টা।

ইয়াৰ ভালেমান খৃক খৃখেদতো আছে। এই খৃক বিলাক অগ্নি, ইন্দ্ৰ আৰু সোম প্ৰভৃতি দেৱতাৰ স্তুতি গান। সামবেদৰ ব্ৰাহ্মণ আঠ খন। কৃষ্ণ যজুৰ্বেদৰ ১৯০০টা আৰু শুক্ল যজুৰ্বেদৰ ১৯২৫টা খৃক আছে। যজুৰ্বেদতেই অশ্বমেধ যজ্ঞ, পুৰুষমেধ যজ্ঞ, সৰ্বমেধ যজ্ঞ,ৰাজসুয় যজ্ঞ ইত্যাদিৰ বিধি বিধান আছে। চতুৰ্থখন বেদ, অথৰ্ব বেদত ব্যাধিৰ পৰা ৰক্ষা পাবলৈ মন্ত্ৰসমূহ আছে। বেদত ক্ৰিয়া কৰ্ম আৰু উপনিষদত তত্ত্বজ্ঞান সন্নিবিষ্ট হৈছে। অগ্নিপুৰাণত ১৬০০ খন উপনিষদৰ কথা উল্লেখ আছে। অৱশ্যে মেক্স মূলাৰে ১৪৯খন উপনিষদৰ হিছাপ দিছে। শঙ্কৰাচাৰ্যই এঘাৰখন উপনিষদৰ ভাষ্য ৰচনা কৰিছে। সেই এঘাৰখন হ'ল— ঈশ, কেন, কঠ, প্ৰশ্ন, মুণ্ডক, মাণ্ডুক্য, ঐতৰেয়, তৈত্তিৰীয় ছান্দোগ্য, বৃহদাৰণ্যক আৰু শ্বেতাশ্বতৰ। "যি বিদ্যাই মানুহৰ জন্ম মৃত্যুৰ কাৰণ অজ্ঞাত বা অবিদ্যাক শেষ কৰে বা বিনষ্ট কৰে সেই বিদ্যাৰ নাম উপনিষদ। অবিদ্যা বা অজ্ঞান নাশ কৰি যি বিদ্যা বা পৰম জ্ঞানে মুমুৰ্ষ জীৱক পৰম ব্ৰহ্মৰ কাষলৈ লৈ যায় পৰম ব্ৰহ্মপ্ৰাপ্তি সাধন ৰূপ সেই পৰবিদ্যা বা ব্ৰহ্মবিদ্যাকে উপনিষদ বোলে। অৰ্থাৎ উপনিষদ শব্দৰ মুখ্য অৰ্থ হৈছে ব্ৰহ্মবিদ্যা।" (ড: যোগীৰাজ বসু)

বেদত তিনিজন আৰু তেত্ৰিশজন দেৱতাৰ কথা আছে। পিছলৈ এই তেত্ৰিশজন দেৱতাৰ সংখ্যা বাঢ়ি গৈ পুৰাণ সমূহত তেত্ৰিশ কোটি দেৱতা হয়গৈ। খৃগবেদত তিনি,তিনি,তিনি.ন জন দেৱতাৰ কথা উল্লেখ আছে।

বেদৰ কেতবোৰ অঙ্গক বেদাঙ্গ কোৱা হয়। বেদাঙ্গ বিলাক এনে ধৰণৰ— শিক্ষা, ব্যাকৰণ, ছন্দ, নিৰুক্ত, জ্যোতিষ আৰু কল্প।

বেদৰ ৰচনা কাল সম্পৰ্কে পণ্ডিত সকল একমত নহয়। মেক্সমূলাৰ, মেকডনেল, উইণ্টাৰনিজ, কিথ আদি পাশ্চাত্যৰ পণ্ডিতৰ মতে বেদ ৰচনা হৈছিল খৃষ্টপূৰ্ব ১৫০০ বছৰৰ পৰা ১২০০ বছৰৰ ভিতৰত। অৱশ্যে পণ্ডিত জেকোবীৰৰ মতে বেদ সমূহ খৃষ্টপূৰ্ব ৪০০০ বছৰৰো পুৰণা। বৈদিক সাহিত্যৰ প্ৰধান বৈশিষ্ট্য এইটোৱেই যে লক্ষ লক্ষ স্তোত্ৰ সংযুক্ত বেদসমূহ মানুহৰ মুখে মুখে নিৰ্ভুল ভাবে চলি আহিছিল। বৈদিক সাহিত্যই হ'ল প্ৰচীন ভাৰতীয় সকলো চিন্তাৰ উৎস। বিভিন্ন দেৱ-দেৱীৰ উল্লেখো বেদতেই আছে। বৈদিক সাহিত্যক মীমাংসা বুলিও কোৱা হয়। পূৰ্ব মীমাংসাই চাৰি বেদক আৰু উত্তৰ মীমাংস্যাই বেদান্ত সাহিত্যক বুজায়। বেদৰ মতে পুৰুষ হৈছে বিশ্ব শক্তিৰ ব্যক্তি ৰূপ। তেওঁৱেই বিশ্বমানৱ। বিশ্ব ব্ৰহ্মাণ্ডৰ অতীত বৰ্তমান আৰু ভৱিষ্যতৰ সকলোৰেই উৎস স্বৰূপ। চতুৰ্বৰ্ণৰ উৎপত্তিৰ ব্যাখ্যাও এনেদৰে দাঙি ধৰা হৈছে— পুৰুষৰ মুখেদি ব্ৰাহ্মণ, বাহুৰ পৰা ক্ষত্ৰীয়, উৰুৰ পৰা বৈশ্য, কৃষক,

কাবিকৰ আৰু ভৰিৰ পৰা শূদ্ৰৰ উৎপত্তি হৈছে।

স্তোত্ৰ সমূহৰ সংগ্ৰাহক আৰু সংকলক সকলকেই ঋষি অথবা জ্ঞানী পুৰুষ কোৱা হয়। প্ৰাচীন ভাৰতৰ মানুহে সৃষ্টিৰ উৎপত্তি আৰু জীৱনৰ অনুসন্ধান কৰিছিল বুলি ঋগ্বেদৰ স্তোত্ৰ সমূহৰ পৰা প্ৰমাণ পোৱা যায়। প্ৰকৃতিৰ ধৰ্ম যে গতি সেইটো তেতিয়াই স্বীকাৰ কৰা হৈছিল। বৈচিত্ৰ্যময় জগতৰ আৰম্ভণি কামনাৰ পৰাই হোৱা বুলিও কোৱা হৈছিল। দৰাচলতে ঋগ্বেদত সৃষ্টি তত্ত্বই প্ৰাধান্য লাভ কৰিছে।

ঋগ্বেদত বহু দেৱতাৰ উপৰিও এঠাইত এজন ঈশ্বৰৰ কথাৰ ইংগিত আছে। কিন্তু কোন দেৱতাৰ উদ্দেশ্যে উছৰ্গা কৰিব সেই বিষয়ত সন্দেহ ওপজিছে। পিছলৈ এই সন্দেহেই উপনিষদ বিলাকত পৰম ব্ৰহ্মৰ ৰূপ পাইছে। ঋগ্বেদৰ দশম মণ্ডলৰ ১২১ সূক্তত আছে—

সুক্ত ১২১ দেৱতা প্ৰজাপতি। হিৰণ্যগৰ্ভ ঋষি ত্ৰিষ্টুপ।

প্ৰথমতে হিৰণ্যগৰ্ভই সকলো ভূতৰ সৃষ্টিকৰ্তা।। তেঁৱেই দ্যাবা আৰু পৃথিৱীক সৃষ্টি কৰিলে।। ১। তেওঁ জীৱন দিছে, শক্তি দিছে, যাক দেৱতায়ো মানে, যাৰ ছাঁ অমৃতময়, মৃত্যু যাৰ অধীন ।।২।। যিজন গমনশীল ইন্দ্ৰিয়যুক্ত প্ৰাণীৰ স্ৰষ্টা ।।৩।। যি হিমালয় সৃষ্টি কৰিছে, সাগৰ সৃষ্টি কৰিছে, দিশবিলাক সৃষ্টি কৰিছে ।।৪।। যি আকাশ আৰু পৃথিৱীক স্থাপন কৰিছে, যিজনে স্বৰ্গ আৰু পাতাল সৃষ্টি কৰিছে ।।৫।। দ্যাবা পৃথিৱীয়ে যাক মান্য কৰিছে আৰু সূৰ্যক দীপ্তিমান কৰিছে ।।৬।। পৃথিৱী জলেৰে ব্যাপ্ত হৈছিল আৰু তাৰ পৰাই অগ্নিক যি সৃষ্টি কৰিলে, ।।৭।। যিজনে পৃথিৱীক জন্ম দিলে, যিজনে আকাশক জন্ম দিলে, যিজনে জলৰাশি সৃষ্টি কৰিলে, যিজনে হিংসা নকৰে সেই প্ৰজাপতি দেৱক কি হব্যেৰে আমি পূজন কৰিম। ।।৯।। আমাৰ যজ্ঞ যেন সফল হয়। আমি যেন ধনেৰে পূৰ্ণ হওঁ ।।১০।।

বেদৰ দেৱতাসকলেই আৰ্য্য সভ্যতাৰ আদি দেৱতা। সামবেদত সেই দেৱতা সকলক সন্তুষ্ট কৰিবলৈ সংগীত গোৱা হয় আৰু যজুৰ্বেদত তেওঁলোকৰ উদ্দেশ্যে যজ্ঞৰ ব্যৱস্থা আছে। দেৱ শব্দই ঈশ্বৰক নুবুজাইছিল। যিবোৰ অমৰ ক্ষয়হীন সৃষ্টি যেনে— প্ৰভাত, সূৰ্য্য, সন্ধ্যা, পৃথিৱী, স্বৰ্গ, নদী, বৃক্ষ, পৰ্বত— এই সকলো বিলাকেই দেৱতা হিচাপে গণ্য হৈছিল। দেৱ আহিছে দিবৰ পৰা, অৰ্থাৎ যিজন দীপ্তিমান। দেৱতাবিলাকৰ যহতেই আৰ্য্যসকলে ধন-জন-শক্তি পাইছিল বুলি ধাৰণা কৰা হয়। সেইবাবেই পুৰোহিতসকলে দেৱতাক তুষ্ট কৰিবলৈ যজ্ঞ পাতিছিল।

যজ্ঞৰ সৈতে পুৰোহিতৰ সম্বন্ধ ঘনিষ্ঠ। ব্ৰাহ্মণ পুৰোহিতসকল যজ্ঞৰ

ইহকাল আৰু পৰকালৰ ত্ৰাণকৰ্তাৰূপে পৰিগণিত হৈছিল। যাত্ৰাকালত পুৰোহিত ৰজাৰ আগে আগে গৈছিল আৰু ৰাজসভাত সমানে আসন লৈছিল। যুদ্ধৰ সময়তো ৰজাই ব্ৰাহ্মণৰ আশীৰ্বাদ লৈছিল। সেই যুগত ব্ৰাহ্মণসকল বংশানুক্ৰমিক নাছিল। অৱশ্যে পিছৰ যুগত বংশানুক্ৰমিকভাৱে ব্ৰাহ্মণ হ'ব পাৰিছিল।

বেদান্তৰ অন্য এটি নাম উপনিষদ। বেদান্তৰ অধিকাৰী হ'বলৈ সাধনচতুষ্টয় সম্পন্ন হ'ব লাগিব। সাধন চতুষ্টয় হ'ল— বিবেক, বৈৰাগ্য, ষটসম্পত্তি (শম্, দম, উপৰতি, তিতিক্ষা, শ্ৰদ্ধা, সমাধান) আৰু মুমুক্ষুত্ব। এই উপনিষদ নামৰ গ্ৰন্থবোৰৰ ৰচনা বহুদিন ব্যাপি চলিছিল বুলি ভাষা আৰু ভাবৰ পৰা অনুমান কৰিব পাৰি। দিবাকৰ গোস্বামীৰ মতে,— "বহুখিনি উপনিষদ গ্ৰন্থ সাম্প্ৰদায়িক ধৰ্মৰ সমৰ্থক। কালক্ৰমত উদ্ভৱ হোৱা বিভিন্ন ধৰ্ম সম্প্ৰদায়বোৰে তেওঁলোকৰ নিজ নিজ ধৰ্মমত বেদমূলক বুলি প্ৰতিপন্ন কৰিবৰ কাৰণে সম্ভৱত: উপনিষদ নাম দি কিছুমান গ্ৰন্থ ৰচনা কৰিছিল। এই গ্ৰন্থবোৰক বেদৰ অন্তৰ্গত নুবুলি পুৰাণ আৰু তন্ত্ৰৰ অন্তৰ্গতহে বুলিব পাৰি।"

উপনিষদত সাধাৰণতে জীৱ, জগৎ, ঈশ্বৰ আদি দৰ্শন শাস্ত্ৰৰ বিষয়বোৰৰ ব্যাখ্যা কৰা হৈছে; কিন্তু বিভিন্ন সময়ত ৰচনা কৰা হেতুকে ইখন উপনিষদৰ সৈতে আনখনৰ মতবিৰোধী কথা প্ৰকাশ পোৱাও দেখা যায়। সেই হেতুকে অৰ্থলৈ কেতিয়াবা কেতিয়াবা বিভ্ৰান্তিৰ সৃষ্টি হয়। সকলো পণ্ডিতে আটাইবোৰ উপনিষদৰ মতবাদ একে বুলি নাভাবে। তেওঁলোকৰ মতে উপনিষদবোৰ বিভিন্ন ঋষিৰ বিভিন্ন সময়ৰ উপলব্ধিৰ সংৰক্ষণ। অৱশ্যে কিছুমান পণ্ডিতে এনে অভিমত সমৰ্থন নকৰে। তেওঁলোকৰ মতে উপনিষদৰ বাণীসমূহ অভ্ৰান্ত। উল্লেখযোগ্য যে উপনিষদৰ সাৰমৰ্মক লৈয়েই যি দুখন পুথি সংকলিত হৈছিল, তাৰ এখন ব্ৰহ্ম সূত্ৰ বা বেদান্ত সূত্ৰ আৰু আনখন শ্ৰীমদ্ভাগৱত গীতা।

বেদৰ কৰ্মকাণ্ডত যাগ-যজ্ঞাদি ইহলোকৰ সুখ-সমৃদ্ধি আৰু মৃত্যুৰ পিছত পৰলোকত স্বৰ্গ সুখ কামনা কৰা হয়। যিহেতু কৰ্মৰ ফল এদিন অন্ত পৰে সেইবাবেই মৃত্যুৰ পিছত ফলভোগৰ অন্তত সংসাৰলৈ ঘূৰি আহিব লগা হয়। সেইকাৰণে যাগ-যজ্ঞাদিৰে অনন্ত কালৰ বাবে শান্তিলাভ কৰাটো সম্ভৱ নহয়। আত্মজ্ঞান বা ব্ৰহ্মজ্ঞানেহে সংসাৰৰ পৰা মুক্তি দিব পাৰে। সেইবাবেই বেদৰ শেষ ভাগ উপনিষদ বা বেদান্তত আত্মজ্ঞান বা ব্ৰহ্মতত্ত্বৰ বিষয়ত গুৰুত্ব দিয়া হৈছে। অৱশ্যে উপনিষদতো ঠায়ে ঠায়ে উপাসনা আৰু কৰ্মৰ বিষয়ে বাণী পোৱা যায়; কিন্তু উপাসনাক জ্ঞান নুবুলি কৰ্ম হিচাপে লোৱাটোহে বাঞ্ছনীয় বুলি এচাম পণ্ডিতৰ ধাৰণা।

ছাৰ টমাছ্ মুৰৰ ইউটোপিয়া

(১৪)

মানুহে অনাদি কালৰ পৰা পৃথিৱীক সুখ-শান্তিৰ ৰাজ্যত পৰিণত কৰাৰ যি বৃহৎ কল্পনা আৰু আঁচনি কৰি আহিছে সেইবোৰ বহুতেই লিখনিৰ জৰিয়তে গ্ৰন্থাকাৰে লিপিবদ্ধ কৰিও আহিছে। এনেকুৱা গ্ৰন্থৰাজিৰ ভিতৰত ষোড়শ শতিকাৰ আৰম্ভণিৰ কালছোৱাত ইংলেণ্ডৰ এগৰাকী ৰাজনীতিজ্ঞ পণ্ডিত ছাৰ টমাছ্ মুৰে লিখা ক্ষীণ কলেৱৰৰ গ্ৰন্থ্ এখন আটাইতকৈ বিখ্যাত বুলি পৰিগণিত হৈছে। গ্ৰন্থখনৰ নাম 'ইউটোপিয়া'। গ্ৰন্থখন ইমানেই বিখ্যাত যে তাৰ প্ৰকাশৰ পিছৰ পৰা সকলো ধৰণৰ কাল্পনিক ৰাজ্যৰ আঁচনিক 'ইউটোপিয়ান' আখ্যা দিয়া হৈ আহিছে।

'ইউটোপিয়া' শব্দটো দুটা গ্ৰীক শব্দৰ সমন্বয়ত সৃষ্টি হৈছে— 'ঔ' অৰ্থাৎ 'নহয়' আৰু টোপোছ্ অৰ্থাৎ 'ঠাই'। সমন্বয়ত শব্দটোৰ অৰ্থ 'নোহোৱা' বা 'কাল্পনিক ৰাজ্য'। শব্দটোৰ উদ্ভাৱক টমাছ্ মুৰ। মধ্যযুগৰ দীঘলীয়া অন্ধকাৰ কালৰ শেষত ইউৰোপত ৰেনেছাঁ বা নৱজাগৰণৰ যুগ আৰম্ভ হোৱাত গ্ৰীক আৰু ৰোমান ধ্ৰুপদী সাহিত্যৰ পুনৰ চৰ্চা আৰম্ভ হৈছিল। এই চৰ্চাকাৰী পণ্ডিতসকলৰ ভিতৰত ছাৰ টমাছ্ মুৰ আছিল অন্যতম।

'ইউটোপিয়া' লেখাৰ সময়ত মুৰৰ বয়স ত্ৰিশৰ কোঠাত আছিল। তেওঁ 'লিংকনছ্ ইন'ৰ পৰা উত্তীৰ্ণ বেৰিষ্টাৰৰ উপৰিও হাউছ্ অৱ কমনছৰ এজন সদস্যও আছিল। ১৫১৫ চনত তেওঁক হলেণ্ড আৰু বেলজিয়ামলৈ ৰাষ্ট্ৰদূত কৰি পঠিওৱা হয়। ফ্লেণ্ডাৰ্ছত থকা সময়তে 'ইউটোপিয়া' ৰচনা কৰাৰ চিন্তা তেওঁৰ মনত খেলায়। ১৫১৬ চনত ই প্ৰকাশিত হয়। লেখা হৈছিল লেটিন ভাষাত। ১৫৫১ চনত ইয়াৰ ইংৰাজী অনুবাদ প্ৰকাশ পায়। ইংৰাজী অনুবাদ প্ৰকাশ হোৱাৰ ষোল্ল বছৰ আগতে ৰোমৰ পোপৰ ঠাইত অষ্টম হেনৰীক ইংলেণ্ডৰ চাৰ্চৰ মুৰব্বী হিছাপে স্বীকৃতি দিবলৈ অস্বীকাৰ কৰা বাবে টমাছ্ মুৰক প্ৰাণদণ্ড দিয়া হৈছিল। ইংৰাজী অনুবাদক আছিল জনৈক ৰাল্ফ ৰবিনছন, অক্সফৰ্ডৰ কৰ্পাছ্ কৃষ্টি কলেজৰ ভূতপূৰ্ব ফেলো।

টমাছ মুৰে হলেও আৰু বেলজিয়ামত ৰাষ্ট্ৰদূত হিচাপে সেই সেই দেশৰ সৈতে থকা ইংলেণ্ডৰ বাণিজ্য-চুক্তি নবীকৰণ সম্পৰ্কে আলাপ-আলোচনা চলাইছিল। ‘ইউটোপিয়া’ৰ আৰম্ভণিতে এণ্টৱাৰ্পত চলা উক্ত আলাপ-আলোচনাৰ এটা আভাস পোৱা যায়। সেই নগৰত তেওঁ কেইবাজনো গুণী-জ্ঞানীৰ সান্নিধ্যলৈ আহিছিল। তাৰ ভিতৰত অন্যতম আছিল পিটাৰগাইলছ নামৰ এজন। এওঁৰ সৈতে হোৱা বন্ধুত্বই মুৰৰ বহু ধৰণৰ দুশ্চিন্তা আঁতৰাই ৰখাত সহায় কৰিছিল। এদিনাখন ৰাতিপুৱা গীৰ্জাৰ পৰা উভতি অহাৰ বাটত পিটাৰে এজন অচিনাকি মানুহৰ সৈতে মুৰক চিনাকি কৰি দিলে। মানুহজন আছিল যথেষ্ট বয়সীয়া। তেওঁৰ মুখখন ৰ'দত পুৰি ক'লা পৰিছিল। গালে-মুখে আছিল একোঁচা দীঘল দাড়ি। তেওঁৰ কান্ধৰ ওপৰত কোটটো অবিন্যস্তভাৱে ওলমি আছিল। “তেওঁৰ ধৰণ-কৰণ আৰু পোছাক-পৰিচ্ছদ দেখি মই তেওঁক এজন নাবিক বুলি ধাৰণা কৰিছিলো” বুলি মুৰে লেখিছে। মানুহজনৰ নাম আছিল ৰাফেল হিথ্লোডে। অৱশ্যে তেওঁ নাবিক নাছিল। তেওঁ আছিল পৰ্তুগালৰ লোক। তেওঁ আমেৰিগো ভেচপুচিৰ শেষ আমেৰিকা যাত্ৰাৰ সময়ত সহযোগী আছিল। তেওঁ আন তেইশজন লোকৰ সৈতে স্ব-ইচ্ছাৰে ব্ৰাজিলৰ উপকূলৰ এটা দুৰ্গত ৰৈ গৈছিল। তাত কিছুদিন নানা অভিযান চলাই পুনৰ এখন পৰ্তুগীজ জাহাজেৰে ইউৰোপলৈ উভতি আহিছিল। তেওঁৰ দীঘলীয়া আৰু ৰোমাঞ্চকৰ ভ্ৰমণৰ সময়ত ৰাফেলে দক্ষিণ গোলাৰ্দ্ধৰ কোনো এঠাইত অৱস্থিত ইউটোপীয়া দ্বীপত উপস্থিত হৈছিল আৰু সেই দ্বীপৰ অধিবাসীসকলৰ সৈতে পাঁচবছৰ কটাইছিল। (যদিও মুৰে তেওঁৰ প্ৰকৃত এইদৰে লেখিছিল, আচলতে ৰাফেলৰ সমগ্ৰ কাহিনীটো আছিল মুৰৰেই ৰোমাণ্টিক উদ্ভাৱন)।

ৰাফেলৰ সৈতে চিনাকি হৈ মুৰ বৰ আনন্দিত হ'ল আৰু তিনিওজন মুৰৰ বাসগৃহলৈ গ'ল। তিনিও সেউজীয়া বাঁহনিৰে ভৰা বাগিচাখনত বহি কথা-বতৰা পাতিব ধৰিলে। এঘণ্টা-দুঘণ্টামান ধৰি তেওঁলোকে ইংলেণ্ডৰ সামাজিক আৰু অৰ্থনৈতিক অৱস্থা সম্পৰ্কে আলোচনা কৰিলে। ‘ইউটোপিয়া’ গ্ৰন্থৰ দুটা অধ্যায়ৰ প্ৰথমটো তেওঁলোকৰ এই আলোচনাৰেই পূৰ্ণ। মুৰে লেখিছে:

‘তাৰ পিছত আমি ঘৰৰ ভিতৰলৈ গৈ আহাৰ গ্ৰহণ কৰিলো। খোৱা শেষ হ'লত আমি পুনৰ আগৰ ঠাইলৈ আহি আগৰ বেঞ্চখনতে বহিলো। মোৰ

ভৃত্যসকলক সঁকীয়াই দিলো যাতে কোনেও আমাক আমনি নকৰেহি। তেওঁৰ কাহিনী শুনিবলৈ আমাক বৰ আগ্ৰহী হোৱা দেখি তেওঁ নীৰৱে কিছুসময় চিন্তা কৰি ক'বলৈ আৰম্ভ কৰিলে।'...

ইউটোপীয়া দ্বীপৰ মাজভোখৰ আছিল দুশ মাইল বহল। এই দ্বীপত চৌয়নখন নগৰ আছে। আটাইবোৰ নগৰতে একে ভাষা, একে ৰীতি-নীতি, একে ধৰণৰ অনুষ্ঠান-প্ৰতিষ্ঠান আৰু আইন চলিছিল। দ্বীপৰ সোঁমাজত আছিল ৰাজধানী নগৰ এমৰট। এমৰট নগৰলৈ নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে আন আন আটাইবোৰ নগৰৰ প্ৰতিনিধি আহি ৰাজ্যৰ উমৈহতীয়া স্বাৰ্থৰ কথাবোৰ আলোচনা কৰে।

আটাইবোৰ নগৰ একে পৰিকল্পনাৰে তৈয়াৰী আৰু সিহঁতৰ আয়তনো পৰস্পৰে প্ৰায় সমান। নগৰৰ আলিবাটবোৰ কুৰি ফুট বহল, নৰ্দমা-প্ৰণালীও উৎকৃষ্ট। ঘৰবোৰ শাৰী-শাৰীকৈ সজা আৰু আটাইবোৰ তিনিমহলীয়া। প্ৰত্যেকটো ঘৰতে দুখনকৈ দুৱাৰ- এখন আলিবাটলৈ যোৱাৰ কাৰণে আৰু আনখন ঘৰৰ পিছফালৰ বাগিচালৈ যোৱাৰ কাৰণে। দুৱাৰবোৰত কেতিয়াও তলা বা শলখা মৰা নহয়। যিয়ে ইচ্ছা কৰে সিয়েই ঘৰৰ ভিতৰত প্ৰবেশ কৰিব পাৰে, কাৰণ ঘৰৰ ভিতৰত ব্যক্তিগত বা নিজৰ বুলিবলৈ কাৰো একো বস্তু নাই। প্ৰতিটো ঘৰৰ পিছফালে একোখনকৈ ডাঙৰ বাগিচা আছে। বাগিচাবোৰত ইউটোপিয়ান (ইউটোপীয়াৰ অধিবাসী) সকলে ডাঙৰ ভঁৰাল তৈয়াৰ কৰি ৰাখে। চাৰিওফালৰ গ্ৰাম্যাঞ্চলত ভালেমান কৃষিপাম আছে। তাত নগৰীয়া আৰু গাঁৱলীয়া উভয় শ্ৰেণীৰ লোকেই পাল-পাতি কাম কৰে।

তাত হাঁহ-কুকুৰাৰ পামবোৰৰ প্ৰতি বিশেষ চকু দিয়া হয়। বিশেষ প্ৰণালী অৱলম্বন আৰু প্ৰয়োগ কৰি তেওঁলোকে হাঁহ-কুকুৰা উৎপাদন কৰে। হাঁহ-কুকুৰাবোৰে নিজে কণীত উম নিদিয়ে। মানুহে বিশেষ এক মাত্ৰাৰ উত্তাপৰ মাজত ৰাখি কণীৰ পৰা পোৱালী জন্মায়। (এয়া আছিল মুৰৰ এক আচৰিত ধৰণৰ পূৰ্বদৃষ্টি। তেওঁৰ কালত কৃত্ৰিম উম দি হাঁহ-কুকুৰাৰ পোৱালী জগোৱাৰ চেষ্টা কৰাই হোৱা নাছিল)।

মতা আৰু তিৰোতা, বিবাহিত আৰু অবিবাহিত সকলৰ পোছাক-পৰিচ্ছদত একোটা পৰিচয়সূচক চিহ্ন থকাৰ বাহিৰে সকলো

ইউটোপিয়ানৰে পোছাক-পৰিচ্ছদ একে ধৰণৰ। জহ আৰু জাৰত তেওঁলোকে একে পোছাকেই পিন্ধে। প্ৰতিটো পৰিয়ালে নিজে নিজৰ পোছাক তৈয়াৰ কৰি লয়। কাম কৰাৰ সময়ত তেওঁলোকে চামৰা বা জন্তুৰ ছালেৰে তৈয়াৰী পোছাক পিন্ধে আৰু এনেকুৱা পোছাক প্ৰায় সাত বছৰলৈ টিকি থাকে। দিনটোৰ কামৰ শেষত তেওঁলোকে সেই পোছাকৰ ওপৰত একোটা হলৌ চোলা পিন্ধি লয়। হলৌ চোলাবোৰ গোটেই দ্বীপটোতে একে বৰণৰ উলেৰে তৈয়াৰী। সেই বৰণ হ'ল উলৰ স্বাভাৱিক বৰণ।

ইউটোপিয়াৰ প্ৰতিজন পুৰুষ আৰু প্ৰতিজনী তিৰোতাই খেতি-পথাৰত আৰু যিকোনো এটা ব্যৱসায় বা হাতৰ কামত অংশ গ্ৰহণ কৰিব লাগে।

দিনটোত কাম কৰিব লাগে ছঘণ্টা- ৰাতিপুৱা তিনিঘণ্টা আৰু আবেলি তিনিঘণ্টা, মাজতে দুঘণ্টা দুপৰীয়াৰ আহাৰৰ বাবে বিৰতি। ৰাতি আঠ বজাৰ লগে লগে সকলো বিছনাত পৰে আৰু আঠ ঘণ্টা শোৱে। ইয়াৰ বাহিৰে বাকীখিনি সময় তেওঁলোকৰ নিজা; কিন্তু সেইবুলি সেইখিনি সময় তেওঁলোকে অবাবত কটাব নোৱাৰে। ভালেমান শিক্ষামূলক বক্তৃতা দিয়া হয় আৰু ইউটোপিয়ান সকলে সেই বক্তৃতা শুনিব লাগে। তদুপৰি বাগিচাবোৰত কাম থাকেই। তেওঁলোকে সংগীতৰ অনুশীলন কৰে বা অন্যান্য কামত লগা বিদ্যা-চৰ্চা কৰে আৰু প্ৰায় দাবা খেলৰ দৰে দুবিধ খেল খেলে, পাশা আৰু তেনে ধৰণৰ অনিষ্টকৰ খেল তেওঁলোকৰ অজ্ঞাত। তাত চিকাৰ কৰা আৰু শেণ উৰোৱাক তীব্ৰভাৱে গৰিহণা দিয়া হয়।

যদি তৰ্কৰ খাতিৰত কোৱা হয় যে দিনত ছঘণ্টা সময় কাম কৰাটো যথেষ্ট নহয়, তেন্তে এই কথা বুজাই দিয়া হয় যে ইউটোপিয়াত প্ৰতিজনে কাম কৰে। তাত দৰিদ্ৰৰ শ্ৰমৰ ওপৰত জীয়াই থকা ধনীলোক নাই, পৰৰ ওপৰত নিৰ্ভৰশীল অলস ব্যক্তি, পৰভুক ৰঙমলা আৰু অমিতব্যয়ী অথৰী নাই; এলেহুৱা পুৰোহিত সন্ন্যাসী-ভকত নাই; বিৰক্তিদায়ক ভিখাৰী আৰু ৰগাড়ম্বৰকাৰী নাই। আটাইতকৈ উল্লেখযোগ্য কথা হ'ল তাত প্ৰতিজনী তিৰোতাৰ কাম আছে আৰু ইউটোপিয়াৰ মুঠ জনসংখ্যাৰ অৰ্দ্ধেক হ'ল তিৰোতা।

গতিকে দিনত ছঘণ্টাৰ কাম কৰিলেই যথেষ্ট। আনকি ছঘণ্টা কাম কৰাৰো দৰকাৰ মাজে-সময়ে নাইকিয়া হয়। তেতিয়া প্ৰশাসনে মানুহক কেইঘণ্টামানহে

কাম কৰিবলৈ নিৰ্দেশ দিয়ে। কাৰণ অপ্ৰয়োজনীয় শ্ৰমৰ কোনো যুক্তি নাই। এনেকুৱা শ্ৰমৰ পৰা অব্যাহতি পাই নাগৰিকসকলে মনৰ স্বাধীনতাৰ বিকাশ আৰু পুষ্টি সাধন যাতে কৰিব পাৰে, তাৰ প্ৰতিহে লক্ষ্য ৰখা হয়। ইয়াৰ ওপৰতে জীৱনৰ সুখ-স্বাচ্ছন্দ্য নিৰ্ভৰ কৰে বুলি তেওঁলোকৰ বিশ্বাস।

সুখী জীৱন-যাপনৰ বাবে এই হ'ল অন্যতম ইউটোপিয়ান নীতি। আন এটা নীতি হ'ল— নিষিদ্ধ আনন্দৰ কথা চিন্তা নকৰা, কাৰণ 'এনেকুৱা চিন্তা নকৰিলে অনিষ্ট আহিব নোৱাৰে।'

ইউটোপিয়াত জীৱন নিৰ্বাহৰ বাবে আৱশ্যকীয় সকলো বস্তুৱেই জনসাধাৰণৰ উমৈহতীয়া। বজাৰখনত থকা ডাঙৰ ডাঙৰ ভঁৰাল ঘৰবোৰত দ্বীপটোৰ সমস্ত উৎপাদিত দ্ৰব্য জমা কৰি ৰখা হয়। কোনো নাগৰিকৰ কিবা আৱশ্যক হ'লে ভঁৰাল ঘৰলৈ গৈ বিচাৰিলেই পায়। খাদ্যাদিও গ্ৰহণ কৰা হয় একেলগে। ঘৰুৱা জীৱন বুলিবলৈ তাত একো নাই বুলিবই পাৰি, সকলো কাম সকলো লোকৰ দৃষ্টিৰ সন্মুখত কৰা হয়। বিৰাট বিৰাট ভোজনালয়বোৰত খোৱা-বোৱা কৰা হয় আৰু তাত ডেকাসকলে বয়সীয়াল সকলক পোনতে খাদ্য পৰিবেশন কৰে। মতা মানুহবোৰ একালে শাৰী পাতি বহে আৰু মাইকী মানুহবোৰ আনফালে সেইদৰে বহে। বন্ধা-বঢ়া কাম কৰে মাইকীমানুহে, কিন্তু 'সকলো দাসত্বমূলক, আমনিদায়ক, বেছি শ্ৰম প্ৰয়োজন হোৱা আৰু কদৰ্য্য কামবোৰ কৰে চুক্তিবদ্ধ দাসসকলে ।"

ইউটোপিয়ানসকলৰ বিবাহপদ্ধতি কেনেকুৱা ? টমাছ মুৰে কৈছে : 'পতি আৰু পত্নী নিৰ্বাচন কৰোঁতে তেওঁলোকে এনে এটা প্ৰথা অৱলম্বন কৰে যিটো আমাৰ মনত বৰ অকিঞ্চিৎকৰ আৰু মূৰ্খামি যেন লাগে। কাৰণ এজনী গম্ভীৰ বিবাহিতা জিৰোতাই বিয়া দিবলগীয়া মাইকীজনীক (লাগিলে তাই গাভৰুৱে হওক বা বিধবাই হওক) বিবাহপ্ৰাৰ্থীজনৰ সমুখত নাঙঠ কৰি দেখুৱায়। তেওঁলোকৰ এই প্ৰথা দেখি আমি হাঁহো যদিও ইউটোপিয়াসকলে অন্যান্য জাতিৰ প্ৰথা দেখিহে আশ্চৰ্য প্ৰকাশ কৰে। কাৰণ যেতিয়া অন্যান্য জাতিৰ মানুহে ঘোঁৰা কিনে, তেতিয়া সম্পূৰ্ণ ঘোঁৰাটো দেখে যদিও পিঠিৰ জীন, কাঠৰ খুঁৱলি আদিও দাঙি চায় ঘোঁৰাটোৰ পিঠিত ঘা বা আন কিবা বিকৃতি থাকিব পাৰে বুলি; অথচ গোটেই জীৱনৰ সুখ বা দুখৰ লগৰী হোৱা পত্নী

নির্বাচন কৰোঁতে ভালদৰে পোছাক পৰিচ্ছদ পিন্ধি শৰীৰটো নেদেখাকৈ ঢাকি লোৱা ছোৱালীহে চায়। এনে ছোৱালীক বিয়া কৰোৱাৰ পিছত শৰীৰত কিবা বা বা বিকৃতি আৱিষ্কৃত হ'লেও বিবাহ-বিচ্ছেদ কৰাটো আইনসন্মত নহ'ব।'

ইউটোপিয়াত বিবাহ-বিচ্ছেদৰ অনুমতি দিয়া হয় ব্যভিচাৰ আৰু স্বামী বা পত্নী যিকোনো পক্ষৰ অসহনীয় উচ্ছৃংখল ব্যৱহাৰৰ অভিযোগত; পত্নীৰ বেমাৰ বা আন কিবা ধৰণে শাৰীৰিক বিকৃতি হ'লে বিবাহ-বিচ্ছেদৰ অনুমতি স্বামীক দিয়া নহয়। আনহাতে যদি স্বামী আৰু স্ত্ৰী দুয়োজনে স্ব-ইচ্ছা, সন্মতিক্রমে বিবাহ-বিচ্ছেদ কৰিব খোজে, তেন্তে অনুমতি দিয়া হয়।

ইউটোপিয়ানসকলৰ আইন নাই বুলিলেই হয়। উকিল নায়েই। পণ্ডিতসকলক বৰ শ্ৰদ্ধা কৰা হয়। চিকিৎসক সকলক অত যিমান সন্মান কৰা হয়, আন ক'তো সিমান কৰা নহয়। প্ৰত্যেক নগৰতে চাৰিখনকৈ হাস্পাতাল আছে। হাস্পাতালবোৰ 'ইমান ডাঙৰ আৰু আহল-বহল যে সেইবোৰক একোখন সৰু চহৰ বুলিবই পাৰি।' এইবোৰ ইমান সুন্দৰভাৱে পৰিচালিত আৰু আৰামদায়ক যে মানুহে বেমাৰত পৰিলে ঘৰত চিকিৎসা কৰাতকৈ হাস্পাতাললৈ যাবলৈহে পছন্দ কৰে। এজন লোকে যদি আৰোগ্যাতীত কোনো ধৰণৰ ৰোগত ভূগি জীৱনক দুৰ্বহ আৰু অত্যন্ত কষ্টকৰ বুলি অনুভৱ কৰে তেন্তে তেওঁ স্ব-ইচ্ছাৰে মৃত্যুবৰণ কৰিব পাৰে। কিন্তু আন কাৰণত আত্মহত্যা কৰা কাৰ্যক গৰিহণা দিয়া হয়।

'ইউটোপিয়া' গ্ৰন্থত যুদ্ধ আৰু যুদ্ধৰ গৌৰৱক অতি প্ৰচণ্ডভাৱে নিন্দা কৰা হৈছে। ইউটোপিয়ানসকলে যুদ্ধ বা সংঘৰ্ষক পাশৱিক বুলি ঘৃণা কৰে আৰু সদায় ইয়াক দূৰত ৰাখিবলৈ যত্নপৰ হয়। যদি তেওঁলোকৰ ওপৰত কোনোবাই যুদ্ধ জাপি দিয়ে তেন্তে যুদ্ধত জয়লাভ কৰাৰ তেওঁলোকে অৱলম্বন কৰা পদ্ধতিক অন্যান্য জাতিয়ে অন্যায় আৰু অগৌৰৱৰ বিষয় বুলি জ্ঞান কৰিব।

ইউটোপিয়ান সকলৰ আন এটা বিশেষত্ব হ'ল মূল্যবান ধাতুৰ সম্পৰ্কত তেওঁলোকৰ দৃষ্টিভংগী। বিবিধ ধাতুৰ ওপৰত তেওঁলোকে সৰ্বাধিক গুৰুত্ব আৰোপ কৰে, সেয়া হ'ল লো; কাৰণ লো বিভিন্ন কামত ব্যৱহাৰ কৰিব পাৰি। তেওঁলোকে খোৱা-পিয়া কৰে মাটি বা কাচেৰে তৈয়াৰী পাত্ৰত। সোণ

আৰু ৰূপেৰে হাত-মুখ ধোৱা আৰু অন্যান্য সাধাৰণ কামত ব্যৱহৃত পাত্ৰ তৈয়াৰ কৰা হয়। এনেকুৱা সোণ ৰূপৰ পাত্ৰ ৰাজহুৱা আৰু ব্যক্তিগত ঘৰত বহুলভাৱে ব্যৱহৃত হয়। কয়েদী আৰু সমাজবিৰোধী লোকক বন্দী কৰাৰ বাবে বিৰোধ হাত-কেৰেয়া আৰু শিকলি তৈয়াৰ কৰা হয় সেইবোৰো সোণ-ৰূপৰ। এইদৰে তেওঁলোকে অন্যান্য জাতিৰ মূল্যবান ধাতু সম্পৰ্কে থকা ধাৰণাক উপহাস আৰু ঘৃণা কৰে।

ইউটোপিয়ানসকলৰ ধৰ্ম সম্পৰ্কে মুৰে কৈছে : 'কিছুমানে সূৰ্যক ঈশ্বৰ জ্ঞান কৰি উপাসনা কৰে, কিছুমানে কৰে চন্দ্ৰক, কিছুমানে নক্ষত্ৰমণ্ডলীক। ...কিন্তু ইউটোপিয়ানসকলৰ আটাইতকৈ জ্ঞানী লোকসকলে অজান, অনন্ত, অজ্ঞেয়, ব্যাখ্যাতীত ঐশ্বৰিক শক্তিক বিশ্বাস কৰে। মানুহৰ বুদ্ধিৰ অগোচৰ এই শক্তি সদ্‌গুণৰ আধাৰ আৰু সৰ্বব্যাপী। এই শক্তিক তেওঁলোকে সকলোৰে পিতা বুলি আখ্যা দিয়ে।'

ইউটোপিয়াৰ গীৰ্জাসমূহ কেৱল কাৰু-কাৰ্যমণ্ডিতেই নহয় প্ৰত্যেক মাহৰ প্ৰথম আৰু শেষ দিনা সেইবোৰত মানুহ গোট খায়। তাত তেওঁলোকে ভগৱানৰ ওচৰত কৃতজ্ঞতা জনায় আৰু ভৱিষ্যত সুখৰ কামনা কৰি প্ৰাৰ্থনা কৰে। তেওঁলোকে পশু-বলি নিদিয়ে; কাৰণ তেওঁলোকে ভাবে যে যি ভগৱানে সকলোৰে জীৱন দিছে সেই ভগৱানে তেজ আৰু হত্যাত আনন্দ নাপায়। বাদ্যযন্ত্ৰ বজাই তেওঁলোকে প্ৰাৰ্থনা-সংগীত গায় আৰু পুৰোহিতৰ সৈতে প্ৰাৰ্থনাত মিলিত হয়। ইউটোপিয়ানসকলৰ আন এটা অতি প্ৰাচীন নীতি হ'ল— প্ৰত্যেকে নিজৰ নিজৰ ধৰ্ম-বিশ্বাস সুকলমে মানি চলিব পাৰে।

এই ৰোমাণ্টিক কাহিনীৰ মাজেৰে ছাৰ টমাছ মুৰে এক আদৰ্শ ৰাষ্ট্ৰৰ যি কল্পনা কৰিছিল, তেনে ৰাষ্ট্ৰ বাস্তৱত সম্ভৱ নহ'লেও সেয়া যে এক মহৎ কল্পনা আছিল, সন্দেহ নাই।

শ্ৰীমদ্ভাগৱত গীতা

(১৫)

প্ৰায় দুহেজাৰ বছৰ ধৰি যিখন গ্ৰন্থই হিন্দুধৰ্মী লোকৰ মনত শ্ৰেষ্ঠ গ্ৰন্থ ৰূপে প্ৰভাৱ বিস্তাৰ কৰি আহিছে, সেইখনেই হ'ল শ্ৰীমদ্ভাগৱত গীতা বা সংক্ষেপে গীতা। 'শ্ৰীমদ্ভাগৱত গীতা' বাক্যাংশৰ অৰ্থ হ'ল ভগৱানৰ গীত। গীতা ভাৰতীয় মহাকাব্য মহাভাৰতৰ এটা অংশ। পৃথিৱীৰ ভিতৰত মহাভাৰতেই হ'ল আটাইতকৈ দীঘলীয়া কাব্য। কিন্তু গীতাৰ কলেৱৰ বৃহৎ নহয়।

প্ৰাচীন ভাৰতৰ প্ৰায়বোৰ সাহিত্য-কৰ্মৰ নিচিনাকৈ গীতাও অজ্ঞাত জনৰ ৰচনা যদিও, ই নিশ্চয় শিক্ষা-সংস্কৃতি আৰু ধৰ্মীয় দীক্ষাসম্পন্ন কোনো ব্ৰাহ্মণৰেই সৃষ্টি। মহাভাৰতখন ব্যাসদেৱ নামৰ এগৰাকীয়ে লেখা বুলি ধাৰণা কৰা হয়।

আচলতে ব্যাসদেৱ আছিল এজন সংকলকহে।মহাভাৰতৰ অংশ হিচাপে গীতা কেতিয়া সন্নিবিষ্ট কৰা হৈছিল সেই সম্পৰ্কে বিভিন্ন মত আছে। কিছুমানে গীতা খৃষ্ট জন্মৰ পিছত ৰচিত বুলি ভাবে। কিন্তু ড: সৰ্বপল্লী ৰাধাকৃষ্ণন প্ৰমুখ্যে দাৰ্শনিক পণ্ডিতসকলৰ মতে খৃষ্টপূৰ্ব পঞ্চম শতিকামানত এই গ্ৰন্থ ৰচিত হৈছিল।

ৰচনা-ৰীতিৰ দিশৰ পৰা গীতা হ'ল এটা নাটকীয় কবিতা। ইয়াৰ মুখ্য চৰিত্ৰ আৰু বক্তা হ'ল শ্ৰীকৃষ্ণ। তেৱেঁই স্বয়ং ভগবান। কুৰুক্ষেত্ৰ যুদ্ধ আৰম্ভ হোৱাৰ প্ৰাকমুহূৰ্তত অৰ্জুনৰ ৰথৰ সাৰথি হিচাপে কৃষ্ণ আৰু অৰ্জুনৰ মাজত হোৱা কথোপকথন সমূহেই গীতাৰ বিষয়বস্তু। শেষত কৃষ্ণই বিশ্বৰূপ ধাৰণ কৰি পূৰ্ণ ব্ৰহ্মত্ব প্ৰকাশ কৰিছে।

মহাভাৰতত কৌৰৱ আৰু পাণ্ডৱসকলৰ মাজত হোৱা যুদ্ধৰ কাহিনী বৰ্ণনা কৰা হৈছে। কৌৰৱসকলৰ কূট চক্ৰান্তৰ কাৰণেই পাণ্ডৱসকলে তেওঁলোকৰ সৈতে কুৰুক্ষেত্ৰৰ সমৰথলীত যুদ্ধত অৱতীৰ্ণ হ'বলীগয়া হয়। মহাভাৰতৰ প্ৰথম পাঁচোটা পৰ্বত যিবোৰ ঘটনা-পৰম্পৰাই কুৰুক্ষেত্ৰ-যুদ্ধৰ সূচনা কৰিলে তাৰ বৰ্ণনা আছে। ষষ্ঠ পৰ্বত সন্নিবিষ্ট হৈ আছে শ্ৰীমদ্ভাগৱত গীতা।

কুৰু-পাণ্ডৱৰ যুদ্ধ ঘোষণা কৰা হৈছে আৰু কুৰুক্ষেত্ৰ সমৰ প্ৰাংগণত উভয় পক্ষৰ সৈন্য যুদ্ধৰ বাবে প্ৰস্তুত হৈছে। এই যুদ্ধত কৃষ্ণই কাৰো পক্ষ লৈ অস্ত্ৰধাৰণ কৰা নাই, কেৱল তেওঁ অৰ্জুনৰ যুদ্ধ-ৰথৰ সাৰথি ৰূপে অৱতীৰ্ণ হৈছে। দুয়ো পক্ষই যুদ্ধ আৰম্ভ কৰাৰ বাবে ৰণ-শিঙা আৰু অন্যান্য বাদ্য বজাইছে, হেজাৰ সৈন্যৰ কণ্ঠত ধ্বনিত হৈছে ৰণ-হুংকাৰ, ৰ'দত অস্ত্ৰবোৰ চিকমিকাইছে। অৰ্জুনৰ ৰথ দুয়োদল সৈন্যৰ মাজত স্থাপিত। সকলোৰে দৃষ্টি অৰ্জুনৰ ওপৰত নিবদ্ধ,কাৰণ পাণ্ডৱ পক্ষৰ প্ৰধান যোদ্ধা হিচাপে অৰ্জুনেই যুদ্ধ আৰম্ভ কৰিব লাগিব। ঠিক এই সন্ধিক্ষণতেই অৰ্জুন বিচলিত হ'ল। কাৰণ তেওঁ দেখিলে যে প্ৰতিপক্ষৰ কৌৰৱসকল পাণ্ডৱৰেই জ্ঞাতি-কুটুম্ব। জ্ঞাতি-কুটুম্বক হত্যা কৰি ৰাজ্য লাভৰ হেঁপাহ তেওঁৰ হৃদয়ৰ পৰা অন্তৰ্হিত হ'ল। যুদ্ধৰ প্ৰতি তেওঁ বিমুখ হৈ কৃষ্ণক সম্বোধন কৰি ক'বলৈ ধৰিলে:

'হে কৃষ্ণ! যুদ্ধাভিলাষী এই আত্মীয় স্বজন সকলক যুদ্ধভূমিত এই অৱস্থাত দেখি মোৰ শৰীৰ অৱশ হৈছে আৰু মুখ শুকাই গৈছে। মোৰ শৰীৰত কঁপনি আৰু শিহৰণ জাগিছে। হাতৰ পৰা গাণ্ডীৱ খহি পৰিছে, শৰীৰ-চাল যেন দগ্ধ হৈছে। মই স্থিৰ হৈ থাকিব পৰা নাই, মনত ভ্ৰম হৈছে। হে কেশৱ! মই নানাবিধ অমংগল সূচক লক্ষণ দেখিছো। যুদ্ধত স্বজন বৃন্দক বধ কৰাত মই একো মংগল দেখা নাই! হে কৃষ্ণ! মই জয়লাভো নিবিচাৰো, ৰাজ্যও নিবিচাৰো, সুখো নিবিচাৰোঁ।"

এইদৰে কৈ অৰ্জুনে শোকাকুল চিত্তেৰে ধনুৰ্বাণ ত্যাগ কৰি ৰথৰ ওপৰত বহি পৰিল।

এটা দৃষ্টিকোণৰ পৰা চালে অৰ্জুনৰ এনে অনুভূতি প্ৰশংসা যোগ্য। কিন্তু গীতাৰ উদ্দেশ্য হ'ল সম্পূৰ্ণ বেলেগ। সেয়ে কৃষ্ণই অৰ্জুনৰ ভাবধাৰাক তাৰিফ নকৰি তেওঁক প্ৰশ্ন কৰিলে;

"হে অৰ্জুন ক'ৰ পৰা এই ঘোৰ সংকটৰ সময়ত আৰ্যচৰিত্ৰৰ একান্ত অযোগ্য আৰু বিৰোধী, অধ্যাত্মিকৰ স্বৰ্গৰ প্ৰতিবন্ধক স্বৰূপ এই মোহ তোমাত উপস্থিত হ'ল ? " দৰাচলতে অৰ্জুনে তেওঁৰ এক্তিয়াৰ আৰু ক্ষমতাৰ বাহিৰৰ কেতবোৰ বিষয়লৈ অযথা চিন্তা-ভাবনাত নিজকে জৰ্জৰিত কৰিছে বুলি কৃষ্ণই অৰ্জুনক প্ৰবোধ দিলে। মুহূৰ্তৰ কাৰণে মোহাবিষ্ট হৈ অৰ্জুনে ভাৰতীয় ধৰ্মীয়

বিশ্বাসৰ ভিত্তিস্বৰূপ নীতিৰ কথা পাহৰি গৈছিল। ভাৰতীয় ধৰ্ম বিশ্বাস মতে, দেহৰ বিনাশ ঘটিলেও আত্মাৰ বিনাশ নঘটে আৰু আত্মাই নতুন ৰূপ হৈ পুনৰ আবিৰ্ভূত হয়; এইদৰে জীৱন-চক্ৰ আৱৰ্তিত হৈ থাকে। সেয়ে কৃষ্ণই হাঁহি হাঁহি অৰ্জুনক সকীয়াই দিলে এইদৰে:

"যি সকলৰ বাবে শোক কৰাৰ কোনো কাৰণ নাই, তুমি তেওঁলোকৰ বাবেই শোক কৰিছা; অথচ মুখেৰে পণ্ডিতৰ দৰে কথা কৈছা। কিন্তু কিসকল পণ্ডিত তেওঁলোকে জীৱিত বা মৃত কাৰো বাবে শোক নকৰে। মই যে আগতে কেতিয়াও নাছিলো তেনে নহয়, তুমিও যে আগতে নাছিলা তেনেও নহয়, এই সমুখত থকা নৃপতি সকলো যে আগতে নাছিল তেনেও নহয়; আৰু ভৱিষ্যতে যে আমি নাথাকিম তেনেও নহয়। আমি আগতেও আছিলো, এতিয়াও আছো,পিছতো থাকিম। যেনেকৈ এই একে দেহতে কৌমাৰ, যৌৱন আৰু জৰাৰূপ অৱস্থা তিনিটা দেখা যায়, তেনেকৈ দেহান্তৰ প্ৰাপ্তিত এটা অৱস্থা-বিশেষ; তাত পণ্ডিত ব্যক্তি শোকাকুল নহয়।"

কৃষ্ণই তেওঁৰ ব্যাখ্যা অব্যাহত ৰাখি আকৌ ক'লে:

"এই আত্মা নজন্মেও নমৰেও, জন্মি বিদ্যমান নাথাকে অৰ্থাৎ পুন: পুন: জন্ম-মৃত্যুৰ অধীনো নহয়; ই অজৰ-অমৰ, নিত্য, অক্ষয়; দেহ বিনষ্ট হ'লেও ইয়াৰ কেতিয়াও বিনাশ নাই। হে পাৰ্থ! যিজনে ইয়াক অবিনশ্বৰ, জন্ম-বিৰহিত, বৃদ্ধিক্ষয় শূন্য আৰু নিত্য বুলি জানে তেওঁ কাক কি কাৰণে আৰু কি দৰে কাৰোবাক বধ কৰোৱায় বা বধ কৰে? মানুহে যেনেকৈ বস্ত্ৰ পুৰণি হ'লে সেই জীৰ্ণ বস্ত্ৰ পৰিত্যাগ কৰি আন নতুন বস্ত্ৰ পৰিধান কৰে, তেনেকৈ জৰা ব্যাধি প্ৰভৃতিৰ দ্বাৰা শৰীৰ জীৰ্ণ হ'লে দেহত অধিষ্ঠিত আত্মাই আন কোনো নতুন দেহ গ্ৰহণ কৰে:।"

কৃষ্ণই অৰ্জুনক ক'লে: জন্ম হ'লে যিহেতু মৃত্যু নিশ্চিত আৰু মৃত্যু হ'লে যিহেতু জন্ম নিশ্চিত, সেয়ে অপৰিহাৰ্য বিষয়ে শোক কৰিব নালাগে। সাহসীলোকে নিজৰ কৰ্তব্য সম্পৰ্কে জানিব লাগে আৰু ফলাফলৰ আশা নকৰি কৰ্তব্য কাম কৰি যাব লাগে। অৰ্জুন ক্ষত্ৰিয় কুলোদ্ভৱ, ক্ষত্ৰিয়ৰ কৰ্তব্য যুদ্ধ কৰা,যদি তেওঁ অস্ত্ৰ ত্যাগ কৰে তেন্তে মানুহে ভয়তে যুদ্ধ কৰিব নোখোজা বুলিয়ে ভাবিব। গতিকে সুখ-দুখ লাভ-ক্ষতি জয়-পৰাজয়ক সমান বুলি ভাবি অৰ্জুনে যুদ্ধ কৰা উচিত।

গীতাৰ প্ৰথম শিক্ষা হ'ল- প্ৰত্যেকেই নিজৰ নিজৰ কৰ্তব্য কৰিব লাগে, ফলাফল বাঞ্ছা নকৰাকৈ। দ্বিতীয় শিক্ষা কৃষ্ণৰ ব্যক্তিত্বৰ সৈতে জড়িত। এই পৰ্যায়লৈ কৃষ্ণক গীতাত তেজ-মাংসৰ মানুহ হিচাপে দেখুৱা হৈছে, কিন্তু শেষলৈ কৃষ্ণই যে পৰম ব্ৰহ্ম, সেই শিক্ষা গীতা-ৰচয়িতাই হিন্দু-সমাজত প্ৰচাৰ কৰিছে। কিন্তু সৰ্বোপৰি গীতাৰ শিক্ষা হ'ল এই যে পৰমব্ৰহ্মক পাবলৈ হ'লে মানুহে তেওঁক ভাল পাবলৈও শিকিব লাগিব। কৃষ্ণই গীতাৰ অন্তিম পৰ্যায়ত এই কথাকে অৰ্জুনক কৈছে এইদৰে:

“সকলো ধৰ্মানুষ্ঠান পৰিত্যাগ কৰি একমাত্ৰ মোৰ শৰণাপন্ন হোৱা। শোক নকৰিবা, মই তোমাক সকলো পাপৰ পৰা মুক্ত কৰিম।”

এইদৰেই কৃষ্ণ আৰু অৰ্জুনৰ কথোপকথনৰ অন্ত পৰিছে। অৰ্জুনৰ মোহ আৰু সন্দেহ দূৰীভূত হোৱাত তেওঁ কুৰুক্ষেত্ৰ যুদ্ধত জপিয়াই পৰিছে। মহাভাৰতৰ যুদ্ধত পাণ্ডৱসকল বিজয়ী হৈছে আৰু অৱশেষত তেওঁলোকে ৰাজ্য ত্যাগ কৰি স্বৰ্গাৰোহণৰ পথেৰে যাত্ৰা কৰিছে। মহাভাৰতৰ কাহিনীও ইয়াতে অন্ত পৰিছে। এই কাব্যৰ বুকুত সন্নিবিষ্ট গীতাই মানুহক নিজৰ স্থিতিত অবিচল থাকি জীৱন-যুদ্ধত নিৰ্মোহভাৱে প্ৰবৃত্ত হোৱাৰ শিক্ষা আৰু ভগৱৎ প্ৰেমৰ শিক্ষা দিছে। যুগৰ পিছত যুগ ধৰি গীতা হিন্দুধৰ্মৰ আধ্যাত্মিক ঐতিহ্যৰ সৰ্বশ্ৰেষ্ঠ অংগৰূপে পৰিগণিত হৈ আহিছে। কেৱল সেয়েই নহয়, দেশ বিদেশৰ বহু মনীষীয়ে গীতাৰ পৰা আধ্যাত্মিক আৰু জাগতিক জ্ঞান আহৰণ কৰিছে। ইয়াৰ প্ৰভাৱ বহুদূৰ বিস্তৃত হৈছে। পৰীক্ষা মূলক ভাৱে যেতিয়া আমেৰিকাই পাৰমাণৱিক বোমা প্ৰথমবাৰ বিস্ফোৰণ ঘটাইছিল তেতিয়া পৰমাণু বোমাৰ জনক ৰূপে খ্যাত জাৰ্মান বংশোদ্ভৱ মাৰ্কিন বৈজ্ঞানিক অ'পেন হাইমাৰে বিস্ফোৰণৰ ৰূপ প্ৰত্যক্ষ কৰি আওৰাইছিল গীতাৰ এই শ্লোকটো:

“যদি আকাশত একে সময়তে সহস্ৰসূৰ্য উদিত হয়, তেন্তে সেই মহাত্মাৰ প্ৰভাপুঞ্জৰ সমকক্ষ হ'ব পাৰে।”

মেকিয়াভেলিৰ দি প্ৰিন্স

(১৬)

নিকোলো মেকিয়াভেলিয়ে বিভিন্ন বিষয়ৰ ভালেমান গ্ৰন্থ ৰচনা কৰিছিল। তাৰ ভিতৰত আছিল বুৰঞ্জী, সাহিত্য বিষয়ক ৰচনা, কমেডি, সমৰ-বিজ্ঞান ইত্যাদি। কিন্তু যি'খনি গ্ৰন্থৰ বাবে তেওঁ পৃথিৱী বিখ্যাত, কলেৱৰত সৰু হ'লেও সেই গ্ৰন্থখনে এসময়ত তৰ্ক-বিতৰ্কৰ জোৱাৰ তুলিছিল। ৰাষ্ট্ৰনীতি সম্পৰ্কে মেকিয়াভেলিৰ ধাৰণাই বহুতৰে মনত জুগুপ্সাৰ ভাব সৃষ্টি কৰিছিল আৰু ফলত মেকিয়াভেলি আৰু তেওঁৰ ৰাষ্ট্ৰনীতি বিষয়ক গ্ৰন্থখন হৈ উঠিছিল কুখ্যাত।

গ্ৰন্থখন ইটালীয় ভাষাত ৰচিত। ইয়াৰ ইটালীয় নাম হ'ল 'প্ৰিন্সিপ।' ইংৰাজী অনুবাদত 'দি প্ৰিন্স।' অসমীয়াত 'ৰজা।' ৰাষ্ট্ৰ প্ৰতিষ্ঠা, পৰিচালনা, প্ৰতিৰক্ষা আৰু ৰাজ্য বিস্তাৰ সম্পৰ্কীয় যিবোৰ নীতি এই গ্ৰন্থত লিপিবদ্ধ কৰা হৈছে, সেইবোৰ গ্ৰন্থকাৰৰ সমসাময়িক ৰাষ্ট্ৰৰ পটভূমিত লেখা, আদৰ্শ বা ভৱিষ্যত ৰাষ্ট্ৰৰ সৈতে তাৰ সম্পৰ্কে নাই। এই কথা বিশেষভাৱে মনত ৰাখিবলগীয়া। সি যি নহওক পাশ্চাত্যৰ ৰাজনৈতিক চিন্তা ধাৰাৰ ক্ষেত্ৰত এই গ্ৰন্থখনে এক বিশিষ্ট স্থান অধিকাৰ কৰি আছে।

মেকিয়াভেলিয়ে ১৫১৩ চনত 'ৰজা' গ্ৰন্থখন লিখিছিল। ইয়াৰ মাত্ৰ কিছুদিন আগতে তেওঁক ফ্লোৰেন্স গণৰাজ্যৰ চৰকাৰৰ মুখ্য সচিব পদৰ পৰা বৰখাস্ত কৰা হৈছিল। এই পদত তেওঁ ১৪৯৮ চনৰ গ্ৰীষ্মকালৰ পৰা অধিষ্ঠিত আছিল। সেই সময়তে ফ্লোৰেন্সৰ বিখ্যাত ধৰ্ম সংস্কাৰক ছাভনাৰ'লা ক্ষমতাচ্যুত হৈছিল আৰু তেওঁক জীয়াই জীয়াই পুৰি মৰা হৈছিল। মেকিয়াভেলিয়ে অতি দক্ষতাৰে তেওঁৰ নিয়োগকৰ্তা 'দহজনীয়া পৰিষদ'ৰ কাৰ্যনিৰ্বাহ কৰিছিল। কূটনৈতিক কামতো তেওঁ বহুসময়ত আগভাগ লৈছিল। কিন্তু যেতিয়া মেডিচি পৰিয়ালে পুনৰ ফ্লোৰেন্সৰ ক্ষমতা হস্তগত কৰিলে, তেতিয়া ৰাষ্ট্ৰৰ বিৰুদ্ধে ষড়যন্ত্ৰৰ অভিযোগত মেকিয়াভেলিক গ্ৰেপ্তাৰ কৰা হ'ল আৰু ষড়যন্ত্ৰৰ কথা উলিয়াবলৈ তেওঁৰ ওপৰত অত্যাচাৰ চলোৱা হ'ল। তেওঁ ষড়যন্ত্ৰৰ কথা

'অধীকাৰ কৰিলে। পিছত তেওঁক মুক্তি দিয়া হ'ল যদিও, চৰকাৰী কামৰ পৰা বৰ্খাস্ত কৰা হ'ল। এনেকুৱা এক প্ৰতিকূল অৱস্থাৰ মাজত তেওঁ 'ৰজা' গ্ৰন্থ ৰচনা কৰে। গ্ৰন্থখন ৰচনা সম্পৰ্কে মেকিয়াভেলিয়ে তেওঁৰ বন্ধু ফ্ৰান্সেস্কো ভেট্টোৰিলৈ লেখা এখন চিঠিত কৈছিল: 'মোৰ দুৰ্ভাগ্যৰ দিন আৰম্ভ হোৱাৰ পিছৰ পৰা মই নিৰ্জন গ্ৰাম্য-জীৱন যাপন কৰি কটাইছোঁ। ফ্লোৰেন্সত বিশ দিনো কটোৱা নাই। হেঙ্গেৰৰ মাহটো চৰাই চিকাৰ কৰি পাৰ কৰি দিলোঁ, কিন্তু শেষৰলৈ এই খেলো আমনিদায়ক হ'লগে। মই ৰাতিপুৱা, বেলি, উঠাৰ লগে লগে বিছনা এৰি কাঠকটীয়াসকলৰ সৈতে কিছুসময় কটাবলৈ হাবিলৈ যাওঁ। তেওঁলোকে মোক তেওঁলোকৰ নিজৰ বা ওচৰ-চুবুৰীয়াৰ সমস্যা সম্পৰ্কে প্ৰায়েই মোৰ সৈতে আলোচনা কৰে। তাৰ পিছত মই আলিবাটৰ দাঁতিত থকা চৰাইখানাটোলৈ গৈ বাটকৰা সকলৰ সৈতে কথা-বতৰা পাতো, তেওঁলোক ক'ৰ পৰা আহিছে সোধো, বিভিন্ন ধৰণৰ বা-বাতৰি আৰু কথা-বতৰা শুনো, মানৱ-জাতিৰ বিভিন্ন ৰুচি আৰু বিভিন্ন চিন্তা-ভাৱনা পৰ্যবেক্ষণ কৰো। তাত মই সাঁধাৰণতে এজন কচাই, এজন শস্য গুড়ি কৰা লোক (মিলাৰ) আৰু দুজনমান ইটা তৈয়াৰ কৰা লোকক লগ পাওঁ। মই গোটেই দিনটো এই লোক সকলৰ সৈতে কটাও, তাচ আৰু পাশা খেলোঁ। খেলৰ সময়ত নানা হাই-কাজিয়া হয়, অশ্লীল ভাষাৰ আদান-প্ৰদান হয়। আমি এটা পইচাৰ কাৰণেও তৰ্ক-বিতৰ্ক কৰোঁ আৰু আমাৰ চিঞৰ-বাখৰ আনকি ছান কেছিয়ানোৰ পৰাও শুনা যায়।'

মেকিয়াভেলিৰ এইছোৱাৰ জীৱন-কাহিনী বৰ গৌৰৱৰ নহয়, বিশেষকৈ মাতাল কিছুমানৰ সৈতে তাচ-পাশা খেলা প্ৰশংসাযোগ্য নহয়। কিন্তু এনে জীৱনকে তেওঁ লক্ষ্য কৰি যোৱা নাছিল। উক্ত চিঠিত তেওঁ আকৌ লেখিছিল: 'ৰাতি মই ঘৰলৈ উভতি আহি লেখা-পঢ়া কোঠালিটোহে' বিচাৰোঁ। ঘৰৰ দুৱাৰমুখতে মই ধূলি-বালি, বোকা পানীৰে লেতেৰা হোৱা গাঁৱলীয়া পোছাক-যোৰ খুলি ভদ্ৰ পোছাক পিন্ধি প্ৰাচীন যুগৰ প্ৰাচীন লোকসকলৰ সান্নিধ্যলৈ যাওঁ। তেওঁলোকে মোক আদৰণি জনায় আৰু এনেকুৱা খাদ্য যোগান ধৰে যি কেৱল মোৰ কাৰণেই আৰু যাৰ কাৰণে মোৰ জীৱন। মই তেওঁলোকৰ সৈতে কথা-বতৰা পাতিবলৈ আৰু তেওঁলোকৰ কৰ্মৰ উদ্দেশ্য সম্বন্ধে সুধিবলৈ কুণ্ঠাবোধ নকৰো। মানবীয় গুণসম্পন্ন এই প্ৰাচীন

লোকসকলে মোৰ কথাৰ উত্তৰ দিয়ে আৰু সম্পূৰ্ণ চাৰি ঘণ্টা সময়ৰ বাবে মই ভাগৰ অনুভৱ নকৰো, কোনো অসুবিধাৰ কথা মোৰ মনত নপৰে, দাৰিদ্ৰ আৰু মৃত্যুক ভয় নকৰা হওঁ- সেই সময়খিনি মই সম্পূৰ্ণৰূপে তেওঁলোকৰ মাজত বিলীন হৈ থাকোঁ।

....এই জ্ঞানী-গুণী সকলৰ সৈতে হোৱা মোৰ কথোপকথন মই লিপিবদ্ধ কৰিছো আৰু ৰাজত্ব, ৰাজত্বৰ শ্ৰেণীবিভাগ, কেনেকৈ ইয়াক ৰক্ষা কৰিব লাগে; কিয় ৰাজত্ব হেৰায় ইত্যাদি কথা আলোচনা কৰি এখন পুস্তিকা লেখিছো।'

ৰেনেছাঁৰ যুগৰ ইটালীৰ ৰাজনৈতিক ব্যৱস্থা সম্পৰ্কে আলোচনাই গ্ৰন্থখনৰ আৰম্ভণিৰ ভালেখিনি সামৰিছে। ৰাজনৈতিক ইতিহাসৰ ছাত্ৰসকলৰ বাবে এই হোৱা বৰ আকৰ্ষণীয়। স্মৰণযোগ্য যে মেকিয়াভেলিৰ সময়ত ইটালী এটা ভৌগলিক সংজ্ঞাৰ বাহিৰে আন একো নাছিল। সমগ্ৰ দেশখন ভালেমান সৰু সৰু ৰাজ্য আৰু নগৰ-ৰাজ্যত বিভক্ত আছিল। তদুপৰি আছিল ৰোমৰ পোপসকলৰ বিস্তৃত পাৰ্থিব ৰাজ্য। এই ৰাজ্যসমূহৰ মাজত প্ৰতিদ্বন্দ্বিতা, দ্বন্দ্ব আৰু সঘনে যুদ্ধ চলাৰ কাৰণে তেওঁলোকৰ ভিতৰত একতাৰ পৰিবৰ্তে সদায় বিভাজনেই চলিছিল। ফলত ফ্ৰান্স আৰু স্পেইনৰ ক্ৰমবৰ্দ্ধমান ৰাজকীয় শক্তিৰ সমুখত ইটালী দুৰ্বল হৈ পৰিছিল। ইটালীৰ সেইসময়ৰ পটভূমিতহে ৰাষ্ট্ৰ পৰিচালনা নীতিৰ সন্দৰ্ভত মেকিয়াভেলিৰ বক্তব্য বিচাৰ্য।

গ্ৰন্থখনৰ আটাইতকৈ কুখ্যাত অধ্যায়টোৰ শীৰ্ষক হ'ল 'কিদৰে ৰজাই বিশ্বাস বৰ্তাই ৰাখিব লাগে।' এই বিষয়টোৰ সন্দৰ্ভত ৰাজনৈতিক তাত্ত্বিকসকলে অতি উচ্চ নৈতিক মূল্য আৰোপ কৰে। কিন্তু মেকিয়াভেলিয়ে সেইটো কৰা নাই। তেওঁ কৈছে, 'ৰজাই তেওঁৰ কথা ৰাখিব লাগে বোলা কথাটো প্ৰশংসাযোগ্য। কিন্তু আমাৰ কালৰ অভিজ্ঞতাই প্ৰমাণ কৰি দেখুৱাইছে যে যিসকল ৰজাই বিশ্বাস বৰ্তাই ৰখা কামক অকণো কেৰেপ কৰা নাই, তেওঁলোকেহে প্ৰকৃততে বৃহৎ কৰ্মবোৰ কৰিবলৈ সমৰ্থ হৈছে। তেওঁলোকে ৰবং যিসকলে তেওঁলোকৰ ওপৰত বিশ্বাস স্থাপন কৰিছিল সেইসকলৰ মনত খেলিমেলিৰ সৃষ্টি কৰি সেই সকলক পৰাস্ত কৰিবলৈ সক্ষম হৈছে।' মেকিয়াভেলিৰ মতে এজন প্ৰকৃততে দক্ষ ৰজাৰ সিংহৰ দৰে সাহসী আৰু শিয়ালৰদৰে কৌশলী গুণ থাকিব লাগিব। কেৱল সিংহৰ দৰে গুণসম্পন্ন হোৱাটো বা শিয়ালৰ দৰে গুণ সম্পন্ন হোৱাটোৱেই যথেষ্ট নহয়, কাৰণ সিংহই নিজকে ফান্দৰ

পৰা ৰক্ষা কৰিব নোৱাৰে আৰু শিয়ালে নিজকে কুকুৰনেচীয়া বাঘৰ পৰা ৰক্ষা কৰিব নোৱাৰে। সেয়ে মেকিয়াভেলিয়ে শ্লেষাত্মক সুৰেৰে মন্তব্য কৰিছে যে কেৱল সিংহৰ দৰে হ'ব খোজা সকলে এই কথা বুজি নাপায়। গতিকে যদিহে প্ৰতিশ্ৰুতি নিজৰ স্বাৰ্থৰ বিৰুদ্ধে যায় তেন্তে বিবেচনা শক্তি থকা ৰজাই সেই প্ৰতিশ্ৰুতি ৰখা উচিত নহয়। সকলো মানুহে যদি সমানে সৎ হ'লহেঁতেন তেন্তে এই নীতি অৱশ্যে যথাযথ নহ'লহেঁতেন; কিন্তু যিহেতু সকলো মানুহেই অসৎ আৰু এনে মানুহে আপোনাক দিয়া প্ৰতিশ্ৰুতি ৰক্ষা নকৰে, .সেয়ে আপুনিও সিহঁতক দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰিবলৈ বাধ্য নহয়। তদুপৰি ভংগ কৰা প্ৰতিশ্ৰুতিক আইন-সন্মত ৰং দিয়াৰ যুক্তিৰো অভাৱ নাই। এই সন্দৰ্ভত মই বহু উদাহৰণ দিব পাৰো যদিও মাত্ৰ এটা উদাহৰণ দিয়েই ক্ষান্ত হ'ম। পোপ ষষ্ঠ আলেকজেণ্ডাৰে মানুহক প্ৰৱঞ্চনাৰ বাহিৰে আন একো কৰা নাছিল, তেওঁ আন একো চিন্তাও নকৰিছিল, সদায় প্ৰৱঞ্চনা কৰাৰ উপায় উদ্ভাৱন কৰিছিল; তথাপি যিহেতু তেওঁ মানুহৰ স্বভাৱৰ এই দিশটো সম্পূৰ্ণৰূপে জানিছিল, সেয়ে তেওঁ সৰ্বাত্মকভাৱে কৃতকাৰ্য হৈছিল।'

এজন বিবেচনা জ্ঞানসম্পন্ন ৰজা সুচতুৰ ভাৱে ভণ্ড আৰু বিভেদ সৃষ্টিকাৰী হ'ব লাগিব। তেওঁ নিজকে ধাৰ্মিক, বিশ্বাসী, দয়ালু ইত্যাদি যেন দেখুৱাব লাগিব, কিন্তু ৰাজ্য ৰক্ষাৰ বাবে আৱশ্যক হ'লে বিশ্বাস, দয়া-দাক্ষিণ্য, মানৱতা, ধৰ্মৰ বিৰুদ্ধে কাম কৰিবলৈ সাজু থাকিব লাগিব। সাধাৰণ মানুহে বাহিৰত দেখা চাকচিক্যৰ দ্বাৰাহে বিচাৰ কৰে। আচল কথা হ'ল কৃতকাৰ্যতা লাভ কৰা; যদি ৰজাজনে সেইটো লাভ কৰিব পাৰে তেন্তে যি উপায়েৰে কৃতকাৰ্যতা লাভ নকৰক কিয়, সকলোৱে তেওঁক প্ৰশংসা কৰিব।

মেকিয়াভেলিৰ গ্ৰন্থখনৰ আন এটা নিন্দিত অধ্যায়ৰ শীৰ্ষক হ'ল 'নিষ্ঠুৰতা আৰু দয়া-প্ৰেমৰ পাত্ৰ হোৱা আৰু ভীতিৰ পাত্ৰ হোৱাৰ ভিতৰত কোনটো বেছি ভাল।' গ্ৰন্থকাৰে কৈছে- এজন ৰজাই নিষ্ঠুৰ বুলি পৰিচিত হোৱাতকৈ দয়ালু বুলি পৰিচিত হ'বলৈ স্বাভাৱিক ভাৱে খুজিলেও যদি তেওঁৰ কাৰ্যাৱলীয়ে প্ৰজাক নিৰাপত্তা আৰু সুখ দিয়ে, তেন্তে নিষ্ঠুৰতাৰ অভিযোগ শুনিলেও তেওঁ ভ্ৰূক্ষেপ কৰিব নালাগিব। অতিৰিক্ত ধৰণে দয়ালু হোৱাৰ ফলস্বৰূপে বিশৃংখলা, লুটপাত হত্যাক প্ৰশ্ৰয় দিয়া এজন ৰজাতকৈ

বৰং ওপৰোক্ত ধৰণৰ নিষ্ঠুৰ ৰজাজনহে দৰাচলতে বেছি দয়ালু বুলি পৰিগণিত হ'ব। কাৰণ বিশৃংখলা, লুটপাত,হত্যা আদিয়ে নাগৰিকৰ সামগ্ৰিক জীৱনত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। আনহাতে এজন নিষ্ঠুৰ ৰজাই দিয়া প্ৰাণদণ্ডৰ আদেশে এমুঠিমান ব্যক্তিকহে স্পৰ্শ কৰে। এজন বিজেতা নিষ্ঠুৰ হ'ব বুলি স্বাভাৱিকতে ধৰি ল'ব পৰা যায়, কিন্তু তেওঁ আটাইবোৰ নিষ্ঠুৰ কাম ক্ষিপ্ৰগতিত সমাধা কৰা উচিত আৰু তেনে কামৰ পুনৰাবৃত্তি দিনৰ পাছত দিন ধৰি কৰা মুঠেই উচিত নহয়।

প্ৰেমৰ পাত্ৰ হোৱা ভাল নে ভীতিৰ পাত্ৰ হোৱা ভাল এই প্ৰশ্নৰ উত্তৰত মেকিয়াভেলিয়ে কৈছে যে এজন জ্ঞানী শাসনকৰ্তাই একাধাৰে দুয়োটা হ'বলৈকে চেষ্টা কৰিব;কিন্তু যিহেতু তেনে হোৱাটো প্ৰায় অসম্ভৱ, সেয়ে প্ৰেমৰ পাত্ৰ হোৱাতকৈ ভীতিৰ পাত্ৰ হোৱাই অধিক নিৰাপদ। কাৰণ মানুহ স্বাৰ্থপৰ আৰু সেয়ে নিজৰ কাৰ্যোদ্ধাৰ হোৱাৰ পাছত শাসকৰ প্ৰতি থকা কৰ্তব্যৰ কথা পাহৰি পেলোৱাৰ প্ৰৱণতাই মানুহৰ অধিক, কিন্তু ভীতিৰ সৈতে শাস্তিৰ সম্ভাৱনা জড়িত হৈ থকাৰ বাবে ভীতি কেতিয়াও অথলে নাযায়। সি, যি কি নহওক ৰজাই ভীতিপ্ৰদৰ্শনো বাহুল্যভাৱে কৰিব নালাগিব। তেওঁৰ লক্ষ্য হ'ব লাগিব মানুহে ভয় কৰাৰ লগে লগে যাতে ঘৃণা নকৰে। এই কাম তেওঁ কৰিব পাৰে এটা উপায়েৰে। সেইটো হ'ল তেওঁ প্ৰজাৰ সম্পত্তি আৰু তিৰোতাৰ ওপৰত হাত দিব নালাগিব। যদি কিবা অজনপ্ৰিয় কাম কৰাৰ প্ৰয়োজন হয় তেন্তে জ্ঞানী ৰজাই সেই কাম নিজে নকৰি তেওঁৰ মন্ত্ৰীসকলৰ দ্বাৰা কৰাব; কিন্তু দান-দক্ষিণা আদি জনপ্ৰিয় কামবোৰ তেওঁ নিজ হাতেৰে কৰিব।

জ্ঞানী ৰজাই দেশবাসীৰ এচামৰ সৈতে আন এচামৰ শত্ৰুতা জগাই তুলি সংঘৰ্ষ লগাব লাগে আৰু সেই সংঘৰ্ষ দমন কৰি নিজৰ পৰাক্ৰম বৃদ্ধি কৰিব লাগে। সেইদৰে বিদেশী শত্ৰুকো প্ৰৰোচিত কৰি শত্ৰুক যুদ্ধত পৰাস্ত কৰাৰ কৌশল অৱলম্বন কৰিব লাগে।

মেকিয়াভেলিয়ে 'ৰজা' প্ৰভৃত লেখা উপৰোক্ত ধৰণৰ কথাবোৰৰ বাবেই গ্ৰন্থখনে বহুতৰ মনত জুগুপ্সাৰ উদ্ৰেক ঘটাইছিল। সৰ্বোপৰি এনে এজন ৰজাক তেওঁ আদৰ্শ ৰজা হিচাপে উপস্থাপিত কৰিছিল, যিজন আছিল কুখ্যাত। এই কাৰণে 'ৰজা' গ্ৰন্থক বহুতে ঘৃণাৰ চকুৰে চাইছিল। মেকিয়াভেলিয়ে আদৰ্শ ৰজা হিচাপে চিহ্নিত কৰিছিল যেনেজন কালৰ আটাইতকৈ অত্যাচাৰী ৰজা

'চিজাৰ-বৰ্গিয়াক।' তেওঁৰ মতে, চিজাৰ বৰ্গিয়াৰ নীতি আৰু কামত দোষ দিবলৈ একো নাই; বৰং অস্ত্ৰ-শক্তিৰ বলত যিসকল ক্ষমতাত আহে তেওঁলোকে বৰ্গিয়াৰ আদৰ্শ অনুকৰণ কৰা উচিত। চিজাৰ বৰ্গিয়াৰ দৰে নীতিহীন শঠ প্ৰৱঞ্চক এজনক প্ৰশংসা কৰোঁতা মেকিয়াভেলিক মানুহে স্বাভাৱিকতে দানবীয় চৰিত্ৰৰ বুলি গণ্য কৰিছিল।

কিন্তু সকলো দিশৰ পৰা বিচাৰ কৰি চালে দেখা যায় যে প্ৰকৃততে মেকিয়াভেলি আছিল এজন বাস্তৱবাদী। সেই সময়ৰ ইটালীৰ প্ৰেক্ষাপটত তেওঁক দেশপ্ৰেমিক আখ্যাও দিব পাৰি। তেওঁ জীৱনৰ শ্ৰেষ্ঠ অংশটো ফ্লোৰেন্স গণৰাজ্যৰ সেৱাত অতিবাহিত কৰিছিল আৰু সেয়ে ফ্লোৰেন্সৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিছিল। কিন্তু সেইসময়ত বক্তাক্ত সংঘৰ্ষৰ হুলস্থুলৰ মাজত নগৰ-ৰাষ্ট্ৰবোৰৰ বিলুপ্তিৰ দিন চমু চাপি আহিছিল। এনে সন্ধিক্ষণত মেকিয়াভেলিয়ে ভাবিছিল যে ৰাষ্ট্ৰৰ নিৰাপত্তাৰ কাৰণে শক্তিশালী আৰু শিক্ষিত ৰজাৰ প্ৰয়োজন- শিক্ষিত হওক বা নহওক শক্তিশালী হ'বই লাগিব।

ফ্লোৰেন্সৰ তদানীন্তন শাসক মেডিচি পৰিয়ালৰ নেতৃত্বত ঐক্যবদ্ধ ইটালী প্ৰতিষ্ঠা হোৱাৰ সপোন আছিল মেকিয়াভেলিৰ। সেয়ে তেওঁ গ্ৰন্থৰ শেষত মেডিচি ৰজালৈ অনুৰোধ জনাইছিল: 'আপোনাৰ প্ৰতিভাশালী পৰিয়ালে ইটালীক বৰ্বৰ সকলৰ আধিপত্যৰ পৰা মুক্ত কৰাৰ ব্ৰত গ্ৰহণ কৰক।' তেওঁৰ মানত বিদেশী আক্ৰমণকাৰী বিশেষকৈ ফৰাচী সকলেই আছিল বৰ্বৰ। তেওঁৰ কালত বিৰাজমান পৰিস্থিতিত মেকিয়াভেলিয়ে চিজাৰ বৰ্গিয়াৰ দৰে অত্যাচাৰী নিষ্ঠুৰ ৰজাইহে ইটালীক ঐক্যবদ্ধ আৰু শক্তিশালী কৰিব পাৰিব বুলি ভাবিছিল। বহু শতিকাৰ পিছত এক সম্পূৰ্ণ বেলেগ ধৰণে মেটছিনি আৰু গেৰিবল্ডিৰ নেতৃত্বত স্বাধীন, ঐক্যবদ্ধ ইটালীৰ অভ্যুদয় হয়।

ফ্ৰাচোৱা ৰাবেলাৰ গাৰগাণ্টুৱা আৰু পেণ্টাগ্ৰুৱেল

(১৭)

বিশ্ব-সাহিত্যৰ হাস্যৰসৰ বিভাগত যি মুষ্টিমেয় সাহিত্যিকে খ্যাতি অৰ্জন কৰিছে, সেই সকলৰ ভিতৰত ফ্ৰাঁচোৱা ৰাবেলাৰ এখন সুকীয়া আসন আছে। তেওঁ ফৰাচী দেশৰ টুৰেই প্ৰদেশৰ চিন নগৰত জন্মগ্ৰহণ কৰিছিল ১৪৮৩ চনৰ পৰা ১৪৯৫ চনৰ ভিতৰৰ কোনো এক সময়ত। তেওঁৰ দেউতাক আছিল আইন ব্যৱসায়ী তথা খেতিয়ক। প্ৰায় ছবছৰ বয়সত ৰাবেলাক ধৰ্ম শিক্ষালয়ত ভৰ্তি কৰোৱা হৈছিল। তেতিয়াৰ পৰা প্ৰায় পঁচিশ বছৰকাল তেওঁ কেথলীয়া ভকতৰ জীৱন-যাপন কৰি পুনৰ গাৰ্হস্থ্য-জীৱনলৈ উভতি আহে। ১৫৩০ চনত মপেলিয়াৰ বিশ্ববিদ্যালয়ত ভৰ্তি হয় আৰু তাৰ পৰা তেখেত শাস্ত্ৰৰ ডিগ্ৰী লৈ শৰীৰ বিদ্যাৰ অধ্যাপক ৰূপে কিছুদিন কাম কৰি ১৫৩২ চনত ভালীতন ফৰাচী দেশৰ সাহিত্য-সংস্কৃতিৰ এক অন্যতম কেন্দ্ৰ লিয় নগৰৰ হিউনিটিনাল হাস্পাতালৰ চিকিৎসক—পদত যোগদান কৰে। এই হাস্পাতালত কাম কৰি থকা সময়তে তেওঁ গাৰগাণ্টুৱা আৰু পেণ্টাগ্ৰুৱেল শীৰ্ষক খণ্ডটো প্ৰকাশ কৰে। দুবছৰ পিছত 'গাৰগাণ্টুৱা' শীৰ্ষক খণ্ডটো প্ৰকাশিত হয়। যদিও প্ৰকাশৰ দিশৰ পৰা 'গাৰগাণ্টুৱা' পিছত প্ৰকাশ হৈছিল, তথাপি দৰাচলতে এই খণ্ডটোহে গ্ৰন্থখনৰ আৰম্ভণিৰ অংশ।সেইকাৰণে এই আৰম্ভণিৰ অংশটো অখণ্ড গ্ৰন্থখনৰ পোনতে সন্নিবিষ্ট কৰা হৈ আছিছে। ১৬৫৩ চনত চাৰ টমাছ আৰ্কুহাৰ্ট নামৰ এজন স্কটলেণ্ডীয় সাহিত্যিকে গ্ৰন্থখনৰ ইংৰাজী অনুবাদ প্ৰকাশ কৰি উলিয়ায়।

গাৰগাণ্টুৱা হ'ল ফৰাচী লোক-সাহিত্যৰ এটা চৰিত্ৰ। সি হ'ল এটা দৈত্য। ৰাবেলাৰ উপন্যাসতো গাৰগাণ্টুৱা এটা দৈত্যয়েই। তাৰ বাপেক মাকৰ নাম যথাক্ৰমে গ্ৰেংগোছিয়াৰ আৰু গেৰগামেল। গাৰগাণ্টুৱা ভূমিষ্ঠ হৈছিল তাৰ মাকৰ বাওঁকাণৰ বিন্ধাৰে। জন্ম পোৱাৰ লগে লগে সি আন কেঁচুৱাৰ দৰে টেঁৱা টেঁৱাকৈ নাকান্দি ডাঙৰ ডাঙৰ কৈ 'পিয়াহ লাগিছে', 'পিয়াহ লাগিছে' বুলি চিঞৰিছিল। তাৰ আকৃতি ইমান বৃহৎ আছিল যে তাক খুৱাবলৈ সোতৰ

হাজাৰ নশ তেৰজনী গাইৰ গাখীৰৰ দৰকাৰ হৈছিল। তৰ পোছাক তৈয়াৰ কৰিবলৈ লাগিছিল শ শ গজ কাপোৰ।

তিনি বছৰৰ পৰা পাঁচবছৰ বয়সৰ ভিতৰত বাপেকে তাক সকলো বিষয়ে শিক্ষা দিছিল। সেই সময়ছোৱাত সি অৱশ্যে আন আন ল'ৰা-ছোৱালীৰ দিচিনাকৈ খাইছিল আৰু শুইছিল; বোকা-পানীৰে ধেমালি-ধুমুলা কৰিছিল; কামিজেৰে নাকৰ শেঙুন মচিছিল : দাঁতেৰে লাটুম কামুৰিছিল; কটি নাখাই খাইছিল পিঠা। সি আৰু এনে কিছুমান কাম কৰিছিল যিবোৰ প্ৰায় অশ্লীলতাৰ আৰু এক ধৰণৰ স্থূল ৰসিকতাৰ পৰ্যায়ত পৰে। ৰাবেলা সৃষ্ট হাস্যৰসৰ বিশেষ ভংগী ইমানেই বিখ্যাত হয় যে 'ৰাবেলীয় (Rabelaisian) বোলা এটা শব্দই অভিধানতো স্থান পালে।

কিশোৰ গাৰগান্টুৱাৰ শিক্ষা জীৱনৰ ওপৰত ৰাবেলাই কেবাটাও অধ্যায় লেখিছিল। মধ্যযুগৰ কদৰ্যতা আৰু অৱক্ষয়ে পৰিপূৰ্ণ শিক্ষা-ব্যৱস্থাক উপহাস বা ব্যংগ কৰাই আছিল ইয়াৰ উদ্দেশ্য। গাৰগান্টুৱাৰ পঢ়া-শুনাৰ ফলশ্ৰুতি সম্পৰ্কে ৰাবেলাই ব্যংগ কৰিছে এইদৰে: অৱশেষত বাপেকে বুজিলে যে যদিও গাৰগান্টুৱাই মনপুতি দীৰ্ঘ সময় ধৰি পঢ়া-শুনা কৰিলে, তথাপি সি তাৰ পৰা একো লাভবান নহ'ল, বৰং সি মূৰ্খ, ভেবা, অঁকৰা আৰু জড় বুদ্ধিৰহে হ'ল। পণ্ডিকে তাক পাশবিক স্বভাৱৰ শিক্ষকৰ অধীনৰ পৰা আনি তুলনামূলকভাৱে ভাল পেৰিছৰ শিক্ষকৰ তত্ত্বাৱধানলৈ পঠোৱা হ'ল। তাত ছাত্ৰসকলে কেৱল কিতাপৰ বিদ্যাকে লাভ নকৰে, ব্যৱহাৰিক কামৰ জৰিয়তেও শিক্ষা পায়। সিহঁতে শিক্ষকৰ বক্তৃতাৰ উপৰিও মিস্ত্ৰী, তাঁতী, ঘড়ীৰ কাৰিকৰ, প্ৰেছ-কৰ্মী, সোণাৰী ইত্যাদিৰ কাৰখানা আৰু ভেষজবিদ, ৰসায়ণবিদ, ঔষধ যেচোঁতাৰ দোকান পৰিদৰ্শন কৰিছিল। 'এইদৰে নিজৰ বয়সৰ সৈতে খাপ-খোৱা কথাবোৰ শৃংখলাৰে শিকি গাৰগান্টুৱা উপকৃত হৈছিল। প্ৰথমে যদিও কষ্টকৰ লাগিছিল, তথাপি শেষত তাৰ ইমান ভাল লাগিবলৈ ধৰিলে যে কামবোৰ ছাত্ৰৰ অধ্যয়ন যেন নালাগি তাৰ মানত ৰজাৰ আমোদ-প্ৰমোদ যেনহে লাগিবলৈ ধৰিলে।' মধ্যযুগৰ অৱসানৰ পিছত নৱ-জাগৰণৰ মানৱতাবাদী আন্দোলনৰ এটা আভাস উপৰোক্ত বৰ্ণনাত ফুটি ওলাইছে।

ইতিমধ্যে গাৰগান্টুৱাৰ বাপেক পিক্ৰোকোল নামৰ ওচৰ-চুবুৰীয়া এজন

ৰজাৰ সৈতে যুদ্ধত লিপ্ত হোৱাত গাৰগাণ্টুৱাক পেৰিছৰ পৰা ঘৰলৈ মাতি অনা হ'ল। এই যুদ্ধৰ কাহিনী দীঘলীয়াকৈ বৰ্ণনা কৰা হৈছে আৰু ৰাবেলাই গাৰগাণ্টুৱাইঁতৰ সপক্ষৰ ফ্ৰায়াৰজন নামৰ এজন আমোদপ্ৰিয় যাজকৰ চৰিত্ৰ ৰৰ হাস্যৰসৰ মাজেৰে কৈছে। যুদ্ধত পিক্ৰোকোল পৰাস্ত হ'ল। গাৰগাণ্টুৱাই তেওঁৰ হৈ যুঁজা খৃষ্টান-ভিক্ষুজনৰ বাবে এটা মঠ তৈয়াৰ কৰি তেওঁক মঠাধ্যক্ষ পাতিলে।

উক্ত থেলেমাৰ মঠৰ বিশদ বিৱৰণ ৰাবেলাই তেওঁৰ উপন্যাসখনত দিছে। এই মঠৰ সকলো কথাই ফ্ৰান্সৰ তদানীন্তন মঠ বোৰৰ ওলোটা। এই মঠৰ চাৰিওফালে দেৱাল নাই, সময়সূচক ঘণ্টা বজোৱাৰ নিয়মো নাই। অন্যান্য মঠবোৰত থকা ভকত-ভকতনীহঁতে ব্ৰহ্মচৰ্য পালন আৰু লাহ-বিলাহ ত্যাগ কৰি মঠৰ প্ৰতি অনুগত হৈ থাকিব লাগে। কিন্তু থেলেমাৰ মঠৰ ভকত-ভকতনীহঁতে বিয়া-বাৰু কৰাই লাহ-বিলাহৰ মাজেৰে দিন কটোৱাত বাধা নাই। গাৰগাণ্টুৱাই স্থাপন কৰা এই মঠৰ আদৰ্শ হ'ল, 'তুমি যি ইচ্ছা কৰা 'তাকেই কৰা'। আইনৰ অনুশাসনৰ দ্বাৰা নহয়, বৰং নিজৰ স্বাধীন ইচ্ছা অনুসৰিহে মঠবাসীসকল চলে, খোৱা-পিয়াত বাধা দিওঁতাও নাই। এনে এটা মঠ স্থাপন কৰাৰ উদ্দেশ্য হ'ল এয়ে যে সদাচলতে মুক্ত মনৰ গৰাকীয়ে সৎ কাম কৰিবলৈ অনুপ্ৰেৰণা পায়, পাপ কামৰ পৰা নিজকে আঁতৰাই নিজৰ সন্মান ৰক্ষাৰ প্ৰতি সজাগ হয়। বাধা-নিষেধ যিমান বেছিকৈ আৰোপ কৰা যায়, সিমান বেছিকৈ নিষিদ্ধ কাম কৰাৰ স্পৃহা মানুহৰ মনত জাগে।

উপন্যাসখনৰ দ্বিতীয়খণ্ডত উপস্থাপিত কৰা হৈছে পেন্টাগ্ৰুৱেলক। গাৰগাণ্টুৱাৰ বয়স যেতিয়া চাৰিশ চাৰিকুৰি চাৰি বছৰ তেতিয়া পেন্টাগ্ৰুৱেলৰ জন্ম হয়। গাৰগাণ্টুৱাৰ পত্নী বেডেব্ৰেক আছিল ইউটোপিয়াৰ ৰজাৰ কন্যা। (প্ৰসংগত: উল্লেখযোগ্য যে ৰাবেলাৰ উপন্যাস প্ৰকাশ হোৱাৰ প্ৰায় চল্লিশ বছৰ আগতে লেটিন ভাষাত ছাৰ টমাছ মুৰৰ 'ইউটোপিয়া' প্ৰকাশিত হৈছিল)। পেন্টাগ্ৰুৱেলাকো অধ্যয়নৰ বাবে পেৰিছলৈ পঠোৱা হৈছিল। তাত পানআৰ্জ নামৰ এজন পয়ত্ৰিশ বছৰ বয়সীয়া লোকৰ সৈতে তেওঁৰ চা-চিনাকি হয়। পানআৰ্জ আছিল অতি ইন্দ্ৰিয়পৰায়ণ, কিন্তু কপৰ্দকশূন্য। টকাৰ বাবে সি চুৰি-ডকাইতি কৰিবলৈ পৰাংমুখ নাছিল। এই চৰিত্ৰৰ মাজেৰে ৰাবেলাই

তদানীন্তন 'পেৰিছৰ ছাত্ৰ নামধাৰী এচাম লোকৰ অসৎ কাৰ্যাৱলী উদঙাই দেখুৱাইছে।

ৰাবেলাৰ হাস্য-ব্যংগ যৌন-আচৰণক ঘাইকৈ কেন্দ্ৰ কৰি প্ৰকাশ পাইছিল আৰু সেয়া আছিল কিছু পৰিমাণে অমাৰ্জিত। কিন্তু ৰাবেলাৰ বিশেষত্ব আছিল এয়ে যে তেওঁ সত্যক ঢাকি নাৰাখি খাৰংখাচভাৱে ঘটনাৰ বৰ্ণনাবোৰ কৰিছিল। মানুহৰ মাজত থকা পশুত্ববিনি উদঙাই দিয়াই আছিল তেওঁৰ উদ্দেশ্য।

মিগুৱেল দ্য চাৰ্ভেন্টিছৰ ডন কুইকছোট

(১৮)

'লা মাঞ্চাৰ কোনো এখন গাঁৱত কিছুদিন আগলৈ এজন ভদ্রলোকে বাস কৰিছিল- তেওঁৰ ঘৰত এপাট যাঠি, এখন পুৰণি ঢাল, এটা লেবেলা ঘোঁৰা আৰু এটা চিকাৰি কুকুৰ আছিল।' সপ্তদশ শতিকাৰ আৰম্ভণিৰ কালছোৱাত যুদ্ধত পংগু হোৱা এজন স্পেন-দেশীয় লোকে তেওঁৰ এখন গ্রন্থ এইদৰে আৰম্ভ কৰিছিল। পৰ্যবেক্ষণৰ বাবে লেখক-বৃত্তি লোৱাৰ আগতে এই লোকজনে এক বৈচিত্র্যপূৰ্ণ জীৱন-যাপন কৰিছিল।

লা-মাঞ্চাৰ 'প্রায় পঞ্চাশ বছৰ বয়সীয়া, আটিল অথচ ক্ষীণ দেহ আৰু মুখমণ্ডলৰ, নিচেই পুৱাতে ঢাবিপাটি এৰা আৰু চিকাৰপ্রেমী এজন গাঁৱলীয়া ভদ্রলোকৰ কাহিনী স্পেন-দেশীয় লোকজনে লেখিছিল, সেই কাহিনী বিশ্ব-সাহিত্যত অন্যতম মহৎ আৰু কালজয়ী কাহিনী হিচাপে স্বীকৃত। কেৱল সেয়েই নহয়, জনপ্রিয়তাৰ ক্ষেত্ৰতো ডন কুইকছোট নামৰ লা মাঞ্চাৰ গাঁৱলীয়া ভদ্রলোকজনৰ কাহিনীয়ে আগশাৰীত স্থান পাই আহিছে। ডন কুইক্‌ছোট বিশ্বসাহিত্যৰ এটা অন্যতম বিষাদময় অথচ প্রিয় চৰিত্র-।

বিশ্ববিখ্যাত এই হাস্যৰসপূৰ্ণ উপন্যাসখনৰ লেখক মিগুৱেল দ্য চাৰ্ভেন্টিছৰ জন্ম হৈছিল ১৫৪৭ৰ ৯ অক্টোবৰত এটা দুখীয়া ঔষধ-ব্যৱসায়ীৰ পৰিয়ালত। উত্তমৰ্ণসকলৰ খেচ্‌ খেচনিৰ পৰা হাত সাৰিবলৈ চাৰ্ভেন্টিছৰ ঔষধ-ব্যৱসায়ী বাপেকে পৰিয়ালটো লগত লৈ ইঠাইৰ পৰা সিঠাইলৈ গৈ একধৰণৰ পলাতক জীৱন-যাপন কৰিছিল। অৱশেষত ১৫৬৬ চন মানত আৰ্থিক অৱস্থা কিছু টনকিয়াল হোৱাত তেওঁ মাদ্রিদত সপৰিয়ালে বসবাস কৰিবলৈ লয়।

সেইসময়ৰ দস্তুৰ মতে মিগুৱেলে প্রথমে কবিতা লেখিবলৈ লৈছিল। স্পেনৰ ৰজা দ্বিতীয় ফিলিপৰ পত্নী ইজাবেলৰ মৃত্যুক বিষয়বস্তু হিচাপে লৈ কিছু কবিতা তেওঁ ৰচনা কৰি পঢ়ুৱৈৰ দৃষ্টি আকৰ্ষণ কৰিছিল। তেতিয়া মিগুৱেলৰ বয়স আছিল একৈশ বছৰ। ইতিমধ্যে বাপেকৰ সৈতে প্রায়ে অঘৰী জীৱন-যাপন

কৰি তেওঁ প্ৰভূত অভিজ্ঞতা অৰ্জন কৰিছিল। এই অভিজ্ঞতা অৱলম্বন কৰি তেওঁ ভালেমান গ্ৰন্থ লিখিব পাৰিলেহেঁতেন যদি তেওঁ এক দ্বন্দ্বযুদ্ধৰ সোঁতে জড়িত হৈ নপৰিলেহেঁতেন। তাৰ ফলত তেওঁ স্পেন এৰি পলাবলগীয়া হ'ল। তেওঁ ৰোমলৈ গৈ সৈনিক বৃত্তি ল'লে। ১৫৭১ চনত ইটালীত হোৱা এখন বৃহৎ নৌ-যুদ্ধত তেওঁ ইমান গুৰুত্বৰ ভাৱে আহত হ'ল যে তেওঁৰ বাওঁ হাতখন চিৰকালৰ বাবে ঘৃণীয়া আৰু অকামিলা হ'ল। কিছুদিনৰ পিছত স্পেনলৈ ওভতাৰ অনুমতি তেওঁক দিয়া হ'ল। নেপলছৰ পৰা জাহাজেৰে যাত্ৰা কৰাৰ দুদিনৰ মূৰত জলদস্যুৰ দ্বাৰা জাহাজখন আক্ৰান্ত হ'ল। জলদস্যুহতে তেওঁক আলজিয়াৰ্ছলৈ নি প্ৰথমে কিছুদিন বন্দী কৰি ৰখাৰ পিছত দাস হিছাপে বিক্ৰী কৰিলে। অৱশেষত পৰিয়ালৰ লোক আৰু কিছুমান যাজকৰ চেষ্টাত তেওঁক উপযুক্ত ধনৰ বিনিময়ত মুক্ত কৰা হ'ল। ১৫৮০ চনত তেত্ৰিশ বছৰ বয়সীয়া চাৰ্ভেণ্টিছ দেশলৈ ঘূৰি আহিল। এতিয়া তেওঁ অৱসন্ন, ক্লান্ত, পংগু,- ডেকাকালৰ চাকচিক্য তেওঁৰ নাই, সমাজত তেওঁ অবাঞ্ছিত।

চাৰ্ভেণ্টিছে পুনৰ কবিতা লেখিবলৈ ল'লে। এবাৰ তেওঁ পৰ্তুগাললৈ গ'ল আৰু আশ্চৰ্যৰ কথা যে পুনৰ আলজিয়াৰ্ছো ভ্ৰমণ কৰি আহিল। তেওঁ ভালেমান নাটক লেখিলে আৰু আঠত্ৰিশ বছৰ বয়সত বিয়া কৰালে। সেই সময়ৰ লেখক সকলে কেৱল লেখিয়েই জীৱিকা অৰ্জন কৰিব নোৱাৰিছিল। চাৰ্ভেণ্টিছেও নিজকে নানা কামত ব্যাপৃত ৰাখিবলগীয়া হৈছিল। বাপেকৰ দৰে তেওঁৰ আৰ্থিক অৱস্থাও ক্ৰমাৎ শোচনীয় হ'ল। চৰকাৰী চাকৰিৰ বাবে তেওঁ কৰা আবেদন বাৰে বাৰে প্ৰত্যাখ্যান হ'ল। মাজতে দুবাৰো তেওঁ কাৰাবাস খাটিবলগীয়াও হয়। অৱশেষত ১৬১৬ চনৰ ২৩ এপ্ৰিলৰ দিনা কপৰ্দক শূন্য অৱস্থাত মিগুৱেল দ্য চাৰ্ভেণ্টিছৰ মৃত্যু হ'ল। যোত্ৰহীন (Pauper) ঘোষণা কৰি তেওঁক কবৰস্থ কৰা হ'ল।

দুৰ্ভাগ্যই পদে পদে অনুসৰণ কৰিলেও চাৰ্ভেণ্টিছে লেখিবলৈ এৰা নাছিল। তেওঁৰ কবিতা আৰু নাটক সমূহ বিস্মৃতিৰ গৰ্ভত লীন গৈছে; কিন্তু তেওঁ লেখা লামাঞ্চাৰ গাঁৱলীয়া ভদ্ৰলোক ডন কুইক্‌ছোটৰ কাহিনী চিৰস্মৰণীয় হৈ আছে।

ডন কুইক্‌হোট আছিল এজন ক্ষুদ্র ভূ-স্বামী বা জমিদাৰ। জমিদাৰী চলোৱাৰ ফাঁকে ফাঁকে তেওঁ মধ্যযুগীয়া নাইট এৰাণ্ট (knight-errant: অপেশাদাৰী বীৰযোদ্ধা) সকলৰ বীৰত্বপূর্ণ কার্যকলাপৰ বিৱৰণ থকা কাহিনীবোৰ উবাই ঘূৰাই পঢ়িছিল আৰু বিশেষকৈ সেইবোৰৰ সৈতে সংশ্লিষ্ট প্ৰেমৰ কথাবোৰ পঢ়ি বৰ ভাল পাইছিল।

বয়স বাঢ়ি অহাৰ লগে লগে ডন কুইক্‌হোটে সিদ্ধান্ত কৰিলে যে তেওঁ নাইট-এৰাণ্ট হ'বই লাগিব। উজ্বল বর্ম পিন্ধি, তেজস্বী ঘোঁৰা এটাত উঠি দু:সাহসিক কাম কৰি, অন্যায়ক পোন বাটলৈ আনি, বিপদত পৰা কুমাৰী সকলক উদ্ধাৰ কৰি তেওঁ সমগ্ৰ পৃথিৱীত ঘূৰি ফুৰিব। তেওঁ এটা পুৰণি বর্ম যোগাৰ কৰি তাৰ মামৰ আদি পার্যমানে গুচাই পিন্ধি ল'লে। বর্মটোৰ পৰা কেৰকেৰীয়া শব্দ ওলাল। এটা শিৰস্ত্ৰাণো পিন্ধি ল'লে তেওঁ। কিন্তু শিৰস্ত্ৰাণটোৰ সৈতে থকা মুখ আগুৰা ঢাকনিখন নথকাত ডাঠ কাগজেৰে এখন ঢাকনি তৈয়াৰ কৰি লৈ পৰীক্ষা কৰিবলৈ তৰোৱালেৰে ঘপিয়াই চালে। মুখ-ঢাকনিখন ভাগি থকাত পুনৰ এসপ্তাহমানৰ চেষ্টাৰ মূৰত তেওঁ আন এখন ঢাকনি তৈয়াৰ কৰি ল'লে। তাৰ পিছত ঘোঁৰাত উঠি তেওঁ যাত্ৰা আৰম্ভ কৰিলে।

ঘোঁৰাটো আছিল হাড়-ছাল ওলোৱা। ডন কুইক্‌হোটে তাৰ নাম ৰাখিলে ৰোচিনাণ্টে, কাৰণ এই শব্দটো তেওঁ ভাল পাইছিল। তেওঁৰ প্ৰকৃত নাম যদিও কুইক্‌হাদা বা কুয়েছাদা আছিল, তথাপি নাইট এৰাণ্টৰ মর্যাদাৰ কাৰণে তেওঁ তাক কুইক্‌হোটলৈ ৰূপান্তৰিত কৰিলে। তেওঁৰ সম্পূর্ণ নতুন নাম হ'ল- 'ডন কুইক্‌হোট ডি লা মাঞ্চা' অর্থাৎ 'লা মাঞ্চাৰ ছাৰ কুইক্‌হোট।' লা মাঞ্চা আছিল তেওঁৰ জিলাখনৰ নাম।

নাইটসকলৰ থকাৰ দৰে তেওঁকো দৰকাৰ হ'ল এজনী মোহময়ী মহিলাৰ। এই মহিলা হ'ব তেওঁৰ প্ৰেমিকা। বয়োবৃদ্ধ ডন কুইক্‌হোটে আগতে প্ৰেমিকা-সমস্যাৰ সন্মুখীন হ'বলগীয়া হোৱা নাছিল। এতিয়া এই সমস্যা উপস্থিত হোৱাত তেওঁৰ মনত পৰিল এসময়ত তেওঁ ভাল পোৱা (যদিও সেই সময়ত তেওঁ সেই ভাল পোৱা প্ৰকাশ কৰা নাছিল) বলিষ্ঠ পেশী সম্পন্না খেতি পামত কাম কৰা তিৰোতা এজনীলৈ। এতিয়া সেইজনীকে (অৱশ্যে

তিবোতাজনীক নজনোৱাকে) তেওঁ সুন্দৰীৰ আসন দি তাইৰ নাম থলে 'ডালচিনিয়া ডেল টোবোছো।'

পৰিয়ালৰ কাকো নজনোৱাকৈ ডন কুইক্‌জোটে নাইট এবাণ্টৰ বেশেৰে যাত্ৰা আৰম্ভ কৰিলে জুলাই মাহৰ অতিশাত গৰম দিন এটাত।

বৰ্মাচ্ছাদিও হৈ গৈ থাকোতে ৰ'দৰ তাপত ঘামি জামি তেওঁ জুকলা-জুপুৰা হ'ল। সেই সময়তে তেওঁৰ মনত পৰিল যে তেওঁ এতিয়াও 'নাইট (knight) উপাধিৰে ভূষিত হোৱা নাই। এই উপাধি লবলৈ হ'লে বহু লোকৰ সন্মতি আৰু সহায়ৰ আৱশ্যক। সেয়ে তেওঁ ভাবি ভাবি গৈ থাকোতে এটা চৰাইখানাত গধূলি উপস্থিত হ'ল। তেওঁ চৰাইখানাটোকে এটা দূৰ্গ বুলি ভাবি ল'লে। চৰাইখানাটোৰ বাহিৰত কেইজনীমান শিথিল চৰিত্ৰৰ তিৰোতা বৈ আছিল। ডন কুইক্‌জোটে ইহঁতক 'সুন্দৰী-মহিলা' বুলি সম্বোধন কৰি সম্ভাষণ জনালে। এই চৰাইখানাত তেওঁ 'নাইট' উপাধি লবলৈ বদ্ধ-পৰিকৰ হ'ল। এই উপাধি লবলৈ হ'লে যুদ্ধত শত্ৰুক পৰাস্ত কৰা দৰকাৰ। ডন কুইক্‌জোটে চৰাইখানাত থকা কেইজনমান ঘোঁৰা চৰীচকে শত্ৰুজ্ঞান কৰি সিহঁতৰ সৈতে 'যুদ্ধ' আৰম্ভ কৰিলে। এক হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি হ'ল। চৰাইখানাৰ মালিক চৰীচহঁতে গম পালে যে এই বৃদ্ধজন খামখেয়ালিৰে ভৰা মগজুৰ। তেওঁযে 'নাইট' উপাধি ল'বলৈহে এই 'যুদ্ধ' কৰিছে সেই কথা বুজি পাই এনেকুৱা অবাঞ্ছিত আলহীৰ পৰা সোনকালে অব্যাহতি পাবলৈ মালিকে ডন কুইক্‌জোট যুদ্ধত বিজয়ী হোৱা বুলি ঘোষণা কৰিলে আৰু তেওঁক 'নাইট' উপাধিৰে বিভূষিত কৰিলে।

এইদৰে 'নাইট' হোৱাৰ পিছত ডন কুইক্‌জোটে 'দু:সাহসিক বীৰত্বপূৰ্ণ' কাম কৰাৰ পথ বিচাৰি ক্ষিপ্ৰ গতিৰে আগবাঢ়িল। প্ৰথমতে এঠাইত এজন মানুহে চাকৰ এটাক কোবাই থকা দেখি তেওঁ মানুহজনক বৰ্শাৰেথকা-সৰকা কৰাৰ ভয় দেখুৱাই তেওঁক কোবোৱাৰ পৰা বিৰত ৰাখিলে। এই কৃতকাৰ্যতাত উৎসাহিত হৈ ডন কুইক্‌জোটে ঘোচিনাণ্টেক বগাই চেকুৱালে। ইফালে মানুহজনে পুনৰ চাকৰটোক কোবাবলৈ ধৰিলে। কিন্তু ডন কুইক্‌জোটে ভাবি ল'লে যে তেওঁ অন্যায়ক ন্যায়ৰ পথলৈ আনিলে।

এটা চাৰিআলিত তেওঁৰ এদল বণিকৰ সৈতে ভেটা-ভেটি হ'ল। লগে লগে তেওঁ চিঞৰি চিঞৰি ক'বলৈ ধৰিলে- 'যদি সমগ্ৰ পৃথিবীয়ে স্বীকাৰ

নকৰে যে লা মাঞ্চৰ সম্ৰাজ্ঞী ডালচিনিয়া ডেল টোবোছোজকৈ ধুনীয়া মহিলা সমগ্ৰ পৃথিৱীত নাই, তেন্তে সমগ্ৰ পৃথিৱী ভস্ম হৈ যাওক!

বণিকসকলে তৎক্ষণাত গম পালে যে এই বৃদ্ধ মানুহজনৰ মগজুৰ বিকৃতি আছে। গতিকে তেওঁলোকে বুঢ়াৰ লগত অলপ ৰংৰহইচ কৰিবলৈ ইচ্ছা কৰিলে। এজন বণিকে ঠাট্টা কৰি ক'লে যে মহিলাগৰাকী বৰ বেছি সুন্দৰী নহ'বও পাৰে। এনে প্ৰত্যাহ্বান ডন কুইক্‌ছোটৰ দৰে 'নাইট' এজনৰ বাবে অসহ্য। সেয়ে তেওঁ অতিশয় ক্ৰোধেৰে বৰ্শা দাঙি বণিকজনক খেদি গ'ল। কিন্তু এনেতে ৰোচিনাণ্টে হামখুৰি খাই বাগৰি পৰিল আৰু লগে লগে অশ্বাৰোহী ডন কুইক্‌ছোটো ভূপতিত হ'ল। বৰ্ম আৰু অন্যান্য সৰঞ্জামৰ হেঁচাত তেওঁৰ উশাহ বন্ধ হোৱাৰ উপক্ৰম হ'ল। তথাপি তেওঁ চিঞৰি ক'লে, 'হেৰ পাষণ্ডইত, স্তব্ধ হ ! মোৰ দোষ নহয়, মোৰ ঘোঁৰাৰ দোষতহে মই বাগৰি পৰিছোঁ।'

বণিকসকল অৱশ্যে ভয়তে পলাই নগ'ল। তেওঁলোকে ডন কুইক্‌ছোটৰ বৰ্শাপাত ভাঙি টুকুৰা-টুকুৰ কৰিলে আৰু সেই টুকুৰাবোৰেই তেওঁক কোবাই আধা-মৰা কৰি পেলাই থৈ গুচি গ'ল। বেচেৰা ডন কুইক্‌ছোটে নাইট এবাণ্টৰ কাহিনীত থকা আহত নাইট সম্পৰ্কীয় গীত এটা সেহাই সেহাই গাবলৈ ধৰিলে। এনেতে তেওঁৰ গাঁৱৰে বনুৱা এজন সেইফালেৰে গৈ থাকোতে দেখিলে যে জমিদাৰ কুইক্‌ছাদা মাটিত। বনুৱাজনে কুইক্‌ছাদা ওৰফে কুইক্‌ছোটক তুলি ধৰিলে। তেওঁৰ ঘোঁৰা ৰোচিনাণ্টকো থিয় কৰালে। ডন কুইক্‌ছোটক নিজৰ গাধটোত বহুৱাই বস্তু বাহানিবোৰ সামৰি সুতৰি নিজৰ ঘৰলৈ লৈ আহি সেৱা-শুশ্ৰূষা কৰিলে। কুইক্‌ছোটে তেতিয়াও সুন্দৰী মহিলা আৰু দস্যুদলৰ কথা বলকি আছিল।

পোন্ধৰ দিনমানৰ পিছত ডন কুইকছোট সুস্থ হৈ উঠিল। তেওঁ ছাংচো পাঞ্জা নামৰ হজুৱা এটাক লগুৱা হিচাপে লৈ পুনৰ অভিযান চলাবলৈ আৰম্ভ কৰিলে।

এদিনাখন দুয়ো গধূলি ছাংচো পাঞ্জাৰ ঘৈণীয়েকৰ অজ্ঞাতসাৰে যাত্ৰা আৰম্ভ কৰিলে— ডন কুইকছোট বহিল লেকেলা ৰোচিয়াণ্টৰ পিঠিত আৰু ছাংচো পাঞ্জা বহিল নিজৰ গাধটোৰ পিঠিত। গৈ থাকোতে আলিৰ দাঁতিত কেইটামান বায়ুকল (Windmill) দেখি ডন কুইকছোটে সেই কেইটাক দৈত্য

বুলি ঠাৱৰ কৰিলে। ছাংচোই বিনীতভাৱে জনালে যে সেইকেইটা দৈত্য নহয়, বায়ুকলহে। কিন্তু ডন কুইকছোটে সেইকথা নামানি এটা বায়ুকলক কৰ্শাৰে আক্ৰমণ কৰিলে। বেগেৰে ঘূৰি থকা যন্ত্ৰটোৰ পাখিৰ আঘাতত বীৰপুৰুষ দূৰত ছিটিকি পৰিল। তথাপি তেওঁ এই বুলি সান্ত্বনা লভিলে যে কোনো অপদেৱতাই দৈত্যইঁতক বায়ুকলত পৰিণত কৰিছে।

এনেকুৱা নানা কাল্পনিক শত্ৰুৰ সৈতে যুদ্ধ কৰি আৰু নানা হাঁহি উঠা কাম কৰি অৱশেষত দুঃস্থ জৰ্জৰিত হৈ দুয়ো গাঁৱলৈ ঘূৰি আহিল। ছাংচোৰ ঘৈণীয়েকে ছাংচোক বৰকৈ ককৰ্থনা কৰিলে।

দুয়ো পুনৰ অভিযান চলালে আৰু ডন কুইকছোটৰ মৃত্যু হোৱাতহে ইয়াৰ অন্ত পৰিল। মৃত্যুৰ আগে আগে তেওঁ উপলব্ধি কৰিলে যে নাইটসকলৰ বীৰত্বৰ কাহিনী পঢ়ি তেওঁ মিছাকৈ নিজকে নাইট বুলি কল্পনা কৰি লৈছিল।

'ডন কুইকছোট' উপন্যাসখনৰ জৰিয়তে ষোড়শ শতিকাৰ স্পেনৰ ৰীতি-নীতি সামাজিক শ্ৰেণী-বিন্যাস আদি ভালেমান কথা জনা যায়। ব্যংগৰ দ্বাৰা চাৰ্ভেণ্টিছে প্ৰচলিত ৰীতি-নীতিক সমালোচনা কৰিছিল। মধ্যযুগৰ অৱসানৰ লগে লগে ইউৰোপত মধ্যযুগীয় নাইট শ্ৰেণীটোৰ সামাজিক মূল্য নাইকিয়া হৈছিল। কিন্তু তেতিয়াও এচামলোকে মধ্যযুগৰ আদৰ্শকে খামোচমাৰি ধৰি আছিল। চাৰ্ভেণ্টিছে ডন কুইকছোট চৰিত্ৰৰ জৰিয়তে যুগৰ লগত খাপ নোখোৱা উৱঁলি যোৱা সমাজ ব্যৱস্থাৰ এই দিশটোৰ বিসংগতি উদঙাই দেখুৱাইছিল।

পৃথিৱীৰ প্ৰায় সকলো ভাষালৈ 'ডন কুইকছোট' অনূদিত হৈছে। বৃদ্ধ 'নাইট' আৰু তেওঁৰ লগুৱাটোৰ কাহিনীয়ে সকলোৰে সমাদৰ লাভ কৰিছে।

লা ৰচফুক'ৰ মেক্সিমছ্

(১৯)

১৬৬৫ চনত লা ৰচফুকৰ (La Rochcfoucauld) মেক্সিমছ্ (Maxims) প্ৰকাশ হোৱাৰ পিছৰ পৰা বিভিন্ন প্ৰজন্মৰ পাঠকৰ সমাজৰ দ্বাৰা ই সমাদৃত হৈ আহিছে। মাত্ৰ এখন কিতাপ লেখি বিখ্যাত হোৱা লেখক বহুত আছে যদিও, মেক্সিম'ছৰ দৰে অতি ক্ষুদ্ৰ কলেবৰৰ এখন কিতাপ লেখি অমৰ হোৱা লেখক বিৰল। কিতাপখনত প্ৰায় সাতশটা নীতিকথা বা ফকৰা আছে!

ফকৰাবোৰৰ মাজেৰে মানুহ, মানুহৰ চিন্তা-ভাৱনা আৰু কাৰ্যকলাপ সম্পৰ্কে যি দৃষ্টিভংগী ৰচফুক'ই প্ৰকাশ কৰিছে, সেয়া বহুলাংশে নিজৰ অভিজ্ঞতা সঞ্জাত। নীতিপূৰ্ণ হ'লেও এইবোৰৰ জৰিয়তে তেওঁ 'পন্থা' (System) তৈয়াৰ কৰিব খোজা নাছিল। 'মেক্সিম'ছ' লিখাৰ উদ্দেশ্য আছিল শিক্ষিত প্ৰতিভাশালী লোকৰ মাজত আলোড়ন জগোৱা।

ফৰাচী অভিজাত শ্ৰেণীৰ বংশধৰ ৰচফুক'ই জীৱনৰ বহুখিনি কাল ৰাজদৰবাৰৰ ষড়যন্ত্ৰমূলক কাম আৰু গৃহযুদ্ধৰ সৈতে জড়িত হৈ কটালেও কেনেকৈ সৰ্বকালৰ কাৰণে মানৱ জাতিত প্ৰযোজ্য ফকৰাবোৰ লেখিব পাৰিলে, সেয়া দৰাচলতে আশ্চৰ্যজনক। ১৬১৩ চনত জন্মগ্ৰহণ কৰা 'ৰচফুক' আছিল লা ৰচফুক' অঞ্চলৰ ডিউকৰ ৰকপুত্ৰ। বংশ পৰম্পৰা অনুসৰি তেওঁ 'প্ৰিন্স ডি মচিলাক' নামেৰে জনাজাত আছিল। পোন্ধৰ বছৰ বয়সত ফ্ৰান্সৰ ৰজা ত্ৰয়োদশ লুইৰ ৰাজসভাৰ প্ৰভাৱশালী সভাসদ এজনৰ কন্যাৰ সৈতে তেওঁৰ বিবাহ হয়। ত্ৰয়োদশ লুই আছিল দুৰ্বল প্ৰকৃতিৰ ৰজা। তেওঁ আচলতে প্ৰধানমন্ত্ৰী কাৰ্ডিনেল ৰিচলুৰ হাতত শাসনভাৰ এৰি দিছিল। তেক্ষা ৰচফুক'ই ৰাণীৰ একান্ত অনুগত গোষ্ঠীটোৰ সৈতে হাত মিলাই ৰিচলুৰ বিৰুদ্ধে ষড়যন্ত্ৰত লিপ্ত হ'ল। তেওঁ আনকি সশস্ত্ৰ বিদ্ৰোহ কৰাৰ আঁচনিও কৰিছিল। ১৬৩৫ চনত তেওঁ ফৰাচী সৈন্য বাহিনীত এবছৰ কাম কৰাৰ সময়তো ষড়যন্ত্ৰ কৰিবলৈ এৰা নাছিল আৰু ফলত এসপ্তাহ বেষ্টিল কাৰাগাৰত আবদ্ধ হৈ থাকিবলগীয়া হৈছিল।

অৱশ্যে প্ৰশাসনে তেওঁৰ 'ৰচফুক' এনেবোৰ কাৰ্যকলাপ গুৰুতৰ চকুৰে চোৱা নাছিল।

১৬৪২ চনত কাৰ্ডিনেল ৰিচলুৰ মৃত্যু হোৱাত কাৰ্ডিনেল মাঝাৰিণ প্ৰধানমন্ত্ৰী হ'ল। তেওঁ ৰাণীৰ প্ৰিয় আছিল। বহুতৰ মতে প্ৰকৃততে মাঝাৰিণ আৰু ৰাণীৰ মাজত অবৈধ সম্পৰ্ক আছিল। সি যি হওক, ৰচফুকৰ স্বভাৱেই আছিল ক্ষমতাশীলৰ বিৰুদ্ধাচৰণ কৰা। এতেকে অচিৰাৎ তেওঁ মাঝাৰিণৰ বিৰুদ্ধে থিয় হ'ল। ১৬৪৯ চনৰ পৰা ১৬৫৩ চনলৈ মাঝাৰিণৰ সমৰ্থক আৰু বিৰোধীসকলৰ মাজত হোৱা গৃহযুদ্ধ অৱশেষত শেষ হ'ল। মাঝাৰিণ, অৱশ্যে ক্ষমতাচ্যুত নহ'ল।

১৬৫০ চনত দেউতাকৰ মৃত্যু হোৱাত ৰচফুক'ই ১৬৫৬ চনত ৰাজসভাত প্ৰৱেশ কৰে। ফ্ৰান্সৰ সিংহাসনত তেতিয়া উদীয়মান চতুৰ্দশ লুই। ১৬৫৬ চনৰ পৰা ১৬৮০ চনত মৃত্যুৰ সময়লৈ ৰচফুক'ই ৰাজসভা আৰু তেওঁৰ জমিদাৰীত শান্তিপূৰ্ণ জীৱন-যাপন কৰিছিল। চতুৰ্দশ লুইয়ে আগৰ প্ৰজন্মৰ অভিজ্ঞতা সম্পন্ন ব্যক্তিৰূপে তেওঁক শ্ৰদ্ধা কৰিছিল। লা ৰচফুকই তেওঁৰ সমসাময়িক মলিচয়ৰ ৰইল, লাৰ্ফতে আদি সাহিত্যিকসকলৰ সৈতে প্ৰায়ে মিলিত হৈ নানা বিষয়ে আলোচনা কৰিছিল। সম্ভৱত: ইয়াৰ ফলতেই 'মেক্সিম'ছ' ৰচনা কৰাৰ বীজ তেওঁৰ মনত অংকুৰিত হয়।

মানুহৰ প্ৰতিটো কামত আত্মস্বাৰ্থ নিহিত থাকে- ৰচফুক'ৰ ফকৰাসমূহৰ মূল প্ৰতিপাদ্য বিষয় এয়াই। তেওঁ লেখিছে 'নদী যিদৰে সাগৰলৈ বৈ যায়, সেইদৰে সকলো নৈতিকতাও আত্মস্বাৰ্থ অভিমুখে পৰিচালিত হয়। মানুহে যাক নৈতিকতা বা সদগুণ আখ্যা দিয়ে, সি অবিমিশ্ৰ সৎ নীতিমূলক নহয়। লা ৰচফুকই কৈছে, যেনেকৈ দৰৱত কিছু পৰিমাণে বিষ মিহলোৱা হয়, সেইদৰে সততাৰ সৈতেও অসততা মিহলি হৈ থাকে।' দয়া মিতাচাৰ, ন্যায়শক্তি আদি ভালেমান তথাকথিত সদগুণৰ সন্দৰ্ভত কথা আৰু কামৰ পাৰ্থক্য ৰচফুক'ই উদঙাই দিছে। তেওঁ কৈছে, 'নিজৰ খিনি হেৰোৱাৰ ভয়তহে মানুহে প্ৰতিবেশীৰ স্বাৰ্থ বিবেচনা কৰে।' আৰু 'মানুহে স্বাভাৱিক প্ৰৱণতা হেতুকে যে অন্যায়ক বেয়া পায় তেনে নহয়। অন্যায়ৰ ফলত নিজৰ ক্ষতি হ'ব পাৰে বুলি আশংকা কৰিহে অন্যায়ৰ বিৰুদ্ধে থিয় হয়।' কৃতজ্ঞতা সম্পৰ্কে ৰচফুক'ৰ ধাৰণা হ'ল,-

'মানুহে আগতকৈও বেছি উপকাৰ পোৱাৰ আশাতহে কৃতজ্ঞতা প্ৰকাশ কৰে।'

মানুহৰ বহুতো অনুভূতিৰ অন্তৰালত নিহিত সাৰশূন্যতাৰ কথাও ৰচফুক'ই নিৰ্মম ভাৱে ব্যক্ত কৰিছে। বন্ধুতাৰ সন্দৰ্ভত তেওঁ কৈছে, ' আমাৰ মনৰ মাজত এনে এটা কিবা আছে যাৰ ফলত বন্ধুৰ দুৰ্ভাগ্যত আমি মনে মনে আনন্দিত নোহোৱাকৈ নাথাকো।' আন এটা ফকৰাত তেওঁ কৈছে, আন মানুহৰ দুৰ্ভাগ্য সহ্য কৰাৰ শক্তি আমাৰ যথেষ্ট থাকে।' বন্ধুত্ব সম্পৰ্কে আন এটা ৰচফুকীয় আপ্তবাক্য হ'ল- 'বন্ধু বাছি লোৱাৰ সময়ত আমি আমাৰ নিজৰ ৰুচি আৰু আনন্দৰ দ্বাৰাহে পৰিচালিত হওঁ।' প্ৰেম সম্পৰ্কে ৰচফুকোৱে কৈছে, 'প্ৰকৃত প্ৰেম ভূতৰ আবিৰ্ভাৱৰ দৰে। সকলোৱে ইয়াৰ বিষয়ে কয়, কিন্তু কোনেও ইয়াক দেখা নাই।'

লা ৰচফুক'ৰ মেক্সিম সমূহে ধ্বংসাত্মক দৃষ্টিভংগীৰে মানুহৰ ভাল গুণবোৰ ব্যাখ্যা কৰিছে আৰু মানৱীয় অনুভূতি সম্পৰ্কে থকা উপকথা ধাৰণাবোৰ ধ্বংস কৰিছে। যদিও সমালোচক সকলে মেক্সিমবোৰৰ গভীৰতাৰ প্ৰশংসা কৰিছে, তথাপি তাত নিহিত সন্দেহবাদিতা (অৰ্থাৎ চিনিচিজম) খিনিক বেয়া বুলিছে। অষ্টাদশ শতিকাত 'মেক্সিমছ' আটাইতকৈ বিৰূপ সমালোচনাৰ সন্মুখীন হৈছিল। কাৰণ সেইসময়ত ইউৰোপৰ বুদ্ধিজীৱী মহলে নৈতিকতা আদিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। এই পৰিপ্ৰেক্ষিতত 'মেক্সিমছে' সেইবোৰৰ অন্তৰ্নিহিত ভণ্ডামিখিনি উদঙাই দিয়াত স্বাভাৱিকতে তেওঁলোক ক্ষুব্ধ হৈছিল। কিন্তু তেওঁলোকে 'মেক্সিম'ছৰ অস্তিত্ব অস্বীকাৰো কৰিব পৰা নাছিল।

মানৱজাতিক সংস্কাৰ কৰাৰ উদ্দেশ্য ৰচফুক'ৰ নাছিল। মানুহে কেনেদৰে ব্যৱহাৰ কৰিব লাগে বা মানুহে কেনে হ'ব লাগে, সেই সম্পৰ্কেও তেওঁ একো মন্তব্য দিয়া নাছিল। নিজৰ অভিজ্ঞতাৰ ভৰিয়তে মানুহ আৰু মানুহৰ চিন্তাধাৰা সম্পৰ্কে উপলব্ধি কৰা কথাবোৰহে তেওঁ লিপিবদ্ধ কৰিছিল। যদি তেওঁৰ অভিজ্ঞতা একপক্ষীয় ধৰণৰ হ'লহেঁতেন বা তাত সত্য নিহিত নাথাকিলহেঁতেন, তেন্তে কোনেও আজি 'মেক্সিমছ' নপঢ়িলেহেঁতেন। মেক্সিমবোৰত সাৰ্বজনীনতা থকা কাৰণেই সৰ্বকালৰ বাবেই ইহঁতৰ সমাদৰ থাকিব বুলি নিঃসন্দেহে ক'ব পাৰি।

অৱশ্যে লা ৰচফুক' মূলতঃ আছিল এজন নিৰাশাবাদী। তেওঁৰ চকুত

ভালটোতকৈ বেয়াটো বৰকৈ পৰিছিল। কিন্তু, জীয়াই থাকি লাভ নাই আৰু সততকৈ অসৎ বেছি বলবান বুলি মত প্ৰকাশ কৰা দাৰ্শনিক নিৰাশাবাদীৰ দৰে তেওঁ নাছিল। তেওঁৰ নিৰাশাবাদ মানৱ-বিদ্বেষৰ পৰাও উদ্ভূত নাছিল। ৰচ্চুক'ই বিশ্বাস কৰিছিল যে প্ৰকৃত সততা বা সদ্গুণ স্ব-প্ৰস্ফুটিত; সচেতন চেষ্টাৰ দ্বাৰা ইয়াক লাভ কৰিব নোৱাৰি; এনেকুৱা চেষ্টা ভণ্ডামিৰ নামান্তৰ মাত্ৰ।

জন মিল্টনৰ পেৰেডাইজ লষ্ট

(২০)

ইংলেণ্ডৰ বুৰঞ্জীৰ এক অতিশয় সংকটপূৰ্ণ সময়ত জন মিল্টন জীয়াই আছিল। সেই সময়ত তাত ৰজা আৰু পাৰ্লিয়ামেণ্টৰ মাজত গৃহযুদ্ধ হৈছিল। যদি এই গৃহযুদ্ধ আৰম্ভ হোৱাৰ আগতে ১৬৪০ চনত মিল্টনৰ মৃত্যু হ'লহেঁতেন তেন্তে ইংৰাজী সাহিত্যত তেওঁ কেইবোৰ গীতি-কবিতাৰ ৰচক হিচাপে উল্লেখিত হ'লহেঁতেন, ৰবং যুদ্ধত ৰজাৰ বিৰোধী ক্ৰমৱেলৰ এজন সচিব আৰু ৰজাৰ উচ্ছেদকাৰীসকলৰ এজন হিচাপে ইংলেণ্ডৰ বুৰঞ্জীত চিহ্নিত হ'লহেঁতেন। স্মৰণযোগ্য যে, ৰাজতন্ত্ৰৰ বিৰোধীসকলে ৰজা প্ৰথম চাৰ্লছক ৰাজহুৱা ভাৱে মৃত্যুদণ্ড দি সামৰিক একনায়কত্ব প্ৰতিষ্ঠা কৰিছিল। এই নতুন প্ৰশাসনৰ ৰজা আছিল ক্ৰমৱেল। ক্ৰমৱেলৰ মৃত্যুৰ পিছত ইংলেণ্ডত সামৰিক ৰাজতন্ত্ৰ প্ৰতিষ্ঠা হৈছিল। ইয়াৰ চৈধ্য বছৰ পিছলৈ অৰ্থাৎ ১৬৭৪ চনলৈ মিল্টন জীয়াই আছিল। এই সময়ছোৱাতে তেওঁ ইংৰাজী ভাষাৰ মহত্তম বুলি স্বীকৃত মহাকাব্য 'পেৰেডাইজ লষ্ট' ৰচনা কৰি ইংৰাজী সাহিত্যৰ বুৰঞ্জীত মহাকবিৰ সন্মান লাভ কৰে। পেৰেডাইজ লষ্টৰ উপৰিও তেওঁ লিখা দুখন বিখ্যাত কাব্য হ'ল 'পেৰেডাইজ বিগেইনড্' আৰু 'ছেমছন এগনিষ্ট।'

বাইবেলৰ 'বুক অব জেনেছিছ' (Book of genesis) অধ্যায়ৰ ওপৰত ভিত্তি কৰি মিল্টনে পেৰেডাইজ লষ্ট মহাকাব্য ৰচনা কৰিছিল। ওজস্বী আৰু সৌন্দৰ্যময় ভাষাৰ ব্যৱহাৰ ইয়াৰ বিশেষত্ব। ভগবানৰ বাধা-নিষেধ লংঘন কৰি আদি-মানৱ-মানৱী আদাম-ইভে নিষিদ্ধ বৃক্ষৰ ফল খোৱাৰ পৰিণামস্বৰূপে পৃথিৱীলৈ নামি আহিল জ্বালা-যন্ত্ৰণা। এই কথাৰে মিল্টনে আৰম্ভ কৰিছিল তেওঁৰ মহাকাব্য। কিন্তু কেৱল বাইবেলৰ সু-পৰিচিত কাহিনী এটা অমিত্ৰাক্ষৰ ছন্দত লিখা তেওঁৰ উদ্দেশ্য নাছিল। উদ্দেশ্য আছিল বিধাতাৰ অনন্ত মহিমা আৰু মানুহৰ জীৱনত ভগৱানৰ বিচাৰৰ ন্যায্যতা প্ৰতিষ্ঠা কৰা।

মিল্টন আছিল বিশ্লেষণ-ধৰ্মী মনৰ অধিকাৰী। সেয়ে তেওঁ পোনতে অনুভৱ কৰিছিল যে আদাম আৰু ইভৰ প্ৰতি সু-বিবেচনা কৰা হোৱা নাছিল।

তেওঁলোকে এনে কি তাণ্ডৱ অপৰাধ কৰিছিল? তেওঁলোকে মাত্ৰ নিষিদ্ধ গছৰ পৰা ফল এটা ছিঙি খাইছিল আৰু খাই তৃপ্তি পাইছিল। এই সামান্য দোষৰ কাৰণেই তেওঁলোক শ্ৰম দুখ-শোক আৰু মৃত্যুৰ দাসত পৰিণত হ'ল। কিন্তু সঁচাকৈয়ে দোষ সামান্য আছিলনে? নিশ্চয় সেই দোষত কিবা গুৰুতৰ বৈশিষ্ট্য নিহিত হৈ আছিল। মিল্টনে বুজি পাইছিল যে প্ৰথম দৃষ্টিত দোষটো সাধাৰণ যেন লাগিলেও দৰাচলতে সেয়া আছিল এক ঘৃণনীয় পাপ। কাৰণ সৰ্পৰূপী চয়তানৰ দ্বাৰা প্ৰৰোচিত হৈ কৰা কামটো আছিল সৰ্বশক্তিমান ভগবানৰ কৰ্তৃত্বৰ বিৰুদ্ধে কৰা ষড়যন্ত্ৰৰ অংশ।

এই ষড়যন্ত্ৰৰ খল-নায়ক আছিল চয়তান। বাইবেলৰ জেনেছিচ্‌ অধ্যায়ত আদাম ইভক প্ৰৰোচিত কৰা সৰ্পক চয়তান বুলি উল্লেখ কৰা হোৱা নাই। মিল্টনে সৰ্পটোক চয়তানৰে ভেশ্চন বুলি আখ্যা দিছিল আৰু তেতিয়াৰ পৰা সৰ্পটো প্ৰকৃত-পক্ষে চয়তান আছিল বুলি জনসমাজত ধাৰণা গঢ় লৈ উঠে। এয়া মিল্টনৰ উদ্ভাৱনী প্ৰতিভাৰেই প্ৰভাব।

মিল্টনে 'পেৰেডাইজ লষ্ট'ত কৈছে যে পোনতে চয়তান স্বৰ্গৰ দৰবাৰৰ এটা মৰ্যাদাপূৰ্ণ পদত অধিষ্ঠিত আছিল। সম্ভৱত: ভগৱানৰ পিছতেই আছিল তাৰ স্থান। কিন্তু যেতিয়া ভগৱানে 'তেওঁৰ একমাত্ৰ পুত্ৰ' অৰ্থাৎ যীচুৰ পক্ষাৱলম্বন কৰিলে, তেতিয়া চয়তানে স্বৰ্গত আধিপত্যৰ সংগ্ৰাম আৰম্ভ কৰিলে। তাৰ ফলত চয়তান আৰু চয়তানৰ সমৰ্থক আটাইবোৰ দেৱদূতক 'বায়বীয় আকাশৰ পৰা অতল ধ্বংসৰ বুকুলৈ নিক্ষেপ কৰা হ'ল।' ন-দিন ন-ৰাতি সিহঁত তলত পৰি ৰ'ল, কিন্তু তৎসত্বেও চয়তানৰ অহংকাৰ আৰু ঘৃণাৰ অন্ত নপৰিল। অৱশেষত সি জ্বালামুখী গহ্বৰৰ পৰা নিজকে উত্তোলিত কৰিবলৈ সমৰ্থ হ'ল। চৌদিশে দৃষ্টি পাত কৰি সি লগৰীয়া সকলক 'উৎসাহজনক ভাষাৰে' সম্বোধন কৰি 'ভয়ংকৰ নীৰৱতা' ভংগ কৰিলে।

তাৰ পিছৰ পৰা চয়তানেই দৃশ্যপটত একাধিপত্য স্থাপন কৰিলে। চয়তান সম্পৰ্কে মিল্টনৰ ধাৰণাক কাব্য-জগতত বিশেষ গুৰুত্বেৰে স্থান দিয়া হৈছে। দৰাচলতে 'পেৰেডাইজ লষ্ট' কাব্যৰ নায়কৰ আসনত মিল্টনে চয়তানক প্ৰতিষ্ঠা কৰিছে। তাৰ উদ্দীপনাময়ী বাণী, অনলস সংগ্ৰাম, পৰাজয়তো নিৰ্ভীক মনোভাব- এই আটাইবোৰেই নায়কোচিত। সৰ্বশক্তিমান ভগবান তাৰ প্ৰতিদ্বন্দ্বী

বুলি উপলব্ধি কৰিও সি হৃতোদ্যম হোৱা নাই। মিল্টনে তাৰ মুখেৰে কোৱাইছে: যুদ্ধত পৰাজিত হৈছোঁ যদিও, তাৰ হাৰানো কি হেৰুৱাইছো ? এতিয়াও সকলো নি:শেষ হৈ যোৱা নাই; অপৰাজেয় ইচ্ছাশক্তি, প্ৰতিশোধ-স্পৃহা; অশেষ ঘৃণা, পৰাজয় বা-নতিস্বীকাৰ নকৰাৰ সাহস আৰু সৰ্বোপৰি অভিভূত নোহোৱা মন সকলো আছে।' যেতিয়া ছয়তানৰ সৈতে স্বৰ্গচ্যুত দেৱদূত 'বিলজেবাবে' ছয়তানক পৰাজয় স্বীকাৰ কৰিবলৈ অনুৰোধ কৰিলে, তেতিয়া ছয়তানে উত্তৰ দিছে; 'পতিত দেৱদূত।দুৰ্বল হোৱাটো দুখৰ কথা।' সি গৰ্বেৰে কৈছে; 'স্বৰ্গত দাসত্ব কৰাতকৈ নৰকত ৰাজত্ব কৰাই বেছি ভাল।' তাৰ উদ্দীপনাময় 'উত্তিষ্ঠত। জাগ্ৰত।'(Awakearise) বাণী শুনি তাৰ লগৰীয়াসকল জাগি উঠিছে আৰু 'পেণ্ডেমনিয়াম' নামৰ এটা প্ৰাসাদ সাজি আলোচনাত মিলিত হৈছে। তাতেই সিহঁতে জনৰব শুনিলে- যে 'স্বৰ্গৰাজে' স্বৰ্গৰ উপৰিও মহাশূন্যত এখন নতুন ৰাজ্য সৃষ্টি কৰিছে। ছয়তানে অদম্য সাহস বুকুত লৈ সেই নতুন ৰাজ্যলৈ গৈ আদাম ইভক দেখা পাইছে। সাপৰ ৰূপ ধৰি সি আদাম-ইভক নিষিদ্ধ গছৰ নিষিদ্ধ ফল খাবলৈ প্ৰৰোচিত কৰিছে। সেই ফল খোৱাৰ পিছত আদাম-ইভে তেওঁলোকৰ আদিম স্বৰ্গীয় সৰলতা চিৰকালৰ কাৰণে হেৰুৱাই পেলালে। স্বৰ্গত এই কথা জনাজাত হোৱাত আদাম ইভক ইডেনৰ পৰা নিৰ্বাসিত কৰা হৈছে। 'দুয়ো পৰস্পৰৰ-হাতত ধৰাধৰি কৰি ইডেনৰ মাজেৰে লাহে লাহে নি:সংগ পথেৰে যাত্ৰা কৰিলে। ইয়াতেই 'পেৰেডাইজ লষ্ট' মহাকাব্যৰো সামৰণি পৰিছে।

১৬৬৭ চনত এই মহাকাব্য প্ৰকাশিত হৈছিল। তেতিয়াৰ পৰা প্ৰজন্মৰ পিছত প্ৰজন্ম ধৰি 'পেৰেডাইজ লষ্ট' মহাকাব্যই শ্ৰদ্ধাৰ আসন পাই আহিছে।

জন বানিয়ানৰ পিলগ্ৰিমছ প্ৰগ্ৰেছ

(২১)

মাত্ৰ প্ৰাথমিক পৰ্যায়ৰ শিক্ষাপ্ৰাপ্ত ফুটা-কটা পাত্ৰ মেৰামতকাৰী এজন লোকে কেনেকৈ ইংৰাজী তথা বিশ্ব-সাহিত্যৰ উল্লেখযোগ্য এখন গ্ৰন্থ লেখিব পাৰিলে, জন বানিয়ানৰ 'পিলগ্ৰিমছ প্ৰগ্ৰেছ' পঢ়িলে সেই কথাই পঢ়ুৱৈৰ মনত বিস্ময় সৃষ্টি নকৰাকৈ নাথাকে। বানিয়ানৰ দেউতাকো আছিল মানুহৰ ঘৰে ঘৰে গৈ ফুটা-কটা পাত্ৰ মেৰামত কৰা আৰু পুতেকেও বাপেকৰ বৃত্তি লৈছিল। তাতকৈও বিস্ময়ৰ কথা হ'ল, তেওঁৰ সমসাময়িক সমাজত প্ৰচলিত ধ্যান-ধাৰণা, আচাৰ-ব্যৱহাৰৰ বিৰোধিতা কৰি পিউৰিটান (Puritan) আদৰ্শ প্ৰচাৰ কৰাৰ বাবে কৰ্তৃপক্ষই তেওঁক সুদীৰ্ঘ বাৰ বছৰ কাল কাৰাৰুদ্ধ কৰি ৰখা সময়ত তেওঁ এই গ্ৰন্থ লেখিছিল। সৰ্বোপৰি বিস্ময়ৰ কথা হ'ল, যি সময়ত ইংলণ্ডৰ লোকসংখ্যা আজিতকৈ বহুগুণে কম আছিল আৰু শিক্ষিতৰ সংখ্যাও আছিল তথৈবচ, সেই সময়ত গ্ৰন্থখনৰ প্ৰথম প্ৰকাশৰ পিছত দ্ৰুত গতিত ভালেমান সংস্কৰণ প্ৰকাশ হৈছিল। প্ৰথম প্ৰকাশৰ দহ বছৰৰ ভিতৰত 'পিলগ্ৰিমছ প্ৰগেছ' বিক্ৰী হৈছিল ১ লাখ কপি।

মন কৰিবলগীয়া কথা এয়ে যে আজি কালি যাক 'বেষ্ট ছেলাৰ' (Best seller) বা সৰ্বাধিক বিক্ৰী হোৱা কিতাপ বোলা হয়; সেইবোৰ প্ৰায়েই তুলুঙা উপন্যাস জাতীয় কিতাপ আৰু সেইবোৰৰ জনপ্ৰিয়তাৰ আয়ুসো সাধাৰণতে চুটি। কিন্তু পিলগ্ৰিম্‌ছ প্ৰগ্ৰেছে প্ৰায় আঢ়ৈ শতিকা ধৰি তাৰ জনপ্ৰিয়তা বৰ্তাই ৰাখিছিল। প্ৰকাশৰ প্ৰথম এশ বছৰৰ ভিতৰত ইয়াৰ ১৬০ টা সংস্কৰণ ওলায় আৰু বিক্ৰীৰ ক্ষেত্ৰত ই বাইবেলৰ পিছতে স্থান পায়। দুশতকৈও অধিক বিদেশী ভাষালৈ অনূদিত হয়। সমসাময়িক সাহিত্যিকৰ জনাথন ছুইফট আৰু ডঃ ছেমুৱেল জনছনে ইয়াৰ উচ্চ প্ৰশংসা কৰে। ১৮৩১ চনত মেকলেই ঘোষণা কৰে, 'সপ্তদশ শতিকাৰ দুজন সৰ্বশ্ৰেষ্ঠ সৃষ্টিশীল মনীষা হ'ল জন মিল্টন আৰু জন বনিয়ান।' বাৰ্ণাৰ্ড্শ্বই আকৌ এখোপ ওপৰলৈ গৈ কয়— 'জন বানিয়ান ছেক্সপীয়েৰতকৈ শ্ৰেষ্ঠতৰ।'

১৬২৮ চনত বেডফোৰ্ড-ছায়াৰত জন বানিয়নৰ জন্ম হয়। তেঁওলোকৰ পৰা তেওঁ দেউতাকৰ মিস্ত্ৰীৰ ব্যৱসায়ত যোগালিৰ কাম কৰিবলৈ লয়। তেওঁৰ চেঙেলীয়া কালছোৱাত ইংলেণ্ডত ৰাজনৈতিক আৰু ধৰ্মীয় সংকটৰ উদ্ভৱ হয়। ১৬৪২ চনত ৰজা প্ৰথম চাৰ্লছ আৰু পাৰ্লামেণ্টৰ মাজত সংঘৰ্ষ লাগে। এই গৃহযুদ্ধৰ সময়ত, ১৬৪৪ চনত বানিয়ানক পাৰ্লামেণ্ট পক্ষৰ সৈন্য বাহিনীত লোৱা হয়। ১৬৪৭ চনলৈ তেওঁ সৈন্য বাহিনীত থাকি পুনৰ পৈতৃক ব্যৱসায়লৈ ঘূৰি আহে।

এতিয়া তেওঁ চঞ্চল ডেকা, আন দহজন গাঁৱলীয়া ডেকাৰ দৰেই খেল-ধেমালি, ঘোঁৰা-চলোৱা ইত্যাদিত পাৰ্গত হৈ উঠিল। কুৰি বছৰ বয়সত তেওঁ নিজে ব্যৱসায় আৰম্ভ কৰে আৰু মেৰী নামৰ ছোৱালী এজনীক বিয়া কৰায়। মেৰীয়ে মাকৰ ঘৰৰ পৰা দুখন ধৰ্মীয় কিতাপ লগত আনিছিল। কিন্তু সেই সময়ত ধৰ্মতকৈ জাগতিক আমোদ-প্ৰমোদতহে বানিয়ান বেছিকৈ মগ্ন আছিল; দেওবাৰে গীৰ্জালৈ নগৈছিল আৰু কু-সংগত পৰিছিল। ইয়াৰ বাবে এবাৰ তেওঁ আনকি এজনী গণিকাৰ পৰা ককৰ্থনাও পাবলগীয়া হৈছিল। এবাৰ গীৰ্জালৈ যাওঁতে দেওবাৰ পালন নকৰাৰ কুফল সম্বন্ধে পাদ্ৰীৰ বক্তৃতা শুনাৰ পিছৰ পৰা বানিয়ানৰ মনৰ পৰিবৰ্তন আৰম্ভ হ'ল। দুজনী ধৰ্মভীৰু মহিলাৰ সহায়ত তেওঁ বেডফোৰ্ডৰ আঞ্চলিক গীৰ্জাৰ পেষ্টৰ গিফোৰ্ডৰ সৈতে সাক্ষাত কৰে।

গিফোৰ্ডৰ পিউৰিটান পন্থী গীৰ্জাৰ সদস্য হৈ বানিয়ানে ধৰ্ম-চৰ্চাত মন দি অতি কম সময়ৰ ভিতৰতে এজন সুবক্তা আৰু প্ৰচাৰক হিচাপে সমাজত খ্যাতি আৰ্জিলে। তেওঁ এই সময়তে বাইবেলৰ শিক্ষাসমূহ প্ৰচাৰৰ উদ্দেশ্যে পুস্তিকা লেখিবলৈ আৰম্ভ কৰে।

দ্বিতীয় চাৰ্লছৰ অধীনত ৰাজতন্ত্ৰ পুনৰ প্ৰতিষ্ঠাৰ পিছত ইংলেণ্ডৰ গীৰ্জা ব্যৱস্থাতো পুনৰ্বিন্যাস ঘটোৱা হ'ল। অনিয়মীয়া ধৰ্ম-সমাবেশ আৰু অনুজ্ঞাপত্ৰবিহীন ধৰ্মপ্ৰচাৰ নিষিদ্ধ কৰা হ'ল। ১৬৬০ চনৰ ১২ নৱেম্বৰৰ দিনা বানিয়ান গৈছিল বেডফোৰ্ডৰ ১৩ মাইল দক্ষিণে অৱস্থিত এখন গাঁৱলৈ ধৰ্ম প্ৰচাৰৰ বাবে। তেওঁৰ কোনো অনুজ্ঞাপত্ৰ নাছিল আৰু সেয়ে তেওঁক গ্ৰেপ্তাৰ কৰি স্থানীয় দণ্ডাধীশৰ সমুখত হাজিৰ কৰোৱা হ'ল। ধৰ্ম প্ৰচাৰৰ

পৰা বিৰত হ'বলৈ অস্বীকাৰ কৰাত তেওঁক বাৰ বছৰৰ কাৰাদণ্ড দি বেডফোৰ্ড জেলত আবদ্ধ কৰা হ'ল। জেল ৰক্ষকজন দয়ালু স্বভাৱৰ আছিল আৰু সেয়ে বানিয়ানে মাজে সময়ে জেলৰ পৰা গোপনে ওলাই গৈ ধৰ্ম প্ৰচাৰৰ সুবিধা পাইছিল। জেলত বানিয়ানে কেইবাখনো পুস্তিকা লেখে আৰু ১৬৬৬ চনত তেওঁ 'গ্ৰেচ এবাউণ্ডিং' (grace Abounding ঈশ্বৰৰ অসীম কৰুণা) শীৰ্ষক আধ্যাত্মিক আত্মজীৱনী প্ৰকাশ কৰে। এই গ্ৰন্থত তেওঁ নিজৰ যৌৱনকালৰ উচ্ছৃংখল স্বভাৱৰ কথা, ক্ৰমাৎ আধ্যাত্মিক চেতনাৰ জাগৰণৰ কথা, চয়তানৰ সৈতে হোৱা তেওঁৰ মানসিক সংঘৰ্ষৰ কথা আৰু অৱশেষত মুক্তিৰ পথ দৰ্শনৰ কথা বৰ্ণনা কৰিছে।

লেখা কামত মনপুতি লগাত ক্ৰমে তেওঁৰ মানসিক জগতত জীৱনৰ অভিজ্ঞতা সমূহ ৰূপকৰ আকৃতিত উদ্ভাৱিত হৈ উঠিব ধৰে। তেওঁ লাহে লাহে সেইবোৰ লিপিবদ্ধ কৰাত আত্মনিয়োগ কৰে। ১৬৭২ চনৰ মাৰ্চ মাহত দ্বিতীয় চাৰ্লছে 'সাৰ্বজনীন ক্ষমাদান' ঘোষণা কৰাত বানিয়ান কাৰামুক্ত হয়। জেলৰ পৰা ওলাই অহাৰ সময়ত তেওঁৰ লগত আছিল 'পিলগ্ৰিমছ প্ৰগ্ৰেছ'ৰ খচৰা পাণ্ডুলিপিটো।

জেলত থকা সময়তে বানিয়ানক বেডফোৰ্ডৰ ইণ্ডিপেণ্ডেণ্ট চাৰ্চৰ পেষ্টৰ নিযুক্ত কৰা হৈছিল। জেলৰ পৰা মুকলি হৈ তেওঁ এই কামত যোগ দি ধৰ্ম প্ৰচাৰত একাত্মভাৱে লাগিছিল। কিন্তু ১৬৭৫ চনৰ ফেব্ৰুৱাৰীত 'সৰ্বজনীন ক্ষমাদান' বাতিল হোৱাত বানিয়ানৰ ওপৰত পুনৰ গ্ৰেপ্তাৰী পৰোৱানা জাৰি হ'ল। ন মাহৰ কাৰণে তেওঁৰ জেল হ'ল। এইবাৰ জেলত থকা সময়ছোৱাত তেওঁ পাণ্ডুলিপিটো চূড়ান্ত ভাৱে প্ৰস্তুত কৰে। ১৬৭৮ চনৰ ১৮ ফেব্ৰুৱাৰীত পিলগ্ৰিমছ প্ৰগ্ৰেছৰ প্ৰথম সংস্কৰণ ছপা হৈ ওলাল। সেই বছৰতে ইয়াৰ দ্বিতীয় সংস্কৰণো ওলাল। ১৬৭৯ চনত ওলোৱা তৃতীয় সংস্কৰণত বানিয়ানে গ্ৰন্থখনৰ অলপ পৰিবৰ্তন ঘটালে। ১৬৮৫ চনত তেওঁ গ্ৰন্থখনত দ্বিতীয় খণ্ড এয়াও সংযোজন কৰিলে।

১৬৮০ চনত বানিয়ানে মি: বেডমেনৰ 'জীৱন আৰু মৃত্যু' (The life and Death Mr. Badman) নামৰ ইংৰাজী সাহিত্যৰ প্ৰথম উপন্যাসখন ৰচনা কৰে। ১৬৮২ চনত তেওঁ লেখে 'ধৰ্মযুদ্ধ' (The holy war) নামৰ

ৰূপক। বানিয়ানে তেওঁৰ জীৱন কালত প্ৰায় পঞ্চাশখন গ্ৰন্থ আৰু পুস্তিকা লেখে। তেওঁৰ মৃত্যুৰ পিছত প্ৰকাশ হয় বাৰখন গ্ৰন্থ আৰু পুস্তিকা।

দ্বিতীয়বাৰ জেল জীৱনৰ পিছত বানিয়ানে কৰ্তৃপক্ষৰ পৰা আহুকাল পোৱা নাছিল। লণ্ডনত তেওঁ অতিশয় জনপ্ৰিয় আছিল। তেওঁৰ ধৰ্ম-বক্তৃতা শুনিবলৈ ঠেঁটুৰে ধৰা জাৰকো উপেক্ষা কৰি শ শ লোক গোট খাইছিল। ১৬৮৮ চনৰ ৩১ আগষ্টত লণ্ডনত তেওঁৰ মৃত্যু হয়।

জন বানিয়ান সাহিত্য-জগতত অমৰ হৈ আছে তেওঁৰ ৰূপক 'পিলগ্ৰিমছ প্ৰগ্ৰেছ'ৰ কাৰণে। এই গ্ৰন্থ খনক্ষৰা ইংৰাজী ভাষাত নিমজ ৰীতিৰে লেখা। কাহিনী আগবঢ়াই নিয়াৰ কৌশলে পঢ়ুৱৈৰ কৌতুহল শেষলৈ বৰ্তাই ৰাখে।

পিলগ্ৰিমছ প্ৰগ্ৰেছৰ মূল বিষয়বস্তু হ'ল- ধ্বংস নগৰীত (City of Destruction) থকা ঘৰৰ পৰা স্বৰ্গীয় নগৰীলৈ (Celestial City) খৃষ্টিয়ানে (Christian) কৰা যাত্ৰা। এই যাত্ৰাৰ কাহিনীটো মূল চৰিত্ৰ খৃষ্টিয়ানে সপোনত দেখিছিল। কাহিনীত সপোনৰ উপাদান প্ৰবেশ ঘটোৱা কাৰণে ই এনেকুৱা এক কাল্পনিক মাত্ৰা অৰ্জন কৰিছে যে বাস্তৱ-জীৱনত অবিশ্বাস্য যেন লগা ঘটনাবোৰো স্বাভাৱিক যেন বোধ হয়।

'পিলগ্ৰিমছ প্ৰগ্ৰেছ'ৰ পিলগ্ৰিম অৰ্থাৎ তীৰ্থযাত্ৰীজনৰ নাম 'খৃষ্টিয়ান'। নিজৰ জন্ম-ঠাই ধ্বংস-নগৰী মৃত্যু-মুখী বুলি উপলব্ধি কৰা খৃষ্টিয়ানৰ পোছাক ফটা-ছিটা, হাতত এখন কিতাপ আৰু পিঠিত এটা টোপোলা। তেওঁ নগৰ এৰি যাবলৈ মনস্থ কৰিছে। তেওঁ তেওঁৰ পত্নী আৰু পৰিয়ালৰ আনবোৰকো তেওঁৰ সৈতে যাবলৈ অনুৰোধ কৰিছে যদিও কোনেও ৰাজী হোৱা নাই। এজন 'ধৰ্মযাজকে' তেওঁক অনন্ত জীৱনলৈ যোৱাৰ এটা ঠেক বাট দেখুৱাই দিয়াত তেওঁ পৰিয়ালৰ হকাবধালৈ কাণ নিদি বিশ্বাশৰদে দৌৰ মাৰিলে। দুজন ওচৰ-চুবুৰীয়া 'আঁকোৰগোঁজা (obstinate) আৰু 'চপলমতি' (pliable) তেওঁৰ পিছে পিছে গ'ল। আঁকোৰগোঁজা অৱশ্যে ঘূৰি আহিল, কিন্তু 'চপলমতি' খৃষ্টিয়ানৰ লগে লগে কিছুদূৰ যোৱাত দুয়ো গৈ 'হতাশাৰ পিতনিত'(Slough of despand)পৰিল। চপলমতিও তেতিয়া উভতি গ'ল। খৃষ্টিয়ান হতাশ নহৈ আগুৱাই গ'ল যদিও 'সাংসাৰিক জ্ঞানী' (Worldly wise man) বিভ্ৰান্ত হ'ল। 'ধৰ্মযাজকে' (Evangelist) তেওঁক বিভ্ৰান্তিৰ পৰা উদ্ধাৰ কৰি অনন্ত

জীৱনলৈ বোজা টেক পথৰ অশুভ জপনা মুখলৈ লৈ গ'ল। তাৰ পৰা শুভেচ্ছাই (Good will) তেওঁক পোন বাটটো দেখুৱাই দিলে।

যাত্ৰাপথত তেওঁ প্ৰথমে 'ভাষ্যকাৰ'ৰ (Inter preter) ঘৰত সোমাল। তাত চিত্ৰ আৰু সাধুকথাৰ জৰিয়তে তেওঁ নানা বিষয়ৰ জ্ঞান লভিলে। তাৰ পিছত তেওঁ এখন ক্ৰমাৎ ওখ হৈ যোৱা ঠাই পালে, সেই ঠাইৰ ওপৰত এডাল ক্ৰুছ (cross) পোতা আছিল আৰু একেবাৰে তলত আছিল এখন মৰিশালি। সেই দৃশ্য দেখাৰ লগে লগে খৃষ্টিয়ানৰ পিঠিত থকা টোপোলাটো সৰি পৰি মৰিশালিলৈ বাগৰি গ'ল। খৃষ্টিয়ানে টোপোলাটো পুনাই দেখা নাপালে।

পিঠিৰ বোজা খহাত আনন্দ মনেৰে তেওঁ নিজৰ পথেৰে আগবাঢ়িল। বাটত তেওঁ 'মূৰ্খ' (Simple) 'এলেহুৱা'(Sloth),'ভেমপুৰীয়া' (Pre-snmption),'গোড়া',(Formalist) আৰু 'ভণ্ড' (Hypocrisy)ক লগ পালে। ইহঁতে খৃষ্টিয়ানৰ উপদেশৰ প্ৰতি কৰ্ণপাত নকৰিলে। ফলত অৱশেষত সিহঁতৰ দুৰ্দশা ঘটিল। তাৰ পিছত খৃষ্টিয়ানে 'কঠিন পাহাৰত (Hill difficulty) আৰোহণ কৰিলে। তাত টোপনিৰ জালত তেওঁ তেওঁৰ লগত থকা 'স্বৰ্গীয় নগৰত' প্ৰৱেশ কৰিবলৈ দিয়া অনুমতি পত্ৰখন হেৰুৱাই মস্কিলত পৰিল। গভীৰ ৰাতি তেওঁ 'সৌন্দৰ্যগৃহ'ত (House beautiful)উপস্থিত হ'ল। তাত থকা তিনিটা দিনত পৱিত্ৰতা(Picty), 'বিবেচনা' (Prudence) আৰু 'দাক্ষিণ্য'ৰ(Charity)ৰ পৰা নানা উপদেশ পালে। তাৰ পৰা তেওঁ মুক্তিৰ কৱচ পিন্ধি পুনৰ যাত্ৰা কৰিলে।

তেওঁ অপমানৰ উপত্যকা'ত(Vailley of Humiliation) প্ৰৱেশ কৰিলে। তাত তেওঁক প্ৰত্যাহ্বান জনালে 'পিশাচে' (Apollyon)। দুয়োৰে অ্যা-ময়া যুদ্ধ লাগিল। ৰাতি হ'লত তেওঁ 'মৃত্যুছাঁয়া উপত্যকা'ৰ (Valley of the Shadow of Death)বিপদ-সংকুল পথেৰে খুপি খুপি আগবাঢ়িল।

বাটত তেওঁ 'বিশ্বাসী' নামৰ(faithful) আন এজন তীৰ্থযাত্ৰীক লগ পালে। 'বিশ্বাসী'য়ে খৃষ্টিয়ানক নিজৰ অভিজ্ঞতা বৰ্ণনা কৰিলে। কিছুপৰৰ পিছত 'কথা চহকী'(Talkative) তেওঁলোকৰ লগ লাগিলহি। তাৰ কথাত 'বিশ্বাসী' বহু পৰিমাণে মুগ্ধ হ'ল। কিন্তু খৃষ্টিয়ানে 'কথা চহকী'ৰ স্বৰূপ বুজি পালে। 'কথা চহকী' আছিল ধৰ্মৰ নামত ব্যৱসায় কৰা লোক, ছলাহী কথাৰে

সকল মানুহক ঠগোৱাই তাৰ কাম। শীঘ্ৰেই 'কথা চহকী'য়ে 'খৃষ্টিয়ান' আৰু 'বিশ্বাসী'ৰ লগ এৰিলে। দুয়ো এইবাৰ পালেগৈ 'ভেমপুৰীয়া মেলা' (Vanity fair)। মেলাত ব্যৱসায়ীসকলে খৃষ্টিয়ান আৰু বিশ্বাসীৰ ধাৰ্মিক স্বভাৱ সহ্য কৰিব নোৱাৰি তেওঁলোকক বন্দী কৰি এটা পিঞ্জৰাত ভৰাই লৰ্ড 'সত্য ঘৃণা'ৰ (Lord Hate good)সমুখত বিচাৰৰ কাৰণে হাজিৰ কৰোৱালে। বিচাৰত বিশ্বাসীক প্ৰাণদণ্ড দি অগ্নিদগ্ধ কৰি মৰা হ'ল। খৃষ্টিয়ানক জেলত আবদ্ধ কৰা হ'ল যদিও শীঘ্ৰেই তেওঁ জেলৰ পৰা পলাবলৈ সমৰ্থ হ'ল।

ইয়াৰ পিছৰ পথছোৱাত খৃষ্টিয়ানে সংগী হিচাপে পালে 'আশাবাদী'ক (Hopeful)। বাটত 'গোপন-উদ্দেশ্য' (Byend),'সংসাৰ-বিষয়ী' (Hold-the-world)'ধন-প্ৰেমী'(Moneylove)আৰু'বহুমুখী'ৰ(Save-all) সৈতে তেওঁলোকেই তৰ্ক-বিতৰ্ক হ'ল। তৰ্কত সিহঁত পৰাস্ত হৈ পলাল।। 'সেন্দুৰীয়া' উপ-পথ'ৰ (By-path meadow) দ্বাৰা প্ৰলুব্ধ হৈ তেওঁলোক 'হতাশা-দৈত্য'ৰ(Giant Despair) কবলত পৰি 'সন্দেহৰ দুৰ্গত' (Doubting Castle) বন্দী হ'ল। কিন্তু খৃষ্টিয়ানে 'প্ৰতিশ্ৰুতি' (Promise)নামৰ চাবিৰে দুৰ্গৰ তলা খুলিবলৈ সক্ষম হ'ল।

তেওঁলোক 'মনোহৰ পৰ্বত'ৰ(Delectable Mountain) ওচৰ পালেহি। তাত ভেৰাৰখীয়া সকলে তেওঁলোকক নানা উপদেশ দিলে। ইতিমধ্যে এটা লুংলুঙীয়া বাটেৰে 'অজ্ঞানতা'(Ignorance) সোমাইছিল পালেহি। খৃষ্টিয়ান আৰু 'আশাবাদী' 'তোষামোদকাৰী'ৰ (Flatterer) জালত পৰিল। অৱশেষত তাৰ পৰা মুকলি হৈ 'মায়াবী পথাৰ' (Enchanted Ground)ৰ মাজেৰে তেওঁলোক 'কৃষ্ণ নদী'ৰ (dark-river)পাৰত উপস্থিত হ'ল। নদী পাৰ হৈ তেওঁলোক স্বৰ্গীয় নগৰীৰ দুৱাৰমুখ পালে আৰু তাৰ পৰা উজ্জ্বল প্ৰাণী সমূহে তেওঁলোকক নগৰীলৈ আদৰি নিলে।

'পিলগ্ৰিমছ প্ৰগ্ৰেছ'ৰ দ্বিতীয় খণ্ডত কেনেকৈ 'খৃষ্টিয়ানৰ পত্নী খৃষ্টিয়ানা' আৰু ল'ৰা-ছোৱালীয়ে গাঁৱৰ ওচৰ-চুবুৰীয়া ডেকা 'ক্ষমা'ৰ (Mercy) সৈতে খৃষ্টিয়ান যোৱাৰ পথেৰে গৈছিল, তাৰ বৰ্ণনা আছে। খৃষ্টিয়ানৰ দৰে বাটত তেওঁলোকে বেছি কষ্ট পোৱা নাছিল। অৱশেষত 'কৃষ্ণ নদী' পাৰ হৈ তেওঁলোকেও স্বৰ্গীয় নগৰীত প্ৰৱেশ কৰিলে। খৃষ্টিয়ান-খৃষ্টিয়ানাইতে এৰি

থৈ যোৱা আধ্যাত্মিক সংগ্ৰামৰ ঐতিহ্যই তেওঁলোকৰ বন্ধু-বান্ধৱ সকলকো অনুপ্ৰাণিত কৰিলে। এইসকলৰ ভিতৰত অন্যতম হ'ল 'সত্যাগ্ৰহী'(Valiant for truth)'সত্যাগ্ৰহীয়ে কোৱা কথাখিনি জন বানিয়ানৰ নিজৰো কথা:

'মোৰ পিছত যিজনে তীৰ্থযাত্ৰা কৰিব তেওঁক মই মোৰ অস্ত্ৰ দি যাম, মোৰ সাহস আৰু দক্ষতা দি যাম উপযুক্ত জনক। মোৰ লগত নিম আঘাতৰ চিহ্নসমূহ। ভগৱানৰ কাৰণে মই কৰা সংগ্ৰামৰ সাক্ষী সেই চিহ্নবোৰ। ভগবানে মোক পুৰস্কৃত, কৰিব।' এই গ্ৰন্থখন 'যাত্ৰিকৰ যাত্ৰা' নামেৰে অসমীয়ালৈ অনূদিত হয় 'অৰুণোদয়'যুগত।

এহেজাৰ নিশাৰ সাধু

(২২)

সাধু শুনিবলৈ ভাল পোৱা লোকসকলৰ বাবে 'আৰবীয় নিশাৰ আনন্দদায়ক কাহিনী' বা 'এহেজাৰ এনিশাৰ সাধু' শীৰ্ষক আৰব দেশৰ সাধুবোৰৰ আবেদন চিৰকালৰ বাবে অম্লান হৈ আছে। প্ৰাচ্যৰ এই মনোৰম কাহিনী সমূহ অষ্টাদশ শতিকাৰ আগছোৱাত ফৰাচী অনুবাদৰ জৰিয়তে ইউৰোপত জনপ্ৰিয় হৈ উঠে। ফৰাচী ভাষাত এইবোৰ অনুবাদ কৰিছিল আঁতোই গালা নামৰ এগৰাকী পণ্ডিতে। ১৭০৪ চনৰ পৰা ১৭১৭ চনৰ ভিতৰত কেইবাটাও খণ্ডত এই অনুবাদ প্ৰকাশ পায়। ফৰাচী ভাষাৰ পৰা বিভিন্ন ইউৰোপীয় ভাষাত এহেজাৰ এনিশাৰ সাধু অনূদিত হয়। ১৭০৭ চনত ইংৰাজী ভাষাত প্ৰথম চাৰিটা খণ্ড ওলায়।

সাধুবোৰ আৰব জগতত প্ৰাচিন কালৰ পৰা প্ৰচলিত আছিল। ৯৫০ চনত মাছুদী নামৰ এজন আৰবী পণ্ডিতে তেওঁৰ ঐতিহাসিক বিশ্বকোষত ইয়াৰ উল্লেখ কৰে। সাধুবোৰ পাৰ্ছী ভাষাত পোনতে ৰচিত হয় আৰু তাৰ পিছত আৰবীলৈ অনূদিত হয়। সাধুবোৰৰ জন্ম সম্পৰ্কে থকা কাহিনীটো এনে ধৰণৰ:

পাৰস্যত ছাহৰিয়াৰ নামে এজন সম্ৰাট আছিল। এদিন তেওঁ তেওঁৰ ৰাণীয়ে আন পুৰুষৰ সৈতে অবৈধ যৌন-সংসৰ্গত লিপ্ত থকা দেখি ৰাণীক প্ৰাণদণ্ড দিলে আৰু ঘোষণা কৰিলে যে তেওঁ প্ৰতিদিনে এজনী যুৱতীক বিয়া কৰাব, আৰু ৰাতিটো নতুন ৰাণীৰ সৈতে কটোৱাৰ পিছত পিছদিনা ৰাতিপুৱা ৰাণীক প্ৰাণদণ্ড দিব। কথা মতেই কাম হ'ল। প্ৰতিদিনে সম্ৰাটে বিয়া কৰায় আৰু পিছদিনা ৰাতিপুৱা ৰাণীক বধ কৰোৱায়। সম্ৰাটৰ প্ৰধানমন্ত্ৰীৰ ওপৰত এই কামৰ দায়িত্ব পৰে। বহুতো যুৱতী সম্ৰাটৰ খাম-খেয়ালিৰ বলি হ'ল। অৱশেষত ৰাজ্যত বিবাহযোগ্যা যুৱতীৰ সংখ্যা কমি আহিছিল, বহু মাক-দেউতাকে তেওঁলোকৰ যুৱতী কন্যাক লৈ আন ৰাজ্যলৈ পলাই গ'ল। এদিন গোটেই দিনটো কোনো যুৱতী বিচাৰি নাপাই বৃদ্ধ প্ৰধানমন্ত্ৰী নিজ ঘৰলৈ ঘূৰি আহি চিন্তাত মগ্ন হ'ল। কাৰণ যুৱতী যোগাৰ কৰি দিব নোৱাৰিলে

সম্রাটে প্ৰধানমন্ত্ৰীকো শুদাই নেৰে। প্ৰধানমন্ত্ৰীৰ দুজনী কন্যা আছিল- তাৰে এজনী বিবাহযোগ্যা হৈ উঠিছিল। ডাঙৰজনীৰ নাম ছাহ্ৰাজাদী, সৰুজনীৰ নাম দুনীয়াজাদী। বাপেকক চিন্তাযুক্ত দেখি কাৰণ সোধাত বৃদ্ধ প্ৰধানমন্ত্ৰীয়ে ছাহ্ৰাজাদীক সকলো কথা খুলি ক'লে। ছাহ্ৰাজাদী দেখাত যেনে ধুনীয়া আছিল বুদ্ধিতো আছিল অতি তীক্ষ্ণ। তাই আছিল শিক্ষিতা, কাব্য বুৰঞ্জী-সাহিত্য আদিৰ জ্ঞান তাইৰ আছিল অগাধ। তাই সম্রাটৰ সৈতে বিয়াত সোমোৱাৰ ইচ্ছা প্ৰকাশ কৰাত বাপেকে প্ৰথমে আপত্তি কৰিলে যদিও, অৱশেষত মান্তি হ'ল। প্ৰধানমন্ত্ৰীয়ে সম্রাটৰ ওচৰলৈ গৈ নিজৰ বৰ জীয়েকৰ বিয়াৰ প্ৰস্তাৱ দিয়াত সম্রাট আচৰিত হ'ল। কাৰণ বিয়াৰ পিছদিনাই ৰাণীৰ প্ৰাণদণ্ড হ'বই। প্ৰধানমন্ত্ৰীয়ে জীয়েকৰ নেৰা-নেপেৰা ইচ্ছাৰ কথা বিবৰি কোৱাত সম্রাট মান্তি হ'ল।

ছাহ্ৰাজাদীয়ে ভনীয়েক দুনীয়াজাদীক ক'লে: 'মোৰ সৈতে তুমিও সম্রাটৰ কাষেঙলৈ যাব লাগিব। নিশা সম্রাটে মোৰ সৈতে কটোৱাৰ পিছতে তুমি মোক এটা সাধু কবলৈ ক'বা। সাধুৰ দ্বাৰাই মই মৃত্যুৰ হাত সাৰিম। আল্লাৰ দয়াত মই সম্রাটৰ মনৰো পৰিবৰ্তন ঘটাব পাৰিম।'

ৰাতি সম্রাটে নৱ বিবাহিতা পত্নী ছাহ্ৰাজাদীৰ সৈতে কিছু সময় কটাই ওচৰৰ কোঠালিত শুবলৈ যোৱাত দুনীয়াজাদীয়ে বায়েকক বন্দোবস্ত অনুসৰি সাধু কথা ক'বলৈ ক'লে। বায়েকে সাধু ক'বলৈ আৰম্ভ কৰিলে। সম্রাটৰো টোপনি অহা নাছিল। তেৰোঁ উৎকৰ্ণ হৈ সাধু শুনিবলৈ ধৰিলে। ইতিমধ্যে ৰাতিপুৱাই আহিল, কিন্তু ছাহ্ৰাজাদীৰ সাধু শেষ নহ'ল। ৰাতিপুৱা হ'লত তাই আধাতে সাধু বন্ধ কৰাত ভনীয়েক দুনীয়াজাদীয়ে সাধুটো শেষ কৰিবলৈ বায়েকক খাটিলে। ছাহ্ৰাজাদীয়ে ভনীয়েকক ক'লে যে যদি সম্রাটে সেইদিনা তাইক বধ নকৰে তেন্তে ৰাতিলৈ সাধুটো শেষলৈ ক'ব। সম্রাটে ওচৰৰ কোঠালিৰ পৰা সকলো শুনি আছিল। তেওঁ ভাবিলে, 'সাধুটো শেষ নোহোৱালৈ মই ছাহ্ৰাজদীক প্ৰাণদণ্ড নিদিও।' প্ৰতি নিশাই ছাহ্ৰাজাদীয়ে সাধু কয়, কিন্তু অসমাপ্ত কৰি ৰাখে। সম্রাটেও সাধুটো শেষলৈ শুনাৰ বাবে ৰাণীৰ প্ৰাণদণ্ড স্থগিত ৰাখে। এইদৰে এবছৰ পাৰ হৈ গ'ল। ইতিমধ্যে সম্রাটৰ ঔৰষত ছাহ্ৰাজাদীৰ এটা পুত্ৰও উপজিল। সম্রাটেও অৱশেষত নিজৰ

খামখেয়ালী স্বভাৱ এৰিলে। -এইদৰেই সৃষ্টি হ'ল এহেজাৰ এনিশাৰ সাধুবোৰ।

এহেজাৰ এনিশাৰ সাধুবোৰৰ ভিতৰত আলাউদ্দিন আৰু আচৰিত চাকি, আলিবাবা আৰু চল্লিশ চোৰ, সিন্দবাদ নাবিকৰ সাধু আদি বিখ্যাত। বহুতো সাধুৰ নায়ক হ'ল আৰৱ জগতৰ বিখ্যাত সম্রাট হাৰুণ আল্ ৰছিদ। এওঁ ৭৮৬ চনৰ পৰা ৮০৯ চনলৈ খলিফা হিচাপে আৰৱত ৰাজত্ব কৰিছিল। ভাৰতীয় বহু সাধুৰ নায়ক যিদৰে বিক্রমাদিত্য (দ্বিতীয় চন্দ্রগুপ্ত) সেইদৰে আৰবী বহু সাধুবো নায়ক হাৰুণ আল্‌ৰছিদ।

যুগৰ পিছত যুগ ধৰি এহেজাৰ এনিশাৰ সাধুবোৰে মানুহক আনন্দ দি আহিছে আৰু ভৱিষ্যতলৈও ইয়াৰ আবেদন ম্লান হৈ নাযায়। পৃথিৱীৰ প্ৰায় সকলো ভাষাতে 'আৰবীয় কাহিনী' অনূদিত হৈছে আৰু নাটক আদি বিভিন্ন ৰূপত ই প্ৰকাশ পাইছে।

ডেনিয়েল ডিফ'ৰ ৰবিনছন ক্ৰুছো

(২৩)

লণ্ডনৰ এজন ব্যৱসায়ীৰ পুত্ৰ ডেনিয়েল ডিফ'ৰ জন্ম হৈছিল ১৬৬০ চনত। তেওঁৰ অমৰ গ্ৰন্থ 'ৰবিনছন ক্ৰুছো' লেখাৰ সময়ত ডিফ'ৰ বয়স হৈছিল প্ৰায় ষাঠি বছৰ। ধৰ্মযাজকৰ পদৰ উপযুক্ত শিক্ষা যদিও তেওঁক দিয়া হৈছিল, তথাপি তেওঁ সেইকালে নগৈ ব্যৱসায় জগতৰ সৈতেহে সংযুক্ত হয়। ২৪ বছৰ বয়সৰ এজন ধনী সদাগৰৰ জীয়েকৰ সৈতে বিয়া হোৱাত তেওঁ ৩,৭০০ পাউণ্ড যৌতুক হিচাপে পায়। ব্যৱসায়ত লোকচান ভৰি তেওঁ দেনাৰ দায়ত কিছুদিন জেলতো কটাবলগীয়া হয়। পিছত তেওঁ ইটাৰ ব্যৱসায় কৰিছিল যদিও, সাংবাদিকতাৰ প্ৰতি আকৃষ্ট হৈ ভালেমান প্ৰচাৰ পুস্তিকা লেখে। ইয়াৰে এখনত ধৰ্মৰ সন্দৰ্ভত কেতবোৰ আপত্তিজনক মন্তব্য দিয়াত পুনৰ কিছুদিনৰ কাৰণে তেওঁক কাৰাৰুদ্ধ কৰা হয়।

জাহাজ ডুবাৰ এটা ঘটনাক কেন্দ্ৰ কৰি 'ৰবিছন ক্ৰুছো'ৰ আখ্যান ভাগ গঢ়ি উঠিছে। এটা নিৰ্জন দ্বীপৰ ওচৰত জাহাজ ডুবি যোৱাত যাত্ৰীসকলৰ ভিতৰত একমাত্ৰ ৰবিনছন ক্ৰুছোৰ প্ৰাণ ৰক্ষা পৰে। তেওঁ সাঁতুৰি দ্বীপটোত উঠে আৰু তাত নানা ৰোমাঞ্চকৰ ঘটনাৰ মাজেৰে আঠাইশ বছৰ কটায়। দ্বীপত উঠাৰ সময়ত ক্ৰুছোৰ সম্বল বুলিবলৈ আছিল এখন ছুৰী কটাৰী, এটা ধপাত খোৱা পাইপ আৰু অলপ ধপাতৰ সৈতে এটা টেমা। পিছত তেওঁ ভাগি যোৱা জাহাজখনলৈ সাঁতুৰি গৈ কিছুমান ৰুটি, চাউল, পুনিৰ, ছাগলীৰ মাংস আৰু খাদ্য-শস্য উদ্ধাৰ কৰিবলৈ সমৰ্থ হৈছিল। তেওঁ আকৌ এবাৰ গৈ জাহাজৰ পৰা কিছুমান মদৰ বটল, কাপোৰ, মিস্ত্ৰীৰ আহিলাপাতি আৰু বন্দুক-বাৰুদ আনিছিল।

দ্বীপটোৰ পাহাৰ এখনত উঠি তেওঁ চাৰিওফালে চাই জনপ্ৰাণীৰ সঁচ দেখা নাপালে। তেওঁ জাহাজৰ পৰা অনা কাঠৰ বাকচ আদিৰে এটা ঘৰ সাজি থাকিবলৈ ল'লে। ইতিমধ্যে তেওঁ এখন ভুঁৰ তৈয়াৰ কৰি জাহাজখনৰ

উঁৰালৰ পৰা গাঁজাল, কেচি, তাঁৰ, চুৰী, ক্ষুৰ, ৰছী আৰু অন্যান্য ভালেমান লাগতিয়াল বস্তু দ্বীপলৈ আনিলে। তেওঁ মজবুতকৈ ঘৰ সাজি আটাইবোৰ বস্তু সযতনে ৰাখিলে। ঘৰটোৰ এটা খুটাত তেওঁ দ্বীপত ভৰি দিয়া তাৰিখটো লিখি থ'লে ৩০ চেপ্তেম্বৰ, ১৬৫৯ চন।

জাহাজৰ পৰা উদ্ধাৰ কৰা বস্তুবোৰৰ ভিতৰত কলম, চিয়াহী, কাগজ, তিনি-চাৰিটা কম্পাছ, জ্যামিতিৰ সা-সঁজুলি, মেপ, জাহাজ তৈয়াৰ সম্পৰ্কীয় কিতাপ আৰু তিনিখন বাইবেলো আছিল। জাহাজৰ পৰা এটা কুকুৰ আৰু দুটা মেকুৰীও ক্ৰুছোই উদ্ধাৰ কৰিছিল। তেওঁ দিনপঞ্জী লেখিবলৈ ল'লে। প্ৰথমে লেখিলে 'যদিও এই ভয়লগা নিৰ্জন দ্বীপত মই অকলে আছোঁ, তথাপি মই জীয়াই আছোঁ, জাহাজৰ আন যাত্ৰীসকলৰ দৰে নাইকিয়া হোৱা নাই। যিজনে বিস্ময়কৰ ভাবে মোক ৰক্ষা কৰিলে, তেৱেঁই মোক উদ্ধাৰো কৰিব।'

ভূমিকম্প, ধুমুহা, জ্বৰৰ অভিজ্ঞতা তেওঁ পালে। ধৰ্মৰ প্ৰতি ৰৰ আসক্ত নহ'লেও তেওঁ মাজে সময়ে প্ৰাৰ্থনা কৰিলে, বাইবেলো পঢ়িলে। দহমাহ কটোৱাৰ পাছত তেওঁ দ্বীপটোৰ ইফালে সিফালে ভ্ৰমিবলৈ ধৰিলে। টেঙা ফল আঙুৰ আদি নানা ফল তেওঁ দেখা পালে। নিজকে তেওঁ দ্বীপটোৰ গৰাকী যেন অনুভৱ কৰিলে। ক্ৰমাৎ তেওঁ ভ্ৰমণৰ সীমা বঢ়ালে আৰু নানা গছ-গছনি, ফল-মূল, চৰাই-চিৰিকতি আৰু জীৱ-জন্তু দেখিবলৈ পালে। এইদৰে বহু-বছৰ পাৰ হ'ল। তেওঁ জন্তুৰ ছালেৰে পোছাক তৈয়াৰ কৰিবলৈ শিকিলে; কাঠৰ এখন টুলুঙা নাৱো সাজিলে। এদিন তেওঁ সাগৰৰ পৰা মানুহৰ ভৰিৰ খোজৰ চিন দেখি ৰোমাঞ্চিত হ'ল। আন এদিন তেওঁ দ্বীপটোৰ এঠাইত মানুহৰ হাড়-মূৰ পৰি থকা দেখি বুজি পালে যে দ্বীপত নৰখাদক আছে। আন এদিন তেওঁ সাগৰৰ পাৰত এখন ডিঙা বান্ধি থোৱা দেখিবলৈ পালে। লগে লগে দেখিলে এজন অসভ্য লোকে কিবাকিবি খাই আছে। সাগৰত জোৱাৰ অহাৰ লগে লগে অসভ্যহঁত ডিঙাৰে গুচি যোৱাত ক্ৰুছোই আবিষ্কাৰ কৰিলে যে সিহঁতে নৰমাংস খাইছিল।

আন এদিন ৰাতি তেওঁ সাগৰত বন্দুকৰ গুলীৰ শব্দ শুনিলে। পিছদিনা পুৱা তেওঁ দেখিলে যে এখন স্পেনদেশীয় জাহাজ কোনোবাই ধ্বংসপ্ৰাপ্ত কৰিছে। এই বিধ্বস্ত জাহাজখনৰ পৰাও ক্ৰুছোই কেতবোৰ লাগতিয়াল

বস্তু উদ্ধাৰ কৰিলে। আকৌ এদিন তেওঁ নৰখাদক অসভ্যইঁতৰ কৱলৰ পৰা সাৰি অহা এটা ডেকাল'ৰাক লগ পাই তাক নিজৰ সহকাৰী হিছাপে ল'লে। তাৰ নাম থলে 'ফ্ৰাইডে' বা শুকুৰা, কাৰণ শুকুৰবাৰে তেওঁ তাক লগ পাইছিল। তেওঁ ফ্ৰাইডেক নানা কথা শিকাই উপযুক্ত কৰি ল'লে। ইতিমধ্যে দ্বীপটোলৈ ভালেমান নৰখাদক অহাত 'ক্ৰুছো' আৰু 'ফ্ৰাইডে'ই সিহঁতক গুলিয়াই খেদি পঠিয়ালে। নৰখাদক বিলাকে স্পেনীয় জাহাজৰ পৰা ধৰি অনা কেপ্টেইন আৰু কেইজনমান নাবিককো তেওঁলোকে উদ্ধাৰ কৰিলে। এই স্পেনীয় জাহাজতে সুদীৰ্ঘ ২৮ বছৰ ২ মাহ থকাৰ পিছত ৰবিন ক্ৰুছোই ফ্ৰাইডেক লগত লৈ ১৬৮৬ চনৰ ডিচেম্বৰ মাহত ইংলেণ্ডলৈ উভতি গ'ল।

আলেকজেণ্ডাৰ ছেলকাৰ্ক নামৰ স্কটলেণ্ডৰ নাবিক এজনৰ জীৱনত ঘটা সঁচা কাহিনীৰ আলমত ডেনিয়েল ডিফ'ই 'ৰবিনছন ক্ৰুছো' উপন্যাস লেখে। প্ৰথম প্ৰকাশৰ পিছৰ পৰা আঢ়ৈশ বছৰো অধিক কাল ধৰি উপন্যাসখনৰ অসংখ্য সংস্কৰণ প্ৰকাশ পাইছে, পৃথিৱীৰ প্ৰায় আটাইবোৰ ভাষাত ই অনূদিত হৈছে। ল'ৰা-বুঢ়া আটাইৰে বাবে ই এখন সুখপাঠ্য গ্ৰন্থ হিছাপে পৰিগণিত।

জনাথন ছুইফটৰ গালিভাৰৰ ভ্ৰমণ কাহিনী

(২৪)

জনাথন ছুইফটৰ 'গালিভাৰৰ ভ্ৰমণ কাহিনী (গালিভাৰছ ট্ৰেভেলছ) ক্ষিপ্ৰ গতিত আৰম্ভ হৈছে। এই কাহিনীৰ নায়ক মাষ্টাৰ লেমুৱেল গালিভাৰে আৰম্ভণিতে নিজৰ জীৱনৰ পটভূমি বৰ্ণনা কৰিছে। তেওঁ কেম্ব্ৰিজৰ এমানুৱেল কলেজত পঢ়ি পিছত চিকিৎসা বিজ্ঞান অধ্যয়ন কৰে; তাৰ পিছত এখন জাহাজৰ ডাক্তৰ হৈ ১৬৯৯ চনৰ ৪ মে' তাৰিখে দক্ষিণ সাগৰলৈ যাত্ৰা কৰে।

যাত্ৰা কৰাৰ কেইমাহমান পিছত নৱেম্বৰত কোনো এখন অজান দেশৰ ওচৰত তেওঁ যোৱা জাহাজখন সাগৰত বুৰ যায়। কিবা উপায়ে পাৰত উঠি তেওঁ নিদ্ৰাৰ কোলাত ঢলি পৰে। 'যেতিয়া মই সাৰ পালোঁ; তেতিয়া ৰাতি পুৱাইছে মাথোন। মই উঠিবলৈ চেষ্টা কৰিলোঁ, কিন্তু লৰচৰ কৰিব নোৱাৰিলো। মই দেখিবলৈ পালোঁ যে মোৰ হাত-ভৰি মাটিত পোতা খুটিৰ সৈতে বন্ধা। মোৰ দীঘল চুলি কোঁচাও একে ধৰণেই বন্ধা। মোৰ উৰু আৰু কামলতিও লৰচৰ কৰিব নোৱৰাকৈ বান্ধি থোৱা। অলপ সময়ৰ পিছতে মোৰ বাওঁ ভৰিৰ ওপৰেৰে কিবা এটা বুকুৰ ফাললৈ উঠি অহা যেন অনুভৱ কৰিলো। চাওঁতে চাওঁতে জীৱন্ত বস্তুটো মোৰ থুতৰিৰ কাষ পালেহি। মই চকুৰ মণিকেইটা যিমান পাৰোঁ সিমান তললৈ নিয়াত দেখিলো প্ৰায় ছয় ইঞ্চিমান ওখ মানুহৰ আকৃতিৰ প্ৰাণী এটা উঠি আহিছে। তাৰ হাতত ধেনু-কাঁড় আৰু পিঠিত এটা তূণ। ইতিমধ্যে প্ৰায় চল্লিশটা তেনেকুৱা প্ৰাণী মোৰ দেহৰ ওপৰত উঠা যেন মই অনুভৱ কৰিলো। মই আচৰিত হৈ এটা চিঞৰ মৰাত সিহঁত ভয় খাই নামি গ'ল। মোৰ দেহৰ পৰা জপিয়াই নামোতে দুই এজন আহত হৈছিল বুলিও পিছত মই শুনিছিলোঁ। যি নহওক, কিছু সময়ৰ মূৰত সিহঁত আকৌ উভতি আহিল...।"

এইদৰে লেমুৱেল গালিভাৰে লিলিপুটসকলৰ ৰাজ্যত নিজকে আৱিষ্কাৰ কৰিলে। প্ৰথমে যদিও সিহঁতে তেওঁক বন্দী কৰিছিল, পিছত বন্ধু হৈছিল। লিলিপুট

সকলৰ সম্রাটো আহিছিল গালিভাৰক দেখা কৰিবলৈ। 'তেওঁৰ পোছাক আছিল সাধাৰণ ধৰণৰ এছীয় আৰু ইউৰোপীয় পোছাকৰ মিশ্রণ, তেওঁৰ মূৰত মণিমুক্তাখচিত আৰু পাখি লগোৱা এটা সোণৰ মুকুট আছিল। হাতত আছিল খোলা তৰোৱাল। তৰোৱালখন তিনি ইঞ্চি দীঘল। তেওঁৰ মাতটো মিহি যদিও স্পষ্ট আৰু গম্ভীৰ।'

গালিভাৰে ৰজা আৰু অন্যান্যসকলক ওলন্দাজ, লেটিন, ফৰাচী স্পেনীয়, ইটালীয়— আটাইবোৰ ভাষাৰে সম্বোধন কৰিলে, কিন্তু কোনেও একো বুজি নাপালে। ৰজা আঁতৰি গ'ল। কেইবাজনো লিলিপুটে গালিভাৰলৈ কাঁড় মাৰিলে। তেওঁ কেইজনমানক ধৰি চোলাৰ জেপত সুমুৱালে। ৰজাৰ সেনাপতি জনকো হাতৰ মুঠিৰে ধৰিলে। কিন্তু একো অনিষ্ট নকৰি আটাইবোৰকে এৰি দিয়াত সকলো আনন্দিত হৈ তেওঁক ক্ষমাদান কৰিবলৈ ৰাজদৰবাৰত আবেদন কৰিলে। তেতিয়াৰ পৰা লিলিপুটসকলৰ মাজত তেওঁ অতি জনপ্রিয় হৈ উঠিল। ৰজাই কেইটামান চৰ্তত তেওঁক মুক্তি দিলে। চৰ্ত কেইটা হ'ল— অনুমতি নোলোৱাকৈ তেওঁ ৰাজ্য এৰি যাব নোৱাৰিব, শস্য ক্ষেত্ৰত তেওঁ শুব নোৱাৰিব (কাৰণ তেনে কৰিলে শস্যবোৰ দেহৰ ভৰত মৰিব), তেওঁ অতি সাৱধানে ফুৰা-চকা কৰিব যাতে কোনো নাগৰিক তেওঁৰ গচকত আহত বা নিহত নহয়, তেওঁ ৰজাৰ হুকুম ৰাজ্যত দ্রুত গতিত প্রচাৰ কৰাৰ বাবে ৰজাৰ দূত আৰু দূতৰ ঘোঁৰাক নিজৰ চোলাৰ জেপত লৈ ফুৰাব লাগিব আৰু ৰাজ্যখনৰ এখন মেপ তৈয়াৰ কৰি দিব লাগিব। এই কামৰ বাবদ তেওঁ ১৭২৮ জন লিলিপুটে খাব পৰা খাদ্য আৰু পানীয় দৈনিক ভাট্টা হিচাপে পাব।

কিছুদিন পিছত তেওঁ লিলিপুট ৰাজ্যক শত্রুৰ আক্রমণৰ পৰা ৰক্ষা কৰিলে। শত্রুসকলো আছিল লিলিপুট সকলৰ দৰে ক্ষুদ্র।

ছুইফটৰ উদ্দেশ্য কেৱল গালিভাৰৰ ৰোমাঞ্চকৰ কাহিনী বৰ্ণনা কৰাটোৱেই নাছিল, ইয়াৰ মাজেৰে মানৱ জাতি আৰু চৰকাৰৰ কৰ্তব্য সম্পৰ্কেও তেওঁ মতামত ব্যক্ত কৰিছিল। তেওঁ লেখিছিল যে লিলিপুট ৰাজ্যৰ নাগৰিক সকলে নিজৰ গুণ আৰু অৱস্থা অনুসৰি ৰাজ্যৰ সম্পদৰ অংশ পাইছিল; চৰকাৰী কামত নিযুক্তিৰ সময়ত দক্ষতাতকৈ নৈতিকতাৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। কিন্তু লিলিপুট সকলৰ কাহিনীৰ সৈতে এইবোৰ মতামত ছুইফটে এনেদৰে উপস্থাপন কৰিছে যে পঢ়ুৱৈয়ে অকণো আমনি নাপায়।

কিছুদিনৰ পিছত গালিভাৰে এখন সৰু নাৱত উঠি লিলিপুট ৰাজ্য এৰি যায়। সাগৰৰ বুকুত এখন ইংৰাজ-জাহাজত তেওঁ আশ্ৰয় ললে। জাহাজৰ কেপ্তেইনক লিলিপুট সকলৰ কথা কোৱাত প্ৰথমে কেপ্তেইনে গালিভাৰক বলিয়া বুলিহে ভাবিছিল। পিছত যেতিয়া গালিভাৰে চোলাৰ জেপৰ পৰা কেইটামান কণ কণ ভেৰা ছাগলী উলিয়াই দেখুৱাতহে তেওঁ বিশ্বাস কৰিলে যে সঁচাকৈয়ে গালিভাৰ আচৰিত দেশ এখনলৈ গৈছিল।

পৰিয়ালৰ সৈতে দুমাহমান কটোৱাৰ পিছত গালিভাৰ পুনৰ সমুদ্ৰ যাত্ৰাত ওলাল। এইবাৰ আন এখন অজানা দেশত জাহাজ চপোৱা হ'ল। গালিভাৰ আৰু কেইজনমান যাত্ৰী পাৰত নামি কিছুদূৰ আগবাঢ়োতে লগৰীয়া কেইজনে গালিভাৰক এৰি দৌৰি জাহাজলৈ উভতি জাহাজ মেলি দিলে। গালিভাৰ অকলশৰীয়া হ'ল। তেওঁ সমুখত দৈত্যাকৃতিৰ মানুহ এজন দেখা পালে। গালিভাৰৰ মনত লিলিপুটসকল যেনেকুৱা আছিল, এই দৈত্যাকৃতিৰ মানুহজনৰ মানতো গালিভাৰ তেনেকুৱা আছিল। এই নতুন দেশখনৰ নাম ব্ৰবডিংনেগ। ব্ৰবডিংনেগীয়সকলে গালিভাৰক বন্দী কৰিলে। গালিভাৰৰ দৰে ক্ষুদ্ৰ মানুহ এটা দেখি সিহঁত আচৰিত হ'ল। লিলিপুটসকলৰ দৰে ব্ৰবডিংনেগীসকলো ভদ্ৰ স্বভাৱৰ আছিল।

ব্ৰবডিংনেগৰ সকলো জীৱ-জন্তু, গছ-গছনি লিলিপুটৰ বিপৰীত আকাৰৰ। ইয়াতেই ছুইফটে ইংৰাজ জীৱন-ধাৰাৰ সৈতে গালিভাৰে ভ্ৰমণত দেখা দেশৰ জীৱন-ধাৰাৰ তুলনা কৰিছে। গালিভাৰে ব্ৰবডিংনেগৰ ৰজাক কামানৰ বৰ্ণনা কৰাত ৰজাই আশ্চৰ্য প্ৰকাশ কৰি কৈছে— কেনেকৈ মানুহে এনে অমানৱীয় সামগ্ৰী তৈয়াৰ কৰিব পাৰে।

গালিভাৰ পুনৰ নিজৰ দেশলৈ উভতি গৈছে। তাত দুমাহমান থকাৰ পিছত তেওঁ পুনৰ সমুদ্ৰ যাত্ৰা কৰাত এইবাৰ জলদস্যুৰ হাতত পৰিল। জলদস্যুহঁতে তেওঁক এখন ডিঙাত তুলি অকলশৰীয়াকৈ সাগৰত উটাই দিলে। এইবাৰ তেওঁ লাপুটিয়ানসকলৰ ৰাজ্যত উপস্থিত হ'ল। ইয়াতো নানা ৰোমাঞ্চকৰ অভিজ্ঞতাৰ পিছত বহুতো আচৰিত দেশত ঘূৰি-পকি গালিভাৰে জাপান পালেহি। তাৰ পৰা তেওঁ নিজ দেশ ইংলেণ্ডলৈ উভতিল।

গালিভাৰে শেষৰ বাৰৰ সমুদ্ৰ-যাত্ৰাৰ সময়ত লগ-পোৱা মানুহ শ্ৰেণীৰ

দাবা বেছিকৈ প্ৰভাৱান্বিত হৈছিল। '১৭১০ চনৰ ছেপ্তেম্বৰৰ ৭ তাৰিখে তেওঁ যাত্ৰা আৰম্ভ কৰি এনে এখন দেশত উপস্থিত হ'ল য'ত মানুহ সকলো জাতিৰ মানুহতকৈ শ্ৰেষ্ঠ।

অৱশেষত সেই দেশৰ পৰা প্ৰত্যাবৰ্তন কৰি গালিভাৰ '১৭১৫ চনৰ ৫ ডিচেম্বৰত' ইংলেণ্ডত উপস্থিত হ'লহি। এতিয়া, তেওঁৰ পৰিয়ালৰ লোককে ধৰি সকলো লোকক তেওঁ প্ৰকৃত -মানুহতকৈ তলৰ খাপৰ যেন অনুভৱ কৰিব ধৰিলে।

ইংৰাজসকলৰ জীৱন-ধাৰা, আচাৰ-ব্যৱহাৰক পৰোক্ষ ভাবে তীব্ৰ সমালোচনা কৰিবলৈকে ছুইফটে 'গালিভাৰছ ট্ৰেভেলছ' লেখিছিল। তথাপি তাৰ আৰু বৰ্ণনাৰ প্ৰসাদ গুণে এই গ্ৰন্থক ল'ৰা-বুঢ়া সকলোৰে প্ৰিয় কৰি তুলিছিল আৰু ই আজিও জনপ্ৰিয় হৈ আছে।

জনাথন ছুইফটৰ জন্ম হৈছিল আয়াৰলেণ্ডৰ ৰাজধানী ডাব্লিনত ১৬৬৭ চনত। তেওঁ আছিল ইংৰাজ বংশোদ্ভৱ। অতি দৰিদ্ৰ অৱস্থাৰ মাজেৰে তেওঁ ডাঙৰ-দীঘল হৈছিল। ২৭ বছৰ বয়সত তেওঁ গীৰ্জাৰ চাকৰিত সোমাই বেলফাষ্টৰ ওচৰত বাস কৰিবলৈ লয়। দৰমহা আছিল নিচেই তাকৰ। তেওঁ আয়াৰলেণ্ড আৰু ইংলেণ্ডত প্ৰায়েই ভ্ৰমণ কৰিছিল। তেওঁ ভালেমান গ্ৰন্থ ৰচনা কৰিছিল যদিও ১৭২৬ চনত প্ৰকাশিত 'গালিভাৰছ ট্ৰেভেলছে' তেওঁক অমৰত্ব দান কৰে। তেওঁ অবিবাহিত হৈ আছিল। কিন্তু দুগৰাকী মহিলাৰ সৈতে সম্পৰ্ক আছিল বুলি জনা যায়। শেষ জীৱনত তেওঁ সন্ন্যাসীৰ দৰে অকল্পনীয়া জীৱন-যাপন কৰিছিল আৰু প্ৰায় উন্মাদৰ দৰে হৈছিল। ১৭৪৫ চনৰ ১৯ অক্টোবৰত ৭৮ বছৰ বয়সত তেওঁৰ মৃত্যু হয়।

জাঁ-জাক ৰুছোৰ সামাজিক চুক্তি

(২৫)

'মানুহে স্বাধীন হৈ জন্ম গ্ৰহণ কৰে; আৰু সকলো ক্ষেত্ৰতে সি শৃংখলিত'— জাঁ-জাক ৰুছোৰ এই ঘোষণাই অষ্টাদশ শতিকাৰ আত্মসন্তুষ্ট মানসিকতাক এক প্ৰবল জোঁকাৰণি দিছিল আৰু তেতিয়াৰ পৰা এই ঘোষণা তৰুণ আশাবাদী মনৰ অনুপ্ৰেৰণাৰ উৎস হৈ আছে। ঘোষণাটোৰ প্ৰথম খণ্ডটো বহুতো সমালোচকে এইবুলি খণ্ডন কৰিবলৈ চেষ্টা কৰি আহিছে যে যিহেতু মানুহ তাৰ উত্তৰাধিকাৰৰ বোজা হৈ জন্মে, সেয়ে'মানুহে স্বাধীন হৈ জন্মগ্ৰহণ কৰে' বোলাটো সত্য নহয়। ঘোষণাটোৰ দ্বিতীয় খণ্ডৰ সন্দৰ্ভত এতিয়া বহুতে কয় যে, যিহেতু পৃথিবীৰ বেছি ভাগ দেশেই আজিকালি গণতান্ত্ৰিক, সেয়ে ৰাজনৈতিক যন্ত্ৰৰ অংশ হিচাপে ঠায়ো নাই। এনেবোৰ কুতৰ্ক চলা সত্ত্বেও ৰুছোৰ ঘোষণাত নিহিত সত্য সকলোৱে নীৰবে স্বীকাৰ কৰি লবলৈ বাধ্য বুলি ক'লে অত্যুক্তি কৰা নহয়।

ঘোষণাটো ৰুছোৱে লিপিবদ্ধ কৰিছিল তেওঁৰ আটাইতকৈ প্ৰভাৱ বিস্তাৰী Le Contract Social (The Social contract সামাজিক চুক্তি) শীৰ্ষক গ্ৰন্থৰ প্ৰথম পৃষ্ঠাত। ১৭৬২ চনত এই গ্ৰন্থৰ প্ৰথম সংস্কৰণ প্ৰকাশ পায়। তেতিয়া ৰুছোৰ বয়স ৫০ বছৰ।

১৭১২ চনত জেনেভাত ৰুছোৰ জন্ম হৈছিল। সেই সময়ত জেনেভা আছিল এখন স্বাধীন নগৰ ৰাষ্ট্ৰ। ফৰাচী বিপ্লৱৰ সময়লৈ জেনেভাৰ এই মৰ্যাদা অটুট আছিল। ৰুছোৰ ৰাজনৈতিক চিন্তাধাৰা গঢ়ি উঠিছিল নগৰ-ৰাষ্ট্ৰৰ আদৰ্শৰ ভিত্তিত। তেওঁৰ দেউতাক আছিল এজন ঘড়ীৰ কাৰিকৰ। দেউতাকৰ স্বভাৱ আছিল ধোঁৱাখুলীয়া আৰু সেয়ে মোমায়েকহঁতৰ পৰিয়ালৰ তত্বাৱধানত ৰুছো ডাঙৰ-দীঘল হৈছিল। ১৩ বছৰ বয়স হোৱাত তেওঁক এজন উকিলৰ অধীনত শিক্ষা নবিছৰ কামত ভৰ্তি কৰোৱা হয়। কিন্তু কিছুদিন পিছতে উকিলজনে তেওঁক সেই কামৰ বাবে সম্পূৰ্ণ অলায়ক বিবেচনা কৰিলে। তাৰ পিছত

তেওঁক এজন খোদাইকৰীৰ অধীনত শিক্ষা নবিচী কৰিবলৈ দিয়া হ'ল। কিন্তু সেই কামতো তেওঁ পাৰদৰ্শিতা দেখুৱাব নোৱাৰিলে। তিক্ত-বিৰক্ত হৈ ১৭২৮ চনৰ কোনো এটা সন্ধিয়া তেওঁ খোদাইকৰীৰ ঘৰৰ পৰা পলাল আৰু ভ্ৰাম্যমান জীৱন আৰম্ভ কৰিলে।

ভ্ৰাম্যমান জীৱনত মেডাম দা ৱাৰেন্স নামৰ এগৰাকী ২৮ বছৰ বয়সীয়া মহিলাৰ সৈতে আকস্মিকভাৱে ৰুছোৰ পৰিচয় হয়। তেওঁ আছিল ৰহস্যময়ী চৰিত্ৰৰ। ছাৰ্দিনিয়াৰ ৰজাৰ পৰা তেওঁ এটা শকত ভাট্টা পাইছিল। এই ভাট্টা তেওঁ ৰজাৰ কৰ্তৃত্বশীল ৰাজনৈতিক এজেণ্ট হিচাপে পাইছিল নে গুপ্তচৰ হিচাপে পাইছিল, সেইকথা জনা নাযায়। সি যি কি হওক, তেওঁ আছিল লাৱণ্যময়ী, বুদ্ধিমতী আৰু সহৃদয়া। ৰুছোৰ উদণ্ড জীৱন-ধাৰাক সুস্থিৰ বাটলৈ অনাত তেওঁৰ বৰঙণি ভালেখিনি। তেওঁৰ জমিদাৰীত ৰুছো এটা কামত নিযুক্ত হ'ল। ১৭৪১ চনলৈ ৰুছো মেডাম দা ৱাৰেন্সৰ চাকৰিয়াল আৰু প্ৰেমিকৰূপে আছিল। তাৰ পিছত তেওঁ সাহিত্যিক জীৱন-যাপন কৰাৰ উদ্দেশ্যলৈ পেৰিছলৈ আহিল। যদিও সোনকালেই তেওঁ 'এনচাইক্লপেডিষ্ট' সমাজৰ সদস্যৰূপে গৃহীত হ'ল; তথাপি তেওঁ নিজৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ কাৰণে কাৰো লগত বন্ধুত্ব স্থাপন কৰিব নোৱাৰিলে, বৰং শত্ৰুৰ সংখ্যাহে বাঢ়িল। তথাকথিত সভ্যতা এটা প্ৰকাণ্ড ভণ্ডামি আৰু অবক্ষয়। মানুহ প্ৰকৃততে সুখী আছিল সহজ সৰল আদিম সমাজত—এই ধাৰণা ক্ৰমে ৰুছোৰ মনত গঢ়ি উঠিব ধৰিলে এই সময়ছোৱাতে।

'সামাজিক চুক্তি' গ্ৰন্থখন ১৭৬২ চনত প্ৰকাশ পায় বুলি ওপৰত উল্লেখ কৰা হৈছে। কিন্তু ইয়াৰ প্ৰথম সংস্কৰণ পেৰিছত ওলোৱা নাছিল, ওলাইছিল হলেণ্ডৰ আমষ্টাৰডামত। কাৰণ সেই সময়ত ফ্ৰান্সত 'চেন্সৰ' প্ৰথা প্ৰচলিত আছিল। গ্ৰন্থখন লেখাৰ উদ্দেশ্যৰ সন্দৰ্ভত ভূমিকাত তেওঁ লেখিছিল: 'মানুহক মানুহ হিচাপে লৈ আৰু যিমানদূৰ পাৰি সিমানদূৰ আইনক অনুকূলে ৰূপ দি ৰাষ্ট্ৰ পৰিচালনাৰ ক্ষেত্ৰত উপযুক্ত ন্যায়পূৰ্ণ নিয়মনীতি প্ৰতিষ্ঠা কৰা সম্ভৱ হয় নে নহয়; সেই বিষয়ে অনুসন্ধান চলোৱাই মোৰ উদ্দেশ্য। এই অনুসন্ধানত অধিকাৰ আৰু স্বাৰ্থৰ মাজত সামঞ্জস্য অনাৰ জৰিয়তে ন্যায় আৰু প্ৰয়োজনৰ ভিত্তিত সমন্বয় স্থাপনৰ বিষয়ে বিচাৰ কৰি চোৱাৰ চেষ্টা কৰিম। কোনোবাই প্ৰশ্ন কৰিব পাৰে: মই ৰজা নে বিধায়ক যে ৰাজনীতি সম্পৰ্কে লেখিছোঁ?

মোৰ উত্তৰ হ'ল— ইয়াৰ কোনোটোৱেই মই নহওঁ আৰু সেই কাৰণেই মই ৰাজনীতি সম্পৰ্কে লেখিছোঁ। কাৰণ মই যদি ৰজা বা বিধায়ক হ'লোহেঁতেন, তেন্তে কি কৰা উচিত সেই বিষয়ে কৈ সময় নষ্ট নকৰিলোহেঁতেন। মই মোৰ চিন্তাক বাস্তৱায়িত কৰিলোহেঁতেন নতুবা নীৰৱতা অৱলম্বন কৰিলোহেঁতেন।'

তেওঁ আকৌ লেখিছে: এখন স্বাধীন ৰাষ্ট্ৰৰ নাগৰিক হিছাপে জন্মগ্ৰহণ কৰি আৰু তাৰ সাৰ্বভৌমত্তাৰ এজন অংশীদাৰ হিছাপে মই অনুভৱ কৰো যে ৰাজহুৱা বিষয়ত মোৰ কণ্ঠস্বৰে যিমানেই ক্ষীণ প্ৰভাৱ বিস্তাৰ নকৰক কিয়, মতদান কৰাৰ স্বাধীনতাই সেইবোৰ বিষয় সম্পৰ্কে জ্ঞান বৃদ্ধি কৰাৰ কৰ্তব্য মোৰ ওপৰত ন্যস্ত কৰিছে। মই আনন্দিত যে মই বিভিন্ন চৰকাৰ সম্পৰ্কে চিন্তা কৰোঁতে মোৰ নিজ দেশৰ সংবিধানক ভাল পোৱাৰ নতুন নতুন যুক্তি বিচাৰি পাওঁ।'

জেনেভা গণৰাজ্যৰ নাগৰিক হিছাপে ৰুছোৱে ওপৰুক্ত কথাখিনি লেখিছিল। জেনেভাৰ চৰকাৰৰ দায়িত্ব নাগৰিকসকলৰ এটা পৰিষদৰ ওপৰত আছিল। প্ৰাচীন কালত গ্ৰীচ নগৰ— ৰাজ্যবোৰৰ দৰে জেনেভাও এখন নগৰ-ৰাজ্য হৈ থকাটো ৰুছোৱে কামনা কৰিছিল।

ভূমিকাৰ পিছতেই আছে ৰুছোৰ বিখ্যাত উক্তি: 'মানুহে স্বাধীন হৈ জন্মগ্ৰহণ কৰে আৰু সকলো ক্ষেত্ৰতে সি শৃংখলিত।' তেওঁ লেখিছে— "এজন মানুহে নিজকে বহুতৰ প্ৰভু বুলি ভাবিব পাৰে, কিন্তু প্ৰকৃততে তেওঁ সেই সকলৰ তুলনাত অধিক দাসসুলভ। এই যে এজন মানুহ বহুতৰ ওপৰত প্ৰভু হ'ল, সেয়া কেনেকৈ ঘটিল? এই সম্পৰ্কে বিধি সন্মত বুলি ক'বলৈ কিবা আছেনে?

একেবাৰে আদিম কালত পৰিয়ালেই আছিল সমাজ। তেনে সমাজত ওপৰুক্ত ধৰণৰ প্ৰশ্ন উঠাৰ অৱকাশ নাছিল। যেতিয়ালৈ নিৰাপত্তাৰ আৱশ্যক আছিল তেতিয়ালৈ পৰিয়ালৰ সন্তানসকল পিতৃৰ সৈতে জড়িত আছিল। যেতিয়া তেনে আৱশ্যকতা নাইকিয়া হয়, তেতিয়া সন্তানসকলে নিজৰ নিজৰ পৰিয়াল গঠনৰ পথত আগবাঢ়ে। পৰিয়ালত পিতৃ শাসক, প্ৰজা হ'ল তেওঁৰ সতি-সন্ততিসকল; আৰু যিহেতু সকলোৱেই স্বাধীন হৈ জন্মগ্ৰহণ কৰে, তেওঁলোকে তেওঁলোকৰ সুবিধা অনুসৰিহে স্বাধীনতাৰ বিলোপ ঘটায়। কিন্তু

পৰিয়াল আৰু ৰাষ্ট্ৰৰ মাজত আছে বিৰাট পাৰ্থক্য। পৰিয়ালত পিতৃয়ে সন্তানৰ প্ৰতি লোৱা যত্নৰ বাবদ সন্তানৰ মৰম লাভ কৰে, কিন্তু ৰাষ্ট্ৰত শাসকে প্ৰজাৰ পিতৃয়ে সন্তানক ভালপোৱাৰ দৰে ভালপোৱা আশা কৰিব নোৱাৰি, ইয়াত আদেশ দিয়াৰ প্ৰৱণতাইহে শাসকক চালনা কৰে।

ৰাষ্ট্ৰত শাসকে প্ৰজাৰ আনুগত্য বিচাৰে আৰু এই উদ্দেশ্যে ক্ষমতা আৰু কৰ্তৃত্ব খটুৱায়। কিন্তু কহোৰ সতে ক্ষমতা বা শক্তিয়ে অধিকাৰ সৃষ্টি নকৰে। যেতিয়ালৈ শাসনস্থ শক্তিয়ে প্ৰজাৰ আনুগত্য বৰ্তাই ৰখাৰ পৰিস্থিতি অটুট ৰাখিব পাৰে, তেতিয়ালৈহে প্ৰজাই সেই শক্তিক মানি চলে। গতিকে শাসনস্থ শক্তিৰ 'অধিকাৰ' বুলি কোনো কথা থাকিব নোৱাৰে। ডকাইতে পিস্তল দেখুৱাই বাটকৰাৰ ধন কাঢ়ি ল'লেও সেইদৰে শক্তি প্ৰদৰ্শনক অধিকাৰ বুলিব নোৱাৰি। শক্তি বা ক্ষমতাই অধিকাৰ সৃষ্টি নকৰে। কেৱল বৈধ ক্ষমতাকহে প্ৰজাই মানি চলিব পাৰে, অবৈধ ক্ষমতা কেন্দ্ৰৰ প্ৰতি প্ৰজাৰ আনুগত্য আদায় কৰাৰ অধিকাৰ সেই ক্ষমতা কেন্দ্ৰৰ নাই।

প্ৰাকৃতিক অৱস্থাত থকা সমাজৰ সমুখত যিবোৰ সমস্যা উদ্ভৱ হয়, সেই সমস্যাবোৰ এজন ব্যক্তিয়ে সমাধান কৰিব নোৱাৰে। আনহাতে মানুহে যিহেতু নতুন শক্তি সৃষ্টি কৰিব নোৱাৰে, সেয়ে ঐক্যবদ্ধ হৈ কাম কৰাৰ বাহিৰে নিজৰ অস্তিত্ব বজাই ৰখাৰ আন উপায় নাই। এই কামতো কেতবোৰ সমস্যাই দেখা দিয়ে। সমাজৰ সমস্ত শক্তি একত্ৰিত কৰি ব্যক্তি আৰু সম্পত্তিৰ নিৰাপত্তা দিবলৈ কি ধৰণৰ প্ৰতিষ্ঠান গঠন কৰিব পৰা যায়, তেনে প্ৰতিষ্ঠানত ব্যক্তিয়ে আন ব্যক্তিসকলৰ সৈতে নিজকে একত্ৰিত কৰি কেনেকৈ নিজৰ স্বাধীনতা অক্ষুণ্ণ ৰাখিব পাৰে— এই সমস্যাবোৰৰ উদ্ভৱ হয়।

এই সমস্যাবোৰ বুনিয়াদী সমস্যা। ইয়াৰ সমাধান সামাজিক চুক্তিৰ ধাৰণাইহে দিব পাৰে। সামাজিক চুক্তিৰ দফাবোৰ এনে ধৰণৰ যে সেইবোৰৰ সামান্য পৰিৱৰ্তনেও চুক্তিক অৰ্থহীন কৰি পেলাব পাৰে। প্ৰকৃত উপলব্ধিৰ জৰিয়তে দেখা যায় যে দফাবোৰ প্ৰকৃততে এটা মূল দফাত ঘণীভূত আৰু সেয়া হ'ল— সমস্ত অধিকাৰৰ সৈতে ব্যক্তিৰ সমাজৰ লগত বিলীনতা, সমাজৰ বেদীত ব্যক্তিয়ে নিজকে বিলীন কৰাৰ চৰ্ত প্ৰতিজন ব্যক্তিৰ বাবে একে, আৰু যিহেতু সকলোৱেই একে সমান চৰ্তৰ অধীন, সেয়ে কোনো ব্যক্তি কাৰো বোজা হ'ব নোৱাৰে। তদুপৰি যিহেতু কাৰো কাৰণে আছুতীয়া

চৰ্ত ৰখা নহয়, সেয়ে সংগঠিত প্ৰতিষ্ঠান নিখুঁত হোৱা স্বাভাৱিক। এনে প্ৰতিষ্ঠানত কোনো ব্যক্তিয়ে নিজৰ ইচ্ছা আনৰ ওপৰত প্ৰয়োগ কৰিব খুজিলে, আন ব্যক্তিয়েও একে পন্থা ল'ব আৰু ফলত প্ৰাকৃতিক অৱস্থাত ব্যক্তি আৰু ব্যক্তিৰ মাজত সংঘৰ্ষ চলাৰ দৰে, সংগঠিত প্ৰতিষ্ঠানতো সংঘৰ্ষ চলিব, ফলত ই হৈ পৰিব অত্যাচাৰী অথবা অদৰকাৰী। চমুকৈ ক'বলৈ গ'লে— প্ৰতিজন ব্যক্তিয়ে সমূহৰ ওচৰত সকলো সমৰ্পণ কৰে যদিও, কোনো বিশেষ ব্যক্তিৰ ওচৰত সকলো সমৰ্পণ নকৰে। সমান অধিকাৰৰ ভিত্তিত সমূহৰ সৈতে সহযোগ কৰা বাবে ব্যক্তি একো নেহেৰুৱায়, বৰং অধিকাৰ ৰক্ষাৰ কাৰণেহে উমৈহতীয়া প্ৰতিষ্ঠানৰ জন্ম দিয়ে। গতিকে ম্লেনিজাৰি চলে সামাজিক চুক্তিৰ ধাৰণাৰ মূল কথা হয়গৈ এইখিনি: “আমি সকলোৱেই নিজ নিজ ব্যক্তি আৰু ক্ষমতাক উমৈহতীয়া ইচ্ছাৰ সৰ্বোচ্চ পৰিচালনাৰ অধীনত অৰ্পণ কৰোঁ, আৰু প্ৰতিজনত আমাৰ সন্মিলিত শক্তিৰ মাজত সমূহৰেই এটা অবিভাজ্য অংশ লাভ কৰোঁ।’

এইদৰে চুক্তিবদ্ধ হোৱা পক্ষসমূহৰ নিজ নিজ একক ব্যক্তিত্বৰ ঠাইত এটা নৈতিক তথা সামূহিক গোটৰ উদ্ভাৱন ঘটোৱা হয়; সংগঠিত হোৱা প্ৰক্ৰিয়াৰ জৰিয়তে সামূহিক গোট বা প্ৰতিষ্ঠানে ইয়াৰ ঐক্য, উমৈহতীয়া ব্যক্তিত্ব বা পৰিচয় আৰু ইচ্ছাশক্তি লাভ কৰে। এইদৰে ব্যক্তিৰ সমন্বয়ত গঢ়ি উঠা ৰাজহুৱা প্ৰতিষ্ঠানক আগতে নগৰ (city) বোলা হৈছিল; আজিকালি বোলা হয় গণৰাজ্য বা ৰাজনৈতিক গোট (republic or body politic) । সাধাৰণ অৱস্থাত ইয়াক ৰাজ্য বা ৰাষ্ট্ৰ (state) বোলা হয়; কাম পৰিচালনাৰ অৱস্থাত বোলা হয় সাৰ্বভৌম (Sovereign), আৰু যেতিয়া ইয়াৰ দৰে আন ৰাজহুৱা প্ৰতিষ্ঠানৰ সৈতে বিজোৱা হয় তেতিয়া বোলা হয় শক্তি (Power) । ইয়াত সন্মিলিত হোৱা লোকসকলে নাম পায় ‘জনগণ’ (People) সাৰ্বভৌম ক্ষমতাৰ অংশীদাৰ হিচাপে জনগণ আকৌ পৰিচিত হয় ‘নাগৰিক’ (Citizen) হিচাপে; ৰাষ্ট্ৰৰ আইনৰ অধীন হোৱাত জনগণেই ‘প্ৰজা’ (subject) আখ্যা লাভ কৰে।

সংক্ষেপে এয়াই হ'ল ৰুছোৰ ‘সামাজিক চুক্তি’ৰ তত্ত্ব। তেওঁ এই তত্ত্বৰ আৱিষ্কাৰক নহয়। জন সাধাৰণ আৰু তেওঁলোকৰ শাসক বা চৰকাৰ যে পাৰস্পৰিক এটা চুক্তিৰ বান্ধোনেৰে বান্ধ খাই থাকে— এই ধাৰণা মধ্যযুগৰ ৰাজনৈতিক দৰ্শনৰ পণ্ডিতসকলৰ লিখনিত পোৱা যায়। ষোড়শ শতিকাৰ পৰা অষ্টাদশ শতিকালৈ ইউৰোপত যি প্ৰবল ধৰণৰ সাংবিধানিক সংগ্ৰাম চলিছিল

তাৰ ভবিষ্যতে এই তত্ত্বই প্ৰকাশ পাইছিল। ১৬৮৮ চনত ইংলেণ্ডৰ পাৰ্লামেণ্টে ৰজা দ্বিতীয় জেমছৰ বিৰুদ্ধে 'ৰজা আৰু জনগণৰ মাজত থকা বুনিয়াদী চুক্তি' ভংগৰ অভিযোগ আনিছিল। তাৰো আগতে ইংলণ্ডত ১৬৪৯ চনত পাৰ্লামেণ্টে এজন ৰজাক ফাঁচি দিছিল। এইবোৰ কাৰণত ইউৰোপৰ অন্যান্য দেশে ৰাজনৈতিক দিশত ইংলণ্ডৰ আদৰ্শক চৰম পন্থা বুলি ধৰি লৈ অনুসৰণৰ অনুপযুক্ত ৰূপে গণ্য কৰিছিল। কিন্তু বিস্ময়ৰ কথা যে ৰুছোৰ 'সামাজিক চুক্তি' প্ৰকাশ পোৱাৰ লগে লগে ইউৰোপৰ সকলো দেশৰ জনগণে তাক আদৰি ল'লে। এই গ্ৰন্থই ইউৰোপত ৰাজনৈতিক ধ্যান-ধাৰণা, চিন্তা-চৰ্চাৰ বিকাশত প্ৰভূত প্ৰভাৱ বিস্তাৰ কৰিছিল। ১৭৮৯ চনত ফ্ৰান্সত এক যুগান্তকাৰী বিপ্লৱৰ বৌদ্ধিক জনক হিছাপে স্বীকৃত হ'ল ৰুছো। বিপ্লৱী সকলে 'সামাজিক চুক্তি' গ্ৰন্থক দিলে বাইবেলৰ মৰ্যাদা।

জীৱন কালত ৰুছোৰ আৰ্থিক অৱস্থা আছিল শোচনীয়। সমাজৰ পৰা লাভ কৰিছিল ঠাট্টা-বিদ্ৰূপ। কিন্তু সকলো ধৰণৰ অত্যাচাৰৰ বিৰোধী এই লোকজন আছিল বিদ্ৰোহৰ অগ্নিশিখা স্বৰূপ।

ভল্‌টেয়াৰৰ চতুৰ্দশ লুইৰ যুগ

(২৬)

ভল্‌টেয়াৰ। মানৱ-ইতিহাসৰ ক্ষণজন্মা পুৰুষ সকলৰ অন্যতম ভল্‌টেয়াৰৰ জন্ম হৈছিল ১৬৯৪ চনত পেৰিছত। দেউতাক আছিল পেৰিছৰ এজন উকিল, মাক আছিল সম্ভ্ৰান্ত বংশৰ জীয়ৰী। ফ্ৰান্সৰ প্ৰটেষ্টান্ত জেছুইট সকলৰ বিদ্যালয়ত শিক্ষা লাভ কৰি ১৭ বছৰ বয়সতে ভলটেয়াৰ বিদ্ৰোহী মনোভাবাপন্ন হৈ উঠে। সাহিত্যিক জীৱনৰ ব্ৰত হিছাপে লবলৈ তেতিয়াৰ পৰাই তেওঁ সংকল্পবদ্ধ হয়। আইনৰ ছাত্ৰ হিছাপে অধ্যয়ন কৰি থকা সময়তে তেওঁ ফ্ৰান্সৰ সম্ৰাট পঞ্চদশ লুইক ব্যংগ কৰি কিছুমান পদ্য লেখে আৰু ফলত ১৭১৮ চনত কেইসপ্তাহমানৰ কাৰণে কুখ্যাত বেষ্টিল কাৰাগাৰত আৱদ্ধ হৈ থাকিবলগীয়া হয়। কৰ্তৃপক্ষৰ সৈতে এইদৰে আৰম্ভ হোৱা সংঘৰ্ষ ভলটেয়াৰৰ আজন্ম সহচৰ হৈ ৰয়। ৰজা, গীৰ্জা সম্প্ৰদায় বা সমাজক সমালোচনা আৰু ব্যংগ বিদ্ৰূপেৰে থকা-সৰকা কৰা কাৰণে তেওঁৰ ভাগ্যত অপমান আৰু সন্মান এটাৰ পিছত এটাকৈ চক্ৰবৎ আহিছিল। জীৱনৰ বহুকাল তেওঁ কটাবলগীয়া হৈছিল নিৰ্বাসনত। ষোড়শ লুই ফ্ৰান্সৰ ৰাজপাটত উঠাত ১৭৭৮ চনত তেওঁ শেষবাৰৰ বাবে নিৰ্বাসনৰ বাবে পেৰিছলৈ প্ৰত্যাৱৰ্তন কৰে আৰু সেই বছৰতে তেওঁৰ মৃত্যু হয়। তেওঁৰ মৃত্যুৰ এঘাৰ বছৰ পিছত ১৭৮৯ চনত আৰম্ভ হয় ফৰাচী বিপ্লৱ— যি বিপ্লৱৰ অন্যতম পথিকৃতৰ সন্মানেৰে তেওঁ ইতিহাসত সন্মানিত। ভলটেয়াৰৰ 'চতুৰ্দশ লুইৰ যুগ' (The age of Louis xiv) ইতিহাস গ্ৰন্থ হিছাপে প্ৰথম শৰীৰ যদিও, ঘটনাৱাজিৰ বৰ্ণনাত গভীৰ চিন্তাৰ প্ৰতিফলন ইয়াত নাই; কিন্তু গ্ৰন্থখনৰ শ্ৰেষ্ঠত্ব নিহিত আছে আৰম্ভণিৰ পৰা অন্তলৈ বৰ্ণনাৰ সজীৱতাত। যি যুগৰ কাহিনী তেওঁ লিপিবদ্ধ কৰিছে, সেই যুগৰ সমসাময়িক বহু লোকৰ পৰা প্ৰত্যক্ষভাৱে আহৰণ কৰা ঘটনাই গ্ৰন্থখনক সমৃদ্ধ কৰিছে।

ভল্‌টেয়াৰৰ জন্মৰ ১৫ বছৰৰ পিছত চতুৰ্দশ লুইৰ মৃত্যু হয়। গতিকে

তেওঁ নিজেও চতুৰ্দশ লুইৰ যুগৰ বতাহ সেৱন কৰিবলৈ পাইছিল। গতিকে এই ইতিহাস-গ্ৰন্থত বিধিতি আছে ইম্প্ৰেছনিষ্টিক ষ্টাইল (impressionistic style)। সেইকালত প্ৰচলিত জনশ্ৰুতিবোৰো ভলটেয়াৰে ইতিহাসৰ অন্তৰ্ভুক্ত কৰিছিল।

ভেকা কালৰ পৰা ভলটেয়াৰে তেওঁৰ 'চতুৰ্দশ লুইৰ যুগ'ৰ সমল সামগ্ৰী সংগ্ৰহ কৰিবলৈ আৰম্ভ কৰিছিল যদিও ১৭৪৩-১৭৪৬ চনৰ কালছোৱাত লেখি উলিয়ায়। ই কেৱল এখন ৰাজনৈতিক ইতিহাসেই নহয়, এটা যুগৰ ছবিও। তেওঁ নিজেই লেখিছে: 'এয়া কেৱল চতুৰ্দশ লুইৰ জীৱনী নহয়, মোৰ লক্ষ্য তাতকৈ বৃহত্তৰ। এজন মানুহৰ কাৰ্যাৱলী নহয়— বৰং এটা আলোকপ্ৰাপ্ত যুগৰ লোক সকলৰ সামগ্ৰিক চৈতন্যৰ প্ৰতিফলন কৰাহে মোৰ উদ্দেশ্য।' চতুৰ্দশ লুইৰ যুগৰ বাদে ভলটেয়াৰৰ মতে মানৱ ইতিহাসৰ আন তিনিটা আলোকপ্ৰাপ্ত যুগ হ'ল— পেৰিক্লিচৰ যুগ, চিজাৰ আৰু আগষ্টাছ চিজাৰৰ যুগ আৰু ইটালীৰ ৰেনেচাঁৰ যুগ। তেওঁ কৈছে চতুৰ্দশ লুইৰ আগৰ দশ বছৰত ফৰাচী সৃজনী-প্ৰতিভা বৰ্বৰ প্ৰশাসনৰ নিষ্পেষণত মুমূৰ্ষু হৈ আছিল, বিভাজন আৰু গৃহযুদ্ধই সকলোকে থকা সৰকা কৰিছিল, কোনো নিৰ্দিষ্ট আইন আৰু বিধিব্যৱস্থা নাছিল। অভিজাত-শ্ৰেণীয়ে যুদ্ধ আৰু এলাহৰ বাহিৰে আন একো নাজানিছিল, ধৰ্মযাজক সকল আছিল উচ্ছৃংখল আৰু অজ্ঞ, কোনো ধৰণৰ বৃত্তিত পাৰ্গত নোহোৱাৰবাবে সাধাৰণ মানুহ আছিল দৰিদ্ৰ। এই অৱস্থা আঁতৰ কৰিবলৈ হ'লে, ৰাষ্ট্ৰ শক্তিশালী হ'বলৈ হ'লে; শিল্প কলা বিজ্ঞানৰ উন্নতি হ'বলৈ হলে হয় আইনৰ ভিত্তিত প্ৰতিষ্ঠিত স্বাধীনতা মানুহে পাব লাগিব, নহয় স্ব-বিৰোধিতা মুক্ত সাৰ্বভৌম শক্তি প্ৰতিষ্ঠা হ'ব লাগিব।

চতুৰ্দশ লুইৰ আমোলত ফৰাচী সভ্যতা সকলো দিশৰ পৰা আগবাঢ়িছিল বাবে ভল্‌টেয়াৰ সুখী হৈছিল। কিন্তু চতুৰ্দশ লুইয়ে স্পেনীয় উত্তৰাধিকাৰ যুদ্ধ'ৰ সৈতে ফ্ৰান্সক জড়িত কৰা কাৰ্য তেওঁ ভাল পোৱা নাছিল। ভলটেয়াৰ আছিল যুদ্ধ বিৰোধী। কেথলিক-ধৰ্ম সম্প্ৰদায়ে যুদ্ধক সমৰ্থন কৰা বাবে ভল্‌টেয়াৰে কেথ্‌লিক সকলক তীব্ৰ সমালোচনা কৰিছিল। চতুৰ্দশ লুইৰ খোঁৱাখুলীয়া স্বভাৱকো ভল্‌টেয়াৰে সমালোচনা কৰিছিল।

ভল্‌টেয়াৰে চতুৰ্দশ লুইৰ ৰাজকীয় ধৰণ-কৰণৰ প্ৰশংসা কৰি কৈছে যে তেওঁ তোষামোদ ভাল নাপাইছিল, জ্ঞানী লোকৰ সৈতে আলাপ-আলোচনা কৰিবলৈ উৎসুক আছিল, ভুল শুধৰাই দিওঁতাজনক বেয়া নাপাইছিল, আত্ম সংযমী আছিল আৰু উচ্চ-নীচ সকলো শ্ৰেণীৰ লোকৰ প্ৰতি সৌজন্য দেখুৱাইছিল। এইবোৰৰ বাবেই ভল্‌টেয়াৰৰ মানত চতুৰ্দশ লুই আছিল আদৰ্শ ৰজা।

অলিভাৰ গোল্ডস্মিথৰ দি ভাইকাৰ অৱ ৱেকফিল্ড

(২৭)

ড: ছেমুৱেল জনছনে কৈছে: 'এদিনাখন ৰাতিপুৱা এই বেচেৰা গোল্ডস্মিথৰ পৰা বাতৰি পালোঁ যে তেওঁ বৰ বিপদত পৰিছে আৰু তেওঁ যিহেতু নিজে আহিবলৈ অক্ষম, সেয়ে যিমান সোনকালে সম্ভৱ সিমান সোনকালে মোক তেওঁৰ ওচৰলৈ যাবলৈ অনুৰোধ কৰিছে। মই তেওঁলৈ এটা গিনি পঠিয়াই দি কৈ পঠালো যে মই সোনকালেই যাম। পোছাক যোৰ পিন্ধিয়েই মই গ'লো, গৈ দেখিলো যে ঘৰৰ ভাৰা দিব নোৱাৰা কাৰণে তেওঁক মালিকনীয়ে বন্দ কৰি ৰাখিছে আৰু সেইকাৰণে খণ্ডত তেওঁ একো নাইকিয়া হৈ আছে। মই গম পালো যে মই দি পঠোৱা গিনিটো ইতিমধ্যে তেওঁ খৰচ কৰিছে আৰু এবটল মদিৰা আৰু এটা গিলাচ কিনিছে। মই বটলটোৰ ঠিলাটো মাৰি তেওঁক শান্ত হ'বলৈ কৈ কি উপায়ে পৰিস্থিতিৰ পৰা উদ্ধাৰ কৰিব পাৰি সেই বিষয়ে আলোচনা কৰিলোঁ। তেওঁ মোক ক'লে যে তেওঁৰ এখন উপন্যাস প্ৰেছত দিয়াৰ উপযুক্ত হৈ সম্পূৰ্ণ অৱস্থাত আছে। তেওঁ উপন্যাসখন মোক দেখুৱালে। মই কিতাপ চাই তাৰ গুণাৱলী উপলব্ধি কৰিলোঁ। মই মালিকনীক সোনকালে ঘূৰি অহাৰ প্ৰতিশ্ৰুতি দি এজন কিতাপ বেচোতাৰ ওচৰলৈ গৈ ষাঠি পাউণ্ডত কিতাপখন বিক্ৰী কৰিলো। টকা আনি গোল্ডস্মিথক দিলোহি; তেওঁ মালিকনীক বৰকৈ ককৰ্থনা কৰি ভাৰা আদায় দিলে।'

এই কিতাপখনেই হ'ল 'দি ভাইকাৰ অৱ ৱেকফিল্ড' (ৱেকফিল্ডৰ ধৰ্মযাজক)। ১৭৬৬ চনত ই প্ৰকাশ পায়। গোল্ডস্মিথৰ বিষয়ে লেখা এটা নিবন্ধত মেকলেই কৈছিল যে প্ৰকাশ পোৱাৰ লগে লগে উপন্যাসখন দ্ৰুতগতিত জনপ্ৰিয় হৈ উঠে আৰু সম্ভৱত: এই জনপ্ৰিয়তা ইংৰাজী ভাষা থাকে মানে বৰ্তি থাকিব।

কাহিনীটোৰ নায়ক ড: প্ৰিমৰোজ আৰ্থিক টনাটনিৰ মাজেৰে চলিবলগীয়া হৈছিল,তথাপি তেওঁৰ ঘৰৰ পৰিৱেশ আছিল আনন্দময়। ওচৰ-চুবুৰীয়া সকলো সৎ প্ৰকৃতিৰ। প্ৰিমৰোজ দম্পতিয়ে ওচৰ-চুবুৰীয়াৰ সৈতে মিলা-প্ৰীতিৰে

থাকি আৰু দীন-দুখীয়াক সহায় কৰি সুখেৰেই জীৱনৰ দিনবোৰ কটাইছিল। তেওঁলোকৰ ঘৰটো আলিবাটৰ দাঁতিতে অৱস্থিত বাবে তেওঁলোকে বাটৰুৱা বা অচিনাকি মানুহকো মাজে সময়ে মাতি আনি আপ্যায়িত কৰিছিল।

প্ৰিমৰোজ-দম্পতিৰ চাৰিটা ল'ৰা আৰু দুজনী ছোৱালী আছিল। প্ৰথম সন্তান আছিল জৰ্জ তাৰ পিছত দুজনী ছোৱালী অলিভিয়া আৰু ছোফিয়া, পিছত আকৌ তিনিটা ল'ৰা- মোছেজ, ডিক আৰু বিল। ল'ৰা-ছোৱালী কেইটি ঘৰ মৰম লগা আছিল। ওচৰ-চুবুৰীয়া সকলেও সিহঁতৰ প্ৰশংসা কৰিছিল। কাহিনীটোৰ আৰম্ভৰ সময়ত অলিভিয়া প্ৰায় ওঠৰ বছৰ বয়সীয়া। তাই আছিল অনিন্দ্য সুন্দৰী। আনহাতে ছোফিয়াৰ সৌন্দৰ্যত আছিল লাৱণ্যৰ পৰশ।

মুঠৰ ওপৰত প্ৰিমৰোজ পৰিয়ালে সুখে-সন্তোষেই কাল-কটাই আছিল। যাজক হিছাপে যি সামান্য বেতন পাইছিল, তাৰ পৰিপূৰক হিছাপে কিছুমান অন্যান্য কাম কৰিও অলপ উপাৰ্জন কৰিছিল। কিন্তু তাৰ পিছত অৱস্থাৰ পৰিৱৰ্তন ঘটিল আৰু প্ৰথমবাৰৰ পৰিবৰ্তনৰ বাবে ড: প্ৰিমৰোজেই দায়ী। তেওঁ আছিল উদ্ধত স্বভাৱৰ লোক। তেওঁৰ নীতি আছিল প্ৰথমা পত্নী ঢুকালে, দ্বিতীয়বাৰ পৰিগ্ৰহণ কৰিব নালাগে। এই বিষয়ত তেওঁ গোড়া আছিল। ইতিমধ্যে তেওঁৰ ডাঙৰ ল'ৰা জৰ্জ অক্সফোৰ্ডত পঢ়া-শুনা সাং কৰি ঘূৰি আহিছিল আৰু গাঁৱৰে এজন ধৰ্মযাজকৰ ছোৱালী মিছ আৰাবেলা উইলমটৰ প্ৰেমত পৰি বিয়া কৰাবলৈ বদ্ধপৰিকৰ হৈছিল। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে আৰাবেলাৰ দেউতাক ইতিমধ্যে তিনিবাৰ বৰলা হৈছিল আৰু চতুৰ্থবাৰ বিয়া কৰাবলৈ সাজু হৈছিল।

এই বিষয়টো লৈ ড: প্ৰিমৰোজ আৰু তেওঁৰ মাজত এদিন ঘোৰ তৰ্ক-বিতৰ্ক হ'ল। ফলত জৰ্জ আৰু আৰাবেলাৰ বিয়াতো কেঁশা লাগিল। ইতিমধ্যে বাতৰি আহিল যে লণ্ডনত এজন ব্যৱসায়ীৰ ব্যৱসায়ত ড: প্ৰিমৰোজে বিনিয়োগ কৰা ধন ব্যৱসায়ৰ পতন হোৱা বাবে অথলে গ'ল। বিয়াখন ভাগি থাকিল আৰু জৰ্জ নিজৰ ভাগ্য-অন্বেষণত লণ্ডনলৈ গুচি গ'ল।

এইবোৰ বিপৰ্যয়ৰ কাৰণে প্ৰিমৰোজ-পৰিয়ালে দূৰৰ গাঁৱলৈ গৈ থাকিবলৈ ল'লে। গাঁৱত আয় আগতকৈও কমিল যদিও, ড: প্ৰিমৰোজে খেতি-বাতিত মন দিয়াত লাহে লাহে পুনৰ সুখ-শান্তিৰ মুখ পৰিয়ালটোৱে দেখিবলৈ পালে।

গাঁৱৰ খেতিয়ক সকলৰ অৱস্থা মধ্যবিত্ত ধৰণৰ আছিল— আফালো নাই, উঁৱালো নাই। সিহঁতে নিজৰ মাটিত খেতি কৰিছিল আৰু দিনটো হাঁহি মুখে পৰিশ্ৰম কৰিছিল। উছৱ পাৰ্বণবোৰ সিহঁতে ধুমধামকৈ পালন কৰিছিল। বৰদিনৰ সময়ত, ছেন্ট ভেলেন্টাইন দিৱসত, পহিলা এপ্ৰিলত আৰু মাইকেলমাছত সিহঁতে স্ফূৰ্তি কৰিছিল। প্ৰিমৰোজ পৰিয়ালৰ ওচৰতে আছিল খেতিয়ক ফ্লেমবৰোৰ ঘৰ। ফ্লেমবৰোৰ কেইবাজনীও জীয়েক আছিল। সিহঁতে প্ৰায়েই প্ৰিমৰোজহঁতৰ ঘৰলৈ আহিছিল। মুঠৰ ওপৰত ড: প্ৰিমৰোজে পৰিয়ালৰ সৈতে সুখৰ জীৱন-যাপন কৰিছিল।

গাঁৱত থকা সময়ত প্ৰিমৰোজ পৰিয়ালত কেতবোৰ হাস্যৰসপূৰ্ণ সৰু-সুৰা ঘটনা ঘটিছিল যিবোৰ গোল্ডস্মিথে অতি নিপুণভাৱে বৰ্ণনা কৰিছে। দুজন লোকে এই সময়ত প্ৰিমৰোজ কাহিনীত উল্লেখযোগ্য ঠাই পাইছে। এজন হ'ল বাৰচেল- প্ৰায় ত্ৰিশ বছৰীয়া ভদ্ৰ আৰু শিক্ষিত। প্ৰিমৰোজ পৰিয়াল গাঁৱলৈ অহাৰ সময়ত বাটত বাৰচেলৰ সৈতে তেওঁলোকৰ পৰিচয় হৈছিল। বাৰচেলে বাটত ছোফিয়াক পানীত বুৰাৰ পৰা ৰক্ষা কৰাৰ কাৰণে প্ৰিমৰোজ পৰিয়াল তেওঁৰ ওচৰত কৃতজ্ঞ আছিল। আনজন লোক আছিল থৰ্নহিল। মানুহে ড: প্ৰিমৰোজক থৰ্নহিলৰ বিষয়ে সঁকীয়াই দিছিল এইবুলি যে থৰ্নহিলৰ নাৰীৰ প্ৰতি দুৰ্বলতা বৰ বেছি। কিন্তু থৰ্নহিলৰ আচাৰ-ব্যৱহাৰ ইমান অমায়িক আৰু ভদ্ৰ আছিল যে ড: প্ৰিমৰোজে ভাবিছিল যে মানুহে মিছাকৈয়ে তেওঁৰ বদনাম গায়। শ্ৰীমতী প্ৰিমৰোজে মনে মনে থৰ্নহিলক অলিভিয়াৰ দৰা হিছাপেও পছন্দ কৰিলে। ছোফিয়া বাৰছেলৰ প্ৰতি আকৰ্ষিত হৈছিল যদিও এটা অপ্ৰিয় ঘটনাই তেওঁক প্ৰিমৰোজ পৰিয়ালৰ পৰা আঁতৰাই পঠিয়ালে।— লাহে লাহে থৰ্নহিলে নিজৰ মূৰ্তি ধাৰণ কৰিলে।বিয়া কৰোৱা তেওঁৰ উদ্দেশ্য নাছিল, উদ্দেশ্য আছিল ভোমোৰাৰ দৰে মৌৰ সোৱাদ লোৱা। এদিন গধূলি নুমলীয়া ল'ৰা ডিকে আহি মাক-দেউতাকক ক'লেহি যে দুজন লোকে অলিভিয়াক ঘোঁৰা-ৰাগীত তুলি লৈ গৈছে। এই কথা শুনি ড: প্ৰিমৰোজ খণ্ডত পিস্তললৈ পিছে পিছে খেদা দিব খুজিছিল যদিও, ৰাতিলৈ সেই কাম স্থগিত ৰাখি ৰাতিপুৱা অলিভিয়াক বিচাৰি গ'ল। অৱশ্যে তেওঁ লগত পিস্তল নিনিলে।

যোৱাৰ বাটত তেওঁ অসুখত পৰি এটা অতিথিশালাত কেইবা সপ্তাহো কটাবলগীয়া হ'ল। অৱশেষত তেওঁ ঘৰলৈ উভতি যোৱাৰ মনস্থ কৰিলে আৰু

ওভতা বাটত এটা ভ্ৰাম্যমান নাট্য দলক লগ পালে। নাট্য দলত তেওঁৰ পুত্ৰ জৰ্জো আছিল। জৰ্জে বাপেকক সকলো কথা বিৱৰি ক'লে। উভতি আহি ঘৰৰ ওচৰ পোৱাত ড: প্ৰিমৰোজে গম পালে যে অলিভিয়া এটা অতিথিশালাত বেমাৰত ভুগি পৰি আছে। তেওঁ জীয়েকক লগত লৈ আহিল। কিন্তু ঘৰৰ ভাড়া দিব নোৱাৰা বাবে থৰ্নহিলে ড: প্ৰিমৰোজক জেলত ভৰোৱালে। (থৰ্নহিল আছিল গাঁৱত প্ৰিমৰোজ পৰিয়ালে বাস কৰা ঘৰৰ মালিক)। জৰ্জে ভনীয়েক অলিভিয়াক ধৰ্ষণকাৰী থৰ্নহিলক আক্ৰমণ কৰিলে আৰু থৰ্নহিলৰ বন্ধু এজনক আহত কৰিলে। ফলত জৰ্জো বাপেক থকা জেলত থাকিবলগীয়া হ'ল। এনেতে বাতৰি আহিল যে ছোফিয়াকো অপহৰণ কৰিলে আৰু অলিভিয়াৰ মৃত্যু হ'ল।

ইয়াৰ পিছত ঘটনাৰ গতিত পৰিৱৰ্তন আহিবলৈ ধৰিলে। থৰ্নহিলৰ খুৰায়েক ছাৰ উইলিয়াম থৰ্নহিললৈ দিয়া এখন চিঠিয়ে কাম দিলে। ছাৰ উইলিয়াম আহি ড: প্ৰিমৰোজক মুকলি কৰিলে। তেওঁ দেখি আচৰিত হ'ল যে ছাৰ উইলিয়াম আন কোনো নহয়, বাৰচেল! জৰ্জোও জেলৰ পৰা মুক্ত হ'ল। জনা গ'ল যে অলিভিয়া আচলতে মৰা নাই। থৰ্নহিলে তাইক আইনমতে বিয়া কৰাইছে। লণ্ডনৰ যিজন ব্যৱসায়ীৰ ব্যৱসায়ত ড: প্ৰিমৰোজে ধন খটুৱাইছিল, তাৰ পৰাও কিছু ধন উদ্ধাৰ হ'ল। ইতিমধ্যে বাৰচেলে অপহৰণকাৰীহঁতৰ কবলৰ পৰা ছোফিয়াকো উদ্ধাৰ কৰাৰ বাতৰি আহিল। সকলো পৰিস্থিতি ভালৰ ফালে আহিল। জৰ্জে আৰাবেলাক বিয়া কৰালে, ছোফিয়াৰ বিয়া হ'ল ছাৰ উইলিয়াম থৰ্নহিলৰ সৈতে, অলিভিয়াৰ গিৰিয়েকৰো নৈতিক পৰিৱৰ্তনৰ সূচনা দেখা গ'ল।

'ভাইকাৰ অৱ ৱেকফিল্ড' উপন্যাসৰ জৰিয়তে অলিভাৰ গোল্ডস্মিথে মানৱ-জীৱনৰ উত্থান-পতনৰ কাহিনী বৰ্ণনা কৰাৰ উপৰিও সুন্দৰ ভৱিষ্যতৰ এখন ছবি আঁকি থৈ গৈছে।

জেমছ্ বছৱেলৰ ছেমুৱেল জনছনৰ জীৱনী

(২৮)

জেমছ বছৱেল আছিল স্কটলেণ্ডৰ মানুহ। জমিদাৰ লৰ্ড অকিনলেকৰ পুত্ৰ বছৱেলে দেউতাকৰ পৰা পোৱা মাহিলী ভাট্টাৰে ডেকা কালছোৱা লণ্ডনত টিঘিল ঘিলাই ফুৰিছিল। এই সময়তে ১৭৬৩ চনৰ ১৬ মে'তাৰিখে লণ্ডনৰ কভেণ্ট গাৰ্ডেন অঞ্চলৰ ৰাছেল ষ্ট্ৰীটত অৱস্থিত এখন কিতাপৰ দোকানৰ পিছফালে থকা কোঠালিত তেওঁ পোন-প্ৰথমবাৰৰ বাবে ডক্টৰ ছেমুৱেল জনছনক লগ পাইছিল। তেতিয়া জনছনৰ বয়স ৫৪ বছৰ। লণ্ডনৰ সাহিত্যিক-মহলত ইতিমধ্যে তেওঁ সু-প্ৰতিষ্ঠিত আৰু মধ্যমণি স্বৰূপ। তেওঁৰ বন্ধুবৰ্গৰ মাজত আছিল বুৰঞ্জীবিদ গিবন, শিল্পী জোছুৱা ৰেনল্ডছ, সুবক্তা বাৰ্ক, অভিনেতা গেৰিক প্ৰমুখ্যে সমসাময়িক কালৰ ভালেমান সুধী।

চেহেৰাৰ দিশৰ পৰা জনছন অকণো শুৱনি নাছিল। পিৰিক্‌পাৰাক কৰি থকা চকু, অঁভজা খোজ-কাটল, ওখোৰা-মোখোৰা মুখমণ্ডল, মূৰত উইগ আৰু পিন্ধনত জধলা পোছাক। দেখিলে কব নোৱাৰি যে তেওঁ লণ্ডনৰ আধুনিক জগতৰ অধিবাসী,বৰং জীৱনৰ প্ৰথমছোৱা অসীম দাৰিদ্ৰ্যৰ মাজেৰে কটোৱা, ধনৰ অভাৱত উপবাস খটা দিনবোৰৰ প্ৰতিনিধি যেনহে হৈ আছিল।

চিনা-পৰিচয় হোৱাৰ পিছতো জনছনে প্ৰথমে কিছুদিনলৈ বছৱেলক প্ৰশ্ৰয় দিয়া নাছিল। কিন্তু বছৱেল জনছনৰ প্ৰতি এনেদৰে আকৰ্ষিত হৈছিল যে অৱশেষত দুয়োৰে বন্ধুত্ব হ'লগৈ। ১৭৬৩ চনৰ পৰা জনছনৰ মৃত্যুৰ কাল ১৭৮৩ চনলৈ সুদীৰ্ঘ কুৰি-বছৰ জোৰা এই বন্ধুতা কেইবাটাও কাৰণত সম্ভৱ হৈছিল। জনছনে অভিজাত পৰিয়ালৰ মানুহক ভাল পাইছিল, বছৱেলক বেছ স্ফূৰ্তিবাজ মানুহ যেন তেওঁৰ লাগিছিল আৰু বছৱেলৰ প্ৰশংসাত তেওঁ আত্মতৃপ্তি লাভ কৰিছিল। বছৱেল আছিল তেওঁৰ বুদ্ধিদীপ্ত কথাবতৰাৰ প্ৰতিফলন স্বৰূপ; মাজে মাজে বছৱেল তেওঁৰ খুহতীয়া ঠাট্টা-তামাছাৰ লক্ষ্যস্থলো হৈছিল। জনছন আছিল উদাৰ হৃদয়ৰ লোক,ডেকা বন্ধুজনৰ ওপৰত প্ৰভাৱ-বিস্তাৰ কৰাৰ কিটিপ তেওঁ জানিছিল। এবাৰ জনছনে বছৱেলৰ প্ৰতি তেওঁৰ প্ৰীতিৰ কাৰণ ব্যাখ্যা কৰিছিল এইদৰে:

'মই ডেকাৰ সংগ ভাল পাওঁ; কাৰণ, প্ৰথমতে মই যে বুঢ়া হৈ আহিছো সেইকথা ভাবিবলৈ মই ভাল নাপাওঁ। দ্বিতীয়তে, ডেকাৰ সৈতে হোৱা বন্ধুত্ব দীৰ্ঘস্থায়ী হয়। তদুপৰি বুঢ়াতকৈ ডেকাৰ ভালেমান বেছি সদগুণ থাকে। প্ৰতিটো কথাতে তেওঁলোক বুঢ়াতকৈ উদাৰ অনুভূতিৰ।'

জনছনে সম্ভৱত: পৰোক্ষভাৱে হ'লেও উপলব্ধি কৰিছিল যে তেওঁৰ জীৱনী লেখিবলৈ বুলি যিজনে তথ্যাদি সংগ্ৰহ কৰি আছে, সেই বছৱেল এজন প্ৰতিভাবান ব্যক্তি। সমসাময়িক বহু তৰুণৰ দৰে বছৱেলেও অনুভৱ কৰিছিল যে ছেমুৱেল জনছন তেওঁৰ সময়ৰ সৰ্বশ্ৰেষ্ঠ ব্যক্তি। বছৱেলক যদিও দেউতাকে উকিল হ'বলৈ লণ্ডনলৈ পঠাইছিল, বছৱেলে নিজে কিন্তু লেখক হ'বলৈহে মনত হাবিয়াস পুহি ৰাখিছিল। ডক্টৰ জনছনৰ মাজত তেওঁ সেই হাবিয়াস পূৰ কৰাৰ সমল বিচাৰি পাইছিল আৰু এই মহৎ লোকজনৰ জীৱন-কাহিনী লেখাৰ জৰিয়তে নিজকে প্ৰকাশ কৰাৰ সংকল্প কৰিছিল।

বছৱেলৰ গ্ৰন্থত ড: জনছন জীৱন্ত ৰূপত বিচৰণ কৰিছে। তেওঁৰ খোৱা-পিয়া, কথা-বতৰা, চলা-ফুৰাৰ প্ৰতিটো ভংগিমা পঢ়ুৱৈৰ চকুৰ আগত চলচ্চিত্ৰৰ দৰে বছৱেলে উপস্থাপিত কৰিছে। প্ৰকৃতপক্ষে, জীৱনী-সাহিত্যৰ এই সৰ্বশ্ৰেষ্ঠ গ্ৰন্থখন জীৱনী নহৈ আত্মজীৱনীৰ পৰ্যায়লৈ উন্নীত হৈছে। সন্দেহ নাই যে বছৱেল আৰু জনছন দুয়োজন ব্যক্তি তেওঁলোকৰ সমসাময়িক বহুতকৈ ওখ থাপৰ আছিল।

ছেমুৱেল জনছনৰ জন্ম হৈছিল ১৭০৯ চনত। তেওঁৰ দেউতাক আছিল এজন কিতাপ বেচোঁতা। কিন্তু ব্যৱসায়ত তেওঁ দেউলীয়া হয়। জনছন সৰু কালৰে পৰা অতি চোকা বুদ্ধিৰ আছিল। তেওঁৰ স্মৃতি-শক্তি আছিল অসাধাৰণ। পৃষ্ঠপোষকৰ সৈতে হোৱা কাজিয়াৰ ফলস্বৰূপে তেওঁ অক্সফোৰ্ডৰ পেমব্ৰ'ক কলেজৰ শিক্ষা ডিগ্ৰী নোলোৱাকৈ শেষ কৰিবলগীয়া হয়। কিছুদিন তেওঁ স্কুল-মাষ্টৰী কৰে। তেওঁতকৈ কুৰি বছৰৰ ডাঙৰ মিছেছ পোৰ্টাৰ নামৰ এগৰাকী বিধবাক জনছনে বিয়া কৰাইছিল। ১৭৫২ চনত পোৰ্টাৰৰ মৃত্যু হয়। তেতিয়াও জনছনৰ অক্ষম কীৰ্তিস্বৰূপ 'ইংৰাজী ভাষাৰ অভিধান'(Dictionary of the English Language) প্ৰকাশ হোৱা নাছিল, কিন্তু লণ্ডনৰ বিষয়ে লিখা তেওঁৰ কবিতা আৰু 'ৰেম্বলাৰ' কাকতত লেখা প্ৰবন্ধবোৰে তেওঁক জনসমাজত পৰিচয় কৰাইছিল। ১৭৫৪ চনত অভিধান প্ৰকাশ হোৱাৰ পিছৰ পৰা জনছনৰ

আন্যাবো পৰিবৰ্তন হ'বলৈ ধৰে। ইংলেণ্ডৰাজ তৃতীয় জৰ্জে তেওঁক এটা পেন্সন মঞ্জুৰ কৰে।

জনছনৰ বহুতো অন্ধবিশ্বাস আৰু চাৰিত্ৰিক অসংগতি আছিল। তেওঁ অপদেৱতাত বিশ্বাস কৰিছিল, নানা ধৰণৰ ধৰ্মীয় সংস্কাৰৰ প্ৰতিও তেওঁৰ দুৰ্বলতা আছিল। তেওঁ স্কটলেণ্ডৰ লোকক আৰু আমেৰিকানসকলক ঘৃণা কৰিছিল। সমসাময়িক সাহিত্যবো তেওঁ সুবিচাৰক নাছিল। কবি পোপ আৰু ড্ৰাইডেনক প্ৰশংসা কৰিছিল যদিও ছুইফ্‌টৰ গালিভাৰ ট্ৰেভেল্‌ছ, ষ্টাৰ্ণৰ ত্ৰিষ্টাৰ্ম ছেণ্ডি, ফিল্‌ডিঙৰ টম জোনছৰ বিৰূপ সমালোচনা কৰিছিল।

তেওঁৰ কথা কোৱাৰ অদ্ভুত ধৰণ, বুদ্ধিদীপ্ত মন্তব্য আৰু প্ৰত্যুৎপন্নমতিত্বই তেওঁক বুদ্ধিজীৱী মহলত শ্ৰেষ্ঠত্বৰ আসন দিছিল। এবাৰ কথোপকথনৰ সময়ত এজন ভদ্ৰ লোকৰ বিষয়ে উল্লেখ হৈছিল। ভদ্ৰলোকজনে প্ৰথমবাৰৰ অসুখী বিবাহ বিচ্ছেদ হোৱাত দ্বিতীয়বাৰ বিয়া কৰালে। জনছনে তপৰাই ক'লে- ই অভিজ্ঞতাৰ ওপৰত আশাৰ বিজয় সূচনা কৰে।

কিন্তু জনছন কেৱল এজন তীক্ষ্ণ বুদ্ধিৰ আলাপী লোকেই নাছিল, তেওঁ আছিল পণ্ডিত ব্যক্তি। তেওঁৰ 'অভিধান' আৰু কবি-জীৱনী' (Lives of the poets) ইংৰাজী সাহিত্যলৈ উল্লেখযোগ্য অৱিহণা। তেওঁ আছিল অষ্টাদশ শতিকাৰ প্ৰতিনিধি স্বৰূপ। অতি দৰিদ্ৰ অৱস্থাৰ পৰা তেওঁ খ্যাতিৰ শীৰ্ষত আৰোহণ কৰিছিল। এবাৰ মৃত্যু সম্পৰ্কে বছৱেলে সোধা প্ৰশ্নৰ উত্তৰত তেওঁ কৈছিল, 'মানুহ কেনেকৈ মৰে সেয়া গুৰুত্বপূৰ্ণ নহয়, কেনেকৈ জীয়াই থাকে সেয়াহে আচল কথা।' ধৰ্মৰ প্ৰতি গভীৰ বিশ্বাসে তেওঁক বদান্যতা দিছিল। বিপদত পৰাজনক তেওঁ পাৰ্যমানে সহায় কৰিছিল। তেওঁৰ লণ্ডনৰ ঘৰত ভালেমান লোকে মুকলিমূৰীয়াভাৱে খাই বৈ কটাইছিল।

বছৱেলে অষ্টাদশ শতিকাৰ এই মহৎ লোকজনৰ জীৱনীত জীৱনী-সাহিত্যৰ আদৰ্শ প্ৰতিষ্ঠা কৰি গৈছে। মেকলেই লেখিছে, 'জনছনৰ জীৱনী প্ৰকৃততে এখন মহৎ গ্ৰন্থ। জীৱনীকাৰ হিছাপে বছৱেল একক-যিদৰে বীৰত্বপূৰ্ণ কাব্যত হোমাৰ, নাটকত ছেক্সপীয়েৰ, সেইদৰে জীৱনী-সাহিত্যতো বছৱেল অদ্বিতীয়।'

জেন অষ্টেনৰ প্ৰাইড এণ্ড প্ৰিজুডিছ

(২৯)

জেন অষ্টেন আছিল ইংলণ্ডৰ হেম্পশ্বায়াৰ জিলাৰ ষ্টিভেনছন গাঁৱৰ গীৰ্জাৰ অধ্যক্ষ জৰ্জ অষ্টেনৰ নুমলীয়া কন্যা। ১৭৭৫ চনৰ ১৬ ডিচেম্বৰত জন্ম গ্ৰহণ কৰা জেনে সৰু কালৰ পৰাই গল্প লেখিবলৈ আৰম্ভ কৰে। প্ৰাইড এণ্ড প্ৰিজুডিছ তেওঁৰ প্ৰথম উপন্যাস। ১৭৯৬ চনত লিখিবলৈ আৰম্ভ কৰি ১৭৯৭ চনৰ আগষ্টত তেওঁ উপন্যাসখন সম্পূৰ্ণ কৰে। কিন্তু প্ৰকাশকে কিতাপখন প্ৰত্যাখ্যান কৰাত তেওঁ হতাশ হয়। ইতিমধ্যে তেওঁ 'ছেন্স এণ্ড ছেন্সিবিলিটি' আৰু 'নৰ্থাংগাৰ এবি' নামৰ আন দুখন উপন্যাস ৰচনা কৰে যদিও, এই দুখনৰ কাৰণেও প্ৰকাশক নাপালে। ফলত ১৮০৯ চনলৈ জেনে একোকে লেখা নাছিল। ১৮১১-১৮১৩ চনৰ এই কালছোৱাত 'জেমছফিল্ড পাৰ্ক' আৰু তাৰ পিছত 'এমা' নামৰ উপন্যাস লেখে। ১৮১৩ চনৰ জানুৱাৰীত 'প্ৰাইড এণ্ড প্ৰিজুডিছ' প্ৰকাশ হয়। ১৮১৫ চনত তেওঁ শেষ উপন্যাস 'পাৰছুৱেছন' লেখি শেষ কৰে। ১৮১৭ চনৰ ১৮ জুলাইত ৪২ বছৰ বয়সত জেন অষ্টেনৰ মৃত্যু হয়।

'প্ৰাইড এণ্ড প্ৰিজুডিছ'ৰ নায়িকা এলিজাবেথ আছিল লংবৰ্ণ গাঁৱৰ মিষ্টাৰ আৰু মিছেছ বেনেটৰ দ্বিতীয়া কন্যা। মাকৰ জীৱনৰ যাই লক্ষ্য আছিল পাঁচোজনী জীয়ৰীক বিয়া দিয়া। মি: বিংলি নামৰ এজন ধনী অবিবাহিত ডেকা ওচৰৰ গাঁও নেদাৰফিল্ডত বসবাস কৰিবলৈ লোৱাত মিছেছ বেনেটে তেওঁৰ সৈতে পৰিচয় হ'বলৈ গিৰিয়েকক ক'লে। মিছেছ বেনেটৰ উদ্দেশ্য আছিল এজনী জীয়ৰীৰ সৈতে বিংলিৰ বিয়া পতা।

বিংলিয়ে নাচৰ বাবে লণ্ডনৰ পৰা এটা দল আনিছিল। দলত আছিল তেওঁৰ দুজনী ভনীয়েক, বৈনায়েক মি: হাৰ্ষ্ট আৰু মি: ডাৰ্চি নামৰ এজন দেখনিয়াৰ ডেকা। কিন্তু ডাৰ্চি আছিল দাম্ভিক প্ৰকৃতিৰ-বিংলিৰ ওলোটা চৰিত্ৰৰ। ডাৰ্চিয়ে এবাৰ মিছ বিংলিৰ সৈতে আৰু এবাৰ মিছেছ ডাৰ্ষ্টৰ সৈতে নাচিলে। সমবেত অন্যান্য মহিলাৰ সৈতে পৰিচিত হ'বলৈ তেওঁ ইচ্ছা নকৰিলে।

এলিজাবেথ বেনেটে সংগীৰ অভাৱত নানাচি বহি থকাত বিংলিয়ে ডাৰ্চিক এলিজাবেথৰ সৈতে নাচিবলৈ কোৱাত তেওঁ ক'লে: 'ছোৱালীজনী ভাল যদিও মোক আকৰ্ষণ কৰিব পৰাকৈ ধুনীয়া নহয়।' এলিজাবেথৰ মাক মিছেছ বেনেটে জীয়েকৰ বিষয়ে এনে মন্তব্য কৰা বাবে ডাৰ্চিক বৰ বেয়া পালে। যি নহওক, বিংলিয়ে মিছেছ বেনেটৰ বৰজীয়ৰী জেনৰ সৈতে দুবাৰ নাচিলে আৰু জেনৰ সৌন্দৰ্যৰ প্ৰশংসা কৰিলে। আনজনী জীয়েক মেৰিকো বিংলিয়ে ভাল বুলিলে।

কেইদিনমান পিছত বিংলিয়ে জেনক খাবলৈ নিমন্ত্ৰণ জনোৱাত মিছেছ বেনেট আনন্দিত হ'ল। কিন্তু সেইদিনা বৰষুণ হোৱাত যাওঁতে বাটত তিতি জেন বিংলিৰ ঘৰত অসুখত পৰি তাতেই কেইদিনমান থাকিবলগীয়া হয়। ভনীয়েক এলিজাবেথ তিনি মাইল খোজকাঢ়ি নেদাৰফিল্ডলৈ গ'ল জেনৰ খবৰ ল'বলৈ। জেনে এলিজাবেথক পাই আনন্দিত হ'ল আৰু বিংলিৰ ভনীয়েকে তেওঁক কেইদিনমান থাকিবলৈ অনুৰোধ কৰিলে। তাত থকাৰ সময়ছোৱাত ডাৰ্চিয়ে এলিজাবেথক লক্ষ্য কৰি প্ৰথমে দেখাতকৈ বেছি সুন্দৰী যেন দেখিলে আৰু তেওঁৰ প্ৰতি সুকীয়া মনোভাৱ ল'লে।

জেনৰ অসুখ কিছু ভাল হোৱাত চাৰ্লছ বিংলিয়ে জেনৰ বিশেষ আপডাল লবলৈ ধৰিলে।

দুয়োজনী ভনীয়েক ঘৰলৈ উভতি অহাৰ দিনা তেওঁলোকৰ ঘৰত উপস্থিত হ'লহি দেউতাকৰ সম্বন্ধীয়া ভতিজাক মি: কলিন্‌ছ। কলিন্‌ছ আছিল মই-বৰ স্বভাৱৰ। তেওঁ মি: বেনেটৰ ছোৱালী এজনী বিয়া কৰাবৰ ইচ্ছা প্ৰকাশ কৰাত জেন ইতিমধ্যে বাক্‌দত্তা হোৱাৰ পথত বুলি জানি এলিজাবেথকে মনে মনে পছন্দ কৰিলে। পিছদিনা কলিন্‌ছ বেনেট জীয়ৰীহঁত লগত লৈ মেৰিটনত থকা মামীয়েক মিছেছ ফিলিপছৰ ঘৰলৈ যাওঁতে বাটত মি: ডেনি আৰু মি: উইকহাম নামৰ দুজন সৈনিক-বিষয়াৰ সৈতে পৰিচয় হ'ল। বাটত থিয় হৈ কথা বতৰা হোৱাৰ সময়ত ডাৰ্চি আৰু বিংলিক ঘোঁৰাত উঠি অহা দেখা গ'ল। তেওঁলোকে ঘোঁৰা ৰখাই জেনৰ স্বাস্থ্যৰ ভু-ভা ল'লে। উইকহামে ডাৰ্চিক নমস্কাৰ জনোৱাত ডাৰ্চিয়ে উপেক্ষাৰ ভাবত প্ৰতি-নমস্কাৰ জনালে। এলিজাবেথে লক্ষ্য কৰিলে যে দুয়োজনৰ মুখৰ বৰণ সলনি হৈছে। ইয়াৰ কাৰণ কি হ'ব পাৰে, সেই কথা আচৰিত হৈ তেওঁ ভাবিলে। পিছত তেওঁ

গম পালে যে যদিও ডার্চিইভব পৰিয়ালৰ সৈতে উইকহ্যমৰ এসময়ত ভাল সম্বন্ধ আছিল, ডার্চিয়ে তেওঁৰ সৈতে বেয়া ব্যৱহাৰ কৰা বাবে সম্বন্ধত ক্ষেণা লাগিছে।

আৰৌ কিছুদিনৰ পিছত বিংলিয়ে নেদাৰফিল্ডত বল-নাচ পতাত এলিজাবেথে তাত উইকহ্যমক লগ পোৱাৰ আশা কৰিছিল যদিও তেওঁ চহৰলৈ যোৱা বাবে লগ নাপালে। সেইদিনা সন্ধিয়াটো জেন আৰু বিংলিয়ে পৰস্পৰৰ সহচৰ্যত আনন্দেৰে কটালে।

পিছদিনা কলিন্‌ছে এলিজাবেথক বিয়া কৰোৱাৰ প্ৰস্তাৱ দিলে, কিন্তু এলিজাবেথে প্ৰস্তাৱটো প্ৰত্যাখ্যান কৰাত মাক আৰু কলিন্‌ছ দুয়ো বেয়া পালে। কলিন্‌ছে চার্লটি লুকাছ নামৰ আন এজনী ছোৱালীৰ সৈতে বাক্‌দত্তা হ'ল। ইতিমধ্যে বাতৰি আহিল যে বিংলিয়ে আৰু কেতিয়াও ঘূৰি নাহিবলৈ মনস্থ কৰি নেদাৰফিল্ড এৰি গুচি গৈছে। মিছেছ বেনেট এইবোৰ ঘটনাত মৰ্মাহত হ'ল।

কলিন্‌ছ আৰু চার্লটিৰ বিয়া হৈ গ'ল। ইতিমধ্যে এলিজাবেথে গম পালে যে বিংলিক জেনৰ পৰা আঁতৰাই নিয়াত ডার্চিয়ে ভূমিকা লৈছিল। সেয়ে ডার্চিয়ে বিয়াৰ প্ৰস্তাৱ দিয়াত এলিজাবেথে ঘৃণাৰে প্ৰত্যাখ্যান কৰিলে। পিছদিনা ডার্চিয়ে ক্ষমা খুজি এলিজাবেথলৈ এখন দীঘল চিঠি লেখিলে। আনহাতে উইকহ্যমে ডার্চিৰ পোন্ধৰ বছৰ বয়সীয়া ভনীয়েক জৰ্জিনাক লৈ পলাব খুজিছিল যদিও ডার্চিৰ কাৰণে নোৱাৰিলে। ডার্চিৰ চিঠিয়ে এলিজাবেথক ভবাই তুলিলে। জৰ্জিনাক নিব নোৱাৰি উইকহ্যমে এলিজাবেথৰ ভনীয়েক লিডিয়াক পলুৱাই নি বিয়া কৰালে। এই বিয়া সম্পাদন কৰাত ডার্চিয়ে উল্লেখযোগ্য ভূমিকা লৈছিল বুলি পিছত এলিজাবেথে গম পালে।

বিংলি নেদাৰফিল্ডলৈ ঘূৰি আহি ডার্চিক লগত লৈ সংবৰ্ণলৈ বেনেট পৰিয়ালৰ ঘৰলৈ গ'ল। বিংলি আৰু জেনৰ মাজত বিয়াৰ বন্দোবস্ত হ'ল। কিছুদিন পিছত ডার্চি পুনৰ বেনেট পৰিয়ালৰ ঘৰলৈ আহি এলিজাবেথক বিয়া কৰোৱাৰ প্ৰস্তাৱ দিলে। ইতিমধ্যে এলিজাবেথে ডার্চি যে প্ৰকৃততে ভাল মানুহ, সেই কথা উপলব্ধি কৰিছিল। গতিকে এইবাৰ তেওঁ সন্মতি দিলে।

'প্ৰাইড এণ্ড প্ৰিজুডিছ'ক জেন অষ্টেনৰ সৰ্বশ্ৰেষ্ঠ উপন্যাস আখ্যা দিয়া

হৈছে। গ্ৰাম্য পটভূমিত মধ্যবিত্ত পৰিয়ালৰ যি ছবি তেওঁ আঁকিছে, তাত মিলনান্ত ঘটনাই শেষলৈ প্ৰাধান্য লাভ কৰিছে। সাধাৰণ ঘটনাকো বৰ্ণনাৰ ভৱিষ্যতে আকৰ্ষণীয় কৰি তোলাৰ ক্ষমতা তেওঁৰ আছিল। ইংৰাজী উপন্যাস সাহিত্যত 'প্ৰাইড এণ্ড প্ৰিজুডিছ' অন্যতম 'মাষ্টাৰপিচ' বুলি স্বীকৃত হৈছে। মহিলা লেখিকা হিচাপে জেন অষ্টেনৰ স্থান যথেষ্ট আগশাৰীত। তেওঁৰ আলোচ্য উপন্যাসখনক ধ্ৰুপদী আখ্যা দিয়া হয়।

টমাছ্ কার্লাইলৰ ফ্ৰেন্স ৰিভলিউচন

(৩০)

বিশ্ব ইতিহাসত যিবোৰ ঘটনা বৃহৎ আৰু গুৰুত্বপূৰ্ণ বুলি চিহ্নিত হৈছে, তাৰ ভিতৰত ১৭৮৯ চনৰ ফৰাচী বিপ্লৱ অন্যতম। ফৰাচী বিপ্লৱ সম্পৰ্কে অসংখ্য গ্ৰন্থ ৰচিত হৈছে যদিও প্ৰতিভাশালী স্কটলেণ্ডীয় সাংবাদিক সাহিত্যিক টমাছ্ কাৰ্লাইলৰ 'দি ফ্ৰেন্স ৰিভলিউচন' (ফৰাচী বিপ্লৱ) গ্ৰন্থখন অনন্য সাধাৰণ বুলি প্ৰসিদ্ধ হৈছে।

গ্ৰন্থখন লেখাৰ কোনো ধৰণৰ পূৰ্ব পৰিকল্পনা কাৰ্লাইলৰ নাছিল। ফৰাচী দেশৰ ওপৰত তেওঁৰ বিশেষ আকৰ্ষণো নাছিল, ফৰাচী ভাষাৰ ওপৰত তেওঁৰ দখলো নাছিল। এবাৰ তেওঁ বিপ্লৱৰ আগতে ফৰাচী ৰাজদৰবাৰত হীৰাৰ নেক্‌লেচ এডালৰ সম্পৰ্কত হোৱা অপবাদ সম্পৰ্কীয় প্ৰবন্ধ লেখাৰ উপকৰণ বিচাৰোঁতে ফৰাচী বিপ্লৱ সম্পৰ্কে লেখাৰ ধাৰণা তেওঁৰ মনত জাগে।

কাৰ্লাইলে উক্ত অপবাদ সম্পৰ্কে প্ৰবন্ধটো লেখি উঠি সামগ্ৰিক ভাৱে ফৰাচী বিপ্লৱ সম্পৰ্কে অনুসন্ধান চলাবলৈ ধৰে। কিহে এই বিপ্লৱ ঘটালে ? ঠিক সেই সময়তে কিয় বিপ্লৱ হ'ল ? ইয়াত কোনে কোনে প্ৰধান ভূমিকা লৈছিল ? ইয়াৰ অন্তৰালত কি নৈতিক বিধি সক্ৰিয় আছিল ? - এই প্ৰশ্নবোৰ তেওঁৰ মনত উদয় হ'ল। তেওঁ উপলব্ধি কৰিলে যে এডিনবৰাত প্ৰশ্নবোৰৰ উত্তৰৰ সমল নাই। তেওঁ লণ্ডনলৈ যোৱা ঠিৰাং কৰি ১৮৩৪ চনৰ জুন মাহৰ কোনো এটা দিনত লণ্ডন পালেহি। লণ্ডনৰ চেলছি অঞ্চলৰ চেইন ৰো ত কাৰ্লাইলে পত্নীৰ সৈতে বসবাস কৰিবলৈ ল'লে। সেই ঠাইতে তেওঁৰ মৃত্যুৰ সময় পৰ্যন্ত প্ৰায় পঞ্চাশ বছৰ আছিল। লণ্ডনত যি সকলৰ সৈতে তেওঁৰ বন্ধুতা হৈছিল, তাৰ ভিতৰত অন্যতম আছিল উপযোগিতাবাদী দৰ্শনৰ প্ৰবক্তা জন ষ্টুৱাৰ্ট মিল।

লণ্ডনত থাকিবলৈ লোৱাৰ পাঁচমাহৰ ভিতৰতে 'ফৰাচী বিপ্লৱ'ৰ প্ৰথম খণ্ডৰ ৰচনা সম্পূৰ্ণ হোৱাত কাৰ্লাইলে মন্তব্যৰ কাৰণে মিলৰ ওচৰলৈ পঠিয়ালে।

মিলে আকৌ তেওঁৰ অন্তৰংগ সাহিত্য-ৰসিক বান্ধৱী মিছেছ হেৰিয়েট টেলৰক পঢ়িবলৈ দিলে। তাতে মিছেছ টেলৰৰ পৰিচাৰিকাজনীৰ অসাৱধানতাৰ বাবে পাণ্ডুলিপিটো জুইত ভস্মীভূত হ'ল, মাত্র চাৰি পাঁচটামান পৃষ্ঠাহে ৰক্ষা পৰিল। এই দুৰ্ঘটনাত মিল মৰ্মাহত হ'ল যদিও, কাৰ্লাইলে হতাশ নহৈ পুনৰ নতুনকৈ লেখিবলৈ লৈ ১৮৩৭ চনৰ আগছোৱাত সমাপ্ত কৰিলে।

ছমাহ পিছত গ্রন্থখন প্রকাশ হ'ল আৰু লগে লগে ই পঢ়ুৱৈ সমাজৰ সমাদৰ পালে। লেখাৰ প্রসাদ গুণৰ বাবে এই গ্রন্থ সর্বসাধাৰণ ইতিহাস-গ্রন্থৰ পৰা সুকীয়া বুলি বিবেচিত হ'ল। কাৰ্লাইৰ কল্পনা-শক্তি ইমানেই প্রখৰ আছিল যে তেওঁ অতীতৰ ঘটনাৱলীক পুনর্নির্মাণ কৰি জীৱন্ত ৰূপ দিবলৈ সক্ষম হৈছিল।

ফ্রান্সৰ ৰজা পঞ্চদশ লুইৰ মৃত্যুকালীন কাহিনীৰে কাৰ্লাইলে 'ফৰাচী বিপ্লৱ' আৰম্ভ কৰিছে। 'পঞ্চদশ লুইয়ে যুদ্ধ-বিগ্ৰহ আৰু উশৃংখল জীৱনৰ জৰিয়তে ফ্রান্সক ধ্বংসৰ মুখলৈ ঠেলি পঠিয়াইছিল। ৰাজপৰিয়ালে অৱনতিৰ চৰম সীমা পাইছিলগৈ। প্রজাৰ পৰা শোষণ কৰি আদায় কৰা কৰৰ ধন লাহ-বিলাহ, আমোদ-প্রমোদ আৰু ইন্দ্রিয়-চৰিতাৰ্থৰ কামত ব্যয় কৰিছিল অভিজাত সম্প্রদায়ে। গীৰ্জা-সম্প্রদায় অর্থাৎ যাজক শ্রেণী বুৰ গৈছিল কু-সংস্কাৰৰ অন্ধকূপত। শিক্ষিত সকলৰ পথ প্রদর্শক আছিল দাৰ্শনিক সকল। আৰু সর্বসাধাৰণ জনগণ ? তেওঁলোকক আইনমতে পৰিশ্রম কৰিবলৈ, কৰ দিবলৈ, যুদ্ধক্ষেত্ৰত প্ৰাণ দিবলৈ বাধ্য কৰোৱা হৈছিল। তেওঁলোকৰ শ্ৰম আছিল আনৰ অধীনত, তেওঁলোকৰ নিজৰ বুলিবলৈ একোকে নাছিল। অশিক্ষিত, অসুখী, অভুক্ত, ঘন-অন্ধকাৰত যন্ত্ৰণাক্লিষ্ট, চৰম দুৰ্দশাগ্ৰস্ত আৰু পৰাধীন- এয়েই আছিল লাখ লাখ লোকৰ নিয়তি।'

অধ্যায়ৰ পিছত অধ্যায় জুৰি ধীৰ গতিৰে কাৰ্লাইলে পুৰণি ৰাজতন্ত্ৰৰ অৱক্ষয় আৰু অতল গহ্বৰত তাৰ পতনৰ কাহিনী বৰ্ণনা কৰিছে।

ফ্রান্সত আৰু এটা ৰাতি প্ৰভাত হ'ল। এটা নতুন দিন আহিল। পৃথিৱীৰ মানুহে এই দিনটোৰ কথা সদায় স্মৰণ কৰিব। ১৭৮৯ চনৰ ১৪ জুলাই আছিল সেই দিনটো। 'আলোড়ন আৰু প্ৰস্তুতি কম্পন আৰু ভীতি-বৃদ্ধ-বৃদ্ধাৰ চকুত চকুপানী! হে মোৰ সন্তানসকল, এই দিনটোত তোমালোকে মানুহৰ দৰে নিজকে উৎসৰ্গ কৰিবা। তোমালোকৰ পিতৃ-পুৰুষৰ ভুল স্মৰণ কৰাঁ, তোমালোকৰ সন্তান-সন্ততিৰ অধিকাৰ কামনা কৰা। অত্যাচাৰ ক্ৰোধত

জ্বলিছে-তোমালোকৰ নিজৰ দক্ষিণ বাহুৰ বাহিৰে তোমালোকৰ আন একো নাই। আজিৰ দিনটোত তোমালোকে কৰিব লাগিব কিম্বা মৰিব লাগিব। বেষ্টাইললৈ আগবাঢ়া!'

প্ৰাচীন গহীন দুৰ্গটোৰ ভিতৰত বৃদ্ধ প্ৰশাসক দা লনেই 'সেইসময়ৰ আটাইবোৰ সামৰিক বিষয়াৰ নিচিনাকৈ অনিশ্চয়তাৰ দ্বন্দ্বত বিমূঢ় হ'ল।' হোটেল দাভিলত থকা প্ৰধান কাৰ্যালয়ৰ পৰা তেওঁৰ ওচৰলৈ দূত পঠোৱা হ'ল। 'ৰাষ্ট্ৰীয় সৈন্য সকল'ক দুৰ্গত সোমাবলৈ দিয়াৰ অনুৰোধ তেওঁক জনোৱা হ'ল। অৰ্থাৎ তেওঁক আত্মসমৰ্পণ কৰিবলৈ পৰোক্ষভাৱে কোৱা হ'ল। আনহাতে ৰাজকীয় আদেশ হ'ল- আত্মসমৰ্পণ নহয়। দা লনেইৰ অধীনত ৮২ জন বৃদ্ধ সৈনিকৰ এটা দল আছে মাথোন। তালৈ ৩২ জন ডেকা সৈনিক পঠোৱা হ'ল। দুৰ্গৰ প্ৰাচীৰবোৰ ৯ ফুট ডাঠ, দুৰ্গৰ ভিতৰত কামান আৰু খাৰ-বাৰুদো আছে। কিন্তু তাত মাত্ৰ এদিনৰ জোখাৰেহে খাদ্য সামগ্ৰী আছে। বাহিৰত মহানগৰৰ সকলো মানুহৰে হাতত অস্ত্ৰ-শস্ত্ৰ।

'দা লনেই গুলী চলালে, দুৰ্গৰ সমুখৰ দলংখন উঠাই পেলোৱা হ'ল। এটা মৃদু কেৰকেৰণি শব্দ হ'ল, কিন্তু ই সৃষ্টি কৰিলে অগ্নিগৰ্ভ বিশৃংখলা; সৃষ্টি হ'ল লেলিহান জুইৰ বিশৃংখলা। দুৰ্গৰ শিখৰত কামান গৰ্জি উঠিল। বেষ্টাইল অৱৰুদ্ধ হ'ল! জুই জ্বলিল, সকলো প্ৰকাৰৰ দাহ্য বস্তু জ্বলিল। গাৰ্ড কম, সৈন্যবাহিনীৰ কোঠালী জ্বলিল। তেজৰ সোঁত বৈ গ'ল। মৃত্যুমুখীসকলে দুৰ্গৰ পতন নঘটা পৰ্যন্ত প্ৰচেষ্টা এৰি নিদিবলৈ প্ৰতিজ্ঞাবদ্ধ হ'ল। কিন্তু কেনেকৈ পতন ঘটোৱা যায়? প্ৰাচীৰবোৰ বৰ ডাঠ।'

'বেষ্টাইলৰ ভিতৰৰ চোতালত থকা বৃহৎ ঘড়ীটো ঘণ্টাৰ পিছত ঘণ্টা ধৰি আপোনমনে চলি আছিল- যেন ক'তো একো হোৱা নাই। এক বজাৰ সময়ত গুলী চলা আৰম্ভ হৈছিল; পাঁচ বজালৈ গুলী চালনাৰ বিৰাম নাই। চাৰি ঘণ্টা ধৰি বিশৃংখলাৰ ৰাজত্ব চলিছে। বেচেৰা সৈন্যহঁত নিজে সাজি লোৱা অৱৰোধ প্ৰাচীৰৰ তলত পোত গৈছে। যিসকলে নিজকে উদ্ধাৰ কৰিব পাৰিছে, সিহঁতে বন্দুক ওভোতাই লৈছে, কমালেৰে বগা পতাকাৰ আভাস দেখুৱাইছে। দুৰ্গৰ দলংখন ভাঙি পেলোৱা হ'ল। প্ৰবল জনস্ৰোত দুৰ্গৰ ভিতৰলৈ কোবেৰে সোমাই গ'ল। বেষ্টাইলৰ পতন ঘটিল। বিজয়! সেইদিনা গভীৰ

ৰাতি ডিউক দ্যা লিয়াকুৰে ভাঁছাইৰ ৰাজপ্ৰাসাদলৈ গৈ পেৰিছত ঘটা ঘটনাৱলীৰ বিষয়ে ৰজাক জনালে। ৰজা ষোড়শ লুইয়ে ক'লে, 'এয়া দেখোন বিদ্ৰোহ।' লিয়াকুৰে উত্তৰ দিলে, 'ডাঙৰীয়া, এয়া বিদ্ৰোহ নহয়- বিপ্লৱ।'

সেনাপতি বইলিৰ অধীনৰ ৰাজানুগত সৈন্যবাহিনীৰ সৈতে মিলিত হ'বলৈ ৰাজপৰিয়ালে কৰা দুৰ্ভাগ্যজনক পলায়নৰ বিৱৰণো কাৰ্লাইলে জীৱন্ত ৰূপত বৰ্ণনা কৰিছে। এখন চাৰিচকীয়া বন্ধ গাড়ীত ৰাজপৰিয়ালে যাত্ৰা কৰিলে উত্তৰ-পূব সীমান্ত অভিমুখে। ২২ ঘণ্টাৰ অবিৰাম যাত্ৰাত ৬৯ মাইল অতিক্ৰম কৰি সন্ধিয়া গাড়ীখন ছেন্ট মেনলড নামৰ এখন সৰু গাওঁ পালেহি। সেই গাঁৱৰ পোষ্ট মাষ্টৰ জাঁ ব্যাপ্তিষ্টড্ৰুৱেই ৰজা আৰু ৰাণীক চিনি পালে। যদিও তেওঁ গাড়ীখন যাবলৈ দিলে,তথাপি ড্ৰুৱেই আন এজনৰ সৈতে তাক অনুসৰণ কৰি ভাৰেনিজ নামৰ গাঁৱত গাড়ীখন আগছিলে। ৰাতিটোৰ কাৰণে ৰজা-ৰাণীক এখন দোকানত ৰখা হ'ল। পিছদিনা পুৱা ৰজা ৰাণীক লৈ গাড়ী উভতিল পেৰিছলৈ আৰু পেৰিছত দুয়োকো গিলোটিনত প্ৰাণদণ্ড দিয়া হ'ল।

ৰুদ্ধশ্বাস পৰিস্থিতিৰ বৰ্ণনা কৰাত কাৰ্লাইল আছিল সিদ্ধহস্ত। ফৰাচী-বিপ্লৱত প্ৰধান ভূমিকা লোৱা সকলৰ যি ছবি আঁকিছে, সেয়া ঠায়ে ঠায়ে অতি মনোগ্ৰাহী হৈছে। চাৰ্লোটিকৰ্ডে সম্বন্ধে কাৰ্লাইলে কৈছে- পঁচিশ বছৰ বয়সীয়া কৰ্ডেৰ শাৰীৰিক সৌষ্ঠৱ আছিল আকৰ্ষণীয়। ইতিমধ্যে বিপ্লৱৰ অন্যতম হোতা মাৰাই যি সন্ত্ৰাসৰ ৰাজত্ব চলাইছিল, তাৰ ওৰ পেলাবলৈ কৰ্ডেই সংকল্প কৰিছিল। ১৭৯৩ চনৰ ৯জুলাইত তেওঁ চায়েন নামৰ নিজ চহৰৰ পৰা কোনেও নজনাকৈ পেৰিছ অভিমুখে যাত্ৰা কৰিলে। ঘৰত দেউতাকলৈ লিখা এখন চিঠিত তেওঁ লণ্ডনলৈ যাব বুলি জনালে। পেৰিছ পাই মাৰাৰ বাসস্থানত তেওঁ উপস্থিত হ'ল। মাৰাৰ শৰীৰত কিছুমান ঘা হৈছিল আৰু কৰ্ডে গৈ পোৱাৰ সময়ত তেওঁ বাথটাবত শৰীৰ ডুবাই বহি আছিল। কৰ্ডেই মাৰাক চায়েন অঞ্চলৰ পৰিস্থিতিৰ কথা কৈ কৈ সুবিধা বুজি তেওঁৰ বুকুত ছুৰী সুমুৱাই দিলে। মাৰাৰ মৃত্যু হ'ল।

বিপ্লৱী ন্যায়াধিকৰণত বিচাৰ চলাৰ সময়ত কৰ্ডেই কোনো ভাবাবেগ প্ৰকাশ নকৰি শান্ত হৈ আছিল। তেওঁ কৈছিল, 'মই হেজাৰ হেজাৰ মানুহক ৰক্ষা কৰিবলৈ এজন মানুহক হত্যা কৰিছোঁ; নিৰপৰাধী সকলক ৰক্ষা কৰিবলৈ

এজন পাষণ্ডক দেশত শাস্তি দিবলৈ এটা পশুক হত্যা কৰিছো বিপ্লৱৰ আগতে মই আছিলো এজন সাধাৰণ তন্ত্ৰবাদী, মই ক্ষমতাৰ বাবে লালায়িত কেতিয়াও নাছিলোঁ।' তেওঁৰ প্ৰাণদণ্ডৰ আদেশ দিয়া হ'ল। সেই দিনাই গথূলি তেওঁক লৈ যোৱা হ'ল হত্যাকাৰীৰ ৰঙা পোছাক পিন্ধাই গিলোটিনলৈ।

ইয়াৰ এটা বছৰৰ ভিতৰত বিপ্লৱীসকলে নিজৰ মাজতে ইটোৱে সিটোক হত্যা কৰিবলৈ ধৰিলে। বিপ্লৱৰ এজন প্ৰধান নেতা 'দেঁতক ফঁচী-কাঠৰ ওচৰত থিয় হৈ কোৱা শুনা গ'ল, 'মোৰ প্ৰিয়তমা পত্নী, তোমাক আৰু মই কেতিয়াও দেখা নাপাম।' পিছ মুহূৰ্ত্ততে বৈ ক'লে: 'দেঁত, দুৰ্বল নহ'বি।' তেওঁৰ শেষ কথা আছিল ঘাতক ছেমছনৰ প্ৰতি: 'তুমি মোৰ মূৰটো ৰাইজক দেখুৱাবা; মূৰটো প্ৰদৰ্শনৰ উপযুক্ত।

ঠিক সেইদৰে বিপ্লৱী নেতা ৰবস্পীয়েৰক শেষ শাস্তি দিয়া কাহিনীও কাৰ্লাইলে নাটকীয় ভাবে বৰ্ণনা কৰিছে।

দৃশ্যৰ পিছত দৃশ্য উপস্থাপন কৰি কাৰ্লাইলে শেষ দৃশ্যত নেপোলিয়ন বোনাপাৰ্টৰ দ্বাৰা অৱশিষ্ট বিপ্লৱীসকলৰ নিধনৰ ছবি দাঙি ধৰি কৈছে 'যাক আমি সুনিৰ্দিষ্ট ভাবে ফৰাচী বিপ্লৱ বোলোঁ তাক এইদৰেই মহাশূন্যত বিলীন কৰি দিয়া হয় আৰু সি হৈ পৰিল এটা অতীত কালৰ ঘটনা।

ফৰাচী বিপ্লৱৰ ঘটনা লৈ (কাৰ্লাইলৰ বৰ্ণনাৰ ওপৰত নিৰ্ভৰ কৰি) পৃথিৱীৰ সাহিত্যত নানা উপন্যাস-নাটক আদি লেখা হৈছে। তাৰ ভিতৰত উল্লেখযোগ্য-চাৰ্লছ ডিকেন্সৰ অমৰ উপন্যাস "এটে'ল অৱ টু চিটিজ।'

লৰ্ড মেকলেৰ দি হিষ্ট্ৰী অব্ ইংলেণ্ড

(৩১)

লৰ্ড মেকলেৰ 'দি হিষ্ট্ৰি অব ইংলেণ্ড'(ইংলেণ্ডৰ বুৰঞ্জী)ৰ পিছতো বহুতেই ইংলেণ্ডৰ বুৰঞ্জী ৰচনা কৰিছে যদিও জনপ্ৰিয়তাৰ দিশৰ পৰা কোনো এখনেই মেকলেৰ গ্ৰন্থখনক চেৰ পেলাব পৰা নাই। ১৮৪১ চনত যেতিয়া তেওঁ লেখিবলৈ আৰম্ভ কৰে তেতিয়া তেওঁ কৈছিল যে অন্তত: কিছুদিনৰ বাবে হ'লেও জনপ্ৰিয় উপন্যাসক চেৰ পেলাব পৰাকৈ বুৰঞ্জীখন লেখিব নোৱাৰালৈকে তেওঁ কেতিয়াও সন্তুষ্ট নহ'ব। সাত বছৰ পিছত গ্ৰন্থখন প্ৰকাশ হোৱাত সঁচাকৈয়ে ই পঢ়ুৱৈ সমাজৰ পৰা বিপুল সমাদৰ লাভ কৰিলে। সংস্কৰণৰ পিছত সংস্কৰণ প্ৰকাশ হ'ল। গভীৰ বিষয় বস্তুৰ গ্ৰন্থ এনেদৰে জনপ্ৰিয় হোৱাৰ উদাহৰণ খুব কমেই আছে বুলি ক'লে অতিৰঞ্জন নহয়।

গ্ৰন্থখনৰ সম্পূৰ্ণ শীৰ্ষক হ'ল 'দ্বিতীয় জেমছৰ সিংহাসন আৰোহণৰ পৰা ইংলেণ্ডৰ বুৰঞ্জী'(The History of England from the Accession of James II)। মেকলেৰ ইচ্ছা আছিল দ্বিতীয় জেমছ ৰাজপাটত উঠা ১৬৮৫ চনৰ পৰা তৃতীয় জৰ্জৰ মৃত্যুৰ সময় ১৮২০ চনলৈ সামৰি ইংলেণ্ডৰ বুৰঞ্জী লেখা। কিন্তু তেওঁ তৃতীয় উইলিয়মৰ মৃত্যুৰ সময় ১৭০২ চনলৈহে লেখিব পাৰিলে।

মেকলেই গতানুগতিক ভংগিমাৰে বুৰঞ্জী নেলেখি সামযিক দৃষ্টিভংগী প্ৰয়োগ কৰিছিল আৰু সেইকাৰণেই তেওঁক সামাজিক বুৰঞ্জীৰ জনক আখ্যা দিয়া হয়। আজি কালি এই ধৰণৰ বুৰঞ্জী জনপ্ৰিয় হৈ উঠিছে।

মেকলেই প্ৰথমে দ্বিতীয় জেমছৰ সময়ৰ ইংলেণ্ডৰ জনসংখ্যাৰ বিষযে কৈছে। সেই সময়ত তাত জন গণনা হোৱা নাছিল বাবে বিভিন্ন উৎসৰ পৰা তথ্য সংগ্ৰহ কৰি তেওঁ জনসংখ্যা প্ৰায় ৫০ লাখ আছিল বুলি অনুমান কৰিছে। ১৬৮৫ চনৰ পিছৰ পৰা উত্তৰৰ জিলাসমূহৰ জনসংখ্যা বৃদ্ধি হ'বলৈ ধৰে। সেই অঞ্চলবোৰত চুৰি-ডকাইতিৰ প্ৰকোপ বঢ়াত স্থানীয় দণ্ডাধীশ আৰু গীৰ্জাৰ কৰ্তৃপক্ষই সশস্ত্ৰ প্ৰহৰী ৰাখিবলগীয়া হৈছিল। দেশৰ আধা অংশত

খেতি-বাতি হৈছিল, বাকী আধা অংশ খাল-বিল আৰু হাবি-জংঘলেৰে পৰিপূৰ্ণ আছিল। লণ্ডনৰ পৰা কেইমাইলমান দূৰৰ এনফিল্ড চেজ নামৰ হাবিত হাজাৰ হাজাৰ হৰিণা চৰি ফুৰিছিল।

গাঁৱৰ জমিদাৰ সকল ব্যস্ত আছিল চিকাৰ কৰা আৰু আমোদ-প্ৰমোদ কৰাত। বেছিভাগ ধৰ্মযাজকেই আছিল অশিক্ষিত; আনকি প্ৰাৰ্থনা পুস্তক পঢ়াৰ জোখাৰেও তেওঁলোকৰ বিদ্যা নাছিল। সমাজত তেওঁলোকৰ অৱস্থা ইমানেই হীন আছিল যে বিয়া কৰাবলৈ ভাল ছোৱালী নাপাইছিল। জমিদাৰৰ লিগিৰী বা পৰিত্যক্ত ৰক্ষিতাকহে তেওঁলোকে বিয়া কৰাব লগাত পৰিছিল। -এই বৰ্ণনাৰ পিছত মেকলেই গাঁও আৰু নগৰলৈ আহিবলৈ ধৰা পৰিবৰ্তনৰ কথা বৰ্ণনা কৰিছে।

লণ্ডনৰ আয়তন সেই যুগত বৰ্তমানতকৈ বিশাল আছিল। দ্বিতীয় চাৰ্লছৰ সময়ত বৃষ্টল বা নৰউইচতকৈ তাৰ জনসংখ্যা ১৭ গুণ বেছি আছিল। বৃষ্টলৰ জনসংখ্যা আছিল ৩০ হেজাৰতকৈ কম। ই আছিল প্ৰথম সাগৰীয় বন্দৰ। ইয়াৰ আলিবাটবোৰ ইমান ঠেক আছিল যে কুকুৰে-টনা সৰু সৰু গাড়ীতহে মাল-বস্তু অনা-নিয়া কৰা হৈছিল। নৰউইচ আছিল উলৰ পোছাক আদি তৈয়াৰৰ কেন্দ্ৰ। ইয়াৰ জনসংখ্যা বৃষ্টলতকৈ কম আছিল। ইয়াৰ্ক আৰু এক্সেটাৰ চহৰৰ জনসংখ্যা ১০ হেজাৰতকৈ বেছি নাছিল। লীডচ চহৰো উলৰ সামগ্ৰী তৈয়াৰৰ কেন্দ্ৰ আছিল; জনসংখ্যা আছিল ৭ হেজাৰ। বাৰ্মিংহামত বুটাম তৈয়াৰ কৰা কাৰখানা আছিল; জনসংখ্যা আছিল ৪ হেজাৰ। আমোদ-প্ৰমোদ ভাল পোৱা জমিদাৰ শ্ৰেণীৰ লোকসকল চেল্টেনহাম, টুনব্ৰীজৱেলচ আৰু বাক্সটনলৈ গৈছিল। সেইবোৰ ঠাইত কাঠেৰে তৈয়াৰী কিছুমান চাপৰ ঘৰত মদ, মাংস আদি পোৱা গৈছিল। দোকানীহঁতে মাংসক ভেৰাৰ মাংস বুলি কৈছিল যদিও, গ্ৰাহকসকলে কুকুৰৰ মাংস বুলি সন্দেহ কৰিছিল। যোগাযোগ ব্যৱস্থা আছিল শোচনীয়। প্ৰধান আলিবাটবোৰত এক আঁঠু বোকা। ঘোঁৰা গাড়ীবোৰ প্ৰায়েই আলিবাটত লাগি ধৰিছিল। গৰু জুটি দিহে গাড়ীবোৰ টানি তোলা হৈছিল। বাটৰুৱাই দলবান্ধি নগ'লে ডকাইতৰ কবলত পৰিছিল।গাঁৱৰ মানুহে ডকাইতৰ কাৰ্যকলাপ শুনি ৰোমাঞ্চিত হৈছিল আৰু এই বিষয়ে ভালেমান লোক গাথা ৰচিত হৈছিল।

ঔপন্যাসিক থেকাৰেই এবাৰ কৈছিল যে এটা বাক্য লেখিবলৈ মেকলেই কুৰিখন কিতাপ পঢ়ে আৰু এটা বৰ্ণনা দিবলৈ এশ মাইল ভ্ৰমণ কৰে। মেকলেইৰ ইংলেণ্ডৰ বুৰঞ্জী পঢ়িলে থেকাৰেৰ উক্তিৰ সত্যতা উপলব্ধি হয়। সেই সময়ৰ বৌদ্ধিক পৰিবেশ সম্পৰ্কে কবলৈ গৈ তেওঁ থিয়েটাৰৰ উল্লেখ কৰি লেখিছে যে 'কলাৰ প্ৰতি আকৰ্ষণৰ লগতে আকৰ্ষণ আছিল যৌন-অনুভূতিৰ প্ৰতি; ডেকা দৰ্শকসকল সুন্দৰী নাৰীয়ে নায়িকাৰ ভূমিকাত কৰা অভিনয় চাই মুগ্ধ হৈছিল।' বৈজ্ঞানিক আবিষ্কাৰে মানুহৰ মনৰ পৰা ভূত-প্ৰেতৰ ভয় লাহে লাহে দূৰ কৰাত সহায় কৰিছিল।

১৬৮৫ চনৰ এক ফেব্ৰুৱাৰীত হোৱাইটহলৰ দ্বিতীয় চাৰ্লছৰ ৰাজপ্ৰাসাদৰ মেকলেই অঁকা দৃশ্যটো স্মৰণীয়। 'সেই যুগৰ নিয়ম অনুসৰি সেই দিনা সন্ধিয়া কেইজনমান বয়োবৃদ্ধ লোক ৰাজপ্ৰাসাদলৈ গৈছিল ৰজাক সন্মান জনাবলৈ। তেওঁলোকে তাত যি দেখিলে, তাৰ দ্বাৰা তেওঁলোক আশ্চৰ্যান্বিত হ'ল। ৰাজদৰবাৰ মাতাল আৰু জুৱাৰীৰে ভৰা। ৰজাই তিনিজনী সুন্দৰী আৰু বদ্‌চৰিত্ৰৰ তিৰোতাৰ সৈতে ধেমালি কৰি কথা-বতৰাত মছগুল হৈ আছে। চাৰ্লছে তিৰোতাকেইজনীৰ সৈতে চুপতি মাৰি থকা সময়ত এজন দেখনিয়াৰ ল'ৰাই কামোদ্দীপক গান গাই আছিল। প্ৰায় কুৰিজন সভাসদে এখন ডাঙৰ মেজৰ চাৰিওফালে বহি তাচ খেলি আছিল, মেজৰ ওপৰত আছিল সোণৰ দ'ম। ৰজাই কৈছিল যে তেওঁৰ মুঠেও ভাল লগা নাই। সেইদিনা ৰাতি তেওঁ আহাৰ খোৱা নাছিল; ৰাতি তেওঁৰ টোপনিও অহা নাছিল।'

দ্বিতীয় চাৰ্লছৰ মৃত্যুৰ পিছত ভায়েক দ্বিতীয় জেমছ ৰজা হয়। ককায়েকৰ দৰে তেৰোঁ ফ্ৰান্সৰ ৰজাৰ বহতীয়া আছিল। কিন্তু তেওঁ আছিল অন্ধবিশ্বাসী, নিষ্ঠুৰ আৰু জ্ঞানীমূৰ্খ প্ৰকৃতিৰ। এশবছৰ আগৰ 'ব্লাডি' মেৰী' (Bloody Mary)ৰ পিছত ইংলেণ্ডৰ ৰাজপাটত বহা প্ৰথম ৰোমান কেথলিক ৰজা আছিল দ্বিতীয় জেমছ। তেওঁ নিজৰ ধৰ্মৰ অনুকূলে ইংলেণ্ডৰ গীৰ্জা আৰু সংবিধানক পৰিচালিত কৰিবলৈ মনস্থ কৰিলে। ৰাজপাটত উঠাৰ পিছতে দ্বিতীয় জেমছ ডিউক অব মন্‌মাউথৰ বিদ্ৰোহৰ সন্মুখীন হ'বলগীয়া হয়। ডিউক অব মন্‌মাউথ আছিল দ্বিতীয় চাৰ্লছৰ জাৰজ সন্তান; জনসাধাৰণৰ তেওঁ প্ৰিয় আছিল আৰু তেওঁ আছিল প্ৰটেষ্টাণ্ট। মেকলেই মনমাউথৰ সিংহাসন লাভৰ বিফল প্ৰচেষ্টা,

তেওঁৰ কাৰ্যকুশলহীনতা, চৰম পৰাজয়, অৱশেষত ফঁচী আৰু বিদ্ৰোহ দমনৰ বাবে দ্বিতীয় জেমছে চলোৱা অত্যাচাৰৰ কাহিনী যুৱতীখনৰ পঞ্চম অধ্যায়ত বৰ্ণনা কৰিছে।

মনমাউথ আৰু জেমছৰ পক্ষৰ মাজত ১৬৮৫ চনৰ ৬ জুলাইত হোৱা যুদ্ধৰ জীৱন্ত বৰ্ণনা মেকলেই দিছে এইদৰে-মনমাউথে সাহসী আৰু পৰাক্ৰমী যোদ্ধাৰ দৰে যুদ্ধত অংশ গ্ৰহণ কৰিছিল। বৰ্শা হাতত লৈ তেওঁ তেওঁৰ পদাতিক বাহিনীক উৎসাহিত কৰিছিল। কিন্তু তেওঁৰ যে পৰাজয় নিশ্চিত সেইকথা তেওঁ জনা নাছিল। তেওঁ বুজিব পাৰিছিল যে যুদ্ধৰ পৰা বিৰত হ'লেই ৰাজকীয় অশ্বাৰোহী বাহিনীয়ে তেওঁক ঘেৰাও কৰিব। তেওঁ এটা ঘোঁৰাত উঠি যুদ্ধ ক্ষেত্ৰৰ পৰা আঁতৰি গ'ল। তেওঁৰ পক্ষৰ লোকসকলে হাতত কাঁচি লৈ অশ্বাৰোহী বাহিনীৰ সন্মুখীন হ'ল। কিন্তু যুদ্ধত অনভিজ্ঞ ছমাৰছেটচায়াৰৰ গাঁৱলীয়া লোকসকল বেছি পৰ তিষ্ঠিব নোৱাৰিলে। তেওঁলোকৰ খাৰ-বাৰুদ শেষ হ'ল। ৰাজকীয় অশ্বাৰোহী বাহিনী আগবাঢ়ি আহিল। বিদ্ৰোহী সৈন্যদল ছিন্নভিন্ন হ'ল। কেইমিনিটমানৰ ভিতৰতে সকলো শেষ হ'ল। এহেজাৰতকৈও বেছি সৈন্যৰ মৃত্যু হ'ল।

মনমাউথ বন্দী হ'ল আৰু টাৱাৰ হিলত তেওঁক ফাঁচী দিয়া হ'ল। দেশৰ পশ্চিমাংশ ধ্বংসস্তূপত পৰিণত কৰা হ'ল। ডৰ্ষ্টাৰত ৭৪ জন আৰু ছমাৰছেটচায়াৰত ২৩৩ জন বন্দীক ফাঁচী দিয়া হ'ল। আলিবাটৰ চাৰিআলিবোৰত ফাঁচীত ওলমি থকা বিদ্ৰোহসকলৰ শ বোৰ গেলি-পচি দুৰ্গন্ধ বিয়পালে।

গীৰ্জাত ক্ষমাদান ঘোষণা(Declaration of Indulgence) পত্ৰ পঢ়িবলৈ ৰাজকীয় আদেশ অস্বীকাৰ কৰা সাতজন বিছপৰ বিচাৰো নাটকীয় ধৰণে মেকলেই অষ্টম অধ্যায়ত বৰ্ণনা কৰিছে।

দ্বিতীয় জেম্‌ছে সিংহাসন ত্যাগ কৰি দেশ এৰি পলালত তেওঁৰ জোঁৱায়েক তৃতীয় উইলিয়াম আৰু দ্বিতীয় মেৰী যথাক্ৰমে ৰাজপাটত উঠিছিল। 'হিষ্ট্ৰি অব ইংলেণ্ড'ৰ শেষ অধ্যায়বোৰত বইনিৰ যুদ্ধ (য'ত উইলিয়ামে জেমছৰ বাহিনীক সম্পূৰ্ণৰূপে পৰাজয় কৰে) আৰু গ্লেংকোৰ হত্যাকাণ্ডৰ কথা বৰ্ণনা কৰা হৈছে। ঠিক যি সময়ত ৰজা উইলিয়ামে ফ্ৰান্সৰ বিৰুদ্ধে ইউৰোপীয় শক্তি সমূহৰ

মৰ্চা গঠন কৰি তাৰ নেতৃত্ব লবলৈ ওলাইছিল, সেই সময়তে উইলিয়ামৰ মৃত্যু হয়। মেকলেৰ বুৰঞ্জীও ইয়াতেই সমাপ্ত হৈছে। কাৰণ এইখিনিলৈ লেখাৰ পিছতে পুথিভঁৰালত কিতাপ পঢ়ি থকা অৱস্থাতে মেকলেই শেষ নিশ্বাস ত্যাগ কৰে। তেতিয়া তেওঁৰ বয়স হৈছিল মাত্ৰ ৫৯ বছৰ। ৱেষ্টমিনিষ্টাৰ এবে'ত তেওঁক কবৰ দিয়া হৈছিল; কিন্তু তেওঁৰ আচল স্মৃতিস্তম্ভ হৈছে 'ইংলেণ্ডৰ বুৰঞ্জী।'

ষ্টাঁদালৰ স্কাৰলেট এণ্ড ব্লেক

(৩২)

১৮৪২ চনত যেতিয়া ষ্টাঁদালৰ আকস্মিকভাৱে মৃত্যু হয়, তেতিয়া পেৰিছৰ বাতৰি কাকতবোৰে চমু বাতৰি এটাত লেখিছিল যে আলিবাটতে তেওঁ মূৰ্চ্ছা যোৱাত তেওঁক এখন দোকানলৈ নিয়া হয় আৰু এজন বন্ধুৱে তেওঁক ঘৰলৈ নিয়ে। তাতেই তেওঁ নিচেই ৰাতিপুৱা শেষ নিশ্বাস ত্যাগ কৰে। মাত্ৰ তিনিজন বন্ধুৰ উপস্থিতিত তেওঁক কবৰস্থ কৰা হয়। কিন্তু সম্ভৱত: এই ধ্ৰুপদী সাহিত্যিকজন আছিল মানৱ-হৃদয় আৰু আবেগৰ সৰ্বশ্ৰেষ্ঠ বিশ্লেষণকাৰী।

'ষ্টাঁদাল' ছদ্ম নামলৈ সাহিত্য চৰ্চা কৰা আঁৰিবেইলৰ খ্যাতি বৰ্তমান যিদৰে সুপ্ৰতিষ্ঠিত, জীৱিত কালত সেইদৰে সমসাময়িক সকলৰ পৰা তেওঁ হৈছিল উপেক্ষিত। তেওঁ নিজেই কৈছিল যে ১৮৮০ চনৰ আগতে তেওঁক কোনেও বুজি নাপাব। তেওঁ আৰু কৈছিল যে সমসাময়িক কালৰ বাবে তেওঁ লেখা নাই, লেখিছে কুৰিশতিকাৰ আলোকপ্ৰাপ্ত প্ৰজন্মৰ কাৰণেহে। যি সময়ত সাহিত্যিক ৰোমাণ্টিকসকলৰ প্ৰাধান্য আছিল, সেইসময়ত তেওঁ আছিল, বাস্তৱবাদী আৰু সেয়ে সমসাময়িক সকলে তেওঁক বুজিব পৰা নাছিল। আজি বেছিভাগ সমালোচকৰ মতে ষ্টাঁদাল হ'ল প্ৰথম 'আধুনিক' ঔপন্যাসিক। যোৱা এশ বছৰৰ ভিতৰত আবিৰ্ভাব হোৱা প্ৰায় আটাইবোৰ শ্ৰেষ্ঠ সাহিত্যিকেই ষ্টাঁদালক ওজা-সাহিত্যিকৰ সন্মান দি তেওঁ ৰচনাশৈলীৰ ওচৰত ঋণ স্বীকাৰ কৰিছে।

ফৰাচী-বিপ্লৱত বেষ্টাইলৰ পতনৰ মাত্ৰ ছবছৰ আগতে ১[illegible] চনত গ্ৰেনোবল নামৰ চহৰত ষ্টাঁদালে জন্মগ্ৰহণ কৰে। তেওঁৰ [illegible] আছিল এজন উকিল। সাত বছৰ বয়সত মাকৰ মৃত্যু হোৱাৰ পিছৰ পৰা তেওঁ [illegible]কৰ পৰা এনে বেয়া ব্যৱহাৰ পাইছিল যে দেউতাকৰ প্ৰতি আজীৱন [illegible] ঘৃণা আছিল। ষোল্ল বছৰ বয়সত এজন প্ৰভাৱশালী সম্বন্ধীয়া লোকৰ সহায়ত তেওঁ সমৰ-মন্ত্ৰালয়ত এটা পদত নিযুক্তি পায়। তেওঁ নেপোলিয়ানৰ ইটালী, জাৰ্মানী,

অষ্ট্ৰিয়া আৰু ৰুছিয়া অভিযানত যোগ দি ১৮১৪ চনত নেপোলিয়ানৰ পৰাজয় হোৱালৈকে চৰকাৰী পদত আছিল। পিছত তেওঁ ইটালীলৈ গৈ কিতাপ লেখিবলৈ লয়। শিল্পকলাৰ ইতিহাস, ভ্ৰমণ সাহিত্য আৰু সংগীতৰ বিষয়ে প্ৰথমে লেখে। ১৮২১ চনত প্ৰকাশ হয় প্ৰেম সম্পৰ্কে মনোবৈজ্ঞানিক-দাৰ্শনিক সমীক্ষা। ১৮৩০ চনত প্ৰকাশ হয় 'স্কাৰলেট এণ্ড ব্লেক' অৰ্থাৎ 'ৰঙা আৰু ক'লা' নামৰ উপন্যাস। এই উপন্যাসত তেওঁ ব্যক্তি আৰু সমাজৰ মাজত শ্ৰেণী স্বাৰ্থৰ ভিত্তিত হোৱা দ্বন্দ্বৰ এটা বিশ্লেষণ দাঙি ধৰে।

নেপোলিয়ানৰ পতনৰ পিছত তেওঁ চৰকাৰী পদৰ পৰা অপসাৰিত হৈছিল যদিও, ১৮৩০ চনত পুনৰ চাকৰি পাই ১৮৪১ চনত মূৰ্চ্ছাৰোগত আক্ৰান্ত হৈ চাকৰি এৰে। ১৮৪২ চনৰ ২৩ মাৰ্চত তেওঁৰ মৃত্যু হয়।

তেওঁ চাকৰি-জীৱনৰ শেষৰ ফালে আৰু দুখন উপন্যাস, কিছু চুটি গল্প আৰু 'ভ্ৰমণকাৰীৰ স্মৃতি চাৰণ' নামৰ এখন কিতাপ লেখে। মৃত্যুৰ সময়ত অপ্ৰকাশিত হৈ থকা তেওঁৰ দিনপঞ্জী আৰু আন দুখন আত্মজীৱনীমূলক ৰচনা পিছত প্ৰকাশ পায়।

'স্কাৰলেট এণ্ড ব্লেক' স্তাঁদালৰ সৰ্বশ্ৰেষ্ঠ ৰচনা য'ত প্ৰকাশ পাইছে তেওঁৰ সামগ্ৰিক প্ৰতিভা। এই উপন্যাসৰ মূল কাহিনীটো পুলিচৰ এখন প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি ৰচিত হৈছে। ইয়াত ফুটি ওলাইছে সমসাময়িক যুগৰ প্ৰতিচ্ছবি: সমাজৰ তলৰ শ্ৰেণীত জন্মা এজন যুৱকে নিজৰ প্ৰতিভা সত্বেও কিদৰে সামাজিক অন্যায় অবিচাৰৰ দ্বাৰা বাধাপ্ৰাপ্ত হ'ব লগা হৈছিল- তাৰ মৰ্মস্পৰ্শী কাহিনী।

জুলিয়েন ছ'ৰেল আছিল ভেৰিয়াৰ্ছ নামৰ সৰু মফচলীয়া চহৰৰ এজন কাঠ মিস্ত্ৰীৰ পুত্ৰ। লেটিন ভাষাত থকা ব্যুৎপত্তিৰ কাৰণে তেওঁ স্থানীয় গীৰ্জাৰ অধ্যক্ষৰ প্ৰিয়পাত্ৰ হয়। গীৰ্জা-অধ্যক্ষৰ সহায়ত তেওঁ মেয়ৰৰ ল'ৰা ছোৱালীৰ ঘৰুৱা শিক্ষকৰ কাম পায়। ডেকা জুলিয়েন বৰ অনুভূতিপ্ৰৱণ আছিল, কৌশলী নাছিল। আগপিছ ভৰা লোক হ'লেও তেওঁ আছিল উদাৰ আৰু সৎ। কিন্তু যিহেতু তেওঁ আনৰ ওচৰত নিজৰ ভাৱমূৰ্ত্তি গঢ়িবলৈ যত্নপৰ হৈছিল, সেয়ে নিজৰ স্বাভাৱিক অনুভূতিবোৰ প্ৰকাশ নকৰিছিল। তেওঁ দেখিবলৈ পাইছিল যে জন্ম-মৰ্যাদাৰ ওপৰত জাগতিক প্ৰাপ্তি-অপ্ৰাপ্তি নিৰ্ভৰ কৰে। তেওঁ উপলব্ধি

কৰিলে যে বুধিয়ক লোকে অলপ ভণ্ডামিৰ আশ্রয় লৈ বহুত কাম কৰিব পাৰে। সমাজৰ তলৰ শ্ৰেণীত জন্ম গ্ৰহণ কৰা বাবে তেওঁ মনে মনে বিৰক্তিৰ ভাৱ পুহি ৰাখিছিল। মেয়ৰৰ ধনী সহচৰবৰ্গৰ সৈতে জুলিয়েনৰ প্ৰথম পৰিচয়ৰ সময়ত তাৰ মানসিক অৱস্থাৰ বিষয়ে তাঁদালে এইদৰে বৰ্ণনা কৰিছে: 'বিশিষ্ট লোকসকলৰ সৈতে তাৰ পৰিচয় হোৱাত সি ঘৃণা আৰু আমনিৰ বাহিৰে আন একো অনুভৱ নকৰিলে। যি বহিছিল মেজৰ এটা চুকৰ ফালে। তাৰ ঘৃণা আৰু আমনিৰ কাৰণ সেয়াও হ'ব পাৰে।'

যি নহওক মেয়ৰৰ ধুনীয়া পত্নী মেদাম দা ৰেনালে কিন্তু জুনিয়েনৰ দৰে বুধিয়ক ডেকা জনৰ সহচৰ্য ভাল পাবলৈ ধৰিলে। মেয়ৰ ঘৈণীয়েকৰ প্ৰতি উদাসীন আছিল। তেওঁ জুলিয়েনক নিতান্তই অকিঞ্চিৎকৰ প্ৰাণী বুলিহে গণ্য কৰিছিল। জুলিয়েনৰ আত্মমৰ্যাদাত যি আঘাত লাগিছিল তাৰ উপশমৰ বাবে সিও মেডাম দা ৰেনালৰ প্ৰতি আকৰ্ষণ বৃদ্ধি কৰিলে। মেয়ৰৰ দাম্ভিকতাৰ প্ৰতিশোধ লোৱাটো সি নিজৰ অধিকাৰ বুলি সাব্যস্ত কৰিলে। সৰহদিন নৌ-যাওঁতেই মেয়ৰ-পত্নী তাৰ প্ৰেমিকা হ'ল।

ক্ৰমাৎ দুয়োৰো প্ৰেমে গভীৰ পৰ্যায় পালে। এই সম্পৰ্কই জুলিয়েনৰ প্ৰকৃতি আৰু উচ্চাকাংক্ষাৰ সম্পূৰক ৰূপে কাম কৰিলে। সি আনন্দমনেৰে ভাবিলে- 'তেওঁ (মেডাম ডাৰেনাল) অভিজাত বংশৰ আৰু মই শ্ৰমিকৰ সন্তান, তথাপি তেওঁ মোক ভাল পায়।' ইতিমধ্যে জুলিয়েন আৰু মেডামৰ সম্পৰ্কৰ ইংগিত দি কোনোবাই মেয়ৰলৈ এখন বেনামী চিঠি দিলে।মেডামে অৱশ্যে গিৰিয়েকৰ সন্দেহ প্ৰশমিত কৰিলে। গীৰ্জাৰ অধ্যক্ষৰ অনুমোদনত জুলিয়েনক যাজক বৃত্তি শিক্ষাৰ বিদ্যালয়লৈ পঠাই দিয়া হ'ল। মৰ্যাদা আৰু কৃতকাৰ্যতা লাভৰ বাবে জুলিয়েন সদায় লালায়িত আছিল, যদিও সি জানিছিল যে সমাজ সৰ্বপ্ৰকাৰে তাৰ আৰু তাৰ শ্ৰেণীৰ বিৰুদ্ধে। গীৰ্জাৰ জৰিয়তে ক্ষমতা অৰ্জনৰ বাবে সি ব্যগ্ৰ হ'ল। খুব পবিত্ৰতাৰ ভাও দি সি শীঘ্ৰেই বিদ্যালয়ৰ সঞ্চালকজনৰ প্ৰিয়পাত্ৰ হৈ উঠিল। ৰাজ্যৰ এজন অতি ক্ষমতাবান লোক মাৰ্কুইছদা লা মোলৰ সচিব হিছাপে জুলিয়েনে নিযুক্তি পালে। শীঘ্ৰেই কূটনৈতিক সহকাৰী হিছাপে সি কৃতিত্ব দেখুৱালে।

জুলিয়েনে অভিজ্ঞতা আৰু সামাজিক আদব-কায়দা শিকিলে। মাৰ্কুইছৰ জীয়েক মেটিলডা আছিল আভিজাত্যৰ

অহংকাৰেৰে গৰ্বিতা। কাহিনীটোৰ এইখিনিতে তাঁদালৰ শ্লেষপূৰ্ণ ৰচনা-ৰীতিৰ পৰিচয় পোৱা যায়। তেওঁ মানুহৰ ভিন্নমুখী মনোভাৱ, ব্যৱহাৰৰ বৈপৰীত্য, একে সময়তে চৰিত্ৰৰ সাবল্য আৰু জটিলতা ইত্যাদিৰ চিত্ৰ অংকন কৰিছে। প্ৰথমে জুলিয়েনে মেটিলডাৰ প্ৰতি আকৰ্ষণ অনুভৱ কৰা নাছিল, কাৰণ সি ভাবিছিল যে তাক ফান্দত পেলাবলৈহে হয়তো কোনোবাই এই বুদ্ধি পাঙিছে। গতিকে সি মেটিল্‌ডাক এৰাই চলিছে। মেটিল্‌ডাই তাক ভীৰু বুলি উপহাস কৰি প্ৰত্যাহ্বান জনালে যে যদি সি প্ৰকৃততে সাহসী হয় তেন্তে জোনাক নিশা সি দেৱাল বগাই তাইৰ শোৱনি কোঠালৈ আহিব লাগিব। জুলিয়েনে নিজৰ সন্মান ৰাখিবলৈ এই প্ৰত্যাহ্বান গ্ৰহণ কৰিলে আৰু জানোচা কোনোবাই আক্ৰমণ কৰে সেই ভাবি লগত অস্ত্ৰ লৈ গ'ল। কিন্তু তাৰ ভয় অমূলক আছিল। তাৰ সাহসত মেটিলডা মুগ্ধ হ'ল আৰু তাৰ প্ৰেমিকা হ'ল। ইতিমধ্যে তাই গৰ্ভৱতী হোৱাত দেউতাকক জনালে যে তাই জুলিয়েনৰ বাহিৰে আন কাকো বিয়া নকৰায়। মাৰ্কুইছে অনিচ্ছা সত্বেও সাধাৰণ শ্ৰেণীৰ ডেকাজনক পৰিয়ালত গ্ৰহণ কৰিবলৈ সন্মতি জনালে।

ঠিক এই সময়তে মাৰ্কুইছে মেডাম দা ৰেনালৰ পৰা জুলিয়েনৰ চৰিত্ৰ বেয়া বুলি লেখা এখন চিঠি পালে। জুলিয়েনৰ বাবে এয়া সংকটৰ মুহূৰ্ত। কাৰণ সি তাৰ জীৱনৰ আকাংক্ষাপূৰ্ণ কৰাৰ পথত ভৰি দিছে, তাক আভিজাত্যৰ উপাধি আৰু মা-সম্পত্তি দিয়া হৈছে। সি সৈন্যবাহিনীৰ বিষয়া পদত নিযুক্তি পাইছে। সি তাৰ বদনামকাৰিণীক ধ্বংস কৰি নিজৰ সন্মান অক্ষুণ্ণ ৰাখিবলৈ বদ্ধপৰিকৰ হ'ল। সি তৎক্ষণাৎ ভেৰিয়াৰ্ছলৈ গ'ল মেদাম ডা ৰেনালক গুলী কৰাৰ উদ্দেশ্যে। কিন্তু যিজনী নাৰীক এসময়ত সি অতি ভাল পাইছিল সেইজনীক সি কেতিয়াও হত্যা কৰিব নোৱাৰিব বুলি অনুভৱ কৰিলে। প্ৰাৰ্থনাৰতা মেডামৰ পৰা কেইফুটমান আঁতৰত থিয় হৈ জুলিয়েনৰ হাত কঁপিবলৈ ধৰিলে। সি গুলী কৰিলে যদিও গুলীটো লক্ষ্যভ্ৰষ্ট হ'ল। দ্বিতীয়বাৰৰ গুলীত মেডাম ঢলি পৰিল।

মেডামৰ মৃত্যু ঘটা নাছিল, তেওঁ আহত হৈছিল মাথোন। কেইদিনমানৰ পিছত তেওঁ সুস্থ হৈ উঠিল। জুলিয়েনক গ্ৰেপ্তাৰ কৰি বিচাৰৰ সন্মুখীন কৰা হ'ল। মাৰ্কুইছলৈ চিঠি লেখা বাবে মেডাম অনুতপ্ত হ'ল, কাৰণ তেওঁ এতিয়াও

মনে মনে জুলিয়েনক ভাল পায়। তেওঁ তাক ৰক্ষা কৰিবলৈ অশেষ যত্ন কৰিলে। মাৰ্কুইছৰ জীয়েক মেটিল্‌ডায়ো চেষ্টাৰ ত্ৰুটি নকৰিলে। কিন্তু অভিজাত শ্ৰেণীৰ প্ৰভাৱে জুলিয়েনক বচাব নোৱাৰিলে। তাৰ মৃত্যুদণ্ড হ'ল।

যদিও মূলত: 'স্কাৰলেট এণ্ড ব্লেকে' মানুহৰ হৃদয়াবেগৰ সন্দৰ্ভত এক সমীক্ষামূলক অধ্যয়ন, তথাপি এই অভিনৱ প্ৰেম- কাহিনীটো শ্ৰেণী অনুভূতিৰ ওপৰত ভিত্তি কৰি ৰচনা কৰা। উপন্যাসখনত ৰাজনৈতিক অস্থিৰতাৰ বতাহ বৈ আছে। জুলিয়েন চাৰিত্ৰিক ভাৱে তীব্ৰ অনুভূতিসম্পন্ন আৰু সৎ আছিল, কিন্তু সমাজ আৰু ধৰ্ম-সম্প্ৰদায়ৰ অনুভূতিয়ে তাক ভণ্ডামিৰ আশ্ৰয় লবলৈ বাধ্য কৰাইছিল।

নেপোলিয়ানৰ অভিযানবোৰত আৰু পিছতো কূটনীতিকৰ পদত থাকোতে স্তাঁদাল কেইবাটাও ব্যৰ্থ প্ৰেমৰ ঘটনাৰ সৈতে জড়িত আছিল। এই ব্যৰ্থ প্ৰেমেই সম্ভৱত: শ্লেষপূৰ্ণ দৃষ্টিভংগীৰে ৰাজনৈতিক আৰু মানসিক সমস্যাৱলী লক্ষ্য কৰিবলৈ অনুপ্ৰেৰণা যোগাইছিল। স্তাঁদালে কৈছিল 'এজন সাহিত্যিক চিন্তাৰ দিশৰ পৰা ৰোমাণ্টিক হ'লেও লেখাৰ ৰীতিৰ দিশৰ পৰা ধ্ৰুপদী হোৱা উচিত।' 'স্কাৰলেট এণ্ড ব্লেক' উপন্যাসত তেওঁ ইয়াৰ উৎকৃষ্ট নিদৰ্শন প্ৰতিষ্ঠা কৰি গৈছে। তেওঁৰ ৰচনা-ৰীতি স্বত:স্ফূৰ্ত সহজ অথচ গভীৰ: বাহুল্যবৰ্জিত। এইবোৰৰ বাবেই স্তাঁদালক পৃথিৱীৰ অন্যতম শ্ৰেষ্ঠ সাহিত্য-শিল্পী বুলি আখ্যা দিয়া হৈছে।

ছেমুৱেল পিপছৰ দিনপঞ্জী

(৩৩)

ইংৰাজ চৰকাৰৰ নৌ বিভাগৰ এজন বিশিষ্ট বিষয়া আৰু সংগীতৰ পৃষ্ঠপোষক, ৰয়েল ছচাইটিৰ সভাপতি, কবি ড্রাইদেনৰ বন্ধু ছেমুৱেল পিপছৰ মৃত্যু হৈছিল ক্লেপহেমত থকা তেওঁৰ গাঁৱৰ ঘৰত ১৭০৩ চনত সত্তৰ বছৰ বয়সত। ইংলেণ্ডৰ হাণ্টিংডন জিলাৰ এটা জমিদাৰ পৰিয়ালৰ সন্তান আছিল যদিও পিপছৰ দেউতাকে লণ্ডনত দৰ্জিৰ ব্যৱসায় কৰিবলগীয়া হৈছিল। অৱশ্যে গৃহযুদ্ধৰ পিছত তেওঁ কমনৱেলথ নৌবহৰৰ এজন এড্‌মিৰেল হৈছিল। ছেমুৱেল পিপছক পঠোৱা হৈছিল উচ্চ শিক্ষাৰ্থে কেম্ব্রিজলৈ। এবাৰ পিপছক তেওঁ ঘৰলৈ আহোঁতে ক্রমৱেলৰ বন্ধু এডৱাৰ্ড মণ্টেগুই তেওঁৰ একান্ত সচিব গৃহ-পৰিচালক পদত নিযুক্ত কৰে। মণ্টেগুই নিজৰ প্রভাৱেৰে পিপছক অৰ্থমন্ত্রী দপ্তৰৰ কেৰাণী পদতো নিযুক্তি দিছিল।

ক্রমৱেলৰ মৃত্যুৰ পিছত মণ্টেগুই ৰাজতন্ত্রৰ পুনৰ প্রতিষ্ঠাৰ বাবে কাম কৰিছিল। ১৬৬০ চনত মে' মাহত তেওঁ তেওঁৰ সচিব পিপছক লগত লৈ দ্বিতীয় চাৰ্লছক ইংলণ্ডলৈ আনিবৰ বাবে ইংলণ্ডলৈ গৈছিল। ৰজা দ্বিতীয় চাৰ্লছে কৃতজ্ঞতাবশত: মণ্টেগুক আৰ্ল অব ছেণ্ডউইচ পদত প্রতিষ্ঠিত কৰে। পিপ্‌ছে নৌপৰিষদত এটা পদত কামত নিযুক্ত হৈ অতি সোনকালেই সুদক্ষ বিষয়া বুলি খ্যাতি অৰ্জন কৰে। ডিউক অব ইয়ৰ্ক (পিছত ৰজা দ্বিতীয় জেমছ)ৰ পৃষ্ঠপোষকতাত তেওঁ ৰাজকীয় নৌ বাহিনীৰ পুনৰ্সংগঠনৰ কামত আত্মনিয়োগ কৰি উল্লেখযোগ্য কৃতিত্ব আৰ্জে। দ্বিতীয় জেমছৰ ৰাজত্বৰ সময়ত পিপছ প্রকৃত পক্ষে নৌবাহিনী দপ্তৰৰ মন্ত্রী আছিল। ১৬৬৮ চনৰ বিপ্লৱত দ্বিতীয় জেমছৰ পলায়নৰ পিছত পিপছৰ চৰকাৰী চাকৰিয়াল জীৱনৰ অন্ত পৰে।

পিপছ আছিল পিউৰিটান। তৎসত্বেও ১৬৯০ চনত এবাৰ তেওঁক পোপপন্থী বুলি অভিযুক্ত কৰি কাৰাবদ্ধ কৰা হৈছিল। সেই সময়ত ৰাজহুৱা কামত নিযুক্ত লোক জেললৈ যাবলগীয়া হোৱাটো সাধাৰণ কথা আছিল।

তেওঁৰ সমসাময়িক কালত পিপছ আছিল এজন সন্মানিত ব্যক্তি। কিন্তু পিছুৰ গ্ৰন্থসমূহৰ বাবে তেওঁ স্মৰণীয় হৈ আছে আন এটা কাৰণতহে। মৃত্যুৰ আগে আগে তেওঁ ভালেমান মূল্যবান গ্ৰন্থ কেম্ব্ৰিজৰ কলেজলৈ দান কৰি গৈছিল। সেই গ্ৰন্থসমূহৰ মাজত আছিল ১৬৫৯ চনৰ পৰা ১৬৬৯ চনলৈ ছয়টা খণ্ডত লেখা পকা-বন্ধা ডায়েৰী (দিনপঞ্জী)। ১৮১৮ চনত মেগডেলেন কলেজ- কৰ্তৃপক্ষই পিপছৰ ডায়েৰী প্ৰকাশ কৰিবলৈ সিদ্ধান্ত লয়।

পিপছে তেওঁৰ ডায়েৰী লেখিছিল ১৬৪১ চনত আবিষ্কৃত এক ধৰণৰ শ্বৰ্টহেণ্ড প্ৰণালীত। তেওঁ প্ৰচুৰ পৰিমাণৰ লেটিন, ফৰাচী আৰু পৰ্তুগীজ শব্দ ব্যৱহাৰ কৰিছিল। গতিকে ডায়েৰীৰ প্ৰকৃত অৰ্থ উলিওৱাত কিছু সময় লাগিছিল। যিসকল পণ্ডিত এই কামত নিযুক্ত আছিল তেওঁলোকে দেখিলে যে পিপছৰ ডায়েৰীত তেওঁৰ যুগৰ ৰাজহুৱা জীৱনৰ প্ৰতিফলনৰ উপৰিও পিপছ মানুহজনৰ এক সামগ্ৰিক ছবি ফুটি উঠিছে আৰু এই ছবি মানবীয় দোষ-গুণেৰে সমৃদ্ধ। বহু কথা পিপছে ইমান খোলাখুলিকৈ লেখিছিল যে ডায়েৰীৰ প্ৰথমজন সম্পাদকে কিছু অংশ বাদ দি গৈছিল। ১৮২৫ চনত পিপছৰ ডায়েৰীৰ সংক্ষিপ্ত সংস্কৰণ প্ৰকাশ পায়। উনৈশ শতিকাৰ শেষৰ ফালে ডায়েৰীখন নটা খণ্ডত সম্পূৰ্ণ আকাৰে প্ৰকাশ পায়।

পিপছৰ ডায়েৰী স্বীকাৰোক্তি (confession) ধৰণৰ নহয়। বহু সময়ত দেখা যায় যে ডায়েৰীত বা আত্মজীৱনীত লেখকে নিজৰ দুৰ্বলতাসমূহ প্ৰকাশ কৰি তাৰ একোটা ব্যাখ্যা দিবলৈ যত্ন কৰে। পিপছৰ ডায়েৰীত ১৬৫৯-১৬৬৯ এই দহ বছৰৰ প্ৰতিটো দিনৰ বিৱৰণ আছে। নৌবাহিনীত তেওঁৰ কৃতকাৰ্যতা, ৰাজনৈতিক আৰু সামাজিক ঘটনাৱলীত তেওঁৰ অংশ গ্ৰহণ, সম্পত্তি বৃদ্ধি কৰাত তেওৰ আনন্দ, চৌখিন পোছাকৰ প্ৰতি হেঁপাহ, বন্ধু বান্ধৱৰ সৈতে খোৱা ভোজ ইত্যাদিৰ বিৱৰণৰ জৰিয়তে এজন জীৱন-প্ৰেমী মানুহক ডায়েৰীখনত লগ পোৱা যায়। যদিও শাৰীৰিক দিশৰ পৰা তেওঁ বৰ বলবান নাছিল, তথাপি ১৬৬৫ চনৰ প্লেগ মহামাৰীয়ে লণ্ডনত চলোৱা তাণ্ডৱৰ সময়ত আন বহুতৰ দৰে তেওঁ লণ্ডন ত্যাগ কৰা নাছিল; ৰাজদৰবাৰ আৰু ৰাজকীয় বিষয়াসকলৰ সৈতে তেওঁ অনবৰত যোগাযোগ ৰাখি নিজৰ কৰ্তব্য কৰি গৈছিল।

প্লেগৰ প্ৰকোপ ইমানেই বেছি আছিল যে সপ্তাহত প্ৰায় ৭ হেজাৰকৈ লোকৰ মৃত্যু হৈছিল। সেই সময়ত তেওঁ এবাৰ বোঁৱা বাগীৰে লণ্ডন পৰিভ্ৰমণ কৰোঁতে কচোৱানজন ৰোগত আক্ৰান্ত হয়। তেওঁ খোজকাঢ়ি আহোঁতে ৰাতি আলিবাটত পৰি থকা মৰাশবোৰত উজুটি খাই পৰিছিল। ৰাতি নুফুৰিবলৈ তেওঁ শপত খালে। তেওঁ মন্তব্য কৰিছে, 'হে ভগবান, মানুহবোৰ যে দেখিবলৈ কেনেকুৱা হৈছে। আলিবাটত মানুহৰ কথা-বতৰাৰ বিষয় কেৱল মৃত্যু। বাটত খুব কম মানুহেহে চলাচল কৰে। চহৰখন এবাৰাৰীৰ দৰে হৈছে।' প্লেগৰ সময়ত আৰু ১৯৬৬ চনৰ লণ্ডনৰ বিৰাট অগ্নিকাণ্ডৰ সময়তো তেওঁৰ মনত নৌ বাহিনীৰ কথায়েই প্ৰাধান্য লাভ কৰিছিল। অগ্নিকাণ্ডৰ যি বিৱৰণ দিছে সেয়া নাটকীয় আৰু জীৱন্ত।

১৬৬৬ চনৰ ২ চেপ্তেম্বৰত অগ্নিকাণ্ড আৰম্ভ হয়।সেইদিনাৰ দিনপঞ্জীত তেওঁ লেখিছে যে তেওঁৰ লিগিৰীহঁতে বহু ৰাতিলৈ সাৰে থাকি পিছদিনা ৰাতিপুৱাৰ বাবে খাদ্য-সামগ্ৰী তৈয়াৰ কৰিছিল। ৰাতি তিনিমান বজাত সিহঁতে তেওঁক জগাই নগৰত জুই দেখাৰ কথা জনালে। ৰাতিপুৱাৰ পৰা গধূলিলৈ তেওঁ জুই নুমোৱা কামত নিজকে ব্যস্ত ৰখাৰ পিছত ৰজাক লগ ধৰি জুই যাতে বিয়পিব নোৱাৰে তাৰ বাবে ঘৰবোৰ ভাঙি দিবলৈ পৰামৰ্শ দিলে। তেওঁ লৰ্ড মেয়ৰকো লগ ধৰিলে, কিন্তু মেয়ৰে বিস্তৃত আতংকৰ সমুখত নিজৰ অসহায়তা প্ৰকাশ কৰিলে। পিছত সেইদিনা ৰাতি পিপছে লেখিছে: 'জুই ইমান ওচৰত যে আমি যেন সেই জুইৰে ধপাত লগাবহে পাৰিলোঁহেঁতেন। টেমছৰ চাৰিওফালে লগা জুইৰ ফালে বতাহৰ মুখা কৈ থিয় হ'লে জুইৰ বৰষুণত তুমি দগ্ধ হবা। ই একেবাৰে সত্য; জুইৰ পিণ্ড আৰু খণ্ডবোৰে ঘৰবাৰী পুৰি পেলাইছে- এটাৰ পিছত এটাকৈ তিনিটা, চাৰিটা-নহয় পাঁচটা, ছয়টা। পানীত আশ্ৰয়লৈও যেতিয়া আমি সহ্য কৰিব নোৱাৰিলোঁ তেতিয়া পাৰৰ আমি এটা মদিৰালয়লৈ গ'লোঁ আৰু তাত প্ৰায় ৰাতি হোৱালৈ থাকিলো। লগে লগে জুইৰ প্ৰকোপ বাঢ়িল- ঘৰৰ মূধচ, গীৰ্জা, দূৰৰ পাহাৰ সকলোতে ভয় উদ্ৰেককাৰী প্ৰতিহিংসা পৰায়ণ ৰক্তপিপাসু জুই- সাধাৰণ জুইৰ স্নিগ্ধ শিখা নহয়।

থিয়েটাৰৰ প্ৰতি পিপছৰ যিমান স্পৃহা আছিল, তাতকৈ বেছি স্পৃহা

আছিল সংগীতৰ প্ৰতি। দেউতাকেই প্ৰথমে তেওঁৰ মনত সংগীতৰ স্পৃহা জন্মায়। পুতেকক তেওঁ ভায়োলিন বজাবলৈ শিকাইছিল। দুপৰীয়া ৰাজকৰ্মৰ পৰা ঘৰলৈ উভতি আহি পিপছে দুই-এটা গান গাইছে; ৰাতি ভগ্নহৃদ বাগিচাত বন্ধু বিশেষকৈ বান্ধৱীসকলৰ সৈতেও গান গাইছিল। ইংলেণ্ডত ৰাজতন্ত্ৰ পুনৰ প্ৰতিষ্ঠাৰ (Restoration) যুগৰ আনন্দময় পৰিবেশৰ এটা আভাস ইয়াৰ পৰা পোৱা যায়।

কিন্তু ডায়েৰীখনৰ অফুৰন্ত আকৰ্ষণ হ'ল পিপছৰ দৰে এজন উচ্চাকাংক্ষী, অনুভূতিশীল মানুহৰ দ্বাৰা লুকঢাক নকৰাকৈ আত্মউন্মোচন। এবাৰ গিৰিয়েকৰ পাবলগীয়া বেতনৰ বাকী থকা পইচা নিবলৈ আহোঁতে এজনী যুৱতীক ধৰ্ষণ কৰা কথাও ডায়েৰীত লিপিবদ্ধ কৰিছে। ডায়েৰীৰ দহ বছৰীয়া কালছোৱাত তিৰোতাৰ সংগ পিপছৰ অতি প্ৰিয় আছিল। অগ্নিকাণ্ডৰ কেইদিনমান পিছতেই এদিনৰ ভিতৰতে তেওঁ দুজনী তিৰোতাৰ সৈতে প্ৰেম কৰিছিল— ৰাতিপুৱা বেটি মাৰ্টিনৰ সৈতে আৰু গধূলি নৌবাহিনীৰ মিস্ত্ৰী এজনৰ বিধৱা পত্নী মিছেছ বেগৱেলৰ সৈতে।

প্ৰেমৰ বিষয়ে পিপছ আছিল অক্লান্ত। ওচৰত গাভৰু ছোৱালী থাকিলেও তেওঁ সিহঁতক মৰম কৰিবলৈ বা চুমা খাবলৈ নেৰিছিল। তিৰোতাৰ প্ৰতি লক্ষ্য কৰাটো তেওঁৰ প্ৰধান আমোদ আছিল। এবাৰ থিয়েটাৰত তেওঁ মিছেছ পামাৰৰ ওচৰত বহাৰ সুবিধাৰে আমোদ কৰিছিল। এই মিছেছ পামাৰে পিছত লেডী কচলমেইন উপাধি লৈ ৰজা দ্বিতীয় চাৰ্লছৰ ৰক্ষিতা হৈছিল। গীৰ্জাতো পিপছে ছোৱালী চোৱাৰ সুবিধা লৈছিল। গীৰ্জালৈ মাজে-সময়ে তেওঁ এখন সৰু আয়না লৈ গৈছিল আৰু তাত প্ৰতিফলিত হোৱা 'ভালেমান ধুনীয়া তিৰোতাক চাই চাই আৰু টোপনিয়াই থাকি চাৰমন শেষ হোৱালৈ সময় কটাইছিল।

এনে স্বভাৱ সত্বেও পিপছে নিজকে পিউৰিটান আখ্যা দিছে। সহজে আত্মসমৰ্পণ কৰা তিৰোতাক তেওঁ ঘৃণা কৰিছিল আৰু আনকি তেওঁৰ কামনাৰ বলি হোৱা সকলকো লাজকুৰীয়া স্বভাৱৰ হোৱাটো বিচাৰিছিল। কিন্তু ৰাজহুৱাভাৱে যৌন কলংক ঘটোৱাটো তেওঁ সমৰ্থন নকৰিছিল। আনকি তেওঁৰ পৃষ্ঠপোষক আৰ্ল অব ছেণ্ডউইচে এজনী বিখ্যাত গণিকাৰ সৈতে সম্বন্ধ ৰখা

কথাটো মুঠেই ভাল পোৱা নাছিল। এনেকুৱা কথাৰ বাবে ৰজা দ্বিতীয় চাৰ্লছকো তেওঁ সমালোচনা কৰিছে।

কেম্ব্ৰিজ এৰি অহাৰ পিছতে তেওঁ ফৰাচী হিউগেনট (প্ৰটেষ্টাণ্ট) এজনৰ কন্যা এলিজাবেথ লা মাৰ্চক বিয়া কৰাইছিল। এই বিয়া আছিল একান্তভাবে প্ৰেমজনিত। ১৬৬৯ চনৰ ১৬ নবেম্বৰত এলিজাবেথৰ মৃত্যু হয়। তেওঁ অতি ধুনীয়া আছিল, কিন্তু গৃহস্থালিৰ কামত আছিল একেবাৰে ভোদা। সেয়ে মাজে মাজে গিৰিয়েক ঘৈণীয়েকৰ মাজত দুৰ্বাদল কাঁজিয়াৰো সৃষ্টি হৈছিল। কিন্তু শীঘ্ৰেই কাঁজিয়াৰ ওৰ পৰিছিল। ডায়েৰীত পিপছে ঘৈণীয়েকৰ সৈতে মাজে মাজে কটোৱা আনন্দময় সন্ধিয়াবোৰৰ কথাও উল্লেখ কৰিছে। পিপছে আন তিৰোতাৰ সৈতে তেওঁৰ সম্পৰ্কৰ কথা ঘৈণীয়েকৰ পৰা লুকুৱাই ৰাখিবলৈ যত্নপৰ হৈছিল। কিন্তু এবাৰ ঘৈণীয়েকে পিপছক এজনী লিগিৰীক মৰম কৰি থাকোতে ধৰা পেলায়। লিগিৰীজনীক কামৰ পৰা অব্যাহতি দিয়া হ'ল যদিও বহুত দিনলৈ পিপছৰ ভয় হৈছিল যে ঘৈণীয়েকে বিবাহ-বিচ্ছেদ কৰিব। কিন্তু সেয়া নহ'লগৈ।

পিপছে ডায়েৰী লেখি আনন্দানুভূতি লাভ কৰিছিল। ১৬৬৯ চনৰ ৩১ মে'ৰ দিনা তেওঁ দুখ কৰি লেখিছে যে তেওঁৰ দৃষ্টিশক্তি ক্ষীণ হৈ আহিছে আৰু সম্ভৱত: তেওঁ লেখিব নোৱাৰিব। কিন্তু তেওঁৰ এই ভয় অমূলক আছিল। পিছৰ যুগৰ মানুহে পিপছে কিয় ডায়েৰী লেখিবলৈ লৈছিল সেই কথাত আশ্চৰ্যান্বিত হৈছিল এইবাবেই যে ডায়েৰীখনে তেওঁক বদ স্বভাৱৰ মানুহ বুলিহে প্ৰমাণ কৰাৰ সম্ভাৱনা আছিল। আটাইবোৰ কথা খোলা খুলিকৈ লেখাৰ পৰা অনুমান কৰিব পাৰি যে তেওঁ আত্মতৃপ্তিৰ বাবেহে ডায়েৰী লেখিছিল, আনে পঢ়িবৰ বাবে নহয়। কিন্তু ডায়েৰীখন অন্যান্য কিতাপৰ সৈতে কেম্ব্ৰিজৰ কলেজক দান কৰাৰ তেওঁ উদ্দেশ্য হয়তো এয়েই আছিল যে ভৱিষ্যতে ইয়াৰ জৰিয়তেই তেওঁৰ নাম অমৰ হৈ ৰ'ব।

যিদৰে বছৱেলৰ 'জনছনৰ জীৱনী' জীৱনী-সাহিত্যত অতুলনীয়, সেইদৰে আত্মউন্মোচক দলিল হিচাপে পিপছৰ 'ডায়েৰী'ও অনন্য। যদিও তেওঁ এজন সাধাৰণ লোকৰ পৰ্যায়ৰেই আছিল, তথাপি মানসিক শক্তি, কৰ্মদক্ষতা আদিত তেওঁ সমসাময়িক বহুলোকৰ উৰ্দ্ধত আছিল। মুঠৰ ওপৰত, নিজৰ বিষয়ে সম্পূৰ্ণ

সত্য প্ৰকাশ কৰি পিপছে কেৱল সাহিত্য জগতত‌ে বিস্ময় সৃষ্টি কৰি যোৱা নাই, মানবীয় দোষ-গুণ সম্পন্ন মানুহ হিছাপেও নিজকে উদঙাই দি গৈছে। সেই কাৰণে ইংৰাজী-সাহিত্যত 'ডায়েৰী' খনে এক বিশিষ্ট স্থান অধিকাৰ কৰি আছে।

ইমানুৱেল কাণ্টৰ ক্ৰিটিক অৱ পিওৰ ৰিজন

(৩৪)

জাৰ্মানিৰ যি অঞ্চলক আগতে পূব প্ৰুছিয়া বোলা হৈছিল, তাৰ কনিনিলগ্ৰেড চহৰত ১৭২৪ চনৰ ২২ এপ্ৰিলত ইমানুৱেল কাণ্টৰ জন্ম হৈছিল। ছেণ্ট গিয়ৰ্গ হাস্পাতালৰ সৈতে সংলগ্ন প্ৰাথমিক স্কুলত প্ৰথমে শিক্ষা লাভ কৰি তেওঁ প্ৰটেষ্টাণ্ট হাইস্কুল কলেজিয়াম ফ্ৰেডেৰিচিয়ানামত ভৰ্তি হৈ উল্লেখযোগ্য মেধাশক্তিৰ পৰিচয় দিয়ে। ১৭৪০ চনত বিশ্ববিদ্যালয়ত নাম লিখি তেওঁ ধ্ৰুপদী সাহিত্য, পদাৰ্থ বিজ্ঞান আৰু গণিত-শাস্ত্ৰ অধ্যয়ন কৰে। শিক্ষা সাং কৰি ১৭৪৭ চনৰ পৰা ১৭৫৫ চনলৈ তেওঁ প্ৰাইভেট টিউটৰ হিচাপে কাম কৰে। এই সময়ছোৱাতে তেওঁ ডক্টৰেট ডিগ্ৰী লাভ কৰে। সমাৱৰ্ত্তন উৎসৱত তেওঁ দৰ্শনৰ ওপৰত লেটিন ভাষাত দিয়া বক্তৃতাই সমবেত সুধীমণ্ডলীক চমৎকৃত কৰে আৰু ফলস্বৰূপে বিশ্ববিদ্যালয়ত তেওঁ গণিত, পদাৰ্থ-বিজ্ঞান আৰু দৰ্শন-শাস্ত্ৰৰ 'ৰিডাৰ' হিচাপে নিযুক্তি পায়। ১৭৭০ চনত তেওঁ তৰ্কশাস্ত্ৰ আৰু মেটাফিজিক্‌ছৰ অধ্যাপকৰ পদ গ্ৰহণ কৰি সেই পদত ১৭৯৭ চনলৈ থাকি অৱসৰ লয়। তেওঁৰ জীৱনৰ শেষ সাতোটা বছৰ আছিল বৈচিত্ৰ্যহীন। ৬৭ বছৰ বয়সত তেওঁৰ মৃত্যু হয়। তেওঁ আছিল চিৰকুমাৰ।

যদিও তেওঁৰ জীৱন গতানুগতিক ধৰাৰ আছিল, তথাপি দৰ্শনশাস্ত্ৰৰ ওপৰত তেওঁ বিস্তাৰ কৰা প্ৰভাৱ আছিল অত্যন্ত গভীৰ। বাস্তৱবাদ (ভৌতিকবাদ) আৰু ভাববাদৰ মাজত ঐক্য স্থাপনৰ বাবে চলোৱা প্ৰচেষ্টাই দাৰ্শনিক চিন্তাধাৰালৈ তেওঁৰ অৱদান। বাস্তববাদীসকলে বস্তুক আৰু ভাববাদীসকলে মনক (অহং) চূড়ান্ত জ্ঞান কৰে। বাস্তৱবাদীসকলৰ মতে ইন্দ্ৰিয়গ্ৰাহ্য পৃথিৱীৰ পৰা অহং সম্পূৰ্ণৰূপে মুক্ত। কাণ্টৰ প্ৰতিপাদ্য হ'ল যে অভিজ্ঞতাই বস্তু-জ্ঞান দিলেও, মনত অভিজ্ঞতা-মুক্ত কেতবোৰ ধাৰণা থাকে আৰু এই ধাৰণাবোৰ অভিজ্ঞতাই দিয়া বস্তু-জ্ঞানৰ ওপৰত মানুহে প্ৰয়োগ কৰে। দৰ্শনে তিনিটা মূল আৰু বৃহৎ সমস্যাৰ সৈতে নিজকে সংশ্লিষ্ট কৰে—

সত্য, সৎ আৰু সৌন্দর্য। কান্টে এই তিনিওটা সমস্যাৰে বিশদ ব্যাখ্যা আগবঢ়াইছে। যি তিনিখন গ্ৰন্থত তেওঁ মানবীয় জ্ঞানৰ প্ৰকৃতি, সীমাবদ্ধতা আৰু বিস্তৃতি সম্পৰ্কে আলোচনা কৰিছে, তাৰ প্ৰথমখন হ'ল 'ক্ৰিটিক অব পিওৰ ৰিজন' (শুদ্ধ যুক্তিৰ সমীক্ষা)।

স্বাভাৱিকভাৱেই প্ৰথম পৰ্যায়ত কান্টৰ চিন্তাধাৰাৰ ওপৰত পূৰ্বসূৰী দাৰ্শনিক সকলৰ প্ৰভাৱ পৰিছিল। ১৭৪০ চনৰ পৰা ১৭৬০ চনলৈ তেওঁ জাৰ্মান দাৰ্শনিক লিবনিজ আৰু উলফৰ দৰ্শনৰ উপৰিও নিউটনৰ প্ৰাকৃতিক দৰ্শনৰ দ্বাৰা আকৃষ্ট হৈছিল। ১৭৬০ চনৰ পৰা ১৭৭০ চনলৈ ইংৰাজ দাৰ্শনিক লক্ আৰু হিউমৰ 'অভিজ্ঞতাৰ দৰ্শন' (Empirical Philosophy) অধ্যয়ন কৰে।

কান্টৰ সমসাময়িক কালত জ্ঞান আৰু চেতনা সম্পৰ্কে দুটা বিৰোধী দাৰ্শনিক মতবাদে প্ৰাধান্য লাভ কৰিছিল। এটা হ'ল জনলকৰ অভিজ্ঞতাবাদ (Empiricism)। এই মতবাদৰ মতে জ্ঞান আৰু চেতনাৰ উৎস হ'ল অভিজ্ঞতা। দ্বিতীয় হ'ল— ডেকাৰ্টৰ যুক্তিবাদ (Rationalism)। এই মতানুসৰি সকলো জ্ঞান আছে মানব-মন অৰ্থাৎ ratio বা reason (যুক্তি)ৰ পৰা আৰু সেয়ে বিশুদ্ধ চিন্তাই সকলো সত্যৰ উৎস।

কান্টে দহ্ বছৰ ধৰি জ্ঞান আৰু চেতনাৰ সমস্যাৰ বিষয়ে চিন্তা কৰি ১৭৮১ চনত তেওঁ চিন্তাৰ সুফল 'ক্ৰিটিক অৱ পিওৰ ৰিজন' গ্ৰন্থত লিপিবদ্ধ কৰে। কান্টীয় দৰ্শনৰ মূল প্ৰতিপাদ্য হ'ল এয়ে যে, মানুহৰ মন জীৱন্ত সক্ৰিয় কোষ। ই ইন্দ্ৰিয় আৰু অভিজ্ঞতাৰ জৰিয়তে বহিৰ্বিশ্বৰ পৰা উপাদান গ্ৰহণ কৰে, কিন্তু এই উপাদানক নিজৰ নিয়ম অনুসৰি ৰূপ দিয়ে আৰু এইদৰে নিজস্ব চেতনা গঢ়ি তোলে। প্ৰাকৃতিক বিজ্ঞানত পৰীক্ষা-নিৰীক্ষাৰ দ্বাৰা চেতনা আৰু উপলব্ধিৰ মাজত সংযোগ ঘটাব পাৰি। কিন্তু ইন্দ্ৰিয় গ্ৰাহ্যতাৰ উৰ্দ্ধতো চেতনাৰ অস্তিত্ব আছে। ঈশ্বৰৰ অস্তিত্ব প্ৰাকৃতিক বিজ্ঞানৰ দৰে পৰীক্ষাৰ জৰিয়তে প্ৰমাণ কৰিব নোৱাৰি। কিন্তু অন্তৰ্বিশ্ব আৰু বহিৰ্বিশ্ব অৰ্থাৎ আত্মা আৰু প্ৰকৃতিৰ ধাৰণাই দুয়োটাৰ মাজত সমন্বয়কাৰী উপাদান এটাৰ ধাৰণাও আনে। এই ধাৰণাই আনে ঈশ্বৰৰ অস্তিত্বৰ ধাৰণা। গতিকে, তত্ত্বাশ্ৰয়ী যুক্তি অভিজ্ঞতাৰ দ্বাৰা নিয়ন্ত্ৰিত হ'লেও ব্যৱহাৰিক যুক্তিয়ে অভিজ্ঞতাৰ সীমা অতিক্ৰম কৰে।

তত্ত্বাশ্ৰয়ী যুক্তিয়ে আত্মাৰ অমৰতা, ইচ্ছাৰ স্বাধীনতা, ঈশ্বৰৰ অস্তিত্ব আদি কেতবোৰ সত্য প্ৰমাণ কৰিব নোৱাৰে; কিন্তু ব্যৱহাৰিক যুক্তিয়ে এইবোৰৰ স্বীকৃতি দিয়ে।

কাণ্টে দাৰ্শনিক চিন্তাধাৰাত নতুন মাত্ৰা সংযোগ কৰি গৈছে আৰু আজিও দাৰ্শনিকসকলে তাৰ ওপৰত ভিত্তি কৰি নতুন নতুন দিশৰ সন্ধান পাইছে। কাণ্ট হ'ল নতুন পোহৰৰ বাট দেখুৱাওতা। মানৱতাৰ দিগ্বিজয়ৰ প্ৰদৰ্শক জোৰবাতি। চিৰকালৰ বাবে তেওঁ গঢ়ি গৈছে মানৱতাৰ অগ্ৰগতিৰ পথ।

গিবনৰ ৰোম সাম্ৰাজ্যৰ পতন

(৩৫)

চৈধ্য বছৰ বয়সত এডৱাৰ্ড গিবন তেওঁৰ দেউতাকৰ লগত দেউতাকৰ বন্ধু এজনৰ গাঁৱৰ ঘৰলৈ গৈছিল। গাঁৱৰ প্ৰাকৃতিক দৃশ্যাৱলী উপভোগ কৰাৰ ফাঁকে ফাঁকে গিবনে দেউতাকৰ বন্ধুজনৰ ঘৰুৱা পুথিভঁৰালত কিতাপো পঢ়িছিল আৰু তাতেই তেওঁ বুৰঞ্জীবিদ এচাৰ্দে লেখা 'ৰোমান বুৰঞ্জী' (Roman History) খন পঢ়ি এনেদৰে মুগ্ধ হৈছিল যে তেওঁ খোৱা-বোৱাও পাহৰি পেলাইছিল। বুৰঞ্জীৰ প্ৰতি জন্মা এই আগ্ৰহৰ ফলস্বৰূপে তেওঁ আৰব, পাৰ্ছিয়ান, টাৰ্টাৰ আৰু তুৰ্ক জাতিৰ বিষয়ে ইংৰাজী ভাষাত ৰচিত আটাইবোৰ বুৰঞ্জী ষোল বছৰ বয়সৰ ভিতৰতে পঢ়ি শেষ কৰিলে। উচ্চশিক্ষাৰ্থে অক্সফোৰ্ডলৈ গৈ গিবনে ফৰাচী আৰু লেটিন ভাষাত লিখা ভালেমান বুৰঞ্জী গ্ৰন্থ অধ্যয়ন কৰিলে। কিছুদিন গিবনে চুইজাৰলেণ্ডতো কটায়।

ইংলেণ্ডলৈ উভতি আহি পৈতৃক ঘৰত থিতাপি লৈ তেওঁ সৰহভাগ সময় পুথি ভঁৰালতে কটাবলৈ ললে। মাজতে আঢ়ৈ বছৰৰ বাবে তেওঁ হেম্পশ্বায়াৰ মিলিচিয়াৰ কেপ্তেইন হিচাপেও আছিল। ফ্ৰান্স আৰু ইংলেণ্ডৰ মাজত সেই সময়ত হোৱা যুদ্ধৰ অন্ত পৰাত মিলিচিয়া ভাঙি দিয়া হ'ল। গিবন পেৰিছলৈ গ'ল আৰু তাৰ পৰা ৰোম পালেগৈ। "প্ৰাচীন ৰোমৰ ধ্বংসাৱশেষৰ মাজত বহি থাকোঁতে ১৭৬৪ চনৰ ২৫ অক্টোবৰৰ দিনা এই মহানগৰৰ অৱক্ষয় আৰু পতন সম্পৰ্কে লেখাৰ ধাৰণা পোন প্ৰথমবাৰৰ বাবে মোৰ মনত জাগে" বুলি এডৱাৰ্ড গিবনে পিছত তেওঁৰ আত্মজীৱনীত উল্লেখ কৰিছে।

সাতবছৰ জোৰা অনলস পৰিশ্ৰমৰ শেষত ১৭৭৬ চনৰ ফেব্ৰুৱাৰীত 'ডি' ডিক্লাইন এণ্ড ফল অব ৰোমান এম্পায়াৰ' (ৰোমান সাম্ৰাজ্যৰ অৱক্ষয় আৰু পতন) গ্ৰন্থৰ প্ৰথমখণ্ড প্ৰকাশিত হয় আৰু লগে লগে ই অতি জনপ্ৰিয় পুথিৰ শাৰীলৈ উন্নীত হয়। গিবনে পিছত কৈছে, 'মোৰ গ্ৰন্থখন প্ৰতিজন মানুহৰ মেজত শোভা পাইছিল।'

গ্রন্থখনৰ পৰৱৰ্তী কিছুমান অধ্যায় দীঘলীয়া আৰু আমনি লগাকৈ তথ্যবহুল হ'লেও, আৰম্ভণিৰ তিনিটা অধ্যায়ত গিবনে অতি কুশলতাৰে ৰোমৰ অৱক্ষয় আৰু পতনৰ পৰ্যায় সমূহৰ ইংগিত দিছে। তেওঁ লেখিছে: খ্ৰীষ্টীয় দ্বিতীয় শতিকাত ৰোমান সাম্ৰাজ্য পৃথিৱীৰ ভিতৰতে ধুনীয়া আৰু মানৱ জাতিৰ ভিতৰত সবাতোকৈ সভ্য আছিল।' সাম্ৰাজ্যৰ বিস্তৃতিও আছিল বিশাল। স্কটলেণ্ডৰ এণ্টনিয়াছৰ প্ৰাচীৰৰ পৰা এটলাছ পৰ্বতলৈ, পশ্চিম মহাসাগৰৰ (আটলাণ্টিক) পৰা ইউফ্ৰেটিছ নদীলৈ আছিল ইয়াৰ আয়তন। ইয়াৰ জনসংখ্যা আছিল ১২ কোটি। বিভিন্ন বৈশিষ্টসম্পন্ন বিভিন্ন সমাজ এটা চৰকাৰী প্ৰশাসনৰ অন্তৰ্ভুক্ত আছিল। ৰোমান সাম্ৰাজ্যৰ সৈন্যৰ সংখ্যা আছিল ৪ লাখ ৫০ হেজাৰ।

গিবনৰ মতে দুটা বৰ্বৰ যুগৰ মধ্যৱৰ্তী কালছোৱাত ৰোমান-সাম্ৰাজ্যই স্বৰ্ণযুগৰ সৃষ্টি কৰিছিল। তেওঁ কৈছে যে ৰোমান সম্ৰাট ডমিচিয়ানৰ মৃত্যুৰ পৰা কোমোডাছ সম্ৰাট হোৱালৈ এই কালছোৱাত (৯৬-১৮০ খ্ৰীষ্টাব্দ) মানুহ আছিল সুখী আৰু সমৃদ্ধ। ৰোমান-সাম্ৰাজ্য পৰিচালিত হৈছিল নীতি আৰু জ্ঞানেৰে। সৈন্যবাহিনীক ৰখা হৈছিল কঠোৰ নিয়ন্ত্ৰণৰ মাজত। এণ্টনিয়াছ পায়াছ আৰু মাৰ্কাছ অৰেলিয়াছ আছিল বিখ্যাত সম্ৰাট। 'এওঁলোকৰ ৰাজত্ব কালৰ একমাত্ৰ লক্ষ্য আছিল বৃহত্তৰ জনগণৰ মংগল সাধনা।'

কিন্তু বিশেষ বিশেষ ব্যক্তিৰ হাতত পৰি প্ৰশাসন যে লক্ষ্যভ্ৰষ্ট হৈছিল, তাৰ উদাহৰণো গিবনে দিছে। কোমোডাছ সম্ৰাট হোৱাৰ পিছত ৰোমান সাম্ৰাজ্যত দুৰ্নীতিৰ পয়োভৰ চলাৰ কথা তেওঁ উল্লেখ কৰি কৈছে, 'কোমোডাছ এনেকুৱা এজন মানুহ আছিল যাৰ নীতিজ্ঞান আৰু মানৱতাবোধ মুঠেই নাছিল। তেওঁ সাৰ্বভৌম কৰ্তৃত্ব প্ৰয়োগ কৰিছিল অনিয়ন্ত্ৰিত ইন্দ্ৰিয়পৰায়ণতাত।' কেৱল কোমোডাছেই নহয়, তেওঁৰ পিছৰ ভালেমান ৰোমান সম্ৰাটো আছিল পৈশাচিকতাৰ প্ৰতিমূৰ্তি। এইসকলৰ ঘৃণনীয় কাৰ্যকালৰ কাৰণেই গিবনে 'বুৰঞ্জী অপৰাধ, মূৰ্খামি আৰু মানৱ জাতিৰ দুৰ্দশাৰ খতিয়ানৰ বাহিৰে আন একো নহয়' বুলি কৈছে।

ৰোমান-সাম্ৰাজ্যত খ্ৰীষ্ট-ধৰ্মৰ প্ৰসাৰ আৰু প্ৰচাৰ সম্পৰ্কে দুটা অধ্যায়ত গিবনে বিস্তৃতভাৱে বৰ্ণনা কৰিছে। এই ধৰ্মই কিয় ক্ষিপ্ৰভাৱে সাম্ৰাজ্যত খোপনি পুতিবলৈ সমৰ্থ হ'ল, তাৰ পাঁচোটা কাৰণ তেওঁ উল্লেখ কৰিছে: (১) খ্ৰীষ্ট

ধৰ্মাৱলম্বী সকলৰ অদম্য উৎসাহ (২) ভৱিষ্যত জীৱন সম্পৰ্কে খ্ৰীষ্ট-বাণীৰ আকৰ্ষণ (৩) খ্ৰীষ্ট ধৰ্ম প্ৰচাৰকসকল অলৌকিক শক্তিৰ অধিকাৰী বুলি জনবিশ্বাস (৪) খ্ৰীষ্টানসকলৰ কৃচ্ছ্ৰ সাধন আৰু নৈতিকতা আৰু (৫) ৰোমান সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত খ্ৰীষ্টান ৰাজ্যসমূহৰ ঐক্য সংহতি আৰু অনুশাসনৰ আদৰ্শ।

'ডি ডিক্লাইন এণ্ড ফল অব ৰোমান এম্পায়াৰ'ৰ অন্তিম খণ্ডত গিবনে লেখিছে 'মই বৰ্বৰতা আৰু ধৰ্মৰ উত্থান বৰ্ণনা কৰিলো। বৰ্বৰতাৰ সম্পৰ্কে কেইবাটাও দীঘলীয়া অধ্যায়ত গথ, ভেন্দেল, হুন, ফ্ৰেংক আৰু হেৰুলনসকলে কিদৰে শতাব্দীৰ পিছত শতাব্দী ধৰি আক্ৰমণ চলাই ৰোমান সাম্ৰাজ্য থানবান কৰিলে, তাৰ বিৱৰণ দিয়া হৈছে। ধৰ্ম সম্পৰ্কে নটা অধ্যায়ত ৰোমান শাসকসকলৰ দ্বাৰা আদি খ্ৰীষ্টানসকলৰ ওপৰত উৎপীড়ন, সম্ৰাট কনষ্টেন্টাইনৰ খ্ৰীষ্টধৰ্ম গ্ৰহণ, প্ৰাচীন পৌত্তলিক ধৰ্মৰ পুনৰুত্থানৰ বাবে সম্ৰাট জুলিয়ানৰ ব্যৰ্থ প্ৰচেষ্টা, পৌত্তলিক ধৰ্মৰ চূড়ান্ত পতন আৰু খ্ৰীষ্টান মঠ-ব্যৱস্থাৰ আৰম্ভণিৰ কাহিনী লিপিবদ্ধ কৰা হৈছে। তদুপৰি গিবনে মহম্মদৰ জীৱনী আৰু ইছলাম ধৰ্মৰ উত্থান, খ্ৰীষ্টান আৰু ইছলাম ধৰ্মীসকলৰ মাজত হোৱা ক্ৰুছেদ বা ধৰ্মযুদ্ধ আৰু অৱশেষত তুৰ্কসকলৰ হাতত কনষ্টান্টিনপলৰ পতনৰ কথাও বৰ্ণনা কৰিছে।

ৰোম সাম্ৰাজ্যৰ অৱক্ষয় আৰু পতন কিয় হ'ল সেই সন্দৰ্ভত গিবনে লেখিছে: 'অতিৰিক্ত আয়তনৰ পৰিণাম ৰূপেই ৰোমৰ অৱক্ষয় স্বাভাৱিক আৰু অৱশ্যাম্ভাৱী আছিল। সমৃদ্ধিয়ে ধ্বংসৰ গতি ত্বৰান্বিত কৰিলে, ৰাজ্য জয়ৰ লগে লগে ধ্বংসৰ কাৰণবোৰো বৃদ্ধি হ'ল; আৰু যেতিয়া কালচক্ৰ বা ঘটনাচক্ৰই কৃত্ৰিম ঢোকাবোৰ আঁতৰাই পেলালে, তেতিয়া প্ৰকাণ্ড গাঁথনিটো তাৰ নিজৰ ভৰত তিষ্ঠিব নোৱাৰি ভাগি পৰিল।' গিবনৰ মতে ৰোমান সাম্ৰাজ্যৰ ধ্বংসতকৈ ই কেনেকৈ দীৰ্ঘদিন টিকি আছিল সেয়াহে আশ্চৰ্যজনক।' দূৰদূৰণিত যুদ্ধ কৰা বাহিনীবোৰে ভাৰাতীয়া সৈন্যৰ বদ স্বভাৱবোৰ আহৰণ কৰি ৰাজ্যসমূহৰ স্বাধীনতাত হস্তক্ষেপ কৰিছিল আৰু অৱশেষত সম্ৰাটৰ পৰিমাত সমীলিগু কৰিছিল। ক্ৰমাৎ সামৰিক চৰকাৰ হাতবল হোৱাত ৰোমান জগতখন বৰ্বৰসকলৰ বন্যাৰ ঢৌত উটি গৈছিল।'

১৭৮৮ চনত 'ডিক্লাইণ্ড এণ্ড ফল'ৰ শেষ খণ্ড প্ৰকাশ হয়। তাৰ ছবছৰৰ

পাছত গিবনে ইহলীলা সম্বৰণ কৰে। তেওঁৰ মৃত্যুৰ পৰা আজিলৈ প্ৰায় দুশ বছৰৰ ভিতৰত ৰোম-সাম্ৰাজ্য সম্পৰ্কে নানা নতুন তথ্য আৱিষ্কৃত হৈছে, প্ৰত্নতাত্ত্বিক গৱেষণাৰ জৰিয়তে নতুন নতুন দিশত আলোকপাত কৰা হৈছে। এডৱাৰ্ড গিবনৰ সময়ত এইবোৰ অজ্ঞাত আছিল। তৎসত্ত্বেও কোনোধৰণৰ 'অৱক্ষয় আৰু পতন' ঘটা নাই। পৃথিৱীৰ বুদ্ধিজীৱিদ সকলৰ মাজত তেওঁৰ মৰ্যাদা আজিও অক্ষুন্ন হৈ আছে।

আলেকজেণ্ডাৰ ডুমাৰ থ্ৰি মাস্কেটিয়াৰছ্

(৩৬)

বিশ্ব সাহিত্যৰ দুখন অতি বিখ্যাত বুৰঞ্জীমূলক ৰোমাঞ্চকৰ উপন্যাস হ'ল আলেকজেণ্ডাৰ ডুমা ৰচিত'থ্ৰি মাস্কেটিয়াৰছ' (তিনিজন বন্দুকধাৰী সৈন্য) আৰু 'কাউণ্ট অব মাণ্টিক্রিষ্টো' (মাণ্টিক্রিষ্টোৰ কাউণ্ট) এশ বছৰৰো অধিক কাল ধৰি এই কাহিনীটো জনপ্রিয় হৈ আছিছে।

১৮০২ চনত আলেকজেণ্ডাৰ ডুমাৰ জন্ম হয়। তেওঁৰ দেউতাকে নেপোলিয়ন বোনাপার্টৰ সৈন্যদলৰ এজন সেনাপতি হিছাপে কাম কৰিছিল। আলেকজেণ্ডাৰৰ তিনিবছৰ বয়সতে তেওঁৰ মৃত্যু হোৱাত মাকে অতি কষ্টেৰে আলেকজেণ্ডাৰক ডাঙৰ দীঘল কৰে। ২১ বছৰ বয়সত আলেকজেণ্ডাৰ পেৰিছলৈ আহি আর্লিয়েন্সৰ ডিউকৰ কার্যালয়ত কেৰাণী কামত সোমায়। এজন বন্ধুৰ সৈতে তেওঁ সাহিত্য-চর্চাত লাগে, কিন্তু কবিতাবোৰে পঢ়ুৱৈক আকর্ষণ কৰিব নোৱাৰিলে। ২৭ বছৰ বয়সত তেওঁ ৰোমাণ্টিক ৰীতিৰে এখন বুৰঞ্জীমূলক কাব্যনাট্য লেখি অলপ যশ আর্জে, কিন্তু সাহিত্য ক্ষেত্ৰত তেওঁক বিখ্যাত কৰে ১৮২৯ চনত প্রকাশিত 'তৃতীয় হেনৰি' নামৰ নাটকে। তেতিয়াৰ পৰা সত্তৰ বছৰ বয়সত মৃত্যুৰ সময়লৈকে ডুমাই ভালেমান গ্রন্থ ৰচনা কৰে। ১৮৪৩ চনত তেওঁ 'থ্ৰি মাস্কেটিয়াৰছ' লেখিবলৈ আৰম্ভ কৰি ১৮৪৪ চনৰ পৰা ধাৰাবাহিকৰূপে প্রকাশ কৰে। ৰোমাঞ্চকৰ ঘটনাৰে ভৰপূৰ এই উপন্যাসে পঢ়ুৱৈৰ পৰা বিপুল সমাদৰ লাভ কৰে। যদিও ইয়াত চিন্তাৰ গভীৰতা বা পঢ়ুৱৈক অভিভূত কৰিব পৰা কৰুণ ৰস নাই, তথাপি ইতিহাস আৰু কল্পনাৰ মিশ্রণত ৰচিত 'থ্ৰি মাস্কেটিয়াৰছ'ৰ তাৎক্ষণিক কৃতকার্যতাই স্বয়ং ডুমাকো আশ্চর্যান্বিত কৰি তুলিছিল।

ডুমাৰ সাহিত্য-কর্মত কেইজনমান সহযোগীয়ে সহায় কৰিছিল। এই কথাটোৰ বাবে কিছুমান শত্রুভাবাপন্ন সমালোচকে তীর্যকভাৱে ডুমাৰ 'সাহিত্য কাৰখানা'ৰ উল্লেখ কৰিছিল। সহযোগী সকলৰ ভিতৰত প্রধান আছিল মেক্

নামৰ এজন তৰুণ পণ্ডিত লিখক। মেকে ডুমাক উপন্যাসৰ বিষয়বস্তু যোগাইছিল। ১৮৪৩ চনত চতুৰ্দশ লুইতৰ যুগৰ ওপৰত উপন্যাস লেখিবলৈ সমল গোটোৱাৰ সময়ত ডুমাই 'ডাৰ্টাগণনৰ স্মৃতি কথা' নামৰ এখন কিতাপ পায়। ডাৰ্টাগণন আছিল সপ্তদশ শতিকাৰ আগছোৱাৰ এজন ভাগ্যান্বেষী সৈনিক। ডুমাই এই স্মৃতিকথা পঢ়ি কিছুমান টোকা লেখি মেকলৈ পঠিয়াই দিলে। মেকে অন্যান্য সহযোগীসকলৰ সৈতে আলোচনা কৰি লেখিবলগীয়া উপন্যাসখনৰ চৰিত্ৰ সমূহৰ এটি আভাস ডুমাক দিয়াত ডুমাই 'থ্ৰি মাস্কেটিয়াৰছ' লেখিবলৈ আৰম্ভ কৰে।

অস্ত্ৰ-শস্ত্ৰৰ ঝনঝননিৰে ভৰা এই উপন্যাসখনৰ ঐতিহাসিক পটভূমি হ'ল ফ্ৰান্সৰ ৰজা ত্ৰয়োদশ লুইৰ ৰাজত্ব কাল (১৬১০-৪৩) ফৰাচী দেশৰ বুৰঞ্জীত এই সময়ছোৱা আছিল অস্থিৰতা আৰু ষড়যন্ত্ৰমূলক কাৰ্যকলাপেৰে পৰিপূৰ্ণ। কেৱল ৰাজমন্ত্ৰী কাৰ্ডিনেল ৰিচেলুৰ দৃঢ়হস্তৰ কাৰণেই দেশত এক ধৰণৰ ঐক্য আৰু শান্তি বিৰাজ কৰিছিল। অভিজাত সম্প্ৰদায়ৰ মাজৰ পাৰস্পৰিক সংঘৰ্ষৰ উপৰিও কেথলিক আৰু হিউগ'নট (ফৰাচী প্ৰটেষ্টাণ্ট) সকলৰ মাজৰ অৰিয়াঅৰিত দেশৰ চাৰিওফালে প্ৰায় অৰাজক অৱস্থাৰ সৃষ্টি হৈছিল। চৰকাৰী ভাৱে দ্বন্দ্বযুদ্ধ নিষিদ্ধ আছিল যদিও, দ্বন্দ্বযুদ্ধত প্ৰতিবছৰে কেইবা হেজাৰ মানুহে মৃত্যুবৰণ কৰিছিল। নৈতিকতাৰ অধ:পতন ঘটিছিল। সশস্ত্ৰ দল আৰু বেচৰকাৰী সৈন্যদলে গ্ৰাম্যাঞ্চলত সন্ত্ৰাসৰ সৃষ্টি কৰি ঘূৰি ফুৰিছিল।সাহসী ডেকাৰ কাৰণে অস্ত্ৰৰ সহায়ত যশ, ধন আৰু ধুনীয়া তিৰোতা লাভ মুঠেই টান কাম নাছিল। ৰজাৰ মাস্কেটিয়াৰ দলৰ বিষয়া ডাৰ্টাগণন এনে এজন ডেকা আছিল বুলি 'ডাৰ্টাগণৰ স্মৃতি-কথা'ত পোৱাত ডুমাই নতুন উপন্যাস লেখাৰ সমল পালে। উপন্যাসখনৰ কেতবোৰ প্ৰধান চৰিত্ৰ হিছাপে তেওঁ ললে এই কেইজনক: দুৰ্বল খিংখিঙীয়া ৰজা ত্ৰয়োদশ লুই, তেওঁৰ ধুনীয়া কিন্তু অসুখী ৰাণী এন, সদা-সতৰ্ক তথা সকলোৰে ভীতি স্বৰূপ ৰাজমন্ত্ৰী ৰিচেলু, ইংলেণ্ডৰ ৰজা প্ৰথম চাৰ্লছৰ অনুগ্ৰহভাজন তথা ফৰাচী ৰাণীৰ গোপন প্ৰেমিক বুলি জনাজাত ডিউক অব ব্ৰাকিংহাম। গল্পৰ মূল প্লটত এই চৰিত্ৰ সমূহে নিজৰ ভূমিকা পালন কৰিছে।

ফ্ৰান্সৰ গেস্কন প্ৰদেশৰ ওঠৰ বছৰ বয়সীয়া অভিজাত বংশীয় ডেকা

ডাৰ্টাগনে যশখ্যাতি বিচাৰি তেওঁৰ বুঢ়া ঘোঁৰাটোত উঠি পেৰিছলৈ আহিল। তেওঁৰ লগত আছিল মাত্র পোন্ধৰটা ক্রাউন (মুদ্রা) আৰু আঘাত উপশম কৰিবলৈ এবিধ আশ্চৰ্যজনক মলম। পেৰিছত ৰাজকীয় দেহৰক্ষী মাস্কেটিয়াৰ দলত নিযুক্তিৰ প্রতিশ্রুতি পোৱাৰ পিছত সেই দলৰ তিনিজনৰ সৈতে তেওঁৰ পৰিচয় হয় আৰু প্রত্যেক জনৰ সৈতে হোৱা দ্বন্দ্ব-যুদ্ধৰ পিছত সিহঁতৰ সৈতে চিৰকলীয়া বন্ধুত্বৰ বান্ধোনেৰে বান্ধ খালে। এই মাস্কেটিয়াৰ তিনিজন আছিল- ৰোমাণ্টিক মনৰ এথছ, ডাংকোপ মাৰি ভালপোৱা পৰ্থছ আৰু প্রাক্তন ধৰ্মযাজক এৰামিছ। এই তিনিজন আৰু ডাৰ্টাগণন ৰিচেলুৰ সৈন্যসকলৰ সৈতে পেৰিছৰ আলিবাটত অনবৰত সংঘৰ্ষত লিপ্ত হৈছিল।

উপন্যাসখনত উচ্চপৰ্যায়ৰ ৰাজনৈতিক কাৰ্যকলাপৰ দৃশ্যাৱলীও আছে। ৰিচেলুৱে ৰাণীৰ প্রিয়পাত্র হ'বলৈ চেষ্টা কৰি বিফল হোৱাত ব্ৰাকিংহামৰ আৰু ৰাণীৰ ওপৰত প্রতিশোধ লোৱাৰ ষড়যন্ত্র কৰে। তেওঁ ব্ৰাকিংহাম আৰু ৰাণীৰ মাজৰ অবৈধ প্রেমৰ কথা জানিছিল। ৰাণীয়ে মাতি পঠোৱা বুলি এখন ভুৱা চিঠিৰে ৰিচেলুৱে ব্ৰাকিংহামক পেৰিছলৈ প্রলুব্ধ কৰি আনে। ৰজা লুইয়ে ৰাণীক বাৰটা হীৰাৰ টুকুৰা লগোৱা এডাল গলপতা দিছিল। ব্ৰাকিংহামে ৰাণীক লগ ধৰাত ৰিচেলুৰ ষড়যন্ত্ৰৰ কথা গম পাই ৰাণীয়ে গলপতাডাল তেওঁক দিলে আৰু তৎক্ষণাত ইংলেণ্ডলৈ উভতি যাবলৈ ক'লে। ৰিচেলুৱে ৰাণীৰ এই কামৰ বিষয়ে জানি ৰাণীক শ'লঠেকত পেলোৱাৰ উদ্দেশ্যে ৰজাৰ দ্বাৰা এটা বল-নাচৰ আয়োজন কৰিলে। সেই নাচলৈ ৰাণীয়ে গলপতাডাল পিন্ধি আহিব লাগিব বুলিও ৰজাৰ হতুৱাই তেওঁ ৰাণীক কোৱালে। ৰিচেলুৱে অনুমান কৰিলে যে ৰাণীয়ে ব্ৰাকিংহামৰ পৰা গলপতাডাল আনিবলৈ নিশ্চয় শীঘ্রেই দূত পঠাব। সেয়ে তেওঁ এজনী মহিলা গুপ্তচৰক ইংলেণ্ডলৈ পঠাই গলপতাডালৰ পৰা হীৰাৰ দুটা খণ্ড চুৰ কৰালে। যেতিয়া ৰাণীয়ে গলপতা পিন্ধি বলনাচলৈ আহিব তেতিয়া সেইডালত বাৰটাৰ পৰিবৰ্তে দহোটা হীৰা-খণ্ড থাকিব আৰু ফলত ৰাণী মস্কিলত পৰিব। ৰিচেলুৰ মহিলা গুপ্তচৰজনীৰ নাম মিলেডী। তাই দেখাত ধুনীয়া যদিও চৰিত্রৰ ফালৰ পৰা বেয়া। মিলেডী আছিল মাস্কেটিয়াৰ এথছৰ পৰিত্যক্ত পত্নী। পিছত তাই এজন ইংৰাজক বিয়া কৰাইছিল। যৌৱন কালত কৰা নানা অসৎ কামৰ বাবে ফ্রান্সৰ বিচাৰপতিয়ে তাইক দাগী হিচাপে ঘোষণা কৰিছিল। আধা-সৰ্পিনী আধা সিংহিনী আখ্যাৰ মিলেডীয়ে ব্ৰাকিংহামৰ পৰা

হীৰা-খণ্ড দুটা চুৰ কৰিলে। আনহাতে ৰাণীয়ে গলপতাডাল আনিবলৈ পঠাইছিল ডাৰ্টাগণন আৰু তেওঁৰ লগৰীয়া 'তিনি মাস্কেটিয়াৰ'ক। সিহঁতে মিলেডীক অনুসৰণ কৰি যোৱাৰ পথত ৰিচেলুৰ অন্যান্য এজেণ্টে সিহঁতক বাধা দিয়াৰ চেষ্টা কৰিছিল। 'তিনি মাস্কেটিয়াৰ' আৰু ডাৰ্টাগণনৰ নীতি আছিল; 'এজন আটাইৰে বাবে, আটায়ে এজনৰ বাবে।' গতিকে পৰ্থছ, আৰামিছ আৰু এথছে ৰিচেলুৰ এজেন্টৰ সৈতে সংঘৰ্ষত লিপ্ত হৈ ডাৰ্টাগণনক উদ্দেশ্য সাধনৰ বাবে যাবলৈ ক'লে। তেওঁ ইংলেণ্ড পালেগৈ আৰু ব্ৰাকিংহামৰ পৰা গলপতাডাল হস্তগত কৰিলে। ইতিমধ্যে মিলেডীয়ে চুৰ কৰা হীৰাখণ্ড দুটাৰ ঠাইত ব্ৰাকিংহামে নতুন দুটা খণ্ড লগাই থৈছিল। গতিকে ৰাণীয়ে সম্পূৰ্ণ গলপতাৰে বল-নাচত উপস্থিত হোৱাত ৰিচেলুৰ ষড়যন্ত্ৰ ব্যৰ্থ হ'ল।

ইয়াৰ পাছত তিনি মাস্কেটিয়াৰ আৰু ডাৰ্টাগণনক লা ৰ'চেল অৱৰোধৰ কামত লগোৱা হ'ল। ৰিচেলুৱে ডাৰ্টাগণনক হত্যা কৰিবলৈ মিলেডীক পাঁচিলে। সৈন্য শিবিৰৰ কাষত ৰিচেলুৱে মিলেডীৰ সৈতে পতা কথা এথছে শুনিবলৈ পালে। ৰিচেলুৱে মিলেডীক এই নিৰ্দেশ দিছিল যে তাই ইংলেণ্ডলৈ গৈ ব্ৰাকিংহামক লগ ধৰিব আৰু লা ৰ'চেলৰ অৱৰোধৰ বিৰুদ্ধে একো নকৰিবলৈ ক'ব; যদি ব্ৰাকিংহামে এই কথা নেমানে তেন্তে ৰাণীৰ সৈতে থকা তেওঁৰ অবৈধ সম্পৰ্কৰ কথা সদৰি কৰি দিয়া হ'ব। তিনি মাস্কেটিয়াৰ আৰু ডাৰ্টাগণনে ৰিচেলুৰ ষড়যন্ত্ৰ ব্যৰ্থ কৰাৰ উপায় চিন্তিলে। সিহঁতে মিলেডীৰ ইংৰাজ দেওৰেক লৰ্ড দা উইণ্টাৰক মিলেডীৰ ইংলেণ্ড যাত্ৰা সম্বন্ধে জনালে। প্ৰসংগত: উল্লেখযোগ্য যে উইণ্টাৰে মিলেডীক ঘৃণা কৰিছিল। মিলেডী পোৰ্টছমাউথত উপস্থিত হোৱাৰ লগে লগে নগৰৰ প্ৰশাসক উইণ্টাৰে তাইক গ্ৰেপ্তাৰ কৰাই লেফটেনেণ্ট জন ফেল্টনৰ নেতৃত্বত নৌবিভাগৰ পহৰাদাৰ দলৰ অধীনত এটা দুৰ্গত থোৱালে। বন্দী অৱস্থাত থাকোঁতে মিলডীয়ে গম পালে যে দুৰ্গৰ অধ্যক্ষ ফেল্টন এজন গোড়া পিউৰিটান। তেওঁৰ ধৰ্মভীৰুতাৰ সুযোগ লৈ এটা মিছা কাহিনী তৈয়াৰ কৰি ক'লে যে এবাৰ বদমাছ ব্ৰাকিংহামে তাইক ধৰ্ষণ কৰিছিল। তাইক ফ্ৰান্সলৈ পলাই যোৱাৰ সুবিধা দিবলৈ তাই ফেল্টনক ৰাজী কৰালে। ফেল্টনে পোৰ্টছমাউথত ব্ৰাকিংহামক হত্যা কৰিলে। কিন্তু দুটা মিলেডীৰ দিনো ফ্ৰান্সত চমু চাপি আহিল। ৰাণীৰ লিগিৰী এজনীৰ সৈতে ডাৰ্টাগণন প্ৰেমত

পৰিছিল। কিন্তু ৰিচেলুৱে লিগিৰীজনীক এটা কনভেন্টত বন্দী কৰি ৰাখিছিল। মিলেডীয়ে তাইক হত্যাৰ ষড়যন্ত্র কৰিলে। ডার্টাগণন আৰু তিনি মাস্কেটিয়াৰে বাধা দিয়াৰ আগতেই মিলেডীয়ে লিগিৰীজনীক বিষ প্রয়োগ কৰিলে। মিলেডীক ধৰা হ'ল আৰু মাজৰাতিয়েই বিচাৰ কৰি শিৰশ্ছেদ কৰা হ'ল। ৰিচেলুৱে এই আটাইবোৰ কথা শুনি ডার্টাগণনক মাতি পঠালে। তেওঁ ৰাজদ্রোহৰ অভিযোগত ডার্টাগণনক বিচাৰৰ সন্মুখীন কৰাৰ কথা ভাবিছিল যদিও, ডার্টাগণনৰ বীৰত্ব, দক্ষতা আৰু উদাৰ ব্যৱহাৰে ৰিচেলুৰ মনত বিশ্বাস জন্মালে যে সি ৰজাৰ আৰু পৰোক্ষ ভাৱে তেওঁৰেই বিশ্বাসী সহচৰ হোৱাৰ উপযুক্ত। তেওঁ ডার্টাগণনক মাস্কেটিয়াৰ দলৰ লেফ্‌টেনেণ্ট নিযুক্ত কৰিলে।

এয়া হ'ল 'থ্রি মাস্কেটিয়াৰছ' উপন্যাসৰ থূলমূল পৰিচয়। নানা ঘটনা সংঘাত আৰু উপকাহিনীৰে উপন্যাসখন পৰিপূর্ণ। তিনি মাস্কেটিয়াৰ আৰু ডার্টাগণন আছিল জীৱন-ৰসিক। এনে চৰিত্রৰ আবেদন সার্বজনীন বাবেই 'থ্রি মাস্কেটিয়াৰছ' উপন্যাস আদিও উপভোগ্য।

বাল্‌জাকৰ বুঢ়া গোৰিঅ

(৩৭)

সাহিত্য জগতত অনৰ দা বালজাকৰ নামটোৱে এক মিশ্রিত অনুভূতিৰ সৃষ্টি কৰে। সন্ন্যাসীৰ দৰে বগা দীঘল, হুলৌ চোলা পিন্ধি, কঁকালত এডাল সোণৰ চেইন কোমৰ-বান্ধনী হিছাপে লগাই, বাৰ ঘন্টাকৈ লিখনী চলাই আৰু পিয়লাৰ পিছত পিয়লা কফি খাই তেওঁ উপন্যাস সমূহ সৃষ্টি কৰিছিল। তেওঁ অনুভৱ কৰিছিল যে উপন্যাসৰ চৰিত্রসমূহ যেন কল্পনাৰ সামগ্রী নহয়, তেজ-মঙহৰ জীৱন্ত মানুহহে হয়। আনহাতে, উপন্যাস সমূহত পুংখানুপুংখ ৰূপে বৰ্ণনা কাহিনীৰ মাজে মাজে দাৰ্শনিক, মনো বৈজ্ঞানিক, অৰ্থনৈতিক বিষয়ৰ আলোচনা,চৰিত্রৰ মুখত দীঘলীয়া বক্তৃতা ইত্যাদিৰ কাৰণে তেওঁ সমাজৰ পৰা নিন্দা আৰু প্ৰশংসা দুয়োটাই পাইছে। কিন্তু তেওঁৰ প্ৰতিভা মানৱ-প্ৰকৃতিৰ বিষয়ে অন্তৰ্ভেদী দৃষ্টি, ফৰাচী সমাজৰ আন্তৰিক বিশ্লেষণ আদিৰ কাৰণে সাহিত্যিক হিছাপে তেওঁ পৃথিৱীৰ দেশে দেশে সম্মানৰ আসন পাইছে। তেওঁৰ ষোল্লটা খণ্ডত বিভক্ত 'হিউমেন কমেডি' শীৰ্ষক উপন্যাসৰাজি বিশ্ব-সাহিত্যলৈ উল্লেখযোগ্য অৱদান।

১৭৯৯ চনত ফ্ৰান্সৰ টুৰ অঞ্চলৰ এটা কৃষক পৰিয়ালত বালজাকৰ জন্ম হয় আৰু ১৮৫০ চনত মৃত্যু হয়। চুটি জীৱন কালছোৱাত তেওঁ অক্লান্ত পৰিশ্ৰমৰ জৰিয়তে বিপুল আয়তনৰ সাহিত্য সৃষ্টি কৰাৰ উপৰিও পেৰিছৰ গতিশীল সামাজিক জীৱনৰ সৈতে ওত:প্ৰোতভাৱে জড়িত হৈছিল।

উপন্যাসৰাজিৰ সামগ্ৰিক শীৰ্ষক 'হিউমেন কমেডি' দিয়া হৈছিল এইবাবেই যে বালজাকৰ উদ্দেশ্য আছিল 'আমাৰ আধুনিক সমাজৰ ধৰণ-কৰণৰ এখন হুবহু চিত্র আৰু অন্তৰংগ ইতিহাস দাঙি ধৰা।' উপন্যাস সমূহত ব্যক্তিগত জীৱন, মফস্বলৰ জীৱন, পেৰিছৰ জীৱন, ৰাজনৈতিক জীৱন, সামৰিক জীৱন আৰু গাঁৱলীয়া জীৱনৰ দৃশ্যাৱলী সন্নিবিষ্ট কৰা হৈছে। যি সময়ত ফৰাচী সমাজখন ক্ৰমে ব্যৱসায়ী মনোবৃত্তি সম্পন্ন হৈ উঠিছিল, ধনলোভে শীৰ্ষবিন্দু চুইছিল, ফৰাচী বিপ্লৱৰ পিছত মুক্তিৰ সোৱাদ পোৱা মধ্যবিত্ত শ্ৰেণীয়ে গুৰুত্বপূৰ্ণ ভূমিকা

লবলৈ আৰম্ভ কৰিছিল, নতুন সামাজিক ৰাজনৈতিক, অৰ্থনৈতিক আদৰ্শৰ উদ্ভৱ হৈছিল, সেই সময়ৰ ফ্ৰান্সৰ সকলো শ্ৰেণীৰ লোকৰ বিশেষত্বৰ ছবি 'হিউমেন কমেডি'ত ফুটি উঠা কাৰণে এজন ফৰাচী সমালোচকে ইয়াক 'দলিল দস্তাবেজৰ ভঁৰাল' আখ্যা দিছে।

'হিউমেন কমেডি'ত চাৰিহেজাৰ চৰিত্ৰ সন্নিবিষ্ট কৰাৰ লক্ষ্য বালজাকৰ আছিল যদিও, তেওঁ দুহেজাৰ চৰিত্ৰহে উপস্থাপন কৰিব পাৰিলেগে। বিলাস-ব্যসনত আসক্ত পেৰিছবাসী, সাংবাদিক, ছাত্ৰ, আইনজীৱী, মহৰী, ব্যৱসায়ী, শিল্পী, অভিনেতা, কৃষক, ভ্ৰাম্যমান ব্যৱসায়ী, কয়েদী, অঘৰী, বোহেমিয়ান, সুদখোৰ, পেৰিছৰ অলিগলিৰ সমাজ-বিৰোধী আদিৰ চৰিত্ৰ পুংখানুপুংখভাবে বালজাকে উপস্থাপন কৰি জীৱন্ত ৰূপ দিছে। তেওঁ কেৱল বৰ্ণনা কৰিয়েই সন্তুষ্ট হোৱা নাছিল, সমাজৰ চালিকা-শক্তি আৰু মানবীয় কাৰ্যাৱলীৰ মৰ্মস্থলী উদ্‌ঘাটন কৰিবলৈও সচেষ্ট হৈছিল। তেওঁ নিজকে সমাজ-বিজ্ঞানী আখ্যা দিছিল। তেওঁ বিশ্বাস কৰিছিল যে মানুহ আবেগ আৰু আত্মস্বাৰ্থৰ দ্বাৰা পৰিচালিত হয়। পৰম্পৰা আৰু নীতি-নিয়মৰ প্ৰতি শ্ৰদ্ধাৰ আৱৰণৰ অন্তৰালত থাকে আত্মগৰ্ব, মুনাফাৰ প্ৰতি লালসা, উচ্চাকাংক্ষা ইন্দ্ৰিয়াসক্তি আৰু ভালেমান আত্মকেন্দ্ৰিক মনোভাৱ যিবোৰ বহু সময়ত মানুহৰ পতনৰ কাৰণ হয়গৈ। তেওঁৰ সৃষ্ট বহু চৰিত্ৰ এনে ধৰণৰ। তদুপৰি জীৱনৰ সুন্দৰ ফালটোতকৈ বালজাক বেছিকৈ আকৃষ্ট হৈছিল অন্ধকাৰ ফালটোলৈ য'ত হিংসা-সন্ত্ৰাস-পাশৱিক শক্তিয়ে প্ৰাধান্য লাভ কৰে। এক নিৰাশাবাদী বাস্তৱতাই তেওঁৰ উপন্যাসত প্ৰাধান্য লাভ কৰিছে। সমালোচক সকলৰ মতে 'হিউমেন কমেডি' উপন্যাস-চক্ৰৰ শ্ৰেষ্ঠতম উপন্যাস 'পেৰে গোৰিঅ' ('বুঢ়া গোৰিঅ') বালজাকৰ লেখনীৰ আটাইবোৰ বৈশিষ্ট্য পৰিস্ফুট হৈছে।

পেৰিছ মহানগৰৰ কদৰ্যতম অঞ্চল লেটিন কোৱাৰ্টাৰৰ এটা প্ৰায়ান্ধকাৰ বোৰ্ডিং হাউছত 'বুঢ়া গোৰিঅ' উপন্যাসৰ কাহিনী আৰম্ভ হৈছে। বোৰ্ডিং হাউছটোৰ মালিকনী হ'ল উগ্ৰস্বভাৱৰ বিধবা মেডাম ভকাৰ। যিমান দিনলৈ ভাৰাতীয়াসকলে ভাৰা ঠিকমতে আদায় দি থাকে, সিমান দিনলৈ মেডামে ভাৰাতীয়া সকলৰ খা-খবৰ প্ৰায়েই নাৰাখে। ভাৰাতীয়াসকলো বিভিন্ন শ্ৰেণীৰ: এজন বিছপৰ সহকাৰীৰ বিধবা পত্নী মেডাম কৌচুৰ, এজন ক্ষয়ৰোগী যুৱতী

ভিক্টৰীণ টেলফাৰ,এজন মৰণৰ ওচৰ চপা বৃদ্ধ, এজনী বয়স্কা অবিবাহিতা মহিলা মেডামোৱাজেল মিচঁনু। এই সকলৰ ভিতৰত ভিক্টৰিণৰ বাহিৰে বাকী আটাইবোৰ সংকীৰ্ণ আৰু জঘন্য মনৰ। অৱশ্যে মঁচিয়ে ভত্রিনো বেলেগ চৰিত্ৰৰ— তেওঁৰ শৰীৰ যেনে বলিষ্ঠ, তেওঁ ক'লা কৃত্রিম চুলি (উইগ) পিন্ধে, গোফঁত ৰং সানে আৰু তেওঁৰ হাঁহিও খোলা ধৰণৰ। ভাৰা ঘৰটোত থকা অন্যান্য অধিবাসী সকলে তেওঁক ভাল পায়, কিন্তু তেওঁ কি কাম কৰে কোনেও নাজানে। যি নহওক, সকলোৱে তেওঁক 'খাটি মানুহ' বুলি ভাবে। তেওঁৰ হিয়াত মানৱীয় গুণ থকা নথকাটো বেলেগ কথা।

আন এজন অস্থায়ী ভাৰাতীয়া হ'ল দেখনিয়াৰ ডেকা আইনৰ ছাত্ৰ ইউজিন দা ৰাষ্টিনাক। দৃঢ় মনোবল আৰু প্ৰখৰ বুদ্ধি সম্পন্ন ইউজিনৰ আকাংক্ষা আছিল পেৰিছৰ সমাজত কৃতকাৰ্যতা লাভ কৰা। সৰ্বশেষত বোৰ্ডিং হাউছটোত আছিল পেৰে গোৰিঅ' অৰ্থাৎ বুঢ়া গোৰিঅ'।

কাহিনী আৰম্ভ হয় ১৮১৯ চনৰ ডিচেম্বৰত। তাৰ ছবছৰ আগৰ পৰাই গোৰিঅ'ই মেডাম ভকাৰৰ বোৰ্ডিং হাউছত থাকিবলৈ লৈছিল। তেওঁ আছিল এজন অৱসৰপ্ৰাপ্ত খাদ্য-সামগ্ৰী প্ৰস্তুতকাৰক। ভাৰা ঘৰলৈ অহাৰ সময়ত তেওঁ লগত যথেষ্ট পোছাক পৰিচ্ছদ, ৰূপৰ বাচন-বৰ্তন আৰু প্ৰচুৰ পৰিমাণে টকা আনিছিল। প্ৰথমে সপ্তাহত দুই তিনিবাৰ তেওঁ বাহিৰৰ হোটেলত খোৱা-বোৱা কৰিছিল; তাৰ পিছত বাহিৰলৈ যোৱা বাদ দিলে। তেওঁ মাজে-সময়ে ৰূপৰ সামগ্ৰীবোৰ বিক্ৰী কৰিবলৈ ধৰিলে আৰু আগৰ কোঠালীটো এৰি এটা সস্তীয়া কোঠালী ল'লে। এইবোৰ কাৰ্যকলাপে ভাৰাতীয়া সকলৰ মাজত কেতবোৰ গুজৱৰ জন্ম দিলে। খেনোৱে ক'লে যে বুঢ়াই ষ্টক এক্সচেঞ্জত টকা খটুৱাই লোকচান ভৰিছে, আন কিছুমানৰ মতে বুঢ়াই তিৰোতাৰ পিছত টকা উৰাইছে। এনে গুজব চলি থকাৰ সময়তে এবাৰ দুজনী আধুনিক পোছাক পৰিহিতা মহিলা বুঢ়াক লগ ধৰিবলৈ অহাত দ্বিতীয় গুজবটো ভাৰাতীয়া সকলৰ মনত সঁচা যেন লাগিল। বুঢ়া যে চৰিত্ৰহীন এইকথা প্ৰচাৰ হোৱাত মেডাম ভকাৰে বুঢ়াৰ বিৰুদ্ধে অভিযোগ কৰাত বুঢ়াই মহিলা দুজনী তেওঁৰ জীয়েক বুলি কোৱা সত্ত্বেও কোনেও বিশ্বাস নকৰিলে। যি নহওক, ইয়াৰ তিনি বছৰৰ পিছত বুঢ়াই তেওঁৰ খৰচ আগতকৈও কমালে, নিচেই সৰু কোঠালী এটা

ল'লে আৰু শিক্ষন উৰণৰ প্ৰতিও উদাসীন হ'ল। মহিলা দুজনী পুনৰ নহা দেখি মেডাম ভকাৰে ঠাট্টাৰ সুৰেৰে তেওঁক এদিন সুধিলে, 'আপোনাৰ জীয়েকহঁত দেখোন আজিকালি নহাই হ'ল।' বুঢ়াই কঁপা মাতেৰে ক'লে, 'মাজে সময়ে আহে।'

এই ঘটনাবোৰৰ অন্তৰালত এটা কৰুণ কাহিনী আছে যিটো উপন্যাসখনৰ দুটা মূল কাহিনীৰ অন্যতম। বুঢ়া গোৰিঅ' বদ্ধমূল মানসিক ধাৰণাৰ দ্বাৰা আক্ৰান্ত চৰিত্ৰৰ। বুঢ়াৰ মানসিকতা আগুৰি আছে অন্ধ অপত্য স্নেহে। জীৱনৰ আগছোৱাতে ৰৰলা হোৱা গোৰিঅ'ই তেওঁৰ দুজনী কন্যা-সন্তান দেলফাইন আৰু আনাষ্টাছিৰ ওপৰত ঢালি দিছিল সমস্ত মৰম আৰু ধন। সিহঁতৰ কোনো দাবী বা আবদাৰেই গোৰিঅ'ই পূৰ্ণ নকৰাকৈ নাৰাখিছিল, কাৰণ তেওঁৰ মত আছিল, 'সুখী হ'বলৈ হ'লে পিতৃয়ে সদায় দিব লাগিব; দিলেহে তুমি প্ৰকৃততে পিতৃ হোৱাৰ উপযুক্ত।' ছোৱালী দুজনী আছিল চকুৰ মণি সদৃশ। উপযুক্ত সময়ত তেওঁ ছোৱালী দুজনীক বিয়া দিলে— এজনীক ফৰাচী অভিজাত এজনলৈ, আনজনীক জাৰ্মান বেংক-ব্যৱসায়ী এজনলৈ। টকাৰ লোভত সিহঁতে বুঢ়াৰ ছোৱালীহঁতক বিয়া কৰাইছিল। যিমান দিনলৈ বুঢ়াই টকা দি আছিল, সিমান দিনলৈ জোঁৱায়েকহঁতে বুঢ়াক আদৰ-সাদৰ কৰিছিল; কিন্তু টকা দিব নোৱাৰা হোৱাত সিহঁতে বুঢ়াৰ সৈতে সম্পৰ্ক প্ৰায় ছেদ কৰিলে। অৱশ্যে ছোৱালী দুজনীয়ে মাজে সময়ে বাপেকৰ খবৰ বাতৰি লৈছিলহি। সিহঁতৰ আকৌ একোজনকৈ প্ৰেমিকো আছিল। প্ৰেমিক দুজনৰ বহু টকাৰ ঋণ হোৱাত গোৰিঅ'ই ৰূপৰ বাচন-বৰ্তন কিছুমান বেচি সিহঁতক ঋণ-মুক্ত কৰিছিল। দেলফাইন আৰু আনাষ্টাচিৰ সুখৰ কাৰণে বুঢ়াই সকলো কৰিবলৈ প্ৰস্তুত। কিন্তু জীয়েকহঁতৰ প্ৰকৃততে বুঢ়ালৈ মৰম নাছিল; টকাৰ লালসাইহে বুঢ়াৰ ওচৰলৈ সিহঁতক মাজে সময়ে আনিছিল।

উপন্যাসখনৰ আনটো কাহিনী গঢ়ি উঠিছে তৰুণ ইউজিন দা ৰাষ্টিনাকক কেন্দ্ৰ কৰি। সি আছিল গাঁৱৰ এটা দুখীয়া পৰিয়ালৰ সন্তান। মাক-বাপেকে অতি কষ্টেৰে টকা যোগাৰ কৰি ইউজিনলৈ পঠাইছিল যাতে সি সমাজৰ এজন হ'ব পাৰেগৈ। সি তাৰ সম্বন্ধীয় মানুহ এজনৰ সহায়ত পেৰিছৰ কিছুমান ধনী পৰিয়ালৰ সৈতে চা-চিনাকি হ'ল। তাৰ ভিতৰত আনাষ্টাছি আৰু দেলফাইনো

আছিল। সি সোনকালেই আৱিষ্কাৰ কৰিলে যে ইহঁত দুজনী প্ৰকৃততে বাপেকৰ প্ৰতি উদাসীন, বিবাহিত জীৱনত ইহঁত অসুখী আৰু আত্মকেন্দ্ৰিক। প্ৰথমে ইউজিনে ইহঁতৰ লগত সম্পৰ্ক নাৰাখিবলৈ স্থিৰ কৰিছিল যদিও শেষত সি ভাবিলে যে সমাজত কৃতকাৰ্যতা লভিবলৈ হ'লে তাক বহুত টকা লাগিব। কিন্তু সি পাব ক'ত? তাক টকা উপাৰ্জনৰ বাট দেখুৱাবলৈ আহিল ভত্ৰিন। ইউজিনৰ মংগলাকাংক্ষীৰ ভাও ধৰি ভত্ৰিনে তাৰ আগত টকা উপাৰ্জনৰ এটা সহজ বাট দেখুৱালে। ভিক্টৰিণ টেলফাৰৰ ককায়েকজন বহু সম্পত্তিৰ গৰাকী। দ্বন্দ্বযুদ্ধত যাতে ককায়েকৰ মৃত্যু হয়, তাৰ দিহা ভত্ৰিনে কৰিব; ককায়েকৰ মৃত্যু হ'লে ভনীয়েক ভিক্টৰিনে ককায়েকৰ সম্পত্তি পাব আৰু তেতিয়া ইউজিনে তাইক বিয়া কৰাব। ইউজিন দহলাখ টকাৰ গৰাকী হ'ব আৰু ভত্ৰিনক সি শতকৰা বিশভাগ টকা দি দিব— এয়েই আছিল ভত্ৰিনৰ আঁচনি। কিন্তু ইউজিনে ভত্ৰিনৰ আদেশ মানি নললে। অৱশ্যে মনে মনে কথাখিনি মনৰ পৰা আঁতৰাবও নোৱাৰিলে।

পেৰিছৰ চাকচিক্যপূৰ্ণ সমাজৰ সৈতে ইউজিনে তাল মিলাই চলোৱাৰ চেষ্টাৰ কথা কোৱাৰ প্ৰসংগত বালজাকে সেই সমাজৰ দুৰ্নীতি আৰু স্বাৰ্থপৰতাক নিন্দা কৰিছে। দেলফাইনৰ সৈতে ইউজিনৰ আৱেগিক সম্পৰ্ক গাঢ় হোৱাৰ লগে লগে গোৰিঅ'ৰ সৈতেও তাৰ বন্ধুতা ঘনিষ্ঠতৰ হ'ল। ছয়তান চৰিত্ৰৰ ভত্ৰিনে ইউজিনক প্ৰৰোচিত কৰিয়েই থাকিল। এদিন গধূলি বাতৰি পালে যে ভিক্টৰিণৰ ককায়েক নিহত হ'ল। ভত্ৰিনৰো কাল চাপি আহিল। এইখিনিতে বালজাকে এক মেল'ড্ৰামাৰ উপাদান সন্নিবিষ্ট কৰিছে। ভত্ৰিন আছিল পেৰিছৰ এটা কুখ্যাত সমাজ-বিৰোধী লোক আৰু সি আছিল পলাতক দাগী আচামী। পুলিচে অৱশেষত তাৰ সন্ধান পাই মেডামোৱাজেল মিচ্নুৰ সহায়ত তাক চিনাক্তকৰণ কৰি বোৰ্ডিং হাইডছৰ ভোজন-কক্ষত ধৰিলে। উইগ গুচাই দিয়াত দেখা গ'ল যে তাৰ চুলিবোৰ কয়েদীৰ দৰে চুটিকৈ কটা আৰু কান্ধত কয়েদীৰ দাগ আছে। ভত্ৰিনৰ মুখৰ বৰণ বদলিল যদিও সি সমাজৰ বিৰুদ্ধে তীব্ৰ সমালোচনা কৰি নানা কথা ক'লে। তাৰ পিছত তাক গ্ৰেপ্তাৰ কৰি লৈ যোৱা হ'ল।

ইয়াৰ পিছত কাহিনীয়ে শীৰ্ষবিন্দু অভিমুখে গতি কৰিব ধৰিলে। ইউজিন আৰু বুঢ়া গোৰিঅ'ই বোৰ্ডিং হাউছ এৰি যাবলৈ সাজু হোৱাৰ সময়তে দেলফাইন

প্ৰায় সংজ্ঞাহীন অৱস্থাত আহি তাত উপস্থিত হ'ল। তাইৰ জাৰ্মান ব্যৱসায়ী স্বামীজনে তাইৰ সকলো টকা পইচা আত্মসাৎ কৰিলে। আনাষ্টাছিও আহি পালে আৰু তাইৰ দশাও একে ধৰণৰ। দুয়োজনী জীয়েকৰ মাজত কাজিয়া আৰম্ভ হ'ল। বুঢ়াই সিহঁতক শান্ত কৰিবলৈ চেষ্টা কৰোঁতে নিজেই মূৰ্চ্ছা গ'ল। আনাষ্টাছি তৎক্ষণাৎ তাৰ পৰা গুচি গ'ল। বাপেকৰ তেনে অৱস্থাতো সেইদিনা ৰাতি দেলফাইন তাইৰ প্ৰেমিক ইউজিনৰ লগত থিয়েটাৰ চাবলৈ গ'ল। পিছদিনা অকল ইউজিনেহে বুঢ়াৰ খবৰ ল'লে। বুঢ়াৰ অৱস্থা ক্ৰমাৎ বেয়াৰ ফালে ঢাল খায় আৰু তেওঁ ভ্ৰম বকিবলৈ ধৰে। যেতিয়া তেওঁ বুজিলে যে জীয়েকহঁতে মৰণ-কালতো তেওঁক চাবলৈ অহা নাই, তেতিয়া তেওঁ উপলব্ধি কৰিলে যে প্ৰকৃততে তেওঁৰ প্ৰতি জীয়েকহঁতৰ অলপো মৰম অনুকম্পা নাই। পিছ মুহূৰ্ততে আকৌ তেওঁ ভাবিলে যে সিহঁতৰ দোষ নাই। সিহঁতক অত্যাধিক স্নেহ কৰি নিজেই দোষী হৈছে। অৱশেষত বুঢ়া গোৰিঅ'ৰ মৃত্যু হ'ল। জীয়েক জোঁৱায়েকহঁত বুঢ়াৰ শেষকৃত্যলৈও নাহিল। ইউজিন আৰু বোৰ্ডিং হাউছৰ লগুৱা এজনেহে বুঢ়াক সমাধিস্থ কৰাৰ সময়ত উপস্থিত আছিল।

তথাকথিত উচ্চ সমাজৰ এনে হৃদয়হীন আচৰণে জানো ইউজিনক তেনে সমাজৰ প্ৰতি মোহ নাৰাখিবলৈ শিকালে ? গোৰিঅ'ক সমাধিস্থ কৰাৰ সময়ত সমাজৰ প্ৰতি তাৰ বিৰাগ জন্মিছিল সঁচা, কিন্তু কবৰখানাৰ অদূৰত বিস্তৃত পেৰিছত যেতিয়া সন্ধিয়াৰ লগে লগে আলোক মালা উজ্বলি উঠিল, তেতিয়া তাৰ মন আকৌ পেৰিছৰ চাকচিক্য ভৰা জীৱনৰ প্ৰতি ধাৱিত হ'ল। সেইদিনা ৰাতি সি পুনৰ প্ৰেমিকা দেলফাইনৰ সৈতে একেলগে ভোজন কৰিলে।

চার্লট ব্রণ্টিৰ জেন আয়াৰ

(৩৮)

১৮৪৭ চনত চার্লট ব্রণ্টিৰ উপন্যাস 'জে'ন আয়াৰ' প্ৰকাশ হয়। তেতিয়াৰ পৰা এশ বছৰৰো অধিক কাল ধৰি ই পঢ়ুৱৈৰ পৰা সমাদৰ পাই আহিছে।

জেন আয়াৰ এজনী দৰিদ্ৰ অনাথ ছোৱালী। তাই খুৰীয়েক মিছেছ ৰীডৰ তত্ত্বাৱধানত আছিল। উপন্যাস আৰম্ভ হোৱাৰ সময়ত জে'ন দহবছৰ বয়সীয়া। খুৰীয়েকে জে'নৰ সৈতে বেয়া ব্যৱহাৰ কৰিছিল আৰু খুৰীয়েকৰ ল'ৰা-ছোৱালীহঁতেও তাইক বৰকৈ আমনি দিছিল। অৱশেষত তাইক অনাথ ছোৱালীৰ শিক্ষাৰ বাবে থকা দাতব্য বিদ্যালয়ত ভৰ্তি কৰি দিয়া হ'ল। বিদ্যালয়খনৰ নাম লউড ইনষ্টিটিউচন। বিদ্যালয়ৰ পৰিচালনা বৰ ভাল নাছিল। ইয়াৰ তত্ত্বাৱধানত আছিল স্থানীয় ধৰ্মযাজক ৰেভাৰেণ্ড ব্ৰকল্‌ হাৰ্ষ্ট। বিদ্যালয়ৰ অধীক্ষিকা মিছ্ টেম্পলৰ বাহিৰে অন্যান্য শিক্ষয়িত্ৰী সকলো আছিল অনুপযুক্ত, কঠোৰ স্বভাৱৰ। খুৰীয়েক মিছেছ ৰীডে জে'নক বিদ্যালয়ত ভৰ্তি কৰিবৰ সময়ত জেনৰ বিৰুদ্ধে মিছাকৈ কিছুমান কথা কৈ থোৱা কাৰণে ব্ৰকল্‌হাৰ্ষ্টে তাইক কঠোৰ শাসনত ৰাখিছিল। কিন্তু মিছ্ টেম্পলে তেওঁৰ ভুল ধাৰণা দূৰ কৰিলে। জেনে পঢ়াশুনাত কৃতিত্ব অৰ্জন কৰিলে। বিদ্যালয়ৰ শেষৰ বছৰত তাই ছাত্ৰী শিক্ষিকা হৈছিল। ১৮ বছৰ বয়স হোৱাত তাই গৃহ পৰিচাৰিকাৰ চাকৰি পাই বিদ্যালয় এৰিলে।

স্থানীয় বাতৰি কাকতত 'কৰ্মপ্ৰাৰ্থী' শিতানত বিজ্ঞাপন দিয়াত জেনে ৭০ মাইল দূৰৈৰ মিলক'ত চহৰৰ ওচৰৰ থৰ্ণফিল্ড হল নামৰ ঠাইৰ মিছেছ ফেয়াৰফ্ৰেক্সৰ পৰা এখন চিঠি পালে। এজনী ছবছৰতকৈ কম বয়সীয়া ছোৱালীক চোৱা-মেলা কৰাৰ বাবে বছৰি ত্ৰিশ পাউণ্ডকৈ দৰমহা দিয়া হ'ব বুলি চিঠিত জনোৱা হৈছিল। জেনে চাকৰিটো গ্ৰহণ কৰিলে। থৰ্ণফিল্ড হলত মিছেছ ফেয়াৰফ্ৰেক্সে তেওঁক অতি আদৰ সাদৰ জনালে। মিছেছ ফেয়াৰফ্ৰেক্স পৰিয়ালৰ

পৰিচাৰিকাহে আছিল মাথোন। তেওঁৰ নিয়োগকৰ্তা আছিল মিষ্টাৰ এডৱাৰ্ড ৰ'চষ্টাৰ। ৰ'চষ্টাৰ আছিল ধনী, অবিবাহিত মানুহ। তেওঁ প্ৰায়েই ঘৰত নাথাকিছিল। মিছেছ ফেয়াৰফ্ৰেক্সে যিজনী সৰু ছোৱালীৰ তত্বাৱধান কৰিছিল, তাই আছিল এজনী ফৰাচী অপেৰা নাচনীৰ জীয়েক। পেৰিছত ৰ'চষ্টাৰ থকাৰ সময়ত তাই ৰ'চষ্টাৰৰ ৰক্ষিতা আছিল।

জেন কামত সোমোৱাৰ সময়ত কেইবা সপ্তাহলৈ ৰ'চষ্টাৰ ঘৰত নাছিল। এদিনাখন ডিচেম্বৰ মাহৰ আবেলি জেনে গাঁৱৰ আলিবাটত ফুৰি থাকোঁতে তাইৰ ওচৰতে এটা বগা-ক'লা ৰঙৰ আকাৰৰ কুকুৰ দৌৰি গ'ল। অলপ পিছতে ঘোঁৰাত উঠি এজন মানুহো পাৰ হৈ গ'ল। কিন্তু অলপ দূৰ যোৱাৰ পিছতে ঘোঁৰাটো পিছলি পৰাত পিঠিত উঠি যোৱা মানুহজনো ছিটিকি পৰি গ'ল। জেনে বেগাই গৈ মানুহজনক উঠাত সহায় কৰিলে। মানুহজনে ধন্যবাদ দি পুনৰ ঘোঁৰাটোত উঠি গুচি গ'ল। মানুহজনৰ বিষয়ে তাই এইদৰে ভাবিলে: 'তেওঁৰ মুখমণ্ডলত কঠিনতা আছে, দেহ আটিল, কপালখন বহল, ঠিক ডেকা বয়সৰ নহয়, আদহীয়াও নহয়, বোধকৰো পয়ত্ৰিশমান বছৰ বয়স হ'ব। মানুহজনক মোৰ ভয় লগা নাই, কিন্তু কিবা এটা লাজৰ ভাৱ মোৰ মনলৈ আহিল....।'

যেতিয়া তাই ঘৰ পালেহি, তেতিয়া দেখিলে যে চাৰিওফালে এক চঞ্চল পৰিবেশ। মিছেছ ফেয়াৰফ্ৰেক্সে তাইক ক'লে যে ৰ'চষ্টাৰৰ এটা দুৰ্ঘটনা ঘটিছে, ঘোঁৰাৰ সৈতে পৰি আঁঠুত দুখ পাইছে। এজন লগুৱাক ডাক্তৰ আনিবলৈ পঠোৱা হৈছে।

পিছদিনা সন্ধিয়া ৰ'চষ্টাৰে চাহ খাবলৈ জেনক বৈঠক খানালৈ মাতিলে। জেনে উপলব্ধি কৰিলে যে ৰ'চষ্টাৰ অলপ খৰখৰ স্বভাৱৰ। তথাপি তাইৰ বেয়া নালাগিল। দিন যোৱাৰ লগে লগে দুয়োৰো ঘনিষ্ঠতা বাঢ়িল। কিন্তু ঘৰটোৰ কিছুমান কথাই জেনৰ মনত কিছু খেলিমেলিৰ সৃষ্টি নকৰাকৈ থকা নাছিল। বিশেষকৈ তিনিমহলাত থকা গ্ৰেছ পুল নামৰ তিৰোতাজনী কোন, সেই সম্পৰ্কে তাইৰ মনত কৌতূহল জন্মিছিল। তিৰোতাজনীক অনবৰত চিলাইৰ কামত ব্যস্ত হৈ থকা দেখা গৈছিল।

থৰ্ণফিল্ড হলত দুই তিনিমাহমান থকাৰ পিছত এদিন ঘটা এটা ঘটনাই

জেন আৰু তাইৰ নিয়োগকৰ্তাক ওচৰ চপাই আনিলে। সেইদিনা ৰাতি জেনে ওপৰ মহলাত কিবা-কিবি শব্দ হোৱা শুনি সাৰ পালে। অলপ সময়ৰ পিছতে তাইৰ কোঠালিৰ দুৱাৰত কোনোবাই ঢুকিওৱা শুনিলে। তেতিয়া দেৱাল ঘড়ীটোৱে ঢং ঢং কৈ দুই বজাৰ সংকেত দিলে। লগে লগে কোনোবাই এটা পৈশাচিক হাঁহি মাৰিলে। জেন উঠি বাহিৰলৈ গ'ল আৰু দেখিলে যে ৰ'চষ্টাৰৰ কোঠালিৰ পৰা ধোঁৱা উৰিছে। তাই দুৱাৰখন ঠেলি খুলিলে আৰু দেখিলে যে তেওঁৰ বিছনাত জুই লাগিছে। জেনে ৰ'চষ্টাৰক জগাবলৈ চেষ্টা কৰিলে, কিন্তু তেওঁ সাৰ নোপোৱাত একলহ পানী বিছনাত ঢালি জুইকুৰা নুমুৱালে। তেতিয়াহে ৰ'চষ্টাৰে সাৰ পালে। জেনৰ মুখৰ পৰা সকলো কথা শুনি তেওঁ ওপৰ মহলালৈ গ'ল আৰু ভালেখিনি সময়ৰ পিছতহে ঘূৰি আহিল।

আন এদিন ৰাতিপুৱা তাই শুনিলে যে আগদিনা ৰাতিও ৰ'চষ্টাৰৰ আঁঠুৱাত জুই লাগিছিল। সৌভাগ্যক্ৰমে তেওঁ সাৰ পোৱাত জুয়ে অনিষ্ট কৰিব নোৱাৰিলে। জেনে ৰ'চষ্টাৰক তিনি মহলাত থকা গ্ৰেছ পুলি নামৰ তিৰোতাজনীৰ বিষয়ে সোধাত তেওঁ বিশেষ একো নকৈ মাথোন ক'লে যে গ্ৰেছ পুলি য'ত আছে তাতেই থাকিব।

ইতিমধ্যে খুৰীয়েক মৃত্যু-শয্যাত বুলি বাতৰি অহাত জেন কিছুদিনৰ কাৰণে খুৰীয়েকৰ তালৈ গ'ল। জেনক বেয়া ব্যৱহাৰ কৰাৰ কাৰণে খুৰীয়েকে অনুতাপ কৰিলে। কেইদিনমান পিছত জেন থৰ্ণফিল্ডলৈ উভতিল। এইবাৰ ৰ'চষ্টাৰে তাইক বিয়া কৰোৱাৰ প্ৰস্তাৱ দিলে। জেনে বিয়াত সন্মতি জনালে। বিয়াৰ দিনা কিন্তু এটা অঘটন ঘটিল। স্থানীয় গীৰ্জালৈ ৰ'চষ্টাৰ আৰু জেন বিয়াৰ বাবে যোৱাত পাদ্ৰীয়ে বিয়াৰ মন্ত্ৰ মাতোতে এজন মানুহে এই বিয়াত আপত্তি কৰি ক'লে যে ৰ'চষ্টাৰ ইতিমধ্যে বিবাহিত আৰু সেয়ে পুনৰ বিয়া হ'ব নোৱাৰে, কাৰণ ৰ'চষ্টাৰৰ ঘৈণীয়েক জীৱিত। মানুহজন লণ্ডনৰ এজন উকিল। তেওঁ মেছন নামৰ এজনক সাক্ষী হিছাপে থিয় কৰালে। ৰ'চষ্টাৰে এটা বেকাঁ হাঁহি মাৰি সেইদিনা লৈ বিয়া স্থগিত বুলি ঘোষণা কৰি তাত গোট খোৱা মানুহবোৰক নিজৰ ঘৰলৈ মাতি নিলে। তিনি মহলালৈ তেওঁলোকক নিলে। তাত তেতিয়া গ্ৰেচ পুলিয়ে বন্ধা-বঢ়া কৰি আছিল। ওচৰৰে এটা কোঠা ৰ'চষ্টাৰে এজনী তিৰোতাক দেখুৱালে। তিৰোতাজনী পাগলী আৰু এই পাগলীয়েই ৰ'চষ্টাৰে আগতে বিয়া কৰোৱা তিৰোতা।

সেইদিনা পিছবেলা ৰ'চষ্টাৰে এই পৰিস্থিতি সম্পৰ্কে জেনৰ সৈতে দীঘলীয়া আলোচনা কৰিলে। কেনেকৈ এটা ষড়যন্ত্ৰৰ ফলত তেওঁ পাগলীজনীক বিয়া কৰাব লগা হৈছিল সেইকথা ৰ'চষ্টাৰে জেনক বিৱৰি ক'লে যে আনুষ্ঠানিক ভাৱে বিয়া নহ'লেও দুয়ো স্বামী-স্ত্ৰী হিছাপে থাকিব পাৰে নাইবা দুয়ো বিদেশলৈ গৈ জীৱন-যাপন কৰিব পাৰে। কিন্তু জেনে এই কথাত মান্তি নহ'ল। ৰ'চষ্টাৰৰ প্ৰতি তাইৰ গভীৰ ভালপোৱাৰ কথা জনালে যদিও, ৰ'চষ্টাৰৰ প্ৰস্তাৱ মানি নলৈ থৰ্ণফিল্ড হল ত্যাগ কৰি জেন গুচি গ'ল।

কেইদিনমান অনাই বনাই ফুৰাৰ পিছত জেনে এঠাইত এটা পাদ্ৰী পৰিয়ালৰ সৈতে থাকিবলৈ ল'লে। পাদ্ৰীজনে জে'নক বিয়া কৰাব খুজিছিল আৰু জেনেও প্ৰায় সম্মতি দিছিল। কিন্তু এনেসময়তে যেন ৰ'চষ্টাৰৰ আহ্বান তাইৰ অন্তৰৰ কোনোবা এটা কোণত শুনিবলৈ পালে। তাই শীঘ্ৰেই থৰ্ণফিল্ড হললৈ আহিল আৰু দেখিলে যে ৰ'চষ্টাৰৰ সকলো ঘৰবাড়ী ভস্মীভূত হৈ ধ্বংসস্তূপত পৰিণত হৈ আছে। গাঁৱৰ মানুহক সুধি তাই জানিব পাৰিলে এদিন ৰাতি ঘৰত জুই লাগিছিল আৰু সেই জুইত ৰ'চষ্টাৰৰ পাগলী ঘৈণীয়েকজনী পুৰি মৰিল। অগ্নিদগ্ধ হৈ ৰ'চষ্টাৰো বিকলাংগ আৰু প্ৰায় অন্ধ হ'ল। তেওঁ এতিয়া ওচৰৰ গাঁও এখনত থাকে। জেন সেই গাঁৱলৈ গ'ল। ৰ'চষ্টাৰ এতিয়া পংগু। তেওঁৰ সেৱা শুশ্ৰুষা কৰিবলৈ জেন তাতেই থাকিল।

এইদৰেই 'জেন আয়াৰ' উপন্যাস সমাপ্ত হৈছে।

উইলিয়াম মেক্‌পিচ থেকাৰেৰ ভেনিটি ফেয়াৰ

(৩৯)

ইংৰাজী সাহিত্যৰ ভিক্টোৰিয়ান যুগৰ ঔপন্যাসিক সকলৰ ভিতৰত চাৰ্লছ ডিকেন্সৰ সমপৰ্যায়ৰ ঔপন্যাসিক আছিল উইলিয়াম মেক্‌পিচ থেকাৰে। থেকাৰেই কেইখনো উপন্যাস ৰচনা কৰিছিল যদিও, একমাত্ৰ 'ভেনিটি ফেয়াৰ' খনৰ বাবেই তেওঁ ইংৰাজী তথা বিশ্ব-সাহিত্যত অমৰত্ব লাভ কৰিছে।

থেকাৰেই উপন্যাসৰ আৰম্ভণিৰ সময়ত কৈছে যে ভেনিটি ফেয়াৰ ('ভেমৰ মেলা') বৰ বেয়া অসৎ আৰু মূৰ্খামিৰে ভৰা ঠাই, ভণ্ডামি, অসত্য আৰু ছলাহী কথাৰে পৰিপূৰ্ণ। কিন্তু তেওঁ আৰম্ভণিৰ ঘটনাৰাজিত সেইবোৰ দেখুউৱা নাই। উপন্যাসৰ আৰম্ভণিৰ দৃশ্য হ'ল জুন মাহৰ এটা ৰ'দালিৰে ভৰা ৰাতিপুৱা; স্থান- 'চিছ্‌উইক মল' নামৰ অঞ্চলত অৱস্থিত মিছ পিংকাৰটনৰ যুৱতী বিদ্যালয়। তেওঁৰ সৈতে পৰিচিত সকলো লোকৰে ধাৰণা যে মিছ পিংকাৰটন এগৰাকী উচ্চ মৰ্যাদাসম্পন্ন মহিলা। তেওঁ নিজেই গৰ্ব কৰি কয় যে, ড: জনছনৰ সৈতে তেওঁৰ বন্ধুত্ব আছে আৰু এবাৰ সেই বিৰাট ব্যক্তিজনে বিদ্যালয় পৰিদৰ্শন কৰি শিক্ষান্ত শ্ৰেণীৰ প্ৰতিজনী ছাত্ৰীকে একোখনকৈ তেওঁৰ বিখ্যাত 'অভিধান' উপহাৰ দিছিল। মিছ পিংকাৰটনৰ যুৱতী ছাত্ৰীহঁত সৌজন্য আৰু শিষ্টাচাৰত নাৰীসুলভ, বস্তুত সিহঁত যেতিয়া ঘৰলৈ যায়, তেতিয়া দৰাচলতে নগৰৰ ধনী লোকৰ বা গাঁৱৰ জমিদাৰৰ প্ৰাসাদলৈহে যায়। অৱশ্যে ইয়াৰ ব্যতিক্ৰম নোহোৱাও নহয়। যুৱতীহঁতৰ মাজত এজনী সোতৰ বছৰ বয়সীয়া ছোৱালী আছিল- বেছি ওখ-পাখ নহয়, শেতা বৰণৰ, ধূসৰ ৰঙৰ চুলি আৰু আনত মুখৰ, কিন্তু আকৰ্ষণীয়, চকু দুটা মেকুৰীৰ চকুৰ বৰণৰ।

'ভেনিটি ফেয়াৰ'ৰ উপন্যাসৰ উপ-শীৰ্ষক হ'ল 'নায়ক-বিহীন উপন্যাস।' ইয়াত পুৰুষৰ কোনো উল্লেখনীয় ভূমিকা নাই। পুৰুষ নোহোৱা নহয়, আছে। পুৰুষৰ চৰিত্ৰবোৰৰ ভিতৰত আছে এইবোৰ- ধনী পিতৃৰ ধোঁৱা-খুলীয়া পুত্ৰ জৰ্জ অছৰ্বৰ্ণ, ৰাছেল স্কোৱাৰত তেওঁৰ ঘৰ। মূৰ্খ ডেকা।তাৰ অতি অন্তৰংগ

বন্ধু হ'ল ততোধিক মূৰ্খ ডবিন। ইষ্ট ইণ্ডিয়ান চাৰ্জিহত কৰ্মৰত, কিন্তু দীঘলীয়া ছুটী লৈ ঘৰলৈ অহা জো' ছেডলি। আৰু আছে চাৰ পিট নামৰ এজন পুৰণা পাপী। তেওঁৰ এজন পুত্ৰ ডেকা পিট সংকীৰ্ণমনা, দাম্ভিক স্বভাৱৰ; আনজন পুত্ৰ ৰডন সৈনিক- জুৱাখেলা, হাই-কাজিয়া কৰা আৰু অন্যান্য বদ স্বভাৱৰ বাবে সি কুখ্যাত। 'ভেনিটি ফেয়াৰ'ত নায়ক নাই যদিও নায়িকা আছে। -যদি বুদ্ধিমতী অথচ নিলাজী এজনীক 'নায়িকা' আখ্যা দিব পাৰি, তেন্তে ৰেবেকা শ্বাৰ্প নামৰ চৰিত্ৰটোৱেই নায়িকা। সংক্ষেপে তাইক 'বেকি' বুলি মতা হয়। আগতে উল্লেখ কৰা মেকুৰী চকুৰা ছোৱালীজনীৰেই নাম ৰেবেকা শ্বাৰ্প। নায়িকা হওক বা নহওক, আদিৰ পৰা অন্তলৈ তায়েই উপন্যাসৰ মধ্যমণি স্বৰূপ।

ৰেবেকা ওৰফে বেকিয়ে ভাবিছিল যে যদি তাই বছৰি পাঁচ হেজাৰ পাউণ্ড পালেহেঁতেন তেন্তে ভাল হ'ব পাৰিলেহেঁতেন;কিন্তু তাই আছিল এজন ঋণগ্ৰস্ত শিল্পীৰ জীয়েক। বাপেকে সুৰাসক্ত হৈ মাজে মাজে ঘৈণীয়েক আৰু জীয়েকহঁতৰ ওপৰত অত্যাচাৰো কৰিছিল। সুৰাৰ নিচা নোহোৱা হোৱাৰ পিছত বিলাপ কৰিছিল এই বুলি যে তাৰ প্ৰতিভাক কোনেও মূল্য নিদিয়ে। বেকিয়ে বাপেকৰ এনে স্বভাৱ পাইছিল আৰু লগে লগে কৈশোৰৰ পৰা দৰিদ্ৰতাৰ সোৱাদ পাইছিল। ধাৰ সাধিব অহা বহুতো লোকে তাইৰ সৈতে কথা-বতৰা পাতি দুৱাৰ মুখৰ পৰাই উভতি গৈছিল। বহুতো দোকানীৰ পৰা তাই কিবা উপায়ে খোৱা-বস্তু আনিছিল। বাপেকে তাইৰ এই কৌশলপূৰ্ণ কামবোৰৰ বাবে গৰ্ববোধ কৰিছিল। বাপেকে সুৰাপান কৰাৰ সময়ত তাই প্ৰায়ে বাপেকৰ ওচৰত বহিছিল; কিন্তু বাপেকে সুৰাপানৰ লগৰীয়া বন্ধুহঁতৰ লগত পতা কথা বতৰা যুৱতী কন্যাৰ বাবে শুনাৰ যোগ্য নাছিল। বেকিৰ মাক কিছু শিক্ষিতা আছিল বাবে মাকৰ পৰা তাই শুদ্ধ উচ্চাৰণেৰে ফৰাচী কবলৈ শিকিছিল। এই গুণৰ বাবেই তাই মিছ পিংকাৰটনৰ বিদ্যালয়ত ফৰাচী ভাষাৰ শিক্ষয়িত্ৰী পদত নিযুক্তি পাইছিল। অহংকাৰী বেকিয়ে সংগীত শিক্ষয়িত্ৰীৰ পদ পাবলৈও মিছ পিংকাৰটনক খাটনি ধৰিছিল, কিন্তু মিছ পিংকাৰটনে সেই পদ দিবলৈ অস্বীকাৰ কৰাত বেকিয়ে তাইক ক'লে: 'মই আপোনাৰ কামত অহাৰ কাৰণেহে আপুনি মোক লৈছিল। আমাৰ মাজত কৃতজ্ঞতাৰ প্ৰশ্ন নাই। মই এই ঠাই ভালপোৱা নাই, ইয়াৰ পৰা গুচি যাব খোজোঁ।... মোক কিছু টকা দিয়ক, মই যাওঁ,

বা মোক কোনো অভিজাত পৰিয়ালৰ পৰিচাৰিকাৰ (গৰ্বনেছ) কাম দিয়ক। মই জানো, আপুনি ইচ্ছা কৰিলে এনে কাম এটা অনায়াসে যোগাৰ কৰি দিব পাৰে।'

মিছ পিংকাৰটনে এজন ক্ষুদ্ৰ জমিদাৰৰ ঘৰত বেকিৰ বাবে পৰিচাৰিকাৰ কাম যোগাৰ কৰি দিলে, কিন্তু ড: জনছনে তাইক ছাত্ৰী হিছাপে থাকোতে দিয়া 'অভিধান'ৰ কপিটো দিবলৈ মান্তি নহ'ল। মিছ পিংকাৰটনৰ ভনীয়েক মিছ জেমিমা দয়ালু স্বভাৱৰ আছিল। সেয়ে যেতিয়া বেকি আৰু তাইৰ বান্ধৱী এমেলিয়া ছেদলিৰ গাড়ী চলিবলৈ আৰম্ভ কৰিলে, তেতিয়া মিছ জেমিমাই খিৰিকিৰে এটা পাৰ্চেল ভিতৰলৈ সুমুৱাই দিলে। এমেলিয়া মিছ জেমিমাৰ প্ৰিয়ছাত্ৰী আছিল। মিছ জেমিমাই পাৰ্চেলটো দি ক'লে, 'ইয়াত কিছু পিঠা আছে, ভোক লাগিলে খাবা আৰু হেৰা বেকি শ্বাৰ্প, এইখন কিতাপ— জনছনৰ অভিধান। সেইখন নিনিয়াকৈ নাযাবা। ঈশ্বৰে তোমালোকৰ মংগল কৰক!' বেকীয়ে কিতাপখন খিৰিকিৰে বাহিৰলৈ দলিয়াই দিলে। কিতাপখন বাগিচাত পৰিলগৈ।

বেকি লণ্ডনত ছেডলিহঁতৰ ঘৰত কেইদিনমান থাকিল। সেই কেইদিনত তাই এমিলিয়াৰ ভায়েক জছ ছেডলিক মোহাচ্ছন্ন কৰিবলৈ যত্নপৰ হ'ল। কিন্তু এদিন 'ভক্সহল গাৰ্ডেনছ' বোলা দোকানখনত মদ খাই দুৰ্ঘোৰ মাতলামি কৰাত তাই তাৰ প্ৰতি চকু দিবলৈ এৰি ক্ষুদ্ৰ জমিদাৰ ছাৰ পিট ক্ৰলিৰ পৰিয়ালত পৰিচাৰিকা হিছাপে সোমাল। পৰিয়ালটোৰ প্ৰতিজনকে তাই ভালদৰে লক্ষ্য কৰিলে: বুঢ়া ছাৰ পিট ক্ৰলি অসৎ চৰিত্ৰৰ; বুঢ়াৰ ভনীয়েক মিছ ক্ৰলি ধনী পৰিয়ালৰ। সকলোৱে মিছ ক্ৰলিক খাতিৰ আৰু তোষামোদ কৰে; বুঢ়াৰ ধৰ্মযাজক ভায়েকজন শিয়াল চিকাৰী; বুঢ়াৰ দুই পুতেক ডেকা পিট আৰু ৰডন বিভিন্ন চৰিত্ৰৰ। অতি কম সময়ৰ ভিতৰতে বেকিয়ে বুঢ়া জমিদাৰৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিলে। কিছুদিন আগতে বুঢ়াৰ ঘৈণীয়েকৰ মৃত্যু হৈছিল। বুঢ়াই বেকিক বিয়া কৰোৱাৰ প্ৰস্তাৱ দিলে আৰু অনুনয়-বিনয় কৰি ক'লে, 'মই বুঢ়া হব পাৰো কিন্তু মোৰ স্বাস্থ্য ভাল। আৰু কুৰি বছৰলৈ মই সুস্থ হৈ থাকিম। মই তোমাক সুখী কৰিম, তুমি যি কোৱা তাকে কৰিম, তোমাৰ কথা মতেই চলিম...।'

বেকি শ্বার্পে কেতিয়াও আত্ম-সংযম হেৰুওৱা নাছিল। কিন্তু বুঢ়া ক্ৰলিৰ কথা শুনি তাই বিহ্বল হ'ল আৰু ক'লে, 'ডাঙৰীয়া, মই যে ইতিমধ্যে বিবাহিতা।' তাই ইতিমধ্যে বুঢ়াৰ সৰু পুতেক ৰডনৰ সৈতে বিয়াত সোমাইছিল।

বেকিৰ তুলনাত তাইৰ অন্তৰংগ বান্ধৱী এমিলিয়া ছেড্‌লি আছিল উদাৰ হৃদয়ৰ। যদিও তাই বৰ ধুনীয়া নাছিল, তাইৰ প্ৰেমত পৰিল ডেকা কেপ্তেইন অছবৰ্ণ। ডবিনো তাইৰ প্ৰেমত পৰিছিল। কিন্তু সি এমিলিয়াক বিয়া কৰাবলৈ বন্ধু অছবৰ্ণকহে অনুৰোধ কৰিলে।

ইতিমধ্যে নেপোলিয়ানৰ বিৰুদ্ধে ৱাটাৰলু অভিযান আৰম্ভ হোৱাত অছবৰ্ণ, ডবিন আৰু ৰডন ক্ৰলিয়ে ব্ৰুছেলছত সিহঁতৰ নিজ নিজ সৈন্যদলত যোগ দিলে গৈ। অছবৰ্ণে প্ৰথমে এমিলিয়াক উপেক্ষা কৰিছিল। কিন্তু যুদ্ধলৈ যোৱাৰ আগমুহূৰ্তত ঘৈণীয়েকৰ প্ৰতি মৰম জন্মিল। যি হওক, সি যুদ্ধলৈ গ'ল আৰু ৱাটাৰলু যুদ্ধৰ পিছত ক্ৰলি পৰিয়াল বৃটিছ দখলদাৰী সৈন্যবাহিনীৰ সৈতে পেৰিছলৈ গ'ল। তাত মিছেছ ৰডনক (অৰ্থাৎ বেকি) সকলো পুৰুষেই ভাল পালে, কিন্তু নাৰীসকলে বেয়া পালে। তাত দুটা বছৰ ধাৰ ঋণৰ মাজেৰে কটাই এদিন সিহঁতে মনে মনে দেশলৈ ঘূৰি আহিল। সিহঁতে লণ্ডনত বসবাস কৰিবলৈ ল'লে। বেকিয়ে উচ্চ সমাজত ঘূৰিবলৈ ল'লে আৰু বহুতো অভিজাত ব্যক্তিৰ সৈতে তেওঁৰ পৰিচয় হ'ল। এইসকলৰ ভিতৰত মাৰ্কুইছ অব ষ্টেইনৰ সৈতে তাইৰ ঘনিষ্ঠ সম্পৰ্ক স্থাপিত হ'ল। কিন্তু এদিন ৰাতি কি হ'ল, তাৰ বৰ্ণনা থেকাৰেই কৰিছে এইদৰে:

'ৰডনে দুৱাৰখন খুলি ভিতৰলৈ সোমাই গ'ল। এখন সৰু মেজত ডিনাৰ, প্ৰস্তুত মদ আৰু প্লেট থোৱা আছে। বেকি বহি থকা চোফাখনত ষ্টেইন আঁউজি আছে। তাই ধুনীয়াকৈ সাজ-সজ্জা কৰিছে, হাতত ব্ৰেছলেট, আঙুলিত আঙঠি, ডিঙিত হীৰাখটোৱা হাৰ— এইডাল ষ্টেইনে তাইক দিয়া। তাইৰ এখন হাত ষ্টেইনৰ মুঠিৰ ভিতৰত, সি তাত চুমা খাইছে। হঠাৎ ৰডনক প্ৰৱেশ কৰা দেখি বেকি উচ্‌প খাই উঠিল। পিছ মুহূৰ্ততে তাই হাঁহিবলৈ চেষ্টা কৰিলে, যেন গিৰিয়েকক আদৰণি জনাবলৈহে হাঁহিছে। দাঁত-মুখ কামুৰি ষ্টেইন গোন হৈ থিয় হ'ল।... 'মই নিৰ্দোষী, ভগৱানৰ দোহাই, মই নিৰ্দোষী'— বেকিয়ে ৰডনৰ কোটচোলাত খামুচি ধৰি ক'লে, 'তুমি কোৱা— মই নিৰ্দোষী।' ষ্টেইনে

ভাবিলে যে তাক জালত পেলাবলৈহে এইবোৰ কৌশল কৰা হৈছে। সি ক'লে, 'এৰা, তুমি নিৰ্দোষী! তোমাৰ দেহত থকা প্ৰতিটো অলংকাৰেই মই দিছোঁ। মই তোমাক কেইবা হাজাৰ টকা দিছোঁ আৰু সেই টকা এই মানুহজনে খৰচ কৰিছে।...' 'বদমাছ, কুকুৰ, তই মিছা কথা কৈছ'— এইবুলি কৈ ৰডনে ষ্টেইনৰ মুখত দুই যোচা মাৰিলে; ৰক্তাক্ত হৈ ষ্টেইন মাটিত পৰি গ'ল...।

শেষত বেকিৰ কি হ'লগৈ? তাই অধ:পতনৰ চূড়ান্ত সীমালৈ নামি গ'ল নেকি? নহয়, তাই বাথ আৰু চেল্‌টেনহাম অঞ্চলত বেছ আৰামেৰেই জীৱন কটাবলৈ ধৰিলে। মানুহে গিৰিয়েককহে দোষ দিলে। বেকিয়ে সমাজ সেৱাত মনোনিৱেশ কৰিলে, দুখীয়াৰ সাহায্যৰ বাবে অনুষ্ঠান আদিৰ আয়োজনত আগৰণুৱা হ'ল। যিকোনো মেলা বা প্ৰদৰ্শনীত তাই দুখীয়ৰ সহায্যাৰ্থে দোকান দি পইচা সংগ্ৰহ কৰিবলৈ ধৰিলে। দাত্ৰী হিছাপে তাইৰ নাম অঞ্চলত কিছু বিখ্যাত হ'ল।— ভেনিটি ফেয়াৰ বা ভেমৰ মেলা এইদৰেই চলি থাকিল।

ইংলেণ্ডৰ সম-সাময়িক সমাজ জীৱনৰ এখন দলিল স্বৰূপ 'ভেনিটি ফেয়াৰ' উপন্যাস হিছাপে ই মানুহৰ জীৱন সহানুভূতিৰে চিত্ৰিত কৰিছে। থেকাৰেৰ উপন্যাসখন ধ্ৰুপদী আখ্যা পাবৰ যোগ্য। থেকাৰেৰ নিপুণ লিখনিৰ প্ৰভাৱ পৃথিবীৰ বহুতো লেখকৰ ওপৰতে পৰিছে।

মালথাছৰ এছে অন দি প্ৰিন্সিপল অৱ পপুলেছন

(৪০)

বৰ্তমান সময়ত পৃথিৱীৰ জনসংখ্যা তিনিশ কোটি বুলি ধৰা হয়। বৰ্তমান শতিকাৰ শেষলৈ এই সংখ্যা ছয়শ কোটিলৈ বৃদ্ধি হ'ব বুলি ৰাষ্ট্ৰসংঘৰ এটা সমীক্ষাত প্ৰকাশ পাইছে। এক কথাত কবলৈ গ'লে, পৃথিৱীত আজি 'জন বিস্ফোৰণ' ঘটিছে। এইটো প্ৰশ্নই আজি পৃথিৱীক বিব্ৰত কৰিছে, সেইটো হ'ল এই বিৰাট জনসংখ্যাৰ খাদ্য যোগান কেনেকৈ ধৰা যাব? এই প্ৰশ্নটো আজিৰ নহয়। পৃথিৱীত মানুহ আবিৰ্ভাবৰ লগে লগে জীয়াই থকাৰ যি সংগ্ৰাম আৰম্ভ হৈছে তেতিয়াই এই প্ৰশ্ন উত্থাপিত হৈছে। কিন্তু বৰ্তমান কালত জনসংখ্যাৰ হেঁচা যিদৰে বাঢ়িছে, সেইদৰে প্ৰাচীন কালত বঢ়া নাছিল। আজিৰ বিস্ফোৰণৰ সময়ত সেইবাবেই বিশ্ববাসীৰ মন ধাবিত হৈছে এখন কিতাপৰ বিষয়বস্তুৰ প্ৰতি। কিতাপখন লেখিছিল এজন ইংৰাজ পাদ্ৰীয়ে। এইখন ১৭৯৮ চনত প্ৰকাশ হৈছিল। পাদ্ৰীজনৰ নাম ৰেভাৰেণ্ড টি, আৰ মালথাছ, কিতাপখনৰ নাম 'এছে অন দি প্ৰিন্সিপল অব পপুলেছন' (জনসংখ্যা নীতিৰ বিষয়ে ৰচনা)। অৱশ্যে কিতাপখনৰ সম্পূৰ্ণ শীৰ্ষক হ'ল 'এন এছে অন দি প্ৰিন্সিপল অব পপুলেছন এজ ইট এফেক্টছ ডি ফিউচাৰ ইমপ্ৰুভমেণ্ট অব ছোছাইটি' অৰ্থাৎ সমাজৰ ভৱিষ্যৎ উন্নয়নৰ ওপৰত ক্ৰিয়াশীল জনসংখ্যা নীতিৰ বিষয়ে এখন ৰচনা। গ্ৰন্থখনৰ পৰিমাৰ্জিত সংস্কৰণ এটা ১৮০৩ চনত লেখকে প্ৰকাশ কৰে। মৃত্যুৰ আগলৈ তেওঁ কেইবাবাৰো গ্ৰন্থখন পৰিমাৰ্জিত কৰিছিল।

মালথাছৰ জন্ম হৈছিল ১৭৬৬ চনত আৰু মৃত্যু হৈছিল ১৮৩৪ চনত। ইংলণ্ডৰ ছাৰে (Surrey) অঞ্চলৰ এজন ক্ষুদ্ৰ ভূম্যাধিকাৰীৰ সন্তান মালথাছে কেম্ব্ৰিজত শিক্ষা গ্ৰহণ কৰি চাৰ্চ অব ইংলেণ্ডৰ সেৱাত যোগ দিয়ে। তেওঁ ইউৰোপত বিস্তৃতভাৱে ভ্ৰমণ কৰিছিল। ১৮০৫ চনত তেওঁ বিয়া কৰায় আৰু ইষ্ট ইণ্ডিয়া কোম্পানীৰ চাকৰিয়াল সকলৰ প্ৰশিক্ষণ কেন্দ্ৰত ইতিহাস আৰু

অৰ্থনীতিৰ প্ৰশিক্ষকৰ কামত যোগ দিয়ে। জীৱনৰ শেষলৈ তেওঁ এই পদত আছিল।

'প্ৰিন্সিপল অৱ পপুলেছন'ৰ আৰম্ভণিতেই মালথাছে লেখিছে- এই প্ৰবন্ধৰ মূল উদ্দেশ্য হ'ল মানৱ-প্ৰকৃতিৰ সৈতে সম্পৃত এটা কাৰ্যকৰণৰ ফলাফল পৰীক্ষা কৰা। সকলো জীৱন্ত বস্তুৰে প্ৰৱণতা হ'ল খাদ্য-সম্ভাৰৰ তুলনাত বেছি জীৱনৰ সৃষ্টি কৰা। ই অপৰিবৰ্তিত ভাৱে সত্য। জন্তু আৰু উদ্ভিদ জগতৰ বৃদ্ধিৰ ক্ষেত্ৰত প্ৰকৃতি যিদৰে উদাৰ, সেইদৰে খাদ্য সম্ভাৰ যোগানৰ দিশত অনুদাৰ। প্ৰকৃতিৰ নিয়মে সিহঁতক সীমিত কৰি ৰাখে। উদ্ভিদ আৰু জন্তুৰ সংখ্যা প্ৰাকৃতিক নিয়ম অনুসৰি নিয়ন্ত্ৰিত হয়। মানুহেও এই নিয়মৰ হাত সাৰিব নোৱাৰে।'

মালথাছৰ মতে, নিয়ন্ত্ৰিত নহ'লে প্ৰতি ২৫ বছৰে জনসংখ্যা দুগুণে বাঢ়ে। তাৰ তুলনাত খাদ্য সম্ভাৰৰ বৃদ্ধিৰ হাৰ নিৰ্ণয় কৰা কঠিন। গতিকে জনসংখ্যা বৃদ্ধি ৰোধ কৰাৰ ক্ষেত্ৰত খাদ্যৰ নাটনিয়ে বহু পৰিমাণে কাম কৰে। কিন্তু জনসংখ্যা সীমিত কৰাৰ চূড়ান্ত উপাদান হ'ল দুৰ্ভিক্ষ। খাদ্যৰ সৈতে সমানুপাতিক ভাৱে জনসংখ্যাক সীমিত কৰি ৰখাত আন কেতবোৰ কাৰণো সক্ৰিয় হৈ থাকে। এই প্ৰতিবন্ধকবোৰক দুই ভাগত ভগাব পাৰি; (১) প্ৰতিৰোধক অৰ্থাৎ জন্ম-নিৰোধ আৰু (২) প্ৰতিবৈধানিক অৰ্থাৎ জন্ম পোৱা শিশুৰ সংখ্যা হ্ৰাস কৰা।

প্ৰথমে প্ৰতিবৈধানিক উপায় সম্পৰ্কে আলোচনা কৰিলে দেখা যায় যে, অস্বাস্থ্যকৰ পৰিবেশ, দাৰিদ্ৰ্য, মহামাৰী, যুদ্ধ, দুৰ্ভিক্ষ আদিয়ে জনসংখ্যা হ্ৰাস কৰে। প্ৰতিৰোধক উপায়বোৰ মানুহে সহজে লব পাৰে, কাৰণ মানুহ যুক্তিপৰায়ণ জীৱ। তেওঁ নিজৰ সন্তানৰ আলৈ-আথানি হোৱা নিবিচাৰে। গতিকে, পলমকৈ বিয়া কৰোৱা, সহবাসত সংযমী হোৱা আদিৰ দ্বাৰা জন্ম-নিৰোধৰ দৰকাৰ।

ভৱিষ্যতৰ সতি-সন্ততিক ভালদৰে প্ৰতিপালন কৰাৰ জোখাৰে উপাৰ্জন কৰিব নোৱাৰালৈকে পুৰুষে বিয়া কৰোৱা উচিত নহয়। দাতব্য অনুষ্ঠানবোৰে যোত্ৰহীন শিশুক আহাৰ যোগান ধৰা প্ৰথা মালথাছে সমৰ্থন কৰা নাই; বৰং তেওঁ শ্ৰমিক শ্ৰেণীৰ কামৰ পৰিবেশ উন্নত কৰাৰ ওপৰতহে গুৰুত্ব আৰোপ

কৰিছে। তেওঁ বিশ্বাস কৰিছিল যে জনসংখ্যাৰ অনুপাতে খাদ্য দ্ৰব্যৰ উৎপাদন বৃদ্ধি নোহোৱাকৈ জনসাধাৰণৰ উন্নতি হ'ব নোৱাৰে।

অৱশ্যে আজিৰ পৰিপ্ৰেক্ষিতত মালথাছৰ কেতবোৰ ধাৰণা ভ্ৰান্ত আছিল। বৰ্তমানৰ বৈজ্ঞানিক প্ৰণালীৰে কৃষি ক্ষেত্ৰত প্ৰভূত উন্নতি সধাৰ লগে লগে দেশৰ অন্যান্য সম্পদৰাজিৰ যথোপযুক্ত বিনিয়োগৰ দ্বাৰা জনসংখ্যা বৃদ্ধিৰ লগে লগে খাদ্য-সম্ভাৰো বৃদ্ধি কৰিব পৰা হৈছে।

তথাপি চৰম বিশ্লেষণত এই কথা কব লাগিব যে জনসংখ্যা সীমিত নকৰিলে জনসাধাৰণৰ অৰ্থনৈতিক উন্নয়ন সাধন সম্ভৱ নহয়। বিশেষকৈ আজি যাক তৃতীয় বিশ্ব আখ্যা দিয়া হয়, তাত জন্ম নিয়ন্ত্ৰণকে ধৰি জনসংখ্যা প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণৰ আৱশ্যকতা নুই কৰিব নোৱাৰি।

অৰ্থনীতিৰ জগতত 'প্ৰিন্সিপলস অব পপুলেছন' গ্ৰন্থই মালথাছক ৰিকাৰ্ডো, মিল আৰু মাৰ্ক্সৰ সৈতে একে শাৰীত আসন দিছে। এই গ্ৰন্থ অৰ্থনীতিৰ ধ্ৰুপদী গ্ৰন্থৰাজিৰ অন্যতম হিছাপে পৰিগণিত হৈছে। মানৱজাতিৰ ভৱিষ্যত সম্পৰ্কে এইসকল গুণী চিন্তাশীল ব্যক্তিৰ চিন্তাৰ অৱদানৰ কাৰণে জগত তেওঁলোকৰ ওচৰত ঋণী।

কাৰ্লমাৰ্ক্সৰ ডাছ্ কেপিটেল

(৪১)

জাৰ্মানিৰ ৰাইনলেণ্ডৰ ট্ৰিভিছ্ চহৰত ১৮১৮ চনত কাৰ্ল হাইনৰিখ মাৰ্ক্সে জন্ম গ্ৰহণ কৰে। কাৰ্লৰ দেউতাক আছিল উদাৰ মতাৱলম্বী আইন ব্যৱসায়ী। তেওঁৰ জন্মৰ কেইবছৰমান পিছত দেউতাকে পূৰ্বপুৰুষৰ ইহুদী ধৰ্ম ত্যাগ কৰি প্ৰটেষ্টান খৃষ্টান ধৰ্ম গ্ৰহণ কৰে। দেউতাকৰ আইন ব্যৱসায় যাতে পুতেকেও গ্ৰহণ কৰিব পাৰে সেই উদ্দেশ্যে কাৰ্লক বন আৰু বাৰ্লিন মহাবিদ্যালয়লৈ অধ্যয়নৰ বাবে পঠোৱা হৈছিল; কিন্তু বুৰঞ্জী আৰু দৰ্শনৰ প্ৰতিহে তেওঁৰ অনুৰাগ জন্মিল। বিশ্ববিদ্যালয়ত থাকোঁতেই তেওঁ গণতান্ত্ৰিক আন্দোলনত অলপ-অচৰপ অংশগ্ৰহণ কৰিবলৈ ধৰে। কিছুদিনৰ বাবে তেওঁ ৰাইনলেণ্ডত এখন ৰাজনৈতিক কাকতো সম্পাদনা কৰিছিল। জেনিফন ৱেষ্ট ফেলেন নামৰ স্কটিছ বংশোদ্ভূত ছোৱালী এজনীৰ সৈতে বিয়া হোৱাৰ পিছত তেওঁ প্ৰেিছলৈ গৈ লেখালেখিত মনোনিবেশ কৰে। এই এক ধৰণৰ সৃষ্টিৰ ক্ষমতে তেওঁ পৰৱৰ্তী গোটেই জীৱন ব্যস্ত হৈ থাকিব, পৰিশ্ৰম অভাৱ-অনাটনৰ মাজেদি জীৱন কটাব, তৰ্ক-বিতৰ্ক আৰু বিকল্পবাদিতাৰ উদ্ভৱ ঘটাব বুলি সিদ্ধান্ত গ্ৰহণ কৰে।

বৈপ্লৱিক ৰাজনৈতিক কাৰ্যকলাপৰ কাৰণে ১৮৪৫ চনত কাৰ্ল মাৰ্ক্সক ফ্ৰান্সৰ পৰা বহিষ্কাৰ কৰা হয়। তেওঁ ব্ৰুছেলছলৈ গৈ থাকিবলৈ ল'লে। তাতেই ১৮৪৮ চনত ফ্ৰিডৰিখ এংগেলছৰ সহযোগিতাত তেওঁ বিখ্যাত 'কমিউনিষ্ট মেনিফেষ্টো' (সাম্যবাদী ঘোষণাপত্ৰ) লেখি প্ৰকাশ কৰে। ই আছিল শ্ৰমিক শ্ৰেণীৰ সংগ্ৰামৰ এক কাৰ্যসূচী। ইয়াতেই আছে সেই বিখ্যাত উক্তি : 'কমিউনিষ্ট বিপ্লৱত শাসক-শ্ৰেণী কঁপি উঠক। নিজৰ শিকলিডালৰ বাহিৰে হেৰুৱাবলৈ শ্ৰমিক শ্ৰেণীৰ আন একো নাই। জয় কৰিবলৈ আছে এখন পৃথিৱী। বিশ্বৰ শ্ৰমিকসকল, ঐক্যবদ্ধ হওক।'

আকৌ তেওঁ বহিষ্কৃত হ'ল। এইবাৰ ইংলিছ প্ৰণালী পাৰ হৈ মূল ইউৰোপীয় ভূখণ্ডৰ পৰা তেওঁ আশ্ৰয় ললেহি ইংলেণ্ডত। ১৮৮৩ চনত মৃত্যুৰ সময়লৈকে

তেওঁ লণ্ডন মহানগৰতে অৱশিষ্ট জীৱন কটায়।

বন্ধৰ দিনৰ বাহিৰে আন প্ৰতিটো দিনৰ সৰহখিনি সময় তেওঁ বৃটিছ মিউজিয়ামৰ অধ্যয়ন কক্ষত কটাবলৈ ধৰিলে। মাৰ্ক্সৰ স্ত্ৰীভাগ্য আছিল অতি অনুকুল। দৃঢ় চৰিত্ৰৰ জেনিয়ে অতি কষ্টৰ মাজেৰে গৃহস্থালি চলাইছিল। বন্ধু-ভাগ্যতো কাৰ্লমাৰ্ক্স আছিল ভাগ্যবান। বন্ধুসকলে তেওঁক সকলো কালৰ পৰা সহায় কৰিছিল। তেওঁৰ সৰ্বশ্ৰেষ্ঠ বন্ধু আছিল ফ্ৰিড্ৰিখ এংগেলছ। এংগেলছে দেউতাকৰ মানচেষ্টাৰত থকা কাপোৰৰ কলত কাম কৰিছিল আৰু আৱশ্যক অনুসৰি মাৰ্ক্সক আৰ্থিকভাৱে সহায় কৰিছিল।

বৃটিছ মিউজিয়ামত বহুবছৰ ধৰি ইউৰোপৰ অৰ্থ-শাস্ত্ৰৰ গ্ৰন্থসমূহ তন্ন তন্নকৈ অধ্যয়ন কৰাৰ পিছত ১৮৬৭ চনত মাৰ্ক্সে তেওঁৰ যুগান্তকাৰী গ্ৰন্থ 'ডাছ কেপিটেল'(Das Kapital, The Capital'পুঁজি)'ৰ প্ৰথম খণ্ড প্ৰকাশ কৰে। গ্ৰন্থখনৰ জাৰ্মান সংস্কৰণৰ ভূমিকাত তেওঁ লেখিছিল যে আধুনিক সমাজ পৰিচালিত কৰা অৰ্থনৈতিক নিয়মসমূহ উদ্‌ঘাটন কৰাই তেওঁৰ চৰম লক্ষ্য আৰু তাকে কৰিবলৈ যাওঁতে অধ্যয়নৰ প্ৰাথমিক বিষয় হ'ল উৎপাদনৰ পুঁজিবাদী ব্যৱস্থা আৰু এই ব্যৱস্থাৰ সৈতে সংপৃক্ত উৎপাদন আৰু বিনিময়ৰ সম্পৰ্ক।

মাৰ্ক্সৰ 'কেপিটেল' গ্ৰন্থ সম্পৰ্কে আলোচনা কৰোতে গ্ৰন্থখন লেখা কালছোৱাৰ কথাও মনত ৰখা উচিত হ'ব। মাৰ্ক্সে লেখা পুঁজিবাদী ব্যৱস্থাৰ সৈতে এতিয়াৰ পুঁজিবাদী ব্যৱস্থাৰ ভালেখিনি প্ৰভেদ আছে। উনৈশ শতিকাৰ আদি ছোৱাৰ পুঁজিবাদ আছিল অনিয়ন্ত্ৰিত আৰু দায়িত্বহীন- বৰ্তমানৰ পুঁজিবাদৰ পৰা এনে বদ্‌গুণবোৰ বহুখিনি আঁতৰিছে।

মাৰ্ক্সৰ মানসত থকা পুঁজিবাদী ব্যৱস্থা হ'ল- এক বিৰাট সংখ্যক সৰু আৰু অতি প্ৰতিযোগিতামূলক ব্যৱসায়-গোষ্ঠী বা কাৰখানা যিবোৰৰ কৰ্তৃত্ব আৰু মালিকানা এজন মানুহ বা এটা ক্ষুদ্ৰ গোষ্ঠীৰ ওপৰত। মালিকে শ্ৰমিকৰ শ্ৰমৰ বিনিময়ত কেৱল নিজৰ ধন-সম্পত্তি বৃদ্ধিত ব্যস্ত। মাৰ্ক্সৰ সময়ত লিমিটেড কোম্পানী গঢ়ি উঠিব ধৰিছিল যদিও উদ্যোগৰ ক্ষেত্ৰত সৰু কাৰখানা আৰু ব্যৱসায়ৰ প্ৰাধান্যই আছিল চকুত লগা। বৃহৎ উদ্যোগৰ অন্তৰ্নিহিত সম্ভাৱনাৰ কথা চিন্তা কৰি চোৱা হোৱা নাছিল। পৰিচালনাৰ ক্ষেত্ৰত পিছৰ যুগত হোৱা আমূল পৰিবৰ্তনৰ কথা মাৰ্ক্সৰ চিন্তাৰ বাহিৰত আছিল। বৰ্তমান সময়ত উদ্যোগ

আৰু ব্যৱসায় প্ৰতিষ্ঠানবোৰত এক বিৰাট সংখ্যক কাৰ্যনিৰ্বাহক বিষয়া কৰ্মচাৰী আৰু প্ৰশাসক নিযুক্ত হৈ আছে। মাৰ্ক্সৰ সময়ত উদ্যোগ আৰু ব্যৱসায়ত এনে কৰ্মী নাছিল। সেয়ে কৰ্মী বা শ্ৰমিক মানেই আছিল বেতনৰ দাস পদদলিত শ্ৰেণী যাক মাৰ্ক্সে 'সৰ্বহাৰা'(Proletariat) আখ্যা দিছিল। শ্ৰমিক সংগঠনবোৰ তেতিয়া আছিল প্ৰাথমিক পৰ্যায়ত। তেওঁ ভৱিষ্যত বাণী কৰিছিল যে সমাজত মাত্ৰ শেষলৈ দুটা শ্ৰেণী ৰবগৈ-মালিক আৰু দাস, নিয়োগ কৰ্তা আৰু কৰ্মচাৰী, পুঁজিবাদী আৰু শ্ৰমিক, বুৰ্জোৱা আৰু সৰ্বহাৰা, আৰু তেওঁলোকৰ অৱশ্যম্ভাৱী সংগ্ৰামৰ ফলস্বৰূপে অৱশ্যম্ভাৱী ৰূপে এক নতুন সমাজতান্ত্ৰিক পদ্ধতি আৰু সমাজৰ উদ্ভৱ হ'ব য'ত সৰ্বহাৰাই হ'ব সৰ্বেসৰ্বা।

মাৰ্ক্সে কেপিটেল গ্ৰন্থ আৰম্ভ কৰিছে মূল্যৰ ওপৰত থকা তেওঁৰ ধাৰণাসমূহ ব্যাখ্যাৰ জৰিয়তে। মাৰ্ক্সে তেওঁৰ পূৰ্বসূৰী 'ধ্ৰুপদী' অৰ্থনীতিবিদসকলৰ তত্ত্বসমূহৰ পৰা ভালেমান ধাৰণা গ্ৰহণ কৰিছিল। মূল্যৰ শ্ৰমতত্ত্বৰ ধাৰণা আগৰ অৰ্থনীতিবিদ সকলেও প্ৰকাশ কৰিছিল। এই তত্ত্বমতে এটা বস্তুৰ মূল্য তাৰ উৎপাদনত প্ৰয়োগ কৰা মানবীয় শ্ৰমৰ পৰিমাণৰ ওপৰত নিৰ্ভৰশীল। শ্ৰমিকৰ বেতন ধাৰ্য কৰা হয় এই হাৰত যাতে শ্ৰমিকে কোনোমতে দুবেলা দুমুঠি খাই জীয়াই থাকিব পাৰে, উদ্‌বৃত্ত ধন তাৰ হাতত নাথাকে, কাৰণ তেতিয়াহে সতি-সন্ততি সকলেও শ্ৰমিক হ'বলৈ বাধ্য হ'ব, বেতনৰ দাস হৈ পুঁজিবাদীৰ হৈ শ্ৰম কৰিব, এই সকলৰ সতি-সন্ততিয়েও একে পথকে অনুসৰণ কৰিবলৈ বাধ্য হ'ব। মূল্যৰ ওপৰত মাৰ্ক্সৰ অৱদান হ'ল, 'উদ্বৃত্ত মূল্য তত্ত্ব'(Thcory of Surpins value) এই তত্ত্বক ব্যাখ্যা কৰিব পাৰি এইদৰে:

উৎপাদন প্ৰক্ৰিয়াত দুই ধৰণৰ পুঁজি খটুওৱা হয়, 'স্থায়ী'(constant) আৰু 'পৰিবৰ্তনশীল' (Varialde)। পৰিবৰ্তনশীল পুঁজি হ'ল শ্ৰমৰ নিযুক্তিৰ বাবে ব্যয় কৰা পুঁজি- অৰ্থাৎ শ্ৰমিকৰ বেতন ইয়াৰ বাহিৰে আন আটাইবোৰ স্থায়ী পুঁজি। এই দুবিধৰ ভিতৰত থকা পাৰ্থক্যৰ বৈশিষ্ট্য এয়েই যে পৰিবৰ্তনশীল পুঁজিয়ে কেৱল ইয়াৰ সমান মূল্যকে উৎপাদন নকৰে, বৰং নিজৰ সমান মূল্যতকৈ যথেষ্ট বেছি উৎপাদন কৰে। এই বেছি উৎপাদনখিনিয়েই মূল্য। কেৱল মানুহৰ শ্ৰমেহে উদ্বৃত্ত মূল্য সৃষ্টি কৰিব পাৰে। পুঁজিবাদীসকলে শ্ৰমিকে সৃষ্টি কৰা এই উদ্বৃত্ত মূল্য আত্মসাৎ কৰে।

অর্থনৈতিক ধাৰণাৰ জগতলৈ 'উদ্বৃত্ত মূল্যতত্ত্ব' মাৰ্ক্সৰ অভিনৱ সংযোজন। এই তত্ত্বই ইউৰোপৰ কলকাৰখানাত কাম কৰা শ্ৰমিকসকলৰ মন অনায়াসে জয় কৰিবলৈ সমৰ্থ হ'ল। এই তত্ত্বৰ ব্যাখ্যাই কেপিটেল গ্ৰন্থৰ কেইবাশ পৃষ্ঠা জুৰি আছে। তেওঁ ইংলেণ্ডত সেই সময়ত প্ৰচলিত ব্যৱস্থাৰ পৰাই ইয়াৰ সমল সংগ্ৰহ কৰিছিল। ইয়াৰ কাৰণো নোহোৱা নহয়। সেই সময়ত ইউৰোপৰ ভিতৰত ইংলেণ্ডতেই পুঁজিবাদী ব্যৱস্থা প্ৰধানত: উন্নত হৈছিল আৰু সু-সংগঠিত আছিল।

মাৰ্ক্সে পুঁজিক ৰক্তপায়ী জীৱৰ সৈতে তুলনা কৰি কৈছিল যে পুঁজি হ'ল শ্ৰমৰ মৃতদেহ, কিন্তু ই জীৱিত শ্ৰমিকৰ তেজ শুহি জীয়াই থাকিবলৈ সক্ষম; 'যিমানেই বেছি তেজ ই শোহে, সিমানেই শক্তিশালী হৈ ই জীয়াই থাকে। ৰেল-শ্ৰমিক সকলে কিদৰে ১৪,১৮ আনকি ২০ ঘণ্টা পৰ্যন্ত খাটিব লাগিছিল, তাৰ কথা তেওঁ উল্লেখ কৰিছে। পুঁজিপতি সকলে লাভৰ বাবে কিদৰে খাদ্য-বস্তুত ভেঁজাল দিয়ে, সেই বিষয়ে তেওঁ অতি জুগুপ্সা উদ্ৰেককাৰী ভাষাত বৰ্ণনা কৰিছে।

মাৰ্ক্সে তেওঁৰ বক্তব্যৰ সমৰ্থনত অসংখ্য উদাহৰণ, উদ্ধৃতি সন্নিবিষ্ট কৰিছিল। তেওঁ ঘাইকৈ নিৰ্ভৰ কৰিছিল চৰকাৰী প্ৰতিবেদনত প্ৰকাশিত তথ্যপাতিৰ ওপৰত।

মাৰ্ক্সে বেতনৰ ওপৰতো কেইবাটাও অধ্যায় লেখিছিল। সেইদৰে পুঁজিৰ একত্ৰিকৰণেও তেওঁৰ দৃষ্টি আকৰ্ষণ কৰিছিল। তেওঁৰ তত্ত্ব অনুসৰি 'পুঁজিৰ একত্ৰিকৰণৰ লগে লগে শ্ৰমিকৰ অৱস্থা শোচনীয় হয়' অৰ্থাৎ পুঁজিৰ একত্ৰিকৰণৰ গতি বৃদ্ধি হোৱাৰ লগে লগে দাৰিদ্ৰ্যও বৃদ্ধি হয়।

মাৰ্ক্সৰ মতে পুঁজিৰ একত্ৰিকৰণৰ প্ৰাথমিক পৰ্যায়ৰ পৰাই ঐতিহাসিক প্ৰক্ৰিয়াৰ জৰিয়তে উৎপাদনকাৰী উৎপাদনৰ ব্যৱস্থাৰ পৰা বিচ্ছিন্ন হয়। 'ৰিফৰ্মেচন'ৰ সময়ত চাৰ্চৰ সম্পত্তি আত্মসাতৰ জৰিয়তে, তাৰ পিছত ভূমধ্যাধিকাৰীৰ সম্পত্তি আত্মসাতৰ জৰিয়তে আধুনিক ব্যক্তিগত সম্পত্তিৰ উৎপত্তি হয়।

তাৰ পিছত আমেৰিকাত সোণ আৰু ৰূপ আৱিষ্কাৰ, হোৱাৰ লগে লগে তাৰ আদিম অধিবাসীসকলক দাসত পৰিণত কৰি তথ্য নিশ্চিহ্ন কৰা, পূৱ ভাৰতীয় দ্বীপপুঞ্জ জয় কৰা, আফ্ৰিকাক দাস-ব্যৱসায়ৰ ঘাটিত পৰিণত কৰা-

এইবোৰেই আছিল পুঁজিবাদী উৎপাদন পদ্ধতিৰ আৰম্ভণিৰ বৈশিষ্ট্য। ইয়াৰ লগে লগে পৃথিৱীৰ বিভিন্ন দেশত আধিপত্য বিস্তাৰৰ বাবে ইউৰোপীয় শক্তিবোৰৰ মাজত বাণিজ্যিক যুদ্ধ, কালমার্ক্সৰ সময়ত যাৰ সৰ্বশেষ নিদৰ্শন আছিল চীনৰ বিৰুদ্ধে কৰা 'আফিঙৰ যুদ্ধ।'

প্ৰথম স্তৰত পুঁজিৰ একত্ৰিকৰণত উৎসাহ যোগাইছিল বেংক অব ইংলেণ্ডে ৰাজহুৱা ঋণ প্ৰথা উদ্ভাৱনৰ জৰিয়তে। এনে বিত্তীয় ব্যৱস্থাৰ দ্বাৰা অন্যান্য দেশক বৃটেইনৰ সৈতে সাঙোৰ খুওৱা হৈছিল। মাৰ্কিন যুক্তৰাষ্ট্ৰত উদ্ভৱ হোৱা পুঁজি অতীতত ইংলেণ্ডত জমা হোৱা পুঁজিৰেই বেনামী সন্তান বুলি মার্ক্সে মন্তব্য কৰিছিল।

গ্ৰন্থৰ শেষৰ ফালে মার্ক্সে মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু অষ্ট্ৰেলিয়াই বৃটেইনৰ পদানুসৰণ কৰিছে বুলি বৰ্ণনা কৰি কৈছিল যে প্ৰথমখন দেশত পুঁজিবাদী উৎপাদনে বৃহৎ পদক্ষেপেৰে আগবাঢ়িছে আৰু আনখনত শ্ৰম-বজাৰ উদ্বৃত্ত শ্ৰমিকেৰে উপচি পৰিছে। পুৰণি পৃথিৱীৰ দৰে নতুন পৃথিৱীয়েও 'অৰ্থনীতিৰ 'বৃহৎ গোপন কথা' আৱিষ্কাৰ কৰিছে আৰু পুঁজিবাদী উৎপাদন আৰু একত্ৰিকৰণৰ অৰ্থাৎ পুঁজিবাদী ব্যক্তিগত সম্পত্তিৰ মূলতে যে শ্ৰমিক-শোষণ নিহিত আছে সেই কথাকে ঘোষণা কৰিছে— এইবুলি মার্ক্সে কৈছিল।

'কেপিটেল' পোনতে প্ৰকাশ হৈছিল জাৰ্মান ভাষাত। মার্ক্সৰ মৃত্যুৰ তিনিবছৰ পিছত ১৮৮৬ চনত ইংৰাজী ভাষাত 'কেপিটেল'ৰ প্ৰথম খণ্ড প্ৰকাশ পায়। ইয়াৰ পাতনি লেখিছিল এংগেলছে। তেওঁ ঘোষণা কৰিছিল: 'ডাছকেপিটেলক ইউৰোপ মহাদেশত প্ৰায়েই শ্ৰমিক শ্ৰেণীৰ বাইবেল' আখ্যা দিয়া হয়।

তেওঁৰ গ্ৰন্থখনে পৃথিৱীৰ উদ্যোগৰ দিশত আগবঢ়া দেশসমূহৰ পুঁজিবাদী ব্যৱস্থা ওফৰাই দিবলৈ শ্ৰমিক শ্ৰেণীক এপাট শক্তিশালী হাঁতিয়াৰ দিব বুলি মার্ক্সে বিশ্বাস কৰিছিল। 'কেপিটেল' গ্ৰন্থখনত ৰাজনৈতিক আৰু অৰ্থনৈতিক বিস্ফোৰক পদাৰ্থ নিহিত আছে বুলি মার্ক্সে কোৱা কথাত সত্যতা নথকা নহয়। কিন্তু তেওঁ ঔদ্যোগিক ভাবে অতি উন্নত দেশত সৰ্বহাৰাৰ বিপ্লৱ সংঘটিত হ'ব বুলি কৰা ভৱিষ্যত-বাণী সত্য নহ'ল— বিপ্লৱ হ'ল অপেক্ষাকৃতভাৱে অনুন্নত জাৰ-শাসিত ৰুছ-সাম্ৰাজ্যত। ১৯১৭ চনত হোৱা ৰুছ-বিপ্লৱৰ

উদ্গাতা আছিল কাৰ্লমাৰ্ক্সৰ 'কেপিটেল' গ্ৰন্থ আৰু সেয়ে ইয়াক ইতিহাস ৰচনাকাৰী গ্ৰন্থৰ মৰ্যাদা দিবই লাগিব। তেতিয়াৰ পৰা এই গ্ৰন্থ বিশ্বৰ সংগ্ৰামী জনসাধাৰণৰ মনত অপ্ৰতিৰোধ্য শ্ৰেষ্ঠতাৰ আসনত প্ৰতিষ্ঠিত হৈ আছে।

গুস্তাভ ফ্লবেয়াৰ'ৰ মেডাম বভাৰি

(৪২)

'মেডাম বভাৰি' হ'ল এজন গাঁৱলীয়া ডাক্তৰৰ ঘৈণীয়েকৰ কাহিনী। বিবাহিত জীৱনত অসুখী এই মহিলাগৰাকীয়ে দুজন প্ৰেমিক গ্ৰহণ কৰিছিল। এজন সুদৰ ব্যৱসায়ী আৰু এজন ব্যৱসায়ীৰ পৰা তেওঁ টকা ধাৰলৈ লৈছিল। ঋণ পৰিশোধ কৰিব নোৱৰাত ব্যৱসায়ী দুজনে তাইৰ ঘৰ ক্ৰোক কৰিবলৈ পিয়াদা লৈ অহাত তাই আত্মহত্যাৰ জৰিয়তে মুক্তিৰ পথ বিচাৰি লৈছিল। ১৮৫৬ চনত 'মেডাম বভাৰি' উপন্যাস প্ৰকাশ হোৱাৰ লগে লগে সময়ৰ তথাকথিত শুচিবায়ুগ্ৰস্ত ফৰাচী মধ্যবিত্ত সমাজে উপন্যাসখনত নৈতিকতা বিৰুদ্ধী অশ্লীলতাৰ বীজ আবিষ্কাৰ কৰি আদালতত ঔপন্যাসিক গুস্তাভ ফ্লবেয়াৰৰ বিৰুদ্ধে গোচৰ দিছিল। যদিও বিচাৰকে উপন্যাসখনৰ কেতবোৰ দিশৰ বিষয়ে অসন্তুষ্টি প্ৰকাশ কৰিছিল, তথাপি সামগ্ৰিকভাবে অশ্লীলতাৰ অভিযোগৰ পৰা অব্যাহতি দিছিল।

উপন্যাসখনৰ বিৰুদ্ধে অনা গোচৰৰ ফলস্বৰূপে ইয়াৰ বিক্ৰী যেনেদৰে বাঢ়িছিল, তেনেদৰে সমালোচকসকলৰ শেন-দৃষ্টিও ইয়াৰ ওপৰত পৰিছিল। 'মেডাম বভাৰি' আছিল ফৰাচী তথা বিশ্ব-সাহিত্যৰ প্ৰথম প্ৰকৃত বাস্তৱবাদী উপন্যাস। ইয়াত আছে মফচলীয়া জীৱনৰ আৰু সমাজৰ ছবি। এই সমাজ-জীৱনৰ সৈতে জড়িত ডাক্তৰ, পাদ্ৰী, ঔষধ ব্যৱসায়ী, উকিল, কেৰাণী, মহৰি, কৰ-সংগ্ৰহকাৰী, ক্ষুদ্ৰ জমিদাৰ আদিৰ চৰিত্ৰই উপন্যাসখনত প্ৰাধান্য লাভ কৰিছে। এই উপন্যাসৰ আগতে প্ৰকাশ হোৱা উপন্যাসবোৰৰ বাস্তৱতাই প্ৰকৃতাৰ্থত বাস্তৱ-জীৱন প্ৰতিফলিত কৰা নাছিল বুলিব পাৰি। তদুপৰি 'মেডাম বভাৰি' বস্তুনিষ্ঠ উপন্যাস। বিষয়বস্তু বা কাহিনীৰ সৈতে আৱেগক সানি-পুতকি লেখা ৰোমাণ্টিক বাস্তৱতাপূৰ্ণ উপন্যাসৰ তুলনাত 'মেডাম বভাৰি' আছিল সম্পূৰ্ণ নতুন ধৰণৰ। ছবছৰ জোৰা পৰিশ্ৰমৰ অন্তত ফ্লবেয়াৰে উপন্যাসখন লেখি উলিয়াইছিল।

এমা বভাৰি আছিল নৰ্মাণ্ডিৰ এজন খেতিয়কৰ ছোৱালী। তাই কনভেন্টত উচ্চশিক্ষা লাভ কৰিছিল আৰু জীৱনৰ প্ৰথম পৰ্যায়ত ধৰ্মৰ প্ৰতি আকৃষ্ট হৈছিল; কিন্তু কনভেন্টৰ শিক্ষা সমাপ্তিৰ সময়ত তাইৰ মন ৰোমাণ্টিক কল্পনাৰে ভৰপূৰ হৈছিল।

তাইৰ বিয়া হৈছিল গাঁৱলীয়া ডাক্তৰ চাৰ্লছ বভাৰিৰ লগত। চাৰ্লছ আছিল সহজ-সৰল প্ৰকৃতিৰ, কোনো ধৰণৰ ৰোমাণ্টিক উচ্ছ্বাস তেওঁৰ নাছিল। এনে এজন গিৰিয়েকৰ সৈতে দিন কটাবলগীয়া হোৱাত স্বাভাৱিকতে এমা অসুখী হৈছিল। গিৰিয়েকৰ সামাজিক মৰ্যাদা বুলিবলৈ বিশেষ একো নাছিল। এবাৰ এজন স্থানীয় অভিজাত লোকে বভাৰি-দম্পতিক বল-নাচলৈ নিমন্ত্ৰণ কৰিছিল। তাত এমাই ঐশ্বৰ্যৰ চাক-চিক্য দেখি মুগ্ধ হৈছিল আৰু তাই ভালেমান যুৱকৰ লগত নাচিছিল। সেই সমাজখনৰ বয়সত আগবঢ়াসকলে ডেকাৰ দৰে আচাৰ-ব্যৱহাৰ কৰিছিল আৰু ডেকাসকলে বয়সীয়াৰ দৰে গম্ভীৰ আচৰণ কৰিছিল। সিহঁতৰ নিৰ্লিপ্ত দৃষ্টিত আছিল কামনাৰ দ্যুতি— কামনাৰ পৰিতৃপ্তিয়েই আছিল সেই অভিজাত সমাজৰ দৈনন্দিন কাম। শিথিল চৰিত্ৰৰ মহিলাৰ সংগ আছিল সিহঁতৰ কাম্য। বল নাচৰ সেই নিশাৰ অ[illegible]তাই এমাৰ মনত উচ্চাকাংক্ষাৰ অগ্নিশিখা জ্বলালে। তাই নিজকে সমুদ্ৰত দিক্‌ভ্ৰান্ত হৈ কক্‌বকোৱা মানুহে পালতৰা নাও এখন দেখিবলৈ পালে ব্যগ্ৰ [illegible]হাৱাদি ব্যগ্ৰ হ'ল। তাই পেৰিছ মহানগৰৰ মেপ এখন কিনি সেই খনকে চাই থাকিবলৈ ল'লে, ঘৰুৱা কাম-বনৰ প্ৰতি তাইৰ মনত অনীহা জন্মিল।

ইতিমধ্যে বভাৰি-দম্পতি নৰ্মাণ্ডিৰ পৰা গৈ কয় নগৰৰ ওচৰৰ [illegible]ভল নামৰ ডাঙৰ গাঁও এখনত থাকিবলৈ ল'লে। তাতেই এমাৰ সৈতে পা[illegible]য় হ'ল লিয়ঁ নামৰ এজন ডেকাৰ। লিয়ঁই এজন উকিলৰ কেৰাণী হিচাপে কাম কৰিছিল আৰু তেওঁ আছিল ৰোমাণ্টিক ধৰণ-কৰণৰ। এমাৰ সৈতে [illegible]ৰ স্বভাৱৰ মিল আছিল। দুয়ো ঘূৰি ফুৰিবলৈ ভাল পাইছিল। এবাৰ লিয়ঁ কিছুদিনমানৰ কাৰণে আইন পৰীক্ষা দিবলৈ পেৰিছলৈ যোৱাত এমাই নি[illegible]গ অনুভৱ কৰিলে। এমাৰ বয়স তেতিয়া ত্ৰিশ বছৰ আৰু ইতিমধ্যে তাই এটি কন্যা সন্তানৰ মাতৃ। তথাপি তাইৰ মনৰ পৰা ৰোমাণ্টিক উচ্ছ্বাস অন্তৰ্হিত হোৱা নাছিল। এনে সময়তে এমাৰ জীৱনত আৱিৰ্ভূত হ'ল মঁচিয়ে ৰডলফ

বুলেগাঁৰ নামৰ এজন সচ্ছল ক্ষুদ্ৰ জমিদাৰৰ। নাৰী সম্পৰ্কে বহু অভিজ্ঞতা থকা ৰডল্‌ফে এমাক সহজ চিকাৰ হিচাপে গণ্য কৰি তাইৰ লগত হলিগলি আৰম্ভ কৰিলে। এমাই ভাবিলে যে অৱশেষত তাই এজন প্ৰেমিক লাভ কৰিলে। সি তাইৰ সৈতে কামনাৰ তৃপ্তি লাভ কৰাৰ পিছত তাইক ভেনিছলৈ নিয়াৰ প্ৰলোভন দেখুৱাই এদিন নাইকিয়া হ'ল। এমা অসুস্থ হৈ পৰিল। অৱশ্যে ক্ৰমাৎ তাই পুনৰ স্বাভাৱিক অৱস্থালৈ আহিল। তাই ধৰ্মৰ প্ৰতি মন দিলে।

কিন্তু তাইৰ পুনৰ মানসিক পৰিবৰ্তন আহিল। লিয়ঁই পেৰিছৰ পৰা পুনৰ ৰুয়ঁলৈ আহি ওকালতি আৰম্ভ কৰিলে। পুনৰ এমাৰ লগত সি সম্বন্ধ স্থাপন কৰিলে আৰু এদিন ভ্ৰমণ কৰোঁতে ঘোঁৰা-বাগীৰ ভিতৰতে এমাৰ সৈতে সংগম কৰিলে। ইয়াৰ পিছৰ পৰা এমাই সংগীত শিকাৰ অছিলা লৈ সপ্তাহত এবাৰকৈ ৰুয়ঁলৈ যোৱা অনুমতি সহজ গিৰিয়েকৰ পৰা ল'লে। ৰুয়ঁলৈ গৈ লিয়ঁৰ সৈতে হোটেলত ৰাতি কটাই থিয়েটাৰ আদি চাবলৈ ধৰিলে। তাই গিৰিয়েকৰ পৰা 'পাৱাৰ অব এটৰ্নি'লৈ গিৰিয়েকৰ সা-সম্পত্তিৰ ওপৰত অধিকাৰ স্থাপন কৰি লৈ নিজৰ ইচ্ছামতে সাজ-পোছাক আদি ল'ব ধৰিলে আৰু দুহাতেৰে টকা খৰচ কৰাত লাগিল। ইতিমধ্যে লেউৰ নামৰ এজন দুশ্চৰিত্ৰ ব্যৱসায়ীৰ সৈতে এমাৰ পৰিচয় হ'ল। লেউৰে তাইক মুক্তহস্তে ঋণ দিলে আৰু লগে লগে তাইৰ সৈতে যৌন সম্পৰ্কও স্থাপন কৰিলে। কিন্তু লাহে লাহে এনে জীৱনৰ প্ৰতি এমাৰ বিতৃষ্ণা জন্মিল। ঋণো যথেষ্ট হ'ল। দুশ্চৰিত্ৰ লেউৰে ঋণৰ টকা দাবী কৰি এমাৰ ওপৰত জাননী জাৰি কৰালে। তাই লেউৰক জনোৱা ঋণ-মুকুবৰ সকলো অনুৰোধ সি প্ৰত্যাখ্যান কৰিলে। এমাই স্থানীয় উকিল এজনৰ ওচৰ চাপি আঠ হেজাৰ ফ্ৰাঁ (ফৰাচী দেশৰ মুদ্ৰা) ধাৰলৈ খুজিলে। উকিলজনে তাইৰ সৈতে প্ৰেম কৰিব খোজাত তাই মান্তি নহ'ল। ৰডল্‌ফৰ ওচৰলৈও তাই টকা বিচাৰি গ'ল। কিন্তু সকলোৱে তাইক বিমুখ কৰাত অৱশেষত তাই আৰ্ছেনিক বিষ খাই আত্মহত্যা কৰিলে।

'মেডাম বভাৰি' সম্পৰ্কে এচাম সমালোচকৰ মতামত হ'ল এয়ে যে, ফ্লবেয়াৰে ইয়াত অতিৰিক্ত চিনিচিজম (বিশ্বনিন্দাবাদ) আৰু বুৰ্জোৱাসকলৰ প্ৰতি অনাৱশ্যকীয় ঘৃণা প্ৰকাশ কৰিছে। তেওঁলোকৰ মতে এমাই নিজৰ ইচ্ছামতে আত্মসমৰ্পণ নকৰাহেঁতেন ৰডল্‌ফ আৰু লিয়ঁই তাইৰ সৈতে ব্যাভিচাৰত লিপ্ত হোৱাৰ সুযোগ নাপালেহেঁতেন। আনহাতে আন এচাম সমালোচকৰ মতে

উপন্যাসখন জীৱনৰ এটা অংশৰ প্ৰতিচ্ছবি। অতিৰিক্ত ৰোমাণ্টিক বিকাৰে মানুহক উচ্চাকাংক্ষী কৰি তোলে আৰু বৰ্তমান জীৱনৰ অস্তিত্ব অস্বীকাৰ কৰি আন ঠাইত জীৱনৰ অস্তিত্ব বিচাৰিবলৈ উদ্বুদ্ধ কৰে; চকুৰে নেদেখা দূৰদূৰণিত সুখৰ সন্ধান কৰিবলৈ মানুহক প্ৰৰোচিত কৰে। 'মেডাম বভাৰি' উপন্যাস এই ৰোমাণ্টিক বিকাৰৰ এক ৰূপক।

নিৰ্মম সংসাৰ এখনৰ মাজত অসহায়া এজনী নাৰীৰ যি বিকল অৱস্থা, তাৰ চিত্ৰণত অনন্য এই উপন্যাস এক অমৰ সৃষ্টি।

০ ০ ০ ০

এমিলি ব্ৰণ্টিৰ ৱাদাৰিং হাইটছ

(৪৩)

ইংৰাজী উপন্যাস-সাহিত্যৰ বিশাল পৰিধিৰ মাজত এমিলি ব্ৰণ্টিৰ 'ৱাদাৰিং হাইটছ' উপন্যাসে ইয়াৰ আচহুৱা ধৰণৰ বিষয়বস্তু আৰু লিখনভংগীৰ কাৰণে এক বিশিষ্ট স্থান অধিকাৰ কৰি আছে। চাৰ্লট ব্ৰণ্টিৰ ভনীয়েক এমিলি ব্ৰণ্টিৰ এই উপন্যাস প্ৰকাশ পায় ১৮৪৭ চনৰ শেষৰ ফালে আৰু ইয়াৰ এবছৰ পিছত ঔপন্যাসিকাৰ মৃত্যু হয়।

ৱাদাৰিং হাইট্‌ছৰ পাণ্ডুলিপি পঢ়াৰ পিছৰ অভিজ্ঞতা বৰ্ণনা কৰি চাৰ্লট ব্ৰণ্টিয়ে লেখিছিল যে প্ৰকৃতিৰ নিষ্ঠুৰ আৰু অপ্ৰতিৰোধ্য প্ৰভাৱ অনুভৱ কৰি তেওঁৰ কঁপনি উঠিছিল, কিছুমান ভয়াবহ দৃশ্যৰ স্মৃতিয়ে তেওঁৰ ৰাতিৰ টোপনি আৰু দিনৰ মানসিক শান্তিত ব্যাঘাত জন্মাইছিল। 'বিশাল অন্ধকাৰৰ ভীতি-উদ্ৰেককাৰী' এক পৰিৱেশ কিতাপখনত বিয়পি আছে বুলিও তেওঁ কৈছিল। বহু সাহিত্য-সমালোচকে এমিলি ব্ৰণ্টিৰ মনৰ গভীৰত প্ৰৱেশৰ চেষ্টা কৰিছে। এনেকুৱা এখন উপন্যাস তেওঁ কিদৰে লেখিব পাৰিছিল সেই কথা ভাবি তেওঁলোক বিস্ময়াভিভূত হৈছে। তেওঁৰ সাহিত্যিকৰ কলা নৈপুণ্যৰ বিষয়েও যথেষ্ট আলোচনা কৰা হৈছে। কাহিনীটো আৰম্ভ হৈছে প্ৰায় শেষৰ ফালৰ পৰা আৰু কাহিনীৰ সময়ে সামৰিছে প্ৰায় ত্ৰিশবছৰ। প্ৰথম পুৰুষত বৰ্ণনা কৰা কাহিনীটো কালৰ বৃত্তৰ মাজত এবাৰ আ· ·লৈ গৈছে, এবাৰ পিছলৈ গৈছে। কাহিনীৰ আঁত ধৰি আগবঢ়াত মাজে মাজে ·ৰৈৰ খোকোজা লাগে। উপন্যাসত নায়িকা দুজনী— মাক আৰু জীয়েক এক দুয়োজনীৰে নাম কেথেৰিন। ইও পঢ়ুৱৈৰ মনত খেলিমেলি লগায়। কাহিনীৰ মাজত সমন্বয় আনিছে এটা পুৰুষ চৰিত্ৰই। মানুহৰ ৰূপত ছয়তানৰ মূৰ্তিমান প্ৰকাশ হৈছে এই চৰিত্ৰত। চৰিত্ৰটোৰ নাম হিথ্‌ক্লিফ।

উপন্যাসখন আৰম্ভ হৈছে এটা তাৰিখেৰে: ১৮০১ চন। প্ৰথম বৰ্ণনাকাৰী লকউদ্ নামৰ এজন ডেকা। সি মাত্ৰ কিছুদিন আগতে পশ্চিম ইয়ৰ্কশ্বায়াৰৰ খালবিলেৰে ভৰা পথাৰ এখনৰ ওচৰত থকা 'থ্ৰাছ ক্ৰছ গেঞ্জ' নামৰ ঘৰ

এটা ভাবালৈ নৈছিল। এদিনাখন ৰাতিপুৱা সি পথাৰৰ মাজেৰে খোজ কাঢ়ি তাৰ ঘৰৰ মালিক হিথ্‌ক্লিফক লগ ধৰিবলৈ গৈছিল। থ্ৰাছক্ৰছ গ্ৰেঞ্জৰ পৰা চাৰিমাইল আঁতৰত হিথ্‌ক্লিফৰ ঘৰ। ঘৰটোৰ নাম 'ৱাদাৰিং হাইট্‌ছ'। ঘৰটোৰ ওচৰে-পাঁজৰে ফাৰ গছেৰে ভৰা বন-জংঘল-তাত অনবৰত সোঁ-সোঁৱাই বতাহ বলি থাকে। কিন্তু 'ৱাদাৰিং হাইট্‌ছ' পাথৰেৰে নিৰ্মিত কাৰণে বতাহে তাৰ একো ক্ষতি কৰিব পৰা নাই। লকউদে হিথ্‌ক্লিফৰ বিৱৰণ দিছে এইদৰে: 'তেওঁৰ গাৰ ৰং বাদামী বৰণৰ— জিপ্‌ছীৰ দৰে, পোছাক আৰু ব্যৱহাৰ ভদ্ৰলোকৰ দৰে; অৱশ্যে গাঁৱলীয়া ক্ষুদ্ৰ জমিদাৰসুলভ অমনোযোগিতা পোছাক পৰিচ্ছদত আছে। তেওঁৰ শৰীৰ পোন আৰু সৌষ্ঠৱপূৰ্ণ, কিন্তু তেওঁ গোমোঠা।'

পিছদিনাও লকউদ গৈছে ৱাদাৰিং হাইট্‌ছলৈ। সেইদিনা সি উপলব্ধি কৰিছে যে হিথ্‌ক্লিফৰ চৰিত্ৰত এনে কিছু জটিলতা আছে যিখিনি পৰ্যৱেক্ষণযোগ্য। সি তাত এজন ডেকা আৰু এজনী গাভৰুকো দেখিলে। সিহঁত হিথ্‌ক্লিফৰ লগতে থাকে। ইহঁত কোন সেইকথা জানিবলৈ উপন্যাসৰ চতুৰ্থ অধ্যায়লৈ যাব লাগিব। এই অধ্যায়টো বৰ্ণনা কৰিছে মিছেছ নেলী ডিন্ নামৰ এজনী তিৰোতাই।

চতুৰ্থ অধ্যায়ৰ আৰম্ভণিৰ সময়ত নেলী তেৰ-চৈধ্য বছৰ বয়সীয়া ছোৱালী। তাই সৰুৰ পৰা আৰ্নশ্ব' পৰিয়ালৰ ঘৰ ৱাদাৰিং হাইট্‌ছতে আছিল। তাইৰ মাকে হিন্দ্‌লি আৰ্নশ্বৰ আলপৈচান ধৰিছিল আৰু তায়ো পৰিয়ালৰ ল'ৰা-ছোৱালীৰ সৈতে ধেমালি-ধুমুলা কৰিছিল, ইটো-সিটো সৰু সুৰা কামো কৰিছিল। এদিনাখন বুঢ়া আৰ্নশ্বই ১৪ বছৰ বয়সীয়া পুতেক হিন্দ্‌লি আৰু ৬ বছৰ বয়সীয়া জীয়েক কেথেৰিনক ক'লে যে তেওঁ লিভাৰপুললৈ কিবা এটা কামৰ বাবে যাবলৈ ওলাইছে। তিনিদিন পিছত তেওঁ উভতি আহিল— লগত লৈ আহিল এটা জধলা ধৰণৰ ল'ৰা। মিছেছ আৰ্নশ্বই এনেকুৱা এটা ল'ৰা অনাৰ বাবে গিৰিয়েকক খং কৰিলে। মি: আৰ্নশ্বই ক'লে যে ল'ৰাটোক তেওঁ লিভাৰপুলৰ ৰাস্তাত নেথাই নবৈ ঘূৰি ফুৰা অৱস্থাত পাই আনিছে। ল'ৰাটোৰ নাম তেওঁলোকে থ'লে হিথ্‌ক্লিফ। ১৭৭১ চনৰ পৰা হিথ্‌ক্লিফ আৰ্নশ্ব পৰিয়ালৰ অন্তৰ্ভুক্ত হ'ল।

যি সময়ত হিথ্‌ক্লিফক বুঢ়া আৰ্নশ্বই ৱাদাৰিং হাইটছলৈ আনিছিল,

সেইসময়ত তাৰ বয়স আছিল ছয় বা সাত বছৰ। যদিও সি মন-মৰা স্বভাৱৰ আছিল, তথাপি তাৰ শাৰীৰিক উন্নতি হৈছিল অভাৱনীয় ধৰণে। কুৰি বছৰ নৌহওঁতেই তাক পূৰ্ণ বয়স্ক মানুহৰ দৰে দেখা গৈছিল। হিন্দ্‌লিয়ে তাক দেখিব নোৱাৰিছিল আৰু প্ৰায়ে তাৰ সৈতে মৰামৰি কৰিছিল। কিন্তু কেথেৰিনে তাক মৰম কৰিছিল আৰু দুয়োৰে মাজত মিলাপ্ৰীতি গঢ়ি উঠিছিল।

যদি বুঢ়া আৰ্নশ্ব জীয়াই থাকিলহেঁতেন তেন্তে হয়তো কেথেৰিন আৰু হিথ্‌ক্লিফৰ বিয়া হ'লহেঁতেন, কিন্তু হিথ্‌ক্লিফক অনাৰ দুবছৰৰ পিছতে এদিনাখন অক্টোবৰ মাহত বুঢ়াৰ মৃত্যু হ'ল। হিথ্‌ক্লিফৰ বয়স ষোল বছৰমান হোৱাত সি পঢ়া-শুনা এৰি খেতিৰ কামত বেছিকৈ লাগিল। সি অসামাজিক আৰু কঠোৰ প্ৰকৃতিৰ হৈ উঠিল। তথাপি কেথেৰিনৰ হৃদয়ত তাৰ প্ৰতি ভাল্‌পোৱাৰ ভাব আছিল। কিন্তু ডাঙৰ হোৱাত তাই হিথ্‌ক্লিফক বিয়া কৰোৱাৰ চিন্তা বাদ দিলে, কাৰণ তাক বিয়া কৰোৱাৰ অৰ্থ হ'ব নিজৰ মৰ্যাদা ক্ষুণ্ণ কৰা। থ্ৰাছক্ৰৰ্ছ গ্ৰেঞ্জ গাঁৱৰ এডগাৰ্ড লিন্‌টন্‌ৰ সৈতে কেথেৰিনৰ বিয়াৰ বন্দোবস্ত হ'ল। এড্‌গাৰ দেখনিয়াৰ, প্ৰফুল্লমনা আৰু ধনী। সি বিয়াৰ প্ৰস্তাৱ দিয়াত তাৰ মাক-বাপেকেও আপত্তি নকৰিলে। কেথেৰিনে এদিন নেলীক ক'লে যে তাই যদি হিথ্‌ক্লিফক বিয়া কৰালেহেঁতেন, তেন্তে সিহঁত ভিখাৰী হ'বলগাত পৰিলেহেঁতেন; কাৰণ হিথ্‌ক্লিফৰ নিজৰ বুলিবলৈ একো নাই; এডগাৰক বিয়া কৰাই তাই হিথ্‌ক্লিফক টকা-পইচাৰে সহায় কৰিব যাতে সি তাইৰ ভায়েক হিন্দলিৰ অধীনতাৰ পৰা মুক্ত হ'ব পাৰে।

নেলী আৰু কেথৰিনে পতা কথাবোৰ হিথ্‌ক্লিফে সিহঁতৰ অজ্ঞাতসাৰে শুনি আছিল। কিন্তু সি কেথেৰিনৰ শেষৰ বাক্যটো শুনাৰ আগতে আঁতৰি গৈছিল। সেইদিনা ৰাতিয়েই সি খং আৰু বিৰক্তিত ৱাদাৰিং হাইটছ এৰি কৰবালৈ গুচি গ'ল। সি অন্তৰ্দ্ধান হোৱাত কেথেৰিনৰ বেয়া লাগিছিল। ১৭৮৩ চনৰ বসন্ত কালত কেথেৰিন আৰু এড্‌গাৰ লিন্‌টন্‌ৰ বিবাহ সম্পন্ন হ'ল। কেইবছৰমান পিছত চেপ্তেম্বৰৰ এদিন গধূলি হিথ্‌ক্লিফ ঘূৰি আহিল। ইতিমধ্যে সি ওখ পাখ আৰু বলিষ্ঠ হৈ উঠিছে। তাৰ ব্যৱহাৰ আদিও আগতকৈ ভালেখিনি মাৰ্জিত হৈছে।

হিথ্‌ক্লিফৰ অনুপস্থিতিৰ সময়ছোৱাত হিন্দলি আৰ্নশ্বৰো বিয়া হৈ গৈছিল;

কিন্তু হেয়াৰটন নামৰ ল'ৰা এটা এৰি মাত্র ঘৈণীয়েক মৰিছিল। হিন্দলিৰ আৰ্থিক অৱস্থাৰো অৱনতি ঘটিছিল আৰু সি অতিপাত মদ খাবলৈ লৈছিল। হিথ্‌ক্লিফে ৱাদাৰিংহাইটছলৈ উভতি অহাৰ দিনা থ্ৰাছক্ৰছ গ্ৰেঞ্জত কেথেৰিনহঁতৰ ঘৰত সোমাই আহিছিল। সি ঘূৰি অহাত কেথেৰিনে আনন্দ পাইছিল। কিন্তু গিৰিয়েক এড্‌গাৰৰ মনত হিথ্‌ক্লিফ সম্পৰ্কে কিছু সন্দেহ জাগিছিল। সেইসময়ত কেথেৰিন গৰ্ভৱতী আছিল কাৰণে সি তাইৰ সন্দেহৰ কথা তাইক নকলে। কিছুদিনৰ পাছত এড্‌গাৰে গম পালে যে তাৰ ঊনৈশ বছৰ বয়সীয়া ভনীয়েক ইজাবেল হিথ্‌ক্লিফৰ সৈতে গভীৰ প্ৰেমত পৰিছে। কেইসপ্তাহমানৰ ভিতৰতে ইজাবেল হিথ্‌ক্লিফৰ সৈতে পলাল। হিথ্‌ক্লিফে ইজাবেলক পলুৱাই নিয়াৰ অন্তৰালত এটা উদ্দেশ্য আছিল। সেয়া হ'ল এয়ে যে, যদি কেথেৰিনৰ ল'ৰা জন্ম নহয়, তেন্তে ককায়েক এড্‌গাৰৰ সম্পত্তিৰ উত্তৰাধিকাৰী হ'ব ইজাবেল। হিথ্‌ক্লিফে কিন্তু ইজাবেলৰ সৈতে ভাল ব্যৱহাৰ কৰা নাছিল। সিহঁত ৱাদাৰিং হাইটছলৈ ঘূৰি আহিল। হিথ্‌ক্লিফে শীঘ্ৰেই কেথেৰিনক লগ ধৰি কলে যে প্ৰকৃততে সি তাইকহে ভাল পায় আৰু তাইৰ সৈতে সম্পৰ্ক স্থাপন কৰিবলৈহে এডগাৰৰ ভনীয়েকক বিয়া কৰাইছে।

কিছুদিন পিছত হিথ্‌ক্লিফে শুনিলে যে কেথেৰিনৰ অসুখ হৈছে। এদিন এড্‌গাৰ গীৰ্জালৈ যোৱাৰ সময়ত সি থ্ৰাছক্ৰছ গ্ৰেঞ্জলৈ গৈ কেথেৰিনক লগ ধৰিলে। সেইদিনাই ৰাতি বাৰ বজাত কেথেৰিনৰ এজনী ছোৱালী জন্ম হ'ল আৰু ইয়াৰ দুঘণ্টা পিছত কেথেৰিনৰ মৃত্যু হ'ল।

'ৱাদাৰিং হাইটছ'ৰ ১৮ অধ্যায়ৰ পৰা ৩০ অধ্যায়লৈকে দ্বিতীয় খণ্ড আখ্যা দিব পাৰি। এই খণ্ডত বৰ্ণনা কৰিছে নেলি ডীনে আৰু ইয়াৰ বিষয় বস্তু মৃতা কেথেৰিনৰ কন্যা দ্বিতীয় কেথেৰিনৰ সৈতে সংযুক্ত। দ্বিতীয় কেথেৰিনৰ বয়স সোতৰ বছৰ হোৱাত হিথ্‌ক্লিফে নিজৰ ল'ৰা লিন্‌টন্‌ৰ সৈতে বিয়া পাতিলে। হিথ্‌ক্লিফৰ এনেকুৱা কাৰ্যত মৰ্মাহত হৈ কেথেৰিনৰ বাপেক এডগাৰৰ মৃত্যু হ'ল। কিছুদিন পিছত হিথ্‌ক্লিফৰ পুতেকো মৰিল। হিথ্‌ক্লিফ এতিয়া থ্ৰাছক্ৰছ গ্ৰেঞ্জ আৰু ৱাদাৰিং হাইটছ উভয়ৰে অবিসম্বাদী গৰাকী হ'ল। ৱাদাৰিং হাইটছত সি মৃত হিন্দলি আৰ্নশ্বৰ পুতেক হেয়াৰটন আৰ্নশ্ব আৰু দ্বিতীয় কেথেৰিনৰ সৈতে থাকিবলৈ ল'লে। হেয়াৰটনৰ বয়স তেতিয়া প্ৰায়

কুৰি বছৰ। এইযোৰ ডেকা গাভৰুকে লকউদে ৱাদাৰিং হাইটছত লগ পাইছিল।

কাহিনীৰ আঁত বিচাৰি পাঠক এতিয়া যাব লাগিব তৃতীয় অধ্যায়লৈ। লকউদে এদিন ৰাতি ৱাদাৰিং হাইটছত কটোৱাৰ সময়ত এটা সপোন দেখিলে: কোনোবাই যেন খিৰিকিত টুকুৰিয়াইছে আৰু খিৰিকিৰ ভগা কাঁচৰ মাজেৰে লিকলিকীয়া হাত এখন সুমুৱাই দি উচুপি উচুপি কৈছে, 'মোক ভিতৰলৈ যাবলৈ দিয়া! ভিতৰলৈ যাবলৈ দিয়া?' লকউদে সুধিলে, 'তুমি কোন?' মূৰ্তিটোৱে ক'লে, 'মই কেথেৰিন লিন্টন, মই ঘৰলৈ আহিছো। পথাৰত মই বাট হেৰুৱাইছিলো!' লকউদে চিঞৰি উঠিল, আৰু লগে লগে টোপনিৰ পৰা সাৰ পালে। হিথক্লিফ লকউদৰ কোঠালীলৈ দৌৰি আহিল। সপোনৰ কথা শুনি সি আঁঠু কাঢ়ি বহি প্ৰাৰ্থনা কৰিলে, 'কেথেৰিন, ঘূৰি আহা, এবাৰ মাথো ঘূৰি আহা!'

এই ঘটনাৰ এবছৰ পিছত লকউদ পুনৰ ৱাদাৰিং হাইটছলৈ এবাৰ আহিছিল। সেই সময়ত হেয়াৰটন আৰু কেথেৰিন তাত আছিল। নেলিডিনো আছিল। নেলিয়ে ক'লে যে কেইমাহমান আগতে হিথ্‌ক্লিফৰ মৃত্যু হৈছে। মৃত্যুৰ কিছুদিন আগৰ পৰা সি যেন কিবা এক অশৰীৰী বস্তুৰ দ্বাৰা আক্ৰান্ত হৈছিল, খোৱা-পিয়াৰ প্ৰতি স্পৃহা নোহোৱা হৈছিল। ডাক্তৰৰ দ্বাৰা পৰীক্ষা কৰোঁৱাত কোনো বেমাৰ ধৰা নপৰিল। এদিন ৰাতি বিছনাত শুই থকা অৱস্থাত তাৰ মৃত্যু হয়। প্ৰথম কেথেৰিনৰ কবৰৰ ওচৰত হিথ্‌ক্লিফক কবৰ দিয়া হৈছিল— হিথ্‌ক্লিফৰ পূৰ্বৰ নিৰ্দেশ মতেই।

হিথক্লিফৰ মৃত্যুৰ পিছত গাঁৱত নানা ধৰণৰ গুজৱৰ সৃষ্টি হৈছিল। বহু গাঁৱলীয়া মানুহে হেনো ৰাতি কবৰস্থলীৰ ওচৰেৰে যাওঁতে এজন পুৰুষ আৰু নাৰীৰ ছায়ামূৰ্তি দেখিবলৈ পাইছিল। ছায়ামূৰ্তি দুটা দেখিবলৈ হেনো হিথক্লিফ আৰু প্ৰথম কেথেৰিনৰ দৰে আছিল। হেয়াৰটন আৰু দ্বিতীয় কেথেৰিনৰ পবিত্ৰ প্ৰেমে অভিশপ্ত ৱাদাৰিং হাইটছক পুনৰ শুচি কৰি তুলিব বুলি লকউদৰ মনত বিশ্বাস জন্মিছিল।

নেথেনিয়েন হথৰ্নৰ দি স্কাৰলেট লেটাৰ

(৪৪)

মার্কিন যুক্তৰাষ্ট্ৰৰ মাছাচুছেটৰ ছালেমত ১৮০৪ চনত নেথেনিয়েল হথৰ্নৰ জন্ম হয়। জন্মৰ পৰা তেওঁ আছিল অন্তৰ্মুখী স্বভাৱৰ। ষোল্ল বছৰ বয়সত তেওঁ 'নিৰ্জনতা' (Solitude) শীর্ষক এখন ৰচনা প্রকাশ কৰিছিল। তেওঁ প্ৰায়েই তেওঁৰ কোঠালীত অকলশৰে সোমাই নিজৰ চিন্তাধাৰা লিপিবদ্ধ কৰা কামত ব্যস্ত আছিল। কলেজত তেওঁৰ সহপাঠী আছিল কবি লংফেলো আৰু ফ্রেংকলিন পিযার্চ। ফ্রেংকলিন পিযার্চ পিছত আমেৰিকা যুক্তৰাজ্যৰ ৰাষ্ট্ৰপতি হৈছিল আৰু হথৰ্নৰ সৈতে তেওঁৰ বন্ধুত্ব তেতিয়াও অটুট আছিল।

১৮৪২ চনত বিয়াৰ পিছত হথৰ্নে আগগুৰি নোহোৱা চিন্তাবোৰ এৰি প্রকৃত সাহিত্য সৃষ্টিৰ প্রতি মনোনিবেশ কৰে। তেওঁ বোষ্টনৰ শুল্ক-বিভাগত এটা কামত সোমাল আৰু আজৰি সময়ত ল'ৰা-ছোৱালীৰ উপযোগী সাধু লেখিবলৈ ল'লে। শুল্ক-বিভাগৰ জৰীপকাৰক হিচাপে কেইটামান বছৰ কাম কৰাৰ পিছত ৰাজনৈতিক কাৰণত কামৰ পৰা বৰ্খাস্ত হোৱাত হথৰ্নে 'দি স্কাৰলেট লেটাৰ' (ৰক্তাক্ষৰ) লেখিবলৈ আৰম্ভ কৰে। ১৮৫০ চনত এই উপন্যাস প্রকাশ হোৱাত সাহিত্যিক হিছাপে তেওঁ বহুল স্বীকৃতি লাভ কৰে। ১৮৫১, ১৮৫২ আৰু ১৮৫৩ চনত তেওঁৰ আন তিনিখন উপন্যাস প্রকাশিত হয়।

ৰাষ্ট্ৰপতি হোৱাৰ পিছত ফ্রেংকলিন পিয়ার্চে তেওঁক ইংলেণ্ডৰ লিভাৰপুলত মার্কিন যুক্তৰাজ্যৰ বাণিজ্য উপদেষ্টা হিছাপে নিযুক্তি দিয়ে। ১৮৬০ চনত তেওঁ পুনৰ দেশলৈ উভতি আহে। ষাঠি বছৰ বয়সত তেওঁৰ মৃত্যু হয়। হথৰ্নৰ অন্যান্য উপন্যাসবোৰৰ বিষয়ে আজি কাৰো কৌতূহল নাই; কিন্তু তেওঁৰ 'স্কাৰলেট লেটাৰ' আজিও জনপ্রিয়।

'স্কাৰলেট লেটাৰ'ৰ নায়িকা হেষ্টাৰ প্ৰাইন। আৰম্ভণিতেই হেষ্টাৰক জেলখানাৰ পৰা শাস্তি দিয়া ঠাইলৈ লৈ অহা হৈছে। তাই বুকুত সাৱটি লৈ আছে তাইৰ অবৈধ কেঁচুৱা সন্তানটোক আৰু তাইৰ চোলাত ৰঙা সূতাৰে

এম্ব্ৰইডাৰী কৰা আছে ইংৰাজী 'এ' [A] আখৰটো যাৰ অৰ্থ হ'ল ['Adulteress'] অৰ্থাৎ ব্যাভিচাৰিণী। হেষ্টন ওখপাখ, দৈহিক সৌন্দৰ্যসম্পন্না, লাৱণ্যময়ী। তথাপি তাইক তাইৰ অপৰাধৰ বাবে ৰাজহুৱাভাৱে প্ৰদৰ্শন কৰা হৈছে। দৃশ্যটো কট্‌কটীয়া পিউৰিটান শাসনাধিষ্ঠিত বোষ্টনৰ।

দুবছৰ আগতে তাইক তাইৰ বয়সস্থ স্বামীয়ে ইংলেণ্ডৰ পৰা আমেৰিকালৈ পঠাইছিল। তাই বোষ্টনত থাকিবলৈ লোৱাৰ কিছুদিন পিছত গৰ্ভৱতী হ'ল আৰু যথাসময়ত এটি সন্তানৰ জন্ম দিলে। স্বামী লগত নথকাকৈ এই ঘটনা ঘটাত ওচৰ-চুবুৰীয়াসকলে সন্তানৰ বাপেকৰ নাম ক'বলৈ তাইক অনুৰোধ কৰা সত্বেও নোকোৱাত তাইক ৰাজহুৱাভাৱে ধিক্কাৰ দিবলৈ জেলৰ পৰা মুকলি ঠাইলৈ অনা হ'ল।

সেইদিনা তাত হোৱা জন-সমাবেশত দুজন বিশেষ পুৰুষো উপস্থিত আছিল। এজন নাৰী আৰু দুজন পুৰুষক লৈ সৃষ্টি হোৱা চিৰন্তন ত্ৰিভুজৰ এজন পুৰুষ হ'ল অলপতে ইংলেণ্ডৰ পৰা আহি বোষ্টনত উপস্থিত হোৱা হেষ্টাৰৰ স্বামী ৰোজাৰ চিলিংৱৰ্থ আৰু আনজন হ'ল হেষ্টাৰৰ প্ৰতাৰক প্ৰেমিক কেলভিনপন্থী পাদ্ৰী ৰেভাৰেণ্ড আৰ্থাৰ ডিমছডেল। ৰোজাৰ থিয় হৈ আছিল জনসমাবেশৰ মাজত আৰু আৰ্থাৰ আছিল গীৰ্জাৰ ওপৰ মহলাৰ বাৰাণ্ডাত। আৰ্থাৰৰ পিছফালে থিয় হৈ আছিল গীৰ্জাৰ জ্যেষ্ঠ পাদ্ৰীজন।

উপন্যাসৰ আৰম্ভণিখিনিলৈ চাই পঢ়ুৱৈৰ ধাৰণা হ'ব পাৰে যে এজন অক্ষম স্বামীক যৌৱনৱতী স্ত্ৰীয়ে প্ৰতাৰিত কৰা আৰু শেষত সেই দুষ্টা স্ত্ৰী অসৎ প্ৰেমিকৰ দ্বাৰা প্ৰতাৰিত হোৱাৰ এটা তুচ্ছ কাহিনী 'স্কাৰলেট লেটাৰ'ত বৰ্ণনা কৰা হৈছে। কিন্তু কাহিনীৰ অগ্ৰগতিৰ লগে লগে পঢ়ুৱৈয়ে উপলব্ধি কৰে যে দেশ-কালৰ সীমাৰ উৰ্দ্ধত বিৰাজমান মানবীয় চৰিত্ৰৰ শক্তি আৰু দুৰ্বলতাৰ ই এক গভীৰ অধ্যয়নমূলক কাহিনী।

উপন্যাসখনৰ পটভূমিও প্ৰতীকী। এফালে তেতিয়াও বহুলাংশে অনাৱিষ্কৃত হাবি-জংঘলেৰে ভৰা আমেৰিকা, আনফালে বিশাল আটলাণ্টিক মহাসাগৰ- মাজত ইংলেণ্ডৰ পৰা আহি উপনিৱেশ পতা কিছুমান মানুহ। নতুন পৰিবেশ, নতুন ধ্যান-ধাৰণা। এনে সীমাবদ্ধ পটভূমিত তিনিটা চৰিত্ৰৰ জৰিয়তে ঔপন্যাসিকে মানুহৰ চৰিত্ৰৰ সীমাবদ্ধতা, দোষত্ৰুটি আদি বিশ্লেষণ

কৰিছে। পঢ়ুৱৈয়ে উপলব্ধি কৰে যে পিউৰিটান ধৰ্মৰ ৰক্ষণশীল সংকীৰ্ণতাৰ মাজত নিজৰ ব্যক্তিত্বৰ বিকাশৰ সীমাবদ্ধতাই চৰিত্ৰ তিনিটাক ঘূৰাই পকাই ফুৰাইছে। হেষ্টাৰৰ নীৰৱতা অৱলম্বন কৰাৰ দৃঢ়তা আৰু জীৱনৰ এটা পাপৰ প্ৰায়শ্চিত্তৰ বাবে জীৱন জুৰি নিজে আঁকোৱালি লোৱা পৰোপকাৰৰ পন্থা, বয়োবৃদ্ধ স্বামী ৰোজাৰৰ স্ত্ৰীৰ প্ৰেমিকা আৰ্থাৰৰ ওপৰত প্ৰতিশোধ লোৱাৰ স্পৃহা আৰু নিজৰ গোপন পাপবোধৰ তাড়নাত আৰ্থাৰ ডিমছডেলৰ অনুতাপ— ইয়াৰ জৰিয়তে ঔপন্যাসিকে মানৱ চৰিত্ৰৰ ৰহস্য প্ৰকাশ কৰিছে। সৎ আৰু অসতৰ দ্বন্দ্ব, মনোবৈজ্ঞানিক পৰ্যবেক্ষণ আৰু আধ্যাত্মিক দৃষ্টিভংগী উপন্যাসখনৰ মূল বৈশিষ্ট্য। চৰিত্ৰসমূহে যিদৰে নিজে নিজৰ বাবে কেতবোৰ সমস্যা সৃষ্টি কৰিছে সেইদৰে নিজেই সমস্যাবোৰৰ সমাধানৰ পথত আগবাঢ়িছে। হৰ্থনে তেওঁৰ কলা-নৈপুণ্যেৰে পঢ়ুৱৈৰ কৌতূহল শেষলৈকে অব্যাহত ৰাখিবলৈ সক্ষম হৈছে।

হেষ্টাৰে জেলৰ পৰা মুক্তি পোৱাৰ পিছত তাইৰ প্ৰেমিকাৰ পৰিচয় গিৰিয়েকক দিবলৈ দৃঢ়ভাবে অস্বীকাৰ কৰিলে। চিলিংৱৰ্থে সকলো গোপনে ৰাখিবলৈ তাইক শপত খুৱাই থৈছিল। সি ভাবিছিল যে হেষ্টাৰৰ গিৰিয়েক তেতিয়াও ইংলেণ্ডতে আছে।

হেষ্টাৰ নিজৰ স্বাধীনতা ৰক্ষাত দৃঢ়মনা। তাই গাঁৱৰ এমূৰে এটা পঁজাঘৰত থাকিবলৈ ল'লে আৰু বেজীসূতাৰ (চিলোৱাৰ) কাম কৰি জীৱিকা অৰ্জন কৰিবলৈ ধৰিলে। লগে লগে তাই পৰোপকাৰৰ কামত নিজকে সমৰ্পণ কৰিলে আৰু তাইৰ শিশুকন্যা পাৰ্লক ডাঙৰ দীঘল কৰিবলৈ ধৰিলে।

ছোৱালীজনী ডাঙৰ হোৱাত প্ৰশাসন-কৰ্তৃপক্ষই মাকৰ পৰা তাইক আঁতৰাই আনিবলৈ স্থিৰ কৰিলে। হেষ্টাৰে যেভাবেও ডিমছডেলৰ সহায়ত কৰ্তৃপক্ষক ইয়াৰ পৰা বিৰত কৰাবলৈ সক্ষম হ'ল। ইফালে ডিমছডেলৰ স্বাস্থ্যও ক্ৰমাৎ পৰি আহিবলৈ ধৰিলে। চিলিংৱৰ্থে সদায় ডিমছডেলক পৰ্যবেক্ষণত ৰাখিছিল। সি তাৰ বেমাৰৰ চিকিৎসা কৰিব পাৰিব বুলি বিশ্বাস জন্মাই ডিমছডেলৰ ঘৰতে থাকিবলৈ ল'লে। ডিমছডেলে তেতিয়াও চিলিংৱৰ্থৰ আচল পৰিচয় পোৱা নাছিল। চিলিংৱৰ্থে নিজৰ শত্ৰুক সম্পূৰ্ণৰূপে কৰায়ত্ত কৰিবলৈ পাই আনন্দিত হ'ল।

ইয়াৰ পিছৰ এটা অধ্যায়ত হৰ্থনে হেষ্টাৰ, পাৰ্ল আৰু ডিমছডেলৰ সাক্ষাতৰ চিত্ৰ আঁকিছে বনৰ মাজত। ইয়াতেই প্ৰেমিক-প্ৰেমিকা হেষ্টাৰ আৰু ডিমছডেলে পাৰ্লক লগত লৈ ইংলেণ্ডলৈ গুচি যোৱাৰ আঁচনি কৰিলে। যদি ঔপন্যাসিকে এই আঁচনি মতে কাম সমাধা হোৱা দেখুৱালেহেঁতেন, তেন্তে উপন্যাসখন মিলনান্ত হৈ সমাপ্ত হ'লহেঁতেন। কিন্তু মানৱ-জীৱনৰ সমস্যাৰ যে এনে সহজ সুসমাধান নাই, সেই কথা হৰ্থৰ্নে জানিছিল। কাৰণ এঠাইৰ পৰা আন ঠাইলৈ গ'লেও মানুহে নিজৰ পৰা পলায়ন কৰিব নোৱাৰে, তেওঁৰ সত্বাক পৰিত্যাগ কৰিব নোৱাৰে। গতিকে কাহিনীটোত পৰিবৰ্তন অনা হ'ল। আৰ্থাৰ, হেষ্টাৰ আৰু পাৰ্লে গম পালে যে সিহঁত যাব খোজা জাহাজখনতে চিলিংৱৰ্থেও ইংলেণ্ডলৈ যাবলৈ ওলাইছে। তেতিয়া সিহঁতৰ আঁচনি ত্যাগ কৰিবলৈ সিহঁত বাধ্য হ'ল।

ডিমছডেলৰ শৰীৰ আৰু মন ভাগি পৰিল। অৱশেষত এদিন সি ৰাজহুৱাভাবে নিজৰ গোপন পাপৰ কথা প্ৰকাশ কৰিলে আৰু সেইদিনাই হেষ্টাৰৰ কোলাত মূৰ থৈ সি শেষ নিশ্বাস ত্যাগ কৰিলে।

চিলিংৱৰ্থ বোষ্টনত ইমান দিনে আছিল ডিমছডেলৰ ওপৰত প্ৰতিশোধ ল'বলৈ। এতিয়া ডিমছডেলৰ মৃত্যু হোৱাত তাৰ সেই প্ৰয়োজন নাইকিয়া হোৱাত সি ইংলেণ্ডলৈ গুচি গ'ল। হেষ্টাৰে সমাজসেৱা কাম অব্যাহত ৰাখিলে আৰু শেষত পুনৰ ওচৰ-চুবুৰীয়াৰ পৰা সমাদৰ পাবলৈ ধৰিলে। ইংলেণ্ডত পাৰ্লৰ নামত অলপ সম্পত্তি এৰি চিলিংৱৰ্থ স্বৰ্গী হোৱাত পাৰ্ল ইংলেণ্ডলৈ গ'ল আৰু তাতেই বিয়া কৰালে। হেষ্টাৰ বোষ্টনতে নিজৰ কামত ব্যস্ত হৈ ৰ'ল। জীৱনৰ প্ৰবাহ এইদৰেই চলি থাকিল।

'স্কাৰলেট লেটাৰ' উপন্যাসখন নৈতিক শিক্ষাৰে পৰিপূৰ্ণ যদিও ঔপন্যাসিকে পোনপটীয়াভাবে পঢ়ুৱৈক নৈতিক শিক্ষা দিবলৈ যত্ন কৰা নাই। তেওঁ চৰিত্ৰসমূহৰ দোষ-গুণো ফঁহিয়াই দেখুওৱা নাই, সিহঁতৰ চিন্তা-ভাৱনা আৰু কৰ্মৰ জৰিয়তেহে সিহঁতৰ নিয়তি নিৰ্ণয় কৰিছে। ঔপনিবেশিক আমেৰিকাৰ আদি কালচোৱাৰ ধৰ্মীয় ৰক্ষণশীল পৰিবেশ অংকন কৰাতো কৃতকাৰ্য হৈছে। আমেৰিকাৰ এজন প্ৰখ্যাত ঔপন্যাসিক হেনৰি জেমছে নেথেনিয়েল হৰ্থৰ্নক 'প্ৰথম আমেৰিকান' ঔপন্যাসিক আখ্যাৰে বিভূষিত কৰিছে। আৰ্ণল্ড বেনেটেও এই উপন্যাসখনক উচ্চভাবে প্ৰশংসা কৰিছে।

ভিক্টৰ হিউগ'ৰ নতাৰ দাম দা পাৰী

(৪৫)

ফ্ৰান্সৰ ৰাজধানী পাৰী বা পেৰিছত ১৮০২ চনৰ ২৬ ফেব্ৰুৱাৰীত ভিক্টৰ হিউগ'ৰ জন্ম হয়। তেওঁৰ দেউতাক জেনেৰেল হিউগ' ফৰাচী সৈন্য বাহিনীৰ এজন সেনাপতি আছিল আৰু যোছেফ বোনাপাৰ্টৰ সৈতে মাদ্ৰিদলৈ গৈছিল। যোছেফ স্পেইনৰ ৰজা হোৱাত জেনেৰেল হিউগ'ক মাদ্ৰিদৰ গৱৰ্ণৰ পতা হ'ল। জেনেৰেলে তেওঁৰ পৰিয়ালক মাদ্ৰিদলৈ নিয়াত ভিক্টৰে তাৰ 'অভিজাত মহাবিদ্যালয়'ত (College of Nobles) শিক্ষা লাভ কৰে।

বোনাপাৰ্টৰ ৰাজত্বৰ অৱসানৰ অলপ দিন পিছতেই জেনেৰেলৰ মৃত্যু হয়। বুৰ্বনসকলে (Burbon) জেনেৰেলৰ বিধৱা পত্নীক এটা পেন্সন দিয়ে। ভিক্টৰ মাকৰ সৈতে পেৰিছলৈ আহে। কিন্তু ১৮২১ চনত মাকৰ মৃত্যু হোৱাত পেন্সনো বন্ধ হয়। ফলত কিছুদিনৰ বাবে ভিক্টৰে আৰ্থিক দুৰ্দশাত ভুগিবলগীয়া হয়।

তেওঁ কবিতা লেখিবলৈ আৰম্ভ কৰে। কবিতাবোৰৰ ষ্টাইল আছিল ক্লাছিকেল (ধ্ৰুপদী) আৰু সেয়ে পুৰণি ধৰণৰ সমালোচকসকলে সেইবোৰৰ প্ৰশংসা কৰিছিল। আনহাতে তাত ৰাজকীয় শাসনৰ প্ৰশংসা থকা কাৰণে ৰজাঘৰৰ পৰাও হিউগ'ই সমাদৰ পাবলৈ ধৰে। ৰজা অষ্টাদশ লুইয়ে কবিতাবোৰ ইমান ভাল পাইছিল যে তেওঁ হিউগ'ক এটা সাহিত্যিক পেন্সন দিয়ে আৰু ২৩ বছৰ বয়সীয়া কবিজনক 'চেভেলিয়াৰ অব দি লিজিয়ন অব অনাৰ' সন্মানেৰে বিভূষিত কৰে।

কিন্তু ক্ৰমাৎ হিউগ'ৰ ৰচনাৰ বিষয়বস্তুত পৰিবৰ্তন আহিবলৈ ধৰে। ১৮২৭,১৮২৯ আৰু ১৮৩০ চনত তেওঁ যথাক্ৰমে ক্ৰমৱেল, মৰিঅ' দেলৰ্মি আৰু আৰ্নালি নামৰ তিনিখন নাটক প্ৰকাশ কৰে। নাটক কেইখনত ৰাজতন্ত্ৰৰ বিৰুদ্ধে আৰু সাধাৰণতন্ত্ৰৰ সপক্ষে মত হিউগ'ই উপস্থাপন কৰে। নাটককেইখনে, বিশেষকৈ আৰ্নালিয়ে ফৰাচী সাহিত্যত তেওঁক প্ৰতিষ্ঠা কৰে

আৰু পৰৱৰ্তী পঞ্চাশ বছৰ জুৰি ফৰাচী সাহিত্যৰ সাহিত্যৰথীৰ ভূমিকা তেওঁ লাভ কৰে। তেওঁৰ লেখনীৰ পৰা অবিশ্ৰান্তভাৱে নাটক, উপন্যাস আৰু কবিতা ওলাবলৈ ধৰে।

১৮৪৫ চনত লুই ফিলিপে তেওঁক অভিজাতৰ মৰ্যাদা দিয়াত তেওঁ 'হাউছ অব পিয়াৰছ'ৰ সদস্য হয়। ১৮৪৮ চনৰ বিপ্লৱৰ পিছত 'হাউছ অব পিয়াৰছ'ৰ অৱলুপ্তি ঘটোৱা হ'ল যদিও, হিউগ' সংসদলৈ নিৰ্বাচিত হয়। ১৮৫১ চনত তৃতীয় নেপোলিয়ানৰ অভ্যুত্থানত তেওঁৰ সদস্য-পদ বাতিল হয় আৰু তেওঁ বেলজিয়ামৰ ৰাজধানী ব্ৰুছেলছলৈ পলাই যায়। তাত তেওঁ ফ্ৰান্সৰ নতুন প্ৰশাসনৰ বিৰুদ্ধে প্ৰচাৰত ৰবকৈ লগাত ব্ৰুছেলছ কৰ্তৃপক্ষই ১৮৫২ চনত তেওঁক বেলজিয়ামৰ পৰা বহিষ্কাৰ কৰে। ইংলিচ চেনেলত অৱস্থিত জাৰ্ছি দ্বীপলৈ গৈ তেওঁ পুনৰ প্ৰচাৰ কাৰ্যত লগাত তাৰ পৰাও চাৰি বছৰৰ পিছত বহিষ্কৃত হয়। তেওঁ এইবাৰ ওচৰৰে গাৰ্নাছি দ্বীপলৈ গৈ ১৮৭০ চনলৈকে তাত থাকে। ইতিমধ্যে ফ্ৰাংকোপ্ৰুছিয়ান যুদ্ধৰ ফলত ৰাজতন্ত্ৰৰ অৱসান ঘটাত তেওঁক স-সন্মানে পেৰিছলৈ আদৰি অনা হয়। ১৮৮৫ চনৰ ২২ মে'ৰ দিনা পেৰিছত তেওঁৰ মৃত্যু হয়।

বিশাল আয়তনৰ সাহিত্য-কৰ্মৰ ভিতৰত যি তিনিখন উপন্যাসে বিশ্বসাহিত্যত ভিক্ট'ৰ হিউগ'ৰ নাম চিৰস্মৰণীয় কৰিছে, সেই কেইখন হ'ল— নতাৰ দাম দ্য পাৰী (১৮৩১), লা মিজাৰেবল্ (১৮৬২) আৰু টইলাৰ্ছ অব দি ছি (১৮৬৬)। ইয়াৰ ভিতৰত 'নতাৰ দাম দা পাৰী' সৰ্বকালৰ অন্যতম শ্ৰেষ্ঠ ৰোমাণ্টিক ঐতিহাসিক উপন্যাস হিছাপে চিহ্নিত হৈছে।

উপন্যাসখনৰ কাহিনী আৰম্ভ হৈছে ১৪৮২ চনৰ ৬ জানুৱাৰীত। পঞ্চদশ শতিকাৰ ফ্ৰান্সত সেইদিনা পালিত হৈছিল 'ৰজা আৰু মূৰ্খৰ ভোজ' (Feast of the kings and the Fools) দিৱস। ১৪৮২ চনৰ ৬ জানুৱাৰীত উৎসৱ পালনৰ সৈতে কাকতালীয়ভাৱে সংযোজিত হৈছিল আন এটা ঘটনা। সেইদিনা ফ্ৰান্সৰ ৰজাৰ ৰৰপুত্ৰ (ডফিন Dauphin) ৰ সৈতে অষ্ট্ৰিয়াৰ আৰ্কডিউক মেক্সিমিলিয়ানৰ কন্যা মাৰ্গাৰেটৰ বিবাহ-প্ৰস্তাৱ লৈ ফ্লেণ্ডাৰ্ছৰ পৰা এজন দূত পেৰিছত উপস্থিত হৈছিলহি।

সেইদিনা পিয়েৰ গ্ৰিগ'ৰ নামৰ এজন দৰিদ্ৰ কবিয়ে লেখা এখন ৰহস্যমূলক

নাটকৰ অভিনয় হোৱাৰ কথা আছিল। কিন্তু সেই সময়তে পেৰিছৰ কাৰ্ডিনেল অৰ্থাৎ প্ৰধান ধৰ্মযাজকজনৰ আগমনে অভিনয়ত বিজুতি ঘটালে। বেচেৰা কবি গ্ৰিগঁৰে তেওঁৰ নাটক পুনৰ আৰম্ভ কৰিবলৈ কেইবাবাৰো চেষ্টা কৰিলে। কিন্তু কোনেও তাৰ প্ৰতি কেৰেপ নকৰিলে। কাৰণ ইতিমধ্যে ফ্লেণ্ডাৰ্ছৰ দূতে ঘোষণা কৰিছিল যে যিজনে তেওঁৰ মুখখন সাংঘাতিক ধৰণে বিকৃত কৰিব পাৰিব তেওঁকেই 'মূৰ্খৰ পোপ' (Pope of the Fools) বুলি সন্মানিত কৰা হ'ব।

প্ৰতিযোগিতা আৰম্ভ হোৱাত এটা কিম্ভূতকিমাকাৰ মূৰ্তিৰ প্ৰসংগ উত্থাপিত হ'ল। "আমি সেই তিনিভাঁজ খোৱা নাকৰ, জোঙা মুখৰ, ৰঙা শকত চেলাউৰিৰে সৰু বাওঁ চকু আৰু ঘাৰে ঢাক খোৱা সোঁ চকুৰ, ওখোৰা-মোখোৰা দাঁতৰ, শকত ওঁঠৰ, হাতী-দাঁতৰ দৰে, ওঁঠৰ বাহিৰত ওলাই থকা দাঁতৰ, ভগা থুতৰিৰ, আৰু সৰ্বোপৰি অসীম ঘৃণা বিহ্বলতা আৰু বিষাদৰ প্ৰতিমূৰ্তিটোৰ আভাস পাঠকক দিবলৈ চেষ্টা নকৰোঁ। যদি পাৰে পাঠকে নিজেই এনে এটা মূৰ্তি কল্পনা কৰি লওক।"

"মানুহজনৰ মুখখনেই যে কিম্ভূত-কিমাকাৰ আছিল, তেনে নহয়; দেহৰ অংশবোৰো আছিল বিকৃত। 'ঠৰঙা ৰঙা চুলিৰে ভৰা ডাঙৰ মূৰ, দুয়ো কান্ধৰ মাজত কুঁজ, বুকুৰ ফালেও থোপোকা এটা মাংসপিণ্ড,উৰু আৰু ভৰি ইমান মেলখোৱা যে কেৱল আঁঠুৰে আঁঠুৱেহে লগ লাগিব পাৰে, হাত দুখন অসম্ভৱ ধৰণৰ শকত—এনে বিকৃতি সত্ত্বেও তাৰ পদক্ষেপত ফুটি উঠিছিল শক্তি, গতি আৰু সাহসৰ আভাস।"

সমবেত জনতাই এই বিকৃত বাওনাটোক চিনি পালে। সি হ'ল নতাৰ দাম গীৰ্জাৰ ঘন্টাবাদক কোৱাছিমোডো। জনতাই জানিছিল যে কোনেও তাৰ দৰে স্বাভাৱিক ভাৱে মুখৰ বিকৃতি ঘটাব নোৱাৰে আৰু সেয়ে সি সৰ্বসম্মতিক্ৰমে 'মূৰ্খৰ পোপ' নিৰ্বাচিত হ'ল।

যেতিয়া মূৰ্খৰ শোভাযাত্ৰা আৰম্ভ হ'ল, তেতিয়া বেচেৰা কবি গ্ৰিগঁৰ অকলশৰীয়া হ'ল। তেওঁ ঘৰলৈও যাব নোৱাৰে, কাৰণ ছমাহৰ ঘৰ-ভাৰা দিবলৈ বাকী আছে। তেওঁ নাটকৰ জৰিয়তে হোৱা আয়েৰে ঘৰ-ভাৰা দিয়াৰ কথা ভাবিছিল। কিন্তু নাটক অৰ্দ্ধসমাপ্ত হৈ থকাত তেওঁ বুজিলে যে তেওঁ

নাটকৰ পৰা কোনো অৰিহণা নাপায়। কপৰ্দকশূন্য অৱস্থাত আলিবাটত তেওঁ ৰাতিৰ আশ্ৰয় আৰু আহাৰৰ চিন্তাত ঘূৰি থাকোতে এটা চাৰিআলিত দেখিলে যে লা এস্মেৰেলডা নামৰ এজনী ধুনীয়া জিপছি ছোৱালীয়ে এজন মানুহক নাচ দেখুৱাইছে আৰু তাইৰ 'জলি' নামৰ বগা ছাগলীজনীৰ খেল দেখুৱাইছে। তাই এইদৰে নাচ আৰু খেল দেখুৱাই থাকোঁতে ডম ক্লদ ফ্ৰলো নামৰ এজন পুৰোহিতে তাইক শাওপাত দিবলৈ ধৰিছে। আমোদ চাই থকা মানুহবোৰে বিৰক্ত হৈ পুৰোহিতজনক মাৰিবলৈ খেদি গ'ল। কিন্তু ঠিক সেই মুহূৰ্ত্তে মূৰ্খৰ শোভাযাত্ৰাটো সেই ঠাইত উপস্থিত হ'ল আৰু কোৱাছিমোডো পুৰোহিতৰ পক্ষে থিয় হ'ল।

উপন্যাসখনৰ এইখিনিতে ফ্লেছবেক পদ্ধতি অৱলম্বন কৰি কোৱাছিমোডোৰ অতীত উদ্‌ঘাটন কৰা হৈছে। পানী কেঁচুৱা অৱস্থাতে কোনোবাই কোৱাছিমোডোক নতাৰ দাম গীৰ্জাত মনে মনে এৰি থৈ গৈছিল। প্ৰচলিত নিয়ম অনুসৰি পুৰোহিতসকলে কোনোবা তিৰোতাই তাক তোলনীয়া সন্তান হিছাপে নিব পাৰে বুলি ৰাজহুৱাকৈ প্ৰদৰ্শিত কৰি ৰাখিছিল। কিন্তু দেখিবলৈ সি ইমান কুৎসিৎ আছিল যে কোনেও তাক নিবলৈ আগ্ৰহ নেদেখুৱালে। উপায়হীন হৈ পুৰোহিতসকলে তাক অনাথ আশ্ৰমলৈ পঠিওৱাৰ যো-জা কৰোঁতে তেতিয়াৰ ডেকা পুৰোহিত ডম ফ্ৰলোই তুলি তালি ডাঙৰ-দীঘল কৰিম বুলি নিজৰ লগত ৰাখিলে। সেয়া আছিল যোল্ল বছৰ আগৰ কথা। তেতিয়াৰ ডেকা ফ্ৰলো এতিয়া আৰ্কডিক (বিছপৰ তলৰ প্ৰধান পুৰোহিত) আৰু কোৱাছিমোডো কুৰি বছৰ বয়সীয়া ডেকা। সি 'নতাৰ দাম' গীৰ্জাৰ প্ৰধান ঘণ্টাবাদক। ডমফ্ৰলোক সি দেৱতাৰ দৰে ভক্তি কৰে।

চাৰিআলিত হুলস্থূল সৃষ্টি হোৱাৰ সময়ত এস্মেৰেল্‌ডা পলাই গ'ল। গ্ৰিগৰিয়ে তাইক অনুসৰণ কৰিলে। এটা ঠেক অন্ধকাৰ বাটেৰে দুয়ো গৈ থাকোঁতে হঠাৎ ক'ৰবাৰ পৰা কোৱাছিমোডো আহি এস্মেৰেলডাক দাঙি লৈ যোৱাৰ উদ্দেশ্যে তাইৰ হাতত থাপ মাৰি ধৰিলে। সৌভাগ্য ক্ৰমে ওচৰতে থকা পহৰাদাৰৰ দলটোৱে ঘটনাটো দেখা পালে। দলৰ কেপ্তেইন ফিবাছে ছোৱালীজনীক ৰক্ষা কৰিলে আৰু অন্যান্য পহৰাদাৰহঁতে কোৱাছিমোডোক গ্ৰেপ্তাৰ কৰিলে। এস্মেৰেলডাই কেপ্তেইনক তেওঁৰ নামটো সুধিলে আৰু

তেওঁ উত্তৰ দিবলৈ নৌপাওঁতেই কেপ্তেইনৰ ঘোঁৰাটোৰ পৰা নামি আহ্মদৰ বুকুত মিলি গ'ল।

গ্রিগঁৰিয়ে এইবোৰ ঘটনাৰ সৈতে জড়িত নহবলৈ মুহূৰ্ত্ততে সেই ঠাইৰ পৰা পলায়ন কৰিলে। তেওঁ আহি উপস্থিত হ'ল 'কোর্ট অব মিৰাকলছ্' নামৰ এলেকাত। এই ঠাইলৈ কোনো ভাল মানুহ অন্তত: ৰাতি নাহে। কাৰণ এই এলেকাত বাস কৰে এক বিৰাট সংখ্যক অঘৰীয়ে। সিহঁত 'ক্ৰবান্দ' নামেৰে পৰিচিত।

ক্ৰবান্দ্‌সকলে অচিনাকি গ্রিগঁৰক সিহঁতৰ ৰজাৰ সন্মুখলৈ টানি লৈ গ'ল। ক্ৰবান্দ সকলৰ নিয়ম আছিল যে যদি এনে অচিনাকি অনুপ্ৰবেশকাৰীয়ে সিহঁতৰ লগত মিলি যায় আৰু কোনো ক্ৰবান্দ ৰমনীয়ে তেওঁক বিয়া কৰাবলৈ সন্মত হয়, তেতিয়াহে তেওঁক ক্ষমা কৰা হয়;অন্যথায় তেওঁৰ প্ৰাণদণ্ড অনিবাৰ্য। কিন্তু কোনো ৰমনীয়ে গ্রিগঁৰক বিয়া কৰাবলৈ যেতিয়া সন্মত নহ'ল, তেতিয়া হঠাত এস্মেৰেলডা তাত উপস্থিত হৈ সন্মতি জনালে।

ইফালে পিছদিনা কোৱাছিমোডোক মেজিষ্ট্রেটৰ সন্মুখত হাজিৰ কৰাত তাক প্লাচ দা গ্রেভত থকা নিৰ্যাতন কক্ষলৈ নি এঘণ্টা ধৰি বেত্ৰাঘাতৰ দণ্ড দিয়া হ'ল। দণ্ডৰ শেষত আৰু এঘণ্টাৰ কাৰণে তাত আৱদ্ধ কৰি ৰখাৰো আদেশ হ'ল। সি শান্তভাৱে তাৰ দণ্ড গ্ৰহণ কৰিলে আৰু দণ্ডৰ শেষত চিঞৰি পানী খুজিলে। কিন্তু দণ্ড দান চাবলৈ যোৱা জনতাই পানীৰ পৰিৱৰ্তে তাৰ গাত শিলগুটিহে দলিয়াবলৈ ধৰিলে। এনেতে দেখা গ'ল যে পানীৰ পাত্ৰ লৈ নিৰ্যাতন কক্ষত থিয় হ'লহি এস্মেৰেলডা। তাই তাক পানী খাবলৈ দিলে। ঠিক সেইসময়তে এটা সাংঘাতিক ধৰণৰ কণ্ঠস্বৰ শুনা গ'ল। কণ্ঠস্বৰটোৱে কৈছিল; "বেটী ইজিপ্তৰ জীয়াৰী, তই জহন্নামে যা, জহন্নামে যা!"

ওচৰৰ চাৰিআলিৰ দাঁতিত থকা এটা গুহাৰ পৰা কণ্ঠস্বৰটো আহিছিল। তাত ছাচেট বোলা এজনী যোগিনীয়ে বহু কালৰ পৰা বাস কৰিছিল। যৌৱন কালত ছাচেট আছিল এজনী নাম কৰা বেশ্যা। শেষত দেহৰ ব্যৱসায় কৰি আমনি লগাত তাই ব্যৱসায় এৰিলে। কিন্তু ইতিমধ্যে তাই গৰ্ভৱতী হৈছিল। এজনী ধুনীয়া ছোৱালী জন্মিল। ছাচেটে তাইক বৰ মৰম কৰিছিল। কিন্তু চাৰি বছৰ বয়সত জীয়েকক অঘৰীবোৰে চুৰ কৰি নিলে। তেতিয়াৰ পৰা ছাচেটে

গুহাটোত বাস কৰিব ল'লে আৰু অৰবীইঁতৰ প্ৰতি তীব্ৰ ঘৃণা মনত পুহি ৰাখিলে।

ইতিমধ্যে কেপ্তেইন ফিবাছ বিয়াৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ হৈছিল ফ্ল'ৰ দা-লিজ নামৰ ছোৱালী এজনীৰ সৈতে। এদিনাখন তেওঁ লিজইঁতৰ ঘৰলৈ গৈ দেখিলে যে সমুখৰ চাৰিআলিত এস্মেৰেল্ডাই নাচ দেখুৱাইছে। লিজ আৰু তাইৰ লগৰীয়াসকলে নাচ চাবলৈ ইচ্ছা কৰাত ফিবাছে এস্মেৰেলডাক মাতি আনিলে। নাচ দেখুৱাই থকাৰ সময়ত এজনী সৰু-ছোৱালীয়ে এস্মেৰেল্ডাই ডিঙিত আঁৰি লোৱা হাৰডালত 'ফিবাই' শব্দটো লিখি থোৱা দেখি ডাঙৰ ডাঙৰকৈ এটা এটা আখৰ উচ্চাৰণ কৰি মাতিলে। তাই যে মনে মনে ফিবাছক ভাল পাইহে নামটো লিখিছিল, সেইকথাটো সদৰি হোৱাত লাজ পাই এস্মেৰেলডাই খুউব লৰালৰিকৈ তাৰ পৰা আঁতৰিল। কেপ্তেইনে স্ফূৰ্তিৰ এনে এটা উপাদান এৰি দিব নুখুজি তাইৰ পিছে পিছে গৈ তাইৰ লগত কথা-বতৰা হৈ দুয়ো লগালগি হোৱাৰ সময় স্থিৰ কৰিলে।

ইতিমধ্যে আৰ্কডিকন ডমফ্ৰলো যে এজন সাংঘাতিক চৰিত্ৰৰ লোক, সেই কথা জনা গ'ল। তেওঁ যাদু বিদ্যাত পাৰ্গত আৰু মনে মনে এস্মেৰেলডাৰ প্ৰতি তীব্ৰ কামনা সাঁচি ৰাখিছে। ফিবাছৰ সৈতে তাইৰ গোপন কথা-বতৰাৰ বিষয়ে গম পাই সিহঁতে প্ৰেম কৰা কোঠালীত মনে মনে সোমাই থাকিল আৰু দুয়ো প্ৰেম কৰিবলৈ সাজু হওঁতেই তেওঁ কেপ্তেইনৰ পিঠিত ছুৰী বহুৱাই দিলে।

এস্মেৰেল্ডা মূৰ্চ্ছা গ'ল। যেতিয়া তাই সাৰ পালে তেতিয়া তাই দেখিলে যে তাইক গ্ৰেপ্তাৰ কৰা হৈছে। বিচাৰত তাই ফিবাছক ছুৰী মৰা বুলি তাইৰ ওপৰত অনা অভিযোগ অস্বীকাৰ কৰিলে যদিও, তাইক নতাৰ দাম গীৰ্জাৰ সমুখত প্ৰায়শ্চিত্ত কৰাৰ পিছত প্লাছ দা গ্ৰেভত ফাঁচীৰ হুকুম হ'ল।

মৃত্যুদণ্ড কাৰ্যকৰী কৰাৰ সময়লৈ তাইক জেলৰ এটা অন্ধকাৰ কুঠৰীত ৰখা হ'ল। আৰ্কডিকনে কেইবাবাৰো তালৈ গৈ তাইক কৈছিল যে যদি তাই তেওঁৰ ৰক্ষিতা হ'বলৈ ৰাজী হয় তেন্তে তেওঁ তাইক বচাব পাৰে। ফিবাছৰ মৃত্যু হোৱা বুলিও তেওঁ তাইক কৈছিল। কিন্তু এস্মেৰেলডা মান্তি নহ'ল।

ফাঁচী দিবৰ দিনা দণ্ডৰ প্ৰথমটো অৰ্থাৎ প্ৰায়শ্চিত্ত কাৰ্যকৰী কৰিবলৈ

তাইক নতাৰ দাম গীৰ্জাৰ প্ৰৱেশ-পথৰ সমুখলৈ অনা হ'ল। ফিবাছৰ প্ৰকৃততে মৃত্যু হোৱা নাছিল আৰু এস্মেৰেলডাক নতাৰ দামলৈ অনাৰ সময়ত তেওঁ প্ৰেমিকা নিজৰ ঘৰলৈ গৈছিল। এস্মেৰেলডাৰ প্ৰতি এতিয়া তেওঁৰ আকৰ্ষণ নাই। নিজে প্ৰায়শ্চিত্ত অনুষ্ঠান চাবলৈ ইচ্ছা কৰাত ফিবাছে অনিচ্ছাসত্ত্বেও নিজৰ সৈতে নিজহঁতৰ বাৰাণ্ডাৰ পৰা অনুষ্ঠান চাবলৈ থিয় হৈ থাকিল।

কোৱাছিমোডোয়ো গীৰ্জাৰ দেৱালৰ ওপৰৰ পৰা অনুষ্ঠান চাই আছিল। অনুষ্ঠানৰ শেষত এস্মেৰেলডাক বধ্যভূমিলৈ নিয়াৰ আগমুহূৰ্তত সি দেৱালৰ পৰা জাপ মাৰি আহি এস্মেৰেলডাক দাঙি লৈ গীৰ্জাৰ ভিতৰত প্ৰৱেশ কৰিলে। ঘটনাটো ইমান আকস্মিক আছিল যে কোনেও তাক বাধা দিব নোৱাৰিলে।

কেইবা সপ্তাহ ধৰি সি গীৰ্জাৰ একেবাৰে ভিতৰৰ কোঠালীত এস্মেৰেলডাক শুশ্ৰূষা কৰিলে। আনহাতে কৰ্তৃপক্ষই তাইক তাৰ পৰা বাহিৰলৈ অনাৰ বাবে বদ্ধপৰিকৰ। আৰ্কডিকন ফ্ৰলোৰ পুনৰ তাইক তেওঁৰ ৰক্ষিতা হবলৈ অনুৰোধ জনালে। তাই মান্তি নোহোৱাত তেওঁ তাইক ৰক্ষীৰ হাতত শোধাই দিলে আৰু প্লাছ ডা গ্ৰেডত তাইক ফাঁচি দিয়া হ'ল। তাইক ফাঁচী দিয়া গীৰ্জাৰ ওপৰৰ পৰা চাই আছিল আৰ্কডিকনে। কোৱাছিমোডোই মনে মনে পিছফালৰ পৰা আৰ্কডিকনক তললৈ গটা মাৰি দিলে। মাটিত পৰি ফ্ৰলো মৰি থাকিল।

তেতিয়াৰ পৰা কোৱাছিমোডোক কোনেও দেখা নাপালে। কিন্তু দুবছৰমানৰ পিছত যেতিয়া এস্মেৰেলডাৰ শটো পেলাই দিয়া মৰাশ ৰখা কোঠালীটো খোলা হ'ল তেতিয়া দেখা গ'ল যে দুটা কংকালে পৰস্পৰক সাৱটি ধৰি আছে। এটাৰ ডিঙিত এটা তাবিজ ওলমি আছে আৰু আনটো কংকালৰ বুকু আৰু পিঠিৰ হাড়বোৰ কুঁজা। ইয়াৰ পৰা বুজা গ'ল যে এটা কংকাল এস্মেৰেলডাৰ আৰু আনটো কোৱাছিমোডোৰ।

'নতাৰ দাম দা পাৰী' ('পেৰিছৰ নতাৰ দাম') দীঘলীয়া উপন্যাস। ইয়াত কাহিনীৰ লগে লগে পেৰিছ তথা ফ্ৰান্সৰ নানা ঐতিহাসিক ঠাই, ঘটনা আৰু প্ৰথাৰ বহল বৰ্ণনা আছে। আধুনিক পঢ়ুৱৈৰ মানত সেইবোৰ আমনিদায়ক যেন লাগিলেও সন্দেহ নাই যে 'নতাৰদাম দা পাৰী' ঐতিহাসিক ৰোমাণ্টিক উপন্যাসৰ অন্যতম শ্ৰেষ্ঠ নিদৰ্শন। ফ্ৰান্সৰ বিখ্যাত গীৰ্জা 'নতাৰদাম' (অৰ্থ- 'আমাৰ আই' বা মেৰী) এইদৰে কলংকিত কাহিনীৰ আধাৰৰূপে ভিক্টৰ হিউগ'ই

বৰ্ণনা কৰিছে। তেওঁ দুঃস্থ জীৱনৰ প্ৰতি গভীৰভাৱে সহানুভূতিশীল আছিল। ভিক্টৰ হিউগোৰ ৰচনা পৃথিবীৰ প্ৰায়বোৰ ভাষাতে অনূদিত হৈছে। বিশ্ব-সাহিত্যত হিউগোৰ প্ৰভাৱ অক্ষুণ্ণ হৈ আছে।

চাৰ্লছ্ ডিকেন্সৰ ডেভিদ কপাৰফিল্ড

(৪৬)

ইংৰাজী তথা বিশ্ব-সাহিত্যত ঔপন্যাসিক হিচাপে চাৰ্লছ্ ডিকেন্সক কোনো এক বিশেষ শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰিব নোৱাৰি, তেওঁ নিজেই এক অনন্য শ্ৰেণী। চৰিত্ৰস্ৰষ্টা হিচাপেও তেওঁ তেওঁৰ উপন্যাস ৰাজিত এক বিচিত্ৰ চিত্ৰ-শালাৰ নিৰ্মাতা।

ডিকেন্সৰ ওঠৰখন উপন্যাসৰ ভিতৰত 'ডেভিদ কপাৰফিল্ডক' সমালোচক সকলে শ্ৰেষ্ঠতম বুলি চিহ্নিত কৰিছে। ১৮৪৯ চনত আলোচনীত ধাৰাবাহিক ভাৱে প্ৰকাশ হোৱাৰ পিছত ১৮৫০ চনত ই গ্ৰন্থাকাৰে প্ৰকাশ পায়। এই উপন্যাস বহুলাংশে আত্মজীৱনীমূলক।

ডিকেন্সৰ দেউতাক আছিল নৌ-বিভাগৰ বেতন অফিচৰ কেৰাণী, মাক আছিল তেওঁৰেই সহকৰ্মী এজনৰ ভনীয়েক। চাৰ্লছৰ দুবছৰ বয়সত পৰিয়ালটো পর্টছীৰ পৰা লণ্ডনলৈ আহে আৰু তাৰ পিছত চাথামলৈ যায়। সাতবছৰ পিছত, চাৰ্লছৰ এঘাৰ বছৰ বয়সত, পুনৰ তেওঁলোক লণ্ডনলৈ আহে। পৰিয়ালটো আৰ্থিক দুৰ্দশাত পৰাত বাৰ বছৰ বয়সীয়া চাৰ্লছক এটা ৰঙৰ কাৰখানাত কাম কৰিবলৈ সুমুৱাই দিয়া হ'ল। এই সময়তে চাৰ্লছৰ দেউতাকক উত্তমৰ্ণসকলে ঋণৰ দায়ত জেলত থয়। চাৰ্লছ্ এজনী বুঢ়ীৰ তত্ত্বাৱধানত থাকে আৰু কেমডেন চহৰৰ পঢ়াশালিত ভৰ্ত্তি হয়। পিছত এজন উকিলৰ অফিচত সোমায়, যদিও আইনৰ প্ৰতি চাৰ্লছৰ স্পৃহা নাছিল, বৰং বাতৰি-কাকতৰ ৰিপোৰ্টাৰ হ'বলৈহে তেওঁ ইচ্ছা কৰিছিল। ১৮৩৬ চনত সাংবাদিকতা এৰি চাৰ্লছে সাহিত্যৰ প্ৰতি মনোযোগ দিয়ে। সেই বছৰতে তেওঁ বিয়া কৰায় আৰু 'পিক উইক পেপাৰচ' নামৰ উপন্যাস প্ৰকাশিত হয়। তেতিয়াৰ পৰা চাৰ্লছ্ পৰিয়ালৰ আৰ্থিক অৱস্থাৰো উন্নতি হ'বলৈ ধৰে। কিন্তু দাম্পত্য জীৱনত চাৰ্লছ্ বৰ সুখী নাছিল। দহটা সন্তানৰ জন্মৰ পিছত ১৮৫৮ চনত গিৰিয়েক-ঘৈণীয়েকৰ মাজত বিচ্ছেদ

ঘটে। তেতিয়াৰ পৰা চাৰ্লছৰ ঘৰ চলিছিল খুলশালিয়েকজনীয়ে।

ডিকেন্সৰ জীৱনৰ এই চমু পৰিচয়ে ডেভিদ কপাৰফিল্ড উপন্যাস অনুধাৱন কৰাত পাঠকক সহায় কৰিব। কাৰণ নিজৰ জীৱনৰ অভিজ্ঞতাৰ ভিত্তিত তেওঁ এই উপন্যাস ৰচনা কৰিছিল আৰু সেই কাৰণেই ই জীৱন্ত আৰু হৃদয়স্পৰ্শী। প্ৰথম পুৰুষত কাহিনী বৰ্ণনা কৰা বাবে ই প্ৰকৃত আত্মজীৱনীৰ ৰূপ পাইছে।

ডেভিদৰ জন্মৰ লগে লগে 'ডেভিদ কপাৰফিল্ড' উপন্যাস আৰম্ভ হৈছে। এদিন মাজৰাতি তাৰ জন্ম হয়। তাৰ জন্মৰ ছমাহ আগতে তাৰ দেউতাকৰ মৃত্যু হৈছিল। তাৰ মাকে শিশুটোক চোৱা-চিতা কৰিবলৈ পেগটি নামৰ এজনী ধাত্ৰী নিযুক্ত কৰিছিল। ঘৰত মিছেছ কপাৰফিল্ড, ধাত্ৰী পেগটি আৰু শিশু ডেভিদৰ বাহিৰে ডেভিদৰ সাতবছৰ বয়স নোহোৱালৈ আন চতুৰ্থ ব্যক্তি নাছিল। তিনিও সুখেৰেই কাল কটাইছিল।

এদিনাখন পেগটিয়ে ইয়াৰ মাউথত থকা তাইৰ ভায়েকৰ ঘৰলৈ যাবলৈ ডেভিদক লগ ধৰিলে। তাত ডেভিদে পোন্ধৰ দিন বেছ আনন্দেৰেই কটাই যেতিয়া উভতি আহিল, তেতিয়া গম পালে যে এইকেইদিনতে তাৰ মাকে মাৰ্ডষ্টোন' নামৰ এজন মানুহক বিয়া কৰাইছে আৰু মাৰ্ডষ্টোন এতিয়া তাৰ নতুন-দেউতাক। মাৰ্ডষ্টোন আগতেও মাজে সময়ে সিহঁতৰ ঘৰলৈ আহিছিল, কিন্তু ডেভিদে তেওঁৰ প্ৰতি বিৰূপ মনোভাৱ পোষণ কৰিছিল।

মাৰ্ডষ্টোন আৰু তেওঁৰ ভনীয়েকে মিছেছ কপাৰফিল্ডৰ ওপৰত সম্পূৰ্ণ আধিপত্য স্পাপন কৰি ডেভিদক শিকনি দিবলৈ আৰম্ভ কৰিলে। ফলত মাক-পুতেকৰ জীৱনলৈ নিৰানন্দ নামি আহিল। মাৰ্ডিষ্টোন আৰু ডেভিদৰ মনোমালিন্যই এদিন চূড়ান্ত ৰূপ পালেগৈ, যিদিনা পাঠ পঢ়িব নজনাৰ বাবে মাৰ্ডষ্টোনে ডেভিদক বেত দিছিল আৰু সিও তেওঁৰ হাতত কামুৰি দিছিল। ডেভিদক লণ্ডনৰ ওচৰৰ 'ছালেম হাউছ'ত থাকিবলৈ পঠিয়াই দিয়া হ'ল। তাৰ হেডমাষ্টৰ মি: ক্ৰিকল্ বৰ নিষ্ঠুৰ স্বভাৱৰ আছিল আৰু ছাত্ৰ সকলক হকে-বিহকে মাৰ-ধৰ কৰিছিল। ইয়াতে ডেভিদে তাতকৈ ছবছৰৰ ডাঙৰ ষ্টিয়াৰফোৰ্থ নামৰ ছাত্ৰ এজনৰ সৈতে বন্ধুত্ব পাতিলে। ষ্টিয়াৰফোৰ্থে ডেভিদক সহায় কৰিছিল আৰু হেডমাষ্টৰৰ ক্ৰোধৰ পৰা ৰক্ষা কৰিছিল।

স্কুলৰ এটা পৰীক্ষা শেষ হোৱাত ডেভিদে ঘৰলৈ আহি দেখিলে তাৰ

এটা নতুন ভায়েক উপজিছে। পিছৰ বাৰ ঘৰলৈ আহি সি গম পালে যে তাৰ মাক আৰু ভায়েকৰ ইতিমধ্যে মৃত্যু হ'ল।

ইয়াৰ পিছত মার্ডষ্টোনে ডেভিডক স্কুলৰ পৰা একেবাৰে লণ্ডনৰ এটা মদৰ কাৰখানাত কাম কৰিবলৈ সুমুৱাই দিলে। তাৰ থকা বন্দোবস্ত হ'ল জনৈক মি: মিকাবাৰৰ পৰিয়ালত।

মি: মিকাবাৰৰ আর্থিক অৱস্থা মুঠেই স্বচ্ছল নাছিল। তেওঁ প্রায় ধাৰৰ ওপৰত চলিছিল আৰু সদায় টকা ঘটাৰ উপায় চিন্তা কৰিছিল। কিন্তু কোনো এটা উপায়েই তেওঁ কার্যত পৰিণত কৰিব পৰা নাছিল। প্রবল আশাবাদী মিকাবাৰে ভৱিষ্যতে কিবা এটা হ'ব বুলি মনত আশা পুঁহি ৰাখিছিল। অৱশেষত একোকে নোহোৱাত উত্তমর্ণ সকলে তেওঁক জেললৈ পঠিয়ালে। জেলত কিছুদিন থকাৰ পিছত ইষ্ট-কুটুম্বৰ চেষ্টাত মুকলি হৈ মিকাবাৰে পৰিয়াল লগত লৈ 'এক নতুন জীৱন-যাপন কৰিবলৈ' পোৰ্ট্‌ছমাউথলৈ যাত্রা কৰিলে।

ডেভিদ অকলশৰীয়া হ'ল। কাৰখানাত তাৰ মন সমূলি বহা নাছিল। সেয়ে সি তাৰ পৰা পলাবলৈ স্থিৰ কৰিলে। ডোভাৰত ডেভিদৰ এজনী মামীয়েক আছিল- নাম মিছ বেট্‌ছি ট্রটউড। তাত বেট্‌ছিয়ে 'পগলা মি: ডিক' নামৰ এজন মানুহৰ লগত বাস কৰিছিল। ডেভিদে পগেটিলৈ অলপ টকা ধাৰলৈ খুজি পঠিয়ালে। পেগটিয়ে টকা পঠালে যদিও, সেই টকা কোনোবাই চুৰ কৰাত ডেভিদে খোজ কাঢ়িয়েই ডোভাৰলৈ যাত্রা কৰিলে আৰু নানা অভিজ্ঞতাৰ মাজেৰে বেট্‌ছিৰ ঘৰত উপস্থিত হ'লগৈ। মামীয়েকে সকলো কথা শুনি ডেভিদক নিজৰ লগত ৰাখিলে। তেওঁ ডেভিদক কেন্টাৰবেৰিৰ এখন স্কুলত নাম লিখি দিলে, কিন্তু হোষ্টেলত ঠাই নোপোৱা কাৰণে তাক তেওঁৰ উকিল মি: উইক্‌ফিল্ডৰ ঘৰত থ'লে। উইক্‌ফিল্ডৰ ঘৈণীয়েকৰ মৃত্যু হৈছিল, ঘৰত ডেভিদৰ প্রায় সমবয়সী জীয়েক এগ্‌নিছহে মাথোন আছিল।

উইক্‌ফিল্ডৰ কেৰাণী ইউৰিয়া হিপ আছিল ভণ্ড চৰিত্রৰ মানুহ। এদিন সি উইক্‌ফিল্ডৰ পঢ়া কোঠালীত সোমাই আইনৰ কিতাপবোৰ পঢ়ি থকা ডেভিদে দেখা পাই ক'লে, 'আপুনি নিশ্চয় এজন ডাঙৰ উকিল।' হিপে ক'লে, 'নহয়, নহয়, মই এটা মস্ত মূর্খ।' প্রকৃত উকিল হোৱাৰ বুদ্ধি বৃত্তি মোৰ নাই।

উইক্‌ফিল্ডৰ ঘৰত আৰু স্কুলত ডেভিডে ভালেই পালে। ক্ৰমে সি স্কুলৰ ওজা-ছাত্ৰ হ'ল। তাৰ বয়স সোতৰ বছৰ হ'ল। স্কুলৰ শেষ পৰীক্ষা দিয়াৰ পিছত সি লণ্ডনৰ 'স্পেনলো আৰু জেনকিন্সৰ আইন ব্যৱসায়ৰ অফিচৰ কামত সোমাল।

লণ্ডনত কেইমাহমান কটোৱাৰ পিছত সি লণ্ডনলৈ অহা এগনিছ উইক্‌ফিল্ডৰ পৰা এখন চিঠি পালে। এগনিছৰ পৰা সি গম পালে যে তাইৰ দেউতাকৰ টান নৰিয়া হৈছে আৰু ইউৰিয়া হিপে দেউতাকৰ ব্যৱসায়ৰ অংশীদাৰত্ব দাবী কৰিছে। হিপো এগনিছৰ সৈতে লণ্ডনলৈ আহিছিল। পিছদিনা হিপ আৰু ডেভিদৰ সাক্ষাৎ হোৱা হিপে জনালে যে হিপৰ কাৰণেই উইক্‌ফিল্ডৰ ব্যৱসায় বৰ্ত্তি আছে, অন্যথায় কেতিয়াবাই উকিল হিছাপে তেওঁৰ ব্যৱসায় শেষ হৈ গ'লহেঁতেন। সি আকৌ ক'লে, 'মই যে বৰ সাধাৰণ লোক, সেইকথা মই জানো। কিন্তু মিছ এগ্‌নিছক মই বৰ ভাল পাওঁ আৰু 'এদিন তেওঁ মোৰ পত্নী হ'ব বুলি মোৰ আশা আছে।'

হিপৰ কথা-বতৰাত ডেভিদৰ বৰ খং উঠিছিল যদিও ফুটাই একো নকৈ তৎক্ষণাৎ গুচি আহিল। সেইদিনা গোটেই ৰাতি ভাবি সি সদ্যহতে একো নকৰা নোকোৱাই উত্তম হ'ব বুলি সিদ্ধান্ত ল'লে।

কেইবা সপ্তাহৰ পিছত এদিন তাৰ এজন নিয়োগ কৰ্তা মি: স্পেনলোৱে তাক গাঁৱৰ ঘৰলৈ নিমন্ত্ৰণ কৰাত সি তাত দেখিলে যে মাৰ্ডষ্টোনৰ ভনীয়েক মিছ মাৰ্ডষ্টোনে পৰিয়ালটোত পৰিচাৰিকা ৰূপে কাম কৰিছে। সেইদিনা ৰাতিৰ আহাৰৰ পিছত মিছ মাৰ্ডষ্টোনে তাক একাষৰীয়াকৈ মাতি নি পুৰণি কথাবোৰ পাহৰি পেলাবলৈ অনুৰোধ কৰিলে। সিও মান্তি হ'ল।

স্পেনলোৰ গাঁৱৰ ঘৰত ডেভিডে তেওঁৰ জীয়েক ডোৰা স্পেনলোক লগ পালে আৰু তাইৰ প্ৰেমত পৰিল।

লণ্ডনলৈ অহাৰ পিছত এদিন ডেভিডে ছালেমত একেলগে পঢ়া টমি ট্ৰেডলছ্‌ নামৰ বন্ধু এজনক লগ পালে। কথা-বতৰাত গম পোৱা গ'ল যে টমি মিকাবাৰৰ জীয়েকৰ প্ৰেমত পৰি আছে। ইতিমধ্যে মি. মিকাবাৰো আহি তাত উপস্থিত হ'ল। পোৰ্টছমাউথৰ পৰা মিকাবাৰে পুনৰ লণ্ডনলৈ আহি বসবাস কৰিবলৈ লৈছিল।

ডেভিদ আকৌ এবাৰ স্পেনলোৰ গাঁৱৰ ঘৰলৈ নিমন্ত্ৰিত হ'ল। এইবাৰ সি ডোৰাক তাৰ প্ৰেমৰ কথা ব্যক্ত কৰিলে আৰু বিয়াৰ ইচ্ছা প্ৰকাশ কৰিলে। কিন্তু ডোৰাই ক'লে যে তাইৰ বিয়াৰ বয়স এতিয়াও হোৱা নাই যদিও দুয়োৰে মাজত আগলৈ বিয়া হ'ব আৰু সিহঁতৰ এই প্ৰতিশ্ৰুতিৰ কথা গোপনে ৰখা হ'ব; সিহঁত মাজে সময়ে ডোৰাৰ বান্ধৱী এজনীৰ ঘৰত মিলিত হ'ব।

কিছুদিনৰ পিছত ডেভিদে বাতৰি পালে যে মামীয়েক বেটছি ট্ৰটউড বৰ দুৰ্দশাত পৰিছে। এই কথা শুনি সি কামৰ পৰা অব্যাহতি লৈ ডোভাৰলৈ যাব খুজিলে। স্পেনলোক সি ক'লে যে ডোভাৰত আন কিবা কাম যোগাৰ কৰি সি মামীয়েকৰ ভৰণ-পোষণৰ দায়িত্ব লবগৈ। কিন্তু স্পেনলো আৰু এগ্নিছৰ উপদেশমতে সি আইনৰ কাম এৰি নিদি কেণ্টাৰবেৰি স্কুলৰ প্ৰাক্তন হেডমাষ্টৰ ড: ষ্ট্ৰংৰ সচিবৰো কাম ললে। ড: ষ্ট্ৰঙে লণ্ডনত এটা কোচিং ক্লাছ খুলিছিল। এইদৰে কিছু টকা উপাৰ্জন কৰি ডেভিদে মামীয়েকক সহায় কৰিবলৈ ধৰিলে।

ইয়াৰ কেইদিনমান পিছত এদিন মিকাবাৰে ডেভিদক লগ ধৰি ক'লেহি যে তেওঁ 'উইক্‌ফিল্ড আৰু হিপ' কোম্পানীত কেৰাণীৰ চাকৰি পাইছে আৰু পৰিয়ালসহ কেণ্টাৰবেৰিলৈ যাবলৈ স্থিৰ কৰিছে।

ইতিমধ্যে এদিন স্পেনলোৱে মিছ মাৰ্ডষ্টোনৰ পৰা ডেভিদ আৰু জীয়েক ডোৰাৰ মাজত চলা গোপন প্ৰেম আৰু চিঠিৰ আদান-প্ৰদানৰ কথা গম পাই ডেভিদক সাৱধান কৰি দিলে আৰু ক'লে যে ডেভিদৰ সৈতে জীয়েকৰ কেতিয়াও বিয়া হ'ব নোৱাৰে। কিন্তু ভাগ্যৰ পৰিহাস যে সেইদিনা গধূলিয়েই স্পেনলোৰ মৃত্যু হ'ল। বাপেকৰ মৃত্যুৰ পিছত ডোৰাই লণ্ডনৰে আন এঠাইত থকা মোমায়েকৰ ঘৰত থাকিবলৈ ল'লে। ডেভিদে মাজে-সময়ে তালৈ গৈ ডোৰাৰ খবৰ-বাতৰি লবলৈ ধৰিলে।

ডেভিদে ইতিমধ্যে সাহিত্য-চৰ্চা কৰিবলৈ ধৰিছিল আৰু প্ৰায়বোৰ বাতৰি কাকত আলোচনীতেই তাৰ লিখনীবোৰ প্ৰকাশ কৰিছিল। এইদৰে সি বছৰত এহেজাৰতকৈও বেছি পাউণ্ড উপাৰ্জন কৰিবলৈ সক্ষম হৈছিল।

কেইমাহমানৰ পিছত ডেভিদ আৰু ডোৰাৰ বিয়া হ'ল। বিয়াৰ কিছুদিনৰ মূৰত এদিন সি মিকাবাৰৰ পৰা এখন চিঠি পালে। চিঠিত তাৰ সৈতে গোপনে

সাক্ষাৎ কৰাৰ ইচ্ছা মিকাবাৰে প্ৰকাশ কৰিছিল। ডেভিদে মিকাবাৰক দেখা কৰাত মিকাবাৰে ইউৰিয়া হিপৰ কিছুমান ভণ্ডামি কৌশলৰ কথা ক'লে আৰু কেন্টাৰবেৰিলৈ গৈ চৰজমিনে সকলো চাবলৈ অনুৰোধ কৰিলে। ডেভিদে মামীয়েক বেট্‌ছি আৰু বন্ধু ট্ৰেডলছক লগত লৈ কেন্টাৰবেৰি পালেগৈ। তাত মিকাবাৰে প্ৰমাণ কৰি দিলে যে হিপে উইক্‌ফিল্ড আৰু ভালেমান মক্কেলৰ পৰা টকা চুৰ কৰিছে, আনকি বেট্‌ছৰ পৰাও। হিপে সকলো অভিযোগ স্বীকাৰ কৰি টকাবোৰ ঘূৰাই দিলে আৰু উইক্‌ফিল্ডৰ ব্যৱসায় এৰি গুচি গ'ল। ঘৰলৈ ঘূৰি আহি দেখিলে যে ডোৰা অসুস্থ। এই অসুখতে ডোৰাৰ মৃত্যু হ'ল।

ডোৰাৰ মৃত্যুৰ পিছত ডেভিদ চুইজাৰলেণ্ডলৈ গ'ল আৰু তাত এখন উপন্যাস লেখিলে। এই উপন্যাসে ডেভিদক বিখ্যাত কৰি তুলিলে। পত্নীশোক কিছু পাতল হোৱাত সি পুনৰ এদিন লণ্ডনলৈ উভতি আহিল।

ডোভাৰত মামীয়েক বেট্‌ছিৰ ঘৰত সি থাকিবলৈ ল'লে। ইয়াতেই এগ্‌নিছ উইকফিল্ডৰ সৈতে ডেভিদৰ বিয়া হ'ল। থূলমূল ভাবে এইখিনিয়েই ডেভিদ কপাৰফিল্ডৰ' কাহিনী। কিন্তু ইয়াৰ বৰ্ণনাত ডিকেন্সে যি কুশলতাৰ পৰিচয় দিছে, তাতেই প্ৰকাশ পাইছে ঔপন্যাসিক হিছাপে তেওঁৰ পৰ্যবেক্ষণ ক্ষমতা আৰু ভাষাৰ ওপৰত অসামান্য দখল। ডেভিদৰ চৰিত্ৰ বিশ্লেষণত তেওঁ মন-প্ৰাণ সঁপি দিছিল আৰু সেয়েই হৈ উঠিছে এক- পূৰ্ণাঙ্গ চৰিত্ৰ। অ'ত ত'ত দুই এক বিচ্যুতি থাকিলেও, উপন্যসখনত ফুটি উঠা মানবীয় অনুভূতিৰ কাৰণে ই বিশ্ব-সাহিত্যৰ এখন অনুপম উপন্যাসৰূপে পৰিগণিত হৈছে। ডিকেন্সৰ অন্তৰভৰা সহানুভূতি আৰু গভীৰ মানৱতাবোধে তেওঁৰ কৰুণ মধুৰ ৰচনা কৰি তুলিছে বিশ্বসাহিত্যত অনুপম কীৰ্ত্তি।

গি দ্য মোপাছাঁৰ পিয়েৰ এট্ জাঁ

(৪৭)

গি দ্য মোপাছাঁ বিশ্ব সাহিত্যৰ সৰ্বকালৰ অন্যতম শ্ৰেষ্ঠ চুটি গল্প লেখক। বিষয়বস্তুৰ বৈচিত্ৰ্য, চৰিত্ৰ-অংকনৰ দক্ষতা আৰু ৰচনা-ৰীতিৰ প্ৰসাদগুণে তেওঁৰ গল্পবোৰ আকৰ্ষণীয় কৰি তোলাৰ উপৰিও মানব-জীৱনৰ যিবোৰ সত্য তাত প্ৰকাশ পাইছে, তাৰ বাবেও মোপাছাঁই সাহিত্য-জগতত এখন সুকীয়া আসন লাভ কৰিছে।

মোপাছাঁ আছিল জীৱনৰ পৰ্যবেক্ষক। জীৱনক যেনেদৰে দেখিছিল, তেনেদৰেই তেওঁ উপস্থাপন কৰিছিল। সাহিত্যত এই ৰীতিক বোলা হয় বিচাৰমূলক বাস্তৱতা(Objective realism)।মোপাছাঁই কৈছিল যে লেখকে বিশ্বস্তভাৱে জীৱনৰ সত্য প্ৰকাশ কৰিব লাগে, ৰোমাণ্টিকসকলৰ দৰে সত্যৰ ওপৰত ৰহণ সানিব নালাগে।

সাহিত্যত সুসংহত নিটোল ৰীতিৰ উদ্গাতা মোপাছাঁৰ নিজৰ জীৱনটো আছিল বিশৃংখলাৰে পৰিপূৰ্ণ। ১৮৫০ চনত তেওঁ জন্ম গ্ৰহণ কৰে আৰু স্কুলীয়া শিক্ষাৰ শেষত পেৰিছত নৌ-বিভাগৰ মন্ত্ৰীদপ্তৰত কেৰাণীৰ কামত সোমায়। ১৮৭৫ চনত তেওঁ তেওঁৰ প্ৰথম গল্পটো লেখে। কিন্তু সৰহখিনি আজৰি সময়, তেওঁ বন্ধু-বান্ধৱৰ সৈতে চিয়েন নদীত নাও বাই, সুৰাপান কৰিছিল আৰু বেশ্যাৰ সংসৰ্গত কটাইছিল। ১৮৮০ চনত চৰকাৰী কাম ইস্তফা দি মোপাছাঁই সাহিত্যকে জীৱিকা হিছাপে গ্ৰহণ কৰে। দৈনিক কাকত আলোচনী আদিত অসংখ্য লেখা প্ৰকাশ কৰাৰ উপৰিও এই সময়ছোৱাত তেওঁ কেবাটাও উল্লেখযোগ্য চুটি গল্প প্ৰকাশ কৰি খ্যাতিমান হয়। ১৮৮৪ চনত তেওঁ নৰ্মাণ্ডিত বসবাস কৰিবলৈ লয়। ১৮৮৯ চনৰ পৰা তেওঁৰ লেখা হ্ৰাস পাবলৈ ধৰে, কাৰণ এই সময়ত তেওঁ তেতিয়াৰ দুৰাৰোগ্য উপদংশ ৰোগত আক্ৰান্ত হয়। ১৮৯৩ চনৰ জুলাইত এই ৰোগতে তেওঁৰ মৃত্যু হয়। এবাৰ বছৰীয়া সাহিত্যিক জীৱনত তেওঁ প্ৰায় ২৫০ টা চুটি গল্প আৰু ৬খন উপন্যাস লেখে। ১৮৮৮

চনত ৰচনা কৰা 'পিয়েৰ আৰু জাঁ' উপন্যাসখনক মোপাছাঁৰ সৰ্বশ্ৰেষ্ঠ উপন্যাস বুলি গণ্য কৰা হয়।

লে হেভাৰ বন্দৰৰ পটভূমিত 'পিয়েৰ আৰু জাঁ' উপন্যাসৰ কাহিনী আৰম্ভ হৈছে। মঁছিয়ে ৰোলাঁ, তেওঁৰ পত্নী, তেওঁলোকৰ ডাঙৰ পুতেক পিয়েৰ, সৰু পুতেক জাঁ আৰু চুবুৰীয়া বিধবা মেডাম ৰোজমিলি - এওঁলোকেই উপন্যাসৰ প্ৰধান কুশীলব। মঁছিয়ে ৰোঁলা কামৰপৰা অৱসৰপ্ৰাপ্ত সোণাৰী, মেডাম ৰোঁলা অনুভূতিপ্ৰৱণ মহিলা; পিয়েৰ অস্থিৰ চিত্তৰ আৰু কল্পনাপ্ৰিয়- অলপ দিনৰ আগতে সি ডাক্তৰী পাছ কৰিছে, জাঁ প্ৰস্তুত হৈছে ওকালতি ব্যৱসায় আৰম্ভ কৰিবলৈ, মেডাম ৰোজমিলি বিধবা যদিও সুন্দৰী তৰুণী- তাইক কেন্দ্ৰ কৰি পিয়েৰ আৰু জাঁৰ পৰস্পৰৰ মাজত গোপন ঈৰ্ষাৰ জন্ম হৈছে। উপন্যাসৰ আৰম্ভণিতে এওঁলোক- আটায়ে মাছ মাৰিবলৈ যোৱাৰ দৃশ্য দেখা যায়।

সেইদিনাই গধুলি ৰোঁলা পৰিয়াললৈ এটা আশ্চৰ্যজনক বাতৰি আহিল: পৰিয়ালৰ পুৰণি বন্ধু পেৰিছৰ জনৈক মঁছিয়ে মেয়াৰচালৰ মৃত্যু হৈছে আৰু তেওঁ তেওঁৰ বিপুল পৰিমাণৰ সঞ্চিত ধন জাঁক দান কৰি গৈছে। মঁছিয়ে ৰোলাঁই এই বাতৰিত সহজ- সৰলভাৱে আনন্দিত হ'ল। মেডাম ৰোলাঁই মাথোন ক'লে: 'মঁছিয়ে মেয়াৰচালে আমাক যে কিমান গভীৰভাৱে ভাল পাইছিল, এয়া তাৰেই নিদৰ্শন।' কিন্তু পিয়েৰৰ মনত বহুদিনৰ পৰা এটা সন্দেহ জাগিছিল যে তাৰ ভায়েক জাঁ প্ৰকৃততে দেউতাকৰ ঔৰসত জন্মা সন্তান নহয়। সেয়ে সি দেউতাকক স্বাভাৱিক ঔৎসুক্যবশত: সুধিলে: 'আপুনি এই মেয়াৰচালক খুব ভালদৰে জানিছিল নে?' মঁছিয়ে ৰোলাঁই উচ্ছাস ভৰা কণ্ঠেৰে উত্তৰ দিলে- এৰা, নিশ্চয়। মেয়াৰচালে পিয়েৰ আৰু জাঁক ল'ৰালিকালত বৰ মৰম কৰিছিল; জাঁ জন্মাৰ সময়ত তেওঁ ৰোলাঁহঁতৰ ঘৰতেই আছিল আৰু নিজেই গৈ ডাক্তৰ আনিছিল; গতিকে মৃত্যুৰ আগে আগে তেওঁ সম্ভৱত: এইদৰে ভাবিছিল: 'মই জাঁৰ জন্মৰ সময়ত সহায় কৰিছিলোঁ, গতিকে মোৰ সম্পত্তি তাকেই দান কৰি যাওঁ।' -'মঁছিয়ে ৰোলাঁই কোৱা এই কথাবোৰ পুতেকহঁতে বিশ্বাস কৰিলে। কিন্তু পুতেকহঁত ক'ৰবালৈ ওলাই যোৱাৰ আৰু মঁছিয়ে ৰোলাই ওপৰ মহলালৈ গৈ বিছনাত বিশ্ৰাম লোৱাৰ পিছত মেডাম ৰোলাঁ তলৰ মহলাতে অকলে বহি থাকিল, মেজৰ ওপৰতে ৰুলি

থকা চাকিটোলৈ একেথৰে চাই তেওঁ যেন সপোন দেখিবলৈ ধৰিলে।..

এইদৰেই উপন্যাসৰ প্ৰথম অধ্যায় শেষ হৈছে। এতিয়াৰ পৰা পিয়েৰৰ মনত এক অস্বস্তিকৰ অনুভূতিৰ উদয় হ'বলৈ ধৰিলে।

লে হেভাৰৰ সাগৰৰ পাৰত অস্থিৰ পদ-চালনা কৰি কৰি পিয়েৰে প্ৰথমে ভায়েক জাঁৰ প্ৰতি থকা তাৰ ঈৰ্ষাৰ পৰাই কেতবোৰ আচহুৱা চিন্তাই তাৰ মনত ঠাই পাইছে। কিন্তু পিছত তাৰ পোলেণ্ডৰ পৰা ভগনীয়া হিচাপে আহি ফাৰ্মাচিষ্টৰ কাম কৰি থকা বন্ধু এজনে তাৰ মনত পুনৰ সন্দেহ জগালে। সি পিয়েৰক ক'লে যে দৰাচলতে এনেকুৱা দানৰ দ্বাৰা প্ৰকৃততে দুয়ো ভাই-ককাই উপকৃত হোৱা উচিত, কাৰণ কেৱল এজনক দান দিলে মানুহৰ মনত বেয়া ধাৰণাৰ সৃষ্টি হ'ব পাৰে। পিছদিনা পিয়েৰ ব্যস্ত থাকিল ডাক্তৰী ব্যৱসায় আৰম্ভ কৰিবলৈ ঘৰ বিচৰা কামত; কিন্তু এখন কাফে'ৰ এজনী পৰিচাৰিকাৰ মন্তব্যই তাৰ মনত পুনৰ খেলি-মেলিৰ সৃষ্টি কৰিলে। জাঁৰ সৌভাগ্যৰ কথা শুনি তাই ৰহস্যপূৰ্ণ ধৰণে হাঁহি মাৰি ক'লে, 'এৰা, এনেকুৱা বন্ধু থকা কাৰণে আপোনাৰ ভায়েক বৰ সৌভাগ্যবান। সি যে আপোনাৰ দৰে নহয়, তাত আচৰিত হ'বলগীয়া একো নাই।' পিয়েৰে প্ৰথমে এই শ্লেষপূৰ্ণ কথালৈ আওকাণ কৰিলে; সি ভাবিলে যে মাকৰ সন্মান ৰক্ষাৰ খাতিৰত সি তাৰ ভায়েকক দান গ্ৰহণ নকৰিবলৈ ক'ব। কিন্তু সেইদিনা ঘৰত অভাৱনীয় দান পোৱাৰ ঘটনাত আনন্দ কৰিবলৈ এটা ভোজৰ অনুষ্ঠান পতা হৈছিল আৰু তালৈ ওচৰ-চুবুৰীয়াসকল আহিছিল বাবে পিয়েৰে ভায়েকৰ সৈতে কথা-পতাৰ সুযোগ নাপালে। ভোজমেলৰ সুৰাপান আৰু হাঁহি ধেমালিৰ মাজত থাকিও তাৰ মনৰ গভীৰত অসন্তুষ্টি জাগি ৰ'ল।

পিছদিনা পিয়েৰে জোৰ কৰি নিজৰ মনৰ পৰা সন্দেহৰ ভাৱবোৰ দূৰ কৰিলে। কিন্তু এটা ঘটনাই পুনৰ তাক উত্তেজিত কৰিলে। সি ডাক্তৰী ব্যৱসায়ৰ কাৰণে যিটো ঘৰ ভাবালৈ লবলৈ পছন্দ কৰিও সামৰ্থৰ অভাৱত লব পৰা নাছিল, সেই ঘৰটো নতুনকৈ হঠাতে ধনী হোৱা ভায়েক জাঁই ইতিমধ্যে লোৱা বুলি গম পোৱাত পিয়েৰ আক্ৰোশত মনে মনে জ্বলি উঠিল আৰু লগে লগে মৃত মেয়াৰচালৰ সৈতে মাক-বাপেকৰ বন্ধুত্বৰ বিষয়লৈ গভীৰ অনুসন্ধান চলোৱাৰ ইচ্ছা তাৰ মনত জাগিল। কেনেকৈ মেয়াৰচালৰ লগত

মাক-দেউতাকৰ পৰিচয় হৈছিল আৰু কেতিয়া হৈছিল? সি নিজকে প্ৰশ্ন কৰিলে। বাপেকক সোধাত বাপেকে দিয়া উত্তৰে তাৰ মনত সন্দেহ বেছিকৈহে বঢ়ালে। বাপেকে কৈছিল যে পিয়েৰৰ তিনি বছৰ বয়সতে তেওঁলোকৰ মেয়াৰচালৰ সৈতে পৰিচয় হৈছিল। সেইসময়ত পিয়েৰৰ টান নৰিয়া হোৱাত তেওঁ তেওঁলোকক বৰ সহায় কৰিছিল আৰু এইদৰেই অন্তৰংগতা গঢ়ি উঠিছিল। জাঁ তেতিয়া জন্মাই নাছিল। পিয়েৰে আৰোগ্য লাভ কৰাত মেয়াৰচাল বৰ আনন্দিত হৈছিল আৰু তাক মৰম কৰিছিল। পিয়েৰে ভাবিলে এইবোৰ সত্ত্বেও মেয়াৰচালে সকলো সম্পত্তি জাঁক দি গ'ল কিয়?

এই প্ৰশ্নৰ দ্বাৰাতাড়িত হৈ পিয়েৰ সাগৰৰ পাৰলৈ গ'ল আৰু ঘন কুঁৱলীৰ মাজেৰে পদচাৰণা কৰিবলৈ ধৰিলে। বাহিৰৰ কুঁৱলী আৰু তাৰ মনৰ চিন্তাৰ কুঁৱলী যেন একাকাৰ হ'ল। সি এটা প্ৰশ্নৰে উত্তৰ পাবলৈ চেষ্টা কৰিলে; জাঁ মেয়াৰচালৰ সন্তান আছিল নেকি? তাৰ মনত মেয়াৰচালৰ মূৰ্তি ভাঁহি উঠিল। মেয়াৰচালৰ দৰে এজন চৌখিন আৰু শিক্ষিত লোক তাৰ বাপেক ৰোঁলাৰ দৰে এজন সাধাৰণ লোকৰ সন্তান কেতিয়াও হ'ব নোৱাৰে বুলি এতিয়া সি ভাবিলে।

তাৰ মনত পৰিল যে মেয়াৰচালে মাকক প্ৰায়েই গোলাপফুল উপহাৰ দিছিল, তেওঁ দেখিবলৈ জাঁৰ দৰেই আছিল; সিহঁতৰ ঘৰত তেওঁৰ এখন সৰু ফটো আছিল। ফটোখন বাৰু এতিয়া ক'ত আছে? তাৰ মাকে লুকুৱাই ৰাখিছে নেকি? এই চিন্তাবোৰে তাৰ মনত এক অব্যক্ত আৰ্তনাদৰ সৃষ্টি কৰিলে আৰু ঠিক সেই মুহূৰ্ততে বন্দৰত বাজি উঠা ছাইৰেণৰ উকিয়ে যে তাৰ সেই আৰ্তনাদকে জীৱন্ত কৰি তুলিলে।

পিছদিনা দোকমোকালিতে উঠি পিয়েৰ তাৰ ভায়েকৰ কোঠালৈ গ'ল আৰু নিদ্ৰিত ভায়েকৰ মুখলৈ চাই ৰ'ল। সি পৰ্যবেক্ষণ কৰি দেখিলে যে মঁছিয়ে ৰোঁলাৰ মুখৰ সৈতে ভায়েকৰ মুখৰ মুঠেও সাদৃশ্য নাই। পিছত সি মাকক মেয়াৰচালৰ।ফটোখনৰ বিষয়ে সোধাত মাকে প্ৰথমে হেহো নেহো কৰি শেষত সেইখন তেওঁৰ দেৰাজত থাকিব পাৰে বুলি ক'লে। সেইদিনাই গধূলি মেডাম ৰোঁলাই পুতেকক ফটোখন দেখুৱালে। ফটোখন চাই পিয়েৰে তৎক্ষণাত মেয়াৰচাল আৰু জাঁৰ সাদৃশ্য থকাটো আবিষ্কাৰ কৰিব পাৰিলে

যদিও মাকৰ মনত উদ্বিগ্নতা সৃষ্টি কৰিবলৈ বহু সময় একেথৰে ফটোখন নিৰীক্ষণ কৰি থাকিল। সেইদিনাৰ পৰা মাক আৰু পুতেকৰ মাজত এক অদৃশ্য সংগ্ৰাম চলিবলৈ ধৰিলে, দুয়ো দুয়োলৈ সন্দেহৰ চকুৰে চাবলৈ আৰম্ভ কৰিলে আৰু পৰস্পৰে পৰস্পৰৰ মনৰ ভাব আন্দাজ কৰিবলৈ যত্নপৰ হ'ল।

ইয়াৰ পিছৰ দিনবোৰত এই সংগ্ৰাম চলি থাকিল। মনৰ বেদনাত মেডাম বোঁলাই অসুস্থ অনুভৱ কৰিলে; কিন্তু পিয়েৰে তেওঁক সন্দিগ্ধ চাৱনিৰে চাবলৈ নেৰিলে। এনে উদ্বেগপূৰ্ণ পৰিস্থিতিৰ মাজতে বোঁলা পৰিয়াল এদিন সাগৰৰ উপকূল অঞ্চললৈ ফুৰিবলৈ গ'ল আৰু তাতেই জাঁ আৰু মেডাম ৰোজমিলিৰ মাজত বিয়াৰ বাবে বাক্‌দান- অনুষ্ঠান সম্পন্ন হ'ল। তাৰ পিছত জাঁই নতুন ঘৰ লোৱা উপলক্ষে জাঁৰ নতুন ঘৰত খোৱা বোৱা হ'ল। তাতে বৈঠকখানাত এটা সময়ত পিয়েৰ আৰু জাঁই পৰস্পৰে পৰস্পৰক অকলশৰে লগ পালে। দুয়োৰে তৰ্ক-বিতৰ্কই শেষত কাজিয়াৰ ৰূপ ল'লে। মঁছিয়ে বোঁলাৰ পুত্ৰ হৈ মেয়াৰচালৰ দান গ্ৰহণ কৰা বাবে পিয়েৰে জাঁক কটু কথা শুনালে। ককায়েকৰ কথাত জাঁ বৰ আচৰিত হ'ল। কিন্তু খঙৰ ভমকত পিয়াৰে তাৰ মনত ইমান দিনে জাগি থকা সন্দেহৰ কথা পোনপটীয়াকৈ ব্যক্ত কৰি ওলাই গুচি গ'ল। ওচৰৰ আন এটা কোঠালিত বহি মাকে সকলোবোৰ কথাকে শুনি আছিল। পিয়েৰে কোৱা আটাইবোৰ কথাই সঁচা। মেডাম বোঁলা মূৰ্চ্ছিত হৈ পৰিল। কিন্তু জাঁই তেওঁক শুশ্ৰূষা কৰিলে আৰু মাক গুচি যাব খোজাত যাবলৈ নিদি নিজৰ লগত ৰাখিলে। সকলো কথা পৰিয়ালৰ মাজত আলোচনাৰ পিছত ঠিক কৰা হ'ল যে পিয়েৰক পৰিয়ালৰ পৰা আঁতৰাই ৰখা হ'ব।

সকলো ভুল বুজাবুজিৰ অন্ত পৰাত আটাইৰে মনলৈ শান্তি আহিল। পিয়েৰে জাহাজৰ ডাক্তৰৰ চাকৰি লৈ গুচি যোৱাৰ সিদ্ধান্ত ল'লে। সি বিদায় লোৱাৰ প্ৰস্তুতি চলাই চহৰৰ বন্ধু-বান্ধৱক মাত লগালে। কিন্তু সি তেতিয়ালৈকে মাকে তাৰ অভিযোগ স্বীকাৰ কৰিছে নে নাই গম পোৱা নাছিল। অৱশ্যে এতিয়া তাৰ আৰু মাকৰ মাজত আগৰ দৰে সন্দেহৰ ভাৱ নাই- মাত্ৰ তাৰ মনত কিছু অসন্তোষৰ চিন আৰু মাকৰ মনত বিষন্নতাৰ চিন আছে। মাকে তাক ভাল পায়, কিন্তু তেওঁ জানে যে পিয়েৰ আৰু তেওঁলোকৰ সৈতে নাথাকিব। পিয়েৰ যাবৰ দিনা পৰিয়ালৰ আটাইকেইজন গৈ জাহাজৰ কেবিনত তাক

বিদায় সম্ভাষণ জনাবলৈ উপস্থিত হ'ল। এইকেইদিনৰ ভিতৰতে মেডাম বোঁলাৰ আটাইবোৰ চুলি সম্পূৰ্ণৰূপে পকি বগা হৈছে। পিয়েৰে কেবিনত বিৰাজ কৰা নীৰৱতা ভংগ কৰাৰ উদ্দেশ্যে তাৰ বাকচত থকা তাৰ দৰৱৰ গুণাগুণ সম্পৰ্কে কিবা কিবি ক'বলৈ ধৰিলে। ইতিমধ্যে পৰিয়ালত ঘটা ঘটনাৱলী সম্পৰ্কে মঁছিয়ে বোঁলাই একোকে জনা নাছিল। তেওঁ প্ৰস্তাৱ দিলে যে আটাইবোৰে এখন সৰু নাৱত উঠি সাগৰৰ মাজলৈ কিছুদূৰ গৈ পিয়েৰক বিদায় দিব। তেওঁ ঘটনাবোৰৰ বিষয়ে নজনা কাৰণে পিয়েৰৰ চাকৰি কৰিবলৈ যোৱাত স্বাভাৱিক বুলি ভাবি আনন্দহে কৰিছিল। যি নহওক, সেই মতেই কৰা হ'ল। জাহাজে বন্দৰ এৰাৰ পিছত বোঁলা পৰিয়ালৰ নাৱো কিছুদূৰ আগবাঢ়ি গ'ল। পিয়েৰে জাহাজৰ ডকৰ পৰা হাত দাঙি পুতেকক বিদায় সম্ভাষণ জনালে। জাহাজ লাহে লাহে দূৰলৈ আঁতৰি গ'ল।বোঁলা পৰিয়ালৰ নাৱো পাৰলৈ ঘূৰি আহিল। পাৰত থিয় হৈ মেডাম বোঁলাই দেখিলে যে জাহাজখন একেবাৰে নেদেখা হ'ল। এইদৰে মেডাম বোঁলা বৈ গ'ল তেওঁৰ অপৰাধবোধ আৰু যন্ত্ৰণাবোধৰ সৈতে, জাঁ ৰ'ল তাৰ দানত পোৱা সম্পত্তিৰ সৈতে, মঁছিয়ে বোঁলা ৰ'ল তেওঁৰ কাল্পনিক সুখৰ সৈতে- কেৱল নিৰ্দোষী পিয়েৰ গুচি যাব লগা হ'ল আনসকলৰ শান্তিৰ কাৰণে।

মোপাচাঁৰ কাহিনী যাউতিযুগীয়া হৈ ৰ'ল তাৰ সৌকুমাৰ্যৰ কাৰণে। পৃথিৱীৰ বহুত লেখকৰ বাবেই তেওঁ পথ-প্ৰদৰ্শক হৈ ৰ'ল।

জন ষ্টুৱাৰ্ট মিলৰ অন লিবাৰ্টি

(৪৮)

প্ৰায় ১৮৫৯ চনলৈ বেছিভাগ মানুহৰ মনত স্বাধীনতাৰ অৰ্থ আছিল ৰাজনৈতিক অত্যাচাৰ পীড়নৰ পৰা মুক্ত। কিন্তু উল্লেখিত সময়ৰ পৰা স্বাধীনতা শব্দটোৱে বুদ্ধিজীৱীসকলৰ মনত তাতকৈ গভীৰ ব্যঞ্জনাৰ সৃষ্টি কৰিবলৈ ধৰে। জন ষ্টুৱাৰ্ট মিলৰ দ্বাৰা ৰচিত 'অন লিবাৰ্টি' (স্বাধীনতাৰ সন্দৰ্ভত) নামৰ এখন ক্ষুদ্ৰ কলেৱৰৰ গ্ৰন্থই স্বাধীনতাৰ অৰ্থৰ ৰূপান্তৰ অনাত প্ৰভূত ৰৰগুণি যোগালে। ১৮৫৯ চনত 'অন লিবাৰ্টি' প্ৰকাশ পায়।

১৮০৬ চনত জন ষ্টুৱাৰ্ট মিলে জন্ম গ্ৰহণ কৰে। তেওঁৰ দেউতাক জেমছ মিল আছিল উইটিলিটেৰিয়ান (উপযোগিতাবাদী) দৰ্শনৰ এজন প্ৰখ্যাত প্ৰবক্তা। জেমছ মিলে পুতেকক কোনো স্কুল-কলেজ বা বিশ্ববিদ্যালয়লৈ নপঠিয়াই নিজে ঘৰতে শিক্ষা দিছিল। তিনিবছৰ বয়সৰ পৰা জনে গ্ৰীক ভাষা শিকিবলৈ লৈছিল। তাৰ পিছত ক্ৰমে তেওঁ অংক, ইতিহাস, আৰু লেটিন ভাষা সম্পৰ্কে জ্ঞান আহৰণ কৰিবলৈ আৰম্ভ কৰিছিল। দেউতাকৰ প্ৰভাৱত তেওঁ ইষ্ট ইণ্ডিয়া কোম্পানীৰ লণ্ডনস্থ মুখ্য কাৰ্যালয়ত কেৰাণী কামত মকৰল হয় আৰু ১৮৫৮ চনত অৱসৰ গ্ৰহণৰ সময়লৈ আমোলা হিছাপে জীৱন কটায়। কামৰ হেঁচা বৰ বেছি নথকাত জন ষ্টুৱাৰ্ট মিলে অধ্যয়নৰ বাবে যথেষ্ট সময় পাইছিল। তেওঁ লেখা তৰ্কশাস্ত্ৰ আৰু অৰ্থনীতি বিষয়ক গ্ৰন্থই পণ্ডিত মণ্ডলীৰ সমাদৰ লাভ কৰিছিল। উপযোগিতাবাদী দৰ্শনৰ ওপৰতো তেওঁ এখন কিতাপ লেখিছিল। এইবোৰ গ্ৰন্থ আৰু 'অন লিবাৰ্টি' গ্ৰন্থ লেখাত তেওঁক সহায় কৰিছিল মিছেছ হেৰিয়েট টেইলৰ নামৰ এগৰাকী মহিলাই। হেৰিয়েট আছিল অসাধাৰণ বুদ্ধিসম্পন্না মহিলা। প্ৰায় কুৰি বছৰ ধৰি জন আৰু হেৰিয়টৰ মাজত দেহজ কামনা বিহীন প্ৰেম বিৰাজ কৰিছিল। হেৰিয়টৰ গিৰিয়েকৰ মৃত্যুৰ পিছত ১৮৫১ চনত জনে তেওঁক বিয়া কৰাইছিল। ১৮৫৮ চনত যক্ষ্মা ৰোগত হেৰিয়টৰ মৃত্যু হয়।

জন ষ্টুৱাৰ্ট মিলে তেওঁৰ আত্মজীৱনীত হেৰিয়টৰ প্ৰতি গভীৰ প্ৰেম আৰু

প্ৰস্তাৱ কথা ব্যক্ত কৰিছে। 'অন লিবাৰ্টি' গ্ৰন্থ উৎসৰ্গিত হৈছিল হেৰিয়টৰ স্মৃতিত।

স্বাধীনতাৰ ধাৰণাত মিলে এক নতুন মাত্ৰাৰ সংযোজন ঘটাইছিল। কেৱল ৰাজনৈতিক স্বাধীনতাক লৈ তেওঁ ব্যস্ত নাছিল। উনৈশ শতিকাৰ মাজভাগত ইংলেণ্ডত ৰাজনৈতিক স্বাধীনতা পূৰ্ণ মাত্ৰাত বিৰাজ কৰিছিল বুলিব পাৰি। তথাপি তাত এক ধৰণৰ উৎপীড়ন অব্যাহত আছিল।উৎপীড়ন হ'ল 'সংখ্যা গৰিষ্ঠতাৰ উৎপীড়ন' (tyranny of majority) শ্ৰেণী-স্বাৰ্থ, বৃত্তিজীৱীৰস্বাৰ্থ, সামাজিক ৰীতিনীতি আচাৰ ব্যৱহাৰৰ স্বাৰ্থ আৰু প্ৰচলিত অন্ধ বিশ্বাসৰ স্বাৰ্থৰ ধাৰক বাহক সংখ্যাগৰিষ্ঠ সকলৰ পৰোক্ষ উৎপীড়ন সমাজত কায়েম হৈ আছিল। এনেবোৰ উৎপীড়নৰ বিৰুদ্ধে মিলে তেওঁৰ লেখনী চলাইছিল। তেওঁৰ লেখাৰ মাজত পৰিস্ফুট হৈ উঠিছিল এটা প্ৰজন্মৰ নব্য বুদ্ধিজীৱী বৃন্দৰ অগ্ৰণী এজন বুদ্ধিজীৱীৰ স্বাধীন চিন্তা।

'অন লিবাৰ্টি'ৰ মূল প্ৰতিপাদ্য বিষয় হ'ল মানুহে কেৱল আত্মৰক্ষাৰ বাবেহে ব্যক্তিগতভাবে বা সামূহিকভাবে আনৰ স্বাধীনতাৰ ওপৰত হস্তক্ষেপ কৰিব পাৰে, এজন মানুহৰ ইচ্ছাৰ বিৰুদ্ধে তেওঁৰ স্বাধীনতাত হস্তক্ষেপ কৰিব পাৰি তেতিয়াহে যেতিয়া তেওঁৰ স্বাধীনতাই আনক অনিষ্ট কৰিবলৈ উদ্যত হয়। কোনো এজন মানুহৰ কামে যেতিয়া আনৰ বাধা জন্মায় তেতিয়াহে তেওঁ সমাজৰ ওচৰত কৈফিয়ৎ দিব লগা হোৱা অৱস্থাত পৰে। যেতিয়ালৈ তেওঁৰ কামে তেওঁৰ বাহিৰে আন কাৰো কামত ব্যাঘাত বা প্ৰতিক্ৰিয়াৰ সৃষ্টি নকৰে, তেতিয়ালৈ সেই কাম কৰাৰ সম্পূৰ্ণ স্বাধীনতা তেওঁৰ থাকে। নিজৰ ওপৰত, নিজৰ দেহ আৰু মনৰ ওপৰত, ব্যক্তিয়েই সাৰ্বভৌম ক্ষমতাৰ অধিকাৰী।

অৱশ্যে মিলে এই সাধাৰণ সূত্ৰত কেতবোৰ ব্যতিক্ৰমো ৰাখিছে। তেওঁৰ সূত্ৰ বুদ্ধিবৃত্তিত প্ৰাপ্তবয়স্ক লোকৰ ওপৰতহে প্ৰযোজ্য, শিশু আৰু চেঙেলীয়া আৰু অনুন্নত জাতিৰ ওপৰত ই প্ৰযোজ্য নহয়। সেয়ে 'অন লিবাৰ্টি' গ্ৰন্থৰ আলোচনাত এইখিনি মনত ৰখাৰ প্ৰয়োজন।

বিবেকৰ স্বাধীনতা, চিন্তা আৰু অনুভূতিৰ স্বাধীনতা আৰু মতামতৰ স্বাধীনতা হ'ল মানুহৰ স্বাধীনতাৰ আৱশ্যকীয় ক্ষেত্ৰ। এইবোৰৰ সৈতে প্ৰকাশৰ স্বাধীনতাৰ সম্পৰ্ক অবিচ্ছেদ্য। সমাজৰ অন্যান্য সকলৰ সমুখত প্ৰতিবন্ধকৰ

সৃষ্টি নকৰাকৈ নিজৰ মতে জীৱন নিৰ্বাহ কৰাৰ স্বাধীনতা আৰু আনৰ অন্যায় কৰাৰ বা আনক প্ৰতাৰণা কৰাৰ উদ্দেশ্য নহয় আন যি কোনো উদ্দেশ্য সন্মিলিত হোৱাৰ স্বাধীনতাও মানুহৰ বাবে অপৰিহাৰ্য। 'যি সমাজত এই স্বাধীনতাবোৰ মানি লোৱা নহয়, সেই সমাজ মুক্ত সমাজ নহয়— তেহেঁলে তাত যি ধৰণৰেই চৰকাৰ নাথাকক কিয়। আনৰ অনিষ্ট নকৰাকৈ বা আনৰ স্বাৰ্থ হানি নকৰাকৈ নিজৰ মংগলৰ বাট নিজে বিচাৰি লোৱাৰ স্বাধীনতাই হ'ল প্ৰকৃত স্বাধীনতা'- মিলে এই বুলি ঘোষণা কৰিছে।

চিন্তা আৰু আলোচনাৰ স্বাধীনতাৰ প্ৰসংগত মিলে কৈছে যে জনসাধাৰণে নিৰ্বাচিত কৰা চৰকাৰে জনসাধাৰণৰ ইচ্ছাৰ প্ৰতিনিধিত্ব কৰাৰ অছিলা লৈ যদি জনসাধাৰণৰ মতামত নিয়ন্ত্ৰণ কৰিবলৈ ক্ষমতা থকা বুলি ভাবে তেন্তে সেয়া সম্পূৰ্ণ ভ্ৰান্ত ধাৰণাহে হ'ব। এনে ধৰণৰ উৎপীড়ন বা নিয়ন্ত্ৰণ কায়েম কৰাৰ অধিকাৰ জনসাধাৰণৰ নিজৰ বা জনসাধাৰণৰ দ্বাৰা নিৰ্বাচিত চৰকাৰৰ নাই।

'যদি এজনৰ বাহিৰে সমস্ত মানৱ জাতিয়ে এটা মাত্ৰ মত পোষণ কৰে, কেৱল এজনে বিপৰীত মত পোষণ কৰে, তেন্তে সেই এজনৰ মত দমন কৰাৰ অধিকাৰ যেনেকৈ মানৱ জাতিৰ থাকিব নোৱাৰে, তেনেকৈ যদি সেই এজনে ক্ষমতা পায় তেওঁৰো মানৱ জাতিৰ কণ্ঠৰোধ কৰাৰ অধিকাৰ থাকিব নোৱাৰে'[2]— মিলৰ স্বাধীনতাৰ ধাৰণাৰ ই এক প্ৰধান সূত্ৰ। মতামত প্ৰকাশৰ স্বাধীনতাক দমন কৰা কাৰ্যই বৰ্তমানৰ প্ৰজন্ম আৰু ভৱিষ্যতৰ প্ৰজন্মৰ ওপৰত।

এই ক্ষেত্ৰত তিনিটা সম্ভাৱনাৰ কথা মিলে উল্লেখ কৰিছে। প্ৰথম, কৰ্তৃপক্ষই দমন কৰিব খোজা মতটো সত্য হ'ব পাৰে। অৱশ্যে যিসকলে দমন কৰিব খোজে তেওঁলোকে তাত তেনে বুলি নাভাবিব পাৰে। ইতিহাসত এনে বহু ঘটনাৰ নজিৰ আছে যিবোৰত দেখা গৈছে যে মহৎ লোক আৰু মহৎ নীতিক আইনৰ সহায়েৰে দমন কৰা হৈছে। দ্বিতীয়, দমন কৰিব বিচৰা মতটোত কিছু ভুল থাকিলেও কিছু সত্যও থাকিব পাৰে। দমন-নীতি ল'লে এই সত্যখিনিও প্ৰকাশ হোৱাত বাধাৰ সৃষ্টি হয়। তৃতীয় মতটো সম্পূৰ্ণৰূপে সত্য হ'লেও যদি তাৰ মুক্ত প্ৰকাশত বাধা দিয়া হয় তেন্তে তাৰ সকলো ফাল বিচাৰ কৰি চোৱাত অসুবিধাৰ সৃষ্টি হোৱা সম্ভৱ, ফলত সত্যৰ বিকাশ বাধাপ্ৰাপ্ত হ'ব।

মিলৰ স্বাধীনতাৰ ধাৰণাৰ সৈতে মানৱ-ব্যক্তিত্বৰ বিকাশৰ ধাৰণা ওতঃপ্ৰোতভাৱে জড়িত। মানৱ-প্ৰকৃতি এটা বিশেষ আৰ্হিৰ অনুকৰণত তৈয়াৰ কৰিব পৰা যন্ত্ৰ নহয়, বৰং ইয়াক গছৰ সৈতে তুলনা কৰিব পাৰি। গছ যেনেকৈ মুক্ত পৰিবেশত, নিজৰ অন্তৰ্নিহিত শক্তিৰ ওপৰত ভিত্তি কৰি বৰ্দ্ধিত আৰু বিকশিত হয়, সেইদৰে মানৱ-ব্যক্তিত্বৰ বৰ্দ্ধন আৰু বিকাশৰ বাবেও স্বাধীনতাৰ পৰিৱেশৰ আৱশ্যক। তেতিয়াহে মানৱ-ব্যক্তিত্ব এক জীৱন্ত সত্বাত পৰিণত হ'ব পাৰে।

মিলৰ স্বাধীনতাৰ সূত্ৰ অনুসৰি সমাজ ব্যক্তিক যিদৰে দমন কৰাৰ পৰা বিৰত থাকিব, সেইদৰে ব্যক্তিৰো সমাজৰ প্ৰতি কৰ্তব্য আৰু দায়িত্ব থাকিব আৰু ব্যক্তিয়ে এই কৰ্তব্য আৰু দায়িত্ব যথাযথভাৱে পালন কৰিব লাগিব। মিলে তেওঁৰ নীতিবোৰ দৈনন্দিন জীৱনৰ পৰিপ্ৰেক্ষিতত উদাহৰণৰ জৰিয়তে উপস্থাপন কৰিছে। এজন মানুহে জুৱা খেলিবলৈ ভাল পায়; তেওঁ জুৱা খেলক; কিন্তু জুৱাৰ আড্ডা স্থাপন কৰাৰ অধিকাৰ তেওঁৰ থাকিব নোৱাৰে। এজন মানুহে মদ খাঁয়; তেওঁ মদ খাওক; কিন্তু মদৰ নিচাত আন মানুহৰ অনিষ্ট কৰাৰ অধিকাৰ তেওঁৰ নাই। কোনোবাই কাৰোবাৰ সৈতে ব্যভিচাৰ কৰিব খুজিলে কৰক; কিন্তু বেশ্যাৰ দালালি কৰাৰ অধিকাৰ তেওঁৰ থাকিব নোৱাৰে। এজন মানুহৰ অনিষ্টকৰ দৰৱ কিনাৰ অধিকাৰ আছে; কিন্তু কিনাৰ সময়ত দৰৱটো যে অনিষ্টকৰ, সেই কথা তেওঁক জনাই দিয়া কৰ্তব্য। ল'ৰা-ছোৱালীক শিক্ষাদানৰ ক্ষেত্ৰত পিতৃ-মাতৃক দায়বদ্ধ কৰিব লাগে, দৰাচলতে সন্তানক খাদ্য আৰু শিক্ষা দিবলৈ অপাৰগ পিতৃ-মাতৃৰ সন্তান জন্ম দিয়াৰ অধিকাৰ নাই, পিতৃ-মাতৃৰ এনে কাম নৈতিক অপৰাধ।

১৮৬৯ চনত প্ৰকাশিত 'স্ত্ৰীৰ অধীনতা' (The subjection of Women) পুস্তিকাত মিলে স্ত্ৰী-স্বাধীনতাৰ ওপৰত তেওঁৰ মতামত ব্যক্ত কৰিছে। 'অন লিবাৰ্টি' গ্ৰন্থত তেওঁ স্পষ্টভাবে কৈছে 'যে স্বামীৰ দৰে স্ত্ৰীৰো সমান অধিকাৰ থাকিব লাগিব আৰু উভয়ৰ ক্ষেত্ৰত আইন সমভাৱে প্ৰযোজ্য হ'ব লাগিব।'

'অন লিবাৰ্টি' গ্ৰন্থৰ কেতবোৰ যুক্তি আধুনিক যুগৰ প্ৰেক্ষাপটত প্ৰযোজ্য নহ'লেও, অধিকাংশৰ নবীনত্ব আজিও বৰ্তি আছে। বিশেষকৈ সাম্প্ৰতিক

কালত যিসকল শাসনৰ গাদীত আছে, তেওঁলোকৰ হাতত জনমতক নিজ ইচ্ছামতে ৰূপ দিয়াৰ যিমানবোৰ উপকৰণ আছে, তালৈ চাই মিলে স্বাধীনতাৰ সন্দৰ্ভত উচ্চাৰণ কৰা ভালেখিনি কথা শাসিত জনসাধাৰণৰ বাবে প্ৰণিধানযোগ্য হৈ আছে। আজি ৰাষ্ট্ৰ সৰ্ব-শক্তিমান শিক্ষা, সামাজিক নিৰাপত্তা, নিয়োগ, অনাতাঁৰ, দূৰদৰ্শন সকলোৰে ওপৰত ৰাষ্ট্ৰই একাধিপত্য স্থাপন কৰি জনমতক নিজৰ স্বাৰ্থৰ খাতিৰত এনেদৰে পৰিচালিত কৰিছে যে ব্যক্তি প্ৰায় অকিঞ্চিৎকৰ হৈ পৰিছে। এই পৰিপ্ৰেক্ষিতত মিলে 'অন লিবাৰ্টিৰ' শেষ অধ্যায়ত কোৱা এটা কথা স্মৰণযোগ্য: 'চৰম পৰ্যায়ত এখন ৰাষ্ট্ৰৰ যোগ্যতা নিৰ্ভৰ কৰে সেই ৰাষ্ট্ৰ গঠিত হোৱা ব্যক্তিসকলৰ যোগ্যতাৰ ওপৰত।'

ইভান টুর্গেনিভৰ পিতা-পুত্ৰ

(৪৯)

'পিতা-পুত্ৰ' (Father s & Sons) উপন্যাস ৰচনা কৰাৰ বহু আগতেই নাট্যকাৰ আৰু কবি হিছাপে ইভান টুৰ্গেনিভে খ্যাতি অৰ্জন কৰিছিল যদিও এই উপন্যাসক কেন্দ্ৰ কৰি যিমান তৰ্ক-বিতৰ্কৰ সৃষ্টি হৈছিল, তেনে সম্ভৱত: কোনো উপন্যাসৰ ক্ষেত্ৰতে হোৱা নাই। টুৰ্গেনিভে নিজেই কৈছিল, 'এই উপন্যাসত ব্যৱহৃত নিহিলিষ্ট (Nihilist: নৈৰাজ্যবাদী) শব্দটো হেজাৰ হেজাৰ কণ্ঠত উচ্চাৰিত হৈছিল আৰু ই মোৰ নামত একধৰণৰ কালিমা সানিছিল; এই কালিমা চিৰস্থায়ী হৈ ৰ'ব।'

টুৰ্গেনিভ পৰিয়াল আছিল জমিদাৰ। কিন্তু ইভানৰ বাল্যকালছোৱা সুখৰ নাছিল। ইভানৰ দেউতাক আৰু মাকৰ মাজত সদ্ভাৱ নথকাত সদায় হাই-কাঁজিয়া চলিছিল। জেদৰ বশৱৰ্তী হৈ মাকে দাস-সকলৰ ওপৰত অত্যাচাৰ উৎপীড়ন চলাইছিল। এই পৰিস্থিতিত স্পৰ্শকাতৰ মনৰ ইভান সৰুৰে পৰাই অন্তৰমুখী চৰিত্ৰৰ হৈছিল আৰু পুছকিন, লাৰমণ্টভ, গোগল প্ৰভৃতি ৰুচিয়ান সাহিত্যিক তথা সমসাময়িক অন্যান্য সাহিত্যিকৰ ৰচনাৰ মাজত নিজকে ব্যাপৃত ৰাখিছিল। এইসকল সাহিত্যিকৰ নিচিনাকৈ তেৰোঁ ৰুছিয়াক গভীৰভাৱে ভাল পাইছিল আৰু ৰুছিয়াৰ প্ৰগতি কামনা কৰিছিল।

টুৰ্গেনিভে প্ৰথমে মস্কো বিশ্ববিদ্যালয়ত আৰু পিছত ছেন্ট পিটাৰ্ছ বুৰ্গ বিশ্ববিদ্যালয়ত শিক্ষা গ্ৰহণ কৰে। ১৮৩৯ চনত তেওঁ বাৰ্লিন বিশ্ববিদ্যালয়ত পঢ়িবলৈ যায়। তাত থকা দুবছৰ কালত তেওঁৰ মানসিক পৰিধি বহল হয়। পাশ্চাত্যৰ প্ৰগতিশীল ধ্যান-ধাৰণা মনত লৈ তেওঁ ৰুছিয়ালৈ উভতি আহি চিভিল চাৰ্ভিছত যোগদান কৰিলে। আমোলাতান্ত্ৰিক ব্যৱস্থাত বীতশ্ৰদ্ধ হৈ তেওঁ কেইবছৰমানৰ পিছত চিভিল ছাৰ্ভিছৰ পৰা ইস্তফা দিয়ে।

১৮৪০ দশকত টুৰ্গেনিভৰ কবিতা আৰু নাটকে প্ৰভূত সমাদৰ লাভ কৰে। ১৮৪৭ চনৰ পৰা ১৮৫২ চনৰ কালছোৱাত তেওঁৰ 'চিকাৰীৰ নক্সা'

শীৰ্ষক ৰচনাৰাজি প্ৰকাশ পায়। টুৰ্গেনিভে ইউৰোপত বিস্তৃত ভাবে ভ্ৰমণ কৰি সম সাময়িক ভালেমান ইউৰোপীয় সাহিত্যিকৰ সৈতে পৰিচিত হৈছিল।

গোগলৰ স্মৃতিৰ প্ৰতি উচ্চ প্ৰশংসাজনিত শ্ৰদ্ধা অৰ্পণ কৰি এটা প্ৰবন্ধ প্ৰকাশ কৰাত কৰ্তৃপক্ষই টুৰ্গেনিভক নিজৰ জমিদাৰীত অন্তৰীণ কৰি ৰখাৰ সময়ছোৱাত (১৯৫২ চন) তেওঁ ৰুছিয়াৰ দাস সমস্যা সম্পৰ্কে গভীৰ অধ্যয়ন কৰি দাসসকলৰ পক্ষাৱলম্বন কৰে। ক্ৰিমিয়াৰ যুদ্ধ আৰু অত্যাচাৰী জাৰ প্ৰথম নিকোলাচৰ মৃত্যুৰ পিছত দ্বিতীয় আলেকজেণ্ডাৰৰ ৰাজত্বৰ সময়ত দাস-মুক্তিৰ সন্দৰ্ভত ৰুছিয়াত যি অভূতপূৰ্ব আবেগ— উদ্দীপনাৰ সৃষ্টি হৈছিল, তাৰ অৱলম্বনত তেওঁ 'প্ৰভাতত' (on the Eve) নামৰ উপন্যাস লিখে। এই গ্ৰন্থই ৰুছিয়াৰ তৰুণ সকলৰ মাজত তেওঁক জনপ্ৰিয় কৰি তোলে।

'নতুন প্ৰজন্মৰ মুখপত্ৰ' হিচাপে জনাজাত 'ৰুচীয় দূত' (The Russian Messenger) নামৰ বাৰ্তালোচনীত ১৮৬২ চনত টুৰ্গেনিভৰ 'পিতা-পুত্ৰ' উপন্যাস প্ৰকাশ হয়। উনৈশ শতিকাৰ ষাঠিৰ দশকত ৰুচিয়াত বিয়পি পৰা উদাৰনৈতিক আন্দোলনৰ পূৰ্বাভাস এই উপন্যাসত ফুটি উঠিছিল। উপন্যাসৰ কেন্দ্ৰীয় চৰিত্ৰ বাজাৰভ হ'ল সেই সময়ৰ ৰুচিয়াৰ ৰাজনৈতিক আকাশত আৱিৰ্ভাৱ হোৱা 'নিহিলিষ্ট' নামধাৰী ভীতি— উদ্ৰেককাৰী শ্ৰেণীৰ প্ৰতিনিধি। বাজাৰভৰ সন্দৰ্ভত টুৰ্গেনিভে পিছত লেখিছিল, 'কেৱল কল্পনা অৱলম্বন কৰি নহয়, বৰং এজন জীৱন্ত মানুহৰ চৰিত্ৰ অৱলম্বন কৰিহে মই বিশিষ্টতাপূৰ্ণ চৰিত্ৰ সৃষ্টি কৰোঁ।...বাজাৰভৰ চৰিত্ৰৰ ভিত্তি আছিল এজন তৰুণ মফচলীয়া ডাক্তৰৰ ব্যক্তিত্ব। ১৮৬০ চনৰ কিছুদিন আগতে তেওঁৰ মৃত্যু হৈছিল। এই মানুহজনৰ মাজতে মই নিহিলিজম বোলা অধুনা-বিখ্যাত মতাদৰ্শৰ পূৰ্বাভাস দেখিবলৈ পাইছিলোঁ।'

বাজাৰভ আছিল অগ্ৰগামী— যি ধ্বংসলীলাত সি মতলীয়া হৈছিল সেই ধ্বংসলীলাত সি নিজেও ধ্বংস হৈছিল। প্ৰচলিত ধ্যান ধাৰণাৰ বিৰুদ্ধবাদী বাজাৰভৰ বিৰুদ্ধে অৱশেষত তাৰ অনুগামীসকলেই থিয় হৈছিল। বিজ্ঞানৰ প্ৰতি অনুৰক্ত বাজাৰভৰ দ্বন্দ্ব চলিছিল ধৰ্ম বিশ্বাসীসকলৰ সৈতে। কোনো এক বিশেষ মত বা ব্যক্তিত্ব তাৰ বিশ্বাস নাছিল, আনকি যি জনসাধাৰণৰ কাৰণে সি মনে-প্ৰাণে কাম কৰিছিল, সেই জনসাধাৰণৰ ওপৰতো তাৰ বিশ্বাস

নাছিল। সি সাহসী আছিল আৰু বিপদ-সংকুলতাৰ মাজত থাকিবলৈ ভাল পাইছিল।

একান্ত অনুৰাগী অনুগামী আৰ্কেড কিছনিভৰ সৈতে কিৰ্ছানভৰ দেউতাক নিকোলাইৰ গাঁৱৰ ঘৰত বন্ধ কটাবলৈ আহোঁতে পঢ়ুৱৈয়ে প্ৰথমবাৰৰ বাবে বাজাৰাভক লগ পায়। ক্ষীণ, ওখ, তীক্ষ্ণ চকু, মুখত অবিশ্বাসীৰ পাতল হাঁহিৰে বাজাৰভৰ ব্যক্তিত্ব আছিল আকৰ্ষণীয়। নিকোলায়ে তেওঁৰ পুতেকৰ যিকোনো বন্ধুকে অতিথি হিছাপে ৰাখিবলৈ ভাল পাইছিল, কিন্তু বাজাৰভৰ কথা কোৱাৰ ধৰণত অলপ ক্ষুণ্ণ হৈছিল। আৰ্কেডিৰ পৰা তেওঁ গম পাইছিল যে বাজাৰভে ইতিমধ্যে প্ৰাকৃতিক বিজ্ঞানত ডিগ্ৰী লৈছে আৰু পিছৰ বছৰত চিকিৎসা বিষয়ত গ্ৰেজুৱেট হোৱাৰ আশা ৰাখিছে।

নিকোলাই কিৰ্ছানভ এজন উদাৰ হৃদয়ৰ লোক, তেওঁ নিজৰ প্ৰগতিবাদী মনোভাবৰ কাৰণে গৰ্ব কৰে। তেওঁ তেওঁৰ 'মেৰিইনো' নামৰ জমিদাৰী এষ্টেটখন ইতিমধ্যে মুক্তি পোৱা দাসসকলৰ মাজত ভগাই দিছিল। মাত্ৰ চাৰি একৰ মাটি নিজৰ বাবে ৰাখি তাত ৰঙা টিনৰ চালেৰে এটা কাঠৰ ঘৰ সাজি লৈছিল। তেওঁ সাংসাৰিক বিষয়ত অনভিজ্ঞ আছিল। ফলত তেওঁৰ কেৰাণী মহৰীয়ে তেওঁক ঠগাইছিল আৰু তেওঁ লগত থকা ককায়েক পাভেলৰ পৰা আৰ্থিক সহায় লবলগীয়া হৈছিল। এইবোৰ দুশ্চিন্তাৰ উপৰিও কিছু বছৰৰ আগতে ঘৈণীয়েকৰ মৃত্যু হোৱাত নিকোলায়ে নি:সংগতা আঁতৰ কৰিবলৈ ফেনিট্‌ছকা নামৰ সাধাৰণ শ্ৰেণীৰ ছোৱালী এজনীক ৰক্ষিতা হিছাপে ৰাখিছিল আৰু তাইৰ গৰ্ভত তেওঁৰ এটা পুত্ৰ সন্তানো উপজিছিল। তেওঁ পুতেক আৰ্কেডিৰ আগত নিজৰ এই নৈতিক স্খলনৰ কথা স্বীকাৰ কৰিছিল। আৰ্কেডিয়ে দেউতাকৰ কামত সমৰ্থন কৰাত নিকোলাইৰ মন সুখী হৈছিল। প্ৰথমে তেওঁৰ বাজাৰভক সিমান ভাল লগা নাছিল যদিও, ফেনিটছকাৰ প্ৰতি তাৰ সৌজন্যমূলক আচৰণ আৰু শিশুটোৰ দাঁত গজাৰ সময়ত হোৱা অসুখত পালন কৰিবলগীয়া উপদেশ দানত তেওঁ বাজাৰভৰ প্ৰতি আকৃষ্ট হ'ল।

বাজাৰভৰ ধাৰণা হৈছিল যে নিকোলাই উদাৰচেতা। কিন্তু সি পাভেলক তাৰ প্ৰকৃত প্ৰতিদ্বন্দ্বী হিছাপে গণ্য কৰিলে। প্ৰাক্তন বিষয়া পাভেল আছিল আভিজাত্যৰ প্ৰতিমূৰ্তি আৰু আধুনিক ডেকাসকলৰ প্ৰতি আছিল তেওঁৰ বিৰাগ।

বাজাৰভৰ ওপৰত পাভেলৰ বিৰাগ জন্মিছিল আন এটা কাৰণত। ফেনিটছকাৰ প্ৰতি পাভেলে গভীৰ আকৰ্ষণ অনুভৱ কৰিছিল। পাভেলৰ ধাৰণা হৈছিল যে বাজাৰভে এই গোপন কথা কিবা উপায়ে গম পাইছিল। সেই কাৰণে তেওঁ বাজাৰভৰ আগত প্ৰতিক্ৰিয়াশীল মন্তব্যবোৰ ডাঙৰ ডাঙৰকৈ উচ্চাৰণ কৰিছিল। বাজাৰভ পাভেলৰ সৈতে তৰ্ক-যুদ্ধত অৱতীৰ্ণ হৈছিল আৰু তাৰ নৈৰাজ্যবাদী ভাৱ-ধাৰা প্ৰকাশ কৰিছিল। তৰ্ক-বিতৰ্কৰ ফলত পৰিবেশ তপত হৈ উঠিছিল। নিকোলায়ে এইবোৰ ভাল পোৱা নাছিল, সেয়ে যেতিয়া এদিন বাজাৰভে কলে যে সি ষাঠি মাইল আঁতৰৰ গাঁৱত থকা তাৰ মাক-দেউতাকক দেখা কৰিবলৈ যাব, তেতিয়া নিকোলায়ে সকাহ পালে। আৰ্কেডিও বাজাৰভৰ লগত ওলাল; সি যাব বাজাৰভৰ গাঁৱলৈ যোৱা বাটত থকা এখন চহৰলৈ।

চহৰখনত বাজাৰভ আৰু আৰ্কেডিক ছিটনিকভ নামৰ এজন ডেকাই আদৰণি জনালে। ছিটনিকভ আছিল ধনী মানুহৰ ল'ৰা আৰু ফোপজহী স্বভাৱৰ। সি যি কোনো নতুন আন্দোলন হলেই তাৰ পিছত দৌৰে। বৰ্তমান সময়ত সি বাজাৰভৰ অনুগামী। সি দুয়োকে তাৰ 'মুক্ত মন'ৰ বান্ধৱী মেডাম এভ্ ডোকছিয়া কুছমিনৰ ঘৰলৈ নিলে। এভ্‌ডোকছিয়াই নিহিলিষ্ট আন্দোলন সম্পৰ্কে খুব উচ্ছ্বাস দেখুৱালে আৰু সিহঁতক প্ৰচুৰ পৰিমাণে চেম্পেন (এবিধ দামী সুৰা) খুৱালে। পিছদিনা গধূলি গৱৰ্ণৰ-নিবাসৰ বল নাচ অনুষ্ঠানত আৰ্কেডিয়ে সুন্দৰী মেডাম আনা অডিনৎছভক লগ পালে। কথা বতৰাত বাজাৰভৰ প্ৰসংগ ওলোৱাত আনাই বাজাৰভক তাইৰ লগত পৰিচয় কৰাই দিবৰ বাবে আৰ্কেডিক অনুৰোধ জনালে, কাৰণ 'যিজন মানুহৰ একোকে বিশ্বাস নকৰাৰ সাহস আছে' তেওঁক লগ ধৰিবলৈ তাইৰ বৰ ইচ্ছা গৈছিল। এটা তিনিকোণীয়া সম্পৰ্কৰ সৃষ্টি হ'ল; আৰ্কেডি আনাৰ প্ৰেমত পৰিল, কিন্তু আনাই তেওঁক সৰু ল'ৰা বুলি ভাবিছিল। বাজাৰভৰ কথা-বতৰাত মুগ্ধ হৈ তাই বাজাৰভৰ ফালে ঢাল খালে। আনহাতে বাজাৰভে আকৌ তাইৰ মোহিনী মায়াৰ পৰা আঁতৰাই থাকিবলৈ যত্নপৰ হ'ল। অৱশ্যে তাইক নিহিলিষ্ট মতবাদত দীক্ষিত কৰিবলৈ সি চেষ্টাৰ ত্ৰুটি নকৰিলে।

আনাই সিহঁতক তাইৰ গাঁৱৰ ঘৰলৈ নিমন্ত্ৰণ জনালে। তাত সিহঁতে আনাৰ গাভৰু ভনীয়েক কাটিয়া আৰু বুঢ়ী খুৰীয়েকক লগ পালে। আনাহঁতৰ গাঁৱৰ

ঘৰখন আছিল ঐশ্বৰ্যবৈভৱেৰে পৰিপূৰ্ণ। এনে আভিজাত্যক ধ্বংস কৰাই আছিল বাজাৰভৰ ৰাজনৈতিক মতবাদ। আনাৰ জীৱন-যাত্ৰাৰ বিষয়ে সি যিমানেই জানিলে, সিমানেই তাইৰ ওপৰত তাৰ ঘৃণা জন্মিল। তাইৰ বাপেকে জুৱা খেলি সম্পত্তি উকৱাই দিছিল। বাপেকৰ মৃত্যুৰ পিছত আনাই উদ্দেশ্যপূৰ্ণভাবে এজন ধনী আদহীয়া অভিজাত অডিনৎছভক বিয়া কৰাইছিল। কেইবছৰমান পিছত অডিনৎছভৰ মৃত্যু হোৱাত তাই স্বামীৰ সম্পত্তি লাভ কৰিলে আৰু জমিদাৰীত থাকিবলৈ ল'লে। তাই নিজৰ, ভনীয়েক কাটিয়া আৰু খুৰীয়েকৰ বাহিৰে আন কাৰো কামত এটি পইছাও খৰচ নকৰিছিল।

আনাৰ চৰিত্ৰৰ এই কথাবোৰ জনা সত্বেও আৰু নিজৰ বিৰাগ সত্বেও অৱশেষত বাজাৰভ তাইৰ প্ৰেমত পৰিল। আনাক তাইৰ সংকীৰ্ণতাৰ পৰা মুক্ত কৰি পৰিপূৰ্ণ নাৰীত পৰিণত কৰিবলৈ সি যত্ন কৰিলে। তাইক সি বনাঞ্চললৈ ফুৰাবলৈ নিলে, ৰুচিয়াৰ পুনৰ্জাগৰণ সম্পৰ্কে বুজালে, আধুনিক বিজ্ঞানৰ বিষয়ে ক'লে আৰু সন্ধিয়াবোৰ তাইৰ সৈতে নিভৃতে কটাবলৈ ল'লে। এইবোৰত আৰ্কেডিৰ ঈৰ্ষা জন্মিল। কাটিয়াই তাৰ মনত আনন্দ দিবলৈ চেষ্টা কৰিলে, পিয়ানো বজাই শুনালে আৰু ক্ৰমে তাৰ প্ৰেমত পৰিল। কিন্তু আৰ্কেডিৰ মন তেতিয়াও আনাৰ প্ৰতিহে ঢাল খোৱা আছিল।

এদিন সন্ধিয়া আনাই বাজাৰভক তাইৰ প্ৰেম নিবেদন কৰিলে। বাজাৰভে তাইক বুকুৰ মাজত সুমুৱাই ললে। কিন্তু পিছ মুহূৰ্ততে তাই তাৰ আলিংগনৰ পৰা মুক্ত কৰি কলে যে সি তাইক ভুল বুজিছে। হতভম্ব হৈ বাজাৰভে কোঠালীটোৰ পৰা ওলাই গ'ল।

পিছদিনা বাজাৰভ ঘৰলৈ গুচি গ'ল। যোৱাৰ আগতে সি আনাক কৈ গ'ল যে তাই ভালপোৱাৰ অনুপযুক্তা। ঘৰত তাৰ বুঢ়া বাপেক-মাকে তাক বৰ আদৰ-সাদৰ কৰিলে। কিন্তু কেইদিনমান ঘৰত থকাৰ পিছত ঘৰৰ পৰিবেশত সি অস্বস্তি অনুভৱ কৰিবলৈ ধৰিলে। এদিন সি হঠাৎ পুনৰ মেৰিইনোলৈ উভতি গ'ল। তাতো সি মনৰ শান্তি নাপালে। আৰ্কেডিয়ে তাৰ সৈতে আগৰ দৰে বন্ধু-সুলভ ব্যৱহাৰ নকৰিলে। কাৰণ বাজাৰভৰ দৰে আৰ্কেডিৰ মনো আনাৰ স্মৃতিয়ে আকৰ্ষণ কৰিছিল। আৰ্কেডি আনাহঁতৰ ঘৰলৈ গুচি গ'ল। আৰ্কেডিৰ বাপেক নিকোলাই আৰ্থিক দুৰৱস্থাৰ মাজত পৰিছে। পাভেলে

নিহিলিজমক কেন্দ্ৰ কৰি বাজাৰভক ঠাট্টা বিদ্ৰূপ কৰিবলৈ ললে। পাভেল আৰু বাজাৰভৰ মাজৰ কাজিয়াই এদিন শীৰ্ষবিন্দু পালে। পাভেলে বাজাৰভৰ বিৰুদ্ধে এই অভিযোগ আনিলে যে বাজাৰভে ফেনিটছকাক পলুৱাই নিয়াৰ ষড়যন্ত্ৰ কৰিছে। দুয়োৰে মাজত পিস্তলেৰে হোৱা দ্বন্দ্ব-যুদ্ধত পাভেল আহত হ'ল। বাজাৰভে পাভেলে বাহুত পোৱা আঘাত চিকিৎসা কৰি আৰোগ্য কৰিলে যদিও, মেৰিইনোৰ পৰিবেশ বৰ অস্বস্তিকৰ হ'ল আৰু সেয়ে বাজাৰভে মেৰিইনো ত্যাগ কৰি পুনৰ নিজৰ ঘৰলৈ গ'ল। এইবাৰ সি ঘৰৰ পৰিবেশৰ সৈতে নিজকে খাপ-খুৱাই চলিবলৈ চেষ্টা কৰিলে। কিন্তু আনাৰ স্মৃতিয়ে তাৰ মনত বাৰে বাৰে আমনি দিয়াত সি তাৰ অসম্পূৰ্ণ প্ৰেমৰ বেদনা পাহৰিবলৈ সেই সময়ত গ্ৰামাঞ্চলত দেখা দিয়া টাইফয়েড মহামাৰীত পৰা খেতিয়কসকলৰ সেৱা-শুশ্ৰূষাৰ কামত নিজকে উৎসৰ্গ কৰিলে। এই সংক্ৰান্তত এটা মৰণোত্তৰ পৰীক্ষাৰ সময়ত তাৰ হাতত চুৰীয়ে অলপ কাটিলে আৰু সিও ৰোগত আক্ৰান্ত হ'ল।

শোকাতুৰ মাক-বাপেকে তাৰ শুশ্ৰূষা কৰিবলৈ ধৰিলে। বাজাৰভৰ বাপেক সৈন্য বিভাগৰ অৱসৰপ্ৰাপ্ত ডাক্তৰ আছিল যদিও, এইবোৰ বেমাৰৰ চিকিৎসা সম্পৰ্কে বিশেষ জ্ঞান নাছিল। বাজাৰভে গম পাইছিল যে তাৰ মৃত্যু অৱধাৰিত। সেয়ে সি আনালৈ এটা বাতৰি পঠিয়াবলৈ দেউতাকক ক'লে। আনাই লগত এজন জাৰ্মান ডাক্তৰ লৈ আহিল। ডাক্তৰজনে বাজাৰভক পৰীক্ষা কৰাৰ পিছত আনা আৰু দেউতাকক কলে যে তাৰ আৰোগ্যৰ আশা নাই।

আনা অকলে বেমাৰীৰ কোঠালীলৈ গৈ বাজাৰভৰ ওচৰতে বিছনাত বহিল। শেঁতা পৰি অহা চকুযোৰ মেলি বাজাৰভে সেহাই সেহাই তাইক ক'লে, 'তুমি বৰ ধুনীয়া।... বিদায়। দীৰ্ঘজীৱী হোৱা আৰু জীৱন উপভোগ কৰা।... মই বহুতো বস্তু ধ্বংস কৰিম বুলি ভাবিছিলোঁ....বহুতো বৃহৎ সমস্যা সমাধান কৰিম বুলি ভাবিছিলো— নিজকে ডাঙৰ কিবা বুলি ভাবিছিলো...এতিয়া ভালদৰে মৃত্যুক সাৱটি লোৱাই এই ডাঙৰ মানুহজনৰ কাম।' হঠাৎ সি উঠি বহিবলৈ চেষ্টা কৰি লাহে লাহে কলে 'মই তেতিয়া তোমাক চুমা খোৱা নাছিলো....মৃত্যুমুখী প্ৰদীপত ফুঁৱাই দিয়া, সি নুমাই যাওঁক।'

আনাই তাৰ কপালত চুমা খালে। সি ঢলি পৰিল আৰু উচ্চাৰণ কৰিলে,

"সেয়ে যথেষ্ট এতিয়া.. অন্ধকাৰ।" সি অচেতন হৈ পৰিল। পিছদিনা তাৰ মৃত্যু হ'ল।

ছমাহৰ পিছত নিকোলাই আৰু ফেনিংছকা আৰু আৰ্কেডি আৰু কাটিয়াৰ বিবাহ উপলক্ষে মেৰিইনোত এটা ভোজ উৎসৱ পতা হৈছে। নবদম্পতিৰ শুভ কামনা কৰি অতিথিসকলে সুৰা-পান কৰিছে। পাভেললৈ শুভেচ্ছা জনাইও সুৰাপান কৰা হ'ল; কাৰণ মেৰিইনো ত্যাগ কৰি পাভেল ড্ৰেছডেনলৈ যাব আৰু তাতেই বসবাস কৰিব। একমাত্ৰ কাটিয়াৰ বাহিৰে কাৰো বাজাৰভৰ কথা মনত নপৰিল, অথচ এসময়ত বাজাৰভে সিহঁতৰ জীৱনত যথেষ্ট প্ৰভাৱ পেলাইছিল। কাটিয়াই অতিথিসকলক গিলাচত সুৰা ঢালি দি লাহে লাহে ক'লে, 'বাজাৰভৰ স্মৃতিৰ সোঁৱৰণত।'

'পিতা-পুত্ৰ' প্ৰকাশ হোৱাৰ পিছত টুৰ্গেনিভে খঙাল ৰুচিয়ান তৰুণ সকলৰ পৰা হেজাৰ হেজাৰ চিঠি পালে। প্ৰত্যেক চিঠিতে অভিযোগ কৰা হৈছিল—তৰুণ ৰুচিয়াৰ বিপ্লৱী আদৰ্শক এইদৰে ভেঙুচালি কৰিবলৈ টুৰ্গেনিভে সাহস ক'ত পালে ? বাজাৰভক নকল বিপ্লৱী ৰূপত অংকন কৰি টুৰ্গেনিভে ৰুচিয়াৰ আদৰ্শবাদী তৰুণ সমাজক অপমান কৰিলে বুলি তেওঁক অভিযুক্ত কৰা হ'ল। আনহাতে ৰুচিয়াৰ প্ৰাচীনপন্থী আৰু প্ৰতিক্ৰিয়াশীল গোষ্ঠী সমূহে নিহিলিষ্ট আদৰ্শ আক্ৰমণ কৰি উপন্যাসখন লিখা বাবে টুৰ্গেনিভক অভিনন্দন জনালে। টুৰ্গেনিভে উভয় পক্ষকে তেওঁৰ প্ৰকৃত উদ্দেশ্যৰ বিষয়ে জনাবলৈ আপ্ৰাণ চেষ্টা কৰিলে যদিও কোনেও তেওঁৰ বক্তব্যলৈ কৰ্ণপাত নকৰি তৰ্ক-বিতৰ্ক চলাই থাকিল। পিছত টুৰ্গেনিভে লেখিছিল: 'ভুল বুজাবুজিৰ সৃষ্টি হৈছিল এইবাবেই যে বাজাৰভৰ দৰে চৰিত্ৰই স্বাভাৱিক পৰ্যায়বোৰ অতিক্ৰম কৰাৰ সময় পোৱা নাছিল। তাৰ আৱিৰ্ভাৱৰ লগে লগেই লেখকে তাক থাপ মাৰি ধৰিছিল। মই এটা নতুন ৰীতি আৰু নতুন চৰিত্ৰ উদ্ভাৱন কৰিছিলোঁ—আদৰ্শবাদিতাৰ পৰিৱৰ্তে উপলব্ধি আছিল ইয়াৰ ভিত্তি। লেখকে তেওঁ নিজে সৃষ্টি কৰা চৰিত্ৰৰ প্ৰতি অনুৰাগ বা বিৰাগ স্পষ্টভাবে প্ৰকাশ নকৰাৰ ফলতেই পঢ়ুৱৈৰ মনত বিমূঢ় ভাৱৰ সৃষ্টি হৈছিল।... সি যি কি নহওক উপন্যাস সৃষ্টি কৰা হয় পঢ়ুৱৈক ৰস দিবলৈকে।"

সকলো মহৎ শিল্পীৰ দৰে টুৰ্গেনিভো আছিল স্পৰ্শকাতৰ মনৰ। এই

উপন্যাসে সৃষ্টি কৰা তৰ্ক-বিতৰ্কৰ ফলত তেওঁ বেছি অন্তৰ্মুখী হৈ পৰিল আৰু অৱশেষত ফ্ৰান্সলৈ গৈ থাকিবলৈ ল'লে। তাত ফ্লবেয়াৰ, মোপাছাঁ আৰু বহুতো যশাচী তৰুণ লেখকৰ সৈতে তেওঁৰ বন্ধুতা হয়। কিন্তু 'পিতা-পুত্ৰ'ই সৃষ্টি কৰা কালিমা তেওঁৰ ওপৰৰ পৰা আঁতৰি নগ'ল। ডষ্টেয়ভস্কি আৰু টলষ্টয়ে উপন্যাসখনক গৰিহণা দিয়াত তেওঁ ব্যথিত হৈছিল। কিন্তু সেইবুলি ৰুচিয়াৰ প্ৰতি তেওঁৰ গভীৰ ভাল-পোৱা অকণো হ্ৰাস পোৱা নাছিল। ১৮৮০ চনত তেওঁ শেষবাৰৰ বাবে ৰুচিয়ালৈ যায়। ইতিমধ্যে 'পিতা-পুত্ৰ'ই তোলা ধুমুহাৰ শাম কাটিছিল, নিহিলিজম ৰুচিয়াত বিয়পি পৰিছিল আৰু মানুহে উপলব্ধি কৰিছিল যে নিহিলিজমৰ যি মূল্যায়ন টুৰ্গেনিভে 'পিতা-পুত্ৰ'ত কৰিছে, সেয়া আছিল সত্য। ৰুচিয়াত এই যাত্ৰাত তেওঁ ৰাইজৰ পৰা প্ৰভূত সম্বৰ্দ্ধনা লাভ কৰিছিল। 'পিতা-পুত্ৰ'ৰ বিৰূপ সমালোচনাৰ বাবে প্ৰায় বিশ বছৰ ধৰি তেওঁ যি বেদনা অনুভৱ কৰিছিল, তাৰো অৱসান ঘটিছিল। ১৮৮৩ চনত টুৰ্গেনিভৰ মৃত্যু হয়।

লিয় টলষ্টয়ৰ যুদ্ধ আৰু শান্তি

(৫০)

১৮২৮ চনত কাউন্ট টলষ্টয় পৰিয়ালৰ জমিদাৰী, মধ্য ৰুছিয়াত অৱস্থিত ইয়াস্নায়া পলিয়ানাত লিয় নিকোলায়েচিভ টলষ্টয়ৰ জন্ম হয়। ৩৫ বছৰ বয়সত টলষ্টয়ে 'যুদ্ধ আৰু শান্তি' (War and peace) উপন্যাস লেখিবলৈ আৰম্ভ কৰে। পাঁচ বছৰৰ পিছত খণ্ড খণ্ডকৈ উপন্যাসখন প্ৰকাশ পাবলৈ ধৰে। এই সুবৃহৎ উপন্যাসখনত সাত লাখ শব্দ ব্যৱহৃত হৈছিল আৰু ইয়াৰ চৰিত্ৰৰ সংখ্যা হ'ল ৫৩৯ টাতকৈও বেছি। পৃথিৱীৰ আটাইবোৰ প্ৰধান ভাষাৰ উপৰিও অন্যান্য বহু ভাষালৈ এই উপন্যাস অনূদিত হৈছে আৰু বিশ্ব-সাহিত্যৰ সৰ্বশ্ৰেষ্ঠ উপন্যাস বুলি স্বীকৃত হৈছে।

'যুদ্ধ আৰু শান্তি'ক উপন্যাস মাত্ৰ বুলি ক'লে তাৰ যথাৰ্থ মূল্যায়ন কৰা নহয়। প্ৰকৃততে এই বিশাল গ্ৰন্থখন মহাকাব্যিক বোধেৰে পৰিপূৰ্ণ ৰুছ জীৱনৰ এছোৱা ইতিহাস। সাত বছৰ ব্যাপি ঐকান্তিক শ্ৰমৰ সুফল এই গ্ৰন্থখন টলষ্টয়ে ১৮৬৯ চনত সম্পূৰ্ণ কৰিছিল।

উপন্যাসখন আৰম্ভ হৈছে এটা সৰু দৃশ্যৰে: ১৮০৫ চনৰ জুলাই মাহৰ এটা সন্ধিয়া ছেন্ট পিটাৰ্ছবাৰ্গৰ এগৰাকী অভিজাত মহিলাৰ ঘৰত পতা এখন ভোজমেলত। কেইমাহমান আগতে নেপোলিয়ানক ফ্ৰান্সৰ সম্ৰাট হিছাপে ঘোষণা কৰা হৈছিল। তেওঁ ইতিমধ্যে জেনোভা আৰু হেনোভাৰ অধিকাৰ কৰিছে আৰু নিজে ইটালীৰ ৰজা বুলি ঘোষণা কৰিছে। ইংলেণ্ড নেপোলিয়ানৰ শত্ৰু। তেওঁ অষ্ট্ৰিয়াক ভাবুকি দেখুৱাইছে আৰু ৰুছিয়াকো ভীতি প্ৰদৰ্শন কৰিছে। ইংলেণ্ড অষ্ট্ৰিয়া আৰু ৰুছিয়াৰ মাজত মিত্ৰপক্ষ গঢ়াৰ আঁচনিৰ গুণাগঁথা চলিছে। ছেন্ট পিটাৰ্ছবাৰ্গৰ সেইদিনা সন্ধিয়াৰ ভোজমেলত নেপোলিয়ান সম্পৰ্কেই বেছিকৈ আলোচনা হৈছিল— কাৰণ তেওঁ সমগ্ৰ ইউৰোপৰ বাবেই বিপদজনক হৈ উঠিছে। নানা গুজব ইতিমধ্যেই প্ৰচাৰিত হৈছে আৰু সেইবোৰৰ ওপৰত আলোচনা চলাৰ লগে লগে অভিজাত সমাজত প্ৰচলিত কৃত্ৰিম সাদৰ-সম্ভাষণৰ আদান-প্ৰদানো চলিছে। এই ভোজমেলত বহুতো লোকৰ সমাগম হৈছে।

তেওঁলোক আটাইবোৰ বিশেষত্বসম্পন্ন ব্যক্তি নহয় যদিও, পৰস্পৰৰ মাজত ভালেখিনি পাৰ্থক্যও নথকা নহয়। এজন আছিল চছমা-ধাৰী শকত-আৱত ডেকা, ভোজমেলৰ গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত তাৰ কথা-বতৰা আছিল কিছু ডাঙৰ কণ্ঠস্বৰৰ। তাৰ নাম পিয়েৰ— সি ৰুছিয়াৰ এজন বৰ ঐশ্বৰ্যশালী ৰাজবংশীয় লোকৰ অবৈধ সন্তান। আন এজন ডেকা প্ৰিন্স ব্ৰনদ্ৰ— দেখনিয়াৰ, সন্দিগ্ধ আৰু উদাসীন মনৰ। অন্যান্য পৰিয়ালৰ পুৰুষ আৰু নাৰীও আছে ভালেমান। এই দৃশ্যত বিশেষ ৰোমাঞ্চকৰ বুলিবলৈ একো নাই, বৰং পঢ়ুৱৈয়ে আমনি পোৱাৰহে সম্ভাৱনা।

কিন্তু ক্ৰমে দৃশ্যপটত নতুন মাত্ৰা সংযোজন কৰি তাক বহল আয়তন দান কৰা হৈছে। বিভিন্ন অভিজাত পৰিয়ালৰ চৰিত্ৰৰ অন্তৰংগ চিত্ৰ দাঙি ধৰা হৈছে— তেওঁলোকৰ গাৰ্হস্থ্য জীৱন, আশা-আকাংক্ষা, প্ৰেম ঈৰ্ষা আটাইবোৰৰ কথা ব্যক্ত কৰা হৈছে। ঊনৈশ শতিকাৰ আগছোৱাৰ ৰুছিয়াৰ অভিজাত শ্ৰেণীৰ জীৱনধাৰাৰ এক সুস্পষ্ট ছবি পঢ়ুৱৈৰ চকুত ভাঁহি উঠে: ঐশ্বৰ্য বিলাসৰ মাজত বুৰ গৈ থকা অভিজাত সমাজৰ প্ৰাসাদ, লাহ-বিলাহ, হাজাৰ হাজাৰ দাসৰ শ্ৰমৰ বিনিময়ত গ্ৰামাঞ্চলৰ জমিদাৰীৰ পৰা ধনৰ আমদানি, অভিজাতসকলৰ অলস জীৱন, পৰিচৰ্যা কৰিবলৈ সংখ্যাহীন চাকৰ। যদিও তেওঁলোকৰ জীৱন-ধাৰা আজিৰ যুগৰ জীৱন ধাৰাতকৈ বেলেগ ধৰণৰ আছিল, তথাপি তেওঁলোকৰ অন্তৰংগৰ চৰিত্ৰাংকনৰ পৰা ক্ৰমে দেখা যায় যে তেওঁলোকৰ চৰিত্ৰত আছিল সাধাৰণ মানৱিক বৈশিষ্ট্য। এইসকল জীৱন্ত মানুহ; কিছুমানৰ চৰিত্ৰই পঢ়ুৱৈৰ মন আকৰ্ষণ কৰে। ৰুছিয়াৰ ব্যক্তিজীৱন এই চৰিত্ৰবোৰত মূৰ্ত হৈ উঠিছে।

ইতিমধ্যে ৰুছিয়া আৰু ফ্ৰান্সৰ মাজত যুদ্ধ আৰম্ভ হ'ল। ৰুছিয়ান সৈন্য দলৰ মাজত প্ৰথমে লগ পোৱা বহু অভিজাত ডেকাও আছে। সিহঁত আগবাঢ়িছে অষ্ট্ৰিয়ালৈ, মিত্ৰ পক্ষৰ সৈতে লগ হৈ যুদ্ধ কৰিবলৈ। একান্ত বাস্তৱানুগ ধৰণে টলষ্টয়ে সৈন্য দলৰ এঠাইৰ পৰা আন ঠাইলৈ গমনাগমন আৰু সামৰিক পৰিৱেশ বৰ্ণনা কৰিছে। তেওঁ সৈন্যদলক নামহীন মানুহৰ সমাবেশত পৰিণত নকৰি ব্যক্তিৰ ওপৰত গুৰুত্ব দিছে আৰু যুদ্ধৰ সম্পৰ্কত বিভিন্ন জনৰ প্ৰতিক্ৰিয়াৰ বৰ্ণনা কৰিছে। যুদ্ধৰ সন্দৰ্ভত গুৰুত্বপূৰ্ণ সিদ্ধান্ত সমূহৰ লগতে তেওঁ সাধাৰণ

সৈন্যৰ মনোভাৱৰ কথাও ব্যক্ত কৰিছে। এই মহাকাব্যিক আয়তনৰ বৰ্ণনাবোৰৰ উদ্দেশ্য হ'ল কেনেকৈ ১৮১২ চনত নেপোলিয়ানৰ ৰুছিয়া আক্ৰমণে ৰুছিয়াৰ সকলো শ্ৰেণীৰ লোকক দেশপ্ৰেমিক যুদ্ধলৈ যোৱাত উদ্বুদ্ধ কৰিছিল, তাক দেখুওৱা। ফৰাচী সৈন্যবাহিনী ছমাহ মস্কোত আছিল। কিন্তু মস্কোবাসীয়ে নগৰ এৰি যোৱাৰ সময়ত সকলো ভষ্মীভূত কৰি থৈ গৈছিল। সেয়ে ছমাহৰ মূৰত অৱসন্ন ফৰাচী সৈন্যসকল ৰুছিয়া এৰি যাবলৈ বাধ্য হৈছিল। লগে লগে কছু অভিজাত সকলৰ মাজত যুদ্ধৰ অভিজ্ঞতাৰ ফলত জাগি উঠা আত্মবিশ্লেষণৰ আভাসো টলষ্টয়ে দিছিল।

আষ্টাৰলিজৰ যুদ্ধৰ দৰে ঐতিহাসিক ঘটনাৰ অব্যৱহিত পিছতে অকিঞ্চিৎকৰ পাৰিবাৰিক কাঁজিয়া-পেঁচালৰ দৃশ্য, বলনাচৰ দৃশ্য, দুজন মানুহৰ কথোপকথন, প্ৰেমঘটিত কাহিনী, চিকাৰৰ দৃশ্য, পিয়েৰৰ ৰাজহুৱা কামত যোগদান, ৰাষ্ট্ৰৰ ৰাজনীতি, ডেকাকালৰ আনন্দ আৰু বিষাদ, এজনী সৰল ছোৱালীক ধৰ্ষণৰ চেষ্টা, খৃষ্টমাছৰ সময়ত উছৱ, বিবাহোৎসৱ— এই আটাইবোৰৰ জৰিয়তে টলষ্টয়ে ৰুছিয়াৰ অভিজাত গোষ্ঠীবোৰৰ ভিতৰখন উদঙাই দেখুৱাইছে। টলষ্টয়ৰ উদ্দেশ্য আছিল জীৱনৰ অসংলগ্নতাবোৰ উদ্ঘাটন কৰি বাস্তৱ জীৱনৰ প্ৰতিৰূপ সৃষ্টি কৰা। জীৱনৰ উদ্দেশ্য কি, সেই কথাও তেওঁ এইবোৰৰ মাজেদি প্ৰকাশ কৰি দেখুৱাইছিল।

উপন্যাসখনৰ দুটা মূল বিষয়বস্তু হৈছে 'যুদ্ধ আৰু শান্তি।' প্ৰথমছোৱাত এই দুয়োটা আছিল পৰস্পৰৰ পৰা বিচ্ছিন্ন। নেপোলিয়ানৰ আক্ৰমণৰ আগৰ কালত সৈন্যসকলৰ স্থান আছিল সীমান্তত-আৰু অসামৰিক ব্যক্তিৰ স্থান আছিল ঘৰত। যেতিয়া সৈনিক ছুটীত ঘৰলৈ আহিছিল তেতিয়া যুদ্ধৰ পৰা শান্তিৰ মাজলৈ তাৰ প্ৰত্যাৱৰ্তন ঘটিছিল। সেইদৰে সৈন্য বাহিনীৰ অভিজাত শ্ৰেণীৰ তৰুণ বিষয়াসকল ছুটীত ঘৰলৈ আহোতে নতুন নতুন চিন্তা আৰু দৃষ্টিভংগী লৈ আহিছিল, সমাজত তেওঁলোকে এক বিশেষ মৰ্যাদাও লাভ কৰিছিল। ফলত পাৰিবাৰিক সম্পৰ্কৰ ক্ষেত্ৰতো পদমৰ্যাদাৰ উন্নতি ঘটিছিল। মানুহৰ মনত ধাৰণা জন্মিছিল যে ব্যক্তিয়েই তাৰ ভাগ্যৰ গৰাকী।

কিন্তু নেপোলিয়ানৰ যুদ্ধই যুদ্ধ আৰু শান্তিৰ এনে ধাৰণাৰ আমূল পৰিবৰ্তন আনিলে; কাৰণ সমগ্ৰ দেশেই যুদ্ধৰ সৈতে জড়িত হৈ পৰিল, সীমান্ত আৰু

ঘৰৰ প্ৰভেদ নাইকিয়া হ'ল। টলষ্টয়ে ঐতিহাসিক উৎসৰ পৰা সমল লৈ নেপোলিয়ানৰ চৰিত্ৰ অংকন কৰিছে। নেপোলিয়ানে নিজকে ঘটনাৱলীৰ নিৰ্দেশক আৰু নিয়ন্ত্ৰক বুলি ভাবিছিল। ৰুছিয়ান সৈন্যবাহিনীৰ প্ৰধান সেনাপতি কুটুজভৰ চৰিত্ৰও টলষ্টয়ে অংকন কৰিছে। এই বৃহৎ যুদ্ধত ব্যক্তিয়ে হিচাপ-নিকাচ কৰি কোনো কাম কৰিব নোৱাৰিব বুলি কুটুজভে বিশ্বাস কৰিছিল। তেওঁ ধৰি লৈছিল যে এই যুদ্ধ নিয়তিৰ নিৰ্দেশত সংঘটিত হৈছে, গতিকে তেওঁ নিয়তি নিৰ্দেশিত পথেৰেহে যুদ্ধক চূড়ান্ত পৰ্যায়লৈ নিব পাৰিব। অৱশেষত তেওঁ অনুভৱ কৰিছিল যে অৱশেষত আক্ৰমণকাৰী পৰাজিত হ'বই। এইখিনিতে টলষ্টয়ে উপন্যাসখনত নতুন বিষয়বস্তুৰ অৱতাৰণা কৰিছে— স্মোলেনস্ক অধিকাৰ, বোৰোডিনৰ যুদ্ধ, মস্কো পৰিত্যাগ, ফৰাচী বাহিনীৰ দ্বাৰা মস্কো অধিকাৰ, সিহঁতৰ প্ৰত্যাৱৰ্তন এই গুৰুত্বপূৰ্ণ ঘটনাবোৰৰ বৰ্ণনাৰ সময়ত তেওঁ দুয়োপক্ষৰ উচ্চাকাংক্ষী মানুহবোৰৰ চিন্তাৰ অসাৰতাৰ কথা উল্লেখ কৰিছে।

প্ৰত্যেকেই ভাবিছিল যে তেওঁ ঘটনাৱলীক প্ৰভাৱিত কৰিব পাৰিব। কিন্তু তেওঁলোকৰ তেনে চিন্তাই কোনো কাম দিয়া নাছিল। ৰুছিয়াত যি ঐতিহাসিক ঘটনাপ্ৰবাহৰ উদ্ভৱ হৈছিল তাত এক বিশেষ ধাৰণা বোৱাই দিয়াত ৰুছ জনগণৰ সৰলতা, সাহস আৰু বিশ্বাস প্ৰধান চালিকা-শক্তি ৰূপে কাম কৰিছিল। টলষ্টয়ে মত প্ৰকাশ কৰিছিল যে ব্যক্তিতকৈ জীৱন ডাঙৰ, ই আমাৰ সৈতে কেনে আচৰণ কৰে সেইটো বৰ ডাঙৰ কথা নহয়। সেয়ে যুদ্ধৰ বিশাল ট্ৰেজেদীৰ দৃশ্যাৱলী উপস্থাপন কৰাৰ সময়ত তেওঁ মনোনিৱেশ কৰিছিল অন্তৰ্নিহিত জ্ঞানসম্পন্ন ব্যক্তিসকলৰ ওপৰত। উদাহৰণ স্বৰূপে, ধৈৰ্যৰ নীতি গ্ৰহণ কৰা কুটুজভ, নতুন পোছাক পিন্ধি যুদ্ধলৈ যোৱা ৰুছিয়াৰ কৃষক সকল, ফৰাচী বাহিনীৰ হাতত বন্দী হৈও আপোন চিন্তাৰ আনন্দত মগ্ন ৰুছিয়ান সাধাৰণ সৈন্যসকলৰ চৰিত্ৰ অতি সহানুভূতিৰে আঁকিছে।

বিশ্বাস আৰু এক ধৰণৰ আধ্যাত্মিক বাস্তৱতাৰ প্ৰবাহ 'যুদ্ধ আৰু শান্তি'ত ফল্গুৰ দৰে বৈ আছে। ই আশাবাদী মানুহ, জীৱ-জগত আৰু প্ৰকৃতিৰ প্ৰতি প্ৰেমপূৰ্ণ। ফৰাচী বাহিনীৰ পশ্চাদপসৰণৰ লগতে পুনৰ আধ্যাত্মিক চিন্তাই বিভিন্ন জনৰ ওপৰত কৰা ক্ৰিয়াৰ কথা টলষ্টয়ে বৰ্ণনা কৰিছে। ইতিমধ্যে আগতে লগ পোৱা ভালেমান চৰিত্ৰ উপন্যাসৰ পৰা অন্তৰ্হিত হৈছে। আৱস্তৰিত

প্ৰিন্স এনড্ৰুক সন্দেহমনা চৰিত্ৰৰ ব্যক্তি হিচাপে টলষ্টয়ে উপস্থাপন কৰিছিল। কিন্তু ঘটনাপ্ৰবাহৰ অগ্ৰগতিৰ লগে লগে এনড্ৰুৰ মানসিক জগতত বহু পৰিবৰ্তন আহিছে। অভিজ্ঞতা ৰাশিৰ মাজত তেওঁ বিচাৰিছিল জীৱনৰ প্ৰকৃত অৰ্থ আৰু মনৰ শান্তি। যুদ্ধত আহত হৈ চিকিৎসাধীন হৈ থকাৰ সময়ত তেওঁ প্ৰকৃত সত্য উপলব্ধি কৰিলে। এদিন তেওঁ সপোনত দেখিলে যে মৃত্যুৱে তেওঁৰ কোঠালীত প্ৰৱেশ কৰিবলৈ চেষ্টা কৰিছে আৰু তেওঁ প্ৰাণপণে দুৱাৰ বন্ধ কৰি মৃত্যুৰ প্ৰৱেশক বাধা দিবলৈ চেষ্টা কৰিছে। কিন্তু অৱশেষত তেওঁক পৰাস্ত কৰি মৃত্যুৱে কোঠালীত প্ৰৱেশ কৰিছে। সপোনৰ ঠিক এই মুহূৰ্ততে এনড্ৰুৰ পৰিচাৰকজন আহি তেওঁক 'উঠক', 'উঠক' বুলি জগালে। তেওঁ সাৰ পালে আৰু লগে লগে উপলব্ধি কৰিলে যে মৃত্যুক আঁতৰাই ৰাখিব নোৱাৰি, মৃত্যু হ'ল একপ্ৰকাৰৰ জাগৰণ। তেওঁৰ মৃত্যু ভয় নাইকিয়া হ'ল আৰু অৱশেষত মনৰ শান্তিৰে মৃত্যুক আদৰি ল'লে।

'যুদ্ধ আৰু শান্তি' উপন্যাসৰ প্ৰকৃত বাণী হ'ল এয়ে যে নিজৰ নিজৰ মানসিক জগতত প্ৰত্যেক মানুহ বেলেগ বেলেগ হ'লেও, আধ্যাত্মিক সত্য অন্বেষণৰ ক্ষেত্ৰত প্ৰত্যেকেই একে পথৰে পথিক। জীৱনৰ আৰু মানৱ—নিয়তিৰ অৰ্থ বুজি নোপোৱালৈ কোনো মানুহেই প্ৰকৃততে সুখী হ'ব নোৱাৰে। জীৱনৰ মহৎ চালিকা শক্তিৰ অস্তিত্ব উপলব্ধি কৰিব নোৱাৰালৈকে মানুহে দৈনন্দিন জীৱনৰ তুচ্ছতাৰ উৰ্দ্ধত আৰোহণ কৰিব নোৱাৰে; এই তুচ্ছতাৰ মাজতে ঘূৰি থাকিবলগীয়া হয়। আধ্যাত্মিক জাগৰণো বেলেগ বেলেগ জনলৈ বেলেগ বেলেগ ধৰণে আহিব পাৰে; বলপূৰ্বক কাকো বিশেষ এটা পথ বা মতলৈ টানি নিব নোৱাৰি। মানুহ হ'ল অনুসন্ধানকাৰী, অনুসন্ধানত অহৰহ প্ৰচেষ্টাইহে মানুহক জ্ঞান দিব পাৰে। এই জ্ঞান মানৱ-জীৱনৰ বাবে অত্যাৱশ্যকীয়।

কিন্তু টলষ্টয়ে এই কথাও বিশ্বাস কৰিছিল যে মুক্তি কোনো ৰহস্যময় সাধনাৰ পথেৰে নাহে, জীৱনৰ প্ৰতি বিমুখ হৈ মুক্তিৰ সাধনা কৰিব নোৱাৰি। উপন্যাসৰ প্ৰধান চৰিত্ৰ পিয়েৰৰ মাজেৰে তেওঁ এই কথা প্ৰকাশ কৰিছে। পিয়েৰ জীৱনৰ একান্ত ভক্ত, সকলো কামতে সি উৎসাহী। সৈন্য দলত যোগ নিদিয়া সত্বেও সি গৈছে বোৰোডিনৰ যুদ্ধ ক্ষেত্ৰলৈ— উদ্দেশ্য

যুদ্ধক্ষেত্রত কি হৈছে প্ৰত্যক্ষ কৰা। অগ্নিদগ্ধ মস্কোত এটা শিশুক জুইৰ গ্ৰাসৰ পৰা উদ্ধাৰ কৰিবৰ সময়ত ফৰাচী সৈন্যই তাইক অগ্নি সংযোগৰ অভিযোগত বন্দী কৰে। বন্দী অৱস্থাত অন্যান্য বন্দীৰ লগত থাকোঁতে সি উপলব্ধি কৰে ভগৱানৰ সৰ্বব্যাপী অস্তিত্ব। ভগৱান জীৱনত নিহিত থাকে, জীৱনৰ বাহিৰত ভগৱানৰ অস্তিত্ব নাই— এই সত্য তাৰ মনত উদ্ভাষিত হয়।

টলষ্টয়ৰ আন প্ৰতিপাদ্য বিষয় হ'ল, বাহিৰৰ ঘটনা যিমানেই প্ৰবল নহওক কিয়— সেইবোৰে মানুহক টলাব নোৱাৰে, কাৰণ মানুহৰ অন্তৰত থাকে ভাৰসাম্য বৰ্তাই ৰখাৰ গোপন ছাবি-কাঠি।

কিন্তু উপন্যাসখনৰ আটাইবোৰ চৰিত্ৰ 'অনুসন্ধানকাৰী' নহয়। যি তিনিটা পৰিয়ালে কাহিনীত প্ৰাধান্য লাভ কৰিছে, সেইকেইটাৰ সৰহখিনি লোকেই মৰ্যাদাসম্পন্ন হ'লেও তেওঁলোক নিজৰ জীৱন লৈয়েই সন্তুষ্ট, জীৱনৰ পৰা জানিবলৈ তেওঁলোকৰ যেন একো নাই। তেওঁলোকৰ দৃষ্টি বহল দিগন্তলৈ সম্প্ৰসাৰিত নহয়, তেওঁলোকে তাৰ আৱশ্যকতাও উপলব্ধি নকৰে। এইসকলৰ মাজত আছে কেইগৰাকীমান আকৰ্ষণীয় ব্যক্তি; পৰিয়ালত বিশেষ প্ৰাধান্য নোপোৱা অথচ সকলোৰে হিত-চিন্তা কৰা এজন বয়োবৃদ্ধ কাউন্ট, তেওঁৰ জীয়েক প্ৰাণোচ্ছল তৰুণী নাটাছা, নাটাছাৰ ভায়েক বাস্তৱবাদী অথচ উদাৰ হৃদয়ৰ নিকোলাছ।

উপন্যাসৰ শেষাংশত অংকন কৰা হৈছে তৰুণ সকলৰ চিত্ৰ— সমাজ জীৱনত ওলট-পালট ঘটোৱা যুদ্ধৰ শেষত তেওঁলোক পুনৰ গাঁৱত পৰিয়ালৰ সৈতে মিলিত হৈছে; চাৰিওফালে এক শান্তিৰ পৰিৱেশ বিৰাজ কৰিছে। মানুহে আকৌ দৈনন্দিন গাৰ্হস্থ্য ধৰ্মৰ কামত মনোনিৱেশ কৰিছে। কিন্তু প্ৰকৃততে গ্ৰন্থখনৰ যেন পৰিসমাপ্তি নাই, কাৰণ কালৰ পৰা কালান্তৰলৈ জীৱনৰ প্ৰবাহ চলি থাকে। প্ৰিন্স এনড্ৰুৰ মৃত্যুৰ পিছত জন্ম পোৱা পুত্ৰৰ চিন্তাৰ মাজেৰে ইয়াৰ ইংগিত দিয়া হৈছে। বাপেকক সি কোনো দিনে দেখা নাই; তথাপি সি এনেকুৱা কাম কৰিবলৈ দৃঢ়প্ৰতিজ্ঞ হৈছে যি কাম দেউতাকে ভাল পালেহেঁতেন। অৰ্থাৎ দেউতাক পৃথিৱীৰ পৰা নাইকিয়া হোৱাতো বা সি দেউতাকক কেতিয়াও নেদেখা সত্ত্বেও দেউতাকৰ অস্তিত্ব উপলব্ধি কৰিছে।

'যুদ্ধ আৰু শান্তি'ত কোনো ধৰণৰ চপলতা নাই, কোনো নাটকীয় ঘটনা

নাই, পঢ়ুৱৈৰ মনত উত্তেজনা সৃষ্টি কৰিব পৰা কোনো উপাদান নাই। ই হ'ল কছিয়াৰ বিশাল গাম্ভীৰ্যৰ প্ৰতীক স্বৰূপ— যি গাম্ভীৰ্যৰ মাজত আছে জীৱন স্পৃহা আৰু জীৱন জিজ্ঞাসা। এই গ্ৰন্থৰ বিষয়ে মন্তব্য দি টুৰ্গেনিভে লেখিছিল; 'আমাৰ শতাব্দীৰ প্ৰথম ছোৱাৰ কছিয়াৰ গণজীৱন আৰু ব্যক্তিজীৱন যথাৰ্থ এক কাৰিকৰৰ হাতত মূৰ্ত হৈ উঠিছে, ই মহান লেখকৰ মহান সৃষ্টি আৰু এয়েই হৈছে প্ৰকৃত কছিয়া।' টলষ্টয়ৰ এই মহৎ গ্ৰন্থখন পৃথিৱীৰ সকলো ভাষালৈকে অনূদিত হৈছে। অসমীয়া ভাষাত ইয়াৰ অনুবাদ কৰিছে— সুৰেন্দ্ৰ মোহন দাসে।

ফিওডৰ ডষ্টেয়ভ্‌স্কিৰ কাৰামাজভ ভ্ৰাতৃবৃন্দ

(৫১)

পশ্চিম ইউৰোপৰ চাৰিগৰাকী কালজয়ী লেখক হ'ল ইংলেণ্ডৰ ছেক্সপীয়েৰ, স্পেনৰ ছাৰ্ভেন্টিছ, ইটালীৰ ডান্টে আৰু জাৰ্মানীৰ গ্যেটে। এই চাৰিজনৰ সমপৰ্যায়ৰ পূব ইউৰোপৰ চাৰিজন লেখক হ'ল গোগল, টুৰ্গেনিভ, টলষ্টয় আৰু ডষ্টেয়ভ্‌স্কি। আকৌ এই চাৰিজন ৰুছ লেখকৰ ভিতৰত ফিওডৰ ডষ্টেয়ভ্‌স্কিয়ে জীৱনৰ ইতিবাচক দিশটোৰ ওপৰত আটাইতকৈ বেছি গুৰুত্ব আৰোপ কৰিছিল। গোগলে হাস্যৰসৰ পাতল আৱৰণেৰে তেওঁৰ অশ্ৰু লুকুৱাবলৈ চেষ্টা কৰিছিল, টুৰ্গেনিভে পৰিবৰ্তনশীল অস্তিত্বৰ সৌন্দৰ্য বিষাদৰ মাজেৰে প্ৰকাশ কৰিছিল আৰু টলষ্টয় ব্যস্ত আছিল জীৱনৰ অৰ্থ তথা উদ্দেশ্যৰ সন্ধানত। কিন্তু নিজৰ যন্ত্ৰণাদায়ক অভিজ্ঞতা সত্ত্বেও জীৱনৰ ন্যায়বিচাৰত ডষ্টেয়ভ্‌স্কিয়ে সন্দেহ প্ৰকাশ কৰা নাছিল। তেওঁ বিশ্বাস কৰিছিল যে অস্তিত্ববিহীনতাৰ মাজত থকাতকৈ ভালপোৱা, অনুকম্পা প্ৰকাশ কৰা, স্মৃতি-ৰোমন্থন কৰা আনকি যন্ত্ৰণা স্বীকাৰ কৰাও ভাল। জীৱনৰ প্ৰতি এক গভীৰ স্পৃহা আৰু মানবীয় অভিজ্ঞতাৰ উত্তুংগ শিখৰত তথা অতলস্পৰ্শী গভীৰতাৰে তেওঁৰ উপন্যাসসমূহ পৰিপূৰ্ণ। তদুপৰি আকৰ্ষণীয় চৰিত্ৰ, ধৰ্ম জাতীয়তা, ৰাজনীতিৰ সন্দৰ্ভত মতামত, সংঘৰ্ষময় ঘটনাৰ সমাবেশে তেওঁৰ সৃষ্টিক শ্ৰেষ্ঠ শিল্পীৰ শাৰীলৈ উন্নীত কৰিছে। এই আটাইবোৰৰ অন্তৰালত আছে জীৱনৰ বিষাদময় অনুভূতি— মানুহ নিজৰ কামনাৰ বলি, সি পৰিচালিত হয় অদৃষ্ট শক্তিৰ দ্বাৰা আৰু নিজৰ অকল্পনীয় নিয়তিৰ ফালে ধাৱিত হয়। এই পৰিণতি তাৰ নিয়ন্ত্ৰণৰ উৰ্দ্ধত।

ডষ্টেয়ভ্‌স্কিৰ 'অপৰাধ আৰু শাস্তি' (Crime & Punishment) 'মূৰ্খ' (The Idiot), 'ভূতগ্ৰস্ত' (The Possessed), 'কাৰামাজভ ভ্ৰাতৃবৃন্দ, (The Brothers Karamazor) এই চাৰিখন আটাইতকৈ বিখ্যাত উপন্যাসৰ ভিতৰত, সমালোচক সকলৰ মতে, 'কাৰামাজভ ভ্ৰাতৃবৃন্দ'ই সৰ্বশ্ৰেষ্ঠ। আন এচাম সমালোচকৰ মতে, এই উপন্যাসত ডষ্টেয়ভ্‌স্কিৰ প্ৰতিভাৰ অৱনতিৰহে

পৰিচয় পোৱা যায়। সি যি কি নহওক, এই কথা স্বীকাৰ্য যে প্ৰথম দৃষ্টিত উপন্যাসখনৰ কিছুমান অংশ পঢ়ুৱৈৰ বাবে অসংলগ্ন যেন লাগিব। প্ৰধান কাহিনীটোৰ মাজে মাজে এনে ভালেমান দৃশ্য আছে যিবোৰে কাহিনীটো আগবাঢ়ি যোৱাত সহায় নকৰে : মঠাধ্যক্ষ ফাদাৰ জোছিমাই কিছুমান কৃষকক আধ্যাত্মিক উপদেশ দিয়া মঠৰ দৃশ্য, তেওঁৰ পূৰ্ব জীৱনৰ আৰু ধৰ্মীয় জীৱনৰ কাহিনী, স্কুলীয়া ল'ৰা কিছুমানৰ কথা আৰু তাৰে এজনৰ ক্ষয়ৰোগত মৃত্যুৰ বৰ্ণনা আৰু 'তদন্ত-সঞ্চালক' শীৰ্ষক এটা ৰূপকাত্মক কাহিনী। কিন্তু যদি এই বিচ্যুতিখিনি একাষৰীয়াকৈ এৰি থোৱা যায়, তেন্তে দেখা যায় যে, আচলতে উপন্যাসখনৰ প্লটটো যথেষ্ট ঋজু ধৰণৰ। ইন্দ্ৰিয়াসক্ত মাতাল বহুৱা বুঢ়া ফিওডৰ কাৰামাজভ স্কট'প্ৰিগনিয়েভস্ক নামৰ সৰু চহৰখনৰ উপকণ্ঠত বাস কৰে। তেওঁৰ তিনিটা পুতেক— প্ৰথম ঘৈণীয়েকৰ ফালৰ দিমিত্ৰি আৰু দ্বিতীয় ঘৈণীয়েকৰ ফালৰ ইভান আৰু এলেক্সি ওৰফে এলিওছা। প্ৰত্যেকটো পুতেকৰ চৰিত্ৰ বেলেগ ধৰণৰ— কাৰো সৈতে কাৰো মিল নাই। অৱশ্যে আটাইকেইজনৰ চৰিত্ৰত বাপেকৰ দৰে এক আদিম শক্তিৰ প্ৰভাৱ আছিল যাৰ ফলত সিহঁত প্ৰত্যেকেই নিজৰ নিজৰ ক্ষেত্ৰত উগ্ৰবাদী : গভীৰ আধ্যাত্মিক বোধেৰে এলিওছা প্ৰায় সাধুৰ পৰ্যায়ৰ; দিমিত্ৰি দুৰ্দান্ত ইন্দ্ৰিয়পৰায়ণ— সি মাইকী আৰু কাঁজিয়া-পেঁচালত টকা উৰুৱায় : ইভান আবেগপ্ৰৱণ বুদ্ধিজীৱী, একাধাৰে সন্দেহবাদী আৰু আদৰ্শবাদী, বিভিন্ন পৰস্পৰ বিৰোধী চিন্তাৰ দ্বাৰা সহজে আকৃষ্ট হয়।

ত্ৰিশৰ দেওনা পাৰ নোহোৱা এই ডেকাকেইজনে সমান্তৰাল জীৱন যাপন কৰে, অৱশ্যে কিছুমান চৰম মুহূৰ্তত সিহঁতৰ সমান্তৰাল জীৱনে পৰস্পৰক স্পৰ্শ কৰে। গ্ৰুচেংকা নামৰ এজনী ছোৱালীক কেন্দ্ৰ কৰি শীঘ্ৰেই এনেকুৱা এটা মুহূৰ্তৰ সৃষ্টি হ'ল। গ্ৰুচেংকা খাটি ৰুচিয়ান সুন্দৰী, শকত-আৱত, ৰঙচুৱা, সাহসী, দৃঢ়মনা আৰু বেপৰোৱা স্বভাৱৰ। বুঢ়া কাৰামাজভৰ ইন্দ্ৰিয়লোলুপ কাৰ্যকলাপে ডাঙৰ পুতেক দিমিত্ৰিৰ মন বুঢ়াৰ প্ৰতি বিৰূপ কৰিছিল যদিও সিও বুঢ়াৰ দৰেই তিৰোতাৰ পিছত ঘূৰি ফুৰিছিল। সম্প্ৰতি বুঢ়া গ্ৰুচেংকাৰ পিছত লাগিছে। আনহাতে দিমিত্ৰিয়েও তাইক বিচাৰে। সি বুঢ়াক বেয়া পোৱাৰ আন এটা কাৰণ হৈছে এয়ে যে বুঢ়াই সৰুকালত তাক অৱহেলা কৰিছিল

আৰু মাকে থৈ যোৱা তিনিহেজাৰ ৰুবল আত্মসাৎ কৰিছিল বুলি তাৰ ধাৰণা। দিমিত্ৰি আৰু ইভান দুয়ো বুঢ়া আঁতৰ হ'লে ভাল পায়। দুয়োৰো বুঢ়াৰ প্ৰতি থকা বিৰূপ মনোভাবক বেছিকৈ প্ৰৰোচিত কৰিছিল স্মাৰ্ডিয়াকভে। স্মাৰ্ডিয়াকভ আছিল বুঢ়াৰ অবৈধ সন্তান। সি মতলবী, নিৰোকাচামোন আৰু উচ্চাকাংক্ষী ডেকা। বুঢ়াই তাক নিজৰ লগুৱা হিচাপে ৰাখিছিল।

স্মাৰ্ডিয়াকভৰ লগত দ্ব্যৰ্থবোধক কথোপকথনৰ পিছত ইভান চহৰ এৰি গুচি গৈছিল। সি একৰকম ধাৰণা কৰিছিল, তাৰ অনুপস্থিতিত স্মাৰ্ডিয়াকাভে বুঢ়াক হত্যা কৰিব। দিমিত্ৰিকো স্মাৰ্ডিয়াকভে বুঢ়াক হত্যা কৰিব লাগে বুলি ইতিমধ্যে ইংগিত দি থৈছিল। এদিন দিমিত্ৰিয়ে গম পালে যে সেইদিনা গধূলি গ্ৰুচেংকা বুঢ়াৰ ওচৰলৈ আহিব। বুঢ়াৰ প্ৰতি খং আৰু ঈৰ্ষাত সি উতলিবলৈ ধৰিলে। সি জেপত পিতলৰ টুকুৰা এটা লৈ বুঢ়াৰ ঘৰলৈ গৈ বিছনাৰ ওচৰৰ খিৰিকীৰ তলত থিয় দি ভিতৰৰ কথা-বতৰা শুনিবলৈ চেষ্টা কৰিলে আৰু দেৱালত বগোৱা লতাত ধৰি ওপৰলৈ উঠি খিৰিকীৰ ভিতৰলৈ চুমি চালে। বুঢ়াই ছিল্কৰ ড্ৰেছিং-গাউন পিন্ধি গ্ৰুচেংকাৰ আগমনলৈ বাট চাই আছিল। স্মাৰ্ডিয়াকভে আগতে শিকাই থোৱামতে ইংগিত দি দিমিত্ৰিয়ে বুঢ়াক খিৰিকীৰ কাষলৈ মাতিলে। বুঢ়াই গ্ৰুচেংকাৰ কিবা বাতৰি পোৱাৰ আশাত খৰখৰকৈ খিৰিকীৰ কাষলৈ আহি পাওঁতে দিমিত্ৰিয়ে জেপৰ পৰা পিতলৰ টুকুৰাটো উলিয়াই ল'লে...।

তাৰ পৰা পলাবৰ সময়ত দিমিত্ৰিয়ে ঘৰৰ এজন চাকৰকো লোৰ টুকুৰাৰে খুন্দিয়াই থৈ গ'ল। সি ওচৰৰ এখন গাঁৱলৈ গৈ মদৰ বাকচ কিনাৰ ভাও ধৰি দৰদাম কৰিলে আৰু সেই মদৰ দোকানতে কেইজনমান সংগীৰ সৈতে গ্ৰুচেংকাক মদ খাই স্ফূৰ্তি কৰি থকা দেখিলে। পিছত সংগীহঁত গুচি যোৱাৰ পিছত সি অকলশৰে গ্ৰুচেংকাক লগ পাই ক'লে, 'মই একমাত্ৰ তোমাকহে ভাল পাওঁ।'' কিন্তু সেই সময়ত দিমিত্ৰিৰ মন চাকৰটোক খুন্দিয়াই অহাৰ কাৰণে ভাৰাক্ৰান্ত হৈ আছিল, কাৰণ চাকৰটোৰ মৃত্যু হোৱা বুলি মিছাকৈ তাৰ মনত ধাৰণা জন্মিছিল। গ্ৰুচেংকাৰ সৈতে তাৰ মিলন বেছি দীঘলীয়া নহ'ল, কাৰণ বাপেকক হত্যা কৰাৰ অভিযোগত তাক মদৰ দোকানতে গ্ৰেপ্তাৰ কৰা হ'ল। ইয়াৰ পিছত দীঘলীয়া আকৰ্ষণৰ বিচাৰৰ শেষত দিমিত্ৰিক বিশবছৰ

সশ্ৰম কাৰাদণ্ডেৰে দণ্ডিত কৰি ছাইবেৰিয়ালৈ পঠিওৱা হ'ল।

কিন্তু প্ৰকৃততে দিমিত্ৰিয়ে বুঢ়া কাৰামাজভক হত্যা কৰা নাছিল। হত্যাকাৰী আৰু বুঢ়াৰ গাৰুৰ তলত থকা তিনিহেজাৰ ৰুবল চুৰ কৰা জন আছিল সম্পূৰ্ণৰূপে নীতিজ্ঞান বৰ্জিত ষড়যন্ত্ৰকাৰী স্মাৰ্ডিয়াকভ। দিমিত্ৰিৰ বিচাৰৰ আগতে সি চুৰ কৰা টকা ইভানক দি অপৰাধৰ কথা স্বীকাৰ কৰিছিল। পিছদিনা সি ডিঙিত চিপজৰী ল'লে। কিন্তু হত্যাৰ প্ৰায়শ্চিত্ত কৰাৰ উদ্দেশ্যে সি আত্মহত্যা কৰা নাছিল। সি ইভানক তাৰ আদৰ্শ পুৰুষজ্ঞান কৰিছিল, কিন্তু যেতিয়া সি দেখিলে যে দৰাচলতে ইভান দুৰ্বল আৰু কাপুৰুষ তেতিয়াই হতাশাগ্ৰস্ত হৈ নিজৰ জীৱনৰ ওৰ পেলালে।

'কাৰামাজভ ভ্ৰাতৃবৃন্দ' উপন্যাসৰ মূল কাহিনী এইটোৱেই, কিন্তু উপন্যাসৰ বিষয়বস্তু হ'ল আস্তিকতা বনাম নাস্তিকতা, জীৱনৰ আধ্যাত্মিকতা বনাম বস্তুবাদী দৃষ্টিভংগী— তিনি কাৰামাজভ ভ্ৰাতৃৰ চৰিত্ৰৰ জৰিয়তে এই বিষয়বস্তুকে ডষ্টেয়ভ্স্কিয়ে উপস্থাপন কৰিছে। কোনো এটা চৰিত্ৰই অবিমিশ্ৰিত সৎ বা অসতৰ প্ৰতিৰূপ নহয় যদিও সামগ্ৰিকভাৱে এলিওছা হ'ল আধ্যাত্মিক সচেতনতাৰ বিশুদ্ধ প্ৰতীক; আনহাতে দিমিত্ৰি আৰু ইভান বস্তুবাদৰ জালত আবদ্ধ। উপন্যাসখনত দিমিত্ৰিয়ে প্ৰধান চৰিত্ৰৰ ভূমিকা লৈছে যদিও, এলিওছাকো বিশেষ গুৰুত্ব সহকাৰে অংকন কৰা হৈছে। এলিওছাৰ বয়স্ক জীৱনক লৈ উপন্যাসখনৰ আন এটা খণ্ড ৰচনা কৰাৰ ইচ্ছা ডষ্টেয়ভ্স্কিৰ আছিল, কিন্তু সময়ৰ অভাৱত তেওঁ সেই ইচ্ছা পূৰণ কৰিব নোৱাৰিলে। দিমিত্ৰিৰ জীৱন স্পৃহা অতি প্ৰবল আছিল, কিন্তু বাপেকৰ অৱহেলাই তাক জেদী কৰি তুলিলে আৰু জীৱনৰ পৰা সুখ দাবী কৰিলে। গ্ৰুচেংকাই তাৰ জীৱনৰ সুখৰ প্ৰতিমূৰ্তি হৈ দেখা দিলে আৰু তাইক পাবৰ কাৰণে আনকি অপৰাধ কৰিবলৈও সি পৰাঙমুখ নহ'ল। সৎ জীৱন-যাপনৰ তাৰো ইচ্ছা আছিল, কিন্তু সুখ লাভৰ কাৰণে সি সেই ইচ্ছা পৰিত্যাগ কৰিছিল। সি উপলব্ধি কৰিলে যে সুখ তাৰ বাবে সহজলভ্য নহয়; সি নিজকে পাৰিপাৰ্শ্বিকতাৰ চিকাৰ বুলি গণ্য কৰিলে। দিমিত্ৰিৰ মানত জীৱন এক প্ৰবাহমান প্ৰক্ৰিয়া নহয়, সুখ আৰু দুখৰ দিনৰ পৰা যে মানুহৰ শিক্ষনীয় কথা থাকে, সেই কথা সি উপলব্ধি কৰিব নোৱাৰিলে। সি জীৱনটো এটা জুৱা খেল হিচাপে

ধৰি লৈ যিকোনো উপায়ে জয়ী হোৱাৰ উপায় চিন্তিলে। এনেকুৱা বালসুলভ তথা বিপদজনক দৃষ্টিভংগী যে ক্ষতিকৰ সেই কথাকে অপৰাধ প্ৰকৃততে নকৰা সত্ত্বেও দিমিত্ৰিয়ে শাস্তি পাবলগীয়া হোৱাত ঘটনাৰ মাজেৰে ডষ্টেয়ভ্স্কিয়ে প্ৰকাশ কৰিছে।

দিমিত্ৰি যিদৰে হিতাহিত জ্ঞানহীন আৰু বালসুলভ ইভান সেইদৰে উদ্ধত, কঠোৰ ভবিষ্যতে আত্মনিৰ্ভৰশীল হোৱাৰ মানসেৰে বুদ্ধিজীৱী আৰু সৎ জীৱন-যাপনৰ বাবে এৰা-ধৰা মনোভাবেৰে আগবঢ়া স্বভাৱৰ ডেকা— কিন্তু কূটবুদ্ধিয়ে তাৰ হৃদয়-বৃত্তিৰ বিকাশত বাধা দিছে। তাৰ একধৰণৰ আধ্যাত্মিক বিশ্বাস আছে যদিও বুদ্ধিয়ে তাক বিশ্বাস কৰিবলৈ নিদিয়ে। সি দ্বি-খণ্ডিত ব্যক্তিত্বৰ লোক। এনে লোক নিজৰ বাবে আৰু আনৰ বাবেও বিপদজনক। তাৰ চৰিত্ৰ বৈচিত্ৰহীন আৰু সম্ভৱত: সেই কাৰণেই তাক দুটা কাহিনীৰ সৈতে জড়িত কৰিছে— উপন্যাসৰ মূল কাহিনীৰ সৈতে যাৰ কোনো সম্বন্ধ নাই।

প্ৰথমটো হ'ল 'তদন্ত সঞ্চালক'ৰ কাহিনী, ই ৰূপক ৰীতিৰ এটা কথা কবিতা। ইয়াত বৰ্ণনা কৰা কাহিনীটো আজিও মানুহৰ বাবে অৰ্থপূৰ্ণ। ষোড়শ শতিকাত ইউৰোপত খ্ৰীষ্টধৰ্ম বিৰোধী সকলৰ বিচাৰৰ কাৰণে কেতবোৰ তদন্তালয় (Inquisition) পতা হৈছিল। সেই সময়ত এশজন ধৰ্ম-বিৰোধীক পুৰি মাৰিবলৈ ছেভিলত পতা এটা বলিদান অনুষ্ঠানৰ ৰাতিপুৱা খৃষ্ট উপস্থিত হৈছিল। তদন্ত-সঞ্চালকে তেওঁক বন্দী কৰি জেলত থলে আৰু তেওঁক কিয় পিছদিনা অগ্নিদগ্ধ কৰাৰ আৱশ্যক সেই সম্বন্ধে জনালে। তদন্ত-সঞ্চালকে ক'লে যে খৃষ্ট আহিছিল মানুহক স্বাধীনতা দিবলৈ, মানুহৰ স্বাধীন ইচ্ছাৰ ওপৰত ভিত্তি কৰি সিহঁতৰ মন ভগৱানৰ প্ৰতি আকৰ্ষিত কৰিবলৈ, ছয়তানে কোৱা সত্ত্বেও কোনো অলৌকিক শক্তিৰ প্ৰদৰ্শন নকৰাকৈ মানুহৰ আনুগত্য দাবী কৰিবলৈ। কিন্তু মানুহে স্বাধীনতাৰ এই উপহাৰ বহন কৰিবলৈ টান পায়। সিহঁতৰ স্বনিৰ্বাচন বুলি কোনো কথা নাই। স্বনিৰ্বাচন ভগৱানৰ নিৰ্দ্ধাৰিত দহহেজাৰ মানুহৰ বাবেহে থকা উচিত; অৱশিষ্ট মানুহ দুৰ্বল, বিদ্ৰোহী আৰু ভয়াতুৰ- সিহঁতৰ বাবে স্বনিৰ্বাচন বিষতুল্য। যদি খৃষ্টই মানুহক ভাল পালেহেঁতেন, তেন্তে তেওঁ এই অসহনীয় উপহাৰ মানুহক নিদিলেহেঁতেন। কিন্তু তেওঁ পাথৰক ৰুটিত পৰিণত কৰি সিহঁতৰ আনুগত্য আদায় কৰিলে।

গতিকে তদন্ত-সঞ্চালকে দাবী কৰিলে যে তেওঁ আৰু তেওঁৰ মানুহেহে খৃষ্টৰ কামৰ শুধৰণি ঘটাইছে। তেওঁলোকে নিজৰ কর্তৃত্বক সৰ্বেসৰ্বাৰূপে প্ৰতিষ্ঠা কৰিছে, এই কর্তৃত্বক ৰহস্যময় আভাৰে আগুৰি ৰাখিছে, তদন্তালয়ৰ নিয়ম আৰু সিদ্ধান্ত মানি চলিবলৈ মানুহক শিকাইছে। তেওঁলোকৰ লক্ষ্য হ'ল মানৱ-চৰিত্ৰ সম্পৰ্কে বাস্তৱবাদী দৃষ্টিভংগী লোৱা; মানুহক এটা লক্ষ্য দান কৰা.: সিহঁতক কৰ্ম পৰ্যবেক্ষণ কৰা আৰু মানুহক এইদৰে কোৱা; 'আমাক অনুসৰণ কৰা, সকলো সহজ হ'ব। জীৱনত তোমালোকক ইয়াৰ বাহিৰে আন একোৰে আৱশ্যক নাই।' যিসকলে এনে স্বয়ংক্ৰিয় সুখৰ অনুকৰণ কৰিছে, মৃত্যুৰ পিছত সিহঁত অস্তিত্বহীন হৈ পৰিছে, সিহঁতৰ আশা কৰিবলৈ একো থকা নাই। তদন্ত-সঞ্চালকে মুক্তকণ্ঠে স্বীকাৰ কৰিলে যে সি ছয়তানৰ অনুগামী; ভগৱানৰ নহয়. আৰু প্ৰকৃততে সি ভগৱানক বিশ্বাস নকৰিছিল।

তদন্ত-সঞ্চালকে কথা কোৱা বন্ধ কৰি খৃষ্টৰ উত্তৰৰ অপেক্ষাত ৰ'ল। কিন্তু উত্তৰ দিয়াৰ পৰিবৰ্তে খৃষ্টই নিঃশব্দে তেওঁৰ ওচৰ চাপি ওঁঠত চুমা খালে। বুঢ়া তদন্ত-সঞ্চালক কঁপি উঠিল। তেওঁ দুৱাৰৰ ওচৰলৈ গ'ল, দুৱাৰখন খুলি দিলে আৰু খৃষ্টক ক'লে : 'গুচি যোৱা, আৰু কেতিয়াও নাহিবা।' তেওঁ খৃষ্টক চহৰৰ অন্ধকাৰ গলিবোৰৰ ফালে আগবঢ়াই থ'লে।

আধুনিক স্বেচ্ছাচাৰতন্ত্ৰৰ আভাস থকা এই কাহিনীটো উপন্যাসৰ প্ৰথম ফালেই আছে। পিছত ছয়তানৰ সৈতে ইভানৰ সপোনত সাক্ষাতৰ কাহিনী দিয়া হৈছে। বাপেকৰ হত্যাত পৰোক্ষভাৱে সম্মতি দিয়াৰ অপৰাধবোধে ইভানৰ মনত তোলপাৰৰ সৃষ্টি কৰিছিল। তাৰ অৱচেতন মনৰ সৃষ্টি ছয়তান সেয়ে সপোনত আবিৰ্ভাৱ হ'ল। লেতেৰা পোছাক পিন্ধা কিন্তু মিঠামুখীয়া। ছয়তান আহি ইভানৰ বিছনাত বহিল। সি ভগৱানৰ ধাৰণা সম্পূৰ্ণ পৰিত্যাগ কৰি মানুহে পৃথিৱীত বাস কৰাৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰিলে। 'মানুহে, সকলো কথা সংগত' এই নীতি মানি চলিব লাগে বুলিও সি ইভানক সোঁৱৰাই দিলে।

যদিও দিমিত্ৰি আৰু ইভান দুয়ো শঠ প্ৰকৃতিৰ, তথাপি সিহঁতৰ মনত সততা আৰু আধ্যাত্মিকতাৰ চিন্তাই মাজে-সময়ে ভুমুকি নমৰাকৈ নাছিল। সিহঁতৰ ভায়েক এলিওছাৰ বাবে ধৰ্মবিশ্বাস মনৰ এক চিৰস্থায়ী পৰিবেশ স্বৰূপ। সি মঠত বাস কৰিবলৈ লৈছে আৰু পৰবৰ্তী জীৱন ঋষিতুল্য ফাদাৰ জোছিমাৰ

শিষ্য হিছাপে কটাবলৈ মনস্থ কৰিছে। এলিওছাৰ সহনশীলতা, মানবপ্ৰেম, আধ্যাত্মিকতা, স্পৃহা আৰু বুদ্ধি যেনেকৈ প্ৰবল আছিল, তেনেকৈ শাৰীৰিক শক্তিতো সি আছিল শক্তিশালী। আমাৰ অবিনশ্বৰতাত তাৰ অগাধ বিশ্বাস। ফাদাৰ জোছিমাই তাইক বিয়া-বাৰু কৰাই গাৰ্হস্থ্যধৰ্ম পালনৰ জৰিয়তে স্বাভাৱিক জীৱন-যাপন কৰিবলৈ অনুৰোধ জনাইছিল আৰু তেওঁৰ মৃত্যুৰ পিছত এলিওছাই সেই নিৰ্দেশ পালন কৰিছিল। উপন্যাসৰ মূল কাহিনীৰ সৈতে তাৰ বিশেষ সম্বন্ধ নাই যদিও, সি ককায়েকহঁতক আত্মোপলব্ধিৰ প্ৰয়োজনীয়তাৰ কথা সোঁৱৰাই দিছিল। এলিওছা আৰু ফাদাৰ জোছিমাৰ মাজেৰে ডষ্টেয়ভ্স্কিয়ে তেওঁৰ নিজৰ গভীৰ বিশ্বাসসমূহ ব্যক্ত কৰিছে। ফাদাৰ জোছিমাই মৃত্যুৰ পূৰ্বে মঠৰ শিষ্য-প্ৰশিষ্য সকলক উপদেশ দিছে এইদৰে : 'ভাইসকল, মানুহৰ পাপক ভয় নকৰিবা। পাপীকো মৰম কৰিবা, কাৰণ এই মৰমেই স্বৰ্গীয় প্ৰেম আৰু জগতৰ সৰ্বশ্ৰেষ্ঠ প্ৰেম। ভগৱানৰ সকলো সৃষ্টিৰ প্ৰতি প্ৰেম ভাব ৰাখিবা। যদি তোমালোকে সকলোকে ভাল পাবলৈ ধৰা তেতিয়া তোমালোকে সকলোতে ঐশ্বৰিক ৰহস্য নিহিত থকা অনুভৱ কৰিবা।

উপন্যাসৰ একেবাৰে শেষত, খন্তেক আগতে যক্ষ্মাৰোগত মৃত্যুবৰণ কৰা সহপাঠী ইলিউছাৰ অন্ত্যেষ্টিক্ৰিয়াৰ পৰা উভতি অহা চৈধ্য বছৰ বয়সীয়া কোলিয়াই এলিওছাক সুধিছে; "কাৰামাজভ, আমাক ধৰ্মপাঠত শিকোৱা এই কথা সঁচানে যে আমি মৃত্যুৰ পিছত পুনৰ্জীৱন লাভ কৰিম আৰু ইলিউছাকে ধৰি আটাইকে পুনৰ লগ পাম ?" এলিওছাই উত্তৰ দিলে : "নিশ্চয় আমি পুনৰ্জীৱন লাভ কৰিম, পুনৰ আটাইকে লগ পাম, ইতিমধ্যে ঘটা সকলো ঘটনাৰ কথা পৰস্পৰে পৰস্পৰক আনন্দেৰে জনাম।" পাঠকৰ প্ৰতি ডষ্টেয়ভ্স্কিৰো এয়েই বাণী।

এই ধ্ৰুপদী ৰচনাৰে ডষ্টেয়ভ্স্কি বিশ্বসাহিত্যত অমৰ হৈ আছে।

ছাৰ জেমছ্ জৰ্জ ফ্ৰেচাৰৰ দি গোল্ডেন বাও

(৫২)

ৰোমৰ দক্ষিণে আলবান পাহাৰৰ গভীৰাঞ্চলত 'নেমি' হ্ৰদ। প্ৰচীন কালত এই হ্ৰদক মানুহে 'দেৱী ডায়ানাৰ দৰ্পণ' নাম দিছিল। আজিও দেৱীয়ে নেমি হ্ৰদৰ নিৰ্জন পাৰত মাজে মাজে ভ্ৰমণ কৰে বুলি সহজে কল্পনা কৰি লব পাৰি। হ্ৰদৰ পাৰত 'ডায়ানা নেম'ৰেনছিছ' বা 'বনচাৰিণীডায়ানা' দেৱীৰ প্ৰতি উছৰ্গা কৰা এটা মন্দিৰ আছিল আৰু মন্দিৰৰ ওচৰতে আছিল পৱিত্ৰ উদ্যান। তিনি মাইল আঁতৰত আছিল আৰিচিয়া নগৰ। সেয়ে মানুহে নেমি হ্ৰদ আৰু মন্দিৰৰ বাগিচাক আৰিচিয়া হ্ৰদ আৰু আৰিচিয়া বাগিচাও বুলিছিল।

সেই অঞ্চলৰ প্ৰাকৃতিক দৃশ্যাৱলী অতি মনোমুগ্ধকৰ। বিখ্যাত বৃটিছ শিল্পী টাৰ্ণাৰৰ তুলিকাত এই দৃশ্যাৱলী জীৱন্ত হৈ আছে। কিন্তু অতি প্ৰাচীন কালত এই সুন্দৰ বনাঞ্চল আছিল পৌন:পুনিকভাৱে ঘটা আশ্চৰ্যজনক' ট্ৰেজেদিৰ প্ৰেক্ষাপট। এই পৱিত্ৰ বাগিচাখনত এজোপা বিশেষ গছ আছিল আৰু সেই গছ জোপাৰ ওচৰত দিনৰ যি কোনো সময়ত, বিশেষকৈ গভীৰ নিশা, এটা গম্ভীৰ মূৰ্তিক ঘূৰা-পকা কৰি থকা দেখা গৈছিল। তাৰ হাতত আছিল খোলা তৰোৱাল আৰু প্ৰতি মুহূৰ্ততে সি সন্দিগ্ধ দৃষ্টিৰে তাৰ চৌদিশে দৃষ্টিপাত কৰিছিল, যেন প্ৰতি মুহূৰ্ততে কোনো এক শত্ৰুৱে তাক আক্ৰমণ কৰাৰ আশংকা তাৰ মনত আছিল। মানুহজন আছিল এজন পুৰোহিত তথা হত্যাকাৰী; যিজন শত্ৰুৰ কাৰণে সি অপেক্ষা কৰিছিল সেইজনে আজিয়েই হওক বা কাইলৈকে হওক তাক হত্যা কৰিব আৰু তাৰ পৰিৱৰ্তে নিজে পুৰোহিতৰ পদত অধিষ্ঠিত হ'ব। দেৱী ডায়ানাৰ পৱিত্ৰ মন্দিৰৰ এয়েই আছিল নিয়ম।'পুৰোহিত পদপ্ৰাৰ্থীয়ে পদস্থ পুৰোহিতক নিজে হত্যা কৰিহে পুৰোহিত পদত অধিষ্ঠিত হ'ব পাৰিছিল আৰু তাতকৈ বলবান তথা কৌশলী ব্যক্তিৰ হাতত মৃত্যু নঘটালৈকে সি সেইপদত অধিষ্ঠিত হৈ ৰৈছিল।'

উনবিংশ শতাব্দীত প্ৰকাশিত এখন অতি উল্লেখযোগ্য গ্ৰন্থৰ পৰা ওপৰুক্ত কথাখিনি উদ্ধৃত কৰা হৈছে। গ্ৰন্থখনৰ নাম 'দি গোল্ডেন বাও' (The Golden

Bough সোণালী শাখা) গ্ৰন্থকৰ্তাৰ নাম চাৰ জেমছ জৰ্জ ফ্ৰেজাৰ।

ফ্ৰেজাৰক সমাজ নৃতত্ত্ববিদ আখ্যা দিয়া হয় আৰু এই অভিধা তেওঁৰ প্ৰাপ্য। কিন্তু তেওঁ কেৱল নৃতত্ত্ববিদেই নাছিল, তেওঁ আছিল এজন অত্যন্ত কুশলী লেখক আৰু অন্যতম শ্ৰেষ্ঠ ধ্ৰুপদী পণ্ডিত। মানুহৰ সাংস্কৃতিক আৰু ধৰ্মীয় ক্ষেত্ৰৰ ভালেমান গোপন আৰু জটিল তথ্য পোহৰলৈ আনি আকৰ্ষণীয় ভাৱাবে লিখি মানুহৰ জ্ঞানৰ পৰিধি বহলোৱাত তেওঁ অবিস্মৰণীয় অৰিহণা যোগাই গৈছে।

১৮৫৪ চনত গ্লাছগোত ফ্ৰেজাৰৰ জন্ম হৈছিল। তেওঁৰ দেউতাক তাৰ এখন ফাৰ্মচীৰ অংশীদাৰ আছিল। গ্লাছগো বিশ্ববিদ্যালয়ৰ পৰা ফ্ৰেজাৰ গৈছিল কেম্ব্ৰিজৰ ট্ৰিনিটি কলেজলৈ। ১৮৭৯ চনত তেওঁ সেই কলেজৰ এজন ফেলো হিছাপে নিৰ্বাচিত হয়। ১৯৪১ চনত মৃত্যুৰ সময়লৈ তেওঁ এই পদত অধিষ্ঠিত হৈ আছিল। 'গোল্ডেন বাও'ৰ প্ৰথম খণ্ড প্ৰকাশ হৈছিল ১৮৯০ চনত। পিছত ক্ৰমে অন্যান্য খণ্ডবোৰ প্ৰকাশ পায়। ১২ খণ্ডত সম্পূৰ্ণ এই মহৎ গ্ৰন্থৰ শেষ খণ্ড প্ৰকাশ হয় ১৯১৫ চনত। ১৯২২ চনত তেওঁ গ্ৰন্থখনৰ এটা সংক্ষিপ্ত সংস্কৰণ প্ৰকাশ কৰে। সাধাৰণ পঢ়ুৱৈৰ বাবে এই সংক্ষিপ্ত সংস্কৰণটোৱেই যথেষ্ট।

'সোণালী শাখা' কি আছিল? সাধাৰণভাৱে ক'বলৈ গলে নেমি হ্ৰদৰ পাৰৰ সেই বাগিচাৰ বিশেষ গছজোপাৰ পৰা ভাঙি অনা এটি ডাল বা শাখা। ডায়ানা—মন্দিৰৰ পৰম্পৰাগত ৰীতি অনুসৰি, যিজনে বাগিচাৰ ভিতৰত প্ৰবেশ কৰি সেই গছ জোপাৰ এটা ডাল ভাঙিবলৈ সমৰ্থ হয়, সেইজনেই পুৰোহিতৰ সৈতে মাত্ৰ এবাৰ যুদ্ধ কৰাৰ অধিকাৰ অৰ্জন কৰে। যদি সি জয়লাভ কৰে 'বনাঞ্চলৰ ৰজা' হয়। সি সদায় এক আতংকৰ মাজত তেতিয়ালৈ ৰাজত্ব কৰে যেতিয়ালৈ সি আন এজনৰ হাতত নিহত নহয়। উত্তৰাধিকাৰৰ এই প্ৰথা স্মৰণাতীত কালত আৰম্ভ হৈছিল আৰু ঐতিহাসিক কাললৈ প্ৰচলিত আছিল। প্ৰথম শতিকাৰ ৰোমান সম্ৰাট কেলিগুলাই তেতিয়াৰ 'বনাঞ্চলৰ ৰজা'জনে নেমিত দীৰ্ঘদিন ৰাজত্ব কৰিছে বুলি বিবেচনা কৰি এজন ভাৰাতীয়া হত্যাকাৰীৰ দ্বাৰা পুৰোহিতজনক হত্যা কৰাইছিল।

মন্দিৰটো দেৱী ডায়ানাৰ নামত উছৰ্গা কৰা হৈছিল। ডায়ানা আছিল বনাঞ্চল

আৰু বন্যপ্ৰাণীৰ অধিষ্ঠাত্ৰী দেৱী। তেওঁ নৰ-নাৰীক সতি-সন্ততি দান কৰিছিল আৰু প্ৰসৱৰ সময়ত নাৰীক সহায় কৰিছিল। এইদৰে যৌন-সংক্ৰান্ত বিষয়ৰ সৈতে ঘনিষ্ঠভাৱে জড়িত থকা বাবে ধাৰণা কৰি লোৱা হৈছিল যে তেওঁৰো এজন পুৰুষ সংগী আছিল। ধ্ৰুপদী পুৰাণ গাথাত ডায়ানাৰ পুৰুষ-সংগী দেৱতাজনৰ নাম আছিল ভিৰ্বিয়াছ। বুৰঞ্জীয়ে ঢুকি পোৱা কালতে নেমিৰ পুৰোহিত সকলে, যি সকলক বনাঞ্চলৰ ৰজা বোলা হৈছিল, ভিৰ্বিয়াছৰ প্ৰতিনিধিত্ব কৰিছিল বুলি ভবা হৈছিল। এওঁলোক পৰ্যায় ক্ৰমে উত্তৰাধিকাৰীৰ হাতত নিহত হৈছিল। এক হিছাপে ক'বলৈ গ'লে এওঁলোকৰ জীৱন পবিত্ৰ বাগিচাৰ সেই বিশেষ গছজোপাৰ সৈতে সাঙোৰ খাই আছিল, কাৰণ পৰৱৰ্তী পুৰোহিত হ'ব খোজাজনে প্ৰথমে গছজোপাৰ সোণালী ডাল এটা ভাঙিব লাগিছিল। যেতিয়ালৈ গছ জোপা অক্ষত হৈ আছিল, তেতিয়ালৈ পুৰোহিত নিৰাপদ আছিল।

এই প্ৰাচীন ৰীতিৰ বিষয়ে জনাৰ পিছত ফ্ৰেজাৰৰ মনত ৰীতিটোৰ সৈতে জড়িত সমস্যাবোৰ সমাধান কৰাৰ তীব্ৰ কৌতুহল জন্মিল। প্ৰথমে তেওঁৰ মনত এই প্ৰশ্নৰ উদয় হ'ল: নেমিৰ পুৰোহিতক কিয় 'বনাঞ্চলৰ ৰজা' বোলা হৈছিল ? তেওঁৰ কামৰ এনেকাক কিয় ৰাজ্য বোলা হৈছিল ? ফ্ৰেজাৰে অৱশ্যে জানিছিল যে প্ৰাচিন জগতত বহুতো ৰজাই পুৰোহিতৰ দায়িত্বও পালন কৰিছিল। মানুহ আৰু ভগৱানৰ মাজৰ মধ্যস্থতাকাৰীৰ ভূমিকা লোৱাৰ ফলত বহু সময়ত ৰজাও দেৱতাৰ দৰে পূজিত হৈছিল। এইদৰেই নৰ-দেৱতাৰ ধাৰণা গঢ়ি উঠিছিল। আন এটা কাৰণো আছিল। প্ৰাচীন সমাজত ৰজা আছিল একাধাৰে পুৰোহিত আৰু যাদুকৰ; বহু সময়ত মেজিক বা যাদুবিদ্যাৰ ওপৰত থকা পাৰদৰ্শিতাৰ বলতেই ৰজাই ক্ষমতা পাইছিল।

ফ্ৰেজাৰে 'মেজিকৰ তত্ত্ব   দুটা ভাগত বিশ্লেষণ কৰিছে। প্ৰথমটো হ'ল অনুৰূপ তত্ত্ব' (Law of similarity) । ইয়াৰ অৰ্থ হ'ল— একে ধৰণৰ বিষয়ে একে ধৰণৰ বিষয় সৃষ্টি কৰে নাইবা ফলাফল তাৰ কাৰণৰ অনুৰূপ। দ্বিতীয়টো হ'ল— সক্ৰমনতত্ত্ব (Law of contact or contagion) । ইয়াৰ অৰ্থ হ'ল যিবোৰ বস্তু এসময়ত পৰস্পৰৰ সম্পৰ্কত আছিল সেইবোৰে পিছত শাৰীৰিক সম্পৰ্ক চ্যুত হৈ আঁতৰি পৰিলেও দূৰৰ পৰাই পৰস্পৰৰ

ওপৰত ক্ৰিয়া-প্ৰতিক্ৰিয়া কৰি থাকে। ফ্ৰেজাৰে কৈছে মেজিক হ'ল প্ৰাকৃতিক নিয়মৰ এবিধ নকল পদ্ধতি আৰু আচৰণৰ ভ্ৰান্তিযুক্ত নিৰ্দেশক, ই নকল বিজ্ঞান আৰু ব্যৰ্থ কলা। 'মেজিক'ৰ সন্দৰ্ভত তেওঁ ভালেমান দেশ আৰু জাতিৰ মাজত প্ৰচলিত আচাৰ-ৰীতিৰ উদাহৰণ দিছে। 'মেজিক'ৰ সহায়ত বহুতো লোকে সৰ্বময় ক্ষমতাৰ গৰাকী হৈছিল। মানৱ-ইতিহাসত মেজিক ধৰ্মতকৈ আগৰ, মেজিকৰ কাৰ্য্যকাৰিতাৰ ওপৰত বিশ্বাস এসময়ত সাৰ্বজনীন আছিল।

ফ্ৰেজাৰে কৈছে ধৰ্মতকৈ মেজিক বিজ্ঞানৰ বেছি ওচৰৰ। কাৰণ ধৰ্ম হ'ল প্ৰাকৃতিক আৰু মানৱিক জীৱনৰ ওপৰত প্ৰত্যক্ষ প্ৰভাৱ তথা নিয়ন্ত্ৰণ বিস্তাৰকাৰী মানুহতকৈ উচ্চ শক্তিক উপাসনা বা তুষ্ট কৰা কাম। বলিদানৰ জৰিয়তে, প্ৰাৰ্থনাৰ জৰিয়তে আৰু বাহ্যিক অনুষ্ঠানৰ জৰিয়তে পুৰোহিত সকলে সেই শক্তিক অনুকূলে আনিবলৈ চেষ্টা কৰে। আনহাতে, মেজিচিয়ান সকলে ভাবে যে, শুদ্ধ নিয়ম আৰু যথাবিহীত আচাৰ-ৰীতিৰ দ্বাৰাহে অতি প্ৰাকৃতিক শক্তিক তেওঁলোকে নিজৰ ইচ্ছা অনুসৰি পৰিচালিত কৰিব পাৰে।

উৰ্বৰতাৰ ক্ষেত্ৰতেই মেজিকৰ প্ৰয়োগ আটাইতকৈ বেছি। 'গোল্ডেন বাও'ৰ এটা গুৰুত্বপূৰ্ণ অধ্যায় হ'ল 'উদ্ভিদৰ ওপৰত যৌনতাৰ প্ৰভাৱ।' ফ্ৰেজাৰে ইয়াত কৈছে যে ইউৰোপত বসন্ত আৰু গ্ৰীষ্মকালত পতা উৎসৱানুষ্ঠানত বনদেৱতা আৰু বনদেৱীৰ প্ৰতিৰূপ জ্ঞান কৰি ডেকা আৰু গাভৰুক দৰা-কইনা সজাই অনুৰূপ মেজিকৰ সহায়ত প্ৰাচীন কালৰ মানুহে গছ-গছনি আৰু শস্যৰ বৃদ্ধি ঘটাবলৈ চেষ্টা কৰিছিল। তেওঁলোকে এনেকুৱা নকল বিবাহ অনুষ্ঠানৰ মাজেৰে বনদেৱতা আৰু বনদেৱীৰ বিবাহ অনুষ্ঠান পুনৰাভিনয় কৰিছিল। ইয়াৰ দ্বাৰা শস্য বৃদ্ধি হ'ব বুলি তেওঁলোকৰ বিশ্বাস আছিল। ইউৰোপত এতিয়াও প্ৰচলিত যে উৎসৱ প্ৰাচীন প্ৰাক-ঐতিহাসিক ওপৰুক্ত আচাৰ অনুষ্ঠানৰ ভগ্নাৱশেষ বুলি ফ্ৰেজাৰৰ ধাৰণা।

ডায়ানা দেৱী কেৱল গছ-গছনিৰে দেৱী নাছিল, নেমিৰ পৱিত্ৰ উদ্যানৰ মন্দিৰত তেওঁক উৰ্বৰতাৰ দেৱী ৰূপেও পূজা কৰা হৈছিল। তেওঁ যিহেতু উৰ্বৰতাৰ দেৱী আছিল সেয়ে তেওঁ নিজেও উৰ্বৰ বুলি আৰু তেওঁ তেওঁৰ পুৰুষ-সংগী ভিৰ্বিয়াছৰ সৈতে যৌন সম্পৰ্ক স্থাপন কৰিছিল বুলি ভৰা হৈছিল।

তেওঁলোকৰ বিয়াৰ ফলত পৃথিৱীৰ উৰ্বৰতাৰ লগতে পশু-পক্ষী আৰু মানৱ জাতিৰ সংখ্যা বৃদ্ধি হোৱা বুলি ভবা হৈছিল। প্ৰাক-ঐতিহাসিক মানুহে সেয়ে তেওঁলোকৰ বিয়াৰ অনুৰূপ নকল-বিবাহ অনুষ্ঠান প্ৰতি বছৰে পাতিছিল।

দেৱীৰ পুৰুষ-সংগীৰ পৌৰুষ-শক্তিৰ ওপৰত শস্যৰ বঢ়া-টুটা নিৰ্ভৰশীল। প্ৰাকৃতিক নিয়ম অনুসৰি পুৰুষ সংগীজনো দুৰ্বল আৰু বুঢ়া হয়। যেতিয়া তেওঁৰ শক্তি নাইকিয়া হয়, তেতিয়া তেওঁক হত্যা কৰি আন এজনে তেওঁৰ ঠাই লয়। নেমিৰ বৰ্বৰ হত্যাৰ ৰীতি এই ধাৰণাৰ পৰাই সম্ভৱত: উদ্ভৱ হৈছিল। শক্তিশালীজনে পুৰোহিতক হত্যা কৰিছিল আৰু এইদৰে দেৱীক শক্তিশালী সংগী দান কৰা হয় বুলি ভবা হৈছিল।

উদ্ভিদ আৰু প্ৰাণী জগতৰ বঢ়া টুটা যেনেকৈ নেমিৰ 'বনাঞ্চলৰ ৰজা'ৰ শক্তিৰ বঢ়া-টুটাৰ ওপৰত নিৰ্ভৰশীল বুলি ভবা হৈছিল, তেনেকৈ ঋতুৰ পৰিবৰ্তনো দেৱ-দেৱীৰ মৃত্যু আৰু পুনৰ জন্মৰ ওপৰত নিৰ্ভৰশীল বুলি ভবা হৈছিল। গ্ৰীচত এটিছ দেৱতা আৰু তেওঁৰ পত্নী চিবিলি আৰু ইজিপ্তত অ'চিৰিচ আৰু আইচিচৰ চৰিত্ৰ উপস্থাপন কৰি যিবোৰ ঋতুকালীন নাট-উৎসৱ পতা হৈছিল, সেইবোৰৰ জৰিয়তে উক্ত ধাৰণাবোৰ প্ৰকাশ পাইছিল।

প্ৰাচীন জগতৰ উৰ্বৰতা-সংক্ৰান্ত ধৰ্মীয় বিশ্বাস সমূহত কেইবাটাও অধ্যায়ত ফ্ৰেজাৰে আলোচনা কৰিছে। তেওঁৰ সিদ্ধান্ত হ'ল এয়ে যে প্ৰাচীন মানুহ এক বিৰাট মাতৃ-দেৱীৰ উপাসক আছিল। এই মাতৃদেৱী আছিল প্ৰকৃতিৰ সকলো প্ৰজনন শক্তিৰ মূৰ্ত প্ৰতীক। তেওঁৰ সৈতে জড়িত কৰা হৈছিল এজন বা ততোধিক প্ৰেমিকক। দেৱতা হ'লেও প্ৰেমিক সকল আছিল মৰণশীল। দেৱীয়ে সিহঁতৰ সৈতে বছৰৰ পিছত বছৰ সহবাস কৰিছিল। দেৱী আৰু প্ৰেমিকৰ যৌন সম্পৰ্ক উদ্ভিদ আৰু প্ৰাণী-বৃদ্ধিৰ বাবে আৱশ্যকীয় বুলি ভবা হৈছিল। দেৱ-দেৱীৰ কাল্পনিক মিলনৰ অনুকৰণত দেৱীৰ মন্দিৰত নৰ-নাৰীয়ে বাস্তৱত যৌন ক্ৰিয়া কৰিছিল। ইয়াৰ দ্বাৰা পৃথিৱীয়ে সৰহ শস্য আৰু প্ৰাণী জগতে সৰহ সতি-সন্ততি লাভ কৰিব বুলি মানুহে ভাবিছিল। কিছুমান প্ৰাচীন ধৰ্মত দেৱদাসী বা ধৰ্মীয় গণিকা প্ৰথা এইদৰেই উদ্ভৱ হৈছিল। প্ৰাচীন সভ্যতাৰ এনেবোৰ অনুষ্ঠানক বিশ্লেষণ কৰি ফ্ৰেজাৰে উত্তৰ ইউৰোপত প্ৰচলিত অনুৰূপ অনুষ্ঠানৰ সন্দৰ্ভত অনুসন্ধান চলাইছিল। উত্তৰ ইউৰোপত আৰু আন ভালেমান

দেশত শস্য-মাতৃ আৰু শস্য-কন্যা সম্পৰ্কীয় ধৰ্মীয় প্ৰথাৰ প্ৰচলন আছিল। অগ্নি-উৎসৱ, নৰবলি প্ৰথা আদিৰ সৈতে জড়িত আদিম বিশ্বাসৰ কথাও ফ্ৰেজাৰে উল্লেখ কৰিছে।

১৯৫৪ চনত ফ্ৰেজাৰৰ জন্ম শতবাৰ্ষিকীৰ দিনা তেওঁলৈ শ্ৰদ্ধা জনাই 'টাইমছ্' কাকতে এটা মুখ্য প্ৰৱন্ধত এইদৰে কৈছিল— 'ছাৰ জেমছ্ জৰ্জ ফ্ৰেজাৰে ভালেমান গ্ৰন্থ লেখিছিল যদিও সাধাৰণ পঢ়ুৱৈৰ মানত তেওঁৰ খ্যাতি 'গোল্ডেন বাও'ৰ ওপৰতে নিৰ্ভৰশীল। বিজ্ঞানৰ দৃষ্টিকোণৰ পৰা এই গ্ৰন্থক শেষত যিদৰেই বিচাৰ কৰা নহওক লাগিলে, সাহিত্যৰ দৃষ্টি-কোণৰ পৰা ই অজৰ-অমৰ।

আৰ ডি ব্লেকমোৰৰ লৰ্নাডুন

(৫৩)

ৰিচাৰ্ড ডড্‌ৰিজ ব্লেকমোৰে তেওঁৰ জীৱনকালত (১৮২৫-১৯০০) ভালেমান জনপ্ৰিয় উপন্যাস লেখিছিল যদিও একমাত্ৰ 'লৰ্নাডুন' নামৰ উপন্যাসখনেহে তেওঁক স্মৰণীয় কৰি ৰাখিছে।

ইংলেণ্ডৰ এক্সমূৰ অঞ্চলৰ পটভূমিত লৰ্নাডুন ৰচিত হৈছে। ব্লেকমোৰৰ ল'ৰালি কালছোৱা পাৰ হৈছিল এক্সমূৰৰ নিউটন নটেজ গাঁৱত। এক্সমূৰৰ পাৰ্বত্য-অঞ্চলৰ সৌন্দৰ্যই তেওঁৰ মন আকৰ্ষণ কৰিছিল। ব্লেকমোৰৰ দেউতাক আছিল গাঁৱৰ গীৰ্জাৰ সহায়ক। ব্লেকমোৰে স্কুলীয়া জীৱনত ককাদেউতাকৰ পৰা গাওঁ অঞ্চলৰ ভালেমান থলুৱা কিম্বদন্তীৰ কথা শুনিছিল। দ্বিতীয় চাৰ্লছৰ সময়ত এক্‌জেটাৰ অঞ্চলৰ এটা দুৰ্গৰ পৰা ডকাইতৰ দলে চলোৱা অভিযান সম্পৰ্কীয় কাহিনীবোৰো তেওঁ মানুহৰ মুখৰ পৰা শুনিছিল। আনকি যেতিয়া তেওঁ কলেজত পঢ়িছিল, তেতিয়াও গাওঁ অঞ্চলৰ সহজ-সৰল স্বাভাৱিক জীৱনৰ প্ৰতি তেওঁৰ আকৰ্ষণ আছিল। প্ৰথমতে তেওঁৰ মন আছিল কবি হ'বলৈ। কিন্তু তাৰ সলনি ঔপন্যাসিক হ'ল যদিও তেওঁৰ প্ৰকাশ ভংগীত কাব্যিক ঠাঁচ ফুটি ওলাইছিল। গ্ৰাম্য-প্ৰকৃতিৰ সুষমা আৰু মহাকাব্যিক বৈশিষ্ট্যৰ উপৰিও 'লৰ্নাডুন'ৰ আখ্যান ভাগৰ বাবে ই সমাদৃত হৈছিল।

উপন্যাসখনৰ নায়কৰ নাম জন ৰিড। কাহিনী আৰম্ভ হৈছে ১৬৭৩ চনৰ পৰা। তেতিয়া জন ডিভাৰটন চহৰৰ স্কুলৰ ছাত্ৰ। বাৰ বছৰ বয়সৰ পৰাই সি দুৰ্ধৰ্ষ প্ৰকৃতিৰ আৰু যুদ্ধপ্ৰিয়। স্কুলত সি তাতকৈ বয়সত ডাঙৰ সহপাঠী সকলক মল্লযুদ্ধ আদিত পৰাস্ত কৰিছিল। এক্সমূৰৰ পাৰ্বত্য প্ৰকৃতিয়েই তাক সৰুৰে পৰা বলবান কৰি তুলিছিল।

সেইকালত ইংলণ্ডৰ ডেভন আৰু ছমাৰছেট জিলাৰ সীমান্তৰ পাৰ্বত্য অঞ্চলৰ মাজৰ গভীৰ উপত্যকাত ডুন উপাধিধাৰী ডকাইত পৰিয়ালবৰ্গই বাস কৰিছিল। এই পৰিয়ালৰ লোক সকলে ডকাইতি কৰি ফুৰিছিল। জন স্কুলত পঢ়ি থকা

সময়ত এজন ডুনে তাৰ দেউতাকক হত্যা কৰাত জনে স্কুলীয়া জীৱন আধাতে শেষ কৰিব লগীয়া হ'ল। ঘৰলৈ ওভতাৰ পথত সি প্ৰায় ত্ৰিশজনীয়া ডুনৰ দল এটাক লগ পালে। সিহঁত ডকাইতি কৰি ঘূৰি আহিছিল। ডুনহঁত আছিল ওখ-পাখ, বলবান, বন্দুকধাৰী, অশ্বাৰোহী। ঘোঁৰাৰ পিঠিত লুটৰ মাল বোজাই দি ডুনহঁত সিহঁতৰ নিজ ঘৰৰ অভিমুখে গৈ আছিল।

জনৰ দেউতাকক হত্যা কৰাত তাৰ মাকে এদিন ডুনহঁতৰ গাঁৱলৈ গৈ সিহঁতৰ নেতা ছাৰ এনছৰ ডুনক লগ ধৰি অভিযোগ দাখিল কৰিলে। এনছৰে ডুনহঁতৰ উপদেষ্টাজনক হত্যাকাণ্ডৰ বিষয়ে সোধাত উপদেষ্টাই ক'লে যে জনৰ দেউতাকে প্ৰথমে ডুন এজনক আক্ৰমণ কৰিছিল। গতিকে স্বাভাৱিক ভাৱেই তেওঁক হত্যা কৰা হ'ল। এই কথা শুনি জনৰ মাক মিছেছ ৰিড হতাশ মনেৰে নিজৰ ঘৰলৈ উভতি আহিল। জনে দেউতাকৰ হত্যাৰ প্ৰতিশোধ লবলৈ দৃঢ় প্ৰতিজ্ঞ হৈ বন্দুক চলোৱাৰ শিক্ষা ললে। এবাৰ মাকৰ বেমাৰ হওঁতে সি মাছ মাৰিবলৈ গৈ ডুনহঁতৰ গাঁৱৰ ওচৰ পালে। তাত সি আঠ বছৰমান বয়সৰ এজনী ধুনীয়া ছোৱালী লগ পালে। ছোৱালীজনীৰ নাম লৰ্না ডুন।

আন এদিন জনহঁতৰ ঘৰলৈ মাকৰ মোমায়েক ৰুবেন হাকবেক অহাৰ কথা। ৰুবেন আছিল ডালভাৰটন গাঁৱৰ এজন ধনী দোকানী। সময়ত তেওঁ আহি নোপোৱাত জনে তেওঁক বিচাৰি গৈ দেখিলে যে ডুনহঁতে তেওঁক ডকাইতি কৰি লগত থকা টকা-পইছা কাঢ়ি নিছে আৰু হাত ভৰি বান্ধি ঘোঁৰাৰ পিঠিত তুলি পঠিয়াই দিছে। জনে বুঢ়া ৰুবেনক তেনে অৱস্থাত লগ পাই হাতৰ বান্ধ খুলি ঘৰলৈ আনিলে। ৰুবেনে ডুনহঁতৰ বিৰুদ্ধে অভিযান চলোৱাৰ কথা মনে মনে পাঙিলে। তাৰ কাৰণে ডুনহঁতৰ অঞ্চলটো চাবলৈ জনৰ লগত তালৈ গ'ল। ৰুবেন যোৱাৰ পিছত এদিন জন অকলে ডুন উপত্যকালৈ গ'ল। তাত লৰ্নাডুনক সি লগ ধৰিলে। লৰ্না এতিয়া পোন্ধৰ বছৰ বয়সীয়া গাভৰু আৰু জনো চফল ডেকা। দুয়োৰো মাজত প্ৰেম জন্মিল। লৰ্নাই জনক জনালে যে তাই প্ৰকৃততে বন্দিনীৰ জীৱনহে কটাইছে। তাই আৰু ক'লে যে কাৰ্ভাৰ ডুন নামৰ এজন ডুন ডেকাই তাইক বিয়া কৰাব খোজে। সি হয়তো তাইক জোৰকৈ লৈ গ'লহেঁতেন, কিন্তু ছাৰ এনছৰৰ ভয়ত তেনে কৰিব পৰা নাই।

ইতিমধ্যে শস্য চপোৱা উৎসৱৰ সময়ত জনৰ ভনীয়েক এনিয়ে ককায়েকক

জনালে যে তাই গাঁৱৰ টম ফেগাছ্ নামৰ ডেকাজনক ভাল পায়। জনেও লৰ্না ডুনৰ সৈতে থকা তাৰ ভালপোৱাৰ কথা ভনীয়েকক ক'লে। সেই উৎসৱলৈ কবেন আৰু তেওঁৰ নাতিনীয়েক কথও আহিছিল। কবেন হঠাৎ অহা কাৰণে সকলো আচৰিত হৈছিল। কাৰণ শস্য চপোৱা উৎসৱৰ সময়ত মানুহ সাধাৰণতে নিজৰ ঘৰতেই থাকে। জনহঁতৰ ঘৰত থকা দিন কেইটাত কবেনে ডুনহঁতৰ পাৰ্বত্য গাওঁখন দূৰৰ পৰাই পৰ্যবেক্ষণ কৰিছিল।

ইয়াৰ দুমাহমানৰ পিছত এদিন জন ডুন গাঁৱলৈ গ'ল। কিন্তু লৰ্নাক লগ নাপালে। আন এদিন দোকমোকালি সময়ত গৈ অৱশেষত সি তাইক লগ পালে। তাই তাক ক'লে যে দৰকাৰ হ'লে সি তাইলৈ বাতৰি পঠিয়াব।

ইতিমধ্যে ডুন সকলৰ বৃদ্ধ দলপতি ছাৰ এনছৰৰ মৃত্যু হোৱাত এদিন চাৰ্লছৱৰ্থ ডুন ওৰফে কাৰ্ভাৰ ডুনে মাতাল অৱস্থাত লৰ্নাৰ শ্লীলতা হানি কৰিবলৈ উদ্যত হৈছিল। লৰ্নাই জনলৈ বাতৰি পঠিওৱাত জন আহি তাইক নিজৰ গাঁৱৰ ঘৰলৈ পলুৱাই নিলে। গম পোৱা গ'ল যে লৰ্না আচলতে ডুন পৰিয়ালৰ সন্তান নহয়,ডুগোল্লৰ কাউণ্টেছৰহে জীয়েক। সৰুতে তাইক ডুনহঁতৰ ডকাইত দল এটাই চুৰ কৰি নিছিল।

লৰ্নাক জনে লৈ যোৱাত ডুনহঁতে জনহঁতৰ গাঁও আক্ৰমণ কৰিবলৈ প্ৰস্তুত হ'ল। জনে এই কথা গম পাই এদল সৈন্য লৈ ডুনহঁতৰ গাঁও আক্ৰমণ কৰিবলৈ গ'ল। কিন্তু ডুনহঁতৰ লগত যুঁজত পৰাস্ত হৈ সিহঁত উভতি আহিল।

ইতিমধ্যে নানা ঘটনা ঘটিল। দেশৰ অ'ত ত'ত বিদ্ৰোহে দেখা দিলে। জনে ৰজাৰ পক্ষ অৱলম্বন কৰি বিদ্ৰোহীহঁতৰ বিৰুদ্ধে সাহসেৰে যুঁজ দিয়াত ৰজাঘৰে তাক 'ছাৰ' উপাধিৰে বিভূষিত কৰিলে। সি লৰ্নাক বিয়া কৰাবলৈ সাজু হ'ল। বিয়া হৈ যোৱাৰ পিছত কাৰ্ভাৰ ডুনে সিহঁতক আক্ৰমণ কৰি লৰ্নাক আহত কৰিলে। জনে কাৰ্ভাৰক খেদি নিলে। কাৰ্ভাৰ পলাই যাওঁতে এটা খালত ডুবি মৰিল। অৱশেষত লৰ্না আৰু জনৰ মিলন হ'ল।

'লৰ্নাডুন' উপন্যাসৰ মূল কাহিনী এইটোৱেই যদিও ইয়াত নানা উপকাহিনী, ঐতিহাসিক কাহিনী আছে। মূলতে ই এটা প্ৰেম কাহিনী হ'লেও নানা উপাদানৰ সংমিশ্ৰণত 'লৰ্নাডুন এখন বৈচিত্ৰ্যপূৰ্ণ উপন্যাস। ইংৰাজী সাহিত্যৰ বিশাল পৰিধিৰ মাজত ই আজিও ইয়াৰ আসন সুদৃঢ় কৰি ৰাখিছে।

(৫৪)

ৰুছিয়াৰ উক্রেইনৰ ছৰেংচিনেৎচ চহৰত এটা ৰুছাক পৰিয়ালত ১৮০৯ চনত নিকোলাই ভাছিলিয়েভিছ্ গোগলৰ জন্ম হয়। উনৈশ বছৰ বয়সত তেওঁ ছেণ্ট পিটাৰ্ছবাৰ্গলৈ (বৰ্তমানৰ লেনিনগ্ৰাড) গৈ এটা চৰকাৰী অফিচত কেৰাণী কামত সোমায়। এই কামত থাকোঁতেই তেওঁ ৰুছিয়াৰ আমোলাতন্ত্ৰৰ কাৰ্যকলাপ নিৰীক্ষণ কৰি তাৰ প্ৰতি তীব্ৰ বিৰাগ পোষণ কৰিবলৈ লয় আৰু আমেৰিকাত ভাগ্য অন্বেষণ কৰিবলৈ স্থিৰ কৰে। কামৰ পৰা ইস্তফা দি তেওঁ মাকৰ পৰা টকা লৈ আমেৰিকা বুলি যাত্ৰা কৰি কিছু দূৰ গৈ পুনৰ ছেণ্ট পিটাৰ্ছবাৰ্গলৈ উভতি আহি অভিনেতা হোৱাৰ প্ৰচেষ্টা চলাই বিফল হয়। কবি-বন্ধু পুছকিনক তেওঁ কয় যে থিয়েটাৰৰ মেনেজাৰহঁতে তেওঁৰ মাত দুৰ্বল এই অজুহাতত তেওঁক অভিনেতা হিছাপে ল'ব নোখোজে। প্ৰকৃততে গোগলৰ সমগ্ৰ অৱয়বেই আছিল অভিনেতাৰ অনুপযুক্ত। এজন সমসাময়িক ব্যক্তিৰ বৰ্ণনা মতে তেওঁ আছিল ক্ষীণ দেহৰ, গাটোৰ তুলনাত ভৰি দুখন আছিল চুটি। তেওঁ খোজ কাঢ়িছিল ঢলং-ঢপংকৈ; লাগ-বান্ধ নোহোৱা পোছাক, দীঘল চুলি আৰু ডাঙৰ নাকটোৱে তেওঁ দেখাত আছিল জধলা আৰু 'কিম্ভূত কিমাকাৰ'।

বিক্ষুব্ধ গোগলক পুছকিনে সান্ত্বনা দিলে আৰু এটা ডেকা বুদ্ধিজীৱী গোষ্ঠীৰ সৈতে চিনাকি কৰাই দিলে। এই গোষ্ঠীটোৱে ৰুছিয়াত এটা নতুন ভাবাদৰ্শৰ জন্ম দিছিল যি ভাবাদৰ্শই এক শতিকা পিছত ৰুছিয়ালৈ আনিছিল বিপ্লৱ। গোষ্ঠীটোৰ দ্বাৰা অনুপ্ৰাণিত হৈ গোগলে মহাকাব্যিক গদ্যতে 'তাৰাছ বুলবা' নামৰ কাহিনীটো আৰু কিছুমান চুটি গল্প লেখে। চুটি গল্প সমূহৰ মাজত 'ক্লোক' বা কোটচোলা নামৰ গল্পটো বিশ্ববিখ্যাত। মহান ৰুচ ঔপন্যাসিক ডষ্টেভ্স্কিয়ে কৈছিল যে 'ক্লোক' গল্পৰ পৰাই ৰুচিয়ান উপন্যাসৰ উদ্ভৱ হৈছে।

কাপৰ পিছত কাপ চাহ খোৱা আৰু গল্প কৰা ৰুচিয়ান সকলৰ স্বভাৱ।

গোগলো ইয়াৰ ব্যতিক্ৰমো নাছিল। দিনৰ পিছত দিন, ৰাতিৰ পিছত ৰাতি তেওঁ আৰু তেওঁৰ বন্ধুসকলে ৰুছিয়াৰ সৰ্বব্যাপক আমোলাতন্ত্ৰৰ দুর্নীতি আৰু পক্ষপাতিত্বমূলক আচৰণ সম্পৰ্কে আলোচনা কৰিছিল। আমোলাতন্ত্ৰৰ স্বৰূপ উদঘাটন কৰিবলৈ মনস্থ কৰি গোগলে লেখিলে তেওঁৰ ব্যংগাত্মক নাটক "ইন্সপেক্টৰ জেনেৰেল।' কবি জুকভ্স্কিয়ে জাৰ প্ৰথম নিকোলাচক নাটকখন দেখুওৱাত সকলোকে আচৰিত কৰি জাৰে নাটকখন ১৮৩৬ চনৰ ১৯ মাৰ্চত 'ৰাজকীয় নাট্যশালা'ত অভিনয় কৰিবলৈ আদেশ দিলে। দৰ্শকমণ্ডলীৰ মাজত জাৰ নিজেও আছিল। অভিনয় চাই তেওঁ বৰ আমোদ পালে আৰু শেষত মন্তব্য কৰিলে 'সকলোৱেই নিজৰ নিজৰ ভাগৰ পালি পাইছে, মই পাইছোঁ আটাইতকৈ বেছিকৈ!'

নাটকখনে সেইদিনা নিশা মস্কোত আলোড়নৰ সৃষ্টি কৰিলে বুলি ক'লে কমকৈ কোৱা হয়। নাট্য-সমালোচক আৰু দৰ্শক সাধাৰণে অভিনয়ৰ অন্তত নাট্যকাৰ আৰু কুলা-কুশলীবৃন্দক অভিনন্দন জনাবলৈ মঞ্চত ভিৰ কৰাৰ সময়ত ক্ষমতাশালী আমোলতন্ত্ৰৰ মুৰব্বীসকলে এখন গোপন বৈঠকত মিলিত হৈ তেওঁলোকৰ মানত ছয়তান নিকোলাই তাছিলিয়েভিছ গোগল নামৰ মানুহজনক শেষ কৰিবলৈ আঁচনি ল'লে। কিন্তু জাৰ নিকোলাচৰ প্ৰিয় হোৱা বাবে তৎক্ষণাৎ তেওঁৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ তেওঁলোকে সাহস নকৰিলে। গোগলে আমোলাতান্ত্ৰিক ষড়যন্ত্ৰৰ কথা গম পাই ৰোমলৈ পলায়ন কৰিলে। তাত তেওঁ ৰুচিয়ান বন্ধু-বান্ধৱে পঠোৱা এটা ভাট্টাৰে দিন কটাবলৈ ধৰিলে। বহুতে কয় যে ভাট্টা দিছিল স্বয়ং জাৰ নিকোলাছে।

১৮৩০ চনৰ আগছোৱাত গোগলে এখন উপন্যাসৰ খচৰা তৈয়াৰ কৰিলে। উপন্যাসৰ নাম 'ডেড-ছোলছ' অৰ্থাৎ 'মৃত-আত্মা'। যদিও কাহিনীটো ব্যংগাত্মক, তথাপি ইয়াৰ অন্তৰ্নিহিত অৰ্থ ইমান কাৰুণ্যেৰে পৰিপূৰ্ণ আছিল যে গোগলে পুছকিনক খচৰাটো পঢ়ি শুনালত তেওঁ স্বগতোক্তি কৰিলে— 'হায় ভগৱান! ৰুছিয়া কি বিষাদময় দেশ!" পিছত পুছকিনে বন্ধুসকলৰ আগত মন্তব্য কৰিছিল : "গোগলে একো নতুন আৱিষ্কাৰ কৰা নাই; এয়া সত্য, নিৰ্মম সত্য।' ৰোমত থাকোঁতেই তেওঁ উপন্যাসখন লেখিবলৈ আৰম্ভ কৰিছিল যদিও বৰ বেছি আগবাঢ়িব পৰা নাছিল। ১৮৩৭ চনত দ্বন্দ্বযুদ্ধত পুছকিনৰ

মৃত্যুৰ বাতৰিয়ে গোগলক বহুদিনলৈ বিষাদেৰে আচ্ছন্ন কৰি ৰাখিছিল। ১৮৪২ চনত উপন্যাসখনৰ প্ৰথমখণ্ড প্ৰকাশ পোৱাৰ লগে লগে ইয়াক ৰুছিয়াৰ ধ্ৰুপদী সাহিত্যৰ মৰ্যাদা দিয়া হ'ল। উপন্যাসখনৰ দ্বিতীয়খণ্ড এটাও গোগলে লেখিছিল; কিন্তু এবাৰ উত্তেজনাৰ মুহূৰ্তত তেওঁ পাণ্ডুলিপিটো পুৰি পেলোৱাত এই খণ্ডটো বিলুপ্ত হৈ গ'ল— পুনৰ আৰু লেখা নহ'ল।

গোগলৰ প্ৰিয় বিষয়বস্তু আছিল আমোলাতান্ত্ৰিক প্ৰশাসনে জন্ম দিয়া দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰ। 'ডেড ছোলছ' এই বিষয়বস্তুক লৈ লেখা তীব্ৰ শ্লেষপূৰ্ণ ব্যংগাত্মক উপন্যাস। ইয়াৰ প্ৰধান চৰিত্ৰ হ'ল চিচিকভ নামৰ এজন ধূৰ্ত্ত। সি চৰকাৰৰ শুল্ক বিভাগত কাম কৰিছিল, কিন্তু তাৰ পৰা বদনামী হৈ খেদা খাইছিল। সি তাৰ হেৰোৱা ভাগ্য পুনৰুদ্ধাৰৰ কাৰণে এটা আচৰিত ধৰণৰ কৌশলৰ কথা চিন্তা কৰি উলিয়ালে।সেই সময়ত ৰুছিয়াৰ প্ৰতিজন জমিদাৰ আছিল 'দাস' (serf) কিছুমানৰ মালিক। 'দাস'ক প্ৰচলিত কথাত 'আত্মা' (soul) ও বোলা হৈছিল। প্ৰতিজন 'দাস' বা আত্মাৰ বাবদ জমিদাৰজনে এটা বছৰেকীয়া জনমূৰি কৰ (head tax) চৰকাৰক দিব লাগিছিল। চৰকাৰে প্ৰতি দহ বা বিশ বছৰৰ মূৰে মূৰে লোক গণনা কৰিছিল। ইতিমধ্যে যিবোৰ 'আত্মা'ৰ মৃত্যু হৈছিল, লোক গণনা নোহোৱা পৰ্যন্ত সেইসকলৰ বাবদো জমিদাৰে কৰ ভৰিব লাগিছিল। এই কথাটো জমিদাৰসকলে ভাল পোৱা নাছিল আৰু ইয়াক চৰকাৰৰ অন্যায় কাম বুলি গণ্য কৰিছিল! চিচকভৰ পৰিকল্পনা আছিল গাঁও অঞ্চলত ভ্ৰমণ কৰি সস্তাত মৃত 'আত্মা'বোৰক কিনি লোৱা আৰু তাৰ পিছত ক্ৰয়ৰ তালিকাখন স্থানীয় গৱৰ্ণৰক দাখিল কৰি 'মৃত আত্মা'বোৰ নিজৰ অধীনলৈ অনা। গৱৰ্ণৰে যে এনে এখন তালিকাত চহী কৰিব, তাত চিচিকভৰ সন্দেহ নাছিল, কাৰণ প্ৰথমে গৱৰ্ণৰে ধৰি ল'ব যে চিচিকভে কিনা আত্মাবোৰ জীৱিত; দ্বিতীয়তে মৃত আত্মা কোনোবাই কিনিব পাৰে বুলি গৱৰ্ণৰে ভাবিবই নোৱাৰিব। এনে এখন হস্তান্তৰৰ দলিল গৱৰ্ণৰৰ পৰা লৈ সি যিকোনো বেংকৰ পৰা দলিলখনৰ ভিত্তিত বুজন পৰিমাণৰ ঋণ ল'ব পাৰিব। ঋণৰ টকাৰে সি দূৰৰ প্ৰদেশ এখনলৈ গৈ মাটি কিনি প্ৰকৃত জীৱন্ত আত্মা কিছুমানক সেই মাটিত খেতিৰ কামত লগাব।

পৰম উৎসাহেৰে চিচিকভে তাৰ পৰিকল্পনা কাৰ্যকৰি কৰিবলৈ বুলি তাৰ 'বৃচকা' (তিনিটা ঘোঁৰাই টনা বাগী)খনেৰে লগত কচোৱান ছেলিফান আৰু

ভৃত্য পেত্ৰচ্ছকাক লৈ 'ন-' চহৰত উপস্থিত হ'ল। হোটেলৰ ওৱেইটাৰক সুধি চহৰৰ গণ্য-মান্য লোক সকলৰ বিষয়ে জানি লৈ, চিকুণকৈ দাঢ়ি খুৰাই, চিক্কৰ কোট পিন্ধি, ৰুমালত অ-ডি কোলোন সানি সি চহৰ ভ্ৰমণত ওলাল। চিচিকভৰ অত্যন্ত ভদ্ৰ বিনয়ী ব্যৱহাৰ, সকলোকে সম্ভ্ৰমেৰে সম্বোধন কৰাৰ ৰীতি, চহৰখনৰ প্ৰশাসনৰ উচ্চ-প্ৰশংসা ইত্যাদিয়ে সি লগ ধৰা লোক সকলৰ মনত তাৰ সম্বন্ধে খুব ভাল ধাৰণাৰ জন্ম দিলে। সেই দিনাই ৰাতিলৈ স্থানীয় গৱৰ্ণৰে তাক ভোজমেললৈ নিমন্ত্ৰণ কৰিলে। তাৰ পিছত গোটেই সপ্তাহটো সি বহুজনৰ পৰা দিনৰ আৰু ৰাতিৰ নিমন্ত্ৰণ পালে।

চিচিকভে সকলোকে মুগ্ধ কৰিলে আৰু সেয়ে যেতিয়া যি ঘোষণা কৰিলে যে শীঘ্ৰেই সি চহৰ এৰি গুচি যাব, তেতিয়া সকলোৱে তাক আৰু কিছুদিন থাকিবলৈ সনিৰ্বন্ধ অনুৰোধ জনালে। কিন্তু সি মান্তি নহ'ল। বিশেষ এটা উদ্দেশ্যে সি ভ্ৰমণলৈ ওলাইছে আৰু সি যাবই লাগিব বুলি সকলোকে জনাই এদিন চিচিকভে চহৰ এৰিলে। 'ন-' চহৰৰ গণ্যমান্য ব্যক্তিসকলে ধৰি ল'লে যে চিচিকভ এজন উচ্চ পদস্থ চৰকাৰী বিষয়া আৰু কিবা গোপনীয় কাম হাতত লৈ সি দেশভ্ৰমণৰ কাৰ্যসূচীত ব্যস্ত। 'ন-' চহৰৰ নতুন বন্ধু-বান্ধৱসকলৰ পৰা চিচিকভে জিলাখনৰ কোনজন জমিদাৰ কেনে ধৰণৰ সেইবিষয়ে খৰচি মাৰি জানি লৈছিল। গতিকে মৃত আত্মা কিনা অভিযানত যাক যেনে ব্যৱহাৰ কৰি কাম সিদ্ধি কৰিব লাগে, তেনে ব্যৱহাৰ কৰিছিল আৰু অতি কম সময়ৰ ভিতৰতে সি কেবাশ মৃত আত্মাৰ মালিক হৈ পৰাত কোনো অসুবিধা নাপালে।

কিন্তু অনায়াস কৃতকাৰ্যতাই চিচিকভক অতি বেছি প্ৰলুব্ধ কৰিলে। সি বহু দূৰত থকা এজন বৰ ঐশ্বৰ্যশালী জমিদাৰক লগ ধৰিবলৈ চেষ্টা কৰিলে। দুৰ্ভাগ্যক্ৰমে আগদিনা ৰাতি কচোৱান চেলিকনে অতিপাত ভদ্কা খাইছিল আৰু নিচাৰ জালত সি ভুল বাটেৰে বাগী চলালে। বাটত বিৰাট ধুমুহা বতাহ অহাত ৰাস্তাত বোকা হ'ল আৰু ঘোঁৰাকেইটাই ভয় খাই ইফালে-সিফালে লৰ ধৰাত বাগীখন বোকাত বাগৰি পৰিল। যি নহওক, ৰাতিটোৰ বাবে চিচিকভ মেডাম কোৰোবাংস্কা নামৰ এজন ধনী, খামখেয়ালী আৰু কৃপণ স্বভাৱৰ বিধবা জমিদাৰণীৰ ঘৰত থাকিল। বহু দৰ-ভাওৰ শেষত তেওঁ চিচিকভক এক বৃহৎ সংখ্যক মৃত আত্মা বেচিলে। পিছদিনা ৰাতিপুৱা চিচিকভে আকৌ যাত্ৰা আৰম্ভ কৰিলে। বাটত চাহ-জলপান খাবৰ বাবে সি এখন অতিথিশালাত

সোমাল আৰু তাত 'ন-' চহৰত পৰিচয় হোৱা নজদ্ৰেভ বোলা মানুহজনক লগ পালে।নজদ্ৰেভে চিচিকভক স্বাগত জনালে। কিন্তু এই সাক্ষাৎ চিচিকভৰ বাবে প্ৰতিকূল হ'ল। নজদ্ৰেভ গৈছিল তাত অনুষ্ঠিত এখন মেলালৈ আৰু জুৱা খেলি সি বহুত টকা হাৰিছিল। চিচিকভৰ লগত সাক্ষাতৰ সময়ত সি মদৰ ৰাগীত বিভোৰ হৈ আছিল। সি চিচিকভক অতিথিশালাত মদ-ভাত খুৱাই 'ন-' চহৰলৈ তাৰ লগত যাবলৈ বাৰে বাৰে অনুৰোধ জনালে। কিন্তু চিচিকভে যেতিয়া মৃত আত্মা কিনাৰ কথা উলিয়ালে, তেতিয়া নজদ্ৰেভে মৃত আত্মা বেচিবলৈ মান্তি নহ'ল। ইয়াকে লৈ দুয়োৰো মাজত হোৱা তৰ্কই উত্তপ্ত ৰূপ ল'লে। নজদ্ৰেভে চিচিকভক ঠগ-জুৱাচোৰ আখ্যা দি অতিথিশালাৰ পৰা বাহিৰ কৰিবলৈ সাজু হ'ল। কিন্তু সেই সময়তে এজন পুলিচ বিষয়া তাত উপস্থিত হৈ ওচৰ-চুবুৰীয়া এজনক মাৰধৰ কৰাৰ অভিযোগত নজদ্ৰেভক গ্ৰেপ্তাৰ কৰিলে।

এই ঘটনাৰ পিছত চিচিকভ তৎক্ষণাৎ 'ন-' চহৰলৈ উভতি গ'ল। চহৰ পায়েই সি স্থানীয় পৰিষদৰ সভাপতিৰ ওচৰলৈ গৈ আত্মাৰ তালিকাখন দাখিল কৰি তাৰ নামত আত্মাবোৰ হস্তান্তৰৰ দলিল অনুমোদিত কৰি ল'লে। কামত কৃতকাৰ্যতা লাভ কৰি সি অতিথিশালালৈ জিৰণি ল'বলৈ গ'ল। ইতিমধ্যে গৱৰ্ণৰৰ লগুৱা এজন আহি তাক সেইদিনা ৰাতি হ'বলগীয়া বল নাচলৈ আমন্ত্ৰণ জনালে।

চিচিকভ অনুষ্ঠানত উপস্থিত হোৱাত স্থানীয় গণ্য-মান্য লোকসকলে তাক আদৰণি জনালে। সি চাৰিওফালে চকু ফুৰাই কোঠালীটোত এজনী ধুনীয়া ছোৱালী দেখিবলৈ পালে। সি ছোৱালীজনীৰ লগত পৰিচয় হৈ তাইৰ লগতেই কথাপাতি থাকিবলৈ ধৰাত বাকীসকলে তাৰ ওপৰত বিৰূপ ধাৰণা ল'লে। ইতিমধ্যে তাত উপস্থিত হ'লহি নজদ্ৰেভ মাতাল অৱস্থাত। চিচিকভক দেখা পাই সি ডাঙৰ ডাঙৰকৈ ক'বলৈ ধৰিলে যে কিবা অসৎ উদ্দেশ্যে চিচিকভে মৃত আত্মাবোৰ কিনিছে আৰু চিচিকভ এজন জুৱাচোৰ।

চিচিকভে তৎক্ষণাৎ সেই ঠাই এৰিলে যদিও, তাৰ যি অনিষ্ট হ'ল, সেয়া অপূৰণীয়। পিছদিনা ৰাতিপুৱা গোটেইখন চহৰতে নানা জনৰৱ প্ৰচাৰ হ'ল। নজদ্ৰেভ পুনৰ সি থকা অতিথিশালাত উপস্থিত হৈ তাৰ বিৰুদ্ধে গৱৰ্ণৰৰ ছোৱালীক পলুৱাই নিয়াৰ ষড়যন্ত্ৰ কৰা বুলি অভিযোগ উত্থাপন কৰিলে।

চিচিকভে 'ন-' চহৰৰ পৰা পলায়ন কৰাটোকে উত্তম বিবেচনা কৰি 'ত্ৰিচভাত' উঠিল। ঘোঁৰাবাগীখন চহৰ এৰি দক্ষিণৰ ফালে গৈ থাকোঁতে ভিতৰত বহি বহি চিচিকভে মানুহে মানুহৰ প্ৰতি কৰা অমানৱীয় আচৰণৰ কথা ভাবি গ'ল।

কিন্তু চিচিকভৰ চৰিত্ৰ আছিল সহজে ভাগি নপৰা বিধৰ আৰু সেয়ে চহৰ অতিক্ৰম কৰি উৰ্বৰা উপত্যকাৰ মাজেৰে গৈ থাকোঁতে পুনৰ আত্মবিশ্বাস ঘূৰাই পালে। সেই অঞ্চলত সি লগ পালে উদাৰ প্ৰকৃতিৰ জমিদাৰ টিয়েন টিয়েট্নিকভক। তাৰ সৈতে কথা-বতৰাত টিয়েন্‌টিয়েটনিভ বৰ সন্তুষ্ট হ'ল। চিচিকভে এইজন জমিদাৰৰ পৰাও বুজন সংখ্যক মৃত আত্মা কিনিলে। তাৰ পিছত সি জেনেৰেল বেত্ৰিষ্টচেভ নামৰ খামখেয়ালী চৰিত্ৰৰ এজন লোকৰ সৈতে পৰিচয় হ'ল। যদিও তেওঁ তাৰ মৃত আত্মা কিনা কথাটোক ঠাট্টা কৰিলে, তথাপি চিচিকভে পিছত অন্যান্য ঠাইত কথা প্ৰসংগত 'মোৰ সহৃদয় পৃষ্ঠপোষক জেনেৰেল বেত্ৰিষ্টকভ' বুলি উল্লেখ কৰি মানুহৰ মনত প্ৰভাৱ বিস্তাৰ কৰাৰ সুযোগ ল'লে। সি পিয়টুখ নামৰ এজন দেউলীয়া জমিদাৰকো লগ পালে। তাতেই লগ পোৱা প্লেটন নামৰ মানুহ এজনে তাক সেই অঞ্চলৰ ধনী উদাৰ নৈতিক জমিদাৰ কষ্টান্‌ঝগলোৰ ওচৰলৈ গৈ গ'ল।

এজন অতি চতুৰ ব্যৱসায়ী স্বভাৱৰ লোক হোৱা সত্ত্বেও কষ্টান্‌ঝগলোই চিচিকভক সম্পত্তি কিনিবলৈ এক বুজন পৰিমাণৰ ধন দিবলৈ মান্তি হ'ল। চিচিকভে ধন গ্ৰহণ কৰি এজন ঋণগ্ৰস্ত জমিদাৰৰ পৰা কিছু মাটি কিনিলে। সম্পত্তিৰ অধিকাৰী হৈ সি নতুন পোছাক-পৰিচ্ছদ তৈয়াৰ কৰি ল'লে। দুখৰ দিন অন্ত পৰাত সি আটক ধুনীয়া পোছাক পিন্ধি ফুৰিবলৈ ধৰিলে আৰু এদিন সেই অঞ্চলৰ এজন লেখত ল'বলগীয়া লোক মুৰাজভৰ আগত তাৰ ভৱিষ্যত আঁচনিৰ কথা গৰ্বেৰে প্ৰকাশ কৰিলে।

কিন্তু চিচিকভৰ আত্মসন্তুষ্টিৰ দিন ক্ৰমাৎ টুটি আহিল। সেই প্ৰদেশলৈ এজন নতুন গৱৰ্ণৰ জেনেৰেল আহিল। চিচিকভৰেই দুৰ্ভাগ্য যে এই গৱৰ্ণৰ জেনেৰেলজনেই চিচিকভক দুনীতিৰ দায়ত শুল্ক বিভাগৰ চাকৰিৰ পৰা বৰ্খাস্ত কৰিছিল। তেওঁ জিলা পৰিদৰ্শন কৰিবলৈ অহাত বহুলোকে চিচিকভৰ বিৰুদ্ধে তেওঁৰ ওচৰত অভিযোগ দাখিল কৰিলে। চিচিকভ গৱৰ্ণৰ জেনেৰেলৰ সমুখত হাজিৰ হোৱাত তেওঁ তাক চাইবেৰিয়ালৈ নিৰ্বাসন দণ্ড দিলে আৰু সাময়িকভাৱে স্থানীয় জেলত আৱদ্ধ কৰালে। মুৰাজভে কথাটো শুনি গৱৰ্ণৰ জেনেৰেলক

অনুৰোধ কৰি কলে যে চিচিকভ হ'ল দুৰ্নীতিগ্ৰস্ত আমোলাতন্ত্ৰৰ বলি; সি অকলে দোষী নহয়, সমগ্ৰ আমোলাতন্ত্ৰই চিচিকভৰ কাৰ্যৰ বাবে দায়ী। চিচিকভে ভৱিষ্যতে সৎ জীৱন-যাপন কৰিব বুলি মুৰাজভে প্ৰতিশ্ৰুতি দিয়াত গৱৰ্ণৰ জেনেৰেলে চিচিকভক মুক্তি দিলে। মুক্তি পাই চিচিকভে সেই ঠাই এৰি আন অঞ্চলত ভাগ্য অন্বেষণ কৰিবলৈ আনন্দ মনেৰে গুচি গ'ল।

যদিও উপন্যাসখন অসমাপ্ত হৈ থাকিল, তথাপি বিশ্বসাহিত্যত ই এখন শ্ৰেষ্ঠ উপন্যাসৰ মৰ্যাদা পাইছে তাৰ অন্তৰ্নিহিত গুণৰ কাৰণে। পুছকিনে কৈছিল, 'গোগলৰ হাঁহিৰ অন্তৰালত আছে অ-দৃষ্ট অশ্ৰু।' জাৰ-শাসিত ৰুচিয়াৰ কু-শাসন, দুৰ্নীতিয়ে ৰুচিয়াৰ জনসাধাৰণৰ জীৱন দুৰ্বিষহ কৰি তুলিছিল। জনসাধাৰণে আত্মসমৰ্পণ কৰিছিল ভাগ্যৰ ওচৰত। এক সৰ্বগ্ৰাসী বিষাদে তেওঁলোকৰ মন-প্ৰাণ আচ্ছন্ন কৰি পেলাইছিল। গোগল আছিল এই বিষাদৰ ৰূপকাৰ। তেওঁৰ লিখনীত ফুটি উঠিছিল ৰুচিয়াৰ আত্মাৰ বেদনা।

গোগলে চিচিকভক উপন্যাসৰ শেষত শাস্তিৰ পৰা ৰেহাই দিয়াত পঢ়ুৱৈয়ে ভাল পোৱা নাছিল। হেজাৰ হেজাৰ পঢ়ুৱৈয়ে গোগললৈ লেখিছিল যে চিচিকভৰ দৰে ভণ্ড এজনে উপযুক্ত শাস্তি পোৱা উচিত। সমালোচনাৰ উত্তৰত গোগলে লিখিছিল যে উপন্যাসৰ দ্বিতীয় খণ্ডত তেওঁ চিচিকভক এজন অনুতপ্ত সংশোধিত মানুহ হিছাপে অংকিত কৰিব । কিন্তু সেয়া হৈ নুঠিল। এক দুৰাৰোগ্য অস্থিৰতাই গোগলৰ মন বিক্ষিপ্ত কৰি তুলিলে। ১৮৪৮ চনত তেওঁ জেৰুজালেমলৈ তীৰ্থ কৰিবলৈ গ'ল। ৰুচিয়ালৈ ঘূৰি অহাৰ পিছত তেওঁ উপবাস আৰু প্ৰাৰ্থনাৰ মাজেৰে দিন কটাবলৈ ধৰিলে। অৱশেষত ১৮৫২ চনত এই মহান লেখকজনৰ জীৱনাৱসান ঘটিল। 'মৃত আত্মা'ৰ ৰচনাৰে গোগলে জীৱিত কৰি গ'ল ভালেমান মানৱৰ আত্মাক চিৰকালৰ কাৰণে। দুখিত, বঞ্চিত আত্মাবোৰে পুনৰ্জীৱনৰ বাট যেন বিচাৰি পালে তেওঁৰ উপন্যাসৰ জৰিয়তে। এই উপন্যাস নিজেও হৈ থাকিল এটা বিজয়-স্তম্ভ-অকল গোগলৰ নহয়, কিন্তু সমগ্ৰ মানৱতাৰ।

জৰ্জ বোৰোৰ লাভেন-গ্ৰো

(৫৫)

জৰ্জ বোৰোৰ দৰে আচহুৱা কেতবোৰ ঘটনাৰ সন্মুখীন হোৱা লেখক বিৰল। তেওঁ যিদৰে বহু ভাষা আয়ত্ত্ব কৰিছিল, সেইদৰে নানা আশ্চৰ্য্যজনক চৰিত্ৰ সম্পৰ্কেও প্ৰত্যক্ষ অভিজ্ঞতা আহৰণত সিদ্ধহস্ত আছিল। তেওঁ এনে দক্ষভাবে আচহুৱা কাহিনী বৰ্ণনা কৰিছিল যে অসম্ভৱ যেন লগা ঘটনাবোৰো তেওঁৰ লিখনীৰ যাদুস্পৰ্শত সত্য যেন অনুভূত হৈছিল। তেওঁৰ দুখন গ্ৰন্থত ইয়াৰ পৰাকাষ্ঠা প্ৰকাশিত হৈছিল : এখন হ'ল 'লাভেন্‌গ্ৰো' (lavengro) আৰু আনখন 'দি ৰোমানি ৰাই' (The Romany Rye.)

জিপছি ভাষাত 'লাভেনগ্ৰো' শব্দটোৰ অৰ্থ হ'ল 'ভাষাতত্ত্ববিদ' আৰু 'ৰোমানি ৰাই' মানে 'জিপছি ভদ্ৰলোক'। ডেকাকালত জৰ্জ বোৰোই লগ পোৱা এমব্ৰছ স্মিথ নামৰ জিপছি এজনে তেওঁক এইনাম দুটাৰে মাতিছিল। বোৰোৰ কিতাপ দুখনত 'জেছপাৰ পেট্ৰুলেংগ্ৰো' নামৰ যি চৰিত্ৰটো অংকিত হৈছে, সেয়া প্ৰকৃততে আছিল এমব্ৰছ স্মিথৰেই প্ৰতিৰূপ। দুয়োখন কিতাপত বোৰোৰ জন্ম চন ১৮০৩ ৰ পৰা ১৮২৫ চনৰ সময়ছোৱাত ঘটা ঘটনাৱলী বৰ্ণনা কৰা হৈছে। লাভেন্‌গ্ৰো প্ৰথমে প্ৰকাশ হয় ১৮৫১ চনত, ছবছৰ পিছত 'দি ৰোমানি ৰাই' প্ৰকাশ হয়।

বোৰো পৰিয়ালটো প্ৰাচীন কেল্টজাতিৰ বংশধৰ আছিল। কৰ্ণৱালত আছিল এই পৰিয়ালৰ বাসস্থান। জৰ্জৰ দেউতাক আছিল ৱেষ্ট নৰফোক সৈন্য-বাহিনীৰ কোৱাৰ্টাৰ মাষ্টাৰ। নেপোলিয়নৰ যুদ্ধ-বিগ্ৰহৰ সময় ছোৱাত সৈন্য বাহিনীৰ চলাচলৰ সৈতে বাপেকৰ লগত জৰ্জো ইংলেণ্ডৰ বিভিন্ন ঠাইলৈ গৈছিল— নৰফোকৰ পৰা মিড্‌লেণ্ড, মিড্‌লেণ্ডৰ পৰা স্কট্‌লেণ্ড, আৰু অৱশেষত আয়াৰলেণ্ড। য'লৈকেই গৈছিল তাতেই জৰ্জ কিছুমান আচহুৱা ঘটনাৰ সৈতে জড়িত হৈ পৰিছিল।

সাত-আঠ বছৰ বয়সত জৰ্জৰ পৰিচয় হৈছিল এজন বুঢ়া সাপ-বাজিকৰৰ সৈতে। বাজিকৰজনে বনৌষধিও তৈয়াৰ কৰিব জানিছিল, ঔষধৰ সৈতে সাপৰ

তেল মিহলাইছিল। জৰ্জ আৰু সাপ-বাজিকৰ দুয়ো পাহাৰে-পৰ্বতে ঘূৰি ফুৰিছিল। বিদায় ল'বৰ সময়ত বাজিকৰ জনে বিষ দাঁত উভালি পেলোৱা আৰু পোহ মনোৱা এটা সাপ জৰ্জক উপহাৰ দি গৈছিল। এবাৰ জৰ্জ এদল জিপছিৰ কবলত পৰোঁতে এই সাপটোৰ সহায়ত তেওঁ নিজকে ৰক্ষা কৰিবলৈ সমৰ্থ হৈছিল। জৰ্জে তেওঁৰ কোটৰ জেপৰ পৰা সাপটো উলিয়াই জিপছিহঁতক দেখুওৱাত সিহঁতৰ মনত বিস্ময়ৰ সৃষ্টি হৈছিল। তদুপৰি তেওঁ সিহঁতক কিতাপ পঢ়ি শুনোৱাত, জিপছিহঁতক দলপতিজনে জৰ্জৰ সৈতে তেওঁৰ পুতেকক চিনাকি কৰি দিলে। দলপতিৰ পুতেকৰ নাম জেছপাৰ পেট্ৰুলেংগ্ৰেচ। সেই সময়ত জেছপাৰ আছিল বাৰ তেৰ বছৰ বয়সীয়া। জৰ্জ আৰু জেছপাৰৰ মাজত বন্ধুত্ব হ'ল। পিছতো বিভিন্ন সময়ত বিভিন্ন ঠাইত জেছপাৰৰ সৈতে জৰ্জৰ দেখা দেখি হৈছিল।

বাপেকৰ সৈতে বিভিন্ন ঠাইত থাকোঁতে জৰ্জে স্কুলীয়া শিক্ষা পাইছিল। পিছত তেওঁক আইনৰ প্ৰশিক্ষণ লবলৈ নৰউইচৰ এজন উকীলৰ অধীনত থোৱা হ'ল। কিন্তু আইনতকৈ তেওঁৰ বেছি মনোযোগ আছিল বিভিন্ন ভাষা শিকাত। ভাষাবোৰ আছিল আচহুৱা— ৱেলচ, আৰবীয়, ডেনিছ, আৰ্মেনিয়ান আদি। জৰ্জে উপলব্ধি কৰিছিল যে আইনজ্ঞ হোৱা তেওঁৰ ক্ষমতাৰ বাহিৰত। ইতিমধ্যে দেউতাকৰ মৃত্যু হোৱাত তেওঁ গ্ৰন্থকাৰ হোৱাৰ মানসেৰে লণ্ডনলৈ গ'ল। কিন্তু কোনো প্ৰকাশকে তেওঁৰ কিতাপ প্ৰকাশ নকৰাত তেওঁ ছাৰ ৰিচাৰ্ড ফিলিপছৰ প্ৰকাশন প্ৰতিষ্ঠানত সোমাল। ৰিচাৰ্ডে তেওঁক কিছুমান বিখ্যাত অপৰাধীৰ জীৱন আৰু বিচাৰ সম্পৰ্কে ছখণ্ডত প্ৰকাশ কৰিব খোজা গ্ৰন্থৰ সংকলনৰ কামত নিয়োগ কৰিলে। লাভেন্‌গ্ৰো'ত জৰ্জে এই গ্ৰন্থখনক নিউগেটৰ 'জীৱন আৰু বিচাৰ' বুলি উল্লেখ কৰিছে। ১৮২৫ চনত ওপৰুক্ত ছখণ্ডৰ গ্ৰন্থখন প্ৰকাশ পায়। এই কামত জৰ্জ বোৰোই যথেষ্ট পৰিশ্ৰম কৰিব লগীয়া হৈছিল যদিও, ই তেওঁৰ যথেষ্ট উপকাৰত লাগিছিল। ইয়াৰ জৰিয়তে তেওঁ লিখাৰ কৌশল শিকিছিল। এটা সাধাৰণ কাহিনীকো কিদৰে আকৰ্ষণীয় কৰি লেখিব পাৰি জৰ্জে তেতিয়াহে উপলব্ধি কৰিছিল।

ছাৰ ফিলিপছৰ কাম শেষ কৰাৰ পিছত গ্ৰন্থকাৰ হোৱাৰ আশা জলাঞ্জলি দি ১৮২৫ চনৰ মে' মাহৰ শেষৰ ফালে লণ্ডন এৰি জৰ্জে ইংলণ্ডৰ দক্ষিণ-পশ্চিম

অঞ্চললৈ যাত্রা কৰিলে। কেইবা সপ্তাহ ধৰি তেওঁ গ্ৰামাঞ্চলত ঘূৰি ফুৰিলে। সেইসময়ত তেওঁ দিনে বিশৰ পৰা পঁচিশ মাইললৈকে খোজ কাঢ়িছিল। অৱশেষত শ্ৰপছায়াৰৰ এখন অতিথিশালাত তেওঁৰ শ্লিংবি নামৰ এজন ফেৰিৱালাৰ সৈতে পৰিচয় হ'ল। শ্লিংবিয়ে তাৰ মালবস্তুৰ সৈতে ঘোঁৰা গাড়ী বেচিব খোজাত জৰ্জে কিনি ললে। শ্লিংবিয়ে জৰ্জক কৈছিল যে 'ব্লেজিং টিনমেন' নামৰ গুণ্ডা এজনৰ উৎপাতৰ বাবেই সি ব্যৱসায় বন্ধ কৰিবলৈ বাধ্য হৈছে। যি নহওক, জৰ্জে শ্লিংবিৰ আগৰ ব্যৱসায়ৰ ঠাইত তম্বু তৰি ব্যৱসায় কৰিবলৈ আৰম্ভ কৰিলে। ইয়াতেই পেটুলেংগ্ৰো পৰিয়ালৰ বুঢ়ী আইতাই জৰ্জৰ প্ৰতি ঈৰ্ষাবশত: জৰ্জক পিঠাৰ লগত বিহ মিহলাই খুওৱাত তেওঁ অসুস্থ হৈ পৰিল। সৌভাগ্যক্ৰমে এজন ৱেলছৰ পাদ্ৰী আৰু তেওঁৰ ঘৈণীয়েকৰ শুশ্ৰূষাত তেওঁ ভাল হ'ল। পাদ্ৰী গৰাকীয়ে তেওঁক ৱেলছলৈ যাবলৈ অনুৰোধ কৰিলে, কিন্তু জৰ্জ মান্তি নহ'ল। তেওঁ ষ্টাফোৰ্ড ছায়াৰলৈ গৈ এখন পথাৰৰ এমুৰত গছৰ তলত তম্বু তৰি থাকিবলৈ ল'লে। জৰ্জে তেওঁৰ এই বাসস্থানৰ নাম দিলে 'মাম্পাৰছ ডিংগল'। ঠাইখন উইলেনহল চহৰৰ ওচৰত আছিল আৰু ইয়াতেই 'ব্লেজিংটিনমেন'ৰ সৈতে জৰ্জৰ প্ৰথম সাক্ষাৎ ঘটিল।

ব্লেজিং টিনমেন দেখাতেই গুণ্ডা ধৰণৰ, ছয় ফুট ওখ, পালোৱানৰ দৰে আটিল দেহৰ। তাৰ লগত আছিল দুজনী তিৰোতা : এজনীৰ বয়স প্ৰায় ৪০ বছৰ, বলবান আৰু দেখাত কুৰূপা; আনজনীৰ বয়স প্ৰায় ১৮ বছৰ, ওখ-পাখ, ধুনীয়া পিন্ধনত এটা চেপা-মৰা বডিছ আৰু নীলা ৰঙৰ গাউন, চুলিকোচা কান্ধৰ ওপৰলৈ বৈ পৰা। তাইৰ নাম হ'ল ইছপেল বাৰ্ণাৰ্ছ।

জৰ্জে টিনমেনক ক'লে যে তেওঁ শ্লিংবি-নহয়, শ্লিংবিৰ পৰা তেওঁ বয়-বস্তুৰ সৈতে ঘোঁৰা গাড়ীখন কিনি লৈছে। টিনমেনে জৰ্জৰ কথালৈ কৰ্ণপাত নকৰি তম্বুৰ ভিতৰলৈ সোমাই গৈ জৰ্জৰ ডিঙি চেপি ধৰিলে। লগে লগে ইছ'পেল বাৰ্ণাৰ্ছে টিনমেনৰ ডিঙিত বন্ধা কমালখনত পিছফালৰ পৰা টানি ধৰাত সি জৰ্জক এৰি দি তাইৰ ফালে চোঁচা ললে। কিন্তু ইছপেলে বাগি দি তাৰ হাতৰ পৰা সাৰিল। টিনমেন আৰু জৰ্জৰ মাজত হুতাহুতি আৰম্ভ হ'ল। ঘুচিয়াঘুচিত এবাৰ জৰ্জ আৰু এবাৰ টিন মন মাটিত বাগৰি পৰিবলৈ ধৰিলে। অৱশেষত টিনমেন সম্পূৰ্ণৰূপে অৱশ হ'ল আৰু সি তাৰ লগৰীয়া বয়স্কা তিৰোতাজনীৰ

সৈতে সেই ঠাই ত্যাগ কৰিলে।বাৰ্ণাৰ্ছ বৈ গ'ল। তাইৰ সৈতে জৰ্জৰ বন্ধুত্ব হ'ল। জৰ্জে প্ৰস্তাৱ দিলে যে দুয়ো ইংলেণ্ডৰ পৰা আমেৰিকালৈ গৈ বসতি কৰিব আৰু তাত স্বামী-স্ত্ৰী হিচাপে থাকি বিভিন্ন ভাষা শিকিব। বাৰ্ণাৰ্ছে প্ৰথমে জৰ্জৰ কথা বিশ্বাস কৰিবলৈ টান পাইছিল যদিও, শেষত প্ৰস্তাৱটোৰ সন্দৰ্ভত ভাবি চাবলৈ কিছু দিনৰ সময় ললে।

পিছদিনা জৰ্জবোৰো জেছপাৰ পেটুলেংগ্ৰোৰ সৈতে এখন মেলালৈ যাবলৈ ওলাল। পথাৰখন পাবহে আলিবাটত থিয় দি জৰ্জে উভতি চালে। তম্বুৰ দুৱাৰমুখত ইছ'পেল বাৰ্ণাৰ্ছ বৈ আছিল। 'বাতিপুৱাৰ বেলিৰ দৰে তাইৰ মুখত উজ্জ্বল মিচিকীয়া হাঁহি। মই তাইৰ ফালে চাই হাত জোঁকাবিলো।তাই লাহে লাহে তাইৰ সোঁহাতখন ওপৰলৈ তুলিলে। মই মুখ ঘূৰালোঁ আৰু ইয়াৰ পিছত কাহানিও ইছ'পেল বাৰ্ণাৰ্ছক পুনৰ লগ নধৰিলোঁ।' —এইদৰেই জৰ্জবোৰৰ বিচিত্ৰ অভিজ্ঞতাৰ বিৱৰণীপূৰ্ণ কাহিনীৰে 'লাভেনগ্ৰো'ৰ পৰিসমাপ্তি ঘটিছে।

ছিগমাণ্ড ফ্রয়েডৰ সপোনৰ বিশ্লেষণ

(৫৬)

১৮৫৬ চনৰ ৬ মে' তাৰিখে অষ্ট্ৰিয়াৰ সক-চহৰ ফ্ৰিবাৰ্গত ছিগমাণ্ড ফ্রয়েডে জন্ম গ্ৰহণ কৰে। তেওঁৰ দেউতাক জেকব ফ্রয়েড এটা ক্ষুদ্ৰ বস্ত্ৰ-কাৰখানাৰ মালিক আছিল। ইতিমধ্যে ঔদ্যোগিক বিপ্লৱৰ ফলত কাৰখানাৰ বস্ত্ৰ উৎপাদন পদ্ধতিত পৰিবৰ্তন অহাত ১৮৬০ চনত জেকব ফ্রয়েডে বস্ত্ৰ-কাৰখানাটো বিক্ৰী কৰি ভিয়েনালৈ গৈ কাপোৰৰ ব্যৱসায়ত লাগে। ফ্রয়েডহঁত আছিল ইহুদী ধৰ্মাৱলম্বী।

আঠবছৰ বয়সলৈ ছিগমাণ্ডক দেউতাকে ঘৰতে পঢ়ুৱাইছিল। তেওঁৰ বুদ্ধি সাধাৰণ ল'ৰাতকৈ ওপৰৰ আছিল আৰু এই কথা দেউতাকে বুজি পাইছিল। ভিয়েনাৰ স্পাৰ্ল হাইস্কুলৰ প্ৰথমটো পৰীক্ষাত ছিগমাণ্ড শ্ৰেণীৰ ভিতৰত প্ৰথম হৈছিল। হাইস্কুলত পঢ়া আঠোটা বছৰত কোনো ছাত্ৰই তেওঁক পঢ়া-শুনাত চেৰ পেলাব পৰা নাছিল।

চৈধ্য বছৰ বয়সত ছিগমাণ্ডে কাণ্টৰ দৰ্শন অধ্যয়ন কৰে। তাৰ পিছত ক্ৰমে জাৰ্মানীৰ বিখ্যাত দাৰ্শনিক হেগেল, ফিক্‌টে আৰু শ্বপেন হাৱাৰৰ দৰ্শন অধ্যয়ন কৰে। তেওঁ নিজেও এসময়ত দাৰ্শনিক হোৱাৰ কথা ভাবিছিল ; কিন্তু দেউতাকৰ আৰ্থিক অৱস্থা স্বচ্ছল নোহোৱা বাবে পৰিয়ালক সহায় কৰিবলৈ অৰ্থকাৰী ব্যৱসায় লোৱাটোৱেই যুগুত বুলি তেওঁ বিবেচনা কৰিলে আৰু ডাক্তৰী পঢ়িবলৈ স্থিৰ কৰিলে।

১৮৭৩ চনত তেওঁ ভিয়েনা বিশ্ববিদ্যালয়ৰ চিকিৎসা-বিজ্ঞান বিভাগত ভৰ্তি হ'ল, কিন্তু চিকিৎসা-বিজ্ঞানৰ কোনটো শাখা বিশেষ ভাৱে লৈ অধ্যয়ন কৰিব, সেই সিদ্ধান্তত উপনীত হ'ব নোৱাৰি কিছুদিন ইটো শাখ'ৰ পৰা সিটো শাখালৈ বাগৰি ফুৰিলে। ছিগমাণ্ডৰ এজন ককায়েক ইংলেণ্ডৰ মানচেষ্টাৰত বসবাস কৰি আছিল। তেওঁ ককায়েকৰ ওচৰলৈ গ'ল। ককায়েকে তেওঁক ভিয়েনালৈ উভতি গৈ বিখ্যাত শৰীৰতত্ত্ববিদ আৰ্নষ্ট ব্ৰাককলগ ধৰিবলৈ উপদেশ

দিলে। ছিগমাণ্ডে সেই মতে ব্ৰাকৰ গৱেষণাগাৰত দু-বছৰ ধৰি গৱেষণাত ৰত হ'ল। লগে লগে চিকিৎসা শাস্ত্ৰও অধ্যয়ন কৰি পাঁচ বছৰীয়া পাঠ্যক্ৰম তেওঁ আঠ বছৰতহে সম্পূৰ্ণ কৰিলে।

চিকিৎসা-শাস্ত্ৰত উত্তীৰ্ণ হৈ তেওঁ 'ভিয়েনা সাৰ্বজনীন হাস্পাতাল'ত কনিষ্ঠ চিকিৎসকৰ কামত সোমাল। ইয়াত থাকোঁতেই তেওঁ সেই সময়ৰ খ্যাতনামা মনস্তত্ত্ববিদ থিয়োডৰ মেনাৰ্টৰ দ্বাৰা প্ৰভাৱাম্বিত হয়। ব্ৰাকৰ গৱেষণাগাৰত তেওঁ স্নায়ুতন্ত্ৰ সম্পৰ্কে পৰীক্ষা-নিৰীক্ষা কৰিছিল; এতিয়া মেনাৰ্টৰ অধীনত মানৱ-শৰীৰ কেন্দ্ৰীয় স্নায়ুতন্ত্ৰ সম্পৰ্কে অধ্যয়ন আৰম্ভ কৰিলে। কিন্তু তেওঁ উপলব্ধি কৰিলে যে স্নায়বিক ৰোগৰ বিশেষজ্ঞ হ'ব নোৱাৰিলে ভালদৰে জীৱিকা অৰ্জন কৰা সম্ভৱ নহ'ব। সেয়ে তেওঁ বিখ্যাত স্নায়ৱিক ৰোগ বিশেষজ্ঞ জাঁ চাৰ্কোৰ অধীনত শিক্ষা লবলৈ পেৰিছলৈ যাবলৈ মনস্থ কৰিলে। ১৮৮৫ চনৰ শৰৎ কালৰ পৰা ১৮৮৬ চনৰ বসন্ত কাললৈ তেওঁ চাৰ্কোৰ অধীনত অধ্যয়ন কৰি ভিয়েনালৈ উভতিল। পেৰিছলৈ যোৱাৰ আগতে বাক্‌দত্তা মাৰ্থা বাৰ্ণেজক বিয়া কৰি স্নায়বিক ৰোগ বিশেষজ্ঞ হিছাপে তেওঁ ব্যৱসায় আৰম্ভ কৰিলে।

কিন্তু শীঘ্ৰেই ফ্ৰয়েড এক আচহুৱা পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হ'ল। চিকিৎসা বৃত্তিৰ ৰক্ষণশীলতাৰ ভক্ত- চিকিৎসকসকলে তেওঁৰ নতুন চিকিৎসা-পদ্ধতিৰ বিৰুদ্ধে থিয় দিলে। চাৰ্কোৰ অধীনত তেওঁ শিকি অহা পদ্ধতিক ভিয়েনা চিকিৎসক সন্থাই স্বীকৃতি নিদিলে। ফ্ৰয়েডে চিকিৎসা-পদ্ধতিত সম্মোহন প্ৰক্ৰিয়া প্ৰয়োগ কৰা বাবে মেনাৰ্টে তেওঁৰ 'কেন্দ্ৰীয় শৰীৰ-বিদ্যা প্ৰতিষ্ঠান'ত ফ্ৰয়েডৰ প্ৰৱেশ নিষিদ্ধ কৰিলে। গতিকে সকলো ধৰণৰ শিক্ষায়তনিক কাৰ্যকলাপৰ পৰা আঁতৰি আহি নিজৰ ব্যৱসায়ত মনপুতি লগাৰ বাহিৰে তেওঁৰ সন্মুখত বিকল্প নাথাকিল। এই পৰিস্থিতি অৱশ্যে ফ্ৰয়েডৰ অভিশাপেই আশীৰ্বাদৰ দৰে হ'ল। কাৰণ যদিও তেওঁৰ বৃত্তিত থকা সতীৰ্থ সকলে তেওঁৰ লগত থকা সম্পৰ্ক নাৰাখিলে, ৰোগীসকলে কিন্তু তেওঁৰ চিকিৎসাৰ দ্বাৰা উপকৃত হৈ তেওঁৰ চিকিৎসাগাৰত ভিৰ কৰিলে। এই ৰোগীসকলক চিকিৎসা কৰি থাকোঁতে তেওঁ কেতবোৰ পৰীক্ষা-নিৰীক্ষাও চলালে। ইয়াৰ ফলত তেওঁ যিবোৰ সিদ্ধান্তত উপনীত হ'ল সেইবোৰেই পৰৱৰ্তীকালত তেওঁৰ বৈপ্লৱিক আৱিষ্কাৰ আৰু তত্ত্বৰ ভিত্তিস্বৰূপ হৈছিল।

প্ৰথম দহবছৰ তেওঁ হিষ্টিৰিয়া ৰোগৰ ওপৰত মনোনিবেশ কৰিছিল। এই সম্পৰ্কে কৰা গৱেষণাৰ ফলাফল তেওঁ ১৮৯৫ চনত 'হিষ্টিৰিয়া সম্পৰ্কে অধ্যয়ন' Studies in Hysteria)গ্ৰন্থত লিপিবদ্ধ কৰে। চিকিৎসা মনোবিজ্ঞানৰ বুৰঞ্জীত এই গ্ৰন্থৰ স্থান উল্লেখযোগ্য এইবাবেই যে ইয়াতেই প্ৰথমে স্নায়বিক ৰোগৰ মূলত থকা অৱচেতন মনৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ ৰহস্য উদ্‌ঘাটিত হ'ল। ইয়াৰ ওপৰত ভিত্তি কৰি চিকিৎসা শাস্ত্ৰত এক নতুন শাখা প্ৰৱৰ্তিত হ'ল যাক মনোবিকলন (Physico analysis)আখ্যা দিয়া হয়। স্বাভাৱিকতে এনে নতুন তত্ত্বই চিকিৎসা-জগতত যথেষ্ট তৰ্ক-বিতৰ্কৰ সৃষ্টি কৰিলে। কিন্তু ফ্ৰয়েড দৃঢ়মনা হৈ ৰ'ল আৰু মনৰ প্ৰকৃতি সম্পৰ্কে তেওঁৰ গৱেষণা চলাই থাকিল। শীঘ্ৰেই এনে আন কিছুমান তত্ত্ব আগবঢ়ালে যিবোৰে কেৱল ভিয়েনাতে নহয়, পৃথিৱীৰ অন্যান্য দেশতো আলোড়নৰ সৃষ্টি কৰিলে। ১৯১০ চনত 'সপোনৰ বিশ্লেষণ' (The Interpretation of Dreams)গ্ৰন্থ প্ৰকাশ হোৱাৰ লগে লগে আন্তৰ্জাতিক ক্ষেত্ৰত ফ্ৰয়েডৰ খ্যাতি বিয়পি পৰিল।

ফ্ৰয়েডে কৈছে যে যিবোৰ যুগক প্ৰাক্-বৈজ্ঞানিক বুলিব পাৰি সেইবোৰ যুগত সপোনৰ কিবা এটা ব্যাখ্যা দিয়াটো মানুহৰ বাবে টান কথা নাছিল। ভাল সপোন দেখিলে মানুহে তাক ভগবানৰ আশীৰ্বাদ আৰু বেয়া সপোন দেখিলে ভূত-প্ৰেতৰ কাম বুলি ভাবিছিল। বিজ্ঞানৰ অগ্ৰগতিৰ লগে লগে মনোবিজ্ঞানৰ বিকাশ ঘটাত এচাম মানুহে উপলব্ধি কৰিবলৈ ধৰিলে যে সপোন আচলতে ব্যক্তিৰ নিজৰ মনৰ সৃষ্টি। কিন্তু সপোন মানুহে কিয় দেখে তাৰ ব্যাখ্যা তেতিয়াও কোনেও দিব পৰা নাছিল।

সপোনৰ উৎস, সজাগ মনৰ সৈতে তাৰ সম্পৰ্ক, টোপনিৰ অৱস্থাত সিহঁতে অনুভূতিৰ ওপৰত সৃষ্টি কৰা উত্তেজনা ইত্যাদিৰ ব্যাখ্যা প্ৰয়োজন বুলি ফ্ৰয়েডে উপলব্ধি কৰিলে।

সপোনৰ বিশেষত্ব সম্পৰ্কে অনুসন্ধান কৰোঁতে সপোন দেখাৰ মনস্তাত্ত্বিক কাৰণ, মানসিক প্ৰক্ৰিয়াৰ সৈতে ইয়াৰ সম্বন্ধ আৰু ইয়াৰ জৈৱিক ভূমিকাৰ লগে লগে সপোনৰ বিশ্লেষণ কৰা সম্ভৱ হয়নে নহয় তথা ইয়াৰ কিবা অৰ্থ আছেনে নাই— এইবোৰৰ সন্দৰ্ভত অনুসন্ধান

চলোৱাও অপৰিহাৰ্য।সপোন দেখাৰ পিছত তাৰ যিখিনি সাৰ পোৱাৰ সময়তো মনত থৈ যায় তাক সপোনটোৰ মূলৰ সৈতে সংযোগ কৰি নাইবা তাক কিছুমান প্ৰতীকৰ সহায়ত ব্যাখ্যা কৰাৰ চিন্তা ফ্ৰয়েডৰ মনত জাগিল। তেওঁ কৰা অনুসন্ধানৰ ফলত মানসিক ভয়, দুশ্চিন্তা, উদ্বেগ, কাল্পনিক কেতবোৰ বদ্ধমূল অথচ অলীক ধাৰণা মনোবিকলনৰ সময়ত দূৰ কৰা সম্ভৱ হৈ উঠিল। চাইকোথেৰাপি বা মনস্তাত্ত্বিক নিদান নামৰ চিকিৎসা পদ্ধতি মানসিক ৰোগ আৰোগ্যত প্ৰয়োগ কৰা হ'ল।

ফ্ৰয়েডে সপোনৰ প্ৰক্ৰিয়াক দুটা ভাগত ভাগ কৰিলে। এটা হ'ল প্ৰকাশ্য আৰু আনটো হ'ল অপ্ৰকাশ্য। সপোনৰ যিখিনি সাৰ পোৱাৰ পিছত মনত ৰয় সেইখিনিয়েই হ'ল 'প্ৰকাশ্য-স্বপ্ন উপাদান।' সপোনটো বিশ্লেষণ কৰি পোৱা তথ্যখিনি 'অপ্ৰকাশ্য স্বপ্ন-উপাদান।' এই দুটাই পৰস্পৰৰ ওপৰত কিদৰে ক্ৰিয়া কৰে আৰু পৰস্পৰৰ ৰূপান্তৰ ঘটায়- এই সমস্যাৰ সমাধান কৰিবলৈ তেওঁ অগ্ৰসৰ হ'ল।

প্ৰকাশ্য আৰু অপ্ৰকাশ্য সম্পৰ্কৰ ওপৰত ভিত্তি কৰি সপোনক তেওঁ তিনিটা শ্ৰেণীত বিভক্ত কৰিলে: (১) যিবিলাক সপোনৰ অৰ্থ আমাৰ মানসিক জীৱনৰ সৈতে খাপ খুৱাব নোৱাৰি আৰু (২) যিবিলাক সপোনৰ অৰ্থ নাই, (৩) যিবিলাক অসংলগ্ন আগগুৰিহীন তথা অৰ্থহীন। প্ৰথমবিধ সপোন সহজে বিশ্লেষণ কৰিব পাৰি। দ্বিতীয় আৰু তৃতীয়বিধ সপোনত প্ৰকাশ্য আৰু অপ্ৰকাশ্য উপাদান সাঙোৰ খাই থকা বাবে তাৰ বিশ্লেষণ জটিল।

সপোনৰ প্ৰকাশ্য আৰু অপ্ৰকাশ্য উপাদানৰ কেতবোৰ বিৰোধিতামূলক বিষয় ইচ্ছা পূৰণৰ সৈতে সংশ্লিষ্ট। তদুপৰি সপোনত বহু কথা সংক্ষিপ্ত ভাৱে দেখা যায়। ফলত মানুহৰ সচেতন মনত নভবা কিছুমান বিষয় সপোনৰ উপাদানত দেখে। বিশ্লেষণৰ পৰা প্ৰতীয়মান হয় যে প্ৰকাশ্য স্বপ্ন-উপাদান আৰু অপ্ৰকাশ্য স্বপ্ন উপাদানৰ মাজত দেখাত পাৰ্থক্য থাকিলেও দুয়োবিধৰ উৎস একে স্বপ্ন-চিন্তাৰ অন্তৰ্গত। সপোন দেখাৰ সময়ত মানসিক গভীৰতা চিন্তা আৰু ধাৰণাৰ পৰা আমাৰ বিচাৰ-বুদ্ধিৰ বাহিৰলৈ যায়। এইদৰে স্বপ্ন-স্থানান্তৰে সপোনৰ অৰ্থ লুকুৱাই ৰাখে। বা স্বপ্ন উপাদান আৰু স্বপ্ন-চিন্তাৰ সাদৃশ্য নাইকিয়া কৰে। বিশ্লেষণৰ দ্বাৰা 'স্বপ্ন স্থানান্তৰৰ ৰহস্য

উদ্‌ঘাটন কৰিলে সপোন দেখা কাম আৰু ইয়াৰ সৈতে জাগৰিত জীৱনৰ সম্পৰ্ক আৱিষ্কাৰ কৰিব পাৰি। বিশ্লেষণৰ পৰা দেখা যায় যে কিছুদিনৰ ভিতৰত লাভ কৰা অভিজ্ঞতাৰ প্ৰতিচ্ছবিয়েই সপোনত থাকে। দিনত আমি যিবোৰ কথা গুৰুত্ব সহকাৰে নাভাবোঁ, সেইবোৰ আমি সপোনত নেদেখোঁ বা দেখিলেও তাৰ কথা আমাৰ মনত নাথাকে। আমাৰ মনত সাঁচ পেলোৱা অভিজ্ঞতা বা পৰিস্থিতিবোৰেই সপোনত পুনৰাবৃত্তি ঘটে। কিন্তু সপোনৰ উপাদানত এনে সামগ্ৰিক অভিজ্ঞতা বা পৰিস্থিতিয়েই নাথাকে, এই অভিজ্ঞতা বা পৰিস্থিতি ৰূপান্তৰিত হয় ছবি সমন্বিত কেতবোৰ অংশলৈ অৰ্থাৎ এইবোৰ একোটা চাক্ষুস বিষয়বস্তুৰ প্ৰতিৰূপ হিছাপে সপোনত দেখা দিয়ে। চাক্ষুস বিষয়বস্তু স্থানান্তৰ হৈ সপোনত পৰিণত হোৱা ক্ৰিয়াটো (অৰ্থাৎ ফ্ৰয়েডে যাক স্বপ্ন স্থানান্তৰ আখ্যা দিছে) সম্পূৰ্ণৰূপে মনস্তাত্ত্বিক ইয়াৰ সৈতে ইচ্ছা-পূৰণ বা ইচ্ছা অৱদমনৰ সম্পৰ্ক ওতঃপ্ৰোতভাৱে জড়িত ।

এইদৰে ব্যাখ্যাৰ শেষত ফ্ৰয়েডে সপোনৰ বিশ্লেষণৰ ক্ষেত্ৰত তিনিটা সিদ্ধান্তত উপনীত হৈছে—: (১) কিছুমান সপোন মুক্ত ইচ্ছাৰ মুকলি প্ৰতিৰূপ (২) কিছুমান সপোন অৱদমিত ইচ্ছাৰ ছদ্মবেশী প্ৰতিৰূপ আৰু (৩) কিছুমান সপোন অৱদমিত ইচ্ছাৰ মুকলি প্ৰতিৰূপ।

ফ্ৰয়েডে 'সপোনৰ বিশ্লেষণ' গ্ৰন্থত অৱদমনৰ মনস্তত্ত্বৰ সন্দৰ্ভতো বিতং আলোচনা কৰিছে। এই মনস্তত্ত্বৰ সৈতে ছদ্মবেশী 'যৌনসপোন' (Sexual dreams) কিদৰে 'স্বপ্ন— বিকৃতি বা পৰিবৰ্তন'ৰ (dream-distortion) সৈতে জড়িত হৈ থাকে সেই কথাৰো বিতং বিৱৰণ দিছে। এই সংক্ৰান্তত তেওঁ স্বপ্ন-প্ৰতীক'ৰ (Dream symbols) কথাও উল্লেখ কৰিছে। শেষত তেওঁ কৈছে যে তেওঁৰ গৱেষণাই সপোনৰ অধ্যয়নৰ সূচনাহে কৰিছে মাত্ৰ, মনস্তাত্ত্বিক নিদান সম্পৰ্কে আলোচনাৰ ক্ষেত্ৰ অসীম।

চমু পৰিচয়ৰ দ্বাৰা ফ্ৰয়েডৰ যুগান্তকাৰী গ্ৰন্থখনৰ আটাইবোৰ বৈশিষ্ট্য প্ৰকাশ কৰা সম্ভৱ নহয়। মানুহৰ মনৰ জগতখনক বুজিবলৈ ছিগমাণ্ড ফ্ৰয়েডৰ মহৎ প্ৰচেষ্টাৰ ফলস্বৰূপেই মানুহে উপলব্ধি কৰিলে যে মানুহ বলিয়া হোৱাটো এবিধ ৰোগহে, ভূত-প্ৰেতৰ কুদৃষ্টি নহয়, আৰু সেয়ে চিকিৎসাৰ জৰিয়তে উন্মাদ-ৰোগ আৰোগ্য কৰিব পাৰি।

মানুহৰ মন-গহনত সোমাই ফ্ৰয়েডে যি সত্য আবিষ্কাৰ কৰিছে, সিয়েই বহুসংখ্যক ৰোগগ্ৰস্ত মানুহক উপশমৰ উপায় দিছে। তেওঁৰ ওচৰত সেয়ে, জগতবাসী ঋণী। তদুপৰি, তেওঁৰ প্ৰদৰ্শিত পথেদি আগবাঢ়ি আজি বহুত বৈজ্ঞানিকে মনৰ বাতৰি আমাক দিব পাৰিছে আৰু অন্তহীন ৰহস্য উদঘাটনৰ সম্ভাৱনা উজ্জ্বল কৰি তুলিছে।

এন্টনি ট্ৰলপৰ বাৰচেষ্টাৰ টাৱাৰছ্

(৫৭)

১৮১৫ চনৰ ২৪ এপ্ৰিলত ইংলেণ্ডৰ ব্লুমছ্ বাৰিত এণ্টনি ট্ৰলপৰ জন্ম হয়। তেওঁৰ দেউতাক এজন বেৰিষ্টাৰ আছিল যদিও আইন ব্যৱসায়ত বিশেষ উন্নতি কৰিব নোৱাৰি পৰিয়াল হেৰোলৈ স্থানান্তৰিত কৰে। ৭ বছৰ বয়সত ট্ৰলপক হেৰোৰ স্কুলত ভৰ্তি কৰোৱা হয়। ১৮২৫ চনত তেওঁক ছানবেৰিৰ বোৰ্ডিং স্কুললৈ পঠোৱা হয়। ঘৰুৱা আৰ্থিক অৱস্থা বেয়া হোৱা কাৰণে সাজপাৰ আদিত সহপাঠীসকলৰ সৈতে ফেৰ মাৰিব নোৱাৰাত তেওঁ ঠাট্টা বিদ্ৰুপৰ সন্মুখীন হ'বলগীয়া হৈছিল। ইতিমধ্যে দেউতাকৰ আৰ্থিক অৱস্থা বেছি শোচনীয় হোৱাত ট্ৰলপক পুনৰ হেৰোৰ স্কুলত দিয়া হ'ল যদিও, তেওঁ অৱশেষত স্কুল এৰিবলগীয়া হ'ল। অৱশেষত মাকৰ যত্নত ট্ৰলপে লণ্ডনৰ পোষ্ট অফিচত ১৮৩৪ চনত কনিষ্ঠ কেৰাণীৰ পদ পালে। এই সময়তে তেওঁৰ লেখাৰ প্ৰতি ধাউতি জন্মে। ডাকঘৰৰ কেৰাণীৰ কামটোত মন বহুৱাব নোৱাৰি তেওঁ জৰীপকাৰকৰ কেৰাণীৰ পদৰ বাবে দৰখাস্ত দিয়াত কামটো পাই আয়াৰ্লেণ্ডলৈ গ'ল। জৰীপকাৰকৰ এই কামটোৰ সংক্ৰান্তত তেওঁ সেই দেশৰ বিভিন্ন ঠাইত ঘূৰি ফুৰিছিল। আয়াৰ্লেণ্ডত থকা সময়তে তেওঁ বিয়া কৰায় আৰু তেওঁৰ পদোন্নতিও ঘটে। তেওঁ তিনিখন কিতাপ লেখি প্ৰকাশ কৰে যদিও বিশেষ নাম কৰিব নোৱাৰিলে। ১৮৫১ চনত তেওঁ বৃটিছ্ ডাকবিভাগত পুনৰ চাকৰি লৈ ইংলেণ্ডৰ দক্ষিণ পশ্চিমাঞ্চললৈ যায়। এই সময়ছোৱাত ইংৰাজসকলৰ সমাজ ব্যৱস্থা তেওঁ ভালদৰে পৰ্যবেক্ষণ কৰে আৰু ১৯৫৪ চনত 'ডি ৱাৰ্ডেন' (The Warden) নামৰ উপন্যাসখন প্ৰকাশ কৰে।

ইংলেণ্ডৰ বাৰচেষ্টাৰ অঞ্চলৰ পটভূমিত তেওঁ লেখা উপন্যাস লানিৰ এইখনেই আছিল প্ৰথম উপন্যাস। বাৰচেষ্টাৰ গীৰ্জাৰ গায়ক-দলৰ মূল গায়ন মিষ্টাৰ হাৰ্ডিং বাৰজন বুঢ়া মানুহক আশ্ৰয় দিয়া দাতব্য জিৰণি হাস্পাতালৰ ৱাৰ্ডেন। তেওঁ বছৰি ৮০০ পাউণ্ড বেতন পায় আৰু বিনা ভাৰাত দিয়া ঘৰ

এটাত সক জীয়েকৰ সৈতে সুখেৰেই কটায়। ডাঙৰ জীয়েকজনীৰ বিয়া দ্বিতীয় প্ৰধান-যাজক গ্ৰেন্টলিৰ সৈতে হৈ গৈছিল। জনবোল্ড নামৰ এজন সংস্কাৰবাদী যুৱ কচিকিংসকে দাতব্য পুঁজিৰ অপব্যৱহাৰৰ অভিযোগ গীৰ্জাৰ বিৰুদ্ধে আনিলে আৰু এটা গোচৰ তৰিবলৈ মনস্থ কৰিলে। সদাচাৰী হাৰ্ডিঙে অনুভৱ কৰিছিল যে তেওঁক বেছি টকা বেতন হিছাপে দিয়া হৈছে, কিন্তু যিহেতু সক জীয়েক এলিনৰক ভৰণ-পোষণ দিবলৈ তেওঁৰ আন উপায় নাছিল, সেয়ে বৰ জোঁৱায়েক গ্ৰেন্টলিৰ দিহা মতেই বেতনখিনি লৈছিল। ইতিমধ্যে এলিনৰ আৰু জন বোল্ড পৰস্পৰে পৰস্পৰৰ প্ৰেমত পৰিল। এলিনৰে বোল্ডক গোচৰ দিয়াৰ পৰা বিৰত কৰালে যদিও, দেউতাক হাৰ্ডিঙে লণ্ডনলৈ গৈ পদত্যাগ পত্ৰ দাখিল কৰিলে। এলিনৰ আৰু জনৰ বিয়া হ'লত হাৰ্ডিঙে বছৰি ৭৫ পাউণ্ড দৰমহাত ছেন্ট কাটবেৰ্টছ গীৰ্জাৰ কামত সোমাল। এটা পুত্ৰ সন্তান জন্ম হোৱাৰ অলপ দিন আগতে এলিনৰ বিধবা হ'ল। কিন্তু গিৰিয়েকে বুজন পৰিমাণৰ সম্পত্তি এৰি গৈছিল। তায়ো দেখিবলৈ ধুনীয়া আছিল। গতিকে বৰ্তমানৰ শোকৰ পৰিৱৰ্তে ভৱিষ্যতৰ সুখৰ সম্ভাৱনা আছিল।

'ডি ৱাৰ্ডেন' উপন্যাসৰ উপসংহাৰ ৰূপে ট্ৰলপে 'বাৰচেষ্টাৰ টাৱাৰছ' লেখি ইংৰাজী উপন্যাস— সাহিত্যত নিজৰ শ্ৰেষ্ঠত্বৰ আসন অধিকাৰ কৰে।

'বাৰচেষ্টাৰ টাৱাৰছ' উপন্যাসৰ কাহিনীটো এনেকুৱা:

এজন তলতীয়া যাজক ড: প্ৰাউডিক বাৰচেষ্টাৰ গীৰ্জাৰ খালী পদত বিছপ নিযুক্তি দিয়া হৈছে। দুৰ্বল মনৰ প্ৰাউডিৰ ওপৰত ঘৈণীয়েকৰ দ্বাৰা নিৰ্বাচিত চেপলিন (ধৰ্মযাজক) ৰেভাৰেণ্ড অবাদিয়া স্লোপৰ প্ৰভাৱ বৰ বেছি ধৰণৰ। স্লোপ ক্ষমতাৰ বাবে লালায়িত। ড: প্ৰাউডি আৰু মিছেছ প্ৰাউডিক হাতৰ মুঠিত ৰাখি তেওঁ বিছপৰ এলেকাৰ প্ৰকৃত প্ৰধান হোৱাৰ ইচ্ছা মনত পোষণ কৰিছে।

আৰ্কডিকন গ্ৰেন্টলি আৰু হাৰ্ডিঙে গীৰ্জালৈ গৈ স্লোপৰ ব্যৱহাৰত ভাল নাপালে। বিছপৰ কাৰ্যভাৰ গ্ৰহণ অনুষ্ঠানৰ সময়ত চেপলিন স্লোপে প্ৰাৰ্থনা অনুষ্ঠান পৰিচালনা কৰিলে আৰু বক্তৃতাৰ সময়ত গীৰ্জাত প্ৰাৰ্থনা— সংগীত গোৱাৰ নিন্দা কৰিলে। এনেকুৱা কথা-বতৰাত আৰ্কডিকন আৰু উচ্চ পদস্থ যাজকসকল স্লোপৰ বিৰুদ্ধবাদী হৈ উঠিল।

মিছেছ প্ৰাউডিয়েও অনুষ্ঠানটো ভাল নাপালে। কাৰণ তাত প্ৰধান যাজকৰ পত্নী হিচাপে তেওঁক বিশেষ মৰ্যাদা নিদি গীৰ্জাৰ কিছু মাটিৰ মালিক ড: ভেছি স্লোপৰ জীয়েক ছিন'ৰা ভেছি-নেৰ'নিৰ ওপৰতহে বেছি গুৰুত্ব দিয়া হ'ল। এই ৰচকী স্বভাৱৰ মহিলা গৰাকীৰ বিবাহ হৈছিল এজন বদ চৰিত্ৰৰ ইটালীয় লোকৰ লগত। কিন্তু শীঘ্ৰেই বিবাহ-বিচ্ছেদ হোৱাত তেওঁ নিজৰ পৈতৃক ঘৰলৈ ঘূৰি আহিল। তেওঁ আছিল ৰূপৱতী; এই ৰূপ তেওঁ পুৰুষক সম্মোহিত কৰা কামত লগালে। চেপলিন স্লোপক তেওঁৰ মোহিনী মায়াপাশত আবদ্ধ কৰিলে। মহিলাজনীৰ নিৰ্লজ আচৰণত মিছেছ প্ৰাউডি ক্ষুব্ধ হ'ল আৰু চিন'ৰাৰ প্ৰতি বেছি মনোযোগ দিয়া বাবে স্লোপক ককৰ্থনাও কৰিলে।

হাৰ্ডিঙে পদত্যাগ কৰাৰ পিছত হিৰাম হাস্পাতালত কোনো ৱাৰ্ডেন নাছিল। পাৰ্লামেণ্টে ইতিমধ্যে দাতব্য অনুষ্ঠানটোৰ পৰিচালনাৰ ক্ষেত্ৰত কেতবোৰ পৰিবৰ্তন ঘটাইছিল। বাৰজন বৃদ্ধৰ উপৰিও বাৰজনী বৃদ্ধা আৰু এজনী পৰিচাৰিকা ৰখাৰ নিৰ্দেশ দিয়া হ'ল। ৱাৰ্ডেনৰ বেতন বছৰি ৪৫০ পাউণ্ডলৈ হ্ৰাস কৰা হ'ল। নতুন বিছপে হাৰ্ডিঙকে পুনৰ উক্ত পদত নিযুক্ত কৰিব বুলি সকলোৱে ভাবিছিল আৰু ড: প্ৰাউডিয়েও সেইদৰেই সিদ্ধান্ত লৈছিল। কিন্তু স্লোপে এবাৰ পদত্যাগ কৰা লোকক পুনৰ নিযুক্তি দিয়াত আপত্তি কৰিলে আৰু কেতবোৰ চৰ্ত বান্ধি দিলে। হাৰ্ডিঙে এই চৰ্তবোৰ মানিবলৈ ৰাজী নহ'ল। ড: প্ৰাউডি ইয়াত আচৰিত হ'লেও, মিছেছ প্ৰাউডি আচৰিত নহ'ল। তেওঁ গিৰিয়েকক ক'লে, 'আটাইবোৰ পাদ্ৰীয়ে তোমাৰ কৰ্তৃত্বলৈ প্ৰত্যাহ্বান জনাবলৈ সাজু হৈ আছে।' সেয়েহে পুডিংডেলৰ তলৰখাপৰ বেষ্টৰ মিষ্টাৰ কুইভাৰফুলৰ চৈধ্যটা ল'ৰা-ছোৱালী আছিল; কিন্তু দৰমহা পাইছিল বছৰি মাত্ৰ ১০০ পাউণ্ড।'তেওঁ মিষ্টাৰ হাৰ্ডিঙতকৈ যোগ্যতাৰ ব্যক্তি। তেওঁ আমাৰ কামত আহিব'— ঘৈণীয়েকে ক'লে। অনিচ্ছাসত্বেও বিছপে স্লোপক কুইভাৰফুলৰ ওচৰলৈ পঠালে।

স্বাভাৱিকতে কুইভাৰফুল অতিশয় আনন্দিত হ'ল। তেওঁ স্লোপক ক'লে, 'হাৰ্ডিঙে কাম কৰিবলৈ নিবিচাৰে, কাৰণ তেওঁৰ বিধবা জীয়েক বেল্ডিৰ আয় বছৰেকত ১২০০ পাউণ্ড।' লগতে কুইভাৰফুলে স্লোপক এই কথাও ক'লে যে স্লোপে হাৰ্ডিঙক ৱাৰ্ডেন পদত অধিষ্ঠিত কৰাই বিধবা বোল্ডক বিয়া কৰাব পাৰে।

স্নোপে হাৰ্ডিঙক প্ৰশংসা কৰাৰ ছলেৰে ইলিয়নৰৰ ওচৰ চাপি প্ৰেম নিবেদনৰ চেষ্টা কৰিলে আৰু ৱাৰ্ডেন পদটো লবলৈ দেউতাকক ক'বলৈ তাইক অনুৰোধ কৰিলে। ইলিয়নৰে স্নোপৰ প্ৰতি কোনো ধৰণৰ আকৰ্ষণ অনুভৱ কৰা নাছিল যদিও কথাত অলপ গুৰুত্ব দিলে। স্নোপে প্ৰায়েই ইলিয়নৰক লগ ধৰিবলৈ আৰম্ভ কৰিলে।

কেৱল যে স্নোপেই ইলিয়নৰক বিয়া কৰাবলৈ বিচাৰিছিল, এনে নহয়। চিন'ৰাৰ বায়েক চাৰ্লটি ষ্টেন হোপেও ভাবিছিল যে ইলিয়নৰ সৈতে তেওঁৰ ভায়েক বাৰ্টিৰ সৈতে বিয়া হ'লে ভাল হয়, কাৰণ বাৰ্টিৰ কোনো কাম-বন নাছিল। ইলিয়নৰৰ সৈতে বিয়া হ'লে অন্ততঃ বাৰ্টি ষৈণীয়েকৰ আয়ৰ ওপৰতে বৰ্তি থাকিব পাৰিব।

বিছপৰ পৰা কোনো অনুমতি নোলোৱাকৈ স্নোপে কুইভাৰফুলক কলেগৈ যে হাৰ্ডিঙে ৱাৰ্ডেনৰ পদটো লবলৈ অস্বীকাৰ কৰা নাই। কুইভাৰফুলে মিছেছ প্ৰাউডিক লগ ধৰি পদটোৰ বাবে খাটনি ধৰিলে। মিছেছ প্ৰাউডিয়ে গিৰিয়েকক এটা বিষয়ত প্ৰভাৱান্বিত কৰিবলৈ চেষ্টা কৰিলে।

আনফালে আৰ্কডিকন গ্ৰেণ্টলিয়ে স্নোপৰ বিৰুদ্ধে চলোৱা অভিযান প্ৰবল কৰিবলৈ তেওঁৰ বুদ্ধিমান বন্ধু মিষ্টাৰ এৰাবিনক ছেণ্ট এৱোলডছ গীৰ্জাত এটা কনিষ্ঠ পদত নিযুক্তি দিলে। এৰাবিন অবিবাহিত ডেকা। তেওঁৰ চৰিত্ৰত জটিলতা থাকিলেও ব্যক্তিত্ব আকৰ্ষণীয়। যদিও প্ৰথমে সংসাৰৰ প্ৰতি তেওঁৰ বিৰাগ আছিল ইলিয়নৰক লগ পোৱাৰ পিছত তেওঁৰ মনৰ পৰিৱৰ্তন ঘটিল। তেওঁৰ মন ইলিয়নৰৰ প্ৰতি ঢাল খালে।

ইলিয়নৰ বায়েক-ভিনিহিয়েকৰ ঘৰত থাকিবলৈ গ'ল। ভিনিহিয়েক আৰ্কডিকন গ্ৰেণ্টলিয়ে লক্ষ্য কৰিলে যে স্নোপে প্ৰায়েই ইলিয়নৰক লগ ধৰেহি। এদিন তেওঁ ইলিয়নৰক পোনপটীয়াকৈ তাই স্নোপক বিয়া কৰাব নেকি বুলি সুধিলে। লগতে তেওঁ এই কথাও জনালে যে মিছেছ স্নোপ হিচাপে তাইক এৰাবিনে আদৰণি নজনাব। এই কথা শুনি এৰাবিনৰ ওপৰত ইলিয়নৰৰ খং উঠিল আৰু তৎক্ষণাৎ ভিনিহিয়েকৰ ঘৰ এৰি যাবলৈ ওলাল। ইতিমধ্যে এৰাবিন তাত উপস্থিত হ'ল আৰু ইলিয়নৰক ক্ষমা খুজিলে। তেওঁ সুধিলে, "আপুনি বাৰু স্নোপক বিয়া কৰাবলৈ মনস্থ কৰিছে নেকি?" ইলিয়নৰে খঙেৰে উত্তৰ

দিলে, "এই প্ৰশ্ন সোধাৰ অধিকাৰ নাই।" নাৰী চৰিত্ৰ সম্বন্ধে অনভিজ্ঞ এৰাবিনে ধৰি ল'লে যে ইলিয়নৰৰ সৈতে তেওঁৰ চিৰকালৰ বাবে বিচ্ছেদ হ'ল। বাৰচেষ্টাৰ গীৰ্জাবৰ 'ডীন' অৰ্থাৎ মঠাধ্যক্ষ গৰাকী হৃদৰোগত আক্ৰান্ত হৈ মৃত্যুশয্যাত পৰাত স্লোপে মঠাধ্যক্ষৰ পদৰ বাবে নিজে নিৰ্বাচিত হ'বলৈ প্ৰচাৰ আৰম্ভ কৰিলে। ইতিমধ্যে হাৰ্ডিঙে ৱাৰ্ডেনৰ পদ গ্ৰহণ নকৰাত সেই পদত কুইভাৰ ফুলক যথাবিহিতভাৱে নিযুক্ত কৰা হৈছিল।

ইউলাথৰ্নৰ জমিদাৰীৰ ভনীয়েক মিছ থৰ্নে এটা ভোজমেল পাতি তালৈ অঞ্চলটোৰ জমিদাৰ, অভিজাত আৰু প্ৰজাসকলক নিমন্ত্ৰণ কৰিলে। এৰাবিনক এইসকলৰ সৈতে চিনাকি কৰি দিয়াই আছিল মিছ থৰ্নৰ উদ্দেশ্য। চাৰ্লটি ষ্টেনহোপৰ ছলনাৰ ফলত ইলিয়নৰ স্লোপৰ সৈতে একেখন গাড়ীত ভোজমেললৈ যাবলগীয়া হ'ল। দুয়ো একেলগে গৈ উপস্থিত হোৱাত এৰাবিনে মনে মনে বেদনা অনুভৱ কৰিলে। তেওঁ চিন'ৰাৰ সৌন্দৰ্যত মুগ্ধ হৈ চিন'ৰাৰ ওচৰে পাঁজৰে ঘূৰা-পকা কৰিলে। চিন'ৰাই তেওঁৰ সৈতে কথা-বতৰা পাতি তেওঁ যে ইলিয়নৰক ভাল পায়, এইকথা জনাৰ পিছত সংকল্প কৰিলে এইদৰে: যদি বাৰ্টিয়ে ইলিয়নৰক বিয়া কৰাব নোৱাৰে,তেন্তে যাতে স্লোপেও নোৱাৰে, সেই চেষ্টা তেওঁ কৰিব।

ইতিমধ্যে স্লোপে কথাৰ ছলেৰে ইলিয়নৰক বাগিচাৰ নিৰ্জন কোণ এটালৈ নি তাত তেওঁক বুকুত সাৱটি ধৰি বিয়াৰ প্ৰস্তাৱ দিয়াত ক্ৰুদ্ধা ইলিয়নৰে স্লোপক চৰিয়াই বাৰ্টি ষ্টেনহোপৰ ওচৰ পালেহি। বাৰ্টিয়েও হঠাতে ইলিয়নৰক বিয়াৰ প্ৰস্তাৱ দিলে। এই পৰিস্থিতিত ভোজমেলত ইলিয়নৰে অলপো আনন্দ কৰিব নোৱাৰিলে।

ইয়াৰ আগতে আৰ্কডিকনৰ নিৰ্দেশ মতে দাতব্য পুঁজিৰ পৰিচালক ডা: গাৱানে হাৰ্ডিঙৰ সন্দৰ্ভত বিছপক লগ ধৰিছিল। ফলত হাৰ্ডিঙক ডীনৰ পদটো যচা হ'ল। হাৰ্ডিঙে কথাটো ভাবি চাবলৈ সময় বিচাৰিলে। ইতিমধ্যে চিন'ৰাই ইলিয়নৰে স্লোপক প্ৰত্যাখ্যান কৰা কথাটো গম পাই স্লোপক ঠাট্টা বিদ্ৰূপ কৰিলে তেওঁ ইলিয়নৰক লগ ধৰি জনালে যে এৰাবিনে তাইক ভাল পায়। আনহাতে মিছ থৰ্নেও ইলিয়নৰ আৰু এৰাবিনৰ বিয়া হোৱাকে কামনা কৰিছিল। সেয়ে তেওঁ ইলিয়নৰক ইউলাথৰ্নলৈ আনি ৰাখিলে। ইয়াতে পুনৰ ইলিয়নৰ

আৰু অৱশেষত দুয়োৰো বিয়াৰ বন্দৱস্ত হ'ল। এইকথাত মিছ্ থর্ন, হার্ডিং আৰু ইলিয়নৰৰ বায়েক ভিনিহিয়েক আটায়ে সুখী হ'ল।হার্ডিঙে সিদ্ধান্ত কৰিলে যে ভীনৰ পদৰ বাবে তেওঁৰ বয়স বেছি হৈছে, গতিকে ছেন্ট এৱোলভছ্ গীর্জাৰ যাজক এৰাবিনক পদটো দিবলৈ অনুৰোধ কৰিলে।

স্লোপৰ আচৰণত বিছপ অকণো সন্তুষ্ট নাছিল। অৱশেষত স্লোপক পদচ্যুত কৰা হ'ল। অৱশ্যে ভৱিষ্যতে যদি স্লোপে নিজকে শুধৰাব পাৰে, তেন্তে তেওঁক পুডিংডেল গীর্জাত এটা পদ দিয়া হ'ব বুলি জনোৱা হ'ল।

কেৱল থূলমূলভাৱে বর্ণোৱা ওপৰুক্ত কাহিনীটোৰ পৰা বাৰচেষ্টাৰ টাৱাৰছ' উপন্যাসখনৰ মহত্ত্ব উপলব্ধি কৰা টান। ট্রলপে তেওঁৰ যুগৰ ইংলেণ্ডৰ সমাজখনৰ বিভিন্ন দিশ উদঙাই উপন্যাসৰ কাহিনীৰ মাজেদি উপস্থাপন কৰিছিল। তেওঁ মুঠ ৪৭ খন উপন্যাস লেখিছিল। ইয়াৰ ভিতৰত বাৰচেষ্টাৰ অঞ্চলক পটভূমি হিছাপে লৈ লেখা ছখন উপন্যাসক ঊনৈশ শতিকাৰ ইংলেণ্ডৰ গ্রামাঞ্চলৰ এক বিশ্বস্ত প্রতিৰূপ হিছাপে গণ্য কৰিব পাৰি।

জর্জ এলিয়টৰ মিল অন দি ফ্লচ্ছ

(৫৮)

ফ্লচ্ছ নৈৰ পাৰত থকা মিলটোৰ নাম আছিল দৰ্লকট। দেৱালবোৰ আছিল ৰঙা ইটাৰ, চালখন হালধীয়া খেৰৰ। মিড্‌লেণ্ড উপত্যকাৰ পথাৰ আৰু বননিৰ মাজেৰে বৈ ফ্লচ্ছ নৈ ছেণ্ট এগৰ গড়াৰ অদূৰৰ সাগৰত পৰিছিল।

'মিল অন দি ফ্লচ্ছ' উপন্যাসৰ কাহিনীত ফ্লচ্ছ নৈয়ে এক বিশেষ ভূমিকা লৈছে। বাস্তৱত ফ্লচ্ছ বোলা কোনো নৈ ইংলেণ্ডত নাই। ট্ৰেণ্ট নৈক ফ্লচ্ছ নামেৰে অভিহিত কৰা হৈছে। ছেণ্ট অগগড়াৰ প্ৰকৃত নাম হ'ল'গেইনছবৰ।' উপন্যাসৰ 'লেখক' জৰ্জ এলিয়তো ছদ্মনাম। ইয়াৰ লেখিকাৰ প্ৰকৃত নাম আছিল মিছ মেৰি এন্ ইভানছ।

ফ্লচ্ছ অৰ্থাৎ ট্ৰেণ্ট নৈৰ ওপৰত থকা দলংখনলৈ মেৰি এন্ ইভানছ প্ৰায়েই গৈছিল। দলঙত থিয় হৈ তেওঁ পানীৰ সোঁতত ঘূৰি থকা চকাটোলৈ লক্ষ্য কৰিছিল। চকাটো ঘূৰাৰ লগে লগে মিলৰ যন্ত্ৰ পাতিবোৰ চলিছিল। শিশুকালত দেখা মিলটোৱে তেওঁৰ মনত গভীৰ সাঁচ বহুৱাইছিল আৰু তাৰ ফলতেই পিছত তেওঁৰ লেখনীত সৃষ্টি হৈছিল ইংৰাজী সাহিত্যৰ উল্লেখযোগ্য উপন্যাস 'দি মিল অন দি ফ্লচ্ছ' (The Mill on the floss)।

মিলৰ গৰাকীৰ নাম মি: টুলিভাৰ। মিললৈ পানী সৰবৰাহৰ সন্দৰ্ভত স্থানীয় উকিল ৱেকেমৰ সৈতে তেওঁৰ ভালেকেইটা মোকৰ্দমা হৈছে। মোকৰ্দমাৰ ৰায় টুলিভাৰৰ প্ৰতিকূলে যোৱাৰ ফলত ৱেকেমৰ সৈতে তেওঁৰ মনোমালিন্য হৈছিল। টুলিভাৰৰ পত্নী পক্ষৰ লোকসকল উগ্ৰ স্বভাৱৰ আছিল। টুলিভাৰ দম্পতিৰ পুত্ৰ টমৰ স্বভাৱতো মোমায়েকহঁতৰ বৈশিষ্ট্য ফুটি ওলাইছিল। কিন্তু কন্যা মেগিৰ চৰিত্ৰ আছিল বাপেকৰ বংশৰ দৰে শান্ত শিষ্ট ধৰণৰ। শান্ত শিষ্ট হ'লেও টুলিভাৰ বংশৰ লোকসকল আছিল জেদী প্ৰকৃতিৰ। ফলত মি: টুলিভাৰে অৱস্থাৰ বিপাকত নিজৰ মিলটো উকিল ৱেকেমৰ ওচৰত বন্ধক দিবলগীয়া অৱস্থাত পৰিছিল। অৱশেষত মিলটোৰ

সম্পূর্ণ স্বত্ব ৰেকেমৰ হাতলৈ গৈছিল আৰু টুলিভাৰে তেওঁৰ অধীনত মিলৰ মেনেজাৰ হিচাপে কৰিবলগীয়া হৈছিল। ভগ্ন হৃদয়ৰ টুলিভাৰে পুতেক টমক এইবুলি শপত খুৱালে যে মিলটো পুনৰুদ্ধাৰৰ বাবে চেষ্টা কৰিব।

টমে এটা কামত নিযুক্তি পাই অতি কষ্টেৰে জীৱন-যাপন কৰি পইচা সাঁচিবলৈ ধৰিলে, যাতে বাপেকৰ ঋণ পৰিশোধ কৰি মিলটো পুনৰুদ্ধাৰ কৰিব পাৰে। ইতিমধ্যে উকিল ৰেকেমৰ পুত্ৰ ফিলিপ ৰেকম আৰু টুলিভাৰৰ কন্যা মেগিৰ মাজত একধৰণৰ ভালপোৱাৰ ভাবৰ উদ্ভৱ হৈছিল আৰু দুয়োঁ ৰেড ডিপছ' বোলা নিৰ্জন বননিখনত প্ৰায়ে মিলিত হৈ কথা বতৰা পাতিছিল। পৰিয়াল দুটাৰ আন লোকে ইহঁতৰ প্ৰেমৰ বিষয়ে একো জানিব পৰা নাছিল।

কিন্তু কিবা সূত্ৰৰ পৰা টমে কথাটো গম পাই ফিলিপক সতৰ্ক কৰি দিলে যে যাতে সি ভৱিষ্যতে মেগিৰ সৈতে সম্পৰ্ক নাৰাখে। ইয়াৰ ফলত মেগিৰ সৈতেও টমৰ মনোমালিন্য হ'ল। কিন্তু টম অবিচলিত হৈ থাকিল আৰু অতি কম সময়ৰ ভিতৰতে বাপেকৰ ঋণ পৰিশোধ কৰিবলৈ সমৰ্থ হ'ল। এদিন টুলিভাৰে উকিল ৰেকেমক আলিবাটত মাৰধৰ কৰিলে। সৌভাগ্যক্ৰমে মেগি তাত উপস্থিত হৈ বুঢ়াক উদ্ধাৰ কৰিলে। কিন্তু কিছুদিন পিছতে টুলিভাৰে অসুস্থ হৈ পাটিত পৰিল। বাপেকৰ মৃত্যু নিশ্চিত বুলি জানি মেগিয়ে ৰেকেমক ক্ষমা কৰি যাবলৈ বাপেকক খাটনি ধৰিলে। জেদী টুলিভাৰ জীয়েকৰ কথাত মান্তি নহ'ল।

টুলিভাৰৰ মৃত্যুৰ পিছত পৰিয়ালটোত ভাঙোনে দেখা দিলে। ঘৰৰ পৰা কিছু দূৰৰ এখন বালিকা স্কুলত মেগিয়ে কাম পালে। বন্ধৰ সময়ত তাই ছেন্ট এগলৈ মাজে সময়ে গৈছিল আৰু খুড়াকৰ জীয়েক লুচি ডিনৰ ঘৰত থাকিছিল। ইয়াতেই পুনৰ ফিলিপৰ সৈতে মেগিৰ সম্পৰ্ক স্থাপিত হ'ল। কিন্তু ফিলিপৰ প্ৰতি মেগিৰ আগৰ দৰে আকৰ্ষণ নাইকিয়া হ'ল। কাৰণ ইতিমধ্যে তাইৰ জীৱনলৈ আন এজন পুৰুষ আহিছিল। তেওঁৰ নাম আছিল ষ্টিফেন গেষ্ট। ষ্টিফেন আৰু লুচি ডিনৰ মাজত এক ধৰণৰ ভাল পোৱাৰ সম্পৰ্ক আছিল। কিন্তু মেগিৰ সৈতে পৰিচয় হোৱাৰ সময়ৰ পৰা ষ্টিফেন মেগিৰ প্ৰতি বেছিকৈ আকৃষ্ট হৈ পৰিল। মেগিৰ মনোভাবো তাৰ প্ৰতি ঢাল খালে। তথাপি লুচিৰ কথা ভাবি দুয়ো সংযত হৈ থাকিল। এদিন ষ্টিফেনে মেগিক লৈ নৈত

নৌকা বিহাৰ কৰিবলৈ গৈ সন্ধিয়া হোৱাত উভতি আহিব নোৱাৰি এখন ডাচ বেপাৰী জাহাজত ৰাতিটো কটাবলগীয়া হ'ল। পিছদিনা ৰাতিপুৱা ষ্টিফেনে মেগিক ক'লে যে সিহঁত বহুদূৰ আগবাঢ়িল, এতেকে দুয়োৰো বিয়া হোৱাৰ বাহিৰে আন পথ নাই। মেগিয়ে সন্মতি দিব খুজিও অৱশেষত লুচিৰ কথা ভাবি ষ্টিফেনৰ প্ৰস্তাৱ অগ্ৰাহ্য কৰিলে। ষ্টিফেন বিদেশলৈ গুচি গ'ল, মেগি ঘূৰি আহিল হেন্ট অগৰ নিজা ঘৰলৈ। কিন্তু ককায়েক টমে তাইক ঘৰৰ পৰা উলিয়াই দিলে।

মেগিয়ে নৈৰ পাৰত থকা আগৰ চিনাকি ফেৰিৱালা এজনৰ ঘৰত থাকিবলৈ ল'লে। এদিনাখন এজন মানুহে মেগিক ফিলিপে লেখা চিঠি এখন দিলেহি। তাত ফিলিপে মেগিক প্ৰতিশ্ৰুতি দিছিল যে সি তাইক ভাল বুজা নাই। তালৈ এদিন সন্ধিয়া লুচি ভিনো আহিল। মেগিয়ে তাইক ক'লে যে ফিলিপ এদিন লুচিৰেই হ'ব।

পিছত এদিন বৰষুণৰ বতৰত মেগিয়ে নানা কথা ভাবি-চিন্তি খিৰিকীৰ ওচৰত বহি আছিল। কেইবাদিনো ধৰি বতৰ বেয়া হৈ আছিল। ফ্লচ নৈৰ পানী বাঢ়ি আহিছিল আৰু বানপানী হোৱাৰ আশংকাই দেখা দিছিল। মেগিৰ অজ্ঞাতসাৰে নৈৰ বাঢ়নী পানী আহি ঘৰত সোমাই মজিয়া বুৰাই পেলালে। মেগিয়ে ফেৰিৱালাজনৰ পৰিয়ালটোক নাৱেৰে নিৰাপদ ঠাইলৈ যোৱাত সহায় কৰিলে। তাৰ পিছত তাই মিলটোলৈ গ'ল। মিলৰ আন মানুহবোৰ ইতিমধ্যে নিৰাপদ ঠাইলৈ গুচি গৈছে, কিন্তু টম তেতিয়াও তাতেই আছে। তাই টমক লৈ নাৱত উঠিল। কিন্তু ইতিমধ্যে ফ্লচ নৈৰ বানপানীয়ে সংহাৰ মূৰ্তি ধাৰণ কৰিলে আৰু মেগি আৰু টমৰ নাওখন. বুৰাই পেলালে। দুয়োৰো সলিল সমাধি ঘটিল। এইদৰেই মৃত্যুৱে-ভায়েক-ভনীয়েকৰ মাজত পুনৰ মিলন ঘটালে।

আনাতোল ফ্ৰাঁচৰ দেৱদূতৰ বিদ্ৰোহ

(৫৯)

আনাতোল ফ্ৰাঁচৰ আচল নাম আছিল জাক আনাটোল থিবল্ট। ১৮৪৪ চনৰ ১৬ এপ্ৰিলত পেৰিছত তেওঁৰ জন্ম হৈছিল। সৰু কালৰ পৰাই সাহিত্যৰ প্ৰতি তেওঁৰ আগ্ৰহ জন্মে আৰু ২১ বছৰ বয়সত এখন কবিতা সংকলন প্ৰকাশ কৰে। ইয়াৰ ছয় বছৰ পিছত তেওঁৰ এখন গল্প সংকলন প্ৰকাশ পায়। ১৮৯৩ চনৰ পৰা ১৯১৪ চনলৈ প্ৰায় প্ৰতিবছৰে তেওঁ এখনকৈ কিতাপ প্ৰকাশ কৰিছিল। উপন্যাস, গল্প, নাটক, সমালোচনা-সাহিত্যৰ প্ৰায় সকলো শাখাতে ফ্ৰাঁচে বিচৰণ কৰিছিল।

সমালোচকসকলৰ মতে ফ্ৰাঁচৰ উপন্যাসসমূহৰ ভিতৰত 'দেৱদূতৰ বিদ্ৰোহ' খনেই সৰ্বশ্ৰেষ্ঠ। ১৯১৪ চনত প্ৰথম মহাযুদ্ধৰ ঠিক আগে আগে প্ৰকাশ পোৱা এই উপন্যাসত সমসাময়িক কালৰ ছবি এখনৰ ব্যংগাত্মক ৰূপ উপস্থাপিত হৈছে।

ছেন্ট ছালপাইছ গীৰ্জাৰ ওচৰত ডেছপাৰভিউ পৰিয়ালৰ তিনিমহলীয়া প্ৰাচীন প্ৰাসাদটো আছিল। ১৮২৫ চনৰ পৰা ১৮৫৭ চনলৈ তাত পৰিয়ালটোৰ বিখ্যাত পুৰুষ আলেকজেণ্ডাৰ বুছাৰ ডেছপাৰভিউৱে বাস কৰিছিল। তেওঁ আছিল ফ্ৰান্স চৰকাৰৰ কাউন্সিল অৱ ষ্টেটৰ উপসভাপতি। তেওঁৰ উত্তৰাধিকাৰ আছিল ফুলজেন্স এডল্ফ। ছিনেটৰ ফুলজেন্সৰ তৃতীয় পুত্ৰ ৰেনেই ১৮৮৮ চনত ব্ৰেঁভাইলৰ লোৰখনিৰ গৰাকী বেৰণ কুপেলৰ জীয়েক মেৰি আন্তোঁনিয়েতক বিয়া কৰাইছিল। তেওঁলোকৰ দুজনী জীয়েক আৰু দুজন পুতেক আছিল। বৰ জীয়ৰীক ১৯০৮ চনত বিয়া দিছিল। ৭ বছৰীয়া পুতেকৰ কোঠালীটো আছিল মাক আৰু ভনীয়েক বাৰ্থাৰ কোঠালীৰ ওচৰত। ককায়েক মৰিচ আছিল বাগিচাৰ ওচৰৰ তলৰ কোঠালীত। গতিকে মৰিচে নিৰ্জ্জনভাৱে দিন কটোৱাৰ সুবিধা পাইছিল।

দেখনিয়াৰ, উচ্চাভিলাষহীন ভাৱহীন অথচ সপ্ৰতিভ, পঁচিশ বছৰ বয়সীয়া মৰিচ নিৰ্বিকাৰ মনৰ আছিল। কাম কৰাৰ পৰা একো লাভ নাই বুলি ধাৰণা

কৰি সি কোনো কামতেই মন নিদিছিল। ল'ৰাকালৰ পৰা সি কাম এৰি চলা অভ্যাস তৈয়াৰ কৰি লৈছিল। সি আইনৰ ডিগ্ৰী লৈছিল যদিও ওকালতি নকৰিছিল। সি নতুন কথা জানিবলৈ ইচ্ছাও নকৰিছিল, কাৰণ তাৰ নীতি আছিল বহু কথা ভুল কৈ বুজাতকৈ অলপ কথা জনাই ভাল।

কিন্তু তাৰ আজু ককাক আলেকজেণ্ডাৰ আছিল সম্পূৰ্ণ বিপৰীত চৰিত্ৰৰ। তেওঁ আছিল বিদ্যোৎসাহী। তেওঁ ঘৰতে এটা বিৰাট পুথিভঁৰাল তৈয়াৰ কৰি লৈছিল। এই ব্যক্তিগত পুথিভঁৰালটো ইউৰোপৰ সৰ্ববৃহৎ পুথিভঁৰাল আছিল। পুথিভঁৰালটোৰ তত্বাৱধান কৰিছিল মঁছিয়ে জুলিয়েন ছবিয়েটে। ছবিয়েটে আন্তৰিকভাৱে পুথিভঁৰাল চোৱাচিতা কৰিছিল।

কাহিনীৰ আৰম্ভণিতে এটা ঘটনা ঘটিছিল। ছবিয়েটে লক্ষ্য কৰিছিল যে ৰাতি কোনোবাই কিতাপবোৰ থোৱা ঠাইৰ পৰা আনি মেজত হেদেলি-ভেদেলি কৰি পেলাই থয়। প্ৰথমতে তেওঁ ভাবিছিল যে পৰিয়ালৰ কোনো লোকে হয়তো পাহৰি কিতাপবোৰ তেনেদৰে এৰি থৈ যায়। পিছত এটা অদ্ভুত দৃশ্য দেখিবলৈ পালে। কিতাপবোৰ আপোনা-আপুনি ছেলফৰ পৰা বতাহত উৰি মৰিচৰ কোঠালীলৈ যায়। এদিন এই ৰহস্যৰ যৱনিকা উঠিল।

মৰিচে তাৰ নিত্যপৰিবৰ্তিত প্ৰেমিকাবৃন্দৰ সৈতে আমোদ-প্ৰমোদ কৰিবলৈ ৰুদাঁ ৰোম নামৰ ৰাস্তাত এটা সৰু ঘৰ ভাৰা কৰি ৰাখিছিল। এদিন সোমবাৰে সি তাৰ নতুনকৈ সংগৃহীত প্ৰেমিকা মেডাম দা অবেলৰ বাবে তাত অপেক্ষা কৰি আছিল। অলপ পলমকৈ তাই আহিল। তাৰ পিছত চাবে ছয়মান বজাত তাই যাবলৈ ওলোৱাত মৰিচে আৰু কিছু সময়ৰ বাবে তাইক থাকিবলৈ ক'লে। এনেতে তাই কোঠালীটোত ছায়ামূৰ্তি এটা দেখিবলৈ পাই ভয় খালে। মৰিচেও ভয় খালে। ছায়ামূৰ্তিটোৱে সিহঁতক ভয় নাখাবলৈ কৈ ক'লে যে সি মৰিচৰ ৰক্ষাকাৰী দেৱদূত আৰু সি ভগবানৰ বিৰুদ্ধে বিদ্ৰোহ সংঘটিত কৰিবলৈ দেৱদূতসকলক গোট খুৱাইছে। তাৰ প্ৰকৃত নাম এবজিয়েল, কিন্তু তাক সকলোৱে আৰকেড বুলিয়েই জানে বুলিও সি মৰিচহঁতক জনালে। মৰিচহঁতে তাক তৰ আঁচনি পৰিত্যাগ কৰিবলৈ ক'লে। কিন্তু আৰকেডে মান্তি নহৈ ক'লে যে সি আৰু মৰিচৰ ৰক্ষাকাৰী দেৱদূত হৈ নাথাকে। এইদৰে কৈ সি গুচি গ'ল।

লাহে লাহে মৰিচে গম পালে যে কেৱল যে আঁৰকেডেই ভগবানৰ বিৰুদ্ধে বিদ্রোহ কৰিব ওলাইছে তেনে নহয়, প্ৰায় তিনি চাৰিশমান দেৱদূতে তেনে

উদ্দেশ্য লৈ পেৰিচত বাস কৰিবলৈ লৈছে। ঠিক কছিয়াৰ নিহিলিষ্টসকলৰ দৰে সিহঁতেসংগঠন কৰিছে। থিয়ফিল নামৰ দেৱদূত জনে বুছট নামৰ গায়িকা এজনীৰ সৈতে থাকিবলৈ লৈছে। প্ৰিন্স ইষ্টাৰ নামৰ জনে আকৌ বোমা আৰু তেনে বিস্ফোৰক দ্ৰব্য প্ৰস্তুত কৰাত ব্যস্ত হৈ আছে। আৰকেডে এই সকলোবোৰ দেৱদূতৰ সতে সম্পৰ্ক ৰাখি চলিছে।

ৰক্ষাকাৰী দেৱদূত আৰকেডৰ অবিহনে মৰিচে অসুখী বোধ কৰিলে। সি আৰকেডক বিচাৰিবলৈ ধৰিলে। এনেতে এদিন সি বুছটক লগ পাই এটা সাহায্য ৰজনী অনুষ্ঠানত গান গাবলৈ আমন্ত্ৰণ জনালে। বুছট আৰু তাইৰ দেৱদূত প্ৰেমিক থিয়ফিলৰ জৰিয়তে মৰিচে আৰকেডক পুনৰ লগ পালে। আৰকেডে মৰিচৰ ৰক্ষাকাৰী হ'ব নোখোজাত মৰিচেই আৰকেডৰ ৰক্ষাকাৰী হবলৈ প্ৰস্তাৱ দিলে।

বিদ্রোহৰ আঁচনিখনক চৰম ৰূপ দিয়াৰ আগে আগে দেৱদূত সকলে এটা সৰু ৰংগমঞ্চত এখন ৰাজহুৱা সভা পাতিলে। স্বাভাৱিকতে, আৰক্ষী বিভাগে এই বাতৰি পালে। বিচাৰ-বিভাগীয় মন্ত্ৰীয়ে এই সভা পতা কামৰ মাজত দেশৰ শাসন ওফৰোৱাৰ ষড়যন্ত্ৰৰ গোন্ধ পালে। তেওঁ আৰক্ষী-বাহিনীক তদন্তৰ ভাৰ দিলে যাতে উপযুক্ত সাক্ষ্য প্ৰমাণৰ ভিত্তিত উদ্যোক্তাসকলক গ্ৰেপ্তাৰ কৰিব পৰা যায়।

মৰিচে চৰকাৰী তৎপৰতাৰ কথা জানিবলৈ পাই আৰকেডক ৰুদা ৰোম ৰাস্তাৰ তাৰা ঘৰটোত আত্মগোপন কৰিবলৈ ক'লে। ইতিমধ্যে নানা ঘটনা ঘটিল যদিও, মৰিচ আৰু আৰকেড বিপদমুক্ত হৈ থাকিল।

অৱশেষত দেৱদূতসকলে স্বৰ্গ আক্ৰমণ কৰিবলৈ সাজু হ'ল। স্বৰ্গৰ সৈন্যবাহিনীৰ তুলনাত দেৱদূতসকল আছিল সংখ্যাত তাকৰ। কিন্তু সিহঁতে ভাবিছিল যে হঠাৎ আক্ৰমণ কৰি স্বৰ্গৰ সৈন্যবাহিনীক পৰাস্ত কৰিব পৰা যাব। তদুপৰি সৈন্যসকলৰ কৰ্ম-তৎপৰতাও বহু যুগ ধৰি স্থৱিৰ হৈ পৰিছিল। সেনাপতিসকল আছিল এলেহুৱা। সিহঁতে যুদ্ধতকৈ আমোদ-প্ৰমোদৰ প্ৰতিহে অধিক মনোযোগী আছিল।

বিদ্ৰোহীসকলে সিহঁতৰ সেনাপতিত্ব গ্ৰহণ কৰিবলৈ চয়তানক আহ্বান জনালে। চয়তানে কথাটো বাৰু ভাবি চাব বুলি বিদ্ৰোহীহঁতক ক'লে। সপোনত চয়তানে দেখিলে সি যেন ভগবানৰ বিৰুদ্ধে জয়ী হৈ স্বৰ্গৰ অধিপতি হৈছে; ভগবানে পৃথিৱীলৈ নামি গৈ মানব জাতিৰ মাজত প্ৰেমৰ বাণী প্ৰচাৰ কৰিছে।...

সপোন দেখাৰ পিছত চয়তানে সাৰ পাই দেখিলে যে সি ঘামি গৈছে। তাৰ বিছনাৰ ওচৰত নেক্টাৰ, ইষ্টাৰ, আৰকেড আৰু জিটা এই দেৱদূত-নেতাসকল থিয় হৈ আছে।

প্ৰধান দেৱদূতজনে বাকী সকলক সম্বোধন কৰি ক'লে, 'আমি স্বৰ্গৰ বিৰুদ্ধে যুদ্ধ নকৰোঁ। পৰাজিত ঈশ্বৰ চয়তানত পৰিণত হ'ব আৰু বিজয়ী চয়তান হ'ব ঈশ্বৰ। গতিকে আমি যদি আমাৰ নিজৰ মাজত থকা অজ্ঞানতা আৰু ভয় নিৰ্মূল কৰিব পাৰো, তেন্তে ঈশ্বৰো অস্তিত্ব নাথাকিব।'

প্ৰথম মহাযুদ্ধত ফ্ৰান্সৰ যোগদান কাৰ্যক আনাতোল ফ্ৰাঁচে সমৰ্থন কৰিছিল আৰু ফ্ৰান্সৰ আদৰ্শবাদ প্ৰচাৰ কৰিছিল। যুদ্ধৰ পিছত প্ৰবীণ সাহিত্যিক ৰূপে তেওঁ দেশবাসীৰ শ্ৰদ্ধা অৰ্জন কৰিছিল। তেওঁ আছিল সমসাময়িক ফ্ৰান্সৰ চিন্তাধাৰাৰ ধাৰক আৰু বাহক।

১৯২১ চনত আনাতোল ফ্ৰাঁচে সাহিত্যৰ নোবেল বঁটা লাভ কৰে। ১৯২৪ চনৰ ১৩ অক্টোবৰত তেওঁৰ মৃত্যু হয়। আনাতোল ফ্ৰাঁচৰ নবেল বঁটা বিজয়ী উপন্যাসখনৰ নাম হৈছে 'থেইছ'।

এৰিখ মাৰিয়া ৰেমাৰ্কৰ অল কোৱায়েট অন্ দি ৱেষ্টাৰ্ন ফ্ৰন্ট

(৬০)

এৰিখ মাৰিয়া ৰেমাৰ্কৰ আটাইবোৰ উপন্যাস গভীৰভাবে মানৱতাবাদী আৰু যুদ্ধবিৰোধী। প্ৰথম মহাযুদ্ধত নিজে প্ৰত্যক্ষ কৰা ভয়াবহ দৃশ্যাৱলী তেওঁ কেতিয়াও পাহৰি পেলাব পৰা নাছিল। ১৮৯৮ চনত জাৰ্মানিৰ হেনোভাৰৰ ওস্নাব্ৰাকত ৰেমাৰ্কে জন্মগ্ৰহণ কৰে। ফৰাচী বিপ্লৱৰ পিছত ৰেমাৰ্কৰ পূৰ্বপুৰুষসকলে ৰাইন উপত্যকাত বসবাস কৰিবলৈ লয়। জাৰ্মানীত নাজী আমোলে তেওঁক ইহুদী বংশোদ্ভৱ বুলি চিনাক্ত কৰাত তেওঁ দ্বিতীয় মহাযুদ্ধৰ আগে আগে জাৰ্মানি ত্যাগ কৰি আমেৰিকা যুক্তৰাষ্ট্ৰত বাস কৰিবলৈ লয়।

ৰেমাৰ্ক যেতিয়া ওঠৰ বছৰ বয়সীয়া স্কুলীয়া ছাত্ৰ, তেতিয়া তেওঁ প্ৰথম মহাযুদ্ধলৈ যাবলগীয়া হোৱাত শিক্ষা অসমাপ্ত হৈ ৰয়। যুদ্ধৰ শেষলৈকে প্ৰায় দুবছৰ তেওঁ সৈন্য বিভাগত আছিল। পাঁচবাৰ তেওঁ আহত হৈছিল। শেষৰ বাৰৰ আঘাত আছিল গুৰুতৰ। হতাশাগ্ৰস্ত হৈ তেওঁ সৈন্যবাহিনী ত্যাগ কৰে। বয়সত তৰুণ হ'লেও অভিজ্ঞতাত তেওঁ হৈ উঠে বয়স্ক।

যুদ্ধৰ পিছত ডেকা সৈন্য সকলক জাৰ্মান চৰকাৰে বিভিন্ন কামত নিয়োগৰ সুবিধা দিয়ে। ৰেমাৰ্কে স্কুল শিক্ষকৰ বাবে প্ৰশিক্ষণ লৈ কিছুদিন শিক্ষকতা কৰে যদিও পিছত সেই কাম এৰি নানা তৰহৰ খুচুৰা কামত নিজকে নিয়োগ কৰে। তেওঁ কাৰিকৰী দিশৰ প্ৰতি বেছিকৈ আকৃষ্ট আছিল আৰু সেয়ে বাৰ্লিনৰ এটা টায়াৰ নিৰ্মাণ কাৰখানাৰ ড্ৰাইভাৰ হিছাপে কাম লয়। টায়াৰৰ বিজ্ঞাপনো তেওঁ লিখিছিল। পিছত তেওঁ এখন সচিত্ৰ ক্ৰীড়া আলোচনীৰ সহকাৰী সম্পাদকৰ কাম লয়।

কিন্তু ৰেমাৰ্কে, প্ৰথম মহাযুদ্ধই তেওঁৰ প্ৰজন্মৰ ওপৰত সৃষ্টি কৰা প্ৰতিক্ৰিয়াৰ প্ৰভাৱ পাহৰি পেলাব পৰা নাছিল। সেয়ে তেওঁ যুদ্ধৰ ভয়াবহতাৰ কথা দেশবাসীক জনাই ভৱিষ্যত যুদ্ধৰ সম্ভাৱনাৰ প্ৰতি সতৰ্ক কৰি দিয়াৰ মনস্থ কৰি ইম্ হেবষ্টেন নিশ্‌ট নয়েছ বা অল কোৱায়েট অন দি ৱেষ্টাৰ্ন ফ্ৰন্ট

(পাশ্চাত্য সীমান্তত পূর্ণ শান্তি) উপন্যাসখন লেখে। ১৯২৯ চনত কিতাপখন প্ৰকাশ হোৱাৰ লগে লগে সমগ্ৰ ইউৰোপত ই আলোড়নৰ সৃষ্টি কৰে। পৃথিৱীৰ সকলো ঠাইতে ক্ৰমে ইয়াৰ বিস্তৃতি ঘটে। অকল জাৰ্মানিতে প্ৰথম বছৰত এই উপন্যাসৰ লাখ লাখ কপি বিক্ৰী হয়। পৃথিৱীৰ আঠাইবোৰ উল্লেখযোগ্য ভাষাত 'অল কোৱায়েট' অনূদিত হয়।

স্বভাৱত নীৰৱ ৰেমাৰ্ক হঠাতে বিখ্যাত হৈ উঠে।১৯৩২ চনত জাৰ্মানীত নাজী অভ্যুত্থান আসন্ন হৈ উঠাত তেওঁ পোনতে চুইজাৰলেণ্ডলৈ যায়। ১৯২৩ চনত তেওঁ বিয়া কৰায়, কিন্তু বিবাহ-বিচ্ছেদ হয়। পুনৰ ১৯৩৮ চনত তেওঁলোকৰ পুনৰ্বিবাহ হয়।

নাজী সকলক তেওঁ অন্তৰেৰে ঘৃণা কৰিছিল। নাজীহঁতেও তেওঁৰ হত্যা কৰিবলৈ বিচাৰিছিল। ১৯৩৯ চনত তেওঁ মাৰ্কিন যুক্তৰাষ্ট্ৰলৈ যায় আৰু ১৯৪৭ চনত মাৰ্কিন নাগৰিকত্ব গ্ৰহণ কৰে। তেওঁ ইউৰোপ আমেৰিকাত বিস্তৃত ভ্ৰমণ কৰে আৰু ভালেমান উচ্চাংগৰ উপন্যাস ৰচনা কৰে। কিন্তু তেওঁৰ প্ৰথম অথচ কালজয়ী উপন্যাস 'অল কোৱায়েট'ৰ কাৰণেই তেওঁ অমৰ হৈ আছে।

'অল কোৱায়েট অন দি ৱেষ্টাৰ্ণ ফ্ৰণ্ট'ৰ মুখবন্ধত ৰেমাৰ্কে লেখিছে: এই কিতাপখন অভিযোগ বা স্বীকাৰোক্তিৰ বাবে লেখা হোৱা নাই, ই ৰোমাঞ্চকৰ কাহিনীৰ বিৱৰণো নহয়। ই হ'ল এনে এটা প্ৰজন্মৰ কাহিনী যি প্ৰজন্ম যুদ্ধৰ খাৰ-বাৰুদৰ পৰা ৰক্ষা পাৰলেও যথাৰ্থতে যুদ্ধত বিনষ্ট হৈ গৈছিল।'

উপন্যাসখন প্ৰথম পুৰুষত সহজ পোনপটীয়া শৈলীৰে লেখা হৈছে। ১৯ বছৰ বয়সীয়া কিশোৰ পাউল বাউমাৰ কাহিনীটোৰ বৰ্ণনাকাৰী। স্কুলৰ ষষ্ঠ শ্ৰেণীত পঢ়ি থকাৰ সময়ত কাণ্টোৰেক নামৰ স্কুল মাষ্টৰ জনে পাউল আৰু তাৰ সহপাঠী বন্ধু সকলক যুদ্ধত যোগ দিয়াৰ বাবে উদ্বুদ্ধ কৰে। কাণ্টোৰেক আছিল এনে এজন নাগৰিক যিজনে যুদ্ধৰ সময়ত লেখা-পঢ়াত নিজকে ব্যস্ত ৰাখিছিল। অথচ সেই সময়ত কিশোৰ আৰু ডেকা জাৰ্মানসকল যুদ্ধত মৰিব ধৰিছিল। পাউলে কৰ্পোৰেল হিমেলষ্টাছকো বেয়া পাইছিল। যুদ্ধত যোগ দিয়াৰ আগতে হিমেলষ্টাছ আছিল ডাক পিয়ন। কিন্তু সি পাউলহঁতক প্ৰশিক্ষণৰ সময়ত বৰ দিগ্‌দাৰ দিছিল। কিন্তু যুদ্ধ ক্ষেত্ৰত এই প্ৰশিক্ষণে একো কাম

নিদিলে— পাউলৰ বহুবন্ধু যুদ্ধত নিহত হ'ল বা পংগু হ'ল। কেমেৰিখ্ আৰু আন ভালেমান বন্ধুৰ যুদ্ধক্ষেত্ৰত যন্ত্ৰণাদায়ক মৃত্যুৱে পাউলৰ মনত গভীৰ ক্ষতৰ সৃষ্টি কৰিলে। জীৱন তাৰ মানত অৰ্থহীন যেন লাগিল।

পাউলৰ সহপাঠী বন্ধুসকলৰ ভিতৰত মাত্ৰ চাৰিজন জীয়াই থাকিল। মূলাৰে যুদ্ধ ক্ষেত্ৰতো জেপত স্কুলীয়া পাঠ্যপুথি লৈ ফুৰে আৰু এদিন পৰীক্ষা দিয়াৰ সপোন দেখে।

আলবাৰ্ট ক্ৰপ লেন্স কৰ্পোৰেল পদলৈ উন্নীত হয়। এসময়ৰ অংকৰ চোকাবুধীয়া ছাত্ৰ লিয়েৰৰ মন এতিয়া অফিচাৰ ক্লাবৰ গণিকাইতৰ প্ৰতি ধাবিত। আৰু পাউলৰ মন হতাশাগ্ৰস্ত।

এই তৰুণসকলে জীৱনৰ আদৰ্শ সম্পূৰ্ণ বিস্মৃত হৈ এতিয়া বিপদৰ সময়ত অন্যান্য সৈন্য সকলৰ সৈতে বন্ধুতা পাতে। তাংডেন— যুদ্ধৰ আগৰ কমাৰ, হাইভেষ্টুছ নৰ্দমা খান্দোতা, ডেটেৰিং— এজন খেতিয়ক। এতিয়া সকলো সৈন্য। এই সকলৰ নেতা হ'ল ষ্টানিস্লাউছ কাট্‌জিনস্কি, যাক সংক্ষেপে সকলোৱে কাট্ বুলি মাতে। চল্লিশ বছৰ বয়সীয়া কাট্ বুধিয়ক আৰু কৌশলী। সি ডেকাসকলৰ ওপৰত পিতৃসুলভ কৰ্তৃত্ব খটুৱায়। সি অনাটনৰ মাজতো ক'ত ভাল খাদ্য পায়, ক'ত হাঁহ-কুকুৰা পোৱা যায়, সকলো খবৰ ৰাখে। সি বাস্তৱ জ্ঞান সম্পন্ন, বন্ধা-বঢ়া কৰিবও জানে।

কাটে তাৰ ডেকা বন্ধু সকলৰ মনৰ অস্থিৰ ভাববোৰ আঁতৰাবলৈ চেষ্টা কৰে। ডেকা সকল দিগ্‌ভ্ৰান্ত। যুদ্ধলৈ যোৱা বয়সস্থ সকলৰ অন্ততঃ একোটা স্থায়ী পটভূমি আছে— সিহঁতৰ পৰিয়াল আছে, সতি-সন্ততি আছে। যুদ্ধৰ আগতে সিহঁতে একোটা বন্ধা-ধৰা জীৱন পালন কৰিছিল। কিন্তু পাউল আৰু তাৰ বন্ধুসকলৰ অতীত বুলি একো নাই, ভৱিষ্যতো সম্ভাৱনাহীন— মৃত্যু আৰু শূন্যতাই সিহঁতৰ জীৱন আগুৰি আছে।

বয়স্কসকলৰ বাবে যুদ্ধ জীৱন-প্ৰবাহৰ মাজত ঘটা এটা প্ৰতিবন্ধক মাত্ৰ, কিন্তু তৰুণসকলৰ বাবে ই আছিল এক সৰ্বগ্ৰাসী ঘটনা— জীৱন সিহঁতৰ বাবে এবাৰবী, মৰুভূমি বা অনাবাদী ভূমিৰ দৰে নিৰস।

মাজে মাজে পাউলৰ মন উভতি যায় ঘৰৰ এৰি অহা দিনবোৰলৈ; কিন্তু ঘৰৰ স্মৃতিও অস্পষ্ট হৈ উঠে। মাজতে এবাৰ ছুটীত ঘৰলৈ যাওঁতে

আৰ বিষাদ বৃদ্ধিহে হ'ল। তাৰ মাকৰ কৰ্কট ৰোগ হৈছে। মৃত্যুমুখী মাকৰ আগত সি বহুৎ লগাই সীমান্তৰ কথা বৰ্ণনা কৰিলে। দেউতাকে তাক সোধা প্ৰশ্নবোৰৰ উত্তৰ দিয়াত সি কষ্ট পালে। কাৰণ দেউতাকৰ আগত বৰ বেছি মিছা কথা ক'বলৈ তাৰ সত ন'গল। ছুটী শেষ হ'লেই সি ভাল পোৱা হ'ল।

পাউল আৰু তাৰ বন্ধুসকলে উপলব্ধি কৰিলে— যুদ্ধক্ষেত্ৰৰ বন্ধুতা সৰহদিন টিকি থাকিব নোৱাৰে। তদুপৰি যুদ্ধৰ অৱস্থাও বৰ সংগীন হৈ উঠিছিল। পাউলৰ আটাইবোৰ বন্ধু নিহত হ'ল। খেতিয়ক ডেটেৰিঙে যুদ্ধৰ পৰা পলাই যোৱাৰ চেষ্টা কৰিছিল। কিন্তু ধৰা পৰাত তাক সামৰিক আইন মতে গুলীয়াই হত্যা কৰা হ'ল। লীয়েৰ আৰু নুলাৰ যুদ্ধত গুৰুতৰভাৱে আহত হৈ ঢুকাল। কাটৰ ভৰিত গুলী লাগিছিল যদিও আন এজন সৈন্যাই মৃৰত গুলী কৰি তাক হত্যা কৰিলে।

পাউলো গুৰুতৰভাৱে আহত হৈ কেইমাহমান হাস্পাতালত থকাৰ পিছত পুনৰ সীমান্তলৈ গ'ল। সি নিশ্চিত হ'ল যে যুদ্ধত জাৰ্মানিৰ পৰাজয় হ'ব। তৎসত্ত্বেও সেনাপতিসকলে আৰু কাৰখানাৰ মালিকসকলে যুদ্ধ চলাই থকাৰ কামনা কৰিছিল - কাৰণ যুদ্ধৰ জৰিয়তে মুনাফা ঘটি সিহঁত আগতকৈ ধনী হ'বলৈ বিচাৰিছিল। পাউলে এতিয়া যুদ্ধৰ খাৰ বাৰুদলৈ ভয় নকৰা হ'ল, কাৰণ বন্ধু-বান্ধৱহীন আৰু আশাহীন হৈ জীয়াই থকাটো তাৰ কাৰণে এতিয়া সমাৰ্থক।

উপন্যাসখন শেষ হৈছে এটি উপসংহাৰেৰে। এই উপসংহাৰৰ বৰ্ণনাকাৰী পাউল নহয়। উপসংহাৰত লেখা হৈছিল এইদৰে: "১৯১৮ চনৰ অক্টোবৰৰ এটা দিনত সীমান্ত একেবাৰে নীৰৱ নিস্তব্ধ হৈ পৰিছিল। সেইদিনাই পাউলৰ মৃত্যু হ'ল। সেইদিনাৰ সামৰিক প্ৰতিবেদনত আছিল মাত্ৰ এটা বাক্য 'পশ্চিম সীমান্তত পূৰ্ণ শান্তি।' সি মাটিত উবুৰি খাই পৰি আছিল, যেন সি টোপনিহে গৈছে। কোনোবা এজনে তাক চিৎ খুৱাই দিলে— তাৰ মুখ মণ্ডলত বিৰাজ কৰিছিল এক অদ্ভুত শান্তি, যেন জীৱনৰ অন্ত পৰাত সি সুখীহে হৈছে।"

কালৰ ভ্ৰূকুটি উপেক্ষা কৰি 'অল কোৱায়েট অন দি ৱেষ্টাৰ্ন ফ্ৰন্ট' সাহিত্য জগতত তথা মানুহৰ মনত অমৰ হৈ আছে। গ্ৰন্থকাৰৰ বিশ্বস্ততা গ্ৰন্থখনৰ পাতে পাতে জিলিকি আছে। আটাইবোৰ চৰিত্ৰই জীৱন্ত ৰূপত বিৰাজ কৰিছে। 'অল কোৱায়েট' কালজয়ী হৈ এই কাৰণেই আছে আৰু থাকিব যে ই মানুহক

যুদ্ধৰ বিভীষিকাৰ কথা সদায় সোঁৱৰাই থাকিব। প্ৰতিখন যুদ্ধৰ শেষত পৰাজিত পক্ষই ভাবে যে তেওঁলোকৰ পৰাজয় অসংগত, বিজয়ী পক্ষয়ো ভাবে তেওঁলোকৰ জয় অৰ্থহীন। এই বিসংগতিৰ ভয়াবহ কাহিনীয়েই বিবৃত হৈছে ‘অল কোৱায়েট অন দি ৱেষ্টাৰ্ণ ফ্ৰন্ট’ উপন্যাসত।

প্ৰথম মহাযুদ্ধৰ দহ বছৰৰ পিছত প্ৰকাশিত এই গ্ৰন্থই জনসাধাৰণৰ সন্মুখত যুদ্ধৰ প্ৰকৃত স্বৰূপ উদ্‌ঘাটন কৰিলে। বহুতো সৈন্যাধ্যক্ষই যুদ্ধৰ সোঁৱৰণি গ্ৰন্থ লেখে। কিন্তু সেইবোৰত বাস্তৱতকৈ কল্পনাৰ বহুল থাকে বেছি। ‘অল কোৱায়েটে’ সেই কল্পনাৰ যৱনিকা ছিন্ন কৰি যুদ্ধৰ বাস্তৱতা উদঙাই দেখুৱালে। প্ৰথম মহাযুদ্ধত বিধ্বস্ত ইউৰোপ ‘অল কোৱায়েট’ৰ দৰ্পণত আচল ছবিখন দেখি অভিভূত হ’ল আৰু ইয়াৰ হৃদয়ৰ মণি-কোঠাত আসন দিলে। বিশ্ব সাহিত্যই লাভ কৰিলে এক পৰম সম্পদ। পৃথিৱীৰ বিভিন্ন ভাষাৰ দৰে অসমীয়া ভাষাতো এই উপন্যাসখনৰ অনুবাদ হৈছে।

লৰেন্স ডুৰেলৰ দি আলেকজেন্দ্ৰিয়া কোৱাটেট

(৬১)

লৰেন্স ডুৰেলৰ জন্ম হৈছিল ১৯১২ চনৰ ৬ ফেব্ৰুৱাৰীত ভাৰতত। দাৰ্জিলিঙৰ ছেন্ট জোছেফ কলেজ আৰু কেন্টাৰবেৰিৰ ছেন্ট এডমাণ্ডছ স্কুলত তেওঁ শিক্ষা লাভ কৰে। তেওঁৰ দেউতাক আছিল অসামৰিক অভিযন্তা। দেউতাকৰ মৃত্যুৰ পিছত মাকে ল'ৰা-ছোৱালীহঁতক গ্ৰীচৰ এটা দ্বীপলৈ নি প্ৰতিপাল কৰে। এই দিনবোৰৰ কথা ধেমেলীয়া ভাষাত বৰ্ণনা কৰিছে লৰেন্সৰ ভায়েক জেৰাল্ডে তেওঁৰ 'My family and other Animals' গ্ৰন্থত।

লৰেন্সে প্ৰথমে কবি হিচাপে ৰসিকমহলৰ দৃষ্টি আকৰ্ষণ কৰে। গদ্য লিখক হিচাপে তেওঁ বৰ বিখ্যাত নাছিল; কিন্তু ১৯৫৭ চনত এখানি উপন্যাসৰ প্ৰথমখন প্ৰকাশ কৰি তেওঁ আন্তৰ্জাতিক সাহিত্য ক্ষেত্ৰত খ্যাতি লাভ কৰে। চাৰিখন উপন্যাস তেওঁ এটা লানিত লেখে আৰু আটাইকেইখন 'আলেকজেন্দ্ৰিয়া কোৱাটেট' শীৰ্ষকত একেলগে পিছত প্ৰকাশ পায়। উপন্যাসৰ ক্ষেত্ৰত নতুন ৰীতিৰ উপস্থাপনে লৰেন্সক প্ৰতিষ্ঠা দিলে।

প্ৰথম উপন্যাসখনৰ নাম 'জাষ্টিন'। ইয়াৰ প্ৰধান চৰিত্ৰ জাষ্টিনৰ নামেৰেই ইয়াৰ নামকৰণ কৰা হৈছে। পটভূমি আলেকজেন্দ্ৰিয়া। 'জাষ্টিন'ৰ কাহিনী বৰ্ণনা কৰা হৈছে ডাৰ্লি নামৰ ইংৰাজী ভাষাৰ এজন শিক্ষকৰ মুখেৰে। ডাৰ্লিৰ ইচ্ছা লেখক হোৱাৰ। তেওঁ শিক্ষকতা কৰি পোৱা সামান্য ধনেৰে দৰিদ্ৰ অৱস্থাত আলেকজেন্দ্ৰিয়াত বাস কৰি আছে। ফৰাচী কনচুলেট জেনেৰেল (বিদেশী ৰাজপ্ৰতিনিধি)ৰ কাৰ্যালয়ত কাম কৰা এজন কনিষ্ঠ বিষয়াৰ এটা ফ্লেটত তেওঁ থাকে। বিষয়াজনৰ নাম জৰ্জ পোম্বল।

এবাৰ গৰমকালি ডাৰ্লি ছুটীত যাওঁতে পোম্বলে ফ্লেটটোৰ একাংশ সফল ঔপন্যাসিক পাৰ্ছৱাৰ্ডেনক ভাৰালৈ দিলে। পাৰ্ছৱাৰ্ডেনৰ ঘৰত প্ৰায়েই খোৱা-পিয়া চলে। এদিন পাৰ্ছৱাৰ্ডেনে ডাৰ্লিৰ কোঠালৈ আহি ডাৰ্লিক 'পাৰ্টি'লৈ

নিমন্ত্ৰণ জনালে এইবুলি যে যিহেতু ডাৰ্লিয়ে চিকিৎসা বিদ্যা জানে, সেয়ে হঠাৎ মহিলা অতিথিৰ গা বেয়া হ'লে ডাৰ্লিয়ে চোৱাচিতা কৰিব পাৰিব।

ডাৰ্লিয়ে এসময়ত চিকিৎসা-শাস্ত্ৰ অৱশ্যে পঢ়িছিল। সি গৈ দেখিলে যে পাৰ্টিলৈ অহা এজনী ছোৱালী (তাই এটা দ্বিতীয় শ্ৰেণীৰ নাইট ক্লাবৰ নৰ্তকী) বৰকৈ অসুস্থ হৈ পৰিছে। ডাৰ্লিয়ে পাৰ্ছৱাৰ্ডেনক পলম নকৰি ডাক্তৰ মাতিবলৈ ক'লে। ওচৰত থকা বৃদ্ধ গ্ৰীক ডাক্তৰ এজনক মাতি পঠোৱা হ'ল। ডাক্তৰ আহি নোপোৱালৈ মেলিছা নামৰ অসুস্থ ছোৱালীজনীক ডাৰ্লি আৰু পাৰ্ছৱাৰ্ডেন দুয়ো ধৰাধৰিকৈ ডাৰ্লিৰ কোঠালৈ নিলে।

ডাক্তৰে পৰীক্ষা কৰি ছোৱালীজনী যক্ষ্মাৰোগত ভোগা বুলি ক'লে আৰু এখন গ্ৰীক হস্পিতালত ভৰ্তি কৰাৰ সুবিধা কৰি দিলে। মেলিছা ডাৰ্লিৰ প্ৰতি কৃতজ্ঞ হ'ল। আৰোগ্য হোৱাত তাই মাজে-সময়ে ডাৰ্লিৰ কোঠালৈ আহিবলৈ ধৰিলে। অৱশেষত তাই ডাৰ্লিৰ প্ৰেমিকা হ'ল।

এদিন গধূলি ডাৰ্লিযে এটা সৰু সাহিত্য চ'ৰাত এটা বক্তৃতা দি উভতি অহাৰ সময়ত কিবাকিবি খাবলৈ এখন দোকানত সোমাল। তাতেই জাষ্টিনে তাক বক্তৃতাৰ বিষয়বস্তুৰ ওপৰত কিছু কথা সুধিলে। জাষ্টিন এজনী ৰহস্যময়ী ইহুদী ছোৱালী। নেছিমৰ সৈতে বিযা হোৱাৰ আগতে তাইৰ বহুতো প্ৰেমিক আছিল। জাষ্টিনে ডাৰ্লিক সিহঁতৰ ঘৰলৈ মাতি নিলে। সেইদিনাৰ পৰা জাষ্টিন আৰু নেছিম ডাৰ্লিৰ বন্ধু হ'ল। আলেকজেন্দ্ৰিয়াত জাষ্টিনৰ বহুত জনা-শুনা লোক আছিল। তেওঁলোকে জাষ্টিনৰ চৰিত্ৰৰ বিষয়ে জানিবলৈ ইচ্ছা কৰিছিল। আগতে জাষ্টিনৰ বিয়া হৈছিল জেকব আৰ্নটি নামৰ এজন লোকৰ লগত। আৰ্নটিয়ে আলেকজেন্দ্ৰিয়াৰ আৰু তেওঁৰ ভূতপূৰ্ব পত্নীৰ বিষয়ে এখন সৰু কিতাপ লেখিছিল। তাত তেওঁ লেখিছিল যে সৰুতে জাষ্টিন এবাৰ ধৰ্ষিতা হোৱা কাৰণেই তাইৰ চৰিত্ৰৰ বিচিত্ৰতা ঘটিছিল। কিন্তু শিল্পী ক্লি আৰ্নটিৰ সৈতে এইকথাত একমত হোৱা নাছিল। ডাৰ্লিৰ এজন বন্ধু হ'ল বালথাজাৰ নামৰ ইহুদী ডাক্তৰ। বালথাজাৰৰ পৰা ডাৰ্লিয়ে গম পাইছিল যে আৰ্নটিৰ সৈতে বিয়া হোৱাৰ আগতে এজন প্ৰেমিকৰ ঔৰসত জাষ্টিনৰ ল'ৰা এটা হৈছিল। ল'ৰাটোৰ বয়স ছবছৰ হোৱাত কোনোবাই তাক অপহৰণ কৰে।

বালথাজাৰহঁতৰ 'কেবেল' নামৰ এটা অধ্যয়ন-চক্ৰ আছিল। তাত

'কেবেলা' নামৰ গুপ্ত ইহুদী-দৰ্শনৰ চৰ্চা হৈছিল। তাতে নেছিল আৰু কেপোডিস্ত্রিয়া নামৰ এজন সুদখোৰো গৈছিল।

ডাৰ্লিৰ প্ৰেমিকা হোৱাৰ আগতে মেলিছা কোহেন নামৰ উল ব্যৱসায়ী ইহুদী এজনৰ প্ৰেমিকা আছিল। ডাৰ্লিয়ে শুনিলে যে কোহেন মৃত্যুশয্যাত হস্পিটালত আৰু সি মেলিছাক এবাৰ লগ পাবলৈ ইচ্ছা কৰিছে। সি মেলিছাক মৃত্যুৰ আগতে আনুষ্ঠানিকভাৱে বিয়া কৰাই সা-সম্পত্তি দি যোৱাৰ ইচ্ছা প্ৰকাশ কৰিলে।

ডাৰ্লিয়ে স্কোবি নামৰ অৱসৰপ্ৰাপ্ত এজন সৈন্যবিভাগৰ লেফটেনেন্ট কমাণ্ডাৰক চিনি পাইছিল। ক্লি নামৰ শিল্পীজনী স্কোবিৰ বান্ধৱী আছিল। কিন্তু ধুনীয়া আৰু ধনী হোৱা সত্বেও তাইৰ কোনো প্ৰেমিক নাছিল। ডাৰ্লিয়ে জীৱন কটাইছিল গতানুগতিকভাবে আৰু সি জাষ্টিনৰ জীৱন ৰহস্যৰ বিষয়ে ভাবিছিল। মেলিছা পেলেষ্টাইনলৈ যোৱাত ডাৰ্লি আৰু জাষ্টিন প্ৰেমিক-প্ৰেমিকা হ'ল। ইফালে নেছিমে এই কথা গম পাই ডাৰ্লিৰ ওপৰত প্ৰতিশোধ লোৱাৰ আঁচনি কৰিলে। আঁচনিত প্ৰৰোচনা যোগালে মেলিছাই।

ইতিমধ্যে হোৱা এটা লক্ষ্যভেদ ক্ৰীড়ানুষ্ঠানত যোগ দি উভতি অহা ডাৰ্লিক তাৰ লগুৱা হামিদে ক'লে যে জাষ্টিন পলাই গৈছে। এতিয়া সি মেলিছাক লৈ চিন্তিত হ'ল। পাৰ্ছৱার্ডেনে আত্মহত্যা কৰিলে। সি ডাৰ্লিক ৫০০ পাউণ্ড দান দি গ'ল। এই টকা আছে বেংকত। ডাৰ্লি উজনি ইজিপ্তলৈ গুচি গ'ল। মেলিছা ইতিমধ্যে বেমাৰত ঢুকাল। ডাৰ্লিয়ে মেলিছাৰ সন্তানটোক লৈ ভূমধ্য সাগৰীয় দ্বীপ এটালৈ গুচি গ'ল।

দ্বিতীয় উপন্যাসখনৰ নাম 'বালথাজাৰ'। ইয়াৰো বিবৃত্তিকাৰী ডাৰ্লি। ইয়াত নস্তৰোজ নামৰ যুৱক এজনে জাষ্টিন বুলি ভুল কৰি আন এজনীক হত্যা কৰা দেখুওৱা হৈছে।

তৃতীয় উপন্যাসখনৰ নাম 'মাউন্টঅলিভ'। ইয়াত হাই কমিচনাৰ ডেভিড মাউন্ট অলিভ আৰু লায়লা হোছনানী নামৰ এগৰাকী বিবাহিত মহিলাৰ প্ৰেমৰ কাহিনী কোৱা হৈছে। এই উপন্যাসত নস্তৰোজৰ ৰহস্যজনক মৃত্যুৰ কথা আছে।

চতুৰ্থ আৰু শেষ উপন্যাসখনৰ নাম 'ক্লি'। ইয়াৰ বিবৃতিকাৰীও ডাৰ্লি।

ডাৰ্লি পুনৰ ঘূৰি আহিছে। যুদ্ধৰ সময়। জাষ্টিন ঘূৰি আহি নেছিমৰ লগতে আছে। ডাৰ্লিয়ে মাজে মাজে বালথাজাৰক লগ পায়। ক্লিয়ে জনালে যে বৃদ্ধ স্কোবিৰ মৃত্যুৰ পিছত তেওঁৰ ঘৰটো মন্দিৰত পৰিণত কৰা হৈছে। এদিনাখন ৰাতি বিমান-আক্ৰমণৰ সময়ত ডাৰ্লি আৰু ক্লি একেখন বিছনাতে শুলে। পিছত তাই ফ্ৰান্সলৈ গুচি গ'ল। জাষ্টিন আৰু নেছিমো গুচি গ'ল ছুইজাৰলেণ্ডলৈ। অৱশেষত জাষ্টিনে জীৱনৰ সুখ বিচাৰি পালে।

'আধুনিক সাহিত্যই কাহিনীৰ ঐক্যত বিশ্বাস নকৰে।' লৰেন্স ডুৰেলে এই কথাত বিশ্বাস কৰে। সেয়ে 'কোৱাৰ্টেট'ৰ মাজৰ কাহিনীভাগ অসংলগ্ন ধৰণৰ। আধুনিক প্ৰেমৰ বিষয়ে অনুসন্ধান চলাবলৈ তেওঁ এই উপন্যাস ৰচনা কৰিছে বুলি ডুৰেলে কয়। ইয়াত তেওঁ বহুক্ষেত্ৰত প্ৰাউষ্ট আৰু জয়েছৰ দৰে 'চেতনাপ্ৰবাহ ৰীতিও প্ৰয়োগ কৰিছে। সমালোচকৰ মতে, 'আলেকজেন্দ্ৰিয়া কোৱাৰ্টেট' কেৱল সাহিত্যিক পৰীক্ষা-নিৰীক্ষাৰ ক্ষেত্ৰতে নহয়, ষ্টাইল বা ৰচনা শৈলীৰ ক্ষেত্ৰতো অভিনৱ আৰু সেয়ে ই বিশ্বসাহিত্যত উপযুক্ত স্থান পোৱাৰ যোগ্য। লৰেন্স মূলত: এজন কবি আছিল, কেৱল গদ্য-সাহিত্যিক নহয়। সেইবাবে তেওঁৰ কবিসুলভ দৃষ্টিৰ গভীৰতা, শব্দচয়ন, চিত্ৰকল্প আৰু প্ৰতীকসমূহে উপন্যাসৰাজিৰ মূল্য বঢ়াইছে। বিশ্ব-সাহিত্যত সেয়ে এই উপন্যাস হৈ উঠিছে অতুলনীয়।

জৰ্জ অৰৱেলৰ ১৯৮৪

(৬২)

জৰ্জ অৰৱেলৰ প্ৰকৃত নাম আছিল এৰিক ব্লেয়াৰ। ১৯০৩ চনত ভাৰতত তেওঁৰ জন্ম হৈছিল। তেওঁৰ জীৱন আছিল বৰ্ণাঢ্য। ইটনত স্কুলীয়া শিক্ষা, ব্ৰহ্মদেশৰ পুলিচ বাহিনীৰ চাকৰি, পেৰিছত বসবাস, ইংলেণ্ডত শিক্ষকতা আৰু স্পে'নৰ গৃহযুদ্ধত গণৰাজ্যবাদী সকলৰ সপক্ষে যুদ্ধত অংশ গ্ৰহণ তেওঁৰ জীৱনৰ উল্লেখযোগ্য ঘটনা। পিছত তেওঁ সাংবাদিকতা বৃত্তি গ্ৰহণ কৰে আৰু সাহিত্য ৰচনা কৰে। ১৯৫০ চনত তেওঁৰ মৃত্যু হয়। তেওঁৰ গ্ৰন্থৰাজিৰ ভিতৰত আছে; ডাউন এণ্ড আউট ইন পেৰিছ এণ্ড লণ্ডন, বাৰ্মিজ ডেজ, দি ৰোড টু ৱিগান আপাৰ, কামিং আপ ফৰ এয়াৰ আৰু হোমেজ টু কাটালনিয়া। ১৯৪৫ চনত ৰাজনৈতিক ব্যংগ 'এনিমেল ফাৰ্ম' লেখি তেওঁ বিপুল কৃতকাৰ্যতা লাভ কৰে। চাৰি বছৰৰ পিছত প্ৰকাশ পায় '১৯৮৪'— ৰাজনৈতিক ব্যংগাত্মক উপন্যাস। অৰৱেল আছিল ব্যক্তিগতভাৱে বিপ্লৱী। ফেচিজিম আৰু একনায়কত্ববাদক তেওঁ ঘৃণা কৰিছিল। স্পেনৰ গৃহযুদ্ধত পোৱা আঘাতৰ ফলত হোৱা যক্ষ্মা ৰোগেই আছিল তেওঁৰ মৃত্যুৰ কাৰণ।

লণ্ডন, ক্ষুদ্ৰ বিমানঘাটি নং ১, ওচেনিয়া: এই পটভূমিত এদিনাখন এপ্ৰিল মাহৰ ৰাতিপুৱা ৩১ বছৰ বয়সীয়া উইনষ্টন স্মিথে'ভিক্টোৰিয়া মেনছনছ' নামৰ বিশাল প্ৰাসাদটোৰ তেওঁ থকা-কদৰ্য ক্ষুদ্ৰাকৃতি ফ্লেটটোৰ'পৰা সত্য মন্ত্ৰী দপ্তৰ (Ministry of Truth) মহাফেজখানাৰ (Records Department) তেওঁৰ কৰ্মস্থলীলৈ গৈছিল। আলিবাটৰ প্ৰতিটো কেঁকুৰিতে এখন বৃহৎ চিত্ৰ। চিত্ৰখন চৌম্বকীয় ব্যক্তিত্বসম্পন্ন এজন লোকৰ। চিত্ৰৰ তলত লেখা আছে 'বৰ ককায়েৰে তোমাক লক্ষ্য কৰি আছে' (Big brother is watching you) । মন্ত্ৰীদপ্তৰৰ কাৰ্যালয়ৰ দুৱাৰমুখত খোদিত কৰা আছে দলৰ তিনিটা শ্লোগান: 'যুদ্ধই শান্তি' (War is peace), 'দাসত্বই স্বাধীনতা' (Freedom is Slavery) আৰু 'অজ্ঞতাই শক্তি' Ignorance is Strength) । অন্যান্য মন্ত্ৰীদপ্তৰ হ'ল: শান্তি মন্ত্ৰীদপ্তৰ (Ministry of Peace— ই

যুদ্ধৰ সৈতে সংশ্লিষ্ট), প্ৰেম মন্ত্ৰীদপ্তৰ (Ministry of love— ই আইন শৃঙ্খলাৰ সৈতে সংশ্লিষ্ট) আৰু প্ৰাচুৰ্য মন্ত্ৰীদপ্তৰ (Ministry of Plenty— ই অৰ্থনীতিৰ সৈতে সংশ্লিষ্ট)। কেই দশকমান আগতে হোৱা বিপ্লৱৰ ফলত প্ৰতিষ্ঠা হৈছে ইংছ'চ (Ingsoc— ইয়াৰ অৰ্থ English Socialism), পাৰ্টিৰ আভ্যন্তৰীণ আৰু বহিৰ্বিভাগে প্ৰশাসন চলায়। জনসাধাৰণে (Mass of Proles) নিজে নিজৰ কাম পৰিচালনা কৰে। পৃথিৱীখন তিনিটা ভাগত বিভক্ত: অ'চেনিয়া, ইউৰেচিয়া আৰু ইষ্টেচিয়া। পৰস্পৰৰ মাজত অনবৰত যুদ্ধ চলিয়েই আছে, মীমাংসাহীন যুদ্ধ। সম্প্ৰতি অ'চেনিয়া আৰু ইউৰেচিয়া যুদ্ধৰত। কিন্তু শক্তি গোষ্ঠী অনবৰত পৰিবৰ্তনশীল। কোনে কেতিয়া কাৰ পক্ষ লয়, ঠিক নাই।

কিন্তু শক্তি গোষ্ঠীৰ মাজৰ পৰিবৰ্তনক কেতিয়াও স্বীকাৰ কৰি লোৱা নহয়। পুৰণি দিনৰ কথা মচি পেলাবলৈ আপ্ৰাণ চেষ্টা কৰা হয়। উইনষ্টনৰ কাম এয়াই। টেলিস্ক্ৰীনত (Telescreen— দূৰদৰ্শন পৰ্দা) প্ৰত্যেকজন নাগৰিকৰ কথা আৰু চলন-ফুৰণৰ লেখ লিপিবদ্ধ কৰা হয়। উইনষ্টনৰ মাক-বাপেক অদৃশ্য হৈ গৈছে বা 'চিন্তা পুলিচ'ৰ (Thought police) দ্বাৰা গ্ৰেপ্তাৰ কৰাৰ পিছত বায়বীয় অৱস্থাপ্ৰাপ্ত হৈছে। উইনষ্টনৰ লগতে কাম কৰা তিৰোতাজনীৰ গিৰিয়েকো সেইদৰে নাইকিয়া হৈছে। তিৰোতাজনীয়ে শান্তভাৱে কথাবোৰ বিকৃত কৰা কাম আৰু 'সৎচিন্তা'ৰ (Good thinkইয়াৰ অৰ্থ 'বদ্ধমূল ধাৰণা')কামত নিযুক্ত হৈ কাম কৰি আছে। প্ৰতিদিনে পালন কৰা হয় 'দুই মিনিটীয়া ঘৃণা' (Two minutes' Hate) । এই সময়ছোৱাত ইউৰেচিয়া বন্দীসকলৰ ছবিক গালি শপনি পৰা হয়। যেতিয়া বন্দীক ৰাজহুৱাভাৱে ফাঁচী দিয়া হয় তেতিয়া অৱশ্যে আচল বন্দীকেই গালি শপনি পৰা হয়। ঘৃণাৰ চৰম লক্ষ্য হ'ল পলাতক নেতা এমানুৱেল গোল্ডষ্টেইন— যাক সকলো অনিষ্টৰ মূল বুলি আখ্যা দিয়া হৈছে। বদ্ধমূল ধাৰণা বা কামৰ বাহিৰে আন ধাৰণা বা কাম কৰিলে মাক-বাপেকহঁতক ধৰাই দিবলৈ ল'ৰা-ছোৱালীক শিক্ষা দিয়া হয়। ছবছৰ বয়সত ল'ৰা-ছোৱালীক গুপ্তচৰৰ নিযুক্তি দিয়া হয়। মাক-বাপেকহঁতে ল'ৰা-ছোৱালীৰ কামৰ বাবে গৰ্ব অনুভৱ কৰে।

উইনষ্টনে ভৱিষ্যত আৰু অতীতৰ কথা ভাবে। এদিন সি ভগা লোহা-লক্কৰৰ দোকান এখনত এটা ধুনীয়া ডায়েৰী দেখা পাই কিনি ল'লে।

আজিকালি এনে মিহি কাগজৰ ডায়েৰী পাবলৈ নাই— বিপ্লৱৰ আগৰ দিনত পোৱা গৈছিল। ডায়েৰীটোত সি নিজৰ ব্যক্তিগত কথাবোৰ লেখিব। আনকি সি বাধ্যতামূলক ব্যায়াম কৰাৰ সময়তো নানা কথা চিন্তা কৰে। তাৰ মনত পৰে পাৰ্টিৰ ভিতৰুৱা চক্ৰৰ বিষয়ববীয়া শকত-আৱৰত কিন্তু স্পৰ্শকাতৰ মনৰ গৰাকী ওব্ৰিয়েনলৈ: ওব্ৰিয়েনে এদিন তাক কৈছিল:— "আমি অন্ধকাৰহীন ঠাইত আকৌ লগালগি হ'ম।' দুই মিনিটীয়া ঘৃণা পালন কৰা সময়ত তাৰ পিছফালে থিয় হৈ বলিষ্ঠ, ক'লাচুলীয়া যুৱতীগৰাকী কোন আছিল? তাইৰ প্ৰতিহে ঘৃণা উপজিল। আকৌ লগে লগে সি তাইৰ প্ৰেমতো পৰিল।

উইনষ্টনৰ ছাইম নামৰ এজন কমৰেড আছিল। সি ভাষাবিদ, 'নিউস্পীক' অভিধানৰ ১৭তম সংস্কৰণৰ কামৰ সৈতে সি জড়িত হৈ আছে। উইনষ্টনে অনুভৱ কৰে যে ছাইমো এদিন সন্ধানহীন হ'ব, কাৰণ সি বৰ বুধিয়ক। 'নিউস্পীক' নামৰ ভাষাটো ২০৫০ চনত বাধ্যতামূলক হ'ব— এই ভাষাৰ উদ্দেশ্য হ'ল শব্দ ধ্বংস কৰা আৰু চিন্তাৰ পৰিধি সীমিত কৰা। এই ভাষাত 'বেয়া' (Bad) হ'ব 'অসৎ' (Ungood), 'বৰ ভাল' (Very good) হ'ব 'ভাল-যোগ' (Plus good)। আটাইবোৰ শব্দই হ'ব যৌগিক শব্দ। ইংছ'ক (Ingsoc English Socialism), ডাবলথিংক (dauble think), গুডথিংকফুল (Good think full— ইয়াৰ অৰ্থ গোড়া), স্পীকৰাইট (Speakwrite), ৰেকডীপ ৰেকৰ্ডচ ডিপাৰ্টমেণ্ট Minipax (Ministary of Peace),ব্যক্তিত্ববাদ (ownlife), চেক্সক্ৰাইম (Sexcrime),ওল্ডথিংক— যুক্তিবাদী চিন্তা (oldthink), ইংছ'চক অনুমোদন জনোৱা (bellyfeel), জয়কেম্প— বাধ্যতামূলক শ্ৰমশিবিৰ (Joycamp) ইত্যাদি ইত্যাদি। ২০৫০ চনৰ ভিতৰত পুৰণি সাহিত্যসমূহ নিউস্পীকত অনূদিত হ'ব যাৰ অৰ্থ হ'ব পুৰণি সাহিত্যৰ বিনাশ।

ইতিমধ্যে টেলিস্ক্ৰীনত অস্তিত্বহীন প্ৰাচুৰ্যৰ পৰিসংখ্যা প্ৰচাৰ কৰা হৈ আছে। চকলেটৰ ৰেচন ৩০ গ্ৰামৰ পৰা ২০ গ্ৰামলৈ হ্ৰাস কৰা হৈছে, কিন্তু টেলিস্ক্ৰীনত কোৱা হৈছে চকলেটৰ ৰেচন ২০ গ্ৰামলৈ বৃদ্ধি কৰা হৈছে। উইনষ্টনৰ ঘৈণীয়েক কেথেৰিন বহুদিনৰ পৰাই সন্ধানহীনা-বোধকৰো তাইৰ মাক-দেউতাকৰ দৰে তাইকো বাষ্পীয় কৰি পেলোৱা হৈছে। প্ৰলেহ

(জনসাধাৰণ) সকলৰ মাজত গণিকা সহজে পোৱা যায়। কিন্তু ধৰা পৰিলে পাঁচ বছৰৰ জেলৰ ভাত খাব লাগে। বেশ্যা গমনৰ চিন্তাটোকেই আখ্যা দিয়া হয় থটক্ৰাইম চিন্তাপৰাধ (Thoughtcrime)। চেমনীয়া সকলৰ বাবে আছে কনিষ্ঠ যৌনবিৰোধী সংঘ(Anti-sex League) । উইনষ্টনে তাৰ মানসিক অস্থিৰতা দূৰ কৰিবলৈ এজন বুঢ়া প্ৰলক (প্ৰলিটাৰিয়েট) লগ ধৰি বিপ্লৱৰ আগৰ দিনবোৰৰ কথা ক'বলৈ তাক প্ৰৰোচিত কৰিলে। কিন্তু বুঢ়াজনে সকলো কথা সানি পুতকি অসংলগ্ন ধৰণেহে কিবাকিবি ক'লে। উইনষ্টন এদিন গ'ল লোহা-লক্কৰৰ দোকানখনলৈ— য'ৰ পৰা সি ডায়েৰীটো কিনিছিল। আদহীয়া মি: চেৰিংটনে তাক এটা ধুনীয়া পেপাৰ-ওৱেট বিক্ৰী কৰিলে। বিপ্লৱৰ আগৰ দিনৰ বস্তু। দোকানৰ পৰা ওলাই আহোঁতে সি কাহিনী বিভাগত (Fiction Department) কাম কৰা ক'লাচুলীয়া ছোৱালীজনীক দেখা পালে। তাই তাক অনুসৰণ কৰিছে নেকি? তাইৰ প্ৰতি তাৰ কামনা আছে। তথাপি তাইক তাৰ ভয়ো লাগে— ইচ্ছা যায় যেন মূৰত মাৰ মাৰি দিয়ে।

হঠাৎ এদিন ৰাতিপুৱা সি তাইক কৰিডোৰেৰে তাৰ ফালে আহি থকা দেখিলে। তাই পিছলি পৰি আঘাত পোৱা বাবে এখন হাতত বেণ্ডেজ বন্ধা আছে। সি তাইক খট্‌খটিৰে উঠি অহাত সহায় কৰিলে। তাই তাৰ হাতত এটুকুৰা কাগজ দি গুচি গ'ল। কাগজ টুকুৰাত থট পুলিচে (Thought Police) কিবা নিৰ্দেশ দিছে বুলি ভয়তে সি বহুসময় সেইখন নপঢ়াকৈ থাকিল। তাৰ পিছত সি খুলি দেখিলে, তাত তিনিটা শব্দ আছে: 'মই তোমাক ভালপাওঁ।' তাৰ মনত কেতবোৰ বিভিন্ন ধৰণৰ অনুভূতিৰ সমাৱেশ হ'ল— আনন্দ, ভয়, ছোৱালীজনীৰ প্ৰতি ইন্দ্ৰিয়ানুভূতি ইত্যাদি। কেনেকৈ তাইক লগ কৰা যায়, সেইটোৱেই সমস্যা। অৱশেষত সি এদিন তাইক কেন্টিনতে লগ পালে। তাই তাক ভিক্টৰী স্কোৱাৰৰ মনুমেন্টৰ ওচৰত লগ ধৰিব ক'লে। সি লগ ধৰাত তাই তাক পেডিংটনৰ পৰা এটা বাটেৰে গৈ পথাৰৰ মাজৰ এজোপা অকলসৰে থকা গছৰ ওচৰলৈ দেওবাৰে যাবলৈ ক'লে। এদিন দেওবাৰে সি সেইমতে তালৈ গৈ তাইক লগ পালে। তাইৰ নাম যে জুলিয়া, সেই কথাও জানিলে। দুয়োৰো মাজত প্ৰেম হ'ল। তাই উইনষ্টনক ক'লে যে তাই জানে সি বৰ্তমানৰ প্ৰশাসনৰ বিৰুদ্ধবাদী। তায়ো যে একে মনোভাব সম্পন্না,

সেই কথাও তাই ভাক ক'লে। তাই অতি বুদ্ধিমকভাবে দুতৰপীয়া জীৱন (Double life) যাপন কৰি আছে— দেখাত বৰ্তমান প্ৰশাসনৰ সমাৰ্থক, এণ্টিছেক্স লীগৰ সদস্যা, অথচ বিৰুদ্ধবাদী আৰু মুক্ত যৌনচৰ্চাৰ পক্ষপাতী।

দুয়োৰে মাজত কেবাবাৰো গোপন মিলন হ'ল। প্ৰত্যেক বাৰেই বেলেগ বেলেগ ঠাইত। কিন্তু লগ পোৱাৰ মাজত দীৰ্ঘ ব্যৱধান। এবাৰ মে' মাহত এটা পুৰণি গীৰ্জাৰ ধ্বংসস্তুপৰ মাজত দুয়ো লগালগি হ'ল। সেইদিনা তাই তাইৰ কিছু বিতং বাতৰি উইনষ্টনক দিলে। তাইৰ বয়স ২৬ বছৰ, আন ৩০ জনী ছোৱালীৰ সৈতে তাই হোষ্টেল এটাত থাকে, তাই কাহিনীলিখন বিভাগৰ উপন্যাস লিখন মেচিনত কাম কৰে। কিন্তু তাই সেইবোৰ নপঢ়ে। তাইৰ ক্ৰীড়া-নৈপূণ্য থকা কাৰণে তাইক 'পৰ্ণোচেক'ত (পৰ্ণোগ্ৰাফিক চেকচন— অশ্লীল বিভাগ) কাম কৰিবলৈ দিয়া হৈছে। এই বিভাগত কাম-প্ৰৱণতাসম্পন্ন প্ৰলেটেৰিয়ান যুৱক সকলৰ মনোৰঞ্জনৰ বাবে অশ্লীল উপন্যাস তৈয়াৰ কৰা হয়। তাই আমোদ-প্ৰমোদ ভাল পায়। তাইৰ প্ৰথম প্ৰেমিক আছিল (তেতিয়া তাইৰ বয়স আছিল যোল্ল বছৰ) ষাঠি বছৰ বয়সীয়া পাৰ্টি সদস্য এজন। পিছত সদস্যজনে গ্ৰেপ্তাৰৰ হাত সাৰিবলৈ আত্মহত্যা কৰিছিল। জুলিয়াই পাৰ্টিৰ নৈতিক নীতি গোপনে ভংগ কৰি চলিছিল। পাৰ্টি আছিল অপৰিবৰ্তনশীল।। বিপ্লৱৰ আগৰ পৃথিৱীখনৰ সৈতে তাইৰ পৰিচয় নাছিল। 'ব্ৰাডাৰহুদ'ৰ বিষয়ে তাই একো শুনা নাছিল।

উইনষ্টনেও তাৰ জীৱনৰ কথা আৰু ঘৈণীয়েকৰ কথা জুলিয়াক ক' লে। সি গোড়া (Good think ful) ভাষাৰেই ক'লে যে তাৰ ঘৈণীয়েক যৌনদিশত আছিল উদাসীন। পাৰ্টি কিন্তু ছেক্সৰ বিষয়ত শুদ্ধতা অৱলম্বনৰ পক্ষপাতী। কাৰণ পাৰ্টিৰ উদ্দেশ্য আছিল যৌন ক্ষুধাক যুদ্ধ-ক্ষুধালৈ ৰূপান্তৰিত কৰা। উইনষ্টনৰ উদাসীন মনোভাব দেখি (উইনষ্টনে তাইক কৈছিল 'আমি মৃত') তাই জীৱনৰ প্ৰতি প্ৰেমৰ কথা কৈছিল। অৱশ্যে তাই অনুমান কৰিছিল যে এদিন হয়তো তাইক থটপুলিচে নাইকিয়া কৰিব।

চেৰিংটনৰ দোকান থকা ঘৰটোৰ ওপৰ মহলাৰ এটা কোঠালী উইনষ্টনে ভাৰালৈ ল'লে। জুলিয়াই তাৰ বাবে চেনি আৰু ভাল কফি (real inner (Party Coffee) আনিলে।প্ৰসাধন কৰি তাই বিছনাত শুলে। কিন্তু হঠাৎ

কোঠালীৰ বেৰত থকা এটা বিদ্ধাইদি এটা নিগনি ওলাল। উইনষ্টন আৰু জুলিয়াই নিগনিটো খেদি বিদ্ধাটোত সোপা দি থলে।

এদিন শুনা গ'ল যে ভাষাবিদ ছাইম অদৃশ্য হৈ গৈছে। সি কামলৈ অহা নাই, 'তাৰ কোনো অস্তিত্বই নাছিল' বুলি কোৱা হ'ল। 'ঘৃণা সপ্তাহ' পালনৰ আয়োজন মহাসমাৰোহেৰে চলিছিল। জুলিয়াই কাম কৰা বিভাগটোৱে এই সপ্তাহ সম্পৰ্কে ভালেমান প্ৰচাৰ পুস্তিকা উলিয়ালে। নতুন গীত ৰচনা কৰি টেলিভিছনত প্ৰচাৰ কৰা হ'ল। বাটে বাটে তোৰণ সজোৱা হ'ল। বক্তৃতা, চলচ্চিত্ৰ প্ৰদৰ্শন, শোভাযাত্ৰাৰ আয়োজন কৰা হ'ল। মানুহক ভয় খুৱাবলৈ ঠায়ে ঠায়ে বোমা বিস্ফোৰণ ঘটোৱা হ'ল। এইবোৰৰ মাজতো উইনষ্টন আৰু জুলিযাই সুখৰ জীৱন যাপন কৰি গ'ল। কিন্তু এনে সুখ বেছিদিন স্থায়ী হ'ব নোৱাৰে। উইনষ্টনে ওব্ৰিয়েনক লগ পোৱাৰ কথা জুলিয়াক ক'লে। জুলিয়াই চাৰিওফালে ঘটা ঘটনাৰাজিৰ প্ৰতি দৃষ্টি ৰাখিলে— সত্য আৰু প্ৰচলিত ধাৰণা দুয়োটাই তাইৰ মনত ভুমুকিয়ালে। তাই উইনষ্টনক ক'লে যে যুদ্ধ হ'ব বুলি যি প্ৰচাৰ চলোৱা হৈছে, সেয়া অপপ্ৰচাৰ হে মাত্ৰ, মানুহৰ মাজত যুদ্ধৰ মানসিকতা গঢ়িবলৈ ওচেনিয়া চৰকাৰে নিজেই লণ্ডনত বোমা পেলাইছে-— উদ্দেশ্য ভয় খুওৱা।

এদিন ওব্ৰিয়েনে উইনষ্টন আৰু জুলিয়াক মাতি পঠালে 'ইনাৰ পাৰ্টি ফ্ৰেণ্ট'লৈ। তাত ওব্ৰিয়েনে দুয়োকে 'ব্ৰাডাৰহুড'ত দীক্ষা দিলে। 'ব্ৰাডাৰহুদ'ৰ নিয়ম অতি কঠোৰ, দযামায়াৰ স্থান তাত নাই। ব্ৰাডাৰহুদৰ স্বাৰ্থত সিহঁতে যিকোনো বিপদৰ মাজলৈ যাব লাগিব, ব্ৰাডাৰহুদে সহায় নকৰিবও পাৰে। ওব্ৰিয়েনে গোল্ডষ্টেইনে লেখা কিতাপখন উইনষ্টনক দিলে।

হঠাৎ ঘোষণা কৰা হ'ল ওচেনিয়াৰ শত্ৰু ইষ্টেচিয়াহে, ইউৰেচিয়া নহয। ইউৰেচিয়া ওচেনিয়াৰ মিত্ৰ। লগে লগে আগৰ তথ্যপাতি, ইতিহাস সকলো নতুনকৈ লেখাৰ নিৰ্দেশ আহিল। উইনষ্টনহঁতে দিনে ওঠৰ ঘণ্টাকৈ কাম কৰিবলগা হ'ল। উইনষ্টনে গোল্ডষ্টেইনৰ কিতাপখনত চকু ফুৰালে। কিতাপখনৰ নাম 'থিয়ৰি এণ্ড প্ৰেক্‌টিছ অব অলিগাৰ্কিকেল কালেক্টিভিজম' তাৰ প্ৰথমতে লেখা আছে 'অজ্ঞতাই শক্তি। ক্ষমতাৰ শ্ৰেণীবিন্যাস সুন্দৰকৈ বৰ্ণনা কৰা হৈছে। স্বাধীনতা খৰ্ব কৰাৰ আহিলা হিছাপে বিজ্ঞান আৰু প্ৰযুক্তি

বিদ্যাৰ ব্যৱহাৰ কৰা সম্পৰ্কে তথ্য আছে। গোল্ডষ্টেইনে ইংছ'ক আমোলৰ প্ৰতিষ্ঠাৰ আগলৈ উনৈশ আৰু কুৰি শতিকাৰ ঘটনাৱলী কিতাপত লেখিছে।

এদিন হঠাৎ থট পুলিচে উইনষ্টন আৰু জুলিয়াক গ্ৰেপ্তাৰ কৰিলে। পুলিচ দলৰ মাজত চেৰিংটনো আছিল। উইনষ্টনক 'প্ৰেম মন্ত্ৰী দপ্তৰ'ৰ জেলত ৰখা হ'ল— জেলত অসংখ্য বন্দীৰ মাজত সিও এজন। বন্দীৰ অহা-যোৱাৰ বিৰাম নাই। কিন্তু উইনষ্টন আৰু কবি এম্পলফৰ্থৰ দৰে 'ৰাজনৈতিক' বন্দী সকলক আটাইতকৈ সাংঘাতিক বুলি গণ্য কৰা হয়।

উইনষ্টনৰ ওপৰত শাৰীৰিক নিৰ্যাতন কৰা হ'ল ওব্ৰিয়েনৰ উপস্থিতিত। ১০১ নং নিৰ্যাতন কক্ষলৈ নিয়াৰ পিছৰ পৰা উইনষ্টনে সত্য আৰু অসত্যৰ প্ৰভেদ পাহৰি অসত্যকে সত্য বুলি স্বীকাৰ কৰিলে। নিজৰ স্মৃতিক নিজেই বিকৃত কৰিবলৈ বাধ্য হ'ল। শেষত তাক মুক্তি দিয়া হ'ল। মুক্তিৰ পিছত 'বেষ্টনাট ট্ৰি' নামৰ কফিৰ দোকানত সি জুলিয়াক লগ পালে। ৰাস্তাৰ মাইক্ৰফ'নত শুনা গ'ল 'মানব ইতিহাসৰ বৃহত্তম বিজয়'ৰ প্ৰশস্তি। উইনষ্টনে 'বৰ ককায়েৰ্কক (Big Brother) ভাল পাবলৈ শিকিলে।

এই বিভীষিকাপূৰ্ণ ব্যংগ উপন্যাসত অৱৱেলে ব্যৱহাৰ কৰা কিছুমান শব্দ আৰু বাক্যই পৃথিৱীৰ সকলোতে খ্যাতি লাভ কৰিছে: 'বিগ ব্ৰাদাৰ', 'ডাবল থিংক', 'বৰ ককায়েৰে তোমাক লক্ষ্য কৰি আছে' ইত্যাদি। '১৯৮৪' গ্ৰন্থত অৱৱেলে একনায়কত্ববাদৰ ভয়াবহতা উদ্‌ঘাটন কৰিছে। এই গ্ৰন্থ মানব জাতিৰ প্ৰতি এক সতৰ্ক বাণী স্বৰূপ। গ্ৰন্থখনে পূৰ্বযুগৰ সুপ্ৰসিদ্ধ লেখক ছুইফেট, ভলটেয়াৰ, আৰু আধুনিক কালৰ এলডুইছ হাক্সলি আদিৰ ব্যংগ ৰচনাৰ পৰম্পৰালৈ মনত পেলায়। বিশ্ব সাহিত্যত '১৯৮৪' নামৰ গ্ৰন্থখন এটা মাইলৰ খুটি বুলিবও পাৰি। ই ভৱিষ্যতৰ বাৰ্তাবাহক স্বৰূপ মানবীয় কল্পনাৰ ইংগিত ধৰ্মী।

জিয়ফ্রি চচাৰৰ দি কেন্টাৰ বেৰি টেলছ্

(৬৩)

বহু শতিকাৰ আগতে ইংলেণ্ডৰ ছাউথৱাৰ্ক নামৰ গ্ৰাম্যাঞ্চলত অৱস্থিত 'টাবার্ড ইন' নামৰ অতিথিশালাখনৰ পৰা এদল তীৰ্থযাত্ৰীয়ে কেন্টাৰবেৰি অভিমুখে যাত্ৰা কৰিছিল। সেই মধ্যযুগৰ সময়ত তীৰ্থযাত্ৰী বুলিলে কেৱল ভক্ত সকলকে নুবুজাইছিল। ...চতুৰ্দশ-পঞ্চদশ শতিকাত মানুহে দৈনন্দিন জীৱনৰ গতানুগতিকতাৰ পৰা কিছুদিনৰ বাবে মুক্তি পাবলৈ নিজৰ নিজৰ গাঁৱৰ পৰা দূৰ-দূৰণিৰ ঠাইবোৰলৈ গৈছিল। প্ৰাকৃতিক দৃশ্য উপভোগ কৰাৰ উপৰিও নানা অচিনাকি মানুহৰ সৈতে চিনাকি হৈ বিভিন্ন বিষয়ৰ জ্ঞান আহৰণ কৰাই আছিল এই তীৰ্থযাত্ৰীবোৰৰ মাই উদ্দেশ্য। ধৰ্মীয় উদ্দেশ্য আছিল গৌণ। ইংলেণ্ডৰ গ্ৰাম্যাঞ্চলৰ লোকৰ বাবে কেন্টাৰবেৰিলৈ যোৱাটো বিশেষ আকৰ্ষণ আৰু আনন্দৰ কথা আছিল। এই কেন্টাৰবেৰিত আছিল এটা বিশাল কাৰুকাৰ্যখচিত গীৰ্জা। এই গীৰ্জাৰ চৌহদত আছিল ধৰ্মযাজক টমাছ আ বেকেটৰ সমাধি। টমাছ আ বেকেট ছেন্টটমাছ নামে বিখ্যাত। ১১৭০ চনত ইংলেণ্ডৰ ৰজা হেনৰিৰ আদেশ অনুসৰি চাৰিজন নাইটে তেওঁক গীৰ্জাৰ ভিতৰতে হত্যা কৰিছিল।

তীৰ্থযাত্ৰাৰ উপযুক্ত সময় আছিল বসন্ত কাল। এই সময়ত গাঁৱলীয়া আলিবাটবোৰ বানপানী আৰু ৰবৰফৰ কবলৰ পৰা মুক্ত হৈ চলাচলৰ বাবে উপযুক্ত হৈ পৰিছিল। গাঁৱত যিসকল পুৰুষ নাৰীয়ে তীৰ্থযাত্ৰী হিছাপে কেন্টাৰবেৰিলৈ যাবলৈ ওলাইছিল, তেওঁলোকে ধলপুৱাতে ঢাৰি-পাটি এৰি নিত্যনৈমিত্তিক কামখিনি কৰি পুৱাৰ আহাৰ খাই যাত্ৰা আৰম্ভ কৰিছিল। ইংৰাজীভাষাৰ আদি কবি বুলি প্ৰখ্যাত জিয়ফ্রি চচাৰে তেওঁৰ বিখ্যাত 'কেন্টাৰবেৰি টেলছ'ত (কেন্টাৰবেৰিৰ সাধু) এনেকুৱা এদল যাত্ৰীৰ কাহিনী বৰ্ণনা কৰিছে। তেওঁ বিভিন্ন ধৰণৰ তীৰ্থযাত্ৰীৰ কাহিনী বৰ্ণনা কৰিছে। তেওঁ বিভিন্ন ধৰণৰ তীৰ্থযাত্ৰীসকলৰ কাৰ্যকলাপ তন্ন-তন্নকৈ লক্ষ্য কৰি তেওঁলোকৰ কথা-বতৰা, গল্প- গুজৰবোৰৰ উপৰিও তেওঁলোকৰ চলন-ফৰণ আদি

পৰ্যবেক্ষণ কৰি ত্ৰয়োদশ শতিকাৰ শেষভাগৰ ইংলেণ্ডৰ গ্ৰামাঞ্চলৰ জীৱন-যাত্ৰাৰ যি আলেখ্য তেওঁৰ কেন্টাৰবেৰি টেলছৰ জৰিয়তে দাঙি ধৰিছে, সি আজিও জীৱন্ত হৈ আছে আৰু ইংৰাজী ভাষা-সাহিত্য থাকে মানে চিৰসেউজীয়া হৈ থাকিব। কাৰণ কেন্টাৰবেৰি টেলছ হ'ল জীৱনৰে এক বাস্তৱ প্ৰতিচ্ছবি।

বিভিন্ন গাঁৱৰ পৰা অহা উনত্ৰিশ গৰাকী তীৰ্থযাত্ৰী 'টাবাৰ্ড ইন' নামৰ অতিথিশালাখনত গোট খাইছে। ইয়াৰ পৰাই তেওঁলোকে একেলগে কেন্টাৰবেৰি অভিমুখে যাত্ৰা কৰিব। কাৰণ টাবাৰ্ড ইনৰ অনতিদূৰৰ পৰা আৰম্ভ হৈছে ছাৰে অঞ্চলৰ গভীৰ অৰণ্য। এই বিপদসংকুল অঞ্চল পাৰ হ'লেহে পোৱা যাব কেন্টাৰবেৰিৰ আলিবাট। কবি চচাৰে ৰাতি শোৱাৰ আগতে তীৰ্থযাত্ৰীসকলক লগ ধৰি তেওঁলোকৰ সৈতে কথা-বতৰা পাতিলে আৰু কোন কেনেধৰণৰ লোক, কোনে কি কৰে ইত্যাদি জানি ল'লে। কেন্টাৰবেৰি টেলছ কাব্যৰ 'প্ৰস্তাৱনা'ত তেওঁ তীৰ্থযাত্ৰীসকলৰ যি বিৱৰণ দিছে, সি দৰাচলতে সেই যুগৰ ইংলেণ্ডৰ মানৱ-চৰিত্ৰৰ এক অপূৰ্ব চিত্ৰশালা হৈ উঠিছে। প্ৰথমে বৰ্ণনা কৰিছে এজন ভদ্ৰশ্ৰেণীৰ লোকৰ চৰিত্ৰ এইদৰে : 'তেওঁ আছিল এজন নাইট (অপেশাগত যোদ্ধা)। ঘোঁৰাত উঠিবলৈ শিকাৰ দিনৰ পৰাই তেওঁ বীৰত্ব, সত্যভাষণ আৰু সম্মানক উচ্চ আসন দি আহিছে। স্বাধীনতা স্পৃহা আৰু সৌজন্যমূলক ব্যৱহাৰ তেওঁৰ চৰিত্ৰৰ বৈশিষ্ট্য। যুদ্ধৰ কামত তেও আগৰণুৱা।' তেওঁ স্পেইন, উত্তৰ আফ্ৰিকা, ইজিপ্ত আৰু তুৰস্কত বিধৰ্মী 'মুৰ' (মুছলমান) সকলৰ বিৰুদ্ধে ধৰ্মযুদ্ধত (ক্ৰুছেড) পোন্ধৰবাৰ অংশগ্ৰহণ কৰিছিল। তেওঁ এই ক্ৰুছেডবোৰত যথেষ্ট বীৰত্বৰ পৰিচয় দিছিল। 'তেওঁ বৰ উপযুক্ত আৰু ভদ্ৰ নাইট আছিল। তেওঁৰ ঘোঁৰাটো তজবজীয়া আছিল। তীৰ্থযাত্ৰাত যোগ দিয়াৰ অলপ দিন আগতেহে তেওঁ ক্ৰুছেডৰ পৰা উভতি আহিছিল। গতিকে তেওঁৰ পোছাক-পৰিচ্ছদত তেতিয়াও নানা ধৰণৰ দাগ লাগি আছিল। তেওঁৰ লগত আহিছিল তেওঁৰ পুতেক। পুতেকজন কেনে আছিল, তাৰ বৰ্ণনা-চচাৰে দিছে এইদৰে :—

'তেওঁ আছিল এজন ভদ্ৰলোক আৰু উকিল। স্বাস্থ্যবান, অবিবাহিত; তেওঁৰ চুলিবোৰ লিপিট খুৱাই ভাঁজ দিয়া। অনুমান হয় যে, তেওঁৰ বয়স আছিল কুৰি বছৰ।' যদিও তেওঁ একেবাৰে চেঙেলীয়া বয়সৰ, তথাপি ইতিমধ্যে

তেওঁ ফ্রান্সৰ সৈতে হোৱা যুদ্ধত অংশ গ্ৰহণ কৰি আহিছিল আৰু এই কামৰ জৰিয়তে তেওঁৰ প্ৰেমিকাৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ যত্নপৰ হৈছিল।' তেওঁৰ পোছাক-পৰিচ্ছদ আৰু কাৰ্যকলাপ সম্পৰ্কে চচাৰৰ বৰ্ণনা এনে ধৰণৰ : 'তেওঁৰ সাজ-পোছাক আছিল এম্ব্ৰইডাৰী কৰা, যেন তেওঁ এখন বগা আৰু ৰঙা ফুলেৰে ভৰা ফুলনিহে। গোটেই দিনটো তেওঁ গান গাইছিল বা বাঁহী বজাইছিল। তেওঁ আছিল মে' মাহৰ দৰে সতেজ।'

তীৰ্থযাত্ৰীদলত এজন মধ্যবিত্ত স্বাধীন ৰায়ত আছিল। তেওঁৰ পিন্ধনত আছিল এটা সেউজীয়া ৰঙৰ কোট চোলা আৰু টুপী। কঁকালত আছিল একোঁচা কাঁড়। তেওঁৰ মূৰটো আছিল নাৰিকলৰ দৰে ঘূৰণীয়া, মুখমণ্ডল আছিল মুগাবৰণীয়া, তেওঁ ধনু, তৰোৱাল আৰু ছুৰীৰে সজ্জিত আছিল। দলটোত থকা মহিলাসকলৰ মাজত আছিল মেডাম এগেল টাইন নামৰ এগৰাকী মঠাধ্যক্ষা। তেওঁৰ লগত আছিল এগৰাকী সন্ন্যাসিনী আৰু তিনিজন পুৰোহিত। তেওঁৰ সম্বন্ধে চচাৰে কৈছে :

"তেওঁ ধৰ্মসংগীত ধুনীয়াকৈ গাইছিল, সুৰ ওলাইছিল নাকেৰে। তেওঁ ফৰাচীভাষা ধুনীয়াকৈ ক'ব জানিছিল, কিন্তু পেৰিছত কোৱা ধৰণৰ ফৰাচীভাষা তেওঁ নাজানিছিল, 'ষ্ট্ৰেটফৰ্ড-এটবোৰ স্কুলত শিকোৱা ফৰাচীহে জানিছিল। তেওঁ খাদ্য খাইছিল এগৰাহো জাটিত নেপেলোৱাকৈ আৰু আঙ্গাখাওঁতে আঙুলি জোলত নুডুবুৱাকৈ অতি সন্তৰ্পণে খাইছিল।' তেওঁৰ আচাৰ-ব্যৱহাৰ আছিল অতি সুন্দৰ, স্বভাৱ আছিল ৰঙিয়াল, সকলোৱে তেওঁক সন্মান কৰিছিল। তেওঁৰ হিয়া ইমানেই আলসুৱা আছিল যে 'ফান্দত পৰা এটা নিগনিৰ কাৰণেও তেওঁ কান্দিছিল।' তেওঁ দেখিবলৈ কেনে আছিল সেই সম্বন্ধে চচাৰে লিখিছে : 'তেওঁৰ নাকটো আছিল পোন, চকুযুৰি আয়নাৰ দৰে ধোৱাবৰণীয়া, মুখখন আছিল সৰু কোমল আৰু ৰঙচুৱা, তেওঁৰ কপালখন আছিল অতি ধুনীয়া।'

তেওঁ গাত সুন্দৰভাৱে খাপখোৱা এটা হলৌ চোলা পিন্ধিছিল। দুই হাতত আছিল দুপাট খাৰু। এপাট খাৰুত লগোৱা আছিল এটা কাৰুকাৰ্যখচিত চেফ্টি পিন আৰু তাত ইংৰাজী 'এ' (A) আখৰটো আৰু লেটিন ভাষাত 'এম'ৰ তিনিটাট অমনিয়া, (প্ৰেমে সকলোকে জয় কৰে) কথাফাঁকি লিখা আছিল।

তীৰ্থযাত্ৰী দলত এজন সন্ন্যাসীও আছিল। সন্ন্যাসী হ'লেও তেওঁ আছিল আমোদপ্ৰিয়। তেওঁ আছিল এজন নিপুণ ক্ৰীড়াবিদ, তেওঁৰ ঘোঁৰাশালত

ভালেমান ভাল জাতৰ বোঁৱা আছিল। তেওঁৰ চিকণী কুকুৰকেইটাই শহাৰ পিছে পিছে 'চৰাই উৰাৰ দৰে ক্ষিপ্ৰগতিৰে' দৌৰিছিল। তেওঁৰ মুখটো আছিল সম্পূৰ্ণৰূপে ভগা, মুখখন জেলেতীয়া, তেওঁৰ সৰু সৰু উজ্জ্বল চকু দুটাই অনবৰত পিৰিকপাৰাক কৰি আছিল। দলটোত থকা এজন ভকত আকৌ মহিলাসকলৰ বৰ প্ৰিয়পাত্ৰ হৈছিল, কাৰণ তেওঁ আছিল কথকী আৰু স্ফূৰ্তিবাজ। দলটোত থকা মহিলাসকলক দিবলৈ তেওঁ চোলাৰ জেপত কিছুমান চুৰী কটাৰী আৰু পিন লৈ ফুৰিছিল; তেওঁ নিজৰ খৰচত ভালেমান গাভৰুৰ বিয়া পাতিও দিছিল।

দলটোত থকা ব্যৱসায়ী লোকজনে মূৰত ফ্লেণ্ডাৰ্ছত তৈয়াৰী নোমাল টুপী পিন্ধি ঘোঁৰাৰ ওপৰত উঠি গৈছিল। কিন্তু দলত থকা অক্সফোৰ্ডৰ ছাত্ৰজনৰ অৱস্থা আছিল বেলেগ। তেওঁৰ বিষয়ে চচাৰে কৈছে : অক্সফোৰ্ডৰ ছাত্ৰজনে এসময়ত তৰ্কবিজ্ঞান পঢ়িছিল। তেওঁৰ ঘোঁৰাটো আছিল জেওৰা-খৰিৰ দৰে ক্ষীণ। তেওঁ নিজেও বৰ শকত নাছিল।' তেওঁৰ কোটটো আছিল ফটা-ছিটা, সংসাৰৰ প্ৰতি তেওঁ আছিল উদাসীন আৰু সেয়ে চৰকাৰী বা গীৰ্জাৰ চাকৰি তেওঁ বিচৰা নাছিল। ইয়াৰ কাৰণ চচাৰে বৰ্ণনা কৰিছে এইদৰে :

'তেওঁ বৰং তেওঁৰ বিছনাৰ শিতানত দামী সাজ-পোছাক, বাঁহী বা বীণৰ পৰিৱৰ্তে ক'লা আৰু ৰঙা কাপোৰেৰে বন্ধা এৰিষ্টটলৰ দৰ্শনৰ কিতাপ ৰাখিবলৈহে পছন্দ কৰিছিল।'

তীৰ্থযাত্ৰী দলত কোৰ্টত কাম কৰা এজন পুলিচ বিষয়াও আছিল। আইন তেওঁৰ মুখস্থ আছিল আৰু অনবৰত খুব ব্যস্ত হৈ থকা যেন দেখুৱাইছিল। দলটোৰ আন এজন লোক আছিল এজন ক্ষুদ্ৰ জমিদাৰ। তেওঁ বগচুৰা মুখত ডেইজী ফুলৰ দৰে বগা একোচা দাড়ি আছিল। ৰাতিপুৱা উঠিয়েই একাপ সুৰাপান কৰা আছিল তেওঁৰ স্বভাৱ। এজন সৰু-সুৰা বস্তু বিক্ৰী কৰা ফেৰিৱালা, এজন কাঠ মিস্ত্ৰী, এজন তাঁতী, এজন কাপোৰত ৰং দিয়া কাম কৰা মানুহ আৰু এজন কাপেট তৈয়াৰ কৰা মানুহো দলটোত আছিল। এওঁলোক প্ৰতিজনেই নিজ নিজ ব্যৱসায়ত সুপ্ৰতিষ্ঠিত আছিল আৰু এওঁলোকৰ কোনো কোনো গাঁও পঞ্চায়তৰ মেম্বৰো আছিল। এজন ৰান্ধনি কাম কৰা মানুহো দলটোত আছিল। তেওঁ আছিল পাকৈত ৰান্ধনি, নানা ধৰণৰ জুতি লগা খাদ্য তেওঁ তৈয়াৰ কৰিব জানিছিল। দলটোত থকা ডাৰ্টমাউথ বন্দৰ চহৰৰ

নাৱিকজনৰ 'গটলেণ্ডৰ পৰা ফিনিষ্টাৰ উপকূললৈ থকা বন্দৰবোৰ আৰু বৃটেইন আৰু স্পেইনৰ সাগৰৰ দাঁতি কাষৰীয়া ঠাইবোৰৰ সম্পৰ্কে যথেষ্ট অভিজ্ঞতা আছিল। এজন চিকিৎসকো দলটোত আছিল। তেওঁ 'প্ৰত্যেক বেমাৰৰে কাৰণ জানিছিল' আৰু চিকিৎসক হিচাপে 'অভিজ্ঞ' আছিল। এই চৰিত্ৰসমূহৰ উপৰিও চচাৰে অতি প্ৰাঞ্জল ভাষাত বৰ্ণনা কৰা চৰিত্ৰ হ'ল 'বাথৰ মহিলা' wife of Bath গৰাকী :

'বাথৰ মহিলাগৰাকী আছিল বচকী। কিন্তু দুখৰ বিষয় যে তেওঁ কাণেৰে কম শুনিছিল। তেওঁৰ কমালবোৰ আছিল ধুনীয়া। দেওবাৰে তেওঁ মূৰত ইমানবোৰ কমাল বান্ধি লৈছিল যে সেইবোৰৰ ওজন প্ৰায় দহ পাউণ্ড হৈছিলগৈ। তেওঁ উজ্জ্বল ৰঙা মোজা পিন্ধিছিল, জোতাবোৰ আছিল কোমল আৰু নতুন। তেওঁৰ মুখখন আছিল চক্‌চকীয়া আৰু ৰঙা। তেওঁ পাঁচবাৰ গীৰ্জাৰ দুৱাৰমুখত পাঁচজন মানুহৰ সৈতে বিবাহ-পাশত আবদ্ধ হৈছিল। গাভৰু কালত আন লগৰীয়া তেওঁৰ নাছিল।' তেওঁ তিনিবাৰ জেৰুজালেম, ৰোম, স্পেইনৰ ছেন্ট জেমছৰ গীৰ্জা, কোলোন আৰু ব'লোনলৈ গৈছিল। তেওঁ সুন্দৰী নাছিল, দাঁত অলপ উজলা আছিল। তেওঁ এটা দীঘলীয়া ঢলো চোলা আৰু মূৰত ঢালৰ দৰে বহল টুপী আছিল। তেওঁ খুব হাঁহি উঠা ধেমেলীয়া কথা ক'ব পাৰিছিল। প্ৰেম আৰু তাৰ পৰিণতি সম্বন্ধে তেওঁ যিমান কথা জানিছিল, সিমানখিনি কোনেও নাজানিছিল।

এজন ধৰ্মযাজকো তীৰ্থ যাত্ৰীদলত আছিল। যদিও তেওঁ দুখীয়া আছিল তথাপি 'ধৰ্মীয় চিন্তা আৰু কামত ধনী আছিল, তেওঁ জ্ঞানী আৰু খ্ৰীষ্টীয় গছ্‌পেল প্ৰচাৰত অতি উৎসাহী আছিল।' সমাজত অৱশ্যে তেওঁৰ উচ্চ আসন নাছিল। তেওঁৰ লগত তেওঁৰ খেতিয়ক ভ্ৰাতৃজনো আহিছিল। খেতিয়ক হ'লেও ভায়েকজন আছিল সৎ। তেওঁ খাজনাপাতি সময়মতে আদায় দিছিল আৰু পাৰ্যমানে আনক সহায় কৰিছিল। এওঁলোকৰ উপৰিও দলটোত জমিদাৰী কাছাৰীৰ এজন পিয়াদা, এজন কাছাৰীৰ জাবিকাৰক, এজন শস্য গুড়ি কৰা কামত নিযুক্ত মানুহ (মিলাৰ), এজন গীৰ্জাৰ প্ৰচাৰক, এজন চকিদাৰ আৰু কবি নিজেই আছিল।

এই আটাইবোৰ যাত্ৰী যিদিনা সন্ধিয়া 'টাবাৰ্ড ইন'ত গোট খাইছিল সিদিনা

তেওঁলোকক অত বাতিৰ আহাৰ সাজ খুৱাইছিল অতিথিশালাটোৰ গৰাকী হেন্‌ৰি বেইলিয়ে। খোৱা-বোৱাৰ পিছত তেওঁ তীৰ্থযাত্ৰী দলটোৰ আগত এটা প্ৰস্তাৱ কৰিলে যে তেওঁবো দলটোৰ লগত যাব আৰু দলটোৰ প্ৰত্যেকজনেই কেণ্টাৰবেৰিলৈ যোৱাৰ পথত আৰু ওভতাৰ পথত একোটাকৈ সাধু ক'ব। কেণ্টাৰবেৰিৰ পৰা উভতি যেতিয়া তেওঁলোক পুনৰ টাবাৰ্ড ইন পাবহি, তেতিয়া সৰ্বশ্ৰেষ্ঠ সাধু কওঁতাজনক বাকীসকলে এটা ভোজেৰে আপ্যায়িত কৰিব। বেইলিৰ প্ৰস্তাৱ সকলোৱে আনন্দেৰে সমৰ্থন কৰিলে আৰু তেওঁকেই বিচাৰক হ'বলৈ মান্তি কৰালে। পিছদিনা ৰাতিপুৱা কুকুৰাই ডাক দিওঁতেই যাত্ৰীসকলে টাবাৰ্ড ইনৰ পৰা কেণ্টাৰবেৰি অভিমুখে যাত্ৰা কৰিলে।

টাবাৰ্ড ইনৰ মালিক বেইলিৰ সৈতে দলটোৰ মুঠ যাত্ৰী সংখ্যা আছিল ত্ৰিছজন। গতিকে কেণ্টাৰবেৰি টেলছত সাধুকথাৰ সংখ্যা হ'ব লাগিছিল ষাঠিটা কিন্তু সাধু আছে তেইশটা। খেতিয়ক, বায়ত আদি কেইবাজনেও সাধু নোকোৱা বাবে সাধুৰ সংখ্যা কম হ'ল বুলি চচাৰে কৈছে।

শেক্সপিয়েৰৰ দৰে চচাৰে বিভিন্ন উৎসৰ পৰা সাধুবোৰৰ মূল কথাখিনি সংগ্ৰহ কৰি নিজৰ ভাষাত ৰূপায়িত কৰিছিল। বহু সাধু ইটালীৰ লেখক বোক্কাচিওৰ বিখ্যাত গ্ৰন্থ 'ডেকামেৰন'ৰ পৰা আৰু ইউৰোপত প্ৰচলিত জন-সাহিত্যৰ পৰা লোৱা হৈছিল। কিন্তু চচাৰে এইবোৰত নিজৰ প্ৰতিভা-প্ৰসূত কল্পনাৰ বহণ সানি ইংলেণ্ডৰ জনজীৱনৰ সৈতে খাপ-খোৱাকৈ নতুন ধৰণে লেখিছিল। তেওঁ তেওঁৰ কালৰ ইংলেণ্ডৰ মানুহৰ আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, চিন্তা-ভাৱনা, তীৰ্থ-যাত্ৰীসকলৰ চৰিত্ৰৰ মাজেৰে ফুটাই তুলিছিল।

চচাৰৰ মৃত্যুৰ প্ৰায় ডেৰশ বছৰ পিছলৈ ইংলেণ্ডত কেণ্টাৰবেৰিলৈ তীৰ্থযাত্ৰা কৰাৰ ৰীতি চলি আছিল। কিন্তু 'ৰিফৰ্মেচন'ৰ (Reformation ধৰ্ম-সংস্কাৰ) সময়ত চেণ্ট টমাছৰ সমাধি স্তম্ভ ভাঙি পেলোৱা হ'ল আৰু কেণ্টাৰবেৰিৰ গীৰ্জাও অপবিত্ৰ কৰা হ'ল। তেতিয়াৰ পৰা কেণ্টাৰবেৰিলৈ তীৰ্থ যাত্ৰা কৰা দস্তুৰটোও নাইকিয়া হ'ল। কিন্তু চচাৰৰ 'কেণ্টাৰবেৰি টেলছ'ৰ সাধুবোৰ কোনেও ধ্বংস কৰি পেলাব নোৱাৰিলে। যুগৰ পিছত যুগ পাৰ হৈ গ'ল, কত সাম্ৰাজ্যৰ উত্থান-পতন হ'ল, কিন্তু চচাৰৰ গ্ৰন্থখন অতীতৰ ইংলেণ্ডৰ বসন্তকালৰ অবিস্মৰণীয় সৌৰৱণ ৰূপে চিৰ ভাস্বৰ হৈ ৰ'ল।

ফ্ৰাঙ্কেনষ্টাইন

(৬৪)

সোতৰশ শতাব্দীৰ মধ্যভাগত চুইজাৰলেণ্ডৰ জেনেভাত বাস কৰিছিল ফ্ৰাঙ্কেনষ্টাইন উপাধিৰ এটি পৰিয়াল। পৰিয়ালটিৰ সদস্য সংখ্যা আছিল ছজন— স্বামী, স্ত্ৰী, ভিক্টৰ, উইলিয়াম আৰু আৰ্নেষ্ট নামৰ তিনিজন পুত্ৰ আৰু এলিজাবেথ নামৰ এগৰাকী পালিতা কন্যা। পিতৃ-মাতৃহীনা এলিজাবেথৰ আৰ্নেষ্ট আৰু উইলিয়ামৰ প্ৰতি মৰম আছিল ভাতৃসদৃশ; কিন্তু ডাঙৰ ল'ৰা ভিক্টৰৰ প্ৰতি তেওঁৰ দুৰ্বলতা আছিল অন্য ধৰণৰ।

শ্ৰীমতী ফ্ৰাঙ্কেনষ্টাইনৰো এলিজাবেথক ডাঙৰ বোৱাৰী কৰাৰ হেঁপাহ আছিল; কিন্তু দাতাই দিলেও বিধাতাই নিদিয়ে। এক দুৰাৰোগ্য ব্যাধিত পৰি শ্ৰীমতী ফ্ৰাঙ্কেনষ্টাইনে সুখৰ সংসাৰ এৰি সিপুৰীলৈ যাব লগা হ'ল। মৃত্যুৰ দুৱাৰ দলিত বৈ তেওঁ ৰৰপুত্ৰ ভিক্টৰক কাষলৈ মাতি আনি কলে,— "তই যদি এলিজাবেথক বিয়া কৰাব মই মৰণৰ পিছতো শান্তি পাম।"

মৃত্যুপথিক মাতৃক আশ্বাস দি ভিক্টৰে ক'লে, "তুমি চিন্তা নকৰিবা মা। বিয়া মই এলিজাবেথকেই কৰাম।"

ভিক্টৰৰ আশ্বাস পাই শ্ৰীমতী ফ্ৰাঙ্কেনষ্টাইনে শান্তিত চকু মুদিলে।

কিন্তু বিজ্ঞানৰ প্ৰতি বিশেষ আকৰ্ষণ থকা ভিক্টৰে বিয়াত বহাৰ সলনি কলেজত পঢ়াৰহে সিদ্ধান্ত ল'লে। মি: ফ্ৰাঙ্কেনষ্টাইনৰ পুতেকক অৱশ্যে দূৰলৈ পঠিয়াবলৈ ইচ্ছা নাছিল যদিও পুতেকৰ উৎসাহ দেখি সকলো যা-যোগাৰ কৰি দিলে। কিন্তু আটাইতকৈ ব্যথিত হ'ল এলিজাবেথ। বিশ্ববিদ্যালয়ৰ পৰা ঘূৰি আহি জীৱন সংগিনী কৰি লোৱাৰ প্ৰতিশ্ৰুতি দি, সকলোৰে পৰা বিদায় লৈ আল্পস পাৰ্বত্য অঞ্চলৰ ইঙ্গোলষ্টেট কলেজত ভৰ্তি হ'ল। সকলোৰে পৰা বিদায় লওঁতে ভিক্টৰৰ কষ্ট হৈছিল যদিও দৃঢ়চিত্ত ভিক্টৰৰ মূৰত খেলাইছিল বাৰে বাৰে সেই একেই চিন্তা ৰসায়ণ শাস্ত্ৰ অধ্যয়ন কৰি মানুহৰ জন্ম-মৃত্যুৰ ৰহস্য জানিবই লাগিব।

অধ্যয়নৰ লগে লগে ভিক্টৰৰ জ্ঞানৰ পৰিধিও বাঢ়িবলৈ ল'লে। তথাপি

ভিক্টৰ সন্তুষ্ট নহ'ল। প্ৰাণ সৃষ্টিৰ ৰহস্য তেওঁ জানিবই লাগিব। জড় পদাৰ্থত প্ৰাণৰ সঞ্চাৰ কৰাত তেওঁ সমৰ্থ হবই লাগিব। সেই বাবে কবৰখানাৰ পৰা মৃতদেহ সংগ্ৰহ কৰি নতুনকৈ প্ৰাণ প্ৰতিষ্ঠা কৰাৰ পৰীক্ষা তেওঁ চলাই গ'ল। পৰীক্ষাবোৰ ব্যৰ্থ হোৱা সত্বেও ভিক্টৰ নিৰাশ নহল। প্ৰতিটো ব্যৰ্থতাৰ পিছত ভিক্টৰে নতুন উদ্যমেৰে কামত লাগিল।

অৱশেষত এদিন সাফল্যৰ দিনটোৱে ভুমুকি মাৰিলে। নভেম্বৰ মাহৰ এক অন্ধকাৰ ৰাতি এটা মৃতদেহৰ ওপৰত ঔষধ প্ৰয়োগ কৰি থাকোঁতে তেওঁ মনে মনে ভাবিলে,— "এই দেহত যদি প্ৰাণ সঞ্চাৰ কৰাত মই সফল হওঁ তেন্তে মইয়েই হম নতুন মানুহৰ স্ৰষ্টা। এই দেহটোক মই আঠফুট দৈৰ্ঘ্যৰ বিশালহদেহী কৰি তুলিছো।" হঠাতে মৃতদেহটোৰ হাত এখন লৰচৰ কৰা দেখি ভিক্টৰ চমকি উঠিল। মৃহদেহটোৰ পিনে হাউলি চাই ভিক্টৰ আতঙ্কত আৰ্তনাদ কৰি পিছুৱাই আহিল,— "হে ভগৱান! এয়া দেখোন এক দানব। মইটো এয়া বিচৰা নাছিলোঁ।"

ভয়তে ঘৰৰ পৰা দৌৰি ওলাই আহি ভিক্টৰে নিজৰ কমত শুবলৈ চেষ্টা কৰিলে। মাজৰাতি টোপনিৰ পৰা সাৰ পাই ভিক্টৰে দেখিলে যে দানবটোৱে বীভৎস দৃষ্টিৰে তেওঁলৈ চাই মুখেৰে কিবা শব্দ কৰি আছে। আকৌ ভয়তে বিছনা এৰি ভিক্টৰ ৰাস্তালৈ দৌৰি গ'ল। বাকী ৰাতিৰ সময়ছোৱা ৰাস্তাতেই পাৰ কৰি দিলে ভিক্টৰে।

এইফালে দানবটোৱে ভিক্টৰৰ ঘৰ এৰি জঙ্গলত সোমাল। সি ক্ষুধা আৰু তৃষ্ণা অনুভৱ কৰিলে আৰু ক্ষুধানিবৃত্তিৰ বাবে গছৰ পৰা ফল পাৰি খাবলৈও শিকিলে। এদিন হাতত জুয়ে পোৰাত জুই কি বস্তু জানিবলৈ পাৰিলে আৰু শীতৰ প্ৰকোপৰ পৰা হাত সাৰিবলৈ জুই জ্বলোৱাৰ কায়দাটোও শিকি পেলালে। এনেদৰে ঘূৰি ফুৰি সি এদিন এক তুষাৰ ৰাজ্যত উপস্থিত হ'ল। তাত এটা কুটীৰ দেখি ভিতৰত সোমাই দেখে যে বুঢ়া এজনে ভিতৰত জুই পুৱাই আছে। বৃদ্ধজনে দানবটোক দেখাৰ লগে লগেই পিশাচ, পিশাচকৈ চিঞৰিবলৈ ধৰিলে। বৃদ্ধৰ চিঞৰত দানব অবাক হ'ল যদিও দানবটোৱে পাকঘৰত সোমাই নিৰ্বিকাৰচিত্তে গাখীৰ, ৰুটি, মাখন আৰু পানী খাই পেটৰ পোৰণি মাৰি ল'লে।

পিছদিনা সি এখন গাঁৱত সোমাল। কিন্তু গাঁৱৰ মানুহবোৰে তাক দেখি ভয়তে চিঞৰি উঠিল আৰু সংঘবদ্ধভাৱে মাৰিবলৈ খেদি গ'ল। বেচেৰা নিৰীহ দানবটোৱে তাক তেনেকৈ খেদি ফুৰাৰ কাৰণ বুজি নাপালে। প্ৰাণৰ ভয়ত সি দৌৰি দৌৰি এটা ভগা পঁজা দেখি তাত সোমাই পৰিল। পিছদিনাখন বেৰৰ ফাঁকেৰে সি নিচেই ওচৰতে আন এটা পঁজাঘৰ দেখিবলৈ পালে। সি আবিষ্কাৰ কৰিলে যে ঘৰটোৰ বাসিন্দা তিনিজন, দুই ভায়েক, ভনীয়েক আৰু এজন বৃদ্ধ।

ভগা পঁজাটোৰ ভিতৰত দানবটোৱে বেচ কিছুদিন লুকাই থাকিল। বেৰৰ ফাঁকেৰে ওচৰৰ পঁজাটোলৈ সদায় চাই চাই সি বুজি পাইছে যে পৰিয়ালটো বৰ দুখীয়া আৰু বৃদ্ধজন অন্ধ। কোমল মনৰ দানবটোৱে পৰিয়ালটোক সহায় কৰিব বিচাৰিলে। পৰিয়ালটিৰ পৰস্পৰৰ ভিতৰত হোৱা কথা-বতৰাবোৰ শুনি শুনি লাহে লাহে দানবটোৱে সেই ভাষা বুজি পোৱা হ'ল। এদিন বৰষুণৰ পানী জমা হৈ থকা গাত এটাত নিজৰ মুখৰ প্ৰতিচ্ছবি দেখি দানবটোৱে চমকি উঠিল। তাৰ চেহেৰা ইমান কুৎসিৎনে ?

বৃদ্ধৰ বাগিচাৰ ফল-মূল, শাক-পাচলি খায়েই দানবটোৰ চলি যায়। ৰাতি মনে মনে সি ফেলিক্স নামৰ ল'ৰাটোৰ কিতাপবোৰ পঢ়িবলৈ লয় আৰু এনেদৰে এটা সময়ত সি পঢ়িবও পৰা হ'ল। এদিন সি ভিক্টৰৰ লেবৰেটৰীৰ পৰা পিন্ধি অহা চোলাটোৰ মোনাত হাত সুমুৱাই কেইখিলামান কাগজ উলিয়াই আনিলে। সেই কাগজ কেইখিলাত তাৰ সৃষ্টিবৃত্তান্ত বৰ্ণনা কৰা হৈছে। তাত ভিক্টৰে লিখিছে যে সি এটা ভয়ংকৰ দানবৰ সৃষ্টি কৰ্তা। দানবটোৰ নিজৰ ওপৰতে ঘৃণা উপজিল।

এদিন বৃদ্ধ ফেলিক্স অকলে থকা দেখি, কথা পাতিবলৈ মন যোৱাত ওচৰত গৈ বহিল। অন্ধ বৃদ্ধক নিজৰ দুখৰ কাহিনী শুনাই থাকোঁতে পৰিয়ালৰ বাকী কেইজনে ঘূৰি আহি দানবক দেখি ভয়তে চিঞৰি উঠিল। বেচেৰা দানবটোৱে বুজাবলৈ অশেষ চেষ্টা কৰা সত্বেও তেওঁলোকে তাক নিষ্ঠুৰভাৱে আক্ৰমণ কৰিলে।

এইবাৰ দানবৰ অন্তৰত প্ৰতিশোধৰ জুই জ্বলি উঠিল। তাৰ প্ৰধান শত্ৰু হ'ল ভিক্টৰ ফ্ৰাঙ্কেনষ্টাইন। ফেলিক্সৰ ভূগোল পঢ়ি সি জেনেভাৰ কথা গম

পাইছে। সি যেনেকৈয়ে হওক জেনেভালৈ যাবই।

সি যাত্ৰা আৰম্ভ কৰিলে। যাত্ৰাপথত এদিন সি পানীত পিছলি পৰা এজনী ছোৱালীক উদ্ধাৰ কৰোঁতে, ছোৱালীজনীৰ পুৰুষ সংগীৰ পৰা তিৰস্কাৰহে শুনিব লগা হ'ল। এই ঘটনাৰ পিছত সমগ্ৰ মানব জাতিৰ প্ৰতি দানবৰ মন বিদ্বেষত ভৰি পৰিল।

জেনেভা চহৰ পোৱাৰ পিছত ভাগৰুৱা দানবে অৰণ্যৰ একাষত বিশ্ৰাম লবলৈ বহোঁতে, অৰণ্যৰ মাজৰ পৰা এটা শিশু ওলাই অহা দেখি তাক খাপ মাৰি ধৰিলে। ভাবিলে এই শিশুটিৰ লগত যদি বন্ধুত্ব কৰিব পৰা যায় তেতিয়াহলে এই অসহ্যকৰ নি:সংগতা দূৰ হ'ব। ল'ৰাটোৱে ভয় খাই চিঞৰাত, দানবে তাক মৰম কৰি বুজালে যে সি বন্ধুত্বহে কৰিব বিচাৰিছে। ল'ৰাটোৱে বাধা দি চিঞৰি উঠিল,— "মোক এৰি দিয়া কুৎসিৎ দানব। তোমাক পালে মোৰ দেউতা মসিয়ে ফ্ৰাঙ্কেনষ্টাইনে কঠোৰ শাস্তি দিব।"

তাৰ মানে এয়া ভিক্টৰৰ ভায়েক! প্ৰতিশোধৰ জুইকুৰা আকৌ জ্বলি উঠিল। দানবৰ শক্তিশালী হাতৰ চেপাত চিৰদিনৰ বাবে কণ্ঠৰুদ্ধ হ'ল সেই বালকৰ। ভায়েকৰ মৃত্যুত ভাঙি পৰা ভিক্টৰে শান্তি বিচাৰি নিৰ্জন পাহাৰীয়া এলেকাত ঘূৰি ফুৰোতে হঠাৎ এঠাইত দৃষ্টি থমকি ৰ'ল। সেইয়া দেখোন তেওঁৰ অভিশপ্ত সৃষ্টি দানব। দানবটোৱে ভিক্টৰৰ সন্মুখলৈ আহি সগৰ্বে ঘোষণা কৰিলে যে সিয়েই তাৰ ভায়েকৰ হত্যাকাৰী। দানবে ক'লে যে যদি ভিক্টৰে তাক এজনী সংগিনী সৃষ্টি কৰি নিদিয়ে, তেতিয়াহ'লে ভিক্টৰৰ পৰিয়ালৰ আটাইকে এজন এজনকৈ হত্যা কৰিব। এনে এক প্ৰস্তাৱত ভিক্টৰ প্ৰথমতে সন্মত নাছিল যদিও পৰিয়ালৰ নিৰাপত্তাৰ বাবে পিছত দানবৰ মনোবাঞ্ছা পূৰণ কৰিবলৈ সন্মতি দিলে।

ভিক্টৰে নিজৰ কামৰ বাবে অৰ্কনী দ্বীপপুঞ্জৰ এটা সৰু দ্বীপ বাছি ললে। ভীষণ মানসিক অন্তৰ্দ্বন্দ্বৰে ভিক্টৰে কাম আৰম্ভ কৰিলে। এদিন দানবটোৱে কাম চাবলৈ নিজেই আহিলত, সেই ভয়ংকৰ ৰূপ দেখি চিঞৰি উঠিল,— "অসম্ভৱ, মই এই কাম কোনোপধ্যে কৰিব নোৱাৰো। লাগিলে সকলো নি:শেষ হৈ যাওক।"

ভিক্টৰক অনুনয় কৰিও টলাব নোৱাৰি দানবে ক'লে, 'ঠিক আছে। তোমাৰ বিয়াৰ ৰাতি মই আকৌ আহিম।"

দানৱৰ কথা শুনি ভিক্টৰ নিথৰ হৈ ৰ'ল।

ইয়াৰ কিছুদিনৰ পিছতে ভিক্টৰৰ বন্ধু হেনৰিক হত্যা কৰা হ'ল। প্ৰথমে ভিক্টৰক সন্দেহ কৰা হৈছিল যদিও পিছত নিৰ্দোষ প্ৰমাণিত হ'ল। কিন্তু হত্যাকাৰী যে ভিক্টৰৰেই সৃষ্টি দানব সেই কথা জানিব পাৰি তাৰ মন আত্মগ্লানিত ভাঙি পৰিল।

এইফালে মঁসিয়ে ফ্ৰাঙ্কেনষ্টাইনে ভিক্টৰ আৰু এলিজাৰ বিয়া পাতিবলৈ উঠি পৰি লাগিল। ভিক্টৰে দেউতাকক অশেষ চেষ্টা কৰিও কথাবোৰ খুলি কব নোৱাৰিলেও দানবৰ সেই নিষ্ঠুৰ সতৰ্কবাণী অহৰহ কাণত বাজি থকাত বিয়া নকৰোৱাৰে সিদ্ধান্ত ললে; কিন্তু এলিজাবেথৰ বাবেই ভিক্টৰে মত সলাবলৈ বাধ্য হ'ল আৰু বিয়াৰ দিন স্থিৰ কৰা হ'ল। কিন্তু দানবৰ চিন্তাই ভিক্টৰক এৰা নিদিলে।

যথাসময়ত বিবাহকাৰ্য সুকলমে পাৰ হৈ যোৱাৰ পিছত নবদম্পতি মধুচন্দ্ৰিকা যাপনৰ উদ্দেশ্যে অষ্ট্ৰিয়া পালেগৈ। অষ্ট্ৰিয়াৰ যিটো ঘৰত তেওঁলোক থকাৰ কথা, সেই ঘৰটোৰ ক'ৰবাত দানব লুকাই থাকিব পাৰে বুলি ভিক্টৰে তন্ন তন্নকৈ পৰীক্ষা কৰিলে। সেই সময়ত এলিজাবেথ বাথৰুমত আছিল। ঘৰটো পৰীক্ষা কৰি আশ্বস্ত হোৱাৰ লগে লগে এক যন্ত্ৰণাকাতৰ চিঞৰ ভাঁহি আহিল। চিঞৰটো আছিল এলিজাবেথৰেই, বাথৰুমৰ পৰা আহিছে। ভিক্টৰে ততালিকে বাথৰুমৰ পিনে দৌৰিলে। ইতিমধ্যে সকলো শেষ হৈ গৈছে। এলিজাবেথক ডিঙি চেপি হত্যা কৰি ৰৈ আছে দানব। মৃতা এলিজাবেথক সাৱতি কান্দি উঠিল ভিক্টৰ আৰু দানবে অট্টহাস্য কৰি তাৰ বিজয় ঘোষণা কৰিলে।

শোকাকুল ভিক্টৰ জেনেভালৈ উভতি আহিল। উপৰ্যুপৰি পৰিয়ালৈ নামি অহা দুৰ্ঘোৰ শোকত মঁসিয়ে ফ্ৰাঙ্কেনষ্টাইন বেচিদিন জীয়াই নাথাকিল। কেইমাহমানৰ পিছত সুস্থ হৈ ভিক্টৰে পৰিয়ালৰ সমাধিৰ ওচৰত থিয় হৈ প্ৰতিজ্ঞা কৰিলে য'তেই নাথাকক সি দানবক বিচাৰি উলিয়াই হত্যা কৰিবই। কবৰখানাৰ পৰা ওলায়েই ভিক্টৰে দানবৰ অট্টহাস্য শুনিবলৈ পালে। কিন্তু এইবাৰ দানব ৰৈ নাথাকি পলাল।

ভিক্টৰে দানবক বিচাৰি বিচাৰি বিভিন্ন দেশ ঘূৰি অৱশেষত উত্তৰ মেৰু পালেগৈ দানবে যোৱা শ্লেজগাড়ীক অনুসৰণকৰি গৈ থাকোঁতে এক দুৰ্ঘটনাত পৰে যদিও

এখন জাহাজৰ কেপ্তেইনে ভিক্টৰক উদ্ধাৰ কৰে। কেপ্তেইনক ভিক্টৰে দানবৰ বিষয়ে সকলো ক'লে যদিও তেওঁ বিশ্বাস কৰিবলৈ টান পালে। অতিপাত দুৰ্বল হৈ পৰা ভিক্টৰে মৃত্যুৰ আগে অনুশোচনা কৰিলে যে সি মৰাৰ পিছতো শত্ৰু দানব বাচি থাকিব।

সেই ৰাতি ভিক্টৰৰ মৃতদেহ ৰখা ঘৰটোত দানবটোক দেখি কেপ্তেইন চমকি উঠিল। কেপ্তেইনে চিঞৰি উঠিল,— "তাৰমানে তয়েই হত্যাকাৰী সেই দানব!"

অনুশোচনাত ভাঙি পৰা দানবে সিয়েই যে হত্যাকাৰী সেই কথা স্বীকাৰ কৰিলে। সি কেপ্তেইনক অনুৰোধ কৰি ক'লে— "মোক ঘিণ নকৰিব, মই মানুহৰ পৰা ভালপোৱা বিচাৰিছিলোঁ, বন্ধুত্ব কৰিব বিচাৰিছিলোঁ। মই যদি অন্যায় কৰিছো তেনেহ'লে মানুহেও মোৰ প্ৰতি অন্যায় কৰিছে। মই আৰু কাৰো অন্যায় নকৰোঁ। মোৰ সৃষ্টিকৰ্তাই হ'ল মোৰ শেষ শত্ৰু।" কথাখিনি কৈ দানবটো ভ্ৰেকৰ পিনে দৌৰি গ'ল আৰু সমুদ্ৰত জপিয়াই পৰিল।

টমাছ মানৰ দি মেজিক মাউণ্টেইন

(৬৫)

এজন জাৰ্মান শস্য-ব্যৱসায়ীৰ পুত্ৰ টমাছ মানৰ জন্ম হৈছিল লিউবেক চহৰত। বাপেকৰ মৃত্যুৰ পিছত পৰিয়ালটো মিউনিকলৈ উঠি যায়। টমাছ মানে স্কুলত সাহিত্য, কলা, বুৰঞ্জী আৰু অৰ্থনীতি অধ্যয়ন কৰিছিল। লগে লগে ৰুছিয়া, স্কাণ্ডিনেভিয়া আৰু ফ্ৰান্সৰ ঊনৈশ শতিকাৰ উপন্যাসিক সকলৰ ওপৰতো তেওঁৰ আগ্ৰহ জন্মিছিল।

১৯ বছৰ বয়সত স্কুলীয়া শিক্ষা সমাপ্ত কৰি তেওঁ এটা বীমা কোম্পানীৰ কামত সোমায় আৰু সেই সময়তে 'পতিত' (Fallen) নামেৰে গৈ প্ৰেম কাহিনী লেখে। ২৫ বছৰ বয়সত আত্মজীৱনীমূলক উপন্যাস 'দি বাডেন ব্ৰুকছ' প্ৰকাশ হোৱাৰ লগে লগে তেওঁ বিখ্যাত হৈ উঠে। তিনি বছৰৰ পিছত প্ৰকাশ পায় আন এখন উপন্যাস 'টনিঅ ক্ৰোগাৰ'।

১৯১২ চনত পত্নীৰ হাওঁফাওঁৰ ৰোগ হোৱাত তেওঁ পত্নীক লৈ ছুইজাৰলেণ্ডৰ এখন ছেনাট'ৰিয়ামত তিনি সপ্তাহ কটায়। এই সময়ত লাভ কৰা অভিজ্ঞতাৰ ভেটিত বাৰ বছৰৰ পিছতহে তেওঁ 'মেজিক মাউণ্টেইন' উপন্যাস লেখিছিল। কাৰণ ইতিমধ্যে প্ৰথম মহাযুদ্ধ সংঘটিত হ'ল। মহাযুদ্ধৰ সময়ত তেওঁ 'এজন অৰাজনৈতিক লোকৰ চিন্তা' (Reflections of a Non-political Man) শীৰ্ষক এখন প্ৰবন্ধ সংকলন প্ৰকাশ কৰে।

দ্বিতীয় মহাযুদ্ধৰ আগৰ কালছোৱাৰ সময়খিনি টমাছ মানৰ বাবে সুখৰ আছিল। ১৯২৪ চনত তেওঁৰ বিখ্যাত উপন্যাস 'দি মেজিক মাউণ্টেইন'প্ৰকাশ হয়। এই উপন্যাসে তেওঁৰ সাহিত্যিক খ্যাতি সুপ্ৰতিষ্ঠিত কৰে। তেওঁ নোবেল পুৰস্কাৰেৰে ভূষিত হয়।

নাজীসকলে বাৰ্লিনৰ পাৰ্লামেণ্ট ভৱনত অগ্নিসংযোগ কৰাৰ সময়ত তেওঁ হলেণ্ডত আছিল। তেওঁ জাৰ্মানিলৈ উভতি নাহি জুৰিখলৈ গ'ল আৰু তাত 'জোচেফ আৰু ভ্ৰাতৃবৃন্দ' (Joseph and his brothers) উপন্যাস লেখিবলৈ লয়।

বাতৰি কাকতত নাজীসকলক গৰিহণা দি প্ৰবন্ধ লেখাৰ অপৰাধত তেওঁৰ জাৰ্মান নাগৰিকত্ব নাকচ কৰা হ'ল, বন বিশ্ববিদ্যালয়ে তেওঁক দিয়া সম্মানসূচক ডক্টৰেট উপাধি প্ৰত্যাহাৰ কৰা হ'ল আৰু জাৰ্মানিত তেওঁৰ গ্ৰন্থ নিষিদ্ধ কৰা হ'ল।

মান মাৰ্কিন যুক্তৰাজ্যলৈ গ'ল। তাত এই ভূতপূৰ্ব 'অৰাজনৈতিক' লোকজন দুৰ্ধোৰ নাজীবিৰোধী লোকত পৰিণত হ'ল। ১৯৩৮ চনত তেওঁ প্ৰকাশ কৰিলে প্ৰবন্ধ-গ্ৰন্থ 'গণতন্ত্ৰৰ আসন্ন বিজয়' (The Coming Victory of Democracy) জাৰ্মান সাহিত্য শাখাৰ উপদেষ্টাৰূপে তেওঁক লাইব্ৰেৰী অব কংগ্ৰেছৰ ফেলো নিযুক্তি দিয়া হয়। নিউ জাৰ্ছিৰ প্ৰিন্সটনত তেওঁ বাস কৰিবলৈ ল'লে। ১৯৪১ চনৰ পৰা তেওঁ কালিফৰ্ণিয়াৰ ছান্টা মণিকাত থাকিবলৈ লয়। ১৯৪৪ চনত লাভ কৰে মাৰ্কিন নাগৰিকত্ব। ১৯৪৯ চনত গ্যেটে পুৰস্কাৰ গ্ৰহণ কৰিবলৈ তেওঁ জাৰ্মানিলৈ যায় আৰু ১৯৫৫ চনত জুৰিখত মৃত্যু হয়।

টমাছ মানৰ অন্যান্য বিখ্যাত ৰচনাসমূহ হ'ল— ভাইমাৰত লোটি (Lotte in Weimar), স্থানান্তৰিত মস্তক (The Transposed Head), ডক্টৰ ফাউষ্টাছ (Doctor Faustus), পবিত্ৰ পাপী (The holy sinner), এই শান্তি এই যুদ্ধ (This Peace This War) ইত্যাদি। কুৰি শতিকাৰ অন্যতম শ্ৰেষ্ঠ কথাশিল্পী হিচাপে তেওঁৰ খ্যাতি সুপ্ৰতিষ্ঠিত।

ঐশ্বৰ্যশালী হেনছিটিক পৰিয়ালৰ সন্তান হনছ কাষ্টোৰ্পক তিনি সপ্তাহৰ বাবে ডেভছৰ এখন ছেনাট'ৰিয়ামলৈ পঠোৱা হৈছিল; কিন্তু সি তাত সাতবছৰ থাকিল। কাষ্টোৰ্প সাধাৰণ বুদ্ধি-বৃত্তিৰ মানুহ। কিন্তু সাত বছৰ ছুইজাৰলেণ্ডীয় আল্পছ অঞ্চলত থকাৰ কাৰণে তেওঁৰ দৈহিক, নৈতিক, বৌদ্ধিক আৰু আধ্যাত্মিক উন্নতি কিদৰে মানৱীয় সম্পৰ্ক তথা ব্যক্তিগত অনুভূতিৰ জৰিয়তে সাধিত হ'ল, সেই কাহিনীয়েই 'মেজিক মাউন্টেইন'ত বিবৃত হৈছে।

বৰ্ণনাৰ সৈতে চিন্তা আৰু অভিজ্ঞতাৰ বিভিন্ন মাত্ৰা আৰু স্তৰ এনেদৰে জড়িত কৰা হৈছে যে কাষ্টোৰ্পৰ চৰিত্ৰটো সৰ্বজনীন মানুহৰ চৰিত্ৰত পৰিণত হৈছে। সমালোচক সকলৰ মতে, এই উপন্যাস বিভিন্ন দৃষ্টিকোণৰ পৰা বিচাৰ কৰিব পাৰি— ইয়াক ৰূপক বা উপদেশধৰ্মী বুলিও ধৰিব পাৰি। বিচ্ছিন্ন মেজিক মাউন্টেইনক অসুস্থ পৃথিৱী ইউৰোপৰ ক্ষুদ্ৰ সংস্কৰণ ৰূপে ধৰিব পাৰি।

হানছ কাষ্টোর্পৰ সৈতে তাৰ ভতিজাক জোৱাখিম জিয়েমছেনো চিকিৎসাৰ বাবে ছেনাট'ৰিয়ামত আছে। এই আটাইবোৰ ৰোগীৰ মুখামুখি হৈ হানছে অসুখ আৰু বেমাৰেৰে ভৰা পৃথিৱীৰ কঠিন বাস্তৱতাৰ কথা উপলব্ধি কৰিছে। টমাছ মানে যক্ষ্মাৰোগৰ পুংখানুপুংখ বিৱৰণ দি অসুস্থ পৃথিৱীৰ ৰূপ উদ্‌ঘাটন কৰিছে। ছেনাট'ৰিয়ামৰ ৰোগীসকলৰ মাজতো আকৌ 'অৰ্দ্ধ হাওঁফাওঁ সংঘ' নামেৰে এটা সুকীয়া গোষ্ঠীৰ অস্তিত্বৰ কথা কৈ ঔপন্যাসিকে খণ্ডিত পৃথিৱীৰ ছবি এখন দাঙি ধৰিছে।

কেতবোৰ 'ছবজাস্তা' চৰিত্ৰই উপন্যাসত ভুমুকি মাৰিছে। মনোবিশ্লেষণৰ ঘোৰ সমৰ্থক ডা: ক্ৰোকোস্কিৰ মতে,সকলো ৰোগেই প্ৰেমৰ ৰূপান্তৰ মাথোন। কথকী ইটালীয়ান ছেত্তেমব্ৰিনিয়ে উদাৰনৈতিক পুঁজিবাদ, বুৰ্জোৱা জাতীয়তাবাদ আৰু যুক্তিবাদ সম্পৰ্কে অনৰ্গল কথা কয়, কথাৰ মাজে মাজে পেট্ৰাৰ্ক, ভল্‌টেয়াৰ, শ্বিলাৰ, মেট্‌ছিনী আৰু অন্যান্যৰ উদ্ধৃতি দিয়ে।

ৰোগিনীসকলৰ মাজত ক্লেভদিয়া চচেট নামৰ এগৰাকী আকৰ্ষণীয় মহিলা আছে। কাহিনীৰ আৰম্ভণিৰ পৰাই কাষ্টোৰ্পৰ চকু তাইৰ ওপৰত পৰিছে আৰু সি তাইৰ প্ৰেমত পৰিছে। কিন্তু যিদিনা সি তাৰ মনৰ কথা তাইক কৈছে, তাৰ পিছদিনাই তাই ছেনাট'ৰিয়াম এৰি গৈছে।

উপন্যাসখনৰ দুটা চৰিত্ৰ লিও নাফ্‌টা আৰু 'গুড'ভিক' ছেত্তেমব্ৰিনিৰ মাজত ৰোগ আৰু স্বাস্থ্য, জীৱন আৰু মৃত্যু, যুদ্ধ আৰু শান্তি, ইতিহাস, দৰ্শন, ধৰ্ম ইত্যাদি নানা বিষয়ৰ ওপৰত নানা আলোচনা-বিলোচনা হৈছে। স্বাধীনতা সম্পৰ্কে দুয়োৰে মাজত তৰ্ক-বিতৰ্ক হৈছে। কাষ্টোৰ্প আৰু অন্যান্য ৰোগীয়ে সিহঁতৰ কথা বতৰাত অংশ গ্ৰহণ কৰিব খুজিও পৰা নাই, কাৰণ নাফ্‌টা আৰু ছেত্তেমব্ৰিনি দুয়ো প্ৰধান ভূমিকা লৈ আছে।

ক্লেভদিয়া আকৌ ছেনাট'ৰিয়ামলৈ উভতি আহিব বুলি কাষ্টোৰ্পে মনত আশা পুহি ৰাখিছে। ছেনাট'ৰিয়ামৰ গতানুগতিক পৰিবেশত আমনি পাই সি পৰিবৰ্তন বিচাৰিছে। সি পাহাৰত বৰফৰ স্কী খেলিবলৈ খেলৰ সঁজুলি কিনি ছেনাট'ৰিয়ামৰ বাহিৰলৈ গ'ল। মুকলিত সি মুক্তিৰ সোৱাদ অনুভৱ কৰিলে; কিন্তু হঠাতে তুষাৰ-ধুমুহা আহিল। সি এটা তলাবন্ধ কুটীৰৰ পিৰালিত আশ্ৰয় ল'লে। নানা চিন্তা-ভাবনাই তাৰ মনত জুমুৰি দি ধৰিলে। হঠাৎ যেন মনৰ

নিভৃতত কোনোবাই কোৱা শুনিবলৈ পালে : 'মানুহে তাৰ চিন্তাৰ ওপৰত কেতিয়াও মৃত্যুক একাধিপত্য কৰিব নিদিব।' তুষাৰ-ধুমুহা শাম কটাঁত সি ছেনাট'ৰিয়ামলৈ উভতিল।

ছেনাট'ৰিয়ামলৈ এজন নতুন মানুহ আহিল। শক্তিশালী ব্যক্তিত্বপূৰ্ণ এই মানুহজনৰ নাম মাইনহাৰ পিয়েটাৰ পিপাৰকৰ্ণ। তাৰ লগত আহিছিল ক্লেভদিয়া চচেট। ষ্টেচনৰ পৰা দুয়ো একেলগে এখন স্লেজ গাড়ীত আহিছিল। দুয়োৰে মাজত ঘনিষ্ঠতা থকাটো সহজে চকুত পৰা ধৰণৰ।

কাষ্টোৰ্পে ক্লেভদিয়াৰ এনে পৰিবৰ্তন আশা কৰা নাছিল। কিন্তু সি বিমৰ্ষও নহ'ল। পৰ্বতত স্কী কৰি ফুৰোঁতে জীৱন সম্পৰ্কে যিবোৰ কথা সি ভাবিছিল, সেইবোৰেই তাক এই পৰিস্থিতিক সহজে গ্ৰহণ কৰাত প্ৰেৰণা যোগালে। সি আনকি তাৰ 'প্ৰতিদ্বন্দ্বী' পিপাৰকৰ্ণৰ সৈতেও বন্ধুত্ব পাতিলে। পিপাৰকৰ্ণৰ নিচা আছিল ভাল খাদ্য, সুৰা আৰু নাৰীত। সি দম্ভপূৰ্ণ কথাৰে ভাল পায়। কিন্তু সোনকালেই তাৰ জীৱনীশক্তি নি:শেষ হৈ গ'ল আৰু এদিন সি আত্মহত্যা কৰিলে। পিপাৰকৰ্ণৰ অন্তৰ্ধানৰ পিছতে কাষ্টোৰ্পে পুনৰ ক্লেভদিয়াৰ সৈতে সম্বন্ধ স্থাপন কৰিব পাৰিলেহেঁতেন। কিন্তু তাই ছেনাট'ৰিয়ামৰ পৰা চিৰদিনৰ বাবে গুচি গ'ল। এইবাৰ কাষ্টোৰ্পে হতাশা অনুভৱ কৰিলে। সি যেন চাৰিওফালে এক অদ্ভুত ৰহস্যময় পৰিবেশ দেখা পালে— জীৱন অনন্ত, জীৱন আশাহীন নিশ্চেষ্ট, জীৱন বিফলতাপূৰ্ণ;স্থবিৰতাপূৰ্ণ, জীৱন মৃত্যুৰ দৰে নিশ্চল। অৱশেষত সি অন্যান্য ৰোগীৰ সৈতে নানা সৰু-সুৰা কামত যোগ দিলে— ফটোগ্ৰাফি, টিকট সংগ্ৰহ, কাগজ-পেন্সিলেৰে কাগজত আঁক-বাক কৰি খেল খেলা ইত্যাদি। ৰোগীসকলৰ বিনোদনৰ বাবে থকা গ্ৰামোফোনটোত সি সংগীত শুনিবলৈ ল'লে।

অস্থিৰ মানসিক অৱস্থাত কাষ্টোৰ্পে যিকোনো অভিজ্ঞতা সঞ্চয় কৰিবলৈ যত্নপৰ হ'ল। সি ডা: ক্ৰোকোস্কিৰ মনোবিশ্লেষণ, সম্মোহন, টেলিপাথি আৰু প্ৰেততত্ত্বৰ প্ৰতিও মনোযোগ দিলে। কিন্তু ছেত্তেমব্ৰিনিয়ে সেইবোৰ এৰি মানুহৰ প্ৰতি মনোযোগ দিবলৈ তাক উপদেশ দিলে। সি কাষ্টোৰ্পক ক'লে, 'ঈশ্বৰ-প্ৰদত্ত চিন্তাৰ ওপৰত বিশ্বাস ৰাখক, মগজুৰ এইবোৰ বিলাস এৰি পেলাওক।'

কাষ্টোৰ্পৰ মন পুনৰ হতাশাই আগুৰি ধৰিলে আৰু আগৰ অস্থিৰতাও

ঘূৰি আহিল। কিন্তু কেৱল যে সিয়েই এনে অনুভূতিৰ দ্বাৰা আক্ৰান্ত হৈছিল; সেয়া নহয়; পাৰ্বত্য স্বাস্থ্য-নিবাসখনৰ সৰ্বত্ৰ অস্থিৰতাৰ ভাব বিয়পি পৰিছিল ঠিক যেনেকৈ সমগ্ৰ ইউৰোপ আৰু পৃথিৱীয়েও এনে এক উদ্বিগ্নতাত ভুগিবলৈ ধৰিছিল। প্ৰথম মহাযুদ্ধৰ সম্ভাৱনা প্ৰকট হৈ উঠিছিল। ইয়াক কেন্দ্ৰ কৰি চৌদিশে তৰ্ক-বিতৰ্কৰ সৃষ্টি হ'ল— মানুহৰ মাজত উত্তেজনা বাঢ়িল। ছেনাট'ৰিয়ামতো নাফ্‌টা আৰু ছেত্তেমব্ৰিনিৰ মাজত তৰ্ক-বিতৰ্কই মুকলি কাজিয়াৰ ৰূপ ল'লে। দুয়োৰে মাজত দ্বন্দ্ব যুদ্ধ লগাৰ উপক্ৰম হোৱাত কাষ্টোৰ্পে দুয়োকো তাৰ পৰা বিৰত কৰিবলৈ চেষ্টা কৰিলে, কিন্তু সেই চেষ্টাও ব্যৰ্থ হ'ল। পিস্তল সাজু কৰা হ'ল। ছেত্তেমব্ৰিনিয়ে নাফ্‌টাক গুলী কৰিবলৈ ইচ্ছা নকৰি শূন্যত গুলী এৰিলে। নাফ্‌টাই তাক গুলী চলাবলৈ ক'লে। কিন্তু ছেত্তেমব্ৰিনিয়ে পুনৰ অস্বীকাৰ কৰাত নাফ্‌টাই নিজেই নিজৰ শৰীৰত গুলী চলালে।

এই বিয়োগান্ত ঘটনাৰ ঠিক পিছতে বিস্তৰ প্ৰতিক্ৰিয়া সৃষ্টি কৰা আন এটা হত্যাকাণ্ড সংঘটিত হ'ল— ছেৰাজেভোত আততায়ীৰ দ্বাৰা অষ্ট্ৰিয়াৰ যুৱৰাজক হত্যা, যাৰ ফলত ইউৰোপত মহাযুদ্ধৰ দাবানল জ্বলিল। যুদ্ধই ইউৰোপক ছাটি ধৰাৰ সময়ত কাষ্টোৰ্পৰ স্বাস্থ্যৰ উন্নতি হোৱাত সি স্বদেশৰ সেৱা কৰিবলৈ ছেনাট'ৰিয়াম এৰি গুচি গ'ল।

ঔপন্যাসিকে যুদ্ধৰ পশ্চিম সীমান্তত হোৱা ভীষণ আক্ৰমণৰ মাজত কাষ্টোৰ্পক এবাৰ দেখুৱাই এটা স্বগতোক্তিৰে উপন্যাসৰ উপসংহাৰ ঘটাইছে : 'বিদায় হে সদাচাৰী হান্‌ছ্‌ কাষ্টোৰ্প। তুমি জীৱনৰ উৎসাৰ্গীকৃত সন্তান। তোমাৰ কাহিনী পূৰ্ণ হ'ল। তুমি জীৱিতেই হোৱা বা মৃতই হোৱা, তোমাৰ ভৱিষ্যত পুতৌজনক। যি তাণ্ডৱ নৃত্যৰ সৈতে তোমাৰ নিয়তি জড়িত হৈছে, সি বহু অন্ধকাৰ বছৰলৈ বিয়পি ৰ'ব। তোমাৰ জীৱন কিদৰে শেষ হ'ব সেই সম্পৰ্কে আমি একো ক'ব নোখোজোঁ। খোলাখুলিকৈ ক'বলৈ গ'লে সেই সম্পৰ্কে আমাৰ কোনো বিশেষ উদ্বেগ নাই। শাৰীৰিক আৰু মানসিক সাহসে তোমাক নৈতিক বল যোগাইছিল, তোমাৰ সাফল্য বৃদ্ধি কৰিছিল। মৃত্যু আৰু দৈহিক তাড়নাৰ মাজতো তেওঁৰ হৃদয়ত উদ্ভাসিত প্ৰেমৰ স্বপ্ন।' অৱশেষত ঔপন্যাসিকে কৈছে : "এই সাৰ্বজনীন মৃত্যু আৰু চৰম কামতাৰ মাজৰ পৰা হয়তো এদিন প্ৰেমৰ আবিৰ্ভাৱ ঘটিব।"

বৈপৰীত্য সৃষ্টিৰ দ্বাৰা পাঠকক চমক খুওৱাত সিদ্ধহস্ত টমাছ মানে 'মেজিক মাউন্টেইন'ত এনে বহু পৰিবেশৰ সৃষ্টি কৰিছে। এই উপন্যাস লেখাৰ সময়ত তেওঁ নিজেও এক ধৰণৰ বৈপৰীত্যৰ চিকাৰ হৈছিল। পোনতে তেওঁ মৃত্যু আৰু জীৱনৰ ওপৰত বিশৃঙ্খলাৰ বিজয় সম্পৰ্কে হাস্যৰসপূৰ্ণ উপন্যাস লেখিবলৈ মনস্থ কৰি উপন্যাসখন আৰম্ভ কৰিছিল। কিন্তু লেখি যাওঁতে ই পৰিণত হ'লগৈ সভ্যতাৰ অৱক্ষয় সম্পৰ্কে এটা বৃহৎ কাহিনী। ৭০০ পৃষ্ঠা জোৰা এই কাহিনীত তেওঁ সমসাময়িক জীৱন আৰু পৃথিৱীৰ এক বিশ্বস্ত বৰ্ণনা দাঙি ধৰিলে। মহৎ শিল্পীৰ মহৎ ৰচনাই জীৱনক উদ্ঘাটিত কৰি দেখুৱাইছে এক অনবদ্যৰূপত। উপন্যাসখনৰ কলেৱৰ যিদৰে সুদীৰ্ঘ, সেইদৰে অন্তহীন এই মানুহৰ সংঘাত আৰু মনৰ দ্বন্দ্ব। পৃথিৱীৰ বিভিন্ন সাহিত্যিকক প্ৰভাৱান্বিত কৰিছে এই মনোৰম উপন্যাসে। জাৰ্মান সাহিত্যৰ অন্যতম শ্ৰেষ্ঠ সাহিত্য-কৃতিৰ ভিতৰত (গ্যেটেৰ ফাউষ্ট আদিৰ দৰে) টমাছ মানৰ 'মেজিক মাউন্টেইন' হৈ ৰ'ব এক যুগজয়ী কীৰ্তি।

জুল ভাৰ্ণেৰ আশী দিনত পৃথিৱী ভ্ৰমণ

(৬৬)

মানৱ জাতিৰ মাজত মাজে মাজে এনে একোজন লোকে জন্মগ্ৰহণ কৰে যিসকলে ভৱিষ্যত সম্পৰ্কে স্বচ্ছ দৃষ্টি থাকে। এনে এজন লোক আছিল লিঅ'নাৰ্ডো দা ভিঞ্চি। তেওঁ এৰোপ্লেন, পেৰাচুট আৰু টেংকৰ কথা যি সময়ত লেখিছিল সেই সময়ত সেইবোৰ আছিল কল্পনাতীত। এইচ্-জি-ৱেলচ্ আছিল আন এজন এনেকুৱা লোক যিজনে মহাকাশ-যুগৰ কথা কৈছিল। তৃতীয়জন আছিল জুল ভাৰ্ণে। তেওঁ ভৱিষ্যত সম্পৰ্কে কোৱা কথাবোৰ আচৰিত ধৰণে ফলিছিল।

১৮২৮ চনৰ ৮ ফেব্ৰুৱাৰীত ফ্ৰান্সৰ নান্টিজত জুল ভাৰ্ণেৰ জন্ম হৈছিল। তেওঁৰ দেউতাক পিয়েৰ ভাৰ্ণে আছিল এজন সফল আইন ব্যৱসায়ী। ১৬ বছৰ বয়সত তেওঁ দেউতাকৰ ব্যৱসায়ত যোগ দিয়ে আৰু ১৯৪৮ চনত আইন শিক্ষা সমাপ্ত কৰিবলৈ পেৰিছলৈ যায়।

জুল ভাৰ্ণেৰ ইচ্ছা আছিল নাট্যকাৰ হোৱা। পেৰিছত আলেকজেণ্ডাৰ ডুমাৰ সৈতে পৰিচিত হৈ ১৮৫০ চনত তেওঁ ডুমাৰ জৰিয়তে একাংকিকা নাটক এখন মঞ্চস্থ কৰায়।

আইন পঢ়া এৰি তেওঁ বৈজ্ঞানিক- কাহিনী লেখিবলৈ আৰম্ভ কৰে। সেই সময়ত সোণৰ লোভত ইউৰোপৰ বহুলোক আমেৰিকালৈ গৈছিল। ভাৰ্ণেৰো তালৈ যোৱাৰ হাবিয়াস আছিল; কিন্তু সেই ইচ্ছা দমন কৰি তেওঁ এখানি বিজ্ঞান ভিত্তিক কাহিনী লেখিবলৈ আঁচনি কৰিলে। ভৱিষ্যতৰ দিনবোৰ যে বিজ্ঞান নিৰ্ভৰ হ'ব সেই কথা তেওঁ উপলব্ধি কৰিছিল।

'থিয়েটাৰ লিৰিকি'ৰ সচিব হিছাপে নিযুক্তি পোৱাত তেওঁৰ আৰ্থিক চিন্তা আঁতৰিল আৰু তেওঁ একান্ত মনেৰে লেখা-পঢ়াত আত্মনিয়োগ কৰিলে। এই সময়তে তেওঁ অনৰিন্ মোৰেল নামৰ এগৰাকী বিধৱা যুৱতীক বিয়া কৰালে আৰু ষ্টক ব্ৰোকাৰৰ ব্যৱসায় গ্ৰহণ কৰিলে।

কিন্তু জুল ভাৰ্ণে আছিল জাত-সাহিত্যিক আৰু সেয়ে লেখাৰ অভ্যাস ত্যাগ কৰিব নোৱাৰিলে। ব্যৱসায় আৰু লেখা দুয়োটা তেওঁ সমানে চলাই থাকিল।

১৮৬৩ চনত 'বেলুনত পাঁচ সপ্তাহ' (Five weaks in a ballon) নামৰ কাহিনীৰ গ্ৰন্থ প্ৰকাশ হোৱাৰ পিছৰ পৰা নতুন ধৰণৰ এড্‌ভেঞ্চাৰ কাহিনীৰ লেখক হিচাপে জুল ভাৰ্ণেৰ নাম সকলোৰে পৰিচিত হৈ উঠে। ১৮৭০ চনত 'সাগৰৰ ষাঠি হাজাৰ মাইল গভীৰত'(Twenty thousand leagues under the sea; ১ লীগ -৩ মাইল) গ্ৰন্থই অভূতপূৰ্ব সাফল্য লাভ কৰে আৰু ফ্ৰান্সত জুল ভাৰ্ণে জনপ্ৰিয়তম লেখকৰূপে পৰিগণিত হয়। ১৮৭৪ চনত প্ৰকাশিত 'আশী দিনত পৃথিৱী ভ্ৰমণ' গ্ৰন্থই তেওঁৰ নাম যুগমীয়া কৰে।

এই গ্ৰন্থৰ কাহিনীভাগ এনে ধৰণৰ:-

লণ্ডনৰ যিটো ঘৰত বিখ্যাত ইংৰাজ নাট্যকাৰ ছেৰিডনৰ মৃত্যু হৈছিল, সেই ঘৰটোত বাস কৰিছিল ফিলিছ ফগে। তেওঁ ইংৰাজ সমাজৰ এজন নিখুঁত ভদ্ৰলোক। ইয়াৰ বাহিৰে ফগৰ বিষয়ে একো জনা নগৈছিল। তেওঁক ধনী আৰু দেশ-বিদেশত ভ্ৰমণ কৰা যেন অনুমান হৈছিল। তেওঁ আছিল অবিবাহিত; তেওঁৰ ঘৰ চলাইছিল জাঁ পাছ পাৰ্ত নামৰ ডেকা লগুৱা এটাই।

ফগ আছিল 'ৰিফৰ্ম ক্লাব'ৰ সদস্য। ক্লাবতেই তেওঁ দুপৰীয়া আৰু ৰাতিৰ আহাৰ খাইছিল। এদিন ক্লাবৰ সদস্যসকলৰ মাজত কিছুদিন আগতে বেংক আৰু ইংলেণ্ডত সংঘটিত ভয়ানক ডকাইতি সম্পৰ্কে আৰু ডকাইতজনৰ সম্পৰ্কে আলোচনা হৈছিল। এজন সদস্যই কলে যে ডকাইতজন য'তে ত'তে থাকিব পাৰে কাৰণ পৃথিৱীখন বৰ ডাঙৰ।

ফিলিছ ফগে ক'লে, 'পৃথিৱীখন আগতেহে ডাঙৰ আছিল।'

সদস্যজনে সুধিলে, 'আগতে মানে? এতিয়া তিনিমাহৰ ভিতৰত পৃথিৱীখন এপাক মাৰি আহিব পৰা হোৱা কাৰণেই পৃথিৱীখন আগতকৈ সৰু হৈ গ'ল নেকি?'

'তিনিমাহ নহয়, মাত্ৰ আশী দিনতে পৃথিৱী পৰিভ্ৰমণ কৰিব পাৰি,' ফগে গহীনাই উত্তৰ দিলে।

'কিন্তু এই আশী দিনৰ পৰা বেয়া বতৰ, প্ৰতিকূল বায়ু, জাহাজ ডুবা

বা পথভ্ৰষ্ট হোৱা ঘটনা বাদ দিব লাগিব' সদস্যজনে ক'লে।

ডকাইতি বা ডকাইতৰ কথা তল পৰি আশী দিনৰ ভিতৰত পৃথিৱী পৰিভ্ৰমণ কৰা সম্ভৱ হয়নে নহয় সেই সম্বন্ধেহে সদস্যসকলৰ মাজত আলোচনা হ'বলৈ ধৰিলে। ফগে দৃঢ়ভাৱে সম্ভৱ বুলি ক'লে যদিও আন সদস্যসকলে বিপৰীত মত প্ৰকাশ কৰিলে।

তৰ্ক বিতৰ্কৰ ফলাফল হ'লগৈ এয়ে যে সদস্যসকলে প্ৰত্যাহ্বান জনালে- ফগে নিজেই আশী দিনৰ ভিতৰত পৃথিৱীৰ চাৰিওফালে এপাক মাৰি আহি নিজৰ কথাৰ প্ৰমাণ কৰক। বিচ হাজাৰ পাউণ্ডৰ বাজিত ফগে প্ৰত্যাহ্বান গ্ৰহণ কৰিলে। ঘৰলৈ গৈ লগুৱা পাছ পাৰ্তেক তেওঁ ক'লে যে দহ মিনিটৰ পিছতে তেওঁলোক পৃথিৱী পৰিভ্ৰমণ কৰিবলৈ যাব। লগুৱাজনে আচৰিত হৈ ক'লে যে দহ মিনিটৰ ভিতৰত নিৰলগা মালবস্তু বান্ধি প্ৰস্তুত কৰা সম্ভৱ নহয়। ফগে ক'লে যে এটা বেগত প্ৰত্যেকৰে বাবে দুটাকৈ উলৰ কামিজ আৰু তিনিযোৰকৈ মোজা ললেই যথেষ্ট। দহ মিনিটৰ ভিতৰতে ফগ আৰু পাছ পাৰ্তো দুয়ো ৰেলত ডোভাৰলৈ গ'ল আৰু তাৰ পৰা ইংলিছ চেনেল জাহাজেৰে পাৰ হৈ ফ্ৰান্সৰ কেলে বন্দৰত উপস্থিত হ'ল।

ফগে গ্ৰহণ কৰা প্ৰত্যাহ্বান আৰু তেওঁৰ ইংলেণ্ড ত্যাগৰ কথা শীঘ্ৰে লণ্ডনত প্ৰচাৰিত হ'ল। সকলোৰে মুখত আৰু বাতৰি কাকততো তেওঁৰ সংকল্পৰ কথা আলোচিত হ'ল। বেছি ভাগ মানুহেই ফগৰ আঁচনি সফল নহ'ব বুলিয়েই মত প্ৰকাশ কৰিলে। কিন্তু ফগৰ প্ৰস্থানৰ সাতদিন পিছত স্কটলেণ্ড ইয়াৰ্ডৰ পুলিচ কমিছনাৰে ছুয়েজৰ পৰা এইদৰে এখন টেলিগ্ৰাম পালে: বেংক ডকাইত ফিলিছ ফগ ধৰা পৰিছে। তৎক্ষণাত ব্ৰিটিছ ভাৰতৰ বোম্বাইলৈ গ্ৰেপ্তাৰী পৰোৱানা পঠাওক। স্বাক্ষৰ : ফিক্স, ডিটেকটিভ।

ঘটনাটো আছিল এনেকুৱা- কেলেৰ পৰা ফগ আৰু পাছপাৰ্তে ৰেলেৰে ব্ৰিণ্ডিছিলৈ গৈছিল। তাত তেওঁলোকে চুয়েজ খালৰ মাজেৰে বোম্বাইলৈ বুলি 'মংগোলিয়া' নামৰ জাহাজত উঠিল। বেংক ডকাইতক ধৰিবলৈ পৃথিৱীৰ বিভিন্ন ঠাইলৈ পঠোৱা ডিটেক্টিভ সকলৰ এজন আছিল ফিক্স।

'মংগোলিয়া' চুয়েজ পোৱাত ফিক্সে ভাবি ল'লে যে ফগেই বেংক ডকাইত। কোনো সাক্ষী প্ৰমাণ নোহোৱা সত্বেও ফিক্সে লণ্ডনলৈ টেলিগ্ৰাম কৰি নিজে

ফগক অনুসৰণ কৰিবলৈ জাহাজত বোম্বাই অভিমুখে উঠিল। লোহিত সাগৰ আৰু ভাৰত মহাসাগৰৰ ৰূপ স্বাভাৱিক হৈ থকা বাবে জাহাজ নিৰ্দ্ধাৰিত দিনতকৈ দুদিন আগতে বোম্বাই পালেগৈ। ফগ আনন্দিত হ'ল। কিন্তু ফিক্স সুখী নহ'ল এইবাবেই যে লণ্ডনৰ পৰা গ্ৰেপ্তাৰী পৰোৱানা আহি নাপালে। বোম্বাই পোৱাৰ দিনা গধূলিয়েই ফগে ৰেলেৰে কলিকতা অভিমুখে যাত্ৰা কৰিলে।

এই সময়লৈকে ফগৰ যাত্ৰা ঘটনাবিহীন হৈ আছিল। কিন্তু কলিকতা পাবলৈ আধাখিনি পাওঁতেই দেখা গ'ল যে খোলবি আৰু এলাহাবাদৰ মাজৰ ৰেলপথ তেতিয়াও অসম্পূৰ্ণ। খোলবিৰ পৰা এলাহাবাদলৈ যাত্ৰীসকলে নিজে বন্দোবস্ত কৰি যাব লাগে। যিসকল যাত্ৰীয়ে আগতে এই কথা জানিছিল, তেওঁলোকে আগতেই নিজৰ বন্দোবস্ত কৰি ৰাখিছিল। ফগে খোলবিৰ ভাৰতীয় লোক এজনৰ পৰা এটা হাতী কিনি লৈ তাত পাছপার্তো আৰু ৰেলত চিনাকি হোৱা জেনেৰেল ছাৰ ফ্ৰান্সিছ ক্ৰোমাৰ্টিৰ সৈতে হাতীত উঠি জংঘলৰ মাজেৰে এলাহাবাদ অভিমুখে যাত্ৰা কৰিলে। এলাহাবাদ পোৱাৰ বাৰ মাইল আগতে তেওঁলোকে এজন দেশীয় ৰজাৰ শৱযাত্ৰা এটা লগ পালে। শৱযাত্ৰাৰ লগত ৰজাৰ গাভৰু ঘৈণীয়েকো আছিল। ছাৰ ফ্ৰান্সিছে জনালে যে ঘৈণীয়েকক গিৰিয়েকৰ চিতাত পোৰা হ'ব আৰু এই প্ৰথাক 'সতী' বোলে। কিন্তু পাছপার্তোই কৌশলেৰে মহিলাজনীক উদ্ধাৰ কৰি লগত লৈ গ'ল। তাই ক'লে যে তাই তেওঁলোকৰ লগত হংকঙলৈ যাব। কাৰণ তাত তাইৰ সম্বন্ধীয় লোক আছে। এলাহাবাদৰ পৰা ফগহঁত গৈ কলিকতা পোৱাৰ লগে লগে পুলিচে তেওঁলোকক গ্ৰেপ্তাৰ কৰিলে। আদালতত হাজিৰ কৰোৱাত তেওঁলোকে গম পালে যে বোম্বাইত এটা মন্দিৰত পাছপার্তোই জোতাৰে প্ৰৱেশ কৰাৰ বাবে ধৰ্ম-বিৰুদ্ধ কামৰ অভিযোগত তেওঁলোকৰ ওপৰত গোচৰ দিয়া হৈছে। দণ্ডাধীশে বিচাৰ কৰি তেওঁলোকক কাৰাদণ্ড দিলে। কিন্তু তাৰ ফলত ফগৰ আঁচনি ব্যৰ্থ হোৱাৰ পৰিপ্ৰেক্ষিতত তেওঁলোক জামিনত মুকলি হৈ 'ৰেংগুন' নামৰ জাহাজত উঠি হংকং অভিমুখে যাত্ৰা কৰিলে। ডিটেকটিভ ফিক্সও একেখন জাহাজতে গ'ল।

হংকং পোৱাৰ আগতে তেওঁলোকৰ জাহাজ ধুমুহাৰ মাজত পৰিল যদিও হংকং পাই দেখিলে যে মেৰামতিৰ- কাৰণে 'কৰ্ণাটিক' নামৰ জাহাজখন পিছদিনা পুৱাহে যাব। ফগে ভাৰতীয় ৰজাৰ বিধৱা পত্নীক লৈ হংকঙত থকা

তাইৰ সম্বন্ধীয় লোকক বিচাৰিলে, কিন্তু সম্বন্ধীয় লোক কিছুদিন আগতে তাৰ পৰা গুচি যোৱা বাবে ফগে তাইক তেওঁলোকৰ লগতে যাবলৈ পৰামৰ্শ দিলে। ঘূৰি আহি দেখিলে যে মেৰামতি সম্পূৰ্ণ হোৱাত 'কৰ্ণাটিক' জাহাজ ইতিমধ্যে গুচি গৈছে।

ফগে এখন পাইলট নাও ভাৰা কৰি ছাংহাই অভিমুখে গ'ল। বাটত ধুমুহাই পোৱাত আমেৰিকান জাহাজ এখন পাই তেওঁলোক তাতে উঠিল। এই জাহাজখন যাব য়াকোহামালৈ জাপানৰ য়াকোহামাৰ পৰা তেওঁলোক ছানফ্ৰান্সিকো পালেগৈ। তাৰ পৰা এক্সপ্ৰেছ ৰেলগাড়ীত উঠি পূৰ উপকূললৈ গ'ল। ওমাহা আৰু চিকাগো হৈ তেওঁলোক নিউইয়ৰ্কত উপস্থিত হ'ল। তাৰ পৰা লিভাৰপুলগামী মালবাহী জাহাজ এখনত তেওঁলোক উঠিল

লিভাৰপুলৰ ডিটেক্‌টিভ ফিক্সে গ্ৰেপ্তাৰী পৰোৱানাখন পাই ফগক গ্ৰেপ্তাৰ কৰি জেলত থলে। পিছদিনা বাতৰি ওলাল যে আচল বেংক ডকাইতজনক দুদিন আগতে গ্ৰেপ্তাৰ কৰা হৈছে। ফগক মুকলি কৰি দিয়া হ'ল। লিভাৰপুলৰ পৰা ৰেলগাড়ীৰে ফগ লণ্ডন পালেগৈ। কিন্তু লণ্ডন পোৱাত আশী ঘণ্টা পাঁচ মিনিট লাগিল।

ফগে পাঁচমিনিট পলম হোৱা বাবে বাজি হেৰোৱা বুলি ভাবি ২০ হেজাৰ পাউণ্ডৰ চেক এখন ৰিফৰ্ম ক্লাবত জমা দি ঘৰত থাকিল। ইতিমধ্যে তেওঁ লগত অনা বিধবা শ্ৰীমতী ঔদাৰ প্ৰেমত পৰিছিল। শ্ৰীমতী ঔদাই সম্মতি দিয়াত ফজক বিয়াৰ বন্দোবস্ত কৰিবলৈ খবৰ দিয়া বাবে ফগে পাছপাৰ্টোক পঠালে। ইতিমধ্যে পাছপাৰ্টোই ফগক জনালে যে প্ৰকৃততে তেওঁলোকৰ লণ্ডন পোৱাত পলম হোৱা নাই। ফগ লৰালৰিকৈ ক্লাবলৈ গ'ল। তাত ক্লাবৰ সদস্যসকলে তেওঁক সম্বৰ্দ্ধনা জনালে।

সম্প্ৰতি চল্লিশ ঘণ্টাৰো কম সময়ৰ ভিতৰতে বিমানেৰে পৃথিৱী পৰিভ্ৰমণ কৰি আহিব পৰা হৈছে যদিও জুল ভাৰ্ণৰ কিতাপখনৰ আকৰ্ষণ অলপো কমা নাই। বিজ্ঞান ভিত্তিক কাহিনীৰ মাজতো মানবীয় আবেদন অটুট থকা কাৰণে জুল ভাৰ্ণৰ গ্ৰন্থসমূহ আজিও মানুহে আগ্ৰহেৰে পঢ়ে।

স্কট ফিটজাৰেল্ডৰ দি গ্ৰেট গেট্‌ছবি

(৬৭)

কুৰি শতিকাৰ বিশৰ দশকটো আমেৰিকাৰ কাৰণে দুৰাশাৰ সময় আছিল। প্ৰথম মহাযুদ্ধৰ সময়ত আমেৰিকাই অংশ লৈছিল যদিও তাৰ ফল ভাল নহ'লগৈ। ইউৰোপীয় জীৱন-ধাৰাত এই যুদ্ধই আনিলে বিৰাট পৰিবৰ্তন। যি হাজাৰ হাজাৰ যুৱক 'গণতন্ত্ৰ ৰক্ষা'ৰ আদৰ্শত যুঁজিলে গৈছিল, যুদ্ধৰ শেষত সিহঁত হতাশাত নিমজ্জমান হ'ল। বাস্তৱ জীৱনৰ সৈতে নিজকে বহুতে খাপ খুৱাব নোৱাৰি সস্তীয়া আমোদ-প্ৰমোদত গা ঢালি দিলে।

পুৰুষতকৈ নাৰীৰ ওপৰত মহাযুদ্ধৰ প্ৰতিক্ৰিয়া বেছিকৈ হ'ল। নাৰীয়ে হঠাতে অবাধ স্বাধীনতা ভোগ কৰিবলৈ পালে। সিহঁতে ভোটাধিকাৰ পালে, কিন্তু বেছি ভাগেই ৰাজনৈতিক অধিকাৰতকৈ 'জীৱন' উপভোগৰ অধিকাৰৰ ওপৰতহে গুৰুত্ব আৰোপ কৰিলে। সিহঁতে শৰীৰত পিপিট খাই ধৰা পোছাক আৰু আঁঠুৰ ভালেখিনি ওপৰৰ অংশ ওলাই থকাকৈ স্কাৰ্ট পিন্ধিবলৈ ল'লে। সিহঁতে গালত পাউদাৰ সানি চিগাৰেট হুঁপিবলৈ ধৰিলে।

এইসময়তে মাদক দ্ৰব্য নিষিদ্ধকৰণৰো এটা সুযোগ আহিল। ফলত চোৰাংকৈ মদ তৈয়াৰ কৰা আৰু বিক্ৰী কৰা কামো বাঢ়িল। চোৰাং মদৰ ব্যৱসায় আমেৰিকাত এটা প্ৰধান ব্যৱসায় হৈ উঠিল। যিসকলে আগতে সুৰাপান নকৰিছিল সেই সকলেও সুৰাপান কৰি গৰ্ব অনুভৱ কৰিবলৈ ধৰিলে। যুৱতী আৰু বিগত যৌৱনাসকলেও গৰ্ভপাতৰ বিষয়টো সাধাৰণভাৱে লবলৈ ধৰিলে। যিকোনো প্ৰকাৰে এখন মটৰগাড়ীৰ মালিক হোৱাটো সকলোৰে লক্ষ্য হৈ উঠিল। চিনেমা চাই গাড়ীত উঠি পুৰুষ-বন্ধুৰ লগত হুলিগলি কৰাটো আৰু সুৰাপান কৰাটো সাধাৰণ ঘটনা হৈ পৰিল।

ফ্ৰান্সিছ স্কটফিটজাৰেল্ড নামৰ এই সময়ৰ এজন বুদ্ধিমান তৰুণে প্ৰথম মহাযুদ্ধৰ পৰৱৰ্তী কালছোৱাৰ নাম দিলে 'জাজ-যুগ' (The jazz Age) স্কটফিটজাৰেল্ডে এই সময়ত গল্প লেখিবলৈ আৰম্ভ কৰিছিল।

স্কটফিটজাবেল্ডে নিজৰ প্ৰজন্মৰ কাহিনী লেখিছিল। এই প্ৰজন্মক তেওঁ 'নতুন প্ৰজন্ম' বুলি অভিহিত কৰিছিল। নতুন প্ৰজন্মৰ বাবে ঈশ্বৰৰ অস্তিত্ব নাছিল, ঈশ্বৰৰ মৃত্যু হৈছিল, যুদ্ধ কৰা শেষ হৈছিল, মানবীয় বিশ্বাসবোৰ ভেটি থৰক-বৰক হৈছিল। ১৯১৭ চনত মাৰ্কিন যুক্তৰাষ্ট্ৰই প্ৰথম মহাযুদ্ধত যোগ দিয়াৰ সময়ত তেওঁৰ বয়স আছিল একৈশ বছৰ। তেওঁ কিছুদিনৰ কাৰণে আমেৰিকান সেনা বাহিনীত কাম কৰিছিল। ১৯২০ চনত তেওঁৰ প্ৰথম উপন্যাস 'স্বৰ্গৰ এইটো দিশ' (This side of Paradise) প্ৰকাশ হয়। ইয়াত যুদ্ধত যোগ দিয়া ছাত্ৰ সকলৰ আৰু সিইঁতৰ ছোৱালী-বান্ধৱীসকলৰ কাহিনী লিপিবদ্ধ কৰা হৈছিল।

পাঁচ বছৰৰ পিছত, ১৯২৫ চনত, স্কট ফিটজাৰেল্ডে 'গ্ৰেট গেটছবি' উপন্যাস প্ৰকাশ কৰে। সৰু হ'লেও এই উপন্যাসখন আছিল বুদ্ধিদীপ্ত। ১৯৪০ চনত স্কটফিট জাৰেল্ডৰ মৃত্যু হয়।

উপন্যাসখনৰ কাহিনীটো কোৱা হৈছে প্ৰথম পুৰুষত। বৰ্ণনাকাৰী নিক্‌কাৰাৱে নামৰ এজন ডেকা। সি নিউইয়ৰ্কত কিবাকিবি কাম কৰে, কিন্তু থাকে মহানগৰৰ পৰা ২৫ মাইল দূৰৰ লং আইলেণ্ডৰ ওচৰৰ ৱেষ্ট এগ্ নামৰ ঠাইত। কাৰৱে থকা ঘৰটো সাধাৰণ ধৰণৰ, কিন্তু তাৰ চুবুৰীয়াজনৰ আছে বৃহৎ অট্টালিকা আৰু তাত প্ৰায় সদায়ে 'পাৰ্টি' চলি থাকে। চৌখিন ইষ্ট এগ অঞ্চলত থাকে নিকৰ ভতিজা ছোৱালী ডেইজি। তাইৰ বিয়া হৈছে টম বুকানন নামৰ এজন শকত আৱত মানুহৰ সৈতে। ডেইজি দেখিবলৈ ধুনীয়া, কিন্তু বুদ্ধিহীন। ডেইজীয়ে বুকাননক বিয়া কৰাইছিল একমাত্ৰ এই কাৰণেই যে বুকাননৰ অজস্ৰ টকা আছিল।

সেইবাৰ গ্ৰীষ্মকালৰ সময়ত নিকৰ চুবুৰীয়া অট্টালিকাটোৰ পৰা সংগীতৰ সুৰ অনবৰত ভাহি আহিছিল। ৰাতিপুৱা ন বজাৰ পৰা মাজনিশালৈ আলহীৰ অহা যোৱাৰ বিৰাম নাছিল। মটৰ গাড়ীবে চৌহদ আৰু আলিবাট ঠাঁহ খাইছিল। 'পাৰ্টি'ত সুৰাৰ প্ৰচুৰ ব্যৱহাৰ চলিছিল। বহুলোক বিনা নিমন্ত্ৰণেও আহিছিল কাৰণ মি: জে গেটছবিৰ. পাৰ্টি লৈ অহাত নিমন্ত্ৰণৰ আৱশ্যক নাই। আহিলেই হ'ল।

নিকেও নিমন্ত্ৰণী-পত্ৰ পাইছিল। পাৰ্টিত কি চলে, সেইকথা জানিবলৈ

ঔৎসুক্যবশতঃ সিও তালৈ গ'ল। নিকে গেট্‌ছবিক চিনি নাপাইছিল, মাত্র জানিছিল যে তেওঁ এজন খুব ধনী লোক। পাৰ্টিত সি জৰ্ডন বেকাৰ নামৰ এজনী চিনাকি বান্ধৱীক লগ পালে। তাই আছিল ব্যৱসায়িক ভিত্তিত গলফ্ খেলা খেলুৱৈ। গেট্‌ছবি সম্বন্ধে নিকে জৰ্ডনক সোধাত তাই ক'লে যে মহাযুদ্ধৰ সময়ত তেওঁ হেনো জাৰ্মান গুপ্তচৰ আছিল। তাৰ পিছত সিহঁতে মহাযুদ্ধৰ বিষয়ে কথা-বতৰা পতাত ওচৰত বহি থকা এজন মানুহে নিকক ক'লে যে তেওঁ এখন এৰোপ্লেন কিনিছে। মানুহজনে নিকক এৰোপ্লেনত এপাক মাৰিবলৈ নিমন্ত্ৰণ জনালে। নিকে এই মানুহজনকো গেটছবিৰ বিষয়ে সোধাত মানুহজনে ক'লে 'ময়েই গেট্‌ছবি, তুমি আকৌ মোক জানা বুলিহে মই ভাবিছিলো।' তেতিয়াৰ পৰা নিক আৰু গেট্‌ছবিৰ এক ধৰণৰ বন্ধুত্ব হ'ল। কিন্তু গেট্‌ছবি সম্পৰ্কে নিকে বিশেষ একো জানিবলৈ সমৰ্থ নহ'ল। গেট্‌ছবিয়ে কোৱা মতে, গেটছবিৰ মাক-দেউতাকৰ মৃত্যুৰ পিছত তেওঁ প্ৰভূত সম্পত্তিৰ গৰাকী হৈ পেৰিচ, ভেনিচ, ৰোম আদিৰ ৰজাৰ দৰে বিলাস কৰি ফুৰিছিল, মণিমুক্তা সংগ্ৰহ কৰিছিল, চিকাৰ কৰিছিল, প্ৰেমত হতাশ হৈছিল আৰু শেষত যুদ্ধত যোগ দিছিল। তেওঁ যুদ্ধত সাহসৰ বাবে পোৱা পদক এটাও নিকক দেখুৱালে।

বন্ধুত্ব গভীৰ হোৱাত নিকে গেট্‌ছবিৰ প্ৰকৃত পৰিচয় পালে। তেওঁৰ আচল নাম আছিল জেমচ্ গেটজ। তেওঁ এই কথাও জনালে যে তেওঁ নিকৰ ভতিজা ডেইজিৰ প্ৰেমিক আছিল। কিন্তু যিহেতু সেই সময়ত তেওঁ দুখীয়া আছিল সেয়ে ডেইজিয়ে ধনী বুকাননক বিয়া কৰালে। এতিয়া গেট্‌ছবি আৰু ডেইজিয়ে এই আঁচনি কৰিছে যে কিবা উপায়ে যদি বুকাননক বিবাহ বিচ্ছেদ কৰাবলৈ প্ৰৰোচিত কৰিব পাৰি, তেন্তে দুয়ো বিয়া কৰাব। বুকাননৰো উপপত্নী আছিল। তথাপি সি ঘৈণীয়েক ডেইজিক ভাল পাইছিল। ক্ৰমে সি তাৰ ঘৈণীয়েক আৰু গেট্‌ছবিৰ সম্পৰ্কৰ কথা গম পাই বিষয়টো খোলাখুলিকৈ মীমাংসা কৰিবলৈ মনতে পাঙিছিল।

এবাৰ গৰম কালি, ডেইজিয়ে নিউইয়ৰ্কলৈ গৈ এটা পাৰ্টি কৰাৰ প্ৰস্তাৱ দিলে। সেইমতে বুকানন, ডেইজি, গেটছবি, জৰ্ডন বেকাৰ আৰু নিক কাৰাৱেই এখন মটৰ গাড়ীত উঠি যাত্ৰা কৰিলে। নিউইয়ৰ্ক পাই দলটো এখন হোটেললৈ গ'ল আৰু সুৰা পৰিবেশন কৰিবলৈ আদেশ দিলে। তাতেই বুকানন আৰু

গেট্‌ছবিৰ তৰ্ক-বিতৰ্ক আৰম্ভ হ'ল। যি নহওক, 'পাৰ্টি'ৰ শেষত উভতি অহাৰ পথত গেট্‌ছবিৰ গাড়ীয়ে বুকাননৰ উপপত্নী মাৰ্টল উইল্‌চনক বাটত খুন্দিয়াই মাৰিলে দুৰ্ঘটনাবশত:। মাৰ্টলৰ গিৰিয়েক উইলচনে খঙৰ ভমকত গেট্‌ছবিৰ ঘৰলৈ গৈ তেওঁক গুলীয়াই হত্যা কৰিলে।

সেই বছৰৰ শেষত নিকে ৱেষ্ট এগ ত্যাগ কৰি নিউইয়ৰ্কলৈ গ'ল। গেট্‌ ছবিৰ বিৰাট অট্টালিকা এতিয়া শূন্যপুৰী। যিটোৰ বাবে গেটছবিয়ে অহোপুৰুষাৰ্থ কৰিছিল আৰু শেষত অধিকাৰী হৈছিল, সেই ঐশ্বৰ্য সি পূৰ্ণমাত্ৰাই ভোগ কৰিবলৈ নাপালে। ডেইজিক লাভ কৰা স্বপ্ন তাৰঅসম্পূৰ্ণ হৈ ৰ'ল,যিদৰে স্কট ফিট্‌ জাৰেল্ডৰ নতুন প্ৰজন্মৰ স্বপ্ন অসম্পূৰ্ণ হৈ ৰ'ল।

থিয়োডৰ ড্ৰেইজাৰৰ এন এমেৰিকান ট্ৰেজেদি

(৬৮)

১৮৪৪ চনত জন পল ড্ৰেইজাৰ নামৰ এজন জাৰ্মান ডেকা আমেৰিকালৈ গৈ বসবাস কৰিবলৈ ল'লে। তেওঁ তাত মেৰেভিয়াৰ পৰা যোৱা এজন খেতিয়কৰ জীয়েকক বিয়া কৰায়। কালক্ৰমত তেওঁ এটা কাৰখানাৰ মালিক হয়। সমৃদ্ধিৰ এই সময়ছোৱাত তেওঁলোকৰ এঘাৰটা ল'ৰা-ছোৱালীৰ জন্ম হয়। কিন্তু এটা অগ্নিকাণ্ডত কাৰখানাটো ভস্মীভূত হোৱাত পল ড্ৰেইজাৰ দুৰ্দশাত পৰে। এনে দুৰ্দশাৰ সময়তে ১৮৭১ চনৰ ২৭ আগষ্টত থিয়োডৰ ড্ৰেইজাৰৰ জন্ম হয়। আৰ্থিক অৱস্থা অতি শোচনীয় হোৱাত ডাঙৰ ল'ৰাবোৰ অন্যান্য ঠাইলৈ গ'ল আৰু বাপেকেও নানা ঠাইত ইটো-সিটো কাম বিচাৰি ফুৰিবলৈ ধৰিলে। মিছেছ ড্ৰেইজাৰে নুৰ্‌গীয়া ল'ৰা ছোৱালী তিনিটাক লৈ গৃহস্থৰ ঘৰে ঘৰে কাম কৰি জীৱিকা অৰ্জনত লাগিল।

মিছেছ ড্ৰেইজাৰে নিজে কষ্ট কৰিও ল'ৰা-ছোৱালী কেইটাক দুখ কষ্টৰ আভাস নিদিয়াকৈ ৰাখিছিল। তেৰ বছৰ বয়স হোৱাত থিয়োডৰক চৰকাৰী স্কুল এখনত ভৰ্তি কৰাই দিয়া হ'ল। তাৰ আগতে তেওঁ গৈছিল এখন কেথলিক ধৰ্মৰ স্কুললৈ। নতুন স্কুললৈ অহাৰ পিছত থিয়োডৰে মনপুতি অধ্যয়নত লাগে। জীৱনক জানিবলৈ এক অদম্য স্পৃহা তেওঁৰ অন্তৰত জাগি উঠে। ১৫ বছৰ বয়সত তেওঁ চিকাগোলৈ যায়।

চিকাগোৰ জীৱনে কিশোৰ থিয়োডৰৰ মনত ৰেখাপাত কৰিলে। ইয়াৰ জনপূৰ্ণ জীৱন-ধাৰা তেওঁ ভালদৰে পৰ্যবেক্ষণ কৰিবলৈ ল'লে। থিয়োডৰে এখন গ্ৰীক্ ৰেষ্টোৰাত কাপ-প্লেট ধোৱা কাম ল'লে। পিছত সপ্তাহে পাঁচ ডলাৰ মজুৰিত কেৰাণীৰ কাম ল'লে। দুবছৰৰ পিছত তেওঁৰ প্ৰাক্তন শিক্ষয়িত্ৰী মিছ ফিল্‌ডিঙৰ সাহায্যত থিয়োডৰে ইণ্ডিয়ানা বিশ্ববিদ্যালয়ত ভৰ্তি হয়। কিন্তু প্ৰথম বছৰটো পঢ়াৰ পিছত পুনৰ চিকাগোলৈ ঘূৰি আহি আন এটা কেৰাণীৰ কামত সোমায়। মাকৰ মৃত্যুৰ পিছত থিয়োডৰে ট্ৰাক ড্ৰাইভাৰ

হিছাপে কাম কৰে আৰু তাৰ পাছত এটা 'হায়াৰ পাৰছেজ' ব্যৱসায়ৰ সৈতে যুক্ত হয়। এই সময়তে তেওঁ চিকাগোৰ জীৱনক লৈ দুই এটা কাহিনী লেখিবলৈ আৰম্ভ কৰে। ১৮৯২ চনত তেওঁ এখন বাতৰি কাকতৰ অস্থায়ী প্ৰতিবেদকৰ কামত সোমায়। পিছত 'গ্লোব' নামৰ কাকত এখনৰ সৈতে সংশ্লিষ্ট হয়। এই কাকতৰ সম্পাদকে থিয়োডৰৰ বুদ্ধিমত্তাত মুগ্ধ হৈ ছেন্ট লুইচৰ 'গ্লোব ডেম'ক্ৰেট' কাকতত তেওঁক নিযুক্তি দিয়ে। তেওঁ বৰ্ণনামূলক সংবাদ লেখাত আৰু সাক্ষাৎকাৰ লোৱাত কৃতিত্ব দেখুৱায়। 'গ্লোব ডেম'ক্ৰেট' কাকতৰ পিছত তেওঁ আন কেবাখনো কাকতত কাম কৰে। অৱশেষত ককায়েক পলে তেওঁক নিউইয়ৰ্কলৈ যাবলৈ উপদেশ দিয়ে। পল আছিল এজন জনপ্ৰিয় গীতিকাৰ। পলৰ চেষ্টাত থিয়োডৰ এখন আলোচনীৰ সম্পাদক হয়। দুবছৰ এই কাম কৰাৰ পিছত থিয়োডৰে এই কাম ইস্তফা দি 'ফ্ৰি-লেন্স' সাংবাদিকতা বৃত্তি অবলম্বন কৰে। এই সময়তে তেওঁ ছেলি হোৱাইট নামৰ ছোৱালী এজনীক বিয়া কৰায়। অন্তৰংগ বন্ধু আৰ্থাৰ হেনৰিৰ পৰামৰ্শত থিয়োডৰে গল্প ৰচনাত মনোনিবেশ কৰে। তেওঁৰ প্ৰথম গল্পটোৰ বাবে এইন্‌লি আলোচনীয়ে ৭৫ ডলাৰ দিয়ে। থিয়োডৰে এইবাৰ উপন্যাস লেখাত ধৰে আৰু 'ছিষ্টাৰ কেৰি' নামৰ উপন্যাসখন লেখে। কিন্তু উপন্যাসখনত অনৈতিক কাহিনী বৰ্ণনা কৰা হৈছে বুলি প্ৰকাশকে মাত্ৰ ১০০০ কপি ছপায়। কিতাপখনৰ কোনো বিজ্ঞাপনো দিয়া নহ'ল। থিয়োডৰ হতাশ হ'ল। তেওঁৰ অৱস্থা শোচনীয় হৈ উঠাত ঘৈণীয়েকক মাকৰ ঘৰলৈ পঠিয়াই দি তেওঁ কম ভাৰাত এটা কোঠালী লৈ থাকিবলৈ ল'লে। মানসিক দুশ্চিন্তাত তেওঁ ভুগিবলৈ ধৰিলে। বন্ধু আৰ্থাৰ হেন্‌ৰিয়ে তেওঁক বিশ্ৰাম লবলৈ এখন ছেনাট'ৰিয়ামলৈ পঠালে। সুস্থ হৈ থিয়োডৰ পুনৰ সাংবাদিকতাৰ জগতলৈ ঘূৰি আহিল।

ইয়াৰ পিছৰ পৰা ড্ৰেইজাৰৰ দিন ভাললৈ আহিল। বাটাৰিক নামৰ প্ৰকাশক এজনৰ তিনিখন আলোচনীৰ পৰিচালক-সম্পাদক নিযুক্ত হৈ তেওঁ বছৰি ১০ হাজাৰ ডলাৰ উপাৰ্জন কৰিলে। এই কামত থাকোতে বাটাৰিক প্ৰতিষ্ঠানত কাম কৰা এজনী ছোৱালীৰ সৈতে অবৈধ প্ৰেমৰ কাৰণে ড্ৰেইজাৰে কাম এৰিব লগীয়া হ'ল। এই প্ৰেমৰ কাৰণে পত্নীৰ সৈতেও তেওঁৰ বিবাহ-বিচ্ছেদ ঘটিল।

কিন্তু এই কুখ্যাতিৰ পৰাই জন্ম ল'লে এক নতুন সুখ্যাত ড্ৰেইজাৰে।

তেওঁ আগতে কৰা আঁচনি মতে উপন্যাস লেখিবলৈ ল'লে। প্ৰথমখন 'জেনি গেৰহাৰ্ট' ১৯১১ চনত প্ৰকাশ হ'ল। তাৰ পিছত 'দি ফাইনেন্সিয়াৰ' 'দি টাইটান' আৰু 'দি জিনিয়াছ' নামৰ তিনিখন উপন্যাস লেখিলে। ১৯০৬ চনত সংঘটিত এটা হত্যাকাণ্ডৰ ওপৰত ভিত্তি কৰি ড্ৰেইজাৰে ষষ্ঠখন উপন্যাস 'এন এমেৰিকান ট্ৰেজেদি' লেখে। ১৯২৩ চনত এই উপন্যাস প্ৰকাশ হোৱাৰ লগে লগে ঔপন্যাসিক হিছাপে ড্ৰেইজাৰৰ নাম বিখ্যাত হৈ উঠিল আৰু 'এন এমেৰিকান ট্ৰেজেদি' শ্ৰেষ্ঠ গ্ৰন্থৰ শাৰীত উঠিল। উপন্যাসৰ কাহিনীটো থূলমূলভাৱে এনে ধৰণৰ:

কানছাছ চহৰৰ আলিবাটত মাক-দেউতাকে সমাজসেৱা মূলক কাম কৰাটো বাৰ বছৰ বয়সীয়া পুত্ৰ ক্লাইড গ্ৰিফিথছে ভাল পোৱা নাছিল। এনেকুৱা কামৰ প্ৰতি আৰু ধৰ্মৰ প্ৰতি তাৰ অনীহা জন্মিছিল। তাৰ মাকে সদায় ঈশ্বৰৰ ওপৰত ভৰষা ৰখা সত্বেও সিহঁতৰ দৰিদ্ৰতাৰ ওৰ পৰা নাছিল। সি শুনিবলৈ পাইছিল তাৰ খুড়াক ডেনিয়েল গ্ৰিফিথচ আছিল ধনী আৰু তেওঁ লাইকাৰগাছ চহৰত ব্যৱসায় কৰিছিল। কিন্তু ক্লাইডে ডেনিয়েলক দেখা নাছিল। পোন্ধৰ বছৰ বয়সীয়া হোৱাত ক্লাইড দেখনিয়াৰ তৰুণত পৰিণত হ'ল, কিন্তু জাগতিক ঐশ্চৰ্য সম্পদৰ প্ৰতি তাৰ লোভ বাঢ়িল— সি ঐশ্চৰ্যৰ সপোন দেখিবলৈ ধৰিলে।

সি গ্ৰীন — ডেভিদছন হোটেলত লগুৱাৰ কামত সোমাল আৰু তাত ঐশ্চৰ্যৰ চিকমিকনি দেখি মোহিত হ'ল। সি তাত বেতন আৰু বক্‌চিচ হিছাপে কিমান টকা পাইছিল, সেই কথা মাকক জনোৱা নাছিল। হোটেলত কাম কৰা অন্যান্য বয়বোৰৰ লগ লাগি সি নিষিদ্ধ আমোদ-প্ৰমোদত লাগিল। 'বয়'হঁতে তাক এবাৰ এটা বেশ্যালয়লৈ নিলে আৰু তাতে সি প্ৰথমবাৰৰ বাবে যৌন অভিজ্ঞতা লাভ কৰিলে। সি দোকান এখনত কাম কৰা হৰ্টেনছি ব্ৰিগছ নামৰ এজনী ছোৱালীৰ প্ৰেমত পৰিল আৰু দৰমহাৰ টকাৰে মাকক সহায় কৰাৰ পৰিবৰ্তে ছোৱালীজনীক উপহাৰ আদি কিনি দিবলৈ ধৰিলে। এবাৰ হোটেলৰ স্পাৰছাৰ নামৰ 'বয়'জনে তাৰ মালিকৰ গাড়ীখন খুজি অন্যান্য কেইজনমান বন্ধুৰ সৈতে ক্লাইড আৰু হৰ্টেনছিক লৈ স্ফূৰ্তি কৰিবলৈ গ'ল। উভতি আহোঁতে স্পাৰছাৰে এটা ল'ৰাক খুন্দিয়ালে। কিন্তু গাড়ীখন ৰখোৱাৰ পৰিবৰ্তে সি তীব্ৰ বেগেৰেহে চলালে। ফলত কিছুদূৰ গৈ গাড়ীখন ৰাস্তাৰ

দাঁতিত লুটি খাই পৰিল। স্পাৰছাৰ আৰু এজনী ছোৱালীৰ বাহিৰে আন যাত্ৰীবোৰ কেনেবাকৈ বাহিৰলৈ ওলাল। দূৰত পুলিচৰ হুইছেল শুনা গ'ল। ক্লাইডে হৰ্টেনছিক এৰি পলাই গ'ল। পিছদিনা বাতিপুৱা বাতৰি কাকতত সি গম পালে যে দুৰ্ঘটনাত খুন্দা খোৱা ল'ৰাটো আৰু ক্লাইড নামৰ এজনৰ মৃত্যু হৈছে।

ক্লাইডে কান্‌ছাছ নগৰ এৰি চিকাগোলৈ গ'ল। যিহেতু তাৰ মৃত্যু হোৱা বুলি ওলাইছে, সেয়ে সি এটা ছদ্মনাম লৈ থাকিবলৈ ল'লে। সি তাত ইউনিয়ন লীগ ক্লাব নামৰ এটা অভিজাত ক্লাবৰ লগুৱাৰ কামত সোমাল। ইয়াতেই ক্লাইডে তাৰ ধনী খুড়াক ডেনিয়েলক লগ পালে। ডেনিয়েলে নিজৰ পুতেক গিলবাৰ্টৰ চেহেৰাৰ সৈতে ক্লাইডৰ চেহেৰাৰ সাদৃশ্য দেখি তাৰ প্ৰতি আকৃষ্ট হ'ল আৰু এদিন তাক লাইকাৰগাছ চহৰলৈ লগত লৈ গ'ল। কিন্তু গিলবাৰ্টে ক্লাইডক এটা কম বেতনৰ কামতহে নিযুক্ত কৰিলে। পিছত এদিন বুঢ়া ডেনিয়েলে তাক নিজৰ প্ৰাসাদলৈ নিমন্ত্ৰণ কৰিলে আৰু তাতে সি ছোন্দ্ৰা ফিন্সলি নামৰ এজনী ছোৱালীক দেখা পালে। ছোন্দ্ৰাৰ বাপেক ডেনিয়েলহঁতৰ দৰেই ধনী আছিল।

ক্লাইডক পিছত কাৰখানাৰ আন এটা শাখাত কাম কৰিবলৈ দিয়া হ'ল। এই শাখাটোত ছোৱালী কৰ্মীৰ সংখ্যা সৰহ আছিল। গিলবাৰ্টে কোনো ছোৱালীৰ সৈতে হলিগলি নকৰিবলৈ ক্লাইডক সতৰ্ক কৰি দিলে।

ধনী পৰিয়ালবোৰে গৰমৰ দিনবোৰত হ্ৰদৰ পাৰত চৌখিন ভ্ৰমণ কেন্দ্ৰবোৰত কটাইছিল। ক্লাইডৰ মনত ছোন্দ্ৰাৰ ছবিখন অনবৰত ভাঁহি আছিল আৰু সি সিহঁতৰ সম-পৰ্যায়ৰ হ'বলৈ উচ্চাকাংক্ষা পুহি ৰাখিছিল। সি নাও বাবলৈ আৰু সাঁতুৰিবলৈ শিকি ল'লে।

ইতিমধ্যে কাৰখানাত কাম কৰা ৰবাৰ্টা এলডেন নামৰ ছোৱালী এজনীৰ প্ৰতি ক্লাইড আকৰ্ষিত হ'ল আৰু কাৰখানাৰ কৰ্তৃপক্ষৰ নিষেধাজ্ঞা অমান্য কৰি সি তাইৰ সৈতে গোপনে সাক্ষাৎ কৰিবলৈ ধৰিলে। সিহঁত দুয়ো প্ৰেমিক-প্ৰেমিকাত পৰিণত হ'ল। কিন্তু তাইৰ সৈতে যৌন চৰিতাৰ্থ কৰাৰ পাছত ক্লাইডে উপলব্ধি কৰিলে যে তাই এজনী সামান্য কাৰখানাত কাম কৰা ছোৱালী মাত্ৰ, তাৰ পত্নী হোৱাৰ উপযুক্ত নহয়।

এদিন ছোন্দ্ৰাই দূৰৰ পৰা ক্লাইডক ডেনিয়েলহঁতৰ প্ৰাসাদৰ ফালে একেথৰে চাই থকা দেখি ভুলতে তাক গিলবাৰ্ট বুলি ভাবি মাত লগালে। পিছত অৱশ্যে ভুল ভাগিল যদিও তাই তাক তাইৰ সৈতে ক্লাবলৈ যাবলৈ অনুৰোধ জনালে। সি গ'ল আৰু ঐশ্চৰ্যপূৰ্ণ জগতখনলৈ যাবলৈ পাই আনন্দিত হ'ল। ছোন্দ্ৰা ক্লাইডৰ প্ৰতি আকৰ্ষিত হ'ল।

ইতিমধ্যে এদিন ৰবাৰ্টাই ক্লাইডক ক'লে যে তাই গৰ্ভৱতী হৈছে। সি ভ্ৰূণ নষ্ট কৰিবলৈ ৰবাৰ্টাক দৰৱ খুৱালে যদিও ফল নধৰিলে। সি তাইক এজন ডাক্তৰৰ ওচৰলৈ নিলে, কিন্তু ডাক্তৰজনে তাইক অস্ত্ৰোপচাৰ কৰিবলৈ মান্তি নহ'ল। ৰবাৰ্টাই ক্লাইডক ক'লে যে সি তাইক বিয়া কৰাবই লাগিব। ক্লাইডে তাইক গাঁৱলৈ যাবলৈ ক'লে আৰু কিছুদিনৰ পাছত নিজেও যাব বুলি প্ৰতিশ্ৰুতি দিলে।

কিন্তু সি প্ৰতিশ্ৰুতি নৰখাত ৰবাৰ্টাই চিঠি লেখি জনালে যে তাই নিজে লাইকাৰগাছলৈ গৈ কাৰখানা কৰ্তৃপক্ষক সকলো কথা জনাব। ক্লাইডে উপলব্ধি কৰিলে যে ৰবাৰ্টাক আঁতৰাব নোৱাৰিলে সি ছোন্দ্ৰাক লাভ কৰিব নোৱাৰে। মনে মনে ৰবাৰ্টাক হত্যা কৰাৰ আঁচনি কৰি সি গাঁৱলৈ গৈ তাইক লগ ধৰিলে আৰু ক'লে যে দুয়ো হ্ৰদৰ পাৰৰ ভ্ৰমণ নিবাসত ছুটীৰ দিন কটোৱাৰ পিছত বিবাহ বন্ধনত আৱদ্ধ হ'ব। এইদৰে চলাহী কথা কৈ সি ৰবাৰ্টাক লৈ হ্ৰদৰ পাৰত থকা এখন সৰু হোটেললৈ আহি তাত 'ক্লিফৰ্ড গোল্ডেন দম্পতি' বুলি পৰিচয় দি ৰাতিটো কটালে। পিছদিনা সি হ্ৰদত নাৱত উঠি ফুৰা-চকা কৰাৰ প্ৰস্তাৱ দি এটা বেগ হাতত লৈ হ্ৰদলৈ গ'ল। হ্ৰদৰ পাৰত বেগটো থৈ দুয়ো নাৱত উঠিল আৰু হ্ৰদৰ মাজত এটা সময়ত ক্লাইডে নাওখন বগৰাই দিলে। ক্লাইডে ৰবাৰ্টাক ডুবি মৰিবলৈ এৰি নিজে সাঁতুৰি পাৰ পালেহি। সি তাৰ টুপীটো হ্ৰদৰ পানীত দলিয়াই দিলে, যাতে মানুহে ভাবে যে সিও পানীত ডুবি মৰিছে। সি বেগৰ পৰা শুকান পোছাক উলিয়াই পিন্ধি ল'লে আৰু ছোন্দ্ৰাক লগ ধৰিবলৈ এটা ভ্ৰমণ নিবাসলৈ গ'ল। সেই নিবাসটোত ছোন্দ্ৰা আছিল।

বহু সময়ৰ পিছতো যেতিয়া তথাকথিত 'গোল্ডেন দম্পতি' হ্ৰদৰ পৰা ঘূৰি নাহিল, তেতিয়া হোটেলৰ মালিকে বিচাৰ খোচাৰ লগালে। হ্ৰদত ডুবা

নাওখন, উটি থকা টুপী আৰু ৰবার্টাৰ মৃতদেহ পোৱা গ'ল। তদন্তৰ পিছত ক্লাইডক গ্ৰেপ্তাৰ কৰা হ'ল। ফৰিয়াদী পক্ষই অতি সহজেই ক্লাইডৰ বিৰুদ্ধে অভিযোগৰ সাক্ষ্য প্ৰমাণ দিবলৈ সমৰ্থ হ'ল। বিচাৰত ক্লাইডৰ মৃত্যুদণ্ড হ'ল।

'এন এমেৰিকান ট্ৰেজেদি' হ'ল মাৰ্কিন সভ্যতাৰ এক উলংগ চিত্ৰ। এই সভ্যতাৰ ধ্যান-জ্ঞান হ'ল টকা-পইচা, ঐশ্চৰ্য-বিভূতি। মাৰ্কিন সমাজৰ ভুল আদৰ্শৰ বাবেই ক্লাইডৰ জীৱনত ট্ৰেজেদিৰ সৃষ্টি হ'ল। বিখ্যাত ৰুছ চলচ্চিত্ৰ পৰিচালক আইজেনষ্টাইনে এই উপন্যাসখনক চলচ্চিত্ৰত ৰূপায়িত কৰিবলৈ চিত্ৰনাট্য প্ৰস্তুত কৰিছিল। উপন্যাসখনৰ সম্পৰ্কে মন্তব্য দি তেওঁ কৈছিল: "এন এমেৰিকান ট্ৰেজেদি'য়ে বিশ্বজনীন সত্য আৰু উদ্দেশ্য উদ্‌ঘাটন কৰিছে - - ই জীৱনৰ দৰে বিশাল আৰু বিস্তৃত।"

জন ষ্টেইনবেকৰ দি গ্ৰেপছ্ অব ৰথ

(৬৯)

কুৰি শতিকাৰ ত্ৰিশৰ দশকত আমেৰিকাত দেখা দিয়া অৰ্থনৈতিক অধোগতিয়ে (depression) যি বিস্তৃত নিবনুৱা সমস্যা আৰু ক্ষুধা-দাৰিদ্ৰ্যৰ সৃষ্টি কৰিছিল, তাৰ সৈতে জড়িত হৈ আছে এজন মাৰ্কিন ঔপন্যাসিক। তেওঁৰ নাম জন ষ্টেইনবেক। 'দি গ্ৰেপছ্ অব ৰথ' উপন্যাসৰ জৰিয়তে তেওঁ জাতিৰ বিবেক জাগ্ৰত কৰিছিল।

মাৰ্কিন যুক্তৰাষ্ট্ৰৰ কেলিফৰ্ণিয়াৰ ছেলিনাছ নামৰ ঠাইত ১৯০২ চনৰ ২৭ ফেব্ৰুৱাৰীত ষ্টেইনবেকৰ জন্ম হয়। তেওঁৰ মাক আছিল এগৰাকী শিক্ষয়িত্ৰী। গতিকে ঘৰত অধ্যয়নৰ এটা পৰিবেশ আছিল। হাইস্কুলত থাকোঁতেই ষ্টেইনবেকে 'ক্ৰাইম এণ্ড পানিছমেন্ট', 'মেডাম বভাৰি' আদি প্ৰসিদ্ধ উপন্যাসবোৰ পঢ়ি শেষ কৰিছিল। তেওঁ স্কুলৰ বন্ধৰ দিনবোৰত গাওঁ অঞ্চলৰ বিভিন্ন কৃষিপামত কাম কৰিছিল আৰু এইদৰে দেশৰ বিভিন্ন অঞ্চলৰ সৈতে পৰিচিত হৈছিল। ১৯২০ চনত তেওঁ ষ্টেনফ'ৰ্ড বিশ্ববিদ্যালয়ত ইংৰাজী সাহিত্য অধ্যয়ন কৰে, কিন্তু ১৯২৫ চনত ডিগ্ৰী নোলোৱাকৈয়ে বিশ্ববিদ্যালয় এৰে। তেওঁ নানা ধৰণৰ কামৰ সৈতে নিজকে যুক্ত কৰে— কাপোৰৰ দোকানৰ কাম, ৰাস্তাৰ মজুৰীৰ কাম, কাৰখানাৰ কাম ইত্যাদি।

লেখক হিছাপে জীৱিকা অৰ্জনৰ উদ্দেশ্য লৈ তেওঁ ষ্টেনফৰ্ডৰ পৰা নিউইয়ৰ্কলৈ যায়। কিন্তু তেওঁ লিখা চুটি গল্পবোৰ আলোচনীৰ সম্পাদকে প্ৰত্যাখ্যান কৰাত হতাশ হৈ পুনৰ তেওঁ কেলিফৰ্ণিয়ালৈ উভতি আহে। তেওঁ কেলিফৰ্ণিয়াৰ ওচৰৰ এখন কৃষিপামৰ তদাৰককাৰীৰ কামত সোমায়। তাতেই তেওঁ প্ৰথম উপন্যাস 'কাপ অব গোল্ড' (Cup of Gold) লেখে আৰু ১৯২৯ চনত প্ৰকাশ কৰে। সেই বছৰতে আমেৰিকাত অৰ্থনৈতিক সংকট আৰম্ভ হয়।

তাৰ পিছত তেওঁ তিনিখন উপন্যাস লেখি প্ৰকাশ কৰে: টু এ গড

আননোন, পাচ্ছাৰছ অব হেভেন আৰু লংভেলি। কিন্তু উপন্যাস কেইখনে বিশেষ সমাদৰ নাপালে।

১৯৩৫ চনত লেখা 'টৰটিলা ফ্লেট' Tortilla Flat) উপন্যাসে সৰ্বপ্ৰথমে তেওঁলৈ কৃতকাৰ্যতা আনে। দৰাচলতে ই উপন্যাস নাছিল, কেতবোৰ কাহিনীৰ সংকলন। কিন্তু ছেলিনাছ উপত্যকাৰ বাস্তৱ জীৱনৰ লঘু দিশ প্ৰতিফলিত হোৱাত ই পঢ়ুৱৈৰ দ্বাৰা বিপুলভাবে সমাদৃত হ'ল।

'টৰটিলা ফ্লেট'ৰ লেখীয়া কাহিনী লেখি ষ্টেইনবেকে সহজেই বহু ধন উপাৰ্জন কৰিব পাৰিলেহেঁতেন। কিন্তু তেওঁ তেনে উপন্যাস আৰু নেলেখিলে। অৰ্থনৈতিক সংকটৰ ওপৰত ভিত্তি কৰি তেওঁ লেখিলে 'অব ডুবিয়াছ বেটেল' (Of Dubious battle) আৰু 'অব মাইচ এণ্ড মেন' (Of mice and men) নামৰ দুখন উপন্যাস। 'টৰটিলা ফ্লেটে' তেওঁক জনপ্ৰিয় কৰিছিল, 'অব ডুবিয়াছ বেটেল' আৰু 'অব মাইচ এণ্ড মেন'এ তেওঁক আমেৰিকাৰ সবাতোকৈ গুৰুত্বপূৰ্ণ লেখক হিছাপে প্ৰতিষ্ঠা কৰিলে।

'অব মাইচ এণ্ড মেন'ৰ নাট্যৰূপে ১৯৩৭ চনত আমেৰিকাৰ বিখ্যাত নাট্যমঞ্চ ব্ৰডৱেত বিপুল সাফল্য লাভ কৰিলে। কিন্তু সেই সময়ত ষ্টেইনবেক গ'ল ওক্লাহামালৈ। তাৰ পৰা এদল ভগনীয়াৰ সৈতে মাৰ্কিন যুক্তৰাষ্ট্ৰৰ দক্ষিণ পশ্চিম অঞ্চললৈ গ'ল। অৰ্থনৈতিক সংকটৰ কাৰণে দলে দলে মানুহ নানা ঠাইলৈ গুচি গৈছিল। কেলিফৰ্ণিয়াৰ ভিতৰুৱা অঞ্চলৰ মানুহে খাবলৈ নাপাই শুকাই মৰিছিল।

ষ্টেইনবেক্‌নিমগ্ন হ'ল এনে এখন কিতাপ লেখাত যিখনে জাতিক ক্ৰোধ আৰু অনুকম্পাৰে জগাই তুলিব। এই কিতাপ 'দি গ্ৰেপছ অব ৰথ' ১৯৩৯ চনত প্ৰকাশ পোৱাৰ লগে লগে তৰ্ক-বিতৰ্কৰ জোৱাৰ উঠিল। বহুতে ইয়াক অশ্লীল বুলি চিহ্নিত কৰিলে। উপন্যাসখন আমেৰিকাত নিষিদ্ধ কৰা হ'ল। ৰাজহুৱাভাবে ইয়াক দাহ কৰা হৈছিল। ৰাজনৈতিকভাবেও ইয়াক শ্ৰেণী সংগ্ৰামৰ বাবে দিয়া আহ্বান নিন্দা কৰা হ'ল। সেই সময়ত উপন্যাসখনৰ প্ৰকৃত সাহিত্যিক মূল্য নিৰূপণ কৰাই কঠিন হৈ পৰিছিল। বহুবছৰ পিছতহে সৃষ্টিধৰ্মী সাহিত্যৰ দৃষ্টিকোণৰ পৰা উপন্যাসখনৰ বিচাৰ কৰা হ'ল। জে, এফ, ব্ৰাটছ নামৰ এজন সমালোচকে লেখিলে 'শিল্পকলাৰ দিশৰ পৰা এনে কল্পনাশক্তি আৰু হৃদয়ৰ মহানুভৱতাৰ নিদৰ্শন আমেৰিকাৰ সাহিত্যত বিৰল।

ঐতিহাসিক অৰ্থনৈতিক অধোগতিৰ সময়ৰ ওক্লাহামা। আত্মৰক্ষাৰ কাৰণে এজন মানুহক হত্যা কৰা অপৰাধত কাৰাদণ্ড ভোগ কৰি ডেকা টম জোদ জেলৰ পৰা ওলাই আহি দেখিলে যে সিহঁতৰ ঘৰ-বাৰী, খেতি-পথাৰ সকলো নিশ্চিহ্ন। কিংকৰ্তব্য বিমূঢ় হৈ সি থিয় হৈ ৰৈ থাকোঁতে এজন মানুহে তাক ক'লে যে কোম্পানি আৰু বেংকৰ মানুহে আহি আধিয়াৰ সকলক উচ্ছেদ কৰিছে, কাৰণ আধিপ্ৰথাই হেনো মুনাফা নিদিয়ে। ট্ৰেক্টৰ লগাই সিহঁতে আধিয়াৰসকলৰ ঘৰ-দুৱাৰ ভাঙি পেলাইছে। টমৰ পৰিয়ালৰ সকলো মানুহ খুৰাকজনৰ ঘৰলৈ গুচি গৈছে বুলিও মানুহজনে তাক কলে।

জোদহঁতৰ পৰিয়ালটোত আছিল— ককাদেউতাক, বুঢ়ী আইতাক, খুৰাকজন, মাক, দেউতাক আৰু তেওঁলোকৰ ল'ৰা-ছোৱালী: টম, নোৱা, অল, গাভৰু জীয়েক ৰোজ (তাই এতিয়া গৰ্ভৱতী), ৰোজৰ গিৰিয়েক কনি, ৰুথি আৰু উইনফিল্ড। ৰুথি আৰু উইনফিল্ড সৰু সৰু। টম গৈ খুৰাকৰ ঘৰত উপস্থিত হোৱাত দেখিলে যে জোদ পৰিয়ালটো কেলিফৰ্ণিয়ালৈ যাবলৈ ওলাইছে। কাৰণ সিহঁতে এখন বিজ্ঞাপনৰ পৰা গম পাইছে যে তাত কেবা হাজাৰো শ্ৰমিকৰ আৱশ্যক। মাকে ভাবিছিল যে পৰিয়ালটো কেলিফৰ্ণিয়ালৈ যোৱাৰ আগতে টমে জেলৰ পৰা ওলাচ নাপাব। সেয়ে তেওঁ মনে মনে সদায় ভগৱানক খাটিছিল যাতে টমে সোনকালে মুক্তি পায়। এতিয়া টম আহি ওলোৱাত মাকে ভাবিলে, ভগবানে তেওঁৰ প্ৰাৰ্থনা পূৰণ কৰিলে। ওক্লাহামাৰ পৰা খুৰাকৰ ঘৰলৈ আহোঁতে টমে যাজক জিম কেছিক বাটত লগ পাইছিল। কেছিও টমৰ লগত আহিল। আজিকালি কেছিয়ে ধৰ্মপ্ৰচাৰ কৰি নুফুৰে, কাৰণ এতিয়া তেওঁ বিশ্বাস কৰে যে পবিত্ৰ আত্মা ভগবান বা যীশু বোলা ধাৰণাৰ মাজত নাথাকে, থাকে মানুহৰ শক্তিৰ মাজত আৰু সকলো মানুহেই পৱিত্ৰ আত্মাৰ অংশ মাত্ৰ।

মাকে জীৱনত বহু দুখ কষ্টৰ অভিজ্ঞতা অৰ্জন কৰিছে যদিও, কোনোদিনে হতাশাত ভাগৰি পৰা নাই। তেওঁ সদায় আশাবাদী। পৰিয়ালটোৰ কাৰণে তেওঁ দুৰ্গ-স্বৰূপা। টম আহি পোৱাত কেলিফৰ্ণিয়া যাত্ৰাৰ দিন ঠিক কৰা হ'ল। বয়-বস্তু বন্ধা হ'ল। গাহৰিবোৰ মাৰি মাংসবোৰ শুকুৱাই নিমখ সানি বান্ধি লোৱা হ'ল। পুৰণি 'হাডছন' গাড়ীখনত আটাইবোৰ উঠিল। দেউতাকে মাকক জিম কেছিৰ বিষয়ে উল্লেখ কৰি ক'লে, 'আমি জানো পৰিয়ালটোৰ উপৰিও

আন এজনৰ খোৱাৰ যোগাৰ দিব পাৰিম?' মাকে ক'লে, 'আমি পৰিবই লাগিব।' গাড়ী চলিবলৈ ধৰাত অলে মাকক সুধিলে, 'নতুন ঠাইলৈ যাবলৈ ওলোৱাত ভয় খাইছা নেকি?' মাকে ক'লে, 'নাই খোৱা। যেতিয়া যি পৰিস্থিতি আহে, আমি তাৰ সন্মুখীন হবই লাগিব।'

৬৬ নং পথ। মানুহৰ সোঁতেৰে আলিবাট পূৰ্ণ। পুৰণি গাড়ী, লৰী যিয়ে য'ত যেনেকৈ পাৰিছে উঠি যাত্ৰা কৰিছে পশ্চিম অভিমুখে। মাজ ৰাস্তাত বহুতো গাড়ী অচল হৈ পৰিছে, পুৰণি মটৰ গাড়ীবোৰে মানুহৰ ভিৰ সহ্য কৰিব নোৱৰাত পৰিছে। কিন্তু জোদহঁতৰ 'হাডছন'খন পুৰণি হলেও মজবুত। সি গৈ আছে। বাটত পৰিছে 'পেইণ্টেড ডেজাৰ্ট' নামৰ মৰুভূমি। মৰুভূমি পাৰ হব ধৰোঁতে ককাদেউতা আৰু বুঢ়ী আইতা বাটতে ঢুকাল। কসৰেতো নৈ পাওঁতে নোৱাই পৰিয়াল এৰি অইনফালে কাম বিচাৰি গুচি গ'ল। পৰিয়ালটোত ভাঙোন আৰম্ভ হোৱাত মাকৰ বেজাৰ লাগিল।

মৰুভূমি অঞ্চল পাৰ হৈ সিহঁতে কেলিফৰ্ণিয়াৰ সেউজীয়া উপত্যকা দেখিবলৈ পালে। ভগনীয়া শিবিৰ পাওঁতে সিহঁতৰ ৰাতি হ'ল। আমেৰিকাৰ অৰ্থনৈতিক অধোগতিৰ সময়ত কাম আৰু খাদ্যৰ সন্ধানত ঘৰ-বাৰী এৰি অহা লোকসকলৰ আশ্ৰয়ৰ বাবে সেই সময়ৰ মাৰ্কিন ৰাষ্ট্ৰপতি হুভাৰৰ নিৰ্দেশত দেশৰ ভালেমান ঠাইত আশ্ৰয় শিবিৰ স্থাপন কৰা হৈছিল। এইবোৰৰ নাম দিয়া হৈছিল 'হুভাৰছভিল'। জোদ পৰিয়ালটোৱে এনেকুৱা এটা 'হুভাৰছভিল'ত থাকিবলৈ ল'লে। ফ্লইড নামৰ মানুহ এজনে ক'লে যে কেলিফৰ্ণিয়াও ঘিউ-মাখনৰ ঠাই নহয়। ইয়াতো কাম পোৱা মস্কিল। সি ক'লে যে খেতিৰ কাম কৰিবলৈ মালিকসকলে যদি এহেজাৰ বনুৱাৰ বাবে বিজ্ঞাপন দিয়ে, তেন্তে বুজি লব লাগিব যে প্ৰকৃততে এশজন হ'লেই হয়। এশজনৰ ঠাইত এহেজাৰজন লয় এইকাৰণেই যে তেনেস্থলত মালিকে অতি কম মজুৰি দিয়াৰ সুচল পায়। মানুহবোৰেও উপায়হীন হৈ কম মজুৰিকে লব লগাত পৰে। তদুপৰি মালিকে স্থায়ীভাবে কোনো লোকক নিয়োগ নকৰে। ইয়াৰ পৰা মালিকৰ সুবিধা এয়েই হয় যে অস্থায়ী মানুহক নিজৰ ইচ্ছামতে মজুৰি দিব পাৰে আৰু বনুৱাসকলেও নিজৰ কোনো সংগঠন গঢ়ি তোলাৰ সুবিধা নাপায়।

চাৰিওফালে চৰম দাৰিদ্ৰ্য। ল'ৰা-ছোৱালীবোৰ খাবলৈ নাপাই কংকালসাৰ

হৈছে। বোজৰ গিৰিয়েক কনি এদিন ৰাতি কৰবালৈ গুচি গ'ল। ৰাতিপুৱা এজন মানুহ আহিল, লগত এজন স্থানীয় প্ৰশাসনীয় বিষয়াও আহিল। মানুহজনে সিহঁতক ক'লে, 'তোমালোকে টুলেয়াৰ জিলাত কাম পাবা।' ফ্লইডে বেতনৰ বিষয়ে সোধাত মানুহজনে তাক 'লাল বিদ্ৰোহী' বুলি অভিহিত কৰিলে আৰু বিষয়াজনে তাক লক্ষ্য কৰি গুলী কৰিলে। কিন্তু গুলী ফ্লইডৰ গাত নালাগি লাগিল গৈ এজনী তিৰোতাৰ হাতত। জিম কেছিয়ে বিষয়াজনক ঘুচিযাই বগৰাই পেলালে আৰু বন্দুকটো কাঢ়ি ললে, 'কিন্তু পহৰাদাৰসকলে জিম কেছি আৰু ফ্লইডক কৰায়ত্ত কৰি শিবিৰবাসীক ক'লে, এই দুজনক আমি জেললৈ নিম আৰু তোমালোকে শিবিৰ ত্যাগ কৰা কাৰণ আজি ৰাতি এই শিবিৰটো জুই লগাই পুৰি পেলোৱা হ'ব।' ৰোজে কান্দিবলৈ ধৰিলে, কাৰণ কনি ঘূৰি নহাকৈ তাই এই ঠাই এৰি যাব নোখোজে। কিন্তু মাকে ক'লে, 'আমি যাম, কনিক আমি নিশ্চয় বাটত কৰবাত লগ পাম।' অৱশ্যে ক'নি আৰু কোনোদিনে জোদ পৰিয়ালৰ মাজলৈ ঘূৰি নাহিল।

শিবিৰ এৰি গৈ জোদ পৰিয়ালে আন এটা চৰকাৰী শিবিৰত আশ্ৰয় ললে। এই শিবিৰটো আগতকৈ ভাল আছিল। কিন্তু ওচৰে-পাজৰে কামৰ সুবিধা নথকাত মাকে ক'লে, 'আমি ইয়াৰ পৰা যাব লাগিব।' গৈ থাকোঁতে এজন মানুহে বাটত সিহঁতক ক'লে যে বগৰী বুটলিবলৈ শ্ৰমিকলোকৰ দৰকাৰ। বগৰী বাগিচাৰ প্ৰৱেশদ্বাৰত পুলিচ আছিল। জোদহঁতক বাগিচাৰ ভিতৰলৈ লৈ যোৱা হ'ল। ভিতৰলৈ সোমোৱাৰ পিছত সিহঁতক বাহিৰলৈ ওলাবলৈ দিয়া নহ'ল। কাৰণ বাগিচাখনৰ আগৰ বনুৱাসকলে ধৰ্মঘট কৰিছিল আৰু ধৰ্মঘটকাৰীসকলে পিকেটিং আৰম্ভ কৰিছিল। টমে বাগিচাৰ বেৰৰ বাহিৰলৈ চাই দেখিলে যে জিম কেছিয়ে ধৰ্মঘটকাৰী সকলক নেতৃত্ব দিছে। কেছিয়ে টমক ক'লে— 'তোমালোকে ইয়াতে কাম কৰি মজুৰি কমোৱাতহে সহায় কৰিছা। যদি আমি সকলোৱে ঐক্যবদ্ধ হওঁ, তেন্তে মালিকহঁতে আমাক ন্যায্য মজুৰি দিবলৈ বাধ্য হ'ব।' পুলিচবোৰে কেছিৰ কথা শুনিবলৈ পালে। এজন পুলিচ কেছিৰ ওচৰলৈ আহিল। কেছিয়ে তাক ক'লে, 'তোমালোকে ল'ৰা-ছোৱালীক ভোকত ৰাখিছা তোমালোকে কি কৰিছা— তোমালোকে নিজেই বুজি পোৱা নাই। এয়েই আছিল কেছিৰ শেষ কথা। কাৰণ কথা

কোৱা শেষ হোৱাৰ লগে লগে পুলিচটোৱে কেছিৰ মূৰত লাঠিৰে মাৰ শোধাই মূৰ ভাঙি পেলালে। টমে পুলিচটোক ধৰি হত্যা কৰিলে। আন এজন পুলিচে দৌৰি আহি টমৰ মুখত আঘাত কৰিলে। কিন্তু ৰাতিৰ আন্ধাৰৰ আঁৰত টম লুকাই পৰিল। সি মাকক সকলো কথা ক'লে। মাকে ক'লে- 'তুমিতো পুলিচটোক মাৰিম বুলি মৰা নাই। আমি কালি পোহৰ নৌহওঁতেই এই ঠাই এৰি গুচি যাব লাগিব নিৰাপদে।' জোদ পৰিয়ালে সেই ঠাই এৰি পুনৰ যাত্ৰা আৰম্ভ কৰিলে।

বাটৰ এঠাইত এখন জাননী সিহঁতে দেখিবলৈ পালে: "কপাহ তোলা মানুহ লাগে।" জোদ পৰিয়ালে ইয়াতে কাম কৰিবলৈ ল'লে। টম এটা কালভাৰ্টৰ তলত লুকাই থাকিল। ৰাতি মাকে মনে মনে টমক খাদ্য দিয়েগৈ। কিন্তু কথাটো অলপ জনাজনি হোৱাত মাকে এদিন তাক ক'লে যে সি এই ঠাই এৰি গুচি যাব লাগিব। মাকক টমে ক'লে 'ভয় নকৰিবা মা, কেছিয়ে কৈছিল মানুহৰ সুকীয়া আত্মা নাই, মানুহ পৰমাত্মাৰে অংশ। গতিকে মই থাকিলোঁ বা নাথাকিলোঁ কোনো কথা নাই। মই সকলোতে থাকিম, মানুহে য'ত অনাহাৰে আছে, মানুহে য'ত অত্যাচাৰ পাই আছে তাতেই মই থাকিম আৰু যেতিয়া মানুহে সুখে সন্তোষে নিজৰ পৰিয়ালৰ সৈতে দুবেলা দুমুঠি খাবলৈ পাব, তেতিয়াও মই তাতেই থাকিম।' টমৰ কথাৰ মৰ্ম বুজিব নোৱাৰিলেও মাকৰ মন এক অনিৰ্বচনীয় আনন্দেৰে ভৰি পৰিল।

ৰোজেও আজিকালি দুখ নকৰে, গিৰিয়েকৰ কথাও বৰকৈ ভাবি নাথাকে। তাই এতিয়া পূৰ্ণবয়স্কা। তাইৰ প্ৰসৱৰ সময় হৈছে। কপাহ পামতেই ৰোজে প্ৰসৱ কৰিলে; কিন্তু সন্তানটো জন্মতেই মৃত। এই ঘটনাৰ পিছত জোদ পৰিয়ালে কপাহ পাম এৰি যাবলৈ মনস্থ কৰিলে। অল কিন্তু নৈ গ'ল. কাৰণ সি তাৰেই এজনী ছোৱালীৰ সৈতে প্ৰেমত পৰিছে আৰু তাইক বিয়া কৰাবলৈ স্থিৰ কৰিছে। 'হাডছন' গাড়ীখনো সি ৰাখিলে। জোদ পৰিয়ালৰ অৱশিষ্টসকলে পদব্ৰজেই আগবাঢ়িল। দুৰ্বল শৰীৰৰ ৰোজক দেউতাক আৰু জন খুৰাই কঢ়িয়াই নিলে। বাটত সিহঁতে এটা জুপুৰী দেখা পোৱাত মাকে ক'লে, 'ৰোজে জুপুৰীটোত অলপ জিৰণি লোৱাই ভাল হ'ব।' জুপুৰীটোত সোমাই সিহঁতে দেখিলে যে এজন বুঢ়া মানুহ মাটিত খেৰৰ ওপৰত শুই আছে আৰু ওচৰত

সক ল'বা এটা বহি আছে। ল'বাটোৱে ক'লে, 'এওঁ কেইবাদিনো একো খাবলৈ পোৱা নাই— যদি অলপ গাখীৰ বা বস খুউৱা নহয় তেন্তে এওঁ মৰিব।' মাকে ৰোজৰ চকুলৈ চালে আৰু ক'লে 'ঠিক আছে।' মাকে আন সকলোকে বাহিৰলৈ লৈ গ'ল। ৰোজ বুঢ়াজনৰ ওচৰত বহিল। বুঢ়াৰ ওচৰত বহি বুঢ়াৰ মূৰটো আলফুলকৈ কোলাত তুলি ললে। তাই ব্লাউজৰ বুটাম খুলি নিজৰ স্তন উলিয়াই বুঢ়াৰ মুখত গুঁজি দিলে। 'খোৱা'— তাই বুঢ়াক ক'লে, তাইৰ মুখমণ্ডলত এক ৰহস্যময় হাঁহিৰ ঢৌ বিয়পি গ'ল।

যদি ষ্টেইনবেকে কেৱল জোদ পৰিয়ালৰ কাহিনী বৰ্ণনা কৰিলেহেঁতেন, তেন্তে ই হ'লহেঁতেন এখন তথ্যমূলক উপন্যাস। কিন্তু উপন্যাসখনৰ বাইবেল সদৃশ গাঁথনি আৰু জটিল প্ৰতীকৰ ব্যৱহাৰে ইয়াক মহাকাব্যৰ পৰ্যায়লৈ উন্নীত কৰিছে। ইয়াৰ কাহিনী বিন্যস্ত হৈছে তিনিটা পৰ্যায়ত: অত্যাচাৰ আৰু অত্যাচাৰীৰ দেশৰ পৰা প্ৰস্থান (The departure from the Land of oppression and the oppressors) ওক্ল'হামা, মাটিৰ মালিক আৰু বেংক); বহিৰ্গমন (Exodus ওক্লাহামাৰ পৰা কেলিফৰ্ণিয়ালৈ যাত্ৰা) আৰু প্ৰতিশ্ৰুত দেশত (Promised Land: কেলিফৰ্ণিয়া) কানানৰ শত্ৰুভাবাপন্ন জাতিৰ মাজত (কেলিফৰ্ণিয়াৰ অধিবাসীসকল) প্ৰবাস-জীৱন। বাইবেলৰ এই পৰিপ্ৰেক্ষিতত 'জিম কেছি' (Jim Casy) নামটোৰ প্ৰথম দুটা আখৰ উল্লেখযোগ্য। J=Jasus, C=christ উপন্যাসখনৰ নামটোতো আছে বাইবেলৰ Revelation ৰ স্পৰ্শ। এই দুটা বিষয়ৰ সৈতে ষ্টেইনবেকে মিশ্ৰণ ঘটাইছে 'আঙুৰ'ৰ প্ৰতীকৰ। ৰোজ হ'ল বাইবেলৰ 'ছং অব ছংছ'ৰ (Song of songs) প্ৰেমিকা যাৰ স্তনযুগল এথোপা আঙুৰৰ দৰে (Whose breasts are like unto a chuster of grapes.)"

আমেৰিকাৰ অন্যতম শ্ৰেষ্ঠ ঔপন্যাসিক জন ষ্টেইনবেকক ১৯৬২ চনত সাহিত্যৰ নোবেল পুৰস্কাৰ প্ৰদান কৰা হয়। উপন্যাসখনৰ বাণী হৈছে— ৰোজ নামৰ ছোৱালীজনীৰ স্তনৰ দুগ্ধখিনিয়ে মৃত্যুমুখী বুঢ়াক যেনেকৈ ৰক্ষা কৰিলে সেইদৰে মৃত্যুমুখী মানৱতাক ৰক্ষা কৰিব অন্তৰৰ প্ৰেমে (milk of human kindness)। এই বাণী চিৰন্তন। সোণৰ-মূল্য আছে এই Revelation বা প্ৰকাশৰ মহানতাত।

বৰিছ্ পাষ্টেৰনাকৰ ডাক্তৰ জিভাগো

(৭০)

বৰিছ পাষ্টেৰনাকৰ জন্ম হৈছিল ১৮৯০ চনত মস্কোত। পৰিয়ালত আছিল এক সাংস্কৃতিক পৰিৱেশ। মস্কো বিশ্ববিদ্যালয়ৰ পৰা আইনৰ স্নাতক হোৱাৰ পিছত তেওঁ উপলব্ধি কৰিলে যে সাহিত্যই হ'ব তেওঁৰ জীৱিকা। তেওঁ কবিতা লেখিবলৈ আৰম্ভ কৰিলে। তেওঁ ছোভিয়েটৰ সমৰ্থক আছিল যদিও প্ৰতিটো কথাতে চৰকাৰক সমৰ্থন কৰা নাছিল। সেই কাৰণে ১৯৪৫ চনৰ পিছত কিছুদিনৰ কাৰণে তেওঁৰ লেখা নিষিদ্ধ কৰা হৈছিল। এই সময়তে তেওঁ 'ডাক্তৰ জিভাগো' উপন্যাসখন লেখিবলৈ আৰম্ভ কৰে। ই প্ৰথমে ১৯৫৭ চনত ইটালীয়ান ভাষাত প্ৰকাশ পায়। ১৯৫৮ চনত ইংৰাজী অনুবাদ প্ৰকাশ পায়। সেই বছৰতে তেওঁক দিয়া হয় সাহিত্যৰ নোবেল পুৰস্কাৰ। কিন্তু পুৰস্কাৰে স্বদেশত তুমুল তৰ্ক-বিতৰ্কৰ সৃষ্টি কৰাত তেওঁ পুৰস্কাৰ ল'বলৈ অস্বীকাৰ কৰে। অৱশেষত ছোভিয়েত কৰ্তৃপক্ষই তেওঁক দেশ এৰি যাবলৈ কয় যদিও, তেওঁ দেশ এৰি যাবলৈ মান্তি নহ'ল। তেওঁ মত প্ৰকাশ কৰিলে যে উপন্যাসত বিপ্লৱোত্তৰ আৰু বিপ্লৱৰ সময়ৰ ছোভিয়েটৰ বাস্তৱ চিত্ৰ দাঙি ধৰা হৈছে। ই ছোভিয়েট বিৰোধী নহয়।

উপন্যাসখনত বিবৃত হৈছে বিপ্লৱৰ সময়ৰ, কেৰেনস্কি চৰকাৰৰ সময়ৰ আৰু গৃহযুদ্ধৰ সময়ৰ ৰুছিয়াৰ জীৱনৰ কাহিনী। বিভিন্ন চৰিত্ৰৰ কাম, জীৱন-যাত্ৰা আৰু সংগ্ৰামৰ মাজেদি ৰুছিয়াৰ এক সংকটকালীন ঐতিহাসিক যুগৰ প্ৰতিফলন ঘটোৱা এই কাহিনীয়ে প্ৰকৃততে ৰুচ জনজীৱনৰ মহত্বকে প্ৰকাশ কৰিছে। ইয়াৰ চৰিত্ৰসমূহ কৃত্ৰিম নহয়, তেজ-মঙহেৰে গঢ়া বাস্তৱ মানুহ।

ৰাজহুৱা আৰু ব্যক্তিগত জীৱনৰ দ্বন্দ্ব-সংঘাত আদৰ্শ ব্যক্ত হৈছে দুটা প্ৰধান চৰিত্ৰৰ মাজেৰে : ইউৰি জিভাগো আৰু লাৰিছা (লাৰা) হুইছাৰ। ৰুছিয়াৰ ৰাজনৈতিক ঘটনাৱলীৰ সৈতে ইউৰি আৰু লাৰাৰ জীৱনৰ ঘটনাৱলী ওত:প্ৰোতভাৱে জড়িত হৈ পৰিছে।

উপন্যাসত ইউৰিক পডুৱৈয়ে লগ পায় এটা সৰু ল'ৰা হিছাপে। মস্কোৰ বাহিৰত তাৰ মাকৰ অন্ত্যেষ্টিক্রিয়াৰ সময়ত সি উচুপিছে। সেয়া আছিল১৯০১ চন। তাৰ বাপেক এসময়ত আছিল ধনী, কিন্তু আমিতাচাৰৰ বলী হৈ তেওঁ পৰিয়াল ত্যাগ কৰে। কোমাৰভস্কি নামৰ এজন কুচক্রী উকীলৰ প্ৰৰোচনাত ইউৰিৰ বাপেকে আত্মহত্যা কৰে। অনাথ অৱস্থাত ইউৰিক মস্কোলৈ লৈ আহে গ্রোমিকো পৰিয়ালে। এইটো এটা বুদ্ধিজীৱী পৰিয়াল। পৰিয়ালটোত ইউৰিৰ সমবয়সীয়া এজনী জীয়েক আছিল। তাইৰ নাম টোনিয়া।

এওঁলোক ধনী। মস্কোৰ আন এটা দুখীয়া অংশত থাকে এজন বেলজিয়ান ইঞ্জিনিয়াৰৰ বিধবা পত্নী এমেলিয়া গুইছাৰ আৰু তেওঁৰ গাভৰু জীয়েক লাৰা। কোমাৰভস্কি আছিল এমেলিয়াৰ গিৰিয়েকৰ বন্ধু। পিছত সি এমেলিয়াৰ প্রেমিকৰ ভূমিকা ললে। কিন্তু তাৰ চকু আছিল সুন্দৰী যুৱতী লাৰাৰ ওপৰত।

ইতিমধ্যে ৰেল-শ্রমিকসকলে ধর্মঘট কৰে। শ্ৰমিক সকলৰ এজন হ'ল এন্টিপভ। সি আছিল ৰেললাইনৰ ওভাৰচিয়াৰ। ধর্মঘটৰ সৈতে জড়িত থকা কাৰণে পিছত তাৰ দীৰ্ঘ কাল কাৰাদণ্ড হৈছিল। সেই সময়ত এন্টিপভৰ পুত্ৰ পাছা আন এটা শ্রমিক-পৰিয়ালৰ লগত আছিল। মস্কোত হোৱা সংঘৰ্ষৰ ওপৰত যি কোনোমতেহে কছাকসকলৰ আক্ৰমণৰ পৰা ৰক্ষা পৰিছিল। ৰাজহুৱা সভা সমাবেশ ভাঙি দিবলৈ জাৰে কছাকবাহিনী নিয়োগ কৰিছিল।

ইফালে অৱশেষত নানা কৌশল প্রয়োগ কৰি কোমাৰভস্কিয়ে লাৰাক পথভ্রষ্ট কৰিবলৈ সমর্থ হ'ল। লাৰাৰ সৈতে কোমাৰভস্কি উপগত হোৱা দৃশ্য উপন্যাসত বৰ্ণনা কৰা হোৱা নাই, ইংগিতেৰে প্ৰকাশ কৰা হৈছে। লাৰাৰ বিবেকত কোমাৰভস্কিৰ কাৰ্যাৱলীয়ে অনৱৰত দংশন কৰিছে, তাই নিজকে অশুচি বুলি ওৰে জীৱনটো ভাবিছে।

কোমাৰভস্কিৰ কবলৰ পৰা নিজকে ৰক্ষা কৰিবলৈ লাৰাই এটা ধনী পৰিয়ালৰ পৰিচাৰিকা (গভৰ্নেছ) কাম লোৱাৰ পিছত তিনি বছৰ পাৰ হ'ল। এতিয়া তাই নিজৰ বৰীয়াকৈ কিবা এটা কৰাৰ বিশেষকৈ শিক্ষয়িত্রী হিছাপে কাম কৰাৰ মন মেলে। তাই ক্ষতিপূৰণ হিছাপে কোমাৰভস্কিৰ পৰা কিছু টকা দাবী কৰিবলৈ সিদ্ধান্ত ললে। যদি সি দিবলৈ অস্বীকাৰ কৰে বা কিবা প্ৰকাৰে তাইক অপদস্ত কৰাৰ চেষ্টা কৰে, তেন্তে তাই তাক হত্যা কৰিব বুলিও স্থিৰ

কৰিলে। ১৯১১ চনৰ খৃষ্টমাছৰ সময়ত লাৰাই গম পালে যে গ্ৰোমিকো পৰিয়ালৰ বন্ধুবৰ্গই দিয়া 'পাৰ্টি'লৈ সি গৈছে। তাই পোছাকৰ তলত এটা পিস্তল লুকুৱাই লৈ বৰফে ঢকা নগৰৰ বাটেৰে খোজ ললে। বাটত তাই বাল্যকালৰ পৰা লগৰীয়া পাছা এন্টিপভক লগ ধৰিলে। পাছা এতিয়া ৰাজনীতি সচেতন যুৱক। সি লাৰাক খুব ভাল পায়। পাছাও 'পাৰ্টি'লৈ যাবলৈ ওলায়। হঠাৎ কিবা এক আবেগত লাৰাই বিজুলী-চাকি নুমুৱাই মমবাতি জ্বলাবলৈ পাছাক ক'লে। মমবাতিৰ শিখা কঁপি উঠিল.... তাৰ পিছত কাড়ঁৰ দৰে ৰূপলৈ স্থিৰ হ'ল। খিৰিকীৰ কাঁচৰ বৰফ গলি এটা ছিদ্ৰৰ ৰূপ ল'লে। লাৰাই পাছাক ক'লে যে তাই বৰ বিপদৰ মাজত, গতিকে সি তাইক সোনকালে বিয়া কৰাব লাগে। এই কথাত পাছাই আগ্ৰহেৰে সম্মতি জনালে।

ইতিমধ্যে পাৰ হৈ যোৱা বছৰবোৰৰ ভিতৰত ইউৰিজিভাগো ডাক্তৰ হৈ ওলাল আৰু তাৰ কবিত্ব শক্তিও বাঢ়িল। একেলগে ডাঙৰ দীঘল হোৱা ইউৰি আৰু টোনিয়াৰ মাজতো বিয়াৰ বন্দোবস্ত হৈছিল। এই মুহূৰ্তত সিহঁত দুটাও পাৰ্টিলৈ গাড়ীত গৈ আছিল। পাছা আৰু লাৰা সেই সময়ত পাছাৰ ঘৰৰ ভিতৰত আছিল। ইউৰিয়েপাছাৰ ঘৰৰ ফালে চাই মমবাতিৰ পোহৰ খিৰিকীৰে বাহিৰলৈ অহা দেখিলে। তাৰ অনুভৱ হ'ল— মমবাতিৰ পোহৰ যেন কাৰোবালৈ অপেক্ষা কৰিছে। 'টেবুলৰ ওপৰত মমবাতি জ্বলিছে, মমবাতি জ্বলিছে'— ইউৰিয়ে নিজে নিজে উক্তি কৰিলে— এটা কবিতাৰ অসংলগ্ন আৰম্ভণি। সি ভাবিলে কবিতাটোৱে তাৰ মনত আপোনা আপুনি ৰূপ পাব, কিন্তু তাৰ মনলৈ আন একো কবিতাৰ শাৰী নাহিল।

পাৰ্টিত লাৰাই কোমাৰভস্কিৰ সৈতে কথা-বতৰা নাপাতিলে। তাই পিস্তলেৰে তাক লক্ষ্য কৰি গুলী কৰিলে। কিন্তু তাইৰ লক্ষ্যভ্ৰষ্ট হ'ল। লাৰাক গ্ৰেপ্তাৰ কৰা হ'ল যদিও, দুৰ্নামৰ হাত সাৰিবলৈ কোমাৰভস্কিয়ে আদালতৰ বাহিৰত গোচৰটো মিটমাট কৰিবলৈ উৰাল প্ৰদেশলৈ গুচি গ'ল। ইতিমধ্যে ইউৰিয়ে তেতিয়া মস্কোৰ হস্পিতাল এটাত কাম কৰিছিল। এনেতে প্ৰথম মহাযুদ্ধ আৰম্ভ হোৱাত তাক ফৌজৰ ডাক্তৰ হিছাপে গেলিচিয়া সীমান্তলৈ নিয়া হ'ল। ইতিমধ্যে লাৰাও এজনী কন্যা সন্তানৰ মাতৃ হয়। কিন্তু পৰিয়ালত আৰ্থিক অসুবিধা হোৱাত পাছাই সৈন্যদলত যোগ দিলে আৰু লাৰাইয়ো বন্ধু-বান্ধৱীৰ

হাতত শিশু কন্যা কাটিয়াক গটাই দি সীমান্তলৈ নাৰ্ছ হিচাপে গুচি গ'ল। অৱশেষত তাই ইউৰিয়ে কাম কৰি থকা হস্পিতালটো পালেগে।। ইউৰিয়ে তাইক তৎক্ষণাৎ চিনি পালে।

ইউৰি আৰু লাৰাৰ পৰিচয় পৰ্ব ঔপন্যাসিক পাষ্টেৰনাকে অতি সূক্ষ্মভাবে বৰ্ণনা কৰিছে। দুয়ো উপলব্ধি কৰিলে যে দুয়োৰো বাবে কিহবাই যেন অপেক্ষা কৰি আছে, কিন্তু দুয়োৰো মাজত দ্বিধাৰ এটা ভাব বিৰাজ কৰিছিল। কাৰণ দুয়ো বিবাহিত, দুয়োৰো সন্তান আছে। দুয়ো সেই সময়ত আৰম্ভ হোৱা ৰুচিয়ান বিপ্লৱ সম্পৰ্কে আলোচনা কৰাৰ সময়ত ইউৰিয়ে 'নিজস্ব, ব্যক্তিগত বিপ্লৱ'ৰ কথাও ক'লে। ইউৰিৰ কণ্ঠস্বৰৰ যি আবেগ আছিল, তাৰ মৰ্ম বুজি লাৰাই ক'লে, 'এইটোৱেই আছিল মোৰ শংকা, মই তোমাক জনাৰ দৰে তোমাক এতিয়া যিভাবে ভাবিছো, তুমি সেইদৰেই থাকা।'

এসপ্তাহ পিছত লাৰা উৰাল প্ৰদেশৰ ইউৰাটিন চহৰলৈ শিক্ষয়িত্ৰী হিচাপে গ'ল। ইউৰি মস্কোত থকা পৰিয়ালৰ মাজলৈ গ'ল। এই সময়ত কেৰেনস্কিত অস্থায়ী চৰকাৰ প্ৰতিষ্ঠা হৈছে। আলিবাটত চলিছে সংঘৰ্ষ। খাদ্য আৰু ইন্ধনৰ নাটনিয়ে দেখা দিয়ে। শীতৰ প্ৰকোপ বাঢ়ে। সেই অৱস্থাত টোনিয়াৰ দেউতাক আৰু জিভাগো পৰিয়ালে কায়ক্লেশে দিন কটায়। বসন্তকাল অহাত তেওঁলোকে ইউৰাটিৰ বাহিৰত অৱস্থিত খেতি পাম ভেৰিকিনলৈ প্ৰব্ৰজন কৰাৰ সিদ্ধান্ত ল'লে। এই খেতি পামৰ গৰাকী এসময়ত আছিল টোনিয়াৰ ককাদেউতাক। তাত অন্তত: পৰিয়ালটো স্বয়ং নিৰ্ভৰ হৈ থাকিব পাৰিব বুলি তেওঁলোকে আশা কৰিলে। যুদ্ধ বিধ্বস্ত গ্ৰাম্যাঞ্চলৰ মাজেৰে মালবাহী ট্ৰাকত উঠি তেওঁলোকে কষ্টকৰ যাত্ৰা আৰম্ভ কৰিলে । অৱশেষত ভেৰিকিনো পাই তাৰ এটা পৰিত্যক্ত ঘৰৰ এটা অংশত তেওঁলোক থাকিবলৈ ল'লে। ইউৰিয়ে ওচৰ-চুবুৰীয়াৰ অসুখ বিসুখত চিকিৎসা কৰিবলৈ ল'লে। সিহঁতে জীয়াই থাকিবলৈ পৰস্পৰে পৰস্পৰক সহায় কৰিলে। কিন্তু ইউৰিয়ে উপলব্ধি কৰিলে যে সিহঁতৰ শ্ৰেণীৰ লোক ধ্বংস হোৱাটো অৱধাৰিত। এসময়ত সি কবিতা লেখিছিল, কিন্তু এতিয়া তাৰ মনত কাব্যৰস নাই। যুগ-ধৰ্ম যেন তাৰ বিপক্ষে, বিপ্লৱেও চাৰিওফালে হতাশাহে বিয়পাইছে। তথাপি সি সপোনত যেন কোনো নি:সংগ নাৰী কণ্ঠৰ আহ্বান শুনিবলৈ পায়। বসন্তকাল অহাত সি যেন নাইটিংগেল চৰাইৰ সংগীতত শুনিবলৈ পালে: 'উত্তিষ্ঠ।'

এদিন ইউৰি ইউৰাটিন চহৰৰ পুথি ভঁৰালত গ'ল আৰু তাত লাৰাক দেখিবলৈ পালে। সি তাইৰ সৈতে তৎক্ষণাৎ কথা-বতৰা নাপাতিলে। পিছত সি তাইক তাইৰ ফ্লেটত লগ ধৰিলে। দুয়োৰো মাজত নানা কথা-বতৰা হ'ল। ফ্লেটৰ চাবিটো থোৱা ঠাই দেখুৱাই দি লাৰাই ইউৰিক ক'লে, 'তুমি ইচ্ছা কৰিলে কেতিয়াবা মই নাথাকিলেও ইয়ালৈ আহি বিশ্ৰাম লব পাৰা।'

পিছৰ সপ্তাহবোৰত লাৰাক লগ ধৰিবলৈ ইউৰি কেবাবাৰো ইউৰাটিনলৈ গ'ল। ভেৰিকিনোলৈ সি উভতে আবেলিপৰত। এদিন গোটেই ৰাতি সি উভতি নাহি পিছদিনা পুৱা আহি কিবা কামৰ বাবে ৰাতি আহিব নোৱাৰিলে বুলি টোনিয়াক ক'লে। ইউৰিয়ে অৱশ্যে এইদৰে কৈ তীব্ৰ বিবেক দংশন অনুভৱ কৰিলে। আনহাতে লাৰাৰ প্ৰতিও আছিল তাৰ দুৰ্বাৰ দুৰ্বলতা। এদিন ইউৰাটিনৰ পৰা ঘূৰি আহোঁতে টোনিয়াক সকলো কথা মুকলিকৈ ক'ব বুলি ভাবি আহিছিল। কিন্তু বাটত তিনিজন অশ্বাৰোহীয়ে তাৰ বাট ভেটি ধৰিলে আৰু তাক লাল-ফৌজৰ এটা গোষ্ঠীৰ ডাক্তৰ হিচাপে কাম কৰিবলৈ বন্দী কৰি লৈ গ'ল।

দুবছৰ কাল ছাইবেৰিয়াৰ জংঘলত লাল ফৌজৰ সৈতে কষ্টকৰ জীৱন ইউৰিয়ে কটালে। সেই সময়ত লালফৌজ শ্বেতফৌজৰ সৈতে সংঘৰ্ষত লিপ্ত আছিল। পাষ্টেৰনাকে ইয়াতে সেই সময়ৰ ৰুছ জনগণে, ভোগ কৰা অসীম দুখ কষ্টৰ বৰ্ণনা দিছে; যি বৰ্ণনাৰ সৈতে সেই সময়ৰ ৰুছ বিপ্লৱৰ নেতা সকলৰ বাগাড়ম্বৰ পূৰ্ণ কথাৰ কোনো মিল নাই। অনশন, বিশ্বাসঘাতকতা আৰু হত্যা সেই সময়ত চলিছিল ব্যাপকভাবে। ইউৰিয়ে প্ৰায়ে লাৰা আৰু টোনিয়াৰ কথা ভাবিছিল। এদিনাখন সি লাল ফৌজৰ কবলৰ পৰা পলাবলৈ সমৰ্থ হ'ল।

ছাইবেৰিয়াৰ বিস্তৃত পথ পদব্ৰজে অতিক্ৰম কৰি অনাহাৰ অনিদ্ৰাত জৰ্জৰিত ইউৰি এদিন ইউৰাটিন পালেহি। তাত সি শুনিলে যে দস্যুৰ আক্ৰমণৰ ভয়ত ভেৰিকিনোৰ মানুহ আৰু তাৰ পৰিয়ালৰ লোক কেইসপ্তাহমান আগতে মস্কোলৈ গুচি গৈছে। হতাশ হৈ সি কোনোমতে লাৰাৰ ফ্লেটলৈ গ'ল। লাৰা তেতিয়া ঘৰত নাছিল। সি অতিশয় ক্লান্ত হৈ তাতে থাকিল। সপোনত সি পুতেকক দেখিবলৈ পালে। ইতিমধ্যে লাৰা অহাত সি টোপনিৰ পৰা সাৰ

পালে। বহুদিনৰ মূৰত পৰস্পৰে পৰস্পৰক পাই আনন্দত অধীৰ হ'ল। সিহঁতৰ বৰ্ণনাতীত যন্ত্ৰণাৰ শেষত দুয়ো জীৱনৰ লালসা অনুভৱ কৰিলে। এক কালাতীত অনুভূতিৰ মাজত দুয়ো নিমগ্ন হ'ল। লাৰাই তাইৰ জীৱনৰ বিভীষিকা স্বৰূপা কোমাৰভস্কি আৰু এজন ইউৰলছেভিক ষ্ট্ৰেলনিকভৰ নামৰ মানুহৰ কথা ইউৰিক ক'লে। ষ্ট্ৰেলনিকভ আচলতে লাৰাৰ গিৰিয়েক পাছা এণ্টিনভৰ বাহিৰে আন কোনো নহয়। যুদ্ধৰ সময়ত পাছা জাৰ্মানৰ হাতত পৰিছিল আৰু যুদ্ধৰ পিছত 'লাল' সকলৰ সৈতে যোগ দিছিলহি। লাৰাই অনুভৱ কৰিলে যেন পাছাও আৰু বেছি দিন জীয়াই নাথাকে।

প্ৰথমে বিপ্লৱ-সম্পৰ্কে থকা উচ্ছ্বাস ইউৰিৰ মনৰ পৰা ক্ৰমাৎ নাইকিয়া হৈছিল। ব্যক্তিগত কাৰণত নহয়, ক্ষমতাশীল হোৱা সকলৰ গোড়ামি আৰু ৰক্তপিপাসু স্বভাৱ দেখিহে সি বীতশ্ৰদ্ধ হৈছিল। নেতা সকলৰ আশীৰ্বাদ পৰিণত হৈছিল 'ডাইনী বধ কৰাত' (witch hunting) অৰ্থাৎ বিৰোধী বুলি যিকোনো লোককে সিহঁতে হত্যা কৰিবলৈ ধৰিছিল। সি আৰু লাৰাও আছিল বিপদৰ মাজত বিশেষকৈ ইউৰাটিনত। কাৰণ তাত এটা বিপ্লৱী বিচাৰালয় স্থাপন কৰা হৈছিল। গতিকে দুয়ো ভেৰিকিনোলৈ যোৱাৰ সিদ্ধান্ত ল'লে। কিন্তু যাবলৈ নৌপাওঁতেই ক'ৰবাৰ পৰা কোমাৰভস্কি ওলালহি আৰু দুয়োকো পূৰ্বৰ প্ৰদেশলৈ তাৰ লগতে যোৱাৰ প্ৰস্তাৱ দিলে, কাৰণ তাত হেনো স্বাধীন চৰকাৰ প্ৰতিষ্ঠা হৈছে। কিন্তু ইউৰি আৰু লাৰাই সেই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিলে।

ইউৰি, লাৰা আৰু লাৰাৰ কন্যা কাটিয়া তিনিও ভেটিকানলৈ গ'ল। তাৰ কঠোৰ জীৱনৰ মাজতো সিহঁতে এক ধৰণৰ আটোমটোকাৰি গাৰ্হস্থ্য জীৱন গঢ়ি তুলিলে। ইউৰিয়ে আকৌ লেখশৰ স্পৃহা অনুভৱ কৰিলে। লাৰা আৰু কাটিয়া ৰাতি টোপনিত পৰিলে সি কবিতা লেখে। বহুদিনৰ আগৰ কবিতাৰ শাৰী এটা তাৰ মনত পৰে: 'টেবুলৰ ওপৰত মমবাতি জ্বলিছে, মমবাতি জ্বলিছে।' কবিতাটো সি সম্পূৰ্ণ কৰিলে (উপন্যাসৰ শেষত 'শীতৰ ৰাতি' শীৰ্ষক এই কবিতাটো আৰু জিভাগোৰ অন্যান্য কবিতা ছপা কৰা হৈছে।

ইয়াৰ এপষেক কালৰ পিছত কোমাৰভস্কিয়ে পুনৰ সিহঁতক লগ ধৰি ক'লে যে আৰু এক মুহূৰ্ত সময়ো নষ্ট কৰিব নালাগে, ইউৰাটিন ষ্টেচনত

ৰেলগাড়ী দূৰ প্ৰাচ্যলৈ যাবলৈ ওলাইছিল। নিৰাপত্তাৰ খাতিৰত গুচি যোৱাই শ্ৰেয়। লাৰাই জীয়েকৰ কাৰণে যাবলৈ সাজু হ'ল, ইউৰিও লগত যাব লাগিব বুলি কোৱাত ইউৰিয়ে সিহঁতক যাবলৈ দি অলপ পিছত গৈ ৰেলষ্টেচনত লগ ধৰিব বুলি ক'লে। দৰাচলতে ইউৰিৰ যোৱাৰ ইচ্ছা আছিল নিজ পৰিয়ালৰ সন্ধানত মস্কোলৈ। লাৰাহঁত ষ্টেচনৰ ফালে যোৱাত সি ঘূৰিলে ঘৰলৈ।

ইউৰিৰ জীৱনৰ শেষ বছৰবোৰৰ কথা এটা অধ্যায়ত বৰ্ণনা কৰা হৈছে। সি মস্কোলৈ পদব্ৰজে গ'ল। তাত গৈ গম পালে যে ৰুছিয়াৰ পৰা বহিষ্কাৰ কৰাত পৰিয়ালটো পেৰিছলৈ গুচি গৈছে। সি পাছপোৰ্ট আৰু ভিছাৰ কাৰণে চেষ্টা কৰি বিফল মনোৰথ হ'ল। ইউৰিয়ে গ্ৰোমিকো পৰিয়ালৰ ভূতপূৰ্ব ৰান্ধনীৰ ছোৱালীজনীক বিয়া কৰালে। সি জীৱনৰ ওপৰত নিয়ন্ত্ৰণ হেৰুৱাই পেলালে। লেখিব নোৱাৰা হ'ল, ডাক্তৰ হিচাপে কাম কৰাৰ স্পৃহাও হেৰুৱালে। এদিন এখন জনপূৰ্ণ ট্ৰামগাড়ীত যাওঁতে সি হৃদৰোগত আক্ৰান্ত হ'ল। মুকলি বতাহ লবলৈ ট্ৰামৰ পৰা নামিল, আলিবাটৰ ওপৰত বাগৰি পৰিল আৰু লগে লগে তাৰ মৃত্যু হ'ল।

ঘটনাচক্ৰত সেই সময়ত লাৰা আছিল মস্কোত। বন্ধুৰ ঘৰত ৰখা ইউৰিৰ মৃতদেহৰ ওচৰলৈ গৈ তাই শেষ বিদায় দিলে।

পিছৰ এটা চুটি অধ্যায়ত কোৱা হৈছে যে ইয়াৰ পিছতে এদিন লাৰাক ৰাস্তাত গ্ৰেপ্তাৰ কৰা হ'ল। সেই সময়ত এনে ধৰণৰ গ্ৰেপ্তাৰ ৰুছিয়াত সাধাৰণ ঘটনা আছিল। তাইক শ্ৰম শিবিৰলৈ পঠোৱা হ'ল। তাইৰ বিষয়ে আৰু একো শুনিবলৈ পোৱা নগ'ল। থাকিল কেৱল জিভাগোৰ কবিতাৱলী। তাৰ পুতেকো জীয়াই থকাৰ কথা কোৱা হৈছে। উপন্যাসৰ উপসংহাৰত দ্বিতীয় মহাযুদ্ধৰ সময়ৰ ৰুছিয়াৰ যুদ্ধ সীমান্তৰ দৃশ্য উপস্থাপিত হৈছে। সৈন্য বিভাগৰ কাপোৰ-ধোৱা বিভাগত কাম কৰা টানিয়াই মেজৰ জেনেৰেল জিভাগোক লগ পাইছে। তাই তাইৰ কষ্টকৰ জীৱনৰ কথা কোৱাত মেজৰ জেনেৰেলে তাইৰ পৰিচয় পাই তাইক পঢ়িবলৈ পঠোৱাৰ প্ৰতিশ্ৰুতি দিছে। মেজৰ জেনেৰেলজন আচলতে ইউৰিৰ বাপেকৰ পক্ষৰ সম্পৰ্কীয় ভায়েক। সি আগতেও মাজে মাজে ইউৰিক সহায় কৰিছিল যদিও উপন্যাসত তাৰ ভূমিকা ৰহস্যাবৃত, প্ৰতীকী।

লাৰাই এবাৰ কৈছিল যে সকলো হেৰোৱাৰ পিছতো জীৱনত প্ৰেম জীয়াই থাকিলে জীৱন পৰিপূৰ্ণ হৈ থাকে। উপন্যাসৰ কেন্দ্ৰীয় বাণীও এয়েই যেন অনুমান হয়। উপন্যাসখনৰ আন এটা বাণীৰ বিষয়ে এইদৰে ক'ব পাৰি: আমি সৰহভাগ মানুহেই সোধোঁ 'মই জীৱনৰ পৰা কি বিচাৰো?' কিন্তু প্ৰকৃতাৰ্থত আমি সোধা উচিত—'জীৱনে মোৰ পৰা কি বিচাৰে?' মানুহৰ অদম্য শক্তিৰ ওপৰত আস্থাই 'ডাক্তৰ জিভাগো'ক মহত্তম সৃষ্টিৰ শ্ৰেণীভুক্ত কৰিছে। 'ডাক্তৰ জিভাগো' পৃথিৱীৰ প্ৰায়বোৰ ভাষালৈকে অনূদিত হৈছে। 'কামধেনু' যুগত নলিনীধৰ ভট্টাচাৰ্যই ইয়াৰ অসমীয়া অনুবাদ আগবঢ়ায়।

গ্ৰাহাম গ্ৰীনৰ ব্ৰাইটৰ ৰক

(৭১)

গ্ৰাহাম গ্ৰীনৰ জন্ম হৈছিল ১৯০৪ চনত। তেওঁৰ দেউতাক আছিল বাৰ্কহেমষ্টিড স্কুলৰ হেডমাষ্টৰ। গ্ৰীনে এই স্কুলত আৰু অক্সফোৰ্ডৰ বিলিয়ল কলেজত শিক্ষালাভ কৰে। শিক্ষাৰ অন্তত তেওঁ 'টাইমছ' কাকতৰ সম্পাদকীয় বিভাগত যোগ দিয়ে। ১৯২৭ চনত তেওঁ বিয়া কৰায়। ১৯২৯ চনত প্ৰথম উপন্যাস 'দি মেন উইদিন' (ভিতৰৰ মানুহজন; The man within) প্ৰকাশ কৰে।

ঔপন্যাসিক হিছাপে খ্যাতি লাভ কৰাত তেওঁ সাংবাদিকতা এৰি সাহিত্যত একাগ্ৰচিত্তীয়াকৈ লাগে। ১৯৩৫-১৯৩৯ চনৰ কালছোৱাত তেওঁ লাইবেৰিয়া আৰু মেক্সিকো ভ্ৰমণ কৰে। 'স্পেক্টেটৰ' কাকতৰ চলচ্চিত্ৰ সমালোচক হিছাপে তেওঁ সোমায় আৰু মেক্সিকোৰ ধৰ্মীয় উৎপীড়ন সম্পৰ্কে তদন্ত কৰি 'দি ললেছ ৰোড' The Lawless Road) আৰু 'দি পাৱাৰ এণ্ড দি গ্লোৰি'(The Power and the Glory) নামৰ দুখন গ্ৰন্থ লেখে। তেওঁ বৃটিছ তথ্য বিভাগত যোগ দি ১৯৪১-৪৩ চনৰ কালছোৱাত ছিয়েৰ'লিঅ'নলৈ যায়। ১৯৫০ চনত প্ৰকাশ পায় 'দি থাৰ্ড মেন' (তৃতীয় পুৰুষ: The third man) উপন্যাস। ১৯৪১ চনত তেওঁ 'আয়াৰ এণ্ড স্পটিউডছ' প্ৰকাশন-সংস্থাৰ সৈতে জড়িত হয়। 'ব্ৰাইটন ৰক' প্ৰকাশ পায় ১৯৩৮ চনত।

১৯৩০ চনৰ মাজ ভাগৰ এটা উৎসৱৰ সময়ত সোমবাৰ এটাত 'ব্ৰাইটন ৰক'ৰ কাহিনী আৰম্ভ হৈছে। ব্ৰাইটনত উৎসৱ উপলক্ষে বহুত মানুহৰ সমাগম হৈছিল। উপন্যাসখনৰ প্ৰথম খণ্ডৰ নায়ক ফ্ৰেড হেল এজন খামখেয়ালীৰে ভৰা মানুহ। তেওঁ 'ডেইলি মেছেঞ্জাৰ'ৰ প্ৰতিনিধি হিছাপে কোলি কিবাৰ নাম লৈ সমুদ্ৰতীৰৱৰ্তী ঠাইবোৰত ফুৰিছিল। তেওঁ নানা ঠাইত কিছুমান কাৰ্ড থৈ আহিছিল। যিয়ে এনেকুৱা কাৰ্ড পায়, তেওঁ একোটা সৰু পুৰস্কাৰ পায়। আটাইতকৈ বৃহৎ পুৰস্কাৰটো পায় সেইজনে, যিজনে ফ্ৰেড হেলৰ আচল পৰিচয়টো দিব পাৰে।

কিছুদিনৰ পৰা হেল ভীতিগ্ৰস্ত হৈ আছিল। কোনোবাই তাক ব্ৰাইটনত হত্যা কৰিবলৈ বিচাৰিছিল বুলি জানিও সি কাকতৰ কামত ব্ৰাইটনলৈ আহিছিল। তদুপৰি সি কাকতৰ নিৰ্দেশ মতে ব্ৰাইটনৰ একুৱাৰিয়াম, সমুদ্ৰতীৰ, কাছল স্কোৱাৰ, কুইনছ ৰোড আদি ঠাইলৈ যাব লাগিছিল বাবে আত্মগোপন কৰাও তাৰ পক্ষে সম্ভৱ নাছিল। সি উপলব্ধি কৰিছিল যে 'সিহঁতে' তাক অনুসৰণ কৰি আছিল। হেলে জনতাৰ মাজত নিজকে বিলীন কৰি 'সিহঁত'ৰ চকুত ধূলি মাৰিবলৈ চেষ্টা কৰিছিল যদিও পৰা নাছিল।

হেল এটা সুৰালয়লৈ সোমাই গৈছিল। তাত সি ইদা আৰ্নল্ড নামৰ এগৰাকী বণ্ডিয়াল মহিলাক লগ পালে। ইফালে হেলক অনুসৰণ কৰা খলনায়ক পিংকিংও তাত উপস্থিত হ'লহি। পিংকি সোতৰ বছৰীয়া ডেকা, দেখাতেই গুণ্ডা প্ৰকৃতিৰ। সি হেলৰ ফালে তীক্ষ্ণ দৃষ্টিৰে চোৱাত হেলে উপলব্ধি কৰিলে পিংকিয়েই তাক হত্যা কৰিবলৈ বিচাৰি আছিল। হেলে পিংকিক এটা পুৰস্কাৰ দিব খুজিছিল কাৰণ সি কোলি কিবাৰক চিনি পাইছিল। পিংকিয়ে ঘৃণাৰে হেলেৰ পুৰস্কাৰ প্ৰত্যাখ্যান কৰিছিল। হেলে বুজি পালে যে হত্যাকাৰীহঁত সুৰালয়ৰ বাহিৰত ৰৈ আছে।

হেলে ইদাক লগত লৈ লাঞ্চ খাবলৈ ওল্ডছিপ হোটেললৈ যোৱাৰ প্ৰস্তাৱ দিছিল। কিন্তু সুৰাপান কৰিবলৈ আৰম্ভ কৰা ইদাই কলে যে, সুৰালয় বন্ধ নোহোৱালৈকে তাই ক'লৈকে নাযায়। হেলে বিপদ সত্ত্বেও ব্ৰাইটনত ঘূৰি ফুৰা কাম আৰম্ভ কৰিলে। পিছে পিছে পিংকি আৰু তাৰ গুণ্ডাৰ দলটোৱে তাক অনুসৰণ কৰিলে।

সাগৰৰ পাৰত হেলে ইদাক আকৌ লগ পালে। এইবাৰ তাই হেলৰ লগত যাবলৈ মান্তি হ'ল। ইদাই তাইৰ বেগটো হেৰোৱাত, পইচা নথকাত হেলে তাইক দহ শ্বিলিং দিলে আৰু ঘোঁৰা দৌৰত বাজী ধৰিবলৈ এটা নম্বৰ দিলে।

এখন টেক্সিত উঠি দুয়ো 'পেলেছ পায়াৰৰ ফালে গ'ল। পিছে পিছে পুৰণি 'মৰিছ' গাড়ী এখনত সদলবলে পিংকি। পেলেছ পায়াৰত ইদা লেডীজ টয়লেটলৈ গ'ল। ঘূৰি আহি দেখে যে হেল অন্তৰ্দ্ধান হৈছে।

ইযাৰ পিছৰ দৃশ্য পেলেছ পায়াৰৰ এখন কাফে। সদলবলে পিংকি আছিল

কাকেত বহি। পিংকিৰ লগৰীয়াহঁতৰ নাম স্পাইচাৰ, কিউবিট আৰু ডেলে। পিংকিতকৈ সিহঁতৰ বয়স বেছি যদিও পিংকিৰ কথাত সিহঁতে উঠা বহা কৰে।

লগৰীয়াহঁতে পিংকিক জনালে যে হেলক হত্যা কৰা হৈছে। কিন্তু নিজকে নিৰ্দোষ দেখুৱাবলৈ সিহঁতে হেলৰ কাৰ্ডবোৰ সংগ্ৰহ কৰিছে আৰু বিলাইছে। পিংকিৰ এই কথাত খং উঠিল। কাৰণ সি ক'লে যে কাৰ্ড থৈ যোৱা মানুহজন যে কোনি কিবাৰ সেই কথা নিশ্চয় ৰেস্তোৰাৰ কোনো কোনো লগুৱা লিগিৰীয়ে দেখিছিল। 'স্নো' নামৰ ৰেস্তোৰাখনলৈ পিংকি গৈ গম পালে যে তাৰ ৰোজ নামৰ লিগিৰীজনীয়ে এখন কাৰ্ড পাইছে। ৰোজে পিংকিক ক'লে যে কাৰ্ড এৰি থৈ যোৱা মানুহজনৰ মুখখন তাইৰ স্পষ্ট মনত আছে। পিংকিয়ে ভুলকৈ ভাবি ল'লে যে সিহঁতৰ বাবে ৰোজ বিপজ্জনক হ'ব পাৰে। কিন্তু দৰাচলতে সিহঁতৰ বাবে বিপজ্জনক আছিল ইদা।

লণ্ডনলৈ ঘূৰি অহাৰ পিছত বাতৰি কাকতত ইদাই হেলৰ মৃত্যুৰ কথা পঢ়িবলৈ পালে। তাইৰ স্বাভাৱিকতে বেজাৰ লাগিল। হেলে তাইক কৈছিল যে তাক হত্যাৰ প্ৰচেষ্টা চলোৱা হৈছে। ইদাই উপলব্ধি কৰিলে যে পিংকিৰ দলেই হত্যাকাৰী। তাই প্ৰতিশোধ লোৱাৰ সংকল্প ল'লে।

ব্ৰাইটনলৈ আহি পিংকিয়ে এদিন ধুমুহা বতাহৰ সময়ত পেলেছ পায়াৰত ৰোজক লগ পালে। তাৰ জেপত বিস্ফোৰক পদাৰ্থৰ বটল এটা আছিল। সি অৱশ্যে তাইৰ ওপৰত সেইটো ব্যৱহাৰ নকৰিলে, কিন্তু এচিদৰ ক্ৰিয়া কেনে ধৰণৰ সেইকথা তাইক ক'লে। যি নহওক, দুয়োৰে মাজত ভালপোৱা জন্মিল।

সেইদিনা ৰাতি বিলি হোটেলৰ তাৰ কোঠাত দলৰ আন কেইজনক পিংকিয়ে লগ পালে। হেলক পিংকিৰ দলে হত্যা কৰাৰ এক ইতিহাস আছে। দলৰ আগৰ নেতা কাইটক হত্যা কৰাত হেলে সহায় কৰিছিল। কাইটৰ প্ৰতিদ্বন্দ্বী গুণ্ডা কোলেওনিক হেলে কাইটৰ বিষয়ে সকলো জনাইছিল। ফলত কোলেওনিৰ দলে কাইটক হত্যা কৰিছিল। সেইকাৰণে দলৰ পৰৱৰ্তী নেতা পিংকিয়ে বিশ্বাসঘাতক হেলক হত্যা কৰিলে।

সেইদিনা ৰাতি পিংকি আৰু ডেলো গ'ল ব্ৰুৱাৰ নামৰ এজন কিতাপ ব্যৱসায়ীৰ ওচৰলৈ 'চান্দা' আদায় কৰিবলৈ। প্ৰথমে ব্ৰুৱাৰে চান্দা দিবলৈ

আপত্তি কৰিছিল, কাৰণ তেওঁৰ মতে তেতিয়া কোলিওনিয়েহে সেই অঞ্চলত ৰাজত্ব কৰিছিল। যি নহওক, পিংকিয়ে চান্দা আদায় কৰিলে। কিন্তু কোলিওনিয়ে তাৰ অঞ্চলত হস্তক্ষেপ কৰাত সি ক্রোধান্বিত হ'ল। পিংকিয়ে 'কস্মোপলিটান' হোটেললৈ গৈ কোলিওনিক লগ ধৰি আঁতৰি থাকিবলৈ কোৱাত কোলিওনিয়ে পিংকিক ঠাট্টা বিদ্রূপ কৰিলে। পিংকিয়ে কোলিওনিৰ ওপৰত প্ৰতিশোধ লোৱাৰ সংকল্প ল'লে।

পিংকিয়ে দলৰ সদস্য স্পাইচাৰক সন্দেহ কৰি এশিকনি দিবলৈ মনস্থ কৰিলে। কিন্তু নিজেই কোলিওনিৰ দলৰ লোকৰ হাতত আহত হ'ল। যি নহওক এদিন সি বিলি হোটেলৰ খটখটিৰ পৰা স্পাইচাৰক গতিয়াই পেলাই দি হত্যা কৰিলে। মানুহে দুৰ্ঘটনাত স্পাইচাৰৰ মৃত্যু হোৱা বুলি ভাবিলে। এইদৰে দুটা হত্যাকাণ্ড কৰিও পিংকি নিষ্পাপ ৰূপত থাকিল।

ইদাই হেলে দিয়া নম্বৰ অনুসৰি বাজী ধৰি ঘোঁৰা দৌৰত ২৫০ পাউণ্ড জিকিল। তাই ফিল কৰ্কেৰি নামৰ এজন বন্ধুৰ সৈতে কস্মোপলিটান হোটেলত এৰাতি কটালে।

ইদাই হেলৰ হত্যা-ৰহস্য উদ্‌ঘাটনৰ সংকল্প ল'লে। তাই উপলব্ধি কৰিলে যে ৰোজে বহু কথা জানে। কিন্তু ৰোজে একো কথা কবলৈ মান্তি নহ'ল। পিংকিয়ে ইতিমধ্যে ৰোজক বিয়া কৰালে। বিয়াৰ পিছত দুয়ো থাকিল এখন লেতেৰা হোটেলত। তাতেই এদিন ইদাই ৰোজক লগ ধৰি পিংকিৰ বিৰুদ্ধে তাইক সতৰ্ক কৰি দিলে। পিংকিয়েও ইতিমধ্যে গম পালে যে ইদা তাৰ বাবে বিপজ্জনক। ইফালে ইদাই পিংকিৰ দলৰ মাজত ভাঙোন আনিলে। পিংকিয়ে ডেলোৰ মুখলৈ এচিদৰ বটলটো মাৰি পঠিয়ালে। কিন্তু পুলিচৰ হস্তক্ষেপত বটলটো ডেলোৰ গাত নপৰি পিংকিৰ মুখত পৰিল। যন্ত্ৰণাত সি দৌৰি পলাল আৰু পাহাৰৰ ওপৰৰ পৰা সাগৰলৈ জপিয়াই পৰিল। সি অদৃশ্য হৈ গ'ল।

১৯৩০ৰ দশকত ইংৰাজী সাহিত্যত হত্যা কাহিনী (ক্ৰাইম থ্ৰিলাৰ)ৰ পয়োভৰ চলিছিল। বহুতেই এনে উপন্যাস লেখিছিল। সেইবোৰৰ ভিতৰত গ্ৰাহাম গ্ৰীনৰ 'ব্ৰাইটন ৰক' আছিল অন্যতম। ইয়াক আজিও অতিক্ৰম কৰি যাব পৰা 'ক্ৰাইম থ্ৰিলাৰ'ৰ সৃষ্টি হোৱা নাই। ইয়াৰ অনুকৰণত বহুতো ভাষাত ন ন উপন্যাস লেখা হৈছে।

আৰ্নেষ্ট হেমিংৱেৰ এ ফেয়াৰৱেল টু আৰ্মছ

(৭২)

চিকাগোৰ ওক পাৰ্কত ১৮৯৯ চনৰ ২১ জুলাইত আৰ্নেষ্ট হেমিংৱেৰ জন্ম হয়। তেওঁৰ দেউতাক আছিল ডাক্তৰ আৰু ক্ৰীড়াবিদ। ওকপাৰ্ক হাইস্কুলত হেমিংৱেই শিক্ষা গ্ৰহণ কৰে। দুবাৰ তেওঁ ঘৰৰ পৰা পলাই গৈছিল। অৱশেষত ১৯১৭ চনত স্কুল এৰি 'কানছাছ চিটি ষ্টাৰ' নামৰ কাকতখনৰ সৈতে জড়িত হয়। কেইমাহমান কাকতখনত থকাৰ পিছত প্ৰথম মহাযুদ্ধৰ সময়ত তেওঁ আমেৰিকান 'এম্বুলেন্স' গোটৰ কৰ্মী হিচাপে ইউৰোপলৈ যায়।

১৯১৮ চনৰ জুলাইত তেওঁ সাংঘাতিক ধৰণে আহত হোৱাত তেওঁক ঘৰলৈ পঠিয়াই দিয়া হয়। আৰোগ্য হোৱাৰ পিছত তেওঁ টৰ'ণ্টৰ 'ষ্টাৰ উইক্লি' কাকতৰ প্ৰবন্ধ লেখক হিচাপে সোমায়। ১৯২১ চনত বিয়াৰ পিছত তেওঁক ইউৰোপলৈ কাকতখনৰ প্ৰতিনিধি হিচাপে পঠিয়ায়। ১৯২৪ চনত তেওঁ পেৰিছত বসবাস কৰিবলৈ লয় আৰু সাহিত্য-চৰ্চাত একাগ্ৰতাৰে লাগে। পেৰিছত তেওঁ গাৰট্ৰুদ ষ্টেইন, এজৰাপাউণ্ড, জেমছ জয়েছকে আদি কৰি ভালেমান উদীয়মান সাহিত্যিকৰ লগ পায়।

১৯২৩ চনত তেওঁৰ প্ৰথম কিতাপ 'তিনিটা গল্প আৰু দহোটা কবিতা' (Three stories and Ten Poems) প্ৰকাশিত হয়। ১৯২৪ আৰু ১৯২৫ চনত তেওঁৰ কিছুমান গল্প সৰু সৰু আকাৰত প্ৰকাশ পায়। ১৯২৬ চনত 'দি চান অলচো ৰাইজেচ' (The Sun also Rises) উপন্যাস নিউয়ৰ্কত প্ৰকাশ পোৱাৰ লগে লগে আৰ্নেষ্ট হেমিংওৱে সাহিত্যিক হিচাপে প্ৰতিষ্ঠা লাভ কৰে। ১৯২৭ চনত প্ৰকাশ পায় গল্প সংকলন 'মে'ন উইদাউত ওমেন' (Men without Women) ১৯২৯ চনত 'এ ফেয়াৰৱেল টু আৰ্মছ' (A Farewell to Arms) প্ৰকাশ পোৱাৰ লগে লগে তেওঁৰ খ্যাতি বিশ্বত বিয়পি পৰে আৰু প্ৰথম মহাযুদ্ধৰ পৰৱৰ্তী কালৰ অন্যতম শ্ৰেষ্ঠ লেখক হিচাপে পৰিগণিত হ'বলৈ ধৰে।

'দি ছান অলছো ৰাইজেছ' উপন্যাসত তেওঁ মহাযুদ্ধৰ পিছৰ প্রজন্মৰ অৱক্ষয়ৰ ছবি আঁকিছে। 'এ ফেয়াৰৱেল টু আর্মছ'ত আছে আত্মশোধনৰ কাহিনী। ১৯৫০ চনত প্রকাশ পোৱা 'এক্রোছ দি ৰিভাৰ এণ্ড ইনটু দি ট্রিজ' (Across the River and into the Trees) উপন্যাসতো যুদ্ধৰ কাহিনীয়েই বিধৃত হৈছে।

ইটালীৰ ইছনজো যুদ্ধক্ষেত্রক পটভূমি হিছাপে লৈ 'এ ফেয়াৰৱেল টু আর্মছ' ৰচনা কৰা হৈছে। বর্ণনাকাৰী চৰিত্রটো এজন আমেৰিকান। নাম ফ্রেডেৰিক হেনৰি। সি এম্বুলেঞ্চ গোটত কাম কৰে। গোৰিজিয়াত অৱস্থিত বিষয়াৰ শিবিৰত সি থাকে। মাজে মাজে হোৱা আক্রমণ, প্রতি আক্রমণৰ মধ্যৱর্তী সময়খিনিত জীৱনে শান্ত ৰূপ ধাৰণ কৰে। সেই সময়ত সৈন্য সকলে স্বাভাৱিকভাবেই বিচাৰে নাৰী সংগ।

গোৰিজিয়াত ইংৰাজ নার্ছ কেইজনীমান আছিল। হেনৰীৰ সৈতে একে কোঠালীত থকা লেফ্‌টেনেন্ট ৰিনাল্ডি তাৰে এগৰাকী নার্ছ কেথেৰিন বার্কলেৰ প্রেমত একপক্ষীয়ভাবে পৰিছিল। ৰিনাল্ডিয়ে হেনৰিৰ সৈতে তাইৰ পৰিচয় কৰাই দিলে। হেনৰিয়ে তাইক দেখি ভাল পালে আৰু গধূলি অকলে তাইক লগ ধৰিলে। ক্রমাৎ এনে সাক্ষাৎ বেছিকৈ হবলৈ ধৰিলে আৰু দুয়ো পৰস্পৰৰ প্রেমত পৰিল। কিন্তু হেনৰিয়ে নিজকে বুজাবলৈ চেষ্টা কৰিলে যে এয়া প্রেম নহয়, নাৰীৰ প্রতি আসংগ-কামনাহে।

ইতিমধ্যে বাতৰি আহিল যে প্লাভাৰ ওচৰত আক্রমণ-অভিযান চলোৱা হৈছে। হেনৰিৰ এম্বুলেন্স ইউনিটক তালৈ যাবলৈ আদেশ দিয়া হ'ল। সি অস্থায়ীভাবে হলেও কেথেৰিনক এৰি যাবলগীয়া হোৱাত মনত যি বেদনা জাগিল, তাৰ পৰাই সি বুজিলে যে সি সঁচাকৈয়ে কেথেৰিনৰ প্রেমত পৰিছে।

এই আক্রমণত ইটালীৰ প্রভূত ক্ষতি হ'ল আৰু হেনৰিৰ শিবিৰত একেলগে থকা ভালেকেইজন বন্ধুৰ মৃত্যু হ'ল। যুদ্ধ ক্ষেত্রৰ অস্থায়ী চিকিৎসালয়ত থিয় দি থাকোতে এটা গুলীয়ে হেনৰিৰ ভৰিত গুৰুতৰ ভাবে আঘাত কৰিলেহি। ফিল্ড-হস্পিতালত অলপ দিন ৰখাৰ পিছত, হেনৰিক মিলানৰ এখন হস্পিতাললৈ লৈ যোৱা হ'ল। কিন্তু তাত উপস্থিত হোৱাত দেখা গ'ল যে হস্পিতালত কোনো কাম-কাজ আৰম্ভকে কৰা হোৱা নাই। কেৱল দুজনী

ইংৰাজ নাৰ্ছ তাতে আছে। অলপ পিছতে অৱশ্যে আৰু কেইজনীমান নাৰ্ছ উপস্থিত হ'ল। এই সকলৰ ভিতৰত কেথেৰিন বাৰ্কলেও আছিল।

হেনৰিৰ আঘাত আছিল গুৰুতৰ। সেয়ে অস্ত্ৰোপচাৰৰ আৱশ্যক হ'ল। সি আৰোগ্য হোৱাত দীঘলীয়া সময় লাগিল। কেথেৰিনৰ সেৱা-শুশ্ৰূষাই তাক আৰোগ্য হোৱাত যথেষ্ট সহায় কৰিলে। ভাল হোৱাৰ পিছত হস্পিতালত জিৰণি লৈ থকাৰ সময়ছোৱাত দুয়ো একেলগে কথা-বতৰা পাতে। আকৌ যেতিয়া কেথেৰিনৰ ৰাতিৰ ডিউটি থাকে, তেতিয়া আটাইবোৰ ৰোগীক চোৱা-চিতাৰ পিছত কেথেৰিন হেনৰিৰ কোঠালীলৈ আহে আৰু দুয়োৰো মিলন হয়।

এইদৰে সুখ আনন্দেৰে গ্ৰীষ্মকাল পাৰ হ'ল। মাজে সময়ে সিহঁত ফুৰিবলৈ যায়। লগত থাকে কেথেৰিনৰ বান্ধৱী হেলেন ফাগুৰ্ছন আৰু তাইৰ আমেৰিকান বন্ধু ক্ৰোৱেল ৰোজাৰ্ছ। ক্ৰোৱেলে চকুত আঘাত পাইছিল।

ইতিমধ্যে হেনৰিক তিনি সপ্তাহৰ বাবে ছুটী দিয়া হ'ল আৰু ছুটীৰ শেষত সীমান্তলৈ অহাৰ নিৰ্দেশ দিয়া হ'ল। কেথেৰিনক হেনৰিয়ে এই কথা কোৱাত তায়ো ছুটী বিচাৰিবলৈ সিদ্ধান্ত কৰিলে আৰু ক'লে যে যদি ছুটী মঞ্জুৰ নহয়, তেন্তে তাই কাম ইস্তফা দিব। হেনৰিয়ে তাইৰ এই সিদ্ধান্তৰ বিষয়ে সোধাত কেথেৰিনে ক'লে যে তাই তিনিমাহৰ অন্ত:সত্ত্বা। তেতিয়া দুয়ো ভৱিষ্যতৰ সন্তান সম্পৰ্কে গুণাগঁথা কৰিলে আৰু দুয়ো হেনৰিৰ ছুটীৰ কালছোৱা একেলগে মেগিওৰ হ্ৰদৰ পাৰৰ পালানজা চহৰত থাকিবলৈ ইচ্ছা কৰিলে।

কিন্তু ছুটীত যোৱাৰ আগতেই হেনৰিৰ জন্দিছ হ'ল। জন্দিছ ভাল হোৱাত তাৰ ছুটী নাকচ কৰা হ'ল আৰু তাক তৎক্ষণাৎ সীমান্তলৈ যোৱাৰ আদেশ দিয়া হ'ল।

এইবাৰৰ যুদ্ধই ভীষণ ৰূপ ল'লে। হেমিংৱেই যুদ্ধৰ এক বাস্তৱ বৰ্ণনা দিছে। উপন্যাসখনৰ এই অংশবোৰ অতি জীৱন্ত। যুদ্ধৰ ভয়াবহতাৰ মাজতো হেনৰিয়ে কেথেৰিন আৰু ভৱিষ্যত সন্তানটোৰ বিষয়ে ভাবিছিল। যুদ্ধ বিৰতিৰ পিছত সি মিলানৰ হস্পিতাললৈ গ'ল, কিন্তু তাত কেথেৰিনক নাপালে। কোৱা হ'ল যে দুদিন আগতে তাই বান্ধৱী হেলেন ফাগুৰ্ছনৰ সৈতে ষ্ট্ৰেছা চহৰলৈ গৈছে। হেনৰিয়ে অসামৰিক পোছাক পিন্ধি সিহঁতৰ সন্ধানত গ'ল।

সি ষ্ট্রেছাৰ হোটেলবোৰত অনুসন্ধান কৰি অতি সহজেই দুয়োজনীকে লগ পালে।

হেনৰি আৰু কেথেৰিন দুয়ো প্ৰথমবাৰৰ বাবে হোটেলত স্বামী-স্ত্ৰী হিচাপে থাকিল। কিন্তু চহৰৰ মানুহে ভাবিলে যে হেনৰি সৈন্যবাহিনীৰ পৰা পলাই অহা সৈন্য। হোটেলৰ পৰিচালক এজনে হেনৰিক জনালে যে যুদ্ধ পলাতক বুলি তাক পিছদিনা ৰাতিপুৱা গ্ৰেপ্তাৰ কৰা হ'ব। একমাত্ৰ ছুইজাৰলেণ্ডলৈ গ'লেহে গ্ৰেপ্তাৰ নোহোৱাকৈ থাকিব পাৰিব।

ৰাতিয়েই হেনৰি আৰু কেথেৰিন দুয়ো নাৱেৰে ছুইজাৰলেণ্ড পালেগৈ। তাত এটা ঘৰ ভাৰা কৰি দুয়ো থাকিবলৈ ল'লে। শীতকালটো ভালদৰেই পাৰ হৈ গ'ল। হেনৰিয়ে আনুষ্ঠানিক বিবাহ সম্পন্ন কৰাৰ প্ৰস্তাৱ দিলে যদিও তেতিয়াই কেথেৰিনে সন্মতি নিদিলে। মাৰ্চ মাহত সিহঁত লুচান চহৰলৈ গৈ এটা হোটেলত থাকিল। ইয়াতে কেথেৰিনৰ সন্তান জন্মিবৰ সময় হ'ল। চিজাৰিয়ান অপাৰেচন কৰি সন্তানটো বাহিৰ কৰা হ'ল। দেখা গ'ল যে সন্তানটো গৰ্ভতে মৰিছে। অতিৰিক্ত ৰক্তপাতৰ ফলত কেথেৰিনৰো মৃত্যু হ'ল।

১৯৫২ চনত হেমিংৱেই "দি অল্ড মেন এণ্ড দি চি' (The old man and the sea)উপন্যাস লেখে আৰু ১৯৫৪ চনত সাহিত্যৰ নোবেল পুৰস্কাৰ লাভ কৰে। দ্বিতীয় মহাযুদ্ধৰ পিছত তেওঁ কিউবাত বসবাস কৰিবলৈ লয়। পিছত তেওঁ মাৰ্কিন যুক্তৰাষ্ট্ৰৰ ইদাহোৰ ছান ভেলিত থাকে। ১৯৬১ চনৰ ২ জুলাইৰ দিনা তেওঁৰ মৃত্যু হয়।

"দি অল্ড মেন এণ্ড দি চি" উপন্যাসখন জেমছ জয়েছৰ দৰে 'চেতনা প্ৰবাহ'(Stream of Consciousness)পদ্ধতিত লেখা হৈছে। সাগৰৰ বুঢ়া মাছমৰীয়া এজনৰ মনো কাহিনী এই উপন্যাস। এই উপন্যাসৰ আদৰ্শত আৰু বহুত গল্প উপন্যাস আদি লিখিত হয়। অসমীয়াতো এই উপন্যাসৰ অনুবাদ হৈছে।

মাৰ্ক টোৱেইনৰ এডভেঞ্চাৰ্ছ্ অৱ টম ছয়াৰ

(৭৩)

আমেৰিকান সাহিত্যলৈ হাস্যৰসৰ আমদানি অলপ পলমকৈ ঘটিছিল। ইয়াৰ কাৰণ হ'ল— আমেৰিকাবাসীয়ে বহুত দিনলৈ অস্তিত্বৰ সংগ্ৰামত নিজকে লিপ্ত কৰি ৰাখিবলগীয়া হৈছিল। জীৱন যাত্ৰাত কঠোৰতাৰ পৰিমাণ হ্ৰাস পালেহে হাস্যৰসে সাহিত্যত ভুমুকি মাৰিব পাৰে। সেয়ে আমেৰিকান সাহিত্যত ১৮০৯ চনৰ আগলৈ হাস্যৰ প্ৰাধান্য নাছিল। ১৮০৯ চনত ৱাছিংটন আৰভিঙৰ লেখাত পোন প্ৰথমবাৰৰ কাৰণে হাস্যৰ প্ৰয়োগ হয়। এইক্ষেত্ৰত তেওঁৰ বিখ্যাত গল্প 'ৰিপ্‌ভান্ উইংকল' উল্লেখযোগ্য। আৰভিঙৰ পিছত টমাছ হেলিবাট, চাৰ্লছ লেলেগু, জনহে, জোৱেল হেৰিছ প্ৰভৃতি কেবাজনো হাস্য ৰসিকৰ আৱিৰ্ভাৱ হয় যদিও, আৰভিঙৰ পিছত হাস্যৰসিক হিছাপে আমেৰিকান সাহিত্যত মাৰ্ক টোৱেইনৰ নামহে অমৰ হৈ আছে।

মাৰ্ক টোৱেইনৰ আচল নাম আছিল ছেমুৱেল ক্লিমেন্স। ১৮৩৫ চনৰ ৩০ নবেম্বৰত মিচৌৰিৰ ফেলৰিডাত তেওঁ জন্ম গ্ৰহণ কৰিছিল।।

স্কুলীয়া জীৱনৰ শেষত তেওঁ এটা প্ৰেছত শিকাৰু হিছাপে সোমায় আৰু পিছত ছেণ্ট লুইছ, নিউইয়ৰ্ক আৰু ফিলাডেলফিয়াত বাতৰি-কাকতৰ প্ৰেছত কম্পোজিটৰ হিছাপে কাম কৰে। ১৮৫৭ চনত ছেণ্ট লুইছলৈ উভতি আহি জাহাজ-চালকৰ কাম শিকে। পিছত তেওঁ পুনৰ ৰিপোৰ্টাৰ হিছাপে কে'বাখনো বাতৰি কাকতত কাম কৰি ১৮৬৬ চনত 'ছেক্ৰামেণ্টো ইউনিয়ন, কাকতৰ প্ৰতিনিধিৰূপে হাৱাই দ্বীপ অভিযানলৈ যায়।

হাৱাইৰ পৰা প্ৰত্যাবৰ্তনৰ পিছত তেওঁ হাৱাইত লাভ কৰা অভিজ্ঞতা সম্পৰ্কে বিভিন্ন ঠাইত বক্তৃতা দিয়ে। বক্তৃতাত কৃতকাৰ্যতা লাভ কৰাত তেওঁ ইউৰোপলৈ যায়। পিছত আটাইবোৰ অভিজ্ঞতা বৰ্ণনা কৰি 'ইনোচেন্টচ এব্ৰদ' (Innocents Abroad) নামৰ এখন গ্ৰন্থ লেখে। গ্ৰন্থখনে আমেৰিকা আৰু ইংলেণ্ডত প্ৰচুৰ সমাদৰ লাভ কৰে।

এই সাহিত্যিক কৃতকাৰ্যতাই তেওঁক উৎসাহ যোগায়। তেওঁ আৰু দুখন কিতাপ লেখে। চতুৰ্থখন কিতাপ 'এডভেঞ্চাৰ্ছ অব টম ছয়াৰ' প্ৰকাশ হোৱাৰ লগে লগে তেওঁৰ খ্যাতি চিৰস্থায়ী হয়।

'টম ছয়াৰ' তেওঁ চেমনীয়া সকলৰ উদ্দেশ্যে লেখিছিল যদিও ল'ৰাকালৰ উদণ্ড স্বভাৱৰ বৰ্ণনাই প্ৰাপ্ত বয়স্ক সকলৰ হৃদয়তো আলোড়ন তুলিবলৈ সক্ষম হ'ল। সেয়ে কিতাপখনৰ আবেদন হৈ পৰিল সাৰ্বজনীন। প্ৰসংগত: উল্লেখযোগ্য যে টম ছয়াৰৰ বহু ঘটনা মাৰ্ক টোৱেইনৰ নিজৰেই বাল্যকালৰ সঁচা ঘটনাৰ ওপৰত প্ৰতিষ্ঠিত।

টম ছয়াৰ আৰু তাৰ ভায়েক ছিদক তুলি-তালি ডাঙৰ কৰিছিল সিহঁতৰ খুৰীয়েক আণ্টপলিয়ে। টম আছিল আন দহজন কিশোৰৰ দৰে অথাইতং। আচাৰ চুৰি কৰি খোৱাত, কামত ফাঁকি দিয়াত, বিপজ্জনক পৰিস্থিতিৰ পৰা মূৰ পোলোকা দিয়াত ওস্তাদ। এইবোৰৰ বাবে খুৰীয়েকে তাক শাস্তি দিছিল যদিও, সি খুৰীয়েকৰ প্ৰতি কোনো ধৰণৰ বিদ্বেষৰ ভাব মনত ৰখা নাছিল। প্ৰতি শনিবাৰে খুৰীয়েকে তাক বাগিচাৰ বেৰত ৰং দিয়া কামত লগালে। সি এই কাম বেয়া নাপালে।

খুৰীয়েকৰ জিম নামৰ নিগ্ৰো লগুৱা এটা আছিল। সিয়েই খুৰীয়েকৰ যাৱতীয় গৃহস্থালিৰ কামত সহায় কৰিছিল। জিম সেইফালে অহাত টমে ৰং দিয়া কামত তাক সহায় কৰিবলৈ জিমক ক'লে। জিমে সহায় কৰিব খুজিছিল যদিও খুৰীয়েক তালৈ অহাত সি আন কাম কৰিবলৈ গ'ল।

খন্তেক পিছতে বেন্ ৰোজাৰ্ছ নামৰ টমৰ আন এজন লগৰীয়া তালৈ অহাত টমে তাক ৰং দিয়া কামত লগাই নিজে জিৰণি লবলৈ ধৰিলে। ক্ৰমে আন আন লগৰীয়াবোৰ অহাত সিহঁতৰ হতুৱাই বাগিচাৰ ৰং দিয়া কাম টমে সমাপ্ত কৰি ল'লে।

কাম শেষ হ'ল। খুৰীয়েকে টমক যাবলৈ দিয়াত সি একে কোবেই খেলিবলৈ গ'ল। খেলি আহি ৰাতি খাবৰ সময়ত ভায়েক ছিডৰ সৈতে কাজিয়া কৰাত খুৰীয়েকে শাসন কৰিলে। খোৱাৰ পিছত শুবলৈ গ'ল। এইদৰে টমে তাৰ দৈনন্দিন জীৱন কটাইছিল।

স্কুলতো সি তাৰ দুষ্টালি বুদ্ধি খটুৱাই নানা অঘটন ঘটাইছিল। শিক্ষকৰ

শাস্তি হাঁহিমুখে গ্ৰহণ কৰিছিল। কিন্তু ডাঙৰ মানুহৰ দৰে সিও কৰ্তৃপক্ষৰ শাসনৰ বিৰুদ্ধে সদায় বিদ্ৰোহৰ মনোভাৱ গ্ৰহণ কৰিছিল।

এদিন এটা ঘটনাই তাৰ আৰু তাৰ এজন বন্ধুৰ জীৱনলৈ উত্তেজনা আনিলে। হাক্‌ফিন নামৰ বন্ধুজনে টমক ক'লেহি যে ৰাতি সিহঁতে এটা মৰা মেকুৰীক কবৰ দিবলৈ কবৰখানালৈ যাব। হাক্‌ফিনৰ দেউতাক আছিল মদাহী। এই সুবিধাত হাক্‌ফিনে যথেষ্ট স্বাধীনতা পাইছিল। আন ল'ৰা-ছোৱালীয়ে সেইবাবে হাকক ঈৰ্ষাৰ চকুৰে চাইছিল আৰু ভাবিছিল যে মাক-দেউতাকে ল'ৰা-ছোৱালীৰ ওপৰত মিছাকৈ কৰ্তৃত্ব খটুৱাব খোজে।

টম আৰু হাকে সেইদিনা ৰাতি মেকুৰীটো কবৰ দিবলৈ কবৰখানালৈ গ'ল। কিন্তু অলপ পিছতে মানুহ অহাৰ শব্দ শুনি দুয়ো এঠাইত লুকাই থাকিল। সিহঁতে লুকাই থকা ঠাইৰ পৰা দেখা পালে যে গাঁৱৰ এজন মদাহী মাফ্‌পটাৰ আৰু এজন দগাবাজ ইন্‌জুন্‌জো'ৰ সৈতে গাঁৱৰ ডাক্তৰজন কবৰখানালৈ আহি এটা কবৰ খান্দি মৃতদেহ এটা উলিয়ালে।

মৃতদেহটো উলিওৱাৰ পিছত সেইটো ডাক্তৰৰ ঘৰলৈ কঢ়িয়াই নিয়াৰ বাবদ মাফ আৰু জোৱে বেছি ধন বিচাৰিলে। কিন্তু ডাক্তৰে যেতিয়া ক'লে যে তেওঁ আগতেই যথেষ্ট টকা সিহঁতক দিছে, তিনিওৰে মাজত তৰ্ক-বিতৰ্ক লাগিল। পৰিস্থিতি ক্ৰমাৎ উষ্ণ হোৱাত ডাক্তৰে মাফপটাৰক ঘুচিয়াই অজ্ঞান কৰিলে। জোৱে পটাৰৰ ছুৰীখনেৰে ডাক্তৰক আঘাত কৰি অজ্ঞান হৈ পৰি থকা পটাৰৰ হাতৰ মুঠিত ছুৰীখন থ'লে। জ্ঞান ঘূৰি অহাত পটাৰে ভাবিলে যে সিয়েই ডাক্তৰক হত্যা কৰিছে।

পটাৰ আৰু জো দুয়ো তাৰ পৰা পলাই যোৱাত টম আৰু হাকে কি কৰা উচিত আলোচনা কৰিলে। সিহঁতে এই বিষয়ে সদ্যহতে কাকো একো নকবলৈ স্থিৰ কৰিলে, কাৰণ ক'লে নিজৰেই বিপদ হ'ব পাৰে। ডাক্তৰৰ মৃতদেহ পোৱাৰ পিছত তদন্ত হ'ল যদিও, হত্যাকাৰীৰ শুংসূত্ৰ পোৱা নগ'ল। অৱশ্যে পটাৰে ছুৰীখন মৃতদেহৰ ওচৰত এৰি থৈ যোৱা বাবে পটাৰক সন্দেহ কৰা হ'ল। টম আৰু হাকে ঘটনাটো শীঘ্ৰে পাহৰি গ'ল।

এবাৰ খুৰীয়েক পলিয়ে টমক মাৰধৰ কৰাত টম ঘৰৰ পৰা পলাই গ'ল। সি তাৰ বন্ধু জো হাৰ্পাৰকো লগত ল'লে। কিছুদূৰ যোৱাত হাক্‌ফিনক লগ

পোৱাত সিও সিহঁতৰ লগ ল'লে। তিনিওজন বন্ধুৱে এখন নাৱত উঠি নৈৰ মাজৰ চাপৰি এটালৈ গ'ল। মাজতে টমে খুৰীয়েকৰ ঘৰলৈ আহি খোৱা বস্তু চুৰ কৰি নিলে। দুদিন তিনিও আনন্দ মনেৰে চাপৰিত কটালে। তৃতীয় দিনা নৈত সিহঁতে মানুহৰ শব্দ শুনিবলৈ পালে। সিহঁত নৈত বুৰি মৰা বুলি গাঁৱৰ মানুহে নৈত সিহঁতক বিচাৰি ফুৰিছিল। সিহঁতক পানীত বিচাৰি নাপাই সঁচাকৈয়ে সিহঁতৰ মৃত্যু হোৱা বুলি ভাবি মানুহে গীৰ্জাত প্ৰাৰ্থনাৰ আয়োজন কৰিলে। প্ৰাৰ্থনাৰ দিনা সন্ধিয়া তিনি বন্ধু মনে মনে গীৰ্জালৈ গৈ এটা কোণত লুকাই থাকিল। পাদ্ৰীয়ে প্ৰাৰ্থনাৰ সময়ত টম,জো আৰু হাকৰ গুণ বৰ্ণাই বক্তৃতা দিলে। প্ৰাৰ্থনাৰ অন্তত তিনি বন্ধুৱে মানুহৰ আগত দেখা দিলে। সিহঁতক জীৱিত দেখি সকলোৱে আনন্দ প্ৰকাশ কৰিলে।

দিনবোৰ পাৰ হবলৈ ধৰিলে। এদিন সিহঁতে শুনিবলৈ পালে যে পটাৰ ধৰা পৰিছে আৰু তাক গাঁৱৰ হাজোতত ৰখা হৈছে। হত্যাৰ অপৰাধত তাৰ বিচাৰৰ ব্যৱস্থাও কৰা হৈছে। টমে জানে যে পটাৰ অপৰাধী নহয়। সি হাক্‌ফিনৰ সৈতে আলোচনা কৰি পটাৰৰ উকিলক লগ ধৰি সকলো কথা জনালে। বিচাৰৰ সময়ত টমৰ ভূমিকাৰ বাবে সকলোৱে তাক প্ৰশংসা কৰিলে। ইতিমধ্যে জোৱে পলায়ন কৰি এটা গুহাত লুকাই আছিল আৰু তাতেই গুহাৰ মুখখন বন্ধহৈ যোৱাত তাৰ মৃত্যু হয়।

ইয়াৰ পিছত টম আৰু তাৰ বন্ধু হাক্‌ফিনো নানা ধৰণৰ অভিযানত লিপ্ত হয়।

দৰাচলতে হত্যাকাণ্ডটোৰ বাহিৰে 'টম ছয়াৰ'ত কাহিনী বুলিবলৈ বিশেষ নাই। ইয়াত আছে মানুহৰ ল'ৰালি কালৰ নানা ধৰণৰ কামৰ বৰ্ণনা যিবোৰ সাধাৰণতে সকলোৱেই ল'ৰাকালত কৰে। সেই কাৰণেই 'টম ছয়াৰে' সাৰ্বজনীনতা লাভ কৰিছে। এনেকুৱা বাল্যলীলাৰ কোনো দেশ-কাল নাই— সকলোতে একে। মাৰ্ক টোৱেইনে অতিশয় শিল্প কলাসুলভ ৰীতিৰে গ্ৰন্থখন লেখিছে। ইয়াৰ আবেদন প্ৰকাশৰ প্ৰায় এশ বছৰ পিছত আজিও চিৰ নতুন হৈ আছে আৰু অনাগত কাললৈও সি অক্ষুণ্ণ হৈ ৰ'ব।

ছমাৰছেট মমৰ কেক্‌ছ এণ্ড এল

(৭৪)

উইলিয়াম ছমাৰছেট মম আছিল এইছ-জি-ৱেলছ, আৰ্নল্ড বেনেট, জন গেলছ ৱাৰ্থি, ডি এইছ লৰেন্স, জেমছ জয়েছ আৰু ভাৰ্জিনিয়া উলফৰ সম পৰ্যায়ৰ প্ৰতিভাধৰ ইংৰাজ সাহিত্যিক। উনৈশ শতিকাৰ শেষ হোৱাৰ পৰা কুৰি শতিকাৰ ত্ৰিশৰ দশকলৈ ইংৰাজী সাহিত্যৰ আকাশ এইসকল জ্যোতিষ্কৰ আলোকেৰে আলোকিত হৈ আছিল।

ছমাৰছেট মমৰ জন্ম হৈছিল ১৮৭৪ চনৰ ২৫ জানুৱাৰীত পেৰিছত। কেণ্টাৰবেৰি আৰু হাইডেলবাৰ্গ বিশ্ববিদ্যালয়ত তেওঁ শিক্ষা লাভ কৰে। পিছত লণ্ডনৰ ছেণ্ট টমাছ হস্পিতালৰ পৰা চিকিৎসক হিছাপে উত্তীৰ্ণ হয়।

১৮৯৭ চনত চিকিৎসক হিছাপে কাম আৰম্ভ কৰাৰ সময়তে তেওঁ তেওঁৰ প্ৰথম উপন্যাস 'লিজা অৱ লেমবেথ' (Liza of Lambeth) প্ৰকাশ কৰে। কিতাপখনৰ অভাৱনীয় সাফল্যই তেওঁক অনুপ্ৰেৰণা যোগালে আৰু তেওঁ ডাক্তৰী ব্যৱসায় বাদ দি সাহিত্য সাধনাতে একাগ্ৰপতীয়াকৈ লাগি যায়। পৰৱৰ্তী চাৰিটা দশকত তেওঁ ভালেমান উপন্যাস, নাটক আৰু চুটি 'গল্প লেখে।

১৯৩০ চনত প্ৰকাশ পায় 'কেক্‌ছ এণ্ড এ'ল (পিঠা আৰু পুৰণি সুৰা) উপন্যাস। এই উপন্যাসত তেওঁৰ সাহিত্যৰ শ্ৰেষ্ঠ বৈশিষ্ট্যসমূহ প্ৰকাশিত হয়।

উপন্যাসৰ বিবৃত্তিকাৰী চৰিত্ৰ উইলিয়াম এছেনডেন নিজেই এজন লেখক। এছেনডেনৰ সময়ৰ অন্যতম শ্ৰেষ্ঠ ঔপন্যাসিক এলৰয় কিয়াৰে তেওঁক দুপৰীয়াৰ আহাৰলৈ নিমন্ত্ৰণ কৰিছিল। এছেনডেনে জানিছিল যে এই নিমন্ত্ৰণৰ অন্তৰালত নিশ্চয় কিবা উদ্দেশ্য আছে। সেয়ে যাবলৈ ইচ্ছা নথকা সত্বেও কৌতুহলবশত: তেওঁ গ'ল।

আহাৰৰ মেজত কিয়াৰে তেওঁৰ গূঢ় উদ্দেশ্য মুকলি নকৰিলে। কফি খাবৰ সময়ত তেওঁ এনেয়ে ক'লে যে অলপতে স্বৰ্গী হোৱা ইংৰাজী-সাহিত্যৰ প্ৰবীণ লেখক এডৱাৰ্ড ড্ৰিফিল্ড লণ্ডনলৈ আহোঁতে তেওঁৰ লগতে দুপৰীয়াৰ

আহাৰ খাইছিল আৰু অলপতে তেওঁ গ্রিফিল্ডৰ দ্বিতীয়া পত্নীৰ সৈতে কেইদিনমান কটাই আহিছে— কাৰণ পত্নীগৰাকীয়ে কেতবোৰ বাৰ্তা পঠাইছিল।

এছেনডেনে প্রসংগত ক'লে যে সম্ভৱত: মিছেছ্ গ্রিফিল্ডে তেওঁৰ বিষয়ে (এছেনডেন) নাজানে। তাৰ পিছত দুয়ো প্রয়াত গ্রিফিল্ডৰ সাহিত্য-কর্ম সম্পর্কে আলোচনা কৰিলে। কথাবতৰাৰ পৰা এছেনডেনৰ মনত পৰিল যে বহুদিন আগেয়ে যেতিয়া গ্রিফিল্ডে খ্যাতি লাভ কৰা নাছিল তেতিয়া গ্রিফিল্ড আৰু তেওঁৰ প্রথমা পত্নী ৰোজিৰ সৈতে তেওঁৰ পৰিচয় আছিল।

ল'ৰাকালত এছেনডেন আছিল তেওঁৰ খুৰাকৰ তত্বাৱধানত। খুৰাকজন আছিল কেণ্ট জিলাৰ ব্লেকষ্টবল অঞ্চলৰ যাজক। খুৰীয়েক আছিল সম্ভ্রান্ত জাৰ্মান বংশৰ, কিন্তু পৰিয়ালটো আছিল দুখীয়া।

এবাৰ এছেনডেন গৰমৰ বন্ধত ঘৰলৈ আহোঁতে বাটত খুৰাকৰ সহকাৰীজনক লগ পাই কথা-বতৰা পাতিলে। তেতিয়া এছেনডেনৰ বয়স আছিল পোন্ধৰ বছৰ। সহকাৰীজনৰ লগত আছিল এজন চুটি চাপৰ দঢ়ীয়া মানুহ। সহকাৰীজনে দঢ়ীয়াজনৰ সৈতে চিনাকি ক:ৰি নিদিয়াত তেওঁ ভাবিলে যে মানুহজন লণ্ডনৰ পৰা কিবা কামত হয়তো আহিছে।

সেইদিনা আবেলি সহকাৰীজন গীৰ্জালৈ আহোতে এছেনজেনেদঢ়ীয়াজনৰ কথা সোধাত সহকাৰীজনে ক'লে যে মানুহজন ব্লেকষ্টেবলৰে আৰু নাম এডৱাৰ্ড গ্রিফিল্ড, কিন্তু যিহেতু গ্রিফিল্ডে মদৰ দোকানত কাম কৰা ছোৱালী এজনী বিয়া কৰাইছে, সেয়ে খুৰাকে বেয়া পাব বুলি এছেনডেনৰ লগত পৰিচয় কৰাই নিদিলে। গ্রিফিল্ড এজন লেখক বুলিও এছেনডেনে শুনিলে।

দুখীয়া পৰিয়ালত জন্ম গ্রহণ কৰিলেও গ্রিফিল্ডে হেভাৰছাম স্কুলত পঢ়োতে ভালেমান পুৰস্কাৰ লাভ কৰিবলৈ সমর্থ হৈছিল। তেওঁ অক্সফোর্ডত পঢ়াৰ বাবে বৃত্তিও পাইছিল। কিন্তু পঢ়িবলৈ নগৈ তেওঁ গ'ল নাবিক হ'বলৈ। অৱশ্যে নাবিক হিছাপেও তেওঁ সৰহদিন নাথাকিল। ইটো সিটো বিভিন্ন ধৰণৰ কাম কৰাৰ পিছত লেখাকে তেওঁ ব্যৱসায় হিছাপে ল'লে।

ইতিমধ্যে এছেনডেনৰ সৈতে গ্রিফিল্ড দম্পতিৰ বন্ধুত্ব হ'ল। কিন্তু খুৰাকে এই বন্ধুত্ব বৰ পছন্দ নকৰিলে। এছেনডেনে বান্ধৱীজনীৰ পৰা গম পালে

যে বিয়াৰ আগতে মিছেছ ড্ৰিফিল্ডৰ নাম আছিল ৰোজি গেন আৰু তাই আছিল মদৰ দোকানত। তাত তাই গ্ৰাহকৰ সৈতে কিবাকিবি কৰিছিল বুলি বদনাম ওলাইছিল। সেইবাবেই এছেনডেনৰ খুৰাকে ড্ৰিফিল্ডক বেয়া চকুৰে চায়।

গ্ৰাহকসকলৰ মাজত জৰ্জ কেম্প নামৰ এজন কয়লা ব্যৱসায়ীও আছিল। কেম্প আৰু ৰোজি আছিল প্ৰেমিক প্ৰেমিকা। ৰোজিয়ে ড্ৰিফিল্ডৰ সৈতে বিয়া সোমোৱাত সেয়ে মানুহ আচৰিত হৈছিল। অৱশ্যে ড্ৰিফিল্ডো বৰ নিখুঁত চৰিত্ৰৰ লোক নাছিল বুলি মানুহে ধাৰণা কৰিছিল।

এছেনডেনে স্কুলৰ দীঘলীয়া বন্ধত ঘৰলৈ আহোঁতে প্ৰায়েই ড্ৰিফিল্ডহঁতৰ ঘৰলৈ গৈছিল। তাত খুৰাকৰ সহকাৰীজনক আৰু জৰ্জ কেম্পক প্ৰায়েই তেওঁ লগ পাইছিল।

এবাৰ ইষ্টাৰৰ বন্ধত ঘৰলৈ আহোঁতে এছেনডেনে শুনিলে যে বহুমানুহৰ পৰা টকা ধাৰলৈ লৈ ড্ৰিফিল্ড-দম্পতি ব্লেকষ্টেবলৰ পৰা পলাই গৈছে।

এলৰয় কিয়াৰৰ সৈতে ড্ৰিফিল্ডৰ সাহিত্য কৰ্মৰ বিষয়ে আলোচনা কৰাৰ সময়ত উইলিয়াম এছেনডেনৰ মনত অতীতৰ এই কথাবোৰে ভুমুকি মাৰিছিল।

পিছদিনা কিয়াৰ এছেনডেনৰ ঘৰলৈ আহিল। সি ক'লে যে ড্ৰিফিল্ডৰ দ্বিতীয়া পত্নীয়ে ড্ৰিফিল্ডৰ এখন জীৱনী লেখিবলৈ তেওঁক (কিয়াৰক) অনুৰোধ কৰিছে। যিহেতু এছেনডেনে ড্ৰিফিল্ডৰ ব্লেকষ্টেবলৰ দিনবোৰৰ কথা জানে, সেয়ে সেইবোৰৰ বিষয়ে কিয়াৰক ক'লে জীৱনীখন লেখাত সুবিধা হয়। এছেনডেনে কিয়াৰক ক'লে যে ব্লেকষ্টেবলত ঘটা ঘটনাসমূহ জীৱনীত সন্নিবিষ্ট কৰিলে প্ৰকৃততে ড্ৰিফিল্ডৰ লেখীয়া বৰেণ্য সাহিত্যিকজনৰ ভাৱমূৰ্তিত চেকাহে লাগিব পাৰে, গতিকে সেইছোৱা জীৱনীত নিদিয়াই ভাল। কিয়াৰে উত্তৰত ক'লে যে জীৱনীত নিদিলেও কথাখিনি জনা উচিত বাবেই তেওঁ এছেনডেনৰ ওচৰ চাপিছে। এছেনডেনে অনিচ্ছা সত্ত্বেও সন্মতি দিলে।

এছেনডেনৰ মনত আকৌ অতীতৰ ঘটনাৱলীয়ে ভুমুকি মাৰিলে। স্কুলীয়া শিক্ষা শেষ হোৱাত তেওঁ ছেণ্ট লুকচ হস্পিতালৰ মেডিকেল স্কুলত ভৰ্তি হ'লে আৰু তেওঁ হস্পিতালৰ ওচৰতে মিছেছ হাডচনৰ ঘৰৰ একাংশ ভাৰা লৈ আছিল। এদিন হস্পিতালৰ পৰা সোনকালে উভতি আহি সি ভক্সহল ব্ৰীজ

ৰোডেৰে আহি থাকোঁতে ৰোজি ড্রিফিল্ডক লগ পালে। এছেনডেন এতিয়া প্ৰাপ্তবয়স্ক ২১ বছৰীয়া ডেকা। সেয়ে তেওঁ ৰোজিক ভালদৰে লক্ষ্য কৰিলে আৰু উপলব্ধি কৰিলে যে তাই সঁচাকৈয়ে ধুনীয়া। তাই জনালে যে ভিমচেন্ট স্কোৱাৰৰ ওচৰতে সিহঁত আছে আৰু ড্রিফিল্ডে উপন্যাস লেখাৰ উপৰিও এখন কাকতৰ সাহিত্য-বিভাগৰ সম্পাদক হিছাপে কাম কৰে। ৰোজিয়ে এছেনডেনক তেওঁলোকৰ ঘৰলৈ লৈ গ'ল।

বহুদিনৰ মূৰত ড্রিফিল্ডহঁতক লগ পাই এছেনডেন আনন্দিত হ'ল। প্ৰতি শনিবাৰে আবেলি তেওঁলোকৰ ঘৰত হোৱা ভোজমেলত সি যোগ দিবলৈ আৰম্ভ কৰিলে। সি লক্ষ্য কৰিলে যে ভোজমেলত গোট খোৱা সকলোৱেই ড্রিফিল্ডক সাহিত্যিক হিছাপে সন্মান কৰে।

ড্রিফিল্ডে বাতৰি কাকতৰ সাহিত্য সম্পাদকৰ কামত গধূলিটো ব্যস্ত হৈ থাকিবলগা হোৱাত ৰোজিয়ে অকলেই বা আন চিনাকি লোকৰ লগত বাহিৰলৈ গৈছিল। মাজে মাজে এছেনডেনৰ সৈতেও গৈছিল। এদিন এছেনডেন আৰু ৰোজি গৈছিল এখন সংগীতানুষ্ঠান চাবলৈ। নিশা ওভতাৰ সময়ত এছেনডেনে ৰোজিক ঘৰত থৈ বিদায় লোৱাৰ পৰত ৰোজিয়ে এছেনডেনৰ ওঁঠত চুমা খালে। তেতিয়াৰ পৰা এছেনডেন আৰু ৰোজিৰ মাজত প্ৰেম চলিবলৈ ধৰিলে।

অৱশ্যে এছেনডেনে শীঘ্ৰেই উপলব্ধি কৰিলে যে ৰোজিয়ে ভালেমান পুৰুষৰ সৈতে দৈহিক সম্পৰ্ক ৰাখি আহিছে।

কিছুদিনৰ পিছত এছেনডেনে জানিলে যে ৰোজি ব্লেকষ্টেবলৰ জৰ্জ কেম্পৰ সৈতে কানাডা বা অষ্ট্রেলিয়ালৈ গুচি গৈছে। সি যি নহওক, ৰোজিৰ অন্তৰ্দ্ধানৰ পিছৰ পৰা এছেনডেন আৰু ড্রিফিল্ডৰ সম্পৰ্কও ক্ষীণ হৈ আহিল। তাৰ পিছৰ কালছোৱাত ড্রিফিল্ডে সাহিত্যিক খ্যাতি অৰ্জন কৰিলে।

বহু বছৰৰ মূৰত এছেনডেনে ৰোজিক নিউইয়ৰ্কত লগ পাইছিল। তেতিয়া ৰোজিৰ বয়স ৭০ বছৰ। জৰ্জ কেম্পৰ ইতিমধ্যে মৃত্যু হৈছে। ৰোজিয়ে নিজে এছেনডেনক তাই কিয় কেম্পৰ সৈতে পলাই আহিছিল, সেই বিষয়ে ক'লে। ৰোজিৰ বক্তব্য হ'ল- জৰ্জ কেম্প আছিল এজন সম্পূৰ্ণ ভদ্ৰলোক।

'কেকছ এণ্ড এল' আবেগবৰ্জিত উপন্যাস। দৰাচলতে ছমাৰছেট মমে তেওঁৰ কোনো লেখাতে আবেগক-প্ৰাধান্য দিয়া নাছিল, বাস্তৱৰ নগ্ন উপস্থাপনেই আছিল তেওঁৰ শিল্পকলাৰ প্ৰধান বৈশিষ্ট্য।

১৯৬৫ চনৰ ডিচেম্বৰত চমাৰছেট মমৰ মৃত্যু হয়।

জে,এল আৰু বাৰবাৰা হামন্দৰ দি টাউন লেবাৰাৰ

(চহৰৰ কৰ্মী)

(৭৫)

অষ্টাদশ শতিকাৰ শেষছোৱাৰ পৰা উনৈশ শতিকাৰ মাজভাগলৈ বিস্তৃত প্ৰায় সত্তৰ বছৰ কালছোৱাত ইংলেণ্ডলৈ আহিছিল যুগান্তকাৰী পৰিৱৰ্তন। অতি কম সময়ৰ ভিতৰতে কৃষি প্ৰধান এই দেশখন হৈ পাৰিছিল শিল্পপ্ৰধান। কল-কাৰখানা প্ৰতিষ্ঠা হৈছিল আৰু এইবোৰত উৎপাদিত সামগ্ৰীসমূহ পৃথিৱীৰ চুকে-কোণে বিয়পি পৰিছিল। জনসংখ্যা বৃদ্ধি পাবলৈ ধৰিছিল আৰু এই বৰ্দ্ধিত জনসংখ্যাৰ বাবে ইংলেণ্ডে শিল্পজাত দ্ৰব্যৰ সলনি পৃথিৱীৰ অন্যান্য দেশৰ পৰা আমদানি কৰিছিল খাদ্য সামগ্ৰী। এই পৰিৱৰ্তনৰ নাম দিয়া হৈছিল শিল্প বিপ্লৱ (Industrial Revolution)।

শিল্প বিপ্লৱৰ ওপৰত বহু গ্ৰন্থ ৰচিত হৈছে। ১৮৮১ চনত অক্সফোৰ্ড বিশ্ববিদ্যালয়ত আৰ্নল্ড টয়নবিয়ে এই সম্বন্ধে বক্তৃতা দিয়াৰ পিছৰ পৰা শিল্প-বিপ্লৱৰ সন্দৰ্ভত যিমানবোৰ গ্ৰন্থ প্ৰকাশ পাইছে, তাৰ কোনোখনে হেমণ্ড দম্পতিৰ 'দি টাউন লেবাৰাৰ' (নগৰীয়া শ্ৰমিক) গ্ৰন্থক চেৰ পেলাব পৰা নাই।

জন লৰেন্স লে ব্ৰেটন হেমণ্ডৰ জন্ম হৈছিল ১৮৭২ চনত। মৃত্যু হৈছিল ১৯৪৯ চনত। তেওঁৰ জন্ম হৈছিল ইয়ৰ্ক শ্বায়াৰ জিলাৰ এখন গাঁৱত। দেউতাক আছিল গীৰ্জাৰ প্ৰধান যাজক। ব্ৰেডফ'ৰ্ড গ্ৰামাৰ স্কুলত স্কুলীয়া শিক্ষা লোৱাৰ অন্তত তেওঁ অক্সফ'ৰ্ডত অধ্যয়ন কৰে আৰু সাংবাদিকতাকে জীৱনৰ বৃত্তি হিচাপে গ্ৰহণ কৰে। তেওঁ ঘাইকৈ জড়িত হৈছিল 'মানচেষ্টাৰ গাৰ্ডিয়ান' কাকতখনৰ সৈতে। প্ৰথম মহাযুদ্ধৰ সময়ত তেওঁ এবছৰৰ কাৰণে গোলন্দাজ বাহিনীতো কাম কৰিছিল। ১৯০১ চনত তেওঁ হেইলিবেৰি হাইস্কুলৰ বিখ্যাত হেডমাষ্টৰ ডঃ ব্ৰেডবিৰ কন্যা লুচি বাৰবাৰা ব্ৰেডবিক (১৮৭৩-১৯৬১) বিয়া কৰায়। বাৰবাৰাই অক্সফোৰ্ডৰ লেডি মাৰ্গাৰেট হল কলেজত পঢ়িছিল আৰু পঢ়া শুনাত কৃতিত্ব দেখুৱাইছিল। হেমণ্ড দম্পতিয়ে ১৭৬০ চনৰ পৰা ১৮৩২

চনৰ কালছোৱাৰ আৰ্থ-সামাজিক অৱস্থা সম্পৰ্কে লেখা এলানি গ্ৰন্থৰ প্ৰথম গ্ৰন্থ 'দি ভিলেজ লেবাৰাৰ' (গ্ৰাম্য শ্ৰমিক) ১৯১১ চনত প্ৰকাশ পায়। ১৯১৭ চনত প্ৰকাশ পায় 'দি টাউন লেবাৰাৰ'।

শিল্প বিপ্লৱৰ কথা উল্লেখ কৰি এই গ্ৰন্থত কোৱা হৈছিল যে ডাল-দৰিদ্ৰৰূপে জন্ম লোৱা মানুহেও নিজৰ চেষ্টাৰ বলত শিল্প-বিপ্লৱৰ সময়ত ধনী আৰু প্ৰভাৱশালী লোকত পৰিণত হৈছিল। নতুন নতুন শিল্প প্ৰতিষ্ঠা হোৱাত বিভিন্ন অঞ্চলবোৰৰ উন্নতি হৈছিল আৰু এইবোৰৰ জনসংখ্যা বাঢ়িছিল। মধ্যবিত্ত শ্ৰেণীৰ লোকৰ সংখ্যাও বাঢ়িছিল আৰু জীৱন ধাৰণৰ মানদণ্ড উন্নতি হৈছিল। কিন্তু বৃহত্তৰ জনসাধাৰণৰ অৱস্থা আছিল শোচনীয়। এই সকলৰ শ্ৰমৰ ওপৰত গঢ়ি উঠা শিল্পৰ দ্বাৰা ধনী হৈছিল এচাম লোক। মানুহে বস্তুৰ ওপৰত আধিপত্য কৰাৰ পৰিৱৰ্তে বস্তুৱেহে মানুহৰ ওপৰত আধিপত্য বিস্তাৰ কৰিবলৈ লৈছিল।

আগতে মানুহ নিজেই নিজৰ ওপৰত গৰাকী আছিল। কিন্তু শিল্প বিপ্লৱে মানুহক কাৰখানাৰ চাৰিবেৰৰ মাজত আৱদ্ধ কৰিলে। দৈনিক দহৰ পৰা বাৰ ঘণ্টা পৰ্যন্ত একেৰাহে কাম কৰিবলগীয়া হ'ল। মানুহ হৈ পৰিল যন্ত্ৰৰ দাস। যন্ত্ৰৰ সামান্য ক্ষতি হ'লেও কাৰখানাৰ মালিকে শ্ৰমিকক জৰিমনা কৰিছিল। কাৰখানাৰ শ্ৰমিকতকৈ খনিত কাম কৰা শ্ৰমিকৰ অৱস্থা আৰু বেছি পুতৌ লগা আছিল। পুৰুষ, তিৰোতা আৰু শিশুৱে খনিবোৰত বিপদ সংকুল অৱস্থাতো কাম কৰিবলগীয়া হৈছিল।

শিল্পাঞ্চলত গঢ়ি উঠা নতুন চুবুৰীবোৰৰ ঘৰবোৰ আছিল জুপুৰী ঘৰ। এই বস্তিবোৰত কোনো ধৰণৰ সা-সুবিধা নাছিল, স্বাস্থ্য ৰক্ষাৰ সামান্যতম ব্যৱস্থাও নাছিল। ৰাস্তাই ঘাটে আৱৰ্জনাৰ স্তূপ। গৃহ নিৰ্মাণ সম্পৰ্কে কোনো ধৰণৰ আইন নথকাত যিয়ে য'তে পাৰিছিল তাতে ঘৰ সাজিছিল। খোৱা পানীৰ বন্দোৱস্ত নাছিল। পুৰণি গাওঁ কিছুমানৰ অস্তিত্ব বিলোপ হৈ গঢ়ি উঠিছিল বস্তি। এইবোৰ হৈ উঠিছিল কুকৰ্মৰ আড্ডা।

এনে বস্তিবোৰক নতুন চহৰ বোলা হৈছিল যদিও, আচলতে এইবোৰ আছিল গঁড়াল সদৃশ। শ্ৰমিক সংঘ গঠন যাতে নহয়, তাৰবাবে কৰ্তৃপক্ষই যৎপৰোনাস্তি চেষ্টা চলাইছিল।

শিল্প-বিপ্লৱৰ ফলত হোৱা সুফলৰ কোনো অংশ শ্ৰমিক শ্ৰেণীয়ে পোৱা নাছিল। কপাহ, লো, উল আৰু কয়লা শিল্পৰ উন্নতি হোৱাৰ লগে লগে এই শিল্পবোৰত জড়িত শ্ৰমিকসকলৰ অৱস্থাৰ অৱনতিহে ঘটিছিল। ক্ৰমে এহাতে ধনী মালিক শ্ৰেণী আৰু আনহাতে বৃহৎ সংখ্যক দৰিদ্ৰ সৰ্বহাৰা শ্ৰেণীৰ উদ্ভৱ হৈছিল।

শ্ৰমিক শ্ৰেণীৰ অৱস্থা ইমানেই শোচনীয় হৈছিল যে তেওঁলোকে নিজৰ নাবালক ল'ৰা-ছোৱালীকো কাৰখানা আৰু খনিত কাম কৰিবলৈ পঠিয়াব লগাত পৰিছিল। গোটেই ঘৰখনে কাম কৰাৰ বিনিময়তহে দুবেলা দুমুঠি গোটাব পৰা হৈছিল। শিল্প-বিপ্লৱৰ আৰম্ভণিতে প্ৰতিষ্ঠা হোৱা কাৰখানাবোৰ জলশক্তিৰ দ্বাৰা চালিত হৈছিল। সেয়ে এইবোৰ স্থাপিত হৈছিল নৈ বা নিজৰাৰ পাৰত। স্বাভাৱিকতে এনে ঠাইবোৰ আছিল নিৰ্জন। ইতিমধ্যে বাষ্পশক্তিৰ আৱিষ্কাৰ হ'ল আৰু এই শক্তি ঘাইকৈ লণ্ডন আদি প্ৰধান চহৰত ব্যৱহৃত হ'ল।উদ্বৃত্ত শ্ৰমিকসকল গ'ল জলশক্তিচালিত কাৰখানাবোৰলৈ। এইবোৰলৈ বিশেষকৈ পঠোৱা হৈছিল শিশু শ্ৰমিকসকলক।

১৮০১ চনত প্ৰথম কাৰখানা আইন তৈয়াৰ কৰা হয়। যদিও ইয়াত শিশু শ্ৰমিকৰ কল্যাণৰ বাবে কেতবোৰ ব্যৱস্থা ৰখা হৈছিল, সেইবোৰ প্ৰায় ১৮৩১ চনলৈ বাস্তৱত প্ৰয়োগ কৰা হোৱা নাছিল। কাৰণ আইন প্ৰয়োগ সম্পৰ্কে তদাৰক কৰিবলৈ শ্ৰম বিষয়া নাছিল।

লাহে লাহে শ্ৰমিক সকলৰ মাজত চেতনাৰ উদয় হ'ল। অৱশ্যে সকলো মালিকেই যে অত্যাচাৰী আছিল তেনে নহয়। তথাপি এই কথা সাধাৰণভাৱে সত্য আছিল যে উচ্চ শ্ৰেণীয়ে তলৰ শ্ৰেণীৰ ওপৰত শোষণ-উৎপীড়ন চলাইছিল। পুঁজিবাদী উৎপাদন-প্ৰণালীয়ে অৱশেষত শ্ৰমিক শ্ৰেণীৰ কল্যাণ সাধিব বুলি সেই সময়ৰ ইংলণ্ডৰ বুদ্ধিজীৱীয়ে ভাবিছিল। ধৰ্ময়ো শ্ৰমিকসকলক শোষণত সহায় কৰিছিল।

তৎসত্ত্বেও ক্ৰমাৎ শ্ৰমিক সংঘবোৰ গঢ়ি উঠিবলৈ ধৰিছিল। লগে লগে সমবায় আন্দোলনৰো উদ্ভৱ হ'ল। কিন্তু তেতিয়ালৈ শ্ৰমিকসকলৰ ল'ৰা-ছোৱালীৰ বাবে শিক্ষাৰ বন্দোবস্ত নাছিল। ধনী শ্ৰেণীয়ে ভাবিছিল যে যদি শ্ৰমিকৰ সতি-সন্ততিক লেখা পঢ়াৰ সুবিধা দিয়া হয় তেন্তে সিহঁত বিদ্ৰোহী হৈ উঠিব।

শিল্প-বিপ্লৱৰ আদিছোৱাত এহাতে যেনেকৈ দেশৰ সম্পদ বৃদ্ধি হৈছিল, আনহাতে সেই সম্পদ মুষ্টিমেয় লোকৰ হাতত কেন্দ্ৰীভূত হোৱাত জন সাধাৰণ দৰিদ্ৰ হৈ ৰৈছিল। মানুহৰ মাজত মানবীয় সম্পৰ্কৰ অন্ত পৰিছিল।

'দি টাউন লেবাৰাৰ'ৰ পিছত হেমন্ত দম্পতিয়ে 'দি স্কীলড লেবাৰাৰ' 'দি ৰাইজ অব মডাৰ্ন ইণ্ডাষ্ট্ৰি' আদি কেবাখনো গ্ৰন্থ লেখে। অৰ্থনৈতিক ইতিহাসত মানবীয় দৃষ্টিভঙ্গীৰ প্ৰয়োগ কৰি তেওঁলোকে এটা নতুন ধাৰাৰ সৃষ্টি কৰি থৈ যায়।

ডি এইচ্ লৰেন্সৰ ছন্স এণ্ড লাভাৰ্ছ

(৭৬)

ইংলেণ্ডৰ নটিংহাম অঞ্চলৰ ইষ্টউডত ১৮৮৫ চনৰ ১১ চেপ্তেম্বৰত ডেভিড হাৰ্বাৰ্ট লৰেন্সৰ জন্ম হয়। বাপেক আছিল কয়লা খনিত কাম কৰা বনুৱা। বিয়াৰ আগতে লৰেন্সৰ মাক আছিল এগৰাকী শিক্ষয়িত্ৰী। তেওঁ নিজৰ ল'ৰাহঁতক খনি-বনুৱা নকৰিবলৈ দৃঢ় প্ৰতিজ্ঞ হৈছিল। ডাঙৰ ল'ৰা আৰ্ণেষ্টে স্কুলীয়া শিক্ষা শেষ কৰি কেৰাণীৰ কাম লোৱাত মিছেছ লিডিয়া লৰেন্স সুখী হৈছিল।

লৰেন্স দম্পতিৰ পাঁচোটা সন্তানৰ ভিতৰত ডেভিড সৰুৰে পৰা আছিল অনুভূতিপ্ৰৱণ। সৌন্দৰ্যৰ প্ৰতি অনুৰাগ আৰু শিল্প কলাৰ প্ৰতি আগ্ৰহ তেওঁৰ মাজত পৰিস্ফুট হৈছিল। স্থানীয় স্কুলৰ পৰা বৃত্তি পোৱাত তেওঁক নটিংহাম হাইস্কুলত ভৰ্তি কৰোৱা হয়। চৈধ্য বছৰ বয়সত ডেভিডে স্কুল এৰি ডাক্তৰী যন্ত্ৰপাতি তৈয়াৰ কৰা 'হেইড' নামৰ কাৰখানা এটাত সোমায় আৰু ইয়াতে লগ পায় জেছি চেম্বাৰ্ছক। এই জেছি চেম্বাৰ্ছক ডেভিডে 'ছন্স এণ্ড লাভাৰ্ছ' উপন্যাসৰ 'মিৰিয়াম' চৰিত্ৰৰ মাজেৰে চিহ্নিত কৰিছিল।

জেছি লৰেন্সতকৈ এবছৰৰ সৰু আছিল। লৰেন্সৰ দৰে তাইৰো পঢ়াৰ প্ৰতি ৰাপ আছিল। লৰেন্স প্ৰায়েই সিহঁতৰ ঘৰলৈ গৈছিল, একেলগে কবিতা পঢ়িছিল আৰু ফুৰিছিল। জেছিয়েই লৰেন্সৰ মনত লেখাৰ প্ৰতি স্পৃহা জগাই তোলে। এইদৰেই লৰেন্সে কবিতা আৰু চুটিগল্প লেখিবলৈ আৰম্ভ কৰে।

ডেভিডৰ ককায়েক আৰ্ণেষ্টে লণ্ডনত কেৰাণীৰ কাম কৰিছিল। হঠাতে তাৰ মৃত্যু হ'ল। ডেভিডো নিউমোনিয়া ৰোগত পৰিল। মাকৰ অশেষ যত্ন শুশ্ৰূষাত ডেভিড আৰোগ্য হ'ল। তেতিয়াৰ পৰা মাকৰ সমস্ত আকৰ্ষণ পুতেক ডেভিডৰ ওপৰত কেন্দ্ৰীভূত হ'ল।

ৰোগমুক্ত হোৱাৰ পিছত ডেভিডে আগৰ কামটো এৰি দি শিক্ষক বৃত্তিৰ বাবে প্ৰশিক্ষণ ল'লে। ডেভিড আৰু জেছিৰ কৈশোৰ কালৰ প্ৰেমে পৰিণত অৱস্থা নাপালেগৈ। পিছত জেছিয়ে তাইৰ জীৱন সোঁৱৰণত লেখিছিল যে

ডেভিডৰ মাকৰ কাৰণেই তাই ডেভিদৰ সৈতে সম্পৰ্ক ৰাখিবলৈ ইচ্ছা নকৰিলে, তদুপৰি সেই সময়ত ডেভিডো যৌন-বিষয়ত আছিল শংকিত ধৰণৰ।

জেছিয়েও শিক্ষক বৃত্তিৰ বাবে প্ৰশিক্ষণ লৈছিল। ডেভিড আৰু তাইৰ মাজত আগৰ দৰে আনুভূতিক সম্পৰ্ক নাথাকিলেও দুয়োৰে বন্ধুত্ব অটুট আছিল। ডিপ্লোমা লাভ কৰাৰ পাছত ১৯০১ চনত লৰেন্স ক্ৰয়ডনলৈ গৈ ডেভিডছন বোড স্কুলত শিক্ষকৰ কামত সোমায়। এই বছৰটো লৰেন্সৰ বাবে আছিল স্মৰণীয়। এই সময়তে জেছিৰ চেষ্টাত লৰেন্সৰ কেইটামান কবিতা 'দি ইংলিছ ৰিভিউ' পত্ৰিকাত পোন-প্ৰথমবাৰৰ বাবে প্ৰকাশ হয়। এই বছৰতে লৰেন্সে লেখা 'দি হোৱাইট পিকক' নামৰ উপন্যাসখন প্ৰকাশন সংস্থা হাইনেমানে প্ৰকাশৰ বাবে গ্ৰহণ কৰে। ১৯১১ চনত উপন্যাসখন প্ৰকাশ পায়। লৰেন্সৰ মাক সেই সময়ত মৃত্যু শয্যাত। মৃত্যুৰ আগতে তেওঁ এই কথা জানি সুখী হৈছিল যে পুতেকৰ এখন উপন্যাস প্ৰকাশ হ'ল। মাকৰ মৃত্যুৰ পিছত তেওঁ দ্বিতীয় উপন্যাস 'দি ট্ৰেছপাছা'ৰ সমাপ্ত কৰে। তৃতীয় উপন্যাস 'ছন্স এণ্ড লাভাৰ্ছ'ৰ পাণ্ডুলিপিটো লৰেন্সে প্ৰথমে জেছি চেম্বাৰ্ছক পঢ়িবলৈ দিয়ে। জেছিৰ পৰামৰ্শমতে পাণ্ডুলিপিৰ কিছু সালসলনি ঘটোৱা হয়। ১৯১২ চনত লৰেন্সৰ ফ্ৰিডা নামৰ এজনী ছোৱালীৰ সৈতে প্ৰেম জন্মে আৰু দুয়ো ইটালীলৈ যায়। তাতেই লৰেন্সে 'চন্স এণ্ড লাভাৰ্ছ'ৰ চূড়ান্ত ৰূপ দিয়ে। ১৯১৩ চনৰ মে' মাহত উপন্যাসখন প্ৰকাশিত হয়।

'ছন্স এণ্ড লাভাৰ্ছ'ৰ প্ৰথম খণ্ডটো সম্পূৰ্ণৰূপে আত্মজীৱনীমূলক। ইয়াত পল মৰেল (ডেভিড লৰেন্স) আৰু ভাতৃ উইল (আৰ্নেষ্ট লৰেন্স)ৰ ল'ৰাকালৰ দিনবোৰৰ কথা বৰ্ণনা কৰা হৈছে। তদুপৰি আৰু মিছেছ মৰেল (ডেভিডহঁতৰ মাক)ৰ চৰিত্ৰ।

ভূতপূৰ্ব শিক্ষয়িত্ৰী মিছেছ মৰেল যিদৰে দয়াৱতী, সেইদৰে চাৰিত্ৰিক দৃঢ় মনোবল সম্পন্না। ইয়াৰ ফলত দিন যোৱাৰ লগে লগে তেওঁৰ আৰু তেওঁৰ খনি-বনুৱা, স্বামীৰ মাজত মনোমালিন্য বাঢ়িবলৈ ধৰে। প্ৰথমে স্বামীক ভাল পথলৈ অনাৰ চেষ্টা মিছেছ মৰেলে কৰিছিল। কিন্তু হিতে বিপৰীত হ'ল। গিৰিয়েক ৱাল্টাৰ মৰেল ক্ৰমাৎ আগতকৈও বেয়া হ'ল। তেওঁ বেছি ৰাতিলৈ বাহিৰত থকা হ'ল আৰু দৰমহাৰ টকা বন্ধু-বা ৱৰ সৈতে মদ খাই উৰুৱাই

দিবলৈ ধৰিলে। মিছেছ মৰেলে সেয়ে গিবিয়েকৰ তুলনাত ল'ৰা হোৱালী কেইটাৰ প্ৰতি অধিক যত্ন লবলৈ ধৰিলে। শাৰীৰিকভাবে দুৰ্বল হলেও তেওঁ আছিল দৃঢ় মনোবল সম্পন্না নাৰী আৰু সেয়ে ল'ৰাইঁতক দেউতাকৰ বৃত্তি ল'বলৈ নিদিয়াত দৃঢ় হৈছিল। এই কামত তেওঁ কিছু কৃতকাৰ্য হ'ল।

উইলিয়ে লণ্ডনত ভাল বেতনৰ কাম এটা পালে। কিন্তু মাকে তাৰ ওপৰত ইমান প্ৰভাৱ বিস্তাৰ কৰি থাকিল যে সি মাকৰ বাহিৰে আন কাকো প্ৰকৃততে ভাল পাবলৈ সক্ষম নহ'ল। এজনী সাধাৰণ বুদ্ধিৰ ছোৱালীৰ সৈতে তাৰ বিয়াৰ বন্দোবস্ত হ'ল।

চৈধ্য বছৰ বয়সত পল মৰেলে নটিংহামত 'জৰ্ডান' নামৰ ডাক্তৰী যন্ত্ৰ-পাতি তৈয়াৰ কৰা প্ৰতিষ্ঠান এটাৰ চাকৰিত সোমাল। উইলি লণ্ডনত থকা বাবে মাকৰ সৈতে পলৰ সম্পৰ্ক ওচৰ হ'ল।

এদিন মিছেছ মৰেলে পলক লগত লৈ এজন খেতিয়কৰ পত্নী মিছেছ লেইভাৰ্ছৰৰ ওচৰলৈ যাবলৈ ওলাল। মিছেছ মৰেলে এটা নতুন ব্লাউজ পিন্ধিছিল। দুয়ো গাঁৱলীয়া বাটেৰে খোজ কাঢ়ি আনন্দ পালে। খেতিবাতি দেখি পলে বৰ সুখ অনুভৱ কৰিলে।মিছেছ লেইভাৰ্ছৰ জীয়েক মিৰিয়াম পলৰ সৈতে পৰিচিত হ'ল। মিছেছ লেইভাৰ্ছে পলক সিহঁতৰ ঘৰলৈ মাজে মাজে আহিবলৈ অনুৰোধ জনালে।

উইলিৰ হঠাতে লণ্ডনত মৃত্যু হ'ল। শোকত মিছেছ মৰেলে পলৰ প্ৰতিও উদাসীনতা অৱলম্বন কৰিলে। ইতিমধ্যে পলৰ নিউমোনিয়া হোৱাত মাকে শুশ্ৰূষা কৰি আৰোগ্য কৰিলে। বেমাৰৰ পিছৰ পৰা মিছেছ মৰেলৰ সমস্ত ভালপোৱা পলৰ ওপৰত ন্যস্ত হ'ল।

পলে বেছিভাগ সময় মিৰিয়ামহঁতৰ পামত কটাবলৈ ধৰিলে। তাৰ দৰে মিৰিয়ামৰো আছিল কবিতা চিত্ৰকলাৰ প্ৰতি অনুৰাগ।দুয়ো দুয়োৰো প্ৰতি আকৰ্ষিত হ'ল। ক্ৰমে মিৰিয়াম গাভৰু হ'ল, পলো ডেকা হ'ল। সিহঁত দুয়োৰো মিলা প্ৰীতি দেখি মিছেছ মৰেল ঈৰ্ষান্বিত হ'ল আৰু মিৰিয়ামৰ লগত বেয়া ব্যৱহাৰ কৰিবলৈ ধৰিলে। এদিন পলে মাকক লক্ষ্য কৰি দেখিলে যে মাক বৰ দুৰ্বল হৈছে। মাকক সেইকথা কোৱাত মাকে অভিযোগ কৰিলে যে মিৰিয়ামৰ প্ৰতি অধিক মনোযোগ দি পলে তেওঁক অৱহেলা কৰিছে। যি হওক অৱশেষত

মিৰিয়ামৰ সৈতে পলৰ সম্পৰ্ক নাইকিয়া হ'ল। ক্লাৰা নামৰ বিবাহ বিচ্ছেদ হোৱা এজনী মহিলাৰ সৈতে পলৰ প্ৰেম হ'ল। তথাপি শেষবাৰৰ বাবে পলে মিৰিয়ামক বিয়াৰ প্ৰস্তাৱ দিলে। পুনৰ আগৰ গিৰিয়েকৰ সৈতে সি ক্লাৰাৰ মিলন ঘটালে।

ইতিমধ্যে মিছেছ মৰেল কৰ্কট ৰোগত আক্ৰান্ত হ'ল। যন্ত্ৰণা অসহ্য হোৱাত পলে মাত্ৰাধিক মৰ্ফিন খুৱালে আৰু মাকে যন্ত্ৰণাৰ পৰা মৃত্যুৰ কোলাত শান্তি লভিলে। অন্ত্যেষ্টিক্ৰিয়াৰ পিছত পলে মিৰিয়ামক পুনৰ বিয়াৰ প্ৰস্তাৱ দিয়াত মিৰিয়ামে সুধিলে—'সঁচাকৈয়ে তুমি মোক বিচাৰানে?' পলে উত্তৰ দিলে—'নিবিচাৰোঁ'।

মিৰিয়াম আৰু পল চিৰদিনৰ বাবে এৰাএৰি হ'ল। সি নটিংহাম অভিমুখে গুচি গ'ল।

'ছন্স এণ্ড লাভাৰ্ছ' উপন্যাসৰ মূল বিষয়বস্তু হ'ল 'ইডিপাছ কমপ্লেক্স'!

(৭৭)

যিবিলাক ল'ৰা-ছোৱালীয়ে পৰীক্ষাৰ কাৰণে মতেঁইৰ ৰচনাৱলী পঢ়িবলৈ বাধ্য হয়, তেওঁলোকে কিতাপখনত বৰ সোৱাদ নাপায়; তাত দেখে, কিছুমান জ্ঞানগর্ভ মন্তব্য যিবোৰ ইতিমধ্যে মানুহৰ মুখে মুখে হৈছে আৰু দেখে, গ্রীক আৰু লাতিন ভাষাৰ পৰা অনা উদ্ধৃতিৰে ৰচনাবোৰ ভাৰাক্রান্ত। 'মইনো আচলতে কি জানো ?' এইটোৱেই আছিল মতেঁইৰ সাৰ কথা। তেওঁ প্রতিষ্ঠিত বিশ্বাসবিলাকত সন্দেহ প্রকাশ কৰিছিল। তেওঁৰ মনৰ স্বাধীনতা আছিল অসীম। তেওঁৰ কালত তেওঁ আছিল এক কু-সংস্কাৰমুক্ত প্রবুদ্ধ ব্যক্তি। শাস্তিদানৰ বিৰুদ্ধে পৰাক্রান্ত লেখনী বুলি কৈছিল। স্পেনীয় সকলক তেওঁলোকে মেক্সিকো আৰু পেৰুত চলোৱা বর্বৰতাৰ কাৰণে তীব্র সমালোচনা কৰিছিল। তথাপি এই ৰচনাৱলীয়ে আজি আমাক কিবা বিশেষ দিব পাৰিব বুলি কব নোৱাৰি। আকৌ, জনদিয়েক বিখ্যাত লেখকে মতেঁইৰ ৰচনাসমূহক বয়সস্থ মানুহৰ কাৰণেহে বুলি আখ্যা দিছে। মতেঁইৰ প্রতি অনুৰক্ত আঁদ্র লেণ্ডেও লেখিছে 'তেওঁ পুৰুষৰহে লেখক, নাৰীৰ নহয়; এজন ক্লান্ত মানুহৰহে লেখক, সজীৱ মানুহৰ নহয়। আজি পলমকৈ তেওঁৰ কাৰ চাপিলোঁ। কিন্তু অৱশেষত আমি আটায়ে গৈ তেওঁৰ সজ্জিত গ্রন্থাগাৰত বিশ্রাম লওঁহক।' গতিকেই আমি ইয়াৰ পৰা এনে এখন ছবি পাওঁ যিখন ছবি হ'ল- বয়সস্থ লোকৰ জিৰণি-ঘৰৰ, যেতিয়া নানান ধৰণৰ ভাবনা আহে যৌৱাৱাগীৰ পৰা মানুহৰ আত্মম্ভৰিতালৈ, ল'ৰা-ছোৱালীৰ শিক্ষাৰ পৰা অদ্ভুত ঘটনা কিছুমানলৈ। এই জল্পনা-কল্পনাবোৰত বলিষ্ঠ হ'ব পাৰে; কিন্তু যিচাম মানুহ ইতিহাসৰ ৰূপৰেখাৰ চিন্তাত মগ্ন, ফ্রয়েডীয় মনস্তত্ত্ব আৰু ছাত্রৰ পৰা আমেৰিকাৰ ডেকা ঔপন্যাসিক সকললৈকে যি নতুন চামটো নতুন নতুন চিন্তাত নিবিষ্ট, তেওঁলোকৰ কাৰণে এনে বিষয়ৰ প্রাসংগিকতা কম।

ডেকা-গাভৰুৱে কিবা পঢ়িলে তাৰ পৰা প্রাণোচ্ছল উদ্দীপক অর্থ যদি বিচাৰে সি সম্পূর্ণ যথার্থ। কিন্তু মতেঁইৰ ৰচনাৱলীত যে কেৱল সম্ভ্রান্ত আৰু

শান্ত সৌম্য পণ্ডিতমন্য ব্যক্তিহে লগ পোৱা হয়, সেইষাৰ কথাও সমূলি সঁচা নহয়। ওপৰত উনুকিওৱা আঁদ্র লেঙৰ 'অৱশেষত আমি আটায়ে গৈ তেওঁৰ সজ্জিত গ্ৰন্থাগাৰত বিশ্ৰাম লওঁহক' বোলা কথাষাৰ প্ৰণিধানযোগ্য। মতেঁই আঢ্যৱন্ত লোক আছিল, তেওঁ জৰ্ডান নৈৰ পাৰত বৰ্ডোৰ এক মনোৰম প্ৰাসাদত বাস কৰিছিল। কিন্তু তেওঁ কোনো 'সজ্জিত গ্ৰন্থাগাৰত' বহি তেওঁৰ ৰচনাৱলী প্ৰণয়ন কৰা নাছিল; লেখিছিল এটা আন্ধাৰ কোঠাৰ সিঁচৰতি হৈ থকা কিতাপৰ দ'মৰ মাজত। এই কোঠাটো তেওঁৰ প্ৰাসাদৰ পৰা আঁতৰত আছিল। ইয়াতেই তেওঁ শুইছিল আৰু বৃদ্ধ বয়সত তেওঁ ইয়াতেই কালাতিপাত কৰিছিল, আন নালাগে ইয়াৰে পৰাই গীৰ্জাৰ প্ৰাৰ্থনাগীতো শুনিছিল।

মাইকেল দ্য মতেঁই (Michel de Montaigue) আছিল ফৰাচী দেশীয় লোক। তেওঁৰ সমসাময়িক সমাজত প্ৰচলিত কেতবোৰ বিশ্বাস আৰু ধাৰণাক পোন প্ৰথমবাৰৰ বাবে তেওঁ প্ৰত্যাহ্বান জনাইছিল। তেওঁৰ ৰচনাৱলীত যদিও তেওঁৰ এনেবোৰ চিন্তাৰ প্ৰতিফলন ঘটা নাই সেইবোৰৰ জৰিয়তে তেওঁ বিভিন্ন বিষয়ৰ সন্দৰ্ভত কৰা মন্তব্যবোৰে মানুহক চিন্তাৰ খোৰাক যোগায়। মতেঁইৰ কেতবোৰ জ্ঞানগৰ্ভ উক্তি আজিও প্ৰণিধানযোগ্য। মতেঁয়ে নিৰ্জনতা ভাল পাইছিল। এই সম্পৰ্কে তেওঁ কৈছিল, 'মানুহৰ জীৱনত মস্কিলৰ কথা হ'ল এয়ে যে তেওঁ কেইটামান ঘণ্টাৰ বাবেও নিজৰ সৈতে অকলে থাকিব নোৱাৰে।'

নিৰ্জনতা ভাল পালেও মতেঁই সমাজত্যাগী নাছিল, বৰং তেওঁ সমাজপ্ৰিয় আৰু সংগপ্ৰিয় লোকহে আছিল। ১৫৩৩ চনত তেওঁৰ জন্ম হয়। দেউতাকে সৰুৰ পৰা তেওঁক অনুশাসনৰ মাজত নাৰাখি স্বাভাৱিক আৰু মুক্ত চিন্তাৰে ডাঙৰ হোৱাটো কামনা কৰিছিল। শিক্ষাৰ অন্তত তেওঁ দণ্ডাধীশ কামত নিযুক্ত হৈছিল।

মতেঁইৰ সময়ত ফ্ৰান্সত কেথলিক আৰু প্ৰটেষ্টান্ত সকলৰ মাজত চলা অৰিয়া-অৰিয়ে গৃহযুদ্ধৰ ৰূপ ধাৰণ কৰিছিল। ফ্ৰান্সৰ ৰাজতন্ত্ৰই মধ্যপন্থা অৱলম্বন কৰি দুয়োপক্ষৰ মাজত শান্তি স্থাপনৰ প্ৰচেষ্টা চলাই গৈছিল। ১৫৮১ চনত ৰজাই তেওঁক বোৰ্ডো নগৰৰ মেয়ৰৰ পদত নিযুক্ত কৰে। এই পদত তেওঁ চাৰি বছৰ কাল আছিল। ১৫৯১ চনত তেওঁৰ মৃত্যু ঘটে।

দৈনন্দিন ঘৰুৱা জীৱনৰ পৰা আঁতৰি থাকিবলৈ মতেঁইয়ে প্ৰায়েই দেশ

বিদেশত ভ্ৰমণ কৰি ফুৰিছিল। তেওঁ কৈছিল, 'বিয়া হ'ল এনেকুৱা এটি চুক্তি য'ত প্ৰৱেশ মূল্য নাই, কিন্তু প্ৰৱেশ কৰাৰ পিছত নিজৰ ইচ্ছাৰ বিৰুদ্ধেও তাতেই আৱদ্ধ হৈ থাকিব লাগে।' তেওঁ কৈছিল, 'প্ৰকৃতিয়ে আমাক পৃথিৱীলৈ পঠিয়াইছে মুক্ত, বাধাহীন ভাৱে। আমি নিজেইহে নিজকে ক্ষুদ্ৰগণ্ডীৰ মাজত আৱদ্ধ কৰি ৰাখোঁ।

মতেঁইৰ ৰচনাৱলী স্মৃতি ৰোমন্থন বা স্বীকাৰোক্তি জাতীয় নহয়, বৰং মানৱ-চৰিত্ৰ আৰু প্ৰকৃতিৰ বিশেষত্ব সম্পৰ্কে তেওঁৰ অভিজ্ঞতাপুষ্ট মনৰহে প্ৰকাশ। তেওঁৰ মতে মানুহে নিজকে ফাঁকি দিবৰ কাৰণে নানা কৌশল অৱলম্বন কৰা বাবেই মানুহ অসুখী হ'ব লগা হয়। জীৱনৰ ইতিবাচক দিশটোৰ ওপৰত মতেঁইৰ আস্থা আছিল অপৰিসীম। 'অভিজ্ঞতা' শীৰ্ষক ৰচনাখনত তেওঁ লেখিছে, 'আমি নিজকে কেনেকৈ সুখী কৰিব পাৰোঁ সেই কথা জানিবলৈ আমাৰ হক আছে। আমি নিজৰ পৰিবেশ পৰীক্ষা নকৰাকৈ আন পৰিবেশৰ মাজত প্ৰৱেশ কৰিব বিচাৰো, কিন্তু নিজৰ পৰিবেশৰ মাজত থকা অৱস্থাখিনি বিচাৰ নকৰোঁ। আমি পেঙত উঠি খোজ কাঢ়িলেও দৰাচলতে নিজৰ ভৰি দুখনকে চালনা কৰিব লাগিব। পৃথিৱীৰ ভিতৰত সুউচ্চ সিংহাসনত বহিলেও নিজৰ তপিনা পাৰিয়েই বহিব লাগিব।"

এনেকুৱা ভালেমান জ্ঞানগৰ্ভ উক্তিৰে মতেঁইৰ ৰচনাৱলী পৰিপূৰ্ণ। 'ৰচনাৱলী' প্ৰকাশ হোৱাৰ লগে লগে ইউৰোপৰ নানা ভাষালৈ ই অনূদিত হয়। কথিত আছে যে, ছেক্সপীয়েৰে ইয়াৰ ইংৰাজী অনুবাদ পঢ়িছিল।

জন গেলছৱাৰ্থিৰ দি ফোৰছাইট ছাগা

(৭৮)

১৮৮৬ চনৰ ১৫ জুনৰ আবেলি লণ্ডনৰ হাইডপাৰ্কৰ ষ্টেনহোপ গেটৰ ওচৰত থকা মি: জলিয়ন ফোৰছাইটৰ বৈঠকখানাত ফোৰছাইট পৰিয়ালৰ বুঢ়া-বুঢ়ী, আদহীয়া তৰুণ, পুৰুষ-তিৰোতা লণ্ডনৰ বিভিন্ন অঞ্চলৰ পৰা আহি গোট খাইছিল। পৰিয়ালৰ কোনো এজনৰ বিবাহ হ'লে বা বিবাহৰ দিন স্থিৰ কৰাৰ দৰকাৰ হ'লে, নতুন শিশুৰ জন্ম হ'লে পৰিয়ালটোৰ মানুহবোৰ এইদৰেই গোট খায়হি আৰু গোট খায় সেই পৰিয়ালৰ কোনোবা ঢুকালেও। পিছে ফোৰছাইট পৰিয়ালৰ এতিয়ালৈকে কোনো মৰাই নাই। মৰাটো ফোৰছাইট পৰিয়ালৰ নীতিবিৰুদ্ধ কথা। তেওঁলোক বৰ খামি ডাঠ আৰু লেটেকা জীৱ। সম্পত্তিৰ প্ৰতি ৰাপ তেওঁলোকৰ অতি গাঢ়। ধন-দৌলত, ঘৰ-দুৱাৰ, মাটি-বাৰী আৰু তিৰোতা আৰু জীৱনটোৰতো কথাই নাই- এই যিবোৰ তেওঁলোকে পাইছে তাতে খামোচ মাৰি ধৰি থাকে তেওঁলোকে। পৰিয়ালৰ বয়সীয়া মানুহখিনি ইমানদিনলৈকে জীয়াই থাকে যে মৰণে তেওঁলোকক পাহৰিলে বুলি যদি কোনোবাই ভাবে তেন্তে তেওঁক মাফ কৰিব লাগিব। এইখিনিতেই তেওঁলোকৰ ভুল হয়। সৌৱা যে এচুকত আছে এন খুড়ী, তেওঁ ইয়াত বহি গোট খোৱা পৰিয়ালৰ মানুহখিনিৰ ভিতৰত আটাইতকৈ বৃদ্ধা। ১৭৯৯ চনতে তেওঁৰ জন্ম। পিতাকলৈ তেওঁ মনত পেলায়- ৰাজমিস্ত্ৰীৰ পৰা খোপে খোপে উঠি তেওঁ কেনেকৈ সুনিপুণ নিৰ্মাণকাৰী হৈছিলগৈ আৰু সপ্তাহ দিয়েকৰ পিছতেই তেওঁ কিবা গুঠি, কিবা পঢ়ি নীৰৱে বহি কটাই দিছিল। সৌ যে পিয়ানোটোৰ কাষত বহি আছে, চুঁচি-মাজি দাড়ি খুৰোৱা সমান চাৰিচুকীয়া মুখেৰে, শেঁতাপৰা চাম্‌ৰাৰ বৰণৰ, দুটা ওৱেষ্ট কোট পিন্ধা মানুহজন, তেওঁ হ'ল ছুইথিন খুড়া। আগতে তেওঁ ভূ-সম্পত্তিৰ ব্যৱসায় কৰিছিল। খিৰিকীৰ কাষত সেয়া তেওঁৰ যমজ ভাতৃ জেমছ খুড়া-চিটি ছলিচিটৰ প্ৰতিষ্ঠানৰ জ্যেষ্ঠ অংশীদাৰ, ওখই ছফুট; কিন্তু ককায়েকতকৈ ক্ষীণ। এওঁলোকৰ ডাঙৰ ককায়েক বুঢ়া জলিয়ন আৰু তেওঁৰ পুতেক ডেকা জলিয়নো আছে।

এন খুড়ী, হেষ্টাৰ খুড়ী আৰু জুলিও খুড়ী একেটা শাৰীতে বহি আছে। ৰোজাৰ খুড়া আৰু নিকোলাচ খুড়াও আছে।

বুঢ়া জলিয়নৰ নাতিনীয়েক মিছ জুন ফোৰছাইটৰ বিয়া সম্পৰ্কে আলোচনা কৰিবলৈ ফোৰছাইট পৰিয়ালৰ সদস্যসকল মিলিত হৈছে। জুনৰ বিয়া ঠিক হৈছে উদীয়মান স্থপতি শিল্পী ফিলিপ বছিনিৰ সৈতে। ফোৰছাইট পৰিয়ালৰ আন দুজন হ'ল কিছুদিন আগেয়ে বিয়া কৰোৱা ছোৱামিছ ফোৰছাইট আৰু তেওঁৰ পত্নী ইৰিন ফোৰছাইট। ইৰিনৰ বয়স ২৩/২৪ বছৰ আৰু ছোৱামিছৰ ত্ৰিশৰ দেওনা পাৰ হৈ গৈছে। 'ফোৰছাইট ছাগা'ৰ মূল ঘটনা ছোৱামিছ আৰু ইৰিনক কেন্দ্ৰ কৰি আগবাঢ়িছে।

বস্তুত: 'ফোৰছাইট ছাগা' এখন 'ত্ৰিলজী', তিনিখন উপন্যাসৰ সমাহাৰ: দি মেন অব প্ৰপাৰ্টি (১৯০৬), ইন চেন্সেৰি (১৯২০) আৰু টু লেট (১৯২১)। এই তিনিখন উপন্যাসৰ মাজত 'ইণ্ডিয়ান ছামাৰ অব এ ফোৰছাইট' (১৯১৮) নামৰ এখন সৰু উপন্যাসো আছে। ১৯২২ চনত আটাইকেইখন উপন্যাস গোট খুৱাই 'ফোৰছাইট ছাগা' নাম দি এখন গ্ৰন্থৰূপে প্ৰকাশ কৰা হয়। ইয়াত বিধৃত হৈছে ১৮৮০ চনৰ পৰা ১৯২০ চনৰ কালছোৱাৰইংলেণ্ডৰ উচ্চ মধ্যবিত্ত শ্ৰেণীৰ এখন বিশ্বস্ত চিত্ৰ।

গেলছ্ৱাৰ্দিয়ে আগে ভাগেই ঠিক-ঠাক কৰি 'ফোৰছাইট ছাগা' লেখা নাছিল। 'দি মেন অব প্ৰপাৰ্টি' লেখাৰ পিছত তেওঁ অন্যান্য উপন্যাস, নাটক আদি লেখিছিল। পিছত তেওঁ পুনৰ 'ফোৰছাইট' কাহিনীলৈ প্ৰত্যাবৰ্তন কৰে।

ফোৰছাইট কাহিনীৰ প্ৰাণকেন্দ্ৰ হ'ল ছোৱামিছ আৰু ইৰিন। এই দুই চৰিত্ৰ নথকা হ'লে কাহিনীৰ সংখ্যা ধৰি গণাই নহ'লহেঁতেন। ফোৰছাইট পৰিয়ালৰ ছোৱামিছৰ বাহিৰে আন সকলোৰে মনে চিতে বাসনা আছিল ধন উপাৰ্জন কৰা। ছোৱামিছে অন্তত: সৌন্দৰ্যক ধনৰ ওপৰত স্থান দিছিল আৰু সেই কাৰণেই এজন সাধাৰণ অধ্যাপকৰ ছোৱালী ইৰিনক বিয়া কৰায়। কিন্তু পাৰ্থিৱ সকলো দিও ছোৱামিছে ইৰিনৰ মন পোৱা নাছিল। ইতিমধ্যে জুন আৰু ফিলিপ বছিনিৰ বিয়া হৈ গ'ল। ঘটনাচক্ৰত বছিনি আৰু ছোৱামিছৰ মাজত ব্যৱসায়সংক্ৰান্ত কথাত মামলা-মোকৰ্দমা হ'ল। আনহাতে ছোৱামিছৰ পত্নী ইৰিন আৰু বছিনিৰ মাজত হ'ল অবৈধ প্ৰেম। মোকৰ্দমাত ছোৱামিছ

জিকিল। কিন্তু বায় ওলোৱাৰ দিনাই খণ্ডত একো-নাই হৈ ফোঁ-ফোঁৱাই বাটলৈ ওলাই যোৱাত এটা পথ-দুৰ্ঘটনাত বহিনিৰ মৃত্যু হ'ল।

ইৰিনে ছোৱামিছক ত্যাগ কৰি গুচি গ'ল আৰু পিছত ডেকা জুলিয়ন আৰু তাইৰ মাজত প্ৰেম হৈ দুয়োৰো বিয়া হ'ল। ভালেমান বছৰৰ পিছত ছোৱামিছেও ছোহোৰ ৰেস্তোৰা এখনৰ মালিকৰ জীয়েক এনেটক বিয়া কৰালে। ছোৱামিছ দম্পতিৰ এটি কন্যা সন্তানৰ জন্ম হ'ল। তাইৰ নাম ৰখা হ'ল ফ্লৰাৰ।

ফ্লৰাৰ ডাঙৰ হ'ল। তাই আকৌ প্ৰেমত পৰিল ইৰিন আৰু জলিয়নৰ পুত্ৰ জনৰ সৈতে। পৰিয়ালৰ বিভিন্ন ঠাল-ঠেঙুলিৰ মাজত থকা মনোমালিন্যৰ কথা ফ্লৰাৰ আৰু জনে মাত্ৰ শুনি যোৱাৰ বাহিৰে সবিশেষ একো নাজানিছিল। ছোৱামিছৰ আপত্তিৰ কাৰণে ফ্লৰাৰ আৰু জনৰ বিয়া নহ'ল। এদিন হঠাৎ হৃদৰোগত ছোৱামিছৰ মৃত্যু হ'ল।

জন গুৰ্চি গ'ল ব্ৰিটিছ কলম্বিয়ালৈ। ফ্লৰাৰৰ বিয়া হ'ল মাইকেল মণ্ট নামৰ এজন বেৰনৰ সৈতে। এই বিয়াৰ পিছত ছোৱামিছৰ ঘৰৰ আগত এখন জাননী আঁৰি দিয়া হ'ল 'টুলেট'- ভাড়ালৈ দিয়া হ'ব।

পাঠক-পাঠিকাই এই বৃহৎ উপন্যাসখনত ১৮৮০ৰ পৰা ১৯২০ চনলৈকে এই কালছোৱাৰ ব্ৰিটিছ উচ্চ মধ্যবিত্ত সমাজখনৰ এক তুলনাবিহীন ভাৱে যথাযথ আৰু অন্তৰঙ্গ চিত্ৰ ৰূপায়িত কৰা হৈছে।

'ফোৰছাইট ছাগা'ৰ বিশাল মহাকাব্যিক কাহিনী চমুৱাই লেখাটো হাতী মাৰি ভুৰুকাত ভৰোৱাৰ নিচিনা হয়। পৰিয়ালটোৰ উত্থান-পতনৰ কাহিনীৰ সৈতে জড়িত হৈ আছে ইংলেণ্ডৰ সমাজ-ইতিহাসৰ উত্থান-পতনৰ আভাস। গেলছৱৰ্থিয়ে ফোৰছাইটৰ ধাৰা কাহিনী দি মংকি, দি ছিলভাৰ স্পুন আৰু ছোৱান ছং নামৰ উপন্যাসতো বৰ্ণনা কৰিছে। এই তিনিখন উপন্যাস 'এ মডাৰ্ণ কমেডি' নামেৰে একত্ৰিত কৰি প্ৰকাশ কৰা হয়। ইংৰাজী উপন্যাসৰ ঐশ্চৰ্যৰ সুবৃদ্ধিত ফোৰছাইটৰ কাহিনী অবিস্মৰণীয় হৈ থাকিব।

উইলিয়াম ফকনাৰৰ দি ছাউণ্ড এণ্ড দি ফিউৰি

(৭৯)

কুৰি শতিকাৰ অন্যতম শ্ৰেষ্ঠ ঔপন্যাসিক বুলি স্বীকৃত উইলিয়াম ফকনাৰে ল'ৰাকালত প্ৰতিভাৰ কোনো লক্ষণ প্ৰদৰ্শন কৰা নাছিল। তেওঁ আছিল স্কুলৰ পৰা পলোৱা ল'ৰা। মাক-বাপেক আৰু শিক্ষকসকলে তেওঁক অধঃপাতে যোৱা ল'ৰাৰ শাৰীত ধৰিছিল। ল'ৰাকালৰ দিনবোৰ ফকনাৰে নিগ্ৰো লগুৱাসকলৰ লগত মাছ মাৰি আৰু চিকাৰ কৰি ভাল পাইছিল! কিন্তু বাহিৰা কিতাপ পঢ়াত তেওঁৰ নিচা সৰু কালৰ পৰাই আছিল আৰু যি কিতাপ হাতত পৰে তাকেই আগ্ৰহেৰে পঢ়িছিল। এই সময়তে তেওঁৰ লেখাৰ ইচ্ছাও জন্মে। কিন্তু নিজৰ চিন্তা যথাযথভাৱে প্ৰকাশ কৰিব নোৱাৰি কাগজৰ টুকুৰা কিছুমানত কিছুমান হিবিজিবি কথা লেখি যায়। অৱশেষত তেওঁ মিছিছিপি ষ্টেট ইউনিভাৰ্ছিটিত ইংৰাজী-সাহিত্য পঢ়িবলৈ লয়। প্ৰথমে তেওঁ লেখিছিল কবিতা। এনে সময়তে ইউৰোপত প্ৰথম মহাযুদ্ধ আৰম্ভ হোৱাত ডেকা ফকনাৰ কানাডিয়ান বিমান-বাহিনীত ভৰ্তি হয় আৰু পিছত ৰাজকীয় বিমান বাহিনীত লেফ্‌টেনেণ্ট পদ পায়। যুদ্ধৰ পিছত তেওঁ নিউ অৰ্লিন্সলৈ যায় আৰু তাতে 'ছল'জাৰ্ছ পে'(Soldier's) pay) নামৰ প্ৰথম উপন্যাসখন লেখে। বন্ধু নাট্যকাৰ ছেৰউড এণ্ডাৰছনৰ অনুৰোধত এজন প্ৰকাশকে উপন্যাসখন প্ৰকাশ কৰে। কিতাপখনৰ বাবদ পোৱা আগধনেৰে তেওঁ ইউৰোপ ভ্ৰমণলৈ যায়। কিন্তু উপন্যাসখনে উচ্চ প্ৰশংসিত হ'লেও আৰ্থিক দিশৰ পৰা বৰ কৃতকাৰ্যতা লাভ নকৰাত তেওঁ হতাশ হ'ল যদিও, লেখিবলৈ নেৰিলে । 'দি ছাউণ্ড এণ্ড দি ফিউৰি'খন লেখি তেওঁ প্ৰকাশকক দিয়াত প্ৰকাশকে পঢ়ি নতুনকৈ লেখিবলৈ ক'লে। তেওঁ পুনৰ উপন্যাসখনৰ পৰিমাৰ্জনা কৰিলে। ১৯২৯ চনত ই প্ৰকাশ হ'ল। 'দি স্পেক্টেটৰ' কাকতে লেখিলে- 'ই এক প্ৰতিভাৰ সৃষ্টি।' উপন্যাসখনে বিতৰ্কৰো জোৱাৰ তুলিলে। কাৰণ ইয়াত এটা সংঘৰ্ষময় কাহিনী ট্ৰেজেডিৰ ৰূপত ৰূপায়িত কৰা হৈছিল আৰু লেখাৰ ৰীতি আছিল সময়ৰ তুলনাত

আগবঢ়ায়। মিছিছিপিৰ প্ৰাচীন কম্পছন পৰিয়ালটো কেনেদৰে অন্তৰ্বিবাহ আৰু নিজৰ মাজৰ অমিতাচাৰৰ বাবে দূষিত ৰক্তৰ হৈ উঠি থানবান্ হৈ গ'ল সেই কাহিনী ইয়াত উপস্থাপন কৰা হৈছে। উপ-কাহিনীতে পৰিয়ালটোৰ নিগ্ৰো দাস সকলৰ কথাও আছে।

জেছন কম্পছন আৰু তেওঁৰ পত্নী কেৰোলাইনে যুগ পৰিবৰ্তন হোৱা কথাটোত বিশ্বাস নকৰিছিল। পুৰণি বিশাল ক্ষয়মান ঘৰটোত তেওঁলোকে বাস কৰিছিল। চৌহদৰ বাগিচাবোৰত অযত্নত গছি-বন গজিছিল। ঘোঁৰাশালত আছিল মাত্ৰ তিনিটা বুঢ়া ঘোঁৰা আৰু এখন ভগা ঘোঁৰাবাগী। তেওঁলোকৰ ল'ৰা-ছোৱালী চাৰিটা। দেখনিয়াৰ কুইণ্টিন, চঞ্চলা কেডি (কেনডেছে), গোমোৰামুৰা জেছন আৰু নিৰ্বোধ বেন্‌জি। নিৰ্বোধ বেনজিৰ বাবে মাক সুখী নাছিল। এনে এটা পুত্ৰ দিয়াৰ বাবে তাই ভগৱানৰ ওপৰত মনে মনে ক্ষুব্ধ হ'ল। বাপেক কম্পছন দুৱাৰ মাৰি পুথিভঁৰালটোত সোমাই সুৰাপান কৰিছিল। মাজে মাজে ওলাই আহি চাকৰবোৰক আৰু ল'ৰাছোৱালীহঁতক দাবী দিছিল। পৰিয়ালৰ ৰান্ধনী মেমি দিলছিৰ তত্ত্বাৱধানত ল'ৰা-ছোৱালীহঁত ডাঙৰ দীঘল হৈছিল। বুঢ়া বচোৱান ৰছকাছেও সিহঁতক চোৱাচিতা কৰিছিল।

কেডি ডাঙৰ হৈ অহাৰ লগে লগে ধুনীয়াও হ'ল। তাই কুইণ্টিনক সহজে বশ কৰিব পাৰিছিল আৰু নিগ্ৰো চাকৰ ভাৰ্ছ আৰু লাষ্টাৰৰ সৈতে ধেমালি-ধুমুলা কৰি ফুৰিছিল। গোমোৰামুৰা জেছনে এইবোৰত যোগ নিদি আঁতৰি ফুৰিছিল। সি নিৰ্বোধ বেন্‌জিক জোকাইহে ভাল পাইছিল। জেছনৰ দুষ্টালিত কেডিৰ খং উঠিছিল, কাৰণ তাই অঁকৰা ভায়েকটোক বৰ মৰম কৰিছিল। অঁকৰায়ো বায়েকক ভাল পাইছিল।

বেনজিয়ে যৌৱন লাভ কৰিলত বিপদ চাপি আহিল। এদিন সি স্থানীয় স্কুলৰ ছোৱালী এজনীক ধৰ্ষণ কৰিবলৈ খেদি ফুৰাত চহৰৰ মানুহে কেম্পছন বুঢ়া-বুঢ়ীক কিবাকিবি ক'লেহি। মাক-বাপেকে ডাক্তৰৰ সৈতে পৰামৰ্শ কৰি বেনজিক বীৰ্যহীন কৰালে। ইফালে কেডি আৰু কুইণ্টিনৰ মাজত অবৈধ যৌন-সম্পৰ্ক গঢ়ি উঠিল। ইতিমধ্যে মাক বাপেকে কুইণ্টিনক পঢ়িবলৈ হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়লৈ পঠোৱাৰ বন্দোবস্ত কৰিলে। কেম্পছন বুঢ়া-বুঢ়ী পুতেক কুইণ্টিন আৰু জীয়েক কেডিৰ অবৈধ কাৰ্যকলাপৰ কথা গম পাই পুতেকক

বিশ্ববিদ্যালয়লৈ পঠিয়াই দিলে আৰু জীয়েকৰ বাবে দৰা বিচাৰিবলৈ ধৰিলে।

কেডি আছিল লচপচী। তাই কেবাজনো ডেকাৰ লগত গোপন যৌন-সংসৰ্গত লিপ্ত হ'ল। তাইৰ স্বভাৱ দেখি মাক-বাপেক বাৰুকৈয়ে চিন্তিত হ'ল। অৱশেষত বেংকত কাম কৰা হাৰ্বাৰ্ট হেড নামৰ ডেকা এজনৰ সৈতে কেডিৰ বিয়াৰ বন্দোবস্ত হ'ল। কুইণ্টিনে হাৰ্ভাৰ্ডতে নৈত জাপ দি আত্মহত্যা কৰিলে।

বিয়াৰ পিছতো কেডি সুখী নহ'ল। তাইৰ এজনী ছোৱালী জন্মিল। তথাপি গিৰিয়েকৰ অজ্ঞাতে কেবাজনো প্ৰেমিকৰ সৈতে হুলিগলি চলাই থাকিল। ইতিমধ্যে বুঢ়া কেম্পছনৰ মৃত্যু হ'ল। পৰিয়ালৰ মুৰব্বী হ'ল ডেকা জেছন। জেছন আৰু মাকৰ মাজত সম্পত্তি লৈ প্ৰায়ে কাজিয়া হ'বলৈ ধৰিলে। অৱশেষত মাকে তাক পাঁচ হেজাৰ ডলাৰ লোহা-লক্কৰৰ দোকান এখনৰ অংশীদাৰ হ'বলৈ দিলে। জেছনে কিন্তু সেই টকা জমা ৰাখি লোহা-লক্কৰৰ দোকান এখনত মেনেজাৰৰ কামহে ল'লে। যিহেতু টকাই ক্ষমতা, সেয়ে জেছনে টকা সাঁচিবলৈ ধৰিলে। ঘৰুৱা সামান্য খৰচত বাদে তাৰ আচল খৰচ হ'ল সপ্তাহত এবোবাৰ ওচৰৰ বেশ্যালয়লৈ যোৱাত। নিগ্ৰো চাকৰবোৰৰ ওপৰতো সি অত্যাচাৰ কৰিছিল।

ইফালে কেডিৰ ছোৱালীজনী (তাইৰ নাম ৰখা হৈছিল কুইণ্টিন) বাৰ বছৰীয়া হ'ল। কেডি আৰু গিৰিয়েকৰ মাজত বিচ্ছেদ হোৱাত কেডিয়ে জীয়েক কুইণ্টিনক লৈ মাকৰ ঘৰলৈ আহিল। জেছনৰ সৈতে কাজিয়া লগাত কেডিয়ে জীয়েকক এৰি ক'ৰবালৈ গুচি গ'ল। গাভৰু কুইণ্টিন ৰান্ধনী মেমি দিলছিৰ তত্ত্বাৱধানত থাকিল।

কুইণ্টিনৰ চৰিত্ৰতো মাকৰ দৰে চঞ্চলা প্ৰবৃত্তি ফুটি উঠাত জেছন চিন্তিত হ'ল। কুইণ্টিনে ৰাতি ঘৰৰ পৰা মনে মনে ওলাই গৈ এজন ডেকাৰ সৈতে মিলিত হবলৈ ধৰিলে। এদিন কুইণ্টিন আৰু ডেকাজন আন এখন ৰাজ্যলৈ পলাই গ'ল।

কম্পছন পৰিয়ালৰ অবক্ষয় আৰু পতন প্ৰায় সম্পূৰ্ণ হ'ল বুঢ়ী মিছেছ কম্পছন শয্যাশায়ী হোৱাত। জেছন অনবৰত পুথিভঁৰালত সোমাই থাকে। নিৰ্বোধ বেন্‌জিয়ে হুলস্থূলৰ সৃষ্টি কৰে।

'দি ছাউণ্ড এণ্ড দি ফিউৰি'ক ফকনাৰৰ শ্ৰেষ্ঠতম উপন্যাস আখ্যা দিয়া হৈছে। কিন্তু ফকনাৰে নিজে ১৯৫৪ চনত প্ৰকাশিত 'দি ফেবল'(The Fable)খনকহে নিজৰ শ্ৰেষ্ঠতম সৃষ্টি বুলি গণ্য কৰিছিল। ১৯৩৯ চনত তেওঁ 'অ' হেনৰি স্মৃতি পুৰস্কাৰ' লাভ কৰে। দহ বছৰৰ পিছত তেওঁ পাই সাহিত্যৰ নোবেল পুৰস্কাৰ।

এই নোবেল বঁটা লবলৈ যাওঁতে তেওঁৰ ৰচনাৰ কলাকৌশলৰ সাৰমৰ্ম উপলব্ধি কৰিব পাৰোঁ তেওঁ কোৱা এই কথা কেইষাৰত:

'মই ভাবোঁ, এই পুৰস্কাৰ মই মানুহটোলৈ আগবঢ়োৱা হোৱা নাই- আগবঢ়োৱা হৈছে মোৰ কৃতিলৈ। এই কৃতি মানৱ প্ৰাণৰ বেদনা আৰু শ্ৰমেৰে সৃষ্ট জীৱন-কৃতি। এই কৃতিৰ লক্ষ্য কোনো খ্যাতি অৰ্জন নহয়, লাভ অৰ্জনতো দূৰৰে কথা। ইয়াৰ লক্ষ্য হ'ল- মানুহৰ প্ৰাণৰ সামগ্ৰীৰ পৰা এনে এক কৃতিৰ সৃষ্টি কৰা যি আগতে নাছিল। মানুহ যুগমীয়া হ'ব, কাৰণ মানুহৰ আত্মা আছে, এক প্ৰাণবল যাৰ সংবেদনশীলতা, ত্যাগ আৰু সহিষ্ণুতা আছে। লেখকৰ কৰ্তব্য হ'ল- এইবোৰৰ বিষয়ে ৰচনা কৰা। মানুহক তেওঁৰ হৃদয় উত্তোলিত কৰি সহন কৰিবলৈ. মানুহক তাৰ অতীতৰ গৌৰৱ, সাহস, মৰ্যাদা, আশা, গৰ্ব, সংবেদনশীলতা, পুতৌ আৰু ত্যাগৰ কথা সোঁৱৰাই দিবলৈ পোৱাটো লেখকৰ এটা বিশেষ অধিকাৰ।'

ফ্ৰাঁচোৱা মৰিয়াকৰ দ্য নট অৱ ভাইপাৰ্ছ

(৮০)

ফ্ৰান্সৰ বৰ্ডোত ১৮৮৫ চনৰ ১১ অক্টোবৰত ফ্ৰাঁচোৱা মৰিয়াকে জন্ম গ্ৰহণ কৰে। প্ৰথমে বৰ্ডো বিশ্ববিদ্যালয় আৰু পিছত পেৰিছত তেওঁ শিক্ষা লাভ কৰে।

১৯০৯ চনত মৰিয়াকৰ এটি কাব্য-সংকলন প্ৰকাশ পায়। ১৯১৩ আৰু ১৯১৪ চনত তেওঁ দুখন উপন্যাস প্ৰকাশ কৰে। ১৯৩২ চনত প্ৰকাশ পোৱা 'বিষধৰৰ মালা' (Le Nocud de Vipees:) ইংৰাজী অনুবাদত(The knot of the Vipers)তে ওঁৰ শ্ৰেষ্ঠতম সাহিত্যকীৰ্তি হিছাপে স্বীকৃত। ইয়াত উপস্থাপন কৰা মানবীয় কামনা, হতাশা, দুৰ্বলতা, অহংকাৰ, লোভ আৰু ঈৰ্ষাৰ অন্তৰালত মানবীয় চিৰন্তন অনুভূতিবোৰো পৰিস্ফুটিত। ৬৮ বছৰ বয়সীয়া বুঢ়া উকিল লুইৰ জীৱনৰ মাজেৰে মৰিয়াকে মানৱ জীৱনৰ কাহিনীকে বৰ্ণনা কৰিছে। বুঢ়াই ওৰে জীৱন ধৰি অন্তৰত ঘৈণীয়েক, ল'ৰা-ছোৱালী, নাতি-পুতিৰ প্ৰতি পুহি ৰখা ঘৃণাৰ বহিপ্ৰকাশ ঘটিছে বুঢ়াৰ অন্তিম কালত। এটা সময়ত বুঢ়াই চিঞৰি উঠিছে : 'মই জানো, মোৰ অন্তৰত আছে বিষধৰ সৰ্পৰ মালা। সি মোৰ অন্তৰত হেঁচি ধৰিছে। বিষত জৰ্জৰিত হৈও মোৰ অন্তৰে উশাহ লৈ আছে। এই মালা ছুৰীৰে ছেদন কৰিব লাগিব-মই শান্তিৰ সপক্ষে নহওঁ, যুদ্ধৰ সপক্ষে।'

কাহিনী কওঁতাজন পৰিয়ালৰ একমাত্ৰ ল'ৰা লুই। ল'ৰাটোৰ দেউতাক আছিল বৰ্ডো প্ৰশাসনৰ এজন উচ্চপদস্থ বিষয়া, কিন্তু সোনকালে তেওঁৰ মৃত্যু হয়। মাকে বৰ্ডোৰ ওচৰৰ কেলে নামৰ ঠাইত এখন সৰু জমিদাৰীৰ উত্তৰাধিকাৰিণী হ'ল। ইয়াৰ পৰা বছৰি আয় হৈছিল ৫০ হাজাৰ ফ্ৰাঁ। উনৈশ শতিকাৰ শেষৰ দুটা দশকত এই আয় অলপীয়া নাছিল। কিন্তু ল'ৰাটোৱে সিহঁতৰ আৰ্থিক অৱস্থা বৰ ভাল নহয় বুলি ভাবিছিল, কাৰণ মাক বৰ হিছাপী আছিল।

স্কুলত ল'ৰাটোৰ বিশেষ বন্ধু-বান্ধৱ বুলিবলৈ কোনো নাছিল। সি বেছিভাগ সময় পঢ়া-শুনাতে কটাইছিল। ফলত সি ক্ৰমে হীনমন্যতাত ভুগিবলৈ ধৰিলে। সি যুৱক হ'ল।

১৮৮৩ চনত মাক-পুতেক দুয়ো লুচন চহৰলৈ গ'ল। যিখন হোটেলত সিহঁত থাকিল, তাত ফন্দেডেজ পৰিয়ালটো আছিল। ফন্দেডেজহঁত মজলীয়া ধৰণৰ ব্যৱসায়ী। পৰিয়ালটোৰ দ্বিতীয়া ছোৱালী ইছা লুইৰ প্ৰেমত পৰিল। বিয়াৰ বন্দোৱস্ত হ'ল। বিয়াৰ পিছত লুইৰ মানসিক পৰিবৰ্তন আহিল। মাকে পুতেক-বোৱাৰীয়েকক বোৰ্ডোৰ ঘৰতেই থাকিবলৈ ক'লে। মাজে মাজে কেলেৰ ঘৰতো থাকিব পাৰিব বুলিও জনালে। লুইৰ আইন-ব্যৱসায় ক্ৰমাৎ ভাল হৈ আহিবলৈ ধৰিলে। সকলো ঠিকেই চলিছিল। পিছে এদিন ৰাতি ইছাই গিৰিয়েকৰ আগত স্বীকাৰ কৰিলে যে তাইৰ সৈতে বিয়াৰ আগতে তাই এজন উদ্যোগপতিৰ পুত্ৰ ৰডলফেক ভাল পাইছিল। কিন্তু ইছাৰ দুজন ভায়েক যক্ষ্মাৰোগত মৰা কাৰণে ৰডলফেৰ মাক-বাপেকে ইছাক পুতেকলৈ বিয়া নকৰালে।

ফন্দেডেজ পৰিয়াল চিন্তিত হৈছিল এইবাবেই যে উক্ত কাৰণতেই হয়তো কোনেও ইছাক বিয়া কৰাবলৈ আগবাঢ়ি নাহিব। ডাঙৰ জীয়েক জেনেবিয়েনেটক এজন বয়োবৃদ্ধ লোকলৈ বিয়া দিলে। মানুহজনৰ নাম বেৰন ফিলিপ। ইছাই লুইক বিয়া কৰোৱাত সেয়েফন্দেডেজ পৰিয়ালে ভালেই পালে।

ইছাৰ এই স্বীকাৰোক্তিৰ ফলত লুইৰ মনত তাইৰ প্ৰতি ঘৃণা উপজিল। অৱশ্যে সি ইছাক ত্যাগ নকৰিলে। সিহঁতৰ তিনিটা ল'ৰা-ছোৱালী জন্মিল— হিউবাৰ্ট নামৰ এটা ল'ৰা, জেনেভিয়েভ আৰু মেৰী নামৰ দুজনী ছোৱালী। কিন্তু লুইয়ে সন্তানহঁতৰ প্ৰতি বিশেষ দৰদ অনুভৱ নকৰিলে। সি নিজৰ কামতেই নিমগ্ন হ'ল আৰু সেয়াই তাৰ অভ্যাসত পৰিণত হ'ল। ল'ৰা-ছোৱালীহঁত ডাঙৰ হোৱাত সি হিউবাৰ্ট আৰু জেনেভিয়েভৰ প্ৰতি কঠোৰ হ'ল। কিন্তু সৰু-ছোৱালী মেৰীয়ে দেউতাকক ভয় নকৰিছিল।

সি পৰিয়ালৰ লোকসকলক ঘৃণা কৰাৰ উপৰিও কৃপণালি কৰিবলৈ ধৰিলে। টকা সাঁচি থোৱা তাৰ অভ্যাসত পৰিণত হ'ল। সি উপপত্নী কেইজনীমান ৰাখিছিল। এজনী উপ-পত্নীৰ গৰ্ভত ১৯০৯ চনত ল'ৰা এটা জন্মিল। তাৰ নাম থোৱা হ'ল ৰবাৰ্ট।

অতীত-বৰ্তমানৰ মাজেৰে উপন্যাসৰ বৰ্ণনা আগবাঢ়িছে। লুইয়ে উপন্যাসৰ কাহিনী কৈছে আৰু ই একপ্ৰকাৰে তাৰ স্বীকাৰোক্তি।

সৰু ছোৱালী মেৰীৰ হঠাৎ মৃত্যু হ'ল। মেৰীৰ মৃত্যুৰ পিছৰ পৰা লুই আৰু ইছাৰ প্ৰায়েই কাজিয়া হ'বলৈ ধৰিলে। মেৰীৰ মৃত্যুৰ অলপদিন আগতে বৰ জোৱায়েক বেৰন ফিলিপৰো মৃত্যু হ'ল। ফিলিপে উইল কৰি গ'ল যে যদি তাৰ স্ত্ৰীয়ে পুনৰ বিয়া কৰায়, তেন্তে তাই সা-সম্পত্তিৰ একো ভাগ নাপাব। তাই মাক-বাপেকৰ লগত কেলেত থাকিলহি।

এদিন তাই এজনী বান্ধৱীৰ ঘৰলৈ যোৱাৰ অছিলা হৈ ওলাই গ'ল। কিন্তু তাই বিয়াৰিজ চহৰলৈ গৈ এজন সাংবাদিকৰ সৈতে বিয়াত সোমাল। ল'ৰা জন্মৰ সময়ত তাইৰ মৃত্যু হ'ল। ল'ৰাটো জীয়াই থাকিল। তাৰ নাম থোৱা হ'ল লিউক। মাকৰ মৃত্যুৰ পিছত ইছায়েই লিউকৰ চোৱা-চিতা কৰিবলৈ ধৰিলে।

লিউক ডাঙৰ হোৱাত ১৯১৭ চনত তাক যুদ্ধলৈ সৈন্য হিচাপে নিয়া হ'ল। কিছুদিন পিছত বাতৰি আহিল যে সি সন্ধানহীন হৈছে। ইতিমধ্যে লুই বুঢ়া হৈ আহিছিল। সি ৰবাৰ্টক তাৰ উত্তৰাধিকাৰী হিচাপে মনোনীত কৰিব খুজি এদিন পেৰিছলৈ গ'ল। ৰবাৰ্টৰ বয়স তেতিয়া ৩৫ বছৰ। তাৰ মাকো এতিয়া বুঢ়ী হ'ল। পেৰিছত নানা ঘটনাৰ পিছত বৃদ্ধ লুই ঘৰলৈ উভতিল। ঘৰৰ দুৱাৰমুখ পাওঁতেই ক্লান্তিত সি মূৰ্চ্ছা গ'ল।

চেতনা অহাৰ পিছত দেখিলে যে তেওঁক তেওঁৰ ল'ৰা-ছোৱালীবোৰে আগুৰি আছে। এইখিনিতে এটা অসহ্য দৃশ্যৰ অৱতাৰণা হ'ল। তেওঁ তেওঁৰ ল'ৰা-ছোৱালীহঁতক ক'লে যে পেৰিছ পৰ্যন্ত সিহঁতে তেওঁৰ পিছ লৈছিল আৰু তেওঁ ক'ত আছিল সেইটো উলিয়াইছিলগৈ। প্ৰথম টেলিগ্ৰামখন পোনে পোনে তেওঁলৈ নপঠোৱাৰ কাৰণে সিহঁতক তেওঁ ককৰ্থনা কৰিছিল, যদিও তেওঁ বুজি পাইছিল যে সেইটো কৰা হ'লে সিহঁতে কৰা কামৰ প্ৰতি বিশ্বাসঘাতকতা কৰা হ'লহেঁতেন।

তেওঁৰ গা বৰ বেয়া আছিল, গতিকে ইছাৰ শৱ-সংকাৰৰ কামলৈ তেওঁ যাব নোৱাৰিলে। কিন্তু মৃতকলৈ তেওঁ শেষ শ্ৰদ্ধা জ্ঞাপন কৰিলে। শৱ সংকাৰ হৈ যোৱাৰ পিছত তেওঁৰ গা অলপ ভাললৈ আহিল। তেতিয়া হিউবাৰ্ট আৰু

জেনেভিয়েভে আকৌ তেওঁৰ ওচৰলৈ আহিল। হিউবার্টে তেওঁৰ অধিকাৰ সাব্যস্ত কৰি কথা ক'লে। তেওঁলোকে যিটো বিচাৰিছিল সি হ'ল উত্তৰাধিকাৰৰ ওপৰত তেওঁলোকৰ অধিকাৰ প্ৰতিষ্ঠা কৰা। তেওঁলোক দুয়োকো অলপ পৰ ক'ৰলৈ দি তেওঁ মোখনি মাৰি ক'লে যে তেওঁৰ সকলো সম্পত্তি তেওঁলোক দুজনৰ মাজত অবিলম্বে ভগাই দিব।

পোনতে তেওঁলোকে এইটোও এটা ফন্দি বুলিয়েই ভাবিছিল। শেষত অৱশ্যে তেওঁ যে সঁচাকৈয়ে কামটো কৰিব খুজিছে সেই সম্বন্ধে তেওঁলোকক পতিয়ন নিয়াব পাৰিলেগে। তেওঁলোকেও তেওঁৰ মৃত্যু নোহোৱা পর্যন্ত অপেক্ষা কৰিম বুলি ক'লে।

গতিকে তেওঁ কেলেইলৈ উভতি আহিল। ইয়াত তেওঁক পুৰাতন ভৃত্যসকলে চোৱা-চিতা কৰিলে। তেওঁৰ চৰিত্ৰও সম্পূর্ণ সলনি হৈ গ'ল। এতিয়া তেওঁক আমি আগতে শত্ৰুজ্ঞান কৰা লোক দুই-চাৰিকো সক-সুৰা কৰুণা প্ৰদর্শন কৰা দেখা পাওঁ, বিশেষকৈ জেনাইনক। গিৰিয়েকে এৰাৰ পিছত জেনাইন তেওঁৰ লগত থাকিবলৈ কেলেইলৈ আহিছে।

হঠাতে এযাৰ কথাৰ মাজতে বিৱৰণৰ ছেদ পৰে।

ইয়াৰ পিছত দুখন চিঠিৰ পৰা জনা গ'ল : লুইৰ মৃত্যু হ'ল।

'নট অব ভাইপাৰছ' (বিষধৰৰ মালা) প্ৰকাশ হোৱাৰ পিছত মৰিয়াক ফ্ৰেন্স একাডেমিৰ সদস্য নির্বাচিত হয়। দ্বিতীয় মহাযুদ্ধৰ সময়ত তেওঁ অন্যান্য লেখকসকলৰ সৈতে নাজী বাহিনীৰ বিৰুদ্ধে প্ৰতিৰোধ আন্দোলনত যোগ দিয়ে। ১৯৫২ চনত তেওঁ সাহিত্যত নোবেল পুৰস্কাৰ পায়।

টি-ই-লৰেন্সৰ দি ছেভেন পিলাৰ্ছ অব উইজডম

(৮১)

টমাছ এডৱাৰ্ড লৰেন্সৰ জন্ম হৈছিল ১৮৮৮ চনত ইংলেণ্ডৰ চৰ্নাৰভন্‌ছায়াৰৰ ট্ৰেমাদক নামৰ গাঁৱত। লৰেন্স ল'ৰাকালত স্কটলেণ্ড, জাৰ্ছি, ফ্ৰান্স আৰু হেম্পছায়াৰলৈ মাক-দেউতাকৰ লগত গৈছিল। তেওঁৰ বয়স আঠ বছৰমান হোৱাৰ সময়ত পৰিয়ালটোৱে অক্সফোৰ্ডত বসবাস কৰিবলৈ আৰম্ভ কৰে। সেই সময়ৰ ভিক্টোৰিয়ান নৈতিকতাৰ পৰিবেশ আৰু ধৰ্মৰ অনুশাসনমূলক পৰিবেশ দুয়োটাই তেওঁক সৰুৰে পৰা আত্মসংযমী কৰি তুলিছিল। ফলস্বৰূপে পিছৰ জীৱনকালত তেওঁ যেতিয়া 'আৰবৰ লৰেন্স' (Lawrence of Arabia) বুলি খ্যাত হৈছিল, তেতিয়া আৰবৰ মৰুভূমিত যথেষ্ট দৃঢ় মনোবলৰ পৰিচয় দিব পাৰিছিল।

সৰুৰে পৰা চোকাবুধীয়া লৰেন্সৰ স্মৃতিশক্তিও আছিল প্ৰখৰ। কিতাপ, বিশেষকৈ প্ৰাচীন দুৰ্গ অৱৰোধৰ কাহিনীৰ কিতাপ পঢ়ি তেওঁ বৰ ভাল পাইছিল। 'চিটি অব অক্সফোৰ্ড' স্কুলৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হৈ তেওঁ জেছাছ কলেজত ভৰ্তি হ'ল। তেওঁ নানা অভিযানমূলক কামৰ সৈতেও জড়িত হয়। সু-স্বাস্থ্যৰ গৰাকী হোৱা বাবে তেওঁ কষ্টকৰ কাম কৰাত পাৰ্গত আছিল।

ফ্ৰান্স আৰু ৱেলছৰ প্ৰাচীন দুৰ্গবোৰ চাই-চিতি ফুৰাৰ পিছত তেওঁ আৰবী ভাষা অধ্যয়ন কৰিবলৈ লয় আৰু 'ক্ৰছেদ'ৰ সময়ৰ দুৰ্গবোৰ নিৰীক্ষণ কৰিবলৈ ছিৰিয়ালৈ যায়। পিছত তেওঁ আৰবদেশৰ ডেৰা আৰু ডামাস্কাছলৈ যায়। তুৰ্কীসকলৰ বিৰুদ্ধে আৰবসকলৰ বিদ্ৰোহত এই ঠাই দুখনে গুৰুত্বপৰ্ণ ভূমিকা লৈছিল।

১৯১৪ চনত লৰেন্সে মধ্যপ্ৰাচ্যৰ ঐতিহাসিক জৰীপকাৰী দল এটাৰ লগত গাজা, বিৰছেবা, আমাবাকে ধৰি ভালেমান অঞ্চলত অনুসন্ধান চলায়। প্ৰথম মহাযুদ্ধ আৰম্ভ হোৱাত তেওঁ ব্ৰিটিছ সামৰিক বিভাগক মধ্যপ্ৰাচ্যৰ মেপ আঁকি দিয়াৰ দায়িত্ব সহজেই ল'ব পাৰিছিল। তেওঁ মধ্যপ্ৰাচ্যত আৰব বিদ্ৰোহক ৰূপায়িত কৰা কামত সহায় কৰে। 'দি ছেভেন পিলাৰ্ছ অব উইজদম'ত সেই

কাহিনীয়েই বিবৃত হৈছে। তেওঁ আৰব সকলৰ স্বাধীনতাৰ হকে ব্ৰিটিছ চৰকাৰক পতিয়ন নিয়াবলৈ সকলো প্ৰকাৰে চেষ্টা কৰিছিল।

১৯২১ চনত উইনষ্টন চাৰ্চিল উপনিবেশ সমূহৰ দায়িত্বত থকাৰ সময়ত তেওঁ আৰবৰ স্বাৰ্থৰক্ষাৰ হকে কাম কৰাৰ সুবিধা পালে। ১৯২২ চনত তেওঁ জন হিউম ৰছ ছদ্মনাম লৈ ৰাজকীয় বিমান বাহিনীত সোমায়, কিন্তু প্ৰকৃত পৰিচয় উদ্ঘাটিত হোৱাত তাৰ পৰা তেওঁ বিদায় ল'বলগীয়া হয়। তেওঁ লাইট-হাউছৰখীয়া বা আইৰিছ ফ্ৰি ষ্টেটৰ সৈন্য হোৱাৰ ইচ্ছা কৰে। কিন্তু টি, ই স্বনাম লৈ তেওঁ ৰাজকীয় টেংক বাহিনীত সোমায়।

যদিও সৈন্য বাহিনীৰ মাজত তেওঁ অতি জনপ্ৰিয় আছিল, তথাপি সৈনিক জীৱন তেওঁৰ বৰ প্ৰিয় নাছিল। তেওঁ তেওঁৰ মটৰ চাইকেলখনেৰে গাঁও অঞ্চলত ঘূৰি ফুৰিবলৈ ভাল পাইছিল। ১৯৩৫ চনৰ মে' মাহত এপডন হিথত থকা ঘৰলৈ মটৰ চাইকেলেৰে যাবলৈ ধৰোঁতে বাটত এজন ল'ৰাক দুৰ্ঘটনাৰ পৰা বচাব খোজোঁতে নিজে দুৰ্ঘটনাত পৰে আৰু ইয়াত পোৱা আঘাতৰ ফলতে তেওঁৰ মৃত্যু হয়।

আৰব দেশত ৰজা ফৈজালে দিয়া আৰবী পোছাক পিন্ধি উটত উঠি ফুৰা লৰেন্সৰ যিবোৰ আলোকচিত্ৰ আছে, সেইবোৰে তেওঁক ইংৰাজ সকলৰ মাজত কিংবদন্তীৰ নায়ক কৰি আজিও জীয়াই ৰাখিছে। তেওঁৰ চৰিত্ৰ আছিল সাঁথৰৰ দৰে দুৰ্বোধ্য। তেওঁ লেখি থৈ যোৱা 'ছেভেন পিলাৰ্ছ অব উইজদম' গ্ৰন্থৰ পৰা সেই সাঁথৰৰ ৰহস্য বহু পৰিমাণে বুজিব পাৰি । সংক্ষেপে, লৰেন্সৰ নিজৰ ভাষাত, 'ছেভেন পিলাৰ্ছ'ৰ বক্তব্য এইদৰে উপস্থাপন কৰিব পাৰি।

১৯১৪-১৮ চনৰ যুদ্ধৰ সময়ত মই তুৰ্কীসকলৰ বিৰুদ্ধে যুঁজিবলৈ আৰবসকলক উৎসাহ দিবলৈ গৈছিলো। মই মোৰ ইংৰাজ সত্তা বিলুপ্ত কৰি আৰব মানসিকতা আৰু বাহ্যিক চালচলন গ্ৰহণ কৰিবলৈ চেষ্টা কৰিলোঁ। মই বুজি পালো যে যদিও বিভিন্ন আৰব জাতি উপ-জাতিৰ মাজত সামাজিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত ভালেমান বৈশিষ্ট্য বিদ্যমান, তথাপি মূলতঃতেওঁলোক একে মানসিক জগতৰ অধিবাসী। তেওঁলোক গোড়া, সংকীৰ্ণমনা, কল্পনাপ্ৰিয়, বিনাপ্ৰশ্নে আৰু বিনা আপোচে জীৱন যাপন কৰাৰ পক্ষপাতী। আটাইতকৈ ডাঙৰ কথা হ'ল যে তেওঁলোকে চিন্তাৰ ক্ষেত্ৰত নতুনত্ব অনা নেতাক অনুসৰণ

কৰিবলৈ ভাল পায়।

মই জানো যে তুৰ্কীৰ তলতীয়া হৈ থকাত আৰবসকলে স্বাধীনতা অৰ্জনৰ বাবে গুপ্ত সমিতি স্থাপন কৰিছে আৰু তুৰ্কীৰ ওপৰত জঁপিয়াই পৰিবলৈ সুবিধাজনক সময়ৰ অপেক্ষাত আছে। মই এই কথাও জানো যে ১৯১৪ চনৰ যুদ্ধত তুৰ্কীসকল জড়িত হৈ পৰাৰ পিছত তেওঁলোকে আৰব সামৰিক বিষয়া আৰু সৈন্যসকলক দূৰৰ যুদ্ধক্ষেত্ৰলৈ পঠোৱাৰ নীতি গ্ৰহণ কৰিছিল। এইদৰেই সম্ভাব্য আৰব বিদ্ৰোহ নাইকিয়া কৰিব পাৰিব বুলি তুৰ্কীসকলে ভাবিছিল।

চুলতানে ছেৰিফ হুছেইন ইবন্ আলিক কনষ্টাণ্টিনপোলত বন্দী কৰি ৰাখিছিল যদিও ছেৰিফৰ পুত্ৰসকল— আলি, আব্দুল্লা, ফৈজাল আৰু জৈদ আছিল আধুনিক শিক্ষাত শিক্ষিত আৰু তুৰ্কীৰ বিৰুদ্ধে আৰব বাহিনীক নেতৃত্ব দিবলৈ প্ৰস্তুত আছিল। তৰুণ তুৰ্কীসকলে নিয়ন্ত্ৰণ স্থাপন কৰাৰ পাছত তেওঁলোকে হুছেইনক মক্কালৈ আমীৰ হিছাপে পঠালে। ফৈজাল তেতিয়া আছিল ডামাস্কাছত। ছিৰিয়াৰ বিপ্লৱ সফল হ'ব বুলি তেওঁৰ দৃঢ় বিশ্বাস আছিল। এই সময়তে মিত্ৰপক্ষই আলেকজেণ্ড্ৰেটাৰ পৰিবৰ্তে দাৰ্দানেলিছলৈ সৈন্যবাহিনী নিয়াত ফৈজালৰ ছিৰীয় সমৰ্থকসকলক গ্ৰেপ্তাৰ কৰা হ'ল। ফৈজালে তুৰ্কীৰ প্ৰতি কপট আনুগত্য জনালে। লগে লগে দেউতাকক সুবিধাজনক সময়ত আক্ৰমণ চলাবলৈ পৰামৰ্শ দিলে।

ইতিমধ্যে তুৰস্কই জাৰ্মান পক্ষৰ লগত মিত্ৰতা কৰাত ব্ৰিটিছে তুৰস্কৰ বিৰুদ্ধে আৰবসকলক একত্ৰিত কৰাৰ নীতি গ্ৰহণ কৰিলে আৰু স্বাধীনতা অৰ্জনৰ সুবিধা ল'বলৈ সঁকীয়াই দিলে।

চোৰাংচোৱা বিভাগৰ ষ্টাফ কেপ্তেইন হিছাপে মই তুৰ্কী সৈন্যৰ চলাচলৰ ওপৰত চকু ৰাখিলো আৰু মেপ প্ৰস্তুত কৰা কামত লাগিলোঁ। মই মধ্য প্ৰাচ্যত আৰব ৰাজনীতিৰ গতি-প্ৰকৃতি বিশ্লেষণ কৰি এখন গোপন সাপ্তাহিক চলাবলৈ ধৰিলো। পিছত মোৰ আন গুৰুত্বপূৰ্ণ কামৰ বাবে আৰব বুৰোলৈ বদলি কৰা হ'ল। মোৰ কাম আছিল যোগ্য আৰব নেতা এজন বাছি উলিওৱা-যাৰ নেতৃত্বত আৰব উপজাতি সকলক ঐক্যবদ্ধ কৰি শক্তিশালী সামৰিক বাহিনী গঢ়ি তুলিব পৰা যাব।

মই জিদ্দাত চতুৰ-ৰাজনীতিবিদ্ আব্দুল্লাক লগ ধৰিলোঁ।তেওঁ স্বাধীনতা লাভৰ বাবে উদগ্রীৱ। কিন্তু তেওঁ আৰবসকলক উপযুক্ত নেতৃত্ব দিব পাৰিব বুলি মই নাভাবিলোঁ। মই ৰাবেখলৈ গৈ আলি আৰু জৈদৰ সামৰ্থৰ ভু-ভা ল'লোঁ। তেওঁলোকৰ যথেষ্ট গুণ আছে, কিন্তু মই মনে বিচৰা নেতা তেওঁলোক নহয়। এজন পথ-প্ৰদৰ্শকক লগত লৈ উটত উঠি মই ফৈজালৰ শিবিৰলৈ যাত্ৰা কৰিলোঁ।

ৱাদি মাৱেদ পাৰ হোৱাৰ পিছত মই লগ পালোঁ খালাফক। মোৰ ঐতিহাসিক অনুসন্ধানৰ কামত তেওঁ আগ্রহ দেখুৱালে। পিছত মই গম পাইছিলোঁ যে খালাফে তুৰ্কীৰ হৈ চোৰাংচোৱাগিৰি কৰিছিল। মই আৰু মোৰ পথ-প্ৰদৰ্শক দুয়ো ৱাদি হাফ্রাত আৰু ওচৰৰ গাঁৱত ৰাতিবোৰ কটালোঁ। অৱশেষত হাম্ৰা পালোহি আৰু ফৈজালৰ সৈতে মুখামুখী হ'লোঁ। মই তেওঁক দেখিয়েই উপলব্ধি কৰিলোঁ যে এই মানুহজনেই আৰব বিদ্রোহক গৌৰৱময় পৰ্যায়লৈ নিব-পাৰিব।

ফৈজালৰ সহকাৰীজনে এই অভিযোগ কৰিলে যে আৰব সকলৰ উপযুক্ত আহিলা-পাতিৰ অভাৱ। আৰবসকলৰ দৰকাৰ ময়দা, চাউল, বাৰ্লি, ৰাইফল, খাৰ-বাৰুদ, মেচিনগান, পাহাৰী বন্দুক, কাৰিকৰী সহায় আৰু তথ্যপাতি। মই ক'লোঁ যে এই কথা মই জানো আৰু এই সম্বন্ধে কিবা কৰাৰ আগতে মই পৰিস্থিতি পৰ্যবেক্ষণ কৰি ল'ব লাগিব। ফৈজালে নিজেই আৰম্ভণিৰ পৰা আৰব বিদ্রোহৰ ইতিহাস মোৰ আগত বৰ্ণনা কৰিলে। তেওঁ অন্যান্য আৰব নেতাৰ সৈতে মোক পৰিচয় কৰাই দিলে। তেওঁলোকে ক'লে যে তেওঁলোকে তুৰ্কী সাম্রাজ্য জয় কৰিবলৈ বিচৰা নাই, তুৰ্কী আধিপত্যৰ পৰা অব্যাহতি পাবলৈহে বিচাৰিছে।

মই ফৈজালৰ বাহিনী পৰিদৰ্শন কৰি যথেষ্ট ভাল পালোঁ। কিন্তু সিহঁতে আত্মৰক্ষাৰ কৌশল যিমান জানে, আক্রমণৰ কৌশল সিমান নাজানে। উদাহৰণস্বৰূপে সিহঁতে কামানৰ গুলীলৈ বৰ ভয় কৰে। খাৰ-বাৰুদ, অস্ত্ৰ-শস্ত্ৰ দিলে সিহঁতৰ মনোবল নিশ্চয় বাঢ়িব বুলি মোৰ ধাৰণা হ'ল।

মোক এটা ডাঙৰ বাহিনীয়ে ৰক্ষণা-বেক্ষণ দি পশ্চিম উপকূলৰ ইয়েনবোলৈ লৈ গ'ল। বাহিনীৰ প্ৰধানজনে মোক জিদ্দালৈ নিলে আৰু

এডমিৰেল ৱেমাইছৰ সহায়ত মই 'ইওৰিলাছ' জাহাজত খাতুমলৈ যোৱাৰ সুবিধা পালো। মই কায়ৰোলৈ গৈ প্ৰতিবেদন দাখিল কৰিলোঁ। মোৰ ওপৰৱালাসকল সন্তুষ্ট হোৱা যেন লাগিল। ইজিপ্তৰ মিলিটাৰী তথ্য বিভাগৰ মুৰব্বী জেনেৰেল ক্লেটনে মোৰ প্ৰচেষ্টাৰ প্ৰশংসা কৰিলে আৰু মোক পুনৰ ইয়েনবোলৈ ঘূৰাই পঠালে। ইয়েনবো ফৈজালৰ নতুন সামৰিক ঘাটি। তাত মই গাৰ্লেণ্ডক লগ ধৰিলো। তেওঁ ইতিমধ্যে ডিনামাইটেৰে ৰেলগাড়ী উৰুৱাই দিয়াৰ কৌশল আৰবসকলক শিকাইছে। তেওঁ মোক-বিস্ফোৰক পদাৰ্থবোৰ চিনি ল'বলৈ নিৰ্দেশ দিলে। সৈন্যবাহিনীৰ ট্ৰেকখন্দা মানুহবিলাকে বিস্ফোৰক পদাৰ্থক বৰ পবিত্ৰ বস্তু বুলি জ্ঞান কৰে। কিন্তু গাৰ্লেণ্ড বেলেগ ধাতুৰে গঢ়া। তেওঁ এসোপামান ডিট'নেটৰ ফিউজৰ সৈতে নিজৰ জেপত ভৰাই লৈ উটত উঠি সাতদিনৰ বাট পাৰ হৈ জেহাজ ৰেলৱেত উপস্থিত হয়গৈ।

মই দেখিলো ফৈজাল ধৰ্মশীল, আত্মসংযমী, হাঁহিমুখীয়া আৰু যিকোনো অভিযোগ শুনিবলৈ সদায় প্ৰস্তুত। তেওঁ মোক ক'লে যে তুৰ্কীসকলে অতৰ্কিতে ইয়েনবো আক্ৰমণৰ পৰিকল্পনা কৰিছে। শত্ৰুক বিভ্ৰান্ত কৰিবলৈ তেওঁ সৈন্যবাহিনী নিলে উত্তৰ দিশৰ এখন গাঁৱলৈ। মই ফৈজালৰ কথা মতে আৰবী পোছাক পিন্ধি আৰবী শিবিৰত দুৰাতি কটালো। তাৰ পিছত ইয়েনবোলৈ ঘূৰিলো। তুৰ্কীসকল সাগৰেৰে আহিবলৈ ধৰিছিল, কিন্তু ব্ৰিটিছ কামানৰ আগত তিষ্ঠিব নোৱাৰি পশ্চাপদসৰণ কৰিলে।

পৰিস্থিতি পৰ্যালোচনা কৰি মই ফৈজালক উপকূলৰ ওচৰৰ পাৰ্বত্য চহৰ ৱেজ অধিকাৰ কৰিবলৈ পৰামৰ্শ দিলোঁ। তুৰ্কীয়ে অধিকাৰ কৰি থকা মেদিনা আক্ৰমণ কৰোৱাৰ ইচ্ছাও মোৰ আছিল। ফৈজালে আব্দুল্লাক ৱাদি আইছলৈ যাবলৈ নিৰ্দেশ দিলে। ৱাদি আইছ ইয়েনবোৰ পৰা এশ মাইল উত্তৰে অৱস্থিত। তালৈ গৈ তুৰ্কীসকল আৰু ডামাস্কাছৰ মাজৰ যোগাযোগ বিচ্ছিন্ন কৰিবলৈ আব্দুল্লাক কোৱা হ'ল।ৱেজ আক্ৰমণৰ বাবে দৰকাৰী নৌবহৰৰ পৰ্যবেক্ষণ মই কৰিলো। ইয়েনবোৰ পৰা আমাৰ বাহিনী উত্তৰলৈ অপসাৰণ কৰাৰ লগে লগে সকলো মাল-বস্তুও নিব লাগিব। সকলো আমাৰ অনুকূল যেন লাগিল। আৰৱসকলৰ উদ্যম দেখি মোৰ ধাৰণা হ'ল বাৰটা মাহৰ ভিতৰতে আমি ডামাস্কাছত প্ৰৱেশ কৰিব পৰিম।

আমি ওচৰ চপাৰ লগে লগে ব্ৰেজৰ গেৰিছন তাৰ পৰা গুচি গ'ল। আমি কোনো বাধা নোপোৱাকৈ চহৰত প্ৰৱেশ কৰিলো। প্ৰথমে ফৈজাল, তাৰ পিছত চৰফ আৰু মই। আমাৰ পিছে পিছে গ'ল পতাকাবাহী দল, ঢোলবাদকৰ দল আৰু প্ৰায় বাৰ হাজাৰ উট-আৰোহী সৈন্য।

ইয়াৰ পিছত মই মেদিনাৰ উত্তৰৰ ৰেলপথত অন্তৰ্ঘাত চলোৱাৰ বাবে আব্দুলাক সহায় কৰিবলৈ মৰুভূমিৰ মাজেৰে কষ্টকৰ যাত্ৰা আৰম্ভ কৰিলো। আবা এল নামৰ ৰেলষ্টেচনৰ ওচৰত ৰেললাইন আমি ধ্বংস কৰিলো, ত্ৰিশজন তুৰ্কীক বন্দী আৰু সত্তৰজনক আহত বা নিহত কৰিলো।

ব্ৰেজলৈ আহি যেতিয়া জানিলো যে মৰুভূমি অঞ্চলত যুদ্ধৰ অভিজ্ঞতাসম্পন্ন অন্যতম ব্যক্তি ঔদাই ফৈজালৰ সৈতে সহযোগ কৰিছে, তেতিয়া মই আনন্দ পালো। তেওঁ মোৰ সৈতে একমত হ'ল যে মেদিনাতকৈ আকাবা অধিকাৰ কৰা বেছি জৰুৰী। ই আৰব পক্ষৰ সীমান্ত বহলোৱাৰ উপৰিও আমাক বৃটিছৰ সৈতে সংযোগ ঘটোৱাত সহায় কৰিব। আমি উত্তৰ-পূব দিশেৰে মৰুভূমি পাৰ হ'লো। বাটত বহু স্বেচ্ছাসেৱী সৈন্য গ্ৰহণ কৰিলো আৰু বেয়াৰ আক্ৰমণ কৰিলো। তাৰ পৰা ছাইনাইলৈ যোৱাৰ পথত ভালেমান পৰিত্যক্ত শিবিৰ দেখিবলৈ পালো। সেইবোৰত থকা দুই এজন তুৰ্কী সৈন্যক আমি বন্দী কৰিলো আৰু আকাবা অধিকাৰ কৰিলো। জেনেৰেল এলেনবিৰ নেতৃত্বত ফৈজালৰ সৈন্যবাহিনীয়ে ছিৰিয়াক মুক্ত কৰা কামত লাগিল।

আমি তুৰ্কী গেৰিছনবোৰ আক্ৰমণ কৰি কৰি উত্তৰফালে আগবাঢ়িলো। ৰেললাইন, দলং উৰাই দিলো, টেলিফোন সংযোগ বিচ্ছিন্ন কৰিলো, নতুন সৈন্যও সংগ্ৰহ কৰিলোঁ। এই সময়তে মই শত্ৰুৰ হাতত পৰিছিলোঁ, কিন্তু তাৰ পৰা সাৰিলোঁ। মই আকাবালৈ গৈ জেনেৰেল এলেনবিক প্ৰতিবেদন দিলোঁ। মই তেওঁৰ লগত কথা বতৰা পাতি থাকোতেই জেৰুজালেম পতন হোৱা বাতৰি আহিল। বৃটিছ মেজৰৰ পোছাক পিন্ধি মই জেনেৰেল ক্লেটনৰ ফাৰ্ষ্ট অফিচাৰৰূপে নগৰত প্ৰৱেশ কৰিলো। জেৰুজালেমত প্ৰৱেশেই আছিল মোৰ সৈনিক জীৱনৰ আটাইতকৈ গৌৰৱময় মুহূৰ্ত।

মই আকৌ আৰব সৈন্যৰ লগলাগি আকাবাৰ উত্তৰৰ গাওঁবোৰত অভিযান আৰম্ভ কৰিলো। আমাৰ শেহতীয়া লক্ষ্য আছিল 'মৃতসাগৰৰ (Dead Sea)

মাজেৰে তুৰ্কীৰ পৰিবহণ বন্ধ কৰা। এই সময়তে তুৰ্কীসকলে ব্ৰিটিছ বিষয়াক জীৱিত বা মৃত অৱস্থাত কৰায়ত্ত কৰিব পাৰিলে এশ পাউণ্ড পুৰস্কাৰ দিয়াৰ কথা ঘোষণা কৰে। মোৰ ওপৰত তেওঁলোকে বিশেষ পুৰস্কাৰ ঘোষণা কৰিলে। জীৱিত অৱস্থাত ২০ হাজাৰ পাউণ্ড, মৃত অৱস্থাত ১০ হাজাৰ পাউণ্ড। মই মোৰ গা ৰখীয়াৰ দল বৃদ্ধি কৰিলোঁ।

এলেনবিয়ে জেৰিকো অধিকাৰ কৰাত আৰু ব্ৰিটিছ সৈন্য বেছিকৈ অহাত ডামাস্কাছ আৰু এলেপ্পোৰ বিৰুদ্ধে অভিযান চলোৱাৰ প্ৰস্তুতি পূৰ্ণোদ্যমে চলিল। এলেনবিয়ে আমাক দুহেজাৰ উট দিয়াত আমাৰ বিজয়ৰ পথ মুকলি হ'ল। লোকসকল গোট খালে আৰু আমি তেওঁলোকক সকলো কথা বুজাই ক'লোঁ।

আমি প্ৰথমে ডেৰা আক্ৰমণ কৰিলো। চহৰৰ দক্ষিণৰ ৰেললাইন ধ্বংস কৰিলো, ডামাস্কাছ আৰু পেলেষ্টাইনৰ মাজৰ ৰেল লাইনৰ দহ মাইল অৱৰোধ কৰিলো। ডেৰা অধিকাৰ কৰি আমি ডামাস্কাছ অভিমুখে আগবাঢ়িলো।

১৯১৮ চনৰ পহিলা নৱেম্বৰৰ দিনা আমি ডামাস্কাছত প্ৰবেশ কৰিলো ডামাস্কাছৰ সকলোৱে আমাক আদৰণি জনালে। ডামাস্কাছৰ মুক্তিৰ পিছত মই এলেনবিৰ ওচৰত অব্যাহতি বিচাৰিলো। এয়া আছিল মোৰ বাবে বেদনা-দায়ক।

যুদ্ধ আৰু ৰোমাঞ্চকৰ কাহিনী হিছাপে লৰেন্সৰ 'ছেভেন পিলাৰ্ছ অৱ উইজদম'ক চেৰ পেলাব পৰা গ্ৰন্থ আজিও ওলোৱা নাই। ই একাধাৰে মহাকাব্যিক আৰু ধ্ৰুপদী। লৰেন্স আছিল এজন প্ৰতিভাসম্পন্ন কাহিনীকাৰ। আৰৱ বিদ্ৰোহৰ কাহিনী তেওঁ সৰল অথচ বলবান ভাষাত বৰ্ণনা কৰিছে। সমালোচক সকলে লৰেন্সৰ বহু কথা মিছা বুলি কয় যদিও, গ্ৰন্থখনত সত্যৰ অংশও কম নহয়। কল্পনাশক্তি প্ৰয়োগ কৰি আত্মপ্ৰকাশ কৰাৰ অনিৰ্বাণ ইচ্ছা তেওঁৰ আছিল আৰু তাৰ পৰিচয়েই তেওঁ 'ছেভেন পিলাৰ্ছ অৱ উইজদম'ত এৰি থৈ গৈছে।

ৰুডিয়াৰ্ড কিপলিঙৰ কিম

(৮২)

ইংৰাজ পিতা-মাতাৰ সন্তান ৰুডয়াৰ্ড কিপলিঙৰ জন্ম হৈছিল বোম্বাইত, ১৮৬৫ চনত আৰু লৰালিৰ দিনবোৰ ভাৰতত পাৰ হৈছিল। তেওঁৰ দেউতাক জন লক্উড কিপলিং আছিল এজন শিল্পী—১৮৭৫ চনৰ পৰা ১৮৯৩ চনলৈ লাহোৰ মিউজিয়ামৰ অধ্যক্ষ হিছাপে তেওঁ নিযুক্ত আছিল। স্কুলীয়া শিক্ষা ইংলেণ্ডত লাভ কৰাৰ পিছত ১৮ বছৰ বয়সত ৰুডয়াৰ্ডে পুনৰ ভাৰতলৈ উভতি আহি সাংবাদিকৰ বৃত্তি লয়। তেওঁ ভাৰতীয় লোকৰ জীৱন ভালদৰে পৰ্যবেক্ষণ কৰিছিল ।

১৮৮৬ চনত ২১ বছৰ বয়সত কিপলিঙে লঘু হাস্যৰসপূৰ্ণ দ্‌শন কবিতাৰ পুথি প্ৰকাশ কৰে। পিছৰ বছৰত সাংবাদিকতাৰ সময়ত লেখা প্ৰবন্ধবোৰৰ এটি সংকলন প্ৰকাশ পায়। এই সংকলনে তেওঁক সাহিত্যিক খ্যাতি দিয়ে। ১৮৮৯ চনত তেওঁ চীন, জাপান আৰু আমেৰিকা ভ্ৰমণ কৰি ইংলেণ্ডলৈ যায় ।

তেওঁ এক বুজন সংখ্যক চুটি গল্প আৰু কবিতা ৰচনা কৰে। জীৱনৰ শেষছোৱা ছাছেক্সত কটাই ১৯৩৬ চনত তেওঁ ইহলীলা সম্বৰণ কৰে। 'কিম' নামৰ উপন্যাসখন তেওঁ ১৯০১ চনত প্ৰকাশ কৰিছিল। বহু সমালোচকৰ মতে এইখনেই তেওঁৰ সৰ্বশ্ৰেষ্ঠ কিতাপ।

কিমে লাহোৰৰ এটা অঘৰী ল'ৰা হিছাপে জীৱন আৰম্ভ কৰিছিল। তাৰ দেউতাক কিম্বেল ওহাৰা আছিল ভাৰতস্থ আইৰিছ ৰেজিমেণ্টৰ ছাৰ্জেণ্ট। তেওঁ এজন কৰ্ণেলৰ ঘৰৰ লিগিৰীক বিয়া কৰাইছিল। কিমৰ জন্মৰ পিছত ঘৈণীয়েক কলেৰাত ঢুকাল। কিম্বেলে মদ আৰু কানি খাবলৈ ধৰিলে। অৱশেষত তেওঁৰো মৃত্যু হ'ল। কিম আছিল এজনী সন্দেহজনক চৰিত্ৰৰ তিৰোতাৰ তত্বাৱধানত; সি লাহোৰৰ আলিবাটত অভিভাৱকহীন ভাবে কটাবলৈ ধৰিলে। কিন্তু সি আছিল শ্বেতকায়।

কিমে বন্ধুবর্গৰ মাজত সহজেই নিজৰ প্ৰতিপত্তি স্থাপন কৰিলে। তাৰ এজন বন্ধুৰ নাম আছিল মেহবুব আলি। মেহবুব আলি আছিল আফগানিস্থানৰ ফালৰ লোক আৰু সি ঘোঁৰাৰ ব্যৱসায় কৰিছিল। সি আছিল ভাৰত চৰকাৰৰ চিক্ৰেট এজেন্ট।

এদিন কিমে লাহোৰ মিউজিয়ামৰ ওচৰত এজন তিব্বতী লামাক লগ পাই তাৰ ব্যক্তিত্বত মুগ্ধ হৈ শিষ্যত্ব গ্ৰহণ কৰিলে। দুয়ো তীৰ্থ ভ্ৰমণ কৰিবলৈ মনস্থ কৰি ৰাতিটো কাশ্মীৰ চৰাইখানা নামৰ আতিথিশালাত কটালে। কিমে মেহবুব আলিক তীৰ্থ ভ্ৰমণ সম্পৰ্কে কোৱাত মেহবুবে তাক কিছু টকা আৰু এটা কাকতৰ টোপোলা দি কাকতৰ টোপোলাটো আম্বালাৰ এজন ইংৰাজক দিয়াৰ নিৰ্দেশ দিলে। উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশত অস্থিৰতা সৃষ্টি কৰাৰ আঁচনি কাকতবোৰত আছিল।

পিছদিনা দোক্‌মোকালিতে লামা আৰু কিমে ৰেলগাড়ীত আম্বালালৈ যাত্ৰা কৰিলে। আম্বালাত কিমে মেহবুব আলিয়ে দিয়া কাকতৰ টোপোলাটো ভাৰতীয় সৈন্যবাহিনীৰ এজন চোৰাংচোৱা বিষয়াক দিলে। বিষয়াজনে কমাণ্ডাৰ ইন-চীফৰ সৈতে পতা কথা-বতৰা সি শুনিবলৈ পালে। পিছদিনা সি আৰু লামাই আম্বালা এৰি তীৰ্থ ভ্ৰমণত গ'ল। কিমে লামাক ঠগ-জুৱাচোৰৰ পৰা ৰক্ষা কৰা বাবে লামাই তাৰ ওপৰত অসীম বিশ্বাস স্থাপন কৰিলে। গ্ৰেণ্ড ট্ৰাংক ৰোডেৰে সিহঁত পদব্ৰজে গ'ল। এইখিনিতে কিপ্‌লিঙে উনৈশ শতিকাৰ ভাৰতীয় গ্ৰামাঞ্চলৰ সুন্দৰ বৰ্ণনা দিছে।

ভ্ৰমণৰ সময়ত সিহঁতে ইংৰাজ সৈন্যৰ এটা শিবিৰ পালে। তাত এজন পাদ্ৰীয়ে আবিষ্কাৰ কৰিলে যে কিম ভাৰতীয় দেশীয় লোক নহয়, ইংৰাজ সন্তানহে। যিহেতু তাৰ মাক-দেউতাক নাই, সেয়ে পাদ্ৰীয়ে তাক জোৰ কৰি এখন শ্বেতাংগ অনাথ আশ্ৰমলৈ পঠোৱাৰ বন্দোবস্ত কৰিলে। লামাই এতিয়াৰ পৰা অকলসৰে ভ্ৰমণ কৰিবলৈ ল'লে।

কিমক আইৰিছ সৈন্য বাহিনীৰ লগত ৰখা হ'ল। তাক মিলিটাৰী স্কুলত প্ৰশিক্ষণৰ বাবে ভৰ্তি কৰাই দিয়া হ'ল। সি অসুখী হ'ল। সি মেহবুব আলিলৈ সহায়ৰ বাবে বাৰ্তা পঠালে। ইতিমধ্যে লামা গৈ বাৰাণসী পালে। তাৰ পৰা সি পাদ্ৰীজনলৈ বাতৰি পঠিয়ালে যে কিমৰ পঢ়াৰ খৰচ সি বহন কৰিব আৰু

সেই উদ্দেশ্যে বেংকত টকা জমা দিয়া হৈছে। পাদ্ৰী ভিক্টৰে কিমক লক্ষ্ণৌৰ ছেণ্ট জেভিয়াৰ্ছ স্কুলত ভৰ্তি কৰোৱাৰ বন্দোবস্ত কৰিলে।

মেহবুবে কিমৰ চিঠি পাই তাৰ পঢ়া-শুনাকে সমৰ্থন কৰিলে আৰু কৰ্ণেল ক্ৰেটনৰ সৈতে, কিমক পৰিচয় কৰাই দিলে। কৰ্ণেলে কিমৰ বুদ্ধি বৃত্তিত সন্তুষ্ট হৈ স্কুলৰ পঢ়া শেষ হোৱাৰ পিছত সৈন্য বিভাগত কাম দিয়াৰ প্ৰতিশ্ৰুতি দিলে।

লামাৰ উদাৰতাত কিম মুগ্ধ হ'ল। সি আনন্দ মনেৰে ছেণ্ট জেভিয়াৰ্ছ স্কুললৈ গ'ল। ভাৰতত থকা ইংৰাজ সকলৰ ল'ৰা-ছোৱালীৰ শিক্ষাৰ বাবে এই স্কুল আছিল। গৰমৰ বন্ধৰ সময়ত তাক মিলিটাৰী ছাউনিলৈ পঠিওৱাৰ কথা আছিল,কিন্তু সি হঠাতে স্কুলৰ পৰা নাইকিয়া হ'ল। পুনৰ সি আলিবাটৰ জীৱনলৈ উভতি গ'ল।

সি আকৌ মেহবুব আলিৰ লগ ল'লে আৰু তাৰ ঘোঁৰা ব্যৱসায় আৰু চোৰাংচোৱাগিৰিৰ সহায়ক হ'ল। মেহবুবক হত্যা কৰাৰ ষড়যন্ত্ৰ এটাৰ গম পাই কিমে তাক সতৰ্ক কৰি দিলে আৰু এইদৰে তাৰ জীৱন ৰক্ষা কৰিলে।

এই গৰমৰ বন্ধৰ কালছোৱাত কিমে চিমলালৈ গ'ল লাৰগেন চাহাব নামৰ ছিক্ৰেট ছাৰ্ভিছৰ এজন বিষয়াক লগ ধৰিবলৈ। তাতে সি হৰিবাবু নামৰ আন এজন এজেণ্টকো লগ পালে।

কিমে অৱশেষত ছেণ্ট জেভিয়াৰ্ছ স্কুলৰ শিক্ষা সমাপ্ত কৰিলে। ১৬ বছৰ বয়সত সি ছিক্ৰেট ছাৰ্ভিছৰ কাম আৰম্ভ কৰিলে। কিমৰ শেষৰ অভিযান আছিল হৰিবাবুৰ সৈতে লগলাগি উত্তৰ পশ্চিম সীমান্তত ৰুছিয়ান এজেণ্টৰ বিৰুদ্ধে। লামায়ো এই কামত সিহঁতক সহায় কৰিছিল। সিহঁতে ৰুছিয়ান এজেণ্টৰ ষড়যন্ত্ৰ ব্যৰ্থ কৰিবলৈ সক্ষম হ'ল। ইয়াৰ পিছতো নানা ঘটনা ঘটিল।

কিপলিঙৰ 'কিম' উপন্যাসত ব্ৰিটিছ ভাৰতৰ এখন সুন্দৰ ছবি পোৱা যায় আৰু সেই দিশৰ পৰা ইয়াৰ ঐতিহাসিক মূল্যও আছে। কিপ্‌লিং যদিও এজন কৃতী লেখক আছিল, তথাপি ব্ৰিটিছৰ সাম্ৰাজ্যবাদী নীতিৰ প্ৰতি থকা তেওঁৰ সমৰ্থনৰ বাবে সমালোচকসকলে তেওঁৰ বিৰুদ্ধাচৰণ কৰিছিল। কিন্তু 'কিম' উপন্যাসত তেনে কোনো পক্ষপাতিত্ব নাই আৰু সেয়ে ই আজিও পঢ়ুৱৈৰ সমাদৰ পাই আছে। কিমৰ লগৰীয়া লামাজনৰ মাজত প্ৰকাশ পাইছে

মানবজাতির প্রতি ভেতর দরদ। তেমনি মানুষের পাশ বসনক প্রকাশ্য মিলিয়ে, নিয়ে মানুষের অন্তরকরছে। সকলো মানুষের প্রতি প্রেম 'কিম' উপন্যাসের আসল স্বরূপ। কিপ্‌লিঙের উপন্যাস এইখানেই সর্বজনের আদরণীয়।

চাৰ্লছ্ ৰীডৰ দি ক্লইষ্টাৰ এণ্ড দি হাৰ্থ

(৮৩)

এচাম সমালোচকৰ মতে, চাৰ্লছ্ ৰীডৰ 'দি ক্লইষ্টাৰ এণ্ড দি হাৰ্থ' (The cloister and the Hearth মঠ আৰু গৃহস্থী) ইংৰাজী সাহিত্যৰ এখন উল্লেখযোগ্য ঐতিহাসিক উপন্যাস। সি যি হওক, উপন্যাসৰ কাহিনীটো যে আকৰ্ষণীয়, তাত সন্দেহ নাই। ইয়াত ইউৰোপৰ নৱ জাগৰণৰ যুগৰ সংশয় সংঘাতপূৰ্ণ জীৱনৰ ঘটনা বৰ্ণনা কৰা হৈছে।

প্ৰথমে ৰীডে গল্পৰ আকাৰত কাহিনীটো লেখিছিল। কাহিনীটো লেখিবলৈ তেওঁ প্ৰেৰণা পাইছিল ৰেনেচাঁ যুগৰ মহান মানৱতাবাদী পণ্ডিত এৰাছমাছৰ জীৱনীৰ পৰা। পিছত তেওঁ গল্পটোক উপন্যাসৰ আকাৰত ৰূপ দিয়ে। ১৮৬৯ চনত উপন্যাসখন প্ৰকাশিত হয় আৰু ই প্ৰচুৰ জনপ্ৰিয়তা অৰ্জন কৰে।

মধ্যযুগৰ শেষছোৱাৰ হলেণ্ডৰ পটভূমিত উপন্যাসৰ আখ্যানভাগ আৰম্ভ হৈছে।

হলেণ্ডৰ টেৰ্গো নামৰ সৰু চহৰ এখনত এলিয়াছ নামৰ এজন লোক তেওঁৰ পত্নী কেথেৰিনৰ সৈতে বাস কৰিছিল। এলিয়াছে কাপোৰ, পাট-সূতা আৰু চামৰাৰ ব্যৱসায় কৰিছিল। এলিয়াছ দম্পতিয়ে সুখেৰেই জীৱন-নিৰ্বাহ কৰিব পাৰিলেহেঁতেন যদি তেওঁলোকৰ সতি সন্ততিৰ সংখ্যা সৰহ নহ'লহেঁতেন। তেওঁলোকৰ সন্তান আছিল নটা। গতিকে খোৱা পিন্ধাত সদায় অভাৱ-অনাটন চলিছিল। অৱশ্যে ল'ৰাহঁত ডাঙৰ হোৱাত সিহঁত বিভিন্ন কামত অন্যান্য ঠাইলৈ গ'ল। কেৱল সৰু কেইজন বাপেক-মাকৰ লগত থাকিল। ইহঁতৰ ভিতৰত জেৰাৰ্ড নামৰ লৰাজন পঢ়া-শুনাত অলপ চোকাবুধীয়া হোৱা বাবে মাক-বাপেকে তাৰ ওপৰত ভৰসা ৰাখিছিল এই বুলি যে-সি অন্তত: গীৰ্জাত এটা চাকৰি পাব। জেৰাৰ্ডেও মাক-দেউতাকৰ ইচ্ছা পূৰণ কৰিব বুলি পোনতে ভাবিছিল। কিন্তু এবাৰ সি তৰুণ চিত্ৰশিল্পী আৰু নকল-নবিচ সকলৰ মাজত হোৱা এক প্ৰতিযোগিতাত যোগ দিবলৈ ৰটাৰদামলৈ যোৱাত

তাতে এজন দুখীয়া অথচ সম্ভ্রান্ত বুঢ়া ভদ্ৰলোক আৰু তেওঁৰ জীয়েকক লগ পাই ছোৱালীজনীৰ প্ৰেমত পৰিল । তাইৰ নাম আছিল মাৰ্গাৰেট ব্ৰেন্দ্‌ট। বাপেক আছিল দুখীয়া পণ্ডিত ব্যক্তি, কিন্তু মানুহে তেওঁক যাদুকৰ বুলিহে ভাবিছিল।

তৰুণ জেৰাৰ্ডে প্ৰতিযোগিতাত পুৰস্কাৰ পোৱাত ভৱিষ্যতে ৰাজকীয় পৃষ্ঠপোষকতাৰ প্ৰতিশ্ৰুতি পালে। ঘৰলৈ ওভতাৰ সময়ত তাৰ জেপত পুৰস্কাৰ হিছাপে পোৱা সোণৰ মুদ্ৰা আৰু বুকুত সোণৰ পদক আছিল। কিন্তু তাৰ হিয়া আছিল সীহৰ দৰে গধুৰ । কাৰণ সি জানিছিল যে সি যাজক হবলৈ অস্বীকাৰ কৰিলে ঘৰত অশান্তিৰ সৃষ্টি হব। কিন্তু মাৰ্গাৰেটৰ সৈতে ভালপোৱা জন্মাত আৰু মাৰ্গাৰেটেও তাৰ ভাল পোৱাৰ প্ৰতি সঁহাৰি জনোৱাত সি যাজকৰ চিৰকুমাৰ ব্ৰত নোলোৱাটোকে ঠিক কৰিলে।

যেতিয়া জেৰাৰ্ডে গীৰ্জাৰ কাম এৰি মাৰ্গাৰেটক বিয়া কৰোৱাৰ ইচ্ছা বাপেকৰ আগত প্ৰকাশ কৰিলে তেতিয়া বুঢ়া এলিয়াছে সন্মতি নিদিলে। জেৰাৰ্ডে মাৰ্গাৰেটক তেওঁৰ লগত ইটালীলৈ যোৱাৰ প্ৰস্তাৱ দিলে, কাৰণ ইটালীত শিল্প-কাৰিকৰ সকলৰ কামৰ ভালেমান সুবিধা আছে। কিন্তু মাৰ্গাৰেটে বাপেকক এৰি যাব নোৱাৰাত তেওঁলোকে বিয়া কৰাই ফ্লেন্দাৰ্ছলৈ যোৱাৰ সিদ্ধান্ত কৰিলে। গীৰ্জালৈ বিয়া কৰাবলৈ যাওঁতে পুলিচে জেৰাৰ্ডক গ্ৰেপ্তাৰ কৰিলে, কাৰণ সি বাপেকৰ ইচ্ছাৰ বিৰুদ্ধে বিয়া কৰাবলৈ ওলাইছে। জেৰাৰ্ডক চহৰৰ জেললৈ নিয়া হ'ল আৰু তাৰ পিছতে কাহিনীয়ে ৰোমাঞ্চকৰ ৰূপ ল'লে।

এদিন সুবিধা বুজি জেৰাৰ্ডে জেলৰ পৰা পলায়ন কৰি মাৰ্গাৰেটৰ ঘৰত আত্মগোপন কৰিলে। পুলিচে তাক বিচাৰি মাৰ্গাৰেটৰ ঘৰলৈ গ'ল। মাৰ্গাৰেটে জেৰাৰ্ডক এটা ডাঙৰ পেৰাৰ ভিতৰত লুকুৱাই থৈ নিজে ওপৰত শুই আছিল। পুলিচে বিচাৰি নাপাই গুচি যোৱাৰ পিছত মাৰ্গাৰেটে পেৰাটো খুলি দিয়াতো জেৰাৰ্ডৰ সঁহাৰি নাপাই জেৰাৰ্ডক টানি-টুনি বাহিৰলৈ উলিয়াই খিৰিকীৰ কাষৰ এখন বিছনাত শুৱালে। তাই জেৰাৰ্ড মৰা বুলি ভাবিছিল। কিন্তু সি মৰা নাছিল, মূৰ্চ্ছা গৈছিল মাত্ৰ। জ্ঞান অহাত সি দেখিলে যে তাৰ মূৰটো মাৰ্গাৰেটে কোলাত লৈ আছে। তাতেই দুয়ো দুয়োকে স্বামী-স্ত্ৰী হিছাপে ঘোষণা কৰিলে।

কাৰণ যদিও পুৰোহিতে বিয়াৰ মন্ত্ৰ উচ্চাৰণ কৰিব নোৱাৰিলে, তথাপি তেওঁলোক গীৰ্জালৈ গৈছিল আৰু পৰস্পৰে বিয়াত সম্মতি দিছিল। জেৰাৰ্ড আৰু মাৰ্গাৰেটৰ মাজত যদিও সেইদিনা ৰাতি মিলন হ'ল, তথাপি জেৰাৰ্ড তাৰ পৰা গুচি যাবলগীয়া হ'ল। মাৰ্গাৰেট বাপেকৰ সৈতে থাকিল। জেৰাৰ্ড প্ৰথমে জাৰ্মানিলৈ গ'ল, তাৰ পৰা ইটালী আৰু ৰোম পালেগৈ। কিন্তু সি ৰোমত সহজে কাম নাপালে। কাম বিচাৰি ফুৰোতে ডেনিছ নামৰ এজন সৈন্যৰ সৈতে তাৰ পৰিচয় হ'ল। ডেনিছ আছিল ৰঙিয়াল আৰু ছোৱালীৰ পিছত ঘূৰি ফুৰা স্বভাৱৰ। তথাপি ডেনিছে বিপদৰ সময়ত জেৰাৰ্ডক সহায় কৰিছিল। এবাৰ এটা চৰাইখানাত ডকাইতে সিহঁতক আক্ৰমণ কৰাত দুয়ো এজন ডকাইতক বধ কৰিলে। তাৰ পিছত ডকাইতৰ ছৰ্দাৰজনৰ সৈতে সিহঁতৰ যুদ্ধ লাগিল। বহু ৰোমাঞ্চকৰ ঘটনাৰ পিছত ছৰ্দাৰজন নিহত হ'ল। ইতিমধ্যে এদল সৈন্য আহি জেৰাৰ্ডহঁতক ৰক্ষা কৰিলে।

কোনোবা ডেকা বা গাভৰুৱে যদি এই তেজ উথলি উঠা উপন্যাসখন পঢ়িছে, তেন্তে তেওঁলোকে তাক কেতিয়াও পাহৰিব নোৱাৰে। আমি ইয়াত যিখিনি দাঙি ধৰিলো সি মাত্ৰ বহু পৃষ্ঠা জুৰি থকা কথাৰ এটা অংশহে। কোৱাৰ ধৰণ ইমান ওজস্বিতাপূৰ্ণ যে এই উপন্যাসত থকা বহু আনুষঙ্গিক কাহিনী ইটোতকৈ যেন সিটোহে চৰা, এনেকৈ বৰ্ণনা কৰা হৈছে। এটা দু:সাহসিক কাৰ্যৰ পিঠিত আন এটা দু:সাহসিক কাৰ্য আৰোহণ কৰি গৈ আছে আৰু এনেকৈয়ে শেষত যেতিয়া আমি ৰোমত জেৰাৰ্ডক লগ পালোগৈ, তেতিয়া কাহিনীৰ গতি সলনি হৈছে। উপন্যাসখনে উত্তেজনাপূৰ্ণ ঘটনাৱলীৰ পৰা বাগৰ সলাই ভগ্ন আশা আৰু এক আৱৰ্তিত জীৱনৰ ৰূপ পৰিগ্ৰহ কৰিছে।

তাৰ পিছত এদিন জেৰাৰ্ডে হলেণ্ডৰ এজন বন্ধুৰ পৰা এই বুলি এখন চিঠি পালে যে মাৰ্গাৰেটৰ মৃত্যু হৈছে। চিঠিখন আছিল ভুৱা, কোনোবা অসৎ প্ৰবৃত্তিৰ লোকে শত্ৰুতা শালিবলৈ লেখিছিল। কিন্তু বাতৰিটো সঁচা বুলি ভাবি জেৰাৰ্ড মৰ্মাহত হ'ল। জেৰাৰ্ডে ভাবিলে, ঘৰত থকা হ'লে সি মাৰ্গাৰেটক ৰক্ষা কৰিব পাৰিলেহেঁতেন। মৰ্মাহত হৈ সি মাৰ্গাৰেটৰ শোক পাহৰিবলৈ মদ, মাইকী, জুৱা আদিত প্ৰবৃত্ত হ'ল। অৱশেষত এদিন সি টাইবাৰ নৈত জাপ দি মৃত্যুবৰণ কৰিবলৈ চেষ্টা কৰিছিল। পিছে তাক এজন মানুহে ৰক্ষা

কৰিলে। এই ত্ৰাণকৰ্ত্তা লোকজনকেই প্ৰত্যাখ্যাতা তিৰোতা এজনীয়ে হত্যা কৰাৰ ভীতি প্ৰদৰ্শন কৰিছিল। তাৰ মনটোত আকৌ এটা আঘাত লাগিল। মনটো কিবা হৈ গ'ল। জেৰাৰ্ড ছেন্ট ডমিনিক গীৰ্জাৰ যাজক হ'ল। সেয়ে এইবাৰ সি ধৰ্মকাৰ্যত মনপুতি লাগিল আৰু ফাদাৰ ক্লিমেন্ট নামেৰে জনাজাত হ'ল। সি ৰটাৰদামলৈ গৈ তাৰ গীৰ্জাত এদিন বক্তৃতা দি থাকোতে মাৰ্গাৰেটক দেখা পালে। কিন্তু এতিয়া সি সন্ন্যাসী, গাৰ্হস্থ্য ধৰ্মলৈ উভতি যোৱাৰ তাৰ ইচ্ছা সমূলি নাই। কিন্তু জেলৰ পৰা পলায়ন কৰাৰ দিনা ৰাতি মাৰ্গাৰেটৰ সৈতে হোৱা তাৰ মিলনৰ ফলত সিহঁতৰ যিটো পুত্ৰ সন্তান জন্মিছিল, সিয়েই জেৰাৰ্ডক গাৰ্হস্থ্য ধৰ্মলৈ ঘূৰাই আনিলে।

জেৰাৰ্ড আৰু মাৰ্গাৰেটৰ এই পুত্ৰই ডাঙৰ হৈ বিখ্যাত মানৱতাবাদী পণ্ডিত এৰাছমাছ নামে জনাজাত হৈ পৰিছিল।

ভাৰ্জিনিয়া উল্‌ফৰ টু দি লাইট হাউছ

(৮৪)

'ডিক্সনেৰী অব নেচনেল বায়োগ্ৰাফী' নামৰ বিখ্যাত অভিধানখনৰ সংকলক ছাৰ লেছলি ষ্টিফেনৰ কন্যা ভাৰ্জিনিয়া ষ্টিফেনৰ জন্ম হৈছিল ১৮৮২ চনত। ১৯১২ চনত লেখক আৰু সমাজবিজ্ঞানী লিওনাৰ্ড উলফৰ সৈতে তেওঁৰ বিবাহ হয়। দুয়ো 'হে'গাৰ্থ প্ৰেছ' নামৰ এটা ছপাশাল স্থাপন কৰে। এই প্ৰেছতে ভাৰ্জিনিয়াৰ প্ৰথম দুখন উপন্যাস'The Voyage Out' আৰু 'Night and Day' ছপা হয়। ১৯২৫ চনত 'মিছেছ ডেলৱে' (Mrs Dalloway) উপন্যাস প্ৰকাশ হোৱাৰ লগে লগে তেওঁ প্ৰতিষ্ঠা লাভ কৰে। এই উপন্যাসত তেওঁ 'চেতনা-প্ৰবাহ' (Stream of Consciousness) ৰীতি প্ৰযোগ কৰে । তেওঁ কেৱল কাহিনী এটা কোৱাৰ বাবে উপন্যাস লেখা নাছিল— চৰিত্ৰ সমূহৰ মানসিক অৱস্থা আৰু অনুভূতি উদ্‌ঘাটন কৰাই আছিল তেওঁৰ শৈলী।

তেওঁৰ মৃত্যুৰ পিছত 'দি ম'মেন্ট'ত (১৯৪৭) প্ৰকাশিত এখন ৰচনাত তেওঁৰ লেখাৰ পদ্ধতি সম্বন্ধে কৈছে,

"এটা বৰ কৰ্মব্যস্ত দিন, ধৰক, লণ্ডনত দৃশ্য উপভোগ কৰা। আপুনি উৰ্ভতি অহাৰ পিছত কবহি পাৰিবনে আপুনি কি কি দেখিছিল আৰু কি কি কৰিছিল, কথাটো তেনেই ধুৱঁলি-কুৱঁলি, এটা খেলিমেলি নহয়নে? কিন্তু অলপ জিৰণি লোৱা যেন লগাৰ পিছত, যেতিয়া আপোনাৰ মনটো অলপ আনফালে ঢাল খাই আৰু কিবা বেলেগ কথা এটা ভাবে, তেতিয়া যিবোৰ দৃশ্য, শব্দ আৰু কথাত আপোনাৰ বৰ ৰাপ বহিছিল, সেই কথাবোৰে উপৰিভাগলৈ উঠি আহি কলমতিয়ায়। যেন নিজে নিজেই উঠি আহিছে। সেইবোৰ স্মৃতিত ৰৈ গৈছে। যিবোৰ অলাগতিয়াল, সেইবোৰ পাহৰণিৰ গৰ্ভত লীন গৈছে। গতিকে, বিষযটোৰ সম্পৰ্ক লেখকজনৰ লগত ওৰে দিন অশেষ শ্ৰম কৰি, ইফালে-সিফালে ঘূৰি ফুৰি, যিমান চাব পাৰে চাই, যিমান অনুভৱ কৰিব পাৰি কৰি মনৰ দিনলেখাখনত অজস্ৰ টোকা লেখি লৈ লেখক এজন

যদি চেতনাহীন (আনকনছাছ) হৈ যায়। আচলতে তেওঁৰ অন্তৰ্মনটোৱে ক্ষিপ্ৰগতিত কাম কৰি যায় আৰু বহিৰ্মনটোৱে কলমতিয়াই থাকে আৰু খন্তেক পিছত ওৰণি খহি পৰে আৰু তেতিয়াই দেখা দিয়ে তেওঁক লগা কথাটোৱে যি কথা তেওঁ লেখিব খোজে— সহজকৈ জুকিয়াই”

১৯২৭ চনত লেখা ‘টু দি লাইট হাউছ’ (To the Light House) উপন্যাসং আছিল ভাৰ্জিনিয়া উল্‌ফৰ ব্যক্তিগত সম্পৰ্ক ভিত্তিক। তেওঁ পিছত উপন্যাসখনৰ প্ৰসংগত কৈছিল: ‘মই প্ৰায়েই মোৰ মা-দেউতাৰ কথা ভাবিছিলো আৰু ‘টু দি লাইট হাউছ’ লেখাৰ সময়ত তেওঁলোকৰ ছবি মোৰ মনত ভুমুকিয়াইছিল।’ উপন্যাসখন লেখাৰ সময়ত ভাৰ্জিনিয়াৰ বয়স আছিল ৪৩ বছৰ। ৩০ বছৰ আগতে মাকৰ আৰু ২০ বছৰ আগতে দেউতাকৰ মৃত্যু হৈছিল। ছেন্ট ইভছ গাঁৱৰ পটভূমিত উপন্যাসৰ কাহিনী উপস্থাপিত। ল’ৰাকালত প্ৰতি বছৰে মাক-দেউতাকৰ লগত ভাৰ্জিনিয়া একোবাৰ তালৈ গৈছিল। তাৰ স্মৃতি তেওঁৰ মনত যুগমীয়া হৈ ৰৈছিল। অৱশ্যে উপন্যাসত ছেন্ট ইভছক আইল অব স্কাই আৰু মাক-দেউতাকৰ নাম মি: আৰু মিছেছ ৰামছে বুলি লেখা হৈছে।

উপন্যাসৰ আৰম্ভণিত মিছেছ ৰামছেই ছেপ্তেম্বৰৰ এটা মন কাঢ়ি নিয়া আবেলি খিৰিকীৰ কাষত বহি উলৰ মোজা তৈয়াৰ কৰি আছিল। ছবছৰীয়া সৰু পুতেক জেমছে সৈনিক আৰু নাবিকৰ কেটেলগ এখনৰ পৰা ছবি কাটি আছিল মাকৰ ওচৰত বহি। মিছেছ ৰামছেই পুতেকক ক’লে যে যদি পিছদিনা বতৰ ভালে থাকে তেন্তে সি পালতৰা নাৱত উঠি উপসাগৰ পাৰ হৈ লাইট হাউছলৈ যাব পাৰিব। মাকৰ এই কথাই তালৈ এক অভূতপূৰ্ব আনন্দ কঢ়িয়াই আনিলে, যেন এই যাত্ৰা হবই এনে এটা সিদ্ধান্ত সি পালে। এই বিস্ময় উদ্ৰেককাৰী, আনন্দকাৰীৰ কাৰণেই যেন সি বহুকাল ধৰি বাট চাই আছিল। এতিয়া যেন এটা ৰাতিৰ আন্ধাৰৰ পিছত এটা দিন সি নাও বাই গলেই পাৰ পাব। কিতাপখনৰ তৃতীয় এই এটা বাক্যতেই গোটেই কিতাপখনৰ সমগ্ৰ পৰিসৰ ঘোষিত হ’ল: দিনটোৰ বাকীখিনি, এটা ৰাতি আৰু পিছৰ দিনটোৰ এভাগ। কিন্তু বাৰাণ্ডাত অতিথি চাৰ্লছ টেলছিৰে সৈতে কথা পাতি থকা মি: ৰামছেই ঘৈণীয়েকৰ কথা শুনি মাত লগালে যে পিছদিনা বতৰ ভাল হোৱাৰ

আশা নাই, কাৰণ বতাহ্ বলি আছে। এই বুলি ৰাপেকে ইফাল সিফাল কৰি থাকিল। তেওঁ গম নাপালে, তেওঁৰ এই ধ্বংসাত্মক যুক্তিয়েই পুতেকৰ মনত কি পৰিমাণৰ তীব্ৰ ঘৃণাৰ সৃষ্টি কৰিছে। কিন্তু মাকে বুজিছিল। তেওঁ নিজকে নিজে ক'লে, 'সংঘৰ্ষ, অমিল, মতানৈক্য, সংস্কাৰ— সত্তাৰ আঁহে আঁহে এইবোৰে জঁট পকাই থাকে, হায়, ইমান আগতেই সি দেখা দিলে।'

তাৰ পিছতে চিনেমাৰ দৃশ্যান্তৰৰ দৰে কাহিনীৰো দৃশ্যান্তৰ ঘটিছে। চোতালত আৰামী চকীত বহি আছে বৃদ্ধ কবি আগষ্টাছ কাৰমাইকেল— বতাহত তেওঁৰ ডাঢ়ি চুলি আন্দোলিত হৈছে। তেত্ৰিশ বছৰ বয়সীয়া মিছ লিলি ব্ৰিস্কোই ঘৰটোৰ এখন ছবি আঁকিব ধৰিছে। এনেতে আদহীয়া বৰলা উইলিয়াম বেংকছ্ আহি উপস্থিত হ'ল। কিছু সময়ৰ পিছত উইলিয়াম আৰু লিলি ফুৰিবলৈ গ'ল। মিছেছ্ ৰামছেই দুয়োকো দেখি ভাবিলে যে দুয়োৰো বিয়া হোৱা ভাল। মি: ৰামছেই পিছদিনাৰ বতৰ সম্পৰ্কে আকৌ আলোচনা কৰিলে। তেওঁ অলপ আগতে টাইমছ্ কাকতত পঢ়া প্ৰবন্ধটোৰ বিষয়ে ভাবিবলৈ ধৰিলে— যদি ছেক্সপীয়েৰৰ জন্ম নহ'লহেঁতেন, পৃথিৱীখন বেলেগ হ'লহেঁতেন নেকি? পৃথিৱীৰ প্ৰগতি মহাপুৰুষৰ ওপৰত নিৰ্ভৰশীল নেকি? ফাৰাওৰ সময়তকৈ এতিয়া সাধাৰণ মানুহৰ জীৱন উন্নত হৈছেনে?

মিছেছ ৰামছেই আন দুজন ডেকা-গাভৰুৰ কথাও ভাবিছে। সিহঁত হ'ল পল ৰেলি আৰু মিন্টা ডয়েল। পলে মিন্টাক বিয়াৰ প্ৰস্তাৱ দিছে নেকি, তেওঁ ভাবিছে। লাহে লাহে আবেলি ৰূপান্তৰিত হৈছে সন্ধিয়ালৈ। মিছেছ আৰু মি: ৰামছেই বাগিচাত খোজ কাঢ়ি ফুৰিছে।

ৰাতিৰ আহাৰৰ সময়ৰ দৃশ্যত অতিথিসকলৰ সৈতে মুঠ পোন্ধৰজন লোক খোৱাৰ টেবুলত। মি: ৰামছেই গৰ্ব আৰু আনন্দেৰে পৰিয়ালৰ মানুহবোৰলৈ লক্ষ্য কৰিছে। খোৱাৰ পিছত মিছেছ ৰামছেই কোঠাৰ পৰা ওলাব খুজি পুনৰ উভতি চাইছে। পাৰ হৈ যোৱা গধূলিটো আৰু ভৱিষ্যতৰ দিনবোৰৰ সম্পৰ্কে তেওঁৰ মনত চিন্তাৰ উদয় হৈছে।

ল'ৰা-ছোৱালীহঁত আৰু আলহী কেইজন জোনাকত সাগৰৰ ঢৌ চাবলৈ যাবলৈ ওলাইছে। মিছেছ ৰামছে ড্ৰয়িং ৰুমলৈ গৈছে— তাত মি: ৰামছে বহি আছে। দুয়ো মুখামুখিকৈ বহি পঢ়িছে, মাজে মাজে পৰস্পৰলৈ চাই হাঁহিছে— দুয়ো সুখী।

ল'ৰা-ছোৱালী আৰু আলহীহঁত ঘূৰি আহিল। সকলো শুলে। কেৱল এটা কোঠাত সাৰে আছে বৃদ্ধ কবি আগষ্টাছ কাৰমাইকেল মমবাতিৰ পোহৰত তেওঁ পঢ়িছে ভাৰ্জিলৰ কাব্য। চাৰিওফালে বিৰাজ কৰিছে নীৰৱতা। মাজনিশা মমবাতি নুমাই তেৰোঁ শুই পৰিল। ৰাতিটো পাৰ হ'বলৈ ধৰিলে।

এইদৰেই দিন-ৰাতি পাৰ হৈ গৈছে। এদিন ১৬ বছৰীয়া জেমছ আৰু ১৭ বছৰীয়া কেম দেউতাকৰ লগত সাগৰৰ ওচৰৰ লাইট হাউছলৈ যাবলৈ ওলাল। গৈ থাকোঁতে জেমছৰ মনত পৰিল বহুদিন আগৰ কথা যেতিয়া তাৰ বয়স আছিল ছবছৰ।

ভাৰ্জিনিয়া উল্‌ফে 'লাইট হাউছ' উপন্যাসখনক নিজৰ শ্ৰেষ্ঠতম উপন্যাস জ্ঞান কৰিছিল। এজন সমালোচকে উপন্যাসখন সম্পৰ্কে লেখিছিল: 'ই যেনে জটিল, তেনে মৌলিক।' সময়ৰ লগে লগে জটিলতাৰ জঁট খুলিছে। কিন্তু যি মৌলিকতা 'লাইট হাউছ'ত প্ৰকাশ পাইছিল, সি আজিও ভাস্বৰ হৈ আছে।

এইছ্-জি ৰেলছ্‌ৰ দি হিষ্ট্ৰি অব মিষ্টাৰ পলি

(৮৫)

এইছ্, জি, ৰেলছে তেওঁৰ মিষ্টাৰ পলিৰ কাহিনীত এটা প্ৰশ্নৰ অৱতাৰণা কৰিছে-মন নে হৃদয় ? আমি যেতিয়া প্ৰতিনিয়ত ভাৱে আমাৰ নিজৰ ওপৰত আৰু সমগ্ৰ মানৱ-জাতিৰ ওপৰত নতুনকৈ আস্থা স্থাপন কৰি যাওঁ আৰু যিটো আমি কৰিবই লাগিব— তেতিয়া আমাৰ চূড়ান্ত আশা ক'ত স্থাপন কৰিম ! মানৱ-হৃদয়ক এটা মানৱ মন লাগে। মানৱ মন মানৱ হৃদয়ৰ এটা অতি নিখুঁত আহিলা। ইয়াৰ দ্বাৰাই আমি আমাৰ ভৱিষ্যতটো মৰ্যাদাপূৰ্ণ কৰি গঢ়ি লব পাৰোঁ। হৃদয়হীন মনে অৱশেষত কেৱল বালিময় বন্ধ্যা মৰুভূমিৰ সৃষ্টি কৰে। ইয়াত মানৱ আত্মাৰ লেশমানো নাথাকে।

মিষ্টাৰ পলিক যিজনাই— সৃষ্টি কৰিলে সেই হাবাৰ্ট ৰেলছৰ মন আৰু হৃদয় সমানেই বিশাল আছিল, তথাপি তেওঁ জানিছিল যে সেই বিশাল মন থকা সত্ত্বেও, মনটো সদায় চাৰিওফালে গড় মৰা, কিন্তু হৃদয়ৰ সীমা নাই, প্ৰায় অনন্তৰ সন্নিহিত; বাণী, বাৰ্তা আৰু বক্ৰোক্তিৰ প্ৰতি স্পৰ্শকাতৰ মাজে মাজে মনৰ যথাঃথতাক ক্ৰুদ্ধ কৰি তোলা অসংগত কিছুমান কথাও ইয়াৰ থাকে। কোনোবা যেতিয়া মিষ্টাৰ পলিৰ ক্ষেত্ৰত অতিপাত যথাযথ হ'ব খোজে, তেওঁ তেতিয়া অতি আত্ম প্ৰত্যয়েৰে অৱজ্ঞা কৰিবলৈ চেষ্টা কৰে আৰু কিবা ভোৰভোৰাই তাৰ পৰা পুলুকা মাৰে। মিষ্টাৰ পলিৰ কাহিনী মানৱ হৃদয়ৰ প্ৰতি এক বিজয় সম্ভাষণ।

তথাপি, এই কাহিনী লেখিছিল এনে এজন লোকে যি এক বিৰাট মনৰ অধিকাৰী আছিল, যি এখন তীক্ষ্ণ তৰোৱালৰ দৰে নিজৰ মেধাৰ জ্যোতিৰে নিৰ্বুদ্ধিতা, সামাজিক নিষ্ক্ৰিয়তা, নিষ্ঠুৰতা, বঞ্চনা, অজ্ঞতা, ভয় আৰু ভয়ৰ তিনিখণ্ড ভাতৃ, জড়তা, অলসতা, ক্ষুধা যিবোৰক ছিন্নভিন্ন কৰি তাৰ অন্তঃসাৰ শূন্যতাৰ স্বৰূপ প্ৰকাশ কৰে। এইছ্-জি ৰেলছৰ মনত এই অন্তঃসাৰশূন্যতা হ'ল-আমাৰ গাত ওলোৱা সেই খহুবোৰ যাক আমি কওঁ আমাৰ সভ্যতা।

ইংলেণ্ডৰ কেণ্ট জিল্লাৰ ব্ৰমলিত ১৮৬৬ চনত হাবার্ট জৰ্জ ৱেলছৰ জন্ম হয়। তেওঁ গল্পকাৰ, ঔপন্যাসিক আৰু প্ৰাবন্ধিক হিচাপে খ্যাতি অৰ্জন কৰে।

এসময়ত দৰ্জীৰ সহকাৰী হিচাপে কাম কৰোঁতে ৱেলছে উপলব্ধি কৰিছিল যে বেছিভাগ মানুহেই যেন অৱৰুদ্ধ হৈ আছে। পিছত তেওঁ আত্ম জীৱনীত লেখিছিল, এনে অৱস্থা মধ্যবিত্ত যুৱক সকলৰ মনত বেছিকৈ প্ৰতিভাত হৈছিল। পলিৰ উপাখ্যানত ৱেলছে এনে অবৰুদ্ধ মনৰ কথাকে ব্যক্ত কৰিছে।

১৮৬৬ চনত আৰম্ভ হোৱা জীৱনকালত ওৱেলছে বিজ্ঞান, অৰ্থনীতি, বিশ্ব ইতিহাস, মহাকাশত যুদ্ধ আৰু ভাবীকালৰ ৰূপ সম্পৰ্কে গ্ৰন্থ ৰচনা কৰিলে। অথচ দ্বিতীয় মহাযুদ্ধৰ অলপ পিছতে যেতিয়া তেওঁৰ মৃত্যু হ'ল তেওঁৰ শেষ গ্ৰন্থখনৰ বিষাদসুৰীয়া নাম দিয়া হ'ল: অৱৰুদ্ধ মনটোৰ শেষ প্ৰান্তত— যিটো মন আচলতে, ক্লান্ত হৈ পৰিছিল, মানুহ যেন তেওঁৰ ভাগ্যৰ উন্নতি সাধন কৰিবলৈ সততে অপাৰগ এনে এটা ভাবে তেওঁক ব্যৰ্থ বুলি প্ৰতীয়মান কৰিছে। কিন্তু এইটো কেৱল মনটোৰ কথাহে। ই চিন্তাশীল ওৱেলছে কোৱা কথা। কিন্তু যিজন শিল্পী ওৱেলছ— তেওঁ যিমানখিনি দি গ'ল, সেই সম্বন্ধে তেওঁ নিজেই সিমানকৈ উপলব্ধি কৰিব পৰা নাছিল। তেওঁ বহু সৃষ্টিৰ ভিতৰত মিষ্টাৰ পলিক সৃষ্টি কৰিলে যাৰ কাহিনী অন্য বহু কাহিনী গ্ৰন্থৰ থাকত পোকে খাই নষ্ট হৈ যোৱাৰ পিছতো মানুহে আগ্ৰহেৰে পঢ়িব।

প্ৰসন্ন মনৰ অধিকাৰী মিষ্টাৰ পলিয়ে চল্লিশ বছৰ বয়সত জীৱনৰ জমা-খৰচৰ বিষয়ে ভাবিবলৈ লৈছে। পেটৰ অসুখত সি ভুগিছে। তাৰ সৰু ব্যৱসায়টোও দেউলীয়া হোৱাৰ উপক্ৰম। সি বুজিছে যে তাৰ সৈতে মানসিক দিশত মিল নথকা এজনী তিৰোতাক সি বিয়া কৰাইছে। ফলত গৃহস্থালি পৰিণত হৈছে গৃহযুদ্ধত আৰু সি হৈ পৰিছে সামাজিকভাবে অসুখী। তাৰ মনত প্ৰশ্ন উদয় হৈছে— কিয় সি নিজৰ মনে ভাল পোৱা কামবোৰ ডেকাকালত নকৰিলে ? বেছিভাগ মানুহেই পিছৰ জীৱনত এনেদৰে অনুভৱ কৰে।

পলিৰ মনত পৰিছে স্কুলীয়া দিনবোৰৰ কথা। শিক্ষকে সেই সময়ত জীৱনৰ মহৎ উদ্দেশ্য, মহৎ লক্ষ্যৰ কথা ছাত্ৰ-ছাত্ৰীৰ মনত সুমুৱাই দিছিল। কিন্তু পলি আছিল পেটে-ভাতে খাই থকা এজন কচাইৰ ল'ৰা। সি তাৰ দৰে অন্যান্য দুখীয়া পৰিয়ালৰ ল'ৰা-ছোৱালীৰ নিচিনাকৈ শিক্ষা আধৰুৱাকৈ

ৰাখি স্কুল এৰিবলগীয়া হ'ল। গতিকে স্কুলত শিক্ষকে কোৱা কথাবোৰৰ প্ৰতি তাৰ বিশ্বাস নাইকিয়া হ'ল।

পলিয়ে জীৱনত নানা ধৰণৰ কামত লিপ্ত হ'ল। দৰ্জিৰ দোকানত সি বহুদিন কাম কৰিলে (স্মৰণযোগ্য যে ৱেলছেও দৰ্জিৰ দোকানত এসময়ত কাম কৰিছিল)। দেউতাকৰ মৃত্যুৰ পিছত তাৰ বিয়া হ'ল। পোন্ধৰ বছৰীয়া বৈবাহিক জীৱনে তাক বিশেষ সুখ নিদিলে। তথাপি সি ভৱিষ্যত সুখৰ জীৱনৰ আশাত থাকিল।

অৱশেষত যেতিয়া তাৰ সুখৰ স্বপ্নভংগ হ'ল তেতিয়া সি দুটা কাম কৰিবলৈ আঁচনি কৰিলে— এটা হ'ল-সি তাৰ দোকানখনত জুই লগাই পুৰিব আৰু দ্বিতীয়তো হ'ল— সি আত্মহত্যা কৰিব। প্ৰথমটো সি কৰিলে। তাৰ দোকানৰ লগত অন্যান্য বহুতৰে দোকান ভস্মীভূত হ'ল। কিন্তু সি দ্বিতীয় আঁচনিটো কাৰ্যকৰী কৰিব নোৱাৰিলে। পলিয়ে আৰু অন্যান্য দোকানী সকলে অৱশ্যে দুৰ্ঘটনা বীমাৰ পৰা ক্ষতিপূৰণ লাভ কৰিলে। সি বীমাৰ টকা ঘৈণীয়েকক দি নিজে অঘৰী জীৱন গ্ৰহণ কৰিলে।

নানা উত্থান-পতনৰ মাজেদি পলিয়ে উপলব্ধি কৰিলে যে মানুহে জীৱন গ্ৰহণ কৰে সংগ্ৰাম কৰিবলৈ। সেই সংগ্ৰামত ধ্বংস হৈ গ'লেও কোনো ক্ষতি নাই। হৃদয় আৰু মনৰ মাজত সামঞ্জস্য অনাৰ জৰিয়তেহে মানুহে জীৱনৰ প্ৰকৃত সত্য উপলব্ধি কৰিব পাৰে। দৰাচলতে মিষ্টাৰ পলিৰ উপাখ্যানৰ জৰিয়তে ৱেলছে সৰ্বসাধাৰণ জীৱন কাহিনীকে বৰ্ণনা কৰিছে। জীৱনৰ অধিকাংশ বেদনাৰ হ'লেও তাৰ মাজে মাজে সূৰ্যৰ ৰেঙণিৰ দৰে সুখৰ ভুমুকিয়েই জীৱন-যাপন কৰাতো মানুহক সহায় কৰে।

এলডুছ হাক্সলিৰ ব্ৰেভ নিউ ৱৰ্লড

(৮৬)

এলডুছ লিঅ'নাৰ্ড হাক্সলিৰ জন্ম ১৮৯৪ চনত, মৃত্যু ১৯৬৩ চনত। তেওঁৰ ভায়েক ছাৰ জুলিয়ান হাক্সলি আছিল এজন বিখ্যাত প্ৰাণীতত্ত্ববিদ। দেউতাক লিঅ'নাৰ্ড হাক্সলি আছিল 'কৰ্নহিল মেগাজিন' নামৰ বহু প্ৰচাৰিত আলোচনীখনৰ সম্পাদক। এলডুছৰ ককাদেউতাক আছিল ঊনবিংশ শতিকাৰ বিখ্যাত বৈজ্ঞানিক টমাছ হেনৰি হাক্সলি। তেওঁ ডাৰুইনৰ বিৱৰ্তন তত্ত্বৰ প্ৰতিদ্বন্দ্বিতা কৰিছিল।

ইটন আৰু অক্সফোৰ্ডত শিক্ষা লাভৰ পিছত এলডুছে 'এথেনিয়াম' নামৰ আলোচনীখনৰ সম্পাদকীয় বিভাগত সোমায়। পিছত 'ৱেষ্ট মিনষ্টাৰ গেজেট' আলোচনীখনৰ নাট-সমালোচক হয়। এলডুছে পোনতে কেইখনমান কবিতা সংকলন প্ৰকাশ কৰে। ১৯২০ চনত গল্প সংকলন এখন প্ৰকাশ পায়। ১৯২১ চনত প্ৰথম উপন্যাস Crome yellow প্ৰকাশ পোৱাৰ লগে লগে লেখক হিছাপে তেওঁ স্বীকৃতি পায়। ১৯২৩ চনত Antic Hay, ১৯২৫ চনত Those Barren Leaves আৰু ১৯২৮ চনত Point Counter Point প্ৰকাশ পায়।

তেওঁৰ ৰচনা আছিল বুদ্ধিদীপ্ত, শ্লেষপূৰ্ণ, ব্যংগাত্মক, প্ৰথম মহাযুদ্ধোত্তৰ যুৱ-মানসিকতাৰ সৈতে খাপ খোৱা। তেওঁৰ ৰচনাৰীতিত সম-সাময়িক চিনেমা শিল্পৰ টেকনিক ব্যৱহৃত হৈছিল। সেই সময়ৰ জন গেলছৱাৰ্থি, আৰ্নল্ড বেনেট, এইচ-জি-ৱেলছ আদিৰ তুলনাত হাক্সলিৰ লেখাত আছিল নতুনত্ব আৰু সেয়ে ডেকাসমাজে তেওঁৰ গ্ৰন্থ সমূহ আদৰি ল'লে। গল্প, উপন্যাস, কবিতাৰ উপৰিও তেওঁ ভালেমান প্ৰবন্ধও লেখিছিল। ১৯৩২ চনত তেওঁৰ ভৱিষ্যৎবাদী উপন্যাস 'ব্ৰেভ নিউ ৱৰ্লড' প্ৰকাশ পায়। সমালোচকসকলে এই উপন্যাসক 'বৈজ্ঞানিক কল্পলোক' (Scientific utopia) আখ্যা দিছে।

'ব্ৰেভ নিউ ৱৰ্লড'ত ৰুছিয়ান আদৰ্শবাদী দাৰ্শনিক নিকোলাছ বাৰ্ডিয়েফৰ লেখাৰ পৰা এটা উদ্ধৃতি দিয়া হৈছে। বাৰ্ডিয়েফে মাৰ্ক্সবাদীৰ ওপৰত বীতশ্ৰদ্ধ

হৈ পেৰিছত এখন 'ধৰ্মীয় দৰ্শনৰ প্ৰতিষ্ঠান (Academy of the philosophy of Religion) স্থাপন কৰিছিল। হাক্সলিয়ে উদ্ধৃত কৰা কথাখিনি আছিল: "এতিয়ালৈ অসম্ভৱ বুলি ভবা ইউটোপিয়াবোৰ বাস্তৱত এদিন ৰূপায়িত হ'ব পাৰে। বস্তুত: আজি আমি এই প্ৰশ্নৰ সন্মুখীন হৈছো: ইহঁতৰ যুক্তিযুক্ত ক্ৰমবিকাশক কেনেকৈ বাধা দিয়া যাব? সম্ভৱত: ইউটোপিয়াৰ বিকাশক বাধা দিবলৈ আজি এদল বুদ্ধিজীৱী আৰু সংস্কৃতিবান লোকৰ আৱিৰ্ভাব হৈছে। এওঁলোকে পৃথিৱীক কম 'নিখুঁত' আৰু বেছি মুকলি কৰিবলৈ চেষ্টা কৰিছে।"

'চেন্ট্ৰেল লণ্ডন হেছাৰি আৰু কণ্ডিছনিং চেণ্টাৰ'ৰ সঞ্চালকে এদল নতুন ছাত্ৰক অনুষ্ঠানটো দেখুৱাইছে ফুৰিছে— এইদৰে হাক্সলিয়ে 'ব্ৰেভ নিউ ৱৰ্ল্ড' আৰম্ভ কৰিছে আৰু তেওঁ দেখুৱাব খোজা নতুন পৃথিৱীখনৰ পটভূমি উপস্থাপন কৰিছে।

বৃহৎ ৰাষ্ট্ৰীয় উম দিয়া যন্ত্ৰত (in vast state incubators) মানুহৰ জন্ম দিয়া হয় নিখুঁতভাৱে। পাঁচটা বিভিন্ন শ্ৰেণীত মানুহ উৎপাদন কৰা হয়— আলফা, বিটা, গামা, ডেলটা আৰু এপছিলন। প্ৰত্যেকৰ সামাজিক মৰ্যাদা আৰু কাম আগতে নিৰ্দ্ধাৰণ কৰা হয়। আলফাসকল বুদ্ধিজীৱী মগজুৰ কৰ্মী। আনহাতে সমাজ-ব্যৱস্থাৰ আনটো মূৰত আছে এপছিলনসকল, মানসিকভাৱে অৰ্দ্ধমানৱ স্তৰৰ, সিহঁতক কেৱল চাকৰৰ আৰু যিকোনো শাৰীৰিক কষ্টকৰ শ্ৰম কৰাৰ বাবে সৃষ্টি কৰা হৈছে।

বিভিন্ন মানসিক শক্তিৰ মানুহ সৃষ্টি কৰা কামক সঞ্চালকে 'সামাজিক স্থিৰতাৰ এটা অন্যতম আহিলা' আখ্যা দিছে। বিভিন্ন কোঠালীত টেষ্ট টিউবত কণীবোৰ বিভিন্ন প্ৰক্ৰিয়াৰ মাজেৰে পঠোৱা হয়। যেতিয়া ভ্ৰূণবোৰ কেঁচুৱালৈ পৰিবৰ্তিত হয়, তেতিয়া নব-পাভলাভীয় (Neo-Pavlovian) পদ্ধতি প্ৰয়োগ কৰা হয়। শ্ৰমিক কৰিব খোজাসকলৰ মনত কিতাপ, ফুল আদিৰ প্ৰতি বিৰাগ সুমুৱাই দিয়া হয় যাতে ভৱিষ্যতে সিহঁতৰ মন আনন্দ বা সৌন্দৰ্যৰ প্ৰতি ধাবিত নহয়, যাতে মন শ্ৰমতেই আৱদ্ধ হৈ থাকে। কেঁচুৱাবোৰ শুই থাকোঁতে সিহঁতৰ গাৰুৰ তলত ৰখা মাইক্ৰ'ফোনেৰে সিহঁতৰ সামাজিক স্তৰৰ কথা সঁকীয়াই দি থকা হয়।

পৰিয়াল পদ্ধতিৰ বিলোপ ঘটোৱা হৈছে। পুৰণি কালত পৰিয়ালত বাপেক

থকা বাবে দুখ-কষ্টও আছিল, মাক থকা বাবে যন্ত্ৰণা, সতীত্ব আদি আছিল। ভাতৃ, ভগ্নী, খুৰা, খুৰী ইত্যাদি থকা বাবে বলিয়ালি আৰু আত্মহত্যা আছিল। নতুন বৈজ্ঞানিক কাল্পনিক ৰাজ্যত মানুহ সুখী, সিহঁতে যি বিচাৰে তাকে পায়, যি নিবিচাৰে তাক কেতিয়াও নাপায়। সিহঁত সুৰক্ষিত, কেতিয়াও বেমাৰ-আজাৰ নহয়। সিহঁতে মৃত্যুক ভয় নকৰে। কামনা-বাসনা বা বৃদ্ধকালৰ অনুভূতি সিহঁতৰ নাই। সিহঁতৰ মাক-বাপেক, ঘৈণীয়েক, ল'ৰা-ছোৱালী একো নাই। সিহঁতক যি কৰিব কোৱা হয়, তাকেই কৰে। যদি কিবা অসুবিধা হয়, তেন্তে সিহঁতক দিয়া হয় 'সোম' (Soma)। 'সোম' হ'ল চিন্তা ভাবনা দূৰ কৰা মহৌষধ।

অৱসৰ বিনোদনৰ বাবে সিহঁত যায় নতুনকৈ স্থাপিত ৱেষ্টমিনষ্টাৰ এবি নৃত্যশালালৈ। তাত কেলভিন ষ্টোপছে তেওঁৰ ষোলজন বাদকৰ সৈতে বাদ্য বজায়। চিনেমা এনে ধৰণৰ যে পৰ্দাত প্ৰতিফলিত ঘটনাবোৰ সিহঁতে বাস্তৱৰ দৰে বুলি ভাবে। সোম আৰু চেন্সৰৰ প্ৰভাৱত সিহঁতে কোনো কথাতে বিৰাগ প্ৰকাশ নকৰে।

এইদৰে হাক্সলিয়ে ভৱিষ্যত পৃথিৱীৰ এখন ছবি আঁকিছে য'ত মানুহ পৰিণত হ'ব যন্ত্ৰত। কাহিনীভাগত আছে বাৰ্ণাৰ্ড মাৰ্ক্স নামৰ এটা চৰিত্ৰ। সি লেনিন. ক্ৰাউন নামৰ ছোৱালীজনীৰ সৈতে প্ৰেমত পৰিছে। সিহঁতে ছুটী কটাবলৈ নিউ মেক্সিকোলৈ যাওঁতে প্ৰাকসভ্যতা যুগৰ অসভ্য কিছুমানক লগ পাইছে। জন নামৰ ডেকা এজনে সিহঁতক ক'লে যে সি কিছুদিন'আগতে 'উইলিয়াম ছেক্সপীয়েৰৰ ৰচনাৱলী' বোলা এখন প্ৰাচীন কিতাপ পঢ়িছে। সি কিতাপখনৰ বিষয়ে কিছু কথা বাৰ্ণাৰ্ড আৰু লেনিনাক ক'লে; কিন্তু সিহঁতে বুজিব নোৱাৰিলে। কাৰণ তাত ব্যক্তিগত সম্পৰ্কৰ কথা কোৱা হৈছিল। বাৰ্ণাৰ্ড আৰু লেনিনাৰ বাবে ব্যক্তিগত সম্পৰ্ক আছিল আচহুৱা, অজানা।সিহঁতে জনক সিহঁতৰ নতুন সভ্যতা, নতুন পৃথিৱীৰ কথা কোৱাত জনে ছেক্সপীয়েৰৰ উদ্ধৃতি দি ক'লে— "O brave new world that has such people in it.' জন সিহঁতৰ লগত ইংলেণ্ডৰ নব্য সভ্যতাৰ মাজলৈ আহিল। সি লেনিনাৰ সৈতে প্ৰেমত পৰিল। কিন্তু নব্য সভ্যতাত তাৰ আমনি লগাত আৰু এই সভ্যতাৰ অধিবাসীসকলৰ ঠাট্টা বিদ্ৰূপ সহ্য কৰিব নোৱাৰি, ডিঙিত ফাঁচ লগাই মৃত্যুবৰণ কৰিলে।

'ব্ৰেভ নিউ ৱৰ্ল্ড'ত অংকিত ভয়াবহ পৃথিবীখন ভৱিষ্যতে সম্ভৱ হ'ব পাৰে বুলি বহুতেই ভাবে। মানুহ যিদৰে আজি যন্ত্ৰনিৰ্ভৰ হৈছে, সিয়েই মানুহৰ ভৱিষ্যৎ সম্পৰ্কে মানুহক চিন্তিত কৰি তুলিছে। হাক্সলিৰ দৰে চিন্তাশীল লেখকৰ প্ৰশংসা বিশ্বজনীন। কাৰণ কাৰ্লাইলে কৈছিল যে "সাহিত্য হৈছে চিন্তাশীলৰ চিন্তা।" কিন্তু চিন্তাৰ জগতে লেখকৰ ৰচনা-বৈশিষ্ট্যই গ্ৰন্থখনিক মহত্ত্বদান কৰিছে। উল্লেখযোগ্য যে এই চিন্তা লেখকৰ বিলাস মাত্ৰ নহয়। অসমত অম্বিকাগিৰি ৰায় চৌধুৰীৰ ৰচনাত এনে ধৰণৰ চিন্তাৰ প্ৰয়োগ দেখা যায়। তেওঁ বিশ্বশান্তি স্থাপনৰ উদ্দেশ্যে গ্ৰহান্তৰত মানুহৰ পদাৰ্পণ আৰু বিচৰণৰ পৰামৰ্শ আগবঢ়াইছিল।

লুই কেৰলৰ অদ্ভুত দেশত এলিচৰ অভিযান

(৮৭)

যেভাৰেও চাৰ্লছ লুটৱিজ ডডছন আছিল অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ অংকশাস্ত্ৰৰ অধ্যাপক। তেওঁ জ্যামিতি আৰু তৰ্ক শাস্ত্ৰ বিষয়ক কেবাখনো গ্ৰন্থৰ গ্ৰন্থাকাৰ। চিৰকুমাৰ, অনুশাসনপ্ৰিয় এই লোকজনেই লেখিছিল 'অদ্ভুত দেশত এলিচৰ অভিযান' (Alice's Adventures in Wonderland)। লেখকৰ জীৱনকালত কিতাপখনৰ হাজাৰ হাজাৰ কপি ব্ৰিটেন আৰু আমেৰিকাত বিক্ৰী হৈছিল আৰু ভালেমান ইউৰোপীয় ভাষালৈ ই অনূদিত হৈছিল। পিছত পৃথিৱীৰ উল্লেখযোগ্য আটাইবোৰ ভাষালৈ এই গ্ৰন্থ অনূদিত হৈছে।

১৯১৮ চনৰ ১৪ জানুৱাৰী তাৰিখে তেওঁৰ মৃত্যু উপলক্ষে প্ৰকাশিত বাতৰিত টাইমছ কাকতে লেখিছিল,"সমগ্ৰ জীৱন মানুহক এৰাই চলা আৰু প্ৰচাৰ বিমুখ এই চিৰকুমাৰ, নীৰৱ, মৌন প্ৰকৃতিৰ গণিতবিদজনৰ যে আজি ৩০ বছৰে (এতিয়া একেদৰেই কব পাৰি, এটা শতিকা জুৰি) সময়ৰ পৰীক্ষাত উত্তীৰ্ণ হ'ব পৰা এখন গ্ৰন্থ ৰচনা কৰাৰ বাবে প্ৰয়োজনীয় প্ৰতিভা আছিল সেই কথা কোনে ভাবিব পাৰিছিল। এই গ্ৰন্থই ইয়াৰ আচহুৱা আৰু স্বকীয় প্ৰতিভাৰ ফলত আজিও ল'ৰা-বুঢ়া সকলোকে মন্ত্ৰমুগ্ধ কৰি ৰাখে।"

ডডছনৰ জন্ম হৈছিল ১৮৩২ চনৰ ২৭ জানুৱাৰীত। সৰু কালত তেওঁৰ নাট্যাভিনয়ৰ প্ৰতি ৰাপ আছিল। বাৰ বছৰ বয়সলৈ তেওঁক দেউতাকে ঘৰতে পঢ়ুৱাইছিল। পিছত ৰিচমণ্ড গ্ৰামাৰ স্কুলত তেওঁক ভৰ্তি কৰোৱা হয়। তেওঁ অংকত বিশেষ বুৎপত্তি দেখুৱাইছিল। ১৮৫১ চনত তেওঁ অক্সফোৰ্ডলৈ যায় আৰু ১৮৫৪ চনত প্ৰথম শ্ৰেণীত উত্তীৰ্ণ হয়। তাতেই তেওঁ অংকশাস্ত্ৰৰ অধ্যাপকৰূপে নিযুক্তি পায়।

তেওঁ ল'ৰা-ছোৱালীৰ সংগ বৰ ভাল পাইছিল আৰু সিহঁতৰ বাবে কিছুমান ধেমেলীয়া পদ্য ৰচনা কৰিছিল। 'অদ্ভুত দেশত এলিচৰ অভিযান' গ্ৰন্থখন

১৮৬৫ চনৰ জুলাইত প্ৰকাশ পায়। প্ৰথমে গ্ৰন্থখনৰ নাম তেওঁ ৰাখিব খুজিছিল 'ভূ-তলত এলিচৰ অভিযান' Alice's Adventures underground) । কিন্তু নামটো মন:পূত নোহোৱাত তাৰ সলনি 'অদ্ভুত দেশত এলিচৰ অভিযান' থোৱা হ'ল। আৰু লেখকৰ গুৰু গম্ভীৰ প্ৰকৃত নাম চাৰ্লছ লুটনিজ ডডছন কিতাপখনত দিলে খাপ নাখায় বুলি ভাবি তেওঁ ছদ্মনাম ল'লে লুই কেৰল।

ডড্‌ছনৰ নিজৰ জীৱনটো কিন্তু আছিল ৰোমাঞ্চ শূন্য। তেওঁ ল'ৰা-ছোৱালীৰ সংগ ভাল পাইছিল।

লুই কেৰলে নিজেই এক বিচিত্ৰ জীৱন যাপন কৰিছিল। তেওঁৰ পিতৃপুৰুষ ধৰ্মযাজক আছিল আৰু ঐতিহ্যমণ্ডিত এই পৰিয়ালটোৰ একোৰে অভাৱ নাছিল। কিন্তু লুইয়ে তেনে এক পৰিয়ালত জন্ম গ্ৰহণ কৰিও কিয় চিৰকুমাৰ হৈ থাকিল সি আজিও আলোচনাৰ বিষয় হৈ আছে। আনহাতে তেওঁৰ ল'ৰা-ছোৱালী প্ৰীতি সৰ্বজনবিদিত। গণিত শাস্ত্ৰকেই তেওঁ কাৰ্যত: জীৱন লগৰী হিছাপে লোৱা বুলি বহুতো পণ্ডিতে কব খোজে। লুইৰ হাতখন অতি নিপুণ আছিল। সৰু কালতেই পুতলা নাট তৈয়াৰ কৰি লগৰীয়াসকলক আনন্দ দিব পাৰিছিল। আলোচনী সমূহতো তেওঁৰ নিপুণ হাতৰ স্কেচে শোভা পাইছিল। মনমৰা ধৰণৰ আছিল বাবেই সম্ভৱত: ছাত্ৰাৱস্থাত অধিক বন্ধু বান্ধৱ গোটাবলৈ অসমৰ্থ হৈছিল। পিছলৈ তেওঁ অতি লাজকুৰীয়া হৈ পৰিছিল। খেলত পাৰদৰ্শিতা দেখুৱাবলৈ অক্ষম হলেও লুইয়ে বহুতো বঁটা ছাত্ৰাৱস্থাতেই লাভ কৰিবলৈ সক্ষম হৈছিল। লুই মৃত্যুৰ সময়লৈকে খ্ৰীষ্ট চাৰ্চৰ "ষ্টুডেন্ট" হব পাৰিছিল অবিবাহিত হৈ থকা বাবেই।

অংক শাস্ত্ৰৰ শিক্ষকতা কৰি থাকিও লুইয়ে ওৰেটো জীৱনেই ছবি আঁকিছিল। তাৰ উপৰি তেওঁ থিয়েটাৰ প্ৰেমী আছিল। অকল সিয়ে নহয়, লুইয়ে সাৰ্থক কবিতাও ৰচনা কৰিছিল। এইবোৰৰ উপৰিও তেওঁৰ বিশেষ অনুৰাগ আছিল ফটোগ্ৰাফীৰ ওপৰত। তেওঁ সততে কেমেৰা লগত ৰাখিছিল। অৱশ্যে ল'ৰা-ছোৱালীৰ ফটো গ্ৰহণ কৰি তেওঁ বেছি আনন্দ লাভ কৰিছিল। যিকোনো অৱসাদৰ মুহূৰ্তটোতেই লুইয়ে সৰু ছোৱালীৰ সংগলাভ কৰি আনন্দ পাইছিল। সমবয়সীয়া লোকৰ মাজত থাকি তেওঁ লজ্জাবোধ কৰাৰ বাবেই সৰু সৰু ছোৱালীৰ সংগ লাভ কৰি তেওঁ সহজ হব পাৰিছিল আৰু ইয়েই

বিশেষকৈ কাহিনী-ৰচনাৰ ক্ষেত্ৰত তেওঁক সহায় কৰিছিল।

সৰু ল'ৰা-ছোৱালীহঁতৰ মনোৰঞ্জনৰ বাবেই তেওঁ কাহিনী ৰচনা কৰাৰ উপৰিও ধেমেলীয়া কবিতা ৰচিছিল। প্ৰকৃতপক্ষে লুইৰ কাহানিও সাহিত্যিক হোৱাৰ আকাংক্ষা নাছিল, কিন্তু চাৰিওফালৰ পৰিবেশটোৱে এনেকুৱা এক পটভূমিৰ সৃষ্টি কৰিলে, যাৰ ফলত তেওঁ হৈ পৰিল বিশ্বৰ অন্যতম অমৰ সাহিত্যিক।

কিতাপখনৰ প্ৰথম প্ৰকাশ হয়, ১৮৫৬ চনত, কিন্তু ছবিবোৰৰ ছপা কেৰলৰ মন:পুত নহ'ল। তেওঁ এনেয়ে বৰ চিকা চন্দা বিধৰ লোক আছিল, সামান্য খুঁত থাকিলেও ভাল নাপাইছিল। গতিকে কিতাপখনৰ মাত্ৰ ৪৮ টা কপি বিক্ৰী হওঁতেই বিক্ৰী বন্ধ কৰি দিয়ে। নবদ্ধা পাতবোৰ এটা এমেৰিকান ছপাশালক দি দিয়ে আৰু সেই ছপাশালেই পুথিখন দ্বিতীয় তাওৰণ ৰূপে প্ৰকাশ কৰি উলিয়ায়। দ্বিতীয় তাওৰণটো ১৮৬৫ চনৰ নৱেম্বৰত ওলায়, কিন্তু চন হয় ১৮৬৬।

পাঠকে কিতাপখন পঢ়ি যদিওবা বৰ ভাল পাইছিল, তথাপি ইয়াৰ জনপ্ৰিয়তা চকুত লগা বিধৰ হোৱা নাছিল। কিন্তু প্ৰকাশ বন্ধ নাথাকিল, ইটোৰ পিছত সিটোকৈ পৰৱৰ্তী সংস্কৰণবোৰ ওলাই থাকিবলৈ ধৰিলে। ফৰাছী আৰু জাৰ্মান অনুবাদ ওলাল ১৮৬৯ চনত, ইটালীয় অনুবাদ ১৮৭২ চনত। তাৰ পিছত ডজনে ডজনে অনুবাদ ওলাবলৈ ধৰিলে। কিতাপখন কোমল বয়সীয়া ল'ৰা-ছোৱালীৰ পৰা আৰম্ভ কৰি বয়সীয়া সকলেও পঢ়িবলৈ ধৰিলে। বিজ্ঞাপনদাতাসকলে ধৰিয়েই ললে যে কিতাপখন আটায়ে ভাল পাইছে আৰু বিজ্ঞাপনো সেই মতেই দিলে।

এটা জনশ্ৰুতিভিত্তিক কাহিনী আছে। ৰাণী ভিক্টোৰিয়াই 'এলিচ' পঢ়ি উঠি গ্ৰন্থকাৰৰ ইয়াৰ পিছৰ কিতাপখন পঢ়িবলৈ হেঁপাহ কৰিছিল। কিন্তু ডডছনৰ ইয়াৰ পিছৰ কিতাপখন আছিল গণিতৰ, নাম 'কনডেনছেশ্যন অব ডিটাৰমিনেন্টছ'। কিতাপখন তেওঁ ৰাণী ভিক্টোৰিয়ালৈ পঠোৱা নাছিল বুলি গ্ৰন্থকাৰে কৈছে। তেওঁ আছিল এগৰাকী অক্লান্ত লেখক। গণিত সম্পৰ্কে,বিশেষকৈ ইউক্লিড সম্পৰ্কে তেওঁ ইখনৰ পিছত সিখন কিতাপ লেখি আছিল। এই গ্ৰন্থবোৰে তেওঁৰ জীৱন কালত অলপদিনীয়া সাফল্য লাভ কৰিছিল

নিশ্চয়; কিন্তু আজি আৰু সেইবোৰ কাৰো মনত নাই। ইউক্লিডৰ ঠাইত অন্য জ্যামিতি ওলাইছে। কিন্তু 'এলিচ' যুগমীয়া।

'অদ্ভুত দেশত এলিচৰ অভিযান'ৰ কাহিনী বৰ্ণনা কৰা হৈছে এটা সপোনাৰ মাজেৰে। ফলত অদ্ভুত অদ্ভুত কাহিনী আৰু ঘটনা সন্নিবিষ্ট কৰাত সুবিধা হৈছে। এটা শহাপহুক খেদি কিদৰে এলিচে শহাপহুৰ গাঁতটোৰ ভিতৰেৰে গৈ এখন অদ্ভুত দেশ পালেগৈ আৰু নানা ঘটনাৰ পিছত সাৰ পাই উঠি সেই কথাবোৰ মনত পেলালে— ইয়াকৈ কৈ শিশুৰ বাবে মনোগ্ৰাহীকৈ ডডছন ওৰফে লুইছ কেৰলে এই গ্ৰন্থ লেখিছে। এই গ্ৰন্থৰ পৰিপূৰক হিছাপে 'আয়নাৰ মাজেৰে এলিচ' (Alice Through the Looking Glass) নামৰ আন এখন শিশু উপযোগী গ্ৰন্থ লেখে।

আজি ৰেভাৰেণ্ড চাৰ্লছ লুটৱিজ ডডছনক মানুহে পাহৰি গৈছে; কিন্তু এলিচৰ স্ৰষ্টা লুইছ কেৰল অমৰ হৈয়ে আছে। 'এলিচ ইন দি ৱন্দাৰ্লেণ্ড' কিতাপখনৰ নিচিনা শিশু চৰিত্ৰক লৈ ব্যস্ত আন এখন পৃথিৱী বিখ্যাত গ্ৰন্থ হৈছে মেটাৰলিংকৰ "দি ব্লু বাৰ্ড" (নীলা চৰাই।) এইখন অৱশ্যে নাটকৰ ৰূপত ৰচিত। ইয়াৰ গূঢ়াৰ্থ যথেষ্ট গভীৰ। লুই কেৰলৰ কাহিনীটো দাৰ্শনিকতাৰ কাৰণে বিখ্যাত নহয়; ই কেৱল শিশুৰ হৃদয়-ৰঞ্জন কৰা এক অনন্য ৰচনা।

টমাছ হাৰ্ডিৰ টেছ্ অৱ দি ডাৰবাৰভিলিছ্

(৮৮)

ঔপন্যাসিক হিছাপে টমাছ হাৰ্ডিৰ খ্যাতি বহু বিস্তৃত। চৰিত্ৰ সমূহৰ প্ৰতি পুতৌৰ যি অনুভূতি তেওঁ পঢ়ুৱৈৰ মনত সঞ্চাৰ কৰে, সিয়েই তেওঁক পঢ়ুৱৈৰ প্ৰিয় কৰি তোলে। তেওঁৰ উপন্যাস ৰাজিৰ ভিতৰত 'টেছ্ অব দি ডাৰবাৰ ভিলিছ্'ক শ্ৰেষ্ঠতম আখ্যা দিয়া হয়। 'টেছ্ অব দি ডাৰবাৰ ভিলিছ্'ৰ যিগৰাকী নায়িকা তেওঁ উপন্যাসখনৰ প্ৰথম ভাগত 'কুমাৰী' আৰু দ্বিতীয় ভাগত 'কুমাৰী আৰু নহয়'। অথচ কোনো পৰ্যালোচকে ভাবে— ই আছিল সেই সময়ৰ প্ৰতিষ্ঠিত নীতিবোধৰ প্ৰতি এক অসামান্য বলিষ্ঠ বিদ্ৰূপ। উপন্যাসখন ১৮৯১ চনত প্ৰকাশিত হৈছিল। তেতিয়া ভিক্টোৰিয়াবাদ শীৰ্ষবিন্দুত। উপন্যাসখনৰ নামপাতত লেখকে টেছৰ নামৰ পিছত আৰু এটা নাম যোগ দিছে— 'এগৰাকী পবিত্ৰ নাৰী'। টেছ্ আছিল জনডাৰ্বিফিল্ড নামৰ এজন ফেৰিৱালাৰ জীয়েক। উপন্যাসৰ আৰম্ভণিতে মে' মাহৰ এটা সন্ধিয়াত ডাৰ্বিফিল্ডক ছেষ্টন গাঁৱৰ পৰা মাৰ্লট গাঁৱলৈ খোজ কাঢ়ি অহা দেখুওৱা হৈছে। সি আছিল আদবয়সীয়া আৰু বৰ সুৰাপ্ৰিয়। এদিন এজন মানুহে তাৰ মনত এই ধাৰণা সুমুৱাই দিলে যে দৰাচলতে সি প্ৰাচীন আৰবাৰভাইল পৰিয়ালৰে সন্তান আৰু তাৰ পূৰ্বপুৰুষসকল এসময়ত জমিদাৰ আছিল। এই নামৰ এটা জমিদাৰ পৰিয়াল অঞ্চলটোত আছে।

ডাৰবিফিল্ড এজন আদবয়সীয়া অপাকৈত মানুহ আছিল। আমি তেওঁৰ বা তেওঁৰ জীয়েকৰ বিষয়ে একোকে শুনিবলৈ নাপালোঁহেতেন যদি তেওঁ জানিবলৈ নাপালেহেঁতেন যে তেওঁৰ পূৰ্বপুৰুষ 'ডাৰবাৰ ভিলিছ্'ৰ এটা প্ৰাচীন সম্ভ্ৰান্ত পৰিয়াল' আছিল, এই পৰিয়ালটোৰ গাওঁ অঞ্চলত ভালেখিনি ভূ-সম্পত্তি আছিল আৰু কিংছবেৰৰ গীৰ্জাত এই পৰিয়ালটোৰ স্মৃতি পালন কৰা হয়। এই খবৰটো তেওঁক বাটতে এজন ধৰ্মযাজকে দিয়ে। খবৰটো শুনি ডাৰ্বিফিল্ডৰ মনত উখল-মাখল লাগি গ'ল।

এই খবৰটোৱে আৰু আধা-আমোদ আৰু আধা-অৱজ্ঞাত কৰা 'ছাৰ জন' সম্বোধনটোৱে এই হোজা মানুহটোৰ মনত যি গৰ্ব আৰু সন্তুষ্টিৰ ভাব জগাই তুলিছিল, তাক আন এটা খবৰে অলপ শ্যম কটাই দিলে। সেই খবৰটো হ'ল, তেওঁৰ পৰিয়ালৰ নামত এতিয়া কোনো প্ৰাসাদ বা ভূ-সম্পত্তি নাই, আনহে নালাগে একঠা মাটিও নাই। তথাপি কিন্তু 'পিয়ৰ ড্ৰপ' ভোজনালয়লৈ 'ছাৰ জন'ক ঘৰত থবৰ কাৰণে যোঁৰাৰে সৈতে এখন বাগী পঠাই দিবৰ কাৰণে ল'ৰা এটা পঠাই দিয়াটো তেওঁ ন্যায় সংগত বুলিয়েই ভাবিলে আৰু বাগীখনত সৰু বটলত এবটল 'ৰাম'ও যাতে পঠাই দিয়ে আৰু দামটো তেওঁৰ নামত লেখি থয় সেইষাৰ কথাও জনাই দিলে।

কাহিনীটোত আমি কেইখিলামান পাতৰ পিছত টেছক লগ পাওঁ। তেওঁ কেইজনীমান গাভৰুক লগত লৈ বছেৰেকীয়া 'ক্লাব ওৱাৰ্কিং' কৰিছে। এইটো প্ৰাচীন কালত কৰা মে' দিৱসৰ নৃত্যৰ সজীৱ স্মৃতি। তেওঁৰ পিতাক ঘৰলৈ অহাৰ দৃশ্যটো তেওঁৰ চকুত পৰি 'মোৰ পৰিয়াল বেছ ডাঙৰ কিংছবেৰেৰ প্ৰাসাদত বাস কৰা সম্ভ্ৰান্ত উপৰি পুৰুষ এতিয়া কবৰৰ ঢাক খাই আছে।' ডাৰ্বিফিল্ডে এই কথা কেইটা তেওঁ মূৰৰ ওপৰেদি হাত এখন হেলাভৰে ঘূৰাই ঘূৰাই ধীৰে ধীৰে আবৃত্তি কৰি আহি আছিল। গাভৰুহঁতে ওঁঠ চেপি খিকখিককৈ হাঁহিছিল, কাৰণ তেওঁলোকে গম পাইছিল যে পুৰণি কোনোবা পৰিয়ালৰ তেওঁ এজন বৃদ্ধ আৰু টেছ তেওঁৰে ছোৱালী। টেছ ৰঙা-চঙা পৰি গৈছিল আৰু লগৰ কেইজনীক ভেকাহি মাৰি দিছিল। ফলত তেওঁলোকৰ মাত হৰি গৈছিল। টেছ সুৰুচিসম্পন্না আৰু দেখনিয়াৰ ছোৱালী আছিল। তেওঁৰ সজীৱ কোমল মুখ আৰু নিৰ্দোষ বহল চকু যুৰিয়ে তেওঁৰ দেহৰ গঠন আৰু ৰঙত ৰহণ চৰাইছিল। তেওঁ তেওঁৰ ডাঠ সোণালী চুলিত এডাল ৰঙা ফিটা মাৰিছিল। গাভৰুৰ দলটোত তেঁৱেই একমাত্ৰ কুমাৰী আছিল যি এনে এক অংগ সজ্জাৰ গৌৰৱ কৰিব পাৰে।

বাটতো গৈ গৈ এডোখৰ মুকলি ঘাঁহনিত শেষ হৈছে। তাতে ছোৱালীহঁতে নাচিবলৈ আৰম্ভ কৰিলে। পোনতে তেওঁলোকে নিজৰ ভিতৰতে নাচিছিল; কিন্তু পিছত যেতিয়া পথাৰৰ কাম শেষ হোৱাত ডেকাবোৰো তালৈ আহিল; তেতিয়া ডেকাহঁতৰ লগত যোগ দিলে। তেওঁলোকক উচ্চ শ্ৰেণীৰ তিনিজনীয়া

ডেকাৰ দল এটাই লক্ষ্য কৰি আছে। তেওঁলোকৰ পিঠিত বান্ধি লোৱা একোটা মোনা আৰু হাতত একোডাল লাঠি। দেখিলে ভ্ৰমণকাৰী দল যেন লাগে। তাৰে এজনে পাদ্ৰীৰ বগা টাই মাৰিছে, দ্বিতীয়জনকো দেখিলে বৃত্তিধাৰী লোক যেন লাগে। তৃতীয়জন হৈছে দলটোৰ বয়:কনিষ্ঠ। তেওঁৰ দৃষ্টি আৰু সাজপাৰত এটা সহজভাৱে বিৰাজ কৰিছে। তিনিওজন ভাই-ককাই আছিল। তেওঁলোকে ৰাজ আলিটোৰ কাষৰ এখন গেটত আউজি আছে। তাৰ পিছত তেওঁলোক এই নাচটোৰনো অৰ্থ কি হ'ব পাৰে, সেই বিষয়ে আলোচনা আৰম্ভ কৰিলে যেন সেয়া তেওঁলোকৰ যোৱাৰ বাটৰ সমল। কিন্তু কনিষ্ঠজনে আগবাঢ়িব খুজি ক'লে, ছোৱালীহঁতক জোকোৱা যাওক, অলপমান সময়। ডাঙৰ কেইজনে তেওঁৰ এই অভদ্ৰোচিত প্ৰস্তাৱৰ প্ৰতিবাদ কৰিলে, কিন্তু সৰুজনে নেৰে, সি তাৰ কথাতে ধৰি থাকিলে। গতিকে তাক তাতে এৰি থৈ ডাঙৰ দুজন গুচি গ'ল। তেওঁ পথাৰ পালেগৈ, আৰু অনায়াসে লগৰী এজনী পাই গ'ল। যিজনী ছোৱালীক সি লগৰী হিচাপে পালে তাই টেছ নহয়। তাই নিৰাশ হ'ল আৰু শেষত যেতিয়া এঞ্জেল কেয়াৰে নাচিবলৈ এৰি দিলে, তেতিয়া সি উভতি চাই দেখিলে, বগা দেহাৰে ছোৱালী এজনী থিয় হৈ আছে। তাইৰ চকুত ভৰ্ৎসনাৰ এটা ক্ষীণ ইঙ্গিত ফুটি উঠা সি দেখা পালে। তাইক বাছি নোলোৱাৰ কাৰণেই যেন তাইৰ ৰোহ। তাৰো দুখ লাগিল, কিন্তু তাৰ কাৰণে তাৰ হোজা স্বভাৱকেই সি দোষিলে। বহু বছৰৰ মূৰত তাৰ এই প্ৰথম দেখাটো তাইক মনত পেলাই দিব লগা হৈছিল।

ডাৰ্বিফিল্ডৰ সাতটা ল'ৰা-ছোৱালীৰ ভিতৰত টেছেই ডাঙৰ আছিল। তাই সৰুৰে পৰা ভাবুক ধৰণৰ আছিল আৰু গাঁৱৰ স্কুলতো ভাল ফল দেখুৱাইছিল।

প্ৰকৃত আৰবাৰ্ভাইল পৰিয়ালত টেছৰ মাকে পৰিচাৰিকাৰ কাম কৰিছিল। কামৰ ভিতৰত প্ৰধান আছিল হাঁহ-কুকুৰাবোৰ চোৱা। মালিকনী মিছেছ আৰবাৰভাইলী আছিল অন্ধ। তেওঁ টেছৰ মাতটো বুজিব পাৰিছিল। কিন্তু তেওঁৰ পুতেক এলেকে টেছক নিজৰ কৰি লবলৈ বিচাৰিছিল। এলেকৰ সৈতে হোৱা মিলনৰ ফলত টেছৰ এটা সন্তান জন্মিল। কিন্তু কেইদিনমানৰ ভিতৰতে সন্তানটোৰ মৃত্যু হ'ল। এইদৰে টেছৰ জীৱনৰ প্ৰথম পৰ্বৰ অন্ত পৰিল।

ইয়াৰ পিছত টেছ ক্ৰিক বোলা খেতিয়ক এজনৰ দুগ্ধ পামত গোৱালনী

হিছাপে সোমাল। ইয়াতে এঞ্জেল ক্লেয়াৰ নামৰ ডেকা গোৱাল এজন টেছৰ প্ৰেমত পৰিল। কিন্তু বাৰে বাৰে অনুৰোধ সত্ত্বেও টেছে তাক প্ৰত্যাখ্যান কৰিলে। ইয়াৰ কাৰণ হ'ল তাইৰ পূৰ্বৰ কাহিনী। বিয়া নোহোৱাকৈয়ে তাইৰ যে সন্তান হৈছিল সেই কথা ক্লেয়াৰক ক'ব নে নকয় সেই বিষয়ে মাকৰ মতামত সোধাত মাকে একো নকবলৈ টেছক উপদেশ দিলে। টেছে ক্লেয়াৰক আগৰ কথা ক'ব খুজিছিল; কিন্তু সি শুনিব নুখুজিলে।

অৱশেষত ক্লেয়াৰ আৰু টেছৰ বিয়া হ'ল। এদিন টেছে গিৰিয়েকক তাইৰ অতীতৰ কাহিনী কোৱাত গিৰিয়েকে তাইক এৰি ব্ৰাজিললৈ গুচি গ'ল।

আকৌ টেছে খেতি-পথাৰত কাম কৰিবলৈ ললে। এদিন টেছৰ প্ৰাক্তন প্ৰেমিক এলেকে তাইক লগ পালে। এলেক এতিয়া আগৰ স্ফূৰ্তিবাজ এলেক নহয়। তাৰ স্বভাৱৰ সম্পূৰ্ণ পৰিৱৰ্তন হৈছে। সি এতিয়া গাঁৱে গাঁৱে ধৰ্ম প্ৰচাৰ কৰি ফুৰে। সি টেছৰ বুঢ়া মাক দেউতাকক যথেষ্ট সহায় কৰিলে।

ইফালে ক্লেয়াৰেও নিজৰ ভুল বুজিব পাৰি মেক্সিকোৰ পৰা ইংলেণ্ডলৈ উভতি আহিল। টেছৰ মনত অন্তৰ্দ্বন্দ্ব জাগিল। এহাতে এলেক আনহাতে ক্লেয়াৰ। এলেককেই তাইৰ দুৰ্দশাৰ মূল বুলি ভাবি এদিন টেছে এলেকক হত্যা কৰি ক্লেয়াৰৰ সৈতে পলাই গ'ল। ইংলেণ্ড ত্যাগ কৰি গুচি যাবলৈ সিহঁতে আঁচনি কৰিছিল যদিও অৱশেষত টেছ ধৰা পৰিল আৰু বিচাৰত তাইৰ চৰম শাস্তি হ'ল। এইদৰেই এজনী সৰলা ছোৱালী নিয়তিৰ পাক চক্ৰত নিঃশেষ হৈ গ'ল।

চি-পি স্নোৰ দি মাষ্টাৰছ্

(৮৯)

১৯০৫ চনত জন্মগ্ৰহণ কৰা চাৰ্লছ্ পেৰ্চি স্নোৱে বিজ্ঞানী হিচাপে জীৱন আৰম্ভ কৰিছিল। কেম্ব্ৰিজত তেওঁ পৰমাণু পদাৰ্থ বিজ্ঞানৰ গৱেষণা কৰিছিল। ১৯৩০ চনত তেওঁ ক্ৰাইষ্ট কলেজৰ ফেলো নিযুক্ত হয়। দ্বিতীয় মহাযুদ্ধৰ সময়ত তেওঁৰ ওপৰত দায়িত্ব পৰিছিল বিভিন্ন বিভাগৰ কাৰিকৰী লোক নিৰ্বাচন কৰাৰ। ১৯৬৪ চনত লেবাৰ চৰকাৰৰ অধীনত তেওঁ কনিষ্ঠ মন্ত্ৰীৰ পদ এটাও পাইছিল।

কেম্ব্ৰিজ এৰাৰ আগে আগে চি,পি স্নোৱে এলানি উপন্যাস লেখিবলৈ আৰম্ভ কৰিছিল। ষ্টেইন্‌জাৰ্ছ এণ্ড ব্ৰাদাৰ্ছ (১৯৪০), দি নিউ মেন (১৯৫৪) দি কনচাইন্স অব দি ৰিচ (১৯৫৮), দি এফেয়াৰ (১৯৬০), আৰু কৰিডৰছ অব পাৱাৰ (১৯৬৪)। চি,পি, স্নো শিক্ষাবিদ হিচাপেও প্ৰখ্যাত। শিক্ষা সম্পৰ্কীয় তেওঁৰ চিন্তাভাবনা 'দি টু কালচাৰছ্ এণ্ড দি ছায়েন্টিফিক্ ৰিভলিউশ্যন' (১৯৫৯) গ্ৰন্থত বিধৃত হৈ আছে।

চি.পি. স্নোৰ 'মাষ্টাৰ্ছ' (১৯৫১) উপন্যাস আৰম্ভ হৈছে কেম্ব্ৰিজৰ শীতৰ এটা সেমেকা সন্ধিয়া। কাহিনীৰ বৰ্ণনাকাৰী লুইছ এলিয়টে অলপ আগতে গম পাইছে যে মহাবিদ্যালয়ৰ সন্মানিত 'মাষ্টাৰ' ভেনন বয়ছৰ ৰোগ নিৰাময় হোৱাৰ আশা নাই। ভেননৰ আয়ুস বৰ বেছি কেইটামান মাহহে আছে। কিন্তু তেওঁৰ পত্নী লেডি মূৰিয়েলে এই কথা ভেনকক নক'বলৈ সকলোকে অনুৰোধ কৰিছে। কিন্তু তেওঁলোকৰ জীয়েক জোৱানে মাকক সমৰ্থন কৰা নাই। মহাবিদ্যালয়ৰ তেৰজন ফেলোৱে ভৰা গুণা কৰিছে পৰৱৰ্তী নতুন মাষ্টাৰ কোন হ'ব ? ক্ৰমে কেনভাছ কৰা আৰু ষড়যন্ত্ৰ কৰা ব্যাপক হৈ উঠিল। পাণ্ডিত্য সম্বন্ধে, আনহে নালাগে দলীয় ৰাজনীতি সম্বন্ধে থকা মতামতৰ ক্ষেত্ৰলৈ ব্যক্তিগত ভালপোৱা বেয়া পোৱাৰ, কুৎসা ৰটনা, আনুগত্য ইত্যাদিৰ আমদানি হ'ল।

লুইছ এলিয়টে একো নমতাকৈ থকাটোকে স্থিৰ কৰিলে। ই স্বাভাৱিক, কাৰণ তেওঁ আইন-বিশেষজ্ঞ। অৱশ্যে তেওঁ নিজৰ মতামত দুই-এদিনতে ব্যক্ত কৰাৰ সিদ্ধান্তও ল'লে। তেওঁৰ প্ৰাৰ্থী আছিল পল জাগো। পল জাগো জ্যেষ্ঠ শিক্ষক। ভেনৰৰ নৰিয়া টান হোৱাত এদিন ৰাতি জাগোৱে এলিয়টক লগ ধৰিছিলহি আৰু ভোট দিয়াৰ কাৰণে অনুৰোধ কৰিছিল। মাষ্টাৰ পদৰ কাৰণে জাগোৰ উপৰিও আছিল জীৱতত্ত্ববিদ ক্ৰফোৰ্ড।

জ্যেষ্ঠ ফেলো চতুৰ, শান্তিস্থাপক ব্ৰাউনে জাগোক সমৰ্থন কৰিছিল। স্নোৱে তেওঁৰ বিষয়ে কৈছে, "তেওঁ জাগোৰ বন্য আবেগিক উৎসাহ ভাল পাইছিল।" ডীন ক্ৰিষ্টেলো ব্ৰাউনৰ সপক্ষে; উইনস্নো, চেপলিন আৰু ডেছপাৰ্ড স্মিথ আছিল ক্ৰফোৰ্ডৰ সমৰ্থক।

পদাৰ্থবিদ গেটলিফো আছিল ক্ৰফোৰ্ডৰ সমৰ্থক। গেটলিফ আছিল এলিয়টৰ বন্ধু। দুয়ো আছিল বামপন্থী। ক্ৰফোৰ্ডো আছিল বামপন্থী। ৰাজনৈতিক বিশ্বাসৰ কাৰণেই গেটলিফে জাগোৰ মানবীয় গুণ থকা সত্বেও ক্ৰফোৰ্ডক সমৰ্থন কৰিছিল। আনহাতে ঈৰ্ষাবশত: পদাৰ্থবিদ নাইটিংগেলে ক্ৰফোৰ্ডৰ বিপৰীতে জাগোক সমৰ্থন কৰিছিল।

বৃদ্ধ প্ৰফেচাৰ নে, অধ্যাপক পিলব্ৰাউ আৰু ডেকা অস্থায়ী ফেলো বিজ্ঞানী লিউক আৰু এলিয়টৰ অন্তৰংগ বন্ধু কেলভাৰ্টে কাৰ পক্ষে ভোট দিয়ে স্থিৰ কৰিব পৰা নাছিল। ২৭ বছৰীয়া কেলভাৰ্টে ইতিমধ্যেই আন্তৰ্জাতিক ক্ষেত্ৰত প্ৰাচ্যতত্ত্ববিদ ৰূপে জনাজাত হৈছে। ৰয় কেলভাৰ্ট আৰু জোৱান ৰয়ছৰ মাজত প্ৰেমৰ সম্পৰ্ক আছে। লেডি মুৰিয়েলে কেলভাৰ্টক পুতেকৰ দৰেই ব্যৱহাৰ কৰিছিল। কেলভাৰ্টে জাগোক সমৰ্থন কৰিবলৈ সন্মতি দিলে।

এইসকল পণ্ডিত ব্যক্তিৰ মাজত চলা আলোচনা-বিলোচনা, তৰ্ক-বিতৰ্ক আকৰ্ষণীয়। জাগোৰ সমৰ্থক মণ্ডলী প্ৰায়েই ব্ৰাউনৰ কোঠালীত মিলিত হয়। পিলব্ৰাউ আৰু লিউকেও জাগোক সমৰ্থন কৰাৰ কথা ঘোষণা কৰিলে। আনহাতে প্ৰফেচাৰ গেই ক্ৰফোৰ্ডক সমৰ্থন কৰিলে বুলি জনৰৱ ওলাল।

ক্ৰাইষ্টেল আৰু ব্ৰাউনে সকলোৰে সংগলৰ কাৰণে এখন আঁচনি কৰিছিল। তেওঁলোকে প্ৰসিদ্ধ ব্যৱসায়ী ছাৰ হোৰেছ টিম্বাৰলেকক মহাবিদ্যালয়ৰ বাবে এটা শকত পৰিমাণৰ দান আদায় দিবলৈ অনুৰোধ কৰিছিল। ছাৰ হোৰেছৰ

ভাগিনক ভালদৰে ডিগ্ৰী পোৱাৰ দিহা কৰিব লাগে বুলি ছাৰ হোৰেছে ইংগিত দিছিল।

ইতিমধ্যে মাষ্টাৰ ভের্নন ৰয়েছৰ অৱস্থা ক্ৰমাৎ বেয়াৰ ফালে ঢাল খাইছিল। এনে সংকটজনক পৰিস্থিতিত ৰয় কেলভাৰ্টে লেডি মুৰিয়েলক চোৱা-চিতা কৰিছিল।

এদিন দেওবাৰে লুইছ এলিয়েটক মি: আৰু মিছেছ জাগোৰ ঘৰত চাহ খাবলৈ মাতিছিল। জোৱান ৰয়ছো নিমন্ত্ৰিত হৈছিল। তাত এলিয়েটে জোৱানক ক'লে যে ভের্ননক সত্য কথাটো কোৱা উচিত। আনফালে এদিন নাইটিংগেলে ইংগিত দিলে যে জুনিয়ৰ টিউটৰছিপ দিলেহে তেওঁ জাগোক ভোট দিব।

মহাবিদ্যালয়ৰ দাতাসকলৰ সোঁৱৰণিত ছেণ্ডেম্বৰ মাহত বহা অনুষ্ঠানত ছাৰ হোৰেছেও যোগ দিলে। ভোজ মেলো হ'ল। ছাৰ হোৰেছে ৰয় কেলভাৰ্টৰ প্ৰতি বিশেষ আগ্ৰহ দেখুৱালে। এদিন ফ্ৰান্সিছ গেটলিফে এলিয়টক ক'লে, নাইটিংগেল ক্ৰফোৰ্ডৰ পক্ষে গ'ল। মাষ্টাৰ হোৱাৰ সম্ভাৱনা হ্ৰাস পোৱাত জাগোৱে পদত্যাগৰ কথা চিন্তা কৰিলে।

মহাবিদ্যালয়ৰ শিক্ষক মণ্ডলীৰ মাজত পৰিৱেশ উত্তেজনাপূৰ্ণ হৈ উঠিল। আগৰ বন্ধুতাৰ পৰিৱেশ নাইকিয়া হ'ল। পৰস্পৰৰ মাজত কুৎসা ৰটনা চলিবলৈ ধৰিলে। অৱশ্যে ইতিমধ্যে মাষ্টাৰ ভের্নন ৰয়ছৰ অসুখ অলপ ভালৰ ফালে অহাত পৰিস্থিতি কিছু উন্নত হ'ল। ৰয় কেলভাৰ্টে তেওঁৰ বিৰুদ্ধে নৈতিক স্খলনৰ অভিযোগ (কাৰণ কেলভাৰ্ট ভের্ননৰ জীয়েকৰ সৈতে প্ৰেমত পৰিছিল) খণ্ডন কৰিলে। গৰমৰ বন্ধৰ সময়ত কেলভাৰ্ট গ'ল বাৰ্লিনলৈ, পিলব্ৰাউ গ'ল বলকানলৈ। এলিয়েটে নৰীয়াপাটীত পৰি থকা মাষ্টাৰ ভের্ননৰ বা-বাতৰি লৈ থাকিল।

অক্টোবৰত এই কটকটীয়া বান্ধৰ সৰু দলটোৰ সকলোৱেই ঘৰলৈ উভতিল একমাত্ৰ পিলব্ৰাউ নাই। তেওঁৰ ভোটটো এতিয়াও কাৰ ফালে যাব, ঠিক হোৱা নাই। জাগোক যদি তেওঁ ভোট দিয়ে, তেন্তে ক্ৰফোৰ্ডৰ ৬ৰ বিপৰীতে জাগোৰো ৬ হ'ব। সেয়ে হ'লেও জঁটটো নাভাগিব। কিন্তু গে' বা ডেস্পাৰ্ড স্মিথক ৰবাব পাৰিলে জঁট ভাগিব পাৰে। নহ'লে, বিধি অনুযায়ী সমাধানটো 'ভিজিটৰ'ৰ হাতত এৰি দিব লাগিব। তেওঁ উত্তৰাঞ্চলৰ এজন ধৰ্মযাজক।

তেওঁৰ হস্তক্ষেপ কোনেও বাঞ্ছা নকৰে। তেওঁ যদি এজন বাহিৰৰ মানুহক নিয়োগ কৰে, তেতিয়া কি হ'ব ?

গতিকে ক্রাইষ্টেলে প্রস্তাৱ কৰিলে, দুয়োজন প্রার্থীকে ইজনে সিজনক ভোট দিব। ব্রাউনৰ বিৰোধিতা সত্ত্বেও, ক্রাইষ্টেলৰ কথাই ৰজিল। দুয়োজন প্রার্থীয়েই সম্মত হ'ল। কিন্তু জাগোৰ মর্যাদাত এই তলগুজীয়া কাৰবাৰটোৱে আঘাত দিলে। তেওঁৰ এই সহজে ভাগি পৰা স্বভাৱটোৰ কাৰণেই ইলিয়ট তেওঁৰ প্রতি আকৃষ্ট হয়। গতিকে ইলিয়টে তেওঁকেই নিজৰ প্রার্থী বুলি বিবেচনা কৰিলে।

ডিচেম্বৰৰ ৪ তাৰিখে মাষ্টাৰৰ মৃত্যু হ'ল। ২০ ডিচেম্বৰত নতুন মাষ্টাৰ নির্বাচনৰ বাবে সভা বহিল। ইতিমধ্যে ছাৰ হোৰেছে ছটা ফেলোশ্বিপ স্থাপনৰ বাবে ১ লাখ ২০ হাজাৰ পাউণ্ড মহাবিদ্যালয়ক দান দিলে— ইয়াৰে এটা ফেলোশ্বিপ ৰয় কেলভাৰ্টে পাব বুলিও তেওঁ ঘোষণা কৰিলে।

শিক্ষক মণ্ডলীৰ মাজত পদত্যাগ আদি বৰকৈ চলি অৱশেষত ক্রফোর্ডেই নির্বাচিত হ'ল। জাগোৱে ক্রফোর্ডক অভিনন্দন জনাই পৰাজয় স্বীকাৰ কৰি বিদায় ল'লে।

মাষ্টাৰ্ছ উপন্যাসত স্নোৱে দেখুৱাইছে কেনেকৈ আত্মস্বার্থ সিদ্ধিৰ আৰু ক্ষমতা লাভৰ বাবে মানুহে নিজৰ মাজতেই দলাদলি কৰে। ইংলেণ্ডৰ শিক্ষাজগত তথা ৰাজনীতি জগতৰ ষড়যন্ত্র, কূট-কৌশল আদি এই উপন্যাসত সুন্দৰভাৱে প্রকাশ পাইছে। পার্টি পলিটিক্স (দলীয় ৰাজনীতি) আজিকালি ৰাজনীতিৰ পৰা টেনিছ ক্লাবলৈ সকলোতে বিয়পি পৰিছে। ইংলেণ্ডৰ সমসাময়িক জীৱনৰ এটা দিশৰ স্পষ্ট ছবি এখন উপস্থাপনৰ বাবে ইংৰাজী উপন্যাস-সাহিত্যত দি মাষ্টাৰ্ছ এখন উল্লেখযোগ্য গ্রন্থ ৰূপে পৰিগণিত হৈছে।

আঁদ্রে জিদৰ ইফ্ ইট ডাই

(৯০)

আঁদ্রে জিদৰ জন্ম হৈছিল পেৰিছত ১৮৬৯ চনৰ ২২ নবেম্বৰৰ দিনা। দেউতাক আছিল এজন সফল আইনজীৱী, মাক আছিল ধনী উদ্যোগপতিৰ কন্যা। জিদৰ বয়স এঘাৰ বছৰ হওঁতে দেউতাকৰ মৃত্যু হয় আৰু মাকৰ তত্ত্বাৱধানত থাকে। চেঙেলীয়া কালতে জিদে লেখক হ'বলৈ মনস্থ কৰে। এই দিশত তেওঁ সহপাঠী বন্ধু পিয়েৰ লুইৰ পৰা অনুপ্রেৰণা পাইছিল। লুইৰ জৰিয়তে জিদৰ পেৰিছৰ সাহিত্য জগতৰ সৈতে বিশেষকৈ কবি মালাৰ্মেৰ সাহিত্য চ'ৰাৰ সৈতে পৰিচয় ঘটে।

১৮৯৫ চনত জিদৰ বয়স যেতিয়া ২৫ বছৰ, তেতিয়া মাকৰ মৃত্যু হয়। কেইমাহমানৰ পিছত জিদে মেদেলেইন নামৰ দূৰ সম্পৰ্কীয় ছোৱালী এজনীক বিয়া কৰায়। জিদৰ প্রথম উপন্যাসখন বিশেষত্ব বৰ্জিত আছিল। কিন্তু দ্বিতীয়খন উপন্যাস 'আঁদ্রে ৱল্টাৰৰ কাহিনী'য়ে ৰসিকসকলৰ দৃষ্টি আকৰ্ষণ কৰে। মাজতে তেওঁ উত্তৰ আফ্রিকাত ভ্রমণ কৰিবলৈ যায় আৰু সেই সম্পৰ্কে এখন গ্রন্থ লেখে। ইয়াৰ সাত বছৰৰ পিছত লেখা 'দি ইম্‌মৰেলিষ্ট' উপন্যাসে জিদৰ খ্যাতি চিৰস্থায়ী কৰে।

প্রথম মহাযুদ্ধৰ সময়ত জিদে জাৰ্মান আক্রমণকাৰীৰ হাতত তিষ্টিব নোৱাৰি বেলজিয়ামৰ পৰা উত্তৰ ফ্রান্সলৈ পলাই অহা ভগনীয়া সকলৰ সাহায্য কামত লিপ্ত হয়।

কামটো বৰ কঠিন আছিল। ই দেহা আৰু মন উভয়তেই এটা ক্লান্তি আনি দিছিল। ফলত ভাগৰি পৰি এই কাম তেওঁ বাদ দিবলগীয়াত পৰিল। এই কামত আত্মনিয়োগ কৰি থাকোঁতেই তেওঁ এটা ধৰ্মীয় সংকটত পৰে আৰু তেওঁ পৰিত্যাগ কৰা খ্রীষ্টীয় বিশ্বাসলৈ উভতি যায়। কিন্তু ১৯২২ চনত প্রকাশ হোৱা তেওঁৰ 'নুম্‌কিদ্ এ'ত তু?' উপন্যাসৰ পৰা জনা যায় যে তেওঁ খৃষ্টীয় বিশ্বাসৰ প্রতি ঢাল খোৱা নাই, খাইছে দস্ত'য়েভ্‌স্কিৰ ৰহস্যবাদী

ইভাঞ্জেলিক বিশ্বাসৰ প্ৰতিহে। ১৯২৪ চনত তেওঁ নিজৰ সমকামী চৰিত্ৰ উদঘাটন কৰি কৰিদন নামৰ কিতাপ এখন লেখে। এই কিতাপখনক তেওঁ মৰাৰ আগলৈকে আটাইতকৈ গুৰুত্বপূৰ্ণ গ্ৰন্থ বুলি কৈ গৈছে। ই তেওঁৰ নিজৰে যৌন প্ৰৱণতাৰ মুক্ত স্বীকৃতি আছিল। ইয়াৰ উপৰিও কিতাপখন আছিল এগৰাকী মহান কলাকাৰৰ বিশ্বাসৰ অভিব্যক্তি আৰু স্বৰূপাৰ্থতে এক কলাকৃষ্টি। কিতাপখন পঢ়ি পঢ়ুৱৈসকলৰ যি প্ৰতিক্ৰিয়া হৈছিল— সি আছিল এক বিস্ময়। এনে এজন সহজাত প্ৰতিভাসম্পন্ন আৰু অতিশয় খ্যাতিসম্পন্ন ব্যক্তিয়ে নিজৰে এই অস্বাভাৱিকতাৰ স্বৰূপ ব্যক্ত কৰি কেনেকৈ আনন্দ পাইছে, তদুপৰি ই এনে এক অস্বাভাৱিকতা তাক সকলো সদ্ বুদ্ধিসম্পন্ন লোকেই ঘৃণা কৰে।

জিদৰ সমকামিতাই তেওঁ আৰু তেওঁৰ পত্নীৰ মাজত ব্যৱধানৰ সৃষ্টি কৰিলে। মেদেলেইনে অৱশ্যে নিৰাপদেই বিবাহ-বিচ্ছেদ কৰিব পাৰিলেহেঁতেন। তেওঁলোকৰ এজনেও যে বিবাহ-বিচ্ছেদৰ পক্ষে নাছিল সেইটোৱেই প্ৰমাণ কৰে যে দুয়ো মহা অশান্তি ভুগি থাকিলেও, এনে কিবা এটা উভয়ৰ হীয়া কাৰণ আছিল য'ৰ কাৰণে ইজনে সিজনক এৰিব নুখুজিছিল। কাৰণটো প্ৰকাশ হোৱা নাছিল। জিদ্ সম্পৰ্কে চিন্তা-চৰ্চা কৰা সকলেও ইয়াৰ কাৰণ উলিয়াব পৰা নাছিল।

যিহেতুকে কৰিদনত জিদে নিজকে যেনেকৈ উদঙাই দেখুৱালে, তেনেকৈ কোনো আধুনিক বিদ্বজ্জনেই তেতিয়ালৈকে দেখুওৱা নাছিল আৰু যিহেতু কৰিদন এখন পোনপটীয়াকৈ লেখা কিতাপ নাছিল, ই আছিল দুটা কাল্পনিক চৰিত্ৰৰ মাজত হোৱা তৰ্কাতৰ্কি— সেয়ে জিদৰ সমকামিতা কেনেকৈ হ'বলৈ পালে তাক জনাৰ বাট তাত নাছিল। গতিকে কৰিদনৰ সহযোগী গ্ৰন্থ হিছাপে এটা আত্মজীৱনীমূলক অংগ তাত জুৰি দিলে। এই সহযোগী অংগ-গ্ৰন্থখনৰ নাম দিলে 'ইফ ইট ডাই।' এই উপন্যাসৰ প্ৰচাৰ কৰিদনতকৈ বহু বেছি হৈছিল।

'ইফ ইট ডাই', ফৰাচী তথা বিশ্ব-সাহিত্যত বিখ্যাত এইবাবেই যে ইয়াতে লেখক হিছাপে জিদে পৰাকাষ্ঠা লাভ কৰিছে, ভাষা আৰু বৰ্ণনাৰ দিশৰ পৰাও ই অভিনৱ।

গ্ৰন্থখনৰ শীৰ্ষকটো লোৱা হৈছে বাইবেলৰ ছেন্টজনৰ দ্বাদশ অধ্যায়ৰ ২৪ নং শ্লোকৰ পৰা: 'যেতিয়ালৈকে গমৰ বীজ এটা মাটিত নপৰে আৰু

নমৰে, তেতিয়ালৈ ই অকলৈ থাকে। কিন্তু যদি ইয়াৰ মৃত্যু হয়, তেন্তে ই বহুত শস্যৰ জন্ম দিয়ে।' স্বীকাৰোক্তি হিছাপে জিদে এই গ্ৰন্থখন লেখে। সেই দিশৰ পৰা ই ৰুছোৰ বিখ্যাত 'স্বীকাৰোক্তি'ৰ (Confessions) সমপৰ্যায়ৰ বুলি সমালোচক সকলে মত প্ৰকাশ কৰিছে। জিদে নিজেই গ্ৰন্থখনৰ আৰম্ভণিত কৈছে: 'এই গ্ৰন্থত নিজৰ জীৱনৰ কিছুমান কথা লেখি মই নিজৰে অন্যায় সাধিছো। মই এই কথা সম্পূৰ্ণৰূপে উপলব্ধি কৰিছোঁ।... মই সত্যৰ খাতিৰত ইয়াক লেখিছো। প্ৰায়শ্চিত্ত হিছাপেই ই ৰচিত হৈছে।'

ল'ৰাকালৰ স্মৃতিৰে তেওঁ কিতাপখন আৰম্ভ কৰিছে। পেৰিছৰ 'ৰু দা মেডিচি'ৰ এটা ঘৰত তেওঁৰ জন্ম হৈছিল। তেওঁৰ দুই তিনি বছৰমান বয়স হোৱাত তেওঁলোক গুচি যায় 'ৰু দা টুৰ্ণো'লৈ। বাপেক আছিল আইনৰ অধ্যাপক। বাপেকে ল'ৰা জিদৰ প্ৰতি মনোযোগ দিয়াৰ সময় পোৱা নাছিল যদিও, তেওঁৰ শিক্ষাৰ বিষয়ে পত্নীৰ সৈতে আলোচনা কৰিছিল। মাজে সময়ে বাপেকে তেওঁক ফুৰাবলৈও নিছিল।

পাঁচ বছৰ বয়সত তেওঁক মেডামোৱাজেল ফলুওৱ আৰু মেডাম লেকাৰবাউৱাৰ নামৰ দুগৰাকী শিক্ষয়িত্ৰীয়ে চলোৱা এখন স্কুলত নাম লেখি দিলে। দুবছৰৰ পিছত মেডামোৱাজেল দি গিক্লিন নামৰ এগৰাকী শিক্ষয়িত্ৰীৰ তত্ত্বাৱধানত জিদক পিয়ানো শিক্ষা দিয়া হ'ল। মাক-দেউতাকৰ উপৰিও ল'ৰাকালত জিদৰ মনত প্ৰভাৱ পেলোৱা আনগৰাকী ব্যক্তি আছিল গৃহ পৰিচাৰিকা আন্না ছেকল্টন। আন্না আছিল স্কটলেণ্ডীয়। আন্না চিলাই কাম আৰু ছবি অঁকা কামত নিপুণ আছিল। তদুপৰি উদ্ভিদ বিজ্ঞানৰ প্ৰতি আছিল তেওঁৰ আগ্ৰহ। তেওঁ মাজে মাজে জিদক লগত লৈ হাবি-বননি অঞ্চললৈ উদ্ভিদ বিচাৰি গৈছিল। ফলত প্ৰাকৃতিক বিজ্ঞানৰ প্ৰতি সৰুৰে পৰা জিদৰো আগ্ৰহ জন্মিছিল।

জিদক 'একোল এলছোচিয়েন' নামৰ স্কুলত ভৰ্তি কৰে। তাত তিনিমাহতকৈ সৰহ দিন তেওঁ নাথাকিল। এই স্কুলত থাকোতে এদিন ক্লাছ চলি থকাৰ সময়ত হস্তমৈথুন কৰোতে জিদ ধৰা পৰিল। তেওঁক তিনিমাহৰ কাৰণে স্কুলৰ পৰা বহিষ্কাৰ কৰা হ'ল। মাক-দেউতাকে কথাবোৰ শুনি চিন্তিত হৈ ফ্ৰান্সৰ প্ৰায় আটাইবোৰ ডাক্তৰৰ দ্বাৰা পুতেকক 'চিকিৎসা' কৰালে। ইয়াৰ পিছৰ পৰা জিদক প্ৰাইভেট টিউটৰৰ দ্বাৰা শিক্ষা দিয়া হ'ল।

এইদৰে জিদে তেওঁৰ ল'ৰাকালৰ জীৱনৰ দিনবোৰ সাৱলীল ভাষাৰে সম্পূৰ্ণ নিৰাভৰণকৈ প্ৰকাশ কৰিছে। সত্যৰ পৰা তেওঁ বিচ্যুৎ হোৱা নাই। জিদৰ জীৱনত মাকৰ প্ৰভাৱ আছিল গভীৰ। সৰু কালৰ পৰা ২৫ বছৰ বয়সলৈ এইছোৱা কালৰ বৰ্ণনাৰ পৰা জিদৰ মানসিক অগ্ৰগতিৰ এক পৰিচয় পোৱা যায়। ১৮৯৩ চনত তেওঁ তেওঁৰ বন্ধু পল লৰেন্সৰ সৈতে উত্তৰ আফ্ৰিকালৈ যায়। তাত পোৱা অভিজ্ঞতাবোৰ তেওঁ যথাযথভাবে বৰ্ণনা কৰিছে।

স্পেনৰ গৃহযুদ্ধৰ সময়ত জিদ কমিউনিজমৰ প্ৰতি আকৃষ্ট হয়। কিন্তু ১৯৩৬ চনত ছোভিয়েত ভ্ৰমণৰ পিছত কমিউনিজমৰ ওপৰত তেওঁৰ অনাস্থা জন্মে। দ্বিতীয় মহাযুদ্ধৰ সময়ত তেওঁ উত্তৰ আফ্ৰিকাত আছিল। ১৯৪৬ চনত পেৰিছলৈ ঘূৰি আহে। ১৯৪৭ চনত তেওঁ সাহিত্যত নোবেল পুৰস্কাৰ লাভ কৰে আৰু ১৯৫০ চনৰ ১৯ ফেব্ৰুৱাৰীত ইহলীলা সম্বৰণ কৰে। আধুনিক ফৰাচী সাহিত্যৰ এক অনন্য প্ৰতিভা বুলি আঁদ্ৰে জিদ স্বীকৃত।

ছাৰ উইনষ্টন চাৰ্চিলৰ মাই আৰ্লি লাইফ

(৯১)

পাঁচিশ বছৰ বয়সতে উইনষ্টন চাৰ্চিল বিখ্যাত হৈ উঠিছিল আৰু তেওঁৰ প্ৰজন্মৰ সৰ্ববিখ্যাত যুৱক ৰূপে পৰিগণিত হৈছিল। অৱশ্যে এয়া আছিল ইংলেণ্ডৰ পৰিপ্ৰেক্ষিতত। যি হওক, তেওঁৰ ডেকা কালছোৱা যে উত্তেজনাপূৰ্ণ আছিল, সেই কথা স্বীকাৰ্য। তেওঁ কিউবাত যুদ্ধত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল, ভাৰতত পোলো খেলিছিল। ইজিপ্তত ২১ নং লেন্সাৰ বাহিনীৰ কনিষ্ঠ বিষয়া হিচাপে যুঁজ কৰিছিল। তেওঁ বুৱৰ যুদ্ধৰ সময়ত দক্ষিণ আফ্ৰিকালৈ গৈছিল। বুৱৰসকলৰ হাতত তেওঁ বন্দী হৈছিল আৰু এদিন নাটকীয় ভাৱে তেওঁ প্ৰিটোৰিয়াৰ বন্দী শিবিৰৰ পৰা পলায়ন কৰিছিল। ইংলেণ্ডলৈ ঘূৰি অহাত তেওঁক বীৰৰ দৰে আদৰা হৈছিল। ওল্ডহাম সমষ্টিৰ পৰা তেওঁ ব্ৰিটিছ পাৰ্লিয়ামেণ্টলৈ সেই সময়তে নিৰ্বাচিত হয় আৰু এক বৰ্ণময় জীৱনৰ পাতনি মেলে। পঞ্চাশ বছৰ বয়স পাৰ হোৱাত তেওঁ তেওঁৰ ডেকাকালৰ স্মৃতিচাৰণ কৰি ১৯৩০ চনত My Early Life (মোৰ জীৱনৰ আগছোৱা) প্ৰকাশ কৰে।

কোৱা বাহুল্য যে কিতাপখনত এনে এটা পৃষ্ঠা নাই যিটো পঢ়ি সোৱাদ নালাগে। কিন্তু এই সোৱাদ লগা কথাবোৰৰ ভিতৰতো যিখিনি কথাই সতৰ্ক দৃষ্টি সম্পন্ন পাঠকক মুগ্ধ কৰে, সেইখিনি যুদ্ধৰ বিষয়ে নহয়, তেওঁক নিজকে শিক্ষিত কৰাৰ কাৰণে চলা নিৰলস সংগ্ৰামৰ বিষয়েহে। জন্ম সূত্ৰে উইনষ্টন চাৰ্চিলে সোণৰ চকুত হাত দি আহিছিল, কথ্য আৰু লিখিত উভয় ভাষাতে তেওঁৰ দখল আছিল। তথাপি চাৰ্চিল আছিল স্বয়ংশিক্ষিত, তেওঁ নিজৰ অধ্যৱসায়েৰে নিজেই শিক্ষাগ্ৰহণ কৰিছিল।

শিক্ষাৰ জগতৰ লগত স্থাপন হোৱা তেওঁৰ প্ৰথম সম্পৰ্কটোক তেওঁ আখ্যা দিছিল শিক্ষাৰ গ্ৰাসত পৰা বুলি। গৃহ-শিক্ষয়িত্ৰী নামৰ কুলক্ষণীয়া মূৰ্তিটো পালেহি বুলি কোৱা হৈছিল। লগে লগে তেওঁৰ উপস্থিতিৰ প্ৰস্তুতি হিচাপে চাৰ্চিলৰ ধাত্ৰীজনীয়ে চাৰ্চিলৰ 'ৰিডিং উইদাউট টিয়াৰ্ছ' (আয়াসহীন পাঠ্য)

নামৰ কিতাপখনৰ পাঠ এটাত মনোনিবেশ কৰাব লগীয়া হৈছিল। অথচ এই কিতাপখনৰ নামটো মোৰ ক্ষেত্রত সমূলি নাখাটে। গৃহশিক্ষয়িত্রী জনীৰ অধীনত দিনৌ আখৰ লৈ যুঁজ চলিছিল, তদুপৰি যুঁজ চলিছিল অংকলৈ। সাত বছৰ হোৱাৰ লগে লগে তেওঁক ব'ৰ্ডিং স্কুল এখনত নাম লগাই দিয়া হ'ল। তেওঁৰ মাক-দেউতাকে যিখন স্কুল ঠিক কৰিলে সি আছিল দেশখনৰ আটাইতকৈ খৰচী আৰু ধন-পেছৰ চলন্তি থকা স্কুল; ইয়াক ইটনৰ গঢ়ত বাপ দি তোলা হৈছিল। 'কিন্তু মোৰ সময়ৰ ইটনৰ এজন ছাত্রয়ো, আৰু 'হেৰ'ৰতো কথাই নাই, এই হেডমাষ্টৰজনে তেওঁৰ তত্ত্বাৱধানত থকা কণ কণ ল'ৰা-ছোৱালীবোৰক যি নিষ্ঠুৰভাৱে মাৰ-ধৰ কৰে, তেনে মাৰ কাচিতো যে খোৱা নাই সেই বিষয়ে মই নি:সন্দেহ।' উইনষ্টনে দুটা বছৰ পঢ়িছিল আৰু স্কুলখন ঘিণ কৰিছিল।

সৌভাগ্যৰ কথা যে, চাৰ্চিলে ইতিমধ্যে অধ্যয়নৰ আনন্দ আবিষ্কাৰ কৰি পেলাইছিল। দেউতাকে তেওঁক 'ট্রেজাৰ আইলেণ্ড' নামৰ কিতাপ এখন আনি দিয়ে। তেওঁ কিতাপখন গোগ্রাসে গিলি পেলালে। সেই কথা ভাবি তেওঁ এতিয়াও আনন্দ পায়। কিন্তু তেওঁৰ শিক্ষকসকল তেওঁৰ বয়সে ঢুকি পাৰ নলগা কিতাপবোৰ পঢ়ি থকা দেখি আৰু আনফালে নিজৰ পাঠত পিছপৰি পৰি তেওঁৰ শ্রেণীত একেবাৰে নিম্নতম স্থান পোৱা দেখি অতি অসন্তুষ্ট হৈ পৰিল আৰু তেওঁক গ্রীক আৰু লাতিন শিকাবলৈ চেষ্টা কৰিলে। এই পাঠদানৰ বিৰাট সম্ভাৰ তেওঁলোকৰ হাতত আছিল। কিন্তু 'য'ত যুক্তি, কল্পনাশক্তি নাই য'ত মোৰ ৰাপ নবহে,তেনে বিষয় মই নিশিকো: বা শিকিব নোৱাৰোঁ।'

এই নিৰানন্দময় অভিজ্ঞতাৰ পিছত চাৰ্চিল ব্রাইটনৰ স্কুল এখনলৈ গ'ল । তত্ত্বাৱধানত দুগৰাকী মহিলা আছিল। স্কুলখন কম খৰচীয়া আৰু সৰু আছিল, আৰু তাত কোনো ভুৱা নাছিল। এই স্কুলখনত চাৰ্চিলে ৩ বছৰ মনৰ সুখেৰে পঢ়া-শুনা কৰিলে। সুখেৰে বোলা হৈছে এই কাৰণে যে, তাত তেওঁক তেওঁ ভাল পোৱা কিতাপ-পত্র পঢ়িবলৈ দিয়া হৈছিল আৰু পঢ়িবলৈ দিয়া হৈছিল ফৰাচী ভাষা, বুৰঞ্জী   আৰু বহু কবিতা। সৰ্বোপৰি তেওঁ অনুমতি পাইছিল ঘোঁৰাত উঠিবলৈ আৰু সাতুঁৰিবলৈ। তাৰপিছত ১২ বছৰ বয়সত তেওঁক হেৰ'ত নাম লগাই দিয়া হয়। ইয়াত তেওঁ ইংৰাজী ভাষাটো খৰচি মাৰি শিকিলে।

তেওঁৰ যিসকল সহপাঠীয়ে স্কুলত লাতিন আৰু গ্ৰীকভাষাত কবিতা লেখি পুৰস্কাৰ পাইছিল, সেইসকলে পিছৰ কৰ্ম-জীৱনত ইংৰাজী ভাষা ভালকৈ লেখিব নজনা বাবে নানা আহুকাল পাইছিল। চাৰ্চিলে পিছৰ জীৱনত ইংৰাজী ভাষাটো শুদ্ধকৈ কবলৈ আৰু লিখিবলৈ যত্নপৰ হ'বলৈ ইংৰাজ ছাত্ৰ-ছাত্ৰীক উপদেশ দিছিল।

চাৰ্চিলে কৈছে যে স্কুলীয়া জীৱনৰ দিনবোৰ তেওঁৰ বাবে আছিল নিৰানন্দময়, আমনিলগা। হেৰস্কুলত আন ছাত্ৰসকল আনন্দ মনেৰেই আছিল, একমাত্ৰ চাৰ্চিল আছিল তাৰ ব্যতিক্ৰম। 'তাতকৈ মই বৰং ৰাজমিস্ত্ৰীৰ যোগালি বা বাৰ্তাবাহকৰ কাম কৰি বা দেউতাই দোকানত কোটটো পিন্ধাত সহায় কৰি বেছি আনন্দিত হ'লোহেঁতেন। এইবোৰ কাম কৰি মই বেছি কথা শিকিব পাৰিলোহেঁতেন।'

অৱশেষত তেওঁ ছেন্দ হাৰ্ষ্টৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ সৈনিক জীৱন আৰম্ভ কৰে। ৪নং হুছাৰ বাহিনীৰ কনিষ্ঠ বিষয়া হিছাপে তেওঁ ভাৰতলৈ আহে। ইয়াত তেওঁ প্ৰচুৰ অৱকাশ পোৱাত এখন ইংৰাজী অভিধান সংগ্ৰহ কৰি শব্দবোৰ শিকাত মন দিলে। স্কুলীয়া শিক্ষাৰ অভাৱ পূৰাবলৈ তেওঁ নানা তৰহৰ কিতাপ পঢ়িবলৈ ধৰিলে। ইতিমধ্যে তেওঁৰ দেউতাক লৰ্ড ৰেন্দল চাৰ্চিলৰ মৃত্যু হ'ল। দেউতাকৰ মৃত্যুৰ পিছত তেওঁ কিছুমান কিতাপ ইংলেণ্ডৰ পৰা পঠিয়াই দিবলৈ মাকলৈ চিঠি দিয়ে। তেতিয়াৰ পৰা প্ৰতি ডাকতে ইংলেণ্ডৰ পৰা তেওঁলৈ কিতাপৰ পাৰ্চেল আহিবলৈ ধৰিলে। বুৰঞ্জীত তেওঁৰ বিশেষ মনোযোগ বহিল। তেওঁ গিবনৰ 'ডিক্লাইন এণ্ড ফল অব ৰোমান এম্পায়াৰ'ৰ আঠোটা খণ্ড মেকলেৰ 'হিষ্ট্ৰি অব ইংলেণ্ড' আদি কৰি ভালেমান বুৰঞ্জী পঢ়িলে। ভাৰতত থকা কালছোৱাত তেওঁ নিয়মিত ভাৱে চাৰিপাঁচ ঘণ্টা অধ্যয়নত কটাইছিল। অধ্যয়নৰ ফলত তেওঁ গভীৰ জ্ঞান লাভ কৰিলে। বিশ্ববিদ্যালয়ত পঢ়া ডেকা সকলৰ সৌভাগ্যৰ প্ৰতি তেওঁৰ ইৰ্ষা উপজিল। কিন্তু পিছত যেতিয়া তেওঁ দেখিলে যে বেছি ভাগ ডেকাই বিশ্ববিদ্যালয়লৈ আহে মাত্ৰ গা ঘেলাবলৈ, তেতিয়া তেওঁ সেই ডেকাসকলৰ মূৰ্খামিক পুতৌ কৰিছিল। তেওঁ কৈছে: 'মানুহে তাৰ জীৱন কৰ্ম বা চিন্তাৰ সৈতে জড়িত কৰিব লাগিব। কৰ্ম অবিহনে ক্ৰীড়া থাকিব নোৱাৰে।'

পিছৰ জীৱনত তেওঁ শিক্ষা সংস্কাৰ সম্পৰ্কে বহু কথা চিন্তা কৰিছিল, কিন্তু প্ৰচলিত শিক্ষা ব্যৱস্থা ইংলেণ্ডত এনে দৃঢ়ভাৱে শিপাইছিল যে তেওঁ বিশেষ একো কৰিব নোৱাৰিলে।

ধৰ্ম সম্পৰ্কেও তেওঁ অধ্যয়ন কৰে আৰু এই বিষয়ত উদাৰ মনোভাৱ ডেকা কালৰ পৰা গ্ৰহণ কৰে।

তেওঁ উদ্ধৃতি (quotation) পঢ়ি ভাল পাইছিল আৰু বাৰট্লেটৰ দ্বাৰা সংগৃহীত 'Familiar Quotations' নামৰ গ্ৰন্থখন ভালদৰে পঢ়িছিল। তেওঁ কৈছিল 'উদ্ধৃতি যেতিয়া স্মৃতিত ভালদৰে প্ৰতিফলিত হয়, তেতিয়া মনত সৎচিন্তাৰ উদয় হয়।' সহজ সৰল অথচ পোনপটীয়া ৰীতিত ৰচিত 'মাই আৰ্লি লাইফ' গ্ৰন্থৰ পৰা শিকিবলগীয়া বহু কথা আছে।

অতি সুখ্যাতিৰে তেওঁ ইংলেণ্ডৰ প্ৰধানমন্ত্ৰিত্বৰ পদত কাৰ্যনিৰ্বাহ কৰে। তেওঁ জ্ঞান-বুদ্ধিৰ অস্ত্ৰেৰেই দুৰ্দমনীয় নাজীশক্তিক পৰাজিত কৰিছিল। ইতিমধ্যে ইমান ব্যস্ততাৰ মাজতো চাৰ্চিল হৈ উঠিছিল এজন সুনিপুণ লেখক। তেওঁৰ কেইবাটাও খণ্ডৰ 'যুদ্ধৰ স্মৃতিকথা'(War Memoirs) গ্ৰন্থখনৰ বাবে তেওঁ নোবেল পুৰস্কাৰ লাভ কৰে। গ্ৰন্থখনৰ ৰচনা শৈলী অতি উত্তম বুলি সমালোচকৰ মন্তব্য। এই গ্ৰন্থৰ গদ্যৰীতি অতি প্ৰশংসনীয়- এয়ে ইংৰাজী সাহিত্যৰ গৌৰৱৰ ওখ দৌল বান্ধে।

মাৰ্চেল প্ৰাউস্তৰ অতীতৰ সোঁৱৰণী

(৯২)

মাৰ্চেল প্ৰাউস্ত আছিল পেৰিছৰ লোক। ধনী পৰিয়ালৰ সন্তান প্ৰাউস্তে পেৰিছৰ অভিজাত পৰিবেশৰ মাজত জীৱন কটাইছিল আৰু সমসাময়িক ৰীতিত কিন্তু সাহিত্যও ৰচনা কৰিছিল। কিন্তু ১৯০৯ চনৰ পৰা ১৯২২ চনত মৃত্যু হোৱাৰ আগে আগে ৰচনা কৰা ষোল্ল খণ্ডত বিভক্ত 'অতীতৰ সোঁৱৰণী' (ইংৰাজী অনুবাদতRemembrance of Things past)নামৰ উপন্যাসে ফৰাচী তথা বিশ্ব-সাহিত্যত তেওঁৰ নাম অমৰ কৰি ৰাখিলে।

সৰুকালৰ পৰা প্ৰাউস্ত আছিল হাঁপানী ৰোগী। সেইবাবে তেওঁক কোনো ধৰণৰ শাৰীৰিক শ্ৰমৰ কাম কৰিবলৈ দিয়া নহৈছিল। ফলত তেওঁৰ মাজত গঢ়ি উঠিছিল অধ্যয়নৰ স্পৃহা।

হাঁপানী ব্যাধি তেওঁৰ প্ৰতিভাৰ মিত্ৰ হৈ পৰিছিল। কিন্তু কেৱল মিত্ৰই নহয়; হাঁপানীয়ে বহিৰ্জগতৰ লগত সম্পৰ্ক স্থাপনৰ ক্ষেত্ৰত সৰু কালৰে পৰাই এক বিশেষ অৱস্থানত তেওঁক স্থাপন কৰিছিল। ই তেওঁৰ ভায়েক ৰ'বাৰ্টৰ ক্ষেত্ৰত হোৱাতকৈ পৃথক আছিল। ৰবাৰ্ট পিতাকৰ দৰেই ডাক্তৰ হৈছিল। আকৌ, প্ৰাউস্তৰ বন্ধুবিলাকৰ বহুততকৈও তেওঁৰ জীৱন ধাৰা পৃথক আছিল। বন্ধুবিলাকৰ কোনোবাটো সৈনিক, কোনোবাটো কূটনীতিবিদ হৈছিল- অৰ্থাৎ তেওঁলোকৰ প্ৰত্যেকৰে একোটা লক্ষ্যপূৰ্ণ জীৱনধাৰা আছিল, তেওঁলোকৰ সেয়ে প্ৰতিযোগিতা আছিল। প্ৰাউস্তে কিন্তু প্ৰতিযোগিতা কৰা নাছিল, কাৰণ প্ৰতিযোগিতা তেওঁ কৰিবই নোৱাৰিছিল। আৰু তেওঁ ভালেদিনলৈকে বিকল জীৱন যাপনৰ অসুবিধা নোপোৱাকৈ তাৰ সকলো সুযোগ সুবিধাবোৰ ভোগ কৰিছিল। নিশা বহুত পলমকৈ জাগি থকাত আৰু আনন্দ-বিনোদন উপভোগ কৰাত তেওঁ কাৰো হকা-বধা পোৱা নাছিল। তেওঁ অতিশয় আত্মকেন্দ্ৰিক আৰু আত্মসন্মান সচেতন আছিল। অথচ তেওঁ ইমানেই স্পৰ্শকাতৰ আৰু আন মানুহৰ ক্ষেত্ৰত ইমানেই সংবেদনশীল আছিল যে তেওঁৰ

সমবয়সীয়া সকলকে ধৰি আটাইকে মুগ্ধ কৰিব পাৰিছিল। হাঁপানী এটা স্নায়বিক ব্যাধি। এই ব্যাধিয়ে তেওঁৰ চিন্তা-ভাবনা পূৰ্ণ হোৱাৰ সময়ত তেওঁক এটা শিশু-দৈত্য হোৱাত আৰু হৈ থকাত সহায় কৰিলে। এই শিশুদৈত্যটোৱে তেওঁৰ মাজত এক শিল্পীৰ প্ৰাণসত্ত্বা জীয়াই ৰাখিলে, তেওঁৰ মাজ-বয়সটো ই মাত্ৰ নষ্ট বা ব্যৰ্থ চৰিত্ৰ হৈ যাবলৈ নিদিলে। গতিকেই কব পাৰি, প্ৰাউস্তৰ ব্যাধি কেৱল তেওঁৰ প্ৰতিভাৰ মিত্ৰই নাছিল, মিত্ৰতকৈও অধিক আছিল। ই আছিল তেওঁৰ প্ৰতিভাৰ সহোদৰ।

'অতীতৰ সোঁৱৰণী' এজন মানুহৰ স্মৃতি-চাৰণৰ ৰীতিত লেখা। যি জীৱন তেওঁ যাপন কৰিলে আৰু যি সমাজক তেওঁ নিন্দা কৰে সেই জীৱন আৰু সমাজৰ বৰ্ণনা আছে এই উপন্যাসত। বৰ্ণনাকাৰীজনো অতি বুদ্ধিমান আৰু 'স্নব'(Snob) সংগীত, শিল্পকলা, সাহিত্য আদিক তেওঁ সমাজতকৈ ওপৰত স্থান দিয়ে। মানুহৰ চৰিত্ৰ সম্পৰ্কে তেওঁৰ জ্ঞান গভীৰ। বহু সমালোচকৰ মতে ফ্ৰয়েডে মনোবিজ্ঞান সম্পৰ্কে যদি নেলেখিলেহেঁতেন তেন্তে প্ৰাউস্তে 'অতীতৰ সোঁৱৰণী' লেখিব নোৱাৰিলেহেঁতেন।

প্ৰথম খণ্ডৰ শীৰ্ষক 'ছোৱানৰ কথা।' চিত্ৰকলা-ৰসিক ধনী ইহুদী চাৰ্লছ ছোৱান প্ৰায়েই বৰ্ণনাকাৰীৰ কাম্ব্ৰেত থকা ঘৰলৈ আহিছিল (স্মৰণযোগ্য যে কাম্ব্ৰেত প্ৰাউস্তে বাল্যকাল কটাইছিল)। বৰ্ণনাকাৰীৰ পৰিয়ালৰ লোকে ছোৱানক ভাল পাইছিল, কাৰণ তেওঁ বিদেশৰ পৰা অনা নানা বস্তু উপহাৰ দিছিল। পৰিয়ালৰ লোকসকলে মাত্ৰ জানিছিল যে ছোৱান পেৰিছৰ এটা আওহতীয়া অঞ্চলত আছিল আৰু তাৰ বাহিৰে বিশেষ একো নাজানিছিল। ছোৱান গুৰেৰমাণ্টৰ ডিউক আৰু ডিউক পত্নীৰ বন্ধু সপ্তম এডোৱাৰ্ডেও তেওঁক ভাল পাইছিল। ছোৱানে তেওঁৰ অভিজাত বন্ধু পৰিয়ালৰ ৰান্ধনীজনীৰ প্ৰতি চকু দিছিল আৰু তাইৰ সৈতে যৌন-সম্পৰ্ক স্থাপন কৰিছিল।

তেওঁ ওডেট দা ক্ৰেচি বোলা আন এজনী ছোচাইটি গাৰ্লৰ সৈতেও প্ৰেমত পৰিছিল। তাই তেওঁক মেডাম ভাৰ্দুৰিণৰ সাহিত্য-চ'ৰাৰ সৈতে পৰিচয় কৰাই দিছিল।

ওডেটৰ গৰ্ভত জন্ম লোৱা ছোৱানৰ জীয়েকৰ সৈতে বৰ্ণনাকাৰীজন প্ৰেমত পৰিল। তেওঁ আলবেটাইন নামৰ আন এজনীৰ সৈতেও প্ৰেম কৰিলে। গুৰেৰ

মাৰ্শ্বেৰ ডিউক-পত্নীৰ সৈতেও তেওঁৰ সম্পৰ্ক গঢ়ি উঠিল আৰু তেওঁৰ অভিজাত জীৱনৰ আমোদ-প্ৰমোদ উপভোগ কৰিলে।

বৰ্ণনাকাৰীৰ আচল উদ্দেশ্য হ'ল অভিজাত জীৱনৰ সৈতে জড়িত মিছা ভেম, মৰ্যাদা আদি উদ্‌ঘাটন কৰা। অভিজাতসকলে জীৱনৰ প্ৰকৃত উদ্দেশ্য জলাঞ্জলি দি এইবোৰৰ মাজত জীৱন কটাই দিয়েই জীৱনৰ শ্ৰেয় লাভ কৰা বুলি ভাবিছিল।

বৰ্ণনাকাৰীজনে তেওঁৰ স্মৃতিৰ পৰা কথাবোৰ উজাৰি বৰ্ণনা কৰিছে। এয়া হ'ল একধৰণৰ নতুন সাহিত্য-ৰীতি যি 'প্ৰাউস্তীয়'(proustion) বুলি জনাজাত। অতীতৰ পুনৰ সোঁৱৰণৰ জৰিয়তে প্ৰাউস্তে জীৱনৰ বাট বুলিবলৈ চেষ্টা কৰিছিল।

এই উপন্যাসৰ সৈতে জেমছ্ জয়েছৰ 'ইউলিছিছ' উপন্যাসৰ আংগিকৰ সাদৃশ্য আছে যদিও 'অতীতৰ সোঁৱৰণী' উপন্যাস 'ইউলিছিছ'ৰ দৰে কেৱল বুদ্ধিবাদী নহয়, সৰ্বসাধাৰণ পঢ়ুৱৈয়েও ইয়াৰ ৰস সহজে গ্ৰহণ কৰিব পাৰে। প্ৰাউস্তে এই উপন্যাসত 'বেৰণ দা চাৰ্লছ' নামৰ আন এটা অভিজাত চৰিত্ৰও উপস্থাপন কৰিছে আৰু এই চৰিত্ৰৰ জৰিয়তে অভিজাত সমাজৰ অৱক্ষয় আৰু পতনৰ কাহিনী বৰ্ণনা কৰিছে। উপন্যাসৰ অন্তিমখণ্ডত এই কাহিনী আছে। চাৰ্লছ এজন বিখ্যাত সংগীতজ্ঞ বা ৰাজনীতিবিদ হ'ব পাৰিলেহেঁতেন, কিন্তু অভিজাত্যই তাৰ বিকাশত প্ৰতিবন্ধক হৈ ৰ'ল।

লক্ষণীয় যে প্ৰাউস্তে উপন্যাসত নিজস্ব মতামত ব্যক্ত নকৰি নিজৰ চাক্ষুস অভিজ্ঞতাৰ কাহিনীহে বৰ্ণনা কৰিছে। বিখ্যাত ফৰাচী সাহিত্যিক আঁদ্ৰে মৰোৱাই প্ৰাউস্তৰ এই উপন্যাস সম্পৰ্কে কৈছিল যে ইয়াত কাল আৰু মানুহৰ সংগ্ৰামৰ কাহিনী বিবৃত হৈছে। 'অতীতৰ সোঁৱৰণী'ৰ বিষয়বস্তুও মূলত: এয়েই।

ফৰাচী সাহিত্যৰ অনুকৰণীয় এই সৃষ্টি মাইলৰ খুটি স্বৰূপ। ফৰাচী সাহিত্যত আৰ্টৰ প্ৰাধান্য ই প্ৰকাশ কৰে।

যোছেফ কনৰাডৰ টাইফুন

(৯৩)

যোছেফ কনৰাডৰ জন্ম হৈছিল ৰুছিয়াৰ উক্ৰাইনৰ পদলিয়া চহৰত ১৮৫৭ চনত। তেওঁৰ সম্পূৰ্ণ নামটো আছিল যোছেফ তিয়োদৰ কনৰাড নালেংছ কৰঝেনিভস্কি আৰু জাতিত আছিল পোল। তেওঁৰ দেউতাক আছিল এজন জমিদাৰ আৰু পোলেণ্ডৰ জাতীয় আন্দোলনৰ সমৰ্থক। ফলত তেওঁক কাৰাৰুদ্ধ কৰাও হৈছিল। যোছেফৰ কুৰি বছৰ বয়স নৌহওঁতেই তেওঁৰ মাক দেউতাকৰ মৃত্যু হৈছিল।

১৭ বছৰ বয়সত যোছেফ কনৰাডে ফ্ৰান্সৰ মাৰ্ছাই বন্দৰলৈ গৈ নাবিকৰ বৃত্তি লয়। দুবছৰ তেওঁ ফৰাচী জাহাজত কাম কৰে আৰু ভূমধ্য সাগৰ তথা দক্ষিণ আমেৰিকাত ফুৰে। ১৮৭৮ চনত ইংলেণ্ডলৈ আহি 'ব্ৰিটিছ মাৰ্চেণ্ট ছাৰ্ভিচ' কোম্পানিত যোগ দিয়ে। তেতিয়া তেওঁ ইংৰাজী ভাষা নাজানিছিল। কেইবছৰমানৰ ভিতৰতে তেওঁ ইংৰাজী ভাষা সম্পূৰ্ণৰূপে আয়ত্ব কৰি মাৰ্চেণ্ট ছাৰ্ভিচৰ বিষয়া হয়।

উনৈশ শতিকাৰ আশী আৰু নব্বৈ দশকত তেওঁ ভালেমান জাহাজত কাম কৰে। এই আপাহতে তেওঁ পৃথিৱীৰ নানা ঠাইলৈ যোৱাৰ সুযোগ পায়। নব্বৈ দশকৰ পৰা তেওঁ লেখিবলৈ লয়। ১৮৯৩ চনত নাবিক জীৱন ত্যাগ কৰি একাগ্ৰপতীয়াকৈ সাহিত্য চৰ্চাত মনোনিবেশ কৰে। তেওঁৰ বিখ্যাত উপন্যাস সমূহ হ'ল 'দি নিগাৰ অব দি নাৰ্চিছাছ'(১৮৯৭), 'লৰ্ড জিম' (১৯০০), "নষ্ট্ৰোমো'(১৯০৪) আৰু 'টাইফুন'(১৯০৩)। ১৯২৪ চনত তেওঁৰ মৃত্যু হয়।

'টাইফুন' বোধকৰোঁ সেই সময়লৈকে লেখা ধুমুহা-কাহিনীবোৰৰ ভিতৰত সবাতোকৈ চমকপ্ৰদ আৰু লোমহৰ্ষক কাহিনী। কনৰাডে তেওঁৰ কাহিনীটো জুৰিছে দুশ চীনা কুলি ছিংগাপুৰৰ পৰা উত্তৰ চীনৰ কোনো এক বন্দৰলৈ কঢ়িয়াই নিয়া 'নানশ্বান' নামৰ এখন জাহাজেৰে। চীনৰ এই লোকবোৰ আছিল কিছুমান গিৰিমিটীয়া বনুৱা, চুক্তিমতে কামৰ ম্যাদ শেষ হোৱাত তেওঁলোক

ঘৰলৈ উভতিছিল। প্ৰতিজন বনুৱাই উপাৰ্জন কৰা মাৰ্কিন ডলাৰৰ পেকেট একোটা লগত লৈ আহিছিল।

কাহিনীৰ নায়ক এজন সাধাৰণ তৰপৰ অবিচলিত নাৱিক। নাম কেপ্তেন মেকহুইৰ। কেপ্তেন হুইৰ কনৰাডৰ এক অত্যন্ত সাৰ্থক সৃষ্টি। মেক হুইৰৰ কৰ্মস্থল চীন-সমুদ্ৰ। তেওঁৰ পত্নী আৰু এহাল ল'ৰা ছোৱালী তেওঁৰ ইংলেণ্ডৰ ঘৰত থাকে। ঘৰলৈ তেওঁ কাচিৎহে যায়। ঘৰখনৰ কাৰণে তেওঁক আচহুৱা বুলিলেও হয়। শ্ৰীমতী মেক হুইৰলৈ তেওঁৰ সমুদ্ৰ যাত্ৰাৰ সুদীৰ্ঘ বৰ্ণনাৰে দীঘলীয়া চিঠিবোৰ লেখি পঠিয়ায়। তেওঁৰ পত্নীয়ে হামিয়াই হামিয়াই পঢ়ে। তেওঁৰ জীৱনৰ একমাত্ৰ ৰহস্য হ'ল—তেওঁৰ স্বামী ঘৰত নিগাজীকৈ থাকিবলৈ কেতিয়া উভতি আহিব— সেই মুহূৰ্তটোৰ কথা ভাবি তেওঁৰ মনত ওপজে শোচনীয় সন্ত্ৰাস।

ছিংগাপুৰৰ পৰা কৰা এই সমুদ্ৰ যাত্ৰাত জাহাজখনত অহা যাত্ৰী তথা বয়বস্তুবোৰ সাধাৰণতে নোহোৱা ধৰণৰ। ইয়াত আছিল চীনা শ্ৰমিকহঁত। সিহঁতে জাহাজৰ সম্পূৰ্ণ ডেক অধিকাৰ কৰি লৈছিল। কেপ্তেন মেকহুইৰে সিহঁতক যাত্ৰীৰ লেখত নধৰে। তেওঁলোক হ'ল কুলী। প্ৰত্যেকজন চীনাৰ লগত একোটাকৈ কাঠৰ বাকচ আছে। তাত আছে তেওঁলোকৰ গোটাচেৰেক লাম-লাকটু আৰু কেইটোপোলামান ৰূপৰ ডলাৰ। কেপ্তেন হুইৰে গম পালে।

'নানশ্বান' জাহাজখনে দক্ষিণ চীন সাগৰৰ বুকুত গৈ থাকোতে কেপ্তেন হুইৰে বেৰোমিটাৰ তললৈ বহি যোৱা দেখি গম পালে, বতৰৰ গঢ় গতি বৰ সুবিধাৰ নহয়। বেৰ'মিটাৰ তললৈ বহি যোৱাৰ লগে লগে এটা বৰ অস্বস্তিকৰ গেলেপা গৰম পৰি যায়। বতাহ হৈ পৰে ডাঠ আৰু প্ৰাণহীন। শেঁতা পৰি যোৱা বেলিটোৱে ঢালি দিছিল এক নীৰস উত্তাপ। এটা এঠেলুৱা তাপৰ চেঁপাই জাহাজৰ যাত্ৰীসকলক অতীষ্ঠ কৰি তুলিছিল। এটা সুদীৰ্ঘ তেলসনা ঢৌ ক্ৰমে ক্ষিপ্ৰ ক্ৰমে ওখ হৈ অশান্তভাৱে বাগৰি বাগৰি আহি আছিল।

বেলি বহাৰ লগে লগে খাওঁ খাওঁ মূৰ্তি ধৰি বাগৰি অহা ঢৌবোৰ বাঢ়ি আহিবলৈ ধৰিছিল আৰু উত্তৰৰ দিশে গোমা, জলফাই বুলীয়া মেঘবোৰ সাগৰৰ ওপৰত লৰচৰ নকৰাকৈ জুপুকা মাৰি আছিল। প্ৰধান সংগী, ডেকা জুকছে তেওঁৰ টোকা বহীত টুকি লৈছিল—'জাহাজখন ওখ-ঢৌত পৰি বৰ বেয়াকৈ

টুলুং ভুটুং কৰিবলৈ ধৰিছে।”

ইতিমধ্যে জাহাজখন ধুমুহাৰ মাজত পৰি গ'ল। চীনা শ্ৰমিকসকলৰ মাজত হুলস্থূলৰ সৃষ্টি হ'ল। প্ৰাণৰ বিহ্বলতাত নিজৰ মাজতে কাঁজিয়া কৰিবলৈ ধৰিলে। ইতিমধ্যে মেক হুইৰৰ নিৰ্দেশত ধুমুহাৰ মাজেদিয়েই জাহাজ চলাই থকা হ'ল আৰু বিধ্বস্ত অৱস্থাত কেইদিনমানৰ পিছত ই আহি ফু-চাও বন্দৰত উপস্থিত হ'ল।

'টাইফুন'খন এখন চিত্ৰৰ দৰে বৰ্ণনা থকা ৰচনাৰ চমৎকাৰ নিদৰ্শন। প্ৰচণ্ড ধুমুহাটোক বিভিন্ন দৃষ্টিকোণৰ পৰা নিৰীক্ষণ কৰা হৈছিল। প্ৰথমতে নিৰীক্ষণ কৰা হৈছিল জাহাজৰ কেপ্তেনে নিৰ্দেশ দিয়া জাহাজৰ উচ্চ মঞ্চৰ পৰা (ব্ৰিজ চাৰেংঘৰ) ইয়াতেই আগন্তুক প্ৰচণ্ড ধুমুহাৰ ভয়াবহতা, জৰুৰী পৰিবেশ, অসহায় অৱস্থা আদিৰ এখন স্পষ্ট ছবি বিবৃত কৰা হৈছে। বাক-ভঙ্গিমাৰ সুষমাৰে ভৰা অধ্যায়বোৰতে পাঠকে স্বয়ং ধুমুহাটোকেই দেখা যেন অনুভৱ কৰে আৰু তাৰ শব্দ শুনে। তাৰ পিছত ধুমুহাটো চোৱা হৈছে— তলৰ জাহাজৰ মজিয়া (ডে'ক) ৰ পৰা। চীনা বনুৱাবোৰৰ মাজত হোৱা দুঃস্বপ্নৰ দৃশ্য। ফাৰ্ণেছত ধুমধামকৈ পৰা কয়লাবোৰ আৰু তাৰ অঙঠাবোৰ খুচৰি দিয়াৰ দৃশ্য—এই সকলোবোৰ নিজস্ব ৰূপ লৈ ফুটি উঠিছে।

কনৰাডে এখন সম্পূৰ্ণ ছবি দাঙি ধৰিছে। তেওঁ ১৮৯০ চনৰ পিছৰ বছৰ কেইটাত চীন সমুদ্ৰত নাৱিকৰ কাম কৰোঁতে প্ৰকৃতিৰ ৰুদ্ৰৰোষৰ পৰা উদ্ভৱ হোৱা মাৰাত্মক বিপদৰ সময়ত জাহাজৰ মজিয়াত মানুহৰ মাজত হোৱা সংঘৰ্ষ এটাৰ উপাখ্যানৰ লেখীয়া কাহিনী এটাৰ কথা শুনিছিল। তাৰেই আলমত তেওঁৰ এই ৰচনা।

কেপ্তেন মেক হুইৰ লেখকৰ এক মহান সৃষ্টি, সমুদ্ৰৰ এক উল্লেখযোগ্য ব্যক্তি। নিজ চৰিত্ৰৰ দৃঢ়তাৰ বলত তেওঁ প্ৰচলিত জোৱাৰ সম্পৰ্কীয় পুথিগত বিদ্যালৈকো আওকাণ কৰি 'নানশ্বান' জাহাজখন সমুদ্ৰৰ ধুমুহাৰ মাজেদি চলাই নিছিল। কনৰাডে তেওঁৰ টোকা বহীত লেখিছে:

“মেক হুইৰ কেইঘণ্টামানৰ বা কেইসপ্তাহমানৰ বা কেইমাহমানৰ চিনাকি নহয়। তেওঁৰ জীৱনৰ কুৰিটা বছৰৰ সুফল। সচেতন আৱিষ্কাৰৰ লগত তেওঁৰ কোনো সম্বন্ধ নাছিল। সঁচা কেপ্তেন হুইৰ এই পৃথিৱীত বসবাস কৰা কোনো

মানুহ নাছিল (কথাষাৰ বিশ্বাস কৰিবলৈ মই একেবাৰে টান পাওঁ)। মই পাঠকসকলক আশ্বাস দি কওঁ তেওঁ সম্পূৰ্ণ বিশ্বাসযোগ্য।"

কনৰাড আছিল উল্লেখযোগ্যভাবে সকলো জাতিৰ মিশ্ৰণ। তেওঁৰ কৈশোৰৰ ভাষা আছিল পোলেণ্ডীয়; ফৰাছী ভাষাত তেওঁ হৈছিল স্নাতক আৰু বুজন হ'লতহে ইংৰাজী ভাষা অধ্যয়ন আৰু তাৰ প্ৰয়োগ কৰিছিল। তেওঁ জীৱনত ইংৰাজী ব্যাকৰণ দেখা নাছিল। অথচ তেওঁ অতি হেলাৰঙে ইংৰাজী ভাষাৰ শব্দ প্ৰয়োগ কৰিব জানিছিল আৰু এনে এক স্মৰণযোগ্য প্ৰভাৱ বিস্তাৰ কৰিছিল— যি কাব্যিকভাবে চিত্ৰৰ নিচিনা।

কনৰাডে বৰ লাহে লাহে লেখিছিল। কেতিয়াবা তেওঁ দুই চাৰিটাহে বাক্য লেখিব পাৰিছিল। কিন্তু প্ৰত্যেকটো বাক্যকে তেওঁ বৰ আথে বেথে সজাইছিল আৰু প্ৰসিদ্ধিবোৰ ইচ্ছা কৰিয়েই বাদ দি গৈছিল। তেওঁৰ এক অপ্ৰতিৰোধ্য শৈলী আছিল য'ত মগ্ন হ'লে পাঠকে পাইছিল এক বলিষ্ঠ ছন্দ-স্পন্দন যি একো সময়ত কেৱল সংগীতৰ পৰ্যায় লাভ কৰিছিল।

থৰ হেয়াৰডালৰ কন্‌টিকি অভিযান

(৯৪)

আধুনিক যুগৰ এক ৰোমাঞ্চকৰ অভিযানৰ কাহিনী 'কনটিকি অভিযান।' ই পোনপ্ৰথমে প্ৰকাশ হয় নৰৱেজিয়ান ভাষাত, কাৰণ ইয়াৰ লেখকগৰাকী নৰৱেৰ মানুহ। ১৯৫০ চনত ইয়াৰ ইংৰাজী অনুবাদ ওলায়: The Kon-Tiki Expedition (দি কন্‌টিকি এক্সপিডিশ্যান) বা কনটিকি অভিযান। ৰোমাঞ্চ ভাল পোৱা মানুহৰ কাৰণে ই এখন অৱশ্যে পাঠ্যগ্ৰন্থ।

'কনটিকি অভিযান'ৰ লেখকৰ নাম থৰ্ হেয়াৰডাল। ১৯১৫ চনত নৰৱেৰ লাৰভিক চহৰত তেওঁৰ জন্ম হয়। সৰুৰে পৰা তেওঁ প্ৰাকৃতিক বিজ্ঞানৰ প্ৰতি আকৰ্ষিত হৈছিল। অছলো বিশ্ববিদ্যালযত হেয়াৰডালে উচ্চ শিক্ষা লাভ কৰে। তেওঁৰ পত্নীও আছিল তেওঁৰ দৰেই ৰোমাঞ্চকৰ অভিযানপ্ৰিয়। ব্ৰিটিছ কলম্বিয়াত তেওঁ ভূতাত্ত্বিক অনুসন্ধান কাৰ্যত ব্ৰতী হৈ থকাৰ সময়ত দ্বিতীয় মহাসমৰ আৰম্ভ হয়। তেওঁ নৰৱেৰ বিমান বাহিনীত প্ৰথমে যোগ দিয়ে। পিছত তেওঁক পেৰাচুট বাহিনীলৈ বদলি কৰা হয়। মহাসমৰৰ আগতে কৰা আঁচনি এখন তেওঁ মহাসমৰৰ পিছত কাৰ্যকৰী কৰি সমগ্ৰ বিশ্বক চমক খুৱায়। সেই অভিযানৰ কাহিনীয়েই বিধৃত হৈছে 'কন্‌টিকি অভিযান' গ্ৰন্থত।

প্ৰশান্ত মহাসাগৰৰ বুকুত থকা মাৰ্কুৱেছা দ্বীপপুঞ্জলৈ হেযাৰডাল আৰু তেওঁৰ পত্নী গৈছিল সেই দ্বীপত বহু শ বছৰ আগতে বাস কৰা অধিবাসী সকলৰ সংস্কৃতি সম্পৰ্কে গৱেষণা কৰিবলৈ। এই মানুহবোৰে ভালেমান শিলৰ ধ্বংসাৱশেষ এৰি গৈছিল। এই মানুহবোৰ ক'ৰ পৰা সেই দ্বীপপুঞ্জলৈ আহিছিল?— এই প্ৰশ্নই হেযাৰডালৰ মনটোত জুমুৰি দি ধৰিলে। প্ৰশান্ত মহাসাগৰৰ দ্বীপসমূহত থকা পলিনেছিয়ান জাতিৰ মানুহবোৰৰ পূৰ্ব পুৰুষ সকল দক্ষিণ আমেৰিকাৰ পশ্চিম উপকূলৰ পৰা প্ৰশান্ত মহাসাগৰ পাৰ হৈ এই দ্বীপবোৰলৈ আহিছিল নেকি? কেনেকৈ আহিছিল? কিহেৰে এই বিশাল মহাসাগৰখন পাৰ হৈছিল? এই মানুহবোৰৰ ভাষা আৰু সংস্কৃতিৰ সৈতে এছিয়া বা অষ্ট্ৰেলিয়াৰ আদিম অধিবাসী সকলৰ ভাষা-সংস্কৃতিৰ মিল নাই।

প্ৰশান্ত মহাসাগৰৰ বুকুত সিঁচৰতি হৈ থকা দ্বীপপুঞ্জবোৰৰ অধিবাসী সকলৰ ভাষা-সংস্কৃতিৰ মাজত মিল আছে। এবাৰ মাৰ্কুৱেছা দ্বীপৰ এজন জনজাতীয় লোকে হেয়াৰডালৰ আগত কৈছিল এইদৰে: টিকি আছিল ঈশ্বৰ আৰু নেতাও।

তেৱেঁই আমাৰ পূৰ্বপুৰুষ সকলক এই দ্বীপবোৰলৈ লৈ আহিছিল আৰু এটা কথা দেখিছিল তেওঁলোকে। টিকি দেৱতাৰ যিবোৰ ডাঙৰ ডাঙৰ শিলৰ মূৰ্তি এই দ্বীপটোত আছে, সেইবোৰ দক্ষিণ আমেৰিকাত থকা সেই ধৰণৰ মূৰ্তিবোৰেৰে সাইলাখ একে। গতিকে তেওঁলোক প্ৰশান্ত মহাসাগৰ পাৰ হৈ আহিছিল বোলা ধাৰণাটো হেয়াৰডাল আৰু তেওঁৰ পত্নীৰ মনত বদ্ধমূল হ'ল ইতিমধ্যে দ্বিতীয় মহাযুদ্ধ লগাত তেওঁ সেই সম্পৰ্কীয় চিন্তা স্থগিত ৰাখিলে।

যুদ্ধ শেষ হ'ল। হেয়াৰডালো নৰৱেৰ বায়ু- সেনাবাহিনী এৰি আমেৰিকালৈ আহিল। তেওঁৰ টকা পইচাও টুকাল, গতিকে তেওঁ নিউইয়ৰ্কৰ নৰৱেজিয়ান— নাবিক আবাসলৈ যাব লগাত পৰিল আৰু ইয়াতেই তেওঁ তেওঁৰ তত্ত্বটো প্ৰমাণ কৰিবলৈ সংকল্প কৰিলে। তাতে তেওঁ তেতিয়া নিউইয়ৰ্কত আছিল। ইয়াৰ পৰাই তেওঁ প্ৰমাণ কৰিব খোজা প্ৰব্ৰজনটো ঘটিছিল আৰু মাৰ্কিন যুক্তৰাষ্ট্ৰৰ পৰা আৰ্থিক সাহায্য পোৱাৰো সম্ভাৱনা আছে বুলি ভাবিছিল।

কিন্তু বহুতেই তেওঁৰ তত্ত্বটো উপলুঙা কৰিবলৈ ধৰিলে। কাৰণ যিসময়ত পলিনেচিয়ান সকলে প্ৰশান্ত মহাসাগৰ অতিক্ৰম কৰা বুলি হেয়াৰডালে ধাৰণা কৰিছিল, সেইসময়ত তেওঁলোকৰ কোনো জাহাজ আদি নাছিল।

ভুৰত উঠি প্ৰশান্ত মহাসাগৰ অতিক্ৰম কৰা সম্ভৱ নহয়। কিন্তু হেয়াৰডালে হতাশ নহৈ দক্ষিণ আমেৰিকাৰ ইন্‌কাসকলে প্ৰাচীন কালত ব্যৱহাৰ কৰা ভুৰ সম্পৰ্কে গৱেষণা আৰম্ভ কৰিলে। এনে ভুৰবোৰ তৈয়াৰ কৰা হৈছিল 'বালছা' নামৰ এবিধ অতি পাতল কাঠেৰে। তেওঁ প্ৰশান্ত মহাসাগৰৰ মেপ অধ্যয়ন কৰি জোৱাৰ আৰু সোঁতৰ গতি নিৰীক্ষণ কৰিলে আৰু পেৰুৰ পৰা টুৱামোটো দ্বীপপুঞ্জলৈ যোৱা জলপথৰ পৰিকল্পনা কৰিলে। তেওঁ ভ্ৰমণৰ সময়ো নিৰূপণ কৰিলে। পেৰুৰ পৰা টুৱামোটোলৈ যাবলৈ এশদিন বা নব্বৈদিন নালাগে। লাগে সাতানব্বৈ দিন। মানুহবোৰ কিন্তু পতিয়ন নগ'ল। এখন ভুৰত উঠি প্ৰচণ্ড সাগৰ এখন পাৰ হোৱা কথাটো বাদ দিলেও, যিখিনি সময়ত পাৰ হোৱাৰ কথা কৈছে— অৰ্থাৎ ৯৭ দিন— সি গছত গৰু উঠা কথা।

হেয়াৰডাল কিন্তু হতাশ নহ'ল।

নিউইয়ৰ্কত হেয়াৰডালে আৰু পাঁচজন নৰৱেজিয়ানক সংগীয়া ৰূপে ল'লে। আঁচনিখন ৰূপায়িত কৰিবলৈ তেওঁ বিভিন্ন প্ৰতিষ্ঠানৰ পৰা আৰ্থিক সাহায্য পালে। ইকুৱেডৰতহে 'বালছা' গছ পোৱা যায় আৰু সেয়ে হেয়াৰডাল সংগীয়া কেইজনৰ সৈতে তালৈ গ'ল। তাত এইবিধ কাঠ সংগ্ৰহ কৰি পেৰুৰ কেলাও বন্দৰলৈ নিলে। তাৰ পৰাই ভুৰ তৈয়াৰ কৰি যাত্ৰা কৰাৰ বন্দোবস্ত কৰা হ'ল।

এইদৰেই এহেজাৰমান বছৰৰ মূৰত বোধকৰো এই প্ৰথম কাল্লাও বোলা ঠাইখনত এখন বালছাৰ ভুৰ সজা হ'ল। হেয়াৰডালে গণি-পিতি চাই পালে, কোনোবা যদি ইয়াৰ পৰা আগতে গৈছেও তেওঁলোক ঠিক এইখিনিৰ পৰাই যাব লাগিব। এতিয়াৰ অধিবাসীসকলে হেয়াৰডাল এই অদ্ভৌবলিয়া আঁচনিখন দেখি এহাতে আকৃষ্টও হৈছে, আনহাতে আমোদো পাইছে। পোতাশ্ৰয়টো (য'ত জাহাজ লাগেহি আৰু মেৰামতি আদি হয়) কিন্তু বেছ কামৰ প্ৰতিষ্ঠান। ভুৰখন সজা কাম ধুমধাম চলিবলৈ ধৰিলে। ন ডোখৰ ডাঠ কাঠ অনা হ'ল। আটাইতকৈ দীঘল টুকুৰাটোৰ দীঘ হ'ল ৪৫ ফুট। কাঠ কেইটুকুৰা পানীত পেলাই দিয়া হ'ল, একেলগে ওপণ্ডি থাকে নে নাথাকে চাবলৈ। তাৰ পিছত এডাল জৰীৰে বান্ধি পেলোৱা হ'ল (গজাল বা তাঁৰ দিলে ঠগ খাব লাগিব, সেইবোৰ ব্যৱহাৰৰ অযোগ্য) ৪৫ ফুট দীঘল এটুকুৰা কাঠ মাজত দিয়া হ'ল যাতে আগভাগ আৰু পিছভাগ ওলাই থাকে। চুটি টুকুৰাবোৰ দুয়োকাষে পাতি দিয়া হ'ল। ভুৰখনৰ মজিয়াখন বাঁহৰ কামি ফালি তাৰে সজোৱা হ'ল আৰু মূৰবোৰ জৰীৰে গাঁথি দিয়া হ'ল। তাৰ ওপৰত এটা বাঁহৰ খুটা-কৰা আৰু কলপাতৰ ছালেৰে সৰু ঘৰ সাজি উলিওৱা হ'ল। আগত দুটা টান কাঠৰ মাস্তুল বহুওৱা হ'ল। মাস্তুল দুটাৰ ইটোৰ গাত সিটোক ঢোকা দি মূৰ দুটা জৰীৰে বান্ধি দিয়া হ'ল। তাত এখন ডাঙৰ বৰ্গ ক্ষেত্ৰাকাৰ পাল তৰি দিয়া হ'ল।

ভুৰখনৰ নিৰ্মাণকাৰ্য দিনে দিনে বাঢ়ি গৈ থাকিল আৰু যেতিয়া সি সম্পূৰ্ণ হৈ ওলাল, দেখা গ'ল, সি গঢ়ে গতিয়ে সাইলাখ হাজাৰ বছৰৰ আগতে দক্ষিণ আমেৰিকাৰ উপকূল অঞ্চলত থকা ভুৰবোৰৰ দৰেই হৈ পৰিল।

ৰাইজ উলাহত উত্ৰাবল হৈ উঠিল, আকৌ গোপনে কিছুমান মানুহে

নিৰুৎসাহো কৰিলে। নতুন নাবিক সকলক একো একো সময়ত এজন এজনকৈ অলপ নিলগলৈ মাতি নি একোবাৰ ৰাষ্ট্ৰদূত এজনে,কেতিয়াবা ৰাজনীতিবিদ, কেতিয়াবা নাবিক, কেতিয়াবা বা বন্ধু এজনে ক'লে, 'এই আহৈবলিয়া ধাৰণাটো বাদ দিয়া।' কিন্তু এতিয়া আৰু ইয়াক বাদ দিবলৈ কাৰো ধনিষ্ঠামানো ইচ্ছা নাই। ভুৰখন ওলাওঁ ওলাওঁ হোৱাৰ লগে লগে মানুহৰ উত্তেজনাও বাঢ়ি গ'ল।

শেষত ২৮ এপ্ৰিলৰ আগে আগে ভুৰখন সম্পূৰ্ণ হৈ ওলাল আৰু নাম দিয়া হ'ল কনটিকি: পলিনেছিয়াবাসীসকলে সূৰ্য দেৱতাক কনটিকি বোলে। সেই অনুসৰিয়েই ভুৰখনৰো নাম হ'ল কনটিকি। এতিয়া 'কন-টিকি' পাৰি দিবৰ কাৰণে সাজু।

কাল্লাও উপসাগৰৰ চাৰিওফালে লোকে লোকাৰণ্য হ'ল। ভুৰ এৰি দিলে। প্ৰথমতে অলপ দূৰ গুণ টানি নিয়াহ'ল। উপকূল নেদেখা হ'লত, গুণ চপাই আনি স্বাভাৱিক গতিত এৰি দিয়া হ'ল।

মহাসাগৰত তেওঁলোক বহু দুৰ্যোগৰ সন্মুখীন হৈছিল। অক্টোপাছ, তিমি আদি সাগৰীয় প্ৰাণীৰ কবলতো তেওঁলোক পৰিছিল। যাত্ৰা আৰম্ভ কৰাৰ তিনিমাহৰ মূৰত তেওঁলোকে মাটি দেখিবলৈ পালে। অৱশ্যে তাত তেওঁলোকে নামিব নোৱাৰিলে। ঠিক সাতানব্বৈ দিনৰ দিনাখন তেওঁলোক গৈ টুৱা মোটা দ্বীপপুঞ্জৰ এটা দ্বীপত নামিল।

আন এজন নৰৱেজিয়ান আমুন্দছেনৰ কুমেৰু যাত্ৰাৰ দৰে থৰ হেয়াৰডালৰ কনটিকি অভিযানো মানুহৰ ইতিহাসত চিৰস্মৰণীয় হৈ থাকিব।

ছাৰ ৱাল্টাৰ স্কটৰ আইভানহো

(৯৫)

১৮১৪ চনত প্ৰথম উপন্যাস 'ৱেভাৰলি' প্ৰকাশ হোৱাৰ পিছৰ পৰা ছাৰ ৱাল্টাৰ স্কটে ইংলেণ্ডৰ পঢুৱৈ সমাজত অভূতপূৰ্ব জনপ্ৰিয়তা অৰ্জন কৰে। এই জনপ্ৰিয়তাক স্কটে নিজেই 'জনপ্ৰিয়তাৰ অপ্ৰতিহত সোঁত' বুলিছে। পাঁচ বছৰৰ ভিতৰতে তেওঁ ৯খন উপন্যাস লেখি শেষ কৰে। এই আটাইকেইখন উপন্যাসেই ইংৰাজী সাহিত্যত বিশিষ্ট স্থান অধিকাৰ কৰি আছে। স্কটলেণ্ডক পটভূমি হিছাপে লৈ ৰচিত এই উপন্যাসৰাজিত স্কটলেণ্ডৰ আচাৰ-ব্যৱহাৰ, ভাষা আৰু চৰিত্ৰ এনেদৰে ফুটি উঠিছিল যে তেওঁক মানুহে স্কটলেণ্ডবাসীৰ ঔপন্যাসিক আখ্যা দিবলৈ ধৰে। কিন্তু ৱাল্টাৰ স্কটে কেৱল স্কটলেণ্ডীয় ঔপন্যাসিক হৈ থাকিবলৈ ভাল নাপালে। তেওঁ বিচাৰিলে বহল প্ৰেক্ষাপট। তাৰ ফলত জন্ম হ'ল 'আইভানহো' উপন্যাস। ১৮১৯ চনত ই প্ৰকাশ পায়।

ঐতিহাসিক ৰোমাঞ্চ হিছাপে 'আইভানহোক' পঢুৱৈ সমাজে আদৰি ল'লে। আগৰ উপন্যাসবোৰত থকাৰ দৰে ইয়াত স্কটলেণ্ডীয় শব্দ আৰু চৰিত্ৰ নথকাৰ কাৰণে ইংৰাজ পঢুৱৈ সমাজৰ পৰা ই বেছি আদৰ পালে। উপন্যাসখন ইংলেণ্ডৰ পটভূমিত ৰচিত হোৱাৰ ওপৰিও ইয়াৰ কাহিনীভাগত ইংৰাজ লোক-কথাৰ পৰশ থকাত 'আইভানহো'ৱে বৃহত্তৰ পঢুৱৈ সমাজক আকৰ্ষণ কৰিলে। ৰবিনহুড আৰু তেওঁৰ লগৰীয়াসকল, ফ্ৰায়াৰ টাক আৰু সিংহ হৃদয় ৰজা ৰিচাৰ্ডৰ (Richard, The Lion Heart) কালক কেন্দ্ৰ কৰি উপন্যাসখনৰ আখ্যান ভাগ আৱৰ্তিত হৈছে। ইয়াত আছে সৎ আৰু অসৎ নাইটসকল, ধুনীয়া নাৰীসকল, ৰোমাণ্টিক প্ৰেম, পাশৱিক কামনা, যুদ্ধ আৰু ধ্বংসৰ দৃশ্য, মদ্যপান উৎসৱ, ষড়যন্ত্ৰকাৰী অভিজাত শ্ৰেণীৰ লোক আৰু সৰল-হৃদয় দাস সকল।

সিংহ-হৃদয় ৰিচাৰ্ডৰ ৰাজত্বকালৰ মাজভাগত, ১১৯৪ চনৰ কাহিনী আৰম্ভ হৈছে। ৰিচাৰ্ড সেই সময়ত বিদেশত ধৰ্মযুদ্ধত (ক্ৰুছেড) ব্যস্ত আছিল; ৰাজ্য শাসন কৰিছিল তেওঁৰ ভাতৃ প্ৰিন্স জনে। ক্ৰুছেডৰ পৰা ঘূৰি অহা বাটত অষ্ট্ৰিয়াত

শত্ৰুৰ হাতত বন্দী হৈ থকা বুলি শুনাৰ বাহিৰে ৰজা ৰিচাৰ্ডৰো কোনো বাতৰি পোৱা নগৈছিল। অৱশ্যে ৰজাৰ ভায়েকজন আৰু তেওঁৰ অনুগামী একাংশ অভিজাত ব্যক্তিয়ে ৰিচাৰ্ডৰ মৃত্যু হোৱাৰ বাতৰি পালেহে আনন্দিত হ'লহেঁতেন। কিন্তু প্ৰকৃততে ৰিচাৰ্ডে তেওঁক বন্দী কৰা লোক সকলৰ সৈতে এটা চুক্তি কৰি মুকলি হৈ আহি ইংলেণ্ডত ছদ্মবেশেৰে থাকিবলৈ ল'লে।

স্কটৰ সকলোবোৰ উপন্যাসৰ দৰে 'আইভানহো'ৰ জোৰণিও বৰ ধীৰ গতিত হৈছিল। আধাডজনমান অধ্যায় পঢ়ি উঠিহে উপন্যাসখনৰ চিত্তহৰ্ষক ঘটনাবোৰৰ মাজত সোমাব পাৰি। ই হ'ল আছবি-দ্য-ল জাউশ্ব-ত অনুষ্ঠিত অশ্বাৰোহী দ্বন্দ্বযুদ্ধৰ বিৱৰণী। স্কটে এই বৰ্ণনাত মধ্যযুগীয় বীৰত্ব প্ৰদৰ্শনৰ কালৰ মোহনীয়তা আৰু খ্যাতিৰ ৰূপটো সফলতাৰে ধৰি ৰাখিছে। এই অশ্বাৰোহীৰ দ্বন্দ্বযুদ্ধৰ দ্বিতীয়দিনা অংশ গ্ৰহণকাৰী যোদ্ধা সকলক দুটা বিৰোধী শিবিৰত তালিকাভুক্ত কৰা হয়। সেইদিনাই ৰণক্ষেত্ৰত ক'লা বৰ্ম পৰিধান কৰি ওখ-ডাঙৰ ক'লা ঘোঁৰাত উঠি যোদ্ধাবীৰ এজন উপস্থিত হ'ল। তেওঁক দেখাত ক্ষমতাবান আৰু শক্তিশালী যেন লাগিল— ঠিক যেন তেওঁ উঠি অহা ঘোঁৰাটো। এই মধ্যযুগীয় নায়কজনে তেওঁৰ ঢালখনত বিশেষ একো কৌশল সন্নিবিষ্ট কৰা নাছিল, আৰু অলপ সময় সংঘৰ্ষতো তেওঁ কেইটামান আক্ৰমণ অনায়াসে ব্যৰ্থ কৰি দিয়াৰ বাহিৰে আন ধৰ্তব্য একো কৰা নাছিল। কিন্তু যিটো দলত তেওঁ নিযুক্ত হৈছিল, তাৰ দলপতিজন যেতিয়া হঠাৎ কঠোৰ হৈ পৰিল, এই 'ব্লেক নাইট'জনৰ মনোভাবো সলনি হৈ গ'ল। জোতাৰ গেৰোৱাৰে ঘোঁৰাটোক খুন্দিয়াই দি তেওঁ দলপতিক সহায় কৰিবৰ কাৰণে বজ্ৰৰ দৰে কাষত পৰিলগৈ আৰু চকুৰ নিমিষতে ভুৱা নৰ্মান বেৰন ফ্ৰন্ট দ্য-বিয়াফৰ মূৰত তৰোৱালেৰে এনে এটা কোব সোধালে যে তেওঁ ঘোঁৰাৰে সৈতে মাটিত ঢলি পৰিল। আকৌ, কানিংছবৰ'ৰ দৈত্যকায় ছেক্সন আ[illegible]লষ্টেইনে আন এফালৰ পৰা দলপতিক আক্ৰমণ কৰিবলৈ উদ্যত হোৱাত ব্লেকনাইটে তেওঁৰ হাতৰ পৰাই যুদ্ধৰ কুঠাৰখন কাঢ়ি আনি একেঘাপেই তেওঁকো যমৰ দুৱাৰলৈ পঠাই দিলে। ইয়াৰ পিছত বিজয়ী বীৰজন শান্তভাৱে তেওঁৰ শাৰীলৈ উভতি আহিল আৰু দ্বন্দ্বযুদ্ধখন ওৰ নপৰালৈকে তাতেই থাকিল। যুঁজ শেষ হ'লত, কাৰো দৃষ্টি আকৰ্ষণ নকৰাকৈ তেওঁ ঘোঁৰাটো

ওভোতাই নীৰৱে অৰণ্যমুখে খীৰ কদমত গুচি গ'ল। পাঠকে গম ধৰিব পাৰিব যে এই ব্লেকনাইট চিয়ৰ-দ্য-লায়নৰ বাহিৰে আন কোনো নহয়, আৰু তেওঁ ভাবি থাকিব যে এই কথাটো ধৰাত ৰজাজনে বেছ সময় লৈছিল।

সেই স্মৰণীয় ৰণাংগনত সেইযুগৰ দ্বন্দ্বযুদ্ধত অত্যন্ত সাহসিকতাৰে প্ৰতিদ্বন্দ্বিতা কৰা সকলৰ অন্যতম যিজন ব্যক্তিক ব্লেকনাইটে উদ্ধাৰ কৰিলে, তেওঁৰো জোৰণিতে কোনো নাম নাছিল, তেওঁৰ ঢালখনতো তলত স্পেনীয় 'ডেছডিছাডো' শব্দটো (অৰ্থাৎ উত্তৰাধিকাৰ বঞ্চিত) লেখি ওপৰত শিপাৰে সৈতে উভালি অনা অ'ক গছৰ পুলি এটা আঁকি লোৱাৰ বাহিৰে আন একো নাছিল। এই ক্ষেত্ৰতো যি পাঠকে ঔপন্যাসিকজনক জানে তেওঁ তৎক্ষণাৎ এওঁক চিনি পাব, কাৰণ এই 'উত্তৰাধিকাৰ বঞ্চিত নাইট' জনেই এই উপন্যাসৰ নায়ক আৰু তেওঁৰ নামেৰেই ইয়াৰ নামকৰণ কৰা হৈছে।

আইভানহো আছিল ছেক্সন অভিজাত বংশীয় কেড্ৰিকৰ পুত্ৰ। কেড্ৰিকে ইংলেণ্ডত পুনৰ ছেক্সন আধিপত্য স্থাপনৰ সপোন দেখিছিল, যদিও প্ৰায় এটা শতিকাৰ আগতে নৰ্মানসকলে ছেক্সনসকলক পৰাজিত কৰি ইংলেণ্ডৰ সিংহাসনৰ অধিকাৰী হৈছিল। তেওঁ ছেক্সনবংশীয় সুন্দৰী লেডি ৰোৱেনাৰ অভিভাৱক আছিল আৰু ৰোৱেনাক কনিছবৰাৰ এথেলষ্টেনৰ সৈতে বিয়া দিয়াৰ আঁচনি কৰিছিল। কিন্তু ৰোৱেনাৰ প্ৰেম আছিল কেড্ৰিকৰ পুত্ৰ উইলফ্ৰিড ওৰফে আইভানহোৰ প্ৰতিহে। আইভানহোৱে ৰজা ৰিচাৰ্ডৰ অধীনত কাম কৰা কাৰণে আৰু ৰজাৰ সৈতে ক্ৰুছেডলৈ যোৱাৰ বাবে পুত্ৰৰ ওপৰত

কৰা কাৰণে আৰু ৰজাৰ সৈতে ক্ৰুছেডলৈ যোৱাৰ বাবে কেড্ৰিক পুত্ৰৰ ওপৰত বিৰক্ত হৈছিল।

ৰিচাৰ্ডৰ দৰে তেৰোঁ তীৰ্থযাত্ৰীৰ ছদ্মবেশ ধৰি দেশলৈ উভতি আহিছিল। তেওঁ এছবিত অনুষ্ঠিত ক্ৰীড়া-সমাৰোহত ছদ্মবেশেৰে যোগ দি শ্ৰেষ্ঠ প্ৰতিদ্বন্দ্বীৰ সম্মান পোৱাত ক্ৰীড়া-সমাৰোহৰ 'ৰাণী' লেডী ৰোৱেনাৰ হাতৰ পৰা বিজয়মাল্য লাভ কৰে। সেইসময়ত উভয়ে উভয়ক চিনি পালে। ক্ৰীড়াৰ সময়ত পোৱা আঘাতৰ বাবে বিজয়মাল্য গ্ৰহণ কৰাৰ লগে লগে আইভানহো মূৰ্চ্ছা যায়। ইয়ৰ্কৰ আইজাক নামৰ ইহুদী এজনৰ কন্যা ৰেবেকাই তেওঁক শুশ্ৰূষা কৰি আৰোগ্য কৰে। এই ঘটনাৰ কেইদিনমান আগতে আইভানহোৰ সৈতে

আইজাক আৰু ৰেবেকাৰ পৰিচয় হৈছিল। সেয়ে মূৰ্চ্ছা যোৱাৰ লগে লগে ৰেবেকাই আইভানহোক চাকৰৰ হতুৱাই নিজৰ ঘৰালৈ নিয়াইছিল।

ৰেবেকাক ব্ৰিয়ান দা বো গিলবাৰ্ট নামৰ এজন নাইট টেম্পলাৰে অপহৰণ কৰি টৰকুইলষ্টোন দুৰ্গলৈ নি তেওঁৰ প্ৰতি প্ৰেম নিবেদন কৰে। ৰেবেকাই গুণ্ডা প্ৰকৃতিৰ ব্ৰিয়ানৰ প্ৰেম প্ৰত্যাখ্যান কৰাত দুয়োৰো মাজত তৰ্ক-বিতৰ্ক চলাৰ সময়তে ৰবিনহুড আৰু তেওঁৰ দলে দুৰ্গটো আক্ৰমণ কৰে। ৰেবেকাক এৰি ব্ৰিয়ান দুৰ্গৰক্ষাৰ বাবে যায়। যুদ্ধৰ মাজতে তেঁও ৰেবেকাক দাঙি টেম্পলষ্টো'ৰ নাইটসকলৰ শিবিৰলৈ নি ৰেবেকাৰ মন পাবলৈ যত্নপৰ হয়। শেষত ব্ৰিয়ানে ৰেবেকাক ডাইনী আখ্যা দি পুৰি মাৰিবলৈ ষড়যন্ত্ৰ কৰে। আইভানহোৱে তেওঁক ৰক্ষা কৰে। ব্ৰিয়ানে মৃত্যু বৰণ কৰে।

অৱশ্যে ৰেবেকাক আইভানহোৱে বিয়া নকৰাই কৰালে নোৱাৰেনাক। স্কটে ৰেবেকাৰ দৰে এগৰাকী আদৰ্শবাদী নাৰীক সাধাৰণ সাংসাৰিক সুখৰ বাবে লালায়িত নাৰীত পৰিণত কৰিব নুখুজিলে।

স্কটৰ উপন্যাসৰাজিৰ প্ৰভাৱ বিশ্বজনীন। ভাৰতৰ প্ৰথম ঔপন্যাসিক বংকিম চন্দ্ৰই এই প্ৰভাৱত একাধিক উপন্যাস লেখিছিল। "অসমৰ স্কট" নামেৰে জনাজাত ৰজনীকান্ত বৰদলৈয়ে 'আইভানহো' উপন্যাসৰ আৰ্হিত লেখে 'ৰঙিলী' আদি উপন্যাস।

আঁদ্রে মৰোৰ এৰিয়েল

(৯৬)

আঁদ্রে মৰো আছিল ফ্ৰান্সৰ এজন বস্ত্ৰ উদ্যোগপতিৰ সন্তান। ১৮৮৫ চনত তেওঁৰ জন্ম হয়। 'দি ছাইলেন্স অব কৰ্ণেল ব্ৰেম্বল' নামৰ গ্ৰন্থখন প্ৰকাশ হোৱাৰ লগে লগেই তেওঁ ৰাতিটোৰ ভিতৰতে বিখ্যাত হৈ পৰে। পুথিখন ব্ৰিটিছ সৈন্যবাহিনী ক্লিম্পৰ এক অমৰ চিত্ৰায়ন। প্ৰকাশ হৈছিল প্ৰথম বিশ্বযুদ্ধৰ ঠিক পিছতেই। প্ৰথম বিশ্বযুদ্ধত মৰোৱে ব্ৰিটিছ ফৌজত দোভাষী হিছাপে কাম কৰিছিল। এই কিতাপখনত ডক্টৰ অ গ্ৰেডিৰ লগত কথা-বতৰা শীৰ্ষক গ্ৰন্থত, ৰচনাবোৰত আৰু তেওঁৰ অন্যান্য গ্ৰন্থত গ্ৰন্থকাৰক আমি ইংৰাজ, তেওঁলোকৰ মাত-কথা, আচৰণ আৰু মানসিকতা, তেওঁলোকৰ সৈন্য, লেখক, অভিজাত শ্ৰেণী আদি সম্বন্ধে এজন ৰসিক কিন্তু উদাৰমনা পৰ্যবেক্ষক ৰূপে, আমাৰ গাঁৱৰ আৰু ইংৰাজ সকলৰ গাঁও অঞ্চলৰ এজন ৰসজ্ঞ বিচাৰক ৰূপে পাওঁ। ইংলেণ্ডত থাকি মৰোৱে যদিওবা ভালেই পাইছিল, তথাপি তেওঁ সদায়েই আছিল এজন ফৰাছী। ইংলেণ্ডৰ প্ৰতি তেওঁৰ ভালপোৱা থকা সত্বেও তেওঁ গম পাইছিল যে তেওঁৰ অন্তৰত ঢুকাই নোযোৱা কিবা এটা আছিল যাৰ লগত তেওঁ ইংৰাজ-জীৱনৰ মিল ঘটাব পৰা নাছিল। তেওঁক নিজকে অকলশৰীয়া যেন অনুভব আৰু বুকুখনে সদায়েই তেওঁৰ ওপজা ঠাইখনৰ সুদূৰ উপস্থিতি কামনা কৰি আছিল। অন্য কথাত তেওঁ গভীৰ দৃষ্টিৰে ঘটনাৰ মূল্যায়ন কৰিব পাৰিছিল। ই বৰ মন ভৰি উঠা দিশ।

ডিজৰেলি, মাৰ্শ্বাল লায়ুটি, বাইৰন, ডিকেন্স আৰু শ্বেলিৰ জীৱন কথা লেখিও তেওঁ খ্যাতি অৰ্জন কৰিছিল। সকলো লেখাতে তেওঁৰ পৰ্যবেক্ষণ আছিল নিৰ্মোহ, সৌজন্য বিশিষ্ট। তেওঁ এই ব্যক্তিসকলৰ মহত্বতকৈ অধিক গুৰুত্ব দিছিল তেওঁলোকৰ মানৱতাত। লায়ুটিত তেওঁ দেখুৱাইছে এজন সহজ কাজুৱা মানুহ, ডিকেন্সত এনে এক সৃজনীশীল কলাকাৰ যি চলন্ত বাস্তৱক এটা নতুন আৰু গভীৰ ভাবাবেগপূৰ্ণ গ্ৰহণযোগ্য ৰূপলৈ ৰূপান্তৰিত কৰে। বাইৰন এনে এক প্ৰতিভা যি নিজেই নিজৰ বিৰোধিতা কৰে। ডিজৰেলি

এক স্বপ্নদ্রষ্টা যি সপোনক দিঠকত পৰিণত কৰিবলৈ চেষ্টা কৰি ব্যৰ্থ মনোৰথ হয় আৰু শ্যেলি হ'ল এক স্বপ্ন ৰচোঁতা যি বাস্তৱৰ বিৰুদ্ধে যুদ্ধ কৰে আৰু আকাশত শিৰ থৈ তেওঁ বাস্তৱ অস্তিত্বৰ কঠিন শিলত সদায়েই উজুটি খাই গৈ থাকে।

শ্যেলীৰ ৰমন্যাসিক জীৱনী 'এৰিয়েল'ৰ ইংৰাজী অনুবাদ প্ৰকাশ পায় ১৯২৪ চনত। 'এৰিয়ে'ল গতানুগতিক ধৰণৰ জীৱনী নহয়, বৰং ই উপন্যাসোপম আৰু সেইকাৰণে ই প্ৰকাশ হোৱাৰ লগে লগে সৰ্বত্ৰ সমাদৃত হয়।

ছাৰ বিশ্বি শ্যেলিৰ নাতি আৰু পাৰ্লামেন্টৰ সদস্য টিমথি শ্যেলীৰ পুত্ৰ পাৰ্চি বিশ্বি শ্যেলীৰ স্কুলীয়া জীৱন কাহিনীৰে 'এৰিয়েল' আৰম্ভ হৈছে। সৰুৰে পৰা শেলী আছিল কল্পনাপ্ৰৱণ। তেওঁ যেন এখন অবাস্তৱ কাল্পনিক ৰাজ্যৰ অধিবাসী। ইটনৰ স্কুলত পঢ়াৰ সময়ত তেওঁ টেমছ নদীৰ পাৰে পাৰে ঘূৰি ফুৰিবলৈ ভাল পাইছিল।

১৮১০ চনত শ্যেলী অক্সফোৰ্ডলৈ যায়। ওখপাখ দেখনিয়াৰ শ্যেলীয়ে দৰ্শন শাস্ত্ৰ অধ্যয়ন কৰিবলৈ লয়। অক্সফোৰ্ডত থকা সময়ত তেওঁ হেৰিয়েট গ্ৰোভ বোলা এজনী ছোৱালীলৈ ভালেমান প্ৰেমপত্ৰ লেখিছিল। কিন্তু হেৰিয়েটে শ্যেলীক প্ৰত্যাখ্যান কৰিলে।

এই সময়তে শ্যেলীয়ে 'নাস্তিকতাৰ আৱশ্যকতা'(The Necessity of Atheism) নামৰ পুস্তিকা এখন লেখে। নাস্তিকতা প্ৰচাৰ কৰাৰ অভিযোগত অক্সফোৰ্ডৰ কৰ্তৃপক্ষই শ্যেলীক বিশ্ববিদ্যালয়ৰ পৰা বহিষ্কাৰ কৰে। শ্যেলীৰ সৈতে জেফাৰ্চন হগ নামৰ এজন বন্ধুও বহিষ্কৃত হয়। দুয়ো বন্ধু লণ্ডনলৈ গ'ল আৰু কপৰ্দক শূন্য অৱস্থাত ঘূৰি ফুৰিবলৈ ধৰিলে। লণ্ডনত শ্যেলীয়ে লগ পালে ষোড়শী গাভৰু হেৰিয়েট ৱেষ্টব্ৰুকক। এজন বন্ধুৰ পৰা কিছু টকা ধাৰলৈ লৈ দুয়ো এডিনবৰালৈ গৈ বিয়া কৰায়। শ্যেলীয়ে আয়াৰলেণ্ডৰ কেথলিক আন্দোলন সমৰ্থন কৰি অসংখ্য প্ৰচাৰ পুস্তিকা লেখি ডাব্লিনলৈ পঠিয়ায়।

শ্যেলীয়ে পত্নী হেৰিয়েট আৰু খুলশালিয়েক এলিজাবেথক লগত লৈ ৱেলছ, লিনু মাউথ আদি ঠাইত ঘূৰি পকি লণ্ডনলৈ আহে আৰু লণ্ডনত 'পলিটিকেল জাষ্টিছ' গ্ৰন্থৰ লেখক উইলিয়াম গড়্‌উইনৰ সৈতে বন্ধুতা সূত্ৰত

জড়িত হয়। গড্‌উইন আৰু শ্যেলীক কেন্দ্ৰ কৰি এটা গোষ্ঠী গঠন হয়। কিন্তু টকা পইচাৰ নাটনিয়ে শ্যেলীক সদায় বিব্ৰত কৰি ৰাখিছিল। তেওঁ নিজৰ কাৰণে আৰু গডউইন আদি দুখীয়া লেখকৰ ভৰণ-পোষণৰ কাৰণে হাতেৰে ঢুকি পোৱা সকলো উৎসৰ পৰা ঋণ লৈছিল। ইতিমধ্যে তেওঁ কুইন মেব' নামৰ কাব্য লেখিবলৈ লৈছিল।

শ্যেলীৰ পত্নীয়ে এই সময়তে এজনী কন্যা সন্তানৰ জন্ম দিয়ে। ইয়াৰ পিছৰ পৰা শ্যেলী আৰু হেৰিয়েটৰ মাজত মনোমালিন্য আৰম্ভ হয়। তাই শ্যেলীক এৰি গুচি যায়। এইদৰে শ্যেলীৰ প্ৰথম বিবাহ ব্যৰ্থতাত পৰিণত হয়।

ইতিমধ্যে শ্যেলী আৰু গড্‌উইনৰ জীয়েক মেৰীৰ মাজত প্ৰেম হয়। দুয়ো ছুইজাৰলেণ্ডলৈ পলাই যায়। কিছুদিন পিছত পুনৰ দুয়ো লণ্ডনলৈ উভতি আহে। মেৰীৰ এটি সন্তান হয়, কিন্তু এমাহৰ ভিতৰতে সন্তানটোৰ মৃত্যু হয়। মেৰীয়ে ভনীয়েক ক্লেয়াৰ আৰু গিৰিয়েক শ্যেলীৰ মাজত দৈহিক সম্পৰ্ক থকা বুলি সন্দেহ কৰিবলৈ লোৱাত ক্লেয়াৰে শ্যেলীহঁতৰ ঘৰৰ পৰা আঁতৰি গৈ লৰ্ড বায়ৰনৰ সৈতে সম্পৰ্ক গঢ়ি তোলে।

১৮১৬ চনত শ্যেলী দম্পতি ছুইজাৰলেণ্ডলৈ যায়। তাত ক্লেয়াৰক লগ পায়। ক্লেয়াৰ তেতিয়া প্ৰেমিক বায়ৰনৰ অপেক্ষাত আছিল। তাত শ্যেলী আৰু বায়ৰনৰ সাক্ষাৎ হয়।

শ্যেলী দম্পতি ইংলেণ্ডলৈ ঘূৰি অহাৰ কিছুদিন পিছতে শ্যেলীৰ প্ৰথমা পত্নী হেৰিয়েট ছাৰ্পেনটাইন নামৰ নিজৰাত বুৰ গৈ মৰে। শ্যেলীয়ে হেৰিয়েটৰ সন্তান দুটাৰ দায়িত্ব লব খোজাত আদালতে তাত সন্মতি নিদিলে। কাৰণ শ্যেলীৰ নাস্তিক মনোভাব কৰ্তৃপক্ষৰ মন:পুত নাছিল। শ্যেলীয়ে ঘৈণীয়েক আৰু ল'ৰা-ছোৱালী কেইটাক লৈ ইটালীলৈ পলাই গ'ল। পিছত এমিলিয়া নামৰ এজনী ছোৱালীৰ সৈতে শ্যেলী প্ৰেমত পৰিল। কিন্তু এমিলিয়াৰ বিয়া হৈ গ'ল আন এজন লোকৰ সৈতে। ৰাভেনাত শ্যেলীয়ে বায়ৰনক পুনৰ লগ পালে। তাতেই ট্ৰেলনি নামৰ এজন নাবিকৰ সৈতে শ্যেলীৰ পৰিচয় হ'ল। ট্ৰেলনিৰ পৰা এখন নাও লৈ শ্যেলীয়ে সাগৰত ঘূৰি ফুৰিবলৈ ধৰিলে। নাওখনৰ নাম ৰাখিলে 'এৰিয়েল'। ১৮২২ চনৰ জুলাই মাহত দুজন বন্ধুৰ

সৈতে নাৱেৰে সাগৰত ফুৰোঁতে হঠাৎ ধুমুহাই নাওখন বুৰাই পেলায়। প্ৰায় এসপ্তাহৰ পিছত শ্যেলীৰ মৃতদেহ সাগৰৰ পাৰত পোৱা গ'ল।

আঁদ্ৰে মৰোৰ 'এৰিয়েলে' জীৱনী-সাহিত্যৰ এক নতুন ৰীতি প্ৰতিষ্ঠা কৰিলে। সেইকাৰণে এই গ্ৰন্থ স্মৰণীয় হৈ আছে। * * *

শ্যেলীৰ জীৱনৰ শোকাৱহ সমাপ্তিৰ বৰ্ণনাই বিশ্বৰ পাঠক বৃন্দৰ সহানুভূতিৰ সৃষ্টি কৰে। ৰোমাণ্টিক কবিৰ সম্পূৰ্ণ লক্ষণ প্ৰকাশ পাইছিল শ্যেলীৰ জীৱনত। আঁদ্ৰে মৰোৰ বৰ্ণনাত এই ৰোমাণ্টিক প্ৰাণ যিদৰে ব্যক্ত হৈছে, সেয়ে জগতৰ মন উদাস কৰি তোলে। শ্যেলীৰ বাবে প্ৰেমেই আছিল সত্য। এই সত্যৰ কাৰণে তেওঁ সমাজ সংসাৰ সকলো জলাঞ্জলি দিছিল।ৰোমাণ্টিক কবিৰ ব্যক্তিত্ব আঁদ্ৰে মৰোৱে যিদৰে প্ৰকাশ কৰিছে, সি অতুলনীয়।

জেমছ্ জায়েছৰ ইউলিছিছ্

(১৭)

ইংৰাজী-সাহিত্যত 'ইউলিছিছ্' এখন অদ্বিতীয় গ্ৰন্থ। ই এখন সহজ-সৰল উপন্যাস নহয়, কোনো কল্প কাহিনীও নহয়, বা ব্যংগ বা সুদীৰ্ঘ স্মৃতিচাৰণ, একেবাৰেই নহয়। অথচ ইয়াত এই আটাইবোৰৰে উপাদান আছে। ডাবলিনৰ ইহুদী লিওপোল্ড ব্লুমৰ জীৱনৰ এটা দিনৰ ঘটনাৰ কাহিনী 'ইউলিছিছ্।' ব্লুম এজন কেনভেছাৰ, তেওঁ গায়িকা মেৰিয়ন ব্লুমৰ স্বামী। ঘটনাৰ তাৰিখ ১৬ জুন, ১৯০৪ চন। ৰাতিপুৱাৰ আহাৰ প্ৰস্তুতি, বিভিন্ন অফিচলৈ গমন, শেষকৃত্যৰ অনুষ্ঠান এটাত উপস্থিতি, সাগৰৰ পাৰ, মদৰ দোকান, বেশ্যালয়লৈ গমন, ঘোঁৰা-গাড়ীৰ গাড়োৱান এটাৰ ঘৰত বন্ধুৰে সৈতে কথোপকথন আৰু অৱশেষত নিদ্ৰামগ্ন পত্নীৰ ওচৰলৈ প্ৰত্যাবৰ্তন-ঠিক যিদৰে পত্নীৰ প্ৰাত:কালীন নিদ্ৰাৰ সময়ত ঘটনাৱলী আৰম্ভ হৈছিল, সেইদৰে তাৰ সামৰণিও পৰিছে পত্নীৰ নিদ্ৰাৰ সময়ত।

১৯১৪ চনৰ পৰা ১৯২১ চনলৈ সুদীৰ্ঘ সাতবছৰ কাল জয়েছে 'ইউলিছিছ' ৰচনাত ব্যয় কৰে। ৰচনা কৰে ট্ৰিয়েষ্ট, জুৰিখ আৰু পেৰিছত; কিন্তু তেওঁৰ প্ৰায়বোৰ ৰচনাৰ দৰে ইও সম্পূৰ্ণ ভাৱে জৰিত আছিল আয়াৰলেণ্ড বিশেষকৈ ডাবলিনৰ লগত। জয়েছে ডেকা কালৰ ডাবলিনখন ইয়াত হুবহু নৱ ৰূপায়ণ কৰিছে। ইয়াত গোৱা গীতবোৰ, পতা কথা-বতৰাবোৰ, তাত থকা বাট আৰু ঘৰবোৰৰ ছবি এখনো আছে। আৰু তাৰ সকলোবোৰ মদৰ দোকানতো আছেই।(তেওঁ ১৯০৪ চনত আয়াৰলেণ্ড এৰিছিল)। ১৮৮২ চনত তেওঁৰ জন্ম হৈছিল। ছাত্ৰ জীৱনতে কপৰ্দকশূন্য অৱস্থাত তেওঁ আয়াৰলেণ্ডৰ পৰা গুচি আহিছিল। তাৰপিছত তেওঁ বাৰ-দিয়েকহে আয়াৰলেণ্ডলৈ গৈছিল। লগত নোৰা বাৰ্নাকল নামৰ এজনী ছোৱালী নিছিল; এই ছোৱালীজনীকে জেমছে পিছত বিয়া কৰাইছিল। বন্ধু-বান্ধৱে তেওঁ আয়াৰলেণ্ডলৈ কিয় উভতি নাহিল বুলি সুধিলে তেওঁ সহজভাৱে কৈছিল, 'মই কোনোবাদিনা আয়াৰলেণ্ড এৰি আহিছোঁ নেকি ?'

অন্যান্য আধুনিক লেখকে এছোৱা নিৰ্দিষ্ট কালৰ এখন মহানগৰ বা এটা সামাজিক পৰিৱেশৰ পুনৰ ৰূপায়ণ কৰাত মনোনিবেশ কৰে; কিন্তু জয়ছৰ দৰে কোনেও সম্পূৰ্ণ আন্তৰিকতাৰে এনে পুনৰ সৃষ্টি কৰিব পৰা নাই। গ্ৰন্থখনৰ মৌলিকতা ইয়াতেই যে জয়েছে তেওঁৰ চৰিত্ৰসমূহৰ কাৰ্যকলাপ আৰু সচেতন চিন্তাৰ পুনৰ সৃষ্টি কৰাৰ ওপৰিও ইবোৰৰ অ:ধাৰখনীয়া চিন্তা, সচেতন কাম-কাজৰ লগে লগে অৱচেতনাই জন্ম দি যোৱা অবিৰত কল্প-ৰূপবোৰবো নৱ-ৰূপায়ণ কৰিছে আৰু এই কাম কৰিবলৈ তেওঁ এক পদ্ধতিৰ উদ্ভাৱন কৰিলে—যাক কোৱা হয় 'চেতনা-প্ৰবাহ'(ষ্ট্ৰিম অৱ কন্‌ছাছনেছ)।

জেমছৰ আগতে বহু লেখকে 'আভ্যন্তৰীণ একক উক্তি'ৰ ৰীতি তেওঁলোকৰ ৰচনাত প্ৰয়োগ কৰিছিল যদিও তেওঁৰ নিচিনাকৈ অৱচেতন মনৰ কথাবোৰ ইমান তন্ন তন্নকৈ, ইমান আঙ্গিকতাত সাহসিকতাৰে আৰু অপৰম্পৰাগত ভাষা আদিৰে প্ৰকাশ কৰা নাছিল। 'চেতনা-প্ৰৱাহ' ৰীতিয়ে সাহিত্যক এক অভিনৱ পদ্ধতি দান কৰিলে। কাৰণ এই পদ্ধতি প্ৰয়োগ কৰি লেখকে চৰিত্ৰসমূহৰ মনৰ অন্তৰালৰ কথাবোৰ প্ৰকাশ কৰাৰ সুবিধা পালে। কেৱল লেখকৰ বৰ্ণনাৰ দ্বাৰা অৱচেতনক সম্পূৰ্ণৰূপে প্ৰকাশ কৰিব নোৱাৰি। জেমছে এই পদ্ধতি অৱলম্বনৰ জৰিয়তে আধুনিক ইংৰাজী প্ৰকাশভংগীৰ সৈতে ঠায়ে ঠায়ে মধ্যযুগীয় আৰু ভিক্টোৰিয়ানযুগীয় প্ৰকাশভংগীৰ সমাহাৰ ঘটাই ইংৰাজী ভাষাকো সমৃদ্ধ কৰে।

চেতনা-প্ৰবাহ পদ্ধতিৰ প্ৰয়োগৰ লগে লগে গ্ৰন্থখনৰ বিভিন্ন উপ-কাহিনীত ইংৰাজী ৰচনাশৈলীৰ বহু ব্যঙ্গাত্মক অনুকৰণ ইচ্ছাকৃতভাৱেই কৰা হৈছে। উদাহৰণ স্বৰূপে ব্লুম প্ৰসূতি চিকিৎসালয়লৈ যোৱাৰ যি বৰ্ণনা দিয়া হৈছে, সেই অধ্যায়বোৰত মধ্য ইংৰাজীৰ পৰা ভিক্টোৰিয়া যুগৰ ইংৰাজী গদ্যলৈ এই কালছোৱাত হোৱা ইংৰাজী ৰচনাশৈলীৰ ক্ৰমবিকাশৰ ছবি এখন পোৱা যায়। এটা সময়ত ব্লুম সাগৰৰ পাৰে পাৰে ঘূৰি ফুৰোতে জাৰ্টি মেকডাৱেল নামৰ ছোৱালী এজনীয়ে তেওঁক লক্ষ্য কৰি আছিল। ছোৱালীজনী খোৰা আছিল। এই সংক্ৰান্ত বৰ্ণনাত তেওঁ ভালেমান পৃষ্ঠা ব্যয় কৰিছে। ইয়াত ছোৱালীজনীয়ে বালিত বহি তেওঁলৈ চাই থাকোতে তাইৰ মনোজগতত কি ধৰণৰ চিন্তাৰ, কল্পনাৰ সোঁত বৈ আছিল, তাৰ যি বৰ্ণনা দিছে, সি ভিক্টোৰিয়া

যুগৰ মহিলা-আলোচনীত ওলোৱা ক্ষুদ্ৰ উপন্যাসিকাৰ ৰচনাশৈলীৰ লেখীয়া।

জয়েছে ৰচনা-কৌশল সম্পূৰ্ণ আয়ত্ব কৰিব পাৰিছিল কাৰণেই ইংৰাজী ভাষাৰ থকা সকলো মাধুৰ্য তেওঁ লেখনিত মূৰ্ত কৰি তুলিব পাৰিছিল। দেখাত তেওঁৰ ৰচনাশৈলীৰ কিটিপ যেন লাগিলেও, আচলতে সি কিটিপ নাছিল; আছিল জীৱনৰ অংশ এটাৰ চিত্ৰায়ণ কৰোতে প্ৰয়োগ কৰা প্ৰয়োজনীয় বৰ্ণালীগত উপাদান।

'ইউলিছিছ' প্ৰথমে প্ৰকাশ কৰে পেৰিছৰ দি ছেক্সপীয়েৰ এণ্ড কোং প্ৰেছৰ মালিকনী ছিলভিয়া বীচে। সমসাময়িক ভালেমান পৰীক্ষামূলক ৰচনা ছিলভিয়া বীচে প্ৰকাশ কৰিছিল। উপন্যাসখন প্ৰকাশ পোৱাৰ লগে লগে ইংলেণ্ড, ফ্ৰান্স আৰু আমেৰিকা যুক্তৰাজ্যৰ সাহিত্যৰসিকসকলে ইয়াক আদৰণি জনায়। কিন্তু চৰকাৰী কৰ্তৃপক্ষৰ ৰোষ ইয়াৰ ওপৰত নপৰাকৈ নাথাকিল। ব্ৰিটিছ ডাকবিভাগে উপন্যাসখনৰ ভালেমান কঁপি বাজেয়াপ্ত কৰি পুৰি পেলালে। জন মেছফিল্ড, টি-আৰ ট্ৰেভেলিয়ান, আৰ্নল্ড বেনেট, গেলছৱৰ্থি, ফিলিপ গিৱছ, এইচ-জি-ৱেলছ, ইউ ৱালপোল, ইয়েটছ, টি-এছ এলিয়েট, আৰ্নেষ্ট হেমিংৱে প্ৰমুখ্য কবি সাহিত্যিক বৃন্দই চৰকাৰৰ এই কাৰ্যৰ তীব্ৰ প্ৰতিবাদ জনালে। ১৯৩৩ চনত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ১৯৩৬চনত ইংলেণ্ডত 'ইউলিছিছ'ৰ ওপৰৰ পৰা নিষেধাজ্ঞা উঠাই লোৱা হয়।আজিকালি ইংলেণ্ড আৰু আমেৰিকাৰ ভালেমান বিশ্ববিদ্যালয়ত সাহিত্য পাঠ্যক্ৰমত এই উপন্যাস অন্তৰ্ভুক্ত হৈছে।

ডাবলিন মহানগৰ, ইয়াৰ একাংশ লোকৰ জীৱন, ইয়াৰ অন্ধকাৰ দিশৰ উপৰিও জয়েছে উপন্যাসখনত মানৱজাতিৰ এক সামগ্ৰিক দৃশ্যাৱলীৰো অৱতাৰণা কৰিছে। হোমাৰৰ ওডিছি মহাকাব্যৰ নায়ক ইউলিছিছৰ সমান্তৰালভাৱে ব্লুমৰ চৰিত্ৰ আঁকিছে- কিন্তু পটভূমিৰ পৰিবৰ্তন হৈছে। ব্লুমৰ পত্নী মেৰিয়নৰ সৈতে ইউলিছিছৰ পত্নী পেনিল'পৰো তুলনা কৰা হৈছে।

লিওপোল্ড ব্লুমৰ উপৰিও আন এটা গুৰুত্বপূৰ্ণ চৰিত্ৰ হ'ল ষ্টিফেন ডেডালাছ।

উপন্যাসখন পঢ়ি যোৱাৰ লগে লগে পাঠকে উপলব্ধি কৰে যে যিদৰে ইউলিছিছ প্ৰাচীন কালৰ নায়ক আছিল, সেইদৰে লিওপোল্ড ব্লুমো আধুনিক কালৰ নায়ক। এই চৰিত্ৰটোক জয়েছে শাৰীৰিক আৰু মানসিক ভাৱে নিৰাভৰণ

ৰূপত প্ৰদৰ্শন কৰিছে। সি উদাৰ, কুসংস্কাৰহীন, নিৰ্ভীক আৰু দয়ালু- ঠিক হোমাৰৰ ইউলিছিছৰ দৰে।

ইউলিছিছ্ এনে এখন গ্ৰন্থ যাৰ সাৰাংশ হিছাপে কোনো কথা লিপিবদ্ধ কৰিব নোৱাৰি। ই বিশ্বসাহিত্যৰ একাধাৰে কঠিন অথচ আকৰ্ষণীয় গ্ৰন্থ। বিশ্বসাহিত্যৰ এই যুগান্তকাৰী উপন্যাসৰ প্ৰভাৱ পৃথিৱীৰ বহুতো সাহিত্যতে পৰা দেখা যায়।

হেনৰি ফিল্‌ডিঙৰ টম জ'নছ্

(৯৮)

হেনৰি ফিল্‌ডিং প্ৰণীত উপন্যাস 'টম জ'নছ্' প্ৰকাশিত হৈছিল ১৭৪৯ চনত। যদিও ই ইংৰাজী সাহিত্যৰ প্ৰথম উপন্যাস নহয়, তথাপি এই উপন্যাসতে ইংলেণ্ডৰ খেতিয়ক, ভাড়াঘৰৰ মালিকনী, স্কুলৰ শিক্ষক, গাঁৱলীয়া ভদ্ৰলোক, ধূন মৰা মহিলা ইত্যাদিৰ চৰিত্ৰ সামৰি পোন-প্ৰথমবাৰৰ বাবে গদ্যত ইংৰাজ সমাজৰ এখন পৰিপূৰ্ণ ছবি পৰিস্ফুট হৈ উঠিছিল। এক বিশাল পটভূমিত সমসাময়িক জীৱনৰ যি ছবি ফিল্‌ডিঙে আঁকিছিল, সেই ছবি আজিও জীৱন্ত হৈ আছে আৰু সেইবাবে ই মহৎ সাহিত্যৰ মৰ্যাদা লাভ কৰিছে।

টম জ'নছ্ আছিল তুলি লোৱা পৰিত্যক্ত সন্তান। ধনী, ধাৰ্মিক গাঁৱলীয়া ভদ্ৰলোক অলৱাৰ্ডিৰ ঘৰৰ দুৱাৰমুখত পাই অলৱাৰ্ডিয়ে তেওঁৰ ভাগিন ব্লিফিলৰ সৈতে টম জ'নছ্‌কো তুলি-তালি ডাঙৰ দীঘল কৰিলে। ডাঙৰ হ'লত টম জ'নছ্ স্ফূৰ্তিবাজ জমিদাৰ বেষ্টাৰ্নৰ কন্যা ছোফিয়া বেষ্টাৰ্নৰ প্ৰেমত পৰে। অলৱাৰ্ডিৰ সৈতে তাৰ মনোমালিন্য হোৱাত সি ৰজাৰ সৈন্যদলত যোগ দিলেগৈ। বহু ৰোমাঞ্চকৰ অভিযানৰ শেষত সি লণ্ডনলৈ আহিল। লণ্ডনত সি নানা প্ৰেমৰ ঘটনাৰ সৈতে জড়িত হ'ল। এনেকুৱা এটা ঘটনাত দ্বন্দ্বযুদ্ধৰ পৰিণতিত সি কাৰাৰুদ্ধ হ'ল। ইতিমধ্যে অলৱাৰ্ডিয়ে গম পাইছিল যে টম জ'নছ্ প্ৰকৃততে তেওঁৰ ভনীয়েকৰে অবৈধ সন্তান। গতিকে অলৱাৰ্ডিয়ে তাক জেলৰ পৰা উদ্ধাৰ কৰি আনিলে। টমে মোমায়েকৰ সম্পত্তি পাই ছোফিয়াক বিয়া কৰালে। ব্লিফিলে টমৰ প্ৰকৃত পৰিচয় অলৱাৰ্ডিৰ পৰা বহুদিনলৈ লুকুৱাই ৰাখিছিল। ধৰা পৰাত ব্লিফিলক মোমায়েক অলৱাৰ্ডিয়ে ককৰ্থনা কৰিলে। ব্লিফিল হ'ল উপন্যাসখনৰ খলনায়ক।

ইংৰাজী উপন্যাসৰাজিৰ মাজত টম জ'নছৰ চৰিত্ৰ আজিও জীৱন্ত হৈ আছে এই কাৰণেই যে ফিল্‌ডিঙে চৰিত্ৰটো সৃষ্টি কৰিছিল বাস্তৱানুগভাৱে। সুদৰ্শন, বলৱান, ৰোমাঞ্চপ্ৰিয় টমে পৰিপূৰ্ণ জীৱন যাপন কৰিছিল। ছোফিয়াৰ

প্ৰতি প্ৰেম অটুট থকা সত্ত্বেও তেওঁ আন নাৰীৰ সৈতে হুলিগলি কৰিবলৈ দ্বিধা নকৰিছিল।

জুন মাহৰ এদিন সাঁজ লগাৰ পৰত তেওঁ এখন কুঞ্জবনত খোজ কাঢ়ি আছিল। কাষতে নাইটিংগেল চৰাই এটাই গীত গাইছিল। কাষেদি বৈ গৈছিল এটি জুৰি। তেওঁৰ বুকুখন তেওঁৰ মৰমৰ ছোফিয়াৰ প্ৰতি ভাল পোৱাৰে উপচি পৰিল। তেওঁৰ হাতত এখন কলম কটাৰি আছিল। তাৰে তেওঁ গছ এজোপাৰ গাত ছোফিয়াৰ নামটো লিখিবলৈ লৈছিল। এনেতে হঠাৎ তেওঁৰ চকুত পৰিল, খেতিয়কৰ ঘৰৰ ছোৱালী এজনী আহি আছে। তেওঁৰ মনত পৰিল, এই ছোৱালীজনীৰ লগত তেওঁ শুইছিল। এতিয়া তাইৰ পৰা আঁতৰি ফুৰিছে। সেই ছোৱালীজনীয়ে এতিয়া তেওঁৰ ফালে আহি আছে।

তেওঁ উচপ খাই উঠিল। দেখিলে— তেওঁ ছোফিয়া নহয়। কোনো ডাঙৰ ঘৰৰ ছোৱালীও নহয়। যিটো গাউন পিন্ধি আহিছে, সি বেছ ডাঠ খহটা কাপোৰৰ। তাৰ পৰা এটা গোন্ধ ওলাই আহিছে— দিনটোৰ খাটনিৰ শেষত দেহৰ পৰা ওলোৱা গোন্ধ। তাইৰ হাতত এটা ওখোন। ছোৱালীজনী তেওঁৰ কাষ চাপি আহি আহি এবাৰ হাঁহি হাঁহি চিঞৰ মাৰি উঠিল; 'মোক হত্যা কৰিব খোজা নাইতো আপুনি ? জ'নছে উত্তৰ দিলে, 'তোমাক হত্যা কৰিম বুলি কিয় ভাবিলা ?' তাই ক'লে 'মই আপোনাক শেষবাৰ লগ পাওঁতে যি নিষ্ঠুৰ ব্যৱহাৰ কৰিলে, মোক মাৰি পেলোৱা হ'লেই মোক আটাইতকৈ অধিক দয়া কৰা হ'লহেঁতেন।'

এইখিনিতে যিবোৰ কথা-বতৰা তেওঁলোকৰ মাজত হ'ল, সেই বিষয়ে কবলৈ মই বাধ্য নহওঁ কাৰণে বাদ দিলোঁ। এইখিনি মাত্ৰ ক'লেই যথেষ্ট হ'ব যে তেওঁলোক পূৰা ১৫ মিনিট সময় তাতেই মেল মাৰি থাকিল আৰু মেল ভাগিলত দুয়ো কুঞ্জবনখনৰ আটাইতকৈ আবুৰ থকা ঠাইডোখৰলৈ গুচি গ'ল।

ছোফিয়াৰ প্ৰতি টম জ'নছৰ ভাল পোৱা আনৰ প্ৰতি প্ৰলোভনযুক্ত নহয় যদিও, এষাৰ কথা ঠিক যে ই মহৎ আৰু অবিৰত আছিল।

ছোফিয়ায়ো টমক স্বামী হিছাপে অযোগ্য বুলি ভবা নাছিল। এজন সাধাৰণ কামনা বাসনাৰে পূৰ্ণ মানুহক উপন্যাসত পোন প্ৰথমবাৰৰ বাবে নায়কৰূপে প্ৰতিষ্ঠা কৰি ফিলডিঙে সাহিত্যত নতুন আদৰ্শ স্থাপন কৰিলে।

টম জ'নছৰ চৰিত্ৰৰ ওপৰিও, উপন্যাসখনত এনে কিছুমান অনুপম দিশ আছে যি বিভিন্ন জনক বিভিন্ন ধৰণে আকৰ্ষণ কৰে। কেৱল হঁহুৱাবৰ কাৰণেই হাঁহি নোতোলাকে, যাক লৈ ব্যঙ্গ কৰা হয় তেওঁক কেৱল অন্ত:সাৰশূন্য আৰু নিৰ্বোধ বুলি প্ৰতিপন্ন কৰাৰ উদ্দেশ্যেৰে ব্যঙ্গ নকৰাকৈ ফিল্‌ডিঙে এনে পৰিবেশৰ ৰচনা কৰিছে যি হাস্যোদ্দীপক আৰু ব্যঙ্গাত্মক।

তুৰস্কৰ এজন ঐশ্বৰ্যশালী সদাগৰৰ 'অতি সুন্দৰ স্বাস্থ্যৰ, উমলগা দৈহিক গঠন আৰু ধৰ্মলৈ যথেষ্ট মতি থকা বিধৱা পত্নী গৰাকীয়ে আকৌ বিয়া কৰোৱা উচিত হৈ পৰিছিল। তেওঁ সুদৰ্শন জ'নছলৈ এখন চিঠি দিছিল। সেই চিঠিখনতকৈ কিবা অধিক মৰ্মস্পৰ্শী অথচ উদ্ভট কথা থাকিব পাৰে বুলি ভবা টান। চিঠিখন আছিল,

মহোদয়,

"মই যিদিনা আপোনাক প্ৰথম দেখিলো সেই দিনাই মোৰ সন্দেহ উপজিল, মোৰ চকুহালে হয়তো আপোনাক পেনপটীয়াভাবেই কৈ দিলে যে আপুনি মোৰ প্ৰতি উদাসীন নহয়। কিন্তু মোৰ জিভাই বা মোৰ হাতে ইয়াক সঁচা বুলি ব্যক্ত নকৰিলেহেঁতেন যদি আপুনি থকা ঘৰটোৰ পৰিয়ালৰ মহিলাসকলে আপোনাৰ চৰিত্ৰ সম্বন্ধে প্ৰশংসা নকৰিলেহেঁতেন। মোৰ দৃঢ় বিশ্বাস হৈছে, আপুনি এজন অমায়িক পুৰুষ, তাতোকৈ আপুনি সকলো পুৰুষৰ ভিতৰত উত্তম। মোৰ যিমান ধন-দৌলত আছে, তাৰে আমি দুয়ো সুখে-শান্তিৰে থাকিব পাৰিম। কিন্তু আপুনি নহ'লে সেই সুখ অৰ্থহীন। জানো মই এইদৰে আপোনাৰ ওপৰত সকলো উজাৰি দিয়াৰ কাৰণে, পৃথিৱীৰ আগত মই গৰিহণাৰ পাত্ৰী হম, কিন্তু মই পৃথিৱীলৈ যিমান ভয় কৰোঁ, তাতকৈ অধিক যদি আপোনাক ভাল নাপাওঁ, তেন্তে মই আপোনাৰ যোগ্যা হ'ব নোৱাৰিম। এটা মাত্ৰ বাধাই মোৰ বাটত বিঘি পথালি দিছে; শুনিছো, আপুনি হেনো এগৰাকী লাহৰী নাৰীক উদ্ধাৰৰ কাৰণে কাৰ্যক্ষেত্ৰত নামিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হৈছে। যদি মোক পাবৰ কাৰণে সেইটো ত্যাগ কৰাটো আপুনি উচিত বুলি ভাবে, তেনেহ'লে মই আপোনাৰ, অন্যথায় মোৰ এই দুৰ্বলতাৰ কথা মনৰ পৰা মচি পেলাওক আৰু এই কথা আপোনাৰে মোৰে মাজৰ এটা গোপন বিষয় ৰূপেই কাললৈ থাকি যাওক।— আৰাবেলা হাণ্ট।"

উপন্যাসখনত আৰু এটা মনোৰম দিশ আছে। সেইটো হৈছে পৰিৱেশ বা উপন্যাসখনৰ কাব্য।

উপন্যাসখনৰ মাজ ভাগতে এটা উপাখ্যানৰ অৱতাৰণা কৰা হৈছে: এক পৰ্বতবাসী বৃদ্ধ। তেওঁ মানুহৰ সমাজ ত্যাগ কৰি এটা ওখ পৰ্বতৰ দাঁতিৰ ঘৰ এটাত বাস কৰা এক মানব-বিদ্বেষী। তেওঁ টম জ'নছৰ আগত তেওঁৰ জীৱন বৃত্তান্ত কৈছে।

এইদৰে উপন্যাসখনত তৎকালীন ইংলেণ্ডৰ সমাজখনৰ এটা ৰূপ পোৱা যায়।

ওঠৰ শতিকাৰ সভ্য সমাজৰ বহুতেই কিতাপখন ভাল চকুৰে চোৱা নাছিল। কিন্তু বুৰঞ্জীবিদ গিবন, ঔপন্যাসিক স্কট আৰু থেকাৰেই টম জ'নছক প্ৰশংসা কৰিছিল।

মানৱ-চৰিত্ৰৰ ওপৰত ফিল্ডিঙৰ দখল আছিল বিস্ময়কৰ ধৰণৰ। বুদ্ধিদীপ্ত মন আৰু বিস্তৃত অভিজ্ঞতাই ফিল্ডিঙক সাৰ্থক ঔপন্যাসিক হিচাপে গঢ় দিছিল। ১৭০৭ চনত এটা অভিজাত পৰিয়ালত তেওঁৰ জন্ম হয়। তেওঁ ওকালতি পঢ়িছিল যদিও আইনতকৈ সাহিত্যৰ প্ৰতিহে বেছিকৈ আকৰ্ষিত হৈছিল। ২৮ বছৰ বয়সত তেওঁ বিয়া কৰাই আৰ্থিকভাৱে কিছু লাভবান হৈছিল। কিন্তু নিজৰ লাহ-বিলাহ প্ৰৱণ স্বভাৱৰ কাৰণে লণ্ডনত ৰংগমঞ্চ আৰু সাংবাদিকতাৰ সৈতে জড়িত হৈ জীৱিকা অৰ্জন কৰিবলগীয়া হৈছিল। জীৱনৰ শেষৰফালে চৰকাৰে তেওঁক বৃত্তিধাৰী দণ্ডাধীশৰ পদত নিযুক্ত কৰিলে। প্ৰথমা পত্নীৰ মৃত্যুৰ পিছত পত্নীৰ পৰিচাৰিকা গৰাকীক তেওঁ বিয়া কৰায়। ১৭৫১ৰ পৰা তেওঁৰ স্বাস্থ্যৰ অৱনতি ঘটিবলৈ ধৰে। ১৭৫৪ চনত স্বাস্থ্য পুনৰুদ্ধাৰৰ আশাত তেওঁ লিচ্বনলৈ যায়। তাতেই সেই বছৰৰ অক্টোবৰ মাহত তেওঁৰ মৃত্যু হয়।

মানৱ চৰিত্ৰ অংকনত দেখুওৱা গভীৰতা আৰু বিস্তৃতিৰ কাৰণে বহুতেই ফিল্ডিঙক শ্বেক্সপিয়েৰৰ সৈতে তুলনা কৰে। ইংৰাজী সাহিত্যৰ প্ৰখ্যাত সমালোচক জৰ্জ ছেন্টছবেৰিৰ মতে, টম জ'নছ উপন্যাসৰ আটাইবোৰ চৰিত্ৰকে মানৱ প্ৰকৃতিৰ যথাযথ প্ৰতিচ্ছবি আৰু শৈল্পিক ৰীতিৰ প্ৰতি আনুগত্য ৰাখিয়েই ঔপন্যাসিকে সৃষ্টি কৰিছে।

চার্লছ্ ডাৰউইনৰ অৰিজিন অব স্পেছিচ

(১৯)

মানুহৰ চিন্তা-জগতত যদি কোনোবা এখন কিতাপে বিপ্লব আনিছে, তেন্তে সেইখন কিতাপ হ'ল চার্লছ্ ডাৰউইনৰ 'অৰিজিন অব স্পেছিজ' (origin of speciesপ্রজাতিৰ উৎপত্তি)। ১৮৫৯ চনত এই গ্রন্থ প্রকাশ হোৱাৰ আগলৈকে জীৱ তথা মানব জাতিৰ ক্রমবিকাশ সম্পর্কে চিন্তাবিদসকলৰ মনত নানা ধৰণৰ ব্যাখ্যাৰ উদ্ভৱ হৈছিল যদিও এটায়ো পূর্ণৰূপ পৰিগ্রহণ কৰিব পৰা নাছিল। গ্রন্থখন প্রকাশ হোৱাত তেওঁলোকে ক্রমবিকাশৰ এটা সূত্র পালে। ডাৰউইনে অন্ততঃ বিশ্বাসযোগ্যভাৱে ক্রমবিকাশৰ ধাৰাৰ পর্যায়বোৰ উপস্থাপিত কৰিলে।

জন্তু-জানোৱাৰ, গছ-গছনি, মাছ-কাছ, কীট-পতংগ আৰু মানুহ এই বেলেগ বেলেগ জীৱন্ত বস্তুবোৰ আৰম্ভণিৰ পৰাই এনেকুৱা ৰূপ পৰিগ্রহণ কৰি আৱির্ভাৱ হৈছিলনে ? ডাৰউইনৰ সময়লৈকে এই বিশ্বাসেই সাধাৰণভাৱে প্রচলিত আছিল যে জীৱন্ত বস্তুবোৰ আদিৰে পৰা আজি দেখিবলৈ পোৱা ৰূপতে আছিল। প্রত্যেকটো প্রজাতিয়েই হ'ল সৃষ্টিৰ একোটা বিশেষ ক্রিয়াৰ পৰিণতি।

অৱশ্যে এই কথাও সঁচা যে গ্রীকসকলৰ ভিতৰত এৰিষ্টটল, ৰোমান সকলৰ ভিতৰত লুক্রেচিয়াছ, ওঠৰ শতিকাৰ ফৰাচী বিজ্ঞানী লেমার্ক আৰু তেওঁৰ সমসাময়িক ইংৰাজ এৰাছমাছ ডাৰউইনে (চার্লছ ডাৰউইনৰ ককাদেউতাক) ক্রম-বিৱর্তন তত্ত্ব সম্পর্কে জনাই-নজনাই দুই এটা মত দাঙি ধৰিছিল। কিন্তু পাশ্চাত্য জগতৰ সৰহভাগ মানুহৰ মনত তেওঁলোকৰ তত্ত্বই বিশেষ প্রভাৱ বিস্তাৰ কৰিব পৰা নাছিল; মানুহ আদি সকলো বস্তুৱেই ঈশ্বৰৰ আদেশতে হৈছিল বুলি থকা বাইবেলৰ সৃষ্টি তত্ত্বৰ ওপৰতহে বিশ্বাস ৰাখিছিল।

১৮৩১ চনত চার্লছ ডাৰউইনবো সেই বিশ্বাসেই আছিল। পিছত কেপ্তেইন

ফিট্‌জৰয়ৰ অধীনত 'বিগল' নামৰ জাহাজত বৈজ্ঞানিক আবিষ্কাৰৰ বাবে বিশ্বপৰিক্ৰমা কৰা বিজ্ঞানী দলৰ সংগী হোৱাৰ সময়লৈকে চাৰ্লছ ডাৰউইনৰো বাইবেলীয় সৃষ্টি তত্ত্বৰ ওপৰতে বিশ্বাস আছিল। তেতিয়া ডাৰউইন ২৩ বছৰ বয়সীয়া চফল ডেকা। এই কাম পাই ডাৰউইন আনন্দিত হৈছিল। তেওঁৰ দেউতাক আছিল এজন কৃতকৰ্মা চিকিৎসক। দেউতাকে পুতেককো চিকিৎসক কৰিব খুজিছিল আৰু এই উদ্দেশ্যে এডিনবৰা বিশ্ববিদ্যালয়ত ভৰ্তি কৰায়ো দিছিল। কিন্তু ডাৰউইনে চিকিৎসা বিজ্ঞান অধ্যয়ন কৰিবলৈ ভাল নোপোৱাত ধৰ্ম তত্ত্ব শিকিবলৈ তেওঁক কেম্ব্ৰিজলৈ পঠোৱা হ'ল যাতে অধ্যয়নৰ শেষত পাদ্ৰীৰ কাম গ্ৰহণ কৰিব পাৰে। ধৰ্ম তত্ত্বতো তেওঁৰ মন নবহিল। তেওঁৰ মনত প্ৰাকৃতিক ইতিহাস আৰু ভূ-তত্ত্বৰ প্ৰতিহে আগ্ৰহ জন্মিল। এনে সময়তে তেওঁ কেপ্তেইন ফিট্‌জৰয়ৰ লগত অবৈতনিক প্ৰাকৃতিক বিজ্ঞানী হিচাপে যোৱাৰ সুবিধা পালে।

ডাৰউইনে পিছত কৈছিল যে এই সুবিধা তেওঁৰ বাবে আশীৰ্বাদ স্বৰূপ আছিল। ১৮৩৬ চনলৈ তেওঁ জাহাজত ঘূৰি ফুৰে। এই সময়ছোৱাত তেওঁ দক্ষিণ আমেৰিকাৰ উপকূল অঞ্চলৰ ওপৰিও আটলাণ্টিক আৰু প্ৰশান্ত মহাসাগৰৰ বুকুত থকা নানা দ্বীপ তথা অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ডলৈ গ'ল। পাঁচ বছৰ বিভিন্ন ঠাইত ঘূৰি পকি দেশলৈ উভতি অহাৰ পিছত ১৯৩৭ চনত তেওঁ সৃষ্টি তত্ত্ব সম্পৰ্কে চিন্তা কৰিবলৈ লয়। পাঁচ বছৰ ধৰি চিন্তা চৰ্চা কৰি তেওঁ কেতবোৰ টোকা প্ৰস্তুত কৰিলে আৰু ১৮৪৪ চনত টোকাসমূহ বহলাই লিখিলে। ১৮৩৭ চনৰ পৰা ১৮৫৮ চনলৈ কুৰি বছৰৰো অধিক কালৰ গৱেষণাৰ অন্তত ১৮৫৯ চনৰ নৱেম্বৰ মাহত প্ৰকাশ হ'ল তেওঁৰ অক্ষয় কীৰ্তি স্বৰূপ গ্ৰন্থ 'অৰিজিন অব স্পেছিজ'। গ্ৰন্থখনৰ সম্পূৰ্ণ শীৰ্ষক হ'ল The origin of species, by means of Natural Selection or the Preservation of Favoured Races in the struggle for life. (প্ৰাকৃতিক নিৰ্বাচন বা জীৱন সংগ্ৰামত তিষ্ঠি থকা অনুকূল কুলবোৰৰ ৰক্ষণা-বেক্ষণৰ জৰিয়তে জীৱৰ উৎপত্তি):

গ্ৰন্থখনৰ প্ৰতিপাদ্য বিষয় হ'ল— প্ৰজাতিসমূহ বেলেগ: বেলেগকৈ সৃষ্ট হোৱা নাই। অন্য প্ৰজাতিৰ পৰা ক্ৰমবিকাশৰ জৰিয়তে বৰ্তমানৰ ৰূপ পাইছে।

পৰিবেশ, খাদ্যাভাস আদি বাহ্যিক কেতবোৰ অৱস্থাই এই ক্রমবিকাশ আৰু ৰূপান্তৰত সহায় কৰিছে। মানুহে নিজৰ নির্বাচন ক্ষমতাৰ দ্বাৰাও এই ক্রমবিকাশত সহায় কৰিছে। ঘৰচীয়া জীৱ-জন্তুৰ বিকাশ বা হ্রাস পর্যবেক্ষণ কৰি ডাৰউইন এই তত্ত্বত উপনীত হৈছিল।

জীৱন সংগ্রামৰ ফলত কিছুমান জীৱ তিষ্ঠিব নোৱাৰি নিশ্চিহ্ন হৈ গৈছে আৰু এইদৰেই প্রাকৃতিক নির্বাচন সাধিত হৈছে। ডাৰউইনে প্রাকৃতিক নির্বাচনৰ ওপৰত সর্বাধিক গুৰুত্ব দিছে। ক্রমবিকাশৰ যি ধাৰণাই আজি পৃথিৱীৰ শিক্ষিত মানুহৰ মনত ঠাই পাইছে, তাৰ গুৰিতে আছে ডাৰউইনৰ তত্ত্ব। সেইবাবে ডাৰউইনৰ তত্ত্বক বৈপ্লৱিক আখ্যা দিব পাৰি।

গ্রন্থখনত অন্যান্য ভালেমান অধ্যায় আছে। তাতো ডাৰউইনে তেওঁৰ তত্ত্বৰ সম্প্রসাৰণ ঘটাইছে, ইয়াৰ অধিক ব্যাখ্যা দিছে আৰু এই গ্রন্থখনৰ বিৰুদ্ধে উঠিব পৰা আপত্তিবোৰৰ অত্যন্ত গভীৰভাৱে আৰু যুক্তিৰে পৰীক্ষা কৰি চাইছে। ডাৰউইনৰ তত্ত্বৰ, আন নহ'লেও ইয়াৰ সামগ্রিক দিশৰ সত্যতা সম্পর্কে বিচাৰ ক্ষমতাসম্পন্ন বিশেষজ্ঞ লোকক ধৰি ভালেমান লোক পতিয়ন যাব পৰা নাছিল। তেনে মত পোষণ কৰা লোক এতিয়াও আছে। কিন্তু এটা কথা-ডাৰউইনৰ প্রাকৃতিক নির্বাচনৰ তত্ত্ব আৰু আগৰে পৰা চলি অহা, এতিয়াও চলি থকা আৰু আগন্তুক কালতো যিমানদূৰ ভাবিব পাৰি, চলি থাকিব লগা প্রক্রিয়া হিচাপে ক্রমবিৱর্তনৰ তত্ত্বৰ মাজত পার্থক্যৰ সীমাৰেখা এডাল টানিব লাগিব। ই সঁচাকৈয়ে এটা বৈপ্লৱিক আইডিয়া। ই এতিয়া শিক্ষিত নাৰী-পুৰুষৰ মানসিক সঁজুলিৰ অবিচ্ছেদ্য অংগ হৈ পৰিছে। এই ধ্যান ধাৰণাৰ মূলতে হ'ল ডাৰউইনৰ গ্রন্থখন।

ডাৰউইনে তেওঁৰ সামৰণিৰ অধ্যায়ত লেখিছে, এই কিতাপখনত দাঙি ধৰা অভিমতবোৰে মানুহৰ ধর্মীয় অনুভূতিত আঘাত দিয়াৰ কোনো যুক্তিসংগত কাৰণ থাকিব নোৱাৰে। মই যেতিয়া সকলো জীৱকে একোটা বিশেষ সৃষ্টি বুলি গণ্য নকৰি ঠাৱৰ কৰোঁ যে অতি অতীত কালৰে পৰা থকা কিছুমান প্রাণীৰ পৰা বংশ বাগৰি আহি এই অৱস্থা পাইছেহি, তেতিয়া তেওঁলোকে গৌৰৱান্বিত হোৱাহে উচিত।

শেষৰ অনুচ্ছেদটোত থকা কথাখিনিৰ পৰা তলৰ অংশটো উদ্ধৃত কৰি দিলোঁ: এটা জেং জাবৰেৰে ভৰি থকা নদী বা পুখুৰীৰ পাৰৰ কল্পনা কৰক।

তাত বহুতো প্ৰৰণৰ গছ আছে। জোপোহা বিলাকত চৰাই চিৰিকতিয়ে গীত গাই আছে। বহুতো পোক-পৰুৱা ইফালে-সিফালে ঘূৰি ফুৰিছে। এতিয়া ভাবক, এই বহু শ্ৰমেৰে নিৰ্মিত, ইটো-সিটোতকৈ ইমান বেলেগ, আৰু ইমান জটিল ধৰণে ইটোৰ ওপৰত সিটো নিৰ্ভৰশীল হোৱা ৰূপবোৰ আমাৰ চাৰিওফালৰ কিছুমান প্ৰাকৃতিক আইনৰ দ্বাৰা সম্ভৱ হৈছে। এই দৃশ্যটোৰ মাজত জাকজমকতা বা ঐশ্বৰ্য আছে। এইবোৰৰ আদি ৰূপ পৰম স্ৰষ্টা জনেই গঢ়িছিল। পৃথিৱীখন আৱৰ্তিত হৈ থকাৰ লগে লগে সামান্য অলপ ৰূপেই বহু ৰূপত প্ৰকাশিত হৈছে আৰু এই সুন্দৰ আৰু বিস্ময়কৰ ৰূপবোৰ বিৱৰ্তিত হৈছে।

ডাৰউইনৰ তত্ত্বটি পৰম স্ৰষ্টাজনৰ সৃষ্টিখনৰ দৰে বিস্ময়কৰ। পৰম স্ৰষ্টাৰ সত্যটিৰ দৰে ডাৰউইনৰ বিৱৰ্তন তত্ত্বটি আটাইৰে চিত্ত আকৰ্ষণকাৰী।

হাৰমান মেলভিলৰ মবিডিক

(১০০)

১৮১১ চনত নিউইয়ৰ্কত হাৰমান মেলভিলৰ জন্ম হয়। দেউতাক আছিল এজন ডাঙৰ ব্যৱসায়ী। কিন্তু মেলভিলৰ ল'ৰালিকালত তেওঁৰ মৃত্যু হোৱাত ওঠৰ বছৰ বয়সৰ পৰাই মেলভিলে জীৱিকাৰ বাবে জাহাজত কাম কৰিবলগীয়াত পৰে। সাগৰত ঘূৰি ফুৰা অভিজ্ঞতাবোৰ তেওঁ পিছত গ্ৰন্থ লেখাৰ সময়ত ব্যৱহাৰ কৰিছিল।

এবাৰ প্ৰশান্ত মহাসাগৰত সমুদ্ৰযাত্ৰা কৰাৰ সময়ত এজন নিষ্ঠুৰ প্ৰকৃতিৰ কেপ্তেইনৰ হাতৰ পৰা ৰক্ষা পৰাৰ কাৰণে মেলভিল মাৰ্কুৱেছাজ দ্বীপপুঞ্জত ৰৈ যায়। তাত তেওঁ এদল অসভ্য মানুহৰ হাতত পৰে যদিও, সিহঁতে তেওঁৰ সৈতে ভাল ব্যৱহাৰ কৰে। প্ৰায় চাৰি মাহৰ পিছত অষ্ট্ৰেলিয়াৰ এখন চিকাৰী-জাহাজে তেওঁক উদ্ধাৰ কৰে।

এই অভিজ্ঞতা বৰ্ণনা কৰি ১৮৪৬ চনত মেলভিলে 'টাইপি' (Typee) নামৰ এখন কিতাপ লেখে। পিছৰ বছৰত আন এখন কিতাপ 'অমু' (Omoo) প্ৰকাশ পায়। সেই বছৰতে মাছাচুছেটছৰ মুখ্য ন্যায়াধীশৰ কন্যাৰে সৈতে তেওঁৰ বিয়া হয়।

মেলভিলৰ প্ৰথম দুখন কিতাপে সমাদৰ লাভ কৰে যদিও তৃতীয় কিতাপ মাৰ্দি' (Mardi) কৃতকাৰ্য নহ'ল। কিন্তু তেওঁ হতাশ নহৈ লেখাত লাগি থাকিল। ঔপন্যাসিক বন্ধু নেথেনিয়েল হথৰ্নে তেওঁক প্ৰেৰণা যোগাইছিল। ১৮৫১ চনত 'মবিডিক' (Moby Dick) প্ৰকাশ পায়। কিন্তু তেওঁৰ জীৱদ্দশাত ইও বৰ বেছি সমাদৰ পোৱা নাছিল। সেয়ে তেওঁ সাহিত্যৰ জৰিয়তে জীৱিকা অৰ্জনৰ চেষ্টা এৰি ১৮৬৬ চনত নিউইয়ৰ্কৰ শুল্ক অফিচৰ কামত সোমায় আৰু ১৮৮৫ চনলৈ সেই কামতে নিযুক্ত হৈ থাকে। ১৮৯১ চনত তেওঁৰ মৃত্যু হয়।

প্ৰথম পুৰুষত বৰ্ণনা কৰা 'মবিডিক'ৰ সূত্ৰধাৰৰ নাম ইজমাইল। তেওঁ সাগৰৰ নামত বলিয়া। মন বেয়া লাগিলেই তেওঁ সমুদ্ৰ যাত্ৰা কৰে। এবাৰ

তেওঁ গ'ল নিউবে'ড্ফ'ৰ্ডলৈ। নিউবে'ড্ফ'ৰ্ডৰ সমুদ্ৰতীৰ তিমি চিকাৰৰ বাবে বিখ্যাত। তাৰ 'স্পাইটাৰ ইন' নামৰ হোটেলত থকাৰ সময়তে প্ৰশান্ত মহাসাগৰীয় দ্বীপ এটাৰ ৰজাৰ ল'ৰা 'কুইকোৱেগ'ৰ লগতে তেওঁৰ বন্ধুত্ব হয়। ইজমাইল তিমি চিকাৰলৈ যাব বুলি শুনি কুইকোৱেগো তেওঁৰ সংগী হ'ল। এখন চিকাৰী নাৱত দুয়ো আকুছনেট নৈৰে নান্টাকেট বন্দৰ অভিমুখে যাত্ৰা কৰিলে। নান্টাকেটত দুয়ো কেপ্তেইন আহাবৰ জাহাজত ঠাই বিচাৰিলে। আহাব আছিল এজন আচৰিত চৰিত্ৰৰ মানুহ। মানুহজন মন গ'লেই কিবাকিবি কৰি পেলোৱা ধৰণৰ আছিল। তেওঁৰ এখন ভৰি এবাৰ তিমি মাছে কামুৰি গুণীয়া কৰিছিল। জাহাজৰ প্ৰধান নাবিকজনৰ নাম হ'ল ষ্টাৰবাক্ — সি আছিল সাহসী। দ্বিতীয় প্ৰধান নাবিকজনৰ নাম ষ্টাব। সিও সাহসী। তৃতীয় প্ৰধান নাবিকজনৰ নাম ফ্লাস্ক। তিমি মাছৰ ওপৰত অৰ আছিল খং।

জাহাজত কেইদিনমান থকাৰ পিছতহে ইজমাইলহঁতে কেপ্তেইন আহাবক দেখা পাইছিল। তেওঁৰ কুমৰ ওপৰৰ পৰা ডিঙিলৈকে এটা আঁচোৰৰ চিন আছিল। তেওঁ জাহাজৰ মাস্তুলত এটা ষোল্ল ডলাৰ মূল্যৰ সোণৰ গজাল মাৰি লগাই থৈছিল আৰু ঘোষণা কৰিছিল যে যিজনে 'মবিডিক' নামৰ তিমি মাছটো মাৰিব পাৰিব, সেইজনেই মুদ্ৰাটো লাভ কৰিব। মবিডিকৰ মূৰত তিনিটা ডাঙৰ ক্ষতচিহ্ন আছে আৰু তাৰ মূৰৰ ৰং বগা। কুইকোৱেগে ক'লে যে তেওঁ সেই বিশেষ তিমি মাছটোক সাগৰত ফুৰা দেখিছে।

এই 'মবিডিক' নাম থোৱা তিমিটোৱেই কেপ্তেইন আহাবৰ ভৰিখন জখম কৰিছিল। গতিকে আহাবে তাৰ ওপৰত প্ৰতিশোধ লব বিচাৰি সমুদ্ৰ যাত্ৰা কৰিছিল। যাত্ৰা কৰাৰ আগতে আহাবে সকলোকে এটা ভোজ দিলে আৰু মবিডিকক বিচাৰি উলিওৱাৰ কাৰণে উদ্বুদ্ধ কৰিলে।

মবিডিকৰ সন্ধানত যাত্ৰা আৰম্ভ হ'ল। কেপ্তেইন আহাবে মবিডিকৰ গতি-বিধি সম্পৰ্কে ভালেমান বা-বাতৰি আগতেই সংগ্ৰহ কৰিছিল আৰু মানচিত্ৰও তৈয়াৰ কৰাইছিল। তেওঁ সেইবোৰ অধ্যয়ন কৰিবলৈ ল'লে।

এদিন সাগৰত এজাক তিমি দেখা গ'ল। নাবিকসকলৰ মাজত যথেষ্ট আলোড়নৰ সৃষ্টি হ'ল। জাহাজৰ পৰা চাৰিখন সৰু নাও নমাই কেইবাজনো চিকাৰী নাবিক তিমিৰ জাকটোৰ ফালে আগবাঢ়িল যদিও, ডাঠ কুঁৱলীৰ কাৰণে উভতি আহিবলগীয়া হ'ল।

যদিও আক ভালেমান দিনলৈ মবিডিকৰ সন্ধান পোৱা নগ'ল, তথাপি আহাব নিৰুৎসাহ নহ'ল। বৰং তেওঁ চূড়ান্ত সংঘৰ্ষৰ বাবে দুগুণ উৎসাহেৰে প্ৰস্তুতি চলালে। ইতিমধ্যে ষ্টাৰ আক ফ্লাস্কে দুটা তিমি চিকাৰ কৰিলে। এদিন ৰাতি আহাবে তেওঁৰ দূৰবীক্ষণ যন্ত্ৰেৰে চাই মবিডিকক দেখা পালে। নাওবোৰ পানীত নমাই দি নাবিকসকল আক্ৰমণৰ বাবে সাজু হ'ল। কিন্তু মবিডিকে সাগৰত প্ৰচণ্ড ঢৌ তোলাত নাওবোৰ ইফালে সিফালে ছিটিকি পৰিল। নাবিকহঁতে সাঁতুৰি আহি কোনোমতে জাহাজত উঠি প্ৰাণৰক্ষা কৰিলে।

পিছদিনা ৰাতিপুৱাৰ পৰা মবিডিকৰ সন্ধান চলোৱা হ'ল। প্ৰায় এমাইল দূৰত তাক দেখিবলৈ পোৱা গ'ল। নাওবোৰ জাহাজৰ পৰা নমোৱা হ'ল। মবিডিকে নাবৰ ফালে খেদা মাৰি আহিল। জাহাজৰ পৰা তাৰ গালৈ দীঘল বৰ্শাবোৰ মাৰি পঠিওৱা হ'ল। তিনিডাল বৰ্শাই তাৰ শৰীৰত আঘাত কৰিলে। সি জোৰেৰে জাহাজত খুন্দিয়ালে। কিন্তু কাৰো একো ক্ষতি কৰিব নোৱাৰিলে।

দুয়োটা আক্ৰমণত মবিডিকেই বিজয়ী হ'ল। পিছদিনা আহাবে অন্যান্য চিকাৰী সকলৰ সৈতে নিজে নাৱত উঠি আগবাঢ়িল। হঠাৎ পানীৰ তলৰ পৰা মবিডিকক ওপৰলৈ উঠা দেখা গ'ল। সি আহাবৰ নাওখন লক্ষ্য কৰি খেদি আহিল। আহাবৰ নাও সি খুন্দা মাৰি বুৰাই দিলে। আহাবৰো সলিল সমাধি ঘটিল। জাহাজখনো মবিডিকৰ আক্ৰমণৰ ফলত বুৰ গ'ল। এইদৰে মবিডিকেই অৱশেষত বিজয়ী হ'ল।

হাৰমান মেলভিলে লেখা ১৩৫টা অধ্যায় সন্নিবিষ্ট ৫০০ পৃষ্ঠাৰ কিতাপখনৰ কাহিনীৰ এয়া এটা আভাস মাত্ৰ। মূল কিতাপখন পঢ়িলেহে দু:সাহসিক অভিযান আৰু তাৰ ফলাফলৰ ৰোমাঞ্চকৰ কথাবোৰৰ পৰা পঢ়ুৱৈয়ে প্ৰকৃত সোৱাদ পাব। তিমি-মাছ সম্পৰ্কীয় নানা তথ্যেৰে কিতাপখন পৰিপূৰ্ণ। এই তথ্যবোৰ সংগ্ৰহ কৰিবলৈ মেলভিলে প্ৰত্যক্ষ আৰু পৰোক্ষ নানা উৎসৰ সহায় ল'বলগীয়া হৈছিল। তিমিমাছ চিকাৰৰ বিষয়বস্তু লৈ লেখা কিতাপ বিশ্বসাহিত্যত নাই বুলিলেই হয় আৰু নহৰও। সেই দিশৰ পৰা মেলভিলৰ 'মবিডিকে' এক বিশিষ্ট স্থান অধিকাৰ কৰি আছে। সমালোচক সকলৰ মতে মবিডিকৰ লেখক মেলভিলিয়েই আৰ্ণেষ্ট হেমিংৱেৰো প্ৰেৰণাৰ মূল। এটা ডাঙৰ মাছৰ চিকাৰ কাহিনী হেমিংৱেই আধুনিক ভাবে লেখি সাহিত্যৰ নবেল বঁটা

লাভ কৰে। আমেৰিকাৰ এইসকল লেখকৰ সৃষ্টিৰ মাই সমল তেওঁলোকৰ ব্যক্তিগত জীৱনৰ অভিজ্ঞতা। সাহিত্যৰ সমল বিচাৰিবলৈ গৈ এওঁলোকে জীৱন পণ কৰিছিল। তাৰ সুফল সমস্ত মানৱ জাতিৰে সম্পত্তি অধিকাৰ। বিশ্বসাহিত্যক এওঁলোকৰ ত্যাগ আৰু সাধনাই ঐশ্বৰ্য দান কৰিছে।

পৰিশিষ্ট

গ্ৰন্থসমূহৰ বৰ্ণানুক্ৰমিক তালিকা

অতীতৰ সোঁৱৰণী ◊ মাৰ্চেল প্ৰাউস্ত ৪৪৫

অদ্ভুত দেশত এলিচৰ অভিযান ◊ লুই কেৰল ৪২৫

অন লিবাৰ্টি ◊ জন ষ্টুৱাৰ্ট মিল ২৩১

অৰিজিন অৱ স্পেছিচ ◊ চাৰ্লছ ডাৰউইন ৪৭২

অল কোৱায়েট অন দ্য ৱেষ্টাৰ্ণ ফ্ৰণ্ট ◊ এৰিখ মাৰিয়া ৰেমাৰ্ক ২৯৭

আইভানহো ◊ ছাৰ ৱাল্টাৰ স্কট ৪৫৬

আলেকজেন্দ্ৰিয়া কোৱাৰ্টেট, দ্য ◊ লৰেন্স ডুৰেল ৩০২

আশী দিনত পৃথিৱী ভ্ৰমণ ◊ জুল ভাৰ্ণ ৩৩১

ইউটোপিয়া ◊ ছাৰ টমাছ মুৰ ৭০

ইউলিছিছ ◊ জেমছ জয়েছ ৪৬৪

ইনিড ◊ ভাৰ্জিল ২৮

ইলিয়াড ◊ হোমাৰ ১

এডভেঞ্চাৰ্ছ অৱ টম ছয়াৰ ◊ মাৰ্ক টোৱেইন ৩৬৯

এথিকছ ◊ এৰিষ্টটল ২৪

এন এমেৰিকান ট্ৰেজেদি ◊ থিয়োডৰ ড্ৰেইজাৰ ৩৪০

এ ফেয়াৰৱেল টু আৰ্মছ ◊ আৰ্নেষ্ট হেমিংৱে ৩৬৫

এৰিয়েল ◊ আঁন্দ্ৰে মৰো ৪৬০

এহেজাৰ নিশাৰ সাধু ১১১

কন্‌টিকি অভিযান ◊ থৰ হেয়াৰডাল ৪৫২

কাৰামাজভ ভ্ৰাতৃবৃন্দ ◊ ফিওডৰ ডষ্টয়েভ্‌স্কি ২৫১

কিম ◊ ৰুডিয়াৰ্ড কিপলিঙ ৪০৬

কেক্‌ছ এণ্ড এল ◊ ছমাৰছেট মম ৩৭৩

কেণ্টাৰবেৰি টেল্‌চ, দ্য ◊ জিয়ফ্ৰি চচাৰ ৩১৩

কোৰান ৪৬

ক্ৰিটিক অৱ পিওৰ ৰিজন ◊ ইমানুৱেল কাণ্ট ১৬২

ক্লইস্টার এণ্ড দ্য হার্থ, দ্য ০ চার্লছ রীড ৪১০
গার গান্টুয়া আর পেন্টাগ্রুয়েল ০ ফ্রাঁসোয়া রাবেলা ৮৭
গালিভারের ভ্রমণ কাহিনী ০ জোনাথন সুইফট ১১৭
গোল্ডেন বাও, দ্য ০ স্যার জেমছ জর্জ ফ্রেজার ২৫৮
গ্রেট গেটসবি, দ্য ০ স্কট ফিটজেরাল্ড ৩৩৬
গ্রেপছ অব রথ, দ্য ০ জন স্টেইনবেক ৩৪৬
চতুর্দশ লুইর যুগ ০ ভলটেয়ার ১২৭
ছন্স এণ্ড লাভার্ছ ০ ডি. এইছ. লরেন্স ৩৮১
ছাউণ্ড এণ্ড দ্য ফিউরি, দ্য ০ উইলিয়াম ফকনার ৩৯১
ছেভেন পিলার্ছ অব উইজডম, দ্য ০ টি.ই.লরেন্স. ৩৯৯
ছেমুয়েল জনছনের জীবনী ০ জেমছ বছওয়েল ১৩৪
জীবনীমালা ০ প্লুটার্ক ৩২
জেন আয়ার ০ চার্লট ব্রণ্টি ১৮০
টম জ'নছ ০ হেনরি ফিল্ডিং ৪৬৮
টাইফুন ০ যোছেফ কনরাড ৪৪৮
টাউন লেবারার, দ্য ০ জে, এল আর বারবারা হামন্ড ৩৭৭
টু দ্য লাইট হাউছ ০ ভার্জিনিয়া উল্ফ ৪১৪
টেছ অব দ্য ডারবারভিলিছ ০ টমাছ হার্ডি ৪২৯
ডন কুইক্‌ছোট ০ মিগুয়েল দ্য চার্ভেন্টিছ ৯১
ডক্টর জিভাগো ০ বরিছ পাস্টেরনাক ৩৫৩
ডাছ কেপিটেল ০ কার্লমার্ক্স ১৯২
ডায়'ল'গছ ০ প্লেটো ২০
ডিভাইন কমেডি, দ্য ০ ডান্টে ৫২
ডেড ছ'লছ ০ নিকোলাছ গোগল ২৬৭
ডেভিড কপারফিল্ড ০ চার্লছ ডিকেন্স ২১৯
থ্রি মাস্কেটিয়ারছ ০ আলেকজেণ্ডার ডুমা ১৬৯
দিনপঞ্জী ০ ছেমুয়েল পিপছ ১৫৬
দেবদূতের বিদ্রোহ ০ আনাতোল ফ্রাঁস ২৯৩
নট অব ভাইপার্ছ, দ্য ০ ফ্রাঁসোয়া মরিয়াক ৩৯৫
নতের দাম দ্য পারী ০ ভিক্টর হিউগ' ২১১
নাইনটিন এইট্টি ফ'র (১৯৮৪) ০ জর্জ অরওয়েল ৩০৬
পেলোপোনেছিয়ান যুদ্ধের ইতিহাস ০ থুচিডাইডিছ ১৩
পিতা-পুত্র ০ ইভান টুর্গেনিভ ২৩৬
পিয়েরে এট্ জাঁ ০ গি দ্য মোপাসাঁ ২২৫
পেরেডাইজ লস্ট ০ জন মিল্টন ১০১
পিলগ্রিমছ প্রগেছ ০ জন বানিয়ান ১০৪
প্রাইড এণ্ড প্রিজুডিছ ০ জন অস্টেন ১৩৭

প্ৰিন্স, দ্য ◊ মেকিয়াভেলি ৮১
ফোৰছাইট ছাগা, দ্য ◊ জন গেলছৱাৰ্দি ৩৮৮
ফ্ৰাংকেনষ্টাইন ◊ মেৰী শেলী ৩১১
ফ্ৰেঞ্চ ৰিভলিউচন ◊ টমাছ কাৰ্লাইল ১৪১
বাইবেল ৪০
বাৰচেষ্টাৰ টাৱাৰছ ◊ এণ্টনি ট্ৰলপ ২৮৪
বুৰ্স গোৱিজ ◊ বালজাক ১৭৪
বেদৰ পৰিচয় ৬৬
ব্ৰাইটৰ ৰক ◊ গ্ৰাহাম গ্ৰীন ৩৬১
ব্ৰেভ নিউ ৱৰ্লড ◊ এলডুছ হাক্সলি ৪২১
ভাইকাৰ অৱ ৱেকফিল্ড, দ্য ◊ অলিভাৰ গোল্ডস্মিথ ১৩০
ভেনিটি ফেয়াৰ ◊ উইলিয়াম মেকপিচ থেকাৰ ১৮৪
মহাভাৰত ৫৮
মবিডিক ◊ হাৰমান মেলভিল ৪৭৬
মাই আৰ্লি লাইফ ◊ ছাৰ উইনষ্টন ৪৪১
মাষ্টাৰছ, দ্য ◊ চি. পি. স্নো. ৪৩৩
মিল অন দ্য ফ্লছ ◊ জৰ্জ এলিয়ট ২৯০
মেগ্ৰিমছ ◊ লা ৰচফুক ৯৭
মেজিক মাউণ্টেইন, দ্য ◊ টমাছ মান ৩২৫
মেডাম ৰভাৰি ◊ গুস্তাভ ফ্লবেয়াৰ ১৯৮
যুদ্ধ আৰু শান্তি ◊ লিয় টলষ্টয় ২৪৪
ৰচনাৱলী ◊ মতেঁই ৩৮৫
ৰবিনছন ক্ৰুছো ◊ ডেনিয়েল ডিফ ১১৪
ৰামায়ণ ·৩৪
ৰোম সাম্ৰাজ্যৰ পতন ◊ গিবন ১৬৫
লৰ্নাডুন ◊ আৰ ডি ব্লেকমোৰ ২৬৪
লাভেনগ্ৰো ◊ জৰ্জ বোৰো ২৭৪
ৱাদাৰিং হাইটছ ◊ এমিলি ব্ৰণ্টি ২০২
শ্ৰীমদ্ভাগৱত গীতা ৭৭
সপোনৰ বিশ্লেষণ ◊ ছিগমাণ্ড ফ্ৰয়েড ২৭৮
সামাজিক চুক্তি ◊ জাঁ-জাক ৰুছো ১২১
স্কাৰলেট এণ্ড ব্লেক ◊ স্তাঁদাল ১৫১
স্কাৰলেট লেটাৰ, দ্য ◊ নেথেনিয়েল হথৰ্ণ ২০৭
হিষ্ট্ৰী অৱ ইংলেণ্ড, দ্য ◊ লৰ্ড মেকলে ১৪৬
হিষ্ট্ৰী অৱ মিষ্টাৰ পলি, দ্য ◊ এইছ.জি. ৱেলছ ৪১৮
হেৰোড'টাছৰ বুৰঞ্জী ৮